জনজাতি সমাজ সংস্কৃতি

সম্পাদক

পদ্ম পাটৰ

JANAJATI SAMAJ SANSKRITI
Edited by Padma Pator and Published by Ringchang Publication,
Housing Colony, Hengerabari, Guwahati-781 006, Assam, India.
Price Rs.1,000/- (Rupees One thousand only).

জনজাতি সমাজ সংস্কৃতি

প্ৰথম প্ৰকাশ ঃ জুলাই ২০০৮
গ্ৰন্থস্বত্ব ঃ প্ৰকাশক

প্ৰচ্ছদ
ড° শোভা ব্ৰহ্ম

অলংকৰণ
ত্ৰৈলোক্য দত্ত
ৰূপকৃষ্ণ পাটৰ
শান্তনু পাটৰ

আলোকচিত্ৰ
উৎপল বৰুৱা (ইউ বি ফটোজ্), পদ্ম পাটৰ

মূল্য ঃ ১,০০০/- টকা

মুদ্ৰণ
ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী - ৭৮১ ০০৭, অসম, ভাৰত
ফোন ঃ ০৩৬১-২৫২৪০৫৬, ২৫২৮১৫৫, ২৪৬৩৮৭৮

Printed at
Bhabani Offset & Imaging Systems Pvt. Ltd.
7 Lachit Lane, Rajgarh Road, Guwahati-781 007, Assam, India
Phone: 0361 2524056, 2528155, 2463878
e-mail: bhabani@bhabani.com

মুখবন্ধ

অসমীয়া জাতি আৰু সংস্কৃতিৰ বৈচিত্ৰ্য বৰ্ণাঢ্যতাই আমাক চিৰদিন বিস্মিত বিমুগ্ধ কৰি আহিছে। কিন্তু যিবোৰ বিচিত্ৰ সম্ভাৰে এই বৈচিত্ৰ্যক বৈভৱ প্ৰদান কৰিছে, সেইবোৰক আমি সমানে গুৰুত্ব দিয়া নাই। অথচ আমাৰ সামগ্ৰিক ঐশ্বৰ্যৰ বিচাৰ কৰোঁতে এইবোৰক বাদ দি সম্পূৰ্ণ বিচাৰ হ'ব নোৱাৰে। এসময়ত অসমৰ প্ৰাচীন কামৰূপত খিলঞ্জীয়া ভূমিপুত্ৰৰূপে তিব্বতোবৰ্মী ভাষাগোষ্ঠীৰ লোকসকলে বসবাস কৰিছিল। এই তিব্বতোবৰ্মী ভাষাগোষ্ঠীৰ লোকসকল তথা মঙ্গোলয়দ গোষ্ঠীৰ মানুহখিনিৰ আদি বাসভূমি আছিল উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ বৃহৎ উপত্যকা। তাৰ পৰা বিভিন্ন সময়ত প্ৰব্ৰজন কৰি আহি আহি পুৰণি কামৰূপৰ পূবদিশৰ ব্ৰহ্মদেশৰ পৰ্বতমালাৰ গিৰিপথেদি আহি এই মানুহখিনিয়ে বিভিন্ন ঠাইত থিতাপি ল'লে আৰু নিজস্ব ধৰণে এক সমাজ-জীৱন আৰম্ভ কৰিলে। এই প্ৰব্ৰজনকাৰী তিব্বতোবৰ্মী ফৈদৰ মানুহখিনিৰ ভিতৰত আছিল কছাৰী, কোচ, ৰাভা, মেছ, মিকিৰ, লালুং, ডিমাছা, গাৰো, নগা, চুতীয়া ইত্যাদি ভালেমান ফৈদৰ ভূমিপুত্ৰ খিলঞ্জীয়া লোক। লক্ষ্যণীয় কথা, এই ভূমিপুত্ৰসকলে প্ৰব্ৰজনৰ সময়ত লগত লৈ আনিছিল তেওঁলোকৰ সমাজ-জীৱনৰ বিবিধ ঐশ্বৰ্যৰাশি; ঐতিহ্যমণ্ডিত সংস্কৃতিক কঢ়িয়াই আনিছিল নজহা-নপমা ৰূপত। একোখন নতুন ঠাইত জীৱন নিৰ্বাহ কৰিবলৈ লওঁতে এই ঐতিহ্যই নতুন সাৰপানী পাই নকৈ পোখা মেলি সমাজৰ বিভিন্ন ধাৰাক সমৃদ্ধ কৰিছিল। ভূমিপুত্ৰসকলৰ নিজস্ব সমাজ-জীৱনে অৱশ্যেই প্ৰতিফলিত কৰিছিল তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য। সেয়া উদ্ভাসিত হৈ উঠিছিল তেওঁলোকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংস্কাৰ-অভিসাৰ, প্ৰবৃত্তি-পদ্ধতি, কলা-সংস্কৃতি আদি অনেক বিষয়ত। আচৰিত কথা, এই খিলঞ্জীয়া লোকসকলৰ প্ৰত্যেকৰে পৰিচয়পৰ্বত স্বকীয় বৈশিষ্ট্যবোৰ একক আৰু ঐশ্বৰ্যময় আছিল। একোখন সমাজ, একোখন দেশৰ প্ৰতিফলন ঘটে সেই দেশৰ সমাজ-জীৱন, কলা-সংস্কৃতিৰ ওপৰত। স্বকীয়তাপূৰ্ণ সমৃদ্ধিশালী কলা-সংস্কৃতিয়েহে সেই জাতিৰ উজ্জ্বল ভৱিষ্যৎ নিৰূপণ কৰে। আমি আচৰিত হওঁ, এই খিলঞ্জীয়া লোকসকলৰ সামগ্ৰিক ৰূপটো, তেওঁলোকৰ সমাজ-জীৱন,

সংস্কৃতি-কলাৰ বিষয়ে জানিবলৈ নাই এখন সম্পূৰ্ণ ইতিহাস। অথচ এই খিলঞ্জীয়া ভূমিপুত্ৰৰূপে খ্যাত ঐতিহ্যমণ্ডিত কলা-সংস্কৃতিৰ অধিকাৰী জনজাতিসকলেও বৃহৎ অসমৰ বিভিন্ন দিশক বৈচিত্ৰ্য প্ৰদান কৰি আহিছে। তেওঁলোকৰ এই অনবদ্য অৱদানৰ বিষয়ে বিভিন্ন পণ্ডিত-গৱেষকে সহমত পোষণ কৰি বিভিন্ন সময়ত প্ৰবন্ধপাতি ৰচনা কৰিছে।

সভ্যতাৰ বিকাশৰ মাপকাঠী সময়ে নিৰূপণ কৰে। সমাজ আৰু পৰিস্থিতিৰ প্ৰতিফলনো নিৰ্ণয় কৰে সময়ে। অসমৰ খিলঞ্জীয়া বুলি ভবা লোকসকলৰ মূৰৰ ওপৰেদিও পাৰ হৈছে অনেক ঘাত-প্ৰতিঘাত। তেওঁলোকৰ সমাজ-জীৱনৰ ওপৰেদি বৈ যোৱা সমস্যা কিম্বা সংঘাতে তেওঁলোকক মষিমূৰ কৰিব পৰা নাই যদিও জনজীৱনৰ বিভিন্ন গাঁথাক প্ৰভাৱিত কৰিছে। সেয়া প্ৰতিফলিত হৈছে তেওঁলোকৰ সংস্কৃতিৰ মাজেদি, জীৱন-নিৰ্বাহ পদ্ধতিৰ মাজেদি। আনন্দ, বিষাদ—যিকোনো মুহূৰ্তই জনজীৱনৰ বিবিধ গণ্ডীত জনজাতিসকলৰ সংস্কৃতিক স্বকীয় ৰূপত গঢ়ি তুলিছে। বড়োসকলৰ স্বকীয়তাপূৰ্ণ বাগৰুম্বা নৃত্য, খেৰাই, বৈছাগু নৃত্য, মিচিঙৰ ঐনিতম, গুমৰাগ নৃত্যৰ অপৰূপ ৰূপে কি যে মহিমা প্ৰকাশ কৰে! একেদৰে ডিমাছা, কাৰ্বি, তিৱা, দেউৰী, ৰাভা, সোণোৱাল কছাৰী আদিৰ কলা-সংস্কৃতিয়েও অসমভূমিৰ বিচিত্ৰতা প্ৰকাশ কৰিছে।

সুখৰ কথা, অসমৰ এই খিলঞ্জীয়া জনজাতিসকলৰ লোকজীৱন, কলা-সংস্কৃতিক লৈ এখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ হাতত লৈছে বিশিষ্ট গল্পকাৰ-সাংবাদিক পদ্ম পাটৰে। অসমত বাস কৰা প্ৰতিটো জনজাতিৰে ইতিবৃত্ত, সমাজ-জীৱন, সংস্কৃতিক লৈ এখন পূৰ্ণাংগ পৰ্যায়ৰ ইতিহাস একক প্ৰচেষ্টাৰে সম্পাদন কৰিবলৈ আগবাঢ়ি আহি পাটৰে প্ৰশংসা অৰ্জন কৰিছে। অসমৰ দুকুৰিৰো অধিক গৱেষক-পণ্ডিতে জনজাতিসকলৰ প্ৰতিটো দিশতে গৱেষণালব্ধ লেখাৰে সেই ভূমিপুত্ৰসকলৰ বৰ্ণাঢ্য সমাজ-সংস্কৃতিক প্ৰতিফলিত কৰিছে। আমাৰ চুবুৰীয়া ৰাজ্যকেইখনৰ সমাজ-সংস্কৃতিক লৈ দেশী-বিদেশী লেখকে ইতিপূৰ্বে অনেক আলোকপাত কৰিছে, সৰ্বভাৰতীয় পৰ্যায়তো গ্ৰন্থ প্ৰকাশ কৰি গুৰুত্ব লাভ কৰিছে। ইতিপূৰ্বে পূৰ্ণ পৰ্যায়ত আমাৰ ভাষাত তেনে গ্ৰন্থ ৰচিত হোৱা নাই। সম্প্ৰতি এই গ্ৰন্থখন অসমীয়া ভাষাত প্ৰণয়ন কৰিবলৈ লোৱা হৈছে যদিও ই ইংৰাজী ভাষালৈ অনূদিত হোৱাটো খুবেই প্ৰয়োজন। তেহে সৰ্বভাৰতীয় পৰ্যায়ত এই বিষয়েও গুৰুত্ব লাভ কৰিব, আৰু আমাৰ নৱ প্ৰজন্মও ইয়াৰ দ্বাৰা উপকৃত হ'ব। জনজাতিসকলৰ সংস্কৃতিৰ পৰিসৰ ইমান ব্যাপক যে প্ৰতিটো দিশতে একোখন গ্ৰন্থ ৰচনা কৰিব পাৰি। কিন্তু ইয়াত সেই দিশবোৰো যথাযোগ্য ৰূপত দাঙি ধৰি বিশিষ্ট লেখকসকলে দায়িত্ববোধৰ লগতে পাণ্ডিত্যৰো পৰিচয় দিছে। তেখেতসকলৰ গৱেষণাধৰ্মী লেখাই অধ্যয়নপিপাসু, নৃতত্ত্ববিদ্, সমাজবিজ্ঞানী, লোক-সংস্কৃতিবিদ্, ছাত্ৰ-ছাত্ৰীক অনেক সমল পোনপটীয়াকৈ পোৱাত সহায় কৰিব। অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাললৈ ই নিঃসন্দেহে এক নতুন সংযোজন। আমি আশা কৰিছো, গ্ৰন্থখনে যথাযোগ্য গুৰুত্ব আৰু সমাদৰ লাভ কৰিব। তদুপৰি অসমৰ জাতীয় সংস্কৃতি আৰু সংহতি অক্ষুণ্ণ ৰক্ষাতো গ্ৰন্থখনে ভূমিকা পালন কৰিব পাৰিব। আমি পাটৰৰ এই একক আৰু অভিনৱ প্ৰচেষ্টাৰ শলাগ লৈছো আৰু শুভকামনা জনাইছো। আশা কৰিছো, তেখেতৰ শ্ৰমৰ সাৰ্থক মূল্যায়ন নিশ্চয় হ'ব।

মামণি ৰয়চম গোস্বামী

(মামণি ৰয়চম গোস্বামী)

৩ জুলাই, ২০০৮, গুৱাহাটী।

সম্পাদকৰ দুআষাৰ

এই কথা সাধাৰণভাৱেই ক'ব পাৰি যে—ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল তিব্বতোবৰ্মী ফৈদ বা মঙ্গোলয়দ গোষ্ঠীৰ লোকসকলৰ প্ৰধান বাসভূমি যাক আমি কিছুদিন আগলৈকে সাতভনীৰ আখ্যা দি আহিছিলো। এই মঙ্গোলয়দ গোষ্ঠীৰ লোকখিনি যে এই বিশাল ভূমিখণ্ডৰ আদিম অধিবাসী আছিল, সেই কথাত কাৰোৰে দ্বিমত থাকিব নেলাগে। এই সন্দৰ্ভত তিব্বতোবৰ্মী ভাষাগোষ্ঠীৰ লোকসকলৰ আদি বাসস্থান, প্ৰব্ৰজন সন্দৰ্ভত ইতিমধ্যেই প্ৰখ্যাত ইতিহাসবিদ্, সমাজবিজ্ঞানী, নৃতত্ত্ববিদ্, গৱেষক, পণ্ডিতসকলৰ উপৰি বিদেশী পৰ্যটকসকলে তেওঁলোকৰ ভ্ৰমণ টোকাত, লেখনীত বিস্তৃত বিৱৰণ দি গৈছে—যি কথা পুনৰ দোহৰাৰ প্ৰয়োজন নাই। বিদেশী পৰ্যটক, ইতিহাসবিদেই নহয়, আমাৰ অসমৰ পণ্ডিত, সমাজবিজ্ঞানী, গৱেষকসকলেও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি, জনগোষ্ঠী লোকসকলৰ ওপৰত একেই মতকে পোষণ কৰি এই জনগোষ্ঠীসকলৰ অতীত-ঐতিহ্য আৰু জীৱন-প্ৰবাহক স্বীকৃতি দি আহিছে। এই মঙ্গোলয়দ গোষ্ঠীৰ কথা মনলৈ আনিলেই মনলৈ আহে বীৰ ভগদত্তৰ কথা। সেই মহাকাব্য মহাভাৰত-খ্যাত ভগদত্তৰ কথা, যাৰ শৌৰ্য-বীৰ্যই আমাৰ অতীত-জীৱন পোহৰাই তোলে। আমি গৌৰৱান্বিত হওঁ—যদিও সেই লোকসকল বিভূষিত হৈছিল নিম্নতৰ লোকৰ শ্ৰেণীত। সেইদৰে বাণৰজাৰ কথা কাহিনীয়েও আমাক সমাজ-জীৱনলৈ গৌৰৱ কঢ়িয়াই আনে। সেই দানৱ বংশৰেই প্ৰতিনিধি ৰজা মহাৰজাসকলৰ কীৰ্তিকাহিনীৰাশিৰ বিস্তৃত বিৱৰণৰ পৰা আজি আমি বহু নিলগত—যাৰে আমি সুসমৃদ্ধ তথ্যাদিক লৈ সেই মহান জাতিৰ নায়কসকলৰ ইতিহাস ৰচনা কৰিবলৈও অপাৰগ—অথচ এই ৰজা মহাৰজাসকলৰ কোনো কোনোজনাৰ নিৰ্দেশনাতেই ৰচিত হৈছিল প্ৰথম অসমীয়া কবিতাপুথি ৰামায়ণৰ দৰে গ্ৰন্থ। সেই মঙ্গোলয়দ তথা কিৰাত জাতিৰ লোকসকল অকল প্ৰবল প্ৰতাপী লোক হৈ ইখনৰ পিছত সিখন ৰাজ্য নিজৰ হাঁতলৈ আনি ৰাজ্যৰ সীমা বহলাই নিজৰ খিতাপ,

প্ৰতিপত্তিয়েই যে বিস্তাৰ কৰিছিল এনে নহয়, তেওঁলোকৰ উদাৰ মনেৰে আনকি খছাৰী ৰজা (কছাৰী ৰজা) ৰমাকান্ত মেছ ওৰফে নীলধ্বজ, খেন বংশৰ ৰজা দুৰ্লভনাৰায়ণ মেছে কনৌজৰ পৰা সাতঘৰ বামুণ আৰু সাতঘৰ কায়স্থক অনাই নিজ ৰাজ্যত থকাৰ ব্যৱস্থা কৰিছিল। এই সকলক কি কাৰণত আনিছিল সেই কথা বিশ্লেষণৰ প্ৰয়োজন নাই। অতীতৰ সেই সুবিশাল বিস্তৃত ভূমিখণ্ড প্ৰাচীন কামৰূপ ৰাজ্যত ১৮৬ গৰাকী ৰজাই ৰাজত্ব কৰিছিল। এই ১৮৬ গৰাকী ৰজাই এই বিশাল ভূমিত কিমান যুগ-যুগান্তৰ ধৰি ৰাজপাট খাইছিল সেয়া সহজভাৱেই সকলোৰে অনুমেয়। কিন্তু অসীম উদাৰ মনেৰে অনা এই কায়স্থ আৰু বামুণকেইগৰাকীয়ে সেই উদাৰতাক কেনেদৰে সন্মান জনাই নিজ কৰ্তব্য কি দৰে পালন কৰিলে তাকো সেই উদাৰমনা ৰাজপ্ৰতিনিধিসকলে নজনাকৈ নাথাকিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই সেয়েই এই সন্দৰ্ভত কিছু কথা লেখি ক্ষোভ প্ৰকাশ কৰিছিল 'চিফুং বাঁহীৰ সুৰ'ত। এই কথা সত্য যে মানুহৰ হৃদয় কলুষতাৰে পূৰ্ণ হৈ থাকিলে জীৱনত কোনো কালে উৎকৰ্ষ সাধন কৰিব নোৱাৰে। এই মঙ্গোলয়দ জনগোষ্ঠীৰ লোকসকলৰ হৃদয় আকাশৰ দৰেই উদাৰ, খোলা মনৰ আছিল—যাৰে নিজৰ সমাজ-জীৱনক ৰূপদান কৰিছিল সেই ৰূপেৰেই সকলোকে চাইছিল। সেয়েই—সেই অতীত জীৱনৰ নৃত্য-গীত, উৎসৱ-পাৰ্বণ, সংস্কৃতিৰ উৎসৰাশি আজিও সুসংস্কৃত ৰূপত স্বকীয়তাৰে অতীত ঐতিহ্যৰ মান বহন কৰি নিজৰ যশ-কীৰ্তিৰে উদ্ভাসি আছে। সেই স্বমহিমামণ্ডিত সংস্কৃতি, গীত-মাত, নৃত্য-উৎসৱাদি সবাৰে মাজত অতি সমাদৃত আৰু সেই নৃত্য-গীত, উৎসৱাদিয়ে গুণগত আৰু কলাগত দিশত আজিও আগস্থান লভি আছে। এই সংস্কৃতিৰাশি যে আগস্থান লাভৰ যোগ্য সেই কথা আজিৰ নতুন সমাজ-জীৱনৰ স্বীকৃতিয়েই তাৰ প্ৰমাণ দাঙি আহিছে। কিন্তু এনে খণ্ডেকীয়া স্বীকৃতি যেন চিকমিক বিজুলিৰ ক্ষণিকৰ এক পোহৰ-ৰেখাহে—যাক দূৰৰ পৰাই পাহাৰৰ ৰূপ পৰ্যবেক্ষণ কৰা কথা যেন লাগে। যেয়েই যি সন্মান প্ৰদৰ্শন নকৰক কিয়, সেই উদাৰমনা কিৰাত বংশোদ্ভৱ জনগোষ্ঠীসকলৰ মন-প্ৰাণ অতীতৰ পৰাই সংস্কৃত ৰূপেৰে বিকশিত হৈ ৰোৱা বাবেই আজিও নিজৰ সংস্কৃতি, গীত-মাত, নৃত্যৰাশিক সৰ্বজনস্বীকৃত কৰি ৰাখিবলৈ সক্ষম হ'ব পাৰিছে। আজি আমাৰ বহল সমাজখনে তেনে গীত-মাত, উৎসৱক স্বীকৃতি দিয়ক বা নিদিয়ক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কিন্তু কোনো কোনো জনগোষ্ঠীৰ কলা-সংস্কৃতিয়ে আদৰ সন্মান লভিবলৈ সক্ষম হৈছে। ই আমাৰ বাবে পৰম গৌৰৱৰ কথা। গৌৰৱৰ কথা, অতীত-পৰম্পৰা ৰক্ষা কৰি সেই ঐতিহ্যমণ্ডিত সংস্কৃতিৰাশিক অক্ষুণ্ন ৰূপত ৰাখি সেই সংস্কৃতিৰ মোহনীয়তা জগত-সভাত বিলাই ৰাখিব পৰাটোত। আনহাতেদি সমাজ-জীৱন গঢ়াৰ কালৰ পৰাই এইসকল লোকে নিজৰ কলা-সংস্কৃতিকেই নহয়, ভাষাটোকো সঞ্জীৱিত কৰি ৰাখি আহিছে। সেই অতীত কালৰে পৰা নজহা-নপমা ৰূপত হাজাৰ বিজাৰ যুগ ধৰি নিজৰ সংস্কৃতিৰাশিৰ কোনো ক্ষতি সাধন নকৰাকৈ এইসকল লোকে ৰাখি আহিব পৰাটোও অত্যন্ত গৌৰৱৰ কথা।

এই জনগোষ্ঠীয় লোকসকলক হয়তো আনসকলক শিক্ষাৰ পোহৰে ছাটি ধৰাৰ দৰে ছাটি নধৰিব পাৰে তেনে শিক্ষাৰ পোহৰ নাপালেও নিজৰ কলা-সংস্কৃতিৰ ঐতিহ্য ৰক্ষাৰ বেলিকা অতি তৎপৰ আছিল, আৰু তৎপৰ হৈ আছে—সেই কথাক স্বীকৃতি দিব লাগিব। তেওঁলোকৰ সমাজ-জীৱন অতি সুশৃংখল হোৱাৰ বাবেই আজিও সেই সমাজৰ সেইসকল লোকৰ নিজৰ নিজৰ কলা-সংস্কৃতি, উৎসৱ, নৃত্যাদি একেই ৰূপত আছে। আমি সেই সংস্কৃতিৰাশিৰ ৰূপ পান

কৰাৰ লগতে সেই পূজা-উৎসৱ, নৃত্য-গীতৰ তাত্ত্বিক দিশবোৰো বিশ্লেষণ কৰি আমি সকলোৱে সেই উৎসৱৰাশিৰ মহত্ত্ব উপলব্ধি কৰিব পাৰিব লাগিব। আমি বাগৰুম্বা নৃত্য, খেৰাই নৃত্যৰ ৰূপত বিমোহিত হওঁ, কিন্তু সেই খামৰ (মাদলৰ) মহত্ত্ব, চিফুং বাঁহীৰ সুৰত কি গভীৰ তত্ত্ব লুকাই আছে তাক হয়তো অনুধাৱন নকৰো। সেই একেদৰেই খেৰাই নৃত্য, পূজাকো কৰা নাই। মঙ্গোলয়দ গোষ্ঠীৰ জনসমাজে প্ৰকৃতিৰ সন্তানৰূপে প্ৰকৃতিকেই পূজা-সেৱা আগবঢ়াই আহিছে আৰু শত শত যুগ-যুগান্তৰ ধৰি এই পূজা-অৰ্চনা চলি আহিছে। একেদৰেই আমি ৰাভাৰ ফাৰকান্তি উৎসৱ, বাইখো পূজা, খোকচি পূজা-নৃত্যৰ মাজত নিহিত থকা তত্ত্বৰাশিৰো অনুধাৱন কৰিব পাৰিব লাগিব। তিৱাৰ চগ্ৰামিচাৱা, ৱানছুৱা উৎসৱ, বৰত পূজা, একেদৰে মিচিংসকলৰ আলি আই লৃগাং উৎসৱ, পঃৰাগ্, কাৰবিৰ চ'মাংকান, চ'মাংকান উৎসৱৰ নিমছ' কিৰুং নৃত্যৰ তাৎপৰ্যপূৰ্ণ আৰু অন্তৰ্নিহিত কথাবোৰকো অনুধাৱন কৰিব পাৰিব লাগিব। সেই একেদৰেই সোনোৱাল কছাৰীৰ হয়দাং গীতৰ ঈশ্বৰস্তুতিৰ তাৎপৰ্য, দেউৰীসকল বিচু-পূজাৰ মহত্ত্ব, ডিমাচাৰ বাইডিমা, গাৰো, হাজঙকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলৰ সমূহ জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ, গীত-মাত, নৃত্য-উৎসৱাদিৰ তাত্ত্বিক দিশবোৰৰ বিশ্লেষণ কৰি সেইবোৰ বিষয় বিশেষজ্ঞসকলৰ দ্বাৰা তথ্যপাতি যুগুতাই গ্ৰন্থাকাৰে প্ৰচাৰৰ ব্যৱস্থা কৰাটো আমাৰ সময়োচিত কাম যদিও আমি সেই কাম কৰা নাই। উল্লেখযোগ্য যে অসমৰ এই জনগোষ্ঠীসমূহৰ নৃত্য উৎসৱৰ গীত-মাতসমূহ ইমানেই হৃদয়চিত্ত আকৰ্ষক আৰু তাৎপৰ্যপূৰ্ণ যে, প্ৰতিটো জনগোষ্ঠীৰ নৃত্য-উৎসৱৰ ওপৰতেই একোখন বিশাল গ্ৰন্থ ৰচনা কৰিব পৰা যায়। অসম কিয় উত্তৰ-পূৰ্বাঞ্চলৰ এই জনগোষ্ঠীসমূহৰ বিশাল লোক-জীৱনৰ কৃষ্টি-সংস্কৃতিৰাশিক লৈ একো একোখন বিশাল সংস্কৃতিৰ ইতিহাস ৰচনা কৰি সেই সেই সমাজ-জীৱনৰ সাংস্কৃতিক স্বীকৃতি প্ৰদান কৰাৰ লগতে আমি সংস্কৃতিৰ বিশাল পৃথিৱী এখনৰো অধিকাৰী হ'ব পাৰো। সেই সংস্কৃতিৰ বিশাল পৃথিৱীখনেৰে আমাৰ সংস্কৃতিৰ বৰভঁড়ালটোৰ ৰূপ আৰু চহকী কৰি তুলিব পাৰো।

আমি কিছুদিনৰ আগৰেপৰা অমাৰ জনগোষ্ঠীসমূহৰ অতীত-ইতিহাস সমাজ-সংস্কৃতিৰ তথ্যৰাশিৰে এখনি গ্ৰন্থ প্ৰকাশৰ কথা মনত পুহি ৰাখিছিলো সেয়েই আমি এই সংকলিত গ্ৰন্থখনৰ বাবে আমাৰ সমাজ-জীৱনৰ লগত সততে যোগাযোগ ৰক্ষা কৰি অহা পণ্ডিত, লেখক, গৱেষক, সমাজ-বিজ্ঞানী, নৃতত্ত্ববিদ্, ঐতিহাসিকসকলৰ লগত যোগাযোগ কৰিছিলো যাতে সমাজ-জীৱন, নৃত্য-গীত, পূজা-উৎসৱ, অতীত-ইতিহাসকে আদি কৰি দহোটামান বিষয়ৰ ওপৰত এনে এখনি সমাজ-সংস্কৃতিৰ গ্ৰন্থ প্ৰকাশ কৰিব পৰা যায়। এই বিষয়ত সৰ্বপ্ৰথমে সঁহাৰি জনালে মোৰ সুহৃদ বন্ধু জনজাতি সংস্কৃতিপ্ৰেমী অনিল বৰুৱাই। গ্ৰন্থখনিৰ বাবে প্ৰবন্ধপাতি সংগ্ৰহ হ'ল। এই বৃহৎ গ্ৰন্থখনি প্ৰকাশৰ বাবে জনজাতি কল্যাণ বিভাগৰ পৰা কিছু আৰ্থিক সাহায্য আগবঢ়াই কৃতাৰ্থ কৰিলে বিভাগীয় মন্ত্ৰী শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম নাইদেৱে। তাৰ বাবে সচিব লংকি ফাংছু, সঞ্চালক জীতেন বৰগয়াৰীক ধন্যবাদ জনাইছো। সোনোৱাল স্বায়ত্ত পৰিষদ আৰু তিৱা স্বায়ত্ত পৰিষদেও আমাক কিছু অৰ্থসাহায্য আগবঢ়ালে।

এই গ্ৰন্থখনিৰ সন্দৰ্ভত বড়ো ভাষাৰ বিশেষজ্ঞ, পণ্ডিত ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, অধ্যাপক টাবু টাইদ চাৰ, ললিত কলাৰত্ন বঁটা প্ৰাপ্ত ড° শোভা ব্ৰহ্ম, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° ভূপেন নাৰ্জাৰী, অসমীয়া বিভাগৰ মীডাৰ, ভাষা বিশেষজ্ঞ ড° উপেন ৰাভা

হাকাচাম, লোক-সংস্কৃতি বিভাগৰ মুৰব্বী ড° অনিল বড়ো, অসমৰ জনজাতি সমাজৰ অন্যতম বুদ্ধিজীৱী ইন্দিবৰ দেউৰী, জনজাতি গবেষণা প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ড° গণেশ চন্দ্ৰ শৰ্মা ঠাকুৰ আদিয়ে দিয়া দিহা-পৰামৰ্শই আমাক অনুপ্ৰাণিত কৰিলে। এই দিশত আসাম ত্ৰিবুন প্ৰকাশন গোষ্ঠীৰ পৰিচালন সঞ্চালক শ্ৰদ্ধেয় প্ৰফুল্ল গোবিন্দ বৰুৱা, প্ৰসিদ্ধ সমালোচক উপেন্দ্ৰ নাথ শৰ্মা চাৰে এনে এখন গ্ৰন্থ প্ৰকাশৰ কাৰ্যত আগভাগ লোৱাত নানা দিহা দিলে। ড° বীৰেন্দ্ৰনাথ দত্ত চাৰৰ প্ৰবন্ধ এটি আমি ডিফুত অনুষ্ঠিত অসম সাহিত্য সভাৰ স্মৃতিগ্ৰন্থৰ পৰা সংগ্ৰহ কৰি আনি প্ৰবন্ধটি পুনৰ প্ৰকাশৰ অনুমতি লৈছিলো। পদ্মশ্ৰী ৰংবং তেৰাং চাৰৰ লগতে কাৰ্বি ভাষা সাহিত্য-সংস্কৃতিৰ গৱেষক লংকাম টেৰণদেৱে তেখেতসকলৰ প্ৰবন্ধ পুনৰ্মুদ্ৰণৰ অনুমতি দি কৃতাৰ্থ কৰিছে। কাৰ্বি ভাষা-সংস্কৃতিৰ ভালেকেইটা প্ৰবন্ধ সংগ্ৰহত আমাক ডিফু সাহিত্য সভাৰ বিদুল বৰুৱাই সহায় কৰি দিয়াৰ বাবে ধন্যবাদ। কিংবদন্তি পুৰুষ কলাগুৰু বিষ্ণু ৰাভাৰ সুযোগ্যা পত্নী শ্ৰীমতী মোহিনী ৰাভা বাইদেউৰ প্ৰতিও আমি চিৰকৃতজ্ঞ। তেখেতে কলাগুৰু বিষ্ণু ৰাভাৰ 'চিফুং বাঁহীৰ সুৰ' আমাৰ এই গ্ৰন্থত প্ৰকাশৰ বাবে অনুমতি দি আমাক ধন্য কৰিছে। (উল্লেখনীয় যে ১৯৭৫ চনত আমি এবাৰ উজনি অসমৰ ফালে ফুৰিবলৈ যাওঁতে আগৰ ট্ৰাইবেল লীগৰ নেতা ঁভীমবৰ দেউৰীৰ ভাতৃ টংকেশ্বৰ দেউৰীৰ পৰা ট্ৰাইবেল লীগৰ মুখপত্ৰ, 'নায়ক'ৰ দহটামান সংখ্যা সংগ্ৰহ কৰি আনিছিলো য'ত সন্নিৱিষ্ট আছিল কলাগুৰু ৰাভাৰ এই 'চিফুং বাঁহীৰ সুৰ'। আমি ১৯৭৭ চনত 'চিফুং বাঁহীৰ সুৰ' পুনৰ প্ৰকাশ কৰিছিলো আমাৰ দ্বাৰা সম্পাদিত সদৌ অসম ট্ৰাইবেল সংঘৰ স্মৃতিগ্ৰন্থত। তাৰ পাছৰে পৰা এই প্ৰবন্ধটিয়ে অসমতেই নহয়, বিদেশতো বিশেষ প্ৰচাৰ লাভ কৰিছিল।)

আমাৰ সবাৰে চিনাকি প্ৰখ্যাত লেখিকা, জ্ঞানপীঠ বঁটাৰে বিভূষিতা ড° মামণি ৰয়ছম গোস্বামী বাইদেৱে গ্ৰন্থখনিৰ মুখবন্ধ লেখি আমাক সহায় কৰা বাবে শ্ৰদ্ধেয়া বাইদেউলৈ অশেষ ধন্যবাদ।

এইখিনিতে আমি দুটামান কথা উল্লেখ কৰিলো। এই সংকলনত প্ৰকাশিত প্ৰবন্ধৰাশিত আমাৰ শ্ৰদ্ধাশীল লেখক-পণ্ডিতসকলে তেখেতসকলৰ লেখনীৰাজিত নিজ নিজ বিষয়ত নিজৰ মতামত আগবঢ়াইছে, আমি মাত্ৰ তাক প্ৰকাশ কৰিছো। আনহাতেদি বড়ো ভাষা-সাহিত্যৰ বিশেষজ্ঞসকলে বড়ো (বৰো) শব্দটো—বৰ', বৰো, বড়ো আদি তেওঁলোকৰ লেখনীত ব্যৱহাৰ কৰিছে। আমি সেই মতেই প্ৰকাশ কৰিছো। মিচিং লেখক, পণ্ডিতসকলৰ কোনোৱে মিচিং শব্দটো—মিচিং আৰু মিছিং ব্যৱহাৰ কৰিছে। আমি তেওঁলোকে লিখা মতেই সেয়া প্ৰকাশ কৰিছো।

আমাৰ বহু পৰিকল্পিত এই গ্ৰন্থখনিৰ প্ৰচ্ছদ প্ৰখ্যাত শিল্পী ড° শোভা ব্ৰহ্মৰ। শোভা ব্ৰহ্ম দাদালৈ অশেষ ধন্যবাদ।

শেষত আমাৰ এই গ্ৰন্থখনি আটক-ধুনীয়াকৈ ছপা কৰি দিয়াৰ বাবে দায়িত্ব দিছিলো উত্তৰ-পূৰ্বাঞ্চলত ছপা-মুদ্ৰণৰ দিশত সুখ্যাতি থকা গুৱাহাটীৰ ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃৰ বিকাশ দেৱক। তেওঁ সেই দায়িত্ব পালন কৰি গ্ৰন্থখন আটক-ধুনীয়াকৈ ছপাই আমাক কৃতাৰ্থ কৰিছে। সদৌ শেষত প্ৰথমবাৰৰ বাবে ৰিংছাং পাবলিকেশ্যনে প্ৰকাশ কৰা এই গ্ৰন্থখনিক পাঠক সমাজে আদৰি ল'লে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

শ্ৰদ্ধাৰে—

২৮ জুলাই ২০০৮

শিল্পীসৈনিক

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ

জন্ম শতবাৰ্ষিকীৰ

শ্ৰদ্ধাৰ্ঘ

ভৈয়াম কাৰবিৰ অ'কজাং (গাভৰু)

ভৈয়াম কাৰবিৰ মূৰিবাদক

কাৰবিৰ চেং বুকুপ কিথিপ

চক কেটক (কাৰবি)



কাৰবিৰ হটন, হাকমাৰ্জং



ৰাভাৰ পৰম্পৰাগত খোক্‌চি পূজাৰ পূজা-সেৱা

ছবি : পদ্ম পাটিৰ

সূচীপত্ৰ

মুখবন্ধ

সম্পাদকৰ দুআষাৰ

বিশেষ অধ্যায় ঃ

বিষ্ণু প্ৰসাদ ৰাভা ঃ চিফুং বাঁহীৰ সুৰ ১

অনিৰাম বসুমতাৰী ঃ কচাৰী ১২

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য ঃ ভাৰতীয় মঙ্গোলয়দ্ বৰো সংস্কৃতিৰ মূলকথা ১৫

ড° বীৰেন্দ্ৰনাথ দত্ত ঃ সাংস্কৃতিক বৈচিত্ৰ্যৰ পটভূমিত কাৰবি সাহিত্যৰ সম্পদ ২২

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি ঃ অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিক আৰু কিৰাতৰ অবদান ২৯

ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁই ঃ পাহাৰীয়া তিৱাসকলৰ সাংস্কৃতিক বিশিষ্টতা ৩৭

ড° শোভা ব্ৰহ্ম ঃ বড়ো-খছাৰী ঃ সৃষ্টি ঐতিহ্য শিল্পকলা ৪৮

ড° দুৰ্গেশ্বৰ দলে ঃ মিচিং সমাজ-সংস্কৃতিৰ পৰিবৰ্তিত ধাৰা ৫৯

ড° ফুকন চন্দ্ৰ ফাংচ' ঃ অসমৰ ইতিহাসৰ পটভূমিত কাৰবি সমাজ ৬৪

ছামছিং হাঞ্চে ঃ কাৰবি লিন্দ'কৃপ' আৰু ৰাজতান্ত্ৰিক প্ৰশাসনীয় ব্যৱস্থা ৭০

প্ৰথম অধ্যায় ঃ

অতীত পৰিচয় ঃ ইতিহাস ইতিবৃত্ত

ডাঃ নোমল পেগু ঃ মিছিংসকলৰ ইতিবৃত্ত ঃ এটি চমু আভাস ৭৬

মেদিনী চৌধুৰী ঃ বড়ো জনগোষ্ঠীৰ ঐতিহাসিক পটভূমি ৮৫

মণি ৰাভা ঃ ৰাভা জাতিৰ বুৰঞ্জীৰ এটি চমু আভাস ৯১

মনেশ্বৰ দেউৰী ঃ তিৱা সম্প্ৰদায়ৰ অতীত পৰিচয় ১০২

গুঞ্জৰাম দেউৰী ঃ দেউৰীসকলৰ অতীত ইতিহাস আৰু সমাজ-জীৱন ১১৫

বৰছিং ৰংফাৰ ঃ কাৰবিসকলৰ অতীত ইতিহাস ১২৩

মোহন সোনোৱাল ঃ সোনোৱাল কছাৰীৰ ঐতিহাসিক পৰিচয় আৰু সামাজিক জীৱনধাৰা ১৩৩

চাও লোকেশ্বৰ গগৈ ঃ ডিমাছাসকলৰ ইতিহাসৰ ৰেঙণি ১৪১

ড° বিমল কুমাৰ মজুমদাৰ ঃ গাৰো জনজাতিৰ পৰিচয় ১৪৮

ড° যোগেশ্বৰ বড়া ঃ ঠেঙ্গাল কছাৰীৰ ঐতিহাসিক পৰিচয় আৰু সমাজ সংস্কৃতি ১৫৬

ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা জনগোষ্ঠী ঃ উৎপত্তি আৰু পৰিচয় ১৬৯

হেমাংগ কুমাৰ নেওগ ঃ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত ঃ সমাজ-সাংস্কৃতিক জীৱন ১৮১

দ্বিতীয় অধ্যায় ঃ

সমাজ জীৱন-ধাৰা

ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা জনগোষ্ঠীৰ বিভিন্ন উপগোষ্ঠী আৰু তেওঁলোকৰ সমাজ-ব্যৱস্থা ১৯০

ইন্দ্ৰেশ্বৰ পেগু ঃ পৰিৱৰ্তিত ৰূপত মিচিং সংস্কৃতি ১৯৮

হেৰম্ব কুমাৰ ৰাভা ঃ ৰাভা জনগোষ্ঠী ঃ এক অৱলোকন ২০৫

ধৰ্মেশ্বৰ দুৱৰা ঃ ডিমাছাসকলৰ সমাজ-জীৱন ২১০

পেইম থি গোহাঁই ঃ টাইফাকে সমাজ-জীৱন আৰু সংস্কৃতি ২১৪

তৃতীয় অধ্যায় ঃ

সাংস্কৃতিক জীৱন-ধাৰা ঃ উৎসৱ-পাৰ্বণ

ড° কামেশ্বৰ ব্ৰহ্ম ঃ বড়োসকলৰ খেৰাই উৎসৱৰ তাৎপৰ্য আৰু ধৰ্মীয় ব্যাখ্যা ২২২

বলাইৰাম সেনাপতি ঃ তিৱাসকলৰ লাংখুন পূজাৰ গীত-মাত ২৩২

ডম্বৰুধৰ দেউৰী ঃ দেউৰী-চুতীয়া পূজা উৎসৱৰ বৈশিষ্ট্য ২৪১

ড° ভূপেন নাৰ্জাৰী ঃ বৰ'সকলৰ লোকধৰ্ম আৰু পূজা ২৪৮

ড° গণেশ চন্দ্ৰ শৰ্মা ঠাকুৰ ঃ কাৰবিসম্প্ৰদায়ৰ মৃতকৰ সৎকাৰ উৎসৱ চ'মাংকান ২৬২

ডাঃ নোমল পেগু ঃ মিছিংসকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান ২৬৯

ইন্দিবৰ দেউৰী ঃ দেউৰী সমাজৰ পুহৰ চুৱা ২৮৩

পদ্ম পাটৰ ঃ তিৱা জনগোষ্ঠীৰ বসন্তোৎসৱ 'চগ্ৰামিচাৱা' ২৮৬
ৰতন সোনোৱাল ঃ সোনোৱাল-কছাৰীৰ বাইথ' পূজা ২৯৩
ড° বিমল কুমাৰ মজুমদাৰ ঃ গাৰো সম্প্ৰদায়ৰ উৎসৱ-পাৰ্বণ ২৯৮
ষড়ানন দেউৰী ঃ দেউৰী লোক-উৎসৱ ব'হাগ বিচু আৰু বিচু-পূজা ৩০৫
ৰতন কুমাৰ ৰায় হাজং ঃ হাজংসকলৰ লৌকিক গীত-মাত ৩১০
প্ৰশান্ত কুমৰাল ঃ সোনোৱাল কছাৰীৰ ধৰ্মীয় অনুষ্ঠান সৰগদেউপূজা ৩২০

চতুৰ্থ অধ্যায় ঃ

লোক-সংস্কৃতি ঃ গীত-মাত উৎসৱ-পৰম্পৰা

টাবু টাইদ ঃ মিচিং লোক-সংগীতৰ পৰম্পৰা ৩৩৪
বলাইৰাম সেনাপতি ঃ থলুৱা লালুঙৰ গীত-মাত আৰু স্বকীয় বৈশিষ্ট্য ৩৫৯
গুণেশ্বৰ সোনোৱাল ঃ সোনোৱাল কছাৰীৰ গীত-মাত ৩৬৮
তীৰ্থ ফুকন ঃ ভৈয়ামৰ কাৰবি গীত-পদৰ ভঁড়ালত এভুমুকি ৩৭৭
বিদৰছিং ক্ৰ' ঃ চ'মাংকানত 'নিমছ' কিৰুং' নৃত্য ৩৮৪
মোহন সোনোৱাল ঃ সোনোৱাল কছাৰীৰ লোক-উৎসৱ আৰু লোকগীত হুয়দাং ৩৮৮
অৰুণ টেৰণ ঃ কাৰবি লোক-জীৱন আৰু প্ৰেম-প্ৰণয়ৰ গীত-মাত ৩৯৩
কানুৰাম হাজং ঃ হাজংসকলৰ লোক-সংস্কৃতি ৪০০

পঞ্চম অধ্যায় ঃ

সামাজিক সাংস্কৃতিক অনুষ্ঠান

মনেশ্বৰ দেউৰী ঃ তিৱা সমাজৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান চামাদি ৪০৬
ইন্দ্ৰেশ্বৰ পেগু ঃ মিচিংসকলৰ মুৰংঘৰৰ ঐতিহ্য আৰু নৃত্য উৎসৱ ৪১৬
ষড়ানন দেউৰী ঃ দেউৰীসকলৰ এলেংআৰ্চ্চ' আৰু চাংঘৰৰ বৈশিষ্ট্য ৪২১

ষষ্ঠ অধ্যায় ঃ

লোক-কাহিনী ঃ লোক-জীৱন

বিদ্যাছিং ৰংপি ঃ হাঈমুৰ কাহিনী আৰু ইয়াৰ তাৎপৰ্য ৪২৮
বলাইৰাম সেনাপতি ঃ তিৱাসকলৰ জনবিশ্বাসত সৃষ্টিৰ ৰহস্য ৪৩৪

সপ্তম অধ্যায় ঃ

সাজপাৰ, লোক-কলা, লোক-বাদ্য

ৰং বং তেৰাং ঃ কাৰবি লোক-কলা ৪৩৯
ড° উপেন ৰাভা হাকাচাম ঃ ৰাভা লোক-কলা ৪৪৪

বিশেষ কৃতজ্ঞতা

'জনজাতি সমাজ সংস্কৃতি' প্ৰকাশৰ ক্ষেত্ৰত যি সকলে
উৎসাহ-উদ্দীপনা, দিহা-পৰামৰ্শৰে আমাক সহায় কৰিলে—
প্ৰতুল চন্দ্ৰ শৰ্মা, অনিল বৰুৱা, কৃষ্ণ মিলি, জগদীশ দেউৰী, সত্যেন্দ্ৰ গগৈ, উত্তম বাথাৰী, আদিত্য খাখলাৰী, ৰিমল আমচি, ব্ৰজেন ব্ৰহ্ম (বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি), বিদ্যাসিং ইংলেং, ষড়ানন দেউৰী, অপূৰ্ব পাটৰ, ভক্ত বড়ো, উফিং মাচ্‌লাই, বটু কৃষ্ণ বৰা

আৰু

হৃদয়ানন্দ গগৈ, অঞ্জন শৰ্মা, জনাৰ্দন গোস্বামী

বিশেষ ধন্যবাদ

ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ
তিৱা স্বায়ত্ত পৰিষদ
সোনোৱাল কছাৰী স্বায়ত্ত পৰিষদলৈ

বিঃদ্ৰঃ—এই গ্ৰন্থখনিত আমি লেখকসকলৰ চমু পৰিচয় সন্নিৱিষ্ট কৰাৰ কথা আছিল যদিও ভালেখিনি লেখকৰ চমু পৰিচয় আৰু আলোকচিত্ৰ আমাৰ হাতত নপৰাত এই সংস্কৰণত 'লেখক-পৰিচয়' দিব নোৱাৰি দুঃখিত। পৰৱৰ্তী সংস্কৰণত সেই পৰিচয় প্ৰকাশ পাব।—সম্পাদক

বিশেষ অধ্যায়

চিফুং বাঁহীৰ সুৰ

বিষ্ণুপ্ৰসাদ ৰাভা

'ওলৰে, ওলৰেই টৈল ওলৰে,
টৈল্ৰে ওলেৰে থ্ৰৰই, ওটৈন্ থ্ৰৰঃ থ্ৰৰঃ,
টৈললে থ্ৰৰঃ থ্ৰৰঃ।'

অ' তুমি হাঁহিছা। কেলৈ ? ... এ আই হাঁহি হাঁহি দেখোন তোমাৰ পেটৰ নাড়ী ছিগো ছিগো হৈছে। নাহাঁহিবা। ... হাঁহিৰ খলকনি তুলিবৰ ঠাই এইখন নহয়—এই ঠাইখন হৈছে এটা জাতিৰ হেৰুওৱা সম্পদৰ কাৰণে বেজাৰৰ লোতকেৰে ভৰা বিলৰ পাৰত পুৰণি সোঁৱৰণিৰ এটা প্ৰকাণ্ড শোকৰ দেউল সাজিবৰ ঠাই। তুমি হাঁহিছা, হাঁহা। তোমাৰ হাঁহিৰ ৰোল শুনি মই মুঠেই আচৰিত হোৱা নাই। কাৰণ তুমি হাঁহিবাই। যি জাতিয়ে নিজৰ বিভূতি, নিজৰ অতুল ঐশ্বৰ্য পাহৰি যায়, সেই জাতিয়ে সেই বিভূতিৰ ধ্বংসাৱশেষ আৰু সেই অতুল ঐশ্বৰ্যৰ ভগ্নাৱশেষ দেখি হাঁহিবই। সেই হাঁহিত এটা জাতিৰ কোনো গৌৰৱ প্ৰকাশিত নহয় ; বৰং সেই হাঁহিত এটা জাতিৰ অধঃপতনৰ চিনাকিহে পোৱা যায়।

'ওলৰে, ওলৰেই টৈল ওলৰে।' এটা সুৰ কাছাৰ অঞ্চলৰ ডিমাছা ৰাজ্যৰ খছাৰীসকলে বজোৱা পবিত্ৰ 'মংৰি'ৰ (এবিধ তিনি হাত দীঘল কাঠৰ কালি বা পেঁপা ; বজোৱাৰ ফালে অসমীয়া কালি বা চানাইৰ দৰে মুখ; ইয়াৰ ছটা ফুটা থাকে; ইয়াৰ মাত গুৰু-গম্ভীৰ Vox ৰ দৰে; পেঁপাৰ মুখটো ধানখেৰৰ নৰাৰে সজা, গোটেই পেঁপাটো মাজতে দুভাগ কৰিব পাৰি। বজাবৰ সময়ত ইয়াক জোৰা লগোৱা হয়; নাচত এটা 'মংৰি'ৰহে ব্যৱহাৰ হয়) অমিয়া সুৰদি সুৰ। সেই সুৰ যেতিয়া 'মংৰি'ত বাজি উঠিব, তাৰ তালে তালে যেতিয়া 'খ্ৰাম'ত (এবিধ মাদল) চাপৰ পৰিব, তেতিয়া ডিমাছা-খছাৰী 'নাগা ৰাও' (ডেকাসকলে) মূৰত ৰঙা পাগ মাৰি, গাত 'মিৰজাই' চোলা পিন্ধি কান্ধত ফুলাম 'ৰীমাছাও' (মতা মানুহে লোৱা চেলেং) পেলাই, কঁকালত 'বাচল' (এবিধ আঠ হাত দীঘল, দুফালে ডাঙৰ ডাঙৰ

ফুল থকা টঙালি) বান্ধি, ধুতীৰ থোৰ উৰুৱাই সৰব্-ৰহী, সোণগঢ়ী, তেজগোৰা গাভৰু, 'মাঠালা-ৰাও'ৰ (গাভৰুহঁতৰ) লগত ছেৱে ছেৱে ভৰিত ভৰি মিলাই, হাতত হাত লগাই শাৰী পাতি ঘূৰণীয়াকৈ বেৰৰ দৰে ঘূৰি ঘূৰি 'জাওৰা-নৃত্য' নাচিব। কেনে সুন্দৰ, কেনে ধুনীয়া, কেনে মনোমোহা সেই নাচ। চাই থাকিলে বেছিকৈহে নয়ন ভৰি ভৰি চাবলৈ মন যায়। সেই সোণৰ 'খামাও ঠাই'ৰ (থুৰীয়া) লৰক্-ফৰক্; সেই মূৰৰ হেলনিৰ লগে লগে 'ৰিখা-ওছা'ৰ (মূৰত ওৰণি লোৱা চেলেং চাদৰ) ঢেউ; সেই 'মিয়ুং' (হাতী) 'ডাওদেং' (ম'ৰা চৰাই), 'খাম্-ফালাই-বন্দ্' (পীৰা), 'গোৰাই' (ঘোঁৰা), 'গেড়ে' (ঘঁৰিয়াল), 'চিবেন' (মাহুত), 'কিছ্পি' (বিছনী), 'আৰ- ডাও লাই' (এৰীপাত) আদি ফুলেৰে ভৰা ফুলাম 'ৰীজাংফাই'ৰ (ৰিহা) হেন্দোলনি আৰু ভৰিৰ গতিৰ বুলনিৰ লগে লগে বিবিধ ধৰণৰ ফুলতোলা নানা তৰহৰ ৰঙেৰে বুলোৱা 'ৰীগু' (মেখেলা)ৰ খচ্‌খচনি মাতেৰে লাস্যভৰা অলেখ ভংগিমাৰ সেই কাচোন কচা নাচোন দেখিলে মন ছুটি পলায় এখন সপোন ৰাজ্য গন্ধৰ্বদেশলৈ।

'ওলৰে, ওলৰেই টেল ওলৰে...' সুৰটো 'মংৰি'ত বাজিয়েই থাকিব আৰু সেই সুৰৰ ছেৱে ছেৱে নাচোনৰ উজাৰ তোলা ডেকা-গাভৰুৰ (নাগা-মাঠালা) জাকে অন্তৰত তলৰ গীতফাকি গাব—

'আজাং জাং আংজাংদে আজাং মাজাংডাও।
খাইডিং খাইডিং নাইখাবো আজাং মাজাংডাও।।
ডাও-আলু-বাছাকে নাগ্রাইং ছৌৰীলাং।
মান্ জাং-নি নাৰায়ণ নাগ্রাইং ছৌৰীম্বী।।
নাগাজাং মাঠালাজাং খৰং খালাইবা।
হাম্‌হী জায়া লুগুৰাও গাল্‌ছে নাংছিবা।।...
হাফ্লং হাজিক্ জুবাজাং ৰীগু লুবাজাং।।
(ছোঁ-ছোঁই — হাজু গাফুয়া)

(ভাবাৰ্থ ঃ মোৰ ভনীতকৈও মোৰ লাহৰী শুৱনি। ইফালে-সিফালে যি ফালেই চাওঁ, মই দেখো মোৰ চেনেহীয়েই ধুনীয়া। ভনীটি—আহঁা। তুমি মোৰ লগত থাকাহি। তুমি 'ডাওআলু' নামৰ মানুহৰ পুতেকক শুকান মাছ পুৰি দিবা। 'মানজাঙ'ৰ নাৰায়ণেও দিব।

আমি যেনেকৈ ডেকা-গাভৰু মিলি জুম বান্ধি শাৰী পাতি বেৰৰ দৰে ঘূৰি ঘূৰি নাচিছো; এনে নাচ দেখি আনে আমাৰ নিন্দা গাব পাৰে!

সোণাই ! হাফ্লং পাহাৰ ওখ আৰু তোমাৰ মেখেলা তোমাৰ ভৰিৰ গেৰুৱালৈকে ওলমি পৰা। চাবা, পাহাৰত উঠোতে উজুটি খাই পৰিবা।

(উস্! ... মেখেলা তললৈ নামি পৰাত পাহাৰ বগাবলৈ নোৱাৰা হৈছো...)

সঁচাকৈয়ে মিঠা মাতেৰে গোৱা মৌসনা এই গীতফাকি ডিমাওজু (ডিমাছা-খছাৰী ছোৱালী)সকলৰ মিঠা মুখত শুনিলে এখন অময়াপুৰী, অজান নগৰীৰ কথালৈ মনত পৰে। পাঁচোটা বিন্ধা থকা মোৰ নিচিনা বুঢ়ী, এলাগী চিফুং বাঁহীত জাউৰী তোলা সেই সুৰ শুনি তোমাৰ তেনে ভাব নাহিব পাৰে। কাৰণ মই 'মংৰি' নহওঁ, চিফুং হে।

মোৰ চিফুং বাঁহীত উঠিব এটা করুণ সুৰ. যি সুৰ এতিয়াও কামৰূপৰ উত্তৰ অঞ্চলৰ বড়ো-

খছাৰীসকলৰ মাজত চলিয়েই আছে। সি বৰ করুণ, হিয়াছিগা, বুকুভগা সুৰ। কি ক'লা? শুনিবা! বাৰু, শুনা। সেই সুৰৰ গান এটা দীঘলীয়া বড়ো গ্রাম্য-গীতিকাৰৰ গীতহে; এটা অময়া নগৰীৰ 'চিখ্‌লা' ৰাজ্যৰ কাহিনীহে।

চিখ্‌লা ৰাজ্য।...

এখন অময়া, অজান দেশ। অসমৰ বুৰঞ্জীৰ পাতখিলাত সেই দেশৰ চিন-চাবেই নাই। কিয়...? নাজানো।

বড়ো ভাষাত চিখ্‌লা মানে যুৱতী। গতিকে চিখ্‌লা ৰাজ্য হৈছে যুৱতীসকলেৰে ভৰা এখন প্রমীলাৰ দেশ।

সেই চিখ্‌লা ৰাজ্য কেনেকৈ হ'ল? কোনে সেই ৰাজ্য পাতিলে? ... ক'বলৈ গ'লে সি এটা বিৰাট কাহিনী; যি কাহিনীৰে আৰু যি কাহিনীৰ বড়ো ভাষাৰ গীতিকাৰে 'কামৰু' (প্রাচীন কামৰূপ) ৰাজ্যৰ প্রজাসকলৰ বংশধৰৰ কিছুমান কামৰূপ জিলাৰ উত্তৰ অঞ্চলৰ বড়ো-খছাৰীসকলৰ সমাজৰ সমজুৱা সমস্যাবিলাক আগেয়ে সমাধান কৰা হৈছিল আৰু এতিয়াও কৰে।

সেই কাহিনী অতি অতীত, বোধকৰো অতীতকৈও অতীত। তাৰ সময় কাল বুৰঞ্জীৰ পাত গুণোতা, ৰচোতা আৰু ভগোতাসকলে ফঁহিয়াই ফঁহিয়াই উলিয়াব। মোৰ নিচিনা ভেকুৰা লগা চিফুং বাঁহীৰ সেইখিনি ভাবি উলিয়াবৰ সময় নাই।..

অ' কি কৈছিলো? চিখ্‌লা ৰাজ্য নহয়নে?

চিখ্‌লা ৰাজ্য।

অতীজতে 'কামৰু' ৰাজ্যৰ (খছাৰী মতে খছাৰীসকলে শাসন কৰা প্রাচীন কামৰূপ ৰাজ্যৰ নাম 'কামৰু' আৰু ব্ৰহ্মপুত্ৰ নদৰ নাম 'ভুল্লুংবুথুৰ' আৰু 'ডি-লাও' আছিল। খছাৰী ভাষাত 'ডি-লাও' মানে ডাঙৰ নৈ। 'ডি-লাও'ক 'টি-লাও'ও বোলে। আহোমে অসমলৈআহি ব্ৰহ্মপুত্ৰ নৈৰ নাম 'টি-লাও' বুলিহে পোন প্রথমে শুনিছিল। গেইট চাহাবে তেওঁৰ 'A History of Assam' নামে অসমৰ বুৰঞ্জীত এইদৰে লিখিছে— '...as in the case of the Brahmaputra, which in the early days of Ahom rule was known as the Tilao.' এই 'টি-লাও শব্দটোৰে পৰা 'লাও-টি', 'লুইটি', 'লুইত', 'লোহিত' বা 'লৌহিত্য' হৈছে। আমাৰ অসমীয়া অধ্যাপক ডক্টৰ বাণীকান্ত কাকতি ডাঙৰীয়াইনো ক'ৰ অষ্ট্রিকৰ (Austric) পৰা হোৱা বুলি পালে নাজানো। এতিয়াও ডিমাছা-খছাৰীসকলে গায়, 'কামৰুখে হাম্ ছোডী নাইফিন্ খা। ঠাউবুখা ডিলাওখে বাইছোয়া।'— অৰ্থাৎ হাম্‌ছো-ডীয়ে কামৰূপৰ ফালে উভতি চালে, সেই কাৰণে ডি-লাও পাৰ হ'ব নোৱাৰি বৈ গ'ল। ইয়াত খে দ্বিতীয়া বিভক্তি। ... মাইবং গ্রাম্য গীতিকা সংগ্রহ।) উত্তৰ-অঞ্চলত দ্রৈ-ৰাংগা (বর্তমান দৰং) কিংবা ধম্‌ধমাৰ সেইখিনিতে কোনোবা এখন ঠাইৰ বড়ো গাঁৱত চিক্‌ৰী ঝহলাও (ডেকা) আৰু চিক্‌ৰী চিখ্‌লা (গাভৰু) নামে এহাল ডেকা-গাভৰুৱে বাস কৰিছিল। উভয়ৰে মাজত অতিপাত প্রণয় আছিল। এজনে আনজনক আৰু আনজনীয়ে ইজনক নেদেখি এতিলো থাকিব নোৱাৰিছিল। কিন্তু উভয়ৰে মাক-বাপেকৰ আপত্তি থকাত সিহঁতৰ কোনোমতেই বিয়া নহৈছিল। তথাপি ছোঁ বুজি এঠাইত সিহঁতৰ মনে মনে মিলন হৈছিল। সেই খন্তেকীয়া দৰ্শনৰ কাৰণে সিহঁতে যে কত ৰকমৰ আলম লৈছিল!

এদিন হয়তো পুৱা দোক্‌মোকালিতে সাৰ পাই গোহালিৰ গৰুজাক উলিয়াই চৰাবলৈ হেঙুলী উষাৰ সোণালী ৰহণ গাত সানি চিক্‌ৰী ঝহলাও ডেকাই সুহুৰিয়াই সুহুৰিয়াই পথাৰৰ ফালে খোজ লৈছিল আৰু সেই সুহুৰি শুনি ধচ্‌মচ্‌কৈ শোৱাপাটী এৰি প্ৰেমত বাউলী চিক্‌ৰী-চিখ্‌লাই পুৱতিৰ আবেশ চকুযুৰিত লৈ আউলী-জাউলী হৈ বাজলৈ ওলাই টিঙ্গু (মাটিৰ কলহ) কাষত লৈ নিয়ৰৰ মুকুতা টোপালেৰে তিতা দুবৰি বনত তাইৰ ৰঙা চৰণৰ ছাব্ পেলাই ডি (পানী) আনিবলৈ পাগলাদিয়া (বড়ো ভাষাত ফাগ্‌লা- দৈ বা দৈয়া) নৈৰ ফালে গৈ বুকুৰ জীউক হেঁপাহ পলুৱাই চাইছিলগৈ। এদিন হয়তো ভৰ দুপৰীয়া বিবাৰ (ফুল)ৰে ভৰা আৰু সিবিলাকৰ বি-ভৈ (ৰস) চুহিবলৈ উৰি ফুৰা নানা ৰঙৰ চিখিৰীয়া (পখিলা)ৰে জেউতি চৰা ফুলনিবাৰীৰ এজোপা জেন্-থুকা (জেতুকা) গছৰ ছাঁত বহি ভাগৰত কাতৰ হোৱা গৰখীয়া ঝহলাও ডেকাই চিফুং বাঁহীত অমিয়া সুৰ তুলিছিল আৰু সেই মতলীয়া সুৰ শুনি পাগলী হৈ ফুলাম ডখ্‌না (মেখেলা) পিন্ধি, কঁকালত ৰঙা ফুলি (গামোচা) বান্ধি মুখত কেতেকী ফুলৰ ৰেণুগুৰি সানি, মূৰত গোন্ধ-তেল সনা দীঘল চুলিকোছাৰে বন্ধা কলডিলীয়া খোপাত গুজিবলৈ বিবাৰ (ফুল) ছিগিবৰ ছলেৰে বাৰীত গৈ তাইৰ হিয়াৰ আমঠুক দেখা পাই তাৰ বহল বুকুত তাইৰ মূৰটো গুজি চিখ্‌লা গাভৰুয়ে তাইৰ হিয়াৰ জুই নুমাইছিলগৈ। এদিন হয়তো নিশা তৰা-অলংব্ৰাৰ (ভোটা তৰা)ৰে ভৰা জোনালী নিশা ৰূপোৱালী কিৰণ বুকুত লৈ তিৰ্‌বিৰ্ কৰি থকা নৈৰ দাঁতিত বহি চিক্‌ৰী ঝহলাও ডেকাই তাৰ প্ৰাণৰ বাজনা 'বাদুংদংগা'ৰ (এপাব ভলুকা বাঁহৰ বুকুৰ পৰা কাটি উলিওৱা বাকলিৰ তাঁৰবিলাকেৰে সুৰ বান্ধি লোৱা এবিধ সৰোদ, টোকাৰীৰ দৰে যন্ত্ৰ) তাঁৰত মাজনিশা আলফুলকৈ আঙুলি বুলাই সুৰ তুলিছিল আৰু সেই মনোমোহা সুৰ শুনি সৰব-ৰহী গাভৰু চিখ্‌লা আইদেৱে হাতৰ ঠাৰে, ভৰিৰ ঠাৰে মনে মনে ঘৰৰ বাজলৈ ওলাই প্ৰেমত জাৰী (পাগলী) হৈ তাইৰ দেহালাওৰ কাষ চাপি খোপাত গুজি থোৱা গংগনা (গগনা) উলিয়াই ঝহলাও ডেকাৰ সৰগহেন কোলাত মূৰটো থৈ তাইৰ ধুনীয়া কুমলীয়া দেহা ভুঁইত পেলাই সেই বাদুংদংগাৰ ছেৱে ছেৱে তামোলৰ পিকেৰে বোলোৱা ৰঙা ওঁঠ আৰু অধৰৰ চেপাত থোৱা গংগনা ফুকি মধুৰভাৱে বজাই গোটেই নিজম, নিমাত প্ৰকৃতি ৰজন্‌জনাই তুলিছিল। কোনোবাদিন হয়তো ফল-মূলকে বুটলি ল'বলৈ কিংবা আম-জামেৰে কোঁচ ভৰাবলৈ ছেগ লৈ হাবিত গৈ দুয়ো দেখা কৰি ইজনৰ সুঠাম বাহুৰ আলিংগনৰ পাশত বন্দিনী হৈ নিজৰ গোটেই নিমজ দেহা মোহাৰি পিহন যাবলৈ চিখ্‌লা আয়ে মন মেলিছিল। সিহঁতে যে কিমান ছেগ, কিমান আলম লৈ দেখা কৰি প্ৰণয়ৰ লীলা কৰিছিল—তাৰ জানো কিবা শেষ আছে ! তথাপি এই ডেকা গাভৰুহালৰ আলৈ-বিলৈ দেখিও সিহঁতৰ মাক-বাপেকৰ শিলহেন কঠুৱা হৃদয় অলপো পমি নগৈছিল। ন-ন আলম, ন-ন ছেগ লৈ নানা তৰহৰ লীলা-খেলা, বহুধৰণৰ প্ৰণয়ৰ মেলা পাতি মানুহৰ চকুৰ আঁতৰে আঁতৰে থাকি, আঁৰ লৈ আঁৰ লৈ উভয়ৰ মধু মিলন হৈ হৈ শেহত নিয়তী দেৱীৰ কৃপাত চিখ্‌লা আইদেউৰ গাত গৰ্ভৰ চিন্ দেখা দিলে। কলংকিনী জীয়েকৰ এনে কলংকত মাক-বাপেকৰ লাজত মুখ লুকাবলৈ ঠাই নোহোৱা হ'ল।

দৰাচলতে চিক্‌ৰী চিখ্‌লাৰ নিৰ্মল হিয়াত কলুষৰ ক'লা ৰেখা এটিও নাছিল। কাৰণ তাইৰ হৃদয় আকাশত বিৰাজ কৰিছিল একেটি মাথোন বেলি আৰু সেই বেলিকোঁৱৰ আছিল তাইৰ বুকুৰ জীউ, হিয়াৰ আমঠু, দিপ্‌লিপ্ ডেকা, তাইৰ সকলো বাসনাৰেই ৰহঘৰা—চিক্‌ৰী ঝহলাও। ইফালে ডেকা ঝহলাওৰ হিয়াগগনত জিলিকি আছিল একেটি মাথোন জোন আৰু সেই ৰূপহী জোনাই আছিল

তাৰ সৰব-ৰহী সোণগঢ়ী, ধুনীয়া, শুৱনি, লাৱনি গাভৰু, তাৰ বুকুৰ দেহা-লাও, পৰাণৰ লগৰী, চিক্ৰী চিখ্‌লা। কিন্তু এনে ৰূপহী জোনাইৰ মুখতো দাগ থাকে। সেই দাগে জোনাইৰ জেউতিসনা মুখখনি কদৰ্য নকৰে, বৰং সৌন্দৰ্য চৰায়হে। সেই দাগ কলংক নহয়। গতিকে চিক্ৰী চিখ্‌লাৰ পৱিত্ৰ প্ৰেমৰ এনে চিন কেতিয়াও কলংক হ'ব নোৱাৰে। কিন্তু হায়! সমাজ! চিকুণী চিখ্‌লাৰ এনে ভৰা গাৰ বাতৰি কাণ বাগৰি বিয়পি পৰাত বড়ো সমাজৰ বিধানমতে সেই হালৰ বিচাৰ হ'ল। বিচাৰত সিহঁতৰ সমস্যাৰ সমাধান কৰিবলৈ অপাৰগ মেলুৱৈসকল বিমোৰত পৰিল। এটা শেষ সিদ্ধান্ত নোহোৱালৈকে এইদৰে সিহঁতৰ বিচাৰ কিছুদিন চলিয়েই থাকিল।

চিক্ৰী ঝহলাও আৰু চিক্ৰী চিখলাৰ আগেয়ে বিচাৰৰ সময়ত যি অলপ-অচৰপ দেখাদেখি হৈছিল শেষত সিহঁতৰ মাক-বাপেকৰ ৰঙা চকুৰ শাসনত সিও আৰু হৈ নুঠা হ'ল! তথাপি সিহঁতৰ দৰ্শন পাবলৈ ধাউতি ঠাৰে-চিয়াৰে সিহঁতৰ অন্তৰৰ পৰা বিৰিঙি ওলাইছিল। পুৱা চিক্ৰী ঝহলাওৰ সেই সুছৰি, ভৰ দুপৰীয়া তাৰ সেই চিফুং বাঁহীৰ অমিয়া, সুৱদি সুৰ, সন্ধিয়া, নিশা তাৰ সেই বাদুংদংগাৰ বিননিৰ দৰে কৰুণ ৰাগিনীয়ে গোটেই বহিৰ্বিশ্বত কান্দোনৰ ৰোল তুলিছিল আৰু অন্তৰ্জগতৰ ঘৰৰ এটা কোঠালিত চাকি নুমাই এন্ধাৰত শোৱাপাটীত বাগৰি বাগৰি উচুপি উচুপি ফেঁকুৰি ফেঁকুৰি চিখ্‌লা গাভৰুৱে চকুলো টুকি টুকি বিলাপ গাইছিল আৰু দুগালেদি লোতক বোৱাই পাঁজীসেৰীয়া আঙুলিৰ পৰশেৰে বাগৰি পৰা নয়নৰ অশ্ৰুৰে ভিজা ওঁঠ আৰু অধৰৰ চেপাত সোমোৱা গংগনা (গগনা) বুকুভগা, হিয়া ছিগা, হুমুনিয়াহেৰে বজাই বেজাৰৰ ডকা চাকনৈয়াৰ ধল তুলিছিল। এই ক্ৰন্দসী আৰু ৰোদসী দুই প্ৰাণীৰ কান্দোনৰ ৰোলেৰে যেন গোটেই বিশ্ব ব্ৰহ্মাণ্ড বিয়পি পৰিছিল আৰু বিলহ নৈৰ দুয়ো পাৰে দুয়ো বসতি কৰি দুখন কৰুণ জগত গঢ়ি তুলিছিল। ডিঙিৰ মণি ছিগিব পাৰে, হিয়াৰ ডোল জানো কেতিয়াবা ছিগিব পাৰে, যদি সেই ডোল সত্য প্ৰেমৰ জৰীত গঁথা থাকে?

কিন্তু হায়! এনে দুখৰ মাজতো সিহঁতৰ চকুৰ আগতে সেই একেই বেলিয়ে তাৰ প্ৰিয়া হেঙুলী ঊষাৰ চেনেহৰ কুঁৱলীজাল আঁতৰাই চকুত সোণালী লোৰ টোপাল লৈ তাইৰ পৰা মেলানি মাগি ৰাঙলী সন্ধিয়াৰ বুকুত মূৰটো গুজি নিশাৰ বিষাদ কালিমাৰ চেলেঙেৰে গা ঢাকি লুকাইছিল। নিশা সেই একেজনী ৰূপহী জোনায়ে তাইৰ তৰা সখীহঁতৰ লগত ওলাই তিৰ্‌বিৰকৈ জ্বলা শোকৰ অগনি বুকুত লৈ নয়নেদি ৰূপোৱালী-জোনোৱালী অশ্ৰু বোৱাই চিক্ৰী ঝহলাও আৰু চিক্ৰী চিখ্‌লাৰ শিৰত সিহঁতৰ মিলনৰ বাবে আশিস কিৰণ ঢালি দিছিল। হায়! গতিশীল জগত একেধৰণে চলিয়েই থাকিল, তেওঁ আদিম যুগৰ আদি ৰসেৰে ভৰা হৃদয়ৰ গৰাকী এই দুই নাৰী-পুৰুষৰ মিলন আৰু নহ'ল।

তেনেহ'লে, উপায়?...

উপায় বাথৌ শিব্ৰাই (পঞ্চমুখী বুঢ়া শিব)।

নিৰুপায় ঝহলাও আৰু চিখ্‌লা, এই ডেকা-গাভৰুহালে প্ৰাণটাকি শিবক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, সুকীয়াকৈ উভয়ে নিজ নিজ চোতালত সিজু গছৰ তলত ছাতি (বন্তি) গছা জ্বলাই বাথৌ দেৱতাক সেৱাটি জনাই হাদুৰি মিনতি জনালে। প্ৰেমৰ জ্বলন্ত আদৰ্শ এইহাল ডেকা-গাভৰুৰ কাতৰ প্ৰাৰ্থনাত পৃথিৱী কঁপিল, সৰগ লৰিল আৰু বাথৌ মাদায়ৰ (দেৱতা) হৃদয় পমি গ'ল। ভকত-ভকতনীৰ এনে আলৈ-আথানি হোৱা শুনি আৰু সিহঁতৰ এনে আৱাহনত থাকিব নোৱাৰি শিৱই মৰতলৈ নামি আহিবৰ মন মেলিলে, আন দুজন অনুচৰক লগত লৈ আহিছিলো।

এদিন সমাজত সকলো সমজুৰাই নিজ নিজ আসনত বহি চিন্তাত মগ্ন হৈ আছিল। সকলোৰে মনত সেই একেটি প্ৰশ্ন—সেই একেটি সমস্যা। সেই ডেকা-গাভৰুৰ বিচাৰ।

'মন্ চিং চিং ব্ৰাই !...'

'কোন ? কোন ?? ... কোন ???...'

কেউপিনে প্ৰশ্ন উঠিল, — 'কোন ? কোন মন-চিং-চিং-ব্ৰাই ?'

'মই ... মই... মন-চিং-চিং-ব্ৰাই !'

সমাজত সমজুৰাসকলৰ ইজনৰ কাণত সিজনে ফুচ্‌ফুচাই ক'লে, — 'মন-চিং-চিং ব্ৰাই।...'

ইপিনে- সিপিনে, কেউপিনে প্ৰতিধ্বনি উঠিল, 'মন্-চিং-চিং-ব্ৰাই !' ' মন্-চিং-চিং- ব্ৰাই ??' 'মন্-চিং-চিং- ব্ৰাই !!!'

চিংৰী দৌবা আৰু দাৰী মৌবা নামে নন্দী-ভৃংগীৰ দৰে অনুচৰ দুজনক লগত লৈ সেই বড়ো সমাজৰ ৰাইজৰ মেলৰ ফালে এখুজি-দুখুজিকৈ খোজ লৈ মন্-চিং-চিং-ব্ৰাই গৈ উপস্থিত হ'ল।

এই মন্-চিং-চিং-ব্ৰায়েই সৰগৰ দেৱতা শিব্ৰাই-শিৱ বা শিজু গোসাঁই বা বাথৌ মাদায়্। আৰু সেই বুঢ়া বাথৌয়েই এনে মন্-চিং-চিং-ব্ৰাইৰ বেশ লৈ আহিছিল। সি আছিল তেনেই বুঢ়া ; সোতোৰা-সোতোৰি গাল, আৰু মুখত পকা মোছ, দাড়ি, ভুৰু, চুলিৰে ভৰা আৰু কঁপনি উঠা হাতত লাখুটি এডাল লোৱা বুঢ়া—তেনেই অলৰ—তেনেই জঠৰ—তেনেই অথৰ বুঢ়া।

সিহঁতক দেখি সমাজৰ হাদং-গাৰা-ই (সমাজপতি) সুধিলে, —'তুমিয়েই মন্-চিং-চিং-ব্ৰাই নহয়নে ?'

'হু।—'

'কি [illegible]গে ?'...

কঁপা মাতেৰে মন্-চিং-চিং-ব্ৰায়ে ক'লে—'সেই ঝহলাও আৰু চিখলাৰ বিচাৰ ; সিহঁতৰ সমস্যাৰ সমাধান।'...

বিমোৰত পৰা মেলুৱৈসকলৰো দেহাত জীৱ আহিল। হাদং-গাৰাই ৰং মনেৰে ক'লে, 'বাৰু সজ ! তুমি বিচাৰ কৰিব পাৰা।'

এইদৰে ৰাইজে মন-চিং-চিং-ব্ৰাইৰ হাতত বিচাৰৰ ভাৰ সপি দি ৰেহাই পালে।

পকা মূৰ লৰাই লৰাই বগা দাড়ি জোকাৰি বয়সৰ ভাৰত ওলমি পৰা নয়নৰ পাহিৰে আধা জাপ খোৱা চকুত পিৰিকতি পেলাই মন্-চিং-চিং-ব্ৰায়ে তেওঁৰ দুজন অনুচৰক সেহাই সেহাই কঁপা মাতেৰে ক'লে, 'আফাফুৰ্ (বোপাহঁত) চিংৰী দৌবা আৰু দাৰী মৌবা ! তোমালোকৰ বিমা আই ভল্লী বুঢ়ীক (কিছুমানৰ মতে বুলীবুঢ়ী। আচলতে ভল্লী বুঢ়ী, বিশেষকৈ উত্তৰ কামৰূপ অঞ্চলত বোলা হয়। এই ভল্লীয়েই দৈমা বা ডিমা আৰু কিছুমানৰ মতে গংগা। সেই কাৰণে মন্-চিং-চিং-ব্ৰায়ে সাগৰৰ তলৰ পৰা চিংৰী দৌবা আৰু দাৰী মৌবাক আনিবলৈ পঠিয়াইছিল। কাৰণ গংগা নৈ সাগৰত পৰিছে , সেই সাগৰ মানস সৰোবৰো হ'ব পাৰে। কিছুমানে আকৌ ভল্লীবুঢ়ীক ভৈৰৱীও বোলে। হয়ও, কাৰণ ভল্লীবুঢ়ী যেতিয়া ভৈৰৱ শিৱৰ ঘৈণীয়েক তেনেহ'লে তেওঁ ভৈৰৱী হ'বই। বুলীবুঢ়ীতকৈ ভল্লীবুঢ়ীহে বেছি শুদ্ধ। কাৰণ অসমৰ য'তে কেঁচাখাইতী কামাখ্যা বা কামাখ্যা সম্পৰ্কীয় আন আছে, তাতেই বা তাৰ কাষতেই ভল্লী নদী আছেই। এই ভল্লীয়েই ভল্লী বা ভৰলী) সাগৰৰ তলিৰ পৰা

আনাগৈ যোৱা।' প্ৰধান ভকত দুজন অৰ্থাৎ চিংৰী দৌবা আৰু দাৰী মৌবাই প্ৰভুৰ আদেশ পাই আইক আনিবলৈ গুচি গ'ল।

মন্-চিং-চিং-ব্ৰাইক পাই মেলুৱৈসকলে আলৌ-আথৌ কৰিবলৈ ধৰিলে। তেওঁক সেৱা-শুশ্ৰূষা কৰাত যাতে কোনো ত্ৰুটি নহয়, ৰাইজে পাৰ্যমানে চেষ্টা কৰিলে। উলাহৰ উখল-মাখল, উলহ-মালহ, দলদোপ-হেন্দোলদোপ আদিৰে ভৰি গাঁওখনত উজাৰ উঠিল। চিক্ৰী ঝহলাও নিজে 'বাৰলাম্ফা' (নৰ্তক) সাজি তাৰ চিফুং বাঁহীৰ বিষাদৰ ৰাগিনীৰ সলনি আনন্দৰ সুৰ বোৱাই আপোন পাহৰা হৈ নাচিবলৈ ধৰিলে আৰু চিক্ৰী চিখলাই বেচেৰীয়ে প্ৰাণৰ লগৰী নাপাই ঘৰৰ এটা কোঠালিত ছাতি (চাকি) জ্বলাই তাৰ পোহৰত নিজৰ ৰূপ চৰাই নিজৰ ছাঁটোকে লগৰী কৰি নিজে 'বাৰজু' (নাচনী) সাজি এবাৰ 'জোথা' (খুঁটি তাল) কোবাই ছেৱে ছেৱে গাত ভাঁজ দি নাচোন মেলিলে। সিহঁতৰ তালে তালে গোটেই বিশ্বত যেন আনন্দৰ খলকনি উঠিল। সেই খলকনি লাগি গাঁৱৰ সকলো ঝহলাও আৰু চিখ্‌লাই (ডেকা-গাভৰুৱে) মিলি-জুলি, গাই-বাই, হালি-জালি, নাচি-বাগি উলাহৰ লহৰ তুলিলে। সঁচাকৈয়ে চাৰিওফালে গাঁৱৰ চৌদিটি জুৰি উলাহৰ উখল-মাখল, উলহ-মালহত দলদো প-হেন্দোলদোপ্ লাগি গ'ল।

সেউজীয়া ডাল-পাতেৰে ঠন ধৰি উঠা ধুনীয়া সিজু গছৰ তলত মন্-চিং-চিং-ব্ৰায়ে আসন পাতি বহিল। চিংৰী দৌবা আৰু দাৰী মৌবাই সাগৰৰ তলিৰ পৰা ভল্লীবুঢ়ীক আনি বাথৌ মাদায়ৰ ওচৰত গতালে। মন্-চিং-চিং-ব্ৰাইৰ কাষত ভল্লীবুঢ়ীয়ে আসন জুৰি বহিল। তাৰ পাছত ৰাইজৰ মেলৰ কাম আৰম্ভ হ'ল। মন্-চিং-চিং-ব্ৰায়ে দিহা দিবলৈ পাতনি মেলিলে। তেওঁ এজনক পাতিলে 'স্বৰ্গীয়াৰী', যাৰ মুখেদি তেওঁৰ নিজৰ বাক্য প্ৰকাশ হৈছিল, খাখ্‌লাৰীক পাতিলে কুমুড়া (কিছুমানৰ মতে কুশ-বন) ছিঙি আনিবলৈ। বসুমাতাৰীক দিলে মাটি আনিবলৈ, নাৰ্জিয়াৰীক দিলে শুকুতা পাত বুটলিবলৈ; দৈমাৰীক দিলে পানীভাৰ আনিবলৈ; ওৱাৰীক দিলে বাঁহ কাটিবলৈ; গইব্ৰাৰীক দিলে তামোল-পাণ যোগাৰ কৰিবলৈ; হা-খোৰাৰীক খাল খান্দিবলৈ দিহা দিলে ; বাঘাৰী বা পাগলাৰী বা মছাৰীক বাঘ মাৰি আনিবলৈ দিলে— এনেকৈ বনভাগাৰীক হাবি কাটিবলৈ; চিবিংয়াৰীক তিল আনিবলৈ আৰু বিবিংয়া ৰীক খুজি-মাগি চাউল যোগাৰ কৰিবলৈ পাচিলে। এইদৰে স্বৰ্গীয়াৰী, খাখ্‌লাৰী, বসুমাতাৰী, নাৰ্জিয়াৰী, দৈমাৰী, ওৱাৰী, গইব্ৰাৰী, হাখোৰাৰী, বাঘাৰী বা বাগলাৰী বা মছাৰী, বনভাগৰী, ছিবিংয়াৰী আৰু বিবিংয়াৰী এই বাৰটা কাম ভাগ ভাগ কৰি বাটি ভগাই দিয়াত বাৰমাহাৰীৰ উৎপত্তি হ'ল। পাছত বাৰমাহাৰীয়ে সুকলমে কাম সমাধা কৰাত চিক্ৰী ঝহলাও আৰু চিক্ৰী চিখ্‌লাক সমাজলৈ মাতি অনা হ'ল। সেই ডেকা-গাভৰুহালে উপস্থিত হোৱাত বিচাৰ আৰম্ভ হ'ল। মন্-চিং-চিং-ব্ৰায়ে ৰায় দিলে— উভয়ে সম্পূৰ্ণ নিৰ্দোষ। বিয়া হ'ব পৰা যাব।

সেই উলহ-মালহ, উখল-মাখল আৰু হেজাৰ গুণে বেছিহে বাঢ়িল। ডাওথোপ বিয়া আৰম্ভ হ'ল। 'বাৰলাম্ফাৰ' চিফুং বাঁহীৰ ছেৱে ছেৱে 'বাৰজু'সকলে নানা ৰঙৰ বিবিধ ফুলৰ 'দখনা' (মেখেলা) পিন্ধি বুকুত ৰাঙলী ফালি (মেঠনি) লিপিটকৈ বান্ধি 'জোথা' (খুঁটিতাল) কোবাই নাচিবলৈ ধৰিলে। আন আন ডেকা-গাভৰুৱেও ডিঙিত অমিতাৰ মালা, মূৰত ধানখেৰৰ কিৰীটি পিন্ধি সিহঁতৰ তালে তালে উলাহত গা জোকাৰিবলৈ ধৰিলে। বুঢ়া-মেথাসকলে এটা চুকত মন্-চিং-চিং ব্ৰাই, ভল্লীবুঢ়ী, চিংৰী দৌবা আৰু দাৰী মৌবাক আৱৰি জঙাৰ পঞ্চতত্ত্ব উলিয়াই শাস্ত্ৰ মেলিলে। চিক্ৰী ঝহলাওৰ

শুকান মুখত হাঁহি বিৰিঙিল আৰু চিক্ৰী-চিখলাৰ বেজাৰৰ লোৰে ভৰা চকুৰেদি আনন্দৰ অশ্ৰু ববলৈ ধৰিলে। এনে ৰং-উলাহৰ মাজেদি উভয়ৰ শুভ বিবাহৰ আনন্দময়ী নাটিকাৰ ৰংগমঞ্চত যৱনিকা পৰো পৰো হ'ল! এনেতে মন্-চিং-চিং-ব্ৰাইৰূপী বাথৌ-মাদায় আৰু ভৈৰৱী গোসাঁনী—ডৈমা-বিমা-ভল্লীবুঢ়ীৰ আশিস ল'বলৈ চিক্ৰী ঝহলাও আৰু চিক্ৰী চিখ্লাই সেই গোসাঁই-গোসাঁনীৰ আগত আঁঠু ল'লে আৰু শিৱ-শিৱানীৰ হৃদয়ৰ অভ্যন্তৰৰ পৰা 'হৰ-গৌৰী বসতি হওক'ৰ দৰে বিবিধ শুভাশিস জোলোকা-জোলোকে ববলৈ ধৰিলে। ৰাইজে হয়ভৰ দিলে; বাৰলাম্ফাৰ, চিফুং আৰু কৰজুহুঁতৰ জোথা লক্ষগুণে বাজিবলৈ ধৰিলে। এইদৰে দলদোপ হেন্দোলদোপকৈ পতা ডাওথোপ-বিয়াৰ নাটমঞ্চত যৱনিকাৰ পতন হ'ল।...

শেষত বাথৌ-ব্ৰাইৰ কৃপাত চিখ্লা ৰাজ্য স্থাপন কৰি চিক্ৰী ঝহলাও আৰু চিক্ৰী চিখ্লাই সেই ৰাজ্যৰ গাবাৰা মাদায়ডাও (ৰজা) আৰু ৰাণী ডী (ৰাণী) হৈ সুখেৰে জীৱন কটাবলৈ ধৰিলে।...

এয়া শুনিয়েই তুমি আচৰিত হ'লা? হবাইতো। তোমাৰ নিচিনাকৈ প্ৰত্যেক অসমীয়াই আচৰিত হ'বই। এই চিখলা ৰাজ্যৰ ৰাজপাট যে কিমান ৰাণীয়ে খাই গৈছিল খবৰ ৰাখিছানে? সেই চন্দ্ৰমালী চিখ্লা চাবাৰ্ খচী, সেই আলচীয়া মাদায়ৰ ঘৈণী বেলশ্ৰী, ধানশ্ৰী, সেই সোণাশ্ৰী চিখ্লা ইত্যাদি। ভাবিছা, এইবিলাক কাহিনী বুৰঞ্জীত নাই কাৰণে মিছা! মিছা নহয়, সম্পূৰ্ণ সঁচা; তাৰ প্ৰমাণ অসমৰ নৈকেইখনেই এইবিলাক নামৰ চিনাকি দিয়ে আৰু এতিয়াও দিয়েই আছে।

এ আই! আৰু শুনিবলৈ খুজিছা দেখোন! নাই নোৱাৰো। কৈছো নহয় মই বুঢ়ী হ'লো বুলি। উস! পাই! তোমাৰ লগত আৰু নোৱাৰিছো আৰু আজি থাওক! এইবিলাক গাই জানো কিবা লাভ হ'ব। তোমাৰ ম[illegible]জঁকাত জানো জীৱ আহিব? হে হে হে থৈ দিয়া হেৰাই! ভাল বুঢ়ীমাৰক জোকাই নল'বা!! মিছা মিছা, মিছাকৈয়ে গালো-বালো, দেহী ঐ! নাই; আৰু আমনি নিদিবা। যোৱা।...*

ooo ooo

সিফালে আন এটা ঠালৰ বোধকৰো শালস্তম্ভই লুইতৰ উত্তৰেদি গৈ বৰ্তমান তেজপুৰ অঞ্চলত হা ৰূপেশ্বৰে (হা-মাটি বা ৰাজ্য অৰ্থাৎ ৰূপেশ্বৰ ৰাজ্য। ... তেজপুৰৰ বৰশিলৰ গাত লিখা মতে 'হা-ৰূপেশ্বৰ' আৰু তামৰ ফলিৰ মতে 'হা-টংকেশ্বৰ') ৰাজ্য স্থাপন কৰিছিল। তামৰ ফলি মতে শালস্তম্ভক ম্লেচ্ছ বুলি উল্লেখ কৰা হৈছে। 'After thus for several generations, kings of Naraka's dynasty had ruled the whole country a great chief of the mlechas, owing to a turn of (adverse) fate, took possession of the kingdom (This was) Salastambha'—Translation of an old copper plate inscription. Translation, by Dr. A.F.R. Hoernle. দৰং জিলাৰ বৰগাঁও গাঁৱৰ এজন খেতিয়কৰ পৰা গেইট চাহাবে পোৱা আৰু হৰ্নলি চাহাবৰ ইংৰাজী অনুবাদৰ অসমীয়া ভাঙনি—'এইদৰে নৰকৰ পৰিয়ালৰ কেইপুৰুষে গোটেই ৰাজ্যখন ৰাজত্ব কৰাৰ পাছত এজন ম্লেচ্ছ নেতাই এই ৰাজ্যখন নিলে। তেওঁ আছিল শালস্তম্ভ।' কোনোবা বামুণ বা অখছাৰীয়ে অজ্ঞতাৰ দোষত এনে ভুলকৈ লিখাত অসমৰ বুৰঞ্জী লেখকসকলে ভাবি ল'লে, হৰ্জৰ বৰ্মন আদি কৰি শালস্তম্ভৰ পৰিয়াল ম্লেচ্ছ বুলি। বোলো দেও! হৰ্জৰ, হা-ৰূপেশ্বৰ, হা-টংকেশ্বৰ নামবিলাকলৈ নোচোৱা কিয়? খছাৰী-বড়ো ভাষাৰ ছাঁ

সিবিলাকত পৰা নাইনে? ইফালে তেজপুৰৰ বৰশিলৰ গাত (Rock-inscription) লিখাই আছে... 'দৰ্প গৰ্বিত মহাৰাজাধিৰাজ পৰমেশ্বৰ পৰম-ভট্টাৰক শ্ৰীবাৰাহ। শ্ৰী হৰ্জৰ বৰ্ম্মদেবস্য.... ।' বুজা গ'ল, 'বাৰাহ' 'বৰাহ' শব্দৰ বিশেষণ : বৰাহ্ + ষ্ণ = বাৰাহ । তেনেহলে হৰ্জ ৰ বৰ্মন বৰাহী আছিল, অৰ্থাৎ খছাৰী। পালবংশতো সেই খছাৰী বংশৰ গোন্ধ পাওঁ। কেনেকৈ? বৰগাঁৱত পোৱা তামৰ ফলিৰ মতে। যেনে— 'তাৰ প্ৰজাসকলে নৰক কুলৰ এজন ভৌম সিহঁতৰ ৰজা হোৱা উচিত বুলি ভাবি তেওঁৰ বংশৰ ব্ৰহ্মপালেই ৰাজ্য শাসনৰ উপযুক্ত বুলি জ্ঞান কৰি তেওঁক (ব্ৰহ্মপালক) বাছি লয় [2nd plate "his subjects, thinking it well that a Ahauma (i.e. One of Naraka's race) should be appointed as their lord, chose Brahmapala from among his kindred, to be their king on account of his fitness to undertake the government of the country. –Bangaon Plate] হয়তো, বলভদ্ৰ বা পৰ্বধন ৰজা নিস্তেজ বা বিৰাগভাজন হোৱাত প্ৰজাসকলে বিদ্ৰোহ কৰি পালবংশৰ ব্ৰহ্মপালক আগছি আনি ৰজা পাতিছিল। তেনেহলে এই ব্ৰহ্মপাল খছাৰী নৰক বসুমতাৰীৰ বংশধৰ।

যি ঠাল উত্তৰেদি আগুৱাই আহিছিল, তাৰে এটা বংশ মঙ্গলদৈ অঞ্চলত কিছু বছৰ ৰাজত্ব কৰিছিল। আজিও সেই বংশৰে কছাৰী ৰাজকুঁৱৰী 'বেলচিৰী' আৰু 'ধনচিৰী'ৰ মউ সনা নাম লৈ দুখন নৈ দৰং জিলাৰ বুকুয়েদি কুলু কুলুকৈ বৈ লুইতত পৰিছেগৈ সেই ঠালৰে মৃগাং (মৃগাংক) আদি ৰজাই বিশ্বনাথত ৰাজত্ব কৰিছিল। কিমান ক'ম? কিমান গাম? ইয়াৰ জানো কিবা অন্ত আছে? শেহত, এদল গৈ লক্ষ্মীদেৱীৰ লখীমপুৰৰ দিহং নৈৰ পাৰত যাৰ বুকুত 'লালী' নামে এখন নৈ পশ্চিম ফালৰ পৰা বৈ পৰিছিল, সেই 'লালী', দিহং আৰু ব্ৰহ্মপুত্ৰৰ মাজত লালী চাপৰি, সুন্দৰ ধুনীয়া থলভূমিত ৰাজধানী পাতি তাকে কেন্দ্ৰ কৰি 'হা-লালী' নামে (হা-মাটি বা ৰাজ্য, লালী- উজ্জ্বল অৰ্থাৎ উজ্জ্বল ৰাজ্য। The Lalli is a small river flowing from the west into the Dihong, near the north of Lalli chapri" – from the confidential report Topographical, Political & Military – on the North-East Frontier of India – by Capt. St. John T. Michelli. এখন ডাঙৰ ৰাজ্য পাতিছিল। আজি সেই 'হা লালী' ৰাজ্যৰ ৰাজধানী নিশ্চয় ব্ৰহ্মপুত্ৰৰ অতল গৰ্ভত)। এইদৰে গৈ গৈ শ-দিয়া (শ-দিয়া, য'ত শ বা বসুৰ নদী মিলিছে; খছাৰীমতে সদিয়া বা সধয়া পুৰীও বোলে।) অঞ্চল পালেগৈ। কোনে জানে, কুণ্ডিল-নগৰ জানোচা, খছাৰী ৰজা কুণ্ডিল্যধ্বজ নাৰায়ণেই পাতিছিল? হায়!... কোনে ক'ব?

'অ সোঁৱৰণি!
সমিধান দিয়া-সোঁৱৰণি !!
নিৰ্বাক অতীতৰ গোপন-কুঞ্জ এৰি
আহা মউ-সনা সোঁৱৰণি !!!'

কিমান আৰু বাজিম? সেই সুৰ যে অনন্ত। চমুকৈ ৰাগিণী তুলি ইমানকৈ বাজিও ওৰ পেলাব নোৱাৰি। সেই শকতি যে আৰু নাই।...

নেৰানেপেৰাকৈ লাগিছা যেতিয়া বাজিবই লাগিব ফুঁক লাগি এলান্ধুক'লীয়া 'চিফুং' বাঁহীৰ

সুৰ বিন্ধাৰে বাজি ওলাবই লাগিব। কি কৰিম, শকতি যে নাই। বুঢ়ী হ'লো। শুনা তেন্তে ভেকুৰা লগা সুৰ-সোপা। তাক লৈ তোমাৰ, সুৰৰ-সঁফুৰাত ভৰাই থবা। তেহে এদিন ঘঁহি-মাজি ধুনীয়াকৈ সাজি আনক তুমি ভালকৈ শুনাব পাৰিবা।...

এইদৰে উত্তৰে দক্ষিণে খছাৰীবিলাকে যেতিয়া গোটেই অসমত বিয়পি পৰিলে, মাজে মাজে কিছুমান খছাৰীয়ে মূৰ দাঙি নিজ বাহুবলেৰে সুকীয়াকৈ ৰাজ্য পাতি অসম বুৰঞ্জীৰ সোণালী পাতকেইখিলা অধিকাৰ কৰিলে। চোৱা—ৰমাকান্ত মেচ্ নামে এজন বামুণৰ খছাৰী গৰখীয়াই নীলধ্বজ নাম লৈ খেন বংশ গঢ়ি কমতাপুৰ ৰাজ্যৰ ৰজা হৈছিল। সেই বংশৰে খছাৰী ৰজা দুৰ্লভ নাৰায়ণ মেচে কনৌজৰ পৰা সাত ঘৰ বামুণ আৰু সাত ঘৰ কায়স্থ অসমলৈ আনিছিল। 'ধৱল গুৰু বংশাৱলী'ৰ মতে মেঘবৰ্ণ বংশৰ আৰিমত্তই (আৰিম) জিতাৰী বংশ পাতি বেলেগে ৰাজ্য স্থাপন কৰিছিল। সেই মেঘবৰ্ণ মহাবীৰ ঘটোৎকচৰ পুতেক আছিল। হাৰীয়া মণ্ডল নামে মেচ-খছাৰীৰ পুতেক বিশ্বসিংহই কোঁচ ৰাজ্য স্থাপন কৰিছিল আৰু তেওঁৰ পুত্ৰ মহাত্মা নৰনাৰায়ণ ৰজাৰ সময়ত তেওঁৰ অনুপ্ৰেৰণাত মহাপুৰুষীয়া ধৰ্ম আৰু বহুমূলীয়া শংকৰী-সাহিত্য চৰ্চা সুকলমে চলিছিল। শুনি পেপুৱা নালাগিবা। সকলো সঁচা কথা। আন আন উন্নত জাতিৰ ধাৰ্মিক, সামাজিক নানান প্ৰকাৰ হেঁচাত পৰি আজি তোমাৰ সোণৰ অতীত পাহৰণি মৈদামত পোত গৈ আছে। কোদালি উলিয়াই লোৱা, তেহে ! প্ৰমাণ যদি লাগে, অসম বুৰঞ্জী মেলি চোৱা। দেখিবা, যিখিনি খছাৰীৰ সোণালী আখৰেৰে লিখা গৌৰৱময় কাহিনী আছে, আহোমৰ বাহিৰে বেছি ভাগেই তোমাৰ দৰে অভং খছাৰীৰ পূৰ্বপুৰুষৰহে।...

যি কি নহওক, দিখৌ-নৈ-অঞ্চলত যি ঠালে খছাৰী ৰাজ্য পাতিছিল, সিহঁত তেনেই দুৰ্বল আছিল। দুৰ্বলেই বা নহ'ব কিয় ? এটা বিৰাট জাতি এইদৰে ঠান্ ঠান্ বান্ বান্ ছেদেলি-ভেদেলি হৈ গলে নো শক্তিৱান হ'ব কেনেকৈ ? তাৰ উপৰি ৰজাজন আছিল তেনেইহোজা, তেনেই মূৰ্খ। নহ'লেনো সৌমাৰেদি অহা এমুঠি আহোম অসমলৈ সোমাই সেই খছাৰী ৰজাক ঠগাই, দিখৌ নৈ অঞ্চলৰ ৰাজ্যখন ল'ব পাৰিলেহেঁতেন নে ? (আহোম বোলে,— কছাৰী ৰজা ! তই যদি ইয়াৰ পৰা এটা খাল খান্দি ৰাতি নৌ-পুৱাওঁতে দিখৌ নৈলৈ খান্দি উলিয়াব পাৰ, এই ৰাজ্য তোৰ।— নহ'লে আমাৰ। জোনাক নিশা। কছাৰীবিলাকে আৰম্ভ কৰিলে খান্দিবলৈ। সিফালে ওচৰৰ হাবিত আহোমবিলাকে কুকুৰা লৈ লুকাই থাকিল। কছাৰীবিলাকে সমাধা কৰিবলৈ বেছি নাই দেখি ভয়ত টেঙৰ আহোমবিলাকে কুকুৰাৰ দৰে মাতিবলৈ ধৰিলে। জোনাক নিশাৰ পোহৰ দেখি ৰাতি পুৱাল যেন ভাবি কুকুৰাবিলাকেও ডাক দিবলৈ লাগিল। ৰাতি পুৱাল যেন ভাবি কছাৰীসকলে কাম এৰিলে। দিখৌ নৈলৈ আৰু খাল খন্দা নহ'ল। ৰাজ্যখন আহোমৰ হ'ল। কছাৰীবিলাক পচিমলৈ আহিবলৈ ধৰিলে।... 'দেওধাই বুৰঞ্জী'ৰ ভাবাৰ্থ এইখিনি)। দিখৌ নৈ অঞ্চলৰ ৰাজ্যখন হেৰুৱাই ডিমাছাসকল পচিমলৈ আহিছিল আৰু ডিমাছা ৰজা গাবাৰা মাদায়্ডাও প্ৰশান্তধ্বজ নাৰায়ণে 'হা-ডিমাপুৰ' বা ডিমাপুৰ ৰাজ্য পাতিছিল। আজিও তাৰ ভগ্নাৱশেষৰ প্ৰত্যেক শিলে মোৰ সুৰেৰে নীৰৱ-ৰাগিণী গাই, ডিমাপুৰৰ কীৰিতি লংলাবডাও, ঢেমালু (এওঁলোকে ব্ৰহ্মদেশলৈকে দিগ্বিজয় কৰিছিল) হাল-ডাও আহোমৰ লগত ৰণ দিছিল। ৰাইবাংমা আৰু ৰাইবিং-ডী (লংলাব'ৰ ঘৈণী আৰু হাল-ডাওৰ মাক আৰু মাহীমাক ; আহোমৰ লগত ৰণত যুদ্ধক্ষেত্ৰত জাপ দি ৰণচণ্ডীৰ দৰে অস্ত্ৰ লৈ যুঁজিছিল) আদিৰ ডিমাছা-গৰিমা শুনাই থাকে। আহোমৰ উৎপাতত আমনি পাই শান্তিপ্ৰিয়, ক্লান্ত, শ্ৰান্ত খছাৰীসকলে ডিমাপুৰ ৰাজ্য এৰি দিন-দিগাৰহা

দিহাৰাং ; মখাল, ছেম্‌খৰ্‌মা, মাইবং খছপুৰ আৰু টালিগাঁৱত ৰাজধানী পাতিছিল। খছাৰীৰ শেষ ৰজা গোবিন্দ চন্দ্ৰৰ মৃত্যুৰ লগে লগে এটা বিৰাট জাতিৰ ৰাজ্যও ধ্বংস হ'ল। খছাৰী ৰাণী মণিপুৰী ৰাজকুঁৱৰী ইন্দুপ্ৰভা আৰু তেওঁৰ ভাইসকলৰ কুচক্ৰান্তত পৰাত ডেভিচ স্কটৰ শত চেষ্টাতো খছাৰী ৰাজ্য আৰু পুনৰ গঢ়ি নুঠিল। এটা বিৰাট জাতিৰ বিৰাট অস্তিত্ব ছাৰখাৰ হৈ তেনেই নোহোৱা হ'ল। ভীমৰ পৰা গোবিন্দ চন্দ্ৰৰ পাছৰ কাশচন্দ্ৰলৈকে খছাৰী ৰাজ মতে ১৮৬ (এশ ছিয়াশী)জন খছাৰী ৰজাই ৰাজত্ব কৰিছিল। (তাম্ৰধ্বজ বংশৰ বৰ্তমান লংকাৰ বৰদলংবাসী হাছুমছা শ্ৰীটিকেন্দ্ৰজিৎ বৰ্মনৰ পৰা পোৱা ৰাজমালা মতে।)

কাশীচন্দ্ৰৰ পুতেক তুলাৰাম সেনাপতি ইমান যুঁজিও হাৰিলে; আনকি সিদিনাখনো মণিপুৰ, ত্ৰিপুৰা, কুঁচ-বিহাৰৰ দৰে এখন ডিমাছা খছাৰী ৰাজ্য পাতিবলৈ ১৯২২ চনত তাম্ৰধ্বজৰ হাছুমছা বংশৰ মোহন চিংয়ে মোকৰ্দমা কৰি ধন ভাঙি সকলো হেৰুৱাই কলৌ-জপৌ হ'ল। [In the court of Babu R. K. Roi Dastidar E. A. C. of silchar, case no. 1213C of 1922. Mohan singh Barman Versus Narsingh Barman. Section 500 I.P.C]

বাথৌ-বা ঢায়-ৰ বা = পঞ্চ থৌ = গভীৰ ; পঞ্চ গভীৰ তত্বৰ দেৱতা বাথৌৰ অপাৰ লীলা! .... বোপা ! বেজাৰ নকৰিবা, কৰি জানো, কিবা লাভ পাবা ? শকতি গঢ়ি লোৱা ; তেহে। তোমাৰ নিচিনা তেজ-ফুটো- ফুটো টলমল ডেকাই ইচ্ছা কৰিলে কিনো কৰিব নোৱাৰে। অ'—আন হিন্দু-অসমীয়াই তোমাক ঘিণ কৰে বুলি তোমাকতো ঘিণ কৰা নাই, ঘিণ কৰিছে সিহঁতে নিজকেই। কাৰণ, চোৱা, অসমীয়া কৃষ্টি কোৱা, কলা কোৱা, সাহিত্য কোৱা, সংগীত কোৱা, নৃত্য কোৱা প্ৰায়েই হয় খছাৰীৰ পৰা ধাৰ লোৱা নাইবা খছাৰীৰ আশ্ৰয় বা সহায় লৈ পোৱা। মাধৱ কন্দলীয়ে প্ৰথম অসমীয়া কবিতা পুথি 'ৰামায়ণ' লিখিলে কাৰ আদেশত ? বৰাহী-খছাৰী মাণিক্‌ফাৰ আদেশত নহয় নে ? সাতঘৰ বামুণ আৰু সাতঘৰ কায়স্থ অসমলৈ কোনে আনিছিল ? খছাৰী ৰমাকান্ত মেচ ওৰফে নীলধ্বজৰ খেন-বংশীয় দুৰ্লভ নাৰায়ণ মেচে নহয় নে ? যদি আজি বামুণ কায়স্থহঁতে ঘিণেৰে ছেই ছেই লেই লেই কৰে, ক'বা —'বোপাহঁত ! এতিয়া আমাক হীন দেখি ঘিণ কৰিছা। একালত কিন্তু আমিয়েই তোমালোকক অসমলৈ আনিছিলো।' যাক লৈ আজিও অসমীয়াই গৌৰব অনুভৱ কৰে, সেই মহাপুৰুষীয়া কৃষ্টি, কলা-সাহিত্য, নৃত্য-গীত আৰু ধৰ্ম কাৰ আশ্ৰয়ত আৰু অনুপ্ৰেৰণাত ৰচিত আৰু গঠিত হৈ অসমীয়া জাতিক সঞ্জীৱিত কৰি আছে ? খছাৰী হাৰীয়া মেচৰ নাতিয়েক নৰনাৰায়ণৰ নহয় নে ? তাকে কৈছো, কোনেও তোমাক অৱহেলা কৰিব নোৱাৰে ; যদিওবা কৰে, সি নিজেই অৱহেলিত হ'ব। সেই কাৰণেই কওঁ, শুনা, 'খছাৰী জাতি জীয়াই থাকিলে, অসমীয়া জাতিও জীয়াই থাকিব; খছাৰী জাতি মৰিলে অসমীয়া জাতিও মৰিব; আৰু লগে লগে পৃথিৱীৰ বুকুৰ পৰা অসম নামও চিৰকাললৈ মচ খাই যাব।' কাৰণ বৰ্তমান অসমৰ খছাৰী জাতি প্ৰাচীন কামৰূপৰ পৰা কামৰূপীয়া আৰু আজিৰ অসমৰ আচল অসমীয়া। **

---

* 'নায়ক'ৰ দ্বিতীয় বছৰ প্ৰথম সংখ্যা আৰু ** প্ৰথম বছৰ নৱম সংখ্যাত প্ৰকাশিত প্ৰবন্ধৰ পুনৰ্মুদ্ৰিত ৰূপ—সম্পাদক

কচাৰী

অনিৰাম বসুমতাৰী

অতীতৰ কীৰ্তি-কাহিনী স্মৃতিপটত তুলি ভেম ধৰি বা দুখ কৰিলেই মাথোন নচলে। নিজৰ অতীত আৰু বৰ্তমানৰ অৱস্থা ফঁহিয়াই চাই আৱশ্যকীয় উপায়-ব্যৱস্থা অৱলম্বন কৰি ঠন ধৰিবৰ সময় হৈছে।

বুৰঞ্জীৰ দিশেৰে চালে দেখা যায়, আহোম-কচাৰীৰ যুদ্ধ-বিগ্ৰহৰ লগে লগে কচাৰীৰ হৰা-জিকা হৈ থাকে। তাৰ লগে লগে ৰাজ্য, ৰাজধানী আৰু বাসস্থানৰো সালসলনি হৈ থাকে। অৰ্থাৎ যিদৰে আজিকালি জমি-ভিটাৰ কাজিয়া লাগি আদালতত হাৰিলে উচ্ছেদ হৈ টালি-টোপোলা বান্ধি লৈ সেই জমি-ভিটা এৰি আন ঠাইত নতুন বসবাসৰ ব্যৱস্থা কৰিবলগীয়া হয়—ঠিক তেনেদৰেই ৰজাৰ লগত সৈন্য-সামন্ত, জাতি-জ্ঞাতিৰো তেনেকৈয়ে বসবাসৰ ঠাই সলাব লগাত পৰে। কিছুমানে বা শত্ৰুৰ বশ্যতাত পূৰ্বৰ ঠাইবিলাকতে থাকে। আকৌ ৰাজ্য বিস্তৃতিৰ লগে লগেও নানা ঠাইত বসবাসৰ বিস্তৃতি হয়। কিন্তু ক্ৰমে ক্ৰমে ভাগ্যলক্ষ্মীৰ বিদায় হোৱাত কচাৰীৰ ৰাজ শক্তিও লোপ পায়। এইদৰে বিভিন্ন ঠাইত কচাৰী জাতি সিঁচৰতি হৈ পৰি ক্ৰমে ক্ৰমে দুৰ্বল বা নিস্তেজ হয়। ইয়াৰ উপৰি মানৰ দৌৰাত্ম্যত আনসকলৰ দৰে কচাৰীয়ে হাবি-বননি, পাহাৰ-পৰ্বতৰ দাঁতি-কাষৰীয়া ঠাইবিলাকত আশ্ৰয় ল'ব লগা হয়। তদুপৰি তাহানিৰ প্ৰভাৱান্বিত ৰজাসকলৰ পৰা নিষ্কৃতি পাবলৈ সৰু সৰু অংশত বিভক্ত কচাৰীসকল ঠায়ে ঠায়ে সিঁচৰতি হৈ পৰে। এইদৰে ক্ৰমাগত কৃষ্টি সংস্কাৰৰ আশ্ৰয় ৰহিত হয়। পৰিণামত কচাৰীৰ ঐতিহাসিক বিস্তৃত বিবৃতি আৰু ৰজাসকলৰ বংশাৱলী আৰু কাৰ্য-কীৰ্তিৰ বহুল বিৱৰণ পোৱা টান হৈছে। ৰাজশক্তি লোপ পোৱাত ঠায়ে ঠায়ে সিঁচৰতি হৈ পৰি একতা নাইকিয়া হ'লত অন্যান্যসকলৰ সংশ্ৰৱ আৰু প্ৰভাৱতো কচাৰীৰ কৃষ্টি-সংস্কৃতি দূষিত হ'ল। ক্ৰমে ক্ৰমে নিজৰ অতীতকীৰ্তি-গৰিমা আৰু ব্যক্তিত্বৰ গুণবিলাক বিস্মৃতিৰ ডাৱৰে ছানিবলৈ আৰম্ভ কৰিলে। ৰাজশক্তি লোপ পোৱাৰ পৰাই কচাৰীৰ দুৰৱস্থাৰ সূচনা। ই অকল কচাৰীৰে নহয়, অতীতৰ স্বাধীন কৃষ্টি লোপ পাই পৰাধীন হোৱা আৰু আনৰ প্ৰভাৱত প্ৰভাৱান্বিত সকলোৰে এনে দশা।

এনেদৰে কচাৰী জাতি নানা ঠাইত ক্ষুদ্র অংশবিলাকত সিঁচৰতি হৈ পৰিলত কিছুমান পবিত্র অনুষ্ঠান আৰু ৰীতি-নীতিবিলাকত ঘুণে ধৰিলে। 'শিজু গোসাঁই'ৰ পূজাত মংগলবাঁহী বজাই ঢাল-তৰোৱাল লৈ নচা প্রথা এতিয়াও চলি আছে। কিন্তু ঠিক তাহানিৰ ৰজাঘৰীয়া বিধিত বর্তমানে হয়নে নহয় আৰু ইয়াৰ অংগসমূহক কেনেদৰে ব্যৱহাৰ কৰা হৈছে—সকলো প্রবীণ আৰু বিজ্ঞ কচাৰী মাত্রেই জানে। এই অনুষ্ঠানটোৰ উদ্দেশ্য তাহানি এনে আছিল। যেতিয়া আন ৰজাৰ বিৰুদ্ধে যুঁজিবলৈ যাব লগা হৈছিল, তেতিয়া কচাৰীসকলে ইষ্ট দেৱতা 'শিজু' (বা বাথৌ) গোসাঁইক পূজা কৰি মংগল-বাঁহীৰ ছেৱে ছেৱে নাচি মংগল আৰু জয়ৰ প্রার্থনা কৰি ৰণযাত্রা কৰিছিল। ইয়াত মতা-তিৰোতা সকলোৱে যোগ দি ইষ্ট দেৱতাক সন্তুষ্ট কৰি ৰণুৱাসকলক উৎসাহেৰে বিদায় দিছিল; ৰণুৱাসকলেও উৎসাহিত হৈ মেলানিৰে জীৱন-মৰণক পণ কৰি ৰণযাত্রা কৰিছিল। যুঁজত জিকি আহিলেও সেইদৰে ৰণুৱাসকলে নাচ-গানেৰে উলাহ প্রকাশ কৰিছিল আৰু 'গোসাঁই'ক কৃতজ্ঞতা জনাইছিল। অন্যান্য মতা-তিৰোতাসকলেও তাত যোগ দি ৰণুৱাসকলক ধন্যবাদ আৰু আশীর্বাদ দি সকলোৱে আনন্দ প্রকাশ কৰিছিল। সুৰাপানৰ ব্যৱস্থা আছিল—মাথোন ৰণযাত্রাত মত্ততা আনিবলৈ আৰু ৰণৰ ক্লান্তি গুচাই ৰণজয়ৰ আনন্দ প্রকাশ কৰিবলৈ। এই অনুষ্ঠানটোক ইষ্ট দেৱতাৰ পূজাৰ লগে লগে বীৰত্ব-সাধনাও বুলিব পাৰি। সেই কাৰণে কচাৰী নাচত বেছিকৈ ৰুদ্র আৰু বীৰ ৰসৰ কলাহে প্রকাশ পায়।

কচাৰীৰ এই অনুষ্ঠান হিন্দু আৰু ক্ষত্রিয়ৰ অনুষ্ঠান এনেকুৱা বিধৰ হিন্দু শ্রেণী অন্তর্ভুক্ত অনুষ্ঠানবিলাক কচাৰীৰ মাজত পূর্বপুৰুষসকলৰ দিনৰ পৰাই চলি আছে। তেন্তে কচাৰীয়ে হিন্দু ক্ষত্রিয়া নহ'ল কেনেকৈ? এতিয়া আকৌ অনেক ঠাইত কথা-প্রসংগত বিভেদমূলক অর্থত কচাৰীক জাতি হিচাপে লক্ষ্য কৰি ক'লে 'হিন্দু' বুলি কয়। অৱশ্যে সাধাৰণতে তেনেদৰে কোৱাত আপত্তিজনক একো কথা নুঠে। কিন্তু 'কচাৰী' আৰু 'হিন্দু' এই দুই শব্দই কচাৰীক হিন্দু শ্রেণীৰ পৰা বিয়োগ কৰাৰ অর্থতে মাথোন ব্যৱহাৰ কৰা নহয়; কচাৰীৰ নিকৃষ্ট অর্থক নি তেনেই উপজাতিৰ আখ্যানত থ'বলৈকেহে ইয়াৰ উদ্দেশ্য। অকল উপজাতি বুলিয়েই নহয়; কচাৰীক কাগজে-পত্রই কতজন লেখকে 'পাহাৰী, বুলিবলৈকো এৰা নাই। বুৰঞ্জীবিদ আৰু প্রত্নতত্ত্ববিদসকলৰ সংশ্লিষ্ট থকা কিছুমান বিশিষ্ট আলোচনী-কাকতবিলাকৰ পাত লুটিয়ালে কচাৰীৰ আগত 'পাহাৰী' শব্দৰ ব্যৱহাৰ দেখা যাব। কিন্তু কোন কালৰ কোনখন পাহাৰৰ পৰা কচাৰী আহিল বা কোনখন পাহাৰত কচাৰীৰ বসতি আৰু কিয়নো কচাৰী 'উপজাতি' —ইয়াৰ যুক্তি-প্রমাণ হ'লে কোনেও দিব পৰা নাই। অৱশ্যে নিজৰ আত্মশক্তিৰ স্বৰূপ পুনৰ ফুটাবলৈ 'ট্রাইবেল' অন্তর্ভুক্ত হোৱাত যা নাম লোৱাত ট্রাইবেল শব্দৰ সমীচীন ব্যাখ্যা বিজ্ঞসকলে ইতিপূর্বে কৰিছে। ট্রাইবেল শব্দৰ মোটামুটি অর্থত কচাৰীক 'উপজাতি' আৰু 'পাহাৰী বোলাত অকল কচাৰীকহে ক্ষুণ্ণ কৰা নহয়; পণ্ডিতসকলৰ অনেক পৰিশ্রমেৰে লিখা বুৰঞ্জীকো অমর্যাদা প্রদান কৰা হৈছে। আকৌ 'ট্রাইবেল' অন্তর্ভুক্তৰ হেতু স্বার্থ স্বীকাৰ কৰাত যদি কোনোবাই দোষাৰোপ কৰে, তেন্তে 'কচাৰী' আৰু 'হিন্দু' শব্দ ব্যৱহাৰ কৰাটো নিশ্চয় স্বার্থ দোষ নিহিত আছে। যিহেতুকে তাৰ দ্বাৰা ধর্ম-ব্যৱসায়ৰ সুবিধা আহৰণৰ উদ্দেশ্য প্রকাশ পায়। কিন্তু আমাৰ স্বার্থ-আত্মোদ্‌গতিৰ উপায় উদ্ভাৱন কৰিবলৈহে; আপোন-পেটীয়া হ'বৰ কাৰণে ধূর্তালি বা ভুৱাৰে অসহনীয় আৰু অতিৰঞ্জিত প্রভুত্বৰ উদ্দেশ্যৰ কাৰণে নহয়। আমাৰ এই স্বার্থ কাৰো কাৰণে ৰামটাঙোন নহয়। এনে আপোন-পেটীয়া স্বার্থবাদীইঁতেই পোনতে মাকত তেল দি শুৱাই এতিয়া চকুত জলকীয়া দি

কন্দুৱাইছে। কিন্তু এই কান্দোনেৰে আমি সচেতন হ'ব লাগে। আমাক যিয়ে কওক, তাত ক্ষুণ্ণ আৰু হতাশ হ'ব নালাগে। আমাৰ লক্ষ্য মুক্তি। ফ্ৰান্সৰ পতনৰ পাছত জন্মভূমিচ্যুত হৈও পৰদেশত থাকি জেনেৰেল ডি্য গালে মুক্তি আৰু স্বাধীনতাৰ অভিযান চলাইছে। এই দৃষ্টান্তইহে প্ৰকৃত মুক্তিকামীৰ লক্ষণ। এনেকুৱা অলেখ দৃষ্টান্ত পৃথিৱীত আছে। ভৈয়াম এৰি পাহাৰী নাম ল'বলগীয়া হ'লেও আমাৰ লক্ষ্য আৰু উদ্দেশ্য ভ্ৰষ্ট হ'ব নালাগে। আমাক লাগে মনৰ দৃঢ়তা, ধৈৰ্যৰে আত্মবল সঞ্চয় আৰু প্ৰাণত মুক্তিৰ অদম্য স্পৃহা।

শক্তিশালী জাতি এটাক সেও কৰি ৰাখিবলৈ আনে যিয়ে কৰক বা কওক, তাত ক্ষুণ্ণ আৰু নিৰুৎসাহ হ'বৰ কোনো কাৰণ নাই। পৃথিৱীত পৰাভূত আৰু পতিত জাতিয়ে ধৈৰ্য আৰু নিৰ্ভীকতাৰে আত্মোৎথাপনৰ পথ সুগম কৰি লুপ্ত শক্তি আৰু সুপ্ত প্ৰাণত মুক্তিৰ ঝংকাৰ তোলা পটন্তৰ অনেক আছে। আমি চাব লাগিব—আমাৰ কিহৰ অভাৱ, এই ৰুগীয়া শৰীৰৰ বীজাণু কোনবোৰ আৰু কোন কোন অংগ ঘুণীয়া।

সামাজিক ৰীতি-নীতিৰ শিথিলতা আমি অস্বীকাৰ কৰিব নোৱাৰো। এই শিথিলতা কি কি কাৰণত ঘটিল আৰু জাতি একোটাৰ ওপৰত সামাজিক ৰীতি-নীতিৰ প্ৰভাৱ কেনেকুৱা, অতীতৰ ভাষা-কৃষ্টিৰ লুপ্তৰ হেতু কোনবোৰ—ইত্যাদি বিচাৰ কৰিব লাগিব।

তন্ন তন্নকৈ নিজৰ দোষ-গুণ আৰু ভাল-বেয়া ফঁহিয়াই চোৱাহে এই বিষয়ে সমীচীন হ'ব। কাৰণ অকল ভাল বা শ্লাঘাৰ ফালে চাই দোষ বা বেয়াৰ চৰ্চা নকৰিলে সুপথ ধৰাৰ প্ৰকৃত সূত্ৰ নোলায়। সংস্কাৰৰ মৌলিক পন্থাই হৈছে বেয়াৰ ওপৰত লক্ষ্য আৰু তাক এৰি তাৰ পৰা আঁতৰত থকা। এই নীতিয়েহে পৃথিৱীৰ বুৰঞ্জীত পতিত জাতিৰ পুনৰোত্থানৰ যথাৰ্থ আলম। এই নীতিৰে আশ্ৰয় ল'বলৈ অসম-বংগবাসী সদৌ কচাৰী সন্তানসকলৰ মাজত একতা প্ৰৱৰ্তনৰ উপায় লাগে। আনে উপলুঙা কৰাত বিমৰ্ষ হৈ শক্তি হেৰোৱা আৰু আনৰ ভুৱাত মুগ্ধ হৈ ছগা পৰুৱাৰ দৰে ধ্বংসৰ জুইত ভস্মীভূত হোৱাৰ যুগ এইটো নহয়। বৰ্তমান আত্ম-প্ৰগতিৰ সংগ্ৰামলিপ্ত জগতে সুপ্ত কচাৰীকো মুক্তিৰ পতাকা উৰুৱাবলৈ আহ্বান কৰিছে। এই আহ্বানলৈ পিঠি দি আত্মবিস্মৃত হৈ পৰি থকা অকল নিৰ্জীৱতাৰ চৰম নিদৰ্শনেই নহয়, আত্মঘাতীৰো পাপ। এই মুক্তিৰ আহ্বানত কঠোৰতা আৰু আহুকাল উভয়ৰে সন্মুখীন হ'ব লাগিব। স্বাৰ্থ আৰু আত্মবলি দিয়াৰ সকলো সমস্যা বা আসোঁৱাহ তুচ্ছ কৰিব লাগিব। তেহে যদি মুক্তিসংগ্ৰামত জয়ী হ'ব পাৰি নাইবা পৰাজয়ৰ ধ্বংসকূপত লোপ পোৱা অনিবাৰ্য। সেই কাৰণে যুগভেৰীৰ প্ৰতিটো ধ্বনিয়ে কচাৰীৰ আৱশ্যকীয় সকলোখিনি অঙুলিয়াই সাজু হ'বলৈ নিৰ্দেশ কৰিছে। ধৈৰ্য আৰু বিবেকেৰে শক্তি সঞ্চয় কৰি কৰ্মবীৰ হ'বলৈ প্ৰেৰণা দিছে। মনত ৰাখিব, সাধাৰণ আৰু পতিতৰ দ্বাৰাহে সময়ত মহৎ কাম সাধন হয়। যেতিয়া কচাৰী আৰু কচাৰীৰ লেখীয়া অনুন্নত সকলোৰে প্ৰাণত চেতনাৰ সুৰ বাজি উঠিব, তেতিয়াহে মাতৃভূমিৰ মুখ উজ্জ্বল হ'ব। সিদিনা এই 'ট্ৰাইবেল' নামধাৰী তুহঁৰ স্তূপৰ ভিতৰত থাকি দীপ্তি শিখাৰ ফিৰিঙতিবিলাক আগ্নেয়মূৰ্তিত প্ৰকাশ হ'ব, সিদিনাহে মাতৃভূমিৰ সকলো কীট-পতংগ জাবৰ-মলি ভস্ম হৈ মাতৃভূমিক নিখুঁত সোণৰ দৰে উজ্জ্বল কৰিব পাৰিব আৰু মাতৃভূমিও যিদিনাহে উলাহেৰে সকলো সন্তানকে চিৰজয়ৰ আশীৰ্বাদ কৰিব।

কিন্তু আত্মশক্তিৰ বাহিৰে আনত ভৰসা নিষ্ফল। সেই কাৰণে যুগৰ সাৰেঙত সুৰ উঠিছে 'কচাৰী'! আত্মশক্তিত থিয় হ'। *

---

* বড়ো বুদ্ধিজীৱি বসুমতাৰীৰ এই প্ৰবন্ধটো চল্লিচৰ দশকৰ 'নায়ক'ৰ পৰা পুনৰ্মুদ্ৰিত—সম্পাদক

ভাৰতীয়-মঙ্গোলয়দ বৰো সংস্কৃতিৰ মূলকথা

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

অসম, অৰুণাচল, নগাভূমি, মেঘালয়, ত্ৰিপুৰা, মণিপুৰ আদি উত্তৰ-পূবৰ ৰাজ্যসমূহ তথা পশ্চিমবংগৰ অঞ্চলবিশেষ, বাংলাদেশৰো অংশবিশেষ বিয়পি বৰো বা বৰো কছাৰী বুলি জনাজাত লোকসকলৰ জ্ঞাতি-ভাই মঙ্গোলীয় লোকসকলে বাস কৰি আহিছে। 'কিৰাত-জন-কৃতি' নামৰ মূল্যৱান ইংৰাজী গ্ৰন্থখনত ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ে এই মঙ্গোলয়দ (কিৰাত)সকলক ভাৰতীয় মঙ্গোলয়দ বুলি আখ্যা দিছে। ডঃ চট্টোপাধ্যায়ৰ মতে ভাৰতীয় মঙ্গোলয়দ পদটিয়ে এই লোকসকলৰ ভাৰতীয় সম্বন্ধ ৰখা তেওঁলোকৰ সাংস্কৃতিক পৰিমণ্ডল তথা প্ৰজাতিগত সংস্পৰ্শৰো পৰিচয় দাঙি ধৰিছে। ফাদাৰ মেথিয়াছ হাৰম্যানছৰ তেওঁৰ 'ইণ্ডো-তিব্বেতান' নামৰ গ্ৰন্থত বৰো আৰু এওঁলোকৰ সংশ্লিষ্ট জনগোষ্ঠীবোৰক ইণ্ডো-তিব্বতীয় বুলি অভিহিত কৰিছে। ফাদাৰ হাৰম্যানছৰ ভাষাৰে ক'বলৈ হ'লে—'মেচে (মেচ)সকলৰ দৰেই কছাৰী (বৰো)সকলৰ ক্ষেত্ৰতো মঙ্গোলীয় দৈহিক বৈশিষ্ট্যবোৰ বেছ প্ৰকট ঃ গালৰ হাড়বোৰ উঠঙা, চকুযুৰি সংকুচিত, গাৰ নোমৰ পৰিমাণ কম আৰু ডাড়িও পাতল। উত্তৰ-পূব ভাৰতীয় লোকৰ তুলনাত তেওঁলোক চুটি-চাপৰ আৰু বেছি মঙহাল।' — অসম আৰু পশ্চিমবংগত এই বৰোসকল অসমীয়া আৰু বঙালী প্ৰতিবেশীৰ তুলনাত কিছু পৰিমাণে শাৰীৰিক গঠনৰ ক্ষেত্ৰত ভিন্ন যদিও এনে ব্যৱধান ক্ৰমশঃ কমিবলৈ ধৰিছে।

অসম আৰু ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলত বাস কৰা অন্যান্য প্ৰজাতিগত জনগোষ্ঠীৰ সৈতে ইণ্ডো-মঙ্গোলয়দ (ভাৰতীয়-মঙ্গোলয়দ) বা ইণ্ডো-তিবেবতান (ভাৰতীয়-তিব্বতী) লোকসকলে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰি আহিছে ঃ বৰো, ডিমাছা, গাৰো, মিৰি (মিচিং), ৰাভা, লালুং (তিৱা), দেউৰী, তিপ্ৰা, নগা, মিজো, মেইতেই আদি জনগোষ্ঠীবোৰ ভাৰতীয় মঙ্গোলয়দ বা ভাৰতীয় তিব্বতী প্ৰজাতিৰ অন্তৰ্গত। নেগ্ৰয়দ, অষ্ট্ৰলয়দ, ভূমধ্য সাগৰীয় (দ্ৰাবিড়ী ভাষী) আৰু নৰ্ডিক (আৰ্যভাষী) প্ৰজাতিয়ে মঙ্গোলয়দসকলৰ সৈতে প্ৰাগৈতিহাসিক আৰু ঐতিহাসিক যুগত পাৰস্পৰিক সংস্পৰ্শ আৰু প্ৰভাৱ

বিস্তাৰ কৰা হেতুকে সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি হৈছিল। ডক্টৰ চট্টোপাধ্যায়ে ঠিকেই মন্তব্য দিছে— ‘ভাৰতবৰ্ষত প্ৰাচীনতম কালৰে পৰা সাংস্কৃতিক সমীভৱন বেছিভাগ ক্ষেত্ৰতে প্ৰজাতিগত সংশ্ৰৱৰ সৈতে অংগাংগীভাৱে আগবাঢ়ি গৈছে আৰু ওপৰত উল্লেখ কৰা প্ৰজাতিবোৰে অষ্ট্ৰিক, দ্ৰাবিড়ী, আৰ্য আৰু চীন-তিব্বতীয় ভাষা-ভাষীৰূপে হিমালয় আৰু উত্তৰ-পূবৰ অঞ্চলত পাৰস্পৰিক বিবাহপাশত আবদ্ধ হৈছে আৰু শক্তিশালী আৰু সংগঠিত ৰূপেৰে পাছত অহা প্ৰজাতিবোৰে নিজৰ জীয়াৰীবোৰক দুৰ্বল তথা আগৰে পৰা থকা দুৰ্বল তথা অনুন্নত বুলি অনুভৱ কৰা প্ৰজাতিবোৰলৈ বিয়া দিয়াৰ সলনি নিজেহে তেওঁলোকৰ জীয়াৰীসকলক বিয়া কৰাইছিল।’

অসম তথা উত্তৰ-পূব ভাৰতবৰ্ষত ভাৰতীয় মঙ্গোলয়দ ঃ

অসম ৰাজ্য আৰু উত্তৰ-পূব ভাৰতীয় অঞ্চলত জনবসতিৰ ক্ষেত্ৰত কিৰাত উপাদান সততে দেখা যায়; আনকি অষ্ট্ৰিকভাষী খাচি আৰু জয়ন্তীয়াসকলো প্ৰজাতিগতভাৱে মঙ্গোলয়দ। এই মঙ্গোলয়দ বা কিৰাত লোকসকলৰ বিষয়ে সংস্কৃত আৰু অসমীয়া পুৰণি গ্ৰন্থবোৰত বৰ্ণিত হৈছে— অথৰ্ববেদ, ৰামায়ণ, মহাভাৰত, কালিকাপুৰাণ, হৰগৌৰী সংবাদ, যোগিনীতন্ত্ৰ, কছাৰী বুৰঞ্জী, দৰং ৰাজবংশাৱলী, ত্ৰিপুৰা বুৰঞ্জী আদি পুথিৰ নাম উল্লেখ কৰিব পাৰি। ‘কামৰূপৰ ধৰ্ম যে কিৰাত সম্ভূত’—এই বিষয়ে যোগিনীতন্ত্ৰত স্পষ্টকৈ লিপিবদ্ধ হৈছে—‘সৰ্বেশি (সিদ্ধেশি) যোগিনীপীঠে ধৰ্মঃ কৈৰাতজঃ মতঃ’—ইয়াৰ ভাবাৰ্থ হৈছে—হে ভগৱতী (সৰ্বেশ্বৰী/সিদ্ধেশ্বৰী), যোগিনীপীঠত (কামৰূপ) কৈৰাতসম্ভূত আচৰণবিধিয়ে ধৰ্ম। আজিকালিৰ অসম, নগাভূমি, অৰুণাচল, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ত বসবাস কৰি থকা বৰো, ৰাভা, ডিমাছা, গাৰো, লালুং (তিৱা), মিৰি (মিচিং), মন্‌পা, অকা, ডফলা, আদি (আবৰ), মিকিৰ (কাৰ্বি), মিছিমি, মেইতেই, তিপ্‌ৰা, হাজং, মিজো (লুছাই), নগা, চিংফৌ, আপাটানি, নক্টে, ৰান্‌চো, কুকি-চীন, খামতি আদি বহুতসংখ্যক জনগোষ্ঠীয়ে মঙ্গোলয়দ বা কিৰাত প্ৰজাতিৰ অন্তৰ্গত হৈ পাহাৰে-ভৈয়ামে যুগ যুগ ধৰি বাস কৰি আছে। খাচি আৰু জয়ন্তীয়াসকলৰ ভাষা অষ্ট্ৰিক ভাষা পৰিয়ালৰ হ'লেও তেওঁলোকৰ শাৰীৰিক গঠনত মঙ্গোলীয় (কিৰাত) বৈশিষ্ট্য বিদ্যমান। আনকি নৰ্দিক (আৰ্য) জনসংখ্যাৰ ক্ষেত্ৰত মঙ্গোলয়দ (কিৰাত) অৱস্তৰ বিদ্যমান।

ভাষা আৰু সাহিত্য ঃ

মাৰ্কিন পণ্ডিত ৰবাৰ্ট ছেফাৰৰ মতে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ বৰিক বিভাগৰ বৰিছ শাখাৰ পশ্চিমীয়া ঠালৰ অন্তৰ্গত বৰো (বড়ো) ভাষা। ‘ডি লিংগুইষ্টিক ছাৰ্ভে অব ইণ্ডিয়া’ গ্ৰন্থৰ মতে বৰো বা বৰো-কছাৰী ভাষা চীন-তিব্বতীয় বা তিব্বেতো-চীন ভাষা পৰিয়ালৰ অসম-বাৰ্মা শাখাৰ বৰো (বড়ো) উপ-শাখাৰ অন্তৰ্গত।

অসম ৰাজ্যত বৰো ভাষা-ভাষী লোকবোৰ সম্প্ৰতি পশ্চিমে ধুবুৰীৰ পৰা পূবে শদিয়ালৈকে বিস্তৃত হৈ বাস কৰি আছে। অৰুণাচল, ত্ৰিপুৰা আৰু নাগালেণ্ডতো কমসংখ্যক বৰো বা বৰো-কছাৰী লোকৰ বসতি আছে। পশ্চিমবংগৰ জলপাইগুৰি আৰু ওচৰ-চুবুৰীয়া জিলাবোৰত বৰো মানুহবোৰক মেচ (মেছ) বুলি কোৱা হয়। আমাৰ দৃষ্টিত—অসমৰ বৰো ভাষাৰ চাৰিটা স্পষ্ট উপভাষাগত অঞ্চল আছে আৰু এইবোৰত যথেষ্টসংখ্যক উপভাষাগত পাৰ্থক্য লক্ষ্য কৰা যায়। ধ্বনিগত, ৰূপগত আৰু শব্দকোষ সংক্ৰান্ত পাৰ্থক্যবোৰে উত্তৰ-পশ্চিম, দক্ষিণ-পশ্চিম, উত্তৰ-মধ্য আৰু দক্ষিণ উপভাষাগত— এই চাৰিটা অঞ্চলৰ উৎপত্তি কৰিছে।

বৰ্তমান বৰো ভাষাত পূৰ্বৰে পৰা চলি অহা লিপিৰ ব্যৱহাৰ নাই। অসমৰ খ্যাতনামা শিল্পী কলাগুৰু বিষ্ণু ৰাভাই মোক কৈছিল যে, পুৰণি কালত এবিধ দেওধাই লিপিৰ ব্যৱহাৰ বৰো আৰু ডিমাছাসকলৰ মাজত আছিল। ১৯৬৩ খ্ৰীষ্টাব্দৰ পৰা অসমৰ গোৱালপাৰা জিলাৰ কোকৰাঝাৰ মহকুমাৰ বৰোভাষী অঞ্চলৰ প্ৰাথমিক বিদ্যালয়বোৰত বৰো ভাষাক শিক্ষাৰ মাধ্যমৰূপে প্ৰৱৰ্তন কৰা হয়। শিক্ষিতৰ হাৰ ক্ৰমে বৃদ্ধি হ'ব ধৰিছে। ১৯৫৪ চনত বৰোসকলৰ মাজত ৮৭জন কলা, বিজ্ঞান, চিকিৎসা আৰু ইঞ্জিনীয়াৰিং বিষয়ৰ স্নাতক পোৱা গৈছিল। ১৯৯৬ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ মহলাত বৰো ভাষা প্ৰৱৰ্তন কৰে। বৰোলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিক্টৰ অধীনত সম্প্ৰতি বৰো ভাষা আৰু বৰো সাহিত্য সভাৰ (স্থাপিত ১৯৫২ চন) উদ্যোগত বৰো সাহিত্যৰ যথেষ্ট পৰিমাণে বিকাশ ঘটিছে। অসম ৰাজ্যৰ সহযোগী ৰাজ্যিক ভাষাৰূপে কোকৰাঝাৰ, ওদালগুৰি আদি বৰো বসতি প্ৰধান অঞ্চলত পঢ়াশালি-আদালত আদিত ব্যৱহাৰ হ'বলৈ ধৰিছে। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচিত বৰো ভাষা স্বীকৃত হৈছে আৰু সাহিত্য অকাডেমীয়ে বৰো ভাষাক মান্যতা প্ৰদান কৰিছে।

বৰো সাহিত্যৰ পৰিসৰত পোনতে বিস্তৃত পৰিমাণৰ যৌগিক সাহিত্য, যেনে—লোকগীত, সাধুকথা, মালিতা, প্ৰবচন আদিহে আছিল। খ্ৰীষ্টান মিছনেৰীসকলৰ যত্নত বাইবেল আৰু অন্যান্য ধৰ্মমূলক পুথি-পত্ৰ ছপা হোৱাৰ পাছত ১৯২৪ চনত প্ৰকাশিত 'বিবাৰ্' আলোচনীৰ জৰিয়তে বৰো সাহিত্যৰ নতুন যুগৰ সূচনা হয়। সমাজসেৱী সতীশ চন্দ্ৰ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম, মদাৰাম ব্ৰহ্ম আদিৰ উদ্যোগত আৰু বাবা কালীচৰণ ব্ৰহ্মৰ প্ৰচাৰিত ব্ৰহ্মধৰ্মৰ জৰিয়তে সম্প্ৰতি বৰো ভাষা, সাহিত্য, সমাজ-সংস্কৃতিৰ উল্লেখনীয় অগ্ৰগতি হৈছে। কবিতা, গীত, গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, জীৱনী, কথাছবি আদি সকলো স্তৰতে সম্প্ৰতি সৃষ্টি আৰু চৰ্চাৰ অবিৰত ঢৌ বৈয়ে আছে। বৰো গীত-পদ, বাতৰি, আকাশবাণী আৰু দূৰদৰ্শনৰ জৰিয়তে প্ৰচাৰিত হৈ আছে।

বৰোসকলৰ সাহিত্যৰ যোগেদি যুগে যুগে প্ৰচলিত বৰোসকলৰ ধৰ্ম, সমাজ, সভ্যতা, সংস্কৃতি তথা জীৱনধাৰাৰ বৈশিষ্ট্য প্ৰকাশিত হৈছে। বৰো সংগীত পঞ্চ সুৰযুক্ত আৰু বৰোসকলৰ খেৰাই উৎসৱৰ নৃত্য, বৈছাগু নৃত্য, বাগৰুম্বা নৃত্য আদিয়ে সৰ্বভাৰতীয় সংগীত নাটক অকাডেমী আদিৰ দৃষ্টি আকৰ্ষণ কৰিছে।

বৰোসকলৰ লোকগীতত কৃষিজীৱনৰ ধানৰ ভঁৰাল আৰু গোহালিৰ মৰ্যাদা প্ৰতিভাত হৈছে। এজনী বিবাহযোগ্যা গাভৰুৱে তেওঁৰ পিতৃদেৱক এনেদৰে অনুৰোধ জনাইছে—

হে মোৰ ধৰমৰ পিতা
মোক এনে এখন ঘৰলৈ বিয়া নিদিবা
য'ত কাউৰী সোমায় আৰু চিলনী সোমায়।
মোক বিয়া দিবা এনে এটি পৰিয়াললৈ
য'ত আছে শস্যপূৰ্ণ ধানৰ ভঁৰাল আৰু
গৰু-গায়ে ভৰা এটি ডাঙৰ গোহালি।

বৰো সাধুকথাৰ পুথি মোহিনী মোহন ব্ৰহ্ম, সুকুমাৰ বসুমতাৰী আদিৰ উপৰি ভবেন্দ্ৰ নাৰ্জীয়ে বৰো-কছাৰীৰ জনসাহিত্য, বৰো-কছাৰীৰ সমাজ আৰু সংস্কৃতি আদি গ্ৰন্থ ৰচনা কৰিছে—সাহিত্যৰ

ক্ষেত্ৰত মধুৰাম বৰো, কমলচন্দ্ৰ ব্ৰহ্ম, মঙ্গলসিং হাজোৱাৰী, ড° ভূপেন নাৰ্জাৰী, ড° অনিল বড়ো বিদ্যাসাগৰ নাৰ্জাৰী আদিয়ে বিস্তৰ বৰঙণি যোগাইছে। বৰো ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত ৰেভাৰেণ্ড ছীডনী এণ্ডেল, জে ডি এণ্ডাৰছন, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, মধুৰাম বৰো আদিয়ে অৰিহণা যোগাইছে। সংগীতৰ ক্ষেত্ৰত নীলেশ্বৰ ব্ৰহ্ম, কামিনী কুমাৰ নাৰ্জাৰী আদিৰ বৰঙণি উল্লেখযোগ্য।

সাংস্কৃতিক বৈশিষ্ট্য ঃ

বৰো সংস্কৃতি ভাৰতীয় মঙ্গোলয়দ সংস্কৃতিৰ অপৰিহাৰ্য অংগ ঃ বিষয়টো বিস্তৃত আৰু বহুবিধৰ। ভাৰতীয়-মঙ্গোলয়দ সংস্কৃতিয়ে অসম ৰাজ্যত ভাৰতীয় অসমীয়া (ভাৰতীয় আৰ্য) সংস্কৃতিকো পাৰস্পৰিকভাৱে প্ৰভাৱান্বিত কৰিছে।

অসমীয়া সংস্কৃতিৰ পটভূমিত বৰো সংস্কৃতিৰ বৈশিষ্ট্যৰ ভিন ভিন ধাৰা পূৰ্বসূৰী কেবাজনো পণ্ডিতে আলোচনা কৰিছে। মই মোৰ নিজা ক্ষেত্ৰ অধ্যয়নৰ যোগেদি লাভ কৰা জ্ঞানেৰে কেইটামান উপাদানৰ কথা উল্লেখ কৰিলো।

পৰম আৰাধ্য দেৱতা বাথৌ পূজাৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ পাৰৰ বৰোসকলে তেওঁলোকৰ সৃষ্টিতত্ত্ব বৰ্ণনা কৰে। বাথৌ সৃষ্টিৰ পাঁচটা মূল উপাদানৰ সৈতে জড়িত। 'বা' মানে বৰো ভাষাত পাঁচ (পঞ্চ) আৰু থৌ বা গথৌ মানে গভীৰতা বা তত্ত্ব। বাথৌক শিব্ৰায় (শিৱ দেৱতা) বা আদিদেৱ বুলি জনাজাত। শিব্ৰায়ে তেওঁৰ ভাৰ্যা শিবুৰাইৰ সৈতে লগ লাগি এই বিশ্ব ব্ৰহ্মাণ্ড আৰু আদি মানৱ—মন্‌ছিন্‌ছিনক সৃষ্টি কৰিছিল। মান্‌ছিন্‌ছিন আজীৱন কুমাৰ হৈ থকা বাবে শিব্ৰায় আৰু তেওঁৰ ভাৰ্যাই দাবিমোবা আৰু চিৰিং দৌ ৱাবা নামেৰে এহাল মতা-মাইকী সৃষ্টি কৰি মানুহৰ বংশ বিস্তাৰ কৰিবলৈ বিধান দিলে। বাথৌৰে সিজু গছ পোনতে সৃষ্টি কৰি বাথৌৰ বেদীত পৰমেশ্বৰৰ প্ৰতীকৰূপে স্থাপন কৰিলে। আন এটি পুৰণি আখ্যান মতে হিন্দু ধৰ্মৰ তিনিজন দেৱতাৰ (ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ) শেষৰজনৰ পৰা বৰোসকলৰ সৃষ্টি হৈছিল। কছাৰী বুৰঞ্জীৰ মতে দুটা প্ৰচলিত আখ্যানে শিৱৰ পৰা বৰোসকলে ৰাজকীয় পদ লাভ কৰাৰ বৰ্ণনা পোৱা যায়। দৰং ৰাজবংশাৱলীত বৰোসকলৰ সৈতে সম্পৰ্কিত কোচ ৰজাসকল শিৱৰ পৰা জন্ম পাইছিল।

লেপ্‌চা আৰু ৰাই জনগোষ্ঠীৰ মাজত প্ৰচলিত আখ্যান মতে লেপ্‌চা (লেপ্‌চে বা ৰং), জামুৱাৰ (কাম্বু বা ৰাই) আৰু মেচে (বৰো)সকল একে পিতা-মাতাৰ পৰা জন্ম পোৱা তিনি ককাই-ভাই। কালক্ৰমত ব্যক্তিগত কাজিয়াৰ বাবে ভাগ ভাগ হৈ তিনিটা জনগোষ্ঠীৰ সৃষ্টি কৰিলে।

বুৰঞ্জীত পোৱা মতে, বৰোসকলৰ পশ্চিম আৰু পূবৰ ঠালবোৰে ৰাজকীয় শাসন চলাইছিল। প্ৰাচীন বৰোসকলৰ পছিমীয়া ঠালবোৰে কোচবিহাৰ, বিজনী, দৰং, বেলতলা আদিত ৰাজত্ব কৰিছিল আৰু এওঁলোকে বহুতো বছৰৰ আগেয়ে হিন্দু ধৰ্ম-সংস্কৃতি গ্ৰহণ কৰি আৰ্য সংস্কৃতিৰ বৈশিষ্ট্যবোৰৰ বাহক হৈ পৰিছিল। পূবফালৰ বড়োসকলৰ চুতীয়া নামেৰে এটি ঠালে শদিয়াত ৰাজধানী স্থাপন কৰি ক্ষমতাশালী ৰাজ্য পাতিছিল। তেওঁলোকে বৃহৎ শ্যান (টাই) প্ৰজাতিৰ এটি ঠাল আহোমসকলৰ সৈতে যুদ্ধ-বিগ্ৰহত লিপ্ত হৈছিল ঃ ১২২৮ খ্ৰীঃত চুকাফাৰ নেতৃত্বত আহোমসকলে ৰাজত্ব স্থাপন কৰিছিল। বৃহৎ বৰো গোষ্ঠীৰ অন্তৰ্গত বৰাহী, মৰাণ আৰু অন্যান্যসকলক আহোমসকলে পৰাস্ত কৰিছিল। পূব অঞ্চলৰ বৰোসকলৰ আন এটি শাখাই অসমত ব্ৰিটিছ ৰাজত্ব স্থাপনৰ সময়লৈকে আহোম আৰু ওচৰ-চুবুৰীয়া ৰাজশক্তিৰ বিৰুদ্ধে অবিৰত যুদ্ধ-বিগ্ৰহ কৰি ডিমাপুৰ, মাইবং আৰু খাচপুৰত ৰাজকীয়

গৌৰৱ আৰু শাসনেৰে ৰাজধানী স্থাপন কৰিছিল। এই শাখাৰ বৰোসকলক ডিমাছা বা ডিমাছা কছাৰী (পাহাৰী কছাৰী) বুলি জনাজাত হৈছে। গোবিন্দ চন্দ্ৰ কাছাৰৰ শেষৰ জনা কছাৰী ৰজা আছিল আৰু ১৮৩০ খ্ৰীঃত তেওঁক হত্যা কৰা হৈছিল আৰু তেওঁৰ ৰাজ্য ব্ৰিটিছ শাসনাধীন অঞ্চলৰ ভিতৰুৱা হৈছিল। ১৮৫৪ খ্ৰীঃলৈকে কছাৰী ৰাজ্যৰ এটি অংশ গোবিন্দ চন্দ্ৰৰ প্ৰধান সেনাধ্যক্ষ তুলাৰাম সেনাপতিৰ অধীনস্থ আছিল।

দক্ষিণ অঞ্চলীয় কছাৰী বুলি পৰিচিত ডিমাছাসকলে উত্তৰ বা পশ্চিমৰ শাখা বৰোসকলৰ পৰা কিদৰে বিভক্ত হ'ল সেই বিষয়ে ডিমাছাসকলৰ মাজত এটি আখ্যান প্ৰচলিত হৈ আছে।

শব্দ সংখ্যাগত কাল নিৰূপণ বা বাক্-কালানুক্ৰমগত অভিলেখ অনুসৰি মই বৰো ভাষাক ডিমাছাৰ পৰা পৃথক ভাষা বুলিয়ে বিবেচনা কৰিছো; কিন্তু ইতিহাস, পৰম্পৰা, আখ্যান আৰু সংস্কৃতিৰ দৃষ্টিৰে বহুসংখ্যক উমৈহতীয়া বৈশিষ্ট্য আৰু সম্পৰ্ক বৰো আৰু ডিমাছাৰ মাজত আছে। ১৯০৮ খ্ৰীঃত ডব্লিউ চি এম ডাণ্ডাছে ডিমাছা ভাষাৰ এখন ব্যাকৰণ আৰু অভিধান লিখি প্ৰকাশ কৰিছিল আৰু ছপিটে ডিমাছাসকলৰ ঐতিহাসিক আৰু বৰ্ণনাত্মক টোকা এটি লিখি উলিয়াইছিল।

বৰো সামাজিক গাঁথনি ঘাইকৈ পিতৃপ্ৰধান সমাজমুখী যদিও ইয়াত মাতৃপ্ৰধান সমাজৰ কেইটামান বৈশিষ্ট্যও জড়িত হৈ আছে। গৃহ নিৰ্মাণ আৰু বাৰী-ঘৰ পৰিচালনাৰ ক্ষেত্ৰত বৰো আৰু ডিমাছাসকলৰ নিৰ্দিষ্ট নীতি-নিয়ম আছে। উদাহৰণস্বৰূপে বৰোসকলৰ বৰঘৰটো বাৰীৰ উত্তৰফালে বন্ধা হয়। বৰঘৰটো পছিমৰ পৰা পূবলৈকে বিস্তৃত। দক্ষিণমুৱা এখন দুৱাৰৰ সৈতে বৰঘৰটো তিনিভাগত বিভক্ত। পূবফালৰ অংশটো ৰন্ধা-বঢ়া আৰু পূজা-সেৱাৰ বাবে ব্যৱহৃত হয়। চোতালত খামাইখা (আই গোসাঁনী কামাখ্যা), মাইনাও (ধন-সম্পত্তিৰ দেৱী বা লক্ষ্মী) আৰু বাথৌ (পৰম পিতা)—দেৱ-দেৱীৰ বেদী সজা হয়। এওঁলোকৰ প্ৰতীক বৰঘৰৰ পূব অংশতো ৰক্ষিত হয়। বৰোসকল জড়োপাসক নহয়; তেওঁলোক পৰমেশ্বৰ বাথৌৰ উপাসক। তেওঁলোকৰ ধৰ্মৰ ধাৰণাত সৰু সৰু দেৱ-দেৱীও পূজিত হয়। বৰোসকলৰ ধৰ্মবিশ্বাসত পৰম শক্তিৰ বা পৰমেশ্বৰৰ ধাৰণা অতিশয় সুস্পষ্ট।

বৰোসকলৰ বেছি ভাগেই গাঁৱলীয়া আৰু খেতিয়ক। তেওঁলোক পৰিশ্ৰমী আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ উপাসক। পুৰুষ আৰু নাৰীৰ দৈহিক গঠনৰ আদৰ্শগত ধ্যান-ধাৰণা তেওঁলোকৰ মাজত বিদ্যমান। বৰোসকলৰ মাজত প্ৰচলিত বাথৌ, ব্ৰহ্ম আদি ধৰ্মমতৰ সৈতে হিন্দু আৰু বৌদ্ধসকলৰ ধৰ্মদৰ্শনৰ পাৰস্পৰিক সামঞ্জস্য তথা প্ৰভাৱৰ বিষয়ে গৱেষণা তথা গভীৰ অনুসন্ধানৰ অৱকাশ আছে।

বৰোসকলৰ মাজত তেওঁলোকৰ বৰঘৰ, চোতাল, খেতি-বাতি, ঘৰুৱা কাম-কাজ আদিৰ বিষয়ে প্ৰচলিত জনবিশ্বাস, ধ্যান-ধাৰণা ব্যাপক পৰিধিৰ। জন্ম, বিবাহ, মৃত্যু আৰু কৃষিকৰ্মৰ ক্ষেত্ৰত তেওঁলোকে ভিন ভিন উৎসৱ-পৰ্বৰ, আচাৰ-বিধি পালন কৰে। সমূহীয়া নাচ-গান, ঘৰুৱা মদৰ (জুমাই) ব্যৱহাৰ, মাছ-মঙহেৰে ভোজ-ভাত আদি আচাৰ-বিচাৰেৰে বৈছাগু বা ব'হাগ মাহৰ বিহু (দোমাহী) ঘাই উৎসৱৰূপে পৰিগণিত। আঞ্চলিক পাৰ্থক্য থাকিলেও তেওঁলোকৰ মাজত সামাজিক আচাৰ-বিধি যুগে যুগে পালন কৰি অহা হৈছে। প্ৰতিখন গাঁৱতে গাঁওবুঢ়াৰ অধীনত একোখন গাঁওসভা আছে। সমাজত নাৰীৰ স্থান পুৰুষৰ প্ৰায় সমান। বিধৱা বিবাহৰ প্ৰচলন আছে। তিৰোতাবোৰ পুৰুষৰ সমানে পৰিশ্ৰমী; খেতিপথাৰ আৰু গৃহস্থালিত তিৰোতাই পুৰুষৰ সমানে কামৰ বোজা গ্ৰহণ কৰে। কপাহী কাপোৰ আৰু এৰী-পাটৰ কাপোৰৰ বয়নৰ ক্ষেত্ৰত তিৰোতাসকলৰ বিশেষ পাৰ্গতালি লক্ষ্য কৰা যায়।

পুৰুষে বিশেষ পৰিস্থিতিত এজনীতকৈ বেছি তিৰোতাক ঘৈণীৰূপে বিয়া কৰাব পাৰে। তিৰোতাৰ ক্ষেত্ৰত কোনোপধ্যে বহুপতি হ'ব নোৱাৰে। প্ৰতিখন গাঁৱতে দেউধাই (পুৰুষ পুৰোহিত) বা দেউৰী (পুৰুষ পূজাৰী) গাঁৱৰ সাবালক লোকৰ মাজৰ পৰা বাছনি কৰি লোৱা হয় আৰু দেওধাই-দেউৰীৰ জৰিয়তে জন্ম-বিবাহ-মৰণ কৃত্যাদি ধৰ্মাচাৰ মতে পালন কৰা হয়।

প্ৰতিখন গাঁৱৰে এখন নিৰূপিত মৰিশালি থাকে। সামাজিক শ্ৰেণী বা মাহাৰি অনুসৰি সমাজত কিছুমান কাম-কাজ কৰা হয়। মানুহ মৰিলে অগ্নিৰে দাহন কৰা হয় বা মাটিৰ তলত পোতা হয়। অতীজৰ পৰা ভূমিৰ অধিকাৰীৰূপে বসুমতাৰী, তামোলৰ খেতিয়কৰূপে গয়াৰী আদি সামাজিক শ্ৰেণী বা মাহাৰী বৰ্তমানে সমাজত নাই—এইবোৰ এতিয়া মানুহৰ উপাধি হৈ পৰিছে। মাছ মৰা, চিকাৰলৈ যোৱা আদিৰ ক্ষেত্ৰতো বৰোসকলৰ মাজত কিছুমান পুৰণি নীতি-নিয়ম তথা জনবিশ্বাস আছে। কিছুমান উৎসৱ- পাৰ্বণত যেনে—খেৰায়, শ্ৰাদ্ধাদিত তন্ত্ৰ-মন্ত্ৰ, যাদু বিদ্যাৰ প্ৰয়োগ দেখা যায়। খাদ্য-সামগ্ৰীৰ ভিতৰত ভাত, শাক-পাচলি, মাছ, শামুক আৰু মঙহ (কাছ, কুকুৰা, ছাগলী, পহু, গাহৰি) আদিয়ে প্ৰধান। গাখীৰৰ প্ৰতি বেছিভাগ বয়সিয়াল লোকৰে অনীহা লক্ষ্য কৰা যায়। ইয়াৰ কাৰণ হিচাপে তেওঁলোকৰ জাতীয় পানীয়ৰূপে 'জুমাই' ৰ ব্যৱহাৰ আৰু এইবিধ পানীয়ৰ সৈতে গাখীৰৰ বিৰোধ গুণাগুণ। জুমাইৰ (ঘৰুৱা মদ) প্ৰস্তুতি আৰু ইয়াৰ সৈতে জড়িত মচলাৰ ব্যৱহাৰ এটি উল্লেখযোগ্য সামাজিক ক্ৰিয়া-কৌশল বুলি পৰিগণিত হৈছে। শুকান মাছ আৰু শুকান মঙহৰ ব্যৱহাৰ প্ৰিয় খাদ্যৰূপে প্ৰচলিত। পূজা-সেৱাত চাউল, ফল, মতা ছাগলী, গাহৰি, মতা কুকুৰা, পাৰ, হাঁহ আদি নিবেদন কৰা হয়। বলি-বিধানৰ ব্যৱস্থা কিছুমান পূজাত অপৰিহাৰ্য। ভৱিষ্যদ্বাণী জানিবৰ কাৰণে দেওধাই আৰু দেওধনীৰ ভূমিকা বাথৌপূজা, খেৰায় নৃত্য-গীত, মাৰৈ পূজা আদিত বাথৌপন্থীসকলৰ মাজত লক্ষ্য কৰা যায়। খেৰায় পূজা কেবাবিধৰো আছে। এই পূজাৰ সৈতে গাঁৱৰ মঙ্গল বিধান, পূৰ্বপুৰুষসকলৰ অৰ্চনা, বীৰ-বীৰাঙ্গনাসকললৈ শ্ৰদ্ধা তৰ্পণ আদিও সংশ্লিষ্ট হৈ আছে।

খেৰায় উৎসৱৰ সময়ত পৰমাৰাধ্য বাথৌব্ৰাই (পৰম পিতা) উদ্দেশ্যে উচ্চাৰিত মন্ত্ৰ এছোৱা তলত দিয়া হ'ল ঃ

'ঐ আই ফাই আফা ফাই
জীংনি খৰ'নি জাংছিখৌ বীগাৰফাই
থায়গিৰণি বিখঙা খংবা
বৰো বীৰায়নি আছাৰাবী ফংবা
বাথৌৰা বান্দৌবা ছিজৌবা দালায়বা।
আয় থীয়দীং আয়খৌ গাৰ্‌দীং
আফায়া থীয়দীং আফাখৌ গাৰদীং
থেওবী বুৰা বাথৌখৌ মহাৰাজাখৌ
ফুজিনী গাৰাথীই জীঙী।
দায়নি গিৰিয়া দায় খালামী
নিমাহানি গিৰিয়া নিমাহা হীনাংগৌ।
আছাৰে খুদ্‌নী বিছাৰে খুদ

খোলা গৰুবো বগা দুদ্
আঁজৌং ছীৰখৌ ফুজিগীন জৌঙৌ ?
খৰিয়া বৌৰায় খুৰিয়া বুৰিখৌ ফুজিগীন জৌঙৌ।
বুৰা বাথৌখৌ বুৰি খামাইখাখৌ ফুজিগীন।
হাজৌনি হাগীথাৰ লানানৌই
দৌইছানি দৌইগীথাৰ লানানৌই
ফুজিগীন জৌঙৌ
ফিছা ফিছৌখৌ আনানৌই লাখিনাংগীন নৌঙৌ।

এই খেৰায় মন্ত্ৰৰ ভাবাৰ্থ হৈছেঃ

হে পৰমেশ্বৰী আই, হে পৰমেশ্বৰ পিতা, আমাৰ মূৰৰ কাঁইট-জাৰৰবোৰ আঁতৰাই পেলোৱা। ঐ ফলটোৰ পাঁচটা কোঁহ, বৰো বুঢ়াসকলৰো পাঁচটা নিয়ম, বাথৌ দেৱতাৰ বেদীত পাঁচটা বান্ধ, সিজু গছৰো পাঁচটা শিৰা। মোৰ আই ঢুকাইছে— আইক পেলাই দিছো। মোৰ বোপাই ঢুকাইছে তেওঁকো পেলাই দিছো। তথাপিও আমি বুঢ়া বাথৌ মহাৰাজৰ পূজা-সেৱা এৰা নাই। যিসকল দোষী সেইবোৰে দোষ কৰে, কিন্তু যিসকল ক্ষমাৰ গৰাকী তেওঁলোকে ক্ষমাহে কৰে। আচাৰত খুঁত থাকিব পাৰে, ক'লা গায়ে সদায়ে বগা গাখীৰ দিয়ে। আমি ইয়াত কাৰ পূজা পাতিম ? আমি বুঢ়া গোসাঁই খৰিয়া আৰু খৰিয়া গোসাঁনীক পূজিম। আমি আৰু কাক পূজা দিম ? আমি পৰম পিতা বাথৌ আৰু আই গোসাঁনী কামাখ্যাক পূজিম তেওঁলোকৰ পূজাৰ বাবে আমি পাহাৰৰ পৰা পৱিত্ৰ মাটি আনি নিজৰৰ্খ পৰা পৱিত্ৰ পানীও আনি আমি পূজা কৰিম। পুতাই-নাতিহঁতক আনন্দত ৰাখিবাদেই তোমালোকে।

ডব্লিউ চি স্মিথে তেওঁৰ 'আওনগা ট্ৰাইব্‌ছ অৱ্ আছাম' গ্ৰন্থখনত মঙ্গোলয়দ সংস্কৃতিৰ তেৰটা বৈশিষ্ট্যৰ কথা বৰ্ণাইছে। পৰিৱৰ্তিত কালত মই পাঁচটা বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখিছো। সেয়া হৈছে— তামোলৰ ব্যৱহাৰ, গাখীৰৰ প্ৰতি অনীহা, বোৱা-কটাৰ বাবে সাধাৰণ তাঁতশালৰ ব্যৱহাৰ, যুদ্ধৰ সময়ত ব্যৱহাৰ কৰা ডাঙৰ ঢাল, নিৰ্জন অঞ্চলত স্থানান্তৰ পদ্ধতিৰে বসবাস আৰু পুৰণি বিধৰ খেতিকৰ্ম। বৰোসকলে সুন্দৰ গীত-মাত, নৃত্য আদি ৰক্ষা কৰি আছে। চিফুং, গংগনা, চেৰেঞ্জা, খাম (ঢোল) আদি আদিম বাদ্যযন্ত্ৰ তেওঁলোকৰ মাজত প্ৰচলিত। সৰ্বভাৰতীয় সাহিত্য অকাডেমী, সঙ্গীত নাটক অকাডেমী আদিয়ে বৰোসকলৰ নৃত্য-গীত, ললিত কলা আদিৰ স্বীকৃতি দিয়া দেখা গৈছে।

এনেদৰে দেখা যায় যে বৰোসকলৰ সাংস্কৃতিক সম্পদ বিচিত্ৰ আৰু ব্যাপ্ত—এইবোৰৰ ধাৰাবাহিক আৰু সূক্ষ্ম বিচাৰ-বিশ্লেষণ তথা ক্ষেত্ৰভিত্তিক গৱেষণা -অধ্যয়ন হ'ব লাগে।*

(*১৯৭৫ চনতে প্ৰকাশিত ইংৰাজী প্ৰবন্ধৰ সংবৰ্ধিত ভাঙনি)

সাংস্কৃতিক বৈচিত্র্যৰ পটভূমিত কাৰবি লোক-সাহিত্যৰ সম্পদ

ড° বীৰেন্দ্ৰনাথ দত্ত

এইটো সৰ্বজনস্বীকৃত যে বিভিন্ন আৰ্যমূলীয় আৰু আৰ্যেতৰ উপাদানৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ প্ৰক্ৰিয়াৰে অসমীয়া জাতি আৰু সংস্কৃতিৰ উদ্ভৱ। বিশেষকৈ উত্তৰ-পূব ভাৰতৰ কিৰাত গোষ্ঠীভুক্ত বিচিত্ৰ জনজাতীয় উপাদানে অসমীয়া জাতি আৰু সংস্কৃতিৰ বিকাশত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে আৰু উভয়কে আকৰ্ষণীয় স্বকীয়তা প্ৰদান কৰিছে। এই তথ্য যিদৰে সমাজ-সংস্কৃতিৰ ছাত্ৰৰ বাবে বিজ্ঞানসন্মত বুলি গ্ৰহণীয়, সেইদৰে অসমীয়া জাতীয় সত্তাৰ বৈশিষ্ট্যসন্ধানীৰ বাবে আশ্বাসপ্ৰদায়ী বুলি আকৰ্ষণীয়ও।

অসমীয়া জাতি আৰু সংস্কৃতিৰ এই বৈচিত্ৰ্যময় বৰ্ণাঢ্যতাক লৈ আমি গৌৰৱ কৰাৰ লগতে আৰু এটা অতি গুৰুত্বপূৰ্ণ কথাৰ প্ৰতি আমাৰ দৃষ্টি সজাগ থকা উচিত। সেয়া হ'ল, যিবোৰ বিচিত্ৰ সম্ভাৰে আমাৰ জাতি আৰু সংস্কৃতিৰ সামগ্ৰিক ৰূপটোক বৰ্ণাঢ্য আৰু সমৃদ্ধ কৰাত সহায় কৰিছে, সেই মূল সম্ভাৰবোৰৰ প্ৰতিও আমি মনোযোগী আৰু শ্ৰদ্ধাশীল হ'ব লাগিব। গোষ্ঠীগত, অঞ্চলগত আৰু সম্প্ৰদায়গত সকলো ধৰণৰ উপাদান লৈহে আমাৰ সামূহিক সম্পদ সঞ্চিত হৈছে। এই বৈচিত্ৰ্য আৰু বৈভৱ-প্ৰদানকাৰী মূল উপাদানবোৰক উপেক্ষা কৰি অসমীয়া জাতীয় সংস্কৃতিৰ সামগ্ৰিক সমৃদ্ধ কৰাটোৰ চিন্তা কৰা মানে—এটা ইংৰাজী অভিব্যক্তি ধাৰ কৰি ক'ব পাৰি—হাবিখনলৈ চাওঁতে গছবোৰ হেৰুওৱা। আমাৰ সামগ্ৰিক ঐশ্বৰ্যৰ বিচাৰ লওঁতে এই গোষ্ঠীগত, সম্প্ৰদায়গত আৰু অঞ্চলগত বিচিত্ৰ সম্পদসমূহৰ উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰা নৈতিক আৰু ব্যৱহাৰিক উভয় দিশৰ পৰা আমাৰ একান্ত কৰ্তব্য। কাৰণ এই বৈচিত্ৰ্যৰ উৎসসমূহৰ অৱমূল্যায়ন ঘটা মানে আমাৰ সামূহিক বৈচিত্ৰ্যজনিত সমৃদ্ধিৰ উজ্জ্বলতা হ্ৰাস পোৱা।

সাংস্কৃতিক বৈচিত্ৰ্যক স্বীকৃতি দিয়াই নহয়, তাক ৰক্ষা কৰাৰো এই যে নৈতিক আৰু ব্যৱহাৰিক আৱশ্যকতা, তাক জ্যোতিপ্ৰসাদে হৃদয়ংগম কৰিছিল বহুদিন আগতে। অকল অসমীয়া জাতীয় সংস্কৃতিৰ

বৈশিষ্ট্য ৰক্ষাৰ স্বাৰ্থতেই যে জ্যোতিপ্ৰসাদে সাংস্কৃতিক বৈচিত্ৰ্য ৰক্ষাৰ কথা কৈছিল এনে নহয় (যদিও অসমীয়া বৈশিষ্ট্য ৰক্ষা জ্যোতিপ্ৰসাদৰ এটি প্ৰধান ধ্যান আছিল), এনে বৈচিত্ৰ্য-ৰক্ষাৰ প্ৰতি আগ্ৰহ আছিল তেওঁৰ বিশ্ববীক্ষাৰ অঙ্গীভূত।

'অসমৰ বুৰঞ্জীয়ে দেখুৱাইছে যে অসমীয়া জাতিটো ভাৰতৰ আন আন প্ৰদেশৰ পৰা অহা নানা ভাৰতবাসী মানুহৰ সোঁত আৰু অসমৰ থলুৱা মানুহৰ নানা উপজাতি লগ খাইহে বৰ্তমানৰ এই অসমীয়া জাতি হৈছে। অসমীয়া জাতি এটা সংমিশ্ৰণৰ পৰা হোৱা জাতি।'—অসমীয়া জাতিৰ গঠনগত চৰিত্ৰ এইদৰে ব্যাখ্যা কৰিয়েই জ্যোতিপ্ৰসাদ ক্ষান্ত থকা নাছিল। অতীতৰ অভিজ্ঞতা আৰু বৰ্তমানৰ বাস্তৱ পৰিস্থিতিৰ সূক্ষ্ম নিৰীক্ষণৰ লগতে তেওঁৰ গভীৰ জীৱনবোধৰ সংযোগ ঘটাই তেওঁ ভৱিষ্যতৰ বাঞ্ছনীয়তাৰ সূত্ৰও নিৰ্ধাৰণ কৰিছিল। অসমীয়া সংস্কৃতিৰ সংমিশ্ৰিত ৰূপটোৰ পৰা তেওঁ আগ বাঢ়িছিল পূৰ্ব ভাৰতীয় সংস্কৃতিৰ ধাৰণালৈ, তাৰ পৰা গৈছিল ভাৰতীয় মহা-সংস্কৃতিৰ ব্যাপকতৰ ক্ষেত্ৰলৈ আৰু শেষত বিশ্বসংস্কৃতিৰ বিৰাট আৰু বিশাল ভূমিলৈ।

'আজি অসমত যি যি সুকীয়া সংস্কৃতি আহি উপস্থিত হৈছে সেই সকলোৰে এটা সংস্কৃতি গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে। বংগৰ নৱাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী, মাৰোৱাৰী, শিখ, নেপালী, দক্ষিণ ভাৰত আৰু মধ্য ভাৰতৰো অসংখ্য লোক আহি নিগাজিকৈ অসম দেশত বহিছেহি। তাৰ উপৰি আমাৰ চাৰিওফালে আৰু আমাৰ মাজতো উপভাষা-ভাষী পৰ্বতীয়া অসমীয়াসকল নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে।' এই সকলোবোৰৰ মাজত সমন্বয় ঘটাই পূৰ্ব-ভাৰতীয় সংস্কৃতিৰ বিকাশৰ স্বপ্ন জ্যোতিপ্ৰসাদে দেখিছিল। 'এই পূৰ্ব-ভাৰতীয় সংস্কৃতি আজি অসমৰ পৰ্বতীয়া- ভৈয়ামীয়া অসমীয়া আৰু অসমলৈ অহা নৱাগতসকলৰ মাজত ৰূপ লৈ মহাভাৰতীয় ভৱিষ্যতৰ মহা-স ্কৃতিৰ এক নৱতম বিচিত্ৰতাৰে সুন্দৰ কৰি তুলিবলৈ' তেওঁ আশা কৰিছিল।

এই 'বিচিত্ৰতাৰে সুন্দৰ কৰা' আদৰ্শৰ তাৎপৰ্যৰ প্ৰতি—অকল অসমীয়া বিচিত্ৰতা নহয়, ভাৰতীয় বিচিত্ৰতা আৰু বিশ্ব বিচিত্ৰতা—জ্যোতিপ্ৰসাদে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল এইদৰে ঃ 'এই বিশ্ব বৈচিত্ৰ্যবোধৰ ভাবেৰে সকলো জাতি, মহাজাতি, উপজাতিয়ে নিজৰ সভ্যতা-সংস্কৃতি গঢ়িবলৈ আগবাঢ়িলে তাত আৰু সংঘৰ্ষৰ ঠাই ক'ত? তেতিয়াহ'লে বঙালী আৰু মাৰাঠীয়ে যেনেকৈ নিজৰ সভ্যতা-সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা কৰাটো কৰ্তব্য বুলি ভাবিব—আনফালে তেওঁলোকে অসমীয়া সংস্কৃতিকো যে ৰক্ষা কৰিব লাগিব সেই কৰ্তব্যও উপলব্ধি নকৰি নোৱাৰিব। অসমীয়া ভৈয়ামীয়াসকলেও তেতিয়া আমাৰ জনজাতিসকলৰ সভ্যতা-সংস্কৃতি যে ৰক্ষা কৰিব লাগিব তাকো বুজিব পাৰিব ভালদৰে।'

সাংস্কৃতিক বৈচিত্ৰ্য ৰক্ষাৰ আৱশ্যকতাৰ প্ৰতি আজি পৃথিৱীৰ সংস্কৃতিৰ, বিশেষকৈ লোক-সংস্কৃতিৰ, অধ্যয়নকাৰীসকল বিশেষভাৱে সচেতন। বিশেষকৈ আধুনিক পাশ্চাত্য সংস্কৃতিৰ আগ্ৰাসী সম্প্ৰসাৰণৰ ফলত পৰম্পৰাগত সংস্কৃতিসমূহৰ পশ্চাদপসৰণ আৰু ধ্বংসৰ যি ভয়াবহ সম্ভাৱনাই দেখা দিছে তাত তেওঁলোক শংকিত। বিশ্ববিখ্যাত লোক-সংস্কৃতি বিশেষজ্ঞ Alan Lomax-ৰ ভাষাত সেই শংকা মূৰ্ত হৈ উঠিছে ঃ 'To a folklorist, the uprooting and destruction of traditional cultures and the consequent grey-out disappearance of human vanity present a threat to the future happiness of mankind as poverty, over-population, and even war... Our western mass production and communication systems are inadvertantly destroying the

languages, traditions, cuisines and creative styles that once gave the people of every locality a distinctive character–indeed their principal reason for living.' (Folksongs Style and Culture).

অসমীয়া সংস্কৃতিৰ ঘনিষ্ঠতৰ বাস্তৱিকতা আৰু প্ৰয়োজনীয়তাৰ উপৰিও বিশ্ব সংস্কৃতিৰ বিশালতৰ আৰু মহত্তৰ বাঞ্ছনীয়তাৰ পৃষ্ঠভূমিত আমাৰ জনজাতীয় (আৰু আন আন গোষ্ঠীগত আৰু অঞ্চলগত) সংস্কৃতিসমূহৰ সমাদৰ, সংৰক্ষণ, অধ্যয়ন আৰু তাৎপৰ্য ব্যাখ্যা হোৱা উচিত।

আমি ইয়াত সেই পৰিপ্ৰেক্ষিততেই কাৰবি লোক-সাহিত্যৰ কেইটামান গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিব খুজিছো।

অসমৰ জনজাতিসমূহৰ ভিতৰত কাৰবিসকলে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। তেওঁলোক অসমৰ আদিতম খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অন্যতম। (বিষ্ণু ৰাভাৰ মত আছিল—কাৰবিসকল এই অঞ্চলৰ আদিমানৱ যদিও অধিক বিজ্ঞানসন্মত প্ৰমাণৰ অনুপস্থিতিত এই মতক নিৰ্বিবাদে গ্ৰহণ কৰাত বাধা আছে।) ঘাইকৈ কাৰবি আংলঙৰ পৰ্বতীয়া অঞ্চলতো তেওঁলোক সিঁচৰতি হৈ আছে। ভৈয়ামৰ সংখ্যাগৰিষ্ঠ অসমীয়াভাষী হিন্দু সমাজৰ লগত কাৰবিসকলৰ, বিশেষকৈ ভৈয়ামৰ কাৰবিসকলৰ ঘনিষ্ঠ যোগাযোগৰ প্ৰচুৰ নিদৰ্শন আছে। এহাতে অসমীয়া ভাষা আৰু আনহাতে হিন্দু ধ্যান-ধাৰণাৰ প্ৰভাৱ কম-বেছি পৰিমাণে কাৰবি ভাষা-সংস্কৃতি আৰু জীৱন-যাত্ৰাৰ পদ্ধতিত পৰিছে। সেইদৰে কাৰবি ভাষা আৰু সংস্কৃতিৰ কোনো কোনো দিশত খাচী প্ৰভাৱৰো কিছু কিছু নিদৰ্শন বিদ্যমান। এই সকলোখিনি লৈও কাৰবি সংস্কৃতি—বিশেষকৈ কাৰবি লোক-সাহিত্য—আপোন ঐশ্বৰ্যৰে সমৃদ্ধ। কাৰবি ভাষাক গ্ৰিয়াৰচনে নগা-বড়ো গোষ্ঠীৰ ভিতৰত ধৰিছে যদিও কুকি-চীন গোষ্ঠীৰ ভাষাৰ লগতো যে ইয়াৰ ঘনিষ্ঠ সম্পৰ্ক আছে, তাৰ্লৈ বিশেষজ্ঞসকলে আঙুলিয়াইছে।

ঝুমখেতিৰ ওপৰত বিশেষ নিৰ্ভৰশীলতা, বস্তুগত সংস্কৃতিত বাঁহৰ প্ৰাধান্য, ধৰ্মীয় আৰু সামাজিক জীৱনত চাউলৰ পৰা প্ৰস্তুত পানীয়ৰ গুৰুত্বপূৰ্ণ স্থান, তিৰোতাসকলৰ দ্বাৰা ঘৰুৱা তাঁতশালত পৰম্পৰাগত নক্সাৰ বস্ত্ৰ বয়ন, স্বকীয় বৈশিষ্ট্যপূৰ্ণ লোক-সাহিত্য আৰু সঙ্গীতৰ সম্পদ—এই অঞ্চলৰ অন্যান্য জনজাতিৰ নিচিনাকৈয়ে কাৰবিসকলো এইবোৰ বৈশিষ্ট্যৰ অধিকাৰী। তথাপি স্বীকাৰ কৰিব লাগিব যে লোক-সাহিত্য আৰু লোক-সঙ্গীতত কাৰবিসকলৰ এনে কিছুমান বৈশিষ্ট্য আছে যি অন্যান্য জনগোষ্ঠীবিলাকৰ ভিতৰত বিৰল।

কাৰবিসকল শান্তিপ্ৰিয়, নিৰ্বিৰোধ প্ৰকৃতিৰ লোক। একধৰণৰ ভাবুকতা আৰু কল্পনাপ্ৰৱণতা তেওঁলোকৰ জাতীয় চৰিত্ৰৰ লগত নিবিড়ভাৱে যুক্ত। পুৰা-কাহিনী, লোক-কথা, কিম্বদন্তী আৰু সঙ্গীতেৰে সমৃদ্ধ লোক-সাহিত্য অন্যান্য জনজাতিসমূহৰো আছে; কিন্তু নিজৰ পৰম্পৰাগত সাহিত্যিক আৰু সাঙ্গীতিক উত্তৰাধিকাৰ সম্পৰ্কে কাৰবি লোক জীৱনত এনে একধৰণৰ সচেতনতা আৰু আকুলতা আছে, যাক অন্যান্য জনজাতিৰ মাজত সচৰাচৰ দেখা পোৱা নাযায়। পূজা-পাতল, কৃষি-কৰ্ম, জন্ম-মৃত্যু-বিবাহ আদি সমাজ-জীৱনৰ প্ৰায় সকলো দিশ কাৰবি সমাজত কাব্য, সঙ্গীত আৰু নৃত্যৰ বান্ধোনেৰে বন্ধা। সঙ্গীতৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ ইমানেই বেছি যে সঙ্গীতত বিশেষভাৱে পাৰদৰ্শী 'লুন্ধে'সকলে সমাজত বিশেষ শ্ৰদ্ধা আৰু আদৰৰ স্থান পায়; সেইদৰে পায় মৃত্যু আৰু শ্ৰাদ্ধ-কৰ্মাদি উপলক্ষত বিশেষ ধৰণৰ বিলাপ-গীতি গোৱাত পটীয়সী 'ওচেপী' বুলি খ্যাত মহিলাসকলে। তাৰ উপৰি, কাব্যিক প্ৰকাশৰ

প্ৰতি কাৰবিসকলৰ দুৰ্বলতাৰ নিদৰ্শন নিহিত আছে তেওঁলোকৰ পৰম্পৰাগত গীত-মাতৰ ভাষাত—এই ভাষা কাব্যৰ নিজস্ব ভাষা, যাৰ প্ৰকৃতি দৈনন্দিন ব্যৱহাৰৰ ভাষাতকৈ ভালেখিনি নিলগ।

পৰম্পৰাগত গীত-মাতৰ প্ৰতি কাৰবি সমাজৰ শ্ৰদ্ধা আৰু ঔৎসুক্য ইমানেই বেছি যে তেওঁলোকে সেইখিনিৰ ওপৰত দৈৱিক উৎপত্তিৰ কল্পনা আৰোপ কৰিছে। গীতৰ দৈৱিক উৎপত্তিৰ কাহিনীও বিধৃত হৈছে গীতৰ মাজতে। এয়া হ'ল গীতৰ বিষয়ে গীত—song about songs—যি আধুনিক লোক-সংস্কৃতি-বিজ্ঞানৰ ভাষাত metafolklore-অৰ নিদৰ্শন বুলি গ্ৰাহ্য হ'বৰ যোগ্য। সঙ্গীতৰ উৎপত্তিৰ বিষয়ে গুৰুত্বপূৰ্ণ গীতটিৰ কাহিনী এনেধৰণৰ ঃ

সৃষ্টিকৰ্ম শেষ কৰাৰ পাছত নিজৰ সৃষ্টিৰ নিমাত-নিতাল অৱস্থা দেখি সৃষ্টিকৰ্তা ব্যথিত আৰু শংকিত হ'ল। তেওঁ স্বৰ্গৰ গায়ক ৰাংছিনাক পঠিয়ালে মৰ্ত্যৰ মানৱকুলক সৃষ্টিতত্ত্ব সম্পৰ্কে গীত শিকাবলৈ। ৰাংছিনা মৰ্ত্যলৈ নামি আহি কাৰবিভূমিৰ 'তেলেহৰ' জুৰিৰ পাৰত পঁজা সাজি থাকিবলৈ ল'লে আৰু মিৰ-জেং নামৰ দুজন মাউৰা ল'ৰাৰ ৰূপত সৃষ্টিতত্ত্বৰ গীতসমূহ মানুহৰ মাজত প্ৰচাৰ কৰিলে। ৰাংছিনাৰ মৃত্যুত তেওঁৰ পাৰ্থিৱ শৰীৰৰ বিভিন্ন অংশ কাৰবিভূমিৰ বিভিন্ন অঞ্চলৰ লোকে সুকীয়া সুকীয়াকৈ সৎকাৰ কৰে আৰু সেয়েহে বেলেগ বেলেগ অঞ্চলৰ কাৰবি লোক বেলেগ বেলেগ ধৰণৰ গীত গোৱাত পাৰ্গত হ'ল বুলি কাৰবিসকলৰ বিশ্বাস।

অকল গীত-মাতৰ উৎপত্তিৰ বিষয়ে নহয়, অন্যান্য কলাৰ উৎপত্তিৰ বিষয়েও সুন্দৰ কাহিনী উদ্ভাৱন কৰিছে কাৰবি কল্পনাই। তেনে এক কাহিনী জড়িত আছে বয়ন-কলাৰ উৎপত্তিৰ লগত। ছেৰদিহুন নামৰ গাভৰু এগৰাকী 'জিৰছং'-অৰ (কাৰ্বি পৰম্পৰাগত প্ৰথাৰ ডেকা-গাভৰুৰ শ্ৰমিক দল) তেওঁৰ লগৰ এক যুৱকৰ প্ৰণয় পাশত আবদ্ধ হৈছিল। অসামান্যা শিপিনী ছেৰদিহুনে, তেওঁৰ প্ৰেমিকৰ কাৰণে তেওঁৰ তাঁতত বৈ উলিয়াইছিল প্ৰকৃতিৰ সৌন্দৰ্যৰে উজ্জ্বল গছ, ফুল, পশু-পক্ষীৰ জীৱন্ত প্ৰতিকৃতি। প্ৰণয়ীযুগলৰ সামাজিক মিলন সম্ভৱ নহ'ল, কিন্তু সেই প্ৰেৰণাৰঞ্জিত প্ৰেমৰ কীৰ্তি থাকি গ'ল কাৰবি বয়ন কলাত। ছেৰদিহুনৰ গীত আজিও গায় কাৰ্বিসকলে ঃ সেই গীত অকল এক অসাধাৰণ প্ৰেমৰ কাহিনীৰেই উদ্ভাসিত নহয়, সি যেন শিল্প-কলাৰ মহত্ত্বৰ প্ৰতিয়েই উৎসৰ্গীকৃত।

কাৰবি লোক-সাহিত্যৰ ভিতৰেদি সমুজ্জ্বল হৈ উঠা আন এটা বৈশিষ্ট্য হ'ল ন্যায় আৰু সততাৰ প্ৰতি তেওঁলোকৰ ঐকান্তিকতা। সততা আৰু ন্যায়ৰ শ্ৰেষ্ঠতা আৰু অসততা আৰু অন্যায়ৰ অপকৰ্ম—বহুসংখ্যক কাৰবি লোক-কাহিনী আৰু গীতৰ এয়ে উপজীব্য। এইটো তাৎপৰ্যপূৰ্ণ যে কাৰবি পৰম্পৰা মতে তেওঁলোকৰ আদি ৰজাজনৰ নাম 'সৎ ৰেচ' অৰ্থাৎ—সৎ ৰজা। তেওঁলোকৰ সাধুকথা আৰু অন্যান্য কাহিনীৰ নায়ক-নায়িকাসকল ঘাত-প্ৰতিঘাতৰ সম্মুখীন হয়। কেতিয়াবা তেওঁলোকৰ জয় হয়—বহু সময়ত তেওঁলোক দুৰ্যোগত পতিত হয়; কিন্তু তথাপি তেওঁলোক পৰাজিত নহয়, কিয়নো সততা আৰু ন্যায়ৰ পক্ষত থকাটোৱেইতো শ্ৰেষ্ঠ জয়।

এইটো অসম্ভৱ নহয় যে কাৰবি ধৰ্মীয় আৰু নৈতিক ধ্যান-ধাৰণাৰ বিকাশত হিন্দু-ধাৰণাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱে কাম কৰিছে ঃ পাপ-পুণ্য, স্বৰ্গ-ৰাজ্য, যমপুৰী আদিৰ বিষয়ে কাৰবি ধাৰণাত তেনে কিছু আভাস পোৱা যায়। তথাপি এইটো নিশ্চিত যে হিন্দু বিশ্বাস আদিয়ে কাৰবি ধৰ্মীয় চিন্তাক স্থানচ্যুত কৰা নাই; বৰং প্ৰমূল্যসমূহৰ লগত সামঞ্জস্যপূৰ্ণ হোৱা কাৰণেই হিন্দু ধৰ্মৰ উচ্চ আদৰ্শ কিছুমানক খাপ খুৱাই লোৱাত কাৰবি সমাজৰ বাবে সহজ হৈছে।

কাৰবি সমাজে ৰামায়ণৰ কাহিনীক আপোন কৰি লোৱাৰ ব্যাখ্যা ইয়াতেই পাব পাৰি যেন লাগে। ৰাম হ'ল সততা আৰু ন্যায়পৰায়ণতাৰ প্ৰতীক আৰু আনহাতে ৰাৱণ হ'ল অন্যায় আৰু অশুভ শক্তিৰ প্ৰতিনিধি। এই শুভ-অশুভৰ সংঘাতত অৱশেষত সৎ শক্তিৰ জয় আৰু অসৎ শক্তিৰ পৰাজয়— ৰামায়ণৰ কাহিনীৰ এই গাঁথনিটো বহুতো পৰম্পৰাগত কাৰবি কাহিনীৰ লগত মূলগতভাৱে একে। অৰ্থাৎ ৰামায়ণত কাৰবি সমাজে নিজৰ পৰম্পৰাগত প্ৰমূল্যৰ প্ৰতিফলন পোৱা বাবেই তাক নিজৰ সমাজ-জীৱনৰ ৰহন সানি 'ছাবিন আলুন' নামেৰে নিজ ঐতিহ্যৰ ভিতৰুৱা কৰি লৈছে। তাৰ উপৰি ৰাম-সীতাৰ কাহিনীৰ মাজত যন্ত্ৰণা আৰু বেদনাৰ যি অন্তৰ্নিহিত সূত্ৰ আছে—সিও কাৰবি মানসিকতাক আকৃষ্ট কৰিছিল যেন লাগে। আৰু এইখিনিতেই নিহিত আছে কাৰবি লোক-মানসৰ আৰু এক বিশেষত্ব, যি তেওঁলোকৰ লোক-সাহিত্যত পৰিস্ফুট ঃ সেয়া হ'ল ট্ৰেজেডিৰ প্ৰতি একধৰণৰ আকৰ্ষণ। শোকক, বেদনাক, যন্ত্ৰণাক, বিষাদক বিষয়-বস্তু হিচাপে লৈ তাক কাব্যিক আৰু সাঙ্গীতিক মহিমাৰে মহিমামণ্ডিত কৰাৰ এক বিশেষ প্ৰতিভা আছে কাৰবি সৃষ্টিশীল মনটোৰ। বিষণ্ণতাৰ এক মোহনীয় ধাৰা প্ৰৱহমান কাৰবি লোক-সাহিত্যৰ মাজেদি ঃ পুৰা-কাহিনীত, সাধুকথাত, কাহিনী-গীতত, কিম্বদন্তীত তাৰ নিদৰ্শন প্ৰচুৰ। পিতৃ-মাতৃহীন মাউৰা ল'ৰা-ছোৱালী, মিলন-তৃপ্তিৰ পৰা বঞ্চিত প্ৰেমাসক্ত যুৱক-যুৱতী, নিষ্ঠুৰ দৈৱৰ দ্বাৰা বিচ্ছিন্ন পৰস্পৰৰ প্ৰতি বিশ্বস্ত সুখী দম্পতী—এনে বিষয়বস্তুৰে কাৰবি লোক-সাহিত্যৰ ভালেখিনি ঠাই আগুৰি আছে। কিন্তু ডাঙৰ কথা হ'ল, যন্ত্ৰণা আৰু বিষাদক মহত্ত্ব দান কৰিব পৰা যাদুও আছে এই বিষয়বস্তুৰ সঙ্গী হিচাপে। তেনেকুৱা যাদুৰ শ্ৰেষ্ঠ নিদৰ্শন আছে কাৰবি সমাজৰ অতীব জনপ্ৰিয় 'হাঈমু'ৰ কাহিনী-গীতত। কাহিনীটো এনেধৰণৰ ঃ শৈশৱৰ পৰা একেলগে উমলি-জামলি যৌৱনত ভৰি দিয়া হাঈ আৰু লং টেৱণ পৰস্পৰৰ প্ৰতি আকৃষ্ট হয়। তেওঁলোক বিবাহপাশত আবদ্ধ হয় আৰু সোনকালেই এই সুখী দম্পতীৰ কোলালৈ আগমন হয় এটি পুত্ৰ সন্তানৰ। এনেতে এদিন লং ঘৰত নথকা অৱস্থাত এজন আলহী খাচী ব্যৱসায়ীৰ অশালীন প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি হাঈ সেই ব্যৱসায়ীৰ আক্ৰোশৰ পাত্ৰী হয়। ব্যৱসায়ীজনে সেই অঞ্চলৰ 'বৰদিলি'ক (উচ্চপদস্থ কাৰবি ৰাজবিষয়া) ছলাহী কথাৰে পতিয়ন নিয়ায় যে অপূৰ্বসুন্দৰী হাঈ তেওঁৰহে পত্নী হ'বৰ যোগ্যা। বৰদিলিৰ বিবাহোদ্যোগত বাধা দিবৰ চেষ্টা কৰি বিফল হয় বজ্ৰাহত হাঈ আৰু লং। হাঈক বলেৰে লৈ যোৱা হয় বৰদিলিৰ প্ৰাসাদলৈ। এই আঘাত সহ্য কৰিব নোৱাৰি লং আত্মঘাতী হয়। নিষ্কলুষ হাঈ জীৱন ত্যাগ কৰি ৰূপান্তৰিত হয় বৰ্ষা দেৱীলৈ।

কাৰবি লোক-সাহিত্যত প্ৰতিফলিত এই বিষণ্ণতাৰ আঁৰত তেওঁলোকৰ গোষ্ঠীজীৱনৰ অতীত ইতিহাসৰ স্মৃতিৰ সম্পৰ্ক থাকিব পাৰে বুলি বিশ্বাস হয়। কাৰবি পুৰা-কাহিনী আৰু কিম্বদন্তীৰ মাজেৰে বিধৃত অতীত-স্মৃতিয়ে কয় যে সৰলতা আৰু বিশ্বস্ততাৰ প্ৰতিদানত তেওঁলোক বাৰে বাৰে অন্যায়, নিষ্ঠুৰতা আৰু আক্ৰোশৰ বলি হৈছে। কাৰবি কিম্বদন্তীত—য'ত ঐতিহাসিক সত্যৰ একো চমকা থকাটো সম্ভৱ তেওঁলোকৰ গোষ্ঠী-স্মৃতিত থকা ক্ষত-চিহ্নৰ আভাস পোৱা যায়। তেনে দুটামান কিম্বদন্তীৰ কাহিনী চমুকৈ বৰ্ণাব পাৰি।

এসময়ত কাৰবিসকল কছাৰী ৰাজশক্তিৰ আশ্ৰয়ত আছিল। কিন্তু কছাৰী শাসকগোষ্ঠীয়ে কাৰবিসকলক শান্তিৰে থাকিবলৈ দিয়া নাছিল। কছাৰী গোসাঁনীৰ আগত নৰবলিৰ কাৰণে নিৰ্বাচিত হৈছিল কাৰবি লোক। কছাৰী ৰজাৰ পোহনীয়া বাঘ পোৱালিক খুৱাবলৈ প্ৰতিদিনে গাখীৰ সংগ্ৰহ কৰা

হৈছিল একোগৰাকী কাৰবি ৰমণীৰ বুকুৰ পৰা। এবাৰ পাল পৰিল দেহ আৰু মনৰ অসাধাৰণ শক্তিৰ অধিকাৰিণী ৰংফাৰপী নামৰ গাভৰুৰ, যি এই জঘন্য কাৰ্যত স্বাভাৱিকতে ক্ষুব্ধ হৈ আছিল। ৰজাৰ টেকেলাবোৰে তেওঁৰ পৰা জোৰ কৰি গাখীৰ সংগ্ৰহ কৰিবলৈ উদ্যত হোৱাত তেওঁ দাৰে টেকেলাৰ শিৰশ্ছেদ কৰিবলৈ ধৰে। প্ৰাণ লৈ পলাই যোৱাকেইজনে ৰজাক গোচৰ দিয়ে। ৰজাৰ প্ৰতিশোধমূলক অত্যাচাৰৰ ভয়ত ৰংফাৰপিৰ নেতৃত্বত কাৰবিসকল সেই ঠাই এৰি আঁতৰি যায় নিৰাপদ আশ্ৰয়ৰ সন্ধানত। বহু বিপদ-আপদৰ অন্তত তেওঁলোকে এক নিৰাপদ স্থানত উপস্থিত হৈ তাত বসবাস কৰিবলৈ লয়। অৱশ্যে তাতো তেওঁলোকৰ দুৰ্দশাৰ অন্ত নপৰে।

আন এটা কাহিনীৰ নায়ক কাৰবি জাতীয় বীৰ থং নকবে। কছাৰীসকলৰ তলত নিৰাপত্তাৰ অভাৱ অনুভৱ কৰি কাৰবিসকলে খাচী ৰজাৰ ওচৰলৈ আনুগত্য স্থানান্তৰ কৰে। ইয়াতো তেওঁলোক বিদ্বেষ আৰু নিষ্ঠুৰতাৰ বলি হয়। কাৰবি আৰু খাচী সদস্যাৰে গঠিত শ্ৰমিক বাহিনীৰ গণনাৰ সময়ত খাচী বিষয়াই দাৰ ধাৰেৰে কাৰবি সদস্যসকলৰ মূৰত চিন দিয়াৰ প্ৰতিশোধ স্বৰূপে থং নকবেই এবাৰ নিজে গণনাৰ ভাৰ লৈ কেইবাজনো খাচী সদস্যৰ শিৰশ্ছেদ কৰে। ৰাজৰোষত পৰিও নিজৰ অসাধাৰণ শক্তিমত্তাৰ পৰিচয় দি থং নকবে ৰজাৰ অতীৱ প্ৰিয়পাত্ৰ হৈ পৰে। পিছে ঈৰ্ষাপৰায়ণ বিষয়াসকলে এবাৰ ছলনা কৰি তেওঁক আমগছত তুলি দি নিষ্ঠুৰভাৱে কঁড়িয়াই হত্যা কৰে আৰু তেওঁৰ ছিন্ন শিৰ ৰজাৰ হাতত অৰ্পণ কৰে।

তৃতীয়টো কাহিনী আহোমসকলৰ লগত কাৰবিসকলৰ প্ৰথম যোগাযোগক লৈ। কথিত আছে যে কাৰবিসকলৰ এটা সঁজাতী দলে যেতিয়া প্ৰথমবাৰৰ বাবে ৰাজনৈতিক আশ্ৰয় বিচাৰি এজন স্থানীয় আহোম বিষয়াৰ ওচৰ চাপিছিল, তেতিয়া কাৰবিসকলৰ কথা বুজি নোপোৱাৰ বাবে তেওঁলোকক এটা খালত পেলাই জীয়াই জীয়াই পুতি পেলোৱা হৈছিল। পাছত অৱশ্যে আহোম ৰজাই কাৰবিসকলক নিৰাপত্তা দান কৰে আৰু আহোম ৰজাই ৰাজশক্তিৰ আশ্ৰয়ত কাৰবিসকলে ভালেখিনি বিপদমুক্ত আৰু শান্তিপূৰ্ণ জীৱন যাপন কৰে। তথাপি আহোমসকলৰ লগত হোৱা তেওঁলোকৰ প্ৰথম সংশ্ৰৱৰ 'দুঃখজনক' স্মৃতি তেওঁলোকৰ এটি পুৰণি গীতে ধৰি ৰাখিছে এইদৰে ঃ

'হে কাৰবিসকল, আমাৰ দুখ-দুৰ্গতিৰ সীমা নাই। চকুৰ পানী আমাৰ লগৰীয়া। গাঁৱৰ ডেকা-গাভৰু, সৰু-বৰ সকলো জাগা; চকুৰ পচাৰতে দৈত্যকায় আহোম ৰজাৰ হাজাৰ হাজাৰ সৈন্য বধ কৰোঁ।'

সম্ভৱতঃ এইধৰণৰ অভিজ্ঞতাই কাৰবি মানসিকতাক স্পৰ্শকাতৰ আৰু দুঃখ-সচেতন কৰি তুলিছে। তেওঁলোকৰ কোনো কোনো আখ্যানৰ মাজেৰে নিজৰ বিষয় এটা দ্বিধাগ্ৰস্ত—আনকি অসহায়তা-জড়িতভাৱে ভুমুকি মাৰিছে। কাৰবি সৃষ্টিতত্ত্বৰ আখ্যানমূলক গীতত বিভিন্ন জাতিৰ মানৱৰ লগতে কাৰবি জাতিৰ সৃষ্টিৰ বিষয়ে যি বৰ্ণনা আছে, তাত এই দ্বিধা-জড়িত ভাৱৰ প্ৰতিফলন স্পষ্ট। সেই আখ্যান মতে ৰ'প্লাকপী পখীয়ে এজোপা বৃক্ষৰ তলত কেইবাটাও কণী পাৰিছিল আৰু তাৰে প্ৰতিটোৰ পৰা একোটাকৈ জাতিৰ পূৰ্বপুৰুষৰ উৎপত্তি হৈছিল। এটাৰ পৰা খাচী, এটাৰ পৰা অসমীয়া ইত্যাদি। শেষৰ কণীটো আছিল আটাইতকৈ ডাঙৰ আৰু সেইটো ফুটিছিল আটাইতকৈ পলমকৈ। তাতেই আছিল কাৰবিৰ উপৰিপুৰুষ। কণীটো ফুটাৰ সময়ত বাহিৰত আছিল ৰাক্ষসৰ জাক, মূৰৰ ওপৰত কাউৰী-শগুণৰ জাক। কাৰবি উপৰিপুৰুষে এবাৰ মূৰ উলিয়াই এবাৰ সুমুৱাই লাহে লাহে ভয়ে ভয়ে কণীটোৰ

পৰা ওলাই আহে।

এই আখ্যানটি 'চ'মাংকান'ত আবৃত্তি কৰা মন্ত্ৰজাতীয় গীতৰ অন্তৰ্ভুক্ত। 'চ'মাংকান' শ্ৰাদ্ধ-অনুষ্ঠান— কাৰবিসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ। সিয়েই দেখুৱায় যে মৃত্যুৰ বিষয়েও কাৰবি সমাজৰ চেতনা বিশেষ ধৰণৰ। চ'মাংকানত সুদীৰ্ঘ মন্ত্ৰজাতীয় বিলাপৰ স্থান যিদৰে আছে, সেইদৰে আছে ডেকা-গাভৰুৰ যৌৱনসুলভ মিলনকেন্দ্ৰিক নৃত্য-গীত। সেইবাবে চ'মাংকানত নিহিত আছে মৃত্যুৰ মহত্ত্বৰ তাৎপৰ্য ঃ ই অকল চিৰবিদায়ৰ বাৰ্তাই নহয়, ডেকা-গাভৰুৰ মিলনৰ মাজেদি নৱজন্মৰো ইঙ্গিত বহন কৰে। মৃত্যুৰ পিছতে ওচেপীয়ে গোৱা বিলাপ গীততো শোকৰ উপৰি ধ্বনিত হয় বিগত আত্মাৰ স্বৰ্গৰাজ্যলৈ যাত্ৰাৰ আকৰ্ষণীয় বৰ্ণনা। মৃত্যুৰ এই গভীৰতৰ অৰ্থ-ব্যঞ্জনা কাৰবি লোক-সংস্কৃতি আৰু সাহিত্যৰ বিশেষ সম্পদ।

কাৰবি লোক-সংস্কৃতি আৰু লোক-সাহিত্যৰ এই সম্পদসমূহ আমাৰ উমৈহতীয়া উত্তৰাধিকাৰ ঃ তাৰ উপযুক্ত মৰ্যাদা-দান আমাৰ উমৈহতীয়া দায়িত্ব আৰু কৰ্তব্য।*

প্ৰাসঙ্গিক ৰচনাৰ তালিকা ঃ

আগৰৱালা জ্যোতিপ্ৰসাদ ঃ **'অসমীয়া স্থাপত্যৰ নৱৰূপ'**
ঃ **'নতুন দিনৰ কৃষ্টি'**
ঃ **'নতুনৰ পূজা'**
(**জ্যোতিপ্ৰসাদ ৰচনাৱলী**, গুৱাহাটী, ১৯৮১)

গগৈ যজ্ঞোৰাম ঃ **'মিকিৰ', অসমৰ জনজাতি**, যোৰহাট, ১৯৬২

টাৰ' ৰাজেন ঃ **'কাৰ্বি সমাজত প্ৰচলিত গীত-মাত', বি বৰুৱা কলেজ** আলোচনী, ১৯৭৫-৭৬

টেৰণ লংকাম ঃ **কাৰবি জনগোষ্ঠী**, যোৰহাট, ১৯৭৪

ডিফু সাহিত্য সভা ঃ **ছাবিন আলুন**, ডিফু; ১৯৭৬

তেৰাং ৰং বং ঃ **কাৰবি সংস্কৃতিৰ এখিলা পাত অসম সাহিত্য সভা পত্ৰিকা...**

হাঞ্চে ছামাছিং ঃ **'ৰাংছিনাৰ ইতিবৃত্ত', অগ্ৰদূত**, ৫ জুলাই, ১৯৮১
'কাৰবি আংলঙৰ ৰংশিঙা', অসম বাণী, ১১ ছেপ্টেম্বৰ, ১৯৮১

Census of India 1961 Monograph ঃ **Mikir of Assam.**

Datta Dr. B. ঃ **'Karbi Folklore : A Few Observations', The Assam Tribune**, September 13, 1981.

Lomax A. ঃ **Folksongs Style and Culture,** Washington, 1971.

Lyall & Stack ঃ **The Mikirs**, London, 1908 ইত্যাদি।

* অসম সাহিত্য সভা, ডিফু অধিবেশনৰ **"ৰঝাৰু আহিৰ"**ৰ সৌজন্যত—সম্পাদক

অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিক আৰু কিৰাতৰ অৱদান

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

জনজাতি (ট্ৰাইব) বুলি কওঁতে আমি সাধাৰণভাৱে সমাজতাত্ত্বিক দিশটোতকৈ আজিকালি আইনী স্বীকৃত ৰূপটোক অধিক গুৰুত্ব দিওঁ। সমাজতাত্ত্বিক দিশৰ পৰা জনজাতি হ'ল অবিকশিত জনগোষ্ঠী, জটিল শ্ৰম-বিভাজন আৰু শ্ৰেণী-বিভাজনৰ পৰা মুক্ত, মূলতঃ প্ৰকৃতিনিৰ্ভৰ। এনে জনজাতিসমূহৰ বেছিভাগেই সাধাৰণতে অৰণ্য নাইবা নগৰীয়া শ্ৰম-বিভাজিত সমাজৰ দূৰৱৰ্তী প্ৰান্তীয় অঞ্চলত বাস কৰে। পূৰ্বৰ অৰণ্যনিৰ্ভৰ নাইবা প্ৰকৃতিনিৰ্ভৰ অৱস্থাৰ নামমাত্ৰ অৱশেষবোৰ এতিয়াও আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনত বৰ্তি থকা জনজাতিবিলাকৰ সংখ্যাই বৰ্তমান ভাৰতত বেছি। স্থূল বজাৰভিত্তিক পুঁজিবাদী অৰ্থনৈতিক সম্পৰ্কবিলাকে জনজাতীয় সমাজ আৰু অৰ্থনীতিৰ প্ৰায় অপৰিৱৰ্তনীয়ভাৱে ৰূপান্তৰ সাধন কৰিছে আৰু জনজাতীয় সমাজবোৰ হৈ পৰিছে বিকল্পিত বজাৰ আৰু ঔদ্যোগিক অৰ্থনীতিৰ অবিকশিত পশ্চাদ্ভূমি। আমি এই আলোচনাত জনজাতি বুলি কওঁতে ইয়াৰ সমাজতাত্ত্বিক আৰু সাংবিধানিক (আইনগত) দুয়োটা অৰ্থতে সামৰি ল'ব পৰা জনগোষ্ঠীবিলাকৰ কথাকে বুজাইছো।

অসমীয়া সমাজখন গঢ় লৈ উঠাত সুদূৰ অতীতৰে পৰা যিবোৰ জনগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে, সেইবোৰ জনগোষ্ঠীক আমি কিৰাত আৰু নিষাদ—এই দুটা ভাগত ভাগ কৰিছো। কিৰাত, নিষাদসকলেই হ'ল মেৰুদণ্ড। এই মেৰুদণ্ডকেই সুদূৰ অতীজৰে পৰা সাৰ-পানী যোগাইছে দ্ৰাবিড়, কৃষ্ণবৰ্ণ, আৰ্য, ভূমধ্য সাগৰীয় তথা আলপাইন আৰ্য আৰু উত্তৰ ভাৰতত বিকশিত সংমিশ্ৰিত তেজ তথা সংমিশ্ৰিত কৃষ্টিৰ ধাৰক-বাহকসকলে। নৃগোষ্ঠীগত, সামাজিক আৰু সাংস্কৃতিক তথা অৰ্থনৈতিকভাৱে সেয়ে কোনোধৰণৰ 'বিশুদ্ধ' স্বৰূপ অসমৰ জনগোষ্ঠীসমূহৰ মাজত বিৰল। সংমিশ্ৰিত ৰূপটোৱেই অধিকতৰ প্ৰকট। আনকি 'মানসিক গঢ়' বা মনস্তাত্ত্বিক স্বৰূপটোও অসমীয়া জনগোষ্ঠীসমূহৰ ক্ষেত্ৰত সংমিশ্ৰিতস্বৰূপ—ই এক সংমিশ্ৰিত শাৰীৰিক বৈশিষ্ট্যৰ দৰেই সংমিশ্ৰিত মনস্তাত্ত্বিক স্বৰূপৰ প্ৰতিনিধিত্ব কৰে।

অষ্ট্ৰিকসকলৰ অৱদান ঃ

অষ্ট্ৰিকসকলক অসমৰ আদিম আৱিষ্কৰ্তা বুলি কোৱা হয়। 'অসমীয়া ভাষা আৰু সংস্কৃতি' গ্ৰন্থত ড° বিৰিঞ্চি কুমাৰ বৰুৱাই মন্তব্য কৰিছে যে অসমৰ ভাষা আৰু সংস্কৃতিৰ বিকাশত যিসকল লোকৰ অৱদান প্ৰাচীনতম, তেওঁলোক হ'ল অষ্ট্ৰিকভাষী। অষ্ট্ৰিকভাষীসকলৰ এটা প্ৰধান শাখা অষ্ট্ৰ এছিয়াটিক বা এছীয় অষ্ট্ৰিকসকলৰ মাজত মনখমেৰ আৰু নিকোবৰী, খাছি, কোল-মুণ্ডাসকলক ধৰা হৈছে। অষ্ট্ৰিকসকলৰ পৰিচয় বহু সময়ত প্ৰাক্ দ্ৰাবিড়ীয় বুলি দিয়া হয়। বিভিন্ন ইতিহাসবিদে এওঁলোকৰ বৈশিষ্ট্যসমূহ বৰ্তমান অসমত 'নিম্নবৰ্ণ' চিহ্নিত বহু জনগোষ্ঠী বা সম্প্ৰদায়ৰ মাজত পোৱা যায় বুলি উল্লেখ কৰিছে। কোনো কোনো নৃতত্ত্ববিদে অষ্ট্ৰিক উপাদানবিলাক তথাকথিত 'উচ্চবৰ্ণ' বুলি কোৱাসকলৰ মাজতো আছে বুলি দাবী কৰিছে। অতীজতে ভাৰতত নিষাদ নামেৰে পৰিচিত জনগোষ্ঠীসমূহক অষ্ট্ৰিক বুলি ধৰা হয়। খাছিসকলক অৱশ্যে অষ্ট্ৰিক বুলি কোৱা হয় যদিও দৈহিক গঠনৰ ফালৰ পৰা এওঁলোকৰ মিল আছে মংগোলীয়সকলৰ লগত। এই কথালৈ লক্ষ্য ৰাখি ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে যে খাছিসকলে পৰিব্ৰজন কালত হয়তো ব্ৰহ্মদেশ (ম্যানমাৰৰ)ত মন্‌খমেৰ ভাষাসমূহৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভাষিকভাৱে এক অষ্ট্ৰিক পৰিচয় গ্ৰহণ কৰিছে। পাছত সম্ভৱতঃ সংখ্যাৰ ফালৰ পৰা গৰিষ্ঠ তিব্বত-বৰ্মী জনগোষ্ঠীসমূহে বৰ্তমানৰ খাছি পাহাৰ অঞ্চলতে তেওঁলোকক সীমাবদ্ধ কৰি থাকিবলৈ বাধ্য কৰিলে। কিন্তু তেওঁলোকৰ মন্‌খমেৰ ভাষিক প্ৰভাৱ অটুট থাকিল। অষ্ট্ৰিকভাষীসকল খ্ৰীঃ পূঃ দুহাজাৰ চনৰ পূৰ্বেই ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ পাৰৰ পৰা দক্ষিণ চীন, ম্যানমাৰ, ভাৰত, ইণ্ডো-চীন আদিলৈ বিয়পি পৰিছিল বুলি অনুমান কৰা হয়। ভাষাতত্ত্ববিদ্‌সকলে অষ্ট্ৰিকসকল আৰ্যপূৰ্ব যুগৰে পৰা ভাৰতত আছিল বুলি দাবী কৰে। সম্ভৱতঃ পৃথিৱীৰ এই ভূখণ্ডত অষ্ট্ৰিকসকল কেবাহাজাৰ বছৰ আগৰ পৰাই বসতি বিস্তাৰ কৰি আৰ্য-পূৰ্ব যুগতে এই থলুৱা স্বৰূপ গ্ৰহণ কৰিছিল। ইয়াৰ প্ৰমাণস্বৰূপে নদী আৰু স্থানৰ নামৰ উপৰি দৈনন্দিন ব্যৱহৃত বহু শব্দ প্ৰাক্-আৰ্যীয় তথা প্ৰাক্-দ্ৰাবিড়ীয় হোৱালৈ আঙুলিয়াই দিয়া হয়। অসমীয়া ভাষাৰ পৰ্বত আৰু নৈবাচক বহু শব্দ তথা তা, ত, তেক, তিবা, তোক আদি প্ৰত্যয়াংশৰে গঠিত স্থানবাচক শব্দ অষ্ট্ৰিক মূলৰ। গং, বং, টিলা, টিং, টিপ্, হো, হোং, শুং, দু আদি প্ৰত্যয়যুক্ত বহু নামবাচক শব্দ অষ্ট্ৰিকমূলীয়। অষ্ট্ৰিক প্ৰত্যাংশ আৰু তিববতবৰ্মী শব্দ সংযুক্ত হৈও বহু নতুন নামবাচক শব্দ জন্মাটোও তাৎপৰ্যপূৰ্ণ কথা। বহু ভাষাতাত্ত্বিকে কৃষিৰ লগত জড়িত কিছুমান শব্দৰ মিল অষ্ট্ৰিক ভাষাৰ শব্দৰ লগত আছে বুলি ব্যক্ত কৰিছে। ইয়াৰ উদাহৰণস্বৰূপে মূল অষ্ট্ৰিক শব্দ 'লংক' বা 'লঙ'ৰ পৰা খাছি ভাষাৰ 'লিংকাৰ' শব্দ জন্মা বুলি অনুমান কৰা হয়। ইয়াৰ পৰা নাঙল শব্দৰ উৎপত্তি হোৱাটো সম্ভৱ। কল, তামোল, বেঙেনা, জহা, নাৰিকল, হালধি, আদা আদি শব্দবোৰ অষ্ট্ৰিকৰ অৱদান বুলি কোৱা হয়।

মুৰৰ গঠন আৰু তেজৰ হিম'গ্লবিনৰ ৰঙা কণিকাৰ গঠনৰ অধ্যয়নৰ ভিত্তিত, উত্তৰবঙ্গ, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু নেপালত এসময়ত অষ্ট্ৰিকসকল ভৰি আছিল বুলি বহু নৃতত্ত্ববিদে অনুমান কৰিছে। মুৰৰ গঠনৰ ওপৰত ভিত্তি কৰি ৰাংচু, কাৰবি, ৰাভা আৰু গাৰোৰো অষ্ট্ৰিকসকলৰ লগত সংমিশ্ৰণ হৈছিল বুলি অনুমান কৰা হয়। আনহাতে, তেজত ৰক্তকণিকা 'ই'ৰ অস্তিত্বৰ অধ্যয়নৰ ভিত্তিত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল, উত্তৰ বংগ আৰু নেপালত অষ্ট্ৰিকসকলৰ বসতি বিস্তৃত আছিল বুলি

অনুমান কৰা হয়। সম্ভৱতঃ আত্মীকৰণ প্ৰক্ৰিয়াত প্ৰথমে তিব্বতবৰ্মী, পাছলৈ দ্ৰাবিড় আৰু আৰ্যসকলৰ লগত অষ্ট্ৰিকৰ মিলন ঘটে। আৰ্যৰ লগত অষ্ট্ৰিক মিলনৰ কাহিনী মহাকাব্য মহাভাৰতৰ এক মূল উপাদান। অসমীয়া জাতিৰ মূল, জাতিগত, নৃগোষ্ঠীগত উপাদান গঢ় লোৱাত এই নৃগোষ্ঠীগত মিলন প্ৰক্ৰিয়াই প্ৰভাৱ বিস্তাৰ কৰিছে।

অষ্ট্ৰিকসকলে সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত বিপুল প্ৰভাৱ বিস্তাৰ কৰি গৈছে। সামাজিক ক্ষেত্ৰত আদিম কৃষিৰ বিস্তাৰ ঘটোৱা অষ্ট্ৰিকসকলৰ বেছিভাগেই আছিল মাতৃতান্ত্ৰিক। মাতৃতান্ত্ৰিক উৰ্বৰতা কৃষ্টিৰো মূল জনক অষ্ট্ৰিকসকল বুলি অনুমান কৰা হয়। প্ৰাচীন 'যোনি' পূজাৰ পদ্ধতি, যাৰ উন্নীতকৰণে মাতৃৰূপী দেৱীপূজাক কামৰূপত সৰ্বাগ্ৰগণ্য স্থান দিছে, তাৰ মূলো অষ্ট্ৰিক বুলি কোৱা হয়।

কিৰাতসকলৰ অৱদান ঃ

তিব্বতবৰ্মী আৰু সকলো মংগোলীয়কে একেলগে 'কিৰাত' বুলি অভিহিত কৰিব পাৰি। আজিৰ মংগোলীয় তথা তিব্বতবৰ্মীসকলৰ মাজত মংগোলীয়া, মাঞ্চুৰিয়া, ম্যানমাৰ, থাইলেণ্ড, কাম্পুচিয়া, লাওছ, কোৰিয়া, চীন, জাপান আদিৰ প্ৰায় সকলো মানুহ পৰে। ভাষাতাত্ত্বিকভাৱে চীনা, তিববতী, শ্যাম তথা বৰ্মীয় ভাষা কোৱা সকলো মানুহ মংগোলীয়ৰ ভিতৰত পৰে। অষ্ট্ৰিকসকলৰ দৰেই মংগোলীয় জনগোষ্ঠীৰ লোকসকলো প্ৰাক্-দ্ৰাবিড়ীয় আৰু প্ৰাক্-আৰ্য বুলি অনুমান কৰাৰ থল আছে।

কিৰাতসকলৰ উল্লেখ ভাৰতৰ প্ৰাচীন সাহিত্যত বিদ্যমান। যজুৰ্বেদত কিৰাতসকলক গুহাবাসী (যজুৰ্বেদ ৩০।১৬) আৰু অথৰ্ববেদত তেওঁলোকক পাৰ্বত্য অঞ্চলত থকা আৰু তেওঁলোকৰ ঔষধৰ বিষয়ে জ্ঞান থকাৰ কথা উল্লেখ কৰিছে। এইধৰণৰ উল্লেখে প্ৰমাণ কৰে যে কিৰাতসকল পৰ্বত আৰু অৰণ্যবাসী। সম্ভৱতঃ তেওঁলোক আৰ্যপূৰ্ব আৰু তেওঁলোকৰ উদ্ভিদ তথা ঔষধ সম্পৰ্কে জ্ঞান আছিল। খ্ৰীঃ পূঃ দশম শতিকাৰ ভিতৰত বেদৰ ৰচনা সম্পূৰ্ণ হোৱা বুলি অনুমান কৰা হয়। সেই হিচাপে কিৰাতসকলৰ বসতি খ্ৰীঃ পূঃ দশম শতিকাৰো আগতেই হৈছিল বুলি অনুমান কৰাৰ থল আছে। মহাভাৰত আৰু ৰামায়ণতো কিৰাতৰ উল্লেখ পোৱা যায়। মহাভাৰতত ভগদত্তৰ সেনা বাহিনীত কিৰাত আৰু চীনা সৈন্য থকাৰ উল্লেখ আছে। কিৰাত আৰু চীনা সৈন্যৰ সুকীয়া উল্লেখে কিৰাতসকলৰ বিকাশে সুকীয়া তিব্বতবৰ্মী ৰূপ পৰিগ্ৰহৰ প্ৰমাণ দাঙি ধৰে। ৰামায়ণত কিৰাতসকলক সোণৰ ৰঙৰ অৰ্থাৎ উজ্জ্বল হালধীয়া বুলি উল্লেখ কৰিছে।

বিষ্ণুপুৰাণ, কালিকাপুৰাণ তথা যোগিনীতন্ত্ৰত কিৰাত আৰু কৈৰাতজ ধৰ্মৰ প্ৰসংগ উল্লিখিত হৈছে। বিষ্ণুপুৰাণে আৰ্যাবৰ্তৰ পূব অংশত কিৰাতৰ বসতিৰ কথা উল্লেখ কৰিছে। খ্ৰীষ্টাব্দ প্ৰথম শতিকাৰ ৰচনা 'পেৰিপ্লাছ অব দ্য ইৰিথ্ৰিয়ান ছী'ত কিৰাত (কিৰাদ)সকল এতিয়াৰ অসম, ব্ৰহ্মাৰ পাহাৰবোৰৰ বাসিন্দা বুলি উল্লিখিত হৈছে। আধুনিক সংস্কৃতিবিদ্‌সকলৰ ভিতৰত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়েই বিস্তৃতভাৱে কিৰাতৰ সুকীয়া অৱদানসমূহৰ বিষয়ে 'কিৰাত জন কীৰ্তি'ত উল্লেখ কৰিছে।

এই কথা প্ৰায় বিতৰ্কৰ উৰ্ধত যে ভাৰতত বিভিন্ন প্ৰসংগত প্ৰাচীন যুগৰে পৰা উল্লেখ কৰা কিৰাতসকল বহল অৰ্থত চীনী-তিববতীয় মূলৰ লোক। ব্যুৎপত্তিগত অৰ্থৰ ফালৰ পৰা কিৰাত

শব্দটোৰ পাটবস্ত্ৰৰ ব্যৱসায়ৰ লগত সম্পৰ্ক বিদ্যমান। সম্ভৱতঃ সুপ্ৰাচীন কালতে পাটবস্ত্ৰৰ ব্যৱসায়ীসকলক কিৰাত বুলিছিল। পাছলৈ সম্ভৱতঃ এই পাটবস্ত্ৰৰ ব্যৱসায়ীৰ লগত মিল থকা বা সেইসকলৰ ভাষা বা উপভাষাৰ লগত মিল থকা সকলোকে কিৰাত বুলি অভিহিত কৰা হৈছে। কিৰাত শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ আৰু তাৎপৰ্য সেইফালৰপৰা বহুমাত্ৰিক। প্ৰথম কথাই এক অৰ্থনৈতিক বিনিময় ব্যৱস্থাৰ অস্তিত্ব আৰু ইয়াৰ লগত সম্পৰ্ক থকা প্ৰব্ৰজনৰ ইংগিত দাঙি ধৰে। প্ৰাক্ ঐতিহাসিক যুগতে যে এনে আদান-প্ৰদান, প্ৰব্ৰজন আৰু সংমিশ্ৰণৰ সূচনা হৈছিল, তাৰো প্ৰমাণ ই দাঙি ধৰে। পূব তথা উত্তৰ-পূব ভাৰতৰ অজস্ৰ পথেই আছিল ব্যৱসায়, প্ৰব্ৰজন, ধাৰ্মিক তথা ভাষিক আৰু সামাজিক আদান-প্ৰদানৰ মূল ভেটি।

মগধৰ পৰা পূবলৈ বাস কৰা সকলো জনগোষ্ঠীকে বিভিন্ন প্ৰসংগত প্ৰাচীন ভাৰতীয় সাহিত্যত অসুৰ, দানৱ, কিৰাত, নিষাদ বুলি অভিহিত কৰাত বৰ্তমান এই কথা ব্যাখ্যা কৰাটো সহজসাধ্য হৈ পৰিছে যে এইবোৰ নৃগোষ্ঠীগত বিশেষণেৰে সেইবোৰ লোককে বুজোৱা হৈছিল যিবোৰ আৰ্যধৰ্ম গ্ৰহণ কৰা লোক আদিতে নাছিল বা যিসকল অবৈদিক ভাষা-সংস্কৃতিৰ ধ্বজাবাহী আছিল।

আমি আজি যি কামাখ্যাকেন্দ্ৰিক, প্ৰাচীন কামৰূপীয় বা প্ৰাগজ্যোতিষপুৰীয় সভ্যতা-সংস্কৃতিৰ অস্তিত্ব আৰু বিকাশক লৈ গৌৰৱামণ্ডিত, সেই সংস্কৃতি-সভ্যতা আছিল আদিতে নিষাদীয়-কিৰাতীয় বা অষ্ট্ৰিক-মংগোলীয়।

নৰকাসুৰ বৰাহৰূপী বিষ্ণুৰ সহায়ত ঘটক কিৰাত বা ঘটক দানৱক নিধন কৰি কামৰূপৰ ৰজা হোৱাৰ সময়ত কামৰূপৰ পূবে ৰাজত্ব কৰিছিল অসুৰবংশী অথবা কিৰাতবংশীয় বাণে—যাৰ উপাস্য দেৱতা আছিল শিৱ আৰু পদ্ধতি আছিল অবৈদিক। এই দানৱ আৰু অসুৰ অভিহিতসকল নিষাদ আছিল নে কিৰাত আছিল নে নিষাদ-কিৰাতৰ সংমিশ্ৰণত বিকশিত আছিল, আজি তাক নিশ্চিতভাৱে কোৱাৰ উপায় নাই; কিন্তু এই কথা নিশ্চিত যে তেওঁলোক আছিল বেদপথ-বিৰোধী।

সমাজতাত্ত্বিক তথা ধৰ্মীয় অধ্যয়নৰ ভিত্তিত অনুমান কৰিব পাৰি যে দানৱেই বোলা হওক বা অসুৰেই বোলা হওক, আদিম মাতৃতান্ত্ৰিকসকল আছিল সম্ভৱতঃ নিষাদ বা অষ্ট্ৰিক। আনহাতে, কৈৰাতজ ধৰ্মৰ পৃষ্ঠপোষক শিৱৰ পূজক বাণক আমি মংগোলীয় তথা তিব্বতবৰ্মী বুলি অনুমান কৰাৰ থল আছে। ঘটক দানৱে আনহাতে প্ৰাচীন মাতৃতান্ত্ৰিক পৰম্পৰাধীন সমাজ আৰু ধৰ্মক আত্মীকৃত কৰা কিৰাতসকলৰ উত্থানৰ ইংগিত দিয়ে। অন্ধকাৰ অতীজতে কোনো কোনো আদিম জনগোষ্ঠী, যিবিলাকৰ মাজত চোকা শিলৰ অস্ত্ৰ-শস্ত্ৰ নাইবা আহিলা-পাতিৰ বিকাশ হোৱা নাছিল, তেওঁলোকৰ মাজত নৰখাদকৰ চৰিত্ৰ আছিল বুলি উপকথাসমূহে ইংগিত দিয়ে; কিন্তু এনে চৰিত্ৰ অন্ধকাৰ অতীজতে পৃথিৱীৰ অন্য বহু আদিবাসীৰে আছিল। টান ছালৰ জীৱ-জন্তু বধ কৰা, বখলিওৱা আৰু মঙহ টুকুৰা কৰা আহিলা (শিলৰ হাত কুঠাৰ, কুঠাৰ আদি)ৰ বিকাশৰ পাছত তেনে খাদ্যাভ্যাস সলনি হোৱা সম্ভৱ। নৰকাসুৰে ঘটক কিৰাতক বধ কৰাৰ যুগত তেনে সামাজিক চৰিত্ৰৰ অৱশেষ থকাটো অসম্ভৱ নহয়; কিন্তু আৰ্যীকৃত ধৰ্মৰ প্ৰসাৰ আৰু কৃষিভিত্তিক সভ্যতাৰ বিস্তাৰে তাৰ উচ্ছেদ সম্ভৱ কৰি তুলিলে বুলি অনুমান কৰিব পাৰি।

অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ অহা জনগোষ্ঠীসমূহ একেটা পথেদি, একে সময়তে অহা

নাছিল। মূলতঃ চীনী-তিব্বতীয় জনগোষ্ঠীবিলাক দিহং, দিবং, ইৰাৱতী, চালাৱন মেকং, মেনাম, সোৱণশিৰি, মানাহ, সোণকোষ, তিস্তা আদি নদীৰ পথেদি তথা নানা গিৰিপথ অতিক্ৰমি দক্ষিণলৈ প্ৰব্ৰজিত হোৱাটো হাজাৰ হাজাৰ বছৰ বিয়পা ঘটনা। তিববত-বৰ্মীসকলৰ আদিম পিতৃপুৰুষ বুলি গণ্য কৰা পশুপালক চিয়াং তথা পাটবস্ত্ৰৰ ব্যৱসায়ী কিৰাতসকলৰ লগত আদিম কৃষিজীৱী অষ্ট্ৰিকসকলৰ পাৰ্থক্য আছিল গভীৰ। চিকাৰজীৱী, পশুপালক আৰু পাটবস্ত্ৰৰ ব্যৱসায়ীসকলৰ সমাজখন পুৰুষতান্ত্ৰিক আৰু আদিম কৃষিজীৱী সমাজখন মাতৃতান্ত্ৰিক অতীতৰ দীঘলীয়া যুগ এটা অতিক্ৰমি অহা বুলি ক'ব পাৰি। তিববত-বৰ্মী প্ৰব্ৰজনকাৰীসকলতকৈ প্ৰাচীন কোনো কোনো অষ্ট্ৰিক তথা অষ্ট্ৰিক প্ৰভাৱ পৰা জনগোষ্ঠীয়ে অষ্ট্ৰিক আৰু মংগোলীয়ৰ মাজত মধ্যৱৰ্তী অৱস্থান গ্ৰহণ কৰিবলৈও অৱকাশ সৃষ্টি হৈছিল। অষ্ট্ৰিক (খাছি)ৰ দৰেই তিববত-বৰ্মীসকলৰ মাজত আটাইতকৈ প্ৰাচীন কালতে প্ৰব্ৰজিত হোৱা বুলি অনুমান কৰা গাৰোসকলো মাতৃতান্ত্ৰিক; কিন্তু পাছলৈ নাঙল আৰু কৃষিকাৰ্যৰ প্ৰসাৰে মাটিকেন্দ্ৰিক পুৰুষতান্ত্ৰিকতাৰ প্ৰসাৰ ঘটালে আৰু এনে প্ৰসাৰেই সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত হৰ-পাৰ্বতীৰ মিলন তথা কৃষিৰ ৰূপান্তৰ সম্ভৱ কৰি তুলিলে। কিন্তু পাৰ্বত্য অঞ্চলত কৃষিৰ নাঙলকেন্দ্ৰিক প্ৰসাৰ সম্ভৱ নোহোৱাত ঝুম খেতি আৰু মাতৃতান্ত্ৰিকতা থাকি গ'ল।

আধুনিক অসমীয়া জাতিগঠনত মুখ্য ভূমিকা গ্ৰহণ কৰা কোচ, চুতীয়া, আহোম, বড়ো আদি জনগোষ্ঠীসমূহ মূলতঃ তিববত-চীনীয়। এইটো মেৰুদণ্ড সম্ভৱতঃ ৰচিত হৈছিল বৰ্মন বংশ, শালস্তম্ভ বংশ তথা পাল বংশৰ ৰাজত্বকালতে। সমন্বিত নিষাদ-কিৰাতীয় ভেটিটোত আৰ্যমূলীয় বা বৈদিক উপাদানসমূহ, যিবোৰৰ প্ৰব্ৰজন নৰকাসুৰৰ আগমনৰ দিনতে হোৱা, সেইবিলাকৰ প্ৰলেপ পৰিছিল শক্তিশালী বৰ্মন বংশৰ ৰাজত্বকালতে। প্ৰাচীন কামৰূপ তথা কামৰূপৰ ঐতিহ্যৰ ৰক্ষক স্বমতা তথা কোচ ৰাজ্যৰ অৱদানসমূহে কামৰূপী ভাষা-কৃষ্টি তথা ভাষাৰ বিকাশ আৰু সমন্বয়ৰ ক্ষেত্ৰত যিদৰে অৰিহণা যোগাইছিল, ঠিক একে অৱদানেই আগবঢ়াইছিল ত্ৰয়োদশ শতিকাৰ পাছত বিকশিত আহোম ৰাজতন্ত্ৰই।

ধৰ্ম, লোককলা আৰু সাহিত্যলৈ অৱদান ঃ

অষ্ট্ৰিক আৰু মংগোলীয়সকলৰ অৱদান মূলতঃ ভাষা, সাজ-পাৰ, খাদ্যাভ্যাস, ধৰ্ম, অৰ্থনৈতিক বৈশিষ্ট্য আৰু শাৰীৰিক তথা মানসিক বৈশিষ্ট্যসমূহৰ মাজত অন্য সকলো জনগোষ্ঠীয় উপাদানতকৈ সৰহ। আমাৰ শব্দৰ ভঁৰাল চহকী কৰা বেছিভাগ বৈশিষ্ট্য তথা উপাদানেই সংস্কৃত ভাষাৰ এনাজৰীৰে বন্ধা নিষাদ আৰু কিৰাত উপাদানৰ 'অমৃত-কণা'।

অসমৰ ধৰ্ম, লোককলা তথা লোকসাহিত্যৰ মূল ভেটি উৰ্বৰতা কৃষ্টিৰ লগত সাঙোৰ খাই আছে। লিংগ আৰু যোনি পূজা আৰু ইয়াৰ আৰ্যীকৃত শিৱ (বা ৰুদ্ৰ) আৰু দুৰ্গা বা কামাখ্যা পূজাৰ প্ৰসঙ্গ সুকীয়া অধ্যয়নৰ বিষয় হ'লেও ইয়াৰ ধৰ্মীয় মূল লোকায়তিক উৰ্বৰতা কৃষ্টিৰ মাজত আছে। অসমৰ প্ৰাচীন উৰ্বৰতা কৃষ্টিৰ প্ৰায় সকলোখিনি সম্পদেই মূলতঃ অষ্ট্ৰিক আৰু কিৰাতসকলৰ অৰিহণাৰে পুষ্ট।

কামৰূপ তথা অসমৰ প্ৰাচীন ধৰ্মৰ মূল ভিত্তি আদিম কৃষি আৰু আয়ুধজীৱী বা চিকাৰজীৱী সমাজৰ লগত তথা আদি-মাতৃ আৰু আদি-পিতৃৰ লগত জড়িত হৈ আছে। আদি-মাতৃ বা আদ্যাশক্তিৰ প্ৰধান সাক্ষ্য বহন কৰিছে প্ৰধান কামৰূপী আৰাধ্যা দেৱী কামাখ্যা আৰু আদি-পিতৃ শিৱ (বা

শিব্রায়ে)ই। লৌকিক ৰূপত আই-মাতৃ বা বুঢ়ী গোসাঁনী আৰু বুঢ়া গোসাঁই এই জনজাতীয় মূলৰ আদিম দেৱী-দেৱতা। অসমৰ সকলো জনগোষ্ঠীৰে সুকীয়া সুকীয়া ৰূপত উৰ্বৰতা কৃষ্টি আছিল আৰু এতিয়া তাৰেই বিকশিত ধৰ্মীয় নাইবা আধুনিক ৰূপ বৰ্তি আছে। প্ৰসংগতঃ উল্লেখযোগ্য যে আমাৰ মহাকাব্য আৰু লৌকিক সাহিত্যত শস্য-মাতৃ আৰু শস্য-পিতৃ (নাইবা শস্য-মাতৃৰ ত্ৰাণকৰ্তা), শস্য-মাতৃ নাইবা শস্য-পিতৃৰ, পুত্ৰ-কন্যাৰ কাহিনী ভৰি আছে।

আদিম কৃষিৰ আৱিষ্কাৰক নাৰী বুলি বহু পণ্ডিতেই মত প্ৰকাশ কৰিছে। অবিকশিত কৃষিকেন্দ্ৰিক জনজাতিসমূহ সেয়ে মাতৃতান্ত্ৰিক হোৱাৰ মূল কাৰণ এই শস্য-আৱিষ্কৰ্তা বা শস্য-মাতৃৰ আধিপত্য। এনে মাতৃতান্ত্ৰিক পৰম্পৰা যিবোৰ জনসমাজত চহকী, সেইবোৰত সাধাৰণতে মাতৃপ্ৰধান ধৰ্ম বিৰাজমান। অসমৰ পাৰ্বত্য অঞ্চলত প্ৰাচীন যুগতে বসতি বিস্তাৰ কৰা খাছি, গাৰো, কাৰবি, জয়ন্তীয়া, তিৱা, নগা আদি প্ৰায়বোৰ জনগোষ্ঠীয়েই মাতৃতান্ত্ৰিক আছিল। বিভিন্ন নামত শস্য-মাতৃ তথা আদি-মাতৃ অথবা শক্তিৰ উপাসক আছিল। কিন্তু স্থায়ী কৃষিৰ বিকাশ তথা নাঙল হাতত লোৱা কৃষক-শিৱ ভোলানাথ আৰু আয়ুধজীৱী দেৱতাসকলৰ বিকাশ আৰু বিস্তাৰ লাভে হয় শস্য-মাতৃৰ প্ৰাধান্য কমাই আনিলে নাইবা আদি-পিতৃ আৰু আদি-মাতৃৰ মহা সমন্বয়ৰ এক আদিম দৰ্শনকেন্দ্ৰিক, পুৰুষ-প্ৰকৃতিৰ মিলনকেন্দ্ৰিক সমন্বিত দেৱ-দেৱী (হৰ-পাৰ্বতী বা হৰগৌৰী)ৰ বিকাশ সম্ভৱ কৰি তুলিলে। আদিম চিকাৰজীৱী আৰু আদিম কৃষিজীৱী সমাজৰ বিকাশৰ চৰিত্ৰ পৰ্যালোচনা কৰিলে আদিম কৃষিজীৱীক তুলনামূলকভাৱে পাছৰ যুগৰ বুলি অনুমান কৰিব পাৰি। এই আদিম চিকাৰজীৱী সমাজৰ প্ৰতিপত্তিশীল দেৱতা ৰূপত আমি পুৰুষশক্তি বা আদি-পিতৃক বিভিন্ন ৰূপত পাওঁ। লৌকিক বুঢ়া ডাঙৰীয়া, বাথৌ-শিব্ৰাই তথা শিৱ পশুপতিৰ বিকাশৰ সম্ভাৱনা আগতীয়া বা কৃষিপূৰ্ব যদিও আমাৰ প্ৰাচীন দৰ্শনত (সম্ভৱ আদি সাংখ্য দৰ্শনতো) আদি-মাতৃ বা প্ৰকৃতিৰ নিৰ্ণয়াত্মক ভূমিকা অধিক তাৎপৰ্যপূৰ্ণ। সম্ভৱ ইয়াৰ কাৰণ এইটোও হ'ব পাৰে যে আদিম অৱস্থাত পৃথিৱীৰ সকলো সমাজেই প্ৰকৃতিৰ বুকুতে খাদ্য, ইন্ধন, পৰিধেয়, আশ্ৰয় সকলো পাইছিল। গতিকে প্ৰকৃতিক সৰ্বাপেক্ষা শক্তিশালী বুলি ভবাৰ যুক্তি আছে।

ধৰ্মৰ বিকাশৰ সমাজতাত্ত্বিক দিশটোৰ বিষয়ে, আলোচনাৰ ক্ষেত্ৰত মাত্ৰ উল্লিখিত কথাখিনি উনুকিয়াই আমি ঐতিহাসিক বিকাশৰ প্ৰতি চকু দিলে দেখা পাওঁ যে আমাৰ আদিম আৱিষ্কৰ্তা অষ্ট্ৰিকসকলৰে কোনো এটা ঠালৰ প্ৰধান আদি-মাতৃ আছিল কামৈ বা কামা—যাক কামাখ্যাৰ আদিৰূপ বুলি ড° কাকতিয়ে উল্লেখ কৰিছে। প্ৰসংগতঃ উল্লেখযোগ্য যে আদি তিববত-বৰ্মী বোণ ধৰ্মৰো খামা দেৱী আদি-মাতৃৰ সমতুল্য দেৱী। গতিকে আদিম অষ্ট্ৰিক আৰু আদিম তিব্বত-বৰ্মী লোকসকলৰ প্ৰাচীনতম আদি-মাতৃস্বৰূপা উৰ্বৰতা বা প্ৰকৃতিৰ দেৱী এগৰাকী আছিল, যাৰ সংস্কৃতগন্ধী ৰূপ কামাখ্যা। আমি আধুনিক যুগতো দেখা পাওঁ এই আদি-মাতৃৰূপকে প্ৰধানকৈ স্বীকৃতি দিয়া হৈছে। এই আদি-মাতৃ বা প্ৰকৃতি-মাতৃ উৰ্বৰতাৰ অধিষ্ঠাত্ৰী। এই আদি-মাতৃয়েই শস্যসম্ভৱা হোৱাৰ প্ৰতীকী প্ৰকৃতি আমি মানৱী ৰূপৰ মাতৃৰ প্ৰতিফলন ৰূপত অম্বুবাচীৰ পূজাৰ মাজত দেখা পাওঁ। আদিম কৃষিনিৰ্ভৰ সমাজত অন্য যিকোনো সমাজতকৈ নাৰী বা মাতৃ আৰু শক্তিৰূপিনী দেৱী অতি বেছি শক্তিশালী। অসমৰ প্ৰাচীন যুগত সভ্যতাৰ সূচনাপৰ্বত মাতৃতান্ত্ৰিক সমাজেই আছিল প্ৰধান ব্যৱস্থা আৰু মাতৃতান্ত্ৰিক ব্যৱস্থাৰ প্ৰধান শক্তিৰূপিনী দেৱী কামাখ্যাই আছিল প্ৰধান দেৱী।

নৰকাসুৰৰ আগমন (বিষ্ণু আৰু বশিষ্ঠৰ আগমন) তথা শিৱৰ কৃষিপ্ৰধান পুৰুষকেন্দ্ৰিক দেৱতাৰূপত আবিৰ্ভাৱ কামৰূপত সমসাময়িক বুলি অনুমান কৰিব নোৱাৰি। কৈৰাতজ শিৱ আগৰ, বাণ ৰজাই বৰাহৰূপী বিষ্ণুপুত্ৰ নৰকক বুজাই-বঢ়াই কৈৰাতজ পদ্ধতিৰে দেৱীপূজা কৰিবলৈ সৈমান কৰা আৰু বশিষ্ঠ মুনিক কামাখ্যাৰ পৰা নৰকে বহিষ্কাৰ কৰা উপাখ্যানৰ আঁৰত থকা সভ্যতাই কৈৰাতজ শিৱৰ আদিম অৱস্থাত থকা প্ৰাধান্য আৰু ক্ষমতাকে সূচায়। পুৰুষতান্ত্ৰিক প্ৰধান দেৱতা হৰি-হৰৰ মিলনে এই সংঘাত দূৰ কৰিলে। আনহাতে, কৃষিজীৱী সমাজখনে ঝুমখেতিৰ নাৰীপ্ৰধান পৰ্যায়টো অতিক্ৰমি আহি পুৰুষপ্ৰধান নাঙলজীৱী মানুহ আৰু হলধৰ দেৱতাৰ সমাজলৈ উন্নীত কৰিলে। এই সংঘাতো কিন্তু দীৰ্ঘস্থায়ী নহ'ল, হৰ-গৌৰীৰ মিলনৰ জৰিয়তে ইয়াৰ সামৰণি মৰা হ'ল। ইয়াৰ সমান্তৰালভাৱে পুৰুষ আদিশক্তি নাৰী (প্ৰকৃতি)ৰ আদিশক্তিৰ সমন্বয়ো সম্ভৱ হ'ল নৱম-দশম শতিকামানৰ ভিতৰত, যাৰ প্ৰতিফলন আমি দেখা পাওঁ দেৱতাৰূপত অৰ্ধনাৰীশ্বৰৰ প্ৰাধান্য বৃদ্ধিৰ জৰিয়তে।

তান্ত্ৰিক ধৰ্মৰ প্ৰাধান্য অসমত প্ৰাচীন পৰম্পৰাকেন্দ্ৰিক। তান্ত্ৰিক দৰ্শন মূলতঃ আদিম মেজিক বা ইন্দ্ৰজালকেন্দ্ৰিক সমৃদ্ধি (উৰ্বৰতা)ৰ দৰ্শন। সাধন-পদ্ধতিত এই ধৰ্মত নাৰী (প্ৰকৃতি)ৰ প্ৰাধান্য সৰ্বাপেক্ষা বেছি। কৃষিকেন্দ্ৰিক ইন্দ্ৰজাল বা যাদুবিদ্যাৰ প্ৰাণকেন্দ্ৰ কামৰূপত তান্ত্ৰিক মহাসাধনাৰ পীঠৰূপত অজস্ৰ পীঠ আছিল যদিও কামাখ্যাই আছিল প্ৰধান মহাযোনিপীঠ বা মহাপীঠ। এই মহাপীঠৰ স্ৰষ্টাসকলৰ ভিতৰত অষ্ট্ৰিক আৰু কিৰাতসকলেই আছিল প্ৰধান। কৈৰাতজ ধৰ্মৰ প্ৰাধান্য 'কালিকাপুৰাণ' (যাক কামৰূপী পুৰাণ বা অসমৰ নিজা পুৰাণ বুলিব পাৰি) আৰু যোগিনীতন্ত্ৰৰ অস্তিত্বই বিশেষভাৱে প্ৰতিপন্ন কৰে। কামৰূপী তন্ত্ৰপীঠৰ চৰিত্ৰ সম্ভৱতঃ যোগিনীতন্ত্ৰৰ নিম্নোক্ত বৰ্ণনাতে সৰ্বাপেক্ষা প্ৰকট আৰু প্ৰতিনিধিত্বমূলক—

নৱযোনিৰীতিখ্যাতা কামাখ্যা যোনিমণ্ডলম্।
নৱযোনি মধ্যভাগে কামাখ্যা যোনিমণ্ডলম্।।
জলে স্থলে কামৰূপে পূজনাচ্চ সমং ফলম্।
কামৰূপে যথা বিষ্ণুৰ্লক্ষ্মীঃ শ্ৰেষ্ঠা মহেশ্বৰী।।
কামৰূপে তথা দেৱী পূজা সৰ্বোত্তমা স্মৃতা।
কামৰূপং দেৱী ক্ষেত্ৰং কুত্ৰাপি তৎসম ন চ।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।

অৰ্থ ঃ

কামাখ্যাৰ যোনিমণ্ডল নৱযোনিমণ্ডল হিচাপে বিখ্যাত। এই নৱযোনিৰ মধ্যভাগত কামাখ্যা যোনিমণ্ডল। কামৰূপত জল-স্থল সকলোতে পূজাৰ সমান ফল পোৱা যায়। হে মহেশ্বৰী, দেৱতাৰ ভিতৰত যিদৰে বিষ্ণু শ্ৰেষ্ঠ, দেৱীৰ ভিতৰত যিদৰে লক্ষ্মী শ্ৰেষ্ঠ, সেইদৰে কামৰূপত দেৱীপূজা সৰ্বোত্তম বুলি পৰিগণিত। কামৰূপ দেৱীক্ষেত্ৰ, ইয়াৰ সমতুল্য স্থান পৃথিৱীৰ ক'তো নাই। অন্য স্থানত দেৱী বিৰলা, কিন্তু কামৰূপত গৃহে গৃহে।

সন্দেহ নাই যে পঞ্চদশ শতিকামানত ৰচনা সম্পূৰ্ণ হোৱা এই কামৰূপী তন্ত্ৰত যিদৰে স্বাভিমানী বা দেশপ্ৰেমী কামৰূপী মনটোৰ মধ্যযুগীয় নিদৰ্শন ফুটি উঠিছে, ঠিক সেইদৰে কৈৰাতজ

ধৰ্মৰ সৰ্বাত্মক প্ৰভাৱৰ সাক্ষ্যও প্ৰত্যায়িত হৈছে।

আমাৰ ধাৰণা—এই কৈৰাতজ তান্ত্ৰিক দৰ্শন মূলতঃ কামৰূপী জনজাতিৰ আদিম উৰ্বৰতা-সাধনাৰ সৰ্বোচ্চ বিকশিত তান্ত্ৰিক ৰূপ।

সমান্তৰালভাৱে কৈৰাতজ শিৱ কামৰূপ, শোণিতপুৰ, প্ৰাচীন প্ৰাগজ্যোতিষপুৰ, মধ্যযুগীয় কমতাপুৰ আৰু গড়গাঁও সকলোতে প্ৰধান দেৱতা। কামৰূপী ৰজাসকল নিজৰ শেষ সম্বল থকা পৰ্যন্ত মূলতঃ তন্ত্ৰবাদী আৰু শিৱ তেওঁলোকৰ প্ৰধান দেৱতা। আনকি বৌদ্ধযুগত বুদ্ধ আৰু বৈষ্ণৱ যুগত বিষ্ণুৰ উপাসকসকলক সন্মান আৰু মৰ্যাদা প্ৰদান কৰা ৰজাসকলেও কৈৰাতজ আদি-মাতৃ আৰু আদি-পিতৃ, মহাদেৱী আৰু শিৱৰ আৰাধনা ত্যাগ কৰা নাছিল। এই কথাই মূলতঃ জনজাতিসকলৰ সৰ্বাত্মক প্ৰভাৱৰ কথাই সাব্যস্ত কৰে।

লোককৃষ্টি আৰু লোকসাহিত্য ঃ

কামৰূপৰ প্ৰাচীন লোকধৰ্ম যিদৰে অষ্ট্ৰিক আৰু কিৰাতসকলৰ প্ৰাধান্যৰে মহিমামণ্ডিত, ঠিক সেইদৰে লোককৃষ্টি আৰু লোকসাহিত্যতো জনজাতিসকলৰ অৱদানেই সৰ্বাপেক্ষা বেছি। লোককৃষ্টিৰ ক্ষেত্ৰত আমাৰ প্ৰধান উৎসৱ বিহু বিভিন্ন ৰূপত জনজাতিসকলৰ মাজত পালন কৰা হৈছিল। বড়োসকলৰ 'বৈছাগু', ডিমাচাৰ 'বুচু', জিম'চায়া বা দেউৰীসকলৰ 'বিচু', তিৱাৰ বিহু (পিচু) তথা সোনোৱাল, সুতীয়া আৰু আহোমসকলৰ বিহুৰ মাজত ইয়াৰ উৎস, চৰিত্ৰ তথা বৈশিষ্ট্যৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই। তুলনামূলকভাৱে পাছত অহা টাই-মংগোলীয় আহোম ৰজাসকলে ৰাজতন্ত্ৰৰ সৰ্বোচ্চ বিকাশৰ পৰ্বত সকলো জনগোষ্ঠীয় বিহুৰ সমন্বয়ৰ ভেটি প্ৰতিষ্ঠা কৰিলে ৰংঘৰৰ বাকৰিত। এই সমন্বিত বিহুৱেই অসমীয়াৰ জাতীয় কৃষ্টিৰ ধৰ্মনিৰপেক্ষ, জাতনিৰপেক্ষ কৃষ্টিৰ মূল ভিত্তি। এই বিহুৰ জনজাতীয় উৎসসমূহৰ তাৎপৰ্য বুজিলেহে আমি অসমীয়া কৃষ্টিত জনজাতিসকলৰ যি নিৰ্ণয়াত্মক স্থান তাক বুজিব পাৰিম।

অসমীয়া জাতি লোকসাহিত্যতো চহকী। এই লোকসাহিত্যৰ মূল চানেকীসমূহ আমি বিহুনাম, মালিতা, হুঁচৰি, মন্ত্ৰ, বচন, সাধুকথা আদিৰ মাজত পাওঁ। এই প্ৰবন্ধত এইবোৰ প্ৰসংগৰ বিতং আলোচনা সম্ভৱ নহয়। মাত্ৰ থোৰতে এই কথা উনুকিয়াই থোৱা হ'ল যে এইবোৰ ক্ষেত্ৰত বিভিন্ন জনজাতিৰ অকৃপণ অৱদানেৰে অসমীয়া লোকসাহিত্য চহকী হৈছে। এইবোৰ দিশত ব্যাপক তথ্য সংগ্ৰহ আৰু গৱেষণাৰ থল আছে।



পাহাৰীয়া তিৱাসকলৰ সাংস্কৃতিক বিশিষ্টত

ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁই

ভৈয়ামৰ তিৱাসকলৰ বিষয়ে বহুতো কথা কাগজে পত্ৰই, কিতাপ-আলোচনীত পোৱা যায়। কিন্তু পাহাৰীয়া তিৱাসকলৰ বিষয়ে বৰ বেছি লিখনি বা কিতাপ পোৱা নাযায়। 'Linguistic Survey of India'ত Grierson এ- ১৮৯১ চনত তেতিয়াৰ নগাঁও, কামৰূপ, খাচি-জয়ন্তীয়া পাহাৰ জিলাত ৪০,০০০ লালুং (তিৱা) লোকে বসবাস কৰিছিল বুলি লিখি গৈছে। 'দেওধাই অসম বুৰঞ্জী'ত নগাঁও জিলালৈ খাচি আৰু জয়ন্তীয়া পাহাৰৰ পৰা ১২ ঘৰ লালুং (তিৱা) পৰিয়াল পাহাৰ এৰি আহোম ৰাজ্যৰ নগাঁওলৈ আহি পৰ্বতৰ পৰা ভৈয়ামলৈ নামি বসবাস কৰাৰ কথা উল্লেখ আছে। ১৮৩৫ চনৰ ১৫ মাৰ্চত কেনেকৈ চিলেট লাইট ইনফেন্ট্ৰি (Sylhet Light Infantry)ৰ সৈন্যবাহিনী লৈ কেপ্টেইন লিষ্টাৰে জয়ন্তীয়াপুৰ আৰু গোভা ৰাজ্য অধিকাৰ কৰিছিল আৰু কেনেকৈ গোভাৰ লালুং ৰজা শোভা সিঙে জয়ন্তীয়া ৰজাৰ আদেশত চাৰিজন ব্ৰিটিছ প্ৰজাক ধৰি-বান্ধি পাহাৰত ৰাখি থৈ ঘূৰাই দিবলৈ অমান্তি হৈ ব্ৰিটিছ শাসনৰ কোপত পৰিছিল, এই কথা ব্ৰিটিছ শাসনৰ ইতিহাসত লিপিবদ্ধ হৈ আছে। কিন্তু পাহাৰীয়া লালুংসকলে বিদ্ৰোহ কৰি ব্ৰিটিছ শাসনৰ অধীনলৈ যাবলৈ অমান্তি হোৱাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিয়ে ব্ৰিটিছ শাসনকৰ্তাসকলক এই লালুং তথা অন্যান্য পাহাৰীয়া লোকসকলৰ লগত চুক্তি সম্পাদন কৰিবলৈ বাধ্য কৰিছিল, যাৰ ফলশ্ৰুতিৰূপে পাহাৰীয়া লোকসকলে কোনো খাজনা দিব নালাগিছিল আৰু নিজৰ পৰম্পৰাগত ৰীতি-নীতিৰে তেওঁলোকক চলিবলৈ সুবিধা দিবলৈ বাধ্য হৈছিল। সৰু-সুৰা গোচৰসমূহ 'দলৈ' নামৰ পৰম্পৰাগত বিষয়াবগই নিষ্পত্তি কৰাৰ কৰ্তৃত্ব লাভ কৰিছিল। এয়া দৰাচলতে পাহাৰীয়া তিৱাসকলৰ বীৰত্বৰ এক অনবদ্য কাহিনী।

১৮৬১ চনৰ ১৮ ডিচেম্বৰত নগাঁও জিলাৰ সহকাৰী আয়ুক্ত চিঙ্গাৰ (Singer) নামৰ ইংৰাজ চাহাবজনে ফুলগুৰিৰ বিদ্ৰোহী লালুংসকলক কানি খেতি বাৰণ আইন অমান্য কৰাৰ অপৰাধত বিদ্ৰোহ দমন কৰিবলৈ আহোতে মৃত্যুবৰণ কৰাৰ ঘটনাই স্বাধীনচিতীয়া লালুংসকলৰ স্বাধীনতা সংগ্ৰামৰ এক

অনন্য অভিলেখ বুলি অভিহিত কৰিব পৰা যায়।

এই তিৱাসকলৰ ভাষাৰ ওপৰত পোনপ্ৰথমতে (১৯৬৫-৭১ চন) ৰেভাৰেণ্ড এম্, বালৱান নামৰ আমচুৱাইৰ কেথলিক মিছনৰ পৰিচালক এগৰাকীয়ে কাম কৰি গৈছে। প্ৰাথমিক শিক্ষাৰ বাবে তিনিখন কিতাপ লিখি বালৱানে লালুংসকলৰ শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ অৱদান আগবঢ়ায়। এই বালৱান চাহাবে লালুংসকলৰ বিষয়ে বিশেষ একো লিখি থৈ যোৱা নাই। আনহাতে ভাৰতৰ নৃতত্ত্ব পিয়ল বিভাগৰ এম এম দাস নামৰ এগৰাকী পণ্ডিতে এন কে শ্যাম চৌধুৰীৰ অধীনত কাম কৰি তিৱা (লালুং)সকলৰ বিষয়ে এক অমূল্য প্ৰামাণ্য গ্ৰন্থ (বিশেষকৈ নৃতাত্ত্বিক দিশৰ) ৰচনা কৰি থৈ গৈছে। ড° জি চি শৰ্মা ঠাকুৰেও থলুৱা তিৱাসকলৰ বিষয়ে সুন্দৰভাৱে এখন গ্ৰন্থ যুগুতাইছে। কিন্তু পাহাৰীয়া তিৱাৰ বিষয়ে বিশেষ তথ্য উক্ত গ্ৰন্থখনত নাই। মনেশ্বৰ দেউৰী, লোকেশ্বৰ গগৈয়ে অসমীয়াতে 'তিৱা সম্প্ৰদায়ৰ পৰিচয়' (১৯৭৫), 'তিৱা সংস্কৃতিৰ ৰূপৰেখা' (১৯৮৬) নামৰ দুখন গ্ৰন্থ লিখিছে কিন্তু পাহাৰীয়া তিৱাসকলৰ ওপৰত বিশেষ তথ্য এই দুই গ্ৰন্থত পোৱা নাযায়। ১৯৮৬ চনৰ পৰা ১৯৯০ চনলৈ আমি পাহাৰীয়া তিৱাসকলৰ ওপৰত গৱেষণা কৰিছিলো আৰু পোনপ্ৰথমবাৰৰ বাবে পাহাৰীয়া লালুংসকলৰ ওপৰত ১৯৯২ আৰু ১৯৯৪ চনত আমাৰ দুখন গ্ৰন্থ প্ৰকাশ পায়। গ্ৰন্থ দুখন হৈছে ' The Hill Lalungs' (ABILAC) আৰু 'Continuity and Change in the Hills of Assam.'

পাহাৰীয়া লালুংসকলৰ বাসভূমি হ'ল কাৰ্বি আংলং জিলাৰ আমৰি উন্নয়ন খণ্ড আৰু চিঠ্ঠং উন্নয়ন খণ্ড। মৰিগাঁও আৰু নগাঁও জিলাৰো বহুতো অঞ্চল তিৱা লোকৰ বাসভূমি। কলিয়াবৰ ৰাজহ চক্ৰ, ৰহা ৰাজহ চক্ৰ, নগাঁও ৰাজহ চক্ৰ, সোণাপুৰ ৰাজহ চক্ৰ, মৰিগাঁও জিলাৰ প্ৰায় সকলো ঠাই, ধেমাজি আৰু যোৰহাট জিলাতো (তিতাবৰ) তিৱাসকলে বসবাস কৰি আহিছে। পুৰণি নথিত এতিয়াও আমি অসমত বসবাস কৰা তিৱাসকলৰ জনসংখ্যাৰ বিষয়ে এনেদৰে তথ্য পাওঁ —

বছৰ	জনসংখ্যা	বছৰ	জনসংখ্যা
১৮৭২	৩৪,৮৫৯	১৯২১	৪১,০৩৩
১৮৮১	৪৭,৬৫০	১৯৩১	৪৩,৪৪৮
১৮৯১	৫২,৪২৩	১৯৪১	৫১,৩০৮
১৯০১	৩৫,৫১৩	১৯৫১	৫২,৩৫২
১৯১১	৩৯,২১৩	১৯৬১	৬১,৩১৫
		১৯৭১	১০১,৯৯৫

পাহাৰীয়া লালুংসকলৰ জনসংখ্যা বিভিন্ন লোকপিয়ল (Census) ত বেলেগকৈ দেখুওৱা হোৱা নাছিল। ১৯৫১ চনত কেৱল ২১৭৬জন পাহাৰীয়া লালুং আছিল বুলি নথিত পোৱা যায়। সেইদৰে খাচি-জয়ন্তীয়া পাহাৰত ১৮৯১ আৰু ১৯৫১ চনত ১৫০৫ আৰু ২৯৮জন আছিল বুলি উল্লেখ আছে।

সংস্কৃতি ঃ

জন্ম, মৃত্যু আৰু বিবাহ—সমাজ-জীৱনৰ এই তিনিটা প্ৰক্ৰিয়াৰ লগত জড়িত অনুষ্ঠান আৰু জীৱন ধাৰণৰ ৰীতি-নীতিৰ সমষ্টিয়েই হ'ল এটা জনগোষ্ঠীৰ সংস্কৃতি। পাহাৰীয়া তিৱাসকলৰ সংস্কৃতি উচ্চখাপৰ মৌলিকতাপূৰ্ণ সংস্কৃতি। এইসকল লোকৰ জীৱন ধাৰণৰ সহজ-সৰল ৰীতি-নীতি, সাংস্কৃতিক

উপাদানৰাশি স্বকীয় বিশিষ্টতাৰে পূৰ্ণ। পৰম্পৰাগত ৰীতি-নীতিৰেই (traditional) এই তিৱাসকলে যুগ যুগ ধৰি জীৱন অতিবাহিত কৰি আহিছে।

পাহাৰীয়া লালুংসকলৰ মতে, লালুং শব্দটো 'লিবুং', যাৰ অৰ্থ 'মানুহ' সেই শব্দৰ অপভ্ৰংশহে। কাৰ্বিসকলে নিজকে 'আৰলেং' অৰ্থাৎ 'মানুহ' বোলাৰ দৰে লালুংসকলেও নিজকে 'লিবুং' অৰ্থাৎ লালুং বোলে। 'তিৱা' শব্দৰ অৰ্থ হ'ল—'তি' মানে পানী, 'ৱা' মানে শ্ৰেষ্ঠ বাসিন্দা। 'তিৱা' শব্দ 'তি-ফৰ- ৱালি' অৰ্থাৎ পানীৰ কাষত বসবাস কৰা জনগোষ্ঠী শব্দৰ পৰা উদ্ভুদ্ধ। প্ৰথম লালুং ৰজা (চতঙ্গা) পানীৰ পৰা ওপজা, গতিকে গোটেই জনগোষ্ঠীকে তিৱা বুলি অভিহিত কৰা বুলি ভাবে। বহুতে আকৌ কপিলী আৰু কলং নৈৰ পাৰত বসবাস কৰা লোকসকলক তিৱা বা পানীৰ সন্তান বুলি কয়। অৱশ্যে চতঙ্গা ৰজাৰ জন্মকাহিনী যাৰ পৰা 'তিৱা' নামটোৰ উৎপত্তি হ'ল বুলি পাহাৰীয়া লালুংসকলেও ভাবে, তাৰ এক মনোৰম কাহিনী আছে।

তিৱাসকল যে মহান কছাৰী জনগোষ্ঠীৰে এক অবিচ্ছেদ্য অংগ, নৃতাত্ত্বিক দিশৰ পৰা একেবাৰে সত্য কথা। ডিমাছা কছাৰী, তিপ্ৰা, বড়ো, গাৰো, চুতীয়া, কোচ-ৰাজবংশী, দেউৰী, সোনোৱাল ঠেঙাল, মেচ, ৰাভা আদি কছাৰী বংশৰ লোকসকলে আজিলৈকে নিজস্ব ৰীতি-নীতি মানি চলি আহিছে আৰু পাহাৰত বসবাস কৰাৰ বাবে সেই সংস্কৃতিত পাহাৰীয়া ওচৰ-চুবুৰীয়া জনগোষ্ঠী, বিশেষকৈ জয়ন্তীয়াসকলৰ প্ৰভাৱ পৰাৰ বাহিৰে বাহিৰা সংস্কৃতিৰ প্ৰভাৱৰ পৰা মুক্ত বুলি ক'ব পৰা যায়। অৱশ্যে থলত (ভৈয়ামত) বসবাস কৰা তিৱাসকলৰ সংস্কৃতি বিশেষকৈ অসমীয়া সংস্কৃতিৰ দ্বাৰা কিছু প্ৰভাৱান্বিত হৈছে আৰু শংকৰী কৃষ্টি-সংস্কৃতিৰ প্ৰভাৱ পৰিছে যদিও আজিও থলুৱা তিৱা সংস্কৃতিত সৰহখিনি মৌলিকতা অটুট আছে আৰু বৰ্তমানেও এই তিৱা লোকসকলে নিজৰ সংস্কৃতি ৰক্ষা কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়।

তিৱাসকল প্ৰধানকৈ কৃষিজীৱী। পাহাৰীয়া গাঁওসমূহ জংঘল কাটি বহুওৱা। তেওঁলোক চাংঘৰত নাথাকে। সাধাৰণতে ঘৰৰ সন্মুখৰ পিনে এখন চালি (বাৰাণ্ডা) দেখা যায়। প্ৰথম কোঠাটো 'নোমাজি' আৰু ভিতৰ কোঠাটো 'নুক্‌থি', । বাৰাণ্ডাতে তাঁতশাল, পানী অনা বাঁহৰ চুঙা আদি ৰাখে। 'নোমাজি'ত থাকে জুহাল (জুইশাল) আৰু তাত গছি-ধানো ৰখা হয়। এই কোঠাটোতে আলহীক বহিবলৈ দিয়ে। 'নুক্‌থি'ত বিছনা এখন ৰাখে আৰু ভাত ৰন্ধা ৰান্ধনীশাল থাকে। ইয়াৰ এটা প্ৰধান খুঁটা হল 'থম-থুনা', কুলদেৱতাসকলৰ বাসস্থান। কাঠ-বাঁহেৰে সজা ঘৰবোৰ মাটিৰে লেপি ৰাখে আৰু ঘৰৰ আগত এখন ডাঙৰ চোতাল থাকে। ধানো মাৰে এই চোতালতে আৰু এই চোতালতে নাচ-বাগো চলে। বিছনাখন হ'ল বাঁহৰ খুঁটাৰ ওপৰত বাঁহৰ চাং এখনত। ঘৰৰ সৰহখিনি সৰঞ্জাম বাঁহ-বেতেৰে বনোৱা। কাঠৰ তাঁতশাল কঁকালত লৈ এৰী সূতা, কপাহী সূতা আদিৰে গাভৰু তথা তিৰোতাই কাপোৰ বয়। তিৱা সমাজত কাপোৰ ব'ব নজনা তিৰোতা পাবলৈ নাই। গছৰ বাকলি, শিপাৰ পৰা ৰং প্ৰস্তুত কৰি সূতা আৰু কাপোৰত ৰং দিয়ে। আগতে লালুংসকলৰ নিজৰ মানুহৰ সোণাৰী-শাল আৰু কমাৰশাল আছিল। আনকি বন্দুকো নিৰ্মাণ কৰিব পাৰিছিল।

পাহাৰৰ তিৱাসকলৰ ভাতেই প্ৰধান আহাৰ। এই তিৱাসকলৰ গাহৰি আৰু মুৰ্গীৰ মাংস প্ৰিয়। শুকান মাছো অতি প্ৰিয়। ঘৰতে প্ৰস্তুত কৰা চাউলৰ মদ আৰু তাৰ পৰা ঘৰতে প্ৰস্তুত কৰা ফটিকাও বৰ প্ৰিয় ! পাহাৰীয়া লালুংসকলৰ ধৰ্মীয় কাম-কাজ মদ নহ'লে নচলে। বছৰেকত যিমান ধান উৎপাদন

হয় তাৰে এক তৃতীয়াংশ মদ প্ৰস্তুত কৰোতে খৰচ কৰে। এইটো পৰম্পৰাগত সমাজ-ব্যৱস্থা, যাক আজিও পূৰ্বৰ ৰীতি-নীতি, ধৰ্মেৰে মানি আহিছে। অৰ্থনৈতিক দিশৰ ফালৰ পৰা এই পূৰ্বাপৰ ব্যৱস্থা সকলোৰে বাবেই ক্ষতিকাৰক। আমি ভাবো, ধৰ্মীয় অনুষ্ঠানত প্ৰয়োজনীয় হোৱা মদখিনিৰ বাহিৰে দৈনিক ব্যৱহাৰৰ বাবে মদ প্ৰস্তুত নকৰিলে ইমান ধানৰ খৰচ মদ প্ৰস্তুত কৰোতে নহ'লহেঁতেন। তদুপৰি ঘৰে ঘৰে মদ প্ৰস্তুত নকৰি সামূহিকভাৱে ডেকাচাঙৰ জৰিয়তে ধৰ্ম-কৰ্মত লগা মদখিনি প্ৰস্তুত কৰি, যেতিয়াই এনে ধৰ্মীয় কাম হয় ডেকাচাঙত মজুত ৰখা মদৰ পৰা নিয়াৰ নিয়ম কৰিব লাগে।

ডেকাচাঙৰ ডেকাসকলে নিজেই পথাৰত ধান খেতি কৰে। গতিকে পাহাৰীয়া লোকসকলৰ তথা থলুৱা তিৱাসকলে মদ ত্যাগ কৰি ধৰ্মীয় কামত লগাখিনি ডেকাচাঙৰ জৰিয়তে প্ৰস্তুত কৰাই নিজৰ জনগোষ্ঠীটোক অধিক উন্নত কৰিব পৰাটো ডাঙৰ কথা নহয়। থলুৱাসকলৰ ডেকাচাঙো এক শক্তিশালী আৰু জীৱন্ত অনুষ্ঠান, যি জাতিটোৰ গৌৰৱৰ বিষয়।

তিৱাসকলৰ ঘৰৰ বাবে প্ৰয়োজন হোৱা পানী পাহাৰীয়া জুৰিৰ পৰা বাঁহৰ চুঙাত আনে। মুনিহতকৈ তিৰোতাইহে ঘৰখনৰ বেছি কাম-বন কৰে। হ'লেও তিৰোতাই সমাজত সন্মান পালেও বাব নাপায়।

তিৱা পুৰুষসকলে প্ৰায় জয়ন্তীয়া মানুহে পিন্ধা জেকেট চোলাৰ দৰে চোলা পিন্ধে, মূৰত পাগুৰি মাৰে আৰু কপাহী ধুতী পিন্ধে বা লেংটি মাৰে। পাহাৰতহে এনেদৰে লেংটি মাৰে। আগতে তিৰোতাসকলে বুকুলৈকে মেখেলা পিন্ধিছিল। আজিকালিহে ব্লাউজ পিন্ধা দেখিবলৈ পোৱা যায়। মূৰত কাপোৰ নামাৰে। চুলি পিছলৈ ফণিয়াই খোপা বান্ধে।

তিৰোতাই বুকুৰ ওপৰত পিন্ধা পোছাকক পিক্‌চাই বুলি কয়। তলৰ মেখেলাখন বড়োসকলৰ দৰে। অলংকাৰ ৰূপে কাণত কেৰু, ডিঙিত নেকলেচ আদিও (ৰূপ বা সোণৰ) পিন্ধে। আনহাতে তেওঁলোকৰ গাহৰি আৰু কুকুৰা পোহাটো সাধাৰণ নিয়ম। সততে সকলো সময়তে হাতত থকা দাখনক 'খাৰা' বুলি কয়। তদুপৰি যাঠী, ধনু-কাঁড় আদিও ব্যৱহাৰ কৰে। বৰশিৰে মাছ ধৰাই নহয় খোকা আদি পাতিও মাছ ধৰে। নৈ-বিলত মাছ ধৰিবলৈ বিহ আদিও ব্যৱহাৰ কৰে। গাহৰিৰ মাংস তেওঁলোকৰ প্ৰিয়। মুগীৰতো কথাই নাই!

চামাদি (ডেকাচাং)ঃ

পাহাৰীয়া তিৱাসকলৰ অতি গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান হৈছে ডেকাচাং বা চামাদি। অন্যান্য জনগোষ্ঠীৰ দৰে এই ডেকাচাং কেৱল উৎসৱৰ সময়ত নিৰ্মাণ কৰা অনুষ্ঠান নহয়। প্ৰতিখন পাহাৰীয়া লালুঙৰ গাঁৱতে এটা চামাদি থাকেই। নহ'লে কিহৰ লালুং? চামাদি, লালুংসকলৰ এক জাতীয় গৌৰৱ, এক বৃহৎ সামাজিক অনুষ্ঠান।

এই ডেকাচাং আয়তনত ডাঙৰ। গাঁওখনৰ ন-বছৰৰ ওপৰৰ অবিবাহিত ল'ৰাবোৰৰ বাবে এই চামাদিয়েই ঘৰ। চাংঘৰ হিচাপে চামাদি নিৰ্মাণ কৰোতে ডাঙৰ হলৰ দৰে ইয়াক নিৰ্মাণ কৰে। মাটিৰ পৰা কেইবাফুট উচ্চতাত নিৰ্মিত এই চাংঘৰৰ প্ৰধান খুঁটাটো হ'ল 'থম্‌থুনা'। ইয়াৰ যথেষ্ট গুৰুত্ব আছে। বাকীবোৰ খুঁটা তাতকৈ সৰু। ডেকাচাং বা চামাদিৰ বেৰ নাই। দুয়োখন চালে বাঁহৰ চাংখন ঢাকি ৰাখে। চামাদিত নটা খোপ থকা এডাল কাঠৰ খটখটি থাকে, তাৰে ওপৰলৈ উঠিব লাগে। মুখৰ ফালে আৰু পিছফালে চাংঘৰটো খোলা। পিছফালেও একেৰূপৰ খটখটি থাকে। ১২ বছৰৰ মূৰে

মূৰে মূল খুঁটা বা (থম্‌থুনা) সলায়। এই খুঁটাটোত আঁউজি ডেকাসকলৰ মুৰব্বী নায়কগৰাকী বহে। এই মুৰব্বী বাব লোৱা লোকজনেই হৈছে 'চাংদলৈ'। এই চামাদি বা ডেকাচাঙত এখন ফুলাম কঠত চাংদলৈ বহি সকলো তদাৰক কৰে। চামাদিত বা ডেকাচাঙৰ সন্মুখৰ কাঠৰ মাৰলিত এযুৰি স্তন অপূৰ্ব ৰূপেৰে কাটি চকুত লগাকৈ সজায়। ইয়াৰ অৰ্থ তিৰোতা বা ছোৱালী মানুহৰ ডেকাচাঙত প্ৰৱেশ নিষেধ। গাঁৱৰ ডেকা দলৰ দলপতি চাংদলৈক সহায় কৰিবলৈ থাকে চাংমাঝি (চাংমাজি)। ডাঙৰ ল'ৰাৰ দলটোৱেই হ'ল চুৰুমা বাঠাইসকল ।

ক) চুৰুমা বাঠাই ঃ

এওঁলোক প্ৰধান দল। বয়সত ডাঙৰ। প্ৰধান হ'ল (১) চুৰুমাবৰো (২) ৰাস্তিনিমূল (৩) ক্ৰাচুৰুমা। চুৰুমা বাঠাইসকল হল সাধাৰণ সদস্য।

খ) ক্ৰা-খুৰা-বাঠাই ঃ

এওঁলোক হ'ল মধ্যম দল। বয়সৰ হিচাপত। কিন্তু সমাজৰ গুৰুত্বপূৰ্ণ কামবোৰ এওঁলোকে সমাপন কৰে। চাংদলৈ, চাংমাঝি, চুৰুমাবৰো, খুৰামূল হ'ল প্ৰধান। লগত থাকে ক্ৰা-খুৰা অৰ্থাৎ সাধাৰণ সদস্যসকল।

গ) চোখাচা বাঠাই ঃ

এওঁলোক হ'ল বয়সত একেবাৰে সৰু। এওঁলোক নতুন সদস্য আৰু শিকাৰু।

চামাদিৰ প্ৰধান কৰ্মকৰ্তাসকলৰ একোজন গুৰু থাকে। এওঁলোকে শিক্ষক তথা জ্যেষ্ঠ বন্ধুৰ দৰে কথা-বতৰা, গান-বাজনা, খেতি-বাতি আৰু দৈনন্দিন কৰ্মৰাজি নিজা অভিজ্ঞতাৰে ল'ৰাসকলৰ নেতৃত্ববৃন্দ তথা সদস্যসকলক শিকায়। আগতে তেওঁলোক চাংদলৈ বা চাংমাঝি আছিল আৰু নেতৃত্বৰ দিশত আছিল অতি অভিজ্ঞ।

যিখন গাঁৱত পৰম্পৰাগত গাঁৱলীয়া নেতৃত্ব নাথাকে চাংদলৈ, চাংমাঝি আদিয়েই গাঁওখনক নেতৃত্ব দিয়ে। ডেকাচাং অনুষ্ঠানৰ প্ৰধান বিষয়ববীয়াসকল হ'ল—

১)চাংদলৈ	— প্ৰধান
২)চাংমাঝি	— দ্বিতীয় নেতা
৩)চুৰুমাবৰো	— তৃতীয় নেতা
৪)খুৰামূল	— চতুৰ্থ নেতা
৫)খুৰুমাবৰো	— পঞ্চম নেতা
৬)খুৰুমাবৰো চাকৰীয়া	— ষষ্ঠ নেতা

এওঁলোক প্ৰধান দল। সৰু দলটো খুৰাচা। এই ছয়জন নেতাৰে এজনকৈ গুৰু থাকে। ল'ৰাবোৰৰ বয়স ৯ বছৰ হ'লেহে সাধাৰণতে ডেকাচাঙত উঠিব পাৰে। কিছুমান গাঁৱত তাতকৈ কম বয়সতো চাঙলৈ উঠে। বিশেষকৈ ল'ৰাৰ সংখ্যা কম হ'লে কম বয়সতো ডেকাচাঙত সদস্য হৈ কাম কৰে। পাহাৰীয়া লালুঙৰ ডেকা-চাং বৰ্তি থাকিবই লাগিব। গতিকে অভাৱেই আৱিষ্কাৰৰ মূল।

পৰম্পৰাগত নেতৃত্বৰে পৰিচালিত হোৱা পাহাৰীয়া গাঁওসমূহত চাংদলৈ আৰু চাংমাঝিয়ে বাৰ বছৰকাল যুৱ-নেতৃত্বত থাকি চাংঘৰৰ কাম-কাজ পৰিচালনা কৰে, য'ত পৰম্পৰাগত নেতৃত্ব নাই তাত দহ বছৰকাল ধৰি কাম চলায়। পাঁচ-ছয় বছৰৰ মূৰে মূৰে ডেকাচাঙত ল'ৰা উঠে। এই দুয়োজন

নেতাই তেওঁলোকৰ কৰ্তৃত্ব ডেকাচাঙৰ ল'ৰাবোৰৰ ওপৰত সম্পূৰ্ণৰূপত চলায়। খেতি-বাতিৰ সময়ত ডেকাসকলে গাঁৱৰ লোকসকলক সহায় কৰে। ডেকাচাঙত উঠোতে 'খেল-জাৱা' নামৰ অনুষ্ঠান পাতি পুৰণিক বিদায় দিয়ে আৰু নৱাগতক আদৰণি জনায় ।

ডেকাচাঙৰ নেতৃবৰ্গক দৈনিক ৫/১০ টকাৰ মাননি আৰু তামোল-পাণ আগবঢ়াই যি কোনো গাঁৱৰ বাসিন্দাই ল'ৰাবিলাকক খেতিৰ কামৰ বাবে সাহায্য বিচাৰিব পাৰে। খেলজাৱা অনুষ্ঠানত এই ধনেৰে বজাৰৰ পৰা নিমখ কিনি গাঁৱৰ মানুহৰ ঘৰে ঘৰে বিলাই দিয়াৰ নিয়মে পাহাৰত নিমখৰ অভাৱ আৰু ডেকাসকলৰ বদান্যতাকে সূচায়। এই অনুষ্ঠানটো এনে আয়ৰ ধনেৰেই সুন্দৰকৈ পাতে।

উল্লেখনীয় যে এটা খেলৰ ল'ৰাই এবাৰহে নেতৃত্ব ল'ব পাৰে। গতিকে গাঁৱৰ প্ৰতিটো খেলৰ ল'ৰাই এবাৰ নহয় এবাৰ চাংদলৈ হ'বই। তেনেদৰে চাংমাঝিৰ ক্ষেত্ৰতো একেই নিয়ম। চাংদলৈ আৰু চাংমাঝিয়ে কামত আগ্ৰহ নথকা আৰু শিকিবলৈ আগ্ৰহ নথকা সদস্যক শাস্তি দিব পাৰে। সন্ধিয়া ল'ৰাবোৰ চাঙত উঠে। শীতকালত সৰু ল'ৰাবোৰে ডাঙৰবোৰৰ বাবে বিশেষকৈ নেতৃত্বত থকাসকলৰ বাবে খৰি গোটাই সুন্দৰকৈ জুই ধৰে। কেতিয়াবা ল'ৰাবোৰে ঘৰৰ পৰাও খৰি আনে। ডেকাচাঙত বাঁহেৰে সজা ঢাৰি পাৰি ল'ৰাবোৰে শোৱে।

পথাৰত খেতি কৰিবলৈ যাওঁতে ঢোলে-ডগৰে আৰু নাচি-বাগি গীত গাই যায়। জংঘল চাফা কৰোতেও ল'ৰা-ছোৱালীয়ে মিলি চাফা কৰে। ঢোলৰ (খামৰ) ছেৱে ছেৱে মাটিত কোৰৰ চাব পৰে। জংঘল চাফা কৰোতে, গুটি সিঁচোতে, ধান কাটোতেও ঢোল বজায়। মুঠতে এক চাবলগীয়া দৃশ্য হয়। এনেকৈ আনুষ্ঠানিক কৃষিকৰ্ম কৰাৰ কথাকে 'ডেকা-যোৱা' বুলি কয়।

অসুখ-বিসুখ নহ'লে গাঁওৰ সকলো ল'ৰাই ডেকাচাঙত শোৱে। আলহী-অতিথিকো তাতেই শুবলৈ ব্যৱস্থা কৰি দিয়ে। চাংদলৈৰ কথা নুশুনিলে পৰম্পৰাগত পদ্ধতিত চলা গাঁৱত 'লৰ' নামৰ বয়োজ্যেষ্ঠ নেতাজনে বিচাৰ কৰে। কেতিয়াবা গাঁও-সভায়ো বিচাৰ কৰে। নহ'লে গাঁওবুঢ়াই এনে দায়িত্ব ল'ব লগা হয়।

বিয়া-বাৰুৰ পিছতো বিবাহিত ডেকাই ডেকাচাঙত ৰাতি আহি থাকিবহি পাৰে। কিন্তু ডেকাচাঙৰ কাম-কাজত ভাগ ল'ব নোৱাৰে।

ডেকাচাঙত ছবছৰ কাম কৰি সৰু দল মাজু দল হয়। মাজু দলে সাধাৰণতে বিয়া-বাৰু কৰি বিদায় মাগে। জীৱনধাৰণৰ সকলো কথাকে গুৰুসকলে আৰু নেতৃবৰ্গই ল'ৰাবিলাকক শিকায়। মুঠতে পাহাৰীয়া তিৱাসকলৰ এই অনুষ্ঠানটো এক আনুষ্ঠানিকভাৱে শিকা-বুজাৰ এক শিক্ষাকেন্দ্ৰ বুলি ক'ব পাৰি। চৰকাৰী শিক্ষা আৰু পৰম্পৰাগত শিক্ষাৰ সংমিশ্ৰণত ই এক প্ৰাপ্ত-বয়স্কসকলৰ ভাল শিক্ষাৰ অন্যতম ক্ষেত্ৰ হৈ আহিছে আৰু গাঁৱৰ ডেকা-বয়স্কসকলৰো শিক্ষাৰ অন্যতম কেন্দ্ৰ হৈ উঠিব পাৰে।

ঝুম খেতি কৰি চলা পাহাৰৰ এই মানুহখিনিয়ে সময়মতে খৰালি মাহকেইটাত জংঘল চাফা কৰি জুই জ্বলাই মাটি উলিয়ায়। এই জংঘল চাফা কৰি খেতিৰ মাটি উলিওৱা সকলো কামতে কিন্তু গীত-মাত জড়িত।

জাৰি বা ফটজাকুৰি পদ্ধতিৰে খেতি -বাতিৰ কাৰণে প্ৰয়োজনীয় লোকক লগায়। জাৰি পদ্ধতিত জংঘল চাফা কৰাই নগদ টকা দিয়ে। বহুতো লোকে একেলগে কাম কৰি বিঘা হিচাপে হাজিৰা লয়। ফটজাকুৰি পদ্ধতিত ছজন মানুহে একেলগে কাম কৰি এডাং ধান পায়। দুয়োটা পদ্ধতিতে খোৱা-

বোৱা গৃহস্থই দিয়ে।

'হাদাৰী' পদ্ধতিৰেও গাঁৱৰ লোকে মিলিজুলি কৃষিকৰ্ম কৰে। হাদাৰীৰ বাবে একোটা খেল বনায়। ডেকা ল'ৰাকো অন্তৰ্ভুক্ত কৰি বনোৱা এনে কাৰ্যক 'মেৱা লিবিং হাৱে' বুলি কয়। যি খেতিয়কে এনে সাহায্য বিচাৰে, হাদাৰী খেলে সহায় কৰে। এবিঘা মাটিৰ যিকোনো কাম কৰি দিলে ১০ বছৰৰ আগতে এডাং ধান পাইছিল। আনহাতে তিৰোতা আৰু মতাই একেলগে হাদাৰী খেলত যোগদান কৰিব পাৰিছিল। তিৰোতা মানুহৰ খেলৰ দুটা ভাগৰ এটা কম বয়সিয়াসকলৰ বাবে যাক 'খাৰলাৱাও' বুলি কোৱা হয় আৰু বাকীটো বুঢ়ীসকলৰ—যাক 'পুৰী' বোলা হয়। মুনিহ আৰু তিৰোতাৰ বহুতো খেল থাকিব পাৰে। 'কীল' বোলা সহায় কৰা অন্য এটা পদ্ধতি এটা আছে। এজনে কেতিয়াবা অন্য এজন খেতিয়কক কৃষিকৰ্মত সহায় কৰিলে, সিজনেও সহায় কৰে। সামাজিক ব্যৱস্থাত 'খুল' বা কুল অতি বেছি গুৰুত্বপূৰ্ণ।

আদিতে একে মাতৃৰে পৰা জন্ম হৈ বহুতো স্ত্ৰী বংশানুক্ৰমে একে কুলৰে সদস্যা হৈছিল। তদুপৰি একে মাতৃৰ কুলসমূহৰ একোটা গোট হয়। আদিতে একে মাতৃ আছিল। এতিয়া কেইবাটাও কুল হৈছে। তিৱা সমাজত একেটা কুলতে বিয়া- বাৰু কেতিয়াও নহয়। এই চিন্তা কৰিয়েই পাহাৰীয়া লালুংসকলে কুলসমূহৰো গোট গঠন কৰিছিল। যেনে—

১) মাচলুই-ৱালি , মালাং-ৱালি, সগ্ৰা-ৱালি , আগৰ-বালি, তামলং-ৱালি, সামলং ৱালি।

২) লুম্ফই-বালি, খোলাৰ-ৱালি, মিথি-বালি, মাদাৰ-ৱালি

৩) হুকাই-ৱালি, মালাং-ৱালি, খৰাই-ৱালি।

৪) পুমা-ৱালি, ফামজং-ৱালি

৫) আমচি-ৱালি, আমচং-ৱালি, পুৰং-ৱালি, পেৰফাং-ৱালি

৬) টিলাৰ-ৱালি, খোলাৰ-ৱালি, মাদাৰ-ৱালি

৭) জাৰফং-ৱালি।

'ৱালি'য়ে কুলবোৰকে মাতৃপ্ৰধান ৰূপত বুজাইছে। অৰ্থাৎ লালুংসকলৰ পাহাৰীয়াসকলৰ মাজত মাকৰ ঘৰ-সম্পত্তি ছোৱালীয়েহে উত্তৰাধিকাৰী হিচাপে পোৱাৰ নিয়ম আৰু ল'ৰাবোৰে বিয়া-বাৰু কৰি ছোৱালীজনীৰ ঘৰতহে থাকিব লাগে বা ছোৱালীজনীৰ মাকে দিয়া মাটি-বাৰীতহে ঘৰ-বাৰী, খেতি-বাতি কৰি থাকিব লাগে।

লালুংসকলে বহুতো কাল জয়ন্তীয়াসকলৰ ওচৰ-চুবুৰীয়া হৈ থাকি এক ৰাজনৈতিক আন্তঃগাঁথনিৰো অধিকাৰী হৈছিল। কেইবাখনো গাঁৱৰ ওপৰত পৰম্পৰাগত 'লৰ' নামৰ এগৰাকী মুৰব্বী থাকে। তেওঁক সহায় কৰে দলৈ, পাতৰ, হাদাৰী, চাওঁত, মাজি আৰু পাৰীখা নামৰ কৰ্মকৰ্তাসকলে। এই গাঁওবোৰ ওচৰা-উচৰি। গতিকে এনে এক সমষ্টিগত আৰু পৰম্পৰাগত আন্তঃগাঁথনি গঢ়ি তোলাত একো অসুবিধা নাছিল। এতিয়াও ১০জন লৰ' আছে। তেওঁলোক হ'ল— (১) আমচোৱায় লৰ' (২) মাৰ্জং লৰ' (৩) ৰংখয় লৰ' (৪) আমনি লৰ' (৫) মাক্ৰো লৰ' (৬) মালাং লৰ' (৭) চগ্ৰা লৰ' (৮) লুমফিন লৰ' (৯) আমজং লৰ' আৰু (১০) আম্‌ৰি লৰ' (নামেই গোটবোৰক সূচাইছে।)

এই নেতৃবৃন্দৰ স্থান সামাজিক আৰু ধৰ্মীয় অনুশাসনত অতি উচ্চ। তেওঁলোকৰ আদেশ শিৰোধাৰ্য। তেওঁলোকে পাহাৰীয়া লালুংসকলৰ সামাজিক আৰু ধৰ্মীয় পৰিৱেশ কঠোৰভাৱে পৰ্যবেক্ষণ কৰে, যাতে পৰম্পৰাগত নীতি-নিয়মবোৰ ভংগ নহয়।

বিবাহ ঃ

একে কুল বা 'খুল'ৰ লৰা-ছোৱালীৰ মাজত বিবাহ নিষিদ্ধ। পুতেক-জীয়েকে মাকৰ কুল লয়। বাপেক-মাকৰ কুলৰ ছোৱালী-ল'ৰাই বিয়া কৰিব নোৱাৰে। তেনেদৰে ছোৱালীয়ে বাপেক-মাকৰ কুলৰ ল'ৰা বিয়া কৰিব নোৱাৰে। কৰিলে বিচ্ছেদ ঘটায় নাইবা গাঁৱৰ পৰা খেদি পঠিয়ায়। মাকৰ ভাই- ককায়েকৰ ছোৱালী ল'ৰাই বিয়া কৰাব নাপায়। তেনেদৰে বাপেকৰ ভনীয়েক-বায়েকৰ ল'ৰা-ছোৱালীয়ে বিয়া কৰাব নাপায়। বিয়াৰ পাছত শাহুয়েকৰ ঘৰত জোঁৱাই (গভীয়া) থাকিব লাগে। ঘৰত যিজনী ছোৱালী শেষলৈকে বিয়া নোহোৱাকৈ থাকে, সেই ছোৱালীজনীয়ে মাকৰ ঘৰটো উত্তৰাধিকাৰী সূত্রে বিয়াৰ পাছত পায়। সেই ছোৱালীজনীৰ বায়েকহঁতে বিবাহৰ পাছত মাকৰ মাটিৰ ভাগ পায় আৰু তেনে মাটিতে ঘৰ-বাৰী কৰি গিৰিয়েকসকলক গভীয়া (ঘৰজোঁৱাই) কৰি ৰাখে। গাৰোবিলাকে একেবাৰে সৰুজনী ছোৱালীক উত্তৰাধিকাৰিণী মানে, কিন্তু পাহাৰীয়া লালুঙে যিজনী ছোৱালী ঘৰত শেষলৈকে থাকি বিয়া হয়, তাইকেই মাকৰ ঘৰ-সম্পত্তিৰ উত্তৰাধিকাৰিণী কৰে। পুতেকহঁতে মাকৰ কোনো মাটি-বাৰী, ঘৰ-সম্পত্তি নাপায়। ছোৱালীবোৰক খেতিৰ মাটিও বিবাহৰ পাছত মাকে দিয়ে। গতিকে মাতৃ শ্ৰেষ্ঠা আৰু নাৰীকুল শ্ৰেষ্ঠা। কিন্তু পুৰুষৰো কৰ্তব্য নোহোৱা নহয়। মোমায়েক বা ককায়েক হিচাপে ভাগিনী ছোৱালী বা বাই-ভনীৰ ঘৰত তেওঁ 'বৰজেলা' বা 'সৰুজেলা'। 'বৰজেলা' বা 'সৰুজেলা'ৰ লালুঙৰ সমাজত স্থান উচ্চ। ভনীয়েক-বায়েক বা ভাগিনীয়েকৰ ঘৰত তেওঁলোক কুল-দেৱতাৰ পূজাৰী। 'সৰুজেলা'ই বৰজেলাৰ অনুপস্থিতিত কুল-দেৱতাৰ পূজা কৰে। বিয়া-বাৰুৰ সিদ্ধান্ত লওঁতেও এওঁলোকৰ মতামত লোৱা হয়। ছোৱালীৰ ঘৰলৈ গৈ ভাগিনীয়েকৰ (বায়েক বা ভনীয়েকৰ ল'ৰা) বাবে ছোৱালী খোজা আৰু সকলো যাৱতীয় কথা-বাৰ্তা পাতি সিদ্ধান্ত লোৱা তেওঁলোকৰ কৰ্তব্যৰ ভিতৰত পৰে। তেওঁলোকে কোনজনী ছোৱালী উত্তৰাধিকাৰিণী হ'ব, সেই কথাও মাক-বাপেকৰ লগত আলোচনা কৰি সিদ্ধান্ত লোৱাত সহায় কৰে।

লালুঙৰ মাজত বিবাহকাৰ্যৰ পদ্ধতি তিনিপ্ৰকাৰৰ—(১) খোজাবঢ়া কৰি বিবাহ, (২) ল'ৰা-ছোৱালীৰ মনৰ মিলনৰ বিবাহ আৰু (৩) জোৰ-জবৰদস্তি বিবাহ। অন্য গাঁৱৰ ছোৱালীক ল'ৰাই বিয়া কৰাৰ ক্ষেত্ৰত আৰু ল'ৰাই নিজৰ মাক-বাপেকৰ ঘৰলৈ অনাৰ ক্ষেত্ৰত খোজাবঢ়া কৰি বিয়া ঠিক কৰা হয়। ল'ৰাটোৰ মাক-বাপেকে কইনাৰ মাক-বাপেকক 'কইনা-ধন' দিব লাগে। 'কইনা-ধন' বেছি নহয়। বিয়াখন ঠিক-ঠাক কৰাৰ নিয়ম-নীতি মানি মাকক 'কইনা-ধন' বিয়াৰ দিনা দি সাধাৰণভাৱে বিয়াখন অনুষ্ঠিত কৰে। মাকে কইনাক পিতলৰ কাঁহী, কাঁহৰ বাটি দিয়ে। ল'ৰাটোৰ ঘৰলৈ ছোৱালী আনিলে ল'ৰাৰ মোমায়েকে কুল দেৱতাৰ পূজা কৰে। তেতিয়া কইনাই নিজৰ কুল দেৱতাক পূজা কৰাৰ অধিকাৰ হেৰুৱায় আৰু ল'ৰাৰ কুলকে নিজৰ কুল আৰু ল'ৰা-ছোৱালীৰ কুল হিচাপে ল'ব লাগে।

দ্বিতীয়বিধ বিবাহত ৰাতি ছোৱালীৰ ঘৰত ডেকাই চুপতি মাৰি থাকোতে মনৰ মিল হ'লে ৰাতি ছোৱালীৰ লগত নৈশ যাপন কৰে আৰু ছোৱালীৰ ঘৰতে ৰাতি পুৱায়। সেইদিনাই বিয়া পাতিব লাগে। ল'ৰাৰ মাক-বাপেকে কথাটো জানি কইনাক ঘৰলৈ আনি মদ-পানী খায়।

তৃতীয়বিধ বিবাহ আচহুৱা ধৰণৰ। এখন গাঁৱৰ এটা ল'ৰাই অন্য এখন গাঁৱৰ ছোৱালী এজনী ভাল পায় আৰু আহ-যাহ কৰি থাকিলে সেই গাঁৱৰ ল'ৰাবোৰে কথাটো গম লৈ থাকে। কিন্তু ল'ৰাই যদি বিয়া কৰাবৰ মন কৰা নাই অথবা অন্য এগৰাকীৰ লগতো সম্পৰ্ক গঢ়ি তোলা দেখে, তেতিয়া সুবিধা বুজি গাঁৱৰ ল'ৰাবোৰে ল'ৰাটোক ধৰি- বান্ধি আনি জোৰ-জবৰদস্তি কৰি ছোৱালীজনীৰ ঘৰত বিয়া পাতি দিয়ে।

বিধৱা বিবাহ প্ৰচলিত কিন্তু বেছি নহয়। দেওৰেকে বৌয়েকক ককায়েকৰ মৃত্যুৰ পাছত বিয়া কৰিব নোৱাৰে। তিৱা সমাজত বাল্য বিবাহ নাই। ছোৱালী নাথাকিলে পৰিয়ালে অন্য ছোৱালীক পোষ্য কন্যাৰূপে তুলি লোৱাৰ প্ৰথাও নাই। গতিকে পৰিয়ালটো শেষ হয়। গতিকে ল'ৰালৈ কেতিয়াবা ছোৱালী খুজি-বাঢ়ি আনি ছোৱালীজনীক বোৱাৰীয়েকে হ'লেও উত্তৰাধিকাৰী কৰি মাতৃপ্ৰধান নিয়ম ভংগ নোহোৱাৰ প্ৰচেষ্টা চলায়। কিন্তু এনে বিবাহত ছোৱালীৰ মন নাথাকে। গতিকে এনে বিবাহ কম।

অন্য সম্প্ৰদায়ৰ লোকে পাহাৰীয়া লালুঙৰ ছোৱালীলৈ চাপি গভীয়া সোমালে সেই লোকজনক ছোৱালীজনীৰ মাক বা বাপেকৰ কুলত তুলিবলৈ অন্য এক কুললৈ তুলি লয়, যাতে একে কুলত বিবাহ নোহোৱা প্ৰথা অটুট হৈ থাকে।

এতিয়া অৱশ্যে উচ্চ শিক্ষাৰ প্ৰভাৱত পাহাৰীয়া লালুঙৰ ল'ৰায়ো ছোৱালী বিয়া কৰি ঘৰলৈ আনে আৰু মাক-বাপেকেও মানি লয়। গতিকে এনে পুত্ৰয়ো মাকৰ সা-সম্পত্তিৰ ভাগ পোৱা দেখা যায়। কিন্তু ই এক ব্যতিক্ৰম নিয়ম নহয়।

সমগোত্ৰীয় কুলবোৰক 'মাহাৰচা' বুলি কয়। গতিকে বিবাহ একে কুল আৰু একে 'মাহাৰচা'ত নহয়। ছোৱালী নথকা পৰিয়ালে নিজৰ পৰিয়ালটো ৰক্ষা কৰিবলৈ ল'ৰাটোলৈ ছোৱালী এজনী বিয়া কৰি আনি ঘৰখন ৰক্ষা কৰিবলৈ লোৱা প্ৰচেষ্টাত প্ৰথমতে ল'ৰা আৰু ছোৱালীৰ মনৰ মিল, পাছত কুল আৰু 'মাহাৰচা' একে নোহোৱাৰ নিশ্চয়তা আৰু তাৰ পাছত সেই মাহাৰচাৰ মুৰব্বীসকলে আগতে কেতিয়াবা ল'ৰা-ছোৱালীৰ 'মাহাৰচা'ৰ ভিতৰত বাৰটা বংশৰ আগলৈকে বিয়া-বাৰু হৈছিল নেকি বুজি-বাজি লয়। তাকে বাৰবংশ ছিঙা বুলি কয়। বাৰটা বংশৰ আগলৈকে যদি 'মাহাৰচা' দুটাৰ মাজত বিয়া-বাৰু কেতিয়াও হোৱা নাছিল, তেতিয়াহে দুয়োঘৰকে বিয়া কৰাৰ অনুমতি দিয়ে আৰু কইনা-ধন, ইত্যাদি, বিষয়ে আলোচনা কৰি বিয়া কৰাৰ পৰামৰ্শ দিয়ে। যদি ধাৰ্য হোৱা 'কইনা-ধন' ল'ৰাৰ 'মাহাৰচা'য়ে পৰিশোধ কৰাত অসমৰ্থ হয়, তেতিয়া মনে মিলা অন্য 'মাহাৰচা'ৰ ওচৰ চাপি ল'ৰাৰ ঘৰ আৰু ল'ৰাৰ 'মাহাৰচা'য়ে সহায় লয়। তাকে 'থাগানে বংশ' বোলা হয়। একে কুল আৰু মাহাৰচাৰ পৰা সকলো কামতে সহায়-সহযোগ বিচৰা লালুঙৰ নিয়ম।

পাহাৰীয়া তিৱা সমাজত জন্মৰ সময়ত পূজা পাঠৰ বাধ্য-বাধকতা নাই। কিন্তু মাকগৰাকীৰ ৰক্তক্ষয় অধিক হোৱা দেখিলে 'শনি পূজা' কৰে। ইয়াক 'মঞ্চ পূজা' বুলিও কোৱা হয়। সন্তানৰ মাতৃক অপৰিষ্কাৰ বুলি ধৰা নহয়। সন্তান জন্মৰ সময়ত তিৰোতা মানুহহে থাকিব পাৰে। নাম দিওঁতে মৃত আত্মীয়, যেনে—ককাদেউতা বা আইতা আদিৰ নাম দিয়ে। ওজাই এনেকৈ নাম দিয়ে—যেতিয়া এফালৰ পৰা পূৰ্বপুৰুষৰ নাম গাই যাওঁতে ল'ৰা বা ছোৱালী কেঁচুৱাই যি নাম লওঁতে কান্দোন বন্ধ কৰে, সেই নামকে সাধাৰণতে দিয়ে। অৱশ্যে আজিকালি আধুনিকতাৰ ছাপ পৰিছে, গতিকে নতুন নতুন নামো পৰিয়ালত সোমাইছে।

মৃত্যুৰ সৎকাৰ বিধি ঃ

মৃত্যুৰ ক্ষেত্ৰত পাহাৰীয়া লোকৰ পৰিয়ালে মৃতদেহ এৰাতি ঘৰতে ৰাখে আৰু পৰিয়ালৰ আৰ্থিক অৱস্থা অনুসৰি কাঠ সংস্কাৰ কৰে বা পুতি থয়। প্ৰতিটো কুলৰে শ্মশানত নিৰ্দিষ্ট স্থান থাকে। প্ৰায়েই গাঁওখনৰ ওচৰতে এনে স্থান অৱস্থিত। শ্মশানথলীত ওখ শিল পোতা হয়। আটাইতকৈ ওখ শিলছটাই কুলৰ প্ৰথম পূৰ্বজৰ মৃতস্থানকে বুজায়। অৱশ্যে আগতে শিল এছটা মৃত ব্যক্তিৰ পোৰা বা পোতা স্থানত সুন্দৰকৈ স্মৃতিচিহ্ন হিচাপে ৰখাৰ নিয়ম আছিল যদিও বৰ্তমান পাহাৰীয়াসকলৰ মাজত নাই।

চামাদিৰ ল'ৰাবিলাকে মৃতকৰ পৰিয়ালক সহায় কৰে। গাঁৱৰ মানুহ মৃতকৰ ঘৰত গোট খায় আৰু ভাল অৱস্থাৰ পৰিয়ালে কুলৰ নিৰ্দিষ্ট স্থানত মৃতদেহৰ কাঠ সংস্কাৰ কৰে। এটা মুৰ্গীকণী, পিঠা আৰু ভাত আৰু লাওপানীৰ বটল কলপাতত লৈ দুগৰাকী অন্য কুলৰ মহিলাই বস্তুবোৰ লৈ আগবাঢ়ে। কণী আৰু চাউলো শ্মশানলৈ যোৱা লোকে লৈ যায়। শ্মশানলৈকে বাটে বাটে চাউল ছটিয়াই যায়। গঞা-জ্ঞাতি (মহিলা) মৃতদেহটোৰ লগে লগে মৃতকৰ কৰ্মৰাজিৰ বিষয়ে গীত-গাই যায়। জান বা জুৰি পাৰ হ'ব লগা হ'লে সেই জুৰি বা জানৰ ওপৰেদি সূতা টানি তিৰোতা মানুহে পাৰ কৰি লৈ যায়। মৃতদেহটো পৰিয়ালৰ মানুহে কঢ়িয়াই নিয়ে। ঘৰৰ পৰা ওলাওঁতে জুই জ্বলাই ঘৰৰ মুখত ছাই এসোপা বাঁহৰ পাচি এটাৰে ঢাকি থৈ যায়। সেই দুৱাৰেদি কোনো লোক সোমোৱা নিষেধ। সাত জাপ খৰিৰে চিতা সজাই মৃতদেহ ঘৰৰ ফালে মূৰ কৰাই পাছত মূৰটো পূবলৈ কৰি চিতাত তোলে। নিয়মানুসৰি মৃতদেহৰ মুখত অলপ লাওপানী ঢালি দিয়া হয়। তিৰোতা মানুহ দুগৰাকীয়ে অনা খোৱাবস্তু চিতাৰ আগত ৰখাৰ লগতে তামোল পাণো ৰাখে। আত্মীয়সকলে প্ৰথমে মৃতদেহটোৰ ওপৰত কাঠ জাপে তাৰ পছত গাঁওবাসীয়ে কাঠ আগবঢ়ায়। আৰু মৃত ব্যক্তিৰ পুত্ৰই মুখাগ্নি কৰা নিয়ম। মৃত ব্যক্তিৰ পুত্ৰ নাথাকিলে একে কুলৰ ল'ৰা বা মুনিহে মুখাগ্নি কৰে। মুখাগ্নিৰ আগতে পুত্ৰ বা ব্যক্তিজনে সাতবাৰ চিতাৰ চাৰিওফালে ঘূৰে। যদি চিতাৰ জুই সোনকালে জ্বলি উঠে আৰু সোনকালে পোৰে তেতিয়া পৰিয়ালৰ মংগল বুলি ধাৰণা কৰে। যদি সোনকালে নজ্বলে, ভবা হয় মৃত ব্যক্তিৰ কিবা খাবলৈ আশা বা লোভ থাকি গ'ল। তেতিয়া শ্মশানতেই খাদ্যবস্তু আগবঢ়াই দিয়া হয়। যদি সোঁ ভৰিটো জুই দিওঁতে ওপৰলৈ উঠি যায় পৰিয়ালৰ কাৰণে বেয়া বুলি বিশ্বাস কৰে। বাঁও ভৰিটো উঠিলে কুলৰ কাৰণে অমংগল বুলি ধাৰণা হয়। পৰিয়ালৰ সকলো লোকে চিতা পুৰি শেষ হ'লে চিতা পাছফালে ৰাখি হাতত চাউল লৈ শ্মশানৰ ফালে পিছফালে ছটিয়ায় কয়, 'আজিৰ পৰা যেন আমি বেয়া সপোন নেদেখো', ছাইবোৰ ভালদৰে একেলগ কৰি সৰুকৈ বাঁহ-খেৰৰ ঘৰ এটা নিৰ্মাণ কৰি এৰি থৈ আহে।

ভূত-প্ৰেতক বিশ্বাস কৰা লালুংসকলে সততে ওজাক মাতি জৰা-ফুকা কৰায়। মংগল চোৱায়। যাঠি এপাটেৰে মংগল চায়। লালুংসকলৰ কোনো দেৱ-দেৱীৰ মূৰ্তি নাই। থান অৱশ্যে আছে। তেওঁলোকৰ পালকোঁৱৰ হ'ল আটাইতকৈ ডাঙৰ দেৱতা। 'ফা-মহাদেউ' অন্য এজন ডাঙৰ দেৱতা। বটল -মাঝি, মৰামুঝি, ৰংচু কোঁৱৰ, চুমাইমুৰা আদি প্ৰধান দেৱতা, লুখুমী হ'ল ডাঙৰ দেৱী। লুখুমী পূজাত আনকি নৰবলিও দিছিল।

পাহাৰত পালকোঁৱৰথান, লুখুমীথান আদি থানবোৰ অতি গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ। কুলবিলাকৰ নিৰ্দিষ্ট দেৱতা থাকে। মাচ্‌লাই কুলৰ দেৱতা হ'ল পালাকোঁৱৰ, বটলমাঝি, ফুৰিমচৰ , সনৰি; তেনেদৰে

পূমাকুলৰ দেৱতা হ'ল পালাকোৱঁৰ, বটলমাঝি, চিঙাৰঙ, খুবি-লুবি; মাগ্রো কুলৰ দেৱতা হ'ল পালাকোঁৱৰ, বটলমাঝি, কাৱলা দেৱতা। পালাকোঁৱৰ, সকলো কুলৰে দেৱতা। ভিতৰ কোঠালিৰ 'থম-থুনা' নামৰ দেৱ-খুঁটাত কুলদেৱতাক পূজা দিয়ে। সদায় সেই খুঁটাৰ আগত ভাত আৰু লাওপানী আগবঢ়ায়।

তিৱাসকলে চগ্রা পূজা ফাগুন-চ'ত মাহত পাতে। তাৰ পাছতে জংখং পূজা পাতে । চগ্রা পূজা বছৰেকীয়া পূজা। লৰ' বা হাদাৰীয়ে পূজা কৰে। পাঁচ বছৰৰ মূৰে মূৰে লুখুমী পূজা পাতে। লৰ' নথকা গাঁৱত 'পিচাই'য়ে (গাঁৱৰ অভিভাৱক নেতৃস্থানীয় লোকে) পূজা চলায় ।

লাংখুন পূজা বছৰেকীয়া পূজা। ছেপ্টেম্বৰ মাহত এই পূজা পাতে। মুঠতে লালুংসকলৰ বহুতো পূজা-পাৰ্বণ । য়াংলি পূজা তিনি বছৰৰ মূৰে মূৰে, মহাদেউৰ পূজা ভাদ মাহত, কাতি মাহত লাংখুন পূজা, লাইদাম মাহ বা আঘোণত বৰ জংখং, সৰু জংখং, মুথিলাবা পূজা ছেপ্টেম্বৰ মাহত, আৰু পিঠাগুড়ি খুন্দা পূজা ছবছৰৰ মূৰে মূৰে চামাদি বা ডেকাচাঙত পাতে। কেঁচুৱা জন্ম হ'লে ঘৰত খৰটেং পূজা পাতে।

লালুংসকলৰ দেৱ-দেৱী খ্ৰীষ্টধৰ্মী পাহাৰীয়া লালুং গাঁৱত অপ্রচলিত। কিন্তু ভূত-প্রেতলৈ ভয়, শপত খাবলৈ ভয় কৰা খ্ৰীষ্টধৰ্মী লালুঙো নথকা নহয়। তিৱা সমাজত মৃত্যুৰ পাছত আত্মা (ফিদ্রি) স্বৰ্গলৈ যোৱাৰ ধাৰণা আছে। বৈকুণ্ঠ, স্বৰ্গ, নৰক আদিৰ ধাৰণাও আছে। যম বা ধৰ্মৰজাৰ ধাৰণা, প্রভু, ঈশ্বৰ, ৰাজিদেউ তথা সৰ্বশক্তিমান ঈশ্বৰ আছে। বলি-বিধান লালুঙৰ ধৰ্মীয় নীতি। আনকি মহাদেউকো বলি আগবঢ়ায়।

এনেদৰেই পাহাৰীয়া তিৱাসকলে অতীত আৰু বৰ্তমানৰ পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই চলি আছে। নিজৰ সোণালী অতীতৰ কথা কৈ, নিজৰ ভাষাত গীত-মাত, পূজা-পাৰ্বণ, ৰংঢ়ইচ কৰিও গৌৰৱবোধ কৰি আহিছে ।

গ্ৰন্থপঞ্জী ঃ

1) *'The Hill Lalungs'*-Dr. B.K.Gohain, ABILAC, Guwahati.
2) *'The Continuity and Change in the Hills of Assam'* Dr. B.K. Gohain, 1994, Omsons Publication, T-7, Rajouri Garden, New Delhi.
3) *'The Lalung Society'* - Shyam Choudhury and M.M. das, 1973, New Delhi.
4) *'The Lalungs (Tiwas)'* G.C. Sharma Thakur, 1985, Guwahati.
5) *'The Linguistic Survey of India, Vol -III, Part-I* - 1903, Calcutta.
6) *'Lalung Dictionary'*, M. Balwan, 1965, Nongpoh
7) *Census of India, 1961* : B. K. Roy Burman, 1963, New Delhi.
8) *Census of India : 1971*: A.K. Saikia, 1976: Delhi.

বৰো-খছাৰী ঃ সৃষ্টি ঐতিহ্য শিল্পকলা

ড° শোভা ব্ৰহ্ম

বৰো-খছাৰীসকল ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাচীনতম জনগোষ্ঠীসকলৰ অন্যতম, এই কথা বিভিন্ন বিশেষজ্ঞ পণ্ডিতসকলৰ মন্তব্যৰ পৰা সন্দেহাতীতৰূপে জনা যায়। তেওঁলোকৰ বিভিন্ন লোকগাথা, প্ৰবাদ বাক্যত, নিশ্চিত ৰূপত ৰেখাংকিত হৈ আছে, খ'ৰ'ছা + হাৰী = খছাৰী, অৰ্থাৎ যি জনগোষ্ঠীৰ অৱস্থান মূৰৰ শিতানত সিয়ে খছাৰী। বিখ্যাত পণ্ডিত, ঐতিহাসিক ই, এ, গেইট (E.A. Gait) চাহাবে History of Assam গ্ৰন্থত লিখিছে, উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ প্ৰাচীন নদ-নদী, বিভিন্ন স্থান, কীৰ্তিসমূহৰ নামৰ ক্ষেত্ৰত খছাৰী শব্দ দেখিলে সহজেই প্ৰতীয়মান হয় এই জনগোষ্ঠী অসম ৰাজ্যত আহোম ৰাজ/শাসক গোষ্ঠীৰ ছশ বছৰৰ অধিককাল শাসন সত্বেও এই বিস্তৃত অঞ্চলত উপৰিউক্ত স্থানসমূহত আহোম শব্দৰ উপস্থিতিৰ অভাৱে গেইট চাহাবৰ কথাকে প্ৰতীয়মান কৰে।

মহেঞ্জোদাৰো আৰু হৰাপ্পাত সিন্ধু উপত্যকাৰ সভ্যতাৰ আৱিষ্কাৰ আৰু পাঞ্জাৱ, সিন্ধু, বেলুচিস্তান, গুজৰাট, ৰাজস্থান, পশ্চিম যুক্ত-প্ৰদেশ আদিকে ধৰি সেইসকল সভ্যতাৰ বিস্তৃতি দৃষ্টিলৈ অহাৰ লগে লগে পশুজগতৰ তথা প্ৰাণীজগতৰ অধিষ্ঠাত্ৰী দেৱতা শিৱৰ ধৰ্মতত্বৰ লগত আমাৰ পৰিচয় হয়; প্ৰকাৰান্তৰে এই আৱিষ্কাৰৰ অবিচ্ছিন্ন ধাৰাৰ ফলত ১৯২০ চনৰ পাছৰ পৰা ভাৰতীয় পৰম্পৰাগত ইতিহাসৰ আমূল পৰিৱৰ্তন হ'বলৈ বাধ্য হয়। হায়েনৰীখ জিমমাৰে (Heinrich Zimmer) কৈছে, বহিৰাগত আৰ্যসকলৰ প্ৰাচীনতম নথিপত্ৰত লিংগপূজাৰ উল্লেখ আছে, ঋগবেদত যিবোৰত বিজিত জনগোষ্ঠীক অৱমাননাসূচক ভাষাত মন্তব্য দিয়া হৈছে, সেইসকল জনগোষ্ঠী যাৰ দেৱতা লিংগ। আনুমানিক পৰৱৰ্তী কালৰ আৱিষ্কাৰে মহেঞ্জোদাৰোত প্ৰাপ্ত লিংগসদৃশ সামগ্ৰী আৰু আঙঠি সদৃশ নাৰী অংগৰ নিৰ্দেশ দিয়ে খ্ৰীঃ পূঃ তৃতীয় সহস্ৰাব্দত সিন্ধু সভ্যতাৰ এই শ্ৰেণীৰ পূজাৰ প্ৰক্ৰিয়াই যথেষ্ট গুৰুত্ব লাভ কৰে। তেওঁ আৰু কয়, অতিৰিক্ত গুৰুত্বপূৰ্ণ অনা-আৰ্য জনপ্ৰিয় ধৰ্ম

প্ৰক্ৰিয়াৰ উপাদানৰ অন্তৰ্ভুক্ত, সৰ্প আৰু বৃক্ষপূজা।

অসমৰ ভূতপূৰ্ব ৰাজ্যপাল লালন প্ৰসাদ সিঙৰ গ্ৰন্থ, Tantra Its Mystic and Scientific Basisৰ পৰা নিম্নলিখিত প্ৰাসংগিক উদ্ধৃতি দিয়া যাব পাৰে।

'The founder of Tantra is Lord Shiva. He is known as Adi Guru (Devadideva). Sir John Marshall says in the Excavation Report of Harappa and Mohen-jo-daro that Shiva is the non-Aryan Pantheon of pre-Vedic India.

Shiva remaining eternally in the State of bliss and beautitude, that is why he is called Sada Shiva (one who always remains in bliss)'

The Harappa Civilization is the gift of Saivism. The only male God of the Harappan culture is Lord Shiva.

Saivism and Saktism are the two aspects of Tantra. Saktism represents the beginning of Tantra Sadhana and the Saivism is the culminating point of the spiritual march.

Devotion is the secret of Tantra Sadhana. Without self-surrender, there is no possibility of success in Tantra Sadhana. It has been said that the cult of devotion originated in the Dravidian land, i.e. eastern India.

The impact of the Tantra culture in eastern India is greater than in northern and western India.

Prof. Winternitsz says: The original home of the Tantra seems to have been in Bengal where they spread throughout Assam and Nepal and even beyond India to Tibet and China through the Agency of Buddhism.

(তন্ত্ৰৰ প্ৰতিষ্ঠাপক ভগৱান শিৱ। তেওঁ আদিগুৰু, দেৱাদিদেৱ নামে পৰিচিত। ছাৰ জন মাৰ্ছালে হৰাপ্পা আৰু মহেঞ্জোদাৰোৰ খননকাৰ্যৰ প্ৰতিবেদনত কৈছে, শিৱ প্ৰাক-বৈদিক ভাৰতবৰ্ষৰ আৰ্যভিন্ন ধৰ্মবিশ্বাসৰ পুৰুষ দেৱতা।

শিৱ সদানন্দ সমাধিস্থ অৱস্থাত থাকে, সেই কাৰণে তেওঁক সদাশিৱ আখ্যা দিয়া হৈছে। (যিয়ে সদানন্দ অৱস্থাত থাকে)। হৰাপ্পা শব্দ 'হৰ' আৰু 'আপ্পাৰ' সহযোগত হৈছে, যাৰ অৰ্থ শিৱ আৰু পিতৃ। হৰাপ্পা সভ্যতা শৈৱধৰ্মৰ অৱদান। ভগৱান শিৱেই হৰাপ্পা সংস্কৃতিৰ একমাত্ৰ পুৰুষ দেৱতা।

শৈৱধৰ্ম আৰু শক্তিধৰ্ম তন্ত্ৰৰ দুটি দিশ। শক্তিধৰ্মই তন্ত্ৰ সাধনাৰ প্ৰাৰম্ভৰ সূচনা কৰে আৰু শৈৱধৰ্মই তাৰ আধ্যাত্মিক পদযাত্ৰাৰ শেষান্ত বিন্দু।

আত্ম-উৎসৰ্গা তন্ত্ৰ সাধনাত গোপন কথা। আত্মনিবেদন অবিহনে তন্ত্ৰ সাধনাত সফলতাৰ সম্ভাৱনা নাই। আত্ম-উৎসৰ্গাৰ বিধান দ্ৰাবিড় ৰাজ্যত, অৰ্থাৎ পূৰ্ব ভাৰতত উৎপন্ন হোৱা বুলি জনা যায়।

তন্ত্র সংস্কৃতিৰ প্ৰভাৱ উত্তৰ আৰু পশ্চিম ভাৰতৰ তুলনাত পূৰ্ব ভাৰতত অধিক প্ৰবল। অধ্যাপক উইণ্টাৰ নীটজে কয় — তন্ত্ৰৰ মূল উৎপত্তি স্থল বংগদেশত যেন ধাৰণা হয়, তাৰ পৰা সমগ্ৰ অসম আৰু নেপালত বিয়পি পৰে। এনেকি বৌদ্ধধৰ্মৰ মাৰফত ভাৰতবৰ্ষ অতিক্ৰম কৰি তিব্বত আৰু চীনদেশ পায়গৈ।

হৰ হৰ মহাদেৱ (হৰ অৰ্থে ৰাত্ৰি তথা অন্ধকাৰ, যাৰ অৰ্থ প্ৰলয়) শিৱ, প্ৰলয়ৰ প্ৰতীক— বৰো ভাষাত হৰ অৰ্থে ৰাত্ৰি।

শিৱৰ প্ৰতীক সিজু গছ আৰু তেওঁৰে সহচৰী, সৃষ্টিৰ প্ৰতীক সৰ্প বৰোসকলৰ দ্বাৰাই পূজিত হৈ আহিছে। নক্ষ পৰ্বতত আৱিষ্কৃত সিজু গছৰ নিম্ন-উঠন ভাস্কৰ্য (low relief) আৰু আন এটাত সৰ্প-যুগলৰ মিথুন ক্ৰিয়াত আলিংগনাবদ্ধ ৰজ্জু সদৃশ পাৰস্পৰিক পাকচক্ৰৰ আৱেষ্টনীয়ে প্ৰয়োজন অতিৰিক্ত সাক্ষ্যৰ সৰবৰাহ কৰে যে বৰোসকলে বৃক্ষ আৰু সৰ্পৰ পূজা কৰি আহিছে। দুয়োটাৰে শক্তি আৰু প্ৰজনন সাৰবত্তাৰ প্ৰতীক হিচাপে চিৰন্তন স্বীকৃতি, সৰ্বজনবিদিত। শিল্প সৃষ্টিৰ ফালৰ পৰা শ্ৰেষ্ঠতা তথা চমৎকাৰিতা, এই জাতীয় সৃষ্টিয়ে অতুলনীয় উপস্থাপনিক চেতনাৰ কথা, ক্ষেত্ৰৰ যথাযথ বিন্যাস, পূৰ্ণাংগ গাঁথনিক আৰু আংগিক সম্পৰ্কীয় বিশেষজ্ঞ জ্ঞানৰ অধ্যয়নৰ পৰিচয় দিয়ে। প্ৰাক্-আৰ্য যুগৰ ভাৰতবৰ্ষত সৰ্বতোভাৱে লিঙ্গ পূজাৰ আচাৰ-অনুষ্ঠানৰ ৰূপত বিস্তৃতি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত শিৱ-ধৰ্মৰ তত্ত্ব আৰু লিংগ পূজাৰ পৰম্পৰাই হৰাপ্পা সংস্কৃতি আৰু তদ্ সম্বন্ধীয় উৎসৰ পৰা জন্ম লাভ কৰে। সিজু গছৰ গোলাকৃতি শাখা আৰু শীৰ্ষবিন্দুৰ গোলাকৃতিৰ পৰা লিংগৰ ৰূপ গঠনে জন্ম লাভ কৰে আৰু সিজু গছজোপাৰ পৰা চাৰিওকাষে শাখা-প্ৰশাখাৰ বিস্তাৰ কৰাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰা ভগৱান শিৱৰ ত্ৰিশূলৰ ৰূপ-গঠনে জন্ম লাভ কৰে। কিছুসংখ্যক বিশেষজ্ঞৰ পৰা আহৰণ হোৱা এইটো অন্যতম অভিমত। এই ধৰণে, ডিমাপুৰৰ ৰাজধানীৰ ইটাৰ নগৰীৰ তাৎপৰ্যপূৰ্ণ মন'লিথ (একশিল ভাস্কৰ্য)সমূহ এটি আধ্যাত্মিক সাধনা, আৰাধনাৰ পৰা জন্মলাভ কৰিছে। যিসকলে ভগৱান শিৱৰ আৰু লিংগ পূজাৰ আধ্যাত্মিক আকাংক্ষা তথা আৰাধনাৰ সূত্ৰৰ সঞ্জীৱনী প্ৰৱাহ অব্যাহত ৰাখিছে। যিহেতু আদিম যুগৰে পৰা মানুহ প্ৰকৃতিৰ অবিচ্ছেদ্য অংগ হৈ আহিছে; প্ৰকৃতিক মানুহে ৰূপ-গঠন, বৰ্ণ, দেহাকৃতি, দৃশ্য, শব্দ, ঘ্ৰাণ ইত্যাদি বহু বিচিত্ৰ অসংখ্য দৃশ্য বা অদৃশ্য ৰূপত পূজাৰ অৰ্ঘ্য আৰু প্ৰেম নিবেদন কৰি আহিছে। প্ৰকৃতিৰ প্ৰতি মানুহৰ প্ৰেম বা ঘৃণা, ভয়-শংকা, বিস্মৃতি, বিস্ময়, মৰ্মাঘাত ইত্যাদি মানুহে নিজৰ সৃষ্টিত ৰূপায়ণ কৰিছে, যিসকল ৰূপদান প্ৰকৃতিৰ নিজৰে লগত সাদৃশ্যগতভাৱে সমগোত্ৰীয় যদিও মানুহৰ অন্তৰ্নিহিত মন, মেধা, প্ৰতিভা আৰু শ্ৰম ইত্যাদিৰ পৰিপ্ৰেক্ষিতত প্ৰকৃতিৰ লগত ব্যতিক্ৰম বৰ্তমান আৰু অনস্বীকাৰ্য ।

ৰবীন্দ্ৰনাথে কৈছে যে প্ৰকৃতাৰ্থত ভাৰতবৰ্ষত ইতিহাস নাই। আৰ্যসকলে ভাৰতবৰ্ষৰ অসংখ্য স্থান ধাৰাবাহিকভাৱে নৈ, নদ-নদী, সকলো সাংস্কৃতকৰণ (sanskritization) কৰি সামগ্ৰিক দেশৰ প্ৰকৃত ভাবমূৰ্তিৰ পৰিৱৰ্তন সাধিবলৈ চেষ্টা কৰিছিল। তন্ত্ৰই কৈছে—উত্তৰ-পূব ভাৰতবৰ্ষৰ সংস্কৃতি হৈছে হৰাপ্পা সংস্কৃতি, পিতা শিৱৰ সংস্কৃতি, তন্ত্ৰৰ সংস্কৃতি। লালন প্ৰসাদ সিঙে 'তন্ত্ৰ'ত লিখিছে—

(Some part of present Eastern U.P. Bihar, Bengal, Assam, nay the Eastern India was Dravidian country. The Aryans could not conquer

this part of India. There is a Legend that if a man took a dip in the river Karmanasa which divides U P and Bihar, his sanskara (the reactive moment) would be wiped out. The Aryans were warned against crossing the Karmanasa.)

উল্লিখিত কাৰণত উত্তৰ-পূব ভাৰতত আৰ্যসকলৰ বহুতো পিছৰ শতিকাবোৰতহে আগমন ঘটিছিল। সেই কাৰণে আৰ্যসকলৰ অৱদান এইবোৰ ৰাজ্যত প্ৰাক্-আৰ্য জাতিবিলাকৰ তুলনাত নিচেই নগণ্য। নহ'লে হিন্দু বৰ্ণাশ্ৰমৰ প্ৰকোপত পৰস্পৰ জাতিদ্ৰোহিতাৰ পৰম্পৰা আৰু গভীৰভাৱে সৰ্বনাশী হ'লহেঁতেন; বিধৱা নাৰীৰ ওপৰত ধৰ্ম-সংস্কৃতিৰ ভয়াৱহ প্ৰভাব সতীদাহ প্ৰথা এইবোৰ ৰাজ্যতো বৰ্তি থাকিলহেঁতেন। নাৰী জাতিক শূদ্ৰসকলৰ সমান শাৰীত স্থাপন কৰা হ'লহেঁতেন। কিন্তু উত্তৰ-পূবৰ ৰাজ্যবোৰত নাৰী এই জাতীয় সৰ্বনাশী জ্বালা-যন্ত্ৰণাৰ স্বীকাৰ হ'ব লগা হোৱা নাই। তেওঁলোক পুৰুষসকলৰ সমানেই একে শাৰীত থিয় দি স্বাধীন জীৱনৰ ঘৰ-সংসাৰ ৰক্ষণাবেক্ষণৰ অধিকাৰ লাভ কৰি আহিছে।

এনেবোৰ পৌৰাণিক নৃ-তত্ত্ব-জাতিতত্ত্বৰ সমাজত, ঐতিহাসিক পৰিপ্ৰেক্ষিতত ত্ৰয়োদশ তথা আহোম যুগৰ (১২২৮-১৮২৬ খ্ৰীঃ) বহু বহু শতাব্দীৰ আগৰে পৰাই বৰো-কছাৰীসকলে ভাৰতবৰ্ষত যি সংস্কৃতি আৰু সভ্যতাৰ প্ৰাচীনতম নিদৰ্শন শতাব্দীৰ পাছত শতাব্দী প্ৰদৰ্শন কৰি আহিছে, সি অনুপম অতুলনীয়; তিব্বতী-মংগোলীয়, তিব্বতো-বৰ্মন, চাঁনো-মংগোলীয়, দ্ৰাবিড়-মংগোলীয় প্ৰক্ৰিয়াৰ মহামহিমাময় ৰূপ। প্ৰকাৰান্তৰে এইখিনিতে উল্লেখনীয়, আহোম বুৰঞ্জীত চু-কা-ফাৰ আগমনৰ সময়ত এইবোৰ ৰাজ্যত যিবোৰ ৰাজশক্তিয়ে তথা জনগোষ্ঠীয়ে ৰাজত্ব কৰি আছিল তেওঁলোকৰ ভিতৰত অকল চুতীয়া, বৰো-বৰাহী, ডুমিছা (তথা ডিমাছা) আৰু মৰাণ-মটক জাতিৰহে উল্লেখ আছে।

ভৌগোলিক-প্ৰাকৃতিক, পৰিৱেশিক পটভূমিত মহাৰণ্য, বন-জংঘল, পাহাৰ-পৰ্বত-টিলা, আকাশ, বহু-বিস্তৃত পথাৰ, গছ-গছনি, পোহৰ-অন্ধকাৰৰ আৱেষ্টনী, পশু-পক্ষীজগত, শ্বাপদ আদি মহাৰণ্যৰ এইবোৰ অভিন্ন আত্মা প্ৰাণীৰ লগত বৰোসকলৰ চিৰাচৰিত সম্বন্ধ।

নদ-নদী, নৈ-নিজৰা, মহানদী সেইবোৰৰ অন্তঃস্থলত বৰোসকলৰ জীৱন আৰু অন্তহীন কাহিনী, কথা, সুৰ, সংগীত, নৃত্যৰ চিৰন্তন প্ৰবাহ বৰো গাঁওবোৰত নিৰ্ভুলভাৱে দেখা পোৱা যাব পাহাৰ-পৰ্বত-টিলাৰ সমীপৱৰ্তী আৰু নৈ-নদী তথা মহানদীৰ কাষৰত। বন-জংঘল আৰু নৈ-নিজৰাৰ পৰা আঁতৰত বসবাস কৰাৰ নিদৰ্শন বৰোসকলৰ মাজত নাই।

বন-জংঘলত কাম কৰি, কাঠ কাটি, ধোলাই দি সংসাৰ নিৰ্বাহ কৰা বাদাৰী আৰু বাদাসকলৰ জীৱন-কাহিনী, মানুহ, বৃক্ষ, পশুজগতৰ লগতে আধিভৌতিক, আধ্যাত্মিক জগতৰ বিচিত্ৰ অবাস্তৱ কথাকাহিনী।

গ্ৰামভিত্তিক সমাজ (rural based society)'ত জীৱন-যাপন; হাদুংগ্ৰা, অৰ্থাৎ গাঁৱৰ প্ৰধান ব্যক্তি, গাঁওবুঢ়া, গুণী-জ্ঞানী-আঢ্যৱন্ত, পবিত্ৰ আচাৰ-আচৰণৰ ওপৰত সংসাৰ-যাত্ৰাত জীৱনৰ গুৰুত্ব। বিবাহ-সবাহ, খেৰাই উৎসৱ তথা আন ধৰ্মৰ অনুষ্ঠান (বৰ্তমান ব্ৰহ্মসকলৰ যজ্ঞাহুতিৰ বেদভিত্তিক ধৰ্মৰ অনুষ্ঠান) বৈসাগু, সভা-সমিতি, মেলা আনন্দ-উৎসৱত আত্মাহুতিদান।

সমাজ সংস্কাৰ, তৎ-প্ৰাসংগিক বিভিন্ন আন্দোলন। খেৰাইৰ মাজেদি বাথৌ তথা ভগৱান শিৱৰ পূজা, মদ্য-মাংসৰ ভোগ-বিলাস আৱৰ্জনা-আতিশয্যৰ বিপৰীতে গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ নেতৃত্বত ব্ৰহ্মবাদীসকলৰ সংস্কাৰ-আন্দোলন।

নব্যপ্ৰস্তৰ যুগত (Neolithic Age) বৰো নাৰীৰ কৃষি, আবাদ আৰু পশুপক্ষী ইত্যাদিৰ প্ৰতিপালন তথা অনুসন্ধান অন্যতম তাৎপৰ্যপূৰ্ণ পদক্ষেপ। এই যুগত অকল কৃষি-গছলতাৰ ৰোপণ, খাদ্য হিচাপে বন্য শাক-পাচলি, গছ-লতাৰ আৱিষ্কাৰেই নহয়, গৰু-ম'হ, হাতী, ঘোঁৰা, কুকুৰ, কুকুৰা, হাঁহ-পাৰ, ময়ূৰ ইত্যাদিৰ প্ৰতিপালনৰ বাহিৰেও বিভিন্ন বন্য গছ-গছনি ঘৰচীয়াকৰণ, স্থাপত্যৰ আৱিষ্কাৰ, সমাজ-গাঁৱৰ প্ৰতিষ্ঠা ইত্যাদি নব্যপ্ৰস্তৰ যুগৰ অত্যন্ত তাৎপৰ্যপূৰ্ণ ঘটনা। এইবোৰৰ ক্ষেত্ৰত অৱশ্যে জনজাতীয়সকলৰ, বিশেষকৈ জনজাতীয় তথা বৰো নাৰীৰ অৱদান যে গুৰুত্বপূৰ্ণ তাত সন্দেহ নাই। উপৰিউক্ত এইজাতীয় ঘৰচীয়াকৰণ (domestication) প্ৰক্ৰিয়াৰ দ্বাৰাই গোত্ৰ পদ্ধতিৰ (clan system) উদ্ভৱ হৈছে আৰু এইক্ষেত্ৰত জনজাতীয় তথা বৰো-খছাৰীসকলৰ অৱদান অৱশ্যে স্বীকাৰ কৰিব লাগিব। আজিলৈকে বৰো তিৰোতাই বন-জংঘলৰ মাজলৈ গৈ শাক-পাচলি তুলি-বুটলি আনি পৰিয়ালৰ মানুহক খুৱাইছে। অটব্য বন-জংঘলৰ সংখ্যাতীত গছ-লতা, মানুহৰ খাদ্য, শাক-পাচলি তেওঁলোকে চিনি উলিওৱাত বিস্ময়জনক ব্যুৎপত্তিৰ পৰিচয় দিব পাৰে।

এইধৰণে হালধীয়া-ৰঙচুৰা দেহৰ, হালধীয়া, হালধীয়া ৰঙা (reddish yellow), হালধীয়া-সেউজীয়া (yellowish green), হালধীয়া কুহুম ৰঙৰ (egg yellow), মৰা হালধীয়া (dead yellow) ৰঙা ৰঙৰ দখনা পিন্ধা, বুকু খোলখোৱা, চুলিৰ দোলখোৱা খোপা, টেঙা গছৰ কাঁইট সদৃশ নাক, পাৰচকুৰা, পৰুৱাৰ ক্ষীণ কঁকাল, বাঁহৰ গাজ সদৃশ কলাফুল, ঠগ লগা মিহি আঙুলি-হাতৰ বৰো তিৰোতাই প্ৰকৃতিৰ ফুল-পাত বায়চেত্ৰা সামগ্ৰীৰ ৰূপ লৈ শোভনসমৃদ্ধ কাপোৰৰ নক্সাৰ বিচিত্ৰ সন্ধান লৈ সেইবোৰৰ দ্বাৰাই বিচিত্ৰ বিপণী কাপোৰত বৈ ব্যৱহাৰ কৰে। হালধীয়া ৰঙটো বৰোসকলে যিধৰণে ব্যৱহাৰ কৰে, আনসকলে তেনেধৰণে ব্যৱহাৰ কৰা দেখা নাযায়।

বড়োসকলৰ ইতিহাস ঃ আগতে কোৱা হৈছে ভাৰতীয়সকলৰ ইতিহাস নাই। সেইধৰণে বৰোসকলৰো লিখিত ইতিহাস নাই। বৰোসকলৰ ইতিহাসৰ সন্ধান চীনা পৰিব্ৰাজক ফা-হীয়েন, হিউয়েনচাঙৰ বিশ্লেষণত, মুছলমান, আহোম আৰু ব্ৰিটিছ মিছনাৰী, ঐতিহাসিক, নৃ-তত্ত্ববিদ্‌সকলৰ পৰা জাৰিমিন লিজেগুত পোৱা যাব। বৰোসকলৰ ৰাজধানী শদিয়াত থকাৰ সময়ত বৰো-আহোম যুদ্ধ ১৫০ বছৰৰ পৰা ২০০ বছৰলৈকে চলি আছিল। বৰোসকলে যুদ্ধত পৰাজিত হৈ সাগৰসদৃশ মহানদী বুল্লুমবুথুৰ পাৰ হৈ ডিমাপুৰত সভ্যতাৰ প্ৰতিষ্ঠা কৰে; তাৰ পাছত মাইবাং, মাইবাঙৰ পৰা খসপুৰলৈ ৰাজধানী স্থানান্তৰ কৰে। মহানদী অতিক্ৰম কৰাৰ সময়ত আলাই-আথানি অৱস্থাত কিছুমানে পূব দিশে ভূটান সীমান্তত খছাৰী দুয়াৰ্সত চিকনাঝাড়ত ৰাজ্য স্থাপন কৰে; কিছুমানে জীৱন কিবা প্ৰকাৰে ৰক্ষা কৰাৰ স্বাৰ্থত নল-খাগ্ৰা যিহকে পায় অৱলম্বন কৰি পাৰত উঠি অ'ত-ত'ত সিঁচৰতি হৈ নিজৰ অস্তিত্বৰ সম্ভেদ দি সংসাৰ উদ্‌যাপন কৰি থাকে। যিসকলে বুল্লুমবুথুৰ পাৰ হ'ব নোৱাৰে তেওঁলোকে আৰু ৰজাৰ ৰাজবংশই ডিমাছাপুৰীত ৰাজত্ব বাহাল ৰাখে।

বৰো-খছাৰীসকলে মাইবাঙত ৰাজধানী পতাৰ পাছত ১৭৯০ খ্ৰীষ্টাব্দত হিন্দু ধৰ্মত ধৰ্মান্তৰিত হয় আৰু বঙলা ভাষাক আদালতৰ ভাষাৰ স্বীকৃতি দিয়ে। উত্তৰ-পূৰ্ব ৰাজ্যত বৰো-খছাৰীসকলেই

সৰ্বপ্ৰথম ইটাৰ ঘৰ সাজে, পাথৰ কাটি মূৰ্তি সাজে। সেই ৰাজ্যত কামাখ্যা মন্দিৰৰ পুৰণি প্ৰাচীন ঘৰটোৰ স্থাপত্যৰ ছালখনৰ স্থাপত্য, ডিমাপুৰৰ প্ৰৱেশদ্বাৰ মাইবাঙত মাহুৰ নৈৰ পাৰত ৰণচণ্ডী মন্দিৰ আৰু খসপুৰৰ শিলৰ খোদাই কৰা প্ৰৱেশদ্বাৰত স্থাপত্যৰ মৌলিক শৈলী তথা ৰূপ দেখিবলৈ পোৱা যায়। আমি জনা মতে, ডিমাপুৰত বৰো-খছাৰীসকলে তিনিশ বছৰ ৰাজত্ব কৰিছিল। ডিমাপুৰ খাছমাৰীত আটাইতকৈ বিস্ময়কৰ বৰোসকলৰ সৃষ্টি পাথৰৰ এক শিলৰতী মন'লিথ (monolith)বোৰ; এইবোৰক ভগৱান শিৱৰ প্ৰতীক লিংগৰ ৰূপ-সৃষ্টি বুলি আগতেই উল্লেখ কৰা হৈছে। সমগ্ৰ বিশ্বৰ শিল্পকলাৰ ইতিহাসত আজিলৈকে এই ৰূপ প্ৰত্যক্ষ কৰা হোৱা নাই।

ইংলণ্ডৰ চেলেসবেৰী (Salisbery Plains Stonehinge) নামৰ নবাপ্ৰস্তৰ যুগৰ পাথৰৰ কেবামাইল জোৰা গাঁথনি, ইষ্টাৰ আইলেণ্ডৰ সাগৰৰ মাজৰ দৈত্যাকায় পাথৰ মানৱপক্ষী সংযুক্ত ৰূপাকৃতিসমূহৰ লগত ডিমাপুৰৰ মন'লিথবোৰৰ ঐতিহ্য আধ্যাত্মিক তথা আদৰ্শগত মিল থকা বুলি কব পাৰি।

বৰো-খছাৰীসকলৰ বোৱা-কটা শিল্পৰ মাজত তেওঁলোকৰ অতি সূক্ষ্ম শিল্পৰুচি, সৃষ্টিশীলতা, ৰূপ-গঠন, ৰঙৰ চেতনা আৰু জাতীয় সামগ্ৰিক জীৱনৰ সম্ভ্ৰম-আভিজাত্যৰ নিশ্চিত পৰিচয় পাব পাৰি। লগতে সিবোৰৰ দ্বাৰাই আত্মমৰ্যাদা, স্বাৱলম্বিতা আৰু সামগ্ৰিকভাৱে বৰো নাৰীৰ অৰ্থনৈতিক চেতনা তথা দৃঢ় আত্মপ্ৰত্যয়ৰ পৰিচয় পাব পাৰি। ৰঙৰ অপূৰ্ব সমাৱেশ, বৈচিত্ৰ্যৰ লগতে বিভিন্ন উৎসৱ লগত সিবোৰৰ সাদৃশ্যত থকা চমৎকাৰিতাই সহজেই অভিভূত কৰে। হালধীয়া, ৰঙা, সেউজীয়া, ক'লা, বেঙুনীয়া, নীলা ইত্যাদি ৰঙৰ বিচক্ষণ সমিলমিল (distribution) অৱশ্যে সুসমঞ্জস্য। হালধীয়াৰ আকৌ কিমান বৈচিত্ৰ্য আৰু নাম, পৃথিৱীত কোনো জাতিৰ সাজ-পাৰত হালধীয়াৰ এনে সমাৰোহ আৰু একত্ৰিত সম্মোহন নাই; সিবোৰ নামৰ যিহেতু অসমীয়াত যথাযথ প্ৰতিশব্দ পাবলৈ নাই, ইংৰাজীতেই সেইবোৰ নামকৰণ কৰা অধিক নিৰাপদ। যেনে— Chrome yellow, yellow, orchre, Egg yellow, Reddish Yellow, Lemon Yellow, Dead Yellow, Indian Yellow, Gamboge Yellow ইত্যাদি। নক্সাবিলাকৰ নামৰ ভিতৰত – Fareo megon, senkhai agor, thaigir bibar, dhara agor, hazwagor batho remai, phanthao bibar, dinkhya agor, biscuit agor, baksu agor, besorbibar, daosa mwkhreb ইত্যাদি। বৰোসকলৰ নক্সা সৰলৰেখা, ত্ৰিভুজাকাৰ, আয়ত ক্ষেত্ৰাকাৰ, বৰ্গক্ষেত্ৰাকাৰ, সমান্তৰাল ক্ষেত্ৰাকাৰ, দণ্ডায়মান ৰেখা ইত্যাদিৰ সমষ্টি। নাক্সবিলাক প্ৰকৃতিৰ বিভিন্ন সামগ্ৰী, গছ-লতা-বৃক্ষ-ফুল-পাতৰ বাস্তৱায়িত ৰূপায়ণ নহয়; বিমূৰ্ত, আলংকাৰিক ঃ গাঁথনি ৰূপবিশেষহে। অতীতত বৰোসকলে কাপোৰৰ সূতাত ৰং গছ-গছনি শিপাৰ চূৰ্ণকৃত ৰস ব্যৱহাৰ কৰিছিল। প্ৰকৃতিৰ পৰা বহু বিচিত্ৰ ৰঙৰ সম্ভাৰ প্ৰয়োজন অনুসৰি আহৰণ কৰিবলৈ তেওঁলোকৰ কৌশল আয়ত্তাধীন আছিল।

বিশেষ ৰূপৰ নক্সা বিশেষ ধৰণৰ সাজপাৰ কাপোৰতহে ব্যৱহাৰ হ'ব পাৰিছিল। তিৰোতাৰ কাৰণে অনুমোদন সাপেক্ষ ৰং তথা নক্সা পুৰুষৰ সাজপাৰত ব্যৱহাৰ আপত্তিজনক আছিল। এই অনুশাসন ডিমাছাসকলে সৌ সিদিনালৈকে মানি চলিছিল · ডিমাছা কাপোৰৰ নক্সাত ৰূপ-গঠন আৰু ৰং বৰো-খছাৰীসকলৰ তুলনাত অনুচ্চ, ৰঙৰ গোট (unit) সূক্ষ্ম। যেনেকৈ ভাষা-শব্দ তথা সাহিত্যত

কাপোৰৰ নক্সাৰ নাম ডিমাছাসকলৰ বৰো-খছাৰীসকলৰ অধিক নিকট অৱস্থান, ৰাভাসকলৰ তুলনাত যদিও নামনি অঞ্চলত ৰাভাসকল বৰো-খছাৰীসকলৰ অধিক নিকটতৰ বাসিন্দা। ৰাভাসকল যেন হালধীয়া ৰঙৰ ব্যৱহাৰ বৰ্জন কৰি চলে যদিও সি বৰোসকলৰ অতি প্ৰিয় ৰং। এইটো অৱশ্যে এনে এটা ৰহস্য। ৰাভাসকল যদিও যথেষ্টভাৱে ৰঙা, ক'লা, নীলা, বেঙুনীয়া ৰং তেওঁলোকৰ পিন্ধা পৰিচ্ছদত ব্যৱহাৰ কৰে আৰু আন কাপোৰত হালধীয়া ৰঙৰ স্পৰ্শ স্পষ্টভাৱে আৰু সচেতনভাৱে তেওঁলোকে যেন বৰ্জন কৰি চলে। তেওঁলোকৰ নক্সা সন্দেহ নাই বৰো-খছাৰীসকলৰ সমানেই সমৃদ্ধ আৰু বৈচিত্ৰ্যবহুল, যদিও বা অধিক নহয়। ৰাভা নক্সাৰ কিছু নাম উল্লেখ হ'ব পাৰে, যেনে — গদ্ৰংগী, জেৰমুক, কিমপাৰ, মাইকাৰদাও-ই, মাজেং ফাস্কেৰ, দাবা, তাওফেমুক, ফাক, ফাবমুক, ফীমফেপাৰ, লাওকাৰমুক, বাৰচেক মুক, ফনদ্ৰাং, চিংকিবাৰমুক, গ্ৰেংগ্গ, নাপানপীৰ, দতৰ, গীঙ্গ তাঁই, ফাং, বেসৰপাৰমুৰ্ক। এইখিনি সামগ্ৰিক তালিকাৰ মাজত অৱশ্যে বোৱা কাপোৰ আৰু নক্সাৰ বিভিন্ন অংশ আৰু দিশ অঙ্গীভূত হৈ আছে।

সুৰ-বৰ্ণৰ সমাৰোহৰ মাজত নৃত্যৰত দেহ ঃ

মানুহৰ লগত বতৰ-ঋতুৰ সম্পৰ্ক আছে। কোন বতৰত উৎসৱ-আনন্দৰ সমাৰোহ আৰু জয়জয়কাৰ, সেইখিনি বতৰ কিম্বা প্ৰকৃতিয়েই দেখুৱাই দিয়ে। তেনেকৈয়ে কামৰ বতৰত মখোজীউ কামৰ উৎসাহ মানুহৰ মনসত্তাত প্ৰকৃতিয়েই জগাই তোলে। এইধৰণে মানুহ আৰু প্ৰকৃতিৰ সম্বন্ধ চিৰদিন বৰ্তি আহিছে বা বৰ্তি থাকিব।

ফাগুন-ব'হাগ মাহৰ বতৰত ৰং-আনন্দ-উৎসৱৰ সময়ত নাইবা কাতি-আঘোণ মাহত খেৰাই উৎসৱৰ সময়ত গীত-বাদ্য, নৃত্য-কোলাহলৰ মাজত বৰো গাঁওবিলাক গমগমাই-ৰিংৰিঙাই আকুল-বিয়াকুল হৈ পৰা দেখা যায়। বৰো-খছাৰীসকল চিকাৰ যুগ, নব্যপ্ৰস্তৰ যুগ অতিক্ৰম কৰি আহিছে, তেওঁলোকৰ জীৱনত গীত, নৃত্য, বাদ্যৰ মাজত দাম-দুম, দুম-দাম, লম্ফ-জম্ফ, চিঞৰ-বাখৰ, উদ্যম-উন্মত্ততা তথা উত্তেজনা আজিৰ যুগত আৰু থকাৰ কথা নাই। এইবোৰ যিসকলৰ সমাজ ব্যৱস্থাত আজিলৈকে চিকাৰ যুগৰ ৰেহ-ৰূপ লেপেটখাই আছে—নগা, মধ্যপ্ৰদেশৰ খাৰিয়া মুণ্ডা, উৰাও, ভীল, মুৰিয়া আদি জাতিৰ ৰাইজৰ নাচ-গানৰ মাজত আংশিকভাৱে থাকিলেও বৰ্তি থাকিব পাৰে। বৰো নৃত্যৰ খোঁজৰ মাজত দুম-দুম, দাম-দাম বা ভংগীৰ মাজত তথা গতিৰ মাজত ভৰি ভূমিৰ পৰা ওপৰলৈ দাং খাব নোৱাৰে—এই কথা অৱশ্যে বিষ্ণু প্ৰসাদ ৰাভায়ো কৈ গৈছে। এই খোজৰ ধৰণ ডিমাছাসকলৰ 'দাইংস্লিলাইবা', নৃত্যৰ ভংগী আৰু অৰুণাচল, হিমাচল প্ৰদেশৰ নৃত্যৰ ভংগিমাত দৃষ্টিগত হোৱা দেখা যায়।

বিভিন্ন নৃত্যত বিভিন্ন ৰঙৰ সমাৰোহ, চুলিৰ খোপাৰ আৱেষ্টনী, বন্ধনী, ৰেহৰূপ মন কৰিবলগীয়া। বৰো আৰু ডিমাছাসকলৰ চুলিৰ খোপা, নৃত্য বিশেষে কিছুমান কুকুৰাৰ নেজৰ নিচিনা খোপাৰ বান্ধোনৰ পৰা এৰি দিয়া কিছুমানত গোটেই চুলিখিনি পানীৰ সোঁতৰ নিচিনা তললৈ বৈ পৰিবলৈ এৰি দিয়া ইত্যাদি মন কৰিবলগীয়া।

১৯৬৩-৬৪ চনত ৰচিত আৰু নীলাচলত প্ৰকাশিত আমাৰ 'বড়ো জীৱনত দুফাং আৰু বিবাহ' প্ৰবন্ধৰ নিৰ্বাচিত অংশবিশেষ এই মূল প্ৰবন্ধৰ লগত সন্নিৱিষ্ট কৰা হ'ল। অসম, উত্তৰবংগ, ত্ৰিপুৰা আৰু নেপালত বহুলভাৱে বিস্তৃত বড়ো-খছাৰীসকলৰ সংস্কৃতি আজি বহুতৰ কাৰণে নৃ-

তত্ত্ববিদৰ সংগ্ৰহশালাৰ গৱেষণাৰ বস্তু। তথাপি ই এটি জীৱন্ত সংস্কৃতি। জনজাতীয় সংস্কৃতিত ইয়াৰ স্থান অন্যতম। বৈশিষ্ট্য আৰু শ্ৰেষ্ঠত্বও অনস্বীকাৰ্য।... পৃথিৱীৰ অধিকসংখ্যক জাতি-সমাজৰ দৰেই বড়ো-খছাৰী ডেকা-গাভৰুৰ অভিভাৱকেও ল'ৰা-ছোৱালীৰ বিয়াৰ ক্ষেত্ৰত লক্ষ্য ৰাখে সিপক্ষৰ সা-সম্পত্তি, বিষয়-প্ৰতিপত্তিলৈ। প্ৰেম, ভালপোৱা, প্ৰীতি এইক্ষেত্ৰত তুচ্ছ।

প্ৰেমত ব্যৰ্থ ডেকা-গাভৰুৱে ভালপোৱাজনক আত্মহত্যাৰ ভাবুকি দিয়ে। ভালপোৱাজনক কয়, তোমাক নাপালে সোণ মই গৌৰাং বা তুৰ্চ্ছা নৈত জাঁপ দি এই মৰণলীলা সম্বৰণ কৰিম। অধিক সাহসী প্ৰেমিক হ'লে পলুৱাই নিয়াৰ আলচ কৰে। পলুৱাই লৈ যাব চাহ বাগিচালৈ, য'ত কোনো সামাজিক অনুশাসন তাহাঁতৰ মিলনত হেঙাৰ হ'ব নোৱাৰে। ডেকাই প্ৰেয়সীক কয়—

খোদাল দাংনানী জাহীগীন
আং আগৈ,
থু থাংদিনি চা বাগানাও।

(কোৰ মাৰি তোমাক খুৱাম ঐ সোণ। বলা, আমি যাওঁ চাহ বাগিচালৈ।)

মাটি-বাৰী, সা-সম্পত্তি নথকা ডেকা কোনো গাভৰুৰ অভিভাৱকৰ আকৰ্ষণীয় প্ৰায় নহয়। আনহাতে স্বাস্থ্যৱান, ৰূপৱান, নোদোকা আৰু কৰ্মঠ ডেকাই দুখীয়া হ'লেও গাভৰুৰ মন মোহে। তাইৰ হৃদয়-থাপনাত মচিব নোৱাৰা জলছবি হৈ বহি পৰে। ডেকাৰ ফালৰ পৰা বিয়াৰ প্ৰস্তাৱ বাৰে বাৰে ব্যৰ্থ হ'লে তাই বাউলী হৈ পৰে। অভিভাৱকৰ সকলো নিৰ্যাতন সহে, কিন্তু সৈমান নহয়। তেনে ক্ষেত্ৰত তাই এজন সখীয়েকক লগত লৈ পলায়, প্ৰেমিকৰ ঘৰ সোমায় ('খাৰছন হৈয়ী')। ডেকাৰ ঘৰৰ চোতাল পাই পিয়াহত অষ্ঠ-কণ্ঠ শুকাই তাই এলোটা পানী খোজে। সেই পানী খাই তাৰে হাত-ভৰি ধোৱে। ন'মান'ত (লক্ষ্মীৰ থাপনা) সোমাই মায়নাওৰ (লক্ষ্মী) থাপনা-কোঠালিত বহি পৰে। চিএঞৰি কয়, 'মই আজি অমুক ডেকাৰ ঘৰ সোমালোঁ।

ঘৰজীয়া পদ্ধতি (গীৰজীয়া থানায়) দুই ৰকমৰ। হাৰিছে খুংছে আৰু লাংগা। গাভৰুৰ বাপেক-মাকে পছন্দৰ ডেকা এজনক তাইৰ লগত বিয়া দি চিৰদিনৰ কাৰণে ঘৰত চপাই লয়। একে দেৱতাৰ কুলত তুলি লয়। এয়ে হাৰিছে খুংছে। ডেকাজনে শহুৰৰ সা-সম্পত্তি, সুখ-দুখৰ ভাগী হৈ পৰে। বিয়া সম্পন্ন হয় ন'মান'ত, দেৱতাৰ থাপনা-কোঠালিত । লাংগা মতে শহুৰৰ ঘৰৰ লগত ডেকাৰ সম্পৰ্ক মেয়াদী। পাঁচ, দহ বা পোন্ধৰ বছৰৰ। বিয়া হয় চোতালত, সমজুৱাৰ মাজত। পিছলৈ নৰবিবাহিতৰ কোনোৱে ন'মান'ত, মায়নাওৰ থাপনাত সোমাব নোৱাৰে। মুখত এটোপাল পানী পৰ্যন্ত দিব নোৱাৰে।

ঘৰজীয়া মতে বিবাহিত ডেকাজন বেছিভাগ ক্ষেত্ৰত মাউৰা, সা-সম্পত্তি নথকা, দৰিদ্ৰ। ঘৰজোঁৱাই ৰাখোতাজন ধনী, কিন্তু পুত্ৰ সন্তানৰ পৰা বঞ্চিত। ডেকাজন হ'ব লাগিব অনুৰাগী, সচৰিত্ৰবান আৰু কৰ্মী। অৱশ্যে ব্যতিক্ৰম নোহোৱা নহয়। ঘৰজোঁৱাই আৰু জীয়েকে বিয়াৰ পাছত বাপেক-মাকক অসহায় অৱস্থাত ৰাখি বেলেগ হোৱা দৃশ্যও বিৰল নহয়।

সকলো ঐতিহ্যসম্পন্ন জাতিৰ দৰেই বড়ো-খছাৰীসকল সামাজিক শৃংখলাত বিশ্বাসী। ফলত ধৰ্মীয় মতে আনুষ্ঠানিক বিবাহেই সাৰ্বজনীন অনুমোদন পায়। ব্যক্তিৰ মংগলৰ উৰ্দ্ধত সামাজিক মংগল। এইবোৰ কথা তেওঁলোকৰ ক্ষেত্ৰত বৰ'বেছি সঁচা। ল'ৰাৰ বয়স হ'লেই কন্যাৰ বিচাৰ চলে।

বিয়াৰ কাৰণে কেবাটাও গাহৰি আগৰে পৰাই মজুত থাকে। সাত দাগুলী খানায়, মৌজ্‌লায় জাঞ্জী, ফাৰেও মেগন, মেওয়ায় খিথা আদৈ, গুসুথী জাৱৌ, থায়গীৰ বিখব খাওলায় ৰূপহী কন্যাৰ বিচাৰ চলে। তেনে কন্যা চকুত পৰিলে নিৰ্ধাৰিত দিনত ল'ৰাৰ বাপেক-মাকে কন্যা চাবলৈ যায়। কিছুমান লক্ষণ চোৱা হয়। বাঁহ কাটি থকা, কোৰেৰে মাটি কটা, মৰাশ লৈ যোৱা, খুঁটা লগোৱা নাইবা কন্যাই চুলি মেলি দক্ষিণমুৱা হৈ থকা দৃশ্যই অমংগল সূচায়। আনহাতে কলহত পানী অনা, ধান মেলি দিয়া, কন্যাই ধানৰ পাচি লৈ ঘৰ সোমোৱা আদি দৃশ্যই মংগল সূচায়। তেনে ক্ষেত্ৰত সম্বন্ধৰ কাৰণে বিশেষ জোৰ দিয়া হয়। দৰাঘৰে লগত লৈ যোৱা দুটা চান্দিৰ টকা কন্যাৰ ঘৰত থকা সিজু গছৰ থাপনাত গঙ্কন দি কন্যা বিচাৰে। লগত নিয়া দুবটল মদ খুৱাই কন্যাৰ বাপেক-মাকৰ তুষ্টি-সাধনৰ চেষ্টা চলে। ছোৱালী দিয়াৰ অনিচ্ছা হ'লে অতি সোনকালে গঙ্কনৰ টকা ফিৰৎ দি অহা হয়। গঙ্কন দি বাৰে বাৰে ঘূৰোৱা হ'লে দৰাঘৰে হাল এৰি দিয়ে। এৰি দিব নোৱাৰা বিধৰ কন্যা হ'লে টানি অনা, মোহিনী দৰব প্ৰয়োগ ইত্যাদি বিবিধ প্ৰকাৰ অপকলা-কৌশলৰ আশ্ৰয় বহুতে লয়। ছোৱালী দিয়াৰ ইচ্ছা থাকিলে কন্যাঘৰে এসপ্তাহমান পাছতহে গঙ্কনৰ টকা ফিৰাবলৈ যায়; ল'ৰাৰ বাপেক-মাকে কলহে কলহে মদ, মজুত ৰখা গাহৰি ভৱিষ্যৎ বিয়ৈ-বিয়নীৰ সেৱাত লগায়। পানৰসিক বিয়ৈয়ে বিয়নীৰ মদৰ ৰাগীত নাচে, গায়, হাঁহে, কথা পাতে। অজানিতে কন্যাদানৰ সদিচ্ছা মুখেৰে ওলাই পৰে। দ্বিতীয়বাৰ গঙ্কন দিবলৈ গৈ দৰাঘৰে কন্যাৰ বাপেক-মাকক ঘৰ চাবলৈ মাতে। ঘৰ চাবলৈ আহি দৰাৰ বাপেক-মাকক বিবান (ভাৰ) নিবলৈ আমন্ত্ৰণ জনায়। দুটা সৰু, দুটা ডাঙৰ, চাৰিটা কলহত মদৰ ভাৰ, তামোল-পাণ-চূণেৰে সৈতে দৰাঘৰৰ দল এটি বিবান লৈ কন্যাঘৰ পায়গৈ। খোৱা, লোৱাৰ লগে লগে গা-ধনৰ নিৰূপণ চলে। দৰাৰ বাপেকে সিপক্ষক কিমান ধন দিব। গা-ধন কিমান দিব, গহনা-পাতিয়ে বা কন্যাক কিমান দিব ইত্যাদি। গা-ধনৰ দাবী বৰ বেছি হ'লে জোঁৱায়েকে কন্যাৰ বাপেকক কাকুতি-মিনতি কৰি গা-ধন কমাই দিবলৈ কয়। ৰূপে-গুণে, ধনে-জনে মনে ধৰা জোঁৱায়েকৰ আকুতিত কোন কন্যাৰ বাপেকেনো গা-ধন কমাই দিবলৈ মান্তি নহ'ব? বিয়াৰ দিন স্থিৰ হৈ পৰে।

দোকমোকালিতে খাই-বৈ দৰাৰ বাপেক-মাকে কন্যা আনিবলৈ যায়। লগত থাকে ঢুলীয়া, বৈৰাথী (বৰাতী) দুগৰাকী, বাঁহী-বজোৱা (ছিফুং-দামগ্ৰা), মতা-মাইকী এজাক। মদাৰ-ৰঙা দখনা গাত, বগা মখমলীয়া চাদৰ শোভিতা, পিঠিত এবোজা তামোল-পাণ বন্ধা বৈৰাথীয়েই বিয়াৰ ঘাই অংগ। সকলোৱে বৈৰাথীৰ পৰা তামোল খুজি খায়। শ্লীল, অশ্লীল ভাষাত বৈৰাথীক জোকায়। বাটত গঞাই হেংগাৰ (হৰদাগুলী) দি বাধাৰ সৃষ্টি কৰে। বৈৰাথীৰ পৰা দুফাঁকি গীত শুনে, তামোল খুজি খাই বাট এৰি দিয়ে।

কন্যাঘৰ পোৱাৰ কিছু আঁতৰত বৰযাত্ৰীৰ দল ৰয়। বহি লৈ ভাগৰ পলুৱায়। কইনাঘৰত থান্দৈ (দূত) এজনে গৈ বাতৰি দিয়ে। থান্দৈৰ মুখৰ পৰা অনুমতি নোপোৱালৈকে বৰযাত্ৰী দলে কইনাঘৰ সোমোৱা নিষেধ। ঢোলৰ ছেৱত বনভূমি কঁপাই, ৰংচঙীয়া দখনা আৰু যৌৱনৰ ৰূপ-বন্যাত কুল ওপচাই হাঁহি, আনন্দ, আশা, উল্লাস, ধ্বনি-হিল্লোলৰ মাজত বৰযাত্ৰীদল কইনাঘৰ সোমায়। সিপক্ষৰ বৈৰাথী গাভৰুজাকে দৰাঘৰৰ বৈৰাথী আৰু তিৰোতাসকলক ন'মান'ত সোমাবলৈ নিদিয়ে, দুৱাৰ বান্ধি থয়। জনাই দিয়ে।

বৈৰাথীয়ে নাচিব, গাব, ভাগৰি পৰিব। বিনাশ্ৰমে কইনা পায় কেনেকৈ ?

বেচেৰী বৈৰাথী! চোতালত জাকে জাকে মানুহ। তাতে ভিনদেশী। তাইনো নাচে গায় কেনেকৈ? বৈৰাথীয়ে লাজত ৰঙা পৰে, ভৰি দুখন কঁপে, দাঙিব নোৱৰা হয়। কিন্তু উপায়? বৈৰাথীয়ে সাহ সঞ্চয় কৰে। লাজত মষিমূৰ হোৱা মুখখন তোলে। খীণ সুৰত গায় —

দূৰ পথ আহিছো মাৰি, ভোক আছে, পিয়াহ আছে, পেটত নাই বল, ডিঙিত নাই মাত, বাঘ-ভালুকৰ ভয় আছে, গণ্ডাৰৰ ভয় আছে, আছে হাতীৰ ভয়, সবৰে ভয়ত আহিছোঁ পলাই। গাঁও কেনেকৈ, নাচোনো কেনেকৈ ?

নিষ্ঠাৰ গৌথাৰ (পবিত্ৰ) বৈৰাথী হ'ব লাগিব সধৱা, সন্তানৱতী। ৰসিকা, নাচ-গানত বৈৰাথী সকলোৰে অপৰাজিতা, মৰম, প্ৰীতি, কৰুণাৰ পাত্ৰী।

দৰাঘৰে লৈ যোৱা বিবান চোতালত নমোৱাৰ লগে লগে গাঁঠিবিলাক খোলা হয়। গাঁঠিবিলাকত দোষ ওলালে দৰাঘৰ দণ্ডনীয় হয়। সমজুৱাৰ মাজত দুয়ো বিয়েয়েক মুখামুখিকৈ বহে। দিব লগা গা-ধন দৰাৰ বাপেকে পৰম সাদৰেৰে কইনাৰ বাপেকৰ হাতত তুলি দিয়ে।

মূৰ আঁচুৰি, নতুন দখনা, সাজ-পাৰ, গহনা-পাতি পিন্ধাই ন'মাণ'ৰ ভিতৰত কইনাক নতুন সাজত সজোৱা হয়। ইছিঙত (৪) থকা মায়নাও, চোতালৰ সকলো দেৱতা, মা-দেউতা আৰু গুৰুজন— সকলোকে চকুলো মচি মচি কইনাই প্ৰণাম কৰে। বিদায়ৰ শেষত কইনাক গৰুগাড়ীত নাইবা আন বাহনত তোলা হয়। শোভাযাত্ৰা দৰাঘৰ পোৱাৰ আগে আগে কইনাক নমোৱা হয়। সকলোৱে নামে। ৰাখি থোৱা ঘোলাকণী এটা অনাই বৈৰাথীয়ে কণীটো কইনাৰ মূৰৰ চাৰিওফালে ঘূৰায়। এক বা দুইবাৰ সাতোটা উপদেৱতাৰ নাম উচ্চাৰণ কৰি দূৰত পেলাই দিয়ে। আগদুৱাৰত উৰাল দুটাত কলহ ভৰা পানী থাকে। তাৰে কইনাৰ ভৰি ধুৱাই দিয়া হয়। একে পানীৰেই আটায়ে ভৰি ধোৱে। ন'মাণ'ৰ দুৱাৰ মুখত দুটা বাঁহৰ চুঙা পোতা থাকে। এটাত পানী, আনটোত সৰিয়হৰ তেল। ওচৰতে কলগছৰ বাকলিত (পটুৱাত) এযোৰ তামোল আৰু এযোৰ পাণ। কইনাই বাঁওভৰি চোঁচোৰাই চুঙা দুটা পেলাই দিয়ে আৰু ন'মাণ'ত সোমায়। দৰাৰ মাকে তেতিয়া গহণা-পাতিৰে সৈতে এযোৰা নতুন দখনা তাইৰ হাতত তুলি দি তাইক আশীৰ্বাদ কৰে। সেই দখনা হাতত লৈ কইনাই ইছিঙৰ দেৱতাক প্ৰণাম কৰে।

মাজনিশাৰ আগে আগে বহুদিন আগৰে পৰা গৃহদেৱতাৰ নামত ধৰি থোৱা আটাইতকৈ ডাঙৰ গাহৰিটো মৰা হয়। লৰচৰ কৰিব নোৱাৰাকৈ টানি-বান্ধি বাঁহ এডালত সুমুৱাই গাহৰিটো চাৰিজন নাইবা বেছি মানুহে কান্ধত তুলি চোতাললৈ আনে। আন এজনে চোকা থুংগ্ৰী (তৰোৱাল) এখনেৰে গাহৰিটোৰ ডিঙিটো কাটিবলৈ ধৰে। ৰঙা তেজ নিগৰি ওলায়। তেতিয়াই সেই তেজ চোতালত থাপনা কৰা গৃহদেৱতাসকলৰ ওপৰত টোপে টোপে বৈ পৰিবলৈ দি তেওঁলোকৰ তুষ্টিসাধন কৰা হয়। তেজ পৰা শেষ নোহোৱালৈকে কান্ধৰ পৰা গাহৰিটো নমাব নোৱাৰে। গাহৰিৰ মূৰটো কইনাঘৰৰ বৈৰাথীয়ে পিঠিত বান্ধি লৈ আনন্দতে নাচিবলৈ ধৰে। নাচৰ লগে লগে গায়—

অমা ওজে, ফচলা বেজে
দে দে' হায় আব'ফাৰ দেলাইদ';
খাংখ্ৰায়বাড়ীনি অলদং .

অমা বুড়ীনি বেদৎ ,
আদানি ফেন্দায়া লদদৎ ;
উখুম বিছানি আওমা,
ডাওখা দন্দানি গাৰাম্বা,
মৌন্‌গৌমানি গলব্‌, গলব্‌। ইত্যাদি।

দোকমোকালিতে খোৱা-লোৱা শেষ কৰি কইনাঘৰে বিদায় ল'বলৈ ওলায়। দৰাই চোতালত থাপনা কৰা সিজু গছৰ ওচৰত থিয় দি থাকে। কইনাই ন'মাণ'ৰ দুৱাৰমুখত বাঁওভৰি ভিতৰ, সোঁ-ভৰি বাহিৰত থৈ হাতত এমুঠি চাউল লৈ থিয় হয়। সেই চাউল তাই সিজু গছলৈ দলিয়াই দিয়ে, দৰাই সেই চাউল বোটলে আৰু কইনাৰ গালৈ দলিয়ায়। কইনাই বাঁওহাতেৰে সেই চাউল বুটলি ইছিঙৰ মায়নাওলৈ দলিয়াই দিয়াৰ লগে লগে কইনাযাত্ৰী দলে 'ৰ'ব 'ৰ'ব'কৈ চিঞৰে। আৰু দৰা-কইনাক আশীৰ্বাদ দি বিদায় ল'বলৈ ওলায়। ৰাতি মৰা গাহৰিটোৰ তেজেৰে ৰাঙলী-মুধলী মূৰটো বৈৰাথীয়ে পিঠিত বান্ধি লৈ যোৱা দেখা যায়।

বসন্তৰ শেষত প্ৰকৃতিৰ ফুলে-কিশলয়ে ভৰা শোভন-সমাৰোহ শেষ হৈ গ্ৰীষ্ম-বাৰিষাত ফল-বৃক্ষৰ গৌৰৱত সাৰ্থক হয়। নৱ-বিবাহিতৰ জীৱনতো যৌৱনৰ চাঞ্চল্য মন্থৰ হৈ আহে। দুৰ্গম অভিযাত্ৰাৰ মাজেদি জীৱনৰ পৰম সাৰ্থকতাৰ সন্ধানত ব্যাকুল হৈ পৰে।

টোকা ঃ

১। এই প্ৰবন্ধত বৰ্ণনা হোৱা বিবাহ-পদ্ধতি সম্পূৰ্ণ 'বাথৌ' ধৰ্মীসকলৰ ৰীতি-পদ্ধতি সম্পৰ্কীয়; তাৰ মাজতো ব্ৰহ্মধৰ্মীসকলে একমেবাদ্বিতীয়ম তথা 'এক ভগবান'ৰ উপাসক হ'লেও পূজা, উপাসনা, ধৰ্ম, বলি-বিধান, আসুৰিক পদ্ধতি, মদ্য-মাংস তথা আমিষ আহাৰৰ ইঙ্গিত, গা-ধনৰ দাবী ইত্যাদি বৰ্জন কৰি উপৰিউক্ত পদ্ধতিৰ শাশ্বত তথা মৌলিক চিৰাচৰিত উপাদানসমূহ নিষ্ঠাৰে অব্যাহত ৰাখিছে।

২। ন'মাণ'ত দুটা কোঠা থাকে— ওখং আৰু ঈছিং। ঈছিঙত মায়নাওৰ থাপনা থাকে। ভিন কুল বা দেৱতাৰ মানুহ তাত সোমাব নোৱাৰে।

৩। এই প্ৰবন্ধত ব্যৱহাৰ হোৱা সৰহভাগ গীত আৰু চ'ৰা শ্ৰীমতী বিজয়া ব্ৰহ্মাৰ সংগ্ৰহৰ পৰা লোৱা হৈছে।

মিচিং সমাজ-সংস্কৃতিৰ পৰিৱৰ্তিত ধাৰা

ড° দুৰ্গেশ্বৰ দলে

অসমৰ জনগোষ্ঠীসকলৰ মাজৰে অন্যতম মিচিংসকলে ভৈয়ামত কেতিয়াৰ পৰা থাকিবলৈ ল'লে, সেই বিষয়ে এতিয়াও সঠিকভাৱে জানিব পৰা নাই। কিন্তু শদিয়াত যেতিয়া চুতীয়াসকলে ৰাজ্য স্থাপন কৰিছিল, তেতিয়া কিছুসংখ্যক মিচিং লোক চুতীয়া ৰাজ্যৰ ভিতৰত বা ইয়াৰ পাশে-পাশে থকাৰ কথা জনা যায়। গতিকে আহোম যুগ আৰম্ভ হোৱাৰ আগৰ পৰাই মিচিংসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূব অঞ্চলত বসতি স্থাপন কৰি আহিছে বুলি ক'ব পাৰি। এই মিচিংসকলে যিহেতু ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সুদীৰ্ঘ কাল ধৰি বসবাস কৰি আহিছে, গতিকে মিচিং সমাজ-জীৱনৰ ওপৰত তেওঁলোকৰ সমাজ আৰু সংস্কৃতিৰ কিছু প্ৰভাৱ পৰাটো স্বাভাৱিক। এই প্ৰভাৱ তেওঁলোকৰ সামাজিক জীৱনৰ বিভিন্ন দিশত স্পষ্টভাৱে প্ৰতিফলন হোৱা দেখা যায়।

প্ৰথমে ধৰ্মীয় বিশ্বাস আৰু নীতি-নিয়মৰ কথাই উল্লেখ কৰিব পাৰি। মিচিংসকল ভৈয়ামলৈ নামি অহাৰ আগেয়ে বৰ্তমানৰ অৰুণাচলৰ চিয়াং জিলাত বসবাস কৰি থকা মূল আদি পৰমপুৰুষৰ পৰা সৃষ্টি হোৱা বিভিন্ন শাখা, যেনে—পাদাম, পাচি, মিনয়ং, বড়িসকলৰ মাজত যিবোৰ লোকবিশ্বাস আৰু নীতি-নিয়ম প্ৰচলিত হৈ আছে, প্ৰায় তেনেধৰণৰ বিশ্বাসৰ আধাৰতেই মিচিংসকলেও পূজা-পাতল কৰি আছিল। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ হোৱাৰ ফলস্বৰূপে মিচিংসকলেও ক্ৰমাৎ ভকতীয়া পদ্ধতিৰে সকাম-নিকাম কৰা আৰম্ভ কৰিলে। তেওঁলোকৰ প্ৰায়েই কালসংহতি সত্ৰসমূহৰ শিষ্য হ'ল। সত্ৰত শৰণ-ভজন লোৱাসকলেই সাতোলা, পাৰিষদ আৰু ভকত হ'ব পৰা হ'ল। পৰম্পৰাগত 'দবিৰ' পূজাৰ বাহিৰে অন্য প্ৰায় সকলো পূজা ভকতৰ দ্বাৰা কৰা হ'ল। ভকতীয়া নিয়ম অনুসৰি সকাম-নিকাম কৰোতে ঢাৰি, শৰাই, বটা, মাটি-চাকি, তামোল-পাণ, আৰু আগলি কলপাতৰ প্ৰয়োজন হয়। নাম-কীৰ্তন কৰোতে হয় নতুন গামোচাৰ প্ৰয়োজন। সকামত গৃহস্থই আঁঠু কাঢ়ি সেৱা কৰিব লাগে। এই সকলোবোৰ সামগ্ৰীৰ ব্যৱহাৰৰ লগতে এনে নিয়ম মিচিং সমাজত নাছিল।

মিচিঙৰ সকলো পূজা-পাতল মিবুৰ দ্বাৰা কৰা হৈছিল। পূজাত মিবুক সেৱা কৰা বা মিবুৱে আশীৰ্বাদ দিয়া নিয়মো নাছিল। পূজাত মিবুৱে গৃহস্থ বা যাৰ বাবে পূজা কৰা হয়, তেওঁৰ মংগল আৰু আশা পূৰণৰ বাবে সৃষ্টিকৰ্তা, দেৱতা, প্ৰেতাত্মা, পূৰ্বপুৰুষ ইত্যাদিৰ ওচৰত পোনপটীয়াকৈ আবেদন-নিবেদন জনায়। পূজা-পাতল কৰিবৰ বাবে বিশেষ শ্ৰেণীৰ মানুহো নাছিল। মংগল চোৱাৰ নিয়ম আছিল যদিও পুথি-পাঁজি চাই গ্ৰহ-নক্ষত্ৰৰ উদ্দেশ্যে দান-দক্ষিণা দিয়াৰ নিয়মো নাছিল। কিন্তু এই সকলোবোৰ নিয়ম ক্ৰমে ক্ৰমে মিচিং সমাজত প্ৰৱৰ্তন হ'ল।

অতীতত মিচিংসকলৰ মাজত পূজাস্থান বুলি কোনো এখন নিৰ্দিষ্ট ঠাই বা বিশেষ ঘৰ নাছিল। 'দবিৰ' হ'লে গাঁৱৰ এমূৰত পূজা হৈছিল। ঘৰুৱা পূজাবোৰ ঘৰতেই বা পথাৰত কৰা হৈছিল। কিন্তু কেৱলীয়া ধৰ্মত দীক্ষিত হোৱাৰ পৰা নামঘৰ হ'ল। বৰ্তমান প্ৰতি মিচিং গাঁৱতে নামঘৰ আছে বুলিলেই হয়। বছৰেকীয়া বৰসেৱা-সকাম এই নামঘৰতেই পাতে। যিসকল—ভাগৱতীয়া বা শংকৰী হৈছে, তেওঁলোকে নামঘৰলৈ নিয়মীয়াকৈ যায় আৰু নাম-কীৰ্তন কৰে। মহাপুৰুষসকলৰ তিথিও পালন কৰে। ঘৰুৱা সকামবোৰ নাম-কীৰ্তনেৰে নিজৰ নিজৰ ঘৰতে পাতে। কীৰ্তন-ঘোষাৰ নাম গাব জনা লোকসকলেই ভকত হয়। এইদৰেই ক্ৰমে নামঘৰ আৰু কীৰ্তন-ভাগৱত পুথি, নামঘোষা মিচিংসকলৰ পৱিত্ৰ বস্তু হ'ল।

গতিকে পৰম্পৰাগত বিশ্বাস আৰু পূজাত ব্যৱহাৰ কৰা খাদ্যবস্তুৰ বাহিৰে বাকী ধৰ্মকামৰ সকলো নিয়ম-নীতি আৰু বস্তুৰ আমূল পৰিৱৰ্তন ঘটিল। এনে নীতি-নিয়ম আৰু বস্তুবোৰে থলুৱা অসমীয়া সংস্কৃতিৰ পৰা আহি মিচিং সমাজক প্ৰভাৱিত কৰেহি।

বিয়া-বাৰুৰ ক্ষেত্ৰতো এই মিচিংসকলৰ মাজত অনা-মিচিঙৰ বহুখিনি নিয়ম আৰু বস্তু আহিল। আগেয়ে মিচিঙৰ দৰা-কইনাক মাহ-হালধিৰে গা ধুওৱা নিয়ম নাছিল। সাধাৰণ পৰিষ্কাৰ পানীৰে গা ধুৱাই নতুন কাপোৰ পিন্ধাই বিয়া পতা হৈছিল। কিন্তু ভৈয়ামত দীৰ্ঘকালজুৰি থাকিবলৈ লোৱাৰে পৰা বোধহয় দুপুৰুষমান আহি থকাৰ পাছৰ পৰা মাহ-হালধিৰে গা ধুৱাই দৰা-কইনা সজোৱা নিয়ম ওলাল। গা ধুৱাবলৈ পানী তোলা, পানী তোলোতে, দৰা-কইনা আদৰোতে বিয়ানাম গোৱা মিচিঙৰ নিয়ম নাছিল যদিও এতিয়া এইবোৰ মিচিং বিয়াৰ নিয়মত পৰিণত হ'ল। সেইদৰে জাপি, ছাতি লোৱা, খাৰু-মণি পিন্ধোৱা আদি নিয়ম হ'ল। মিচিং বিয়া আগেয়ে দুদিনীয়া আছিল, কিন্তু এতিয়া এদিনীয়া হ'ল। আগৰ দিনত বিয়াৰ বাবে ল'ৰাৰ বাপেক-মাকে ছোৱালী চায়। সাধাৰণতে বাপেকৰ বাই-ভনী বা মাকৰ ককাই-ভাইৰ ছোৱালী প্ৰথমে চায়। তেওঁলোকৰ উপযুক্ত ছোৱালী নাথাকিলে অন্য বংশৰ ছোৱালী চোৱা হয়। ছোৱালী পছন্দ হ'লে ল'ৰাঘৰৰ পৰা প্ৰস্তাৱ দিয়া হয়। যদি ছোৱালীঘৰে প্ৰস্তাৱ গ্ৰহণ কৰে, তেতিয়াহে নিয়ম মতে ছোৱালী খোজা হয়। ছোৱালী খোজাৰ পাছত ল'ৰাক ছোৱালীৰ ঘৰলৈ পঠিওৱা হয়। ল'ৰা, ছোৱালীৰ ঘৰত (প্ৰকৃততে ঘৰত নহয়, গাঁৱত) কেইদিনমান থাকি ঘৰলৈ গুচি আহে। ছোৱালীঘৰত থকাকেইদিন ছোৱালীৰ ঘৰৰ খেতি-বাতিৰ কামত লাগি দিয়ে। ইয়াকেই 'জোঁৱাই খটা' (মাগ্ৰ দুগ্নাম) বুলি কোৱা হয়।

'জোঁৱাই খটা' বা মাগ্ৰ দুগ্নামৰ মূল উদ্দেশ্য হ'ল ভাবী দৰা-কইনাৰ মাজত পৰিচয় হোৱা। প্ৰাক্-স্বাধীনতা কালত মিচিংসকলে যি প্ৰাকৃতিক পৰিৱেশত জীৱন নিৰ্বাহ কৰিছিল, সেই পৰিৱেশত বিভিন্ন গাঁৱৰ মানুহৰ মাজত সহজে লগ-ভাগ হোৱা সম্ভৱ নাছিল। ছোৱালীবোৰ প্ৰায় নিজৰ গাঁৱৰ

ভিতৰত আবদ্ধ হৈয়েই ডাঙৰ হৈছিল। তেওঁলোক কাচিৎহে আন গাঁৱলৈ যোৱাৰ সুবিধা পাইছিল। সেইদৰে ডেকা ল'ৰাবোৰো কামৰ ব্যস্ততাত আৰু যাতায়াতৰ অসুবিধাত বৰকৈ গাঁৱৰ বাহিৰলৈ যাব পৰা নাছিল। গতিকে বিয়াৰ আগেয়ে ভাবী দৰা-কইনাৰ চা-চিনাকি হোৱাৰ সম্ভাৱনাও অতি কম আছিল। তদুপৰি মাক-বাপেকৰ সন্মতি নোহোৱাকৈ মিচিং সমাজত ছোৱালী অনাটো একপ্ৰকাৰ নিষিদ্ধ আছিল। গতিকে ল'ৰা-ছোৱালীয়ে প্ৰত্যেকে প্ৰত্যেকক চিনি পোৱাৰ সুবিধা নাপাইছিল। গতিকে ছোৱালী খোজাৰ পাছতহে তেওঁলোকৰ মাজত চা-চিনাকি হয়। তাৰ বাবে ল'ৰাক ছোৱালীৰ ঘৰলৈ ভাবী জোঁৱাই হিচাপে পঠিওৱা হয়। ছোৱালীৰ ঘৰত কেইদিনমান থকাৰ সময়তে তেওঁলোকৰ মাজত চা-চিনাকি হয়।

ল'ৰাক ভাবী জোঁৱাই হিচাপে ছোৱালীৰ ঘৰলৈ পঠিওৱাৰ আৰু এটা উদ্দেশ্য হ'ল ছোৱালীৰ বংশ-পৰিয়ালৰ লগত পৰিচিত হোৱা। মিচিঙৰ বাবে এইটো অতি গুৰুত্বপূৰ্ণ কথা। কিয়নো ছোৱালীপক্ষৰ কোনো মানুহক ভুলক্ৰমেও ভাই-ককাই, দদাই-ভতিজা আদি সম্বন্ধৰে সম্বোধন কৰিব নোৱাৰে। সেইদৰে নিজৰ বংশ সম্বন্ধীয় লোকে ছোৱালীৰ বংশ সম্বন্ধীয় হিচাপে সম্বোধন কৰিব নোৱাৰিব। সেইদৰে যাক যেনেকৈ ব্যৱহাৰ কৰিব লাগে, তেনেকৈহে ব্যৱহাৰ কৰিব লাগিব। অন্যভাগে ব্যৱহাৰ কৰিলে সেইটো ডাঙৰ অপৰাধৰূপে গণ্য হয়। গতিকে ছোৱালীজনীৰ গাঁৱৰ বয়সিয়াল আৰু পৰিয়ালসকলৰ লগত যাতে চিনা-পৰিচয় হয় তাৰ বাবেই এইদৰে ভাবী দৰাজনক পঠিওৱা হয়। সেইবাবে যিকেইদিন ছোৱালীৰ ঘৰত ভাবী জোঁৱাই হৈ থাকে, সেইকেইদিন গাঁৱৰ পৰিয়াল আৰু ব্যক্তিসকলৰ লগত চিনাকি হয়। প্ৰকৃততে জোঁৱাই খটা দিনকেইটাত ল'ৰাই ছোৱালীৰ ঘৰত নাথাকে। তেওঁ কামৰ সময়তহে ছোৱালীৰ ঘৰত থাকে। বাকী সময়ত গাঁৱৰ পৰিয়ালবোৰৰ আলহী হৈ থাকে। প্ৰথমবাৰ জোঁৱাই খটাৰ পাছত দ্বিতীয় বা তৃতীয়বাৰ যোৱা নহয়। কিন্তু ল'ৰাই যদি ছোৱালী পছন্দ কৰে, তেন্তে বিহু বা অন্য উৎসৱ বা ডাঙৰ সকাম হ'লে ল'ৰাই ছোৱালীৰ ঘৰলৈ এদিন-দুদিনৰ বাবে যায়। যদি পছন্দ নহয়, তেওঁ আৰু পুনৰ ছোৱালীৰ ঘৰলৈ যাবলৈ ইচ্ছা নকৰে বা একেবাৰে নাযায়। তেতিয়া বিয়াখন ভাঙিব পাৰে। সেইদৰে ছোৱালীয়েও ল'ৰাক পছন্দ নকৰিলে নানাপ্ৰকাৰে মাক-বাপেকৰ ওচৰত অসন্মতি প্ৰকাশ কৰে আৰু সেই কথা পাকে-প্ৰকাৰে ল'ৰাজনক জনায়। যদি তেনে কোনো আপত্তি নাথাকে, তেতিয়া বিয়াৰ দিন-বাৰ আৰু অন্যান্য লাগতিয়াল কথা দুয়োপক্ষৰ মাজত এদিন ছোৱালীৰ ঘৰতে বহি থিৰাং কৰা হয়। এইবোৰ কাৰণতেই আগৰ দিনত মিচিং বিয়া এবছৰৰ ভিতৰত নহৈছিল। সাধাৰণতে ছোৱালী খোজা সময়ৰ পৰা দুবছৰমানৰ ভিতৰতহে মিচিং সমাজত বিয়া অনুষ্ঠিত হৈছিল।

মিচিং বিয়া দুদিনীয়া হোৱাৰ আন দুটা মূল কাৰণ আছিল। এটা হ'ল—সেই সময়ত এদিনৰ ভিতৰতে ছোৱালী অনাটো সহজ নাছিল। কাৰণ বাট-পথৰ যথেষ্ট অসুবিধা আছিল আৰু আজিকালিৰ দৰে আলিবাট আৰু যান-বাহনৰ সুবিধাও নাছিল। দ্বিতীয়টো কাৰণ আছিল দৰা আৰু কইনাৰ গাঁৱৰ ডেকা-গাভৰুসকলৰ মাজত চা-চিনাকি হোৱা। দৰা আবেলি আহি কন্যাৰ ঘৰৰ ওচৰতে বাহৰ পাতি থাকেহি। দৰা আহি পোৱাৰ লগে লগে গাঁৱৰ ঘৰে ঘৰে তামোল-পাণ বিলাই দৰা অহাৰ খবৰ দিয়ে আৰু বিয়ালৈ নিমন্ত্ৰণ জনায়। সেইদিনা সন্ধিয়াৰ পৰা বহু ৰাতিলৈকে কন্যাৰ গাঁৱৰ ডেকা-গাভৰু আৰু দৰাঘৰৰ ডেকা-গাভৰুৰ মাজত ঢোল-নাচৰ প্ৰতিযোগিতা চলে। ইতিমধ্যে গাঁৱৰ ল'ৰা-

ছোৱালী আৰু অন্যান্য লোকে দৰা চাবলৈ আহে। ঢোল-তালৰ শব্দত সমগ্র গাঁওখন উৎসৱমুখৰ হৈ পৰে। এনে কাৰ্যসূচীৰ জৰিয়তে দুখন গাঁৱৰ ডেকা-গাভৰুৰ চা-চিনাকি হোৱাৰ মাজতে আনকি কোনো কোনোৱে বিয়াৰো বন্দবস্তি কৰি পেলায়।

দৰা আদৰিবৰ বাবে ঘৰৰ কলপুলি পুতি তাত আমপাত আঁৰা হয়। নতুন চাং সাজি নতুন জখলা দিয়া হয় আৰু দুয়োকাষে কলহত পানী ভৰোৱা হয়। দৰাই সেই ভৰা কলহৰ পানী চুই চাঙত ভৰি দি গৃহপ্রৱেশ কৰে। দৰাক ঢোল-তাল বজাই আদৰা হয়। মাজে-সময়ে অলপ সময়ৰ বাবে নাচো চলে। দৰাক আদৰি নি ঘৰৰ ভিতৰত কইনাৰ ওচৰত বহুওৱা হয়। তাতে দৰা-কন্যাক একেখন কাঁহীতে ভাত খাবলৈ দিয়া হয়। আনুষংগিকভাৱে এইদৰেই কিছুমান নিয়ম পালন কৰি ভকতসকলক দৰা-কইনাই একেলগে সেৱা কৰে। তেতিয়া দৰা-কইনাই লোৱা কাপোৰৰ আগ বান্ধি দি যুগ্মজীৱন শুভাৰম্ভৰ সংকেত দিয়া হয়। তাৰপাছত কইনাক উলিয়াই দি দৰাৰ ঘৰলৈ লৈ যোৱা হয় আৰু তাতো (দৰাৰ ঘৰত) দৰা-কইনাক আদৰি কিছু নিয়ম সম্পন্ন কৰি বিয়াৰ কাৰ্য সমাপণ কৰা হয়।

বৰ্তমান প্রচলিত মিচিং বিয়াৰ নিয়মবোৰ লক্ষ্য কৰিলে দেখা যায় যে সেই নিয়মবোৰৰ সৰহভাগেই মিচিঙৰ নিজৰ নহয়। সেইবোৰ যেন অসমীয়া সমাজৰ পৰা অহা। বৰ্তমান এহাতে মিচিঙৰ নিয়ম হ্রাস পাই আহিছে আৰু আনহাতে অনা-মিচিঙৰ নিয়ম বৃদ্ধি পাই আহিছে৷ শেষত এই বিয়াই কি ৰূপ লয়গৈ সেয়া ভৱিষ্যতেহে ক'ব।

মিচিঙৰ জাতীয় উৎসৱ হ'ল 'আলি আই লিগাং'। ফাগুন মাহৰ প্রথম বুধবাৰৰ দিনা পৰম্পৰাগত নিয়ম অনুসৰি এই উৎসৱটো প্রতি গাঁৱৰ মানুহে পালন কৰে। আগৰ দিনত মিচিংসকলে বেছিকৈ আহুধানৰ খেতি কৰিছিল। আহুধান সিঁচাৰ উত্তম সময় হ'ল ফাগুন মাহ। মাঘৰ পৰা আৰম্ভ কৰি ব'হাগত আহুধান সিঁচা হয় যদিও ফাগুন মাহটো বেছি উপযুক্ত। সেইবাবে খেতিৰ ভালৰ বাবে এই উৎসৱটো মাংগলিক কাৰ্যসূচীৰে পালন কৰে। এই লিগাং উৎসৱটোৰ কিছু নিয়ম-নীতি এৰি দিয়া হৈছে যদিও অনা-মিচিঙৰ নিয়মে এই উৎসৱত কোনো প্রভাৱ পেলাব পৰা নাই।

'পঃৰাগ' মিচিং সমাজৰ অন্যতম উৎসৱ। ই এটা প্রীতিভোজস্বৰূপ। ই জাতীয় উৎসৱ নহয়। কিছুমান গাঁৱৰ মানুহে নিজৰ শক্তি আৰু সুবিধা অনুযায়ী কে'বাবছৰৰ মূৰত এই উৎসৱটো পালন কৰে। গাঁৱৰ সকলো মানুহৰ সমিল-মিলেৰে এদিন ভোজ খোৱা হয়। এদিন ওচৰৰ গাঁৱৰ মানুহক নিমন্ত্রণী দি মাতি আনি ভোজ-ভাত খুৱায়; আন এদিন ডেকা-গাভৰু আৰু অন্যান্য আলহীক খুৱায়। এই উৎসৱৰ দিনকেইটাত গাঁৱৰ আৰু ওচৰৰ নিমন্ত্রিত গাঁৱৰ ডেকা-গাভৰুৰ মাজত নৃত্য-গীতৰ প্রতিযোগিতা চলি থাকে। উৎসৱটো ব্যয়বহুল হোৱা বাবে বৰ্তমান বহু গাঁৱেই 'পঃৰাগ' পাতিবলৈ এৰি দিছে।

বিহুও মিচিং সমাজৰ নহয়। কিন্তু বৰ্তমান মিচিঙৰ বাবেও এই বিহু জাতীয় উৎসৱত পৰিণত হ'ল। সকলো মিচিঙেই বিহু পালন কৰে। প্রতিটো বিহুৰ বাবে যাৱতীয় আয়োজন কৰে। ব'হাগ বিহুত নতুন কাপোৰ পিন্ধে। গামোচাৰে সন্মানীয়জনক আদৰণি জনায়। আপোনজনক উপহাৰ দিয়ে আৰু ঘৰে ঘৰে হুঁচৰি গায়।

এইদৰেই সাজ-পোছাকৰ পৰা আৰম্ভ কৰি জন্ম-মৃত্যুৰ সকামলৈকে মিচিং সমাজত ক্রমে ক্রমে অনা-মিচিঙৰ নীতি-নিয়ম সোমাই পৰা পৰিলক্ষিত হৈছে। সকাম-নিকাম কৰোতে মিচিং ভকতে ধুতি আৰু পাঞ্জাবী চোলা পিন্ধা আৰু বগা গামোচা (মিচিং গামোচা নহয়) লোৱাটোও

আনকি নিয়মত পৰিণত হৈছে। মানুহ মৰিলে শটো পানীৰে ধুই নতুন বগা চোলা ওলোটাকৈ পিন্ধাই বগা কাপোৰেৰে মেৰিউৱা হয়। আগেয়ে শটো কাঠৰ বাকচত ভালকৈ শুৱাই শ্মশানত পোতা হৈছিল। পুতিবৰ বাবে গাঁত খান্দোতে শটো গাঁতত শুৱাই দিয়াৰ আগেয়ে মাটিডোখৰ পৃথিৱীৰ ভূমি 'মাতৃ'ৰ পৰা কিনাৰ নামত খুচুৰা পইচাৰ মুদ্ৰা গাঁতত পেলাই দিয়ে। তাৰ পাছত পশ্চিমফালে মূৰটো কৰি পোতা হয়। মানুহ মৰাৰ তিনিদিনৰ পাছত তিলনী সকাম কৰা হয়। মৰাৰ পৰা তিলনী দিনালৈ আজিকালি ঘৰৰ মুৰব্বী বা মৃতকৰ পুত্ৰ বা পতি-পত্নী আদিয়ে আহাৰ নোখোৱাকৈ উপবাসে থকা নিয়মো কিছুমানে পালন কৰিবলৈ লৈছে। কিছুমানে তিলনী নকৰি শুচি-সকাম কৰে। তিলনী কৰাসকলে মৃত্যুৰ কেইমাহমানৰ ভিতৰত 'উৰম আপিন' (মৃতজনৰ আত্মাৰ বাবে আগবঢ়োৱা ভোজন)ৰ ব্যৱস্থা কৰে। 'উৰম আপিন'লৈ সম্বন্ধীয়, বন্ধু-বান্ধৱ আৰু শুভাকাংক্ষীসকলক নিমন্ত্ৰণ কৰা হয়। মিচিং মানুহৰ বিশ্বাস— মানুহ মৰাৰ লগে লগে তেওঁৰ আত্মাটো এই পৃথিৱীৰ পৰা আঁতৰি নাযায়। আত্মাটো ঘৰৰ ওচৰে-পাঁজৰেই ঘূৰি থাকে আৰু ভাত-পানীৰ আশা কৰি থাকে। পাৰ্থিৱ জীৱনত ভোগ কৰি থকা বস্তুবোৰৰ প্ৰতি থকা লোভ সোনকালে পাহৰিব নোৱাৰে বুলিও মিচিং সমাজে বিশ্বাস কৰে। এনে এটা বিশ্বাসৰ বাবে 'উৰম আপিন' পতা হয়। 'উৰম আপিন'ৰ পাছত শেষকৃত্য 'দদ্‌গাং' পতা হয়। এই দদ্‌গাং মানুহ মৃত্যু হোৱাৰ কেইবাবছৰৰ মূৰতো মিচিং সমাজে পাতে। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট দিন-বাৰ নাথাকে।

মিচিং সমাজত এই 'দদ্‌গাং' এটা ডাঙৰ সকাম। এই সকাম সাধু-বুঢ়া অৰ্থাৎ শৰণ-ভজন লোৱা ভকতসকলতকৈ অধিক অভিজ্ঞ আৰু উচ্চ খাপৰ ভকতৰ পৌৰোহিত্যত কৰা হয়। মূল সকামৰ আগৰাতি ঘৰডাঙৰীয়াক পূজা কৰে। মিচিংসকলৰ বিশ্বাস—প্ৰতিঘৰতে ঘৰৰক্ষক হ্নিঃপৈ এগৰাকী দেৱতাই বাস কৰে। সেই দেৱতাই ঘৰৰ মানুহ, পোহনীয়া জীৱ-জন্তু আদি সকলোকে বিপদ-আপদৰ পৰা ৰক্ষা কৰি থাকে। গতিকে 'দদ্‌গাং' যাতে সুকলমে সম্পন্ন হয়, তাৰ বাবে প্ৰাৰ্থনা জনাই এই ডাঙৰীয়া সকাম কৰা হয়। 'দদ্‌গাঙ'ৰ পিছদিনা 'জীয়াৰী-বোৱাৰী' বুলি এটা ভোজ পতা হয়। 'দদ্‌গাং' উপলক্ষে বিয়া হৈ যোৱা ঘৰৰ ছোৱালীবোৰ সপৰিয়ালে বহু দিনৰ মূৰত একেলগ হয়হি। এই সুযোগতে ঘৰৰ সকলো ভাই-বোৱাৰী আৰু বিয়া হৈ যোৱা বোৱাৰী—সকলোৱে মিলি এক ভোজৰ আয়োজন কৰে। মূল ঘৰৰ পৰা আঁতৰি থকা লোকসকলৰ মাজত সম্প্ৰীতি, সদ্ভাৱ, শুভেচ্ছা আদি অনুভূতি প্ৰকাশ কৰিবৰ বাবেই এনে ভোজ পাতে।

পূৰ্বে মিচিং সমাজত মানুহৰ মৃত্যুৰ পাছত যিবোৰ সকাম কৰা হয়, সেইবোৰত ঘৰৰ পুৰুষসকলে চুলি খুৰোৱা নিয়ম প্ৰচলন হ'বলৈ লৈছে। 'দদ্‌গাঙ'ত দান-দক্ষিণা দিয়াৰ নিয়মো আনকি প্ৰবৰ্তিত হৈছে। মানুহ এজনৰ মৃত্যুৰ পাছত, মৰাৰ সময়ত কিবা গ্ৰহ-নক্ষত্ৰৰ দোষ হ'ল নেকি বুলি পঞ্জিকা চোৱায়। সাধাৰণতেই কিবা নহয় কিবা দোষ ওলায়। গতিকে মৃতজনৰ আত্মা যাতে দোষমুক্ত হয় তাৰ বাবে দান-দক্ষিণা দিবলৈ কোৱা হয়। সেইমতে কিছুমান বস্তু 'দদ্‌গাঙ'ৰ দিনা সাধুবুঢ়া প্ৰমুখ্যে ভকতসকলক দান দিয়া হয়। সকামত মৃতজনৰ আত্মাৰ সদ্‌গতিৰ বাবে প্ৰাৰ্থনা জনাই যিসকলে সেৱা কৰে, তেওঁলোক প্ৰত্যেকেই টকা-পইচা বা অন্য বস্তু (সাধাৰণতেই চোলা কাপোৰ) দানৰূপে আগবঢ়ায়। অৱশ্যে মৃত লোকৰ সৎকাৰ কৰাৰ ক্ষেত্ৰত মিচিং সমাজত কিছুমান নিয়মৰ পাৰ্থক্য দেখা যায়।

অসমৰ ইতিহাসৰ পটভূমিত কাৰবি সমাজ

ড° ফুকন্ চন্দ্ৰ ফাংচ’

অসমৰ কাৰবি সমাজখনৰ এটা ঐতিহাসিক বিৱৰণ যথাযথভাৱে পাবলৈ হ’লে সমগ্ৰ উত্তৰ-পূব ভাৰত তথা বৃহৎ অসমৰ জাতি-জনগোষ্ঠীবোৰৰ কথা সাঙুৰি ল’লেহে সুবিধা হ’ব—কাৰণ সেইবোৰ জাতিৰ লগত কাৰবিসকলৰ ঐতিহাসিক সম্পৰ্ক আছে। মূলতঃ সেই জাতি বা বংশসমূহ হ’ল—অসুৰ, বৰ্মন, পাল, কছাৰী, খাচীয়া, জয়ন্তীয়া, আহোম আৰু ব্ৰিটিছসকল। বিভিন্ন সময়ত বৃহৎ অসমলৈ প্ৰৱেশ কৰি আৰু বিভিন্ন ঘটনাপ্ৰৱাহত পৰি কাৰবিসকলৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ ভালেখিনি পৰিৱৰ্তন ঘটিলেও এইখিনি কথাৰ গ্ৰহণযোগ্য ব্যাখ্যা দিবলৈ আহোম বুৰঞ্জীৰ উপৰিও তেওঁলোকৰ নিজৰ সমাজত প্ৰচলিত কাহিনী, কিংবদন্তি আদি ভালেখিনি মানি ল’ব লাগিব। সচৰাচৰ বুৰঞ্জীৰ আহিলা বুলিলে যি বুজায়, সেই আহিলাৰ আলম লৈ কাৰবিসকলৰ এক ধাৰাবাহিক বুৰঞ্জী লিখি উলিওৱাটো এটা দুঃসাধ্য কাম হ’ব।

প্ৰাক্-ঐতিহাসিক যুগৰ কোনো এটা সময়ত অসমৰ কাৰবি জনবসতি প্ৰধান অঞ্চলসমূহৰ আটাইতকৈ পশ্চিমত বসতি কৰা কাৰবি দলটো হ’ল আম্ৰি কাৰবিসকল। এওঁলোক প্ৰথমে নৰকাসুৰ আৰু পাছত অসুৰ বংশীয় আন ৰজা-প্ৰজাসকলৰ দ্বাৰা শাসিত হৈছিল। পূৰ্বৰে পৰা গুৱাহাটী আৰু ইয়াৰ আশে-পাশে বাস কৰি থকা খাচিয়াসকলৰ সংস্কৃতিৰ লগতো আম্ৰি কাৰবিসকলৰ সম্পৰ্ক ঘটে। খাচিয়া আৰু অসুৰসকল মূলতঃ অষ্ট্ৰিক সংস্কৃতিৰ আৰু তান্ত্ৰিক দেৱী বা শক্তিৰ উপাসক। কাৰবিসকলৰ পৰা অলপ আঁতৰত থকা জয়ন্তীয়াসকলো এনে সংস্কৃতিৰেই লোক। এনে সংস্কৃতিৰ শক্তিশালী প্ৰভাৱত পৰি সেই অঞ্চলৰ কাৰবিসকল তান্ত্ৰিক মাতৃদেৱীৰ উপাসক হৈ পৰা আৰু সেই দেৱীৰ সন্তুষ্টিৰ কাৰণে নৰবলি দিয়া প্ৰথা গ্ৰহণ কৰা বুলি ধাৰণা হয়। কামৰূপ জিলাৰ ডিগাৰু, সোণাপুৰ অঞ্চলত বা গুৱাহাটীৰ ওচৰত উদ্‌যাপন কৰা দেহাল বা থান পূজাত ‘বুঢ়ী আই’ৰ নামত নৰবলি দিয়াটো এটা উদাহৰণ। অৱশ্যে কোনো অঞ্চলৰ দেহাল পূজাত শিৱক দেৱতা বুলিও গণ্য কৰা

হয়। ডিগাৰুৰ উত্তৰ-পশ্চিমে কিছু দূৰত অৱস্থিত পাণবাৰী গাঁৱত কাৰবিসকলে প্ৰায় এই শতিকাৰ আগলৈকে কালিকা আৰু মহেশ্বৰক একেলগে দেহাল বা থানত পূজা দিছিল বুলি জনা যায়। এই কালিকাও তান্ত্ৰিক মাতৃদেৱীয়েই, অৱশ্যে হিন্দু ধৰ্মৰ ধাৰণা একে নহয়। সি যি নহওক, এয়া নিঃসন্দেহে অষ্ট্ৰিক-মন্‌খমেৰ সংস্কৃতিৰ প্ৰভাৱ। এই অঞ্চলৰ গাতে লাগি থকা পূব খাচিয়া পাহাৰ জিলাৰ ৰিভয় অঞ্চল (বৰ্তমান ৰিভয় জিলা)ত বাস কৰি থকা আম্‌ৰি কাৰবিসকল আৰু কিছুসংখ্যক তিৱা জনজাতিৰ লোক খাচিয়াৰ প্ৰভাৱত পৰি 'ভয় খাচিয়া' বা খাচিয়া নামে পৰিচিত হৈ পৰাটো এক উল্লেখযোগ্য ঘটনা। খাচিয়াৰ শাসনকৰ্তা মিলিয়েম ছিয়েম আৰু খৈৰাম ছিয়েমৰ দ্বাৰা শাসিত হৈছিল। তেওঁলোকৰ প্ৰভাৱশালী শাসন আৰু সংস্কৃতিৰ কবলত পৰি ভয় অঞ্চলৰ আম্‌ৰি কাৰবিসকলৰ সমাজ আৰু সংস্কৃতিলৈ এক অভাৱনীয় পৰিৱৰ্তন আহে।

অসুৰ বংশীয় ৰজাসকলৰ দ্বাৰা এনে ধৰ্মীয় চিন্তা, ধ্যান-ধাৰণা আৰু পৰম্পৰাৰ পৃষ্ঠপোষকতা বাৰুকৈ হৈছিল আৰু এই ধাৰা সমগ্ৰ অসম তথা উত্তৰ-পূব ভাৰত, আনকি বংগ অঞ্চললৈকো বিয়পি পৰিল আৰু চলি থাকিল। খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ পৰা দ্বাদশ শতাব্দী পৰ্যন্ত বৰ্মন, শালস্তম্ভ আৰু পাল বংশীয় হিন্দু ৰজাসকলৰ দিনতো এনে ধৰ্মীয় পৰম্পৰা আৰু কাৰ্যবিধি পূৰ্ণ কৰাৰ লগতে সম্ভৱতঃ অষ্টম-নৱম শতিকাত ম্যানমাৰৰ পৰা উত্তৰ-কাছাৰলৈ প্ৰৱেশ কৰা ৰংহাং কাৰবিসকলকো প্ৰভাৱান্বিত কৰিছিল। এই কাৰবি দলটো ইয়াৰ বহু শতিকা পূৰ্বে অহা আম্‌ৰি কাৰবি দলৰ পথেৰেই আহিছিল বুলি ধাৰণা হয়। অসুৰ বংশীয় আৰু তান্ত্ৰিক হিন্দু ৰজাসকলৰ দিনত কাৰবিসকলৰ আন সামাজিক আৰু ৰাজনৈতিক অৱস্থা কেনে আছিল তাক খাটাংকৈ জানিবলৈ উপায় নাই আৰু কাৰবিসকলৰ মাজতো সেই সম্পৰ্কে প্ৰচলিত কাহিনী নাই।

একাদশ-দ্বাদশ শতাব্দীত কছাৰীসকল উজনি অসমত যথেষ্ট শক্তিশালী হৈ পৰিছিল। দ্বাদশ শতাব্দীৰ মাজ ভাগত ডিমাপুৰত তেওঁলোকৰ ৰাজধানী গঢ়ি উঠাৰ উপৰি পিছলৈ সমগ্ৰ উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলো কছাৰী প্ৰশাসনৰ অধীনলৈ যায়। স্বাভাৱিকতে, ইতিপূৰ্বৰে পৰা সেই অঞ্চলত বসবাস কৰি থকা ৰংহাং কাৰবিসকল কছাৰী প্ৰশাসনৰ অধীনস্থ হৈ পৰিল। হামৰেণ তথা ৰংখাঙত থকা কাৰবিসকলে আজিও স্পষ্টভাৱে স্বীকাৰ কৰে যে এই অঞ্চললৈ অহাৰ আগেয়ে তেওঁলোক উত্তৰ কাছাৰ পাহাৰ অঞ্চলত আছিল আৰু কছাৰী শাসকসকলৰ অত্যাচাৰ আৰু বিৰক্তিকৰ আচৰণৰ কাৰণেই তেওঁলোক তাৰ পৰা প্ৰব্ৰজন হৈ ওলাই আহিছিল। এই সময় সম্ভৱতঃ দ্বাদশ শতিকাৰ শেষ ভাগ। তেতিয়াৰ পৰা হিচাপ কৰিলে এতিয়ালৈকে এই কাৰবি দলটো হামৰেণ অঞ্চললৈ অহাটো আঠশ বছৰৰ অধিক হৈছে।

হামৰেণ মহকুমাৰ উত্তৰ-পূৰ্বাঞ্চলত তেওঁলোকে ৰংখাং নামে এক ৰাজ্য পাতে আৰু আজিকোপতি এই ৰাজ্যৰ প্ৰশাসন চলি আছে। জানিব পৰা যায় যে বৰ্তমান নিজ-ৰংখাঙত থকা ৰাজধানীৰ সৈতে তেওঁলোকৰ বিভিন্ন ঠাইত কমেও বাৰখন ঠাইত ৰাজধানী পাতে। এই ঠাইত কাৰবিসকলৰ কলা-সংস্কৃতি, ভাষা, ধৰ্ম-বিশ্বাস ইত্যাদিয়ে বহুখিনি বিকাশ লাভ কৰে। কিন্তু এটা সময়ত ৰংখাং ৰাজ্যখন জয়ন্তীয়াসকলৰ তলতীয়া হৈ পৰিছিল। দীৰ্ঘদিন ধৰি জয়ন্তীয়াৰ কবলত অথবা সংস্পৰ্শত থকাৰ ফলত স্বাভাৱিকতে কাৰবিসকলৰ সংস্কৃতি আৰু লোকপৰম্পৰাত বহুখিনি প্ৰভাৱ পৰিল। বিশ্বাস হয় যে তিব্বতবৰ্মী সংস্কৃতি বহনকাৰী জয়ন্তীয়াসকলৰ পৰাও নৰবলিৰ দৰে ভয়ানক প্ৰথা

সোমাই পৰিল। বিভিন্ন দিশৰ প্ৰভাৱ সহ্য কৰিলেও কিন্তু কাৰবিসকলে জয়ন্তীয়াৰ মাতৃপ্ৰধান সমাজনীতি সমূলি গ্ৰহণ কৰিব পৰা নাছিল, বৰং ইয়াৰ সম্ভাব্য হেঁচাৰ পৰা নিজকে বচাই চলিবলৈ সদায় যত্নপৰ হৈছিল। ৰংখাঙৰ ৰজা লিন্দকপ'ক জয়ন্তীয়াসকলে ক্ষমতাচ্যুত কৰিলেও, ৰজা লিন্দকপ'ক কাৰবিসকলে পুনৰুদ্ধাৰৰ কাৰণে উপায় চিন্তা কৰি আছিল। কাৰবি বীৰযোদ্ধা 'থংনকবে'ক জয়ন্তীয়াসকলে ছলনা কৰি হত্যা কৰাৰ কাৰণেও কাৰবিসকল নিঠৰুৱা হৈ ৰৈছিল।

এনে সময়তেই আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই ৰহাৰ গভৰ্ণৰ ৰহিয়াল বৰুৱাৰ দ্বাৰা ৰংখাঙৰ কাৰবিসকলৰ বিৰুদ্ধে সৈন্য পঠিয়াই দিয়ে সোতৰশ খ্ৰীষ্টাব্দৰ মধ্য ভাগত। আহোম সৈন্যৰ ওচৰত কাৰবিসকলে সেও মনাৰ উপৰি তেওঁলোকৰ লগত বন্ধুত্ব পাতিলে। তেওঁলোকে আহোম সৈন্যৰ ওচৰত জয়ন্তীয়াৰ পৰা পোৱা অত্যাচাৰ আৰু যাতনাৰ কথা ব্যক্ত কৰিলত আহোম সৈন্যসকলে প্ৰতিশ্ৰুতি দিয়ে যে যদি কাৰবিসকলে আহোম ৰজাৰ কৰতলীয়া হয়, তেন্তে আহোম ৰজাই প্ৰয়োজনীয় সকলো সুৰক্ষা ব্যৱস্থা প্ৰদান কৰিব। কাৰবিসকল মান্তি হ'ল। আহোম ৰজাই জয়ন্তীয়াৰ কবলৰ পৰা ৰংখাং উদ্ধাৰ কৰি ক্ষমতাচ্যুত কাৰবি ৰজাৰ পুত্ৰ এজনক পুনৰ ৰজা পাতি দিলে। তদুপৰি আহোম ৰজাৰ চৰ্ত সাপেক্ষে পাহাৰীয়া কাৰবিসকলক আহোম ৰাজ্যৰ ভিতৰত অৰ্থাৎ নগাঁও সমভূমি অঞ্চলত বসবাস কৰিবলৈকো অনুমতি দিলে। এনে বন্ধুত্বপূৰ্ণ ব্যৱহাৰ পাই প্ৰথমে বাৰঘৰ কাৰবি পৰিয়াল আৰু লগতে আৰু বাৰঘৰ তিৱা পৰিয়ালো ভৈয়ামলৈ নামি আহিল। পাছলৈ আৰু বহুতো কাৰবি আৰু তিৱা পৰিয়াল ভৈয়ামলৈ নামি আহিল আৰু আহোম ৰজাৰ অনুমতি আৰু পৃষ্ঠপোষকতাত গাঁও পাতি নিগাজিকৈ বসতি আৰম্ভ কৰিলে।

কাৰবিসকলক প্ৰথমে নগাঁও সমভূমিৰ পূবৰ অংশ অৰ্থাৎ পাহাৰৰ দাঁতি-কাষৰীয়া অঞ্চলত বসতি কৰিবলৈ আৰু খেতি-বাতি কৰি খাবলৈ এটা সুকীয়া এলেকা ৰজাই দিলে। এই এলেকাটোকে আহোমৰ দি[illegible]তি আনকি ব্ৰিটিছৰ দিনলৈকে 'মিকিৰ পাৰ মহল' বোলা হৈছিল। পাহাৰ অঞ্চলটোক মিকিৰ পাহাৰ নাম দিয়া হৈছিল (পূৰ্বে কাৰবিসকলক 'মিকিৰ' বুলিছিল)। মাটি-বাৰী দিয়াৰ উপৰি আহোম ৰজাই কাৰবিসকলক পাথৰি, মৰিকলং, মাহাৰুল আৰু জামুগুৰি —এই চাৰিখন বিলৰ পৰা বিনাৰাজহে মাছ মাৰি খাবলৈ অনুমতি দিছিল। সেইদৰে ডিফলু ঘাট, মিকিৰহাট ঘাট, শেনছোৱামুখ ঘাট, আউনীআটী ঘাট আৰু নিকামুলি ঘাট—এই পাঁচটা ঘাটো বিনাৰাজহে চলাই খাবলৈ আহোম ৰজাই তেওঁলোকক অনুমতি দিছিল। কিন্তু পিছলৈ কিবা কাৰণত ৰাজেশ্বৰ সিংহৰ দিনত পাহাৰৰ কাৰবিসকলে সন্ধি-চৰ্ত মানি ল'বলৈ অস্বীকাৰ কৰিলে। ফলত তেওঁ কাৰবিসকলক দমন কৰিবলৈ সৈন্য পঠিয়াইছিল। যুদ্ধত পুনৰ পৰাস্ত হৈ কাৰবিসকলে আহোমৰ বশ্যতা স্বীকাৰ কৰি চিৰদিনৰ কাৰণে আহোমৰ বিৰুদ্ধে অস্ত্ৰ নধৰিবলৈ প্ৰতিজ্ঞা কৰিলে। ইয়াৰ পিছৰ পৰা আহোম আৰু কাৰবিসকলৰ সম্পৰ্ক চিৰদিনৰ কাৰণে শান্তিপূৰ্ণ হৈ থাকিল। ইয়াতে উল্লেখযোগ্য যে সম্ভৱতঃ পশ্চিমৰ সমভূমি অংশটোত তিৱা পৰিয়াল কেইঘৰমানক স্থান দিয়া হৈছিল আৰু সেয়ে পশ্চিম অৰ্থাৎ ৰহা-মৰিগাঁও অঞ্চলটোত আজিও তিৱা সম্প্ৰদায়ৰ লোক অধিক।

জয়ন্তীয়াৰ দুৰ্ব্যৱহাৰৰ পৰা ৰক্ষা পাবলৈ কিছুমান কাৰবি লোকে উত্তৰ অৰ্থাৎ ৰংখাঙৰ ফালে ভাগি আহিছিল বুলি মনে ধৰে। বোধ কৰো, তেওঁলোকে ৰংখাঙৰ ভিতৰলৈ প্ৰৱেশ নকৰি সীমামূৰীয়া অঞ্চলবোৰত থাকি নতুন বাসস্থান অথবা ৰাজ্য পাতিলে। জয়ন্তীয়াসকলক 'ছিনটেং' বুলিও কোৱা

হয়। অনুমান হয় যে 'ছিনটেং' শব্দৰ পৰাই ৰংখাঙী কাৰবিসকলৰ মুখত 'চিন্থং' হ'ল, আৰু ছিনটেং অঞ্চলৰ পৰা অহা কাৰবিসকলক চিন্থং কাৰবি বুলি ক'বলৈ ধৰিলে, যদিও এওঁলোক প্ৰকৃততে ৰংহাং (বা ৰংখাং) কাৰবিয়েই আছিল। জানিব পৰা যায় যে চিন্থং কাৰবিসকলক হাপ্তে ৰাজপৰিয়ালৰ লোকসকলেই শাসন কৰিছিল। উল্লেখ্য যে ৰংখাং ৰাজ্যৰ শাসন-প্ৰণালী যিমান স্পষ্ট, চিন্থং ৰাজ্যৰ শাসন-প্ৰণালী সিমান স্পষ্ট নহয়।

প্ৰচলিত কাহিনী অনুসৰি ৰংখাং আৰু চিন্থং ৰাজ্যৰ পৰা কিছুমান কাৰবি লোক পূবে কপিলী নৈ পাৰ হৈ ডিফু-লুম্বাজং পৰ্যন্ত অগ্ৰসৰ হৈ ক'াতি স্থাপন কৰিছিল। কিন্তু তেওঁলোকৰ অঞ্চলটোক স্পষ্টভাৱে এখন ৰাজ্য বুলি আখ্যা দিব নোৱাৰি আৰু শাসন-প্ৰণালীও স্পষ্ট নহয়। একো একোটা প্ৰভাৱশালী কাৰবি পৰিয়ালে মুৰব্বী হিচাপে একোটাকৈ অঞ্চল শাসন কৰিবলৈ ল'লে। পূবলৈ হোৱা তেওঁলোকৰ এই প্ৰব্ৰজন কোনজন স্বৰ্গদেউৰ দিনত হৈছিল সেইটো স্পষ্টকৈ কোৱা টান যদিও আহোম বুৰঞ্জীৰ কিছুমান উদ্ধৃতিৰ পৰা অনুমান হয় যে তেওঁলোকে সেই অঞ্চলত স্বৰ্গদেউ প্ৰতাপ সিংহৰ আগৰ পৰাই বসবাস কৰি আছিল। এনেকৈ পূবলৈ অগ্ৰসৰ হওঁতে কাকী, লংকা, লামডিং আদি অঞ্চলতো কিছুমান কাৰবি মানুহ থাকি যোৱাটো আৰু পাছত গাঁও-ভূঁই পাতি নিগাজিকৈ বসতি কৰিবলৈ লোৱাটো সম্ভৱপৰ।

কাৰবিসকলৰ সভ্যতা বুলি ক'বলৈ গ'লে সেই উন্নত অৱস্থা তেওঁলোকৰ ৰংখাং অঞ্চলতেই হোৱা বুলি ক'ব লাগিব। কাৰণ ৰংখাং ৰাজ্যতেই তেওঁলোকে ছ'চেং, মুখিম, পিডং, তামু আৰু বৰ্তমানৰ ৰংহাং-ৰংবং (বা নিজ ৰংখাং) আদি বাৰখন ঠাইত ৰাজধানী পাতি সেইবিলাক ঠাইত কাৰবি নীতি-নিয়ম, পৰম্পৰা আৰু কলা-সংস্কৃতিৰ নিয়মীয়া চৰ্চা কৰিছিল। ৰংখাং অঞ্চলতেই ৰাংছিনা ছাৰপ', ৰুকাছেন, থংনকবে, ছিৰ ৰ'মু আদি বিখ্যাত সমাজ সংস্কাৰক আৰু বীৰৰ জন্ম হৈছিল। ৰাংছিনা ছাৰপ'ৰ কাৰবি সমাজলৈ সংগীতৰ ক্ষেত্ৰত যি বৰঙণি, তাৰ বাবে তেওঁক সংগীতৰ আদিগুৰু বুলিও কোৱা হয়। বিখ্যাত 'জিৰকেদাম' অনুষ্ঠানৰ যোগেদিও হেনো ৰাংছিনাই কাৰবি ডেকা-গাভৰুসকলক সমাজৰ বিভিন্ন কাম-কাজৰ নিয়মীয়া প্ৰশিক্ষণ দিছিল। ছ'চেঙত ছত ৰেচ'ই কাৰবি সামাজিক আৰু প্ৰশাসনিক অনেক বিধি-বিধান সৃষ্টি কৰিছিল। থংনকবেৰ নিচিনা শক্তিশালী আৰু জনপ্ৰিয় বীৰে অকল কাৰবি ৰজাৰেই নহয়, জয়ন্তীয়া ৰজাৰো মুখ্য সেনাধিনায়ক পদত অধিষ্ঠিত হৈছিল। ষোড়শ শতাব্দীত কন্দলী ৰামায়ণৰ যোগে কাৰবি সমাজলৈকো ৰামায়ণ তথা ৰামৰ কাহিনী কাৰবি গীতৰ মাধ্যমেৰে সোমাই পৰিছিল, যাক আমি আজি 'ছাবিন আলুন' বুলি সমাদৰ কৰো। ৰংখাঙৰ যোগেদিয়েই ভৈয়ামৰ সমাজ আৰু সংস্কৃতিৰ লগত পাহাৰবাসী কাৰবিসকলৰ চিনাকি হৈছিল। অনেকখিনি হৃদয়স্পৰ্শী কাহিনী বা আখ্যান আজিও আমি অতীতৰ হামৰেন তথা ৰংখাঙৰ সমাজখনতেই বিচাৰি পাওঁ।

পাছত, পশ্চিমলৈ অগ্ৰসৰ হৈ ক্ষেত্ৰী, সোণাপুৰৰ পাদদেশত আম্ৰি কাৰবিসকলৰ কোনো ৰংহাং কুলৰ পৰিয়ালৰ দ্বাৰা 'ডুমুৰা' নামৰ ৰাজ্য পতাৰ কথা প্ৰচলিত আছে। অসমৰ ইতিহাসত ইয়াক ডিমৰীয়া ৰাজ্য বুলি কোৱা হৈছে যদিও সেইখন কোন জাতিৰ ৰাজ্য আছিল তাক স্পষ্টকৈ কোৱা হোৱা নাই। কিন্তু কাৰবিসকলৰ কাহিনী অনুসৰি সেইখন কাৰবি ৰাজ্যই আছিল, য'ৰ প্ৰথম ৰজাজনৰ নাম আছিল ডুমুৰা। এতিয়াও ক্ষেত্ৰী (কামৰূপ)ৰ ওচৰত কাৰবিসকলৰ ৰংহাং কুলৰ ৰজা থকাটো মন কৰিবলগীয়া। ডুমুৰা ৰাজ্যৰ কাৰবি সমাজ আৰু গোভা-নেলী ৰাজ্যৰ তিৱা সমাজৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আজিও চলি আছে।

সম্ভৱতঃ সোতৰ শতাব্দীৰ শেষ ভাগ আৰু ওঠৰ শতাব্দীৰ আদি ভাগতে তিৱা আৰু কাৰবি (আম্ৰি) অনেক লোকৰ মৰিগাঁও তথা নামনি কপিলী আৰু কলং উপত্যকালৈ প্ৰব্ৰজন হৈছিল। কালক্ৰমত ডুমুৰা অঞ্চলৰ এই কাৰবিসকল ৰহা বাৰপূজীয়া, যমুনামুখ, জালুগুটি, বৰঝাৰি আদি অঞ্চল পায়গৈ। এওঁলোকক ৰংখাঙৰ আৰু মিকিৰ পাহাৰৰ কাৰবি লোকসকলে 'ডুমুৰালি' অথবা 'ডুমুৰা আছৰ' বুলি আখ্যা দিয়ে। ডুমুৰালী কাৰবিসকলৰ মাজত প্ৰচলিত এক কাহিনী অনুসৰি সোতৰ শতাব্দীৰ শেষ ভাগত (?) ৰহাৰ বাৰপূজীয়া অঞ্চলত টিটুৰা ৰংপি ওৰফে ছিটুৰা ৰংপি নামৰ কোনো এক কাৰবি নায়ক (ৰজা ?)-এ কিছুসংখ্যক ডুমুৰালি কাৰবি লোকৰ সৈতে বাস কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ মৃত্যুৰ অন্তত শতিকা দিন যোৱাৰ পাছত সুদূৰ কনৌজৰ পৰা তেওঁৰ বংশধৰ কেইজনমান ব্ৰাহ্মণ পণ্ডিত শংকৰৰ জন্মস্থান বৰদোৱা বিচাৰি টিটুৰা ৰংপিৰ ঘৰ ওলাইছিলহি। টিটুৱাই হেনো তেওঁৰ গাঁৱৰ পৰা মানুহ দি হাবি-ইকৰানিৰ মাজেৰে চমু বাট উলিয়াই সেই পণ্ডিতকেইজনক বৰদোৱা পোৱাই দিছিল। তেওঁলোক উভতি যাওঁতে পুনৰ টিটুৱাৰ ঘৰত আলহী হৈছিল, টিটুৰা আৰু তেওঁৰ গাঁৱৰ কিছুসংখ্যক লোকক বৈষ্ণৱ ধৰ্মত দীক্ষা দি কনৌজলৈ ঘূৰি যায়। ইয়াৰ পূৰ্বেই শংকৰদেৱে নিজেই কিছুমান কাৰবি মানুহক সেই ধৰ্মত দীক্ষা দিছিল। জয়হৰি নামৰ তেওঁৰ প্ৰিয় কাৰবি শিষ্য এজনৰ কথা আজি আমাৰ সকলোৰে জ্ঞাত। এই শংকৰী লোকসকলৰ শৰণীয়া কাৰবি আৰু কোঁচ নামে আন কাৰবিসকলে মাতিবলৈ ল'লে।

ব্ৰিটিছৰ যুগত কাৰবিসকলৰ সমাজ- জীৱনলৈ আৰু এক অভাৱনীয় অভিজ্ঞতা আহি পৰিল। আহোমৰ দিনৰ পৰা বিনাৰাজহে ভোগ কৰি অহা বিল, ঘাট আৰু মাটি-জমিনবিলাকৰ ৰাজহ দিব লগা হ'ল। এইবিলাকৰ উপৰি কাৰবিসকলৰ 'মিকিৰ পাৰ মহল'টোক ব্ৰিটিছ চৰকাৰে নটা মৌজাত ভাগ কৰিলে। এনে কাৰ্যাৱলী কাৰবিসকলে সমূলি ভাল পোৱা নাছিল। অৱশ্যে ব্ৰিটিছ ৰাজতন্ত্ৰতেই প্ৰথম মাটিৰ মালিকীস্বত্ব পোৱাটো আৰু মৌজাদাৰী বাব পোৱাটো তেওঁলোকে বেয়া পোৱা নাছিল। ব্ৰিটিছৰ যুগতেই নগাঁও আৰু বৈঠালাংছ'ৰ টিকা আদিৰ কিছুমান কাৰবি লোক বেপ্টিষ্ট খ্ৰীষ্টিয়ান হৈ নিজৰ ভাষাতে আৰু ৰোমান লিপিত বাইবেলৰ কথা লিখা আৰু পঢ়াৰ কাৰণে সুযোগ পাইছিল। উল্লেখযোগ্য যে কাৰবি আংলং জিলাৰ জন্মদাতা ছেমছনছিং ইংতিৰ পিতৃ-মাতৃয়ে বাইবেলৰ কাহিনী কাৰবি ভাষালৈ অনুবাদ কৰাৰ উপৰিও প্ৰাথমিক স্কুলৰ উপযোগীকৈ ৰোমান লিপিৰে পোন-প্ৰথমবাৰৰ বাবে কাৰবি ভাষাৰ পাঠ্যপুথি ছপা কৰি উলিয়াইছিল। প্ৰথমে এইসকল লোকেই সাক্ষৰ হয় আৰু প্ৰকৃতাৰ্থত তেওঁলোকেই আধুনিক তথা আনুষ্ঠানিক শিক্ষাৰ পাতনি মেলে। ই এটা কম মহৎ কাম নহয়! ব্ৰিটিছৰ যুগতেই, সম্ভৱতঃ উনৈছ শতিকাৰ শেষ ভাগত কিছুমান কাৰবি লোকে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰলৈ গৈ বসতি স্থাপন কৰে।

আলোচিত ঐতিহাসিক যুগবিলাকৰ পৰিপ্ৰেক্ষিতত পুনৰ দোহাৰি এনেকৈ সামৰিব পাৰি যে, অসুৰৰ ৰাজত্ব কালত কাৰবিসকলৰ ধৰ্মীয় পৰম্পৰাত তান্ত্ৰিক দেৱ-মাতৃৰ প্ৰৱেশ ঘটিছিল। বৰ্মন আৰু পাল বংশীয় ৰজাসকলৰ দিনত তাৰ বিস্তাৰ ঘটিছিল। ভাষা আৰু ধৰ্মাচৰণত অষ্ট্ৰিক-মনখমেৰ সংস্কৃতিয়ে তেওঁলোকৰ সমাজতো গা কৰি উঠিছিল। কছাৰীসকলৰ দ্বাৰা এনে ক্ষেত্ৰত প্ৰভাৱিত নহ'লেও তেওঁলোকৰ অপ্ৰীতিকৰ ব্যৱহাৰৰ কাৰণেই ৰংখাঙী কাৰবিসকলৰো বহুতেই জয়ন্তীয়া ৰাজ্য ত্যাগ কৰি আহোমৰ তলতীয়া অৰ্থাৎ ভৈয়ামবাসী হৈছিল। আহোমৰ লগত ঘনিষ্ঠ হোৱাৰ ফলতেই

পাহাৰী কাৰবিসকলে ভৈয়ামবাসী হৈ ভৈয়ামৰ সংস্কৃতিৰ লগত মিলি যাবলৈ সুযোগ পাইছিল। এফালে জয়ন্তীয়াৰ দুৰ্ব্যৱহাৰ আৰু আনফালে আহোমৰ শান্তিপূৰ্ণ ব্যৱহাৰ নোপোৱা হ'লে বোধকৰো, আজি ইমান সংখ্যক ভৈয়ামবাসী কাৰবি নহ'লহেঁতেন আৰু মিজো, নগা আদি জাতিৰ দৰে পাহাৰবাসী হৈ থাকিলহেঁতেন। ভৈয়ামৰ মানুহৰ সংস্পৰ্শলৈ অহাৰ ফলতেই ৰামায়ণৰ দৰে হিন্দু মহাকাব্যৰ কাহিনী যোড়শ শতিকাতেই কাৰবি লোকসাহিত্যলৈ প্ৰৱেশ কৰাটো সম্ভৱপৰ হৈছিল। আহোমৰ দিনতেই ধৰ্মান্তৰিত হৈ অনেক কাৰবি মানুহ কোচ হৈ নিজৰ সমাজৰ পৰা আঁতৰি গৈছিল। অৱশ্যে ব্ৰিটিছৰ যুগতো খ্ৰীষ্টিয়ান হৈ ধৰ্মান্তৰ হ'লেও কাৰবি সমাজৰ পৰা তেওঁলোক আঁতৰি যোৱা নাছিল। ব্ৰিটিছৰ যুগত গাইগুটীয়াভাৱে ভূ-সম্পত্তিৰ অধিকাৰী হৈছিল। এই যুগতে আকৌ অনেক স্কুলীয়া শিক্ষা লাভ কৰিবলৈ আৰু পশ্চিমীয়া উন্নত জাতিৰ লগত যোগসূত্ৰ স্থাপন কৰিবলৈকো সুযোগ পাইছিল। মুঠতে বৃহৎ অসমৰ ইতিহাসৰ ধাৰাত কাৰবি সমাজখনে ধৰ্ম, ৰাজনীতি আৰু আৰ্থ-সামাজিক পৰিৱৰ্তনৰ অভিজ্ঞতা লৈ নতুন শতিকাৰ এই দুৱাৰডলিত উপস্থিত হৈছিল।*

* 'অসমীয়া সাহিত্যত জনজাতীয় জীৱন' শীৰ্ষক গ্ৰন্থৰ পৰা পুনৰ্মুদ্ৰিত।'—সম্পাদক

কাৰবি লিন্দ'ক্‌প' আৰু ৰাজতান্ত্ৰিক প্ৰশাসনীয় ব্যৱস্থা

ছামছিং হান্সে

কাৰবিসকল অসমৰ আদিবাসী। যুগ যুগ ধৰি এই পুণ্যভূমিতে কাৰবিসকলে স্বকীয় বিশিষ্টতাৰে বসবাস কৰি আহিছে। আদিতে কাৰবিসকল যে অসমৰ অতি সুসভ্য জাতি আছিল তাৰ প্ৰমাণস্বৰূপে বৰ্তমানলৈকে চলি থকা কটকটীয়া সমাজ-ব্যৱস্থা ইয়াৰ প্ৰমাণ, লগতে স্বকীয় আৰু স্বায়ত্ত ক্ষমতাৰে বংশানুক্ৰমে একো একোজন ৰজাই বিভিন্ন এলেকাত বিভিন্ন সময়ত ৰাজতন্ত্ৰ চলাই আহিছে আৰু আজিকোপতি চলাই আছে। এই শৃংখলিত সেয়াও সমাজ ব্যৱস্থাৰেই চানেকী।

কাৰবিসকলৰ এই সমাজ-ব্যৱস্থা অতি পুৰণি। সম্ভৱতঃ কাৰবিসকলৰ আদি ৰজা ছতৰিচ'ই এই ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। সময়সাপেক্ষে কোনো কোনো ৰজাই সংস্কাৰ সাধন কৰিছিল যদিও ইয়াৰ মূল ভেটিৰ অকণো লৰচৰ হোৱা নাই। উল্লেখযোগ্য যে এই সমাজ-ব্যৱস্থাৰ ওপৰত কাৰবিসকলে কোনোদিনেই কোনো বিষয়তে প্ৰতিবাদ কৰিবলগীয়া হোৱা নাই। আনকি বৰ্তমানো কাৰবিসকলৰ এই সমাজ-ব্যৱস্থাৰ ওপৰত গভীৰ আস্থা আছে।

কাৰবিসকলৰ সমাজ-ব্যৱস্থা গণতান্ত্ৰিক ভিত্তিত গঢ়া যদিও কটকটীয়া আৰু কঠোৰ। তেনে ব্যৱস্থাৰ কাৰণ হেতুকে কাৰবি সমাজত অতীত কালৰ পৰাই কোনো চোৰ-ডকাইত আদি নাছিল। প্ৰজাসকল সত্যবাদী, সদালাপী-সদাচাৰী আছিল। সমাজত ব্যভিচাৰ নচলিছিল। কাচিৎ তেনে কাৰ্যকলাপত লিপ্ত থকা ব্যক্তি ওলালেও সিহঁতক শাৰীৰিকভাৱে কঠোৰ শাস্তি দিছিল। সেয়েহে আদিৰে পৰাই কাৰবি সমাজ সদায়েই শান্ত আৰু সুশৃংখলিত।

কাৰবিসকলৰ সাতামপুৰুষীয়া সমাজ-ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে কাৰবিভূমি খণ্ডক তিনিটা ভাগত বিভক্ত কৰি ল'লে সহজ হৈ পৰে। এই খণ্ড তিনিটা হ'ল যথাক্ৰমে—

(১) ৰংছ'পি বা ৰং, (২) পিন্‌প—আৰিতল', (৩) জিৰই

এই তিনিটা খণ্ডৰেই সৰ্বাধিনায়ক হ'ল ৰজা নিজেই। ৰজাই (লিন্দক্‌প') তিনিজন ৰাজমন্ত্ৰীকে

মুখ্য কৰি ৭৪ (চৌসত্তৰ) জন বিষয়ববীয়াৰে সৈতে ৰাজকাৰ্য চলায়। উপৰিউক্ত তিনিটা খণ্ডত ৰজাৰ শাসন-প্ৰণালী এনেধৰণৰ—

ৰং বা ৰংছ'পি ঃ কাৰবিসকলে ৰাজধানী নগৰখনক ৰং বা ৰংছ'পি বুলি কয়। ৰংছ'পিত ৰজাই মন্ত্ৰী আৰু উচ্চপদস্থ বিষয়াসকলক লৈ বসবাস কৰে। ৰংছ'পিৰ সুস্থ পৰিচালনাৰ বাবে ৰাজমন্ত্ৰীসকলৰ অধীনত একোটাকৈ গোট বা খণ্ড এৰি দিয়ে। উক্ত খণ্ডটোক 'আৰতু' বুলি কোৱা হয়। ঠিক তেনেকৈয়েই প্ৰয়োজন অনুসৰি বিষয়াসকলকো বিভিন্ন 'আৰতু'ত সংস্থাপন কৰে। গোট বা খণ্ডসমূহৰ নাম ৰজা বা ৰাজমন্ত্ৰীজনাৰ বিষয়বাবৰ নামকৰণেৰেই কৰা হয়। উদাহৰণস্বৰূপে ৰংখাঙৰ ৰজাই ৰাজ্যত তিনি ঠাইৰ পৰা ৰাজমন্ত্ৰী নিযুক্তি দিয়ে আৰু সেই ঠাইবোৰৰ নাম অনুযায়ী মন্ত্ৰীকেইজন ক্ৰমে ৰংচেইচ'ৰ পৰা ৰংচেইচ' লিক, কিলিঙৰ পৰা কিলিং লিন্দক আৰু চিন্‌থঙৰ গৰাকী চিনথং লিন্দক বোলা হয় আৰু সেই অনুপাতে গোট বা খণ্ডবোৰৰ নামকৰণ ৰজাৰ অধীনত 'ৰংহাং আৰতু', ৰংচেইচ লিন্দকৰ অধীনত 'ৰংচেইচ আৰতু', এইদৰেই চিনথং লিন্দকৰ অধীনৰখিনিক 'চিনথং আৰতু' বোলা হয়।

এইসকল ৰাজমন্ত্ৰীৰ উপৰি বৰদিলি (প্ৰতিৰক্ষা) আৰু কাথাৰবুৰা (ৰাজ পুৰোহিত)ক পালি-মন্ত্ৰীৰূপে লৈ ৰজাই ৰাজকাৰ্য চলায়। ইয়াৰ উপৰি দেংজা, ছেনট, মিজি, পাটৰ, ফেৰাংকে আদিকে লৈ সৰ্বমুঠ ৭৪জন পাৰিষদবৰ্গৰে ৰাজদৰবাৰ ভৰি থাকে। সাধাৰণতে পাৰিষদবৰ্গক বিধায়কৰূপে ধৰা হয়। এই পাৰিষদসকল পাঁচোটা ফৈদৰে ৭৪টাকৈ বিভিন্ন উপফৈদৰ প্ৰত্যেকৰ পৰা একোজনকৈ অনা হয়। সেয়েহে কাৰবিসকলে প্ৰত্যেকেই পৰোক্ষভাৱে হ'লেও ৰাজকাৰ্য পৰিচালনা কৰিবলৈ সুবিধা পায়।

পিন্‌প-আৰিতল'ঃ পিন্‌প-আৰিতল' এলেকাক পাৰিষদবৰ্গৰ উপনিৱেশ বুলিব পাৰি। কিয়নো উক্ত এলেকাৰ পৰাই ৰজা আৰু পাৰিষদবৰ্গলৈ যাৱতীয় ৰচদ-পাতিৰ যোগান ধৰা হয়। প্ৰয়োজনসাপেক্ষে অস্ত্ৰ-শস্ত্ৰকে ধৰি সৈন্য-সামন্তও প্ৰত্যক্ষভাৱে সংগ্ৰহ কৰা হয় বাবেই উক্ত এলেকাৰ শাসনভাৰো প্ৰত্যক্ষভাৱে ৰজাৰ হাততে ৰাখে। ৰজাক সহায় কৰিবৰ বাবে এজন হাবকং (প্ৰাদেশিক শাসনকৰ্তা) আৰু দুজন ছাবেৰিছ' (সহকাৰী) নিযুক্তি দিয়ে। উক্ত এলেকাৰ প্ৰজাই ৰজা আৰু পাৰিষদবৰ্গক ভৰণ-পোষণৰ উপৰি শাৰীৰিকভাৱে সকলো ক্ষেত্ৰতে খাটি দিয়াৰ নিয়ম। হাবেসকলৰ সুবিধাৰ্থে কৰা ব্যৱস্থা জিৰইৰ শাসন ব্যৱস্থাৰ সৈতে একে।

জিৰই ঃ উপৰিউক্ত দুটি এলেকাৰ বাহিৰে ৰাজ্যৰ বাকী অংশক 'জিৰই' বুলি কোৱা হয়। জিৰইত বসবাস কৰাসকলক সাধাৰণ প্ৰজাৰূপে ধৰা হয় অথবা 'মেকাৰ' বোলা হয়। প্ৰয়োজনসাপেক্ষে কেবাজনো মেকাৰক লৈ হাবেয়ে গাঁও এখন পাতি দিয়ে আৰু মেকাৰৰে এজনক চাৰথে (গাঁওবুঢ়া) বা ছাৰবাছা নিযুক্তি দিয়ে। ছাৰবাছাই তেওঁৰ গাঁৱৰ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি শাসনৰ সুবিধাৰ্থে ৰিছ'বাছা (ডেকা গাঁওবুঢ়া), ফেৰাংকে (জন-সংযোগ) আৰু গাঁৱৰ সমূহীয়া পূজা-পাতলৰ বাবে দেউৰী (পূজাৰী) নিযুক্তি দিয়ে।

কেবাজনো ছাৰথে বা ছাৰবাছাৰ ওপৰত একোজন বাছা প', কেবাজনো বাছা প'ৰ ওপৰত বুৰুতেমেন আৰু কেবাজনো বুৰুতেমেনৰ ওপৰত একোজন হাবে থাকে। হাবেসকলক সহায় কৰিবৰ বাবে হাবেৰিছ'ৰ নিযুক্তি দিয়া হয়।

জিৰই এলেকাত উচ্চতমপদস্থ বিষয়া হ'ল হাবে। হাবেসকলক প্ৰাদেশিক শাসনকৰ্তা হিচাপে নিযুক্তি দিয়া হয়। শাসনৰ সুবিধাৰ্থে সমুদায় জিৰই এলেকা সৰু-বৰ বহুতো ভাগত বিভক্ত আৰু প্ৰত্যেকটো ভাগকে লংৰি বোলা হয়। লংৰি ভেদে লংৰিবোৰৰ নামো বেলেগ বেলেগ। প্ৰত্যেক লংৰিতে দুজনকৈ হাবে (হাবেকং আৰু হাবেৰিছ') থাকে আৰু লংৰিৰ ভিতৰত ৰজাৰ নামত তেওঁলোকে শাসনকাৰ্য চলায়। হাবেসকলৰ হাতত প্ৰশাসনৰ উপৰি বিচাৰ (Judiciary) আৰু বিধান (Legislature) ৰ ক্ষমতা থাকে। লংৰিৰ শান্তিৰক্ষাৰ বাবে আইন প্ৰণয়ন, আইন ভংগকাৰীৰ বিচাৰৰ উপৰি গাঁওবুঢ়া বাছাপ' আদিৰ নিযুক্তিৰ ক্ষমতাও থাকে। ইয়াৰ উপৰি ৰাজপ্ৰতিনিধিস্বৰূপ হাবেসকলে ৰাজকীয় প্ৰতীক 'জাম্বিলি আঠন'ৰ ব্যৱহাৰো কৰিব পাৰে।

হাবেপিৰ বাহিৰে বাকী হাবেসকলৰ মান-মৰ্যাদা একে। হাবেসকলৰ ভিতৰত হাবেপিৰ হাবেজনাৰ মৰ্যাদা অলপ উচ্চ। হাবেপিৰ হাবেসকল ৰাজপুত্ৰস্বৰূপ। সেয়েহে হাবেপিৰ জামবিলি আঠনত ভীমৰাজ পক্ষীৰ পৰিৱৰ্তে স্বয়ং ৰজাৰ প্ৰতীক মইনা চৰাই দিয়া হয়। সেই অনুপাতে ৰজাৰ ওচৰতো অন্যতকৈ হাবেপিৰ হাবেৰ সন্মান আৰু ক্ষমতাও বেছি।

ৰজাৰ সমূহ প্ৰজাকে চাক্ৰি বোলা হয়। চাক্ৰি-চাকৰসকলে সময়ে সময়ে ৰজাৰ বাবে কৰ-কাটল শোধাবলগীয়া হয়। বিশেষকৈ খেতিৰ উৎপন্নৰ একোটা অংশৰ লগতে কাপোৰ, পোহনীয়া জন্তুৰ ভাগ আদি দিব লগা হয়। ইয়াৰ উপৰি প্ৰয়োজনসাপেক্ষে শাৰীৰিকভাৱেও ৰজা বা পাৰিষদবৰ্গৰ ঘৰত সমূহীয়াকৈ খাটি দিয়াৰ নিয়মো আছে। ঠিক তেনেকৈয়েই হাবে আৰু ছাৰবাছাসকলৰ বাবেও সেকাৰসকলে শাৰীৰিক পৰিশ্ৰম কৰি দিব লগা হয়। লগতে কোনো গাঁৱলৈ অভ্যাগত অতিথি আহিলেও তেওঁৰ ভৰণ-পোষণৰ বাবে সেকাৰসকলৰ ওপৰত কৰ-কাটল বহুৱাই তাৰ পৰাই অভ্যাগতক সেৱা কৰাৰ নিয়ম।

সামাজিক বিচাৰ ঃ সমাজৰ বিভিন্ন অপৰাধৰ বাবে কাৰবি সমাজত বিচাৰৰ ব্যৱস্থা আছে। মন কৰিবলগীয়া যে বিচাৰত আচামী-ফৰিয়াদীকে ধৰি সাক্ষী আদিক পৰীক্ষা কৰাৰ পাছতহে শাস্তিৰ বিধান ঘোষণা কৰা হয়। অপৰাধ অনুপাতে শাস্তিবিধান হয় আৰু অপৰাধ অনুযায়ী বিচাৰচ'ৰাও বেলেগ বেলেগ হয়।

বিচাৰৰ ক্ষেত্ৰতো মুখ্য বিচাৰপতি স্বয়ং ৰজা। বিচাৰৰ ক্ষমতা থকা নিম্নতম কৰ্মচাৰীজন হ'ল ছাৰথে বা ছাৰবাছা। মেকাৰসকলৰ যিকোনো অপৰাধ ছাৰথেৰ চ'ৰাঘৰত বিচাৰ হয়। ছাৰথেৰ বিচাৰৰ বিৰুদ্ধে হাবেৰ চ'ৰাত পুনৰ বিচাৰৰ বাবে আবেদন কৰিব পাৰে আৰু হাবেৰ বিচাৰৰ ওপৰত পিন্‌ৰু (ৰাজ-দৰবাৰ)সকলৰ ওচৰতো আবেদন কৰিব পাৰে। পিন্‌প হাবে বা ছাৰথেক বিচাৰৰ বিধান লাঘৱ কৰিবৰ বাবে লিন্দক্‌প' (ৰজা)ৰ ওচৰত আবেদন কৰাৰ অধিকাৰ প্ৰত্যেকৰে থাকে। বিচাৰচ'ৰাত ছৰাথেক তেওঁৰ সেকাৰসকলে সহায় কৰে আৰু হাবেসকলক ছাৰথেকে ধৰি তেওঁৰ তলতীয়া কৰ্মচাৰীসকলে সহায় কৰে।

বিচাৰৰ ক্ষেত্ৰত ছাৰথেৰ পৰা হাবেলৈকে সকলো কৰ্মচাৰীৰ ক্ষমতা প্ৰায় একেই। মৃত্যুদণ্ড, অংগক্ষত আৰু দেশান্তৰৰ বাহিৰে নিম্নতম বিচাৰ পাতি ছাৰথেৰ বিচাৰচ'ৰাতো সকলো ধৰণৰ শাস্তিবিধান দিব পাৰে। ছাৰথে, হাবে বা পিন্‌প'সকলৰ বিচাৰৰ বিধানসমূহ ৰজাই বাহাল ৰাখিব বা অগ্ৰাহ্য কৰিবও পাৰে বা কঠোৰ শাস্তিবিধানকো লাঘৱ কৰিব পাৰে। মৃত্যুদণ্ড, অংগক্ষত বা দেশান্তৰ আদিৰ শাস্তিৰে

দণ্ডিত অপৰাধীকো ৰজাই ক্ষমা কৰিব পাৰে। মুখ্য বিচাৰপতিৰ ক্ষমতাত থাকিলেও ৰজা নিজেই কোনো দিন বিচাৰচ'ৰাত নবহে। তেওঁৰ তলতীয়া বিচাৰপতিসকলৰ শাস্তিৰ অনুমোদন বা নাকচহে কৰে মাথোন।

কাৰবি ৰজা জানতাৰিচ'ৰ দিনতে কাৰবি ভূমিৰ সাৰ্বভৌমত্ব ভাঙি চাৰিখন ৰাজ্যৰ সৃষ্টি হয়। এই চাৰিখন ৰাজ্যৰে চেছং কিৰিপ'ৰ পুতেক তেৰাং ৰংচাইচ' ফৈদৰ বীৰ ৰাইছঙে আহোম, জয়ন্তীয়া আৰু কাৰবি (ৰংখাং) ৰাজ্যৰ সীমাতে নতুনকৈ এখন স্বাধীন ৰাজ্য গঠন কৰে। ইয়াৰ উপৰি হাঞ্চে ভাতৃসৱে ককায়েক (ৰংখাং চছেঙৰ ৰজা)ৰ পৰা আনি চিনথং আৰু আমৰি নামৰ দুখন ৰাজ্য গঠন কৰে। সেইদিন ধৰি আজিকোপতি কাৰবি সমাজত ৰংখাঙত ৰুহাং, চিনথংচত হাঞ্চে, আমৰিত হাঞ্চে আৰু সীমাত তেৰাং ৰংচেইচ'ৰ ফৈদেই ৰজা হৈ আছে। ৰাজ্য বেলেগ বেলেগ যদিও ৰংখাং, আমৰি আৰু চিনথং ৰাজ্যক ভাতৃৰাজ্য বুলি ধৰা হয় আৰু ৰাজ্যৰ প্ৰতিটো সমস্যাতে ইটোৱে সিটোক সহায় কৰাৰ নিয়ম আজিও আছে। আনকি এই তিনিও ৰাজ্যৰ ৰজাই বছৰত এদিন একেলগ হৈ দেশৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰে। সেয়েহে এই তিনিও ৰাজ্যৰ ৰজাক 'ছেৰহংথম' অৰ্থাৎ তিনিডোখৰ সোণ বুলি কোৱা হয় আৰু উপৰিউক্ত তিনি ৰজাৰ বৈঠকক 'ছেৰহংথম আমেই' অৰ্থাৎ তিনিডোখৰী সোণৰ সভা বুলিহে আখ্যা দিয়ে। উক্ত সভাত গৃহীত যিকোনো প্ৰস্তাৱ তিনিও ৰাজ্যতে প্ৰযোজ্য হয় আৰু তিনিজনৰে এজনেও তাক লংঘন কৰাৰ নিয়ম নাই। আজিকোপতি এই নিয়ম চলি আছে।

চাৰিওখন ৰাজ্যতে চাৰিজন স্বাধীন ৰজাই ৰাজত্ব চলালেও কাৰবিসকলৰ নিজৰ নিজৰ মাজত যুদ্ধ-বিগ্ৰহ কৰাৰ কোনো উদাহৰণ নাই। বৰঞ্চ সকলো ক্ষেত্ৰতে ইটোৱে সিটোৰ সহায় কৰাৰ উদাহৰণহে বেছি। তিনি ভাতৃৰাজ্যৰ ৰজাসকলেও 'সীমা' ৰজাক হিংসা কৰাৰ পৰিৱৰ্তে নুমলীয়া ৰজা বুলি বেছি আদৰ কৰাৰ কথা প্ৰথা আজিকোপতি প্ৰচলিত।

কাৰবিসকলৰ বেলেগ বেলেগ ৰজাৰ অধীনত চাৰিখন স্বাধীন ৰাজ্য যদিও চাৰিওখন ৰাজ্যৰে শাসন-প্ৰণালী আৰু সমাজ-ব্যৱস্থা একে। আনকি পাৰিষদৰ বিষয়ববীয়াৰ উপাধিবোৰো একে।

কাৰবি ৰাজ্যৰ নিলীপ আৰু লুম্বাজঙৰ বিশাল উপত্যকাভূমিক (বৰ্তমান সমগ্ৰ পূব কাৰবি আংলং) উমৈহতীয়া ভূমিৰূপে লোৱা হয়। এই সমতল ভূমিত বিশেষকৈ ৰংখাং আৰু চিনথঙৰ ৰজাই কৃষি-কৰ্মৰ বাবে পমুৱা হিচাপে নিজৰ নিজৰ প্ৰজাসৱক বিভিন্ন ঠাইত সংস্থাপন কৰে আৰু এই বৃহৎ এলেকাৰ প্ৰজাৰ মাজত ৰংহাং আছ' আৰু 'চিনথং আছ' নামেৰে দুটা ভাগত বিভক্ত কৰি দিয়ে।

এই এলেকাৰ লোকসকল বিশেষকৈ সাধাৰণ খেতিয়ক হেতুকে ইয়াৰ শাসন-ব্যৱস্থাও তুলনামূলকভাৱে শিথিল। কেইবাঘৰৰ সেকাৰৰ ওপৰত খেতিৰ উপযোগিতা অনুযায়ী ঠায়ে ঠায়ে গাঁওবোৰ পাতি দি সেই গাঁওবোৰত চাৰথেসকলক শাসনকাৰ্য চলাবলৈ দি আহিছে আৰু বিচাৰৰ ক্ষেত্ৰতো ছাৰথেৰ জৰিয়তে বিচাৰ চলোৱা হয়। এই ক্ষেত্ৰত কিবা গুৰুত্বপূৰ্ণ বিষয় হ'লে চিনথং আৰু ৰংখাং প্ৰজাৰ ছাৰথেসকল একেগোট হৈ তাৰ বিধান কৰাৰ নিয়ম। অগত্যা কিবা বিষয়ত তেওঁলোকৰ মাজত নিষ্পত্তি নহ'লেহে পিন্‌পক ক'বলগীয়া হয়। উক্ত নিলীপ আৰু লুম্বাজঙৰ এলেকাত কোনো কালেই হাবেৰ নিযুক্তি দিয়া হোৱা নাই।

কাৰবি ৰজাসকল বংশানুক্ৰমিক যদিও সময়সাপেক্ষে উপযুক্ততাৰ ভিত্তিত সেই ফৈদৰে দূৰ সম্পৰ্কীয় অন্য এজনকো ৰজা পতাৰ দৃষ্টান্ত আছে। লগতে হাবে-পিন্‌প ছাৰথে আদি বিষয়ববীয়াসকলৰ

ক্ষেত্ৰতো তেনে দৃষ্টান্ত আছে যদিও প্ৰায়েই বংশানুক্ৰমিকভাৱে বাপেকৰ পাছত পুতেকেই বিষয়বাব চলাই যোৱাৰ নিয়ম।

বিচাৰৰ আগত সকলো কাৰবি লোকৰেই সমান অধিকাৰ। সমাজবিৰোধী, নীতিবিৰোধী আদি কামৰ বাবে উচ্চপদস্থ ৰাজকৰ্মচাৰীসকলেও বিচাৰৰ আগত ৰেহাই নাপায়। কোনো উচ্চপদস্থ কৰ্মচাৰীয়ে কিবা অপৰাধত দণ্ডিত হ'লে প্ৰথমতে সেই পদৰ পৰা তেওঁক বৰ্খাস্ত কৰা হয়। মৰ্যাদাৰ ক্ষেত্ৰত নিম্নতম যদিও ছাৰথে বা ছাৰবাছা (গাঁওবুঢ়া)ক সহজতে উক্ত পদৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰে। তাৰ বিকল্প ব্যৱস্থাস্বৰূপে তেনে ছাৰথে এজনক পদত্যাগ কৰিবলৈহে বাধ্য কৰোৱা হয়।

কাৰবি সমাজখন বৰ সুস্থ সমাজ। সমাজত উচ্চ-নীচৰ ব্যৱধান নাই। ৰজাৰ পৰা সাধাৰণ প্ৰজালৈকে সমাজত সকলোৰে সমান অধিকাৰ। সকলো সময়তে ৰজা-প্ৰজাই একেলগে বহি মদ-ভাত খোৱাৰ কোনো আপত্তি বা বাধা নাথাকে। ৰজা বা উচ্চপদস্থ কৰ্মচাৰীক প্ৰজাসকলে সমীহ কৰি চলে ঠিক, কিন্তু ভয় কৰি চলিবলগীয়া নহয় যদিহে সমাজত দোষণীয় কাম কৰা নাই বা নকৰে।

উচ্চপদস্থ কৰ্মচাৰীসকলৰ ৰজাৰ অনুগ্ৰহতে বিষয়বাব বৰ্তি থাকে। ৰজাৰ অনুগ্ৰহ পালে সাধাৰণ প্ৰজা এজনেও ৰাজমন্ত্ৰী পদত অধিষ্ঠিত হ'ব পাৰে আৰু তাৰ বিপৰীতে ৰাজমন্ত্ৰী এজনেও সাধাৰণ প্ৰজাৰ শ্ৰেণীলৈ নামি আহিব পাৰে। ঠিক তেনেকৈয়েই তিনিজনা ৰাজমন্ত্ৰী একমত হ'লে ৰজাকো ভাঙিব বা পাতিব পাৰে।

কাৰবি সমাজত প্ৰশাসনিক বিষয়াসকলক 'ছাৰ' বুলি কোৱা হয় আৰু সমগ্ৰ কাৰবিভূমিক তিনিটা ভাগত বিভক্ত কৰি চলোৱা শাসন-ব্যৱস্থা অনুযায়ী ৰাজকৰ্মচাৰীসকলকো তিনিটা স্তৰত ভাগ কৰা হয়। উক্ত তিনিটা স্তৰ অনুযায়ী প্ৰদত্ত ক্ষমতাও বিভিন্ন স্তৰৰ হয়। কাৰবি ৰাজনীতি আৰু প্ৰশাসনিক ব্যৱস্থাৰ চমু আভাস—

'ছাৰ'সকলৰ মান-মৰ্যাদা আৰু ক্ষমতা প্ৰদানৰ ক্ষেত্ৰত এনেধৰণৰ —

১। নিবত-কাৰণ আছাৰ (পিন্‌পসকল)

২। ফৰি-ফতেন্ আছাৰ (হাবে বুৰুতেমেনসকল)

৩। মেহেক-হানথু আছাৰ (ছাৰবাছা, বাছাপ'সকল)

ঠিক এইদৰেই প্ৰশাসনিক ক্ষমতাৰ ক্ষেত্ৰতো কেন্দ্ৰীয়, ৰাজ্য আৰু আঞ্চলিক ভিত্তিত ভাগ কৰি দিয়ে। উদাহৰণস্বৰূপে ৰংছ'পিত নিবত-কাৰণ, ৰাজ্যত ফৰি-ফতেন আৰু আঞ্চলিক বিষয়াক মেহেক-হানথু আছাৰ বুলি কোৱা হয়। *

---

* **'ৰঝাৰ' আহিৰ'** ডিফুত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনৰ **স্মৃতিগ্ৰন্থৰ** পৰা পুনৰ্মুদ্ৰিত।

প্রথম অধ্যায়

অতীত পরিচয়: ইতিহাস ইতিবৃত্ত

মিছিংসকলৰ ইতিবৃত্ত ঃ এটি চমু আভাস

ডাঃ নোমল পেগু

একোটা জাতিৰ ইতিবৃত্ত তথা বুৰঞ্জী লিখা যথেষ্ট শ্ৰমসাধ্য আৰু কঠিন কাম। তাতে মিছিং জনগোষ্ঠীৰ দৰে কোনো পুৰণি তথ্যপাতি নোহোৱা, লিখিত বুৰঞ্জী নথকাসকলৰ অতীতৰ ইতিবৃত্ত সঠিকভাৱে ৰচনা কৰা আৰু কঠিন। তথাপি, বৰনৈৰ বুকুত বুটলি পোৱা এডুখৰি শিলাখণ্ডৰো নিজস্ব ইতিহাস থকাৰ দৰেই বৰনৈৰ পাৰে পাৰে বসতি কৰি প্ৰায় এহেজাৰ বছৰ অতিক্ৰম কৰা মিছিংসকলৰো নিশ্চয় নিজৰ ঐতিহ্যপূৰ্ণ দীঘলীয়া ইতিহাস আছিল। সেই অলিখিত ইতিহাস লিপিবদ্ধ কৰি ৰাখিবলৈ কোনোবাই এদিন হাতত কলম তুলি ল'ব লাগিবই। এনে গভীৰ বিশ্বাসৰ বশৱৰ্তী হৈ জীৱনভৰা অন্বেষণ, নিৰীক্ষণ, আৰু বিস্তৃত অধ্যয়নত ব্ৰতী হৈছিলো। আৰু তেনে অধ্যয়নত লাভ কৰা যৎকিঞ্চিৎ তথ্যপাতিৰেই মিছিংসকলৰ এই চমু ইতিবৃত্ত বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে।

'বুৰঞ্জী' নকৈ 'ইতিবৃত্ত' কোৱাৰ কাৰণ নোহোৱা নহয়। দেখাত দুয়োটা শব্দই একে অৰ্থকে বুজায় যদিও বুৰঞ্জী তথা History বুলিলে অতীতৰ সঠিক দিনপঞ্জী, অৰ্থাৎ নিশ্চিত দিন তাৰিখ আৰু প্ৰতিষ্ঠিত তথ্যৰে সমৃদ্ধ লিপিবদ্ধ কাহিনীকে বুজোৱা হয়। কিন্তু মিছিংসকলৰ উৎপত্তি, প্ৰব্ৰজন আদি সম্পৰ্কত তেনে কোনো প্ৰতিষ্ঠিত লিপিবদ্ধ তথ্য পাবলৈ নাই। যি আছে সকলো আখ্যান-উপাখ্যান আৰু মৌখিক ৰূপত আছে। সেই বাবেই 'ইতিবৃত্ত' শব্দটো বেছি গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হৈছে। মানুহে কয় — দেৱতাৰ উৎপত্তিৰ কথা ক'লে ৰং, কিন্তু মানুহৰ উৎপত্তিৰ কথা ক'লে খং। তথাপি তাৰ মাজেৰেই মিছিংসকলৰ ইতিবৃত্তৰ বিষয়ে থূলমূলকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

'ভৈয়ামৰ মিৰি' তথা মিছিংসকল বৃহৎ মঙ্গোলীয় জাতিৰ তিববত-বৰ্মী মূল শাখাৰ পৰা ওলোৱা এটি প্ৰশাখা। এই সিদ্ধান্তত কোনো মতানৈক্য নাই। বিষয়টো সহজ কৰিবলৈ সমূহ মানৱজাতিৰ উৎপত্তি আৰু প্ৰব্ৰজনৰো কিছুকথা ক'বলগীয়া হয়। স্বীকৃত তথ্য মতে মানৱ জাতিক প্ৰধান চাৰিটা ভাগত ভগাব পাৰি। (১) অষ্ট্ৰ-অষ্ট্ৰলয়ড়, (২) মঙ্গলয়ড় (৩) নিগ্ৰইড্ (৪) ককেচিয়ান। ইয়াৰে

মঙ্গলয়ড্‌সকলৰ ঘাই বাসস্থান হৈছে এচিয়া মহাদেশ। বহু হেজাৰ বছৰৰ পূৰ্বে কিছু মঙ্গোলীয় লোক আলাস্কাইদিগে আমেৰিকা মহাদেশত প্ৰৱেশ কৰিছিল। আকৌ তাৰে কিছু অংশ দক্ষিণ আমেৰিকালৈ প্ৰব্ৰজন কৰিছিল।

পণ্ডিতসকলে ঠাৱৰ কৰিছে যে, মঙ্গলয়ড্ জাতিপুঞ্জৰ আদিম বাসস্থান মহাচীনৰ দক্ষিণাঞ্চলত অৱস্থিত হোৱাংহো আৰু য়াংছে-কিয়াং নামৰ বৃহৎ নদী দুখনৰ উৎপত্তিস্থল, ওখ পাহাৰত আছিল। সেই ওখ পাহাৰৰ পৰা অতি প্ৰাচীন কালত চীনা জাতিৰ মূল সুঁতিটো ওলাই আহিছিল আৰু কালক্ৰমত বিভিন্ন অঞ্চলত বিয়পি পৰিল। তাৰ পিছৰ কালছোৱাত অন্যান্য জনগোষ্ঠী তথা স্বান্ ল'ল', তিববতী-বৰ্মীসকল ক্ৰমে ক্ৰমে বিভিন্ন সময়ত দক্ষিণলৈ প্ৰব্ৰজন কৰিবলৈ ধৰিলে। এইদৰে একে মঙ্গলইড্ জাতিৰ শাখা-প্ৰশাখা ৰাচিয়াৰ চাইবেৰিয়াৰ পৰা চীনদেশৰ মূলখণ্ড, মঙ্গোলীয়া, তিববত, ভাৰতৰ উত্তৰ-পূব সীমান্ত, নেপাল, ভুটান, ম্যানমাৰ, থাইলেণ্ড, কম্বোডিয়া, ভিয়েটনাম, কোৰিয়া, জাপান, মালয়েছিয়া আদি দেশবোৰত বিয়পি পৰিল।

একে মানৱগোষ্ঠীৰ পৰা একে ঠাইতে উদ্ভৱ হোৱা হেতুকে মঙ্গলয়ড্ জাতিগোষ্ঠীৰ শাৰীৰিক গঠন আৰু মুখাবয়ব প্ৰায় একেই। তেওঁলোকৰ প্ৰায়বোৰৰ নাক চুটি, চকু সৰু, চুলি ঠৰঙা, আৰু মুখত ডাড়িগোঁফ কম। মূৰৰ আকৃতি ঘূৰণীয়া, শৰীৰৰ উচ্চতাও কিছু কম। বহু হাজাৰ বছৰ ধৰি, বহু হাজাৰ মাইলৰ দূৰত্বত বসবাস কৰি থকা সত্ত্বেও শাৰীৰিক গঠনৰ বৈশিষ্ট্যসমূহ একেবাৰে হেৰাই যোৱা নাই। তেওঁলোক যথেষ্ট খামিডাঠ লোক।

ইমানদিনে মিছিং-আদী সমাজত প্ৰচলিত কিম্বদন্তী, আখ্যান-উপাখ্যানৰ আধাৰত তেওঁলোক উত্তৰৰ ওখ পাহাৰ তথা তিববতৰ পৰা প্ৰব্ৰজন কৰি অহা বুলি অনুমান কৰা হৈছিল। কিন্তু সঠিক তথ্যৰ অভাৱত নিশ্চিত সিদ্ধান্তত উপনীত হোৱা নাছিল। পিছে, যোৱা শতিকাৰ আগভাগত চীনদেশত আৱিষ্কৃত কিছু প্ৰাচীন সামগ্ৰীৰ ওপৰত বৈজ্ঞানিক দৃষ্টিৰে অধ্যয়ন কৰি কেবাগৰাকী পাশ্চাত্যৰ পণ্ডিতে অতি মূল্যৱান তথ্য প্ৰকাশ কৰিছে। অতি প্ৰাচীন তথা খ্ৰীষ্টপূৰ্ব ১৭ শতাব্দীৰ আগৰ বুৰঞ্জী তেতিয়াৰ মৃতদেহৰ দাঁতত (oracle bones) লিপিবদ্ধ কৰি গৈছে। সেই লিপিবদ্ধ কৰি যোৱা তথ্যবোৰ হৈছে—

(ক) সেই সময়ৰ শ্বাং বংশৰ মুৰব্বী (ৰজা শব্দ ব্যৱহাৰ কৰা নাই)সকলে বৰ আড়ম্বৰপূৰ্ণ আয়োজনৰে উপৰি পুৰুষসকলক পূজা দিছিল। (মিছিংসকলেও উপৰিপুৰুষৰ উদ্দেশ্যে 'উৰম ওই' আৰু 'কুঃছাগ্' অতি আড়ম্বৰপূৰ্ণ আয়োজনেৰে সমাধা কৰে।)

(খ) তেওঁলোকে বাঁহ-বেত আৰু কাঠেৰে আয়তক্ষেত্ৰৰ চাংঘৰ সাজি দুচলীয়াকৈ খেৰৰ চাল দিছিল। (মিছিংসকলেও আজিকোপতি উপৰোক্ত ধৰণেই চাংঘৰ সাজি থাকে।)

(গ) তেওঁলোকৰ খেতিৰ আৰম্ভণি দিনা গাঁৱৰ মুৰব্বীজনে পথাৰত ফালেৰে মাটি ফালি প্ৰথম শস্যৰ গুটি সিঁচিছিল আৰু সেই দিনটোকে বছৰৰ আৰম্ভণি বুলি ধৰিছিল। সেই দিনটো ইংৰাজী ফেব্ৰুৱাৰী মাহতে পৰিছিল। (মিছিংসকলৰ 'আলি আয়ে লৃগাং' উৎসৱৰ লগত যথেষ্ট মিল দেখা যায়।)

(ঘ) প্ৰাচীন চীনাসকলে চন্দ্ৰ মাহ (Lunar month) মানি চলিছিল। অৰ্থাৎ জোন মৰি ওলোৱাৰ লগত সম্বন্ধ ৰাখি মাহৰ হিচাপ ৰাখিছিল। (মিছিংসকলেও এমাহক 'পল' বুলি কয়। আৰু পৰৱৰ্তী জোন নেদেখালৈকে (পল' কাৰ্কে কোমা চিত্‌চীম্) নৱজাত শিশুক বাহিৰলৈ ওলাব

নিদিয়ে। ইও 'চন্দ্ৰমাহ' নীতিৰে ভিতৰুৱা।

(ঙ) প্ৰাচীন চীনতো পিতৃগোত্ৰীয় লোকৰ অৰ্থাৎ একে উপাধিধাৰী লোকৰ মাজত বিয়া বাৰু নিষিদ্ধ আছিল। এজন লোকৰ উপাধি চাই বংশ নিৰ্ণয় কৰিব পাৰিছিল। (মিছিং সমাজতো এতিয়াও একে অপৃন বা খেলৰ মাজত বিয়া-বাৰু নিষিদ্ধ আৰু উপাধি চাই বংশৰ পৰিচয় পোৱা যায়।)

(চ) প্ৰাচীন চীনৰ আত্মা সম্পৰ্কীয় ধাৰণাটো মিছিংসকলৰ লগত বস্তুতঃ একেই। তেওঁলোকেও দ্বৈত আত্মাৰ অস্তিত্বত বিশ্বাস কৰিছিল। 'পো' নামৰ আত্মাই গৰ্ভত থিত লোৱাৰ সময়তে শিশুটিৰ শৰীৰত সোমায়। আকৌ 'হুন' নামৰ এক আধ্যাত্মিক আত্মাই জন্মৰ মুহূৰ্ততে কেঁচুৱাটোৰ শৰীৰত প্ৰবেশ কৰে। এই দ্বৈত আত্মাই মানুহৰ জীৱনকালত ওতপ্ৰোতভাৱে শৰীৰত জড়িত হৈ থাকে। মৃত্যুৰ পাছত 'পো' আত্মা মৃতদেহৰ লগত থাকি যায় আৰু 'হুন' আত্মা অন্য উচ্চস্তৰলৈ গুচি যায়। (মিছিংসকলেও 'ইজিঃ' আৰু 'য়াল' নামৰ দ্বৈত আত্মাৰ অস্তিত্বত বিশ্বাস কৰি আহিছে। মানুহজন টান নৰিয়াত পৰিলে বা অতিপাত ভয় খালে 'য়াল' আত্মা সাময়িকভাৱে শৰীৰৰ বাহিৰত বিচৰণ কৰিব পাৰে। সেই সময়ত 'ইজিঃ' আত্মাই মানুহজনৰ শৰীৰত ক্ৰিয়া কৰি থাকে। ইয়াক চিকিৎসাবিজ্ঞানৰ suspended animation নামৰ অৱচেতন অৱস্থাৰ লগত ৰিজাব পাৰি। এই বিশ্বাসৰ আধাৰতে 'য়াল'গৃকাং' 'য়াল'লাঃছাং' আদি শব্দবোৰ ব্যৱহাৰ কৰিছিল। 'মিবু দাগনাম্' প্ৰক্ৰিয়াও এই দ্বৈত আত্মাৰ তত্ত্বৰ পৰাই উদ্ভৱ হৈছিল য'ত আঁতৰি যোৱা য়াল'ক বিচাৰি মিবুয়ে 'কঃজী- পাঃতাং' (বৈতৰণী) হ্ৰদৰ ওচৰ পায়গৈ। কঃজী পাঃতাং হ্ৰদ পাৰ নোহোৱালৈকে মানুহজনক পুনৰ জীৱন দিব পৰা যায়।

ওপৰত উল্লেখ কৰি অহা বুৰঞ্জীৰ তথ্যবোৰ আজিকোপতি মিছিং সমাজত চলি থকা বিশ্বাস আৰু ৰীতি-নীতিৰ লগত অদ্ভুত মিল দেখা যায়। সেইবোৰৰ আধাৰতে ক'ব পাৰি যে, উল্লিখিত সময়ছোৱাত মিছিংসকলৰ আদিম পূৰ্বপুৰুষসকল চীনৰ কোনোবা অঞ্চলত বাস কৰিছিল। আৰু সেই ঠাইৰ সংস্কৃতিকে বুকুত বান্ধি তেওঁলোকে খ্ৰীষ্টপূৰ্ব দুহেজাৰ চন মানত দক্ষিণ দিশলৈ গুচি আহিছিল। তাৰ পিছৰ সহস্ৰ বছৰ পাহাৰে-কন্দৰে পৰিভ্ৰমণ কৰি মহাভাৰতৰ যুগত চাংপো (Tsanpo) নদীৰ উপত্যকা পাইছিলগৈ। মহাকাব্যৰ সময়ত তিববতীবৰ্মী জনগোষ্ঠীৰ লোকসকল কিৰাট, কিন্নৰ, গন্ধৰ্ব, অসুৰ আদি নামেৰে জনাজাত হৈছিল। মহাভাৰত আৰু ৰামায়ণৰ কিস্কিন্ধ্যা কাণ্ডত উল্লেখ কৰা মতে তেওঁলোকক কৈলাস, মন্দাৰা, হিমবৎ আদি পাহাৰত দেখা পাইছিল। সেই জনগোষ্ঠীৰ আগতীয়া দল 'বড়ো'সকলৰ পূৰ্বপুৰুষসকল খ্ৰীষ্টপূৰ্ব ডেৰ হাজাৰ বছৰৰ আগেয়ে ভাৰতত প্ৰবেশ কৰিছিল বুলি প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথে উল্লেখ কৰি গৈছে।

সম্ভৱতঃ মিছিং আদীসকলৰ পূৰ্বপুৰুষসকল খ্ৰীষ্টপূৰ্ব এক শতিকাৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ মাজৰ কোনোবা দিনত বিভিন্ন গিৰিসঙ্কট পাৰ হৈ বৰ্তমান অৰুণাচল প্ৰদেশৰ ওখ পাহাৰত থিতাপি লভিছিল। কিন্তু পৰিতাপৰ বিষয় এয়ে যে, তেওঁলোকৰ কোনো লিপিবদ্ধ দিনপঞ্জী পাবলৈ নাই। সেই প্ৰাচীন ইতিহাস বিস্মৃতিৰ ডাঠ কুঁৱলীৰে ধূসৰিত। ভৈয়ামৰ কোনো কোনো ফৈদৰ লোকে পাহাৰৰ পৰা নামি অহা ডুখৰীয়া আখ্যান কৈছিল। কিছুমানৰ ক্ষেত্ৰত সেইখিনিও পাবলৈ নাই। আদীসকলৰ

'মিৰি'সকলে তেওঁলোকৰ পুৰণি আঃবাঙত প্ৰব্ৰজনৰ কিছু কথা উল্লেখ থাকিলেও নিৰ্ভৰযোগ্য 'বুৰঞ্জী' বুলিবলৈ পৰ্যাপ্ত তথ্যৰ অভাৱ। সেয়েহে কপালত হাত দি কোনোবাই উচুপি উচুপি গাইছিল ঃ

আত' গুমৃনী তগুং গুমৃন্ বোল্লা ।
নলো অকল' দুংগী য়েংগী কাঃ নী ?
নলোক আজ' অমুম্ বোলো,
চিল' দ'ল' মিক্ছী ৰীজিন্ দুংকুনী !

(হে পিতৃ পিতামহসকল, আজি তোমালোক ক'ত আছা? চোৱা আজি তোমালোকৰ মৰমৰ সতি-সন্ততিসকলে সৰ্বহাৰা হৈ কেনেকৈ চকুলো বোৱাইছে!) সঁচাকৈয়ে নিৰ্মম কালৰ গতি! নিজাকৈ লিপি নথকাৰ বাবে অতীতৰ ঐতিহ্যপূৰ্ণ ইতিহাস হেৰুৱাই পেলাইছো। তথাপি আমি অতীত সন্ধানী মুকলি মন লৈ আগুৱাই যাবই লাগিব। কিজানি এটি আঃ বাং, অতীতৰ ভুখৰীয়া কাহিনী বা কোনো অৰ্থপূৰ্ণ শব্দ ব্যঞ্জনাৰ মাজতে নতুন তথ্যৰ সন্ধান পাওঁ!

অৰুণাচলৰ অতি ওখ পাহাৰত থকা চিমংসকলৰ ইতিবৃত্ত লিপিবদ্ধ কৰোতে শ্ৰীতৰুণ কুমাৰ ভট্টাচাৰ্যই এটি অতি তাৎপৰ্যপূৰ্ণ তথ্য উল্লেখ কৰিছে। চিমংসকলৰ মতে তেওঁলোক 'পীদং আনী' নামৰ ঠাইৰ পৰা ওলাই আহি তিববতৰ 'লুকু- টিৰাং' নামৰ ঠাইত আছিল। তাৰ পৰা আহি এগালুম্ চিয়াং' অঞ্চলত কিছুদিন থাকি 'নাম্‌গং চিয়াং'লৈ গুচি আহিল। মন কৰিবলগীয়া যে তেওঁলোকৰ প্ৰব্ৰজনৰ বৃত্তান্তত পোনপ্ৰথমবাৰৰ বাবে 'পীদং আনী' শব্দটো ব্যক্তি বিশেষ নহৈ স্থান বিশেষৰূপে উল্লিখিত হৈছে। তদুপৰি 'লুকু-টিৰাং' এডোখৰ ঠাইৰ নাম আৰু 'এগালুম্ চিয়াং' যে এখন নৈ সেইটো সহজে ধৰিব পাৰি। শ্ৰীতৰুণ ভট্টাচাৰ্যই বৃত্তান্তটো ভুলকৈ টুকি লৈছিল বুলি ভাবিবৰ কোনো থল নাই। অৱশ্যে শ্ৰীভট্টাচাৰ্যই লোহিত নৈৰ উপনৈ জায়ুল্‌খনকে 'এগালু চিয়াং' বুলি ধৰি লৈছিল। কিন্তু জায়ুল্ আৰু এগালুম্ তথা য়ালুম্ শব্দৰ পাৰ্থক্য ভালেখিনি। সেইবাবে শ্ৰীভট্টাচাৰ্যৰ সিদ্ধান্তক বহুতে মানি লোৱা নাই।

আনহাতে, চীনদেশৰ মানচিত্ৰৰ দক্ষিণাংশ ভালকৈ অধ্যয়ন কৰিলে দেখা যায়—দক্ষিণ চীনৰ ঘাই নদী য়াংছে-কিয়াং (Yangtse Kiang) নদীৰ উৎপত্তিস্থলৰ পৰা আৰু এখন নৈ ওলাই আহিছে যাৰ নাম 'য়ালম্ কিয়াং'। চীন ভাষাৰ কিয়াং শব্দটো মিচিং আদীসকলৰ মুখত চিয়াং হৈ পৰিল। কিয়নো দুটা শব্দই নৈকে বুজায়। (পঢ়াশালিত আমাক 'য়াংছে-কিয়াং' নদীৰ নাম 'ইয়াং চিকিয়াং' বুলিহে শিকাইছিল। অৰ্থাৎ একোটা নামকে ভিন্ন ভাষাৰ লোকে বেলেগে উচ্চাৰণ কৰাৰ ই এটা নমুনা।) এই য়ালম্ কিয়াং নৈখন সমান্তৰালভাৱে বহু দূৰ দক্ষিণলৈ বৈ আহি য়াংছে কিয়াং নৈত পৰিছেহি। উল্লেখযোগ্য, এই 'য়ালম্ কিয়াং' তথা 'য়ালুম্ চিয়াং' নৈৰ উপত্যাকাত—পংকু তাদক্' অৰ্থাৎ তাদ'ক্ দগনী আদি বিভিন্ন মূল্যবান পাথৰ পোৱা গৈছিল। বহু পণ্ডিতৰ মতেও তিবৃতী-বৰ্মা জনগোষ্ঠী উপৰোক্ত য়াংছে-কিয়াং নদী আৰু চীনৰ আন এখন বৃহৎ নদী হোৱাংহোৰ উৎপত্তিস্থলৰ ওখ পাহাৰৰ পৰাই ওলাই আহিছিল। তেনেকৈ ভবা সকলৰ ভিতৰত ৰাষ্ট্ৰীয় অধ্যাপক ড° সুনীতি কুমাৰ চেটাৰ্জী অন্যতম। সেয়ে হ'লে, মিচিং আদীসকলৰ উপৰিপুৰুষসকলে 'য়ালম্ কিয়াং' তথা 'য়ালুম্ চিয়াং' উপত্যকাত কিছুদিন বাস কৰিছিল আৰু মিছিংসকলৰ অতি আদৰৰ সাতামপুৰুষীয়া সম্পত্তি দগনী তাদগ্' মণিসমূহ য়ালুম চিয়াং উপত্যাকাৰ পৰা সংগ্ৰহ কৰিছিল বুলি ক'ব পাৰি। অতি প্ৰাচীন আৰু পূৰ্বপুৰুষসকলৰ হাতৰ বুলনি

থকা হেতুকেই 'দগ্নী তাদগ্' মণিত এক অলৌকিক শক্তি থকা বুলি মিছিংসকলৰ দৃঢ় বিশ্বাস। এই তথ্যৰ আধাৰত দগ্নী-তাদগ্সমূহ কমেও তিনি হাজাৰ বছৰ পুৰণি বুলি ক'ব পাৰি। আৰু যিসকল সম্ভ্ৰান্ত মিছিং পৰিয়ালত আজিকোপতি দগ্নী তাদগ্ সংৰক্ষিত হৈ আছে সেইসকল লোক 'য়ালুম্ চিয়াং' উপত্যাকাইদি প্ৰব্ৰজন কৰি অহাসকলৰে সতি-সন্ততি বুলি নিশ্চিত হ'ব পাৰি।

এইখিনিতে প্ৰশ্ন উঠিব পাৰে—য়ালুম্ চিয়াং উপত্যাকাৰ পৰা কোন পথেদি আহি তেওঁলোক চাংপো (Tsanpo) নদীৰ উপত্যাকাত উপস্থিত হৈছিলহি? আগতেই কোৱা হৈছে যে প্ৰব্ৰজনৰ সেই সহস্ৰাব্দৰ ইতিহাস বিস্মৃতিৰ গৰ্ভত লীন গৈছে। তথাপি, চিমংসকলৰ মৌখিক বৃত্তান্তই সেই প্ৰব্ৰজন পথৰো ইঙ্গিত দিছে। তেওঁলোকৰ মৌখিক বৃত্তান্ত মতে য়ালুম্ চিয়াং অঞ্চলৰ পৰা আহি উপৰিপুৰুষসকল নাম্গং-চিয়াং অঞ্চলত আছিল। সম্প্ৰতি নামগং-চিয়াং ঠাইডোখৰ চাংপু নৈৰ উপত্যাকা বুলি ঠাৱৰ কৰা হৈছে। অৱশ্যে এগৰাকী আদী লেখক ড° টাই এঙৰিয়ে 'য়ালুম্-চিয়াং' নৈখন ইমান পূবলৈ বুলি ভবা নাই। ড° এঙৰিৰ মতে, ই চাংপো নৈৰ আশে-পাশে 'পেমাকচিন্' অঞ্চলতে আছিল। আৰু চিয়াং নদীৰ সৰু উপনৈ 'এঙলাম্-চো'খনো হ'ব পাৰে বুলি ধাৰণা কৰিছে। কিন্তু শ্ৰীতৰুণ ভট্টাচাৰ্যই ভবা লোহিত নদীৰ উপনৈ 'জায়ুল'খন হ'ব নোৱাৰে। কিন্তু দেখ্দেখ্কৈ ওলাই থকা য়ালম্কিয়াং নদীৰ উপস্থিতি আৰু সেই উপত্যকাত পোৱা 'দগ্নী-তাদগ্'ৰ সাক্ষ্য প্ৰমাণক সহজে উলাই কৰিব নোৱাৰি। তাৰ বাবে বিস্তৃত অধ্যয়ন আৰু ক্ষেত্ৰকৰ্মৰ প্ৰয়োজন হ'ব।

উপৰিউক্ত 'নাম্গং চিয়াং' তথা চাংপু উপত্যাকাৰ পৰা পোন প্ৰথমে মিছিংসকলে 'দছিংলা' (Doshing-La Pass) গিৰিসঙ্কট পাৰ হৈ চিয়াং উপত্যাকাৰ ওখ পাহাৰত অৱস্থিত কিলিং কাঙী পাহাৰত আছিলগৈ। কিলিং কাঙী পাহাৰ আৰু কিলিং লৃতীং গুহা আজিও আছে। কিন্তু মিছিংসকলৰ লগতে আদীসকল চিয়াং উপত্যকালৈ নাহি 'পেমাকচিন্' নামৰ ঠাইত বহু শতিকা বাস কৰি থাকিল। সেই কথা আদী লেখকসকল আৰু শ্ৰীতৰুণ ভট্টাচাৰ্যৰ চৰজমীন বৃত্তান্তৰ পৰাই জানিব পাৰি। পাছত 'পাদাম-মিএঙংসকল পুৰণি 'দছিংলা' গিৰিসঙ্কট্ (দছিঙৰ পথ) পাৰ হৈ বৰ্তমানৰ টুটিং অঞ্চলত প্ৰবেশ কৰে। আৰু মিছিংসকল অহা বাটেদি কিলিংকাঙী পাহাৰলৈ আহে। তেওঁলোকৰ বৃত্তান্ত মতেই 'পাদাম মিএঙং'সকলে পূৰ্বতে আহি তাত বসবাস কৰি থকা পেগু, দলে ফৈদৰ লোকসকক লগ পাইছিল। পাদাম-মিএঙংসকল তাৰ পৰাও দক্ষিণলৈ প্ৰব্ৰজন কৰি বৰ্তমান থকা ঠাইসমূহত থাকিবলৈ লয়। সেই প্ৰব্ৰজনৰ সময়তো য়ামনী নৈৰ পাৰত মিছিঙৰ লইং, ময়িং, ছায়াং, দাঙা-নৰহ আদি ফৈদবোৰকো লগ পাইছিল। এই বৃত্তান্তসমূহ তেওঁলোকৰ বৃদ্ধ 'মিৰ্'সকলৰ পৰাই সংগ্ৰহ কৰা হৈছে।

পিছে বহু শতাব্দী বাগৰাৰ পাছত জনসংখ্যা বৃদ্ধি পাই খেতি মাটিৰ নাটনি পৰাত সৰু-সুৰাকৈ কাজিয়া আৰম্ভ হৈছিল। তেতিয়া শান্তিপ্ৰিয় মিছিংসকলৰ প্ৰথম দল তথা পেগু, দলে, কুলি, কুতুম, পাতিৰ, পাইত, টাইদ, মিলি, তায়ে আদি ফৈদবোৰ ভৈয়ামলৈ নামে। বিভিন্ন কাৰণত আন আন মিছিংসকলেও পাছত ভৈয়ামলৈ নামি আহে। মিচিং-আদীসকলে তিব্বত এৰি চিয়াং উপত্যকালৈ অহাৰ সময় প্ৰথম শতিকাৰ পৰা খ্ৰীষ্টীয় সপ্তম শতিকাৰ মাজত বুলি ঠাৱৰ কৰা হৈছে। এই সিদ্ধান্তলৈ অহাৰ কেবাটাও গুৰুত্বপূৰ্ণ কাৰণ আছে। বৌদ্ধ ধৰ্ম তিব্বতলৈ যোৱাৰ সময় হৈছে খ্ৰীষ্টীয় সপ্তম শতিকা। তিব্বতৰ মুৰব্বী চাংচেন্ গাম্পুৰ (৬৩৮—৬৫০ খ্ৰীঃ) দিনতে বৌদ্ধ ধৰ্ম তিব্বতলৈ আহিছিল। সেইবাবে খ্ৰীষ্টীয় সপ্তম শতিকাৰ আগতে যিবোৰ জনগোষ্ঠী চিয়াং উপত্যকালৈ গুচি আহিল তেওঁলোক বৌদ্ধ

ধৰ্মৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হৈ থাকিল। আৰু প্ৰাচীন চীনৰ ধৰ্ম সংস্কৃতিকে কুকুত সাবটি 'দঞিঃ-পল'ৰ উপাসনা কৰি, বাঁহ-বেতৰ চাংঘৰ সাজি পুৰণি পৰম্পৰামতেই সমাজ পাতি থাকিল। তাৰ ফলতে ভৈয়ামৰ মিছিংসকল আৰু পাহাৰৰ আদীসকলো বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰ পৰা আঁতৰি থাকিল। আনহাতে এচিয়াৰ প্ৰায়বোৰ মঙ্গলইড্ জাতি-উদ্ভূত জনগোষ্ঠী বৌদ্ধ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হোৱাটো লক্ষণীয়।

এতিয়া মিছিংসকলৰ বিশ্বাস আৰু ধৰ্মীয় পৰম্পৰাৰ বিষয়ে চমুকৈ পৰ্যালোচনা কৰাটো অপ্ৰাসংগিক নহ'ব। 'মিছিং'বুলিলে কেইবাটাও খেল (clan) লগ লাগি একোটা দল (group) হিচাপে পৰ্বতৰ পৰা নামি অহা লোক-সমষ্টি। একেলগে নামি, একেলগে থকা দলবোৰৰ একোটা নাম পৰিচয় আছে। তেনেকৈয়ে 'আদী' বুলি ক'লেও কেবাটাও ফৈদ (clan) থকা একোটা দলকে (group) বুজা যায়। সেই দলীয় নামবোৰ হৈছে, পাদাম, মিঞং, পাচি, মিলাং, চিমং, পাইলিব, বৰি, বকাৰ, আছিং, গালং, ইত্যাদি। তেওঁলোকৰ প্ৰত্যেকৰে নিজাকৈ প্ৰব্ৰজনৰ বৃত্তান্ত পোৱা যায়। বহুতে ভবাৰ দৰে আৰু দুই এজনে অসতৰ্কতাৰে উল্লেখ কৰাৰ দৰে ভৈয়ামৰ মিছিংসকল পাদামৰ সতি-সন্ততি নহয়। বৰঞ্চ, অধিকাংশ মিছিং ফৈদ পীদং আনীৰ পৰা উদ্ভব হোৱা সমান্তৰাল সমগোষ্ঠীয় লোক অৰ্থাৎ সহোদৰ ভাতৃ। অৱশ্যে মিছিংসকল ভৈয়ামলৈ নামি আহোতে কেতবোৰ পাদাম পাচি পৰিয়াল আহি ভৈয়ামত নিগাজিকৈ থাকিবলৈ লৈছিল। তেওঁলোক সম্প্ৰতি মিছিং সম্প্ৰদায়ৰ ভিতৰুৱা।

উল্লেখনীয় যে পাহাৰৰ আদিসকলৰ বিভিন্ন শাখাৰ ভিতৰত পাদাম মিঞং আৰু কিছু কথাত চিমংসকলৰ লগত মিছিংসকলৰ ভাষা-সংস্কৃতি বেছি ওচৰ। 'চেদি-মেল'ৰ পৰা 'পীদং আনী'ৰ স্তৰলৈকে দুয়োৰে ধাৰণা একেই। কিন্তু 'চেদি মেল'ৰ পূৰ্বৱৰ্তী স্তৰৰ ধাৰণাতো একে বুলি একে আষাৰে ক'ব নোৱাৰি। আকৌ পীদং আনীৰ পৰৱৰ্তী স্তৰতো মিলতকৈ অমিল অধিক হোৱাটো লক্ষণীয়। সম্প্ৰতি কোনো বিকল্প তত্ত্ব বা তথ্য প্ৰক্ষেপ কৰিব নোৱাৰাৰ বাবে পাদামসকলৰ 'কীয়ুম্' ধাৰণাকে মিছিংসকলৰো ধাৰণা হিচাপে প্ৰচাৰ কৰা হৈছে আৰু বহুতো মিছিং লোকেও কোনো সূক্ষ্ম বিচাৰ-বিশ্লেষণ নকৰাকৈয়ে তাকে আওৰাবলৈ লৈছে। এই প্ৰশ্নটো উত্থাপন কৰাৰ কাৰণ নোহোৱা নহয়। প্ৰকৃত বুৰঞ্জীবিদে আৱেগৰহিত তথ্য প্ৰমাণকহে বেছি গুৰুত্ব দিয়ে। ইতিপূৰ্বে প্ৰয়াত সোণাৰাম পাঞাংদেৱে কিছু অন্বেষণ কৰি ১৯৩৫ চনত প্ৰকাশিত 'মিৰি জাতিৰ বুৰঞ্জী'ত অন্য এটি ধাৰণাৰ কথা উল্লেখ কৰি গৈছে। তেখেতৰ লিখনি মতে 'চেদিবাবুই মেল নানে'ৰ সহযোগত বিশ্বচৰাচৰ সৃজন কৰিছিল। চেদিবাবুৰ পূৰ্বৱৰ্তী বিৱৰ্তন সম্পৰ্কত কৈছেঃ

"মিৰি বুৰঞ্জীমতে তাপা পুমাঙেই জগতৰ আদি। তাপাপুমাং মানে নিৰাকাৰ। তাপা পুমাঙৰ পৰা পুদলগু হ'ল। পুদলগু মানে 'একমেৱ'—এজন মাত্ৰ। পুদলগুৰ পৰা চেদিবাবু হ'ল" (মিঃ জাঃ বুঃ ৪২ পৃষ্ঠা)।

প্ৰয়াত পাঞাংদেৱৰ "বুৰঞ্জীৰ বহু কথাই বিতৰ্কৰ বিষয় হ'ব পাৰে। যোৱা শতিকাৰ ত্ৰিশৰ দশকত এইখন বুৰঞ্জীত উল্লিখিত কেইটামান মন্তব্যক লৈ গোটেই মিছিং সমাজত প্ৰতিবাদৰ ঢৌ উঠিছিল। সেইবাবেই পাঞাংদেৱৰ প্ৰচেষ্টাক যথাযথ স্বীকৃতিও দিয়া নহ'ল। তথাপি ক'ব লাগিব, তেখেতে উল্লেখ কৰি যোৱা সৃষ্টিতত্ত্বত কোনো অবিশ্বাস্য কথা দেখা নাযায়। বৰঞ্চ সৃষ্টিৰ আদিতে 'শিৱ আৰু শক্তি'ৰ মিলনত শিৱই 'অৰ্দ্ধনাৰীশ্বৰ'ৰূপে বিশ্ব সৃষ্টিৰ ধাৰণাৰ লগত 'চেদিবাবু-মেল' নানে'ৰ

সংযোগত চৰাচৰ সৃষ্টিৰ কল্পনাৰ সাদৃশ্য আছে। দুৰ্ভাগ্যৰ বিষয় এই সৃষ্টিতত্ত্বৰ ধাৰণাটো, তেখেতে ক'ৰ পৰা আহৰণ কৰিছিল সেই কথাৰ সম্ভেদ দি যোৱা নাই। আনহাতে পাএ্গাঙে নিজে উদ্ভাৱন কৰি লৈছিল বুলি কোৱাৰো যুক্তি নাই। তদুপৰি, তেখেতে কৈ যোৱা 'চেদিবাবু' (পিতৃ চেদি,) প্ৰকৃততে 'চেদিনানে' (মাতৃ চেদি) হে হ'ব বুলি এতিয়া বহুতে উঁচ্চৈঃস্বৰে ক'বলৈ লৈছে। সৃষ্টিকৰ্তাৰ লিঙ্গ নিৰ্ধাৰণ কৰিবলৈ আমাৰ দৰে ক্ষুদ্ৰমতিয়ে প্ৰয়াস নকৰাই মঙ্গল। কিন্তু অন্য এটা তথ্যইহে আমাক বিমোৰত পেলায়।

জানিব পৰা গৈছে যে, বৃহৎ আদী সমাজৰ ভিতৰত 'পাদাম মিএ্গং'সকলেহে 'কীয়ুম'ৰ কথা কয়। অন্য আদী তথা গালং, পাইলিব, বৰি আদি জনগোষ্ঠীসমূহে 'কীয়ুম'ৰ বিষয়ে নেজানে বা নকয়। তেওঁলোকে নিজাকৈ 'জিমি' আৰু 'চিচি' নামৰ আদিম স্ৰষ্টাৰ নামহে উল্লেখ কৰে। তদুপৰি, তেওঁলোকৰ বিৱৰ্তনত 'পাঁদং আনী'ৰ নাম পোৱা নাযায়। তলৰ উদাহৰণসমূহ লক্ষ্য কৰিলে বিষয়টো স্পষ্ট হৈ পৰিব বুলি ধাৰণা কৰিব পাৰি।

গালং সকলৰ উৎপত্তি	**বৰিসকলৰ উৎপত্তি**	**পাইলিবসকলৰ উৎপত্তি**
চিচি	চিচি	চিচেং বা চিচি
চিবুক্	চিৰে	চেৰি
বুক্চিন্	ৰেবুক্	ৰীবুক্
চিন্তু	বুক্ৰে	বুক্তু
তুৰি	ৰেণি বা তানি	তুৰি
ৰিণি বা তানি		ৰিণি বা তানি

লক্ষণীয় যে উপৰোক্ত তিনিটা বংশবৃক্ষতে তানিৰ সমান্তৰালভাৱে 'ৰিণি'ক উল্লেখ কৰিছে। কিন্তু 'পাদং আনী' ক'তো উল্লেখ নাই। আকৌ, পাহাৰতে সংগ্ৰহ কৰা পাদাম-মিএ্গাং ফৈদৰ উৎপত্তি সম্বন্ধে এইদৰে পোৱা গৈছে ঃ



এই বংশবৃক্ষৰ মতে পাদাম-মিএ্গংসকল তানিৰ বংশধৰ নহয়। কিন্তু তানিৰ বংশধৰসকলৰ

নাম উল্লেখ নথকাত কোনো সিদ্ধান্তলৈ অহা সম্ভৱ হোৱা নাই। এই প্ৰসংগতে অ.ন.এগাৰকী আদী ড° এন, এন্ অচিকে সংগ্ৰহ কৰা কাহিনী এটা উল্লেখনীয়। সেই কাহিনী মতে প্ৰথম মানৱ তানি বা আবতানিৰ তিনিটা সন্তান আছিল নিমেম, নিখাম আৰু নীঃল। নিখামৰ পুত্ৰ খাম্বা, নিমেমৰ পুত্ৰ হ'ল মেম্বা আৰু নীঃলৰ পুত্ৰ হ'ল লংবা। এদিন তানিয়ে পো-নাতিসকলৰ মাজত লিপি ভগাই দিওঁতে মেম্বা আৰু খেম্বাক সাঁচি পাতত লিখি দিলে। কিন্তু ল'বাক লিখি দিবলৈ সাঁচিপাতৰ নাটনি পৰাত পহুৰ চালতে লিখি দিলে। দুৰ্ভাগ্যবশতঃ এদিন ল'বাৰ ভীষণ ভোক লগাত একো বিচাৰি নেপাই পহুৰ চালখনকে পুৰি খালে। তাত যে লিপি লিখা আছিল একেবাৰে পাহৰি গৈছিল। সেইবাবে ল'বাৰ সন্তানসকলৰ লিপি হেৰাল। আনহাতে মেম্বা আৰু খেম্বাৰ সতি-সন্ততিসকলৰ মাজত লিপি থকা বুলি জনা যায়। এই কাহিনীৰ আঁত ধৰি যিসকলৰ লিপি নাইকিয়া সেইসকলেই ল'বা তথা তানিৰ পোনপটীয়া সতি-সন্ততি বুলি ক'ব পৰা যায়।

ভাৰতৰ চুবুৰীয়া দেশ তিববততো আবুতানিৰ বংশধৰ থকা সম্ভৱপৰ। সেইবাবে ক্ষেত্ৰকৰ্মৰ দ্বাৰা সম্পূৰ্ণ তথ্য সংগ্ৰহ নকৰাকৈ মিছিং আদীসকলৰ বুৰঞ্জী শুদ্ধকৈ লিখা সম্ভৱ নহয়। এই প্ৰত্যাহ্বান আমাৰ উত্তৰপুৰুষে গ্ৰহণ কৰিব লাগিব।

অৱশেষত, মিছিং শব্দৰ উৎস সম্পৰ্কীয় দুটামান কথা উল্লেখ নকৰিলে লেখনি আধৰুৱা হ'ব। প্ৰয়াত তৰুণ চন্দ্ৰপামেগামে মি = মানুহ, আছি = পানী মিচিং হোৱা বুলি মতামত দিছিল। আকৌ নিজে কিছু অধ্যয়ন কৰি শ্ৰীইন্দ্ৰেশ্বৰ পেগুয়ে, মি = মানুহ, আনছিং= শান্তিপ্ৰিয়, এই অৰ্থত মিচিং হোৱা বুলি মতামত দিছিল। আনহাতে বয়োজ্যেষ্ঠ, অৰুণাচল প্ৰদেশৰ অৱসৰপ্ৰাপ্ত মুখ্যসচিব প্ৰয়াত ৰজনীকান্ত পাতিৰদেৱে নিজ অভিজ্ঞতাৰ আধাৰত মি= মানুহ, য়াছিং = সুন্দৰ এই অৰ্থত মিচিং হোৱা বুলি তেখেতৰ আত্মজীৱনীত উল্লেখ কৰিছে (Dawn in the East Page 5)। আকৌ আদি পাহাৰত প্ৰচলিত বিশ্বাসৰ ওপৰত ভিত্তি কৰি ড° টাই এৰিয়ে অন্য এটি মতামত দাঙি ধৰিছে। সেইটো হৈছে, ভৈয়ামৰ অন্য লোকক মিপাক্ (অচিনাকি) বুলি মতাৰ বিপৰীতে পাহাৰৰ পৰা নামি অহা 'মিৰি'সকলক 'মিচিং' (চিনাকি বা আপোন মানুহ) বুলি মাতিবলৈ লয়। এইদৰে বিভিন্নজনে দিয়া ভিন ভিন মতামতসমূহে এটা কথালৈকে আঙুলিয়াই দিয়ে যে 'মিছিং' শব্দৰ প্ৰকৃত উৎস এতিয়াও সঠিকভাৱে নিৰ্ণয় হোৱা নাই। এই সন্দৰ্ভতে তাহানি নেপা অঞ্চলৰ মুখ্য ব্ৰিটিছ কটকী প্ৰয়াত আপাক জামু আৰু প্ৰয়াত কুটিক্ ময়ং (শ্ৰীমতী অমেম্ দেউৰীৰ দেউতাক)এ কৈ যোৱা ব্যাখ্যাখিনি গুৰুত্বসহকাৰে গ্ৰহণ কৰিব লাগিব। তেওঁলোক দুয়ো, এই লেখক আৰু শ্ৰীসৰ্বেশ্বৰ দলে (অৱসৰপ্ৰাপ্ত) ভুটানৰ মুখ্য বন বিষয়াৰ আগত দৃঢ়ভাৱে কৈছিল যে পীদং আনীকী অনাম্ দছিং, দছিংকে অম্মাঙী মিছিং। (মাত্ৰ পীদঙৰ পুত্ৰ দছিং, দছিঙৰ সতি সন্তুতি হ'ল মিছিংসকল) অৰ্থাৎ দছিঙৰ পুত্ৰ নহ'লেও তেওঁৰ পৰিনাতি কোনোবা মিছিং নামৰ পুৰুষৰ পৰা মিছিংসকলৰ উদ্ভৱ হৈছিল। এনে পৰিস্থিতিত মিছিং শব্দ সাধিত আৰু ই ভৈয়ামলৈ অহাৰ পিছৰ কালৰহে সৃষ্টি বুলি স্বতঃসিদ্ধৰূপে গ্ৰহণ কৰিব নোৱাৰি। শেষ সিদ্ধান্তলৈ আহিবলৈ বহু অন্বেষণ আৰু বিস্তৃত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন হ'ব। এই লেখকৰ মতে শেষৰ মতবাদটো গ্ৰহণ কৰাত কোনো অসুবিধা নাই। কিয়নো পাহাৰত থাকোতেও আদীসকলে পেগু, দলে, মিলি, কুতুম, কুলি, কোম্বাং, পাইত, পাতিৰ, পাব আদি খেলৰ লোকক 'মিছিং' বুলিহে উল্লেখ কৰিছিল। তদুপৰি পাদামসকল য়াম্নী নী পাৰলৈ আহোঁতেও তাত আগৰ পৰা বসতি কৰা দাই, লয়িং, ময়িং, ছয়াং, দাংগা, নৰহ আদি

মিৰি বা মিছিঙক লগ পাইছিল। ওপৰৰ বিৱৰণৰ পৰা দুটা কথা স্পষ্ট হৈ পৰিছে যে মিৰি-মিছিংসকল আদীসকলতকৈ বহু আগতে চিয়াং উপত্যকৈলৈ আহিছিল। আৰু পাছত অহা আদিসকলে আগতীয়া প্ৰব্ৰজনকাৰীসকলক মিছিং বা মিৰি বুলি মাতিছিল। তিববতী ভাষাত মি = মানুহ, ৰি = পাহাৰ অৰ্থত সকলো পাহাৰীয়ালোককে 'মিৰি' বুলিছিল। কিন্তু তেওঁলোকে নিজকে মিছিং বা তানি বুলি চিনাকি দিছিল। কালক্ৰমত পাহাৰৰ পৰা প্ৰায় সকলো মিছিং ভৈয়ামলৈ নামি আহিল। সেইবাবে এতিয়া আদীপাহাৰত বহু সংখ্যক মিছিং মানুহ নথকাটো স্বাভাৱিক। কিন্তু যোৱা শতিকাৰ আবৰ যুদ্ধৰ (১৯১১ চন)সময়লৈকে লেডুম পাহাৰত মিছিং গাঁও থকাটো বুৰঞ্জী সত্য। এ. হেমিল্টনৰ In Abor Jungles নামৰ গ্ৰন্থৰ ২৪৬/২৪৭পৃষ্ঠাত সেই মিছিং গাঁওখনৰ আলোকচিত্ৰও সন্নিৱিষ্ট কৰি গৈছে। পাহাৰত এতিয়াও দছিং নামৰ গাঁও আছে। ভৈয়ামৰ মিছিংসকলে আজিও নিজকে মিছিং বুলি চিনাকি দিহে গৌৰৱবোধ কৰে, কিন্তু আনেহে তেওঁলোকক মিৰি বা ভৈয়ামৰ মিৰি আখ্যা দিছিল। ১৯০২ চনত এল, এ, ৱাডেল চাহাবে চৰজমিন জৰীপ কৰোতে সেই কথা স্পষ্টকৈ লিখি থৈ গৈছে।

অৱশ্যে এই ক্ষেত্ৰত আৰু বিস্তৃত অধ্যয়নৰ থল এতিয়াও আছে। সেই দায়িত্ব আমি উত্তৰ পুৰুষলৈ থলো।

গ্ৰন্থসূচী ঃ

1. History and Culture of the Adis- Dr. Tai Nyori, 1993
2. British Relations with the Adis, Dr. N.N. Osik- 1992
3. In Abor Jungles of North East India, - A. Hamilton - 1912
4. China and Religion- E.H. Parker - 1905
5. China a Short Cultural History. C. P. Fitzerald. 1942
6. A History of World Civilisation - Dr. J.E. Swhn- 1980
7. History of the Mishing of Eastern India. Peter Pegu 1999

9. মিছিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি. ডাঃ নোমল পেগু, ২০০০

10. মিৰি জাতিৰ বুৰঞ্জী. সোণাৰাম পাএগং ১৯৩৫

বড়ো জনগোষ্ঠীৰ ঐতিহাসিক পটভূমি

মেদিনী চৌধুৰী

অসমৰ প্ৰাচীন ইতিহাসক বড়ো ইতিহাস বুলি ক'লেও অত্যুক্তি কৰা নহয়। বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰো মিলনভূমি অসমক মংগোলীয় সংস্কৃতিয়ে প্ৰধানকৈ আৰু স্থায়ীভাৱে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। বড়ো-কছাৰীসকল যিহেতু অসমৰ প্ৰাচীন জনগোষ্ঠী আৰু মংগোলীয় আন জনগোষ্ঠীতকৈ সংখ্যাধিক্য, তেওঁলোকৰ কাহিনী ভাৰতৰ উত্তৰ-পূৱ অঞ্চল, বিশেষকৈ অসমৰ ভৌগোলিক পৰিসীমাত বিস্তৃত হৈ আছে।

এইটো অৱশ্যে সত্য যে, ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ জনগোষ্ঠীয় পৰিস্থিতি অত্যন্ত জটিল, সেই কাৰণেই কোনো এক জনগোষ্ঠীৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে কোৱা কঠিন আৰু বড়ো জনগোষ্ঠীৰ দৰে এক বিস্তৃত পৰিসৰৰ জনগোষ্ঠীৰ বিষয়ে কোৱা আৰু টান। ইয়াৰ প্ৰধান কাৰণ হ'ল তেওঁলোকৰ অসমলৈ অহাৰ প্ৰব্ৰজনৰ ইতিহাস শ শ বছৰ অথবা বহু হাজাৰ বছৰীয়া। ক্ৰমান্বয়ে জনগোষ্ঠীৰ একো একোটি দল তেতিয়াৰ অবিভক্ত অসমত প্ৰৱেশ কৰি বিভিন্ন স্থানীয় জনগোষ্ঠীৰ লগত মিলি গৈছিল। সেই পটভূমিত বড়ো-কছাৰীসকলক জনগোষ্ঠী বোলাতকৈ ভাষিক গোষ্ঠী বোলাহে যুক্তিসম্মত হ'ব।

বড়োসকলৰ অতীত সম্বন্ধে থকা বিভিন্ন মত সত্ত্বেও পণ্ডিতসকলে মত প্ৰকাশ কৰে যে তেওঁলোক চীন দেশৰ পৰা প্ৰব্ৰজিত উত্তৰ মংগোলীয় বংশোদ্ভৱ লোক। তেওঁলোকৰ প্ৰাচীন বসতিস্থল আছিল ইয়াংজে (YANGTZE)ৰ দক্ষিণ অঞ্চল। তেওঁলোকৰ গৰিষ্ঠসংখ্যক লোক দলে দলে তিব্বত গিৰিপথ অতিক্ৰম কৰি ভাৰতত প্ৰৱেশ কৰেহি। সকলো দলেই তেওঁলোকৰ বৰ্তমান বাসভূমিলৈ পোনে পোনে অহা নাছিল, বৰঞ্চ গৰিষ্ঠ সংখ্যক লোক তিব্বতৰ পাহাৰে আগুৰা অঞ্চলত কিছু বছৰ বাস কৰিছিল আৰু পাছত অহা দলে তেওঁলোকক সেই অঞ্চলৰ পৰা আঁতৰি আহিবলৈ বাধ্য কৰিছিল। প্ৰথমে অহা দলবিলাকে হিমালয়ৰ নামনিত বাস কৰা থলুৱা লোকৰ সৈতে মিলি গৈ পশ্চিমৰ সিন্ধু, আৰু পূবৰ তিস্তা আৰু সংলগ্ন অঞ্চলত বিয়পি পৰিল। কালক্ৰমত তেওঁলোকে ভাৰতৰ কাষৰীয়া

ভৈয়াম অঞ্চলতো বাস কৰিবলৈ লৈছিল।

আনুমানিক খ্ৰীঃপূঃ তৃতীয় শতিকাত চীন দেশৰ হুন্ বংশৰ ৰাজত্বকালতেই বড়োসকলৰ সৰহখিনি লোক প্ৰব্ৰজিত হৈছিল। চীনৰ নতুনকৈ শাসনভাৰ লোৱা শাসকে এই লোকসকলৰ প্ৰতি দেখুওৱা আচৰণত অতিষ্ঠ হৈ এওঁলোক চীন দেশ ত্যাগ কৰি আন ঠাইলৈ আশ্ৰয় বিচাৰি আহিছিল। এওঁলোকৰ সৰহসংখ্যক লোকে তিব্বতৰ মাজেদি থকা চিল্কৰোড (Silk Road) অতিক্ৰম কৰি ভাৰতত প্ৰৱেশ কৰিছিল। বহুত পণ্ডিতে মত প্ৰকাশ কৰে যে বড়ো নামটোৰ লগত তিব্বতীয়সকলৰ 'টোবড' অৰ্থাৎ 'তিবেত' শব্দটোৰ লগত যথেষ্ট সাদৃশ্য আছে। (বড়োসকলে নিজকে 'বড়' বুলি চিনাকি দিয়ে—অ' উচ্চাৰণ যুক্ত যেনেকৈ কওঁ (caw)।

বড়োসকলৰ দলবোৰে তিব্বত পাহাৰৰ পৰা বৰ্তমানৰ উত্তৰ বংগ আৰু অসমৰ ভৈয়াম অঞ্চললৈ নামি আহে আৰু এই অঞ্চলৰ অটব্য হাবি-জংঘল পৰিষ্কাৰ কৰি বসবাসৰ উপযোগী কৰি থাকিবলৈ ধৰে। বহুত বছৰ বাস কৰা এই অঞ্চলৰ নামকৰণ কৰিলে 'খাম্ৰু' (বড়ো ভাষাত 'খাম' মানে বহা বা স্থায়ীভাৱে বসতি কৰা আৰু 'ৰু' মানে ছাই অৰ্থাৎ—ছাইৰে পৰিপূৰ্ণ বসতি অঞ্চল।) কালক্ৰমত এই অঞ্চলৰ পৰা বড়োসকল নানা অঞ্চললৈ বিয়পি পৰে। ১৯৫৯ চনৰ বুৰঞ্জী কংগ্ৰেছে প্ৰকাশ কৰা ড° সুনীতি কুমাৰ চেটাৰ্জীৰ 'আসাম এণ্ড ইণ্ডিয়া' শীৰ্ষক ৰচনা মতে, মংগোলীয় বড়োসকলে সমগ্ৰ উত্তৰ বিহাৰ, উত্তৰ বংগ, পূব বংগ, ব্ৰহ্মপুত্ৰ উপত্যকা, কাছাৰ জিলাৰ পাৰ্বত্য অঞ্চলত থাকিবলৈ লয়। উল্লেখযোগ্য যে, বড়োসকলে কৰা অষ্ট্ৰিক আৰু দ্ৰাবিড় গোষ্ঠীৰ লোকসকলক পৰাভূত কৰি নিজৰ গোষ্ঠীভুক্ত কৰিলে। এই চামিলকৰণ প্ৰক্ৰিয়া চলি থাকোতে মংগোলীয় প্ৰব্ৰজনকাৰীসকলে, যিসকল পিছলৈ বড়ো-কছাৰী বুলি জনাজাত হ'ল, প্ৰাগজ্যোতিষ ৰাজ্য প্ৰতিষ্ঠা কৰি স্থায়ীভাৱে থাকিবলৈ ধৰিলে। নৰনাৰায়ণে আৰম্ভ কৰা পোন প্ৰথম শাসকীয় বংশৰ ৰজাসকল হিন্দু ধৰ্মাৱলম্বী বড়ো-কছাৰী আছিল (হিন্দু ধৰ্মাৱলম্বী বোলাতকৈ ব্ৰাহ্মণ্যবাদী বোলা উচিত)। ড° চেটাৰ্জীৰ মতে, এইটো এটা হিন্দু ধৰ্মাৱলম্বী বড়ো শাসকীয় ৰাজগৃহ য'ত সম্ভৱতঃ আৰ্য, দ্ৰাবিড় আৰু অষ্ট্ৰিক লোকৰ দ্বাৰা গঠিত হৈছিল। মহাভাৰতত উল্লেখ থকা মতে, এই বংশৰ এজন উত্তৰাধিকাৰী ভগদত্ত চীন আৰু কিৰাতৰ শাসক আছিল। এই কিৰাতসকল পূৰ্বৰ পৰা থকা থলুৱা আগতে উল্লেখ কৰা মংগোলীয় গোষ্ঠীৰে আছিল, কিন্তু তেওঁলোক চীনদেশৰ পৰা নতুনকৈ প্ৰব্ৰজিত আৰু স্থানীয় লোকৰ লগত সম্পূৰ্ণভাৱে জীণ যোৱা নাছিল। ক্ষমতাশালী বড়োসকলে তেওঁলোকে বসবাস কৰা অঞ্চলটোৰ নাম দিলে 'খামৰু'। ভগদত্ত বংশ তেতিয়ালৈকে প্ৰৱৰ্তিত হৈছিল, কিন্তু দ্বিতীয় খ্ৰীষ্টাব্দৰ পৰা মগধৰ গুপ্ত বংশীয় ৰজাৰ আক্ৰমণত ভগদত্তৰ শাসন টুটি আহিছিল। অৱশ্যে খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ আৰম্ভণিতে গুপ্ত শাসনৰ কেন্দ্ৰ মালৱাৰলৈ স্থানান্তৰিত হোৱাত ভগদত্তৰ লুপ্ত হ'বলৈ ধৰা ক্ষমতা পুনৰুজ্জীৱিত হয়। ইতিমধ্যে খামৰু সংস্কৃতকৰণ হৈ কামৰূপ হ'ল আৰু শাসকীয় পৰিয়ালে বৰ্মন নামৰ নতুন উপাধি গ্ৰহণ কৰিলে। এই বৰ্মন উপাধি কেৱল যে ভাৰততহে আছিল এনে নহয়, অন্য দেশতো এই উপাধিৰ প্ৰয়োগ আছিল। এই নব্য হিন্দু ধৰ্মাৱলম্বীৰ বংশধৰসকলে খামৰুত (কামৰূপত) খ্ৰীষ্টীয় সপ্তম শতিকাৰ শেষলৈ ৰাজকাৰ্য পৰিচালনা কৰিছিল আৰু ধৰ্মান্তৰ নোহোৱা আদিম বড়ো-কছাৰীসকলে এজন দলপতিৰ নেতৃত্বত বিদ্ৰোহ আৰম্ভ কৰি তেওঁলোকক পৰাভূত কৰে। এই বিদ্ৰোহৰ ফলত কামৰূপৰ প্ৰজাৰ এক বৃহৎ অংশই ব্ৰহ্মপুত্ৰৰে উজাই গৈ ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ দক্ষিণ পাৰে বহুত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰেগৈ।

সুনিৰ্দিষ্ট প্ৰমাণৰ অভাৱত এই ক্ষুদ্ৰ ৰাজ্যসমূহে অসমৰ ৰাজনৈতিক জীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে তথ্য যোগান ধৰা সম্ভৱ নহয়। তথাপি সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমৰ বিষয়ে সম্যক জানিবলৈ হ'লে নব্য হিন্দুধৰ্মত দীক্ষিত সপ্তম শতিকাৰ কামৰূপৰ বড়ো-কছাৰীৰ শাসকীয় পৰিয়ালৰ ভাস্কৰ বৰ্মা বা তেৰ শতিকাৰ বখতিয়াৰ খিলজীৰ কামৰূপ আক্ৰমণৰ বিষয়ে উল্লেখ কৰিব লাগিব।

ভাস্কৰ বৰ্মাৰ ব্যক্তিত্বৰ সম্যক আলোচনাৰ পূৰ্বে সমসাময়িক কালত দেশখনৰ বিভিন্ন জনজাতি আৰু অন্যান্য জাতিৰ মাজত থকা আদান-প্ৰদানৰ বিষয়ে আলোচনা কৰিব লাগিব। ভাৰত বুৰঞ্জীৰ এই বিশেষ অধ্যায়টোৰ বিষয়ে অধ্যয়ন কৰা গৰিষ্ঠসংখ্যক পণ্ডিতে এই সিদ্ধান্তত উপনীত হৈছে যে সপ্তম শতিকাৰ আশে-পাশে ভাৰতত প্ৰৱৰ্তিত চতুৰ্বৰ্ণত, যিটো বৰ্তমানেও প্ৰচলিত হৈ আছে, বিভাজন ঘটিছিল। 'ইয়াৰ পাছত আমি এক নতুন বিভাজন হোৱা দেখিবলৈ পাওঁ। দ্বিজ আৰু শূদ্ৰ, দ্ৰাবিড় আদি বিভাগৰ সলনি আমি মিশ্ৰিত বা শুদ্ধ আৰু অবিমিশ্ৰিত বা অশুদ্ধ এই দুই জাতিহে পাওঁ। ৰক্ত, খাদ্য বা কৰ্মইহে সমাজত নতুন জাত সম্পৰ্কত মান নিৰ্ণায়ক হিচাপে গণ্য হৈছিল। নতুন সমাজৰ মান নিৰ্ণয় কনৌজৰ ৰাজ শাসনত বৰ্তি থকা মানৰ ওপৰত নিৰ্ভৰ কৰিছিল।' (T. Kenedy's 'MEDIEVAL HISTORY OF NORTH-INDIA', Published in the Imperial Gazetteer of India– *The Indian Empire*, Vol-II, 1908)

উত্তৰ আৰু পূব অঞ্চলৰ জনজাতিসকল বিশেষকৈ দুটা ভাগত বিভক্ত হৈছিল—উচ্চ আৰু নিম্ন শ্ৰেণী। ষষ্ঠ শতিকাৰ শেষৰ ফালে ভ্ৰমণৰত ব্ৰাহ্মণ আৰু সন্যাসীসকলে হিন্দুত্বটো দেশৰ একেবাৰে ভিতৰুৱা অঞ্চললৈ সম্প্ৰসাৰিত কৰিছিল। এই ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ উচ্চ শ্ৰেণীৰ জনজাতিসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিলে আৰু একোটা নিৰ্দিষ্ট জাতত অন্তৰ্ভুক্ত হোৱাত তেওঁলোক নিম্নজাতৰ পৰা বেলেগ হৈ থাকিবলৈ ল'লে। ব্ৰাহ্মণসকলে এই নব্য হিন্দু ধৰ্ম গ্ৰহণকাৰীসকলক প্ৰাচীন হিন্দু বংশলতাত অন্তৰ্ভুক্ত কৰিলে। এই ব্যৱস্থাৰ ফলশ্ৰুতিত ভাস্কৰ বৰ্মাই ভাৰতৰ আন ৰাজ্যৰ, বিশেষকৈ তেতিয়াৰ প্ৰভূত শক্তিশালী হিন্দুৰজা হৰ্ষবৰ্ধন, শিলাদিত্যৰ ঘনিষ্ঠ সম্পৰ্ক লাভ কৰিবলৈ সমৰ্থ হৈছিল। ভাস্কৰ বৰ্মাক ইমান শ্ৰদ্ধা কৰিছিল যে বাণভট্টৰ 'হৰ্ষচৰিত'ত তেওঁ সম্মানিত স্থান পাবলৈ সক্ষম হৈছিল। উল্লেখ কৰিব পাৰি যে বাণভট্টই ভাস্কৰ বৰ্মাক কুমাৰ ৰজা নামেৰে অভিহিত কৰিছিল। প্ৰকৃততে এই নামটো 'খামৰু'ৰজাৰ এক সংস্কৃতীয়া ৰূপহে। খ্ৰীঃপূঃ তৃতীয় শতিকাত ভাৰতৰ ৰজাসকলক ৰাজ্যখনৰ নামেৰে চিনাক্তকৰণ কৰিছিল। যেনে—পৰু ৰজাক পৰু, চন্দ্ৰকোট্টা ৰজাক চন্দ্ৰকট্টা। সেইদৰেই ভাৰতীয় সাহিত্যত খামৰু ৰজাৰ পৰিৱৰ্তিত ৰূপ—কুমাৰ ৰজা হৈছে।

বৰ্তমান কোনো কোনো পণ্ডিতে কামৰূপ নামটো বড়ো-কছাৰীৰ পৰা উদ্ভৱ হোৱা বুলি মানিবলৈ সন্মত নহয়। এইটো অৱশ্যে সহজে বোধগম্য যে প্ৰাক্-আহোম যুগৰ বিষয়ে বহুত সিদ্ধান্ত অনুমানৰ ভিত্তিতহে কৰা হৈছে—যিহেতু সেইবিলাক সিদ্ধান্তৰ প্ৰামাণ্য দলিল সহজলভ্য নহয়। কিন্তু ওপৰত উল্লেখ কৰা বিষয়ত আমাৰ হাতত থকা তথ্যৰ ভিত্তিত নিৰ্দিষ্ট সিদ্ধান্ত লোৱাত একো অসুবিধা নাই।

৬৩৮ খ্ৰীষ্টাব্দত ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত চীন পৰিব্ৰাজক চুৱান্ জাঙে কামৰূপ পৰিভ্ৰমণ কৰিছিল। তাংচু নামৰ এই ভ্ৰমণ-বৃত্তান্তসম্বলিত পুৰণা পুথিত কামৰূপ নামটো 'খামৰু' বুলিহে উল্লেখ কৰিছে। দিল্লীৰ মুৰব্বী কাজী মিনহাজুদ্দিন চিৰাজীয়ে ১২৫৫-৫৬ খ্ৰীষ্টাব্দত লিখা 'তবাকৎ ই- নাচিৰি'ত এই ৰাজ্যক 'কামৰু' আৰু 'কামৰুদ' বুলি উল্লেখ কৰিছে।

জনগাঁথনিৰ ফালৰ পৰা আৰু ওপৰত উল্লেখ কৰা উদ্ধৃতিসমূহৰ পৰা কামৰূপ নামটোৰ সংস্কৃত মূলৰ বিষয়ে থকা ধাৰণা ভুল বুলি প্ৰতিপন্ন হয়। ড° বাণীকান্ত কাকতীয়েও উল্লেখ কৰিছে যে কামৰূপ নামটোৰ লগত ধৰ্মীয় (কামাখ্যাদেৱী) সম্পৰ্কতকৈ ভৌগোলিক সম্পৰ্কহে বেছি। সেয়া যিয়েই নহওক, এইটো প্ৰমাণসিদ্ধ যে ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত কামৰূপ ৰাজ্যই এখন স্বতন্ত্ৰ ৰাজ্যৰূপে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। দৈনন্দিন শাসন সম্পৰ্কীয় বিষয়ত সংস্কৃত ভাষা প্ৰধানকৈ ব্যৱহাৰ হৈছিল। ৰজাৰ নীতি-নিয়ম আৰু ধৰ্মীয় বিষয়ত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ পৰিছিল।

নিধনপুৰ গ্ৰাণ্টৰ ওপৰত ভিত্তি কৰি যদিও ভাস্কৰ বৰ্মাৰ ৰাজবংশ ভগদত্তৰ পৰা হোৱা বুলি কোৱা হৈছে, তথাপি ভাৰতৰ বাহিৰৰ খ্যাতিসম্পন্ন লোকৰ লগত হোৱা ব্যক্তিগত আলোচনাত তেওঁ (ভাস্কৰ বৰ্মাই) কৈছিল যে তেওঁৰ উপৰি পুৰুষসকল চীন দেশৰ পৰা আহিছিল। ৬৪৩ খ্ৰীষ্টাব্দত তাং (ইংৰাজী শব্দ) সম্ৰাটৰ ৰাষ্ট্ৰদূত কামৰূপলৈ আহি ভাস্কৰ বৰ্মাক লগ ধৰোতে তেওঁৰ আগত ৰজাই এইদৰেই কৈছিল। ৰাষ্ট্ৰদূতজনৰ লগত হোৱা কথা-বতৰাত চীন দেশ সম্পৰ্কীয় সকলো বিষয়ত ভাস্কৰ বৰ্মাই আত্মীয়তাৰ কথা দোহাৰিছিল। চীন দেশৰ প্ৰতি তেওঁৰ প্ৰীতি ইমান বেছি হৈছিল যে তেওঁ কামৰূপৰ এখন মানচিত্ৰ চীন সম্ৰাটলৈ প্ৰেৰণ কৰিছিল আৰু ৰাষ্ট্ৰদূত জনক চীন দেশৰ সম্ৰাট 'লাওজু'ৰ এখন ছবি দিয়াৰ লগতে লাওজুৱে লিখা 'তাও তে-চিং' গ্ৰন্থখনৰ সংস্কৃত অনুবাদ এটি পঠিয়াবলৈ অনুৰোধ কৰিছিল।

ওপৰৰ তথ্যৰাশিৰ পৰা এই কথা স্পষ্টকৈ ওলাই পৰিছে যে পুৰণি কামৰূপৰ ৰাজবংশ চীন দেশসম্ভূত আৰু ভাস্কৰ বৰ্মাৰ ৰাজত্বকালতে সংস্কৃত ভাষাই ৰাজকীয় মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছিল। আনুমানিক অষ্টম শতিকাত ভাস্কৰ বৰ্মা বংশৰ ৰাজত্ব শেষ হোৱাত কামৰূপ ৰাজ্যত কেবাটাও ৰাজ পৰিয়ালে শাসন কৰিছিল আৰু সেইসকলৰ এটা বংশৰ বাহিৰে বাকী বংশকেইটাৰ লগত বহুত বিষয়ত ভাস্কৰ বৰ্মা বংশৰ লগত সম্পৰ্ক ৰক্ষিত হৈছিল। তেৰ শতিকাৰ প্ৰাৰম্ভণিত এটা বংশৰ কথা এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব পাৰি। এই বংশটোৰ পৰিয়ালে ৰায় উপাধি লিখিছিল যিটো পশ্চিম অসম আৰু উত্তৰ বংগৰ বড়ো-কছাৰীয়ে এতিয়াও ব্যৱহাৰ কৰে। যেতিয়া বখতিয়াৰ খালজীয়ে তেওঁৰ তিব্বত বিজয় যাত্ৰাত কামৰূপৰ ৰজা ৰায়ক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল, তেতিয়া ৰায় ৰজাৰ সৈন্য প্ৰধান বৰ্ত্তুৱে বখতিয়াৰ খালজীৰ দুৰ্ধৰ্ষ সৈন্যক ১২০৫ খ্ৰীষ্টাব্দৰ ৰণত বেয়াকৈ হৰুৱাইছিল। কাজী মিনহাজুদ্দিনে তেওঁৰ দ্বাৰা লিখিত 'তবাকৎ'ত বৰ্ত্তু সেনাধ্যক্ষৰ নামটো ভুলকৈ লিখিছিল। প্ৰকৃততে বৰ্ত্তুৰ সলনি বৰ্থুহে হ'ব লাগিছিল। বৰ্থুক বড়ো ভাষাত ঈশ্বৰ বোলা হয়। তেওঁৰ শৌৰ্য-বীৰ্য আৰু প্ৰভূত ক্ষমতা দেখিয়েই বড়োসকলে তেওঁক এই অতিমানৱৰ মৰ্যাদা প্ৰদান কৰিছিল। তুৰ্কী সেনাপতি বখতিয়াৰ খালজী আৰু কামৰূপৰ ৰজা ৰায়ৰ মধ্যস্থতাকাৰীজন খ্ৰীষ্ট ধৰ্মাৱলম্বী বড়ো সম্প্ৰদায়ৰ মুছলমান লোক আছিল। 'তবাকৎ'ত উল্লেখ থকা মতে, তেওঁৰ নাম 'আলি থে মে'জ'। 'তবাকৎ' গ্ৰন্থত উল্লেখ থকা মতে, বখতিয়াৰে কামৰূপত কোচ আৰু মেচ গোষ্ঠীৰ মানুহক লগ পাইছিল আৰু তেওঁলোকৰ চেহেৰা তুৰ্কী মানুহৰ লগত মিল আছিল। এইটোৱে প্ৰমাণ কৰে যে এই দুই সম্প্ৰদায়ৰ লোকৰ মংগোলীয় অৱয়ৱৰ সাদৃশ্য আছে।

১৯০৯ চনৰ বেংগল ইম্পিৰিয়েল গেজেটিয়াৰৰ প্ৰথম খণ্ডত বখতিয়াৰ খালজীৰ শোচনীয় পৰাজয়ৰ বিষয়ে এইদৰে লিখা আছে—'তেওঁ তিব্বত অভিযানত ব্যৰ্থ হয় আৰু পিছ হুঁহকি আহি থকা অৱস্থাত কৰতোৱা নদীৰ পূবত মেচসকলৰ হাতত পৰাস্ত হয় আৰু সৈন্যসকলৰ এক বৃহৎ অংশ হেৰুৱায়।'

ব্ৰহ্মপুত্ৰৰ উজনিত যাক বড়োসকলে দইলাওও (দিলাও বা টিলাও য'ৰ পৰা লাওটি বা লুইত নামৰ উৎপত্তি হৈছে), অৰ্থাৎ দীঘল জলধাৰাত এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল, যাৰ বিস্তৃতি দিখৌৰ দুয়ো পাৰলৈকে বিয়পিছিল। (দিখৌ নামটোও বড়োৰে দিয়া)। পথ পৰিবহণৰ বিষয়ে অজ্ঞাত হৈ থকাত এই অঞ্চলত যাতায়াতৰ ক্ষেত্ৰত নদীয়েই ঘাইপথৰ কাম কৰিছিল। ৰাজ্যখনৰ প্ৰধান নদী ধনশিৰিক বড়োসকলে দিমা অৰ্থাৎ ডাঙৰ পানী বুলিছিল। এইনদীৰ পাৰতে ৰাজাৰ ৰাজধানী আছিল, যাক তেওঁলোকে ডিমাপুৰ বুলিছিল আৰু তেওঁলোকে নিজকে ডিমাচা বুলি চিনাকি দিছিল (ডি-পানী, মা-ডাঙৰ, চা-সন্তান)। এই ডিমাচা নামটোক আহোম বুৰঞ্জীত 'টিমাছা' বুলি উল্লেখ থকা পোৱা যায়।

বড়ো-কছাৰীসকলে অসমৰ পুৰণা ভাস্কৰ্যৰ ক্ষেত্ৰত মন কৰিবলগীয়া অৱদান আগবঢ়াই গৈছে। ডিমাচা ৰাজ্যৰ অন্তৰ্গত নুমলীগড়, যোগীজান, কাছমাৰী, ডবকাৰ ভগ্নাৱশেষৰ বাহিৰেও ডিমাপুৰৰ ৰাজধানীৰ ভগ্নাৱশেষ এইক্ষেত্ৰত বিশেষভাবে উল্লেখযোগ্য। ডিমাপুৰৰ ভাস্কৰ্যৰ শিল্পনৈপুণ্য পাশ্চাত্য আৰু প্ৰাচ্য ভাস্কৰ্যৰ এক সংমিশ্ৰণ বুলিব পাৰি। অসমত বড়োসকলেহে প্ৰথমে শিলত কটা ভাস্কৰ্য শিল্পৰ অৱতাৰণা কৰে। এই শিল্পনৈপুণ্যৰ পৰম্পৰা বৰ্তমানেও এসময়ৰ ডিমাচা ৰাজ্যৰ ৰাজধানী মাইবঙত দেখিবলৈ পোৱা যায়।

১২২৮ খ্ৰীষ্টাব্দৰ পাছত আহোমসকলে উজনি অসম নিজৰ দখললৈ আনে। বড়ো-কছাৰী বংশৰে এটা গোট সোনোৱাল-কছাৰীসকলৰ বুৰঞ্জী মতে, আহোম ৰাজবংশৰ এক মিশ্ৰিত বংশলতা আছে। তেওঁলোকৰ প্ৰথম শাসনকৰ্তা চুকাফাৰ এগৰাকী কছাৰী মহিষী আছিল। তেওঁলোক যিমানেই প্ৰতিপত্তিশালী নহওক, আহোমসকল যথেষ্ট শক্তিশালী হোৱাত সমসাময়িক স্থানীয় জনগোষ্ঠীসকলক পৰাভূত কৰিবলৈ সমৰ্থ হৈছিল আৰু ষোড়শ শতিকাত জনগোষ্ঠীসকলৰ আটাইতকৈ পৰাক্ৰমী ডিমাচাসকলক যুদ্ধত হৰুৱাই বৰাইল পৰ্বতমালাৰ উত্তৰ অঞ্চলৰ পৰা তেওঁলোকক অপসাৰিত কৰিছিল।

ওঠৰ শতিকাৰ শেষৰ ফালে বৰ্তমান উত্তৰ কাছাৰ পাহাৰ জিলাৰ অন্তৰ্গত অঞ্চলসমূহ, কাৰ্বি আংলং জিলাৰ এক বিস্তৃত অঞ্চল, বৰ্তমান নগাঁও জিলাৰ দক্ষিণ অঞ্চল আৰু নতুনকৈ গঠন হোৱা কাছাৰ জিলাৰ সমগ্ৰ অঞ্চল ডিমাচাসকলে নিজৰ শাসনৰ তললৈ আনে। ১৮৩০ খ্ৰীষ্টাব্দত চিলেটৰ শাসকৰ ষড়যন্ত্ৰ আৰু মণিপুৰী বিদ্ৰোহীৰ কূটাঘাতমূলক আচৰণত তেওঁলোকৰ শেষ ৰজা গোবিন্দ চন্দ্ৰৰ পতন ঘটে। ব্ৰিটিছ বিষয়া তাকেৰ (Tucker) আৰু গেইটে গোবিন্দ চন্দ্ৰৰ কাৰ্যকালৰ বিষয়ে বিৰূপ মন্তব্য আগবঢ়াইছে। এই বিষয়ে এটি স্পষ্ট ধাৰণা ল'বৰ কাৰণে ব্ৰিটিছ চৰকাৰে গোবিন্দ চন্দ্ৰৰ কাৰ্যাৱলী সম্পৰ্কে অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ ডেভিদ স্কটক নিৰ্দেশ দিছিল। এই প্ৰতিবেদন ব্ৰিটিছ চৰকাৰৰ সপক্ষে যোৱা নাছিল, কাৰণ তাত প্ৰকাশ পাইছিল যে গোবিন্দ চন্দ্ৰই এজন প্ৰশাসক হিচাপে যিখিনি কৰিছিল সেই সকলোখিনি প্ৰজাৰ হিতৰ কাৰণেই কৰিছিল। তেওঁ চাউলৰ ব্যৱসায় একচেতীয়া কৰিছিল আৰু প্ৰজাই উৎপাদন আৰু উপাৰ্জনৰ ওপৰত ঘাইকে নিৰ্ভৰ কৰা বাঁহৰ অভাৱ দূৰ কৰিবলৈ বাঁহৰ ওপৰত কৰ বৃদ্ধি কৰিছিল। গোবিন্দ চন্দ্ৰই বিদ্ৰোহ কৰা বুলি মিছা অপবাদ অনা সংক্ৰান্তত স্কটৰ প্ৰতিবেদনত এইদৰে লিখা আছিল—'এইটো কেৱল ব্যক্তিগতভাৱে অনা সঁচা বা মনেসজা কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ ওপৰত চলোৱা নিৰ্যাতন বুলিহে তেওঁক যুক্তি দৰ্শোৱা হৈছিল, বৰঞ্চ সামগ্ৰিকভাৱে সৰ্বসাধাৰণ লোকসকলৰ অৱস্থা চিলেট জিলাৰ লোকসকলতকৈ উন্নত .....।' জেনকিনস্ৰ মতে, 'ব্ৰিটিছ সাম্ৰাজ্যৰ কোনো অঞ্চলৰ লোকে কাছাৰৰ লোকৰ দৰে বিভিন্ন

ধৰণৰ বস্তু উৎপাদন কৰিবলৈ সমৰ্থ হোৱা নাই' (*Annexation of Assam* by R.M. Lahiri)।

গোবিন্দ চন্দ্ৰ কেৱল প্ৰশাসকেই আছিল এনে নহয়, তেওঁৰ পূৰ্বসূৰী জ্যেষ্ঠ ভ্ৰাতৃ কৃষ্ণ চন্দ্ৰৰ দৰে তেওঁ সংস্কৃত সাহিত্যৰ পৃষ্ঠপোষক হিচাপে খ্যাতি অৰ্জন কৰিছিল আৰু সৰ্বজনসমাদৃত হৈছিল।

ষোড়শ শতিকাত বৰ্মনসকলে এসময়ত শাসন কৰা অঞ্চলৰ বিপৰীত দিশত বড়ো-কছাৰীৰ এটি প্ৰশাসনীয় গোট প্ৰখ্যাত হৈ উঠিছিল। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে বুৰঞ্জীৰ এই বিশেষ ঘটনাৰ বিষয়ে এনেদৰে লিখিছে—'ষোড়শ শতিকাত সম্ৰাট আকবৰৰ সমসাময়িক এজন প্ৰতাপী ৰজাই উত্তৰ বংগ আৰু অসমক লৈ এক সংযুক্ত প্ৰশাসনীয় গোট গঢ়ি তুলিছিল। তেওঁ বড়ো-কছাৰী জনগোষ্ঠীৰ লোক আৰু হিন্দুধৰ্মৰ গোড়া ব্ৰাহ্মণ্যবাদ আৰু সংস্কৃত ভাষাৰ প্ৰধান পৃষ্ঠপোষক আছিল। তেওঁৰ নাম নৰনাৰায়ণ, যি ভাৰতবৰ্ষৰ এজন খ্যাতিসম্পন্ন শাসকৰূপে পৰিগণিত হৈছিল। প্ৰবল প্ৰতাপী যোদ্ধা হোৱাৰ উপৰি তেওঁ শিক্ষা আৰু সংস্কৃতি বিষয়ত এজন বিজ্ঞ লোক আছিল। প্ৰায় ১৫৬৩ খ্ৰীষ্টাব্দত বৰ্তমানেও অৱস্থিত অসমৰ গুৱাহাটীৰ ওচৰৰ কামাখ্যা মন্দিৰ নিৰ্মাণ কৰাইছিল।' এইটোৱেই ৰাজপৰিয়াল যি অসমীয়া বৈষ্ণৱ সংস্কৃতি আৰু শিক্ষাৰ এক পূৰ্ণ বিকাশত সোণসেৰীয়া অৱদান যোগাই গ'ল। 'মুঠতে কুৰুক্ষেত্ৰ যুদ্ধত খ্যাতি অৰ্জন কৰা ভগদত্তৰ পৰা ঊনৈশ শতিকাৰ শেষ কছাৰী ৰজা গোবিন্দ চন্দ্ৰলৈ এই সমগ্ৰ কালছোৱাৰ বড়ো-কছাৰীৰ বুৰঞ্জী বিশেষকৈ শাসকসকলৰ শৌৰ্য-বীৰ্য, প্ৰশাসনৰ পৰিপক্কতাৰ লগতে শিল্পকলা সংস্কৃতিৰ অৱদানৰ কথা সদায় স্মৰণীয় হৈ থাকিব। কোনো কোনো পণ্ডিতে আনকি মত প্ৰকাশ কৰে যে কছাৰীসকলে গঢ়ি যোৱা সভ্যতা আহোমসকলৰ সভ্যতাতকৈ যথেষ্ট ওখ খাপৰ আছিল (*The Eastern Frontier of British India* by AC Bannerjee)।

শতিকাৰ ব্যৱধানত বড়ো-কছাৰীসকলৰ বাসস্থানৰ পৰিৱৰ্তন সাধিত হোৱাই নহয়, তেওঁলোকৰ সমাজ-জীৱনতো নানা জটিলতা আহি পৰিল। কামৰূপৰ সীমালৈকে মুছলিম শাসন প্ৰৱৰ্তন হোৱা সময়লৈ উজনি আৰু নামনিৰ বড়ো-কছাৰীৰ মাজত বিভাজন প্ৰায় সম্পূৰ্ণ হ'ল, যাৰ ফলশ্ৰুতিত উচ্চ শ্ৰেণীটো এক সুস্পষ্ট হিন্দু জাতিসত্তাত সোমাই পৰিল। এই প্ৰক্ৰিয়া সিমানতে বন্ধ হোৱা নাছিল। এই নব্যজাত প্ৰক্ৰিয়ালৈ যোৱা শ্ৰেণীটোৱে পোৱা উচ্চ সামাজিক মৰ্যাদাত প্ৰলোভিত হৈ নিম্ন শ্ৰেণীৰ কিছু অত্যুৎসাহী বড়োৱে উক্ত মৰ্যাদাৰ প্ৰতি আকৃষ্ট হ'ল আৰু তেওঁলোকক দুয়োটা শ্ৰেণীৰ মাজৰ এক মৰ্যাদা প্ৰদান কৰিলে আৰু তেওঁলোকেই শৰণীয়া। (বৰ্তমানো কামৰূপ, দৰং, নলবাৰী, বৰপেটা, নগাঁও আৰু শোণিতপুৰ জিলাত শৰণীয়াসকলৰ বাসস্থান আছে।) পিছলৈ ডিমাপুৰ আৰু কাষৰীয়া আন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত থকা বড়ো-কছাৰী সকলে ব্ৰাহ্মণ্য ধৰ্ম (হিন্দু ধৰ্ম) গ্ৰহণ কৰিলে আৰু তেওঁলোকক শৰণীয়াৰ দৰে দুই শ্ৰেণীৰ মাজৰ মৰ্যাদা প্ৰদান কৰিলে। তেওঁলোকে এতিয়াও যোৰহাট, ডিব্ৰুগড় আৰু লখিমপুৰ জিলাত বাস কৰে (১৮৭২ চনৰ লোকপিয়লৰ প্ৰতিবেদন দ্ৰষ্টব্য)। তেওঁলোকেই বৰ্তমানৰ ঠেঙাল আৰু সোনোৱাল। ১৮৩২ খ্ৰীষ্টাব্দত কাছাৰ জিলাত ব্ৰিটিছ শাসন প্ৰৱৰ্তিত হোৱাত কাছাৰতো একে পদ্ধতিৰে বড়ো-কছাৰীসকলৰ সমাজ বিৱৰ্তনৰ সূচনা হ'ল। তাতো নতুনকৈ হিন্দু ধৰ্ম গ্ৰহণ কৰাসকলে এক মধ্যম শ্ৰেণী সৃষ্টি কৰিলে, যাক বৰ্মন বা কাছাৰৰ বৰ্মন বোলা হয়।*

প্ৰয়াত মেদিনী চৌধুৰীৰ গ্ৰন্থ *The Boro-Dimasas of Assam* ৰ প্ৰথম অধ্যায়-'Historical Background'ৰ ডঃ গণেশ চন্দ্ৰ শৰ্মা ঠাকুৰে কৰা অনুবাদ—সম্পাদক।

ৰাভা জাতিৰ বুৰঞ্জীৰ এটি চমু আভাস

মণি ৰাভা

ৰাভাসকলে তেওঁলোকৰ আদি বাসস্থান ৰাংকাৰাং অৰ্থাৎ তেওঁলোকে স্বৰ্গৰাজ্যত বাস কৰিছিল বুলি কয়। ৰিছি দেৱতাইহে হেনো তেওঁলোকক পৃথিৱীলৈ নমাই আনে। সেয়ে ৰিছি দেৱতাক পূজা-পাতল কৰি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে।

সেই ৰাংকাৰাং ৰাজ্যখন ক'ত সেই বিষয়ে তেওঁলোকে সঠিক দিশ দৰ্শাব নোৱাৰে। আনহাতে ৰংদানী আৰু কোচা-ৰাভাসকলে নিজকে 'হুলুংলুঙা-জুলুংলুঙা, সাত তালা হাচু'—অৰ্থাৎ বৃহৎ, ওখ আৰু ফোঁপোলা পাহাৰ, যিটো পাহাৰৰ সাতটা থাক বা সাত খলপা আছে, তেনে পাহাৰৰ পৰা ভৈয়ামলৈ নামি অহা বুলি বৰ্ণনা কৰে। এই পাহাৰটো ক'ত বুলি প্ৰশ্ন কৰিলে উত্তৰৰ হিমালয় পৰ্বতৰ পিনে আঙুলি টোঁৱায়। ঠিক তেনেদৰে কোচ্চা-ৰাভাৰ আন এটি কাহিনীত তেওঁলোকে 'হান্দাৰ ছিউ ছিউ হাচু' অৰ্থাৎ এন্ধাৰে ঢাকি ৰখা পৰ্বতৰ পৰা ভৈয়ামলৈ নামি অহা বুলি কয়। এই বিষয়ে প্ৰশ্ন কৰিলে তেওঁলোকেও উত্তৰৰ হিমালয় পৰ্বতৰ ফাললৈকে আঙুলি টোঁৱায়। এইবোৰ কথাৰ পৰা অনুমান হয় এসময়ত তেওঁলোকে তিব্বত পৰ্বতত বাস কৰিছিল। যিহেতু তিব্বত বৰ আহল-বহল, কেবাটাও থাক বা খলপা থকা এটি বৃহৎ পৰ্বত। 'হান্দাৰ ছিউ ছিউ'-ৰ অৰ্থ যিহেতু তিব্বত পৰ্বতখন বছৰৰ বেছিভাগ সময় কুঁৱলীৰে ঢাক খাই থাকে, সেয়ে ইয়াক তেনে পৰ্বত বুলি আখ্যা দিছে। যিহেতু পণ্ডিতসকলে মংগোলীয় জাতিসমূহক মংগোল দেশৰ পৰা প্ৰব্ৰজনযোগে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত প্ৰৱেশ কৰিছে বুলি কয়, সেয়ে অসম, কোচবিহাৰ বা পশ্চিমবংগৰ উত্তৰাঞ্চলত বাস কৰা জনজাতিসমূহো মংগোল দেশৰ পৰা আহি তিব্বত অঞ্চলত বসবাস কৰা বুলি কয়। এইসকল জাতি হ'ল—বড়ো, ৰাভা, কোচ, হাজং, গাৰো, নগা, মিজো আৰু অন্যান্য জনজাতিসকল। এওঁলোকৰ কিছুমানে মংগোল দেশৰ পৰা আহি তিব্বতত কিছুকাল থাকি তাত খেতি-বাতি কৰাৰ সুচল নাপাই লাহে লাহে উত্তৰ-পশ্চিম হৈ অসম তথা কোচবিহাৰ আদি

ঠাইত প্ৰৱেশ কৰে। আন কিছুমানে উত্তৰ-পূব হৈ ব্ৰহ্মদেশ আৰু অৰুণাচল হৈ অসম তথা অসমৰ দাঁতি-কাষৰীয়া ৰাজ্যবোৰত থিতাপি ল'বলৈ প্ৰয়াস কৰে। কোচ-ৰাভাৰ অন্য কাহিনী মতে তেওঁলোকে হেনো মংগোল দেশৰ পৰা অচিন দেশ অতিক্ৰম কৰি উত্তৰ-পশ্চিম দিশেৰে তিব্বতত প্ৰৱেশ কৰে। এইদৰে তেওঁলোকে বহুতো দুৰ্গম পাহাৰ-পৰ্বত, নদ-নদী, উপত্যকা আদি অতিক্ৰম কৰোতে বহুতো অচিন-অজান জাতিৰ লগত মুখামুখি হ'বলগীয়াত পৰে আৰু পথ প্ৰশস্থ কৰিবৰ বাবে তেওঁলোকৰ লগত সন্মুখসমৰ কৰিবলগীয়াও হয়। এনে ৰণত বহুতো কোচ্চা-ৰাভাৰ পুৰুষ ৰণত পৰে। তেওঁলোকে বিভিন্ন দিশলৈ ধাৱিত হয়। তাতে এটি দল বৰ্তমানৰ আফগানিস্থান নামৰ দেশত প্ৰৱেশ কৰে। কোচ্চা-ৰাভাৰ সেই দলটো আফগানিস্থানতে নিগাজিকৈ বাস কৰিবলৈ লয়। তেওঁলোকক কাফিৰ বুলি কোৱা হয়। ইয়াৰ প্ৰমাণসাপেক্ষে এইটোকে উল্লেখ কৰিব পাৰি যে যিহেতু আফগানিস্থানৰ কাফিৰসকলৰ বাৰায় হুৰি বৰ্তমানৰ অসম বা পশ্চিমবংগৰ কোচ্চা-ৰাভাসকলৰ লগত সাদৃশ্য দেখিবলৈ পোৱা যায়।[১] উক্ত বাৰ-হুৰ আদিৰ তুলনামূলক সাদৃশ্য তলত দেখুওৱা হ'ল ঃ

কাফিৰসকলৰ বাৰ-হুৰ	**কোচ্চাসকলৰ বাৰ-হুৰ**
(১) কামতোজ	কামা-টোৰজি
(২) পুৰুণি	পূৰ্ণি
(৩) নিছা	নিছা
(৪) চুঙ্গা	পৰচুঙ্গা
(৫) ওৱাচি	ওৱাকদি, ওৱাকজি,
(৬) খালুম	খাগ্ৰা
(৭) দানিশ	দোলপা, দাংছা, দাছু
(৮) [illegible]মোজি	কামা-ৰাছানজি
(৯) ট্ৰাইগুণা	তাৰাকোনা, তাৰাক
(১০) তেৱানী	তুৰণী
(১১) কৌমা	কামা
(১২) ধাইং	দাহেং
(১৩) গুণবৰ	গাৰা
(১৪) হাৰুংছেলা	হাৰুংপাৰা
(১৫) চাইনাইছ	চিনচাই
(১৬) ওৱাইলু	ওৱাইব্ৰা

সেইদৰে কাফিৰসকলৰ আন এটা বাৰায়ৰ নাম খুচতোছ আৰু এখন নদীৰ নাম 'কুচা' বুলি জনা যায়। এই তুলনাৰ পৰা কোচ্চা-ৰাভাসকলৰ পৰিব্ৰজনৰ বিষয়ে কিছু সম্ভেদ পোৱা যায়।

আন এটা দলে হয়তো দক্ষিণ-পূব পিনে অনুধাৱন কৰি তিব্বত দেশত প্ৰৱেশ কৰিলে। তাতে বহুবছৰ থকাৰ পাছত খেতি-বাতি কৰাৰ বাবে সুচল নেদেখি লাহে লাহে ভৈয়াম অভিমুখে প্ৰব্ৰজন

১. (An account of the kingdom of Cabul (Caubule), M Kamoz (Elphinstone), 1972, p. 376 (শ্ৰীযুত শিবেন্দ্ৰ নাৰায়ণ কোচ, উকিল, তুৰাৰ পৰা পোৱা তথ্য।)

কৰিবলৈ লয়। লাহে লাহে তেওঁলোকে নেপাল, চিকিম আৰু ভূটানত প্ৰবেশ কৰেহি। এইবোৰ পাহাৰতো খেতি-বাতি কৰাৰ সুবিধা নেদেখি ভৈয়াম অভিমুখে ৰাওনা হৈ অসম তথা পশ্চিমবংগ আদি ঠাইত স্থিতি ল'বলৈ ধৰে। তেওঁলোকে অসমৰ সেউজীয়া ঘাঁহনিৰে ভৰা ঠাইবোৰ দেখি ইয়াক 'হা-ছাম' বুলি ক'বলৈ ধৰিলে। হা-মানে মাটি, ছাম-মানে ঘাঁহ অৰ্থাৎ ঘাঁহনিৰে পৰিপূৰ্ণ দেশ অসম। এই হা-ছাম-ৰ পৰাই পৰৱৰ্তী কালত আছাম বা অসম নাম হোৱা যেন লাগে। কোচ্চাসকলৰ প্ৰব্ৰজন কালত বহু ঠাইত বহুতো অচিনাকি জাতিৰ লগত মুখামুখি ৰণ কৰিব লগা হোৱাত কোচ্চাসকলৰ বহুতো পুৰুষ মৃত্যুমুখত পৰে। সেয়ে কোচ্চা তিৰোতাসকলে কিছুমান ল'ৰা-সন্তানক বোকোচাত লৈ দিশহাৰা হৈ পৰে। এই বিষয়ে এটি প্ৰবাদ তেওঁলোকৰ মাজত এতিয়াও প্ৰচলিত হৈ আহিছে। সেইটো এনেধৰণৰ— 'হুলুলুণ্ডা, চন্দুং-বন্দুং কোচ্চা মিয়া ছিয়ৌ, কোচ্চা আমায় নাংপ্ৰাংয়ৌ' অৰ্থাৎ 'হুলুলুণ্ডা পাহাৰৰ মাতৃসকল দিশহাৰা হৈ ঘূৰি ফুৰিব ধৰিলে।' মোৰ অনুমান হয় দক্ষিণ-পশ্চিম চীন দেশ আৰু কোকেচিয়ান পৰ্বতমালাৰ মাজত কুচা নামৰ এখন ঠাইত এই ৰণ ঘটা বুলি। এই ঠাইখন সু-প্ৰাচীন Silk Road অৰ্থাৎ ৰেছমী পথত এতিয়াও আছে। এই বাটেৰেই প্ৰাচীন কালত ভাৰত আৰু চীন দেশৰ মাজত ৰেছম কাপোৰ আৰু অন্যান্য সামগ্ৰীৰ আদান-প্ৰদান ঘটিছিল। সম্ভৱ, ইয়াতে মহাৰণ হোৱাত কোচ্চা ৰাভাৰ বৃহৎ দল ছেদেলি-ভেদেলি হৈ আন এটা দলে আফগানিস্থান ৰাজ্যত প্ৰৱেশ কৰে। খুব সম্ভৱ, আমাৰ ৰংদানী, মাইতৰী আৰু কোচ্চা-ৰাভাৰ দৰে তাত বসবাস কৰা এই কোচ্চাসকলৰ বংশধৰসকলো অতি ৰক্ষণশীল। সেয়ে তেওঁলোকে নিজৰ বাৰ-ধৰ আৰু চাল-চলন ৰক্ষা কৰাৰ উপৰি আদিম ধৰ্মকে আঁকোৱালি লৈ আছে। মুছলমান ধৰ্ম গ্ৰহণ কৰা নাই। সেইবাবে তেওঁলোকক কাফিৰ অৰ্থাৎ ধৰ্মহীন জাতি বুলি আখ্যা দিবলৈ সুবিধা পাইছে। কোচ্চা-ৰাভাসকল যে আদিতে চাইবেৰীয়া, মংগোলীয়া আদি ঠাইত বাস কৰিছিল তাৰ এটি প্ৰমাণ তেওঁলোকৰ মাজত প্ৰচলিত বিজ মন্ত্ৰ এটিৰ পৰা ঠাৱৰ কৰিব পৰা যায়। মন্ত্ৰটো তলত দিয়া ধৰণে পোৱা যায়—

'চায় ব্ৰে ব্ৰে, মাই ব্ৰে ব্ৰে কোচ্চা হাছং টোৱা,
চায় বিৰিঙৌ, মাই লহং বিৰিঙৌ, কোচ্চা হাছং দোৱা,
কোচ্চা হাছং সোনা হাছং, জিৰু হাছং টোৱা,
চীনা হাছং, টিবিৰিএ হাছং, চিকা বিৰিএ টোৱা,
ছিন্দুকুচি-ছিন্দুকুচ, শোনকুচি-শোনকুচ কোচ মুলুঙা,
চিকা লৌহিতি লোলো মুং চিকা বিৰিএ টি-লুলুঙা।'

অৰ্থাৎ য'ত মদে-ভাতে উভৈনদী, গীত-মাতে পৰিপূৰ্ণ সেই ঠায়ে কোচ্চাৰ দেশ। চাইবেৰীয়া, মংগোলীয়া আৰু চীন দেশৰ পৰ্বতমালাৰ পাদদেশৰ সমতল ভূমিয়েই কোচ্চাসকলৰ আদিম বাসস্থান। য'ত কোচ্চাসকলৰ আদিম পুৰুষসকলৰ পুণ্য আত্মাই চিৰশান্তি লাভ কৰিছে, তেনে এখন শান্তিৰ দেশেই আমাৰ প্ৰপিতা-প্ৰমাতাসকলৰ শান্তিৰ দেশ, য'ত অতীতৰ শান্তিৰ গীত এতিয়াও প্ৰবাহিত হৈ আছে। সপ্তকুচী, ছিন্দুকুচ, সোণকুচি, মেচি আৰু লৌহিতি আদি নদীৰ পাৰৰ সোণসেৰুৱা উপত্যকাবোৰে কোচ্চা জাতিৰ পুণ্যস্মৃতি অৱগাহন কৰি চিৰপ্ৰৱহমান হৈ বৈ আছে।

(মূল গায়ক— ভূমেশ্বৰ কোচ, সংগ্ৰাহক—শ্ৰীইন্দ্ৰ মোহন কোচ)

এই গীতটোৰ সমৰ্থনত দৰং জিলাত বসবাস কৰা টোটলা ৰাভাসকলৰ মাজত প্ৰচলিত কাহিনীটো উল্লেখ কৰিব পৰা যায়। তেওঁলোকে হেনো 'মেৰু দেশত' বাস কৰিছিল। তেওঁলোকৰ আদিম আৰু আৰাধ্য দেৱতা হ'ল 'ভূদেৱ' অৰ্থাৎ শিৱ, যাক তেওঁলোকে আদি দেৱ আৰু মনুষ্য জাতিৰ ত্ৰাণকৰ্তা বুলি বিশ্বাস কৰে। এইবোৰ কাহিনীৰ পৰাই উল্লেখ কৰিব পাৰি যে এসময়ত ৰাভাসকল উত্তৰৰ বৰফাবৃত্ত দেশ চাইবেৰীয়া, মংগোলীয়া আদি দেশৰ পৰা প্ৰব্ৰজনযোগে বৰ্তমানে থকা ঠাইবিশেষলৈ অনুধাৱিত হয়।

বীৰ ছিমছাং ঃ

ৰাভাসকলৰ কেইবাটাও ভাগ আছে। যেনে—ৰংদানী, মাইতৰী, পাতি, দাহুৰী, হানা, টোটলা, বিতিলিয়া, ছংগা, কোচ্চা আদি। তাৰে ৰংদানীয়া ৰাভাসকলৰ মাজত প্ৰচলিত কাহিনী মতে তেওঁলোকে হেনো তিব্বতৰ পৰা নামি আহি ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ থকা ঠাইৰ সুচল বিচাৰি বৰ্তমানৰ গাৰোপাহাৰত প্ৰৱেশ কৰে। তেওঁলোকেই পোনপ্ৰথমে এই পাহাৰত বাস কৰিবলৈ লয়। তেতিয়া ইয়াৰ কোনো নাম নাছিল। ইয়াক তেওঁলোকে 'কামালতানি চিমালতানি হাছং' অৰ্থাৎ শান্তিৰ নিৰলা দেশ বুলি আখ্যা দিছিল। বহু বছৰ পাছত হেনো গাৰোসকলে এই পাহাৰত প্ৰৱেশ কৰি বাস কৰিবলৈ লয়। যদিও গাৰোসকলে এই পাহাৰত বহু পাছত প্ৰৱেশ কৰিছিল, তথাপি ৰাভাসকলে তেওঁলোকক কোনোধৰণৰ বাধা প্ৰদান কৰা নাছিল। বহু বছৰ এই দুটা জাতিয়ে সমিল-মিলভাৱে এই পাহাৰত বাস কৰি কাল কটায়। পাছত গাৰোসকলে নিজৰ প্ৰাধান্য বিস্তাৰ কৰিবলৈ ধৰিলে। যাৰ বাবে ৰাভা-গাৰোৰ মাজত কাজিয়াৰ সৃষ্টি হয়। মাজে-সময়ে সৰু-সুৰা মাৰপিট, কটা-কটি আৰম্ভ হয়। এনে কটা-কটি সঘনে ঘটিবলৈ ধৰাত ৰাভাসকলে জাতীয় বীৰৰ অভাৱত বহু ৰণত হাৰি পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহে, য'ত বৰ্তমানে তেওঁলোক বসবাস কৰি আছে। এনে এটি ঘটনাৰ বিষয়ে আটংপণ্ডিত দেৱানসিং ৰংমথুৱে তেওঁৰ এটি লিখনিত তলত দিয়া ধৰণে লিখিছে—'ৰাভাসকলৰ এজন শক্তিশালী ব্যক্তি বা ৰজা ৰংৰেংগিৰিৰ পৰা ২০ কিঃ মিঃ দূৰত উত্তৰ-পশ্চিমত বাস কৰিছিল। এই ঠাইখনৰ নাম আছিল খান্ত্ৰাগিৰি। তেওঁৰ ৰাজত্বকালৰ বিষয়ে তেওঁ ১২৬৫ খ্ৰীঃ বুলি উল্লেখ কৰিছে। তেওঁৰ নাম আছিল ছিমছাং। এইজন বীৰৰ বাবে গাৰোসকলে ৰাভাসকলক ক্ষতি কৰিব পৰা নাছিল আৰু পাহাৰৰ পৰাও খেদিব পৰা নাছিল। সেয়ে এওঁক কেনেকৈ মাৰিব পাৰি তাৰ ছেগ বিচাৰি আছিল। ৰাভাসকলৰ ডাঙৰ উৎসৱ বায়খুৰ সময়ত প্ৰতিবছৰে জেঠ-আহাৰ মাহত বৰ ডাঙৰকৈ ফূৰ্তি কৰি উৎসৱ উদ্‌যাপন কৰে। সেয়ে গাৰোসকলে এই উৎসৱৰ সময়লৈ বাট চাই আছিল। ছিমছাং ক'ত থাকে, মদ খাই ক'ত শোৱে, লগত কেইজন লোক থাকে এইবোৰ লক্ষ্য কৰি আছিল। এদিনাখন গাৰোসকলৰ বীৰ কিছুমানে ৰাভাৰ সাজ-পোছাক পিন্ধি ৰাভাৰ মাজত গৈ ছিমছাঙৰ গতি-বিধি লক্ষ্য কৰিলে। দেখিলে যে সিদিনা ছিমছাঙে অপৰ্যাপ্ত মদ খাই নিচা লাগি তেওঁৰ সহকাৰী কিছুমান ডেকা ল'ৰাৰ লগত 'ডেংৰা নক' অৰ্থাৎ ডেকাচাঙত শুবলৈ গ'ল। ডেকাসকলেও নিচাত বৰ গভীৰ টোপনি গ'ল। ছিমছাঙো নিচাত বিভোৰ হৈ টোপনিত লালকাল হ'ল। এই সুযোগতে গাৰো যোদ্ধাসকলে তেওঁলোকৰ সঙ্গীসকলক গোটাই লৈ ছিমছাঙক কাটি দুডোখৰ কৰি মুৰটো পাহাৰৰ দুৰ্গম ঠাইত পুতি ৰাখিলে। লগতে আন ডেকাসকলকো কাটি-মাৰি খান্তাং কৰিলে। ছিমছাঙৰ বৃহৎকায় শৰীৰটো টুকুৰা-টুকুৰ কৰি ওচৰৰে ছিমা নামৰ নদীত পেলাই

দিলে। পিছদিনা ৰণদুন্দুভি বাজি উঠিল। ৰাভাসকলে ছিমছাং বীৰ আৰু তেওঁৰ লগত থকা ডেকাবিলাকক বিচাৰি চলাথ কৰিও নাপালে। ডেকাচাওত ক্ষত-বিক্ষত হৈ মৃত অৱস্থাত পৰি থকা ডেকাসকলক দেখা পালে। ছিমছাঙক বিচাৰি নাপালে। এনে অৱস্থাত ৰাভাসকল ৰণৰ বাবে সাজু হ'ল যদিও গাৰোসকলৰ আগত তিষ্ঠিব নোৱাৰি ছেদেলি-ভেদেলি হৈ বিভিন্ন দিশেৰে পলাবলৈ ধৰিলে। এইদৰে এটা দলে ছিমছাংগিৰিৰ দক্ষিণফালে পলাবলৈ ধৰিলে। পাছত তেওঁলোকে গম পালে যে তেওঁলোকৰ প্ৰিয় বীৰ ছিমছাঙক ডোখৰ ডোখৰ কৰি কাটি ছিমা নদীত পেলাই দিছে। তেওঁলোকে বাঘমাৰা আৰু ইয়াৰ ওচৰ-পাঁজৰৰ ঠাইত বাস কৰিবলৈ ল'লে। তেওঁলোকে দেখিলে যে য'ত তেওঁলোকে থিতাপি লৈছে, তাৰ চাৰিওফালে গাৰো মানুহৰ বসতি। গাৰোসকলে তেওঁলোকৰ পৰিচয় সোধাত হেনো ভয়তে নিজৰ পৰিচয় নিদি 'আটো খাৰনো কি কৰিম? আটোনা কিহৰ বাবে? আটো ইন্নো—কি কম?' আদি প্ৰশ্ন নিজৰ মাজতে কৰিবলৈ ধৰিলে। সেয়ে গাৰোসকলে তেওঁলোকক আটো বা আটংজাত নামকৰণ কৰা বুলি কয়।' এই আটংসকলক বৰ সৰলচিতীয়া দেখি গাৰোসকলে তেওঁলোকক পাহাৰ আৰু ভৈয়ামত খেতি-বাতি কৰিবলৈ সুবিধা দিছিল। সেয়ে হা-টাং অৰ্থাৎ মাটি চহোৱা বা খেতি কৰোতা নামেৰে জনাজাত হয়। পিছলৈ হা-টাং শব্দৰ পৰাই হাটাং বা আটং হোৱা বুলি কয়। তেওঁলোকৰ মাজত বাঙো মাহাৰী বহুত আছে। যাক তেওঁলোকে পাঙো বুলি কয়। গেনেং (গয়নাং), তয়ৰা (তাৰা), ৰংদিং (ৰং-দুং) আদি বহুতো মাহাৰী এতিয়াও আছে। তেওঁলোক বৰ্তমানে আটং গাৰো বুলি জনাজাত। (মেঘালয়ৰ প্ৰথম মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামচন চাংমাও এই আটং জাতিৰেই এজন। সেয়ে তেওঁ নিজকে ৰাভাৰ সন্তান বুলি প্ৰায়ে মিটিঙত কৈ ফুৰিছিল।)

এই কথা Friend Pareira নামৰ এজন ব্ৰিটিছ লেখকে সমৰ্থন কৰি তেওঁৰ লিখনিত লিখিছে যে—'The Rongdani Rabhas have tradition that in earlier period of their history they duelt in the Garohills, and after many conflicts with the Garo tribes, they were finally driven down to the plains which they now occupy. They say the cradle of their race was at Sumsang, which is the Garo name for the modern Sumemary river and the valley it waters before its descent into Pargana Sushong in the District of Mymonsing.' **(Friend Pereira, Survey of India-1912, P. 145)**. তেওঁৰ এই লিখনিয়ে ৰংদানী ৰাভাসকলে কোৱা কথাৰ সাক্ষ্য প্ৰদান কৰে। তেওঁলোকে ছিমা নদীখনক 'ছিংমছাং চিকা' অৰ্থাৎ য'ত ছিমছাং বীৰক কাটি টুকুৰা-টুকুৰ কৰি পেলাই দিছিল তাৰ নামেৰে মাতিবলৈ ল'লে আৰু পাহাৰটোক 'ছিমছাংগিৰি' বুলি আখ্যা দিলে। লাহে লাহে গোটেই পাহাৰটোকে গাৰোসকলে দখল কৰি ইয়াৰ নাম গাৰোপাহাৰ ৰাখিলে। সেইদৰে আটংসকলৰ বিষয়ে **Major Play Fair**– চাহাবে তেওঁৰ "The Garos" নামৰ কিতাপত এইদৰে উল্লেখ কৰিছে—'The Atongs and Rugas, two divisions of the Garos which resemble each other very closely, but differ considerably from the remaining divisions.' (*The Garos*, p. 20). তেওঁ আকৌ সেই একেখন কিতাপতে উল্লেখ কৰিছে যে—'I think the Atong and Rugas are of different stock and have a common origin with Rabhas and Koches.' (*The Garos*, p. 22)

বীৰ দদান ঃ

ৰাভাসকলৰ কথিত কাহিনী মতে তেওঁলোকৰ এগৰাকী মহাপ্ৰতাপী ৰজা আছিল। তেওঁৰ নাম আছিল দদান বীৰ। এই বীৰগৰাকী হেনো শোণিতপুৰৰ পৰা আহিছিল। কিয় তেওঁ নিজৰ জন্ম ঠাই এৰি অনাই-বনাই ফুৰি পাছত বাইদাৰ ওচৰত থকা পানকিন্ত্ৰী নামৰ ঠাইত থাকিবলৈ ল'লে সেই বিষয়ে কোৱা হয় যে দদান বীৰ হেনো বাণ ৰজাৰ সন্তান আছিল। তেওঁৰ অতি মৰমৰ ভনী ঊষা দেৱীক শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ লগত বিয়া দিব লগা হোৱা বাবে নিজৰ মৰমৰ ভনীয়েকৰ বিচ্ছেদ-বেদনাত নিজৰ ৰাজ্য এৰি নীলগিৰি পাহাৰলৈ পলাই আহে। তেওঁ নীলগিৰি পাহাৰলৈ অহাৰ আগতে ভূটান পাহাৰত গৈ ভূটীয়া ৰজাৰ ওচৰত আশ্ৰয় বিচাৰে। ভূটীয়া ৰজাই তেওঁক আশ্ৰয় দিবলৈ অস্বীকাৰ কৰে। সেয়ে তেওঁ ভৈয়ামলৈ আহি আঠিয়াবাৰী নামৰ এখন ঠাইত তেওঁৰ অনুগামীসকলৰ লগত থাকিবলৈ লয়। আঠিয়াবাৰী হেনো এজন ব্ৰাহ্মণ ৰজাৰ অধীনত আছিল। দদানক তাত থকা ভাল নাপাই নানাপ্ৰকাৰে অত্যাচাৰ কৰিবলৈ ধৰে। সেয়ে দদানে নীলগিৰি পাহাৰলৈ পলাই আহে। তাতে তেওঁ বায়খু দেৱীৰ থান পাতি কিছু কাল থাকিবলৈ লয়। তাতো থাকি শান্তি নাপাই বাঘমেলা পাহাৰলৈ পলাই আহে। এই ঠাইখন হেনো এজন মায়াৰী ৰজা মাছামাৰুৰ ঠাই আছিল। মাছামাৰু হেনো এজন ইন্দ্ৰজালিক ৰজা আছিল। তেওঁ ৰাতি আধা মানুহ আধা সিংহ অৰ্থাৎ নৰসিংহ ৰূপ ধৰি মানুহ, গৰু আদি চিকাৰ কৰি ফুৰিছিল। দদানে এইজন মায়াৰী ৰজাৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি তাৰ পৰা পলাই ধনুভাঙ্গাৰ দক্ষিণত থকা আঠিয়াবাৰী নামৰ ঠাইলৈ গুচি আহে। ই বৰ্তমানে গাৰোপাহাৰৰ অন্তৰ্ভুক্ত। তেওঁ ইয়াতে বায়খু দেৱীৰ থাপনা পাতি কিছু কাল থাকিবলৈ লয়। তেওঁ লগ পোৱা মাছামাৰুৰ বিষয়ে ৰাভাসকলৰ মাজত প্ৰচলিত এটি নিচুকনি গীত এতিয়াও শুনা যায়। গীতটো তলত দিয়া ধৰণৰ—

'খাপে টোৰা, ক্ৰিংএ টোৰা / কাথা ৰাচা আনা,
হগো হগো ৰিবাইতা / মাছামাৰু ছানা।...'

অৰ্থাৎ— কান্দি থকা, চিঞৰি থকা, কথা নুশুনা কিয়? সৌৱা সৌৱা খাবলৈ মাছামাৰু আহিব ধৰিছে।

পৰৱৰ্তী কালত গাৰোসকলেও এই মাছামাৰুক তেওঁলোকৰ ভ্ৰাম্যমাণ জীৱনত লগ পোৱা বুলি কথিত আছে। তেওঁলোকে হেনো যোগীঘোপা হৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ নিজৰ থকা ঠাই বিচাৰি ফুৰোতে বাঘমেলা পাহাৰত উপস্থিত হয়। তেওঁলোকৰ আদি বাসস্থান হেনো তিব্বত। তেওঁলোকে গাৰু নামৰ ঠাইৰ পৰা আহিছিল। তেওঁলোকে সুবিধাজনক ঠাই বিচাৰি ফুৰোতে এই বাঘমেলা নামৰ পাহাৰ আহি পায়হি। তাতে মায়াৰী ৰজা মাছামাৰুক লগ পায়। সেই বিষয়ে **Major Play Fair**–চাহাবে তেওঁৰ 'The Garos' নামৰ কিতাপত উল্লেখ কৰিছে যে—'They took up their residence on Baghmela Pahar, a hill about five miles south-east of Boko in the Kamrup District. This was unfortunately also abode of a number of demons, the Machamaru or tigerman.' (The Garos, P. 10) যিহেতু গাৰোসকলেও একে পাহাৰতে মাছামাৰু নামৰ ৰজাক লগ পাইছিল, সেয়ে দদানে এনে ৰজাক লগ পোৱা কথাটো সত্য বুলি ঠাৱৰ কৰিব পৰা যায়। কিছুমানে আকৌ দদানক বাণ ৰজাৰ ভাগিন বুলি কয়। তেওঁ

বাণ ৰজাৰ সন্তানেই হওক বা ভাগিনেই হওক, তেওঁ যে বাণ ৰজাৰ মুখ্য সেনাপতি আছিল এই বিষয়ে কোনো দ্বিমত নাই। আন এটা আচৰিত কথা যে ইছ্ৰাইলতো দদান নামৰ এজন ব্যক্তি আছিল। এই কথা খ্ৰীষ্টানসকলৰ পৱিত্ৰ বাইবেলৰ অসমীয়া ভাঙনি 'পুৰণা নিয়মত' পোৱা যায়। উক্ত কাহিনীটো এনেধৰণৰ—'পাছে আব্ৰাহামে কটুৰা নামেৰে আৰু এজনী মানুহ বিয়া কৰালে। জিশ্ৰণ, যকচন, মদান, মিদিয়ান, যিচবক আৰু চুহ এইবিলাক পুত্ৰ তেওঁ প্ৰসৱ কৰিলে। এই যকচনৰ সন্তান চিবা আৰু দদান। আৰু অচৰীয়া, লটুচীয়া, লিয়ুম্মিয়া এইবিলাক দদানৰ সন্তান। মিদিয়নৰ সন্তান ঐফা, এফৰ, হনোক, অবিদা আৰু আলদায়া; এই আটাইবিলাক কটুৰাৰে সন্তান। পাছে আব্ৰাহামে নিজ সৰ্বস্ব ইচহাকক দিলে। কিন্তু উপপত্নীহঁতৰ সন্তানবিলাকক হ'লে দানস্বৰূপে অলপ অলপ দি, আব্ৰাহাম নিজে জীয়াই থাকোতেই তেওঁক পুত্ৰ ইচহাকৰ ওচৰৰ পৰা পুবফালে পুব দেশলৈ পঠিয়াই দিলে। আব্ৰাহামৰ আয়ুস এশ পঁইসত্তৰ বছৰ ; তেওঁ ইমান বছৰ জীয়াই আছিল।' (*পৱিত্ৰ বাইবেল*, পুৰণি আৰু নতুন নিয়ম) ভাৰতৰ বাইবেল ছ'চাইটী, ২০৬, মহাত্মা গান্ধী ৰোড, বাঙ্গালোৰ এই কিতাপৰ পৃঃ ২৫-৩ ২৫ নং কাহিনীত 'আব্ৰাহামৰ পুনৰ্বিবাহ আৰু মৃত্যু' নামৰ পাঠ্যক্ৰমত এই কথা পোৱা যায়। ইয়াত যিহেতু 'তেওঁৰ পুত্ৰ ইচহাকৰ ওচৰৰ পৰা পুব ফালে পুব দেশলৈ পঠিয়াই দিলে' এই শাৰী বাক্যৰ পৰা চিন্তা কৰিলে ভাব হয়, এই দদান ৰজা আব্ৰাহামৰ নাতি ল'ৰা বুলি। যিহেতু তেওঁৰ বংশধৰসকলক পুবফালে পুব দেশলৈ পঠাইছিল—প্ৰশ্ন উঠে, আমাৰ ৰাভা ৰজা, বীৰ দদান আব্ৰাহামৰ নাতি ল'ৰা নে শোণিতপুৰস্থ বাণ ৰজাৰ সন্তান নে ভাগিন? যীচুখ্ৰীষ্টৰ জন্মৰ প্ৰায় চাৰি-পাঁচ হাজাৰ বছৰ পূৰ্বে ইছ্ৰাইলৰ পৰা পুব দেশলৈ আহি ৰাভা সমাজত স্থিতি লৈ ৰজা হিচাপে ৰাজ্য শাসন কৰা সম্ভৱ নে? অন্য ধৰণে চিন্তা কৰিলে এই কথাৰ উত্তৰ এনেধৰণে যুকিয়াই চাব পাৰি। শোণিতপুৰলৈ আহি মহাপ্ৰতাপী বাণ ৰজাৰ ভয়ত শোণিতপুৰ এৰি নীলাচল পৰ্বত অভিমুখে দক্ষিণ-পশ্চিমলৈ পলায়ন কৰা বুলি ঠাৱৰ কৰিব পাৰি; কিন্তু ভাৰতৰ বহু ৰাজ্য তদুপৰি ভাৰতৰ সীমাৰ বাহিৰেও চিৰিয়া, ইৰাক, ইৰাণ আৰু আফগানিস্থান দেশ অতিক্ৰম কৰি পুবপিনে শোণিতপুৰ আহি পোৱা আব্ৰাহামৰ নাতি ল'ৰা বুলি কিন্তু ঠাৱৰ কৰিব নোৱাৰি। সেয়ে আমাৰ মতে এইজন দদান ৰজা শোণিতপুৰস্থ বাণ ৰজাৰ নিকট আত্মীয় হোৱা বুলি নিশ্চিত হ'ব পাৰো। যিহেতু কোনো লিখিত তথ্য নাই; সেয়ে ইয়াৰ সঠিক উত্তৰ নিৰ্ণয় কৰাও খুবেই কঠিন। দদান বীৰে ৰাভাসকলৰ মাজত আহি বসবাস কৰিবলৈ লোৱাত তেওঁক হেনো নিজৰ বাৰায় সোধাত তেওঁ 'বাণনি ঠক' অৰ্থাৎ বাণৰ দল বুলি পৰিচয় দিছিল। সেয়ে পাছলৈ বাননি ঠক > বাণঠক > বাণ্ঠো বাৰায় হোৱা বুলি কয়। এইযাৰ কথাৰ পৰাও দদান যে বাণ ৰজাৰ বংশৰ সেই কথাও নিশ্চিত হ'ব পাৰো।

দদানৰ পূজিত দেৱী বায়খু মাতৃক আঠিয়াবাৰীত স্থাপন কৰি কিছুকাল তাতে পূজা-পাতল কৰি থাকিবলৈ লয়। এই দেৱীক হেনো ৰাভাৰ এটি গোত্ৰ-কামা বাৰায়ে বোকোচাত লৈ আহিছিল। তাক প্ৰথমে নীলগিৰি বা নীলাচল পাহাৰত স্থাপন কৰে। কামা মাহাৰীয়ে বোকোচাত বান্ধি অনা বাবে ইয়াক কামা + খা (বন্ধা) > কামাখা অৰ্থাৎ কামা বাৰায়ে বোকোচাত বান্ধি লৈ অহা দেৱী। পিছলৈ ইয়াক কামাখ্যা বুলি ক'বলৈ ধৰিলে। দদানে এই আঠিয়াবাৰীতো থাকি ভাল নাপাই আকৌ আদুগিৰি পাহাৰ হৈ ভটিয়াবলৈ ধৰিলে। পাছত তেওঁ ছিমছাং নদীৰ পাৰ ধৰি দক্ষিণ ফালে গৈ বালফাকৰামত উপস্থিত হয়। তাতো তেওঁ জীৱিকাৰ সুচল কৰিব নোৱাৰি এটা দল লগত লৈ

নক্ৰেক পাহাৰ হৈ তুৰা পাহাৰত উপস্থিত হয়। তাতো বেছি দিন নাথাকি ৰাংগিৰা পাহাৰলৈ আহি কিছু দিন থাকে। তাৰ পৰা তেওঁ আকৌ উত্তৰ-পশ্চিমফাললৈ আগুৱাবলৈ ধৰে। পাছত জিয়জিৰাম নৈৰ পাৰে পাৰে উজাবলৈ লয়। শেষত তেওঁ বাইদাৰ ওচৰত থকা পাণকিন্ত্ৰী নামৰ ঠাইত বসবাস কৰে। তাতে বহু বছৰ থকাৰ পাছত শান্তিৰ নিৰলা ঠাই বিচাৰি 'দাৰ্মাং চিপু চালেক' নামৰ পাহাৰলৈ গৈ তাতে এখন বায়খু থান পাতি মাতৃদেৱীক পূজা-পাতল কৰি থাকিবলৈ ধৰে আৰু তাৰে ওচৰত থকা এখন সুন্দৰ ঠাইত ৰাজধানী পাতি স্থায়ীভাৱে থাকিবলৈ লয়। ইয়াকে তেওঁ 'কামালতানি চিমালতানি হাদাম' অৰ্থাৎ শান্তিৰ নিৰলা ঠাই বুলি আখ্যা দিছিল। বৰ্তমানে এই ঠাইখনৰ নাম ৰাভাগিৰি ৰাখিছে।

দদানে যাযাবৰ জীৱন নিৰ্বাহ কৰাৰ সময়ত তেওঁৰ লগত তেওঁৰ বিধৱা ভনী চাম্পায়মাৰী জিমাৰিও লগত আহিছিল। তেওঁৰ লগত আনিছিল এটি কেঁচুৱা ছোৱালীও। দদানৰ ঘৈণীয়েকৰ নাম আছিল নোদায়। কেঁচুৱা ছোৱালীজনীৰ নাম আছিল তৰৌ বা তোবা ৰাণী। এই তোবা ৰাণী যুৱতী হ'লত দদানে তাইৰ বাবে উপযুক্ত দৰা বিচাৰি ফুৰে। শেষত এজন ছদ্মৱেশী ৰাজকুমাৰক লগ পাই তোবা ৰাণীৰ লগত বিয়া দিবলৈ লৈ আহে। তেওঁৰ নাম আছিল মাৰুক্ষেত্ৰী। মাৰুক্ষেত্ৰীৰ মাকৰ নাম আছিল লেখা ৰুক্মিণী। মাকৰ কিন্তু এই বিয়াত সন্মতি নাছিল। তথাপি মাৰুক্ষেত্ৰীয়ে দদানৰ লগত গৈ তেওঁৰ ভাগিনী তোবা ৰাণীক বিয়া কৰাবলৈ ওলোৱাত হেনো মাকে মনৰ দুখতে মাৰুক্ষেত্ৰীক অভিশাপ দিছিল এইদৰে—'যোৱা মোৰ বীৰ পুত্ৰ। তোমাৰ বল-বিক্ৰম অটুট থাকিব। তুমি কে'বাখনো ৰণত যুঁজিব লাগিব। তুমি সকলো ৰণতে জিকিবা; কিন্তু সপ্তম ৰণত হাৰিবা।' এনে অভিশাপ-বাক্যৰে মাৰুক্ষেত্ৰীক বিদায় দিছিল। মাৰুক্ষেত্ৰী হেনো সোণাপুৰৰ ৰাজপুত্ৰ আছিল। দদানে মাৰুক্ষেত্ৰীক তোবা ৰাণীৰ লগত বিয়া দি তেওঁক প্ৰধান সেনাপতি পাতি ৰাজ্যৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰি নিজে আৰামপ্ৰিয় জীৱন কটাবলৈ লয়। দদানৰ সুখ-শান্তি আৰু আৰামপ্ৰিয় জীৱনৰ প্ৰতি হিংসা কৰি তেওঁৰ নিজৰে আত্মীয়সকল; ব্ৰেক, ব্ৰুক, ছামত্ৰং মেৰমেৰ, মুৰমুৰ, চিক্ৰাং আদি ৰজাই সুদূৰ কাশী ৰজাক যুঁজলৈ আহ্বান কৰি আনিলে। তেওঁলোক ছয় ৰজা লগ লাগি কাশী ৰজাসহ দদানৰ ৰাজ্য আক্ৰমণ কৰিলে। মাৰুক্ষেত্ৰীয়ে কাশী ৰজাক যুদ্ধত পৰাস্ত কৰি নিহত কৰে। কাশী ৰজাৰ মৃত্যুৰ খবৰ পাই ছয় ৰজা লগ লাগি দদানৰ দুৰ্ভেদ্য কিল্লা টিক্ৰিকিল্লা আক্ৰমণ কৰি গড়টো ভাঙি ধূলিসাৎ কৰে। মাৰুক্ষেত্ৰীৰ পৰাজয়ৰ খবৰ পাই দদান ৰজাই নিজে যুঁজলৈ ৰাওনা হয়। কিন্তু মাৰুক্ষেত্ৰীক বিচাৰি নাপাই ঘৰলৈ উভতি যোৱাৰ সময়ত শত্ৰু সৈন্যই চিপনশিলা নামৰ ঠাইত লুকাই থাকি দদানক আক্ৰমণ কৰে। দদানৰ আঁঠুত বিষকাঁড় লগাত তেওঁ দ্ৰুত বেগেৰে হাতীত উঠি ঘৰলৈ ৰাওনা হয়। কিন্তু তেওঁ ঘৰ নৌপাওঁতেই এঠাইত হাতীৰ পিঠিৰ পৰা বাগৰি পৰি মৃত্যু বৰণ কৰে। য'ত দদান ৰজা বাগৰি পৰিছিল তাতে মানুহৰ আকৃতিৰ এখন বিৰাট বিলৰ সৃষ্টি হয়। ইয়াক 'দদান ডুবি' বুলি কোৱা হয়। বহুতে 'দদান লুপ্ত হোৱা ডুবি' বুলিও কয়। এই ডুবি ৰাভাগিৰিৰ ওচৰত। (বৰ্তমানে এই বিল বহুত শুকাই যোৱাত ওচৰৰ গাৰোসকলে খেতি কৰিবলৈ লৈছে। তথাপি মানুহৰ আকৃতিৰ বিলখন সম্পূৰ্ণভাৱে হেৰাই যোৱা নাই।)

যেতিয়া ৰাজধানীত খবৰ পালে যে দদান আৰু মাৰুক্ষেত্ৰী দুয়ো ৰণত পৰিল, তেতিয়া ৰাজধানীত হুৱাদুৱা লাগিল। দদানৰ নিজ ভাগিনী আৰু ভনীসকলৰ নেতৃত্বত ৰাভাসকল বিভিন্ন দিশলৈ পলাবলৈ

ধৰিলে। তেওঁলোক হ'ল—তামাই, নাকাটি, দাদুৰী, ছুছাৰী আদি অতি সাহসী মাৰী। ছুছাৰীৰ নেতৃত্বত এটি দলে তুক্রেশ্বৰী পাহাৰ আৰু তাৰ ওচৰ-চুবুৰীয়া ঠাইত আশ্ৰয় ল'লে। নাকাটিয়ে ঘাগুৱা আৰু ছাবাং নৈৰ মধ্যৱৰ্তী ঠাইবোৰত আশ্ৰয় লয়। তামায়ে ছাবাং আৰু ৰংগাই নৈৰ মধ্যৱৰ্তী ঠাইবোৰত আশ্ৰয় লয়। দাদুৰিৰ দলটোৱে ৰংগাই নৈ আৰু মাচাংপানী নৈৰ মধ্যৱৰ্তী ঠাইবোৰত আশ্ৰয় লয়। দদান-মাৰুক্ষেত্ৰীৰ ঘটনাৱলী আৰু তেওঁলোকৰ বীৰত্বৰ কাহিনী বৰ্ণনা কৰি 'হৈ মাৰু চায়' নামৰ এটি দীঘলীয়া গীত বায়খু পূজাৰ সময়ত পৰিৱেশন কৰে। সাধাৰণতে বায়খু পূজা জেঠ-আহাৰ মাহত উদ্‌যাপন কৰা হয়। বৰ্তমানে জেঠ মাহৰ পূৰ্ণিমাৰ দিনা পালন কৰিবলৈ লৈছে।

বীৰ পৰশুৰাম ঃ

যোৱা ১৬১৯ খ্ৰীষ্টাব্দৰ কথা। সেই সময়ত দিল্লীত মহাপ্ৰতাপী সম্ৰাট জাহাংগীৰৰ ৰাজত্ব চলি আছিল। তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ দখল কৰাৰ কাৰণে কে'বাবাৰো সৈন্য-সামন্ত পঠিয়াই উত্তৰ কুলৰ কোচৰাজ্য দখল কৰি হাজোত ইয়াৰ সদৰ কাৰ্যালয় পাতে। পাছত তেওঁ মিৰ্জা নাথান নামৰ এজন সেনাধ্যক্ষক দক্ষিণ কুল আক্ৰমণ কৰিবলৈ পঠিয়ায়। তেতিয়াৰ দক্ষিণ কুলৰ এজন শক্তিশালী ৰজা পৰশুৰামে মোগলৰ ৰচদ-পাতি যোগীঘোপাৰ ঠেক জলভাগত আক্ৰমণ কৰি কাঢ়ি লৈছিল। পৰশুৰামে এইদৰে মোগলক ব্যতিব্যস্ত কৰি তুলিছিল। সেয়ে মিৰ্জা নাথানৰ অধীনত দক্ষিণ কুল আক্ৰমণ কৰিবলৈ পঠিয়ায়। পৰশুৰামৰ আক্ৰমণৰ ফলত সিপিনে হাজোত থকা মোগল সৈন্য আৰু ৰাইজৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছিল। সেই বিষয়ে 'BAHARISTAN-I-GHAIBI' নামৰ কিতাপত এইদৰে উল্লেখ কৰিছে— 'A rebel of the Dakhinkul named Parasuram made plundering raids and blocked the passage transit of rations for the army of Kuch and Assam.' (BAHARISTAN-I-GHAIBI, Vol. II. P. 505)। সেই সময়ত হাজো আৰু অসমৰ বিভিন্ন ঠাইত লোণ আৰু মাখনৰ দাম যে বাঢ়ি গৈছিল সেই বিষয়েও একেখন কিতাপতে এইদৰে উল্লেখ কৰিছে— ...'the inhabitants of Hajo were put to great strait, Salt was sold at Rs. 42/- per maund; and Butter could not be obtained even by paying Rs. 1-8-0 per seer.' তেওঁ মোগলৰ বিৰুদ্ধে বৰ সাহসেৰে যুঁজিছিল যদিও কেইবাখনো যুঁজ দি তেওঁ হাৰি আমজোঙ্গা দুৰ্গত আশ্ৰয় ল'বলৈ যোৱাৰ পথত এখন গাঁৱত তেওঁৰ ঘৈণী আৰু সন্তানসহ মোগলৰ হাতত বন্দী হয়। পৰশুৰামৰ এই যুঁজত ৰংদান অঞ্চলৰ ৰাভা ৰজা কান্দাকাৰীয়েও যোগ দিয়ে। মোগলে কান্দাকাৰীৰ ৰাজধানী ৰংদান গাঁওখন জুই জ্বলাই ভস্মীভূত কৰে। চ'ত মাহৰ শুকান বতৰৰ জুয়ে গোটেই গাঁওখন পুৰি ধ্বংস কৰিছিল। ওচৰৰ পাহাৰত জুই বেছিকৈ লগাত মোগলৰ বহু সৈন্যও জুইত পুৰি মৰা পৰিছিল। দেউতাকৰ লগত তেওঁৰ ল'ৰা তাহানাও যুঁজত যোগ দিছিল। তাহানা এজন শক্তিশালী আৰু বিচক্ষণ যুঁজাৰু আছিল বুলি *'বাহাৰিস্তান- ই-ঘাইবিত'* উল্লেখ কৰিছে। তাহানাক জনজাতীয় ডেকাৰ ভিতৰতে এজন মহাসাহসী আৰু চতুৰ বীৰ বুলি প্ৰশংসা কৰিছে। মিৰ্জা নাথানে পৰশুৰামক বন্দী কৰি তেওঁৰ ল'ৰা আৰু ঘৈণীসহ তেওঁক ঢাকালৈ লৈ যায়।

মেচপাৰা জমিদাৰ ঃ

যোৱা ১৪৪৭ খ্ৰীঃত মেচপাৰা জমিদাৰী স্থাপিত হয়। ইয়াৰ প্ৰতিষ্ঠাপক জমিদাৰ বা ৰজা

আছিল থানা ৰাভা ওৰফে থানা কমল লোচন। থানা ৰাভাক গোবৰ ৰাভাৰ পুতেক বুলি Bucanan-চাহাবে তেওঁৰ *'Montgomary, the History Antiquities, Topography & Statistics of Eastern India,* Vol–V–pp. 558-ত উল্লেখ কৰিছে। Friend Pereira – চাহাবেও এই বিষয়ে এনেদৰে উল্লেখ কৰিছে—'The Rondanias are found in the track of the Country between Goalpara and Lakhipur the seat of the Mechpara Zamindar, who is popularly supposed to be of Rabha origin of the Rungdung Burai.' (*J. E. Friend Pereira,* The Rabhas, in *Census of Assam,* 1911, Vol. – III.–pt–I, 1912)

লক্ষীপুৰ জমিদাৰী অঞ্চলটোক কেনেকৈ মেচপাৰা ৰখা হ'ল সেই বিষয়েও কিছু আলোচনা কৰাৰ প্ৰয়োজন আছে। দৰঙ্গা ৰাজবংশাৱলী মতে জনা যায় যে গুৰাবৰ ১২জন ভূঞাৰ এজন আছিল। ভূঞাসকলৰ ভিতৰত তেওঁৰ পৰিচয় অন্যপ্ৰকাৰে পোৱা যায়। বলদেৱ দৈৱজ্ঞই বাৰ ভূঞাৰ বিষয়ে তলত দিয়া ধৰণে লিখিছে—

'ক'ত দিন অন্তৰে অৰাজক হৈল,
হৈ হৈ সন্ততিৰ বাৰো ঘৰ মেচ ভৈল,
তাসম্বাৰ নাম কহো তোঁমাৰ আগত,
মহাপৰাক্ৰমী সব শিৱৰ ভকত।৫০
পাণবৰ ভেদভেদা আবৰ গুৱাবৰ,
ফেদফেদা বৰিহনা মেছ শ্ৰেষ্ঠতৰ,
কঠিয়া বৈহাগু মেঘা যুদ্ধাবৰ নাম,
গৰকাটা জোগাই ডোখৰা অনুপাম।'৫১

ওপৰত উল্লেখ কথা মতে গুৱাবৰ মেচসকলৰ এজন। অসমৰ বেছিভাগ মানুহে ৰাভাসকলৰ বিষয়ে নাজানিছিল, সেয়ে যিকোনো লোককে মেচ বুলি কৈছিল। মেচ যে ৰাভা বা কোচ্চা-ৰাভাৰ এটা বংশ বা ভাগ এই কথা নাজানিছিল। সেয়ে এই জমিদাৰীক মেচপাৰাৰূপে নামকৰণ কৰিছিল।

থানা ৰাভাই পাছত থানা কমললোচন নাম গ্ৰহণ কৰে। তেওঁৰ পাছত তেওঁৰ পুতেক মেঘৰামে ১৫০৪-১৫৬১ খ্ৰীঃলৈকে, মেঘৰামৰ পুতেক গোবিন্দ ৰামে ১৫৬১-১৬২১ খ্ৰীঃলৈকে, গোবিন্দ ৰামৰ পুতেক মুকুন্দ ৰামে ১৬২১-১৬৭৪ খ্ৰীঃলৈকে, মুকুন্দৰামৰ পুতেক শোভাৰামে ১৬৭৪-১৭৩০ খ্ৰীঃলৈকে, পাছত শোভাৰামৰ পুতেক ৰণাৰামে ১৭৩০-১৭৯০ খ্ৰীঃলৈকে লক্ষীপুৰ জমিদাৰীৰ শাসনভাৰ গ্ৰহণ কৰে। এইজন ৰণাৰামৰ দিনত এক লেখতল'বলগীয়া ঘটনা ঘটে। ব্ৰিটিছে লক্ষীপুৰ জমিদাৰী ৰাজ্যখন কড়াইবাৰী জমিদাৰীৰ লগত চামিল কৰে, যাতে কৰ আদায়ৰ বাবে সুবিধা হয়। ৰণাৰামে এই কাৰ্যত মান্তি নহৈ ব্ৰিটিছক দিবলগীয়া কৰ-কাটল বন্ধ কৰে। এই বিষয়ে ৰঙ্গামাটিত থকা ব্ৰিটিছ শাসক বেইলী চাহাবক জনোৱাত ৰণাৰামৰ লগত ব্ৰিটিছৰ সম্বন্ধ বিচ্ছেদ হয়। বেইলী চাহাবে ৰণাৰামৰ ওপৰত খং কৰি এখন চিঠি লিখি পঠালে—'He is a villain who commits degradation and robberies both in the river and his neighbourhood and centumaciously refuses to come though I have sent repeated porwarhs to that purpose.' (Mr. E. A. Gait, *History of Assam,* p. 48) বেইলী চাহাব গোৱালপাৰা চহৰৰ পাহাৰত থকা ঘৰত বাস

কৰি থকা কালত ৰণাৰামে মাত্ৰ ৬০০ বৰকন্দাজ লগত লৈ তেওঁৰ বাংলা আক্ৰমণ কৰিছিল। বেইলী চাহাবে তিষ্ঠিব নোৱাৰি জংঘলত পলাই আত্মৰক্ষা কৰিছিল। পাছত ৰণাৰামে গাৰোপাহাৰ অঞ্চলত পলাই থাকি তাৰ পৰাই ব্ৰিটিছৰ বিৰুদ্ধে যুঁজি আছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে ১৭৯০ চনৰ ফেব্ৰুৱাৰী মাহত পলাতক অৱস্থাতে গাৰোপাহাৰতে তেওঁৰ মৃত্যু ঘটে।

ৰণাৰামৰ মৃত্যুৰ পাছত তেওঁৰ সন্তান মহিৰামে জমিদাৰীৰ শাসনভাৰ গ্ৰহণ কৰে। তেওঁ ১৭৯০-১৮২২ খ্ৰীঃলৈকে শাসনভাৰ চলায়। মহিৰামৰ পাছত তেওঁৰ সন্তান পৃথ্বীৰাজ ওৰফে লক্ষ্মী নাৰায়ণে শাসনভাৰ গ্ৰহণ কৰে। তেওঁ ১৮২২-১৮৭৪ খ্ৰীঃলৈকে ৰাজত্ব কৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে পৃথ্বীৰাজৰ মৃত্যুৰ পাছত তেওঁৰ পুতেকসকলৰ মাজত কাজিয়াৰ সৃষ্টি হয়। তেওঁৰ তিনিজনী ঘৈণী আছিল, এই তিনিজনী ঘৈণীৰ সন্তান আছিল সাতজন। তেওঁলোকৰ মাজত কোনে শাসনভাৰ লাভ কৰিব এই বিষয়ক লৈ কাজিয়াৰ সূত্ৰপাত হয়। তাৰে ভিতৰত খগেন্দ্ৰ নাৰায়ণ চৌধুৰী আছিল প্ৰথমা ঘৈণীৰ সন্তান। দ্বিতীয় ঘৈণীৰ তিনিজন সন্তান আছিল। তেওঁলোক হৈছে—তিলক চৌধুৰী, ভোলানাথ চৌধুৰী আৰু লোকনাথ চৌধুৰী। এই কাজিয়াৰ ফলস্বৰূপে জমিদাৰীৰ অংশ ক্ৰমে ১১ অনা আৰু ৫ অনাকৈ ভাগ কৰা হ'ল। প্ৰথমা ঘৈণী আৰু তৃতীয়া ঘৈণীৰ সন্তানসকলে ১১ অনাৰ ভাগ লাভ কৰিলে। তেওঁলোক হ'ল খগেন্দ্ৰ নাৰায়ণ, উদ্ধৱ নাৰায়ণ, কমলাকান্ত বা কমল আৰু ভৱেন্দ্ৰ নাৰায়ণ। দ্বিতীয় ঘৈণীৰ সন্তানসকল ক্ৰমে—ভোলানাথ, লোকনাথ আৰু তিলক নাথে ৫ অনাৰ অংশ লাভ কৰিলে। আনহাতে লোকনাথ আৰু তিলক নাথ দুয়ো নিঃসন্তান হৈ মৃত্যুবৰণ কৰে। সেয়ে ভোলানাথৰ মাকে ভোলানাথ আৰু গোবিন্দাপ্ৰিয়া অৰ্থাৎ মৃত তিলক নাথৰ বিধৱা ঘৈণীয়েকৰ বিৰুদ্ধে মামলা ৰুজু কৰে। ইয়াৰ ফলস্বৰূপে ভোলানাথে ৩ অনাৰ অংশ পায়; যাতে তেওঁৰ মাকক মৃত্যুৱধি চোৱা-চিতা কৰিব পাৰে। তিলক নাথৰ ঘৈণীয়েক গোবিন্দাপ্ৰিয়াই ২ অনাৰ অংশ লাভ কৰে।

আকৌ ৩০ বছৰ পাছত ১১ অনা অংশীদাৰসকলৰ মাজত কাজিয়াৰ সৃষ্টি হয়। ফলস্বৰূপে ৫ অনা ৬ পাইকৈ ভাগ কৰা হয়। আকৌ এই ৫ অনা ৬ পাইক দুটা ভাগত ভাগ কৰা হয়। অৱশেষত মেচপাৰা জমিদাৰীটোক ৪টা ভাগত বিভক্ত কৰা হয়। পাছত আকৌ ৪টা ভাগক একেলগ কৰা হয়। ইয়ো মাত্ৰ ১০ বছৰলৈকেহে টিকি থাকিল। আকৌ ১৯১১ চনত ১৩ অনা আৰু ৩ অনা ভাগত বিভক্ত কৰা হয়। কিছু বছৰ পাছত ১৩ অনাৰ অংশক ৫ অনা ৬ পাই, ৪ অনা ৯ পাই, আৰু ২ অনা ৩ পাইকৈ ভাগ কৰা হয়। এনেদৰে লক্ষ্মীপুৰ জমিদাৰীক ৪টা ভাগত ভগোৱা হয়। (Rev. B. June, 1922, No. 64-74, Secretariat, Record Room, Dispur)

এইদৰে জমিদাৰ বংশসকলৰ মাজত কাজিয়া সৃষ্টি হোৱাত ইয়াৰ শাসনযন্ত্ৰ বৰ দুৰ্বল হৈ পৰিল। ফলস্বৰূপে সাধাৰণ ৰাইজৰ অৱস্থা বৰ অসহনীয় হৈ উঠিল। জমিদাৰীৰ এনে অৱস্থা দেখি ভৱেন্দ্ৰ নাৰায়ণৰ পুত্ৰ ৰবীন্দ্ৰ নাৰায়ণে ব্ৰিটিছ চৰকাৰক অনুৰোধ কৰিলে, যাতে বংগদেশৰ ৰায়তী আইন অনুসৰি যুটীয়া মেনেজাৰ নিযুক্ত কৰা হয়। কিন্তু জমিদাৰসকলৰ অমনোযোগিতাৰ বাবে ইয়ো কাৰ্যকৰী নহ'ল। অৱশেষত ১৯১৭ চনৰ ৬ মাৰ্চৰ দিনা Court of Award-এ এই জমিদাৰৰ শাসনভাৰ নিজৰ হাতলৈ লৈ যায়।

তিৱা সম্প্ৰদায়ৰ অতীত পৰিচয়

মনেশ্বৰ দেউৰী

অসমত ইণ্ডো-এৰিয়ান্ (অসমীয়া); অষ্ট্ৰিক (মনখেমেৰ) আৰু তিব্বত-বৰ্মী ভাষা পৰিয়ালৰ লোকৰেই প্ৰধান বসতি । ইণ্ডো-এৰিয়ান্ ভাষা পৰিয়ালৰ বুলি চিহ্নিত অসমীয়া ভাষাৰ জঁকাটোহে ইণ্ডো-আৰ্য; তাৰ বাকী প্ৰায়খিনি উপাদান ভোট-বৰ্মী ভাষাগোষ্ঠীসমূহৰ। বংগদেশৰ বঙালী ভাষাই যি পৰিমাণে সংস্কৃত শব্দসম্ভাৰ লৈ পৰিপুষ্টি সাধন কৰিছে, অসমীয়া ভাষাই সংস্কৃত ভাষাৰ পৰা সিমান ধৰণেৰে শব্দসংগ্ৰহ নকৰি, থলুৱা অষ্ট্ৰিক-মংগোলইড ভাষাৰ শব্দৰাজি গ্ৰহণ কৰি, আত্মস্থ কৰি, বিশালতাৰ পৰিচয় দিছে। ড° বাণীকান্ত কাকতিৰ পাছত যিসকল ভাষাতাত্ত্বিক পণ্ডিতে অসমীয়া ভাষাৰ সৌষ্ঠৱবৰ্ধন কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে, তেওঁলোকৰ দৃষ্টিভংগী ড° বাণীকান্ত কাকতিৰ দৰে হোৱাহেঁতেন অসমত ভাষিক সংকটে দেখা নিদিলেহেঁতেন বুলি ক'ব পাৰি ! ড° বাণীকান্ত কাকতি আৰু আব্ৰাহাম গ্ৰিয়াৰছন চাহাবে তেওঁলোকৰ গৱেষণা গ্ৰন্থত অসমীয়া ভাষাক 'ভোটব্ৰহ্ম ভাষাসমূহৰ মাজত থকা এটি দ্বীপ' বুলিহে মন্তব্য কৰিছে।[১]

ভাষাতাত্ত্বিক দিশৰ পৰাও চীন-তিব্বতীয় বৃহৎ পৰিয়ালৰ তিনিটা প্ৰধান শাখা ক্ৰমে—(১) টাই (২) চৈনিক আৰু (৩) তিব্বত-বৰ্মীত ভাগ কৰা হৈছে। চাইনো-তিবেতান ভাষা-পৰিয়ালৰ তিব্বত-বৰ্মীয় শাখাৰ অস্তিত্ব ভাৰতবৰ্ষ তথা অসমত অতিশয় তাৎপৰ্যপূৰ্ণ। কিয়নো এই ভাষা পৰিয়ালৰ অসংখ্য ভাষা উত্তৰ-পূব-ভাৰতত বিশেষকৈ অসমত প্ৰচলিত। অসম বুলি কওঁতে আজিৰ যুগৰ সাতভনীৰ কথাকে কোৱা হৈছে। তিব্বত-বৰ্মী শাখাৰ তিনিটা প্ৰধান ঠাল আছে। সেইকেইটা হ'ল—(১) তিব্বতী হিমালয়ী (২) উত্তৰ অসম আৰু (৩) অসম-বৰ্মী শাখা। অসম-বৰ্মী শাখাৰ পুনশ্চ তিনিটা প্ৰধান উপশাখা হ'ল—(ক) বড়ো (খ) নগা (গ) কুকি-চীন ভাষা-ভাষী লোকসকল। বড়ো শাখা বুলি কওঁতে ইয়াক বড়ো-কছাৰী ভাষাক নুবুজাই এই গোষ্ঠীৰ অন্তৰ্গত বাৰটা প্ৰধান জনজাতীয় ভাষা আৰু ভাষা-ভাষীসকলকহে বুজাইছে। সেইকেইটা হ'ল ক্ৰমে—বড়ো, বড়োকছাৰী, ডিমাছা, লালুং, কোঁচ,

ৰাভা, হাজং, ত্ৰিপুৰা, গাৰো, মেচ, মৰাণ, চুতীয়া। বড়ো ভাষা-ভাষী লোকসকল অসমৰ প্ৰায়বোৰ ঠাইতে সিচঁৰতি হৈ আছে। তথাপি নগাঁও, কামৰূপ, কাৰ্বি-আংলং, গোৱালপাৰা, দৰং, কোচবিহাৰ, মেঘালয়, ত্ৰিপুৰা, নেপাল আনকি বাংলাদেশতো বিদ্যমান। নগাঁও, মৰিগাঁও জিলা, পূব কামৰূপ, দক্ষিণ-পূব কামৰূপ, কাৰ্বি আংলং, মেঘালয়ৰ খৈৰাম আৰু মিলিম ষ্টেটত তিৱা বা লালুং ভাষা-ভাষীসকলৰ বসতি। উত্তৰ কাছাৰ আৰু নগাঁও জিলাৰ কিছু অংশত হাজং আৰু ডিমাছাভাষীসকলৰ বসবাস। গাৰোভাষীসকল সাধাৰণতে গাৰোপাহাৰ আৰু মেঘালয়তে সীমাবদ্ধ। ৰাভা, কোঁচ, মৰাণভাষীসকল গোৱালপাৰা, দৰং, শিৱসাগৰ, নগাঁও আদিত বসবাস কৰে। চুতীয়াভাষীসকল বসবাস কৰে শদিয়া আৰু লক্ষীমপুৰ জিলাত।

ভাৰতৰ অধিবাসীসকলৰ প্ৰাব্ৰজনিক দিশৰ ওপৰত পোৱা তথ্যৰাজিৰ এক চমু বিবৰণ ইয়াত আগবঢ়োৱা হৈছে বিভিন্নজন গৱেষক পণ্ডিতৰ মতামত চয়নেৰে। উক্ত ছয়টা প্ৰজাতিৰ প্ৰব্ৰজন আৰু সংস্কৃতি উত্তৰ-পূৰ্বাঞ্চলত সদৃশ ধৰণৰ। মংগোলইদ্ প্ৰজাতিৰ প্ৰধান বাৰটা ঠালৰ ভিতৰত অসমত আবহমান কালৰে পৰা বসবাস কৰি অহা আদিম অধিবাসী তিৱাসকলো অন্যতম। সদ্যহতে কিছুৱে অসমীয়া ভাষাকে মাতৃভাষাৰূপে গ্ৰহণ কৰা অথচ নিজা মাতৃভাষা তিৱাকো মৰ্যাদাৰ স্থানত বহুৱাবলৈ তৎপৰ তিৱা বা লালুং জনজাতি বড়োমূলজ। তিৱাসকলৰ মাতৃভাষা বড়ো ভাষাৰ লগত ৰূপতাত্ত্বিক দিশত কিছু মিল থাকিলেও সৰ্বসাধাৰণে ভবাৰ দৰে বড়ো-কছাৰী ভাষাৰ অপভ্ৰংশ মাথোন নহয়। তিৱা ভাষাৰ সুকীয়া ভাষাতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য বিদ্যমান। এই তিৱা লোকসকলৰ উৎপত্তি আৰু প্ৰব্ৰজনৰ বিষয়ে প্ৰাপ্ত তথ্যৰাজিৰ ব্যাখ্যা আৰু বিশ্লেষণ আগবঢ়োৱা হৈছে পৰৱৰ্তী আলোচনাত।

তিৱা সমাজত প্ৰচলিত অন্য এক জনশ্ৰুতি মতে, তেওঁলোকৰ 'লালুং' নামটো অৰ্বাচীন আৰু এই আখ্যা কাৰ্বি ভাইসকলেহে দিয়া। তিৱাসকলে তেওঁলোকৰ জ্ঞাতিভাই বৰাহী বড়োসকলৰ তাড়নাত জয়ন্তালৈ প্ৰব্ৰজন কৰে। তাত গৈ তিৱাসকল জয়ন্তাসকলৰ মাতৃপ্ৰাধান্যতাৰ কবলত পৰে। এবাৰ জেলা নিৰ্বাচনক কেন্দ্ৰ কৰি তিৱাসকলৰ মাজত মতানৈক্য আৰম্ভ হয়। এজনৰ মতে, হেলাৰ পোহে জেলা হ'ব, এওঁলোক পিতৃপ্ৰাধান্যৰ দাবীদাৰ। আনহাতে দ্বিতীয় দলৰ হাড়ী কুঁৱৰীৰ পোহে জেলা হ'ব। এওঁলোক মাতৃপ্ৰাধান্যতাৰ দাবীদাৰ। তিৱাসকলৰ মাজত জয়ন্তা ৰজাৰ দুজন মন্ত্ৰী আছিল। এজনৰ নাম হোৰা আৰু আনজনৰ নাম টঙৰা। দুয়ো দুটা দলৰ, দুটা মতৰ সমৰ্থক। জেলা নিৰ্বাচনৰ বাবে ব্যৱহাৰ কৰা খেলাখন দুয়োজন মন্ত্ৰীৰ মতানৈক্যাই যুদ্ধৰ খেলালৈ পৰ্যবসিত কৰিলে। অবাবতে ধন-জন হানি হোৱাতকৈ এই কাজিয়াৰ মীমাংসা দ্বন্দ্বযুদ্ধৰ দ্বাৰা মীমাংসা হওক বুলি দুয়ো ঢাল-তৰোৱাল লৈ নিজৰ বিক্ৰম প্ৰকাশৰ বাবে সাজু হ'ল। দুয়োৱে তেওঁলোকৰ সমৰ্থকসকলৰ সন্মুখত বীৰ-বিক্ৰমেৰে যুঁজ কৰিবলৈ ল'লে আৰু ভালেমান সময় যুঁজ কৰাৰ পাছত এবাৰ হোৰা মন্ত্ৰীৰ তৰোৱালৰ আঘাতত টঙৰা মন্ত্ৰীৰ মূৰ ছিগি মাটিত পৰিল। হোৰা মন্ত্ৰীয়ে সখীয়েক টঙৰাৰ মূৰটো বুকুতে সাবটি 'মই সখীক মাৰিলো ঔ—মই মহাপাপী' বুলি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। এনে ঘটনাত টঙৰা মন্ত্ৰীৰ সমৰ্থকসকলে বিচাৰথলী ত্যাগ কৰি ঘৰলৈ ঢাপলি মেলে। হাতত বয়বস্তু যিহকে পালে তাকে লৈ ল'ৰা-তিৰোতাৰ সৈতে জয়ন্তা ৰাজ্যৰ পৰা ভৈয়ামলৈ নামি আহিল। হোৰা মন্ত্ৰী আৰু তেওঁৰ দল, পাতৰ প্ৰমুখ্যে বিষয়াসকলে তেওঁলোকৰ পিছে পিছে আহি অনেক কাবৌ-কোকালি কৰি তেওঁলোকক উলটি যাবলৈ খটবান্ধ দি ধৰিলে। কিন্তু তেওঁলোকে ওলোটাই নিবলৈ সমৰ্থ নহ'ল। বৰ্তমান 'নংপো'

নামেৰে ঠাইখনৰ কিছু দক্ষিণ-পূবত 'তিৱা জংথং' নামৰ এডোখৰ ঠাইত টঙৰা মন্ত্ৰীৰ প্ৰজাসকলে তেওঁলোকৰ জ্ঞাতিভাইসকলৰ পৰা বিচ্ছিন্ন হোৱাৰ চিনস্বৰূপে আৰু জয়ন্তালৈ ঘূৰি নোযোৱাৰ সাক্ষীৰূপে কোমোৰা কাটি শপত খালে। লগতে 'তিৱা জংথং' অৰ্থাৎ 'তিৱাসকলৰ শেষসীমা'—নামকৰণ কৰি জয়ন্তাৰ ভাই-ভাতৃসকলৰ লগৰ পৰা কাললৈ বিচ্ছেদ হ'ল কোমোৰা জীৰৰ প্ৰতীক। কোমোৰা কাটি শপত খোৱা বাবে তিৱাসকলৰ বহুলোকে কোমোৰা নাখায়। আনকি পুৰণি বৃদ্ধ এচামে কোমোৰা বগোৱা চাঙৰ তললৈকো নাযায় আৰু কোমোৰা বগোৱা ঘৰত নোসোমায়। টঙৰা মন্ত্ৰীৰ সমৰ্থকসকল পিতৃপ্ৰাধান্যৰ দ্বাৰা প্ৰভাৱিত হ'লেও অনেক কালজুৰি মাতৃপ্ৰাধান্যৰ প্ৰভাৱেৰে প্ৰভাৱিত হোৱা বাবে লালুং সমাজত মহিলাসকলৰ স্থান ওপৰত। মাতৃস্থানীয় বুলি সন্মান প্ৰদৰ্শন কৰে। ভৈয়ামৰ তিৱাসকল আধুনিক শিক্ষা-দীক্ষাৰে শিক্ষিত হোৱাৰ লগে লগে পিতৃপ্ৰধান আৰ্য জাতিৰ সংস্ৰৱলৈ আহি পুৰুষৰ দাবী সাব্যস্ত কৰাত আগভাগ লৈছে। তথাপি বৰঘৰৰ ঘৰদেউ থুনাখুঁটা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁলোক যে মাতৃপ্ৰাধান্যৰ দ্বাৰা প্ৰভাৱিত, সেই সত্য ওলাই পৰে।

জয়ন্তা পাৰ হৈ আহি তেওঁলোকে বাটতে এখন খৰস্ৰোতা নদী পায়। নদী পাৰ হ'বলৈ চেষ্টা কৰোতে তেওঁলোকৰ বহুতকে কোবাল নদীৰ সোঁতে উটুৱাই নিলে। নদীৰ তীৰৱৰ্তী অঞ্চলত কাৰ্বি লোকসকলৰ বসতি আছিল। নদীৰ সোঁতে উটুৱাই নিয়া তিৱাসকলক অনেক প্ৰবন্ধে পানীৰ পৰা তুলি আনিলে। কিন্তু তিৱা ভাষা নুবুজাৰ ফলত তেওঁলোকক 'লাং-লুং' মনিত্ আখ্যা দিলে। তেতিয়াৰ পৰাই এই তিৱাসকল 'লালুংমনিত'ৰ পৰা সংক্ষেপেৰে লালুংৰূপে জনাজাত হ'ল বুলি জনশ্ৰুতি প্ৰচলিত। খৈৰাম আৰু মিলিম নামৰ দুখন লালুঙৰ সৰু ৰাজ্য এতিয়াও জয়ন্তাত বিদ্যমান। সেই দুয়োখন ৰাজ্যতে তিৱা ওৰফে লালুং লোকৰ বসতি। সেই ঠাইৰ পৰা নামি আহি তিৱাসকলে পাহাৰৰ দাঁতি-কাষৰ অঞ্চলত কেইবাখনো সৰু-বৰ ৰাজ্য পাতে যদিও জয়ন্তা ৰজাকহে তেওঁলোকে মানি চলে। লালুংসকলে আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনতহে আহোমৰ (আছম্‌ৰাজা) শাসনৰ বিষয়ে জানিবলৈ পায়। তিৱাসকলে জয়ন্তা ৰজাকহে নিজৰ প্ৰধান গোষ্ঠীয় ৰজা বুলি মানে। লগতে দাঁতিয়লীয়া, হাজোৱালি আৰু ভৈয়ামৰো বহুতো তিৱা লোকক তেওঁলোকৰ আদি বাসস্থান ক'ত বুলি প্ৰশ্ন কৰিলে পোনছাটেই জয়ন্তাৰ নামটোহে উচ্চাৰণ কৰে।

এসময়ৰ ধেমাজি জিলা লালুং সন্মিলনৰ সাধাৰণ সম্পাদক শ্ৰীলংকেশ্বৰ কোঁচ কাকতিদেৱে 'ধেমাজি জিলা তিৱা (লালুং) জনজাতিৰ পৰিচয়' শীৰ্ষক এখন পুস্তিকা লিখি প্ৰকাশ কৰে। উক্ত পুস্তিকাখনত পোৱা কিছু তথ্য মতে তিৱাসকলৰ আদি বাসভূমি আছিল তিব্বত মালভূমি। তিৱাসকলৰ পূৰ্বপুৰুষসকলে দলে দলে অসমৰ উত্তৰ-পূব কোণেদি ভৈয়ামলৈ নামি শদিয়া আৰু ধেমাজি অঞ্চলত বসবাস কৰে। এই লোকসকলক একগোট কৰি দুজন পৰাক্ৰমী ভাই-ককায়ে খোলা নামেৰে এখন ৰাজ্য পাতি শাসন কৰে। ধেমাজিৰ বয়োবৃদ্ধ লোকসকলৰ মুখত শুনা মতে, এই ৰাজ্যৰ চাৰিসীমা আছিল এনেধৰণৰ—পূবে কাপোৰ ধোৱা নদী আৰু ওভোতা শিমলু, উত্তৰে আবৰ পৰ্বত, পশ্চিমে লঠিয়া আৰু সোৱণশিৰি আৰু দক্ষিণে কঢ়া নদী। ওভোতা শিমলু বৰ্তমানৰ বঙালমাৰী গাঁও। এই তিৱা ৰাজ্যৰ ৰজাৰ লগত ডফলা আৰু আবৰসকলৰ মনোমালিন্য আছিল। ডফলা আৰু আবৰসকলে ছেগ বুজি খোলা ৰাজ্যৰ ওপৰত সঘনাই আক্ৰমণ চলাই ৰাজ্যখন জুৰুলা কৰিছিল। কেইবাবাৰো যুঁজত হাৰি তিৱা ৰজাই আবৰসকলৰ লগত মিত্ৰতা কৰিছিল যদিও বিজয়ী আবৰসকলে তিৱা ৰাজ্যত সোমাই

সা-সম্পত্তি কাঢ়ি ল'ৰা-তিৰোতাক বন্দী-বেটীৰূপে ধৰি লৈ গ'ল। এনে বিপৰ্যয়ত তিৱা মুখিয়াল লোক কিছুমানে আলোচনা কৰি ধন-সম্পত্তি লগত লৈ সোৱণশিৰি নদীয়েদি লুইত হৈ ভটিয়াই যায় আৰু দৰং জিলাৰ লগতে নগাঁও জিলাৰ কিছু অংশত বসতি কৰিবলৈ লয় আৰু তাতে এখন নতুন ৰাজ্য স্থাপন কৰে। এই ৰাজ্যখনৰ নাম ৰাখে খাৰী বা হিলালী ৰাজ্য। কালক্ৰমত হিলালী এখন লেখতল'বলগীয়া ৰাজ্য হৈ উঠে। হিলালী ৰজাই লুইতৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰতে ৰাজ্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। তিৱাসকলৰ ঐশ্বৰ্য-বিভূতি দেখি ওচৰৰ ৰাজ্যকেইখনৰ ঈৰ্ষা জাগিল। তেওঁলোকে একগোট হৈ হিলালী ৰাজ্যৰ ওপৰত আক্ৰমণ চলায়। কেইবাবাৰো আক্ৰমণ প্ৰতিহত কৰিলেও হিলালী ৰাজ্যৰ পতন অৱশ্যম্ভাৱী হৈ উঠিল। শত্ৰুৰাজ্যৰ সঘন আক্ৰমণত তেওঁলোক দুৰ্বল হৈ পৰিল আৰু সময় থাকোতেই লুইতৰ উত্তৰ পাৰৰ হিলালী ৰাজ্যৰ প্ৰজাসকলে প্ৰাণৰ ভয়ত লুইত পাৰ হৈ দক্ষিণ পাৰলৈ পলাবলৈ ধৰিলে। তেওঁলোকে গৈ নগাঁও, মিকিৰ পাহাৰ আদি ঠাইত আশ্ৰয় ল'লৈগে। যিসকল তিৱাই 'থান এৰিলে মান এৰিব লাগে' বুলি ভাবি ৰাজ্য ত্যাগ নকৰি ভাগ্যকে ধিয়াই থাকিল, তেওঁলোকে আবৰ আৰু ডফলাসকলৰ বশ্যতা স্বীকাৰ কৰি মিলা-প্ৰীতিৰে বসবাস কৰি থাকিল। পিছলৈ তেওঁলোকৰ পূৰ্বৰ শদিয়াৰ ওচৰৰ খোলা ৰাজ্য আৰু পাছৰ হিলালী ৰাজ্যৰ স্মৃতিকণৰ বাহিৰে নিজা বুলিবলৈ একো নাথাকিল। তিৱাসকলৰ আদি বাসস্থান যে তিব্বত মালভূমি আছিল, লগতে শদিয়া চিচি বৰখেল, ধেমাজি, হেলেম আদি অঞ্চলত এতিয়াও বসবাস কৰি থকা গাঁৱৰ অৱস্থিতিয়ে সেই কথাৰ সাক্ষী দিয়ে। এসময়ত তেওঁলোকৰ যে ৰাজ্য আছিল, তাৰো সাক্ষী বহন কৰিছে। বৃদ্ধসকলৰ মতে, পিছলৈ খাৰী বা হিলালী ৰাজ্যৰ সীমা ঠেক হৈ এখন ক্ষুদ্ৰ ৰাজ্যলৈ পৰ্যবসিত হয়। পিছলৈ এই ৰাজ্যৰ সীমা নিৰ্ধাৰিত হয় এনেদৰে—উত্তৰে আবৰ পৰ্বত, পুবে কাপোৰ ধোৱা নদী, দক্ষিণে হাতীগড় আৰু পশ্চিমে বৰদলনি বাঁহকটীয়া গাঁও। লালুংসকলৰ লা-লি হিলালী গীতৰ তাৎপৰ্যও পূৰ্বৰ হিলালী ৰাজ্যৰ স্মৃতিচাৰণ বুলি ক'ব খোজে।[৩]

লা-লি-হিলালী গীতত তিৱা জনজাতি ঃ

তিৱাসমাজৰ মাজত বিভিন্ন বতৰৰ গীত-মাতৰ প্ৰচলন মন কৰিবলগীয়া। কৃষিকাৰ্যৰ লগত সংগতি ৰাখি সময়বিশেষে বিভিন্ন পূজা-উৎসৱ পালন কৰা হয়। ইয়াৰ লগে লগে উৎসৱসমূহৰ লগত খাপ খোৱাকৈ ৰচা নানা গীত-মাতৰ প্ৰচলন মন কৰিবলগীয়া। এনে পূজা-উৎসৱসমূহত গোৱা গীত-মাতসমূহৰ উপৰি স্বকীয় ঐতিহ্য বহনকাৰী গদালবৰীয়া গীত আৰু লা-লি-হিলালী গীতসমূহ অন্যতম। এসময়ত এই গীতবোৰ তিৱা ভাষাতো গোৱা হৈছিল যদিও আজিকালি এই গীতবোৰ অসমীয়া ভাষাতহে প্ৰচলন হোৱা দেখা গৈছে। সেয়েহে কিছুমান গীতৰ অৰ্থ দুৰ্জ্ঞেয়, কি অৰ্থ প্ৰকাশ কৰিছে ধৰিব পৰা নাযায়। লা-লি-হিলালী গীতৰ মাজতো তিৱা জনজাতিৰ প্ৰাচীন ৰাজ্যৰ নিৰ্দেশনা লুকাই আছে। লা-লি হিলালী গীতসমূহ অশৌচ, শ্ৰাদ্ধ অথবা ধান চপোৱাৰ সময়ত সাজপানী খাওঁতে বুঢ়া-মেথাসকলে মনৰ আনন্দত গাবলৈ লয়। আমি লা-লি হিলালী গীতসমূহৰ ওপৰত বিস্তৃতভাৱে অধ্যয়ন কৰিব পৰা নাই। সম্পূৰ্ণৰূপত সংগ্ৰহো কৰিব পৰা নাই। ইয়াৰ কাৰণ পুৰণিচাম বুঢ়া-মেথাসকলৰ বহুতেই ইহসংসাৰ এৰি যোৱাত এনে সামাজিক-সাংস্কৃতিক দিশত প্ৰচলিত অনেক প্ৰাচীন গীত-মাত হেৰাই গৈছে। তথাপি উদাহৰণস্বৰূপে তিৱাসকলৰ লা-লি হিলালী গীতৰ তিনিটা স্তৱক নিদৰ্শনৰূপে আগবঢ়োৱা হৈছে।

(১) লা-লি হিলালী লাই এ মোৰ গুৰু ঐ
লা-লি হিলালী লাই;
সাতোখন পথাৰত ঘূৰাই লৈ ফুৰালে
অজলা লালুঙক পাই।।
(২) লালুঙে গাইনো গ'ল লা-লি হিলালী
দেহানে গাই গ'ল পদ;
পদৰ মূৰতে কিৰিলি মাৰিলে
চাকৈ লালুঙনীৰ মদ।।
(৩) মদৰ নাম আলাই মদৰ নাম জালাই
পানী দিলে ভৰ্ ভৰ্ ওলায়;
ধৰাবুৰী মদকে চাক তিনিবেলি
মদেনো লাগিবৰ ডৰায়।।

তিৱা গীতৰ ওজাসকলে, বিশেষকৈ ভৈয়ামত বসবাস কৰা ওজাসকলে কয় যে লেওতিৰ উত্তৰ পাৰে অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে লালুংসকলৰ হিলালী নামেৰে এখন ৰাজ্য আছিল। হিলালী ৰাজ্যৰ ঐশ্বৰ্য-বিভূতি সেইকালত আন ৰাজ্যৰ লোকসকলৰ ঈৰ্ষাৰ কাৰণ হৈ পৰিছিল। ৰাজ্যৰ ৰজা-প্ৰজাৰ সুখৰ সীমা নাছিল। কিন্তু কালৰ কুটিল গতিত সেই সুখ বেছিদিনলৈ নিটিকিল। শত্ৰুৰ আক্ৰমণত হিলালী ৰাজ্যৰ লালুংসকলৰ না-থল না-জল অৱস্থা হ'ল। তেওঁলোকে ৰাজ্য এৰি পৰ্বতে-কন্দৰে ঘূৰি ফুৰিব লগা হ'ল। 'থান এৰিলে মানে এৰা'ৰ দৰে লালুংসকলৰো একে দশা হ'ল। ঠাৰি ছিঙা বেঙেনাৰ দৰে য'তে-ত'তে পৰি থাকিব লগা হ'ল। সেয়েহে পুৰণি হিলালী ৰাজ্যৰ কথা মনত পেলাই বুঢ়া-মেথাসকলে বিননিৰ সুৰেৰে গীত গায় আৰু সেই দিনত পোৱা সুখ-ভোগৰ প্ৰশংসাত গীতৰ ৰাউচি জোৰে।। লালুঙক সাতোখন ৰাজ্যত ঘূৰাই লৈ ফুৰাৰ তাৎপৰ্য এয়াই। ইয়াৰ লগতে জড়িত হৈ আছে সাহসী লালুঙনীয়ে উৎকৃষ্ট লাওপানী খুৱাই ভালেমান শত্ৰুক নিধন কৰাৰ ঘটনা।

হিলালী ৰাজ্যৰ অৱস্থান বৰ্তমানৰ হেলেম বুলি ক'বৰ থল আছে। কাৰণ হেলেমৰ আশে- পাশে কেইবাখনো তিৱা গাঁৱৰ অৱস্থিতি আমাৰ অনুসন্ধানত পোৱা আমাৰ মনত পৰে। এই লা-লি হিলালী গীতসমূহ ৰাজ্য ত্যাগ কৰাৰ পাছত ৰচিত গীত বুলি ক'ব পৰা যায়। এই গীতসমূহো লুইতৰ দক্ষিণ পাৰলৈ ভাগি অহা তিৱাসকলৰ দ্বাৰা ৰচিত বুলি ক'ব পাৰি। এইবোৰ মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহাত আৰু সংৰক্ষণৰ অভাৱত এই গীত হেৰাই যাবলৈ লৈছে।

'ৱানঝুৰা' গীতত তিৱা জনজাতি ঃ

তিৱাসকলৰ চামাদি বা ডেকাচাঙত পতা ৱানঝুৰা বা পিঠাগুড়ি খুন্দা উৎসৱ অন্য এক লেখতল'বলগীয়া অনুষ্ঠান। এই উৎসৱ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পালন কৰা হয়। এই পূজা-উৎসৱতেই চামাদিত ডেকা তোলা কামখিনি সম্পন্ন কৰা হয় আৰু ওচৰৰ বিভিন্ন গাঁৱৰ ডেকাসকলক পিঠাগুড়ি খুন্দা উৎসৱত সহযোগ কৰিবলৈ আহবান জনোৱা হয়। এই পূজা উৎসৱতো তিৱাসকলৰ অতীত-ইতিহাসৰ বিৱৰণ পোৱা যায়। এই পূজা-উৎসৱ আৰম্ভণিতে চাংপাতৰ গৰাকী মিন্দাইফা মহাদেউৰ স্তুতিগীতৰে গোৱা হয়। লগতে কৃষিকাৰ্যৰ প্ৰধান দেৱতাৰূপে জলৰ, থলৰ গৰাকী চাৰিভাই চাৰিকৰা

দেৱতাক স্তুতিগীতেৰে পূজা কৰা হয়। এই আৰাধনা গীতৰ কিয়দংশ ইয়াত তুলি দিয়া হৈছে আৰু তাৰ অৰ্থ লগতে সংশ্লিষ্ট বিষয়ৰ ব্যাখ্যাও আগবঢ়োৱা হৈছে—

চাৰিভাই লাম্ফাৰাজানেম্ কাৰাজাৎ
ছিঙে কুৰুণে তখ্ৰা মিঠ্লাজাং
ছিঙে লোক বাৰেণা, ফৰ্জা বাৰেণা
চা বাৰেণা, চাজ' বাৰেণা
ছিঙে কুৰুণে খাম্লি মিঠ্লাজাং
ছিঙে ৰাজা পাথো' জলম্?
মখলাই থল'। খৰঁৰী পাথো জলম?
মিৰিতেশ। পাথো জলম? ইত্যাদি।

ওপৰৰ গীতত—'ছিঙে ৰাজা পাথো জলম্' অৰ্থাৎ আমাৰ ৰজাৰ ক'ত জন্ম? এই প্ৰশ্নাৰ্থক গীতৰ উত্তৰ হিচাপে 'মখলাই থ'ল' বুলি উল্লেখ কৰিছে। কাৰ্বি আংলং জিলাৰ একেবাৰে দক্ষিণ অংশত মৰামুজি পাহাৰৰ সিপাৰে তিনিটা ওখ ওখ পাহাৰেৰে আগুৰা এডোখৰ বহল ঠাইৰ কথাৰ নিৰ্দেশ দিছে। জয়ন্তা, গোভা আৰু ডুমুৰীয়া ৰজা, এই তিনিজন ভাই-ককাইৰ এই থিন্মখলং ওৰফে থিন্ মাখা আৰু কোনো কোনোৱে মখ্লাই থ'ল বুলি কয়। জয়ন্তা ৰজাই ভায়েক দুজনক তাতে বসবাস কৰিবলৈ দি পাহাৰত ৰাজ্য পাতি থাকিলগৈ। বাকী দুজন ভায়েকো ভৈয়ামলৈ নামি আহিল। নিচেই সৰু ভায়েকে কপিলী আৰু কিলিং নৈৰ মাজৰ অঞ্চলটোকে সুচল বুলি ভাবি তাতে বাস কৰাৰ ব্যৱস্থা কৰিলে। কন্দৰৰ লেখীয়া অনেক ঠাই দেখি ঠাইখনৰ নাম থলে 'কুবা'। পাছলৈ গোভা হ'ল আৰু ৰাজ্যখনৰ নামো হ'ল গোভা। মাজু ভায়েকে গোভাৰ পৰা আৰু পশ্চিমলৈ গৈ এজোপা ডাঙৰ ডিমৰু গছৰ তলত উপস্থিত হ'ল। বসবাসৰ উপযোগী হেন ভাবি তাতেই বসবাস কৰি থাকিল। ডিমৰু গছৰ আশ্ৰয় লৈয়ে ৰাজ্য পাতি লোৱা হেতু ৰাজ্যৰ নাম দিলে ডুমুৰা। জয়ন্তা, ডুমুৰা আৰু গোভা ৰজা তিনিও ভাই-ককায়ে তিনিখন ৰাজ্যত শাসন কৰি থাকিলেও প্ৰত্যেকৰে মাজত ভাতৃ সম্বন্ধ বৰ্তি থাকিল আৰু আহ-যাহ চলি থাকিল। সেয়েহে লালুংসকলৰ ৰজা জনম্ মখ্লাই থল বা থিনমখলং বুলি উল্লেখ কৰিছে।

দ্বিতীয়তে, 'খৰঁৰী পাথো জলম্' বুলি কৰা প্ৰশ্ন অৰ্থাৎ আমাৰ কুঁৱৰীৰ জনম ক'ত বুলি কৰা প্ৰশ্নৰ উত্তৰত 'মিৰি তেশ' বুলি কৈছে। মিৰি বা মিচিংসকলৰ আৱাসভূমি লক্ষীমপুৰ জিলা। মিচিংসকলৰ প্ৰধান আৱাসভূমি সোৱণশিৰি নদীৰ দুয়োপাৰে, লগতে ব্ৰহ্মপুত্ৰৰ উত্তৰাঞ্চল। লালুংসকলৰ কুঁৱৰীৰ জন্ম মিচিংসকলৰ আৱাসভূমি, অৰ্থাৎ 'মিৰিতেশ' বুলি কোৱাৰ লগে লগে অনুমান কৰা যায় যে এসময়ত লুইতৰ উত্তৰে আজিৰ উত্তৰ লক্ষীমপুৰ আৰু দৰং জিলাৰ একাংশত আৰু ধেমাজি জিলাৰ উত্তৰে কোনোবা ঠাইত তিৱাসকলৰ ৰাজ্য আছিল। ধেমাজি জিলাত, ধেমাজি নগৰখনৰ উত্তৰে চিচিবৰখেল, বিষ্ণুপুৰ-বালিগাঁও, কপাহতলি, কঁঠালগুৰি, নগাঁও, খজুৱা, বালিগাঁও আৰু বৰুৱা লালুংগাঁও—এই আঠখন গাঁও একেলেথাৰিয়ে পোৱা যায়। ঠিক সেইদৰে ধেমাজি নগৰৰ বুকুতে আছে টঙনাপাৰা গাঁও, কিঞ্চিৎ পশ্চিমত নলনিপাম, ভড়ালীচুক, বৰদলনি, মাইচা, চোমনি, কোঁৱৰগাঁও আৰু দিহিৰি—এই আঠখন গাঁও পশ্চিম দৰং জিলাৰ ফাললৈ আছে। ইয়াৰ উপৰি দৰং জিলাৰ হেলেমৰ

আশে-পাশে, গমিৰিঘাটৰ ওচৰে-পাঁজৰে ছয়-সাতখনমান তিৱা গাঁও থকাৰ কথা জনা যায়। গতিকে এসময়ত তিৱাসকল যে লুইতৰ উত্তৰ পাৰে বসবাস কৰিছিল, সেই কথাৰ নিশ্চিত সাক্ষী দিয়ে। আনহাতে গীতত উল্লেখ কৰা—'চিঙে চাবাৰেণা, চাজ' বাৰেণা; লোক বাৰেণা ফৰজা বাৰেণা'—এই অংশই আমাক বেদত কৰা দেৱতা স্তুতিলৈ মনত পেলাই দিয়ে। এই স্তৱকটোত ল'ৰা-ছোৱালী বৃদ্ধিৰ লগতে মানুহ-দুনুহ বৃদ্ধি হ'বলৈ দেৱতাক স্তুতি কৰিছে। সেইকালত অটব্য জংঘল, হিংস্র জীৱ-জন্তু, নানা অচিন বেমাৰত মানুহৰ মৃত্যু হৈ জনসংখ্যা কমিছিল। হিংস্র জীৱ-জন্তুৰ পৰা হাত সাৰিবলৈ, জীৱিকাৰ বাবে জীৱ-জন্তু চিকাৰ কৰিবলৈ, ওচৰে-পাঁজৰে থকা অন্যান্য শক্তিশালী গোষ্ঠীৰ পৰা নিজক ৰক্ষা কৰিবলৈ তেওঁলোকে জনসংখ্যা বৃদ্ধিৰ প্ৰয়োজন অনুভৱ কৰিছিল। সেয়েহে ল'ৰা-ছোৱালী, মানুহ-দুনুহ বেছি হ'লে আনন্দ পাইছিল আৰু জনসংখ্যা বৃদ্ধি হ'বলৈ দেৱতাক তুতি-মিনতি কৰি চৰাই-গাহৰি উছৰ্গা কৰিছিল। উক্ত গীতৰ আধাৰতো বিশ্বাস কৰাৰ থল আছে যে তিৱাসকল এসময়ত লুইতৰ উত্তৰে বসবাস কৰিছিল। তেওঁলোকে প্ৰকাশ কৰা তথ্যাদিৰ মতেও লুইতৰ উত্তৰে তেওঁলোকৰ এখন সমৃদ্ধিশালী ৰাজ্য থকা তথ্যটোত কিছু সত্যতা আছে। তেওঁলোকে শক্তিশালী জাতিৰ আক্ৰমণ বা উপদ্ৰৱৰ বাবেই হওক অথবা জনসংখ্যা বৃদ্ধিৰ বাবেই হওক, বিভিন্ন সময়ত নগাঁও, কাৰ্বি আংলং, কামৰূপ আৰু জয়ন্তা ৰাজ্যলৈ প্ৰব্ৰজন কৰে।

• ওপৰত বৰ্ণনা কৰা জনশ্ৰুতি আৰু গীত-মাত আদিত তিৱা বা লালুং জনজাতি যে একালত লুইতৰ উত্তৰপাৰে বাস কৰিছিল, লগতে তিববতৰ ফালৰ পৰা প্ৰব্ৰজন কৰা বৃহৎ বড়ো পৰিয়ালৰ শাখা, সেই ধাৰণাকে দৃঢ় কৰে। আনহাতে 'তি ৱা' এই জাতিবাচক অভিধাটোৱে তেওঁলোকক নদীমাতৃক জাতি বুলি প্ৰকাশ কৰে। মূল অভিধাটো আছিল—'তিৱাইচা'; তি > পানী। ৱাই > মা আৰু চা > সন্তান। কালক্ৰমত Vowel Syncope পদ্ধতিৰে তিৱাইচা সংকুচিত হৈ 'তিৱা' হৈ পৰিল। তিৱা ভাষাত 'লেওতি' শব্দই দীঘল পানীভাগ বুজায়। তিৱা ভাষাৰ এই 'লেওতি' শব্দই যে কালক্ৰমত লুইত হোৱা নাই তাক কোনে ক'ব পাৰিব? তেনে হোৱাত বাধা নাই, বৰং সহজহে। সেই একেদৰে খাপাল্ লি> খপ্‌লি> কপিলীসদৃশ অৰ্থ প্ৰকাশক। বেবেজিয়া >বে বে জিয়া >সিহঁতে নাই; গ'ল— এনে অৰ্থত এখন গাঁও বুজাইছে। খাচিয়া ভাষাত কপিলীক কা-ব্লেই বোলে। কা-ব্লেইৰ অৰ্থ নৰমুণ্ড খাদিকা; তিৱাৰ 'খাপাল্ লি'ৰ অৰ্থও নৰমুণ্ড খাদিকা। তেতেলিয়া তি-তি-লিয়া, অৰ্থাৎ পানীয়েই পানী, নাযাবি। দমাল> তি-দি-মাল অৰ্থাৎ পানী-বোকাৰে ভৰপূৰ। মানিপৰ মাইনিফুৰ্ অৰ্থ হ'ল ধানৰ মেজিৰে ভৰা গাঁও— আদি মূলৰ পৰা ফালৰি কাটি কিঞ্চিৎ বেলেগ ৰূপত প্ৰকাশ পাইছে। কইহাটী বা গইহাটী > গুৱাহাটী (তামোল গছৰে ভৰা); খাপ্‌লাংকুঞ্চি>খাপ্‌লাংকুচি (খেৰেৰে পূৰ্ণ গাঁও); টপাকুঞ্চি> টপাকুছি (টপাগছেৰে পৰিপূৰ্ণ গাঁও) খ্লং বা ক্লং> কলং (কলকলাই বৈ থকা) আদি শব্দবোৰ তাৎপৰ্যপূৰ্ণ। লেওতি বা লুইত, খাপল্ লি বা কপিলী আৰু খ্লং বা কলং লগতে চনাই বা সোণাই নদীৰ লগত তিৱাসকলৰ বৰ গাঢ় সম্বন্ধ আছিল আৰু আছে। সেই একেদৰে নিজকে নদীমাতৃক বুলি গৌৰৱ কৰা তিৱাসকলৰ লুইতৰ লগত চিনাকি অনাদিকালৰে পৰা বুলি ভবাৰ থল আছে।

ইতিহাস ৰচনাপ্ৰণেতাসকলৰ লিখনিত তিৱা বা লালুংসকলৰ ওপৰত কৰা মন্তব্যসমূহ পাৰ্যমানে আমাৰ আলোচনাত চয়ন কৰাৰ চেষ্টা কৰা হৈছে। এই কথাও সঁচা যে প্ৰাচীন কামৰূপ বা প্ৰাগ্‌জ্যোতিষ আৰু আজিৰ অসমৰ জনজাতীয় ৰজাসকলৰ কোনো লিখিত বুৰঞ্জী নাই। কেৱল আহোমসকলেহে

বুৰঞ্জী প্ৰণয়ন কৰা ব্যৱস্থাটো পালন কৰি আহিছিল। গতিকে আহোম ৰজাৰ নিৰ্দেশত ৰচনা কৰা বুৰঞ্জীসমূহ আৰু পিছলৈ দেশী-বিদেশী পৰ্যটকৰ লগতে অনুসন্ধানকাৰীৰ টোকাত পোৱা সীমিত তথ্যৰাজিয়েই একমাত্ৰ সম্বল। যোগাযোগবিহীন দুৰ্গম ঠাইবিলাকত অৱহেলিত হৈ পৰি থকা পুৰণি কীৰ্তিচিহ্নসমূহ, শিলালিপিসমূহ সংগ্ৰহ কৰিব নোৱাৰা (মায়াং পাহাৰত সৰু-ডাঙৰ চাৰিখন শিলালিপি আছে) লগতে কিছু কিছু জনজাতীয় ৰাজফৈদে হিন্দুধৰ্মৰ গণ্ডীৰ মাজত সোমাই পৰা বাবে সিবিলাকৰ সাঁচিপতীয়া বংশাৱলী, নথিপত্ৰ আদি হস্তান্তৰ নকৰা অথবা চাবলৈ নিদিয়া আদি বিভিন্ন কাৰণত প্ৰাচীন অসমৰ ভালেমান ৰাজনৈতিক তথ্য পোহৰলৈ অহা নাই। আমাৰ অনুসন্ধানত ১৯৭১-৭২ চনত সাতোৰজীয়াসকলৰ ভিতৰত, বিশেষকৈ বঘৰা ৰাজপৰিয়ালত বাদে অন্য সকলো ৰজাৰে একোখনকৈ সাঁচিপতীয়া বংশপৰিচয়াত্মক পুথি আছিল। কিন্তু পিছলৈ সেই পুথিৰ গৰাকীসকলে—পুথিসমূহ জুয়ে পোৱা, বানপানীয়ে নষ্ট কৰা, আন ক'ৰবাত থকা আদি নানাটা অজুহাত দেখুৱাই প্ৰকৃত তথ্য পোৱাৰ পৰা বঞ্চিত কৰিছে। ১৯৮৪ চনত তেনে এখন সাঁচিপতীয়া বংশপৰিচয়াত্মক পুথি আমাৰ দেখাৰ সৌভাগ্য ঘটিলেও তাত থকা তথ্যৰাজি চাবলৈ সুযোগ নহ'ল। যিখন পুথি আগতে নাই বুলিয়েই কোৱা হৈছিল, পিছে মৰিগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, মুক্তিযোদ্ধা শ্ৰীযুত সুচেন্দ্ৰনাথ ডেকা ডাঙৰীয়াই তেখেতসকলৰ শুখ্‌নাগোগ ৰাজাফৈদৰ বংশপৰিচয়াত্মক সাঁচিপতীয়া পুথিখন লুক-ঢাক নকৰাকৈ চাবলৈ দিছিল। সেই পুথিখন তেখেতে মৰিগাঁৱত অনুষ্ঠিত হোৱা অসম নাট্য সমাৰোহত প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য মহোদয়কো তেতিয়াই দেখুৱাইছিল। সাতোৰজীয়াসকলৰ এনে বংশপৰিচয়াত্মক পুথিসমূহ চাই পদ্যবন্ধেৰে সংক্ষিপ্ত আকাৰত প্ৰকাশ কৰা স্বৰ্গীয় লক্ষ্মীসিংহ ডেকাদেৱৰ 'মণিকোঁৱৰ আখ্যান'খনেই একমাত্ৰ সম্বল আৰু প্ৰামাণ্য পুথি। এই পুথিত দমাল, মায়ং, দন্দুৱা, বাঘজাপ, পাভকাটি, ৰাণী, গোভা, খোলা আদি দাঁতিয়লীয়া ৰাজ্যৰ বিৱৰণীও সংক্ষিপ্তৰূপত প্ৰকাশ কৰা হৈছে। লগতে চমুকৈ হ'লেও পাঁচোৰজীয়াৰ ৰাজ্য, ইবোৰৰ অওহী-বওহী কাকমাৰী, ৰাইদঙীয়া, কাছমাৰী, বৰকুলা, ফুলগুৰি আদিৰো বিৱৰণ আছে। লগতে ফুলগুৰিৰ আফুখেতিৰ বাবে হোৱা বিদ্ৰোহৰো বিৱৰণ সন্নিবিষ্ট হৈ আছে। অসমৰ লালুং বা তিৱাসকলৰ ওপৰত দেশী-বিদেশী লেখকসকলে আগবঢ়োৱা বক্তব্য অনুক্ৰমে সন্নিৱিষ্ট কৰা হৈছে।

বুৰঞ্জীমূলক তথ্যাদি ঃ

(ক) স্বৰ্গদেৱ জয়ধ্বজ সিংহদেৱে কোঁচৰাজ্য প্ৰাণনাৰায়ণলৈ দিয়া চিঠিৰ শেষ অংশত লালুংসকলৰ বিষয়ে উল্লেখ কৰিছে। এই লালুং শব্দই লালুংসকলৰ বসতিপ্ৰধান এলেকা বা ৰাজ্যৰ বিষয়েই আঙুলিয়াইছে বুলি ধাৰণা হয়। চিঠিৰ সেই অংশ এনেধৰণৰ—'শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰায়ণদেৱ মহাৰাজা গজসম্ভৱ ৰাজাধিৰাজ আছিল। পূৰ্বে খেড়, পশ্চিমে গৌড়, দক্ষিণে ৰুখাংগ আৰু উত্তৰে লালুং যাবৎ তাবৎ ৰাজধিৰাজ আছিল।'

উক্ত তথ্যই এই কথাৰ নিৰ্দেশনা দিয়ে যে আহোমৰাজ স্বৰ্গদেৱ জয়ধ্বজ সিংহদেৱৰ ৰাজ্যৰ বিস্তৃতি উপৰিউক্ত ধৰণেৰে আছিল। পূব দিশত থকা খেড় ৰাজ্যই খেহ দেশক বুজাইছে। এই খেহ দেশ আজিকালিৰ চীন দেশ। পশ্চিমে গৌড় ৰাজ্যই বংগদেশৰ সূচনা দিছে। দক্ষিণে ৰুখাংগ ৰাজ্যই নগাসকলৰ ৰাজ্যৰ নিৰ্দেশনা আবঢ়াইছে। লগতে উত্তৰে 'লালুং যাবৎ তাবৎ' কথাখিনিয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰে লালুংসকলৰ ৰাজ্য বা তেওঁলোকৰ বসতিৰ বিষয়ে আঙুলিয়াইছে। কামৰূপৰ বুৰঞ্জীৰ এই তথ্যই ধেমাজিৰ লেখক

শ্ৰীলংকেশ্বৰ কোঁচ কাকতিয়ে আগবঢ়োৱা তথ্য আৰু 'লালি-হিলালী গীত' লগতে 'ৰানঝুৰা' গীতৰ তথ্যৰাজিৰ সত্যতাৰ বিষয়ে দৃঢ় মতপোষণ কৰে।

(খ) আসাম বুৰঞ্জীত তিৱা লোকসকলক অসমৰ আদিবাসী অনাৰ্য লোক বুলি কোৱা হৈছে। 'এই দেশৰ লোকসকলক প্ৰধানকৈ তিনি শ্ৰেণীত ভগাব পাৰি। প্ৰথম আৰ্য অৰ্থাৎ যি আৰ্যাৱৰ্ত বা ভাটিৰ ফালৰ পৰা আহি বাস কৰিছে, যাৰ ভাষা সংস্কৃতিমূলজ। ইয়াৰ মাজত ব্ৰাহ্মণ, কলিতা, কেওট প্ৰভৃতি যিবিলাকে সংস্কৃতিমূলজ অসমীয়া ভাষা কয়, সেই সকলো পৰে। দ্বিতীয় অনাৰ্য অৰ্থাৎ যিসকল লোক আৰ্য সন্তান নহয়, যি এই দেশত আদিৰে পৰা বাস কৰি আছে বা পাছত দেশলৈ আহিছে আৰু যাৰ স্বতন্ত্ৰ ভাষা আছিল বা আছে, ইয়াৰ মাজত এই দেশৰ মিকিৰ, কছাৰী, লালুং, আহোম প্ৰভৃতি পৰে। তৃতীয় মিশ্ৰ জাতি অৰ্থাৎ আৰ্য আৰু অনাৰ্য জাতিৰ দ্বাৰা উৎপন্ন হোৱা জাতি। অধিকাংশ কোঁচ আৰু চুতীয়া প্ৰভৃতি জাতি ইয়াৰ অন্তৰ্গত।'[৫]

(গ) নগাঁও জিলা ছাত্ৰ ফেডাৰেছনৰ ৰহাত অনুষ্ঠিত হোৱা ১ম বাৰ্ষিক অধিৱেশনৰ কৃষিসভাৰ সভাপতিৰূপে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে যোগদান কৰিছিল। সেই অধিৱেশনত তেখেতে 'অসমীয়া কৃষ্টি' নামেৰে এটা লিখিত অভিভাষণ পাঠ কৰে। সেই অভিভাষণত তেখেতে তিৱা বা লালুংসকলৰ বিষয়ে এই বুলি লিখিছে যে 'দেউৰীসকলৰ তিনিটা খেলৰ ভিতৰত লুইতেদি ভটিয়াই যাওঁতে বাটত হেৰাই যোৱা পাটৰগঞা খেলটোৱেই লালুং নাম পায়।'[৬]

(ঘ) আহোম ভাষাত 'লালুং' শব্দই 'ভটিয়াই যোৱা ডাঙৰ দল' অৰ্থ কৰে বুলি প্ৰথিতযশা সাহিত্যিক ডঃ লীলা গগৈদেৱে প্ৰকাশ কৰিছে। সেই তথ্য মতে, বিশ্বাস কৰাৰ থল আছে যে আহোমসকলে অসমত পদাৰ্পণ কৰাৰ পাছত আহোম ৰাজশক্তিৰ সন্মুখত তিষ্ঠিব নোৱাৰি যিসকল লোক ভটিয়াই গৈছিল, সেইসকলকেই 'লালুং' আখ্যা দিয়া হয়। আহোমসকলে ১২২৮ খ্ৰীষ্টাব্দত পাটকাই পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। ড° গগৈদেৱৰ তথ্যই এই কথাৰ সাক্ষী দিয়ে যে আহোমসকলৰ বহু আগৰে পৰাই অসমত লালুংসকলে বসবাস কৰিছিল।

(ঙ) ১৮৮১ চনৰ অসম লোকগণনা ৰিপোৰ্টত ওৱডেল চাহাবে লালুংসকলক গাৰো আৰু কাৰ্বিসকলৰ লগত সামঞ্জস্য থকা পাহাৰীয়া জাতি বুলি উল্লেখ কৰিছে। তেওঁৰ তথ্য মতে—'The Lalungs got mixed up with the Garos and Mikirs, they have numerous exogamous clans'[৭]

(চ) Tribal History of Eastern India গ্ৰন্থত ডেল্টন চাহাবে লালুংসকলক চুতীয়া সম্প্ৰদায়ৰ পৰা ফাটি অহা এটা ঠাল বুলি উল্লেখ কৰিছে আৰু উজনি অসমৰ বাসিন্দা বুলি তথ্য আগবঢ়াইছে। এই চুতীয়া শব্দই তেনে সত্য এটাৰেই ইংগিত দিছে। চু বা জু শব্দই উচ্চ বা শ্ৰেষ্ঠ বুজায়। তিৱা শব্দই লালুংসকলক বুজাইছে। চু-তিৱা>চুতীয়া হৈ উচ্চ পাহাৰত বাস কৰা তিৱা অথবা 'শ্ৰেষ্ঠ তিৱা' এনে অৰ্থ প্ৰকাশ কৰিছে। সেইমৰ্মে তেওঁলোক একালত শদিয়া অঞ্চলত ৰাজ্য পাতি বাস কৰা উচ্চ খাপৰ তিৱা অৰ্থাৎ চুতীয়া প্ৰকাশ কৰাত কিছু সত্যতা থাকিব পাৰে। ডেল্টন চাহাবৰ মতে—'The Chutias were the dominant race in Uppar Assam when Ahoms swarmed into the valley. Their kingdom was over runned by the Ahom Chief Chutupha about A.D. 1350 and great number of the nation were deported and formed to settle in

other parts of Assam as in Chutiya of the Darrang District, but still, a great many of the Sadya and Upper Assam population are Chutiyas. The tribe Bihia are of the same family and as a tribe of Lalungs in upper Assam claim to be the Chutia decent, it is not unlikely that all the Lalungs are Chutias.'[৮]

(ছ) 'The Dimachas, the Eastern branch of the Bodos were dominant in Central Assam, It is very likely that the Lalungs, who were linguistically closely related to the Dimachas were also distributed in both sides of the Brahmaputra alongwith them. The tradition that, the Lalungs lived at Halem, and the Jongal Balahu was their hero may not entirely devoid of historical value.'[৯]

জনশ্ৰুতিসমূহৰ বৈজ্ঞানিক বিশ্লেষণ ঃ

ইতিহাস তথ্যৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগে। জনমানসত প্ৰত্যয় জন্মোৱাৰ দাবীদাৰ হোৱাটোও ইতিহাসৰ আৱশ্যক—তাৰ বাবে লিখিত তথ্যৰ প্ৰয়োজন। জনশ্ৰুতিসমূহক পোনপটীয়াকৈ ইতিহাসৰ শাৰীত ধৰা নাযায়। ইবোৰক Secondary Sourceৰ শাৰীত ধৰা হয়। বহু সময়ত জনশ্ৰুতিসমূহৰো গুৰুত্ব নুই কৰিব নোৱাৰি, যদিহে সিবোৰৰ লগত কোনো জাতিৰ সামাজিক-সাংস্কৃতিক পৰম্পৰাৰ ওতপ্ৰোত সম্বন্ধ থাকে। সি যি নহওক, অসমৰ তিৱা জনজাতিৰ উৎপত্তি সন্দৰ্ভত পোৱা তিনিটা জনশ্ৰুতিৰ লগতে 'গীত-মাতত লালুং জনজাতি' নামৰ দুটা তথ্যৰ ওপৰত বিশ্লেষণ কৰি আমি এনে সিদ্ধান্তত উপনীত হ'ব পাৰোঁ। যথা—

(১) প্ৰত্যেক জাতি বা সম্প্ৰদায়ে তেওঁলোকৰ উৎপত্তি সম্বন্ধে একো একোজন প্ৰতিষ্ঠিত দেৱতাৰ লগত সম্পৰ্ক ৰখাটো এক গৌৰৱৰ বিষয় বুলি ভাবে। পুৰাণসমূহতো ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠিত ৰাজবংশসমূহৰ উৎপত্তিৰ পাছত একো একোজন দেৱতাৰ কাহিনী জড়িত থকাটো তাৎপৰ্যপূৰ্ণ। সূৰ্যবংশ, চন্দ্ৰবংশ, ইন্দ্ৰবংশ আদি ইয়াৰ উদাহৰণ। ইন্দ্ৰৰ ঔৰসত অৰ্জুনৰ, সূৰ্যৰ ঔৰসত কৰ্ণৰ, বায়ুৰ ঔৰসত ভীমৰ জন্মই একো একোজন দেৱতাৰ শক্তি-সামৰ্থ্যৰ লগতে ব্যক্তিজনৰ ওপৰত দৈৱিক ক্ষমতা আৰোপ কৰি সামাজিক গুৰুত্ব আৰোপ কৰা হয়। তিৱা জনজাতিৰ উপাস্য দেৱতা মহাদেৱ। সেইহেতু তিৱা জনজাতিৰ লোকসকলে নিজকে মিন্দাইফা মহাদেৱৰ অংশ পৃথিৱীত জন্মগ্ৰহণ কৰা বুলি গৌৰৱবোধ কৰে।

(২) জনশ্ৰুতিকেইটাত বৰ্ণিত ঘটনাসমূহত উল্লেখ কৰা দেৱ-দেৱীসকলৰ নাম আৰু অলৌকিকতা পাৰিহাৰ কৰি নিৰ্মোহ বিচাৰ-বিশ্লেষণ কৰিলে এনে এক সিদ্ধান্তলৈ আহিব পাৰি যে তিৱা জনজাতিৰ লোকসকল একালত লুইতৰ উত্তৰ পাৰে বসবাস কৰিছিল। এই ঠাই তিব্বতৰ মালভূমি অঞ্চল অথবা তিব্বতৰ পাদদেশ। লগতে সেই পাৰ্বত্য ঠাইৰ পৰা প্ৰব্ৰজন কৰি লুইতৰ দুয়োপাৰে বসবাস কৰিছিল। আটাইকেটা জনশ্ৰুতিতে তিৱাসকলৰ আৱাসভূমি লুইতৰ উত্তৰপাৰে হোৱা বুলি জোৰদাৰ সাক্ষী বহন কৰিছে।

(৩) অন্ন, বস্ত্ৰ আৰু বাসস্থান—মানুহৰ তিনিটা প্ৰধান মৌলিক সমস্যা জীৱন নিৰ্বাহৰ। এই তিনিটা মৌলিক উপাদানৰ সন্ধানত মানৱ প্ৰজাতিয়ে আবহমান কালৰে পৰা বিভিন্ন সুচল ঠাইলৈ প্ৰব্ৰজন কৰিছিল, সেয়াও ঐতিহাসিক সত্য। পৃথিৱীৰ মানৱ প্ৰজাতিৰ প্ৰব্ৰজন সম্পৰ্কত অধ্যয়ন কৰিলে

এই সত্যই ধৰা দিয়ে। তিৱাসকলেও অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবেই তেওঁলোকৰ আদিম লীলাভূমি তিববতৰ ফালৰ পৰা দলে দলে লুইতৰ দাঁতি-কাষৰলৈ আৰু তাৰ পৰা দক্ষিণৰ সমভূমি এলেকালৈ প্ৰব্ৰজন কৰে। পিছলৈ শক্তিমান প্ৰজাতিৰ সন্মুখত ঠাৰৰিব নোৱাৰি বহুতে দক্ষিণৰ দুৰ্গম পাহাৰীয়া এলেকালৈ প্ৰব্ৰজন কৰে বুলি ক'ব পাৰি। দেৱ-দেৱতাৰ লগত জড়িত সম্পৰ্কটো খুব সম্ভৱ উচ্চাত্মিকা প্ৰদৰ্শন অথবা জনজাতীয় বিশ্বাসৰ পৰম্পৰা বুলি ক'ব পাৰি।

লালুংসকলৰ ৰাজ্যসমূহৰ চমু বিৱৰণ ঃ

প্ৰাচীন কাব্য আৰু পুৰাণ আদিত কামৰূপ, ধৰ্মাৰণ্য, প্ৰাগজ্যোতিষ, কদলী, ডবাক আদি ৰাজ্যৰ নাম পোৱা যায়। নিধানপুৰৰ তামৰ ফলি, বৰগংগা, উমাচল, গাছতল লিপি আৰু হায়ুংথল লিপি আদিত উল্লেখ থকা প্ৰাচীন প্ৰাগজ্যোতিষপুৰ ওৰফে কামৰূপ আৰু ডবাক ৰাজ্য উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত লেখতল'বলগীয়া ৰাজ্য। জনজাতীয় লোকসকলৰ সিংহভাগেই মাতৃপ্ৰধান জাতিৰ আছিল। কমলাদেৱীৰ ৰাজ্যৰ নাম আছিল কন্দলী বা কদলী; জনাগাভৰুৰ ৰাজ্যৰ নাম আছিল গৰুচৰ; প্ৰমীলাৰাজ্য, ৰাণীৰাজ্য; জয়ন্তীদেৱীৰ ৰাজ্য জয়ন্তীপুৰ বা জয়ন্তা, গোভাৰ ৰাণী সাৱিত্ৰী—এইসকলৰ নামত প্ৰচলিত জনশ্ৰুতিৰ জৰিয়তে একালত জনজাতীয় লোকসকলৰ মাজত নাৰী ৰাজ্যৰ অৱস্থান মন কৰিবলগীয়া আৰু আশ্চৰ্যজনকভাৱে এই আটাইবোৰ ৰাজ্যই কপিলী নদীৰ উপকণ্ঠ অঞ্চলৰ ৰাজ্য। আহোমসকলে অসমত প্ৰৱেশ কৰাৰ পাছতহে তেওঁলোকৰ লিখিত বুৰঞ্জীসমূহত উল্লেখ কৰা তথ্যসমূহৰ পৰাহে প্ৰান্তীয় জনজাতীয় ৰজাসকলৰ বিৱৰণ বিশেষভাৱে পাবলৈ সুবিধা হৈছে। দৰং ৰাজবংশাৱলী, দীপিকা ছন্দ, কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আদি পুথিতো ৰাজ্য বা ৰজাৰ কিছু কিছু তথ্য সন্নিৱিষ্ট হ'লেও বিস্তৃত বিৱৰণ পাবলৈ নাই। ইতিহাসৰ দৃষ্টিত ইবোৰক সামৰি লোৱাত অনেকখিনি বাধা আছে। তেনেহ'লেও ইবিলাকক Secondary Source of history বুলি গ্ৰহণ কৰাৰ যুক্তিযুক্ততা নোহোৱা নহয়। আহোম ৰজাৰ দ্বাৰা ৰচিত তুংখুঙীয়া বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, বাঁহগড়ীয়া বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জীৰ লগতে ব্ৰিটিছ প্ৰশাসকসকলৰ দ্বাৰা সংগ্ৰহ কৰা পুৰাতাত্ত্বিক সমলবোৰৰ পৰা লগতে সাতোৰজীয়া আৰু পাঁচোৰজীয়াসকলৰ বংশানুচৰিতৰ পৰা লালুংসকলৰ সৰু-বৰ ৰাজ্যৰ বিৱৰণ কিছু পোৱাটো সম্ভৱ হৈছে।

জয়ন্তীয়া ৰজাৰ তলতীয়া হিচাপে খৈৰাম আৰু মিলিম ষ্টেটত লালুঙৰ ৰাজ্য থকাৰ তথ্য পোৱা যায়। নৰ্তংগীয়া বা নৰ্‌টিয়াং নামৰ ঠাইত লালুংসকলৰ লগত আহোমৰ ৰণ লগাৰ কথা পোৱা গৈছে। এই ঠাই জয়ন্তা ৰজাৰ অধীনত। সেইদৰে ডুমুৰা ৰজাৰ লগত হোৱা যুদ্ধতো আহোমৰ সৈন্যৰ হাতত মৰা পৰা লালুংকেইটাই ডুমুৰা ৰজাকো যে জনজাতীয় লালুঙৰ ৰজা বুলি চিনাকি নিদিয়ে তাক কোৱা টান। ডুমুৰা, গোভা, নেলী, খলা আৰু চহৰী—এই আটাইকেইখনেই জয়ন্তাৰ অধীনৰ লালুঙৰ ৰাজ্য আছিল। এইবোৰ ৰাজ্য আহোমৰ খাচ দখলত নাছিল। এইবোৰ ৰাজ্যই আহোমৰ কৰদ মিত্ৰৰাজ্যৰূপে ব্ৰিটিছৰ ৰাজত্বৰ সময়লৈকে শাসন কৰি আছিল। সেইদৰে টোপাকুছীয়া, সৰাগওৱা, খাইগড়ীয়া, বাৰপূজীয়া—এই চাৰিখন ক্ষুদ্ৰ ৰাজ্যৰ ৰজাপোৱালিসকলৰ সকলোটি লালুঙৰে। মাত্ৰ মিকিৰগাওৰ ৰজা মিকিৰ সম্প্ৰদায়ৰ। দমাল ৰাজ্য নেলীৰ পৰা ফালি অহা। দন্দুৱা আৰু মায়ং ৰাজ্য সাতোৰজাৰ ভিতৰত নপৰে। বাকী ঘগুৱা, তৰাণী, কুমৈ, তেতেলীয়া, বঘৰা আৰু শুখ্‌নাগোগীয়া ৰজা—এই সকলো লালুং জনজাতীয় ৰজাপোৱালি। মায়ং আৰু কুমৈ কছাৰী গওৱা ৰজাসকল কছাৰী সম্প্ৰদায়ৰ।

চহৰী, নেলী, খোলা আৰু গোভাৰ বাদে বাকী সকলোখিনি ৰাজপৰিয়াল এতিয়া কোঁচ সম্প্ৰদায়ৰ। বৃহৎ বড়ো ফৈদৰ অন্তৰ্গত কোঁচসকলো জনজাতিৰ অন্তৰ্ভুক্তই আছিল। অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ কালছোৱাত চিলাৰায় দেৱানে শ্ৰীমন্ত শংকৰদেৱৰ পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ পতাৰ লগতে শংকৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাত, মেচ-কছাৰী আৰু কোঁচসকলে আগৰ কৈৰাতজ নীতি-নিয়ম পৰিহাৰ কৰি নতুন আচাৰ-নীতি মানি চলিবলৈ ধৰিলে। এওঁলোক ন-শৰণীয়াৰূপে জনাজাত হ'ল। কছাৰী, কাৰ্বি আৰু লালুংসকলে কোনো গোসাঁই-মহন্তত শৰণ লোৱাৰ পাছত তেওঁলোকক কোঁচলৈ উদ্ধাৰ হোৱা বুলি কোঁচৰূপে নামকৰণ কৰে। পাছলৈ তেনে লোকসকলে আগৰ উপাধিসমূহ এৰি ডেকা, দত্ত, ৰাজবংশী আদি উপাধি লিখিবলৈ লয়। মৰিগাঁও জিলাৰ অন্তৰ্গত বাৰপূজীয়া গাঁৱৰ উত্তৰে অৱস্থিত মিকিৰগাঁৱৰ 'ডেকা' উপাধিধাৰীসকল আজিৰ পৰা ত্ৰিছ-চল্লিছ বছৰমান আগতে 'পাতৰ' উপাধি লিখোঁতা কাৰবি লোক আছিল। ন-শৰণীয়া হোৱাৰ পাছৰে পৰা নিজকে কোঁচ বুলি পৰিচয় দি আগৰ কৈৰাতজ নীতি-নিয়ম এৰি পেলালে আৰু বৈষ্ণৱ পন্থা অৱলম্বন কৰি নামঘৰ আদি স্থাপন কৰি সম্পূৰ্ণ নতুন জীৱন যাপন কৰি আহিছে। নৰনাৰায়ণ ৰজাই বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত আহোমৰ লগত হোৱা যুঁজত হাৰি বিমোৰত পৰি কি কৰো, কি নকৰো চিন্তা কৰি ৰাতি শুই থাকোঁতেই স্বয়ং মহাদেৱে আহি উপদেশ দিলে—

'প্ৰথম নিশাত দেখা দিলা সদাশিৱ।
বোলে আপোনাৰ ৰীতি এৰিলিহি কিয়।।
কছাৰীৰ দৰে এভো কৰিও নাচন।
তোৰ জয় হৈব কৈলো স্বৰূপ বচন।
এইবুলি মহাদেৱ অন্তৰ্ধান ভৈলা।
চেতন লভিয়া ৰাজা সম্ভাৰ চপাইলা।।
সোণকোষ নদীৰ তীৰত থানাগাৰি
পাতিলা নাচন যত আনিয়া কছাৰী।।
হংস পাৰ মদ-ভাত মহিষ শূকৰ।
কুকুৰা ছাগল উপহাৰ নিৰন্তৰ।।
পাতিলা নাচন তথা মাদল বজাই।
সবাৰো মাজত তুলিলন্ত দেওধাই।।'[১০]

স্বপ্নাদেশ মতে পূৰ্বৰ কছাৰীৰ নীতি-নিয়মেৰে শিৱপূজা কৰি আহোমৰ লগত যুদ্ধ কৰি নৰনাৰায়ণে আহোমক পৰাস্ত কৰিলে। পিছে তেওঁৰ ৰাজ্যৰ প্ৰজাৰ মাজত এটি নতুন আদেশ জাৰি কৰিলে। কিয়নো তেওঁ পূৰ্বৰ কছাৰীৰ নীতি-নিয়ম মানি নচলাহেঁতেন যুঁজত নিজিকিলেহেঁতেন। তেওঁ প্ৰজাসকলক ধৰ্ম-কৰ্মৰ ক্ষেত্ৰত তলত দিয়া ধৰণেৰে আদেশ জাৰি কৰিলে—

গোহাঁইকমল আলি মধ্যে সীমা কৰি।
উত্তৰৰ ফালে আছে যতেক কছাৰী।।
সেইফালে দেৱালয় আছে যত যত।
কোঁচে মেচে পূজিবেক মোহোৰ বাক্যত।।

দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব।
এহি নিবন্ধনে সবে ধৰ্ম্ম প্ৰৱৰ্তিব।।
ভোট-কছাৰীয়ে তই মদভাত খাবি।
মাটিৰ কাৰণে মোক সোণা ঘোঁৰা দিবি।।

দৰং ৰাজবংশাৱলীৰ উক্ত তথ্যই প্ৰমাণ কৰে যে একালত এই কোঁচ-ৰাজবংশীসকল জনজাতীয় মেচ-কছাৰী আছিল আৰু পিছলৈ হিন্দু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত পৰি প্ৰাচীন ৰীতি-নীতি এৰি বৈষ্ণৱ ৰীতি-নীতিৰে পৰিপুষ্ট হৈ সম্পূৰ্ণ নতুন জীৱন যাপন কৰে। এই ন-শৰণীয়া প্ৰথা আজিও চলি আছে।

ওপৰৰ তথ্যাদিৰ পৰা এই কথাই স্পষ্ট হয় যে মধ্য অসম, বিশেষকৈ নগাঁও, মৰিগাঁও, কাৰ্বি আংলঙৰ একাংশ, মেঘালয়ৰ একাংশ আৰু পূব কামৰূপৰ সোণাপুৰ পৰ্যন্ত এই বিস্তৃত অঞ্চলত প্ৰাচীন কালৰে পৰা অদ্যাবধি লালুং বা তিৱাসকলৰ বসবাসে—তেওঁলোকৰ সেই অঞ্চলত প্ৰভুত্ব থকাৰ কথাৰেই সাক্ষী বহণ কৰিছে। ইয়াৰ লগতে তিৱা জনজাতিৰ কৃষ্টি-সংস্কৃতিয়ে বাৰেৰহণীয়া অসমীয়া কৃষ্টিলৈ প্ৰভূত অৰিহণা আগবঢ়াইছে।

গ্ৰন্থপঞ্জী ঃ

(৩) ধেমাজি জিলা তিৱা (লালুং) জনজাতিৰ পৰিচয়। কোঁচকাকতি, লংকেশ্বৰ
(৪) কামৰূপৰ বুৰঞ্জী। পৃষ্ঠা ৮০। শক ১৫৮৫-২৬ ভাদ্ৰ। ভূঞা, সূৰ্যকুমাৰ
(৫) আসাম বুৰঞ্জী। ২য় অধ্যায় ১১ পৃষ্ঠা। বৰুৱা, গুণাভিৰাম
(৬) অসমীয়া কৃষ্টি। ১৯৫০ চন। ৰাভা, বিষ্ণুপ্ৰসাদ
(৭) Assam Census Report 1881 PP.76 JASB.1900 III P.54 waddel.
(৮) Tribal History of Eastern India. PP. 77, 78. Dalton
(৯) The Lalung Society: Shyam Chaudhury, N.K. and Das, M.N.
(১০) দৰং ৰাজবংশাৱলী। পৃষ্ঠা ৬৩-৬৪। দৈবজ্ঞ, সূৰ্যখৰি
(১১) দৰং ৰাজবংশাৱলী। পৃষ্ঠা ৬৪। দৈবজ্ঞ, সূৰ্যখৰি
(১২) History of Assam. PP. 46 Chapter-IV. GAIT. E A.(৬৫) মৰিগাঁও জিলাৰ লোক-সংস্কৃতি। ১৯৯৪ চন। দেউৰী, মনেশ্বৰ
(১৩) মৰিগাঁও জিলাৰ লোক-সংস্কৃতি। ১৯৯৪ চন। দেউৰী, মনেশ্বৰ

দেউৰীসকলৰ অতীত ইতিহাস আৰু সমাজ জীৱন

গুঞ্জৰাম দেউৰী

অতীতত পৃথিৱীৰ বুকুত মানুহে বসবাস কৰিবলৈ লোৱাৰে পৰা এঠাইৰ পৰা আন ঠাইলৈ গৈ নতুনত্বৰ সন্ধান কৰিছিল। সময়ৰ বুকুত আৰণ্যিক চিকাৰী-জীৱনৰ পৰা ক্ৰমে অন্য উন্নত জীৱনধাৰালৈ পৰিৱৰ্তিত হোৱাৰ লগে লগে সেই পৰিভ্ৰমণৰ সময়ছোৱাত জীৱন-জীৱিকাৰ বাবে খেতি-খোৱাৰ উপযোগী সুচল ঠাইত পলসুৱা, সাৰুৱা অঞ্চল বিচাৰি লৈছিল। আৰু য'তেই খেতি-বাতি কৰি নিৰাপদে থাকিব পৰাকৈ ঠাই পাইছিল, তাতেই বসবাস কৰিছিল। তেনেকৈ বসবাস কৰোঁতেও প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছিল। তথাপি প্ৰকৃতিৰ লগত যুদ্ধ কৰি হ'লেও নিজক ৰক্ষা কৰি চলিছিল। অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী দেউৰীসকলে এনেকৈ হয়তো বাসস্থান সলাই সলায়েই খ্ৰীষ্টপূৰ্ব বহু যুগৰ আগতে এৰেম কেৰেমৰ পৰা আহি জয়ধামত (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) বাসস্থান পাতিছিলহি। তেওঁলোকৰ হুঁচৰি গীতত আছেঃ

এৰেমত এৰিলো কেৰেমত ধৰিলো
জয়ধামত পাতিলো থান।
জয়ধাম পৰ্ব্বতৰ পৰা চাই পঠিয়ালো
শদিয়াৰ বাটতে শুৰা
তাৰে পাছতে চাই পঠিয়ালো
শদিয়াৰ পুতলা ঘোঁৰা।

ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে দেউৰীসকল জয়ধামৰ পৰা আহি শদিয়াত বসবাস কৰিছিলহি। এই শদিয়াত বাস কৰি থকাৰ সময়ৰ পৰাই দেউৰীসকলৰ বিষয়ে পৰিব্ৰাজক, ইংৰাজী বুৰঞ্জীবিদ আদিয়ে জানিব পাৰিছিল কিছু কথা। সেই সময়ৰ দুই-এজন ইংৰাজ লিখকে দেউৰীসকলৰ বিষয়ে কিছু কথা লিখি গৈছে। ইয়াৰ ভিতৰত Dalton, W B Brown, A.E. Gait আদিয়েই প্ৰধান।

দেউৰীসকল শদিয়ালৈ আহি প্ৰথম তাতেই নিজৰ প্ৰধান উপাস্য দেৱতা কোন্দিমামাৰ থান স্থাপন কৰে। এই থানক পিছলৈ বুঢ়া-বুঢ়ী বা গিৰাচি-গিৰা থান বুলি জনা যায়। ই আজিও বিৰাজমান। এই গিৰাচি-গিৰা থানৰ লগত জড়িত দুবিধ সুপ্ৰসিদ্ধ গছৰ নাম পোৱা যায়। যেনে—

শদিয়াৰ ৰাজতে বদিয়াল কঁঠাল ঐ তাৰে বাৰে কুৰি কুম।
শদিয়াৰ ৰাজতে গুদাকৈ শিমলু তাতে লয় কুৰুৱাই বাহ।

এই শদিয়া অঞ্চলতে দেউৰীসকলে অতি শক্তিশালী আৰু শস্যে-মস্যে নদন-বদন হৈ বাস কৰাৰ প্ৰমাণ পোৱা যায়। কাৰণ দেউৰী সংস্কৃতি ইমান চহকী যে ইয়াৰ উত্থানৰ লগত জীৱনকৰ্ম ৰাশিক ৰিজাবলৈ গ'লে দেউৰী লোকসকল অতি সুখে-শান্তিৰে বসবাস কৰি থকা লোক হ'ব লাগিব। নহ'লে দুখীয়া-নিছলা, খাবলৈ নোপোৱা অভাৱ-অনাটনৰ ঠাইত ইমান সুন্দৰ, সু-সংঘবদ্ধ আৰু সু-পৰিকল্পিত এটি সংস্কৃতিৰ জন্ম হ'ব কেতিয়াও নোৱাৰিলেহেঁতেন। সুখে-শান্তিৰে থাকিলেহে এটি জাতিয়ে সমাজ-সংস্কৃতিৰ বিকাশত মনোনিৱেশ কৰিব পাৰে। প্ৰবাদ আছে আৰু এতিয়াও তাৰ প্ৰমাণ বহন কৰি আছে যে সেই গিৰাচি-গিৰা থান— য'ত আবৰব' লহৰীয়া আৰু বিহু মাৰোতে মাৰোতে সেই ঠাই দ হৈ গৈছিল। সুখী মনৰ গৰাকী হ'লেহে এনে ৰং-ৰহইচ কৰি থাকিব পাৰে। এই দেউৰীসকল শদিয়াৰ পৰা আহি অসমৰ চুকে-কোণে কেনেকৈ সিঁচৰতি হৈ বসবাস কৰিলে তাৰ বহুতো কিংবদন্তি পোৱা যায়। বহুতে ক'ব খোজে যে মানৰ আক্ৰমণত দেউৰীসকল শদিয়াৰ পৰা পলাই আহি অসমৰ চুকে-কোণে বসবাস কৰিছিলহি। কিন্তু যুক্তিৰ পৰা চাবলৈ গ'লে— মান শদিয়ালৈ যোৱা নাছিল, কাৰণ শদিয়া অঞ্চল সেই সময়ত বৰ দুৰ্গম আছিল আৰু বাট-পথ নাছিল। সেয়েহে মানে শদিয়া আক্ৰমণ কৰা নাছিল। প্ৰকৃত তথ্য আৰু সত্য কিংবদন্তিৰ মূল যি দেউৰীসকলৰ বুঢ়া-বুঢ়ীৰ মুখে মুখে, সেইটো হ'ল আবৰৰ ভয়ত শদিয়াৰ পৰা পলাই অহা আবৰে কিয় দেউৰীসকলক আক্ৰমণ কৰাৰ শংকা কৰিছিল তাৰ কাৰণ এনে ঃ

এবাৰ আবৰসকলে বিষ দিয়া কাঁড় এডাল বনৰীয়া হাতী এটালৈ মাৰি পঠিয়ালে। সেই কাঁড় মাৰি পঠিওৱা হাতীটো আহি দেউৰীসকলৰ পথাৰত মৰিলহি। দেউৰীসকলে সেই মৰা হাতীটো খাই পেলালে। আবৰসকলে হাতীৰ খোজৰ পিছে পিছে আহি অনুসন্ধান কৰি দেউৰীসকলৰ পথাৰত মৰা আৰু দেউৰীসকলে হাতীটো খোৱা কথাটো নিশ্চিত কৰিলে। আবৰসকলে দেউৰীসকলক অনুৰোধ কৰিলে যে হাতীটো খালে বাৰু কথা নাই, কিন্তু বিষ দিয়া কাঁড়ডাল ঘূৰাই দিব লাগে। দেউৰীসকলে হাতী খোৱাটোও অস্বীকাৰ কৰিলে আৰু কাঁড়ডালকো ঘূৰাই নিদিলে। ইয়াকে লৈ আবৰবিলাক ক্ষুণ্ণ হ'ল আৰু দেউৰীসকলক আক্ৰমণ কৰিবলৈ মনস্থ কৰি মানুহ গোটাবলৈ ধৰিলে। ইফালে দেউৰীসকলৰ প্ৰধান উপাস্য দেৱতা কোন্দিমামাই দেউৰীসকলক সেই বিপদৰ পৰা ৰক্ষা কৰিবলৈ মনস্থ কৰি দেওধনি ৰূপ লৈ ক'বলৈ ধৰিলে— আবৰসকলে এসপ্তাহৰ ভিতৰত আক্ৰমণ কৰিব। তাৰ আগতে দেউৰীসকল ব্ৰহ্মপুত্ৰত চাৰিখন ডাঙৰ কলগছৰ ভুঁৰ সাজি পলাই যাব লাগে। দেউৰীসকলে তাকে কৰিলে। মাজতে থকা দিচাং নৈত ভলুকা বাঁহৰ দলং সাজি সকলোবিলাক দেউৰী মানুহ ভুঁৰত উঠিল। জনা যায়—দিচাং নৈৰ ভলুকা বাঁহৰ দলং বাঢ়নিৰ দৰে হৈ গ'ল, তথাপি ছিঙি যোৱা নাছিল কোন্দিমামাৰ কৃপাত। কোন্দিমামাই ভৱিষ্যদ্বাণী কৰিছিল যে যিমানেই পাৰ নহওক দলঙৰ একো নহয়, কিন্তু ঘূৰি আহিলে আৰু দুনাই যাব নোৱাৰিব। দুহাল দম্পতী সোণৰ চালিগাঠি (সাঁচতি) এৰি যোৱাত তাক ল'বলৈ বুলি

ঘূৰি গৈছিল—তেওঁলোক আৰু ভূঁৰলৈ ঘূৰি আহিব নোৱাৰিলে। দলং ভাঙি গ'ল। আৰু সেই থাকি যোৱা পৰিয়ালকেইটাই হ'ল দেউৰীৰ টেঙাপনীয়া আৰু বৰগঞা। দেউৰী সমাজৰ পৰা বিচ্ছিন্ন হোৱাৰ ফলত এই দুটা পৰিয়ালে দেউৰী ভাষা নজনা হ'ল। কিন্তু তেওঁলোকৰ মাজত ধৰ্ম, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি একেই থাকি গ'ল।

বহুতে এইদৰেও ক'ব খোজে বৰনদীৰ পাৰত থকাৰ কাৰণে বৰগঞা, টেঙাপানী নদীৰ পাৰত থকাৰ কাৰণে টেঙাপনীয়া আৰু দিবাং নদীৰ পাৰত থকাৰ কাৰণে দেউৰীসকলক দিবঙীয়া বুলি কয়। এই দিবঙীয়া খেলেই বৰ্তমান দেউৰী ভাষাতো জীয়াই ৰাখিছে। দেউৰীসকলৰ এই তিনিটা ফৈদৰ দিবঙীয়াসকলেই ভূঁৰত উঠি আহিছিল নে টেঙ্গাপনীয়া আৰু বৰগঞাসকলেও ভূঁৰত আহিছিল? যদি ভূঁৰত একেলগে আহিছিলেই তেতিয়াহ'লে সেই দুটা ফৈদে ভাষা নজনাৰ কাৰণ কি? বোধহয় ওপৰত উল্লেখ কৰা সাঁচতি আনিবৰ কাৰণে ঘূৰি যোৱাবাবেই এনে হ'ল। দেউৰীসকলৰ সেই ভূঁৰ আহি বৰ্তমানৰ চিৰাম চাপৰি আৰু দেউৰীঘাটত উঠিছিলহি আৰু তাৰ পৰাই ক্ৰমে ক্ৰমে বৰ্তমানৰ দেউৰীবিলাকে বসবাস কৰা ঠাইবিলাকলৈ প্ৰব্ৰজন হৈছিল। কিংবদন্তি মতে গদাধৰ সিংহই ল'ৰাৰজাৰ ভয়ত পলাই ফুৰোঁতে শদিয়াত গৈ দেউৰী গাঁৱত লুকাই আছিল। দেউৰীসকলে গদাধৰ সিংহক দিনৰ বেলিকা পথাৰত থাকিবলৈ দিছিল আহোম ৰজা চাউডাঙে গম পাব পাৰে বুলি। তেখেতক পথাৰৰ মাজেৰে বৈ যোৱা জান এটাৰ পাৰৰ ওখ ঔটেঙা গছত উঠি থাকিবলৈ দিছিল। সেই জানত দেউৰীসকলে চেপা পাতিছিল। কিন্তু মাছ বহুতো ওলোৱা সত্বেও চেপাত মাছ নালাগিছিল। গদাধৰ সিংহই এনেকৈ গছৰ ওপৰত উঠি থাকোতে এদিন এটি অলৌকিক কাণ্ড দেখিবলৈ পালে যে, এজনী কিম্ভুত-কিম্মাকাৰ মাইকী মানুহে লেতেৰা-পেতেৰা কাপোৰ-কানি পিন্ধি, পিঠিত কেঁচুৱা এটা লৈ চেপাৰ মাছবিলাক উলিয়াই খাই আছে। গদাঙৰ সিংহই ঔটেঙা এটা ছিঙি লৈ সেই মানুহজনীলৈ লক্ষ্য কৰি মাৰি পঠালে। সেই ঔটেঙাই গৈ কেঁচুৱাৰ মূৰ ছিঙি পেলালে। মাইকী মানুহজনীয়ে এনে কাণ্ড দেখি খঙত চাৰিওফালে চাবলৈ ধৰিলে আৰু ঔটেঙা গছৰ ওপৰত উঠি থকা গদাধৰ সিংহক দেখিলে। খঙত চকু ৰঙা কৰি ক'বলৈ ধৰিলে— 'তোমাক মই খাই পেলালোহেঁতেন, কিন্তু তোমাৰ গাত ৰজাৰ তেজ প্ৰৱাহিত। গতিকে তোমাক মই খাব নোৱাৰিলো। তোমাৰ দুখৰ দিন উকলিল। কেইদিনমানৰ পাছত ৰজা হ'বাগৈ' বুলি কৈ কান্দি কান্দি মানুহজনী আঁতৰি গ'ল। এই দেউৰীসকলৰ আতিথ্যত গদাধৰ সিংহ বৰ সন্তুষ্ট হৈছিল। গদাধৰ সিংহই যোৱাৰ সময়ত কৈ গৈছিল— 'মই ৰজা হোৱা গম পালে দেউৰীসকলে যেন নিজৰ সাজ-পোছাক পিন্ধি কাণত কিমাৰু আৰু কপাহ পিন্ধি যায়'। দেউৰীসকলৰ পূজাবোৰত সৰ্বসাধাৰণতে কাণত কিমাৰু আৰু কপাহ পিন্ধে। ই বৰ পৱিত্ৰ। কিমাৰু দেউৰীসকলৰ এবিধ পৱিত্ৰ সৰু গছৰ নাম। ইয়াক নহ'লে দেউৰীসকলে কোনো উল্লেখযোগ্য পূজাৰ কাম সমাধা কৰিব নোৱাৰে। কিমাৰুৰ লগত শান্তিপানী ছটিয়ায় আৰু শান্তিপানী খাবলৈ দিয়ে। এই কিমাৰুৰে দেউৰীসকলে প্ৰায়শ্চিত্তও কৰোৱায়।

উল্লেখ্য, গদাধৰ সিংহৰ নিমন্ত্ৰণ ৰক্ষা কৰি দেউৰী পূজাৰী চাৰিজনে কাণত কিমাৰু আৰু কপাহ পিন্ধি দেউৰী সাজ-পোছাকেৰে ৰাজকাৰেঙত উপস্থিত হৈছিল আৰু ৰজাই সিংহাসনৰ পৰা নামি আহি পূজাৰীসকলৰ পৰা পূজাৰ নিৰ্মালি গ্ৰহণ কৰিছিল আৰু ভালকৈ শুশ্ৰূষা কৰিবলৈ পাৰিষদবৰ্গক আদেশ দিছিল। দেউৰীসকলক তিনিজনক ৰাজকীয় ভাৱ দিবৰ কাৰণে সোণৰ ছাতি, সোণৰ পীৰা আৰু

সোণৰ লাখুটি প্ৰদান কৰিছিল। কিন্তু চাৰিজন পুৰোহিত হোৱাৰ কাৰণে এজনৰ কি হ'ব— দিলে চাৰিওজনকেই দিয়ক বুলি কোৱাত দেউৰীসকলে সেই ৰাজকীয় বিষয়বাবো ল'ব নোৱাৰিলে। তাতে ৰজাই অভিশাপ দিছিল বোলে, সিহঁত ৰাজকীয় বিষয়া হ'ব নোৱাৰিব। অৱশ্যে আহোম ৰজাই দেউৰী পুৰোহিতক বৰ আদৰ-সাদৰ কৰিছিল। শদিয়াৰ কোন্দিমামা আৰু কেচাইখাতী গোসাঁনীক বৰ সন্মান কৰিছিল।

জনা যায় যে এবাৰ দেউৰী পূজাৰীসকল আহোম ৰজাক শদিয়াৰ পৰা পূজাৰ নিৰ্মালি দিবলৈ আহোঁতে নিতাই নামৰ এজন আহোম বিষয়াই বাটত দেউৰী পূজাৰীসকলক জোৰ কৰি পুখুৰী খন্দা কামত মাটি কাটিবলৈ বাধ্য কৰোৱাত দেউৰীসকল ক্ষুব্ধ আৰু অপমানিত হয়। বছৰেকীয়া নিৰ্মালি গ্ৰহণ কৰি ৰজাই দেশৰ মংগল-অমংগলৰ বিষয়ে জানিব বিচৰাত জনালে যে—এইবাৰ দেৱ-দেৱীৰ বৰ খং আৰু ইয়াৰ উপায় বিচৰাত বোলে ক'লে— নিতাইক শদিয়াৰ কেচাইখাতীত বলি দিলে দেশত মংগল হ'ব। সেইমৰ্মে নিতাইক বলিৰ কাৰণে দি পঠিওৱা হ'ল। কিন্তু পূজাৰীসকলে নিতাইক বাটতে ফুলছিগা নামে ঠাইত ইকৰা পাতেৰে বোলে বলি দিলে, লগে লগে পানীৰ সোঁত হৈ আলি ছিঙি বৈ গ'ল। এই ফুলছিগা তেতিয়াৰ পৰাই বিখ্যাত হ'ল।

ভাৰতবৰ্ষৰ ভিতৰতে কম জনসংখ্যা থকা সত্ত্বেও দেউৰীসকল এটি লেখতল'বলগীয়া জনগোষ্ঠীত পৰিণত হৈ ৰৈছে। তেওঁলোকৰ নিজা ধৰ্ম, ভাষা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আনৰ লগত অমিল হোৱা দেখা যায়। দেউৰীসকলৰ নিজস্ব স্বকীয়তাপূৰ্ণ সংস্কৃতি আছে। তেখেতসকলৰ সমাজনীতি অতি কঠোৰ। কঠোৰতা নাথাকিলে কোনো সমাজ ব্যৱস্থা সুসংগবদ্ধভাৱে পৰিচালিত হ'ব নোৱাৰে।

দেউৰীসকল অসমত বসবাস কৰাৰ দিনৰে পৰা চাংঘৰ সাজি বসতি স্থাপন কৰি আহিছে। অসমখন আছিল হাবি-জংঘল তথা নানা জীৱ-জন্তুৰে ভৰা দেশ আৰু বাৰিষা গোটেইবোৰ অঞ্চল পানীত ডুব গৈছিল। সেয়েহে দেউৰীসকলে চাংঘৰ সাজি সেইবোৰৰ পৰা পৰিত্ৰাণ পাইছিল। সেমেকা জলবায়ুৰ পৰা ৰক্ষা পাবলৈ দেউৰীসকলৰ চাংঘৰেই উপযুক্ত যেন অনুমান কৰিছিল। সেয়েহে যুগ যুগ ধৰি দেউৰীসকলে চাংঘৰ সাজি বসবাস কৰি আহিছে।

উল্লেখযোগ্য যে এই চাংঘৰ তেখেতসকলে পূবা-পশ্চিমাকৈ সাজে। ঘৰবোৰৰ মুখ পূবলৈ কৰি সাজে আৰু যৌথ পৰিয়ালবিলাক একেলগে থাকে। প্ৰত্যেক পৰিয়ালৰ ঘৰৰ ভিতৰত বেলেগ বেলেগ কোঠালি আৰু জুহাল (জুইশাল) একোখন থাকে। ৰান্ধনীঘৰ থাকে একেবাৰে পিছৰ কোঠাত। ঘৰৰ সকলোতকৈ ডাঙৰ, পৰিয়ালৰ মুখিয়ালজন সন্মুখৰ কোঠালিত থাকে। তাতেই প্ৰায়েই পৰিয়ালৰ পুৰুষসকল একেলগেই ভাত-পানী খায় আৰু আলোচনা আদি কৰে। ডাঙৰজন হয় ঘৰখনৰ মুখিয়াল। তেওঁৰ কথামতেই গোটেই ঘৰখন পৰিচালিত হয়।

সমাজ ব্যৱস্থা ঃ

দেউৰীসকলৰ যে সমাজ ব্যৱস্থা বৰ কঠোৰ, সেই কথা আগতেই কৈ আহিছো। এই সমাজ ব্যৱস্থাত প্ৰয়োগ হোৱা ৰীতি-নীতি, নিয়মবোৰ ধৰ্মৰ লগত সম্বন্ধ থকা যেন লাগে। কাৰণ দেউৰী সমাজত বৰজনা, ভাইবোৱাৰী আৰু ভনীজোঁৱাইৰ স্থান বহুত ওপৰত। বৰজনাৰ আগত ভাইবোৱাৰীয়ে ভাত-পানী খোৱা নিষেধ, আনকি চুলি মেলি থাকিবও নোৱাৰে। বৰজনাই ভাইবোৱাৰীৰ মুখ দেখিবও নাপায়। আনকি ভাইবোৱাৰীয়ে কটা তামোলো বৰজনাই খাব নাপায়। গাত গা লাগিবও নাপায়।

ভাইবোৱাৰীয়ে বৰজনাৰ কোঠালিত আৰু বৰজনাই ভাইবোৱাৰীৰ কোঠালিত সোমোৱা নিষেধ। ভনীজোঁৱাইৰ আগত ককায়েকৰ ঘৈণীয়েকে ভাত-পানী খোৱা, চুলি মেলি থকাও নিষেধ। কেতিয়াবা এই নিয়মৰ ব্যতিক্ৰম হ'লে সামাজিকভাৱে দণ্ডনীয় হ'ব লগা হয় আৰু ভৱিষ্যতে তেনে নিয়ম ভংগ নহ'বলৈ ৰাইজৰ পৰা আশীৰ্বাদ ল'ব লগাত পৰে।

গোসাঁনীশাল ঃ

দেউৰী সমাজৰ সামাজিক ব্যৱস্থাটোৰ লগত দেউৰীসকলে পূজা কৰা চাৰি শাল গোসাঁনীশালটো দেখিবলৈ পোৱা যায়। দেউৰীসকলৰ মুখ্য পূজাথলীত তিনিখন শাল বা পূজা কৰা ঘৰ আছে। সোঁমাজৰখন কোন্দিমামাৰ, উত্তৰ ফালৰটো তাম্ৰেশ্বৰীৰ মন্দিৰ, দক্ষিণ ফালৰটো জাকৰুৱা বা কোন্দিমামাৰ ল'ৰা-ছোৱালীবিলাকৰ মন্দিৰ। এই মন্দিৰত কোন্দিমামাৰ ল'ৰাবিলাক থাকে। তাত বৰজনা, ভাইবোৱাৰী থকাৰ কাৰণে মাজত বেৰ দিয়া থাকে। আগতেই কৈ অহা হৈছে যে পূজ্য দেৱ-দেৱীসকলৰ মাজত এনে সামাজিক নীতি থকা কাৰণে হয়তো দেউৰীসকলৰ সমাজ ব্যৱস্থাতো তেনেবোৰ নিয়মৰ প্ৰভাৱ পৰিছে।

বিবাহ পদ্ধতি ঃ

দেউৰী সমাজত বেলেগ বেলেগ ফৈদ আছে। দেউৰীসকলে দুটা বেলেগ ফৈদৰ মাজতহে বিয়া-বাৰু কৰিব পাৰে। যেনে— (১) পাতিৰিয় (২) বদেৰীয়া (৩) চিটিগায় (৪) কুলীয় (৫) লাগাচুয় এই ফৈদকেইটা সমগোত্ৰীয় আৰু একে ককাই-ভাই। তাৰ বিপৰীতে যেনে— (১) আইৰিয় (২) চুক্ৰাংমুৰাং (৩) কোমতায় (৪) মেহেদায় (৫) মাদলায় (৬) কৰম আৰু মিদায় এই ফৈদকেইটা সমগোত্ৰীয় আৰু একে ককাই-ভাই। গতিকে সমগোত্ৰীয় ককাই-ভাইৰ মাজত কেতিয়াও বিবাহ সম্পন্ন হ'ব নোৱাৰে। বিপৰীত ফৈদৰ মোমাই, পেহী সম্বন্ধৰ জীয়েকৰ লগতহে বিয়া হ'ব পাৰে। তাৰ বাহিৰে নোৱাৰে। এই কঠোৰ নিয়ম দেউৰীসকলৰ মাজত এই পদ্ধতি যুগ যুগ ধৰি চলি আহিছে। দুই বিপৰীত ফৈদৰ মোমায়েক-পেহীৰ জীয়েকৰ লগতহে বিয়া-বাৰু হ'ব পাৰে, তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। হ'লে সমাজত দণ্ডনীয় হ'ব লগা হয় আৰু সমাজে সিহঁতক সমাজচ্যুত তথা এঘৰীয়া কৰে।

বিয়া পতাৰ নিয়ম ঃ

দেউৰী সমাজত বিয়া পতাৰ নিয়ম কেইবাটাও। এনে নিয়মবোৰ হৈছে— (১) বৰবিয়া, (২) মাজুবিয়া (৩) সৰুবিয়া, (৪) গন্ধৰ্ব বিয়া (পলুৱাই অনা) আৰু (৫) আকৰি বিয়া। বৰবিয়া পাতিবলৈ হ'লে ল'ৰা-ছোৱালীৰ মত সাপেক্ষে বা কেতিয়াবা দুই ঘৰে মিলি বিয়াৰ ব্যৱস্থা কৰে। এই বৰবিয়াত প্ৰথমে ল'ৰাঘৰে ছোৱালী খুজিবলৈ যায়। যাওঁতে তামোল-পাণৰ টোপোলা আৰু ওচৰৰ ঘৰৰ পৰা মানুহকেইজনমানক লগত লৈ যাব লাগে। তৃতীয় ব্যক্তি এইক্ষেত্ৰত বৰ জৰুৰী। লগতে মদৰ কলহ লৈ যোৱাৰ নিয়ম। প্ৰথমে ল'ৰাৰ ঘৰে তামোল-পাণ আৰু গুৰু গোসাঁনীলৈ পইচা দি শৰাই পাতিব লাগে। কইনাঘৰে কেলেইনো এই শৰাই পাতিছে সুধিব। তেতিয়া দৰাঘৰে আদি অন্ত বিৱৰি ক'ব। কইনাঘৰৰ ছোৱালীয়ে সন্তুষ্ট হৈছে নে নাই তাকো ৰাইজৰ আগত বেৰৰ সিপাৰৰ পৰা অৱগত কৰিব লাগিব। তেতিয়াহে বিয়াৰ দিন-বাৰ ঠিক কৰিব। বিয়াৰ বন্দৱস্ত হোৱাৰ পাছত আকৌ এপাচি (নতুন) চাউল, দাইল, নিমখ, তেল, পিঁয়াজ, আলু, বেঙেনা আদিৰে সৈতে কুকুৰা এজনী লৈ বুজনি দিবলৈ লাগে। এই বুজনি দিয়াত যিজনে পাচিটো দাঙিব সি মাক-বাপেক জীয়াই থকা যুৱীয়া মানুহ হ'ব লাগিব। ইয়াৰ

পাছত আকৌ বিয়াৰ দুই-এদিনৰ আগত চুবি দিয়াৰ নিয়ম। এই চুবিত দুটা মদৰ কলহক কৌপাতেৰে ভালকৈ মেৰিয়াই কৰি দেখাত মানুহৰ ৰূপত সজায়। তাত যোৰ-যোৰকৈ তামোল-পাণ আৰু যোৰ-যোৰকৈ শুকান কুড়ি মাছ কৌপাতেৰে মেৰিয়াই সেই মদৰ কলহত বান্ধি দিয়ে। তাৰ পাছত দুটা কলহক এডাল কৌপাত মেৰিওৱা কেঁচা বাঁহেৰে ভাৰ ব'ব পৰাকৈ এজন মাক-বাপেক জীয়াই থকা ডেকা ল'ৰাক ভাৰ ব'বলৈ দিয়ে। বৰবিয়া হ'লে কইনাঘৰৰ দুৱাৰমুখত এজাক কইনা ৰখীয়া গাভৰু ছোৱালীয়ে বিয়ানাম গাই গাই দৰাঘৰৰ পৰা তামোল-পাণ খোজে। তেতিয়া দৰাঘৰৰ তামুলীয়ে বা পাতৰীয়াই তামোল-পাণ দি গাভৰুজাকক সন্তুষ্ট কৰিহে চুবি লৈ যোৱা ডেকা ল'ৰাজনে ভিতৰ সোমাব পাৰে। সেই চুবিৰ কলহ দুটা ভিতৰলৈ নি ঘৰৰ মূৰৰ ফালে আলফুলকৈ স্থাপন কৰে। কেতিয়াবা দূৰ-দূৰণিৰ দৰা হ'লে বিয়াৰ দিনাই ৰাতিপুৱা চুবি দিয়াৰ নিয়ম। আজিকালিৰ দৰে আগতে জোৰোণ দিয়াৰ নিয়ম নাছিল। বৰবিয়াত গাঁৱৰ মানুহক বিয়া খাবলৈ মাতোতে প্ৰতিঘৰ মানুহকে এটেকেলি মদ কৌপাতেৰে মেৰিয়াই লগত যুৰীয়া তামোল-পাণ বান্ধি দি বিয়া খাবলৈ নিমন্ত্ৰণ কৰিছিল। বাকীবোৰ বিয়াত প্ৰত্যেকঘৰকে মাত্ৰ তামোল-পাণ দি বিয়া খাবলৈ মাতিলেও হৈছিল।

ধৰ্ম ঃ

দেউৰীসকলৰ ধৰ্মৰ বিষয়ে লিখিবলৈ গৈ বহুতো দেউৰী জাতিৰ লোকে উজুতি খোৱা পৰিলক্ষিত হৈছে। বহুতে লিখিছে দেউৰীসকলৰ তিনিটা ফৈদ। চাৰিটা ফৈদৰ এটা ফৈদ বোলে হেৰাল। বৰনদীৰ পাৰত থকা (ব্ৰহ্মপুত্ৰকে বৰনদী বুজাইছে বোধহয়) কাৰণে বৰগএা, টেঙাপানী নদীৰ কাষত থকাৰ কাৰণে টেঙাপনীয়া আৰু দিবাং নদীৰ পাৰত থকাৰ কাৰণে দিবঙীয়া বুলি কৈছে। আমি যদি ভালকৈ চিন্তা কৰি চাওঁ—দিবাং নৈখনহে শদিয়াৰ নিচেই ওচৰৰ নদী। গোটেই তিনিখেল দেউৰী হেৰোৱা সত্ত্বেও দিবঙীয়াৰ বাহিৰে বাকী ফৈদকেইটাৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আৰু ধৰ্মৰ বাহিৰে নিজৰ ভাষাতো নজনাৰ কাৰণ কি? এতিয়া দেউৰীসকলৰ বহুতো লিখকে লিখিছে যে দিবঙীয়া ফৈদে কোন্দিমামা, বৰগএা ফৈদে তাম্ৰেশ্বৰী আৰু টেঙাপনীয়া ফৈদে বলিয়াবাবাক পূজা- সেৱা কৰে। দিবঙীয়া ফৈদ, যিটো ফৈদে দেউৰী ভাষাক জীয়াই ৰাখিছে, তেখেতসকলে (১) কোন্দিমামা (গিৰা-গিৰাচি), (২) তাম্ৰেশ্বৰী আৰু (৩) বলিয়াবাবাক পূজা-সেৱা কৰে। কোন্দিমামা হৈছে অবিনশ্বৰ পৰমব্ৰহ্ম। তেওঁক দেউৰীসকলে মূল মন্দিৰৰ ভিতৰত পুবলৈ বেলেগ এটি পীঠস্থানত মাহ, পিঠাগুড়ি, খনিয়াতামোল আৰু শলিতা আদি জ্বলাই মুখ্য পূজাভাগ আগবঢ়ায়। ইয়াতেই বিশ্বশান্তিৰ বাবে ৰাইজৰ অপায়-অমংগল দূৰ কৰিবৰ কাৰণে পূজা-সেৱা কৰে। এই পীঠস্থানত তেজৰ নাম-গোন্ধ নাই। দেউৰীসকলৰ চাৰিসিদ্ধ পুৰোহিত যেনে— (১) সদেৰি (সৰু দেউৰী), (২) বদেৰি (বৰদেউৰী), (৩) বৰভঁড়ালী আৰু (৪) সৰুভঁড়ালী। এওঁলোক একেলগে আঁঠুকাঢ়ি গোসাঁনীশালত পূজাৰ মন্ত্ৰ সুৰ লগাই গায় আৰু উপস্থিত ৰাইজে সেৱা কৰি থাকে, যেতিয়ালৈকে মন্ত্ৰ গাই শেষ নহয়। ইয়াৰ পাছতহে মুখ্য মন্দিৰৰ দুৱাৰমুখৰ ভিতৰফালে বলি-বিধান কৰে। কোন্দিমামা হৈছে পঞ্চানন শিৱ। শিৱক পূজা কৰে কাৰণে শৈৱ। গোসাঁনী বা শক্তিক পূজা কৰে কাৰণে শাক্ত আৰু বিষ্ণুক পূজা কৰে কাৰণে বৈষ্ণৱ। এই তিনিওটা শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্ম দেউৰী সমাজত দেখিবলৈ পোৱা যায়। এইখিনিতে ক'ব লাগিব যে দেউৰী পূজাৰীসকলৰ মাজত মাত্ৰ সদেৰি আৰু বদেৰিয়েহে বলি-বিধান কৰিব পাৰে। বাকীবিলাকে কৰিব নোৱাৰে।

পূজা উৎসৱ ঃ

দেউৰীসকলে বছৰত তিনিটা বিহু পালন কৰে। কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু। আগৰ দিনত যেতিয়া দেউৰীসকলে বসবাস কৰা অঞ্চলবোৰ খাদ্য-শস্যৰে নদন-বদন আছিল, তেতিয়া কাতি মাহত কাতি বিহু পালন কৰিছিল। দেউৰীসকলে বিহু পাতিবলৈ হ'লে এসপ্তাহৰ আগতেই কেঁচা কল গোসাঁনীশালত পুতিব লাগে। মাঘ বিহু হ'লে মাঘৰ দিন আৰম্ভ হোৱাৰ আগৰ বুধবাৰত এনে কল পোতে। তাৰ পিছৰ বুধবাৰত কল উঠায়। আৰু সেই কলপোতা তোলা দিনটো মাঘৰ বিহু হ'লে মাঘৰ (বুধবাৰ) দিন আৰু ব'হাগৰ হ'লে ব'হাগৰ দিন হ'ব লাগিব। তাতে আকৌ অমাবস্যা আৰু শৰণ পৰিব নালাগিব। অতি তাৎপৰ্যপূৰ্ণ কথা যে এই কল তোলাৰ পাছত গোসাঁনীশালত বুধবাৰৰ দিনা পূজা-সেৱা কৰি কোন্দিমামাৰ পৰা মানুহৰ কাৰণে বিহু খুজি লয়। তাৰ পিছদিনা, বৃহস্পতিবাৰৰ পৰাহে মানুহৰ বিহু আৰম্ভ হয়। মাঘৰ বিহুৰ আগদিনা বুধবাৰে ওপৰত উল্লেখ কৰা কাতি বিহু পাতে গোসাঁনীশালত। আৰু পিছদিনা ৰাতিপুৱা বৃহস্পতিবাৰে মাঘৰ বিহু পাতে। ব'হাগ বিহু হ'লে কল তোলাৰ দিনা পূজা-সেৱা কৰাৰ পাছত কোন্দিমামাৰ পৰা (দেউৰীসকলৰ মুখ্য উপাস্য দেৱতা) বিহু খুজি লয় আৰু যিবিলাক বাদ্যযন্ত্ৰ বিহুত বজাব কৰিব লাগে সেইবিলাক গোসাঁনীশালতে বজায় বিহু কৰে। এইবাদ্য যন্ত্ৰবোৰ হৈছে— ঢোল, পেঁপা, তাল, বাঁহী আদি। এই কল উঠোৱাৰ দিনটোকে উৰুকা বোলে। গধূলি পূজাৰীবিলাকৰ ঘৰৰ চোতালত ডেকা-গাভৰুৱে বিহু মাৰে। এই বিহুক কুকুৰা ডাক দিয়া বিহু বুলি কয়। ডেকা-গাভৰু আৰু বুঢ়া-বুঢ়ী সকলোৱে বিহু মাৰে। ডেকা-গাভৰুৱে বিহু মাৰোতে মাৰোতে পিছদিনা ৰাতিপুৱাই যায় আৰু পূজাৰীঘৰৰ মানুহে বিহুবলিযা ডেকা-গাভৰুক সেৱা জনায়। ডেকা-গাভৰুৱে ঢোপ খেলে আৰু ঘৰা-ঘৰি যায়। পুৰণি কালত ফাগুন মাহৰ যিদিনা ৰাইজক ভিকত চাউল খুৱায়, সেই বুধবাৰৰ দিনাৰ পৰা পূজাৰীবিলাকৰ ঘৰৰ চোতালত একেবাৰে ব'হাগ বিহু শেষ নোহোৱালৈকে গধূলি গধূলি ডেকা-গাভৰুৱে বিহু মাৰে। সৰু সৰু ছোৱালীবিলাকেও ডাঙৰ ছোৱালীবোৰৰ লগে ভাগে নাচিবলৈ যত্ন কৰে। এনেকৈ বিহুমৰা ব'হাগ বিহুৰ বাবে আগতীয়াকৈ কৰা তালিম (ৰিহাৰ্ছেল) কৰাকে বুজায়। মাঘ বিহু তিনিদিনলৈ চলে আৰু ব'হাগ বিহু আঠ দিন হয়।

বিহু প্ৰকৃতিৰ অৱদান। প্ৰকৃতিৰ নিয়ম অনুসাৰে এই বিহু পতা হয়। ফুলকুমলীয়া ল'ৰা-ছোৱালীয়েও ব'হাগ বিহুৰ বিহুনাম, ঢোল, পেঁপাৰ মাত শুনিলে ক'ব নোৱাৰা হৈ নাচিবলৈ আৰম্ভ কৰে। পৃথিৱীৰ ক'ৰবাত এনেকুৱা মন্দিৰ আছেনে নাই নাজানো যে কোন্দিমামাক পূজা কৰি প্ৰাৰ্থনা জনায় মানুহৰ কাৰণে বিহু খুজি আনে আৰু দেৱতাৰ আদেশতহে বিহু হয়? দেউৰীসকলে ব'হাগ বিহুৰ শেষৰ দিনা বৃহস্পতিবাৰে বিহু উৰুৱায়। ব'হাগ বিহুৰ প্ৰথম দিনাৰ পৰাই (বৃহস্পতিবাৰৰ পৰা) আবেলি চাৰে তিনিমান বজাৰ পৰা ডেকা-গাভৰু, ল'ৰা-ছোৱালীয়ে গা-পা ধুই গোসাঁনীশালত সেৱা কৰি মৰং ঘৰত বিহু মাৰে। প্ৰতিদিনে বিহু নুৰুওৱালৈকে আবেলি গোসাঁনীশালত বিহু মাৰে। ব'হাগ বিহুৰ শেষৰ দিনা ৰাতিপুৱাই গা-পা ধুই সকলো ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালীয়ে গোসাঁনীশাললৈ যায়। কোন্দিমামাকে আদি কৰি কেবাগৰাকী দেব-দেৱীয়ে বিহু নৃত্য উপভোগ কৰিবলৈ মানুহৰ আত্মাত প্ৰৱেশ কৰি বিহু নৃত্য প্ৰদৰ্শনত যেন অংশগ্ৰহণ কৰে।

ৰহস্যময় পৃথিৱীৰ ৰহস্যৰ লুকাভাকু খেলা অসমখনক অতীত কালৰ পৰাই কামৰূপ, কামাখ্যা তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনা যায়। দেওধনি নৃত্যকে আদি কৰি দেব-দেৱীৰ আৱিৰ্ভাৱৰ সীমা-সংখ্যা নাই।

কামৰূপৰ কামাখ্যাৰ অম্বুবাচীত হাজাৰ হাজাৰ ভক্তৰ সমাগম হয় আৰু তাৰ লগতে দেওধনি ৰূপত দেৱ-দেৱীবোৰে আত্মপ্ৰকাশ কৰি ব্যক্তিগত মানুহ তথা দেশৰ অপায়-অমংগল আদিৰ বিষয়ে ভৱিষ্যদ্বাণী শুনায়। বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা চালে ইয়াৰ কোনো মূল্য নাই—কিন্তু পুৰণিকালৰ পৰাই দেৱ-দেৱীৰ আত্মাৰ বিৱৰ্তন বা দেওধনি বাণীবোৰ সাৰোগত কৰি আহিছে।

সাজ-পোছাক ঃ

ভগৱান পৰমেশ্বৰ কোন্দিমামাই সৃষ্টি কৰিবৰ মনেৰে পৃথিৱীত ভৰি দিলে। পৃথিৱীত আদিতে সেই সময়ত শিল-বালিৰ বাহিৰে একো বস্তু নাছিল। কোন্দিমামাই প্ৰথমে আকাশ, বতাহ আৰু পানীৰ সৃষ্টি কৰিলে। তাৰ পাছত গছ-গছনি সৃজন কৰিলে। গছ-গছনিত অনেক ফুল-ফল সৃজন কৰিলে। তাৰ পাছত জীৱ-জন্তু সৃজন কৰিবলৈ মন কৰি প্ৰথমে কপৌ চৰাই এহাল সৃজন কৰিলে আৰু সিহঁতৰ খাদ্য নিৰ্ধাৰণ কৰিলে সৰু-সৰু শিলগুটি আৰু সৰিয়হ জাতীয় গুটি। (কপৌ জাতীয় চৰাইয়ে সৰু সৰু শিলগুটি খোৱা দেখা যায়।) গছ-গছনি সৃজন কৰাৰ পাছত ইমান গছ-গছনি হ'ল আৰু গছত গুটি লাগিবলৈ ধৰিলে। এই গছৰ গুটিবিলাকক দুভাগত ভাগ কৰা হ'ল। এবিধ জীৱ-জন্তুবিলাকে খোৱা আৰু আনবিধ জীৱ-জন্তুৱে নোখোৱা এই বিধক ঔষধি গছ ৰূপে গণ্য কৰা হ'ল। কোন্দিমামাই নিজৰ বাওঁফালৰ পৰা আদ্যাশক্তি মহামায়াক সৃজন কৰিলে। আৰু পত্নীৰূপে গ্ৰহণ কৰিলে। মহামায়াই প্ৰথমে কঁকালত মেখেলা পিন্ধিছিল আৰু পুষ্পিতা হোৱাৰ পাছত বুকুত বাইগা (গামোচাৰ দৰে) পিন্ধিছিল। বাইগা পিন্ধি কেৰ্কেটুৱা হৈ গছৰ ওপৰ লৈ উঠি নাচি নাচি কোন্দিমামাক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। কোন্দিমামাৰ লগত বিয়া হোৱাৰ পাছত বুকুলৈকে বৈ পৰাকৈ মেখেলা আৰু কঁকালত আঁঠুৰ তললৈকে বৈ পৰাকৈ জকাচিৰা বা গামোচাৰ দৰে পিন্ধিছিল। এই জকাচিৰা আৰু বুকুলৈকে মেখেলা পিন্ধাই হৈছে বিবাহিত ছোৱালীৰ লক্ষণ। গছ-গছনিৰ মাজত ঘূৰি ফুৰিবলৈ সুবিধা হোৱাৰ কাৰণে কোন্দিমামাই সাপৰ ৰূপ আৰু মহামায়াই বাঘৰ ৰূপ ধাৰণ কৰিছিল। সৃষ্টিৰ প্ৰথম ছোৱালীয়ে বাইগা আৰু বুকুলৈকে মেখেলা আৰু জকাচিৰা পিন্ধা এই চিন আজিও কেৰ্কেটুৱাৰ গাৰ বৰণত দেখা যায়। ই দেউৰীসকলৰো আদি সাজ-পোছাক। আজিও দেউৰীসকলে এই সাজ-পোছাক পৰিধান কৰি সেই পৌৰাণিক পৰম্পৰা ৰক্ষা কৰি আহিছে।

কাৰবিসকলৰ অতীত ইতিহাস

বৰছিং ৰংফাৰ

লিখিত বুৰঞ্জীৰ অভাৱত কাৰবিসকলৰ উৎপত্তি, আদি বাসস্থান, অসম আগমন আৰু উত্থান-পতনৰ বিষয়ে সঠিকভাৱে জনা নাযায়। কিন্তু অতীত ইতিহাসৰ পম খেদি গ'লে এটা কথা বোধগম্য হয় যে বৰ্তমান যিখন কাৰবি আংলং জিলা, সেই জিলাখনৰ যি ভৌগোলিব আৰু প্ৰশাসনীয় এলেকা, সেই এলেকাত অতীতত যিসকল মানুহে বাস কৰিছিল, তেওঁলোকৰ সুদীৰ্ঘ ইতিহাস এখন নিশ্চয় আছিল। কাৰবিসকলৰ মুখে মুখে চলি অহা গীত-মাত, সাধুকথা, লোক-কাহিনী (যেনে— মিচুংক্ৰেত আলুন, থংনক্‌বে, ৰাইছং, ছিৰৰ'মু, হাঈ'মু, বিখা কাংবুৰৰা, ৰেংবংহম, ৰংফাৰপী ৰংবে আদি)য়ে এই কথাৰ ইংগিত দিয়ে। তদুপৰি জিলাখনৰ বিভিন্ন ঠাইত থকা ভগ্নাৱশেষ আদি আৰু প্ৰাপ্ত নথি-পত্ৰকে ধৰি অন্যান্য বুৰঞ্জীৰ সমলেও এই কথাৰ ইংগিত দিয়ে। প্ৰস্তৰ (Neolithic) আৰু প্ৰত্নপ্ৰস্তৰ (Megalithic) যুগৰ বুলি সাব্যস্ত হোৱা কিছুমান সামগ্ৰী আৰু পুৰণিকলীয়া ধ্বংসস্তূপ কিছুমানৰ যোগেদি এই কথা বুজিব পাৰি যে কাৰবি আংলঙৰ অতীত অধিবাসীসকলে উক্ত সামগ্ৰী তথা ধ্বংসস্তূপ আদিৰ সৃষ্টি কৰিছিল। কিন্তু পৰিতাপৰ কথা যে কাৰবিসকলৰ ইতিহাসৰ বিষয়ে এতিয়াও তেনেকৈ একো বিতংকৈ জানিব পৰা হোৱা নাই।

চমকপ্ৰদ লোক-কাহিনীৰে অসমৰ জনজাতিৰ জগতখন পৰিপূৰ্ণ। তেওঁলোকৰ উৎপত্তি, ভাষা-সংস্কৃতি আৰু জীৱন নিৰ্বাহৰ পদ্ধতি প্ৰত্যেকৰে সুকীয়া সুকীয়া আৰু ভৈয়াম অঞ্চলত প্ৰত্যেক গোষ্ঠীৰে নিজা নিজা পৰিচয় আছে। তথাপি ৰাজ্যখনৰ বিভিন্ন স্থানৰ পাহাৰ-ভৈয়ামৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ ঠাইসমূহত বাস কৰা এই জনজাতীয় লোকসকলৰ মাজত আনন্দ, ভালপোৱাৰ ভাব, ঐক্য আৰু সহাৱস্থানৰ এটা পৰম্পৰা আছে।

অসমৰ দক্ষিণ-পূব অংশত বসবাস কৰা তেনে এক জনজাতি হৈছে কাৰবিসকল। তেওঁলোকৰ অধিকসংখ্যকেই হৈছে কাৰবি আংলং জিলাৰ।'এই কাৰবিসকল অসম বুৰঞ্জীত 'মিকিৰ' নামেৰেহে

পৰিচিত। কিন্তু তেওঁলোকে নিজকে 'কাৰবি' নতুবা 'আৰলেং' বুলিহে চিনাকি দিয়ে বা চিনাকি দি ভাল পায়। 'মিকিৰ' শব্দটো ক'ৰ পৰা উৎপত্তি হ'ল আৰু কোনে এই নাম প্ৰৱৰ্তন কৰিলে, সেই বিষয়ে সঠিককৈ একো জনা নাযায়।

এসময়ত ছট ৰজাৰ পাছত থিৰেং ৰাংৰেং নামৰ এজন কাৰবি বীৰে বৰ্তমান ডিমাপুৰৰ ওচৰৰ 'হায়ুং ডিমুৰা' (Hayong Dimura) নামেৰে এখন ৰাজ্য পাতে। এই ৰাজ্যৰ মেক্ৰি নামৰ এজনী ৰাজকুমাৰী নগা ৰাজকুমাৰৰ লগত বিয়া হয়। নগাসকলে 'মেক্ৰি'ক শুদ্ধকৈ উচ্চাৰণ কৰিব নোৱাৰি 'মিকিৰ' বুলিছিল। তাৰ পৰাই 'মিকিৰ' শব্দটোৰ উৎপত্তি হোৱা বুলি এচাম লোকে ক'ব খোজে। কাৰবিসকলে ভাবে যে 'মিকিৰ' নামটো তেওঁলোকক অনা-কাৰবিসকলেহে দি লোৱা নাম। তেওঁলোকৰ কিংবদন্তিতো 'মিকিৰ' শব্দৰ কোনো উল্লেখ নাই বা 'মিকিৰ' শব্দৰ কোনো তাৎপৰ্যও নাই। এই বিষয়ে লায়াল চাহাবৰ মন্তব্য উল্লেখযোগ্য ঃ "The name Mikir is that given to the race by the Assamese : its origin is unknown. They call themselves 'Arleng', which means man in general." (The Mikirs, Page 4)

'মিকিৰ' শব্দটোৰ কোনো অৰ্থ বিচাৰি পোৱা নাযায়। 'আৰলেং' মানে মানুহ বা স্বজাতি। 'কাৰবি' নামৰ উৎপত্তি সম্পৰ্কে এনে বিভিন্ন মত শুনিবলৈ পোৱা যায় ঃ

এটা জনশ্ৰুতি মতে কোনোবা এজন কাৰবি আদিম পুৰুষে হেনো ঘৰৰ ভিতৰত একুৰা জুই ধৰিছিল। জুই ধৰাক কাৰবিসকলে 'মে পাকাৰ' আৰু জুই শিখাক 'মে আকাৰ' বুলি কয়। জ্বলি উঠা জুইকুৰা সেই পুৰুষজনে 'বি' অৰ্থাৎ এৰি থৈ অহাত তেওঁৰ পত্নীয়ে হেনো কৈছিল— "মে আকাৰ চংহই বি কাংকক' অৰ্থাৎ জ্বলা জুইকুৰা কিয় এৰি আহিছা? এই 'মে আকাৰ বি' বাক্যাংশৰ 'মে আ' বিলুপ্ত হৈ কালক্ৰমত 'কাৰবি' হ'ল বুলি কিছুমানে মত প্ৰকাশ কৰিব খোজে।

আৰু কিছুমানৰ মতে, 'মে আকাৰ' শব্দ দুটিৰ পৰাহে 'মিকিৰ' নামটো উৎপত্তি হৈছে। লংকাম টেৰণ আৰু কৰেন দাসৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'কাৰবি কৃষ্টিৰ উৎস' নামৰ গ্ৰন্থখনত 'কাৰবি' শব্দৰ উৎপত্তি সম্পৰ্কে মত প্ৰকাশ কৰা হৈছে এনেদৰে ঃ 'সৃষ্টিৰ আদিৰ পৰাই এই জনগোষ্ঠীৰ লোকে ঐশ্বৰিক শক্তিৰ ওপৰত দৃঢ় বিশ্বাস স্থাপনৰ মাজেৰে যিকোনো খাদ্যবস্তু গ্ৰহণ কৰাৰ প্ৰাক্‌মুহূৰ্তত আৰু পূজা-পাৰ্বণত ভগৱানৰ নামত তেনে খাদ্যবস্তু কিঞ্চিত হ'লেও উছৰ্গা নকৰাকৈ গ্ৰহণ নকৰে। এই প্ৰথাৰ নাম তেওঁলোকৰ ভাষাত 'থেকাৰ কিবি' (থেকাৰ— উৎসৰ্গীকৃত দ্ৰব্য, কিবি— ৰখা বা পালন কৰা কাৰ্য) বোলা হয়। কালক্ৰমত তেওঁলোকে নিজকে 'থেকাৰ কিবি' সম্প্ৰদায় বুলি পৰিচয় দিবলৈ ল'লে। এই 'থেকাৰ কিবি' শব্দৰ 'থে' আৰু 'কি' শব্দ উচ্চাৰণত বিলুপ্তি ঘটাই অৱশেষত চমুকৈ 'কাৰবি' বুলি কোৱা হ'ল আৰু আজিও এই জনগোষ্ঠীৰ নাম 'কাৰবি' বুলি পৰিচিত।' (দ্ৰষ্টব্য ঃ পৃষ্ঠা ১)

আনহাতে অধ্যাপক ৰংবং তেৰাঙৰ মতে, জুইৰ ধাৰণাৰ পৰাই 'কাৰবি' শব্দটোৰ উৎপত্তি হৈছে। পদ্মশ্ৰী সন্মানপ্ৰাপ্ত তেৰাঙে লিখিছে— 'কাৰবি শব্দটোৰ ব্যুৎপত্তি সম্বন্ধে বহুজনৰে সুকীয়া ধাৰণা হয়তো থাকিব পাৰে। এনে বিতৰ্কবোৰলৈ নগৈ আদিম কাৰবি পুৰুষৰ মনত উদয় হোৱা জুইৰ ধাৰণাকেই শব্দটোৰ ব্যুৎপত্তিৰ স্থূল বুলিব পাৰি। কিয়নো কাৰবি জনগোষ্ঠীৰ মাজত জুইৰ প্ৰতি থকা শ্ৰদ্ধাৰ ভাব আজিও গভীৰভাৱে অংকুৰিত হৈ আছে। তেওঁলোকৰ বৰঘৰৰ 'কুট' নামৰ মূল কোঠাৰ জুইশালৰ জুই অনিৰ্বাপিত কৰি ৰখাটোৱেই সনাতন কাৰবি ধৰ্মৰ আদৰ্শ। 'মে আকাৰ কেবি' বাক্যাংশৰ পৰাই

চমুকৈ 'কাৰবি' শব্দটো গঠিত হৈছে। এই শব্দটোৰ বহল অৰ্থ হ'ল অগ্নিপূজক। (দ্ৰষ্টব্য : 'সমন্বয় প্ৰবাহ' প্ৰবন্ধ সংকলনৰ 'কাৰবিসকল'ৰ প্ৰবন্ধটো)

আন কিছুমানৰ মতে, আদিতে হিমালয়ৰ নামনিত বসবাস কৰা কাৰবিসকলক দ্ৰাবিড়সকলে দক্ষিণ ভাৰতলৈ খেদি পঠিয়ায়। দক্ষিণ ভাৰতত তেওঁলোকে কিষ্কিন্ধা ৰাজ্য স্থাপন কৰে। কিষ্কিন্ধাবাসীৰ সহায়তে ৰামে সীতাক উদ্ধাৰ কৰাৰ পাছত সেনাপতি অংগদে পুনৰ স্বদেশলৈ উভতি নগৈ ৰামেশ্বৰ সেতুবন্ধৰ ওচৰত নতুন ৰাজ্য পাতে। তাতে অপায়-অমংগলে দেখা দিয়াত তেওঁ কাবেৰী নদীৰ পাৰত ৰাজ্য স্থাপন কৰে। তাতো নানা অসুবিধা পাই উত্তৰ ভাৰতলৈ গুচি আহে। উত্তৰ ভাৰতৰ লোকসকলে তেওঁলোকক 'কাবেৰীবাসী' ('কাবেৰী আছ') বুলি ক'বলৈ আৰম্ভ কৰে। এই 'কাবেৰী'ৰ পৰাই 'কাৰবি' শব্দটোৰ উদ্ভৱ হৈছে বুলি কিছু লোকে মত প্ৰকাশ কৰে। অৰ্থাৎ দক্ষিণ ভাৰতৰ কাবেৰী নদীৰ পাৰৰ পৰা এসময়ত যিটো জনগোষ্ঠী উত্তৰ ভাৰতলৈ আহিছিল, তেওঁলোকেই 'কাৰবি' বুলি কালক্ৰমত জনাজাত হ'ল।

অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট কাৰবি লেখক, সাহিত্যিক লংকাম টেৰণদেৱৰ মতে, 'কাৰবি' মানে 'কাৰ', অৰ্থ— জ্বলন্ত একুৰা পোহৰ (ধ্বংসমূলক নহয়) আৰু 'বি' মানে কৰ্ম বা দীক্ষা; অৰ্থাৎ যি কৰ্মই যি জাতিক যুগ-যুগান্তৰ ধৰি পোহৰৰ বিকাশ সাধন কৰি সজীৱ কৰি ৰাখিছে আৰু ভৱিষ্যতেও ৰাখিব, সেই ধৰ্ম বা জাতিৰ নামেই 'কাৰবি' ('কাৰবি জনগোষ্ঠী', পৃষ্ঠা ২)। আনহাতে 'থেকাৰ কিবি' শব্দ দুটাৰ পৰাই 'কাৰবি' শব্দটোৰ উৎপত্তি হোৱা বুলি ভবাৰ যথেষ্ট থল আছে। কাৰণ কাৰবি সমাজত বহু ক্ষেত্ৰত 'থেকাৰ' দিয়া নিয়ম আছে। ভগৱান বা আন দেৱতাৰ পূজাত কাৰবিসকলে বিশ্বাস কৰি কিছুমান বস্তু আগবঢ়ায় আৰু এইদৰে ভক্তিত আগবঢ়োৱা ত্ৰখাক 'থেকাৰ কিবি' (থেকাৰ দিয়া) বুলি কোৱা হয়। প্ৰাচীন যুগৰ পৰাই বিয়া-সবাহ, ছক কেৰই কেকান (লখিমী অনা উৎসৱ), চ'জুন (স্বৰগ পূজা) আদি বিভিন্ন উৎসব, পূজা-পাতলৰ সময়ত 'থেকাৰ' দিয়া নিয়ম কাৰবি সমাজত প্ৰচলিত হৈ আহিছে আৰু এতিয়াও ইয়াৰ প্ৰচলন আছে। সেই কাৰণেই কাৰবিসকলে নিজকে 'থেকাৰ কিবি আছ' (থেকাৰ ৰখা জাতি) বুলিও পৰিচয় দিয়ে।

কালক্ৰমত 'থেকাৰ কিবি'ৰ 'থে' আৰু 'কি' লুপ্ত হৈ 'কাৰবি' থাকিলগৈ। এনেদৰে ভগবানৰ পূজাত বিশ্বাসী জাতিৰ নাম 'কাৰবি' হ'ল। 'কাৰবি' শব্দৰ তাৎপৰ্য আছে বাবেই জিলাখনৰো নাম কাৰবি আংলং হৈছে। কাৰবি ভাষাত 'আংলং' মানে পাহাৰ বুজায়।

কাৰবিসকলৰ অসম আগমনৰ সঠিক পথ আৰু সময়ৰ তথ্যপূৰ্ণ কোনো লিখিত বুৰঞ্জী পাবলৈ নাই যদিও তেওঁলোকৰ মাজত প্ৰচলিত কিংবদন্তি বা লোকগীত আদি আৰু ঐতিহাসিক আৰু নৃতাত্ত্বিক গৱেষণাৰ পৰা আমি কাৰবিসকলৰ আদি বাসস্থান আৰু অসম আগমনৰ সম্পৰ্কে কিছু আভাস পাব পাৰোঁ। তাৰ বাবে আমি প্ৰাগ-ঐতিহাসিক যুগলৈ ঘূৰি যাব লাগিব।

অধিকসংখ্যক লেখক আৰু পণ্ডিতে কাৰবিসকলক তিব্বত-বৰ্মীয় বুলি কয় আৰু অবিভক্ত অসমৰ আন জনগোষ্ঠীবোৰৰ দৰে কাৰবিসকলেও শ শ বছৰৰ আগতে তেওঁলোকৰ আদি বাসস্থান মধ্য এছিয়াৰ পৰা প্ৰব্ৰজন কৰিছিল বুলি মত পোষণ কৰে। কিন্তু আন কিছুমান পণ্ডিত আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কাৰবিসকলক অষ্ট্ৰিক জাতিৰ বুলিহে অভিহিত কৰিছে। কলাগুৰু ৰাভাই 'অসমীয়া কৃষ্টি'ত এইদৰে লিখিছে— 'অসমৰ পাহাৰে-পৰ্বতে, গুহাই-কন্দৰে, নৈয়ে-ভৈয়ামে, হাবিয়ে-বননিয়ে

এই মিকিৰসকলেই প্ৰথম বিচৰণ কৰি ফুৰিছিল। তেওঁলোকেই অসম আৱিষ্কৰ্তা কলম্বাছ। তেওঁলোক অষ্ট্ৰিক জাতীয়।'

... আড়াই লাখ বছৰীয়া কালৰ সোঁতেও তেওঁলোকৰ কৃষ্টি আৰু উলংগ বৰ্বৰ সভ্যতাক উটুৱাই নিব পৰা নাই। আৱৰণৰ ভিতৰত এটা সামান্য লেংটি; তাতো বিশেষ কাৰুকাৰ্য নাই। খাদ্যৰ ভিতৰত লতাৰ আলু, ফল-মূল, গছৰ পাত। গতিকে এই মিকিৰসকলেই আদিম অসমীয়াৰ প্ৰতিচ্ছবিৰ এতিয়াও চিনাকি দি আছে। কিমান সংগ্ৰাম যে চলাইছিল, তেওঁলোকে কিমান যে যুঁজিছিল হিংস্ৰ জন্তুবিলাকৰ স'তে, তাক কল্পনা কৰিলেও আজিৰ অসমীয়াৰ মন-প্ৰাণ আতংকত আতংকিত হয়, গাৰ নোম থিয় দিয়ে। ... এই অসমত প্ৰথম মানৱৰ প্ৰথম বাসস্থান গঢ়োতে কিমান পৰিশ্ৰম লাগিছিল, এই মিকিৰসকলেই জানে।'

অৱশ্যে এই কথা আজি প্ৰমাণিত হৈছে যে কাৰবিসকলৰ ভাষা হ'ল মূলতে তিব্বত-বৰ্মী। কাৰবিসকলক নগা, কুকি, মিছিমি, ডফলা আদি জাতিৰ মূল বুলি কোৱা হয়। কাৰবিসকলৰ মাজত প্ৰচলিত নানা লোকগীত আৰু কাহিনীসমূহত তেওঁলোক কুকি-চিন[১] পৰিয়ালৰ অন্তৰ্গত বুলিহে আছে। এই কুকি-চিন গোটটো হ'ল মংগোলীয় জাতিৰ তিব্বত-বৰ্মী ঠালৰ এটা প্ৰধান ভাগ। বিশিষ্ট কাৰবি সাহিত্যিক ৰংবং তেৰাংদেৱেও 'সমন্বয় প্ৰৱাহ' গ্ৰন্থত লিখিছে যে ভাষাতাত্ত্বিক দিশৰ পৰা এই জনগোষ্ঠী (কাৰবি) মূলতঃ তিব্বত-বৰ্মীয় আৰু নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা এইসকল মংগোলীয়।

কাৰবিসকল বৃহৎ মংগোলীয় জনগোষ্ঠীৰ লোক। নৃতাত্ত্বিক আৰু ঐতিহাসিক গৱেষণাই আজি এই কথা প্ৰমাণ কৰিছে যে উত্তৰ-পূব অঞ্চলত প্ৰাক্-ঐতিহাসিক প্ৰস্তৰ যুগৰ পৰাই মংগোলীয় জনগোষ্ঠীৰ লোকসকলে বসবাস কৰিছিল। উত্তৰ-পূব অঞ্চলত আৱিষ্কৃত প্ৰস্তৰ যুগৰ শিলৰ আহিলাবোৰে উত্তৰ-পূব ভাৰতত প্ৰস্তৰ যুগত মানুহৰ বসবাসৰ প্ৰমাণ দিয়ে। পণ্ডিতসকলে উত্তৰ-পূব ভাৰতত মংগোলীয় জনগোষ্ঠীৰ লোক অহাৰ পূৰ্বে অষ্ট্ৰেলীয় জনগোষ্ঠীৰ লোকসকল আছিল বুলি কয়। কিন্তু পাছত অহা বৃহৎসংখ্যক মংগোলীয় জনগোষ্ঠীৰ লগত তেওঁলোক সম্পূৰ্ণভাৱে সংমিশ্ৰিত হৈ যায়। ড° টি চি শৰ্মাই তেখেতৰ 'North East India in Prehistoric Times' নামৰ প্ৰবন্ধত এইবুলি লিখিছে— "The Premealithic proto-Australoid population of North East India might have been completely dispersed by the immigrant Mongoloid population, as packets of proto-Australoid groups are not to be found among the present population of North East India." (The Tribes of North East India, Page 10)

মহাভাৰত আৰু সংস্কৃত সাহিত্যবোৰত উল্লেখ পোৱা উত্তৰ-পূব ভাৰতত 'কিৰাট' লোকসকল মংগোলীয় লোক বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। প্ৰাক্-বৈদিক যুগ আৰু মহাভাৰতৰ যুগৰ পৰাই উত্তৰ-পূব ভাৰতত মংগোলীয় লোকসকল আছিল। উত্তৰ-পূব ভাৰত অতীজৰে পৰা মূলতঃ মংগোলীয় জনগোষ্ঠীৰ বাসভূমি।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, মংগোলীয় জনগোষ্ঠীৰ লোকসকল তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ লোক। তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ মংগোলীয় লোকসকলৰ প্ৰাচীন বাসভূমি আছিল উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ উপত্যকা অঞ্চল (A Cultural History of Assam, Early Period, Guwahati, 1969, Page 6)। আজিৰ পৰা কেইবাশ শতিকাৰ আগেয়ে সেই অঞ্চলৰ পৰা এই মংগোলীয় জনগোষ্ঠীৰ লোকসকলে দক্ষিণফালে প্ৰব্ৰজন কৰিছিল আৰু তেওঁলোক

তিব্বতত উপনীত হোৱাৰ পাছত বিভিন্ন ভাগত বিভক্ত হৈ বিভিন্ন পথেৰে আহি উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰি সিঁচৰতি হৈ পৰে।

তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ লোকসকলৰ প্ৰাচীন বাসভূমি সম্পৰ্কত ড° পি চি চৌধুৰীয়েও ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সৈতে সহমত পোষণ কৰে। ড° চৌধুৰীয়ে কয় যে তিব্বত-বৰ্মীসকল সম্ভৱতঃ উত্তৰ অঞ্চলৰ পৰা অসমত প্ৰৱেশ কৰিছিল। ড° চৌধুৰীয়ে আৰু কয় যে তিব্বত-বৰ্মী গোষ্ঠীৰ লোকসকলে ব্ৰহ্মপুত্ৰ, চিন্দৱিন, ইৰাৱতী, চালৱীন, মেকং আৰু মেনাম নদীৰ পাৰে পাৰে গতি কৰি উত্তৰ-পূব আৰু দক্ষিণ-পশ্চিম হৈ অসম-ব্ৰহ্মদেশৰ পৰ্বতমালাৰ গিৰিপথেদি অসমত প্ৰৱেশ কৰে। ('A History of Civilisation of the people of Assam to the 12th Century A.D.', Guwahati, 1959, Page 86)

তিব্বত-বৰ্মী ভাষিক গোষ্ঠীৰ লোকসকল অসমলৈ প্ৰব্ৰজন কৰাৰ সন্দৰ্ভত ৰায় বাহাদুৰ কে এল বৰুৱাই কয় যে "These later Mongolian belonged to the Tibeto-Burman family of Indo-Chinese group and their representatives of the present days are Kacharis, Koches, Rabhas, Meches, Mikirs, Lalungs, Garos, Nagas, Kukis and Chutias." ('Early History of Kamrup', Guwahati, 1966, Page 13 &14)

পশ্চিম চীনৰ মংগোলীয় জনগোষ্ঠীবোৰ উত্তৰ-পূব অঞ্চলৰ পৰাহে অসম হৈ ভাৰতত প্ৰৱেশ কৰা বুলি কিছুমান লেখকে পোষণ কৰা মতক ছাৰ এডৱাৰ্ড গেইটেও সমৰ্থন কৰে। গেইটে কয়... 'while from the North-East, through Assam, have come successive hordes of immigrants from the great hive of the Mongolian race in Western China'. ('A History of Assam', Calcutta, 1963, Introduction to the First Edition)

ড° ডি এন মজুমদাৰে এই মত পোষণ কৰে যে পূব আৰু উত্তৰ-পূব দিশৰ পৰা প্ৰথম ইণ্ডো-চীন আক্ৰমণ তিব্বত-বৰ্মীসকলেহে কৰিছিল। ('Races and Cultures of India', Bombay, 1965, Page 49)

উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীসকল যে মংগোলীয় আৰু তেওঁলোকৰ আদি বাসভূমি যে চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ দাঁতি-কাষৰীয়া অঞ্চল আছিল, এই মত কিন্তু নাকচ কৰিছে এম এল বসুৱে। তেওঁৰ মতে, কিৰাটসকল মংগোলীয় নাছিল; বৰং ভাৰত, চীন আৰু ব্ৰহ্মদেশৰ সংযোগস্থলেই হ'ল মংগোলীয়সকলৰ আদি বাসস্থান। ('The Problems of Identifications and Immigration of the North-East Frontier Tribes', The North East India Research Bulletin, Volume V, 1974, Page 45 to 50)

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই কয় যে কিৰাটসকলেই অসমৰ আদিম অধিবাসী বুলি 'কালিকা পুৰাণ'তো উল্লেখ আছে আৰু মহাভাৰতৰ মতে, কিৰাটসকল ব্ৰহ্মপুত্ৰৰ আশে-পাশে বসতি কৰিছিল। এই মহাকাব্যত চীনা আৰু কিৰাটসকলক লৈ ভগদত্তৰ সৈন্যবাহিনী গঠিত হৈছিল বুলি উল্লেখ আছে। ড° বৰুৱাৰ মতে, কিৰাটসকল আছিল— 'shaven heads and yellow skins and were ferocious, ignorant and addicted to meat and drink.' ('A Cultural History

of Assam, Early Period', Guwahati, 1969, Page 5 & 6)

নৃতত্ত্বৰ অধ্যাপক ড° বি এম দাসে লিখিছে— "The original homeland of the speakers of the Tibeto-Burman language was in North-West China near the Howang-Ho and Yangtjikiang rivers. From there they migrated South-West. Somewhere in North-Burma the group become diversified. One group migrated Westward along the sub-Himalayan ranges. Another group entered the Brahmaputra valley by the North-Eastern route while one more group managed towards South to reach as far as South-East Asia. These different populations later on entered North-East India via different routes. The possible routes of migration are mainly: Assam-Burma route on the Eastern side of one which is through the Patkai ranges, Northern passes of Bhutan, Tibet and Nepal and passes in the South and South Eastern regions." ("The Tribes of North-East India, Page 43 & 44")

কাৰবিসকল তিব্বত-বৰ্মী ভাষিক গোষ্ঠীৰ বৃহৎ মংগোলীয় জনগোষ্ঠীৰেই লোক। কিছুমান পণ্ডিত আৰু লেখকে কাৰবিসকলক নগা-বড়োভাষীসকলৰ ঠাল বুলি কয়। আনহাতে জেমিনি পালে কয় যে –"Whatever may be their origin they are at present overwhelmingly a mixture of the Austric and Bodos." অৰ্থাৎ কাৰবি ভাষাটো অষ্ট্ৰিক আৰু বড়ো ভাষাৰ সংমিশ্ৰণত উৎপত্তি হৈছে। ড° জি এ গ্ৰিয়াৰ্ছনে 'Linguistic Survey of India', Volume III, Part II-ত কাৰবি ভাষাটোৰ বড়ো আৰু নগা ভাষাৰ লগত থকা ওচৰ সম্বন্ধৰ কথা উল্লেখ কৰিছে। কিন্তু পৰৱৰ্তী কালৰ গৱেষণাই এই কথা সত্য নহয় বুলি প্ৰমাণ কৰিছে। কাৰবি ভাষাটোৰ কুকি-চিন ভাষা-গোষ্ঠীৰ লগতহে সাদৃশ্য দেখা যায়। কাৰবি লোকগীতবোৰতো কুকি-চিন ভাষা-গোষ্ঠীৰ লগত ওচৰ সম্বন্ধৰ কথা উল্লেখ আছে। এইখিনিতে ড° বি এম দাসৰ এটা মন্তব্য উল্লেখযোগ্য— "The Karbi (Mikir) of the Karbi Anglong District of Assam is an interesting tribe in the sense that though they belong to Assam-Burma group of Tibeto-Burman linguistic family, they can neither be put under Bodo nor any other linguistic group." (The Tribes of North-East India, Page 47)· অসমৰ চেঞ্চাছ কমিছনাৰ চাৰ্লছ লায়াল চাহাবেও তেওঁৰ 'The Mikirs' নামৰ কিতাপত কাৰবি ভাষাৰ বিষয়ে বিশ্লেষণ কৰি এইবুলি লিখিছে— "They therefore belong to the common stock of the Tibeto-Burman languages of Assam and do not by themselves prove any close connection of Mikir with Boro." (Page 165)

বিভিন্ন পথেৰে মংগোলীয় জনগোষ্ঠীয় লোকসকলৰ উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰাৰ প্ৰসংগলৈ আঙুলিয়াই কাৰবিসকল উত্তৰ-পূব আৰু দক্ষিণ পথেদি ব্ৰহ্মদেশ হৈ পাটকাই পৰ্বতৰ গিৰিপথেদি অসমত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। কাৰবিসকলৰ লোকগীত আৰু জনবিশ্বাসবোৰেও তাকেই কয়। ড° পি চি চৌধুৰীয়ে তেখেতৰ গৱেষণা গ্ৰন্থ 'History of Civilisation of the

People of Assam'ত এইবুলি মত প্ৰকাশ কৰিছে— "Most of the Mongolians migrations to Assam' took place through the North-Eastern and Southern routes of Assam via Burma. The Nagas are believed to have come from various directions. None of the Tibeto-Burmans came probably from the North comprising the Aka, Mishimi, Garo, Mikir, Kachari etc." (Page 79)

ষ্টেক আৰু লায়াল চাহাবেও কাৰবিসকল এসময়ত হিমালয় আৰু ব্ৰহ্মদেশৰ পৰ্বতীয়া অঞ্চলত বাস কৰিছিল বুলি মত প্ৰকাশ কৰিছে। কাৰবি জনবিশ্বাস আৰু লোকগীতবোৰতো কাৰবিসকল হিমালয়ৰ পাদদেশত হোমেশ্বৰ বা হিমগিৰিত থকাৰ কথা উল্লেখ পোৱা যায়। এসময়ত হোমেশ্বৰত আছিল বাবেই আজিও কাৰবিসকলে পূজা-পাতলত 'হেম হেম' শব্দৰে মন্ত্ৰ আৰম্ভ কৰে বুলি বিশ্বাস।

কাৰবিসকলৰ আদি বাসস্থান আৰু অসম আগমন সম্পৰ্কে শেষত আমি এই মত পোষণ কৰিব পাৰোঁ যে উত্তৰ-পুব ভাৰতৰ আন জনগোষ্ঠীৰ দৰেই পশ্চিম চীন দেশৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উপত্যকা অঞ্চলেই কাৰবিসকলৰো আদি বাসস্থান। এই উপত্যকা অঞ্চলৰ পৰাই তেওঁলোক ইৰাৱতী, চিন্দৱিন নদীৰ পাৰে পাৰে গতি কৰি ব্ৰহ্মদেশত প্ৰৱেশ কৰে আৰু তাত কিছুকাল থাকিবলৈ লয়। ব্ৰহ্মদেশৰ পৰা তেওঁলোক আকৌ উত্তৰ-পূব পথেদি পাটকাই পৰ্বতমালাৰ গিৰিপথেদি আন তিব্বত-বৰ্মী গোষ্ঠীসমূহৰ সৈতে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গতি কৰি অসমত প্ৰৱেশ কৰে আজিৰ পৰা খ্ৰীষ্টপূৰ্ব কেইবা শতিকা আগতে।

কাৰবিসকলৰ অসম আগমন ঃ

কাৰবিকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলৰ সকলোবোৰ জাতিসত্তাৰে আদি বাসস্থান আৰু অসম আগমনৰ সঠিক পথ আৰু সময় সম্পৰ্কে একে আষাৰে কৈ দিব পৰা নাযায়। লিখিত বুৰঞ্জীৰ অভাৱ আৰু দুৰ্গম অঞ্চলেই হয়তো ইয়াৰ কাৰণ। কিন্তু সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদসকলে বিভিন্ন ভাষাৰ তুলনামূলক অধ্যয়ন, শৰীৰৰ বিশেষকৈ নাক আৰু লাওখোলাৰ গৱেষণাৰ মাধ্যমেৰে এইক্ষেত্ৰত কিছু আলোকপাত কৰিছে। এনেবোৰ অনুসন্ধান আৰু তথ্যৰে বৰ্তমান তেওঁলোকে প্ৰায় ডাঠি ক'ব খোজে যে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইবোৰ জাতিসত্তাৰে আদি বাসস্থান দক্ষিণ-পশ্চিম চীন দেশ। কালক্ৰমত মানৱ জীৱনৰ চিৰন্তন ক্ষুধা নিবাৰণ আৰু নিৰাপদ আশ্ৰয়ৰ সন্ধানত এওঁলোকে সেই অঞ্চলৰ নদীৰ পাৰে পাৰে গতি কৰে। কাৰবিকে আদি কৰি উত্তৰ-পূব ভাৰতৰ জাতিসত্তাসমূহৰ পূৰ্বপুৰুষসকলে ব্ৰহ্মপুত্ৰৰ উৎস নদী চাম্পুৰ পাৰে পাৰে পূবলৈ আৰু তাৰ পাছত দক্ষিণলৈ ঢাপলি মেলে। বহুতো সমাজ বিজ্ঞানীয়ে ক'ব খোজে যে এই প্ৰব্ৰজনৰ কাৰণ প্ৰয়োজনৰ তাগিদা নহয়; বৰঞ্চ ই হ'ল তেওঁলোকৰ যাযাবৰী স্বভাৱৰ প্ৰতিক্ৰিয়াহে। সি যি কি নহওক, বিভিন্ন দলে বিভিন্ন সময়ত মূল ঠালৰ পৰা ফালৰি কাটি বেলেগ বেলেগ নৈ-উপনৈৰ পম খেদি বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলত সোমাই পৰেহি। এইদৰে তেওঁলোক বিভিন্ন সৰু সৰু দলত বিভক্ত হৈ পৰে। যাতায়াতৰ অসুবিধাৰ বাবে আৰু প্ৰত্যেকৰে অঘৰী স্বভাৱৰ বাবে এটা দলৰ লগত আনটো দলৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰে। নিৰ্দিষ্ট ভৌগোলিক অৱস্থানত কালক্ৰমত প্ৰত্যেকটো দলে নিজকে এটা বেলেগ জাতিসত্তা বুলি চিনাকি দিয়ে। তথাপি তেওঁলোকৰ চেহেৰা বা ভাষাৰ কিছু শব্দ মূল গোষ্ঠীৰ লগত হেৰাব নোৱাৰাকৈ একে হৈ থাকিল। সেয়ে আজিও আমি লক্ষ্য কৰোঁ যে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জাতিৰেই মুখৰ অৱয়বৰ

এটা সাধাৰণ মিল আছে। সেইদৰে ভাষাৰ ক্ষেত্ৰতো অসমৰ প্ৰায় আটাইবোৰ তিব্বত-বৰ্মীয় জনগোষ্ঠীয়েই দ্বিতীয় পুৰুষ 'তুমি'ক 'নাং' বুলি কয়।

কাৰবিসকল ব্ৰহ্মদেশৰ চীন পৰ্বতমালালৈকে মূল ঠালৰ লগত এৰা-এৰি হোৱা নাছিল বুলি নৃতত্ত্ববিদসকলে ঠাৱৰ কৰিছে। পাছত চীন পৰ্বতমালা আৰু মণিপুৰ উপত্যকাৰ কোনো এক গিৰিপথৰ মাজেদি কাৰবিসকল অসমত প্ৰৱেশ কৰে আৰু মূল ঠালৰ পৰা আঁতৰি আহে। অসমত এয়ে প্ৰথম মানৱ খোজ, মানুহৰ প্ৰথম জনপদ (বিষ্ণু ৰাভাৰ ভাষাত 'অসমৰ কলস্বাছ')। কুকি-চিন ভাষাত সেয়ে 'মিকিৰ' অৰ্থাৎ আগবঢ়া লোক। 'মি' শব্দৰ অৰ্থ 'মানুহ' আৰু 'কিৰ' শব্দৰ অৰ্থ 'আগবাঢ়ি যোৱা'। অৰ্থাৎ কুকি, চিন, নগা, মিজো, মেইটেই এই সকলোকে পিছ পেলাই কাৰবিসকলে প্ৰথমেই অসমত প্ৰৱেশ কৰে। অসমত প্ৰৱেশ কৰাৰ পাছত কাৰবিসকলে গাইগুটীয়াকৈ জীৱন কটাবলৈ লয়। মূল ঠালৰ পৰা বিচ্ছিন্ন হৈ তেওঁলোকে গোষ্ঠীগতভাৱে নতুন ঠাইত নতুন সমস্যাৰ সন্মুখীন হয়, নতুন বিপদে তেওঁলোকক আগচি ধৰে, ঘাত-প্ৰতিঘাতৰ সন্মুখীন হয়। এই আটাইবোৰে তেওঁলোকক নতুন আৰু সুকীয়া অভিজ্ঞতা দিয়ে, নতুন প্ৰেৰণা দিয়ে আৰু তাৰ পৰাই জন্ম হয় এক নতুন সত্তা, যি সত্তা মূল ঠালৰ পৰা নিৰ্দিষ্টকৈ সুকীয়া আৰু একক সুকীয়া সত্তাৰ অধিকাৰী এই জনপদেই কালক্ৰমত 'কাৰবি' বুলি জনাজাত হ'ল।

একাদিক্ৰমে বা প্ৰণালীগতভাৱে কাৰবিসকলে অসমত প্ৰৱেশ কৰাৰ পাছৰ ইতিহাস প্ৰকাশ হোৱা নাই যদিও প্ৰায়বোৰ মূল ঐতিহাসিক ঘটনাই কাৰবিসকলৰ গীত-মাত, সাধুকথা, কিংবদন্তি আদিত সোমাই আছে। আহোম, জয়ন্তীয়া, কছাৰীসকলৰ বুৰঞ্জীৰ পৰাও কিছু তথ্য পোৱা যায়।

কলং-কপিলী আৰু ধনশিৰি উপত্যকাতেই কাৰবিসকলৰ উত্থান-পতন, হাঁহি-কান্দোনৰ কাহিনী জড়িত হৈ আছে। এই কলং (কাৰবি ভাষাত কুলেং) নদীৰ পাৰতেই কাৰবিসকলে প্ৰথম ধান ৰুইছিল। কাৰবিসকলৰ হাচাকেকানৰ গীতত উল্লেখ আছে— 'টেৰণ ৰংছ'প' কুকি চিন পেন দাই প' ।" বিষ্ণু ৰাভাৰ গৱেষণা যদি সঁচা হয়, তেন্তে অসমত এয়েই ধানৰ পথাৰ। আৰু ধনশিৰি? আচলতে 'দনছুৰী'হে অৰ্থাৎ 'হাজাৰ ঘৰ' কাৰবি বসতি। এই দনছুৰীৰে অনন্যা বীৰাংগনা ৰংফাৰপী ৰংবেই ডিমাপুৰৰ কছাৰী ৰজাৰ অত্যাচাৰী কটোৱালক কাটি দুছোৱা কৰে আৰু শেষত ৰজাৰ ৰোষৰ পৰা হাত সাৰিবলৈ এইসকল কাৰবিয়ে গাঁও এৰি পশ্চিমলৈ গতি কৰে।

কাৰবিসকলেই যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম বাসিন্দা আছিল, এই কথা ড° লক্ষ্মী দেৱীয়েও তেখেতৰ 'Ahom-Tribal Relations' নামৰ গ্ৰন্থত এইদৰে লিখিছে— "These are the Mikirs who have settled in the plains of Nowgong and have taken plough cultivation. It is said that these Mikirs acted as interpreters to the mission which visited the Ahom king at Sibasagar. From this we may presume that these Mikirs had been settled in the plains long before the migration of the tribe into the Ahom Kingdom in great numbers." (Page 146)

কাৰবিসকলৰ সৈতে আন জনগোষ্ঠীৰ সম্পৰ্ক ঃ

বৰ্তমানৰ কাৰবি আংলংখনক অতীজৰ পৰাই কাৰবি মুৰব্বী (Chieftain)সকলে শাসন কৰি

আহিছিল। কাৰবিসকল স্বতন্ত্ৰ আছিল আৰু ওচৰে-পাঁজৰে থকা অন্যান্য জনগোষ্ঠীৰ লগত যথেষ্ট সম্পৰ্ক আছিল। অসমীয়া, নগা, খাচিয়া, কছাৰী, কুকি, চিন গোষ্ঠীৰ কেতবোৰ জনজাতিৰ সৈতে কাৰবিসকলৰ সম্পৰ্কৰ কথা লায়াল আৰু ষ্টেক চাহাবে তেওঁলোকৰ কিতাপত উল্লেখ কৰিছে।

উইলিয়াম ৰবিনছন (William Robinson) আৰু মেজৰ আৰ ষ্টেৱাৰ্ট (R Stewart) নামৰ চাহাব দুজনেও কাৰবিসকলৰ সম্বন্ধে লিখিছিল। ৰবিনচনে লিখিছিল ১৮৪১ আৰু ১৮৮৯ চনত আৰু ষ্টেৱাৰ্টে লিখিছিল ১৮৮৫ চনত। তেওঁলোকৰ লেখাত কাৰবিসকল এসময়ত বৰাইল পৰ্বতৰ উত্তৰ ভাগত (এতিয়া উত্তৰ কাছাৰ পাহাৰ) থকাৰ কথা উল্লেখ কৰিছে। তেওঁলোকৰ মতে, সেই সময়ৰ কাৰবিসকলৰ স্মৃতিত তেওঁলোকে এসময়ত উক্ত স্থানত বাস কৰাৰ কথা সজীৱ হৈ আছে।

"It was still remembered that the Mikirs had once been settled in strength in the country (now called North Cachar) to the immediate north of the Borail range." ('The Mikirs', Page 153)

বৰাইল পৰ্বতৰ উত্তৰাঞ্চলত বাস কৰাৰ সময়তেই কাৰবিসকল কুকি-চিন গোষ্ঠীৰ জনজাতিসমূহৰ সংস্পৰ্শলৈ আহিছিল বুলি ধৰিব পাৰি। কাৰবিসকলৰ জাতীয় সাজ-পোছাকৰ ওপৰত খাচিয়া সাজ-পাৰৰ প্ৰভাৱ, ডেকাচাঙৰ ব্যৱস্থাৰ ক্ষেত্ৰত নগা গোষ্ঠীৰ প্ৰভাৱ, কাৰবি ভাষাত খাচিয়া ভাষাৰ প্ৰভাৱ আদিয়ে এই সম্পৰ্কৰ কথা প্ৰমাণ কৰে। লায়াল চাহাবেও কিতাপখনত লিখিছে— "It was noticed in the Borail, where there are now no Mikirs, local names belonging to their language indicated their former presence." (Page 153)

অৰ্থাৎ বৰাইল পৰ্বতৰ এনেকুৱা কেতবোৰ ঠাই আছে, যিবোৰ ঠাইৰ নামবোৰ কাৰবি ভাষাৰ নাম। আনহাতে সেইবোৰ ঠাইত এতিয়া কোনো কাৰবি মানুহ নাই। এই কথাই প্ৰমাণ কৰে যে সেইবোৰ ঠাইৰ মুখ্য বাসিন্দা কাৰবিসকলেই আছিল। বৰাইল পৰ্বতত থাকোঁতে কাৰবিসকলৰ ওচৰ-চুবুৰীয়া জনজাতি আছিল আংগামী নগা আৰু ডিমাচাসকল। কিন্তু পৰৱৰ্তী কালছোৱাত আংগামী নগা আৰু কছাৰী ৰজাৰ অত্যাচাৰ, শোষণত অতিষ্ঠ হৈ তেওঁলোকে সেই ঠাই ত্যাগ কৰে। পূৰ্বৰ সেই বাসস্থান ত্যাগ কৰাৰ পাছত কাৰবিসকলে আশ্ৰয় বিচাৰি জয়ন্তীয়া ৰজাৰ ৰাজ্যত প্ৰৱেশ কৰে। কিন্তু তাতো নিস্তাৰ নাপালে কাৰবিসকলে। জয়ন্তীয়া ৰাজ্যত বাস কৰা কাৰবিসকলৰ ওপৰতো চলিল শোষণ, নিষ্পেষণ, অত্যাচাৰ। কিংবদন্তিয়ে এই অত্যাচাৰৰ স্মৃতি এতিয়াও কঢ়িয়াই আছে। এই সময়ছোৱাতেই কাৰবিসকল খাচিয়াসকলৰ ৰীতি-নীতি আদিৰ সংস্পৰ্শলৈ আহে। জয়ন্তীয়া ৰজাৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি কাৰবিসকলে আহোম ৰাজ্যত প্ৰৱেশ কৰে।

ষ্টেক আৰু লায়াল চাহাবৰ মতে, কাৰবিসকলৰ পূৰ্বপুৰুষে মূলতে খাচি আৰু জয়ন্তীয়া পাহাৰতহে (কপিলী নদীৰ সীমান্ত অঞ্চলত) বসতি কৰিছিল ('The Mikirs', Page 4)। কিন্তু কৰ্ণেল ডাল্টনৰ মতে, কাৰবিসকলক উত্তৰ কাছাৰ পাহাৰৰ তুলাৰাম সেনাপতিৰ* (১৮২৯-১৮৫০)ৰ ৰাজ্যৰ পৰা কছাৰীসকলে পাহাৰৰ নামনিৰ পৰা খেদি পঠিওৱাৰ পাছতহে জয়ন্তীয়া ৰাজ্যত প্ৰৱেশ কৰে। কছাৰীসকলে কাৰবিসকলক খেদি পঠিওৱা সম্পৰ্কত আলেকজেণ্ডাৰ মেকেঞ্জিয়েও তেওঁৰ 'The North-East Frontier of Bengal' (Page 213)ত উল্লেখ কৰিছে। 'দেওধাই অসম বুৰঞ্জী' (পৃষ্ঠা ১২০-১২৩)তো কাৰবিসকল খাচি আৰু জয়ন্তীয়া পাহাৰৰ পৰা প্ৰব্ৰজন কৰি বৰ্তমান নগাঁও জিলাত বসতি

স্থাপন কৰাৰ কথা পোৱা যায়।

কাৰবিসকলে ডিমাচা, খাচিয়া, জয়ন্তীয়া আদি জনগোষ্ঠীসমূহৰ লগত প্ৰায়ে সংঘৰ্ষত লিপ্ত হ'ব লগাত পৰিছিল আৰু যুঁজ-বাগৰত পৰাস্ত হৈ বিভিন্ন সময়ত বিভিন্ন ঠাইলৈ পলাই যাব লগা হৈছিল। আনহাতে জুম পদ্ধতিৰ খেতিয়েও তেওঁলোকক এঠাইৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰাইছিল।

বিভিন্ন জনগোষ্ঠীৰ লগত হোৱা যুঁজ-বাগৰৰ বাবেই হওক বা ঝুম পদ্ধতিৰ খেতিৰ বাবেই হওক, বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি অৱশেষত বহু সংখ্যক কাৰবি লোকে কপিলী-কলঙৰ আশে-পাশে থকা বৰ্তমান কাৰবি আংলঙৰ পৰ্বতীয়া অঞ্চলত থাকিবলৈ লয়। কাৰবিসকল বৰ্তমান কাৰবি আংলঙৰ বাহিৰেও গোটেই উত্তৰ-পূৰ্বাঞ্চলতেই সিঁচৰতি হৈ আছে। অসমৰ কাছাৰ, উত্তৰ কাছাৰ পাহাৰ, দৰং, কামৰূপ আৰু নগাঁও জিলাত আৰু অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়, মণিপুৰৰ লগতে বাংলাদেশতো কাৰবিসকলে বসবাস কৰি আছে।

অতীত অসমৰ অন্যান্য পাহাৰীয়া জনগোষ্ঠীবোৰৰ লগত কাৰবিসকলৰ প্ৰধান বৈসাদৃশ্য হ'ল কাৰবিসকল বিশেষ যুযুৎসু প্ৰকৃতিৰ বা যুদ্ধপ্ৰিয় নাছিল (Unwarlike) বৰং, মূলতঃ শান্তিপ্ৰিয় (Pacific) বা শান্ত (Mild) প্ৰকৃতিৰহে আছিল। আনন্দৰাম ঢেকিয়াল ফুকনে লিখিছিল—* 'মিকিৰ নগাঁৱৰ দক্ষিণে মিকিৰ পৰ্বত শ্ৰেণীত এই জাতিৰ মানুহে বাস কৰে। ইহঁত বৰ খেতিয়ক আৰু শান্ত স্বভাৱৰ লোক। কপাহৰ খেতি কৰে; গৰু নাখায়, কিন্তু আন আন অনেক জন্তু খায়। মিকিৰহঁতৰ ভাষা বেলেগ। আমাৰ মানুহৰ সৈতে সিহঁতে সুন্দৰ মিলে।' (নন্দ তালুকদাৰৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ', পৃষ্ঠা ৯০, ৯১)

এই সন্দৰ্ভত মেজৰ ষ্টিৱাৰ্টে ১৮৫৫ চনত উল্লেখ কৰিছিল যে কাৰবিসকল সদায়েই ভাল প্ৰজা হৈ আছিল। 'The Mikirs have always at least during the last two centuries been "good subjects" ('The Mikirs', Page 152) ইয়াৰ বিপৰীতে কিন্তু কাৰবিসকলৰ প্ৰতিবেশীসকল, যেনে—খাচিয়া, কছাৰী, কুকি, নগা আদিয়ে শতিকাজুৰি যুদ্ধত ভীষণ লিপ্ত আছিল।

অসমৰ প্ৰতিটো জনগোষ্ঠীৰ ইতিহাস বিচাৰ-বিশ্লেষণ কৰি ওৰ পেলাব পৰা নাই। কাৰবিসকলৰ ইতিহাস সম্পৰ্কত বিদ্বৎ পণ্ডিত সমাজলৈ আলোচনা-সমালোচনাৰ পথ মুকলি ৰাখি আমাৰ এই আলোচনাৰ ইমানতে সামৰণি মাৰিছোঁ।

টোকা ঃ

কুকি-চিন' ঃ *'চিন' এটা জাতিৰ নাম। চীন দেশৰ লগত পাৰ্থক্য সূচাবৰ বাবে 'চিন' লিখা হৈছে। বৰ্তমান ব্ৰহ্মদেশত 'চিন' এটা স্বায়ত্তশাসিত অঞ্চল। ইয়াৰ জনসংখ্যা প্ৰায় তিনি লাখ।*

** এডৱাৰ্ড গেইটৰ মতে, তুলাৰাম সেনাপতিৰ ৰাজ্যৰ চাৰিসীমা এনেধৰণৰ ঃ দক্ষিণে মাহুৰ নদী আৰু নগা পৰ্বত, পশ্চিমে দৈয়াং, পূবে ধনশিৰি আৰু উত্তৰে যমুনা আৰু দৈয়াং। ('A History of Assam', Page 305.)*

সোনোৱাল কছাৰীৰ ঐতিহাসিক পৰিচয় আৰু সামাজিক জীৱনধাৰা

মোহন সোনোৱাল

উত্তৰ-পূব ভাৰতৰ পূবে শদিয়াৰ পৰা পশ্চিমে কৰতোৱা নদীলৈকে এই সুবিশাল ভূমিখণ্ড বিভিন্ন জনগোষ্ঠীৰে পৰিবেষ্টিত অবিভক্ত অসম ৰাজ্য। এই সুবিশাল ভূমিখণ্ডত বসবাস কৰিবলৈ লোৱা বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত এক বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠে। অসমলৈ বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজনৰ সোঁত বিশেষভাৱে ত্ৰয়োদশ শতিকাৰ পৰা ব'বলৈ আৰম্ভ কৰে। আৰ্য, আহোম আদি সকলোৱেই অসমত নিগাজিকৈ বসবাস কৰাৰ সুবিধা তেতিয়াৰ পৰাই লাভ কৰে। বিভিন্ন কাৰণত তেওঁলোকৰ অসম আগমন হৈছিল। এচামে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত, আন এচামে দেশ জয় কৰিবলৈ আহি যুদ্ধবন্দী হিচাপে আৰু আন কিছুসংখ্যকে তীৰ্থ ভ্ৰমণ, বেপাৰ-বাণিজ্য, পূজা-পাৰ্বণ ইত্যাদি কাৰণত আহি অসমত নিগাজিকৈ থাকি গ'ল। অসমত এনেদৰে থাকি যোৱা লোকসকলৰ কিছুৱে নিজৰ ভাষা-সংস্কৃতি সকলো ত্যাগ কৰি অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণত অগ্ৰণী ভূমিকা কৰিলে। খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বৈবাহিক সম্বন্ধ ইত্যাদিৰ ক্ষেত্ৰত এক হৈ পৰিল। সেইকালৰ অসমৰ থলুৱা বিভিন্ন জনগোষ্ঠীৰ কছাৰী, চুতীয়া, কোচ, বড়ো আদিৰ সহজ-সৰল লোকসকলে তেওঁলোকক নিৰ্বিবাদে গ্ৰহণ কৰিলে। নিজৰ বগুহৰ মগুহ যেন জ্ঞান কৰি নিজৰ সৰলতা আৰু সততাৰে তেওঁলোকক অসমত থাকিবলৈ ঠাই দিলে। লগে লগে বিভিন্ন জাতিৰ সংমিশ্ৰণত সমগ্ৰ অসমত ক্ৰমে ক্ৰমে এক সংস্কৃতিসম্পন্ন বৃহত্তৰ অসমীয়া জাতি গঢ়ি উঠিল। এই বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ অন্যতম এটি জনগোষ্ঠী আছিল এই সোনোৱাল কছাৰীসকল।

সোনোৱাল কছাৰীসকল কিৰাতসম্ভূত বড়ো জনগোষ্ঠীৰ এটি অন্যতম জনগোষ্ঠী। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে—'কিৰাত জনগোষ্ঠী বুলিলে হিমালয়ৰ পাহাৰীয়া অঞ্চল আৰু ভাৰতৰ উত্তৰ-পূব অঞ্চলত বসবাস কৰা মংগোলীয় গোষ্ঠীৰ অনাৰ্য লোকক বুজায়।' অৰ্থাৎ

বড়ো, ৰাভা, মেছ, ডিমাছা, দেউৰী, সোনোৱাল, তিৱা, ঠেঙাল, কাৰবি, মৰাণ, মিচিং, মিচিমি, অকা, ডফলা, গাৰো, খাচিয়া, নগা, চুতীয়া আদি জনগোষ্ঠীসমূহ। নৃতত্ত্ববিদসকলৰ মতে মংগোলীয় জনগোষ্ঠীৰ লোকসকলৰ শৰীৰৰ গঠন প্ৰণালী আৰু বৰণত এক বিশেষ বৈশিষ্ট্য মন কৰিবলগীয়া। এই গোষ্ঠীৰ লোকসকল সাধাৰণতে চুটি-চাপৰ, নাক চেপেটা, মূৰ চুটি, কপাল বহল, গাল গোলাকাৰ আৰু উঠঙা, হাত-ভৰি মঙহাল, কমগুঁফীয়া, ঠৰঙা চুলি, চকু সৰু, ভৰিৰ কলাফুল শকত, হৃষ্টপুষ্ট আৰু সহজ-সৰল স্বভাৱ তথা শৰীৰৰ বৰণ তাম বৰণীয়া। শৰীৰ গঠন আৰু শ্ৰীচেহেৰা চাই সেয়েই সোনোৱালসকলক কছাৰীসকলৰ লোক বুলি থিৰাং কৰিব পাৰি।

সোনোৱাল কছাৰীসকলৰ ঐতিহাসিক পটভূমিৰ ওপৰত আলোকপাত কৰি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই উল্লেখ কৰি গৈছে— ‘হালালী ৰাজ্য ডিবং দিহং নৈৰ কাষত এটা বিৰাট বড়ো কছাৰী ৰাজ্য আছিল। সেই ৰাজ্য বড়ো গোষ্ঠীৰে সোনোৱাল কছাৰীসকলে পাতিছিল। তাত মুকুতা ৰজা, মাণিক ৰজা আদি কৰি তেওঁলোকৰ চৈধ্যটা বংশৰ বহু ৰজাই ৰাজত্ব কৰিছিল। সেই মুকুতিয়াল, মাণিকিয়াল, বৰ হাজোৱাল, সৰু হাজোৱাল আদি কৰি চৈধ্যটা শাল গীৰা গিৰাচী (বুঢ়া-বুঢ়ী শাল), পিচাৰী (কেঁচাইখাতী), বলিয়া হোম তাৰ দেউৰী হ'বই লাগিব। এই চুতীয়াসকলেই বৰ্তমান চুতীয়াসকল, যিসকলৰ দিবঙীয়া দেউৰীসকলে আজিও বড়ো গোষ্ঠীৰ চুতীয়া ভাষা কৈ থাকে। এই ভাষা গোটেই সোনোৱালসকলৰ আছিল। আজি তেওঁলোকে পাহৰি গৈছে।' কথাষাৰ এই কাৰণেই প্ৰণিধানযোগ্য যে নিজৰ এখন ৰাজ্যত ভাষা-সংস্কৃতিৰে সমৃদ্ধ হৈ সোনোৱাল কছাৰীসকলে জাতি গঠন প্ৰক্ৰিয়াত যিদৰে পূৰ্ণতাপ্ৰাপ্ত হৈছিল, কিন্তু সময় বালিৰ খোজত নিশ্চিহ্ন হৈ গ'ল সেই ৰাজ্যই নহয়, ভাষা-সংস্কৃতি ইত্যাদিও। মাথোন অসমীয়া লোক-সাহিত্যত সাক্ষী হৈ ৰ'ল সংস্কৃতিৰ এখিলা পাত সোনোৱাল কছাৰীসকলৰ হয়দাং হুচৰি গীত। আজি সেয়েই সোনোৱাল কছাৰীসকলে নিজৰ ভাষা-সংস্কৃতি পাহৰি যোৱাৰ বিনিময়ত অসমীয়া জাতীয় জীৱনৰ মূলসুঁতিত নিজকে মিলাই স্বকীয় বৈশিষ্ট্যসমূহ, অতীতৰ বুকুত জাহ যাব ধৰা সমলসমূহ, কলাকৃষ্টিৰাশি উদ্ধাৰৰ প্ৰয়াস কৰিছে আৰু এই দিশত বহু ফলপ্ৰসূও হৈছে।

১৬৮১ খ্ৰীষ্টাব্দৰ পৰা ১৭২৪ খ্ৰীষ্টাব্দলৈকে আহোম স্বৰ্গদেউ গদাধৰ সিংহ আৰু তেওঁৰ পুত্ৰ ৰুদ্ৰসিংহই ৰাজত্ব কৰাৰ সময়ত সোনোৱাল কছাৰীসকলে শদিয়া ৰাজ্যত বসবাস কৰিছিল বুলি জনা যায়। তাৰ পিছতে সোনোৱালসকল শদিয়াৰ পৰা দক্ষিণলৈ লুইত পাৰ হৈ বৰ্তমান তিনিচুকীয়া জিলালৈ গুচি আহে। তিনিচুকীয়া জিলাৰ ছৈখোৱা, মেগেলা, বৰপথাৰ, ডাঙৰি, ধলা অঞ্চলত তেওঁলোকে বসবাস কৰাৰ উপৰি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, চাচনি, টেঙাখাত, খেৰেমীয়া, কছাৰী পথাৰ, ডিব্ৰুগড়ৰ, মানকটা, বৰবৰুৱা, জামিৰা, খোৱাং, তিনঠেঙীয়া, চাবুৱাৰ বিহ্মাকটা আদি অঞ্চলৰ অৰুণাচল প্ৰদেশৰ কিছু অঞ্চললৈ সোনোৱালসকলৰ প্ৰব্ৰজনৰ সোঁত বয়।

আহোমসকলৰ ৰাজত্বকালত এচাম কছাৰীয়ে সোৱণশিৰি নৈত সোণ কমাই ৰজাঘৰত জমা দি জীৱিকা নিৰ্বাহ কৰিছিল বুলি এষাৰ কথা আছে আৰু তেতিয়াৰ পৰাই সেই কছাৰীসকল সোনোৱাল কছাৰী হ'ল বুলি বিভিন্নজনে ক'বলৈ বিচাৰে যদিও সোনোৱাল কছাৰী জাতিৰ ইতিবৃত্ত, সেইটো কেতিয়াও হ'ব নোৱাৰে। কাৰণ এটা জাতি গঢ় লৈ উঠে নিজৰ ভাষা, কলা-সংস্কৃতি তথা অতীত সমলক লৈহে। সোনোৱাল কছাৰীসকলৰ এনে প্ৰয়োজনীয় সমল আটাইখিনিয়েই

তেওঁলোকৰ সমাজ জীৱনত আছিল।

ভাষা বিজ্ঞানৰ দৃষ্টিকোণেৰে চালে দেখা যায় সোনোৱাল শব্দটো অসমীয়া ভাষাৰ, তিব্বতবৰ্মী ভাষা গোষ্ঠীৰ যেনেকৈ বোড শব্দৰ পৰা বড়ো হৈছে—বোড়ো) বোড়ো > ব'ডো >বড়ো। ৰেচম শিল্পক ব্যৱসায় হিচাপে লোৱা চীনৰ সমবংশী ভাৰতীয় মংগোলীয় বা কিৰাটসকলৰ বিষয়ে পণ্ডিতসকলে কয় সিৰিয়াটি শব্দটোৰ ভাষাতাত্ত্বিক অৰ্থ এনধৰণৰ—সি-ৰেচম, ৰিয়া-কাপোৰ, টি-বসতি অঞ্চল। অৰ্থাৎ সি-ৰিয়া-টি) সিৰাটি > কিৰাটী > কিৰাট > কিৰাত। ঠিক তেনেকৈ উজ্জ্বল অৰ্থত সৃষ্টি হোৱা সোনোৱাল শব্দটো সুনুৱাৰ > সুনুৱাল > সোনোৱাল।

ভাষা, সাহিত্য, সংস্কৃতি আৰু ধৰ্মীয় প্ৰভাৱে সাধাৰণতে জনসাধাৰণৰ মনলৈ সংহতিৰ ভাব কঢ়িয়াই আনে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম সাৰ্বজনীন কৰিবৰ কাৰণে জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত সাহিত্যৰ মাধ্যমেৰে একতাৰ ভেটি প্ৰতিষ্ঠা কৰি বৃহৎ অসমীয়া জাতি গঠন কৰি গ'ল। সোনোৱাল কছাৰীসকলেও অসমীয়া ভাষা তথা ধৰ্মীয় প্ৰভাৱৰ দ্বাৰাই আজি অসমীয়া জাতিৰ মূলসুঁতিৰ লগত মিলি বৃহত্তৰ অসমীয়া জাতি গঠনত প্ৰভূত বৰঙণি যোগাই আহিছে। অন্যান্য কছাৰীসকলৰ দৰেই সোনোৱাল কছাৰীসকল মূলতঃ শাক্তধৰ্মী। কৈৰাত ধৰ্ম মতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা শিৱ। কালিকা পুৰাণৰ মতেও কিৰাতসকল শিৱৰ আশ্ৰিত। মূলতঃ শাক্তধৰ্মী হোৱাৰ কাৰণে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা 'বাইথ' বা খিৰিং ৰজা অথবা শিৱ। তদুপৰি তেওঁলোকে কেঁচাইখাতী, বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী দেৱীক পূজা কৰে, তেওঁলোকৰ মাজত সেই সেই দেৱ-দেৱীৰ নামত শালো আছে।

কিন্তু দেখা যায় যে সময়ৰ পৰিৱৰ্তনে মানুহৰ মনো সলনি কৰে। যুগ, সময় ইত্যাদিৰ পৰিৱৰ্তনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধৰ্মৰ প্ৰভাৱৰ পৰা সোনোৱাল কছাৰীসকলো মুক্ত হ'ব পৰা নাই। ১৭ শতিকাৰ ১ম দশকত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱ দেউ মহন্তই আহোম ৰজা গদাধৰ সিংহৰ ভয়ত প্ৰাণ ৰক্ষাৰ নিমিত্তে শদিয়াত সোনোৱাল কছাৰীসকলৰ মাজত আত্মগোপন কৰি আছিল। মহন্ত ডাঙৰীয়াই শাক্তধৰ্মী সোনোৱালসকলৰ মাজত ভক্তিধৰ্মৰ সাৰুৱা কথা প্ৰচাৰ কৰি ভক্তিধৰ্মত তেওঁলোকক দীক্ষিত কৰিলে। এচামে তেওঁৰ শিষ্যত্বও গ্ৰহণ কৰিলে। তেতিয়াৰ পৰা সোনোৱাল কছাৰীসকলৰ মাজত দ্বৈত ধৰ্মীয় ব্যৱস্থা চলি আছিল। কাৰণ আউনীআটীয় শিষ্যত্ব গ্ৰহণ কৰাসকলে একশৰণ নৱবৈষ্ণৱ ধৰ্মত নিজকে আত্মনিয়োগ কৰিছিল আৰু যিসকলে শিষ্যত্ব গ্ৰহণ কৰা নাছিল, তেওঁলোকে প্ৰাচীন পূজা পদ্ধতি, বলি-বিধান ইত্যাদি পূৰ্বৰ পৰম্পৰাৰ মাজেদি জাতীয় ঐতিহ্য ৰক্ষা কৰি চলিছিল। গতিকে দেখা যায় এইদৰেই সোনোৱাল কছাৰীসকলৰ মাজত এক বৰ্ণাঢ্য জাতীয় চৰিত্ৰই গঢ় লৈ উঠে।

সোনোৱাল কছাৰীসকলৰ বংশ পৰম্পৰাৰ এক সুকীয়া বৈশিষ্ট্য মন কৰিবলগীয়া। তেওঁলোক যে এটি অতি শৃংখলিত আৰু সুসংস্কৃতিসম্পন্ন জাতি সেই কথা বংশ পৰিচয়ৰ পৰাই আভাস পাব পাৰি। সোনোৱালসকলৰ বংশৰ গাঁথনি সাতটা খেলৰ সমষ্টি। এই সাত খেল হ'ল— (১) বালিখিতাৰী, (২) চিৰিপৰীয়া (৩) অমৰাবৰীয়া, (৪) ধূলিয়াল, (৫) উজনি কুটীয়া, (৬) নামনি কুটীয়া আৰু (৭) ইপমীয়া। এই খেলসমূহৰ পৰা আকৌ ১৪টা বংশত এই জাতিৰ লোকসকল বিভক্ত। চৈধ্যটা বংশৰ প্ৰত্যেকৰে কামৰ ভাব এনেধৰণৰ— (১) হগ্ৰাল—ৰজা,

(২) মুক্তাল—পালিৰজা, (৩) মদন—মন্ত্ৰী, (৪) মাণিকিয়াল—ৰাজপুৰোহিত, (৫) এজমাল—যুঁজাৰু, (৬) ফৰমাল—দেৱদ্বাৰৰ দুৱৰী, (৭) বৰহাজোৱাল—বৰসেনাপতি, (৮) সৰুহাজোৱাল—পালি সেনাপতি, (৯) কুমৰাল—ৰাজদ্বাৰৰ দুৱৰী, (১০) ঢেকিয়াল—ভিতৰভাগৰ চোৰাংচোৱা, (১১) ডিঘিয়াল —নৌ-সেনাপতি, (১২) লাঠিয়াল—ধনুকাঁড় ভাৰী চিকাৰী, (১৩) আঁঠুৱাল—সৰৱজান আৰু (১৪) চেতিয়াল—বাহিৰৰ চোৰাংচোৱা। তদুপৰি সুকীয়া পৰিয়াল পৰিচয় আৰু কেইবাটাও পৰিয়াল লগ হৈ এই বংশসমূহ গঠন হৈছে।

সমাজ পদ্ধতি ঃ

সোনোৱাল কছাৰীসকলৰ সমাজ ব্যৱস্থা গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত। জনসাধাৰণৰ মাজত ঐক্য-সম্প্ৰীতিৰ ভাব অটুট ৰাখিবৰ কাৰণে সমাজত কিছুমান কট্‌কটীয়া বিধি-বিধান আছে। নামঘৰ প্ৰত্যেকখন সমাজৰে ধৰ্ম তথা ঐক্য-সংহতিৰো মূলভেটি। গাঁও তথা সমাজখন পৰিচালনা কৰিবৰ কাৰণে গাঁওবুঢ়া, বৰা-বাৰিক, আশীৰ্বদীয়া, তামুলী, ৰান্ধনী, পাঠক, গীতঘাই, বায়ন আদি বিষয়ববীয়া থাকে। এই বিষয়বাবসমূহ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰা হয়। যোগ্যতাৰ ভিত্তিতহে বিষয়ববীয়াসকলক নিৰ্বাচন কৰা হয়। গাঁৱৰ শান্তি-শৃংখলা ৰক্ষা কৰাত গাঁওবুঢ়া প্ৰধান বিষয়ববীয়া। বৰা-বাৰিকে নামঘৰ পৰিচালনা, বিভিন্ন উৎসৱ তিথি আদি পালন, গাঁৱৰ সামাজিক উন্নয়ন, গঞা ৰাইজৰ ব্যক্তিগত দহা-কাজ, বিবাহ আদি পৰিচালনা কৰে। সকাম-নিকাম, সবাহ-কীৰ্তন, শ্ৰাদ্ধ, দহা-কাজ আদি মাংগলিক কাৰ্যত পাঠকে শাস্ত্ৰ পাঠ কৰে, আশীৰ্বদীয়া মেধিয়ে ৰাগ-পদ আৰু আশীৰ্বাদ দিয়ে, তামুলীয়ে তামোল-পাণ কাটে, ৰান্ধনীয়ে ৰন্ধা-বঢ়া কৰে, বায়নে গায়ন-বায়নৰ গুৰি ধৰে আৰু গীতঘায়ে উচ্চৰিত ৰাগ-পদ দি গীতৰ আঁত ধৰে। নামঘৰত গাঁৱৰ মেল-মোকৰ্দমা আদিৰো বিচাৰ কৰা হয়। দোষীক উপযুক্ত শাস্তি দিয়া হয়। গুৰু অপৰাধত দোষীক এঘৰীয়া কৰা বা খুঁটি মৰা প্ৰথাও সোনোৱাল সমাজত আছে। নামঘৰত শলিতা জ্বলাই, ভাগৱতক সাক্ষী কৰি বিচাৰ কৰা হয়। তদুপৰি গুৰুতৰ অপৰাধত গায়নৰ গুৰুঘাত মাৰি শাস্তি বিহাৰ প্ৰথাও আছে।

পৰিয়ালৰ গাঁথনি ঃ

সোনোৱাল কছাৰীসকলৰ পৰিয়ালৰ গাঁথনি যৌথ। গ্ৰাম্য অৰ্থনীতিৰ কৃষিপ্ৰধান জীৱন প্ৰণালীত যৌথ পৰিয়াল বিশেষ হিচাপে সুবিধা হয়। একে পিতৃ-মাতৃৰ কেইবাজনো সন্তানৰ পৰিয়ালবৰ্গক লৈ যৌথ পৰিয়াল গঠন হয়। যৌথ পৰিয়ালত গৃহকৰ্ম খোৱা-বোৱা ইত্যাদিত অকলশৰীয়া অনুভৱ কৰা নহয়। কৃষিকৰ্ম, গৃহ ইত্যাদি সকলো কৰ্ম সমূহীয়াভাৱে কৰে কাৰণে পৰিয়ালৰ কোনো সদস্য-সদস্যাৰে কষ্ট নহয়। বৰঞ্চ এনে যৌথ পৰিয়ালত ঐক্য আৰু মৰম-স্নেহৰ ভাবহে গঢ়ি উঠে। জনজীৱনৰ এনে মৰম-স্নেহৰ বান্ধোন সুস্থ জীৱনবোধৰ সামাজিক নিৰাপত্তাৰ চানেকী স্বৰূপ। উল্লেখ্য যে ডিব্ৰুগড় জিলাৰ জকাই কলিয়নি গাঁৱৰ অৱসৰপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীকমলাকান্ত সোনোৱালদেৱৰ সাতটা পৰিয়ালে এসময়ত ৬৩জন সদস্য-সদস্যাৰে যৌথভাৱে একেলগে একেটা ঘৰতে বসবাস কৰিছিল। ভোজৰ দৰে সদায় একোসাজৰ বাবে ১০/১২ সেৰ চাউলৰ ভাত ৰন্ধাৰ লগতে তেনেদৰে শাক-পাচলিৰ বিভিন্ন ব্যঞ্জন ৰান্ধিব লগা হৈছিল। ঘৰৰ সকলো কাম-বন সকলো সদস্য-সদস্যাই সমূহীয়াভাৱে কৰিছিল। কিন্তু বৰ্তমান অভাৱ আৰু অনাটনৰ যুগত আগৰ সেই যৌথ পৰিয়ালৰ বান্ধোন ভাগি পৰিছে।

নতুন সময় আৰু অৱস্থাই পৰিয়ালবোৰ ক্ৰমে সৰু কৰি পেলাইছে। আনহাতে বৰ্তমান যুগৰ লগত সামঞ্জস্য ৰাখি এই জনগোষ্ঠীৰ লোকসকলো শিক্ষা-দীক্ষাত বহুখিনি আগবাঢ়িছে। শিক্ষিতসকল চাকৰি সংক্ৰান্তত নগৰমুখী হোৱাৰ লগে লগে পৰিয়ালৰ গাঁথনি স্বাভাৱিকতেই সৰু হৈ আহিবলৈ লৈছে।

বসতি, গৃহ নিৰ্মাণ প্ৰণালী ঃ

গাঁও পাতি বসবাস কৰা সোনোৱালসকলৰ বাঁহ, কাঠ, খেৰেৰে নিৰ্মাণ কৰা গৃহ নিৰ্মাণ প্ৰণালীত নিখুঁত শিল্প নিপুণতাৰ পৰিচয় পোৱা যায়। ৰ'দঘাই স্বাস্থ্যসন্মত কোনো এডোখৰ নিৰ্দিষ্ট ঠাই জ্যোতিষীৰ হতুৱাই চোৱাই মেলি ঘৰৰ ভেটি নিৰ্বাচন কৰি সোনোৱালসকলে ঘৰ সাজে। সোনোৱালসকলে বিজ্ঞানসন্মতভাৱে ঘৰ-দুৱাৰ সাজি বসবাস কৰে।

বতাহৰ চলাচল আৰু সূৰ্যৰ পোহৰৰ প্ৰতি লক্ষ্য ৰাখি ঘৰৰ পদুলিসমূহ পূব আৰু দক্ষিণফালে থাকে। সোনোৱাল সম্প্ৰদায়ৰ লোকসকলে ঘৰবোৰ পূবা-পশ্চিমাকৈ সাজে। প্ৰথমে পূবা-পশ্চিমাকৈ উত্তৰ ফালে বৰঘৰটো সজা হয়। এই ঘৰটো গৃহস্থৰ শোৱনি কোঠাৰূপে ব্যৱহাৰ হয়। বৰঘৰৰ সোঁহাতে মাৰল ঘৰ, অৰ্থাৎ বৰঘৰৰ সন্মুখৰ ঘৰ। সন্মুখৰ চোতালৰ ফালৰ পৰা মাৰল ঘৰত সোমাব পৰাকৈ এখন দুৱাৰ থাকে। ঘৰৰ জুহালখনো এই মাৰল ঘৰতেই থাকে। জুহালৰ জুইচাং অপৰিহাৰ্য। চ'ৰাঘৰ, অৰ্থাৎ বাহিৰত বহা ঘৰ মাৰল ঘৰৰ ওচৰতে থাকে। ৰান্ধনী ঘৰখন বৰঘৰৰ পূবত উত্তৰা-দক্ষিণাকৈ থাকে। ৰান্ধনী ঘৰৰ পৰা মাৰল ঘৰলৈ যাবলৈ দীঘলীয়াকৈ বাট থাকে। ঢেঁকীশালৰ কাৰণে ঢেঁকীঘৰ প্ৰত্যেকৰে থাকে। সাধাৰণতে ঘৰৰ সন্মুখভাগত বহল চোতাল একোখন থাকে। ভঁৰাল আৰু গোহালি ঘৰ ক্ৰমে ঘৰৰ পূব আৰু দক্ষিণ ফালে থাকে। ঠিক তেনেকৈ উত্তৰ ফালে তামোল-পাণৰ বাৰীখন, ক্ৰমে দক্ষিণ আৰু পশ্চিম ফালে খেতিৰ মুকলি পথাৰ আৰু বাঁহনি বাৰীখনৰে প্ৰত্যেকজন সোনোৱাল কছাৰী গৃহস্থৰে একোখনকৈ আদৰ্শ ঘৰ থাকে।

বৈবাহিক সম্বন্ধ ঃ

সোনোৱালসকল বৈবাহিক সম্বন্ধৰ ক্ষেত্ৰত বৰ সচেতন। কাৰণ বিবাহ একে বংশ-পৰিয়াল অথবা গোত্ৰৰ মাজত হ'ব নোৱাৰে। এটা বংশত ৪টা পৰিয়ালৰ পৰা ততোধিক পৰিয়াল থাকে। উদাহৰণস্বৰূপে বৰ হাজোৱাল বংশত চেলেঙী, তাঙিৰী, নেজকটাৰী, ফাটোৱালী, পেদাৰী, ফালাৰী, শগুণমাৰী, চেংলাৰী, ঠাকুলী আৰু লালুবাৰী আদি ১০টা পৰিয়াল আছে। একে বংশৰ হোৱাৰ বাবে এই পৰিয়ালবোৰৰ মাজত বৈবাহিক সম্বন্ধ হ'ব নোৱাৰে। তদুপৰি একে পৰিয়ালৰ লোকৰ মাজত বিবাহ নিষিদ্ধ। এনে বিবাহ যদি কাচিৎ হয়, তেন্তে সেই বিবাহৰ কোনো প্ৰায়শ্চিত্তৰ বিধান নাই। আনহাতে প্ৰথম পত্নীৰ মৃত্যুৰ পাছত পুৰুষে দ্বিতীয় বিবাহ কৰিব পাৰে। সেইদৰে বিধৱা তিৰোতায়ো ইচ্ছা কৰিলে দ্বিতীয় বিবাহ কৰিব পাৰে। সোনোৱালসকলৰ মাজত বিবাহকাৰ্য সমাপন কৰাত কোনো জটিলতা নাই। সাধাৰণতে তেওঁলোকৰ মাজত চোৰ বা গন্ধৰ্ব বিয়া, বৰবিয়া, অনুষ্টুপীয়াকৈ পতা বিয়া, হোম-যজ্ঞৰে পতা বিয়া প্ৰচলিত। ছোৱালী পুষ্পিতা হ'লে তোলনি বিয়া বা শান্তি বিয়া পতা নিয়ম অতীতৰে পৰা সোনোৱালসকলৰ মাজত আছে। বিয়াত বেই সজা, বেইৰ চাৰি খুঁটাৰ ওপৰৰ দীঘল বাঁহডালৰ মূৰত ধেনু-কাঁড় আৰু চৰাই লগোৱাৰ

মূল উদ্দেশ্য হয়তো সোনোৱালসকল যে ক্ষত্রিয় বর্ণৰ লোক তাৰেই প্রতীক। তোলনি বিয়াত ৰোৱা ভীমকলৰ পুলিটো দৰাৰ প্রতীক বুলি ধৰা হয়। কইনা আৰু দৰা আদৰা, দৰা-কইনাই গোহালি, ভঁৰালত সেৱা কৰা, কইনাই দৰাৰ ঘৰত সোমোৱাৰ আগেয়ে দুৱাৰমুখত সাজু কৰি ৰখা কলহত হাত ভৰাই গোটেইকেইপদ সামগ্রী একেবাৰতে উলিয়াই অনা, তাৰ পাছত দৰা-কইনাই ঘৰৰ জ্যেষ্ঠসকলক সেৱা জনাই আশীর্বাদ লোৱা তথা চিনাকি কৰি দিয়া ইত্যাদি নিয়ম সোনোৱাল সমাজত আছে। উল্লেখ্য যে বিয়াত মান ধৰা, তামোল-পাণ, মদ-ভাত যোগান ধৰা, বিয়াৰ পাছত ঘৰ উঠিবলৈ যাওঁতে ভাৰত চাউল-পাত; শাক-পাচলি, তামোল-পাণ আৰু মাছ-মাংস নিয়া নিয়ম সোনোৱালসকলৰ মাজত পূর্বৰে পৰা প্রচলিত। কিন্তু সময়ৰ দ্রুত পৰিৱর্তনৰ লগে লগে আজিকালি অৱশ্যে আন আন বর্ণ-সম্প্রদায়ৰ সৈতেও সোনোৱালসকলৰ বৈবাহিক সম্বন্ধ গঢ়ি উঠা পৰিলক্ষিত হৈছে।

খাদ্য আৰু খাদ্যত ব্যৱহৃত বিবিধ ব্যঞ্জন ঃ

ভাতেই হৈছে সোনোৱালসকলৰ প্রধান আহাৰ। সাধাৰণতে এওঁলোক আমিষ ভোজী। ৰন্ধন প্রকৰণত সোনোৱালসকল অতি পাকৈত। ভাপত সিজোৱা বৰা চাউল তেওঁলোকৰ প্রিয় খাদ্য। আন আন জনজাতিৰ দৰে ঘৰতে তৈয়াৰ কৰা মদো সোনোৱালসকলৰ অপৰিহার্য পনীয়া আহাৰ। মদ তৈয়াৰ কৰিবলৈ মদ-পিঠা বিভিন্ন বনৌষধিৰে ঘৰতে তেওঁলোকে তৈয়াৰ কৰি লয়। নানাবিধ শাক-পাচলিৰ লগতে বাঁহৰ গাজ, বাঁহ গাজৰ খৰিচা, গাজ টেঙা, মাছৰ শুকতি, শুকান মাছ, কাঠফুলা আদি বিবিধ ব্যঞ্জন প্রিয় খাদ্য। তদুপৰি আমৰলি টোপ, এৰী পলুও তেওঁলোকৰ অতি প্রিয় আহাৰ।

বিবিধ শিল্পকর্ম ঃ

চমৎকাৰ শিল্প নৈপুণ্যতাৰে তৈয়াৰী কৰি লোৱা ঘৰৰ বিবিধ সা-সৰঞ্জাম সোনোৱালসকলৰ কলাসুলভ মনোভাবৰ পৰিচয় । দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্রয়োজনীয় আচবাব, সাজপাৰ, সা-সঁজুলি তেওঁলোকে নিজেই তৈয়াৰ কৰি লয়। গাঁৱৰ প্রত্যেক ঘৰতেই মহিলাসকলৰ নিজৰ পৰিয়ালৰ প্রতিজনৰ একোখন তাঁতশাল থকা বাধ্যতামূলক বুলি ক'ব পাৰি। তেওঁলোকে ঘৰতেই দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা গামোচা, চাদৰ আদি প্রয়োজনীয় কাপোৰসমূহ বৈ-কাটি লয়।

উৎসৱ, গীত-নৃত্য, পূজা-পাতল আদি ঃ

এটা সুসভ্য জাতি গঢ় লৈ উঠে নিজস্ব ভাষা, কলা-সংস্কৃতি তথা অতীত সমলক লৈ।

বাইথ' পূজা সোনোৱাল কছাৰীসকলৰ অন্যতম লোক-উৎসৱ। এই পূজা লোক-উৎসৱ হিচাপে চ'ত মাহৰ দ্বিতীয় সপ্তাহত পালন কৰা হয়। চ'তৰ দ্বিতীয় সপ্তাহৰ দেওবাৰে ৰাতি দেও নমোৱা হয়। সোমবাৰে বলি-বিধান, পূজা-পার্বণ আদি আনুষ্ঠানিক কামখিনি কৰি মঙলবাৰে পুৱা হয়দাং গীত পৰিৱেশন কৰি মন্দিৰত পূজা-পাতল শেষ কৰা হয়। উজনি অসমৰ ডাঙৰী অঞ্চলৰ বৰপথাৰ গাঁৱত অৱস্থিত বাইথ' মন্দিৰত এক বর্ণাঢ্য পৰিৱেশত এই উৎসৱ পালন কৰা হয়। সময়ত বিভিন্ন ঠাইৰ হাজাৰ হাজাৰ আবাল-বৃদ্ধ-বনিতাই গোটেই ঠাইখন লোকাৰণ্য কৰি তোলে।

'হয়দাং গীত' সোনোৱালসকলৰ অতি পুৰণি আৰু প্ৰথম গীত। এই গীতৰ ৰচনাৰ বিষয়ে সবিশেষ জনা নাযায়। মূলতঃ এই গীত ধৰ্মীয় আনুষ্ঠানিক গীত বা দেৱ স্তুতিমূলক গীত বুলি ক'ব পাৰি। সমগ্ৰ বিশ্বক নিয়ন্ত্ৰিত কৰা শক্তিটোৱে যে স্বয়ংকৰ্তা ভগৱান এই কথা বিশ্বমানৱে উপলব্ধি কৰিব পৰা সৃষ্টিৰ এক স্তুতিমূলক গীত হয়দাং গীতৰ সৃষ্টি বুলি ক'ব পাৰি।

'বিহু' হৈছে সোনোৱাল কছাৰীসকলৰ প্ৰধান উৎসৱ। তেওঁলোকে নিজস্ব ৰীতি-নীতিৰে ব'হাগ, কাতি আৰু মাঘ বিহু পালন কৰে। সোনোৱালসকলে বিহু উৎসৱত পালন কৰা কিছুমান আনুষংগিক লোকাচাৰ মন কৰিবগলীয়া। ভূত-প্ৰেত, মাৰি-মৰক, দুৰ্গন্ধ বিনাশ আৰু মহ-ডাঁহ-মাখি নিবাৰণৰ কাৰণে গৰু বিহুৰ দিনা ঘৰৰ পদূলিত জাগ দিয়া, জাগৰ জুই বিচি বছৰটোৰ বাবে নতুন বিচনীৰ পাতনি মেলা, আমৰলি টোপ আঞ্জা কৰি খোৱা, ধুমুহা, বজ্ৰপাত, বৰষুণ, জুই আদিৰ পৰা ৰক্ষা পাবলৈ মানুহ বিহুৰ দিনা নাহৰ পাতত 'দেৱ দেৱ মহাদেৱ, নীলগ্ৰীৱ জটাধৰ, বাত-বৃষ্টি হৰংদেৱ মহাদেৱ নমস্তুতে' এই মন্ত্ৰ লিখি ঘৰৰ চালত খুচি থোৱা, এশ এবিধ বনশাকৰ এখন পাচলি গৰু বিহুৰ দিনা খোৱা, কাতি বিহুত পথাৰত ধান চোৱা, তুলসীৰ তলত বন্তি জ্বলোৱা, জালুকৰ জালেৰে থুৰি কচুৰ এখন আঞ্জা খোৱা, মাঘৰ বিহুত ধান খেৰেৰে গছ-গছনি, ঘৰ-দুৱাৰ বন্ধা, মেজিৰ জুইত খুচুৰা পইচা দলিয়াই চৰ্মৰোগ নিবাৰণ কৰা ইত্যাদি নীতি সোনোৱাল কছাৰীসকলৰ মাজত অতীজৰে পৰা প্ৰচলিত।

সোনোৱাল কছাৰীসকলৰ হুঁচৰি গীত অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ।

হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে,
হুৰে হুৰে গীতক কোনে সৰজায়,
মহাদেউ পাৰ্বতী সিও সজায়।

এই গীতফাকিৰ তাত্ত্বিক অৰ্থ এনেধৰণৰ ঃ

বসন্তৰ আগমনত প্ৰকৃতি জগতৰ লগতে আমিও নতুন কাপোৰেৰে সাজি-কাচি হুঁচৰি গীত গাওঁ। উল্লেখ্য যে সোনোৱাল কছাৰীসকলে হুঁচৰিত ব্যৱহাৰ কৰা টকাডালৰ মূলতত্ত্ব এনেধৰণৰ ঃ তেৰটা গাঁঠি আৰু তেৰ পাবযুক্ত এডাল ভলুকা বাঁহ। এই বাঁহডাল সতী বা পাৰ্বতীৰ ৰাজহাড়ৰ প্ৰতীক। জনশ্ৰুতিৰ মতে শিৱই পাৰ্বতীৰ মৃত্যুত দক্ষৰ যজ্ঞ ধ্বংস কৰাৰ কাহিনীটো সোনোৱাল কছাৰীসকলে হুঁচৰিৰ টকা হিচাপে ব্যৱহাৰ কৰা বাঁহডালৰ লগত জড়িত হৈ আছে।

'বহুৱা নাচ' ব'হাগ মাহৰ দ্বিতীয় সপ্তাহত সোনোৱাল কছাৰীসকলে অনুষ্ঠিত কৰা এবিধ অতি পুৰণি নাচ। এই নাচ সোনোৱাল কছাৰীসকলৰ মাজত আবহমান কালৰ পৰাই চলি আহিছে। ডিব্ৰুগড় জিলাৰ ধমল গৰিমা গাঁৱত প্ৰতি দুবছৰৰ মূৰে মূৰে এই নাচ অনুষ্ঠিত হয়। বৰ্তমান অৱশ্যে নাহৰণি, লক্ষীমপুৰ জিলাৰ গেৰগেৰীয়া গাঁও, বিহপুৰীয়াৰ ৰঙিয়া আদি সোনোৱাল কছাৰী অধ্যুষিত দুই-এখন গাঁৱলৈকো এই নাচ সম্প্ৰসাৰিত হৈছে। হুঁচৰি গীতত উল্লেখ থকাৰ দৰে বহুৱা নাচৰ লগতো অহংকাৰী দাম্ভিক দক্ষ ৰাজৰ তিৰস্কাৰ আৰু নিন্দাত অপমানিত হোৱা শিৱ আৰু সতীৰ সেই কাহিনীটো জড়িত হৈ আছে। নাচনীৰূপে থকা ভূত-প্ৰেতবোৰ শিৱৰ অনুচৰ। শিৱই যেনেকৈ অনুচৰবৰ্গৰে সৈতে দক্ষৰ যজ্ঞ লণ্ডভণ্ড কৰিছিল, ঠিক তেনেকৈ মদ-ভাং খাই সেই ঠাইখনতো নাচনীবিলাকে তেনে এটা পৰিৱেশৰ সৃষ্টি কৰে। মুঠতে দক্ষই নিজকে শ্ৰেষ্ঠ

বুলি শিৱক তিৰস্কাৰ কৰিবলৈ যোৱাটো যে তেওঁৰ কাৰণে বহুৱালি সেই কথাটোকে প্ৰতিপন্ন কৰিবলৈ শিৱভক্ত সোনোৱাল কছাৰীসকলৰ মাজত বহুৱা-বহুৱালি ভূত-প্ৰেত ইত্যাদিৰ ভাও লৈ মুখা পিন্ধি পৰিৱেশন কৰা নাচক বহুৱা নাচৰ উৎপত্তি বুলি ধাৰণা হয়।

সোনোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত এবিধ নৃত্য হ'ল 'হগ্ৰা নৃত্য'। হগ্ৰা মানে গাহৰি। বাইথ' পূজাত গাহৰি বলি দিয়া হয়। পূজাৰ কাৰণে চিকাৰীয়ে অৰণ্যৰ পৰা চিকাৰ কৰি গাহৰি বিচাৰি আনি বাইথ' শালত বলি দিয়ে আৰু তাৰ মাংস প্ৰসাদ হিচাপে বিতৰণ কৰে। বাইথ' পূজা সমাপ্ত কৰাৰ পাছত হুঁচৰি গাই সেই দিনাই আনুষ্ঠানিকভাৱে বিহু নমোৱা হয় আৰু ইয়াৰ পিছতেই চিকাৰীয়ে অৰণ্যত কেনেকৈ চিকাৰ কৰি গাহৰি ধৰিলে তাকে নৃত্য কৰি দেখুওৱা হয়।

ইয়াৰ বাহিৰে সোনোৱাল কছাৰীসকলে অতীজৰে পৰা পূৰ্ব পৰম্পৰা অনুসৰি সামূহিকভাৱে প্ৰাচীন পদ্ধতিৰে সৰগদেউ পূজা, অমেশ্বৰী সবাহ, লখিমী সবাহ, গজাই মনাই পূজা, বাঘদেউ পূজা, জ্ঞাতিগুৰি সবাহ, মৃতকক দিয়া, পি দিয়া, জলশাই দেৱতাৰ পূজা, আয়ু তোলা, বুঢ়া পোহা, ভূৰ উটোৱা সবাহ, গৰখীয়া সবাহ আদি লোক-সংস্কৃতিৰ অনুষ্ঠানসমূহ পালন কৰি আহিছে।

লোকবিশ্বাস ঃ

সোনোৱাল কছাৰীসকলৰ মাজত কিছুমান লোকবিশ্বাস আছে। অশুভ ক্ষণত মৃত্যু হোৱা বাবে লগা দোষ পুহকৰ বা পুষ্কৰ লগা, ঘৰ লোৱা, ভেটি চোৱাই ঘৰ সজা, গুটি সিঁচা, শস্য ৰোৱা, ধান কটা, গৰ্ভধাৰণ, বিবাহ, জন্ম, মৃত্যু, যাত্ৰাৰ শুভাশুভ চোৱা, শনি আৰু মঙলবাৰে বাঁহ নকটা, কেঁকোৰাই গাঁত সামৰিলে খৰাং হোৱাৰ আশংকা, মজিয়াৰ চৌকাৰ চুকত ঘাইপাচি থোৱা, ঘাইপাচিত সদায় চাউল থোৱা, ঘৰৰ যিকোনো লোক দূৰলৈ গ'লে মজিয়াৰ চৌকাত তামোল-পাণেৰে সেৱা কৰি যোৱা, খৰাং হোৱাৰ আশংকা, খৰাং হ'লে ভেকুলী বিয়া পতা, বাঘধেনু জোৱা, ঘৰত ফেঁচা সোমালে অমংগলৰ কাৰণে মংগল চাই প্ৰতিকাৰৰ বিধান ব্যৱস্থা কৰা ইত্যাদি লোকবিশ্বাস সোনোৱালসকলৰ মাজত আছে। তদুপৰি স্বপ্নতত্ত্বয়ো তেওঁলোকৰ লোকবিশ্বাসত বিশেষ স্থান পায়।

সামৰণি

গৌৰৱোজ্জ্বল ঐতিহাসিক পৰিচয় উন্নত সমাজ ব্যৱস্থা তথা সাংস্কৃতিক সম্পদসমূহ বৰ্তমান সঠিক মূল্যায়নৰ অভাৱত অৱহেলিত হৈ অৱক্ষয়ৰ গৰাহত পৰাৰ সম্ভাৱনাৰ কথা নুই কৰিব নোৱাৰি। তেনে ক্ষেত্ৰত সোনোৱাল কছাৰীসকলৰ বৰ্ণাঢ্য, ঐতিহাসিক আৰু সাংস্কৃতিক সম্পদসমূহ জাতীয় জীৱনৰ অন্যতম সাংস্কৃতিক সমল তথা গৱেষণাৰ বিষয় হৈ এই ঐতিহ্যমণ্ডিত সংস্কৃতিয়ে বিস্তৃতি আৰু প্ৰসাৰতা লাভ কৰি মহতি ৰূপত প্ৰতিভাত হওক।

ডিমাছাসকলৰ ইতিহাসৰ ৰেঙণি

চাও লোকেশ্বৰ গগৈ

হিড়িম্বা বংশী বা ডিমাছা কাছাৰৰ বড়ো-কছাৰীসকলৰ জনশ্ৰুতিমতে 'ডিলাও' শব্দৰ অৰ্থ হৈছে দীঘল-বহল পৱিত্ৰ নৈ। গংগা আৰু যমুনা নদীৰ মিলনস্থলত য'ত, অক্ষয় বটবৃক্ষই বিৰাট অঞ্চল ব্যাপী আছিল, তাতেই হিড়িম্ব বংশীয় পূৰ্বপুৰুষসকলৰ ৰাজ্য আছিল। হিড়িম্ব বংশৰ আদি ৰজাঈশ্বৰ নাম আছিল বড্ড অৰ্থাৎ জৰাপিগু। বড্ডই একাসনত বহি ঈশ্বৰ উপাসনা কৰিছিল আৰু জীৱহিংসা নকৰা বাবে ধৰ্মৰজা বুলিছিল। তেওঁৰ মাৰ্স্মিডী (মাধৱীলতা) নামে এগৰাকী ৰাজকুমাৰী আছিল। এইগৰাকী ৰাজকুমাৰীয়ে পিছলৈ ধাৰ্মিকা আখ্যা লাভ কৰিছিল। এইগৰাকী নৃপতিয়ে ৰাজত্ব কৰা সময়ত নিকটৱৰ্তী এখন ৰাজ্যত জুডংফা (যাযতি) নামে এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁ কিবা কাৰণত পুত্ৰ দুৰ্জেক (দ্ৰুহ্যক) নিৰ্বাসিত কৰে। সেয়ে দুৰ্জে অনাই-বনাই ঘূৰি-ফুৰি শেষত বড্ডৰ ৰাজ্যত প্ৰবেশ কৰে। ৰজাই আশ্ৰিত হৈ থকা অৱস্থাত, মাৰ্স্মিডীক দুৰ্জেলৈ বিবাহ দিয়ে। ইয়াৰ অন্তত ৰজা জৰাপিগুই জোঁৱায়েকৰ হাতত ৰাজ্যভাৰ গতাই দি যোগ সাধনাৰ বাবে অৰণ্যলৈ গমন কৰে।

যথাসময়ত মাৰ্স্মিডীৰ এটি পুত্ৰ জন্ম হয় আৰু পুত্ৰৰ নাম ৰাখে ডংগুৰু। ইয়াৰ পাছত পিতৃ দুৰ্জেৰ নাম ডংগুৰুফালৈ সলনি হয়। কালক্ৰমত ডংগুৰুফাৰ বংশৰ খাৰুংফা ৰজাই একেশ্বৰবাদী ধৰ্ম পৰিত্যাগী শক্তিমন্ত্ৰত দীক্ষিত হ'ল। এওঁ ভগৱতীদেৱীৰ মূৰ্তি স্থাপন কৰি নিতৌ পূজা-পাতল কৰিবলৈ ল'লে। এনে প্ৰথা হিড়িম্বা ৰাজবংশত পৰম্পৰাগতভাৱে চলি আহিছে বুলি হিড়িম্বা ৰাজ্যৰ পৰৱৰ্তী নৃপতিবৰ্গই গভীৰ বিশ্বাস কৰি আহিছিল। খাৰুংফাৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ খাৰুংয় হিড়িম্বা ৰাজ্যৰ ৰজা হয়। এওঁৰ হেড়েমদাও (হিড়িম্ব) নামে এজন পুত্ৰ আৰু হেড়েমডী (হিড়িম্বা) নামে এজনী কন্যা সন্তানৰ জন্ম হয়। ৰজা খাৰুংয়ই নিজৰ নাম সলনি কৰি হেড়েমফা নামে খ্যাত হয়। হেড়েমফা নৃপতিৰ মৃত্যুৰ পাছত পুত্ৰ হেড়েমদাও ৰজা হয়। হেড়েমডী ভগৱতীৰ মহাভক্ত আছিল। এদিন হেড়েমডীয়ে ভগৱতীক আৰাধনা কৰি থাকোতে ককায়েক হিড়িম্বই মদমত্ত হৈ পদাঘাত কৰিলে। সেয়ে ভগৱতীদেৱীয়ে

তেওঁক ভনীয়েকৰ ভাবীপতিৰ হাতত মৰিবলৈ আৰু ৰাজপুৰী মাটিত বিলীন হ'বলৈ শাও দিলে। হিড়িম্বই ভগৱতীৰ অভিশাপৰ ফলাফল লগে লগেই পালে। এদিন হিড়িম্বই ভগৱতীৰ বাবে বলি বিচাৰি ফুৰোতে পাণ্ডৱসকলক দেখা পালে। সেয়ে তেওঁৰ মনৰ আনন্দত বলি মিলিল বুলি ভাবি, তেওঁলোকৰ মাজৰ হৃষ্ট-পুষ্ট এজনক ধৰি আনিব খোজাত ভীমৰ হাতত হিড়িম্বৰ জীৱন অৱসান ঘটিল। ইয়াৰ অন্তত ভীম আৰু হিড়িম্বাৰ মাজত গন্ধৰ্ব প্ৰথামতে বিবাহ হ'ল। ঘটোৎকচ ডাঙৰ-দীঘল হোৱাত অনুচৰবৰ্গৰে সৈতে পূৰ্বৰ ৰাজ্য পৰিত্যাগ কৰি সপ্তদেৱ সপ্তদেৱীসহ উত্তৰ-পূব দিশলৈ যাত্ৰা কৰিলে। তেওঁ দুম্যুৎসেন নামে এজন মহাপ্ৰতাপী ৰজাক পৰাস্ত কৰি তাতেই ৰাজ্য স্থাপন কৰিলে। ধীৰ-স্থিৰ-শান্ত-সলিলা নৈৰ পাৰত ৰাজ্য প্ৰতিষ্ঠা কৰা বাবে সেই ৰাজ্যৰ নাম 'ডিমালং'ৰূপে খ্যাত হয়। বড়ো ভাষাত 'ডিমৌল' শব্দৰ অৰ্থ ধীৰ-স্থিৰ জলৰাশি। এই ডিমৌল শব্দ অপভ্ৰংশ হৈ 'ডিমালাং' হৈছে। এই ডিমালাং ৰজাৰ সন্তান হিচাপে ডিমাছা অৰ্থাৎ ডাইমানি-ফিচা-ডিমাছা নামৰ উৎপত্তি হৈছে বুলি ডিমাছা-বড়ো-কছাৰী জাতিয়ে দৃঢ় বিশ্বাস কৰি আহিছে। মহাকাব্য মহাভাৰতৰ বনপৰ্বত বৰ্তমান অসমৰ কাছাৰ জিলাত ভীম আৰু হিড়িম্বাৰ মিলনৰ বৰ্ণনা আছে।

আহোমসকলে ব্ৰহ্মপুত্ৰক 'নাম তি লাও', বড়োসকলে 'টিলাও' আৰু ডিমাছাসকলে 'ডিলাও' বোলে। খুব সম্ভৱ শীত কালত সৃষ্টি হোৱা ডিলাওৰ বলুকাৰ ওপৰেদি অজলা ডিমাছাসকল প্ৰাচীন কামৰূপ ৰাজ্যলৈ প্ৰব্ৰজিত হৈছিল। তেওঁলোকে ডিলাওৰ উত্তৰ পাৰে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য পাতি বসবাস কৰিবলৈ লৈছিল। তেওঁলোকে স্থাপন কৰা তেনে এখন ৰাজ্যৰ নাম হেমালী > হালালী বুলি জানিব পৰা গৈছে। সোনোৱাল কছাৰীৰ হাচৰি > হুচৰি গীতত এই ৰাজ্যৰ কথা উল্লেখ আছে। সেই ঠাইত বহুত বছৰ থকাৰ পাছত তেওঁলোকে ভালুকপুং নামে ঠাইত ৰাজধানী পাতি ৰাজ্যশাসন কৰিবলৈ লয়। ভালুকপুঙত আজিও সেই যুগৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। ইয়াত বহুকাল ৰাজত্ব কৰাৰ পাছত তেওঁলোকে 'জ্যোথিচ্' (জ্যো-ওখ, থি-তেজ, চ-সন্তান অৰ্থাৎ তেজাল সন্তান) নগৰত ৰাজধানী নিৰ্মাণ কৰি থাকিল। সম্ভৱ এই জ্যোথিচ নগৰেই শালস্তম্ভ বংশৰ হৰ্জৰবৰ্মাৰ তাম্ৰশাসনত উল্লেখ থকা হাটপ্লেশ্বৰ, বনমাল বৰ্মাৰ তেজপুৰ শাসনত হাৰূপ্লেশ্বৰ, আৰু বলবৰ্মাৰ নগাঁও শাসনত হাড়প্লেশ্বৰ নামে চিহ্নিত হৈছে। ইয়াৰ পাছত বৰ্তমান তেজপুৰ নগৰৰ পৰা ৪৪ কিঃ মিঃ পশ্চিমে থকা নিজ-বৰচলা নামে গাঁৱত ৰাজধানী নিৰ্মাণ কৰিছিল। এই গাঁৱত থকা ৰাজপ্ৰাসাদৰ ধ্বংসস্তূপে ইয়াৰ স্মৃতিচিহ্ন কঢ়িয়াই আছে।

সেই ঠাইত বহু কাল থকাৰ পাছত তেওঁলোকে ডিৰং (ডি-পানী বা নৈ, ৰং-গভীৰ) অৰ্থাৎ গভীৰ পানীৰ ঠাইত ৰ'লগৈ। ডিৰং নামটো ডিমাছাসকলে দিয়া। কালক্ৰমত ডিৰং শব্দৰ পৰা অপভ্ৰংশ হৈ দৰং হৈছে। ডিমাছাসকলে একে ঠাইতে থিতাপি লৈ থাকি ভাল নাপায়। সেয়ে তেওঁলোকে ডিলাওৰ দাঁতিয়ে দাঁতিয়ে আহি উত্তৰ গুৱাহাটীত প্ৰৱেশ কৰিলেহি। অৱশ্যে সেই সময়ত উত্তৰ গুৱাহাটী নামে এখন ঠাই নাছিল। তেওঁলোকে এই ঠাইৰ পৰা আৰু আগুৱাই যাবৰ ইচ্ছা নকৰি, ডিলাও পাৰ হৈ দক্ষিণ পাৰলৈ আহিবলৈ মন পাঙিলে। অনাড়ম্বৰ ডিমাছাসকলে সাঁতুৰিব নাজানিছিল, সেয়ে ডিলাও পাৰ হোৱাটো তেওঁলোকৰ পক্ষে এটি দুৰূহ কাৰ্য হৈ পৰে। সেয়ে, এনে এটি খৰালি কাললৈ বাট চাবলৈ ধৰিলে যে যিটো কালত ডিলাও শুকাই চট পৰে। শেষত যেনিবা এটি শীত কালত ডিলাওত চট পৰাত (গুৱাহাটীৰ নিকটৱৰ্তী এডোখৰ ঠাইত) তেওঁলোকৰ মুখত হাঁহি নুগুচা হ'ল। তেওঁলোকে

এডাল ৰাইডাং (বেত) ডিলাওৰ দুয়োপাৰে দুজোপা বৃক্ষত বান্ধি ডিলাও পাৰ হোৱাৰ নিচান তৰিলে। হাজাৰ হাজাৰ ডিমাছা মুনিহ-তিৰোতাই এই নিচানৰ কাষে কাষে ডিলাও পাৰ হ'বলৈ ধৰিলে। এদিন নিচানত বেছি হেঁচা পৰাত ৰাইডাং ডাল ছিগি পৰে। সেয়ে পিঠিত কেঁচুৱা বান্ধি নিয়া তিৰোতাসকল, মুনিহ আৰু বুঢ়া-বুঢ়ীসকল মহা বিপদত পৰিল। বহুতক নদীৰ সোঁতে উটুৱাই নিলে আৰু কিছুমানে যেনে-তেনে সাঁতুৰি ডিলাওৰ দক্ষিণ পাৰত লাগিলহি। পাৰলৈ অহাসকলে ইজনে-সিজনক 'গুহাটি', 'গুহাটি' বুলি ক'বলৈ ক'লে। ডিমাছা ভাষাত ইয়াৰ অৰ্থ ডাঙৰকৈ চিঞৰা। এনেকৈ চিঞৰাত ডিলাওৰ দাঁতিত থিয় হৈ থকা মানুহে আহি তেওঁলোকক বিপদৰ পৰা ৰক্ষা কৰিলেহি। এই দুৰ্ঘটনাত পুৰুষতকৈ তিৰোতা মানুহ বেছি সংখ্যক মৰিল। দুৰ্ঘটনাৰ পাছত বাকী থকা মানুহখিনিয়ে ডিলাও পাৰ নহৈ উত্তৰ পাৰতে থাকিল। ডিলাওৰ উত্তৰ পাৰত থকাসকল মেচ কছাৰী, আৰু দক্ষিণ পাৰত থকাসকল ডিমাছা কছাৰী নামে পৰিচিত হ'ল। সেই মেচসকল চাৰিটা প্ৰধান শ্ৰেণীত বিভক্ত হ'ল; যথা—অগ্নিতা, থাংফাই, আসামী আৰু কছাৰী। এই চাৰিটা প্ৰধান শ্ৰেণীক আকৌ দুটা ভাগত ভাগ কৰা হৈছে; যথা—অগ্নিয়া আৰু জাতি। পশ্চিম বংগত বসুমাথা, ঈছাৰী, মছাৰী, নৰ্জেনাৰী, ফাদামাৰী, চবায়াৰী, চিবিঙাৰী, নবায়াৰী, চংফ্ৰাঙাৰী, চংফাথাং, কুটাজাৰী আৰু বামুদা প্ৰভৃতি মেচ হয়গৈ।

ওপৰত উল্লিখিত, 'গুহাটী' > গুৱাহাটী হৈছে বুলি ভাবিবৰ থল আছে। এই দুৰ্ঘটনাক কেন্দ্ৰ কৰি ডিমাছা ভাষাত এষাৰ বচন পৰম্পৰাক্ৰমে চলি আহিছে; যথা—'ডিলাও বাইবাহা (পাৰ হোৱা) ৰাইদিং (বেত) জগ্ৰাইয়াবানী গাৰাও খাগিু।' এইটো তেওঁলোকৰ লৌকিক কৃষ্টি। তেওঁলোকে কোনো কৰ্ম কৰাৰ আগতে 'উঃ হু' বুলি তিনিবাৰ চিঞৰে। এই চিঞৰেই 'গুহা' বুলি কয়।

ডিলাও পাৰ হোৱাৰ পাছত তেওঁলোকে জ্যোথিচ্ নামে এখন নগৰ স্থাপন কৰিলে। পৰৱৰ্তী কালত প্ৰাক্-আৰ্যসকল আহি এই দেশত দুখন জ্যোথিচ্ দেখা পালে। সেয়ে তেওঁলোকে গুৱাহাটীৰ কাষত থকা জ্যোথিচ্খনক ফৰগজ্যোথিচ্ নাম দিলে। কালক্ৰমত ইয়াৰ পৰা অপভ্ৰংশ হৈ প্ৰাগজ্যোথিচপুৰ> প্ৰাগ্‌জ্যোতিষপুৰ নামে অভিহিত হ'ল। সম্ভৱ ৰামায়ণ, মহাভাৰত মহাকাব্যত বৰ্ণিত 'প্ৰাক্ দেশ' বা 'পূৰ্বৰ পাহাৰী দেশ'। ইয়াৰ ৰাজধানী আছিল প্ৰাক্ (পূৰ্বৰ), জ্যোতি > পোহৰ (শৌৰ্য-বীৰ্য) পুৰ (নগৰ) অৰ্থাৎ প্ৰাক্‌জ্যোতিপুৰ > প্ৰাক্‌জ্যোতিষপুৰ। ইয়াতেই ভৌম নৰক বংশই প্ৰায় ৩০০০ বছৰ মহাপ্ৰতাপেৰে ৰাজপাট খাইছিল। ইয়াৰ অন্তত তান্ত্ৰিকতাৰ প্ৰভাৱত পৰি এই দেশৰ নাম হয় কামৰূপ। ইয়াতেই ভৌম নৰক বংশৰ ৰাজপাট উকলি যোৱাত ভৌমপাল বংশৰ ৰজাই খ্ৰীঃ পূঃ প্ৰথম শতিকাৰ পৰা সপ্তম খ্ৰীঃলৈ, শালস্তম্ভ বংশৰ ৰজাই খ্ৰীষ্টীয় ৮ম শতিকাৰ পৰা ১০ ম শতিকালৈকে আৰু পালবংশৰ নৃপতিসকলে ১১ শতিকাৰ পৰা ১২ শতিকালৈকে ৰাজত্ব কৰিছিল। ভৌম নৰক ৰজাই প্ৰাগ্‌জ্যোতিষপুৰত ৰাজত্ব কৰা সময়ত সম্ভৱ ৩০০০ খ্ৰীঃ পূঃত কপিলী উপত্যকাত খাচিসকলৰ বাসস্থান আছিল। এই ঠাইতে কাৰ্বিসকলে অষ্ট্ৰিক ভাবাপন্ন খাচিসকলক খেদি বসতি কৰিবলৈ লৈছিল। সেই সময়ত কাৰবিসকলৰ ৰাজ্যখনৰ নাম আছিল 'পাৰক' আৰু কাৰবি ৰজা দ্বিতীয় ছামে এই ৰাজ্য শাসন কৰিছিল। পাৰক ৰাজ্যৰ 'পাৰখোৱা' ঘাটে আজিও তাৰ স্বাক্ষৰ বহন কৰি আছে। সম্ভৱ ২২০০ খ্ৰীঃ পূঃত কাৰবিসকলক বিতাড়িত কৰি, কপিলী উপত্যকাত কপিলী বা ত্ৰিপুৰা বা থেপ্ৰা বা তিপৰা ৰাজবংশই স্থাপন কৰা ত্ৰিপুৰা ৰাজ্যৰ স্মৃতিচিন আজিও জিলিকি আছে। উল্লেখযোগ্য যে কাৰবিসকলক বিতাড়িত কৰোতে যিখন নৈত উটি-ভাঁহি গৈছিল, সেইখন নৈ কিলিং (উটি যোৱা) নামে অদ্যাপি

খ্যাত হৈ আছে। ত্ৰিপুৰা ৰাজ্যৰ উত্তৰ সীমাত ডিমাছাসকলে ডিমাছা ৰাজ্য স্থাপন কৰে। কালক্ৰমত উভয় ৰাজ্যৰ ৰজাৰ মাজত ঘোৰতৰ ৰণ হোৱাত ত্ৰিপুৰা ৰাজা পৰাজিত হৈ দক্ষিণলৈ গুচি যায়। সেই সময়ৰ পৰা কপিলী যমুনা উপত্যকাও ডিমাছা ৰজাৰ অধীনলৈ আহে। খ্ৰীষ্টীয় ৬ষ্ঠ শতিকাত কপিলী উপত্যকা সম্পূৰ্ণ ডিমাছাসকলৰ অধীনলৈ যায় (—বৰুৱা কনকলাল)।

ডিমাছা ভাষাত 'ডেবাখ' শব্দৰ অৰ্থ হৈছে দেৱতা থকা ঠাই। এই দেবাখ > ডবাক > ডবকা ৰাজ্যৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন আছিল। এই ঠাইতে ডিমাছা ৰজাই সজোৱা ইটাৰ ধুনীয়া ধুনীয়া মন্দিৰ আৰু অট্টালিকাৰ ধ্বংসস্তূপ দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰি ব্ৰা-ব্ৰী (শিৱ- পাৰ্বতী) ৰ মূৰ্তি, শিৱলিংগ, যোৰপখুৰী, পুখুৰী আদি কীৰ্তিচিনে ডিমাছা ৰজাৰ কৃষ্টি-সংস্কৃতিৰ গৌৰৱধ্বজা উৰুৱাই আছে।

দ্বিতীয় জ্যোথিচ্ নগৰত বাস কৰা সময়ত ডিমাছাসকলৰ তিৰোতাৰ সংখ্যা অতি কম আছিল। তেওঁলোকৰ কাষত বাস কৰা খাচিসকলৰ তিৰোতাই তেওঁলোকৰ লগত আদান-প্ৰদান কৰি ডিমাছা ভাষা শিকি লৈছিল। খাচিসকলৰ লগত ভাব-ভাষাৰ মিল দেখাত, তেওঁলোক আমাৰেই বংশধৰ বুলি ভাবি, খাচি তিৰোতাৰ সৈতে বিয়া-বাৰু পাতি বসবাস কৰিবলৈ ল'লে। মাতৃপ্ৰধান প্ৰথানুযায়ী সন্তান জন্ম হ'লেই তিৰোতাসকলে ঘৰলৈ লৈ যায়। দুয়ো জাতিৰ মাজত সামাজিক ব্যৱস্থা বেলেগ হোৱাত ডিমাছাসকলৰ মনত অসন্তোষ বাঢ়িল। সেয়ে তেওঁলোকে বৈবাহিক সূত্ৰত আবদ্ধ হোৱাসকলক এৰি থৈ (গাৰ') পুব ফালে প্ৰব্ৰজন আৰম্ভ কৰিলে। এৰি থৈ যোৱাসকলৰ পৰৱৰ্তী বংশধৰসকলক তেওঁলোকে গাৰো বুলি অভিহিত কৰিছিল।

ইয়াৰ পাছত পূবলৈ আহি তেওঁলোক কপিলী আৰু বৰাক অৱবাহিকা এলেকাত বিস্তাৰিত হ'ল। ইয়াতেই তেওঁলোকে উল্লিখিত ডবাক আৰু কছাৰী ৰাজ্য স্থাপন কৰি বাস কৰিবলৈ ধৰিলে। এই দুয়োখন ৰাজ্যত ডিমাছাৰ বেলেগ বেলেগ নামৰ দুজন ৰজা থাকিলেও ত্ৰিপুৰা বুৰঞ্জী বা অন্যান্য নথি-পত্ৰত ৰজা দক্ষিণৰ পৰা আৰম্ভ হোৱা কছাৰী ৰাজ্যখনৰ অস্তিত্ব খ্ৰীষ্টীয় ৫ম শতিকালৈকে ৰাজত্ব কৰা ৰজাসকলৰ নাম অদ্যপৰিমিত পোৱা হৈছে। সম্ভৱ, ত্ৰয়োদশ শতিকাত দুয়োখন ডিমাছা ৰাজ্য একেলগ হৈ এখন ডিমাছা ৰাজ্যত পৰিণত হৈছিল।

প্ৰতাৰ্দনেই আছিল ত্ৰিবেগ ৰাজ্যৰ আদিৰজা। সম্ভৱ, তেওঁ ১৯০০ খ্ৰীঃ পূঃত ৰাজত্ব কৰিছিল। ত্ৰিবেগ ৰাজ্যৰ পঞ্চদশজন ৰজা ত্ৰিপুৰে ৰাজ্য শৃংখলিত ৰূপত শাসন কৰিব নোৱাৰাত আৰু ৰাজ্যত আকাল হোৱাত প্ৰজাসকল নিকটৱৰ্তী ৰাজ্যলৈ গুচি গৈছিল। কোনোৱা আততায়ীয়ে ত্ৰিপুৰক হত্যা কৰাত, তেওঁৰ পুত্ৰ (ষষ্ঠদশজন) ৰাজা ত্ৰিলোচন ৰাজপাটত বহিল। এওঁৰ পুত্ৰ দিকপতিয়ে অপুত্ৰক হেড়েম্ব ৰাজকুমাৰীৰ পাণি গ্ৰহণ কৰে আৰু শহুৰেকৰ মৃত্যুৰ পাছত হেড়েম্ব ৰাজ্যৰ ৰজা হৈ হেড়ম্বেশ্বৰ উপাধি গ্ৰহণ কৰে। পিতৃ ত্ৰিলোচনৰ অকাল মৃত্যু হোৱাত দিক্পতিৰ ভাতৃ পিতৃৰাজ্যৰ ৰজা হয়। জ্যেষ্ঠ ভাতৃ হিচাপে দিক্পতিয়ে পিতৃৰাজ্য উত্তৰাধিকাৰী সূত্ৰে পাবলৈ বিচাৰিলে। ইয়াৰ ফলত উভয়ৰ মাজত এখন তুমুল ৰণ হয়। দিক্পতিয়ে ত্ৰিপুৰা ৰাজ্য জয় কৰি নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে আৰু সমসাময়িক কামৰূপ ৰাজ্যৰ ৰজাৰ সমানেই ক্ষমতাশালী হৈ উঠে। দক্ষিণে ৰণত হুঁহকি, প্ৰজাবৰ্গৰে সৈতে বৰাইল পৰ্বত অতিক্ৰম কৰি, বৰাক উপত্যকাত এখন ডিমাছা কছাৰী ৰাজ্য স্থাপন কৰিছিল। এই ৰাজ্যখনৰ ৰাজধানী আছিল খলংমা। যথা—

'ত্ৰিবেগ স্থানতে ৰাজা কৰিল এক পুৰী।
না না মতে নিৰ্ম্মাইল পুৰীৰ চত্তাৰি।' ৯৬

'অসম, মণিপুৰ, জয়ন্তীয়া, কাছাৰ আৰু মৈমনসিঙৰ এটা অংশ আৰু শ্ৰীহট্টৰ লেখীয়াকৈ ৰংপুৰ জিলাও অতীতৰ কামৰূপ বা প্ৰাগজোতিষ ৰাজ্যৰ অধীনত আছিল। মৎস্য ৰাজ্য বা বংগদেশ আৰু প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা আছিল কৰতোৱা নদী। কামৰূপৰ নৃপতি ভগদত্তই দুৰ্যোধনৰ পক্ষাৱলম্বন কৰি মহাবীৰ অৰ্জুনৰ হাতত নিধন হৈছিল। ঘাঘট নদীৰ পাৰত ৰজা ভগদত্তই এটি বংগালয় নিৰ্মাণ কৰাইছিল।' 'প্ৰাগৈতিহাসিক যুগত প্ৰাগ্‌জ্যোতিষ ৰাজ্য কৰতোৱা নৈলৈকে বিস্তৃত আছিল। যোগিনীতন্ত্ৰৰ মতে কামৰূপৰ তৃতীয়জনা জল্পেশ্বৰে প্ৰথম শতিকাত ৰাজ্য শাসন কৰে। এওঁৰ দিনত জল্পলিংগ আবিৰ্ভূত হয়। ...এওঁৰ পৰৱৰ্তী ৰজা পৃথু। পৃথুৰ পাছত ধৰ্মপাল ৰজাই ব্ৰহ্মপুত্ৰলৈকে পশ্চিম কামৰূপ শাসন কৰে। ইয়াৰ স্মৃতিচিন আজিও কোচবিহাৰ ৰাজ্যত দেখা যায়।' 'মহাভাৰতৰ যুগত মৈমনসিং প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ অধীনত আছিল। তাৰ তিনি হাজাৰ বছৰৰ পাছত বুদ্ধ যুগত এই ৰাজ্যৰ নাম কামৰূপ হয়। ...যমুনাৰ স্থলভূমি আৰু ৰাজশাহী বিভাগৰ ঠাই আৰু মৈমনসিঙৰ উত্তৰে থকা পৰগণাবোৰ কামৰূপ ৰাজ্যৰ অধীনত আছিল।' (—মিঃ এফ আৰ চেকচ্)

আহোমসকলে ডিমাছা কছাৰীসকলক 'টিকমি-ছা' > 'টিমিছা' বুলিছিল। ডিমাছাসকল আছিল ঘোৰ শাক্তধৰ্মী। সেই সময়ত কামাখ্যা অঞ্চলকে কেন্দ্ৰ কৰি শাক্তধৰ্মই প্ৰধান্য লাভ কৰিছিল। সেই সময়ত কামাখ্যা (কা-মন, মাখ্যা-পালো, অৰ্থাৎ মন পালো, মনোবাঞ্ছা পূৰ্ণ হোৱা ঠাই) মন্দিৰত পেন্দুকাৰ (পূজাৰীৰ) দ্বাৰা বলি-বিধান দিছিল। এদিন কেন্দুকলাই নামৰ পূজাৰী এজনে অকলে মন্দিৰৰ ভিতৰত থাকোতে অন্তৰ্যামী দেৱীয়ে সম্পূৰ্ণ নগ্নবেশে নৃত্য কৰি আছিল। পূজাৰীজনে স্তুতি-মিনতি কৰি প্ৰাৰ্থনা কৰাত দেৱীয়ে ক'লে যে তেওঁলোকৰ সুখ-শান্তিৰ বাবেই তেওঁ দৰ্শন দিছেহি। প্ৰতি পূৰ্ণিমা তিথিত পূজাৰীয়ে এই নৃত্য দৰ্শন কৰিবলৈ পাব। ইয়াকে কৈ দেৱী অন্তৰ্ধান হ'ল। এই কথা কেনেবাকৈ ৰজাৰ কাণত পৰাত তেওঁ এনে দৃশ্য চাবলৈ ব্যাকুল হৈ পৰিল। সেয়ে পূজাৰীয়ে এৰাব নোৱাৰি ৰজাৰ মনোবাঞ্ছা পূৰ্ণ কৰিব লগা হ'ল। পূজাৰীৰ কথা মতে ৰজাই পূৰ্ণিমা তিথি এটাত কামাখ্যা মন্দিৰৰ ভিতৰত সোমাল। দেৱালৰ কুন্দ্ৰাক্ষৰ মাজেদি গুপুতে ৰজাই দেৱীৰ নৃত্য চাই বৰ আচৰিত হ'ল আৰু নিজ জীৱনক ধন্য মানিলে। ইফালে দেৱীয়ে কথাটো জানিব পাৰি কেন্দুকলাইক শিৰচ্ছেদ কৰিলে। দেৱীয়ে ৰণচণ্ডী মূৰ্তি ধৰি ৰক্তাক্ত বলি কটা দাখন লৈ পূবফালে যাত্ৰা আৰম্ভ কৰিলে। তেওঁৰ ভক্তবৃন্দই ভয়ত ভীত হৈ একো একোখন বলিকটা দা লৈ দেৱীক অনুসৰণ কৰিলে। দেৱীয়ে বাটকুৰি বাই বৰ্তমান ধৰমতুলত (নগাঁও জিলাত) এনিশা জিৰাই, পিছদিনা কামপুৰৰ ফালে যাত্ৰা আৰম্ভ কৰিলে। ইয়াত কিছুদিন থকাৰ পাছত দেৱীয়ে ডবকা পাহাৰৰ পাদদেশত থকা অটব্য জংঘল অতিক্ৰম কৰি বৰ্তমানৰ মৌদণ্ডা নামে ঠাইত (হাওৰা-ঘাটৰ নিকটবৰ্তী ঠাই) উপস্থিত হ'লগৈ। মৌদণ্ডাৰ অৰণ্যৰ মাজত আজিও দেৱীৰ থান আছে। দেৱীৰ অনুচৰবৰ্গ ভাগৰুৱা হৈ পৰাত তেওঁলোক আৰু আগ বাঢ়িবলৈ ইচ্ছা নকৰি কামপুৰতে থাকি গ'ল।

কামপুৰত থিতাপি লোৱাসকলক সেই সময়ৰ ডিমাছা ৰজাই বগলা দেৱী, কেঁচাইখাতী, পলাশবাৰী, দলশা পুখুৰী আদি থানত মুখ্য বলিকটীয়া পদত নিযুক্ত কৰিলে। সেইসকলে পাৰ চৰাই আকাশলৈ উৰুৱাই দি জনগণৰ অমংগল, মাৰি-মৰক আদিৰ পৰা ৰক্ষা পাবলৈ কামনা কৰিছিল।

এইদৰেই ডিমাছা ৰাজ্যত শাক্তধৰ্মই প্ৰাধান্য লাভ কৰিলে। এইসকল বলিকটীয়াক ডিমাছাৰাজে শাসনৰ শেষাংকলৈকে লস্কৰ উপাধিৰে বিভূষিত কৰিছিল। সেইসকল পূজাৰীৰ বংশৰ লোক অদ্যাপি কামপুৰ নগৰৰ আশে-পাশে সিচঁৰতি হৈ আছে। তেওঁলোকৰ ঘৰত বিৰাটাকাৰৰ বলিকটীয়া দা কে'বাখনো সংৰক্ষিত কৰি ৰখা এই লেখকে দেখা পাইছে। এই বলিকটীয়া পৰিয়ালৰ মুখ্যজনক 'ৰজা' বুলি আখ্যা দিছিল। কালক্ৰমত এই ৰজাই 'বলিৰজা' নামে খ্যাত হৈছিল।

ইয়াৰ পাছত ডিমাছাসকল কাছাৰ জিলাৰ পৰা ডিমা (ধনশিৰি) নৈ পাৰ হৈ শদিয়া এলেকাত প্ৰবেশ কৰেগৈ। সেই ঠাইতে তেওঁলোকে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য পাতি বসবাস কৰিবলৈ ল'লে। আটাইবোৰে ১২২৮ খ্ৰীঃত পাটকাই পৰ্বত পাৰ হৈ, সৌমাৰত প্ৰবেশ কৰি ডিমাছা কছাৰীসকলক লগ পাইছিলহি। ডিমাছাসকলৰ লোকগীতত দালাউব্ৰা (দালাউ বৰ্তমান নাহৰকটীয়াৰ ওচৰৰ দিল্লী নৈ) আৰু সাংগ্ৰিবাৰ (বুঢ়ীদিহিং নৈ) সংগমস্থলত এখন ঐতিহ্যপূণ ঠাইৰ কথা উল্লেখ কৰিছে। সেই ঠাইতে এজোপা বিয়াগোম বৰগছ আছিল। ইয়াৰ ডাল-পাতে টুৰুং আৰু আহোম ৰাজ্য চুইছিলগৈ। সেই সময়ৰ ডিমাছা ৰজাৰ পৰা আহোমে আৰু মাছমৰীয়াই ক্ৰমে এখিলা খেৰৰ পাতৰ সমান আৰু এমাকো পানী বিচাৰিলে। নিৰ্জু ডিমাছাৰাজে আত্মবিশ্বাসত সেই বস্তু দুপদ দি দিলে। এই বিষয়ে ডিমাছা লোকগীতত এনেদৰে আছে, যথা —'আচীমডে টিৰিলাই লাইচিনি হা চাইনডু, ডিমিডেঃ ঠুৰিছা গাচিনি ডি চাইনডু।' ইয়াৰ অন্তত আহোমসকলে কথা সলালে আৰু মাছমৰীয়াসকলে কু-বুধি ল'লে; যথা—'আচীমডে কাকেৰেঙ বাও-ৰিংবী, ডিমিডে কু-বুধি জৰি-বী।' সেয়ে আহোমে ডিমাছাৰ মাটি আৰু মাছমৰীয়াই পানী ঠেলি আহিল। যথা—'আচীমডে হা নেডাও নেপাইডু, ডিমিডে নেডাও নেপাইডু।' ইয়াৰ পাছত ডিমাছাসকল নিজ ঘৰতে আলহী হ'ল আৰু কিছুমানে মনৰ বেজাৰত পশ্চিমলৈ প্ৰব্ৰজন আৰম্ভ কৰিলে।

কেইগৰাকীমান ডিমাছা নৃপতি

'ডিমাছা সংস্কৃতিৰ ৰূপৰেখা' গ্ৰন্থত ডিমাছা নৃপতিবৰ্গৰ বৰ্ণনা আছে। সেইসকলৰ ভিতৰৰে এই আলোচনাত কেইজনমানৰ বিষয়ে সামান্য উল্লেখ কৰা হ'ল।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত ১৭০২ খ্ৰীঃত তাম্ৰধ্বজ নামে এজন ৰজাই কছাৰী ৰাজপাটত বহিছিল। সেইসময়ত কছাৰীসকল আহোমৰ অধীনত আছিল। আহোম স্বৰ্গদেৱে অনবৰত মোগলৰ আক্ৰমণত ব্যস্ত হৈ থাকোতে তাম্ৰধ্বজ ৰজাই নিজকে স্বাধীন ৰজা বুলি ঘোষণা কৰিলে। সেয়ে স্বৰ্গদেৱে কছাৰী ৰাজ্য আক্ৰমণ কৰিবলৈ আহোম সেনা পঠালে। আহোম সেনাই অনায়াসে কছাৰী ৰাজ্যৰ ৰাজধানী দখল কৰাত, ৰজা তাম্ৰধ্বজে মাইবঙৰ পৰা পলাই খাচপুৰ পায়গৈ। এই বিপদকালত তাম্ৰধ্বজে জয়ন্তীয়াৰ ৰজা ৰামসিংহৰ সহায় বিচাৰিলে। কিন্তু কিছু দিনৰ পাছত আহোম সেনাৰ নানা আলৈ-আহুকাল হোৱাত কছাৰী ৰাজ্য, ৰাজধানী এৰি সোনকালে গৃহৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। সময়-সুযোগ বুজি সেই সময়তে ৰামসিংহই কছাৰী ৰাজ্য আক্ৰমণ কৰি তাম্ৰধ্বজক বন্দী কৰে। বন্দী অৱস্থাতে তাম্ৰধ্বজে ৰুদ্ৰসিংহ স্বৰ্গদেউৰ সহায় প্ৰাৰ্থনা কৰিলে।

সেয়ে স্বৰ্গদেৱে জয়ন্তীপুৰ আক্ৰমণ কৰি তাম্ৰধ্বজক বিশ্বনাথ দৰবাৰত হাজিৰ কৰালে। ৰজা তাম্ৰধ্বজেও স্বৰ্গদেৱক সেৱা জনাই আহোমৰ বশ্যতা স্বীকাৰ কৰে আৰু লগতে আহোমক

দিবলগীয়া কৰ পৰিশোধ কৰিবলৈ শপত খালে।

ডিমাছাৰ আন এজন উল্লেখযোগ্য ৰজা আছিল ইন্দ্ৰবল্লভ। ইন্দ্ৰবল্লভৰ ৰাজধানী আছিল কীৰ্ত্তিপুৰ। ৰজা ইন্দ্ৰবল্লভে স্বৰ্গদেউ চুচেংফাৰ সৈতে মিলিজুলি ৰাজ্যশাসন কৰিবলৈ আগ্ৰহী আছিল। সেয়ে তেওঁ বহুতো উপঢৌকন দি স্বৰ্গদেউৰ ওচৰলৈ কটকী পঠাইছিল। স্বৰ্গদেৱে কছাৰী ৰজাৰ সন্দেশ-পত্ৰ পঢ়ি তেওঁক স্বাধীন ৰজা বুলি মানি নল'লে। সেয়ে কছাৰী ৰজাই আহোমৰ নতুন আক্ৰমণ আশংকা কৰি ৰাজধানী স্থানান্তৰিত কৰিলে। ১৬৪৪ খ্ৰীঃত ইন্দ্ৰবল্লভ ৰজাৰ মৃত্যু হয়।

স্বৰ্গদেউ ৰুদ্ৰসিংহই তাম্ৰধ্বজৰ ন বছৰীয়া পুত্ৰ সুৰদৰ্পনাৰায়ণক হেড়ম্ব ৰাজ্যৰ ৰজা পাতে। এনেকৈয়েই দুয়োখন ৰাজ্যৰ মাজত মহামিলনৰ যোগসূত্ৰ স্থাপন হয়। ইয়াৰ মাধ্যমেৰে হেড়ম্ব ৰাজ্যত বৈদিক হিন্দু ধৰ্ম আৰু বৈষ্ণৱ প্ৰভাৱ প্ৰতিফলিত হয়। জয়ন্তীয়া আৰু গৌড়ৰ ব্ৰাহ্মণসকলে হেড়ম্ব ৰাজ্য আৰু বৰঅসমত কৃষ্টি-সংস্কৃতিৰ সেন্দুৰীয়া আলি নিৰ্মাণ কৰিলে। ৰজা সুৰদৰ্পনাৰায়ণ নাবালক হোৱা কাৰণে মাক ৰাজমাও চন্দ্ৰপ্ৰভাই ৰাজ্য পৰিচালনা কৰা'ত পুত্ৰক সহায় কৰিছিল। তেওঁৰ ৰাজত্বকালতে খাচপুৰত ৰাজধানী, দেৱী ৰণচণ্ডী মন্দিৰ আৰু শিৱ মন্দিৰ নিৰ্মাণ কৰিছিল। এইজনা ৰজাৰ আমোলতেই অসমীয়া ভাষা-সাহিত্যৰো চৰ্চা হৈছিল।

কছাৰীসকলৰ আন এজন লেখত লবলগীয়া ৰজা আছিল হৰিচন্দ্ৰ ভূপতি, যিগৰাকীয়ে এটি বিয়াগোম শিল কাটি এটি মন্দিৰ নিৰ্মাণ কৰিছিল আৰু ৰাণীৰ নামেৰে এটি দীঘলীয়া পুখুৰীও খন্দাইছিল।

হৰিচন্দ্ৰ ৰজাৰ পুত্ৰ লক্ষ্মীচন্দ্ৰই কাঞ্চনীক বিয়া কৰাইছিল। তেওঁলোকে জয়ন্তীয়া আৰু নগাৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি মাইবঙৰ পৰা খাচপুৰলৈ স্থানান্তৰিত হ'বলগীয়া হয়। অকল এয়ে নহয়, হিন্দুধৰ্মৰ প্ৰভাৱেও তেওঁলোকক অশান্তিত ভোগাইছিল। তেওঁ খাচপুৰত ৰাজধানী পাতি স্ফাটক-ধুনীয়া কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ৰজা লক্ষ্মীচন্দ্ৰই উত্তৰ কাছাৰ পৰিত্যাগ কৰিলে যদিও তাত সেনাপতি এজন আৰু বৰভাণ্ডাৰী বিষয়া এজনক শাসন কৰিবলৈ নিযুক্তি দিছিল আৰু জগন্নাথ বাস্পতি নামে ব্ৰাহ্মণ এজনক ৫০ হালিচা মাটি দান দিছিল। এই ভূমিখণ্ড কালাইন পৰগণাৰ অন্তৰ্গত কুনাউৰা আৰু মুন্দাউৰা নামে গাঁৱত দেখিবলৈ পোৱা যায়।

গাৰো জনজাতিৰ পৰিচয়

ড° বিমল কুমাৰ মজুমদাৰ

'গাৰো' শব্দটোৰ উৎপত্তি বা নামকৰণক লৈও ভিন্ন মতবাদৰ প্ৰচলন আছে। বহুতৰ মতে, 'গাৰো' নামটো অন্য সম্প্ৰদায় বা বাহিৰৰ মানুহে দিয়া। গাৰোসকলে নিজৰ সম্প্ৰদায়টোক বুজাবলৈ কেতিয়াও এই শব্দটো ব্যৱহাৰ নকৰে। তেওঁলোকে নিজকে 'আচিক' (Achik) বুলিহে পৰিচয় দিয়ে। 'আচিক' শব্দটোৰ মৌলিক অৰ্থ হ'ল পাহাৰ আৰু ইয়াক যেতিয়া বহু বচনত 'আচিকাৰাং'ৰূপে ব্যৱহাৰ কৰে, তেতিয়া ই গৌণভাৱে গাৰো সম্প্ৰদায়ক বুজায়। 'আচিক' শব্দটোৰ বিপৰীতে 'আজং' শব্দটো ব্যৱহাৰ কৰা হয় ; যাৰ অৰ্থ অনা-গাৰো। গাৰোসকলে নিজকে 'আচিক মান্দে' (অৰ্থাৎ পাহাৰৰ মানুহ) বুলি পৰিচয় দিবলৈহে বেছি পছন্দ কৰে।[1] 'আচিক মান্দে'ৰ দৰে গাৰোভূমিক বুজাবলৈ 'আচিক আচং' (Achik A'chong) বা গাৰো ভাষাত বুজাবলৈ 'আচিক কুচিক' (A'chik Ku'chik) পদৰ ব্যৱহাৰ কৰে।

আন এক মতবাদ মতে, গাৰো পাহাৰ জিলাৰ সদৰ কাৰ্যালয় 'তুৰা' প্ৰাচীনকালত 'ধুৰা' নামেৰে পৰিচিত আছিল। সেইবাবে কোনোৱে ক'ব খোজে যে 'গাৰো' শব্দটো 'ধুৰা' শব্দৰেই বিকৃত অথবা উন্নত ৰূপ।[2] ফলত গোৱালপাৰাৰ দক্ষিণে পাৰ্বত্য অঞ্চলত বসবাসকাৰী অধিবাসীসকল 'গাৰো' নামেৰেই জনাজাত হ'ল।

আন এটা মতবাদ মতে, গাৰো পাহাৰত বসবাসকাৰী গাৰোসকলৰ এটা দলৰ এগৰাকী অন্যতম শক্তিশালী দলনেতাৰ নাম আছিল 'গাৰা'। এই 'গাৰা'ৰ নামানুসাৰেই জাতিটোৰো নামকৰণ হয় 'গাৰো' বুলি। একেদৰে আন কিছুমানে ক'ব খোজে যে গাৰোসকলৰ এটা শাখা 'গাৰা-গানচিংয়ে'ৰ নামানুসাৰে 'গাৰো' শব্দটো প্ৰচলিত হৈছে।

এনে ভিন্ন ভিন্ন মতবাদৰ বাবেই 'গাৰো' নামকৰণৰ প্ৰকৃত অৰ্থ বা উৎপত্তি সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। যিহেতু প্ৰতিটো মতবাদৰে সপক্ষে সবল যুক্তি আছে, তথাপি

বেছিভাগ পণ্ডিতেই অনুমান কৰে যে 'গাৰো' নামটো বাহিৰৰ পৰা অৰ্থাৎ অনা-গাৰো মানুহে দিয়া। গাৰো পাহাৰত বসতি স্থাপন কৰা বাবেও এই সম্প্ৰদায়টোৰ নাম 'গাৰো' হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

গাৰোভূমিৰ ভৌগোলিক অৱস্থান ঃ

গাৰোসকলৰ প্ৰধান বাসভূমি ভাৰত ৰাষ্ট্ৰৰ মেঘালয় ৰাজ্য। তথাপি উত্তৰ-পূব ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে গাৰোসকলে বসবাস কৰি আহিছে। মেঘালয়ৰ গাৰো পাহাৰৰ সংলগ্ন কামৰূপ, গোৱালপাৰা জিলাৰ উপৰি অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, দৰং, মিকিৰ পাহাৰ জিলা আদিতো বহুসংখ্যক গাৰো গাঁও আছে। তদুপৰি ত্ৰিপুৰা-পশ্চিমবংগৰ উত্তৰ অঞ্চলতো কম পৰিমাণে হ'লেও গাৰো লোক আছে। ইফালে বাংলাদেশৰ মৈমনসিং, জামালপুৰ, টাংগাইল আৰু চিলেট জিলাতো ভালেখিনি গাৰো মানুহে বসবাস কৰি আহিছে। তথাপি ভাৰতবৰ্ষৰ মেঘালয় ৰাজ্যৰ গাৰো পাহাৰ জিলাকেই গাৰোসকলৰ মুখ্য বাসভূমি হিচাপে গণ্য কৰা হয় ; কিয়নো ইয়াতেই গাৰোসকলৰ সৰ্বমুঠ জনসংখ্যাৰ শতকৰা ৬৫ ভাগ লোকে স্থায়ীভাৱে বসবাস কৰি আহিছে।

মেঘালয় ৰাজ্যৰ সৰ্বমুঠ জিলাৰ সংখ্যা সাতখন—পূব খাচী পাহাৰ, পশ্চিম খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ, ৰিভোই, উত্তৰ গাৰো পাহাৰ, পূব আৰু পশ্চিম গাৰো পাহাৰ। ইয়াৰে শেষৰ তিনিখন জিলা প্ৰধানভাৱে গাৰো অধ্যুষিত। বাকী তিনিখন জিলা খাচী আৰু জয়ন্তীয়া মানুহৰ আৱাসভূমি। ২০০১ চনৰ পিয়ল অনুসৰি মেঘালয় ৰাজ্যৰ জিলাভিত্তিক জনসংখ্যা, মাটিকালি আৰু সদৰ ঠাই এনে ধৰণৰ—

জিলা	সদৰ ঠাই	জনসংখ্যা	মাটিকালি (বৰ্গ কিঃমিঃ)
পূব খাচী পাহাৰ	শ্বিলং	৬৬০৯৯৪	২৬০৩
পশ্চিম খাচী পাহাৰ	নংষ্টেন	২৯৪১১৫	৫২৪৭
জয়ন্তীয়া পাহাৰ	জোৱাই	২৯৫৬৯২	৩৮১৯
পূব গাৰো পাহাৰ	উইলিয়াম নগৰ	২৪৭৫৫৫	২৬০৩
পশ্চিম গাৰো পাহাৰ	তুৰা	৫১৫৮১৩	৩৭১৪
উত্তৰ গাৰো পাহাৰ	বাঘমাৰা	৯৯১০৫	১৮৫০
ৰিভোই	নংপো	১৯২৭৯৫	২৪৪৮

মুঠ জনসংখ্যা ২,৩০,৬,০৬৯, মাটিকালি ২২,৪২৯ বৰ্গ কিঃমিঃ

গাৰো পাহাৰ জিলাকেইখন মেঘালয় ৰাজ্যৰ পশ্চিম সীমাত আৰু অসমৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত। গাৰো পাহাৰ এসময়ত অবিভক্ত অসমৰেই অন্তৰ্ভুক্ত আছিল। ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ পৰা ১৮৬৯ চনলৈ সমগ্ৰ গাৰো পাহাৰ অসমৰ গোৱালপাৰা জিলাৰ অধীনত আছিল। ১৯৭১ চনত সুকীয়া মেঘালয় ৰাজ্য স্থাপন হোৱাৰ লগে লগে গাৰো পাহাৰ অসমৰ পৰা আঁতৰি গৈ মেঘালয় ৰাজ্যৰ লগ লাগিল। মেঘালয় ৰাজ্য স্থাপন হোৱাৰ লগে লগে গাৰোসকল ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত এক সুকীয়া স্থানৰ অধিকাৰী হ'ল।

গাৰো পাহাৰত নদ-নদীৰ সংখ্যাও একেবাৰে কম নহয়। প্ৰধান নদীসমূহৰ ভিতৰত সোমেশ্বৰী,

ঝিনাৰী, কৃষ্ণাই, ৰঙাই, কালু, দাৰেং ভোগাই আদি উল্লেখযোগ্য। এই নদীসমূহ গাৰোসকলৰ মাজত যথাক্রমে চিমচাং, দিব্রাম, দাম্‌ৰিং, মাৰিদা (মানদা), ৰিংগি, গানল, নিতাই, বুগী নামেৰে জনাজাত। অসমৰ গোৱালপাৰা জিলাৰ মাজেৰে বৈ গৈ ব্রহ্মপুত্রত পৰা দুধনৈ আৰু কৃষ্ণাই নদীৰ উৎস গাৰো পাহাৰেই। গাৰো পাহাৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য নদী হৈছে সোমেশ্বৰী নদী—গাৰোসকলে যাক 'চিম্‌চাং' বোলে।

চিমচাং নদীৰ উৎস তুৰা আৰু নক্‌ৰেক শৃংগ দুটাৰ মধ্যাঞ্চলত। মালভূমিৰ পৰা সমভূমিলৈ নামি অহা অৱস্থাতে নৈখন চুণশিলৰ পাহাৰৰ মাজেৰে বৈ আহিছে আৰু নদীৰ সোঁতত চুণশিল ক্ষয় হৈ দুয়োপাৰে কিছুমান শিলৰ স্তম্ভৰ আকৃতি লৈছে। এই প্ৰধান নদীকেইখনৰ উপৰি গোটেই গাৰো পাহাৰত ভালেমান সৰু জান-জুৰি আছে। এইবোৰৰ কোনো কোনোটোৱে সৰু-বৰ জলপ্ৰপাতৰো সৃষ্টি কৰিছে। পাহাৰ-পৰ্বত, জান-জুৰি, নদ-নদী, শৃংগ-মালভূমি আদিয়ে আৱৰি ৰখা প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে এই জিলা দুখনক 'পাহাৰী কন্যা' (Hill Queen) বুলিও অভিহিত কৰিছে।

ঐতিহাসিক দৃষ্টিত গাৰো জনজাতি ঃ

গাৰো সমাজৰ উৎপত্তি বা তেওঁলোকৰ আদিবাসস্থান সম্পৰ্কে সঠিক তথ্য প্ৰদান কৰা একপ্ৰকাৰ অসম্ভৱ।[৩] কাৰণ এই সম্পৰ্কত তেওঁলোকৰ কোনো লিখিত তথ্য বা ধাৰাবাহিক প্ৰমাণ-নিৰ্ভৰ ইতিহাস পোৱা নাযায়। তাতে আকৌ গাৰো সমাজৰ বংশ-পৰম্পৰাত যিবোৰ কাহিনী, উপকথা, কিংবদন্তি আদিৰ প্ৰচলন আছে, সেইবোৰেও কাৰ্যতঃ তেওঁলোকৰ উৎপত্তি বা আদিস্থান নিৰ্ণয়ৰ ক্ষেত্ৰত সিমান মূল্যৱান তথ্যৰ যোগান ধৰিব পৰা নাই। আনহাতে এইবোৰৰো উৎকৰ্ষ সাধিত হৈছে এই উপমহাদেশত তেওঁলোকৰ স্থায়ী বসবাসৰ বহুখিনি পাছতহে। সেইবাবেই গাৰো সমাজৰ উৎপত্তি বা তেওঁলোকৰ ক্ৰমবিকাশ সম্পৰ্কে জানিবলৈ হ'লে আমি প্ৰধানতঃ নৃতত্ত্ববিদ আৰু ভাষা বিজ্ঞানীৰ গৱেষণা তথা বিচাৰ-বিশ্লেষণৰ ওচৰত প্ৰধানভাৱে শৰণ ল'বলগীয়া হয়।

নৃতাত্ত্বিক আৰু ভাষাতাত্ত্বিকসকলে ভাৰতবৰ্ষৰ সমগ্ৰ মানৱগোষ্ঠীক জাতিগতভাৱে ছটা প্ৰধান ভাগত বিভক্ত কৰিছে। ভেইন, ৰিজলী আদি বিদেশী পণ্ডিতৰ উপৰি বিৰজা শংকৰ গুহ আৰু সুনীতি কুমাৰ চট্টোপাধ্যায়ে আগবঢ়োৱা অভিমত অনুসৰি ভাৰতত এই ছটা জাতিগত বিভাগৰ মানুহ দেখিবলৈ পোৱা যায়[৪] —

১। নেগ্রিটো বা নেগ্রইড

২। প্রট-অষ্ট্রেলয়ড বা দক্ষিণ জাতি

৩। মেডিটেৰানিয়ান বা ভূমধ্য সাগৰীয় জাতি

৪। ৱেষ্টাৰ্ন বেক্রিচেফাল

৫। নডিক বা উদীচ্য জাতি আৰু

৬। মংগলয়ড বা মংগোলীয় জাতি।

এই ছটা মানৱগোষ্ঠীৰ ভিতৰত গাৰোসকল মংগোলীয় জনগোষ্ঠীৰ লোক। বুৰঞ্জী আৰু নৃতত্ত্ববিদসকলৰ মতেও গাৰোসকল মংগোলীয় গোষ্ঠীভুক্ত তিব্বতো-বৰ্মী বংশৰ লোক।

মংগোলীয়সকলক বিভিন্ন পুৰাণত 'কিৰাত' বুলি কোৱা হৈছে। 'কিৰাত' শব্দটোৱে ব্যাপকভাৱে মংগোলীয় লোককে বুজোৱা হয়। যজুৰ্বেদ, মহাভাৰত, ৰামায়ণ, যোগিনীতন্ত্ৰ, কালিকাপুৰাণতো প্ৰাচীন

কামৰূপৰ ধৰ্ম কৈৰাতজঃ আৰু পূৰ্বোত্তৰ সীমা অঞ্চল কিৰাতভূমি বুলি স্পষ্টকৈ বৰ্ণোৱা হৈছে— 'সিদ্ধেশী যোগিনী পীঠে ধৰ্মঃ কৈৰাতজঃ মতঃ'[৫] বড়ো, ডিমাছা, লালুং, সোণোৱাল, কছাৰী, ৰাভা, গাৰো, মিৰি, কোচ, কাৰবি আদি জনজাতিক পণ্ডিতসকলে মংগোলীয় জাতিৰ ভিতৰত স্থান দিছে। 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা'ত ড° বাণীকান্ত কাকতিয়ে সংস্কৃত শাস্ত্ৰ 'কালিকাপুৰাণ'ৰ পৰা উদ্ধৃতি দি কৈছে যে বৰাহৰূপী বিষ্ণুৱে মাতৃ বসুমতীৰ হতুৱাই নৰকাসুৰক প্ৰাগজ্যোতিষপুৰত ৰজা পাতিবলৈ লৈ অহাৰ সময়ত প্ৰাগজ্যোতিষপুৰত শিৱই কিৰাতসকলক লৈ ৰাজ্য স্থাপন কৰি বিৰাজ কৰিছিল।[৬] পাছত নৰকৰ পিতৃ বিষ্ণুৱে শিৱৰ সন্মতি লৈ ললিতা-কান্তাক সীমা কৰি কৰতোৱা নদীলৈকে এই ঠাইখণ্ডৰ পৰা কিৰাতসকলক আঁতৰাই নৰকক প্ৰাগজ্যোতিষৰ ৰজা পাতিছিল।

'এবমুক্তা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতেঃ তদা।
সৰ্বান্ কিৰাতান্ পূবস্যাৎ সাগাৰান্ত ন্যবেশয়ৎ।।
পূৰ্ব ললিতাকান্তায়াঃ সমাদায় বিধিং পুনঃ।
যাৱৎ সাগৰ পৰ্য্যন্তং কিৰাতাস্তাৱদামন্।।'

আনহাতে 'অমৰকোষ' অভিধানত কিৰাতসকলক ম্লেচ্ছ বুলি অভিহিত কৰা হৈছে —

'লোকহয়ং ভাৰতবৰ্ষং শাৰৰত্যান্ত যোদৈৰবৈঃ
দেশ প্ৰাগ্ দক্ষিণ প্ৰাচ্য উদীচ্য পশ্চিমোত্তৰ
প্ৰত্যন্তে ম্লেছ দেশ স্যাৎমধ্য দেশস্তমধ্যমঃ'

তেনেদৰে 'কালিকাপুৰাণ'তো কিৰাতসকলক ম্লেচ্ছ অৰ্থাৎ চতুৰ্বৰ্ণহীন, জ্ঞানবিবৰ্জিত, মদ-মঙহত আসক্ত বুলি কোৱা হৈছে—

'কিৰাতৈৰ্বলিভিঃ কুৰৈৰম্লেচ্ছৈ ৰূপি চ বাসিতঃ
ৰুক্মস্তন্ত নিভান্তত্ৰ কিৰাতন্ জ্ঞানবৰ্জিতান্
অনৰ্থমুণ্ডিতান মদ্য মাংসনৈক্যকতএপৰাণ।'[৭]

আন কিছুমানৰ মতে, হিড়িম্বা ৰজা কিৰাত আছিল আৰু ভীমৰ ঔৰসত হিড়িম্বাৰ গৰ্ভত জন্মা ঘটোৎকচৰ পৰাইহে কছাৰী জাতিৰ উৎপত্তি হৈছে। সংস্কৃত সাহিত্যৰ পণ্ডিতৰ মতে, শোণিতপুৰৰ ৰজা বাণ কিৰাত বংশীয় আছিল আৰু কুণ্ডিল ৰাজ্যৰ ৰজা ভীষ্মকো কিৰাত বংশীয় আছিল।[৮]

আনহাতে প্ৰব্ৰজনৰ ইতিহাস অন্বেষণ কৰিলে আমি পাওঁ— খ্ৰীষ্টপূৰ্ব দুহাজাৰ বছৰ আগেয়ে কিৰাত বা মংগোলীয় গোষ্ঠীৰ মানুহ চাইবেৰিয়া আৰু মংগোল এই দুই দেশত ভ্ৰমি ফুৰিছিল। কালক্ৰমত তেওঁলোক তিনিটা ভাগত বিভক্ত হয়। এটা ভাগ ইউৰোপৰ ফাললৈ যায় আৰু তুৰ্কী-ইটালীত বসবাস আৰম্ভ কৰে। বৰ্তমান ইটালী আৰু তুৰ্কীৰ মানুহবোৰ মূলতঃ মংগোলীয় গোষ্ঠীৰ বুলি ঠাৱৰ কৰা হৈছে। দ্বিতীয় ভাগটো চাইবেৰিয়াইদি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰেগৈ। তেওঁলোকৰ আনটো ঠাল জাপানত বাস কৰিবলৈ লয়। বৰ্তমান উত্তৰ জাপানৰ ইৰিছ আৰু উত্তৰ আমেৰিকাৰ মেক্সিকো জাতি মূলতঃ মংগোলীয় গোষ্ঠীৰ মানুহ।[৯]

তৃতীয় ভাগটো ক্ৰমান্বয়ে দক্ষিণ ফালেদি নামি চীনৰ দক্ষিণ-পশ্চিমত থকা হোৱাংহো উপত্যকা আৰু তিব্বত মালভূমিত বাস কৰিবলৈ লয়। তাতেই তেওঁলোকে সমৃদ্ধিশালী সংস্কৃতি গঢ়ি তোলে। হোৱাংহো উপত্যকাৰ আন এটা ঠাল ভাগ হৈ 'টাই' নাম লৈ ব্ৰহ্মদেশ পায়গৈ। তিব্বতৰ পৰাও

মংগোলীয়সকল চামে চামে আহি হিমালয়ৰ নামনি অঞ্চলত বাস কৰিবলৈ ধৰে। বৰ্তমান এওঁলোকক নেপাল, ভূটান আদিত পোৱা যায়।[১০]

তিব্বতত বাস কৰা কিছুমান মংগোলীয় লোক ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰে। এই প্ৰসংগত সুনীতি কুমাৰ চট্টোপাধ্যায়ে মংগোলীয়সকলে ভাৰত-তিব্বত আৰু ভাৰত চীনৰ মাজত বেহা-বেপাৰ চলোৱাৰ ইংগিত দিয়া গ্ৰীক ভাষাত ৰচিত এখনি নৌ-বিদ্যাৰ পুথি 'The Periplus of the Erythreecon Sea' লৈ আঙুলিয়াইছে। [১১] উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঠালটোৱে পাছত ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি-কাষৰীয়া ঠাইত বাস কৰিবলৈ লয় আৰু তাতে সৰু সৰু ৰাজ্য স্থাপন কৰে।

ইতিহাসৰ আঁত ধৰি ক'বলৈ হ'লে মংগোলীয় গোষ্ঠীৰ মানুহ ভাৰততো তিনিটা দিশেদি প্ৰৱেশ কৰে। এটা দলে প্ৰাচীন ভাৰতৰ বিদেহ, মিথিলা অৰ্থাৎ বৰ্তমানৰ উত্তৰ-পশ্চিম বিহাৰ আৰু উত্তৰবংগৰে সোমাই গংগা উপত্যকাত বিয়পি পৰে। দ্বিতীয় দলটো দক্ষিণ-পূব কোণেদি ভাৰতত সোমাই বৰ্তমানৰ ত্ৰিপুৰা, শ্ৰীহট্ট, চট্টগ্ৰাম, মৈমনসিং, ঢাকা আদিত প্ৰৱেশ কৰে। অৱশ্যে এই ঠাইবোৰ এতিয়া সৰহভাগ পূব পাকিস্তানৰ অন্তৰ্গত। ত্ৰিপুৰাৰ বাহিৰে বাকী ৰাজ্যবোৰ পাছত মুছলমান ৰজাৰ হাতলৈ যায় আৰু সেইবোৰত বসবাস কৰা মংগোলীয় লোকসকল ইছলাম ধৰ্মত দীক্ষিত হৈ মুছলমান হৈ পৰে। তৃতীয় দলটো উত্তৰ-পূব কোণৰ ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি ব্ৰহ্মপুত্ৰ উপত্যকাত সোমাই তাত আৰু পাহাৰৰ নামনি অঞ্চলত সৰু সৰু ৰাজ্য স্থাপন কৰে।[১২]

এইখিনিতে উল্লেখ কৰি থোৱা প্ৰাসংগিক হ'ব যে গাৰোসকলৰ তিব্বত-বৰ্মী গোষ্ঠীৰ বৃহৎ বড়ো জনগোষ্ঠীৰ অন্যান্য শাখা যেনে—কছাৰী, মেচ, কোচ, মিকিৰ, নগা, মিচিমি প্ৰভৃতি উপজাতিৰ লগত গাৰোসকলৰ নানা দিশত সাদৃশ্য আছে।

পৃথিৱীৰ প্ৰত্যেক জাতিৰেই একোটা নিজস্ব ইতিহাস আছে। গাৰোসকলৰো সেইদৰে প্ৰব্ৰজনৰ ইতিহাস আছে। চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াঙৰ পৰা ব্ৰহ্মপুত্ৰইদি আহি গাৰো পাহাৰত থিতাপি লোৱালৈকে এটা সুদীৰ্ঘ বিৰামহীন যাত্ৰা। এটা জনশ্ৰুতি মতে, গাৰোসকলৰ আদিপুৰুষৰ দলটো জাপফা জালিনফা আৰু সুখফা বোংগিফা নামৰ দুগৰাকী নেতাৰ নেতৃত্বত তিব্বতৰ পৰা হিমালয়ৰ দুৰ্গম গিৰিপথ অতিক্ৰম কৰি প্ৰথমে ভূটানৰ কালিমপঙত উপস্থিত হয়। ইয়াতে তেওঁলোকে ভালেকেইবছৰ বসবাস কৰে। সেই সময়ত ভূটানৰ ৰজা আছিল মহাদেৱ। মহাদেৱ এগৰাকী গাৰো যুৱতীৰ প্ৰেমত পৰে আৰু শেষত তেওঁক বিয়া কৰায়।[১৩] কিন্তু কালিমপঙত তেওঁলোকৰ বসবাস স্থায়ী নহ'ল। এইবাৰ তেওঁলোক উপস্থিত হ'ল কোচবিহাৰত। কোচবিহাৰত তেওঁলোকে দীৰ্ঘ চাৰি শতিকা কাল বসবাস কৰে আৰু সকলো ফালৰ পৰা সমৃদ্ধি লাভ কৰে। কোচবিহাৰ এৰাৰ পাছত বিহাৰৰ ৰজাই তেওঁলোকক স্বাগতম জনায়। বিহাৰত অৱস্থান কৰাৰ সময়তে তেওঁলোকে ধনু, তৰোৱাল, যাঠী আদি যুদ্ধবিদ্যাৰ নানা কৌশলৰ অনুশীলন কৰে আৰু গাৰোসকলৰ যুদ্ধ-নিপুণতা দেখি বিহাৰৰ ৰজা ভীতিগ্ৰস্ত হৈ বিহাৰৰ পৰা তেওঁলোকক বিতাড়ন কৰে। বিহাৰৰ পৰা বিতাড়িত হোৱাৰ পাছত তেওঁলোকে আৰ্যবংশীয় বহুতো ৰজাৰ শত্ৰুতাত দুৰ্ভোগ ভুগিবলগীয়া হয় আৰু এখনৰ পাছত আন এখন ঠাইলৈ সঘনে বাসস্থান সলনি কৰিবলগীয়া হয়। শেষত তেওঁলোকে ব্ৰহ্মপুত্ৰ নদীৰ পূব দিশে যাত্ৰা আৰম্ভ কৰে। সেই সময়ত তেওঁলোকে কিছুদিনৰ বাবে গোৱালপাৰা জিলাৰ ৰঙামাটিত ব্ৰহ্মপুত্ৰ পাৰ হ'বৰ বাবে ৰজাৰ ওচৰত নৌকা প্ৰাৰ্থনা কৰে। কিন্তু ৰজাই দুগৰাকী গাৰো যুৱতীৰ বিনিময়তহে

নৌকা দিবলৈ ৰাজী হয়। উপায় নাপাই মিৰিক আৰু ডিম্‌ৰি নামৰ দুগৰাকী গাৰো যুৱতীৰ বিনিময়ত তেওঁলোকে তিনিশডাল কলগছ লয়। এই কলগছেৰে ভুঁৰ তৈয়াৰ কৰি তেওঁলোক গোৱালপাৰাৰ ৰঙামাটিত উপস্থিত হয়হি।[১৪] পাছত তেওঁলোকে ৰঙামাটিৰ পৰা পূবদিশে প্ৰব্ৰজন কৰি কামৰূপত উপস্থিত হয়।

অসমত গাৰোসকলৰ বসতিকাল আনুমানিক খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাৰ পৰা ত্ৰয়োদশ শতিকা বুলি ঠাৱৰ কৰা হৈছে। আজিৰ পৰা প্ৰায় তিনি হাজাৰ বছৰ আগৰ কথা। কাৰণ এদল দুৰ্ধৰ্ষ গাৰো যুৱক অসমৰ ৰজা ভগদত্তৰ সৈন্যৰূপে কুৰুক্ষেত্ৰ যুদ্ধত অৱতীৰ্ণ হোৱাৰ কথা হিন্দুসকলৰ প্ৰাচীন মহাকাব্য মহাভাৰতত পোৱা যায়।[১৫] কুৰুক্ষেত্ৰ যুদ্ধ মোটামুটিভাৱে ইতিহাসনিৰ্ভৰ আৰু ইয়াৰ সংঘটিত কাল খ্ৰীষ্টপূৰ্ব দ্বাদশ শতাব্দী।[১৬] মহাভাৰতৰ প্ৰাণপুৰুষ শ্ৰীকৃষ্ণ ঐতিহাসিক ব্যক্তি বুলি স্বীকৃত আৰু তেওঁৰ অন্যতম মহিষী ৰুক্মিণী আছিল বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ মিচিমি উপজাতিৰ কন্যা আৰু এই সূত্ৰ ধৰিয়েই শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বাবে মিচিমি দলপতি বাণ ৰজাৰ কন্যা উষাক নাতি-বোৱাৰী হিচাপে গ্ৰহণ কৰিছিল। ব্যক্তিত্বসম্পন্ন ভাৰতৰেই অন্যতম ব্যক্তি অৰ্জুনে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত তেওঁৰ পৰিভ্ৰমণ কালত এগৰাকী উপজাতিভুক্ত কন্যা উলুপীৰ পাণিগ্ৰহণ কৰিছিল আৰু পৰৱৰ্তী কালত আন এগৰাকী মণিপুৰী ৰাজকন্যা চিত্ৰাংগদাৰো পাণিগ্ৰহণ কৰিছিল। আৰ্যবেদ প্ৰণেতা তথা ৰামায়ণ, মহাভাৰত আদি মহাকাব্য আৰু পুৰণি ৰচয়িতাসকলে গাৰো, নগা, মিচিমি আদি উপজাতিসমূহক 'কিৰাত' নামেৰে নামকৰণ কৰিছে আৰু এই আদিবাসী উপজাতিসমূহ প্ৰাক্-আৰ্য যুগতো যে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰি আছিল তাৰ অকাট্য প্ৰমাণ দাঙি ধৰি গৈছে। 'প্ৰাগ-ঐতিহাসিক যুগৰ বৰ্মণ, শালস্তম্ভ, পাল, কোচ, টাই-আহোম প্ৰমুখ্যে অসমৰ প্ৰায়বোৰ ৰাজবংশকেই বোলা হৈছে কিৰাত।'[১৭]

পৰৱৰ্তী কালত গাৰোসকলে পুনৰ অসমৰ বাসস্থান পৰিত্যাগ কৰি পশ্চিমফালে যাত্ৰা আৰম্ভ কৰে আৰু বৰ্তমান গোৱালপাৰাৰ হাব্‌ৰাঘাট অঞ্চলত বসতি স্থাপন কৰে। ইয়াতেই গাৰোসকল বিভিন্ন দলত বিভক্ত হৈ পৰাৰ লগতে অসমৰ বিভিন্ন প্ৰান্ততো সিঁচৰতি হৈ পৰে। আনহাতে 'গাৰোসকলৰ একক শক্তিশালী দলটোৱে আব্ৰাসেন নামৰ এজন দুৰ্ধৰ্ষ নেতাৰ অধীনত ইয়াতেই প্ৰথমে গাৰো ৰাজ্য স্থাপন কৰে। এই ৰাজ্যৰ ৰাজধানীৰ কিছু কিছু ধ্বংসাৱশেষ এতিয়াও দেখিবলৈ পোৱা যায়। এই হাব্‌ৰাঘাটৰ পৰা পাছত ৰজা আবঙৰ নেতৃত্বত এদল দুঃসাহসী গাৰোৱে বৰ্তমান গাৰো পাহাৰৰ তুৰাৰ ওচৰত নক্‌ৰেক পাহাৰলৈ আগমন কৰে আৰু তাতে বসবাস কৰিবলৈ লয়। এওঁলোকেই গাৰো পাহাৰৰ প্ৰথম বাসিন্দা আৰু এওঁলোকৰ পৰাই পৰ্যায়ক্ৰমে গাৰোসকলে গাৰো পাহাৰৰ বিভিন্ন অঞ্চলত বসতি স্থাপন কৰি বিভিন্ন গোত্ৰ, উপ-গোত্ৰত পৰিচিত হ'বলৈ ধৰে।'[১৮] পৰৱৰ্তী কালত এই গোত্ৰ, উপ-গোত্ৰসমূহৰ মাজত প্ৰায়েই বিবাদ-বিসম্বাদ, যুদ্ধ-বিগ্ৰহ লাগিবলৈ ধৰে ; যাৰ পৰিণতিত অপেক্ষাকৃত নিৰীহ গাৰো লোক কিছুমানে গাৰো পাহাৰৰ নিকটৱৰ্তী সমতল ভূমিত পলায়নপূৰ্বক বসতি স্থাপন কৰে। এওঁলোকেই বৰ্তমানৰ বাংলাদেশৰ বিভিন্ন অঞ্চলৰ লগতে কামৰূপ, গোৱালপাৰা আদিত বসবাসকাৰী গাৰোসকলৰ পূৰ্বপুৰুষ।

এইখিনিতেই ব্ৰিটিছ শাসনৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী কালৰ গাৰো পাহাৰ জিলাৰ প্ৰশাসন ব্যৱস্থাৰো এটা সংক্ষিপ্ত আভাস দিয়াটো বোধকৰো অপ্ৰাসংগিক নহ'ব। সমগ্ৰ গাৰো জাতিটো ব্ৰিটিছ

শাসনৰ আগছোৱাত বহু দলত বিভক্ত আছিল। প্ৰত্যেকটো দল প্ৰভাৱশালী তথা শক্তিশালী একোজন নেতাৰ অধীনত আছিল। সেইবাবে সমগ্ৰ গাৰোসকলৰ কোনো কোনো দল নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ সন্ধানত সমতল ভূমিত অৱতৰণ কৰি সেই ঠাইৰ বাসিন্দাসকলৰ ওপৰত আক্ৰমণো চলাইছিল। মোগলৰ ৰাজত্বকালত অসমৰ পশ্চিমাংশত প্ৰধানতঃ স্থানীয় জমিদাৰেই শাসন চলাইছিল। ব্ৰিটিছ ৰাজত্বৰ প্ৰথমাৰ্ধত গাৰো পাহাৰ গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল আৰু সম্পূৰ্ণ অঞ্চলটোৰ শাসনভাৰ এগৰাকী অসামৰিক কমিছনাৰৰ ওপৰত ন্যস্ত আছিল। ১৮৬৯ চনত গাৰো পাহাৰ এখন পৃথক জিলালৈ ৰূপান্তৰিত হয় আৰু প্ৰশাসন ব্যৱস্থাৰ বাবে এজন ভাৰপ্ৰাপ্ত বিষয়া নিয়োগ কৰে। এই কথা সঁচা যে বহু বাধা-বিপত্তি তথা নানা প্ৰতিবন্ধকৰ মাজেদি বহু চেষ্টাৰ মূৰতহে সমগ্ৰ গাৰো পাহাৰ এলেকা চৰকাৰৰ আয়ত্তলৈ আহে আৰু আয়ত্তলৈ অনাৰ পাছৰে পৰা গাৰোসকলে শান্তিপূৰ্ণভাৱে বসবাস আৰম্ভ কৰে।

নৃতত্ত্বৰ দৃষ্টিত গাৰো জনজাতি ঃ

সাধাৰণভাৱে ক'বলৈ হ'লে 'মানুহ আৰু তাৰ সংস্কৃতি' অধ্যয়নেই নৃতত্ত্বৰ মূল কথা। অৱশ্যে ইয়াত 'মানুহ' শব্দটোৰ দ্বাৰা কোনো এজন নিৰ্দিষ্ট ব্যক্তিক বুজোৱা হোৱা নাই, বুজোৱা হৈছে মানৱ দল বা সমষ্টিক। এই সমষ্টিৰ মানুহসকলক আৰু তেওঁলোকৰ সংস্কৃতিক সমূহীয়াভাৱে অধ্যয়ন কৰাটোৱেই হৈছে প্ৰকৃত নৃতাত্ত্বিক অধ্যয়ন।[১৯] এই দৃষ্টিভংগীৰে চাবলৈ গ'লে নৃতত্ত্বৰ মূল বিষয়বস্তু দুটা প্ৰধান ভাগত বিভক্ত কৰি জনসমষ্টি এটাৰ ওপৰত দৃষ্টিপাত কৰিব পাৰি—এটা হ'ল মানুহক জীৱ হিচাপে লৈ তাৰ প্ৰাসংগিক বিষয়বস্তু চৰ্চা আৰু আনটো হ'ল মানুহৰ সংস্কৃতিৰ (আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা, উৎসৱ-অনুষ্ঠান, সাজ-পোছাক, পিন্ধন-উৰণ, খাৱন-বোৱন, আ-অলংকাৰ আদিৰ) বিশদ আলোচনা। সেইবাবে 'সমাজ সংস্কৃতিৰ পৰা বিচ্ছিন্ন কৰি মানুহৰ জৈৱিক দিশটো অধ্যয়ন কৰাটো যুক্তিসংগত নহয়। সেইদৰে মানুহৰ জৈৱিক দিশটোলৈ আওকাণ কৰিলেও সমাজ সংস্কৃতিৰ পূৰ্ণাংগ অধ্যয়ন হ'ব নোৱাৰে। দৰাচলতে মানুহৰ এই দুটা দিশ একেটা মুদ্ৰাৰে দুটা পিঠিৰ দৰে।'[২০] এই দুয়োটা দিশকে ইংৰাজীত কোৱা হৈছে ক্ৰমে Physical Anthropology আৰু Cultural Anthropology.

গাৰোসকলৰ সাংস্কৃতিক দিশ সম্পৰ্কে আলোচনা কৰাৰ বহুতো থল আছে। ইয়াত কেৱল জৈৱিক বা আৱয়ৱিক দিশটোৰ বিষয়েহে আলোচনা কৰা হৈছে।

গাৰোসকল মংগোলীয় প্ৰজাতিৰ লোক। সেই হিচাপে মংগোলীয় প্ৰজাতিগত বৈশিষ্ট্য গাৰোসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। গাৰোসকল শাৰীৰিক উচ্চতাৰ ফালৰ পৰা মধ্যমাকৃতিৰ অৰ্থাৎ বৰ ওখও নহয় আৰু একেবাৰে চাপৰো নহয়। দীৰ্ঘদেহী গাৰো লোক খুব কমেই দেখা যায়। অৱশ্যে পাহাৰী গাৰোসকলৰ তুলনাত সমভূমি বা ভৈয়ামৰ গাৰোসকল তুলনামূলকভাৱে দীৰ্ঘদেহী। গাৰোসকল খৰ্বাকৃতিৰ, ভৰিৰ পতা বহল আৰু মুখমণ্ডল চেপেটা। চকুৰ আকাৰ সৰু তথা চকুৰ পাহি দুটা কম মেল খোৱা। নাক সাধাৰণতে অনুচ্চ আৰু চেপেটা। সামগ্ৰিকভাৱে গাৰ ৰং মিঠাবৰণীয়া। খুব বেছি বগা বা খুব বেছি ক'লা বৰণৰ গাৰো মানুহ প্ৰায়েই দেখিবলৈ পোৱা নাযায়। অৱশ্যে গাৰো তিৰোতাৰ গাৰ ৰং প্ৰায়েই বগা। গাৰো পুৰুষৰ চুলি ঠৰঙা আৰু গোঁফ পাতলীয়া। নাৰী আৰু পুৰুষ উভয়ৰে শৰীৰৰ গঠন হৃষ্টপুষ্ট আৰু তেওঁলোক প্ৰত্যেকেই সুঠাম দেহৰ অধিকাৰী। আনহাতে গাৰোসকলৰ মূৰ

চুটি, কপাল বহল আৰু গাল গোলাকাৰ।[২১] প্লেফেয়াৰৰ মতে, গাৰো পুৰুষৰ উচ্চতা গড়ে চাৰি ফুট দহ ইঞ্চি। তেওঁৰ মতে খুব বেছি শকত মানুহ গাৰো সমাজত দেখিবলৈ পোৱা নাযায়। তিৰোতাসকল দেখিবলৈ বৰ শুৱনি নহয়, বিশেষকৈ মধ্য বয়স পাৰ হোৱা তিৰোতাসকল। অৱশ্যে গাৰো যুৱতীসকল দেখিবলৈ ধুনীয়া। এই ধুনীয়াত আৰু বেছি ৰহণ চৰায় তেওঁলোকৰ মুখত লাগি থকা হাঁহিটোৱে।[২২]

গাৰোসকলৰ দৈহিক গঠনৰ ক্ষেত্ৰত পাহাৰী আৰু ভৈয়ামৰ মাজত কিছু তাৰতম্য দেখা যায়। ওপৰত উল্লেখ কৰা দৈহিক গঠনৰ বৈশিষ্ট্যসমূহ কেৱল পাহাৰী গাৰোসকলৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ভৈয়াম আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত বসবাস কৰা গাৰোসকলৰ শৰীৰৰ আকৃতি ভৈয়ামৰ অধিবাসীসকলৰহে বেছি ওচৰ চপা। ইয়াৰ কাৰণ হ'ল প্ৰজাতিগত সংমিশ্ৰণ আৰু ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ।

গ্ৰন্থপঞ্জী ঃ

১। মজুমদাৰ, ধীৰেন্দ্ৰনাৰায়ণ ঃ *গাৰো সংস্কৃতিৰ ৰূপৰেখা*, পৃঃ ৭

২। জেংচাম, সুভাষ ঃ *গাৰো সংস্কৃতিৰ জীৱনধাৰা*, পৃঃ ১১

৩। District Statistical Abstract, *Garo Hills*, 1984

৪। Chatterji, S.K. : *Kirata Jana Kriti*, p-6

৫। *যোগিনীতন্ত্ৰ* ২/৯/১৩

৬। কাকতি, বাণীকান্ত ঃ *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*, পৃঃ ৫২

৭। *কালিকাপুৰাণ*

৮। নাৰ্জী, ভৱেন, ঃ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি*, পৃঃ ৯

৯। Chatterji, S.K. : *Kirata Jana Kriti*, p-20-21

১০। উক্ত গ্ৰন্থ, পৃষ্ঠা-২০

১১। চট্টোপাধ্যায়, সুনীতি কুমাৰ ঃ 'অসম আৰু ভাৰত' প্ৰবন্ধ, হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ সম্পাদিত *'অসমীয়া সংস্কৃতি'* গ্ৰন্থ, পৃঃ ২৬২

১২। Grierson, G.A. : *Linguistic Survey of India, Vol-I*, P-40

১৩। Simon, I.M. : *Meghalaya, State of our Union*, p-8

১৪। ৰাংচা, প্ৰণৱ সালসেং ঃ 'গাৰো জাতিৰ সংক্ষিপ্ত ইতিহাস' প্ৰবন্ধ, মাহবৰ্ম্ম হাচান সম্পাদিত *'জানিৰা'* (বাংলাদেশ) পত্ৰিকা, পৃঃ ১৬

১৫। জেংচাম, সুভাষ ঃ *গাৰোদেৰ সাংস্কৃতিক জীৱনধাৰা*, পৃঃ ১০

১৬। Pradha, S.N. : *Chronology of Ancient India*

১৭। শৰ্মা, শশী ঃ *অসমৰ লোক-সাহিত্য*, পৃঃ ৬

১৮। Playfair, A. : *The Garos*, P-10

১৯। Herskovits, J, Melville : *Cultural Anthropology*, p-4

২০। দাস, ভুবনমোহন ঃ 'অসমৰ মানুহ আৰু সংস্কৃতি' প্ৰবন্ধ, ভুবনমোহন দাস সম্পাদিত *'অসমৰ মানুহ'* গ্ৰন্থ, পৃঃ ৯

২১। মজুমদাৰ, ধীৰেন্দ্ৰ নাৰায়ণ ঃ *গাৰো সংস্কৃতিৰ ৰূপৰেখা*, পৃঃ ৯

২২। Playfair, A. : *The Garos*, P-2

ঠেঙ্গাল কছাৰীৰ ঐতিহাসিক পৰিচয় আৰু সমাজ সংস্কৃতি

ডঃ যোগেশ্বৰ বড়া

চীনৰ ইয়াং চিকিয়াং আৰু হোৱাংহো নদীৰ পাৰত বসবাস কৰা চীন-তিববত ভাষাগোষ্ঠীৰ মংগোলীয় লোকসকলৰ ২০০০ খ্ৰীঃ পূঃৰ পৰা দলবদ্ধভাৱে অসম আৰু নেপাললৈ প্ৰব্ৰজন ঘটিছিল। এই মংগোলীয় গোষ্ঠীৰ মানুহৰ শাৰীৰিক বৈশিষ্ট্য হৈছে—গাৰ বৰণ পীত বা পীতপিঙ্গল, কেশ ঋজু আৰু অমসৃণ, ডাড়ি-গোঁফ তাকৰ, শৰীৰত নোম কম, মুখমণ্ডল বহল আৰু চেপেটা, হনু বৰ স্পষ্ট। নেত্ৰ ঠেকা বা নেত্ৰবক্ৰ, নেত্ৰছেদ ভাঁজযুক্ত। সংস্কৃতভাষী পুৰণি ভাৰতীয় লোকসকলে এই চীনদেশীয় মংগোলীয় লোকসকলক 'কিৰাট' আখ্যা দিয়ে। বুৰঞ্জীবিদসকলৰ মতে, পাটপলু, মুগা আদিৰ জন্ম ঠাই চীন দেশ। চীন ভাষাত পাট বা চিল্কৰ প্ৰতিশব্দ ছেৰ (ser) বা ছেৰেচ্। বঙালী ছেৰকাপোৰ অৰ্থে শাৰী শব্দ ব্যৱহাৰ হৈছিল। চীন দেশৰ পৰা পাটৰ কাপোৰ লৈ মধ্য এছিয়াৰ ব্যৱসায়ীসকলে পৃথিৱীৰ নানা ঠাইলৈ বেচিবলৈ গৈছিল। যিসকল ব্যৱসায়ীয়ে ছেৰেচ কাপোৰৰ ব্যৱসায় কৰিছিল তেওঁলোকক 'ছেৰাইটিছ', 'কিৰাইটিছ' বা 'কিৰাডিয়া' বোলা হৈছিল। ভাৰতবৰ্ষত ই কিৰাতৰূপে পৰিগণিত হল। গতিকে কিৰাত জাতিৰ অৰ্থই চীন দেশৰ পাটৰ কাপোৰৰ ব্যৱসায় কৰা মধ্য এছিয়াৰ মানুহকেই বুজায়। বৈদিক যুগত আৰ্যসকলে কিৰাতসকলক ভালকৈ জানিছিল আৰু সেয়েহে যজুৰ আৰু অথৰ্ববেদত কিৰাতসকলৰ উল্লেখ পোৱা যায়। বৈদিক যুগৰ পাছৰ পৰাই কিৰাতসকলে হিন্দুৰ আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰি হিন্দু হয়।

সংহিতা আৰু অথৰ্ববেদত কিৰাত জাতিৰ লোকসকল গুহাবাসী বুলি উল্লেখ পোৱা যায়। বিষ্ণুপুৰাণ মতে, কিৰাতসকল বনবাসী, নিষ্ঠুৰ, পৰ্বতবাসী। কালিকা পুৰাণেও অসমৰ আদিবাসীসকলক 'কিৰাত' বুলি উল্লেখ কৰিছে। ১৬০০ খ্ৰীঃ পূঃত প্ৰখ্যাত হৈ উঠা কিৰাত বংশীয় ৰজা ঘটোৎকচক নৰকাসুৰে বধ কৰি প্ৰাগজ্যোতিষপুৰত ৰাজ্য স্থাপন কৰিছিল।

কিৰাতসকল সাধাৰণতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতিকাষৰীয়া ঠাইত বসবাস কৰিছিল। নদী,

পাহাৰ, পৰ্বতৰ দাঁতিকাষৰীয়া ঠাইত বসবাস কৰাৰ কাৰণে সংস্কৃত ভাষাত 'কক্ষ্যাটৰ' পৰা 'কক্ষত' > কচ্ছত > কচ্ছৰ লগত 'অৰি' যোগ হৈ কচ্ছ + অৰি > কছাৰী নামৰ উৎপত্তি হয় বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। ডঃ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে—Verious guesses have been made about the origin of the word 'kachari', but it seems likely that the word is connected with Sanskrit Kaksataa' hypothetical formation parallel to sanskrit 'Kirata,' a frontier dweller.

অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা মংগোলীয় গোষ্ঠীৰ এই কিৰাত বা কছাৰী লোকসকলে নিজকে 'বড়ো-ফিছা' বুলিহে কয়। বড়ো-কছাৰী বা ডিমাছা ভাষাত কছাৰী বুলি কোনো শব্দ নাই। ডঃ কাকতিয়ে উল্লেখ কৰিছে—

The Bodo folk who lives to the west of the Kamrup District are called Mech by these Hindu neighbours. The word is probably a corruption of the sanskrit 'mlecha'. Those of them who live in and to the East of the district of Kamrup are called 'kacharis' by the Hindus.

মংগোলীয় গোষ্ঠীৰ এই বড়ো লোকসকলক ভাৰতীয় আন আন আৰ্য হিন্দুসকলে বিভিন্ন সময়ত কিৰাত, ম্লেচ্ছ, কছাৰী নামেৰে অভিহিত কৰি আহিছে যদিও 'কছাৰী' নামহে তেওঁলোকৰ চলন্তি নাম। ৰেভাৰেণ্ড ছিডনী এণ্ডল-এ কছাৰীসকলৰ আকৃতি আৰু সাধাৰণ চেহেৰা মংগোলীয় বুলি উল্লেখ কৰিছে আৰু তেওঁলোকৰ আদি বাসস্থান তিব্বত আৰু চীন আছিল বুলি কৈছে। তেওঁৰ মতে, এই মংগোলীয় গোষ্ঠীৰ কছাৰী লোকসকলৰ প্ৰধানকৈ দুটা প্ৰব্ৰজনকাৰী দলে দুটা দিশৰ পৰা সমৃদ্ধিশালী ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল। (১) এটা উত্তৰ দিশৰ পৰা তিস্তা, ধৰ্ণা, সোণকোষ নদীৰ উপত্যকাইদি আহি উত্তৰ-পূব বংগ আৰু পশ্চিম অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি কামৰূপ নামৰ এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল (২) আনটো প্ৰব্ৰজনকাৰী দলে উত্তৰ-পূব দিশেদি সোৱণশিৰী, দিবং আৰু দিহং উপত্যকাইদি আহি পূব অসমত বিস্তাৰিত হৈছিল।

এণ্ডল-এ ব্ৰহ্মপুত্ৰ নদীক বিভাজনকাৰী ৰেখা হিচাপে লৈ কছাৰীসকলক দুটা ভাগত ভাগ কৰিছে—উত্তৰ গোষ্ঠী আৰু দক্ষিণ গোষ্ঠী। উত্তৰগোষ্ঠীৰ ভিতৰত বড়ো, ৰাভা, মেচ, ধিমল, কোচ, চলনিমীয়া, মহলীয়া, শৰণীয়া আৰু দক্ষিণ গোষ্ঠীত ডিমাছা, হোজাই, লালুং, গাৰো, হাজং, পৰ্বতীয়া তিপ্ৰা (ত্ৰিপুৰা)সকলক অন্তৰ্ভুক্ত কৰিছে। প্ৰখ্যাত নৃতত্ত্ববিদ ডঃ ভুবনমোহন দাসে প্ৰব্ৰজন অনুসৰি গোষ্ঠীৰ এই বিভাজনক পুনৰ দুটা ভাগত ভাগ কৰিছে। পশ্চিম গোষ্ঠী আৰু পূব গোষ্ঠী। যথা—



গতিকে দেখা যায় বড়ো মূলৰ পৰা সৃষ্টি হৈ সমগ্ৰ অসমত বসবাস কৰি থকা মংগোলীয় কিৰাত বা কছাৰীসকলক বেলেগ বেলেগ নামেৰে জনা যায়। বংগদেশ আৰু নেপালৰ হিমালয়ৰ

নামনি অঞ্চলত মেচ, উজনি অসমত সোনোৱাল, ঠেঙ্গাল কছাৰী, পশ্চিম অসমত বড়ো বা বড়ো-কছাৰী, দক্ষিণৰ উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত ক্ৰমে ডিমাছা আৰু বৰ্মন নামেৰে জনা যায়।

প্লেফেয়াৰৰ মতে, কছাৰীসকলৰ লগত মিল থকা গাৰোসকল তিববতৰ পৰা আহি গোৱালপাৰাইদি ব্ৰহ্মপুত্ৰ পাৰ হৈ গাৰোপাহাৰলৈ আহে। ৰাভা, হাজং, মেচ আদিয়ে কামৰূপ আৰু গোৱালপাৰাত বসতি কৰেহি। বড়োসকলৰ কিছুমান দক্ষিণ-পূব ফালেদি আগুৱাই আহি উত্তৰ কাছাৰত 'ডিমাছা' নাম লয়। অন্য এটা দলে পূবলৈ আহি মধ্য অসমত (নগাঁৱত) 'লালুং' নামেৰে প্ৰখ্যাত হৈ পৰে আৰু অন্য এটা ঠালে দক্ষিণ-পশ্চিমফালে আহি ত্ৰিপুৰাত (তিপ্ৰা) নাম লয়। এই বড়োগোষ্ঠীৰ কিছুমান লোকে ৰাজ্য বিস্তাৰৰ কাৰণে পূবফালে আহি উজনি অসমত ঠেঙ্গাল, সোনোৱাল, ঝাৰুৱা নামেৰে জনাজাত হয়।

ডঃ সূৰ্যকুমাৰ ভুঞা সম্পাদিত *দেওধাই অসম বুৰঞ্জী* আৰু *কছাৰী বুৰঞ্জীৰ* মতে, পূবলৈ অহা কছাৰীৰ ফৈদকেইটাই শদিয়াল কছাৰী আৰু হেড়ম্বিয়াল কছাৰী নাম লৈ উজনি অসমত দুখন ৰাজ্য পাতে। শদিয়াল কছাৰীৰ প্ৰথম ৰজা আছিল মাণিক। মাণিক ৰজাৰ সময় একাদশ-দ্বাদশ শতিকা বুলি ডঃ লীলা গগৈদেৱে অনুমান কৰিছে। মাণিক ৰজাৰ ৰাজ্যৰ সীমা পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙৰ দক্ষিণপাৰ, দক্ষিণে দিলিহৰ (দিহিং ?) কেন্দুগুৰি পৰ্যন্ত আছিল। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ মতে, শদিয়াৰ কৌণ্ডিল্য বা কুণ্ডিল নগৰখনক কছাৰী ভাষাত হালালী বোলা হৈছিল। মাণিক ৰজা অপুত্ৰক হোৱাত তেওঁৰ ৰাজ্য জোঁৱায়েক মুকুতাক গতাই দিয়াৰ পাছত শদিয়লীয়া কছাৰীসকলৰ ৰাজ্য বা ৰজাৰ কি হ'ল এই বিষয়ে বুৰঞ্জীৰ পৰা একো জনা নাযায়।

কছাৰী বুৰঞ্জী আৰু অন্যান্য বুৰঞ্জীত হেড়ম্বিয়াল ফৈদৰ কছাৰী ৰজাসকলৰ কিছু স্পষ্ট বিৱৰণ পোৱা যায়। হেড়ম্বিয়াল কছাৰীসকলে হেড়ম্ব ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেই ৰাজ্যৰ প্ৰথম ৰজা আছিল চচেমফা, চচেমফাৰ পাছত বীৰহাস আৰু বীৰহাসৰ পাছত তেওঁৰ পুতেক বিচাৰপতিফা হেড়ম্ব ৰাজ্যৰ ৰজা হৈছিল। বিচাৰপতিফাৰ পাছত তেওঁৰ পুতেক বিক্ৰমাদিত্যফাই নামচাং বৰহাটক সীমা কৰি ৰাজ্য বিস্তাৰ কৰিছিল আৰু সোণাপুৰ (সোণাৰি) আৰু বাণপুৰ নগৰ প্ৰতিষ্ঠা কৰিছিল। পাছত এই ৰাজ্যত ভায়েক মহামাণিফাক ৰাজ্য শাসন কৰিবলৈ দি বিক্ৰমাদিত্যফা লক্ষীন্দ্ৰপুৰ (ডিমাপুৰ)লৈ গৈ শাসন কৰে। মহামাণিফা সোণাপুৰত ৰজা হৈছিল যদিও বিক্ৰমাদিত্যফাৰ মৃত্যুৰ পাছত মাণিক্যক সোণাপুৰত থৈ মহামাণিফা পাটহড়ম্ব, অৰ্থাৎ ডিমাপুৰত ৰজা হ'লগৈ। তেতিয়ালৈকে ডিমাপুৰ কছাৰীৰ ঘাই ৰাজধানী আৰু সোণাপুৰ পালি ৰাজধানী আছিল।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীত এই ফৈদ কছাৰীৰ ৰাজ্য ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌৰ পৰা কলং নৈলৈকে বিস্তৃত আছিল। ইয়াৰ ভিতৰত ধনশিৰি উপত্যকাখণ্ডত সিবিলাকৰ প্ৰভুত্ব আছিল আৰু কাছাৰ পাহাৰৰো কিয়দাংশ সিবিলাকৰ দখলত আছিল। ১২২৮ খ্ৰীঃত আহোম ৰজা চুকাফাই অসমত প্ৰৱেশ কৰি বিনাযুদ্ধে পূবফালৰ কছাৰী ৰাজ্য ক্ৰমাৎ দখল কৰি শদিয়া অঞ্চলৰ কছাৰীবিলাকক দিখৌ পাৰ কৰি পশ্চিমলৈ খেদি পঠিওৱাত সিবিলাক আহি ধনশিৰি ফৈদীয়া হেড়ম্বিয়াল কছাৰীৰ লগত লগ লাগে। লগে লগে হালালী ৰাজ্যৰো পতন ঘটিল যেন অনুমান কৰিব পাৰি। তেতিয়াৰ পৰা দুয়োটা ফৈদে লগ লাগি এটা ফৈদ হৈ ধনশিৰি উপত্যকাত কছাৰী ৰাজ্য বিস্তাৰ কৰিবলৈ ধৰে।

উজনি অসমৰ কছাৰীসকলৰ ভিতৰত এই ধনশিৰি উপত্যকাৰ কছাৰী ফৈদটোৱেই আছিল

বিচক্ষণ, শক্তিশালী আৰু সাহসী যোদ্ধা। এই কছাৰীসকলে বিনাযুদ্ধেই আহোমক ৰাজ্য এৰি দিয়া নাছিল। সেয়েহে ১৪৯০ খ্ৰীঃত আহোম আৰু কছাৰীৰ মাজত ৰাজ্য লৈ দিখৌৰ পাৰত এখন যুদ্ধ হৈছিল। এই যুদ্ধত আহোম সৈন্য পৰাজিত হয় আৰু আহোম ৰজা চুহানফাই কছাৰী ৰজাৰ লৈ লাংজি নামৰ এগৰাকী কুঁৱৰী, দুটা হাতী আৰু ১২গৰাকী দাসী দি সন্ধি কৰে।

আহোমৰ চুহুংমুং দিহিঙ্গীয়া ৰজা বা স্বৰ্গনাৰায়ণ ৰজাৰ দিনত কছাৰী ৰাজ্যৰ বিপৰ্যয় আৰম্ভ হয়। ১৫২৬ খ্ৰীঃত এইজন ৰজা আৰু কছাৰীৰ খুনখৰা ৰজাৰ মাজত ধনশিৰিৰ পাৰত যি যুদ্ধ হৈছিল, সেই যুদ্ধত কছাৰীৰ জয় হৈছিল যদিও ১৫৩১ খ্ৰীঃ আৰু ১৫৩৬ খ্ৰীঃৰ যুদ্ধত কছাৰী ৰজাৰ শোচনীয়ভাৱে পৰাজয় হৈছিল। ১৫৩১ খ্ৰীঃৰ যুদ্ধত আহোম সেনাই কছাৰী সেনাক পিছুৱাই নি একেবাৰে সিবিলাকৰ ডিমাপুৰ নগৰ আক্ৰমণ কৰিলেগৈ, কছাৰী ৰজা খুনখৰা নিৰুপায় হৈ পলাল, কিন্তু তেওঁৰ ভায়েক ডেট্‌চাক ধৰি বধ কৰিলে।

খুন্‌খৰা ৰজা পলাই যোৱাত তেওঁৰ কুটুম্ব ডেটচুঙ্গক আহোম সেনাপতিয়ে ডিমাপুৰত ৰজা পাতি আহে। তেওঁ আহোমৰ বশ্যতা স্বীকাৰ কৰি আহোম ৰজালৈ বছৰি সন্মানী কৰ দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল, কিন্তু সেই প্ৰতিশ্ৰুতি ভংগ কৰাৰ অজুহাতত চুহুংমুঙে ১৫৩৬ খ্ৰীঃত ডিমাপুৰ ৰাজ্য আক্ৰমণ কৰে। ডেটচুঙ্গক যুদ্ধত হৰুৱাই বধ কৰা হ'ল, ফলত ডিমাপুৰ ৰাজ্য সম্পূৰ্ণৰূপে আহোম ৰজাৰ অধীনলৈ গ'ল। কছাৰীবিলাকে ডিমাপুৰ এৰি মাইবঙ্গত, তাৰ পাছত খাচপুৰত ৰাজধানী পাতেগৈ।

ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত ঃ

কথিত আছে যে ১৫২৬ খ্ৰীঃৰ আহোম-কছাৰীৰ যুদ্ধত খুন্‌খৰা কছাৰী ৰজাই আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাক জয় কৰাৰ পাছত জংবাহাদুৰ আৰু চক্ৰধ্বজ নামৰ দুজন সাহসী আৰু ধনুৰ্বিদ্যাত পাৰ্গত কছাৰী যুৱকে বেলেগে ৰাজ্য প্ৰতিষ্ঠাৰ উদ্দেশ্যে কছাৰী পৰিয়াল লগত লৈ আহি দৈয়াং নৈৰ পাৰত কছাৰী পথাৰ, অৰ্থাৎ কাছমাৰী পথাৰত ৰাজধানী পাতি এখন ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু জংবাহাদুৰ সেই ৰাজ্যৰ ৰজা হয়। তেওঁৰ পাছত চক্ৰধ্বজ কাছমাৰীৰ ৰজা হৈছিল। তেওঁলোকৰ সৈন্য-সামন্তবিলাকে ঠেঙ্গা পিন্ধি যুদ্ধ কৰিছিল, আনকি যুদ্ধৰ বাদেও শান্তিৰ পৰিৱেশতো এই সৈন্যসকলে যুদ্ধত পিন্ধা ঠেঙ্গা পিন্ধি ফুৰিছিল বাবে আন গোষ্ঠীৰ লোকসকলে জংবাহাদুৰ ৰজাক আৰু তেওঁৰ ৰাজ্যৰ প্ৰজাসকলক ঠেঙ্গাল কছাৰী বুলিছিল। ঠেঙ্গাল কছাৰীসকলে ধনশিৰিত ৰূপ কমাইছিল বাবে তেওঁলোকক ৰূপোৱালো বোলা হৈছিল। প্ৰকৃততে ক'বলৈ হ'লে ধনশিৰি আৰু দৈয়াং উপত্যকাত বসবাস কৰা আৰু কাছমাৰী অঞ্চলত ৰাজধানী স্থাপন কৰি ৰাজ্য শাসন কৰা সময়ৰ পৰা হেড়ম্বিয়াল কছাৰীসকলৰ এই ফৈদটো 'ঠেঙ্গাল কছাৰী' নামেৰে জনাজাত হয়।

ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌৰ পৰা কলঙলৈকে ধনশিৰি উপত্যকাৰ উত্তৰ কাছাৰ জিলা পৰ্যন্ত যিসকল কছাৰী পোৱা যায়, সেইসকলক তিনিটা ভাগত ভাগ কৰিব পাৰি—(১) ডিমাছা কছাৰী, (২) বৰ্মন কছাৰী আৰু (৩) ঠেঙ্গাল কছাৰী। ডিমাছা কছাৰীসকলে নিজকে হিড়িম্বাৰ বংশধৰ বুলি কয়। বৰ্মনসকলে নিজকে ভীমৰ বংশধৰ বুলি ভাবে আৰু ঠেঙ্গাল কছাৰীসকলে নিজকে ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ বুলি বিশ্বাস কৰে। '*স্কন্ধ পুৰাণ*'ৰ ৰেবাখণ্ডৰ মতে ঘটোৎকচে প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তৰ জীয়েকক বিয়া কৰাইছিল আৰু তেওঁলোকৰ বাৰবাৰিক নামৰ এজন পুত্ৰ আছিল, তেওঁ ডাঙৰ বীৰ আছিল। ডিমাছা, বৰ্মন আৰু ঠেঙ্গাল কছাৰীসকলে নিজকে একেটা

পৰিয়ালৰ ক্রমে হিড়িম্বা, ভীম আৰু ঘটোৎকচৰ বংশধৰ বুলি কৰা বিশ্বাসে তেওঁলোক যে একেটা মূলৰ পৰা জন্ম তাকেই প্ৰমাণ কৰে।

দেখা যায় যে ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌৰ পৰা কলঙলৈকে আনকি দিখৌৰ পূব আৰু কাছাৰৰ কিছু অংশলৈকে ৰাজ্য বিস্তাৰ কৰি থকা ধনশিৰি উপত্যকাৰ শক্তিশালী কছাৰী গোষ্ঠীটোৰ এটা ফৈদ ডিমাছা, এটা ফৈদ বৰ্মন আৰু ডিমাপুৰৰ পৰা ঘূৰি আহি কাছমাৰীত কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰা ফৈদটো ঠেঙ্গাল কছাৰী নামেৰে জনাজাত হ'ল। ঠেঙ্গাল কছাৰীৰ ৰাজ্য যে যথেষ্ট উন্নত আৰু পৰিকল্পিত আছিল কাছমাৰীৰ পুৰণি কীৰ্তিস্তম্ভই তাৰেই ইংগিত দিয়ে।

কৰ্ম বা দায়িত্ব বিভাজন ঃ

জংবাহাদুৰ ৰজাই তেওঁৰ ৰাজ্যৰ সৈন্যবাহিনীৰ বাদেও প্ৰজাবৰ্গক একুৰি এটা ভাগত ভাগ কৰি প্ৰতিভাগক বেলেগ বেলেগ কামৰ দায়িত্ব দি বেলেগ বেলেগ নাম দিছিল। যিয়ে যিটো বিষয়ত পাৰ্গত আছিল, তেওঁক সেইটো দলতে অন্তৰ্ভুক্ত কৰিছিল। 'ঠেঙ্গা'ৰ লগত 'আল' প্ৰত্যয় লগ লাগি 'ঠেঙ্গাল' হোৱাৰ দৰে তেওঁলোকৰ কৰ্ম বা ব্যৱসায়ৰ পাছত 'আল' নাইবা 'ইয়াল' প্ৰত্যয় যোগ কৰি কামৰ দায়িত্ব বুজোৱা হৈছিল। যথা—(১) হাজোৱাল—খেতিয়ক, (২) মাণিকিয়াল—মাণিক বোটলা লোক, (৩) মুক্তাল বা মুকুতিয়াল—মুকুতা সংগ্ৰহ কৰোতা, (৪) ডুৰুঙ্গিয়াল—নাও সাজোতা আৰু বাওঁতা, (৫) দলঙ্গিয়াল—দলং সাজোতা, (৬) সাঁকোৰিয়াল—সাঁকো দিওঁতা, (৭) হয়গিয়াল বা সৰগিয়াল ঘোঁৰা পোহা আৰু চলাওঁতা, ৮) শুকৰিয়াল—গাহৰি পোহা লোক, (৯) সুগৰীয়াল বা ছুগ্ৰাল—সুগৰী পোহা লোক, (১০) ব্যাঘ্ৰাল—বাঘ পোহা, (১১) কুমৰাল বা কুমাৰিয়াল—মাটিৰ পাত্ৰ গঢ়োঁতা, (১২) কমাৰিয়াল—লোৰ কাম কৰা লোক, (১৩) ডেক্ৰাল বা ঢেঁকীয়াল—ঢেঁকী (বড়ো- 'ডেক্কী') বনাওঁতা আৰু ধান বানোতা, (১৪) নাঙ্গাল—নাঙ্গলৰ যোগান ধৰোঁতা, (১৫) লাঠীয়াল—বাঁহ-কাঠৰ কাম কৰোতা, (১৬) মেখেলিয়াল—মেখেলাকে আদি কৰি অন্যান্য বস্ত্ৰ তৈয়াৰ কৰোঁতা, (১৭) নেগুৰিয়াল—ৰছী আদি তৈয়াৰ কৰা লোক. (১৮) ডিঙ্গিয়াল—ডিঙ্গি মুচৰি জীৱ-জন্তু বধ কৰি পূজা-পাতল কৰা লোক (১৯) ঢুলিয়াল—মাদল আৰু ঢোল তৈয়াৰ কৰোতা আৰু বজাওঁতা, (২০) ফৰ্মাল—আহু খেতি কৰা লোক আৰু (২১) এজ্‌মাল—ৰজাৰ ঘৰত কাম কৰা, ৰাজ ভঁৰাললৈ সামগ্ৰী সংগ্ৰহ কৰা লোক।

ৰজাঘৰৰ এই দায়িত্বৰ বাদেও সকলো ঠেঙ্গাল কছাৰীয়ে যুদ্ধৰ সময়ত দেশ ৰক্ষাৰ বাবে শত্ৰুৰ বিৰুদ্ধে থিয় দিব লগা হৈছিল আৰু আন সময়ত নিজৰ জীৱিকাৰ বাবে খেতি-বাতি কৰা, এৰী, মুগা, পাট-পলু পোহা, সূতা কটা, তাঁত বোৱা, কাঁহ-পিতলৰ বাচন-বৰ্তন তৈয়াৰ কৰা, বাঁহ-কাঠ-বেতৰ ঘৰুৱা সামগ্ৰী সজা, গৰু-ম'হ পোহা, নদী-জান-জুৰিত মাছ ধৰা আদি সকলো কামতে ব্যস্ত থাকিব লগা হৈছিল।

বৈষ্ণৱ ধৰ্মত শৰণ আৰু বংশ সৃষ্টি ঃ

জংবাহাদুৰৰ পাছত চক্ৰধ্বজ কাছমাৰীত ঠেঙ্গাল ৰাজ্যৰ ৰজা হয়। কথিত আছে যে তেওঁৰ দিনত দেশত এটা ডাঙৰ ভূমিকম্প হৈছিল, ঘৰ-দুৱাৰ ভাগি পৰিছিল আৰু দেশত দুৰ্ভিক্ষই দেখা দিছিল। সেই সময়ত বাসুদেৱ গোসাঁই নামৰ এজন লোকে তেওঁলোকৰ ৰাজ্যৰ বাহিৰত, পূবফালে সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰিছিল। গোসাঁইয়ে এই ঠেঙ্গাল কছাৰীখিনিক বৈষ্ণৱ ধৰ্মত দীক্ষা দিয়াৰ কথা চিন্তা

কৰি চক্ৰধ্বজ ৰজাক জনাইছিল আৰু তেওঁৰে দুই-এঘৰ মানুহ আনি শৰণ দি থাকিবলৈ মাটি-বাৰী দিছিল। শৰণ লোৱাসকলক মাটি-বাৰী দি থাকিবলৈ দিয়া বুলি তেওঁলোকৰ পৰা জানিব পাৰি মাটি-বাৰীৰ আশাত ৰজাৰ অনুমতি লৈ বহু ঠেঙ্গাল কছাৰী পৰিয়ালে ঘৰৰ সকলো লাগতিয়াল বস্তু-বাহানি লৈ পূবৰ ডাঙৰ নৈখন পাৰ হ'বলৈ ধৰোঁতে বুঢ়ী এগৰাকীয়ে এৰী সূতাৰ চাপৰখিনি ঘৰত থাকি অহাত নদীত কন্দা-কটা কৰি থাকোতেই নগাই নৈখনৰ বান্ধ কাটি দিয়াত নৈৰ কোবাল সোঁতে তেওঁলোকক যেনি-তেনি উটুৱাই নিয়ে। তেওঁলোকৰ কিছুমানে য'তে-ত'তে ধৰি জীৱন ৰক্ষা কৰিলে আৰু বহুতো মানুহ টালি-টোপোলাৰ সৈতে উটি গ'ল। জীৱন ৰক্ষা কৰাসকলৰ কিছুমানে সত্ৰলৈ গৈ সকলো ঘটনা গোসাঁইক জনোৱাত গোসাঁইয়ে তেওঁলোকৰ আগত বৃত্তি অনুসৰি মানুহখিনিক ভাগ ভাগ হ'বলৈ ক'লে আৰু সেইমতে ২১ ভাগ হোৱাত প্ৰতিভাগকে একো একোটা গোট বনালে আৰু বেলেগ বেলেগ শৰণ দিয়াৰ ব্যৱস্থা কৰি বেলেগ বেলেগ ঠাইত মাটি-বাৰী দি প্ৰতিভাগকে এটা পৰিয়াল হিচাপে থাকিবলৈ নিৰ্দেশ দিলে। তেতিয়াৰে পৰা নদীখনৰ নাম হ'ল 'দৈয়াঙ-গবনায়'—পানীত ডুবা নৈ, তাৰ পাছত দৈয়াং নৈ। ঠেঙ্গাল কছাৰীসকলে থাকিবলৈ লোৱা এই ঠাইখনৰ নাম হ'ল দৈয়াং, তাৰ পাছত দৈয়াং বচা। আনহাতে ইয়াত কামৰ নিৰ্দিষ্ট ভাগ নোহোৱাত কাছমাৰীত কৰ্ম বা দায়িত্ব অনুসৰি সৃষ্টি হোৱা ২১টা ভাগ নদী পাৰ হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত ২১টা গোত্ৰ বা বংশত পৰিণত হ'ল আৰু পৰিয়ালৰ মুৰব্বীজনৰ নাম বা তেওঁৰ বিশেষ কৰ্ম অনুসৰি 'ঘৰ'ৰ নামৰ সৃষ্টি হ'ল।

ঠেঙ্গাল কছাৰীসকলৰ বংশ-পৰম্পৰা আজিও প্ৰচলিত। সেই বংশকেইটা পূৰ্বৰ ৰজাই ভাগ কৰি দিয়া একৈছটা ভাগেই। এই বংশবিলাকক লৈ ঠেঙ্গাল কছাৰীসকলৰ বিশেষ বৈশিষ্ট্যসমূহ হৈছে একেটা বংশৰ লৰা-ছোৱালীৰ মাজত বিয়া-বাৰু নোহোৱা, কোনো এজন মানুহ ঢুকালে তেওঁৰ বংশটোৰ আটাইবিলাক পৰিয়ালেই মৃতকৰ কাম-কাজ শেষ নোহোৱালৈকে লঘোণব্ৰত পালন কৰা, সেই সময়ছোৱাৰ ভিতৰত আনকি নৱজাত শিশুৰ শুদ্ধি-সবাহ নপতা পৰ্যন্ত বংশটোৰ কোনো পৰিয়ালতে কোনো মাংগলিক কৰ্ম বা বিয়া-বাৰু পাতিব নোৱাৰিছিল। ইয়াৰ বাদেও প্ৰতিটো বংশৰ নিজা একো-একোটা বৈশিষ্ট্য আছিল— ভুৰুঙ্গিয়ালে নাও ভাগিলে, হয়গিয়ালে ঘোঁৰা মৰিলে, ব্যাঘ্ৰালে বাঘ মাৰিলে, ডেক্ৰাল বা ঢেঁকীয়ালে ঢেঁকী ভাগিলে, নাঙ্গালে নাঙ্গল ভাঙিলে, ঢুলিয়ালে ঢোল ফুটিলে লঘোণ দিয়ে। দলঙ্গিয়ালে দলং পাৰ হৈ পানী আনি নাখায়, সাঁকোৰিয়ালে সাঁকোৰ ওপৰেদি নাযায়, ডিঙ্গিয়ালে ডিঙ্গি ছিগা জীৱ-জন্তু, লাউ আদি নাখায় ইত্যাদি। ঠেঙ্গাল কছাৰীৰ পুৰুষৰ বংশই মহিলাৰো বংশ হয়।

চক্ৰধ্বজ ৰজাৰ মৃত্যুৰ পাছত থাকি অহা ঠেঙ্গাল কছাৰীসকল আৰু দেশত শান্তি প্ৰতিষ্ঠা হোৱাৰ পাছত ডিমাপুৰ, কাছাৰ, উত্তৰ কাছাৰৰ পৰা যিসকল কছাৰী উজনি অসমলৈ আহি তেওঁলোকৰ অঙহী-বঙহী এই ঠেঙ্গাল কছাৰীসকলৰ লগত যেতিয়া লগ লাগিলহি, তেতিয়া তেওঁলোকে ঠেঙ্গাল কছাৰীৰ যিটো বংশৰ সমাজত বসবাস কৰিবলৈ ধৰিলে, সেই বংশকে তেওঁলোকেও গ্ৰহণ কৰি সেই বংশৰ নিয়ম-নীতিৰেই বংশ-পৰিচয় দিবলৈ ধৰিলে।

প্ৰশ্ন উঠে—এই বাসুদেৱ গোসাঁই কোন? কাছমাৰীত ডাঙৰ ভূমিকম্প হৈছিল কেতিয়া? যাৰ ফলত কাছমাৰী ঠেঙ্গাল কছাৰীৰ ৰাজ্যৰ পতন ঘটিছিল আৰু বাসুদেৱ গোসাঁইৰ যোগেদি তেওঁলোকৰ পুৰণি কছাৰী ৰাজ্যলৈ পুনৰ ঘূৰি আহিবলৈ সক্ষম হৈছিল। শংকৰদেৱৰ নাতি ৰামানন্দৰ পুত্ৰ পুৰুষোত্তম ঠাকুৰ (১৫৬১-১৬১৯ খ্ৰীঃ)-এ ৩৭ বছৰ বয়সত ১৫৯৭—৯৮ খ্ৰীঃত তেওঁৰ ভক্তসকলৰ ৬ ঘৰ

ব্ৰাহ্মণ আৰু ৬ ঘৰ অন্য লোকক বাছি লৈ মহন্ত কৰি অসমৰ কামৰূপত সত্ৰ পাতি শংকৰদেৱৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ পুত্ৰসকলে মান ভগন (আচলতে মোৱামৰীয়া বিদ্ৰোহ হ'ব লাগে)ত উজনিৰ পৰা আহি নগাঁৱত ভিন ভিন ঠাইত সত্ৰ পাতে। বোধহয় এইজন বাসুদেৱ মহন্তই ঠেঙ্গাল কছাৰীসকলক বৈষ্ণৱ ধৰ্মৰ দীক্ষা দি মাটি-বাৰীৰে থাকিবলৈ দিয়া বাসুদেৱ গোসাঁই। কাৰণ আহোম স্বৰ্গদেউ চুখামখা ওৰফে খোৰা ৰজাৰ (১৫৫২-১৬০৩ খ্ৰীঃ) দিনত শংকৰদেৱ আৰু মাধৱদেৱৰ বহু ভক্ত সমগ্ৰ দেশতে ঘূৰি ফুৰিছিল আৰু সত্ৰ পাতিছিল। আহোম ৰাজ্যৰ জনসাধাৰণ আৰু উচ্চপদস্থ বিষয়াই মুকলিভাৱে তেওঁলোকৰ ওচৰত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। এওঁৰ দিনতে ১৫৬৯ খ্ৰীঃত কাকতি ফৰিঙৰ উপদ্ৰৱ, ১৫৭০ খ্ৰীঃত ভয়ংকৰ বানপানী আৰু ১৫৯৬ খ্ৰীঃত দেশত ভয়ংকৰ ভূমিকম্প হৈছিল। গতিকে ১৫৯৬ খ্ৰীঃৰ ভয়ংকৰ ভূমিকম্পত ঠেঙ্গাল কছাৰীৰ ৰজা চক্ৰধ্বজৰ কাছমাৰী ৰাজ্যৰ পতন ঘটিল। ১৫৯৭-৯৮ খ্ৰীঃত বাসুদেৱ গোসাঁইৰ ওচৰত ঠেঙ্গাল কছাৰীসকলে বৈষ্ণৱ ধৰ্মত শৰণ লৈ দৈয়াং বচা অঞ্চলত বসতি কৰিবলৈ আৰম্ভ কৰে আৰু ক্ৰমে উজনিলৈ আগমন হওঁতেই ডিমাপুৰ, কাছাৰ, উত্তৰ কাছাৰৰ পৰা ঘূৰি অহা কিছুমান কছাৰী এওঁলোকৰ লগত লগ লাগে আৰু এওঁলোকৰ বংশকে তেওঁলোকে গ্ৰহণ কৰি সময়ৰ লগে লগে প্ৰব্ৰজন হৈ ঠেঙ্গাল কছাৰীৰ বংশ-পৰম্পৰা, ৰীতি-নীতি সমগ্ৰ অসমৰ বিভিন্ন ঠাইলৈ কঢ়িয়াই নিয়ে।

ঠেঙ্গাল চহৰৰ প্ৰতিষ্ঠা ঃ

ঠেঙ্গাল কছাৰীৰ কিছুমান লোকে বাসুদেৱ মহন্তৰ ওচৰত শৰণ লৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল যদিও তেওঁলোকৰ পূৰ্বৰ পৰম্পৰা ত্যাগ কৰা নাছিল। আনকি আহোম ৰাজ্যত বসবাস কৰিবলৈ লৈছিল যদিও আহোমৰ শাসন সম্পূৰ্ণৰূপে মানি ল'বলৈ টান পাইছিল। সেয়েহে মোৱামৰীয়া উপদ্ৰৱৰ গোন্ধ পাওঁতেই স্বৰ্গদেউ লক্ষ্মীসিংহ (১৭৬৯-১৭৮০ খ্ৰীঃ)ই এজন দূত পঠিয়াই বচাৰ কছাৰীবিলাকক শৰণ দিয়াবলৈ সেই সময়ৰ আউনীআটী সত্ৰৰ অধিকাৰ প্ৰাণহৰিদেৱলৈ বাৰ্তা পঠিয়াইছিল।

'...বচাৰ কছাৰীবিলাক তেতিয়াও বিশ্বস্ত প্ৰজাৰূপে গণ্য কৰিব পৰা বিধৰ নাছিল। আউনীআটীৰ শৰণীয়া হ'লে ৰজা কিছু আশ্বস্ত হ'ব বুলি ভাবিয়েই গোসাঁইলৈ এই বাৰ্তা পঠাইছিল। প্ৰাণহৰিদেৱেও সবৈষ্ণৱে মহাপয়োভৰে সেই ঠাইৰ সৰহভাগ কছাৰী লোককে শৰণ দিয়ালে। তেতিয়াৰ পৰা আউনীআটী সত্ৰত পূৰ্বৰ বচাৰ সৈতে নগা পাহাৰৰ পৰা যোৰহাট নগৰলৈ এই বিস্তৃত অঞ্চলৰ নাম ঠেঙ্গাল চহৰ হ'ল। গৌৰীনাথ সিংহ (১৭৮০-১৭৯৫ খ্ৰীঃ)ৰ দিনত ১৭৯৪ খ্ৰীঃত মোৱামৰীয়াৰ উপদ্ৰৱত যোৰহাটত আহোমৰ ৰাজধানী পাতোতে যোৰহাট নগৰৰ পৰা নগা পাহাৰলৈকে এই বিস্তৃত অঞ্চলত এতিয়াও 'ঠেঙ্গাল মৌজা' নামেৰে ঠেঙ্গাল কছাৰীৰ বসতিপূৰ্ণ এটা মৌজা আজিও বিখ্যাত হৈ আছে।

ঠেঙ্গাল কছাৰীৰ অন্য গোষ্ঠীৰ লগত সংমিশ্ৰণ ঃ

মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মৰাণৰ লগত লগ লগা বচাৰ অভকতীয়া কছাৰীখিনি ১৭৯৮ খ্ৰীঃৰ মোৱামৰীয়া বিদ্ৰোহত আহোমৰ হাতত বন্দী হয়। এই বন্দী হোৱা ঠেঙ্গাল কছাৰীখিনিক বোধহয় আন আন সোণ কমোৱা মানুহৰ লগত সোৱণশিৰিত সোণ কমোৱা কামত লগাইছিল। 'সোণ কমাবৰ নিমিত্তে এখেল মানুহ আছিল, সিবিলাকক সোনোৱাল বোলা হৈছিল, যেনে—কছাৰী, বিহিয়া, কোঁচ আৰু কেওট। সেইবিলাকৰ ভিতৰত কছাৰী সোনোৱাল আৰু বিহিয়া সোনোৱালেই আছিল প্ৰধান,

কেওট সোনোৱাল কিছু তাকৰ আছিল। বিহিয়াবিলাকক জাতত আহোম বকখীয়াল আৰু বৰসোনোৱালঘৰো আহোম, কিন্তু বৰ দুখৰ বিষয়, আজিকালি সোনোৱাল বুলিলেই সকলোকে কছাৰী বুলি ভাবি লোৱা হ'ল। কছাৰী সোনোৱালবিলাকৰ ঘৰ পূৰ্বে উজনি অঞ্চলত শদিয়াৰ পিনে আছিল আৰু সোৱণশিৰি নৈত সোণ কমাইছিল।

'সোৱণশিৰি নদীত সোণ বোটলা কছাৰীসকল ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ পৰা আহিছিল।' তেওঁলোক বোধহয় ঠেঙ্গাল কছাৰীয়েই আছিল। শদিয়া অঞ্চলৰ সোনোৱাল কছাৰী আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ অঞ্চলৰ ঠেঙ্গাল কছাৰীয়ে লগ লাগি সোৱণশিৰিত সোণ কমোৱাৰ পাছত সেই ঠেঙ্গালসকলেও বৃত্তি অনুসৰি সোনোৱাল বুলিয়ে পৰিচয় দিবলৈ আৰম্ভ কৰিলে। সেয়েহে সোনোৱাল কছাৰীৰ মাজত 'আল' আৰু 'ইয়াল' প্ৰত্যয়যুক্ত ঠেঙ্গাল কছাৰীৰ বংশৰ মানুহ পোৱা যায়।

বৃত্তি অনুসৰি ঠেঙ্গাল কছাৰীৰ কিছুলোক আহোমৰ শাসনত সোনোৱাল হ'লেও তেওঁলোকৰ বংশ-বৈশিষ্ট্যৰ দ্বাৰা পৃথককৈ চিনাক্ত কৰিব পৰা যায়। অসমৰ জনজাতিসকলৰ মাজত গোষ্ঠীগত বংশ-বৈশিষ্ট্য আছে। বড়ো-কছাৰীসকলৰ মাজত 'আৰী' যুক্ত স্বৰ্গীয়াৰী, বসুমতাৰী, মুছাহাৰী, খাখলাৰী, দৈমাৰী, নাৰ্জাৰী আদি ২৩টা বংশ আছে। মেচ-কছাৰীৰ ৫টা 'আৰী' যুক্ত বংশ আছে, যেনে—চন্দ্ৰমাৰী, নাৰ্জীয়াৰী, বসুমতাৰী, মুছাহাৰী, হাজোৱাৰী। ডিমাছা কছাৰীৰ দৰে বৰ্মন কছাৰীৰো ৪০টা পুৰুষ বংশ আৰু ৪২টা মহিলা বংশ আছে। কোঁচ সোনোৱালসকলৰ খেল ৪টা উজনীয়াল কোঁচ বা উজনি কুঁচীয়া, নামনীয়াল কোঁচ বা নামনী কুঁচীয়া, ঢুলীয়াল আৰু অমৰাবৰীয়া আৰু তেওঁলোকৰ বংশ ১৪টা। সোনোৱাল কছাৰীৰ ৫টা 'ইয়া' যুক্ত—চিৰিপুৰীয়া, অমৰাবমীয়া, উজনি কুঁচীয়া, নামনি কুঁচীয়া, টিপমীয়া, ১টা 'আৰী' যুক্ত বালিখিতিয়াৰী আৰু ১টা 'আল' যুক্ত ঢুলিয়াল— মুঠ ৭টা বংশ আৰু ১৪টা খেল আছে।

কিন্তু এই সোনোৱাল কছাৰীৰ খেল আৰু বংশ লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। শ্ৰীগগণ সোনোৱালদেৱৰ মতে, সোনোৱালৰ সাতখেল—১) বালিখিতাৰী, ২) চিৰিপৰীয়া, ৩) অমৰাবমীয়া, ৪) ধুলিয়াল, ৫) উজনি কুঁচীয়া, ৬) নামনি কুঁচীয়া আৰু ৭) টিপমীয়া আৰু চৈধ্য বংশ ১) হুগ্ৰাল, ২) মুক্তাল (মুকুতিয়াল), ৩) মদন, ৪) মানিকিয়াল, ৫) এজমাল, ৬) ফাৰমাল, ৭) বৰহাজোৱাল, ৮) সৰু হাজোৱাল, ৯) কুমৰাল, ১০) ঢেকিয়াল, ১১) ডিঙিয়াল, ১২) লাথিয়াল, ১৩) দঙ্গৰাল, ১৪) চেতিয়াল।

১৯৮৫ চনৰ সোনোৱাল কছাৰী সৰ্বংশাৱালী সভাৰ খোৱাং অধিৱেশনৰ বংশৰ তালিকাত ২৪টা বংশৰ নাম পোৱা যায়। সেই বংশ তালিকাৰ ২৪ নম্বৰত ঠেঙ্গালসকলকো সোনোৱালৰ এটা বংশ বুলি দেখুৱাইছিল (পৃঃ ৪-৮)। কিন্তু ১৯৮৬ চনৰ অধিৱেশনত সোনোৱাল সম্প্ৰদায়ৰ বংশলতাৰ ঠেঙ্গাল বংশ নহয়, ই এটা কছাৰী জাতিৰ বেলেগ ফৈদ (সম্প্ৰদায়) বুলি ঠেঙ্গালসকলক বংশ তালিকাৰ পৰা বাদ দিয়া সত্বেও সেইখন তালিকাত সোনোৱাল কছাৰী বংশৰ সংখ্যা নকমি বাঢ়ি গৈ ২৩ৰ ঠাইত ২৫ হ'লগৈ (পৃঃ ৩-৮)। গতিকে দেখা যায় যে সোনোৱাল কছাৰীসকলৰ বংশৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে। ইয়াৰ এইটো প্ৰতীয়মান হয় যে বেলেগ বেলেগ গোষ্ঠীৰ মানুহ তেওঁলোকৰ মাজত সোমাই তেওঁলোকৰ বংশৰ পৰিমাণ বৃদ্ধি কৰি আছে। সোনোৱাল কছাৰীৰ বংশ ভালকৈ লক্ষ্য কৰিলে দেখা যায় যে ঠেঙ্গাল কছাৰী, বড়ো কছাৰী আৰু কোঁচ বংশৰ মানুহ সোনোৱাল কছাৰীৰ মাজত সোমাই আছে।

জনজাতি গোষ্ঠীসমূহৰ বংশৰ এটা ডাঙৰ বৈশিষ্ট্য হৈছে, কোনো এটা বংশৰ মানুহ মৰিলে

সেই বংশটোৰ প্ৰতিঘৰ মানুহে মৃতকৰ কাজ-সকাম শেষ নোহোৱালৈকে লঘোণ ব্ৰত পালন কৰা। উজনি অসমৰ ঠেঙ্গাল কছাৰী গোষ্ঠীৰ মানুহ মৰিলে সেই বংশৰ সোনোৱাল কছাৰী পৰিয়ালে, সোনোৱাল গোষ্ঠীৰ মানুহ মৰিলে সেই বংশৰ কছাৰীয়ে, কোঁচৰ মানুহ মৰিলে কোনো কোনো সোণোৱাল কছাৰীৰ পৰিয়ালে, সোনোৱাল কছাৰীৰ মানুহ মৰিলে কোনো কোনো কোঁচ পৰিয়ালে লঘোণ দিয়া দেখা যায়।

ইয়াৰ পৰা এইটো সহজেই অনুমান কৰিব পাৰি যে সোণ কমোৱা বৃত্তিৰ পৰা কিছুমান মানুহ সোণোৱাল হোৱাৰ বাবেই সোনোৱাল কছাৰী গোষ্ঠীত ঠেঙ্গাল কছাৰী, কোঁচ আৰু অন্যান্য গোষ্ঠীৰ মানুহ অন্তৰ্ভুক্ত হৈ আছে আৰু সেই কাৰণেই সোণোৱালৰ বংশাৱলীত ঠেঙ্গাল কছাৰীৰ বংশ আৰু কোঁচৰ খেলৰ নাম পোৱা যায়। সোনোৱাল কছাৰীৰ মাজত ঠেঙ্গাল কছাৰী আৰু কোঁচ মানুহ অন্তৰ্ভুক্ত হোৱাৰ ক্ষেত্ৰত আউনীআটী সত্ৰৰো অৱদান আছে। উজনি অসমৰ ঠেঙ্গাল কছাৰী, সোনোৱাল কছাৰী আৰু কোঁচসকল আউনীআটী সত্ৰৰ শিষ্য। সত্ৰৰ বাৰ্ষিক কৰ আৰু শৰণৰ সময়ত দিব লগা দান-দক্ষিণা এইকেইটা গোষ্ঠীৰ ভিতৰত ঠেঙ্গাল কছাৰী পৰিয়ালৰ আটাইতকৈ বেছি আৰু সোনোৱাল কছাৰী পৰিয়ালৰ আটাইতকৈ কম। এই ব্যৱস্থা সত্ৰাধিকাৰৰ আদেশত নে পাঁচনিৰ ইচ্ছা অনুসৰি হৈছিল, সেইটো জনা নাযায়। কিন্তু পৰম্পৰাগতভাৱে দুয়োটা গোষ্ঠীৰ পাঁচনিয়ে বেলেগ বেলেগ হাৰত বাৰ্ষিক কৰ আৰু দান-দক্ষিণা আদায় কৰা দেখা যায়। কৰৰ বোজা কমাবলৈকে বহু ঠেঙ্গাল কছাৰীয়ে সোনোৱাল পাঁচনিৰ ওচৰত কম কৰ-কাটল দি তেওঁৰ বহীত নাম লিখাই সোনোৱাল হোৱা বুলি বৃদ্ধ লোকে কয়। এই প্ৰক্ৰিয়া কোনো কোনো ঠাইত এতিয়াও চলি থকা দেখা যায়।

ঠেঙ্গাল কছাৰীৰ সমাজ-ব্যৱস্থা ঃ

ঠেঙ্গাল কছাৰীৰ সমাজ পুৰুষপ্ৰধান সমাজ। ঘৰৰ মুৰব্বী পুৰুষজনৰ ওপৰতেই ঘৰ পৰিচালনাৰ দায়িত্ব আৰু তেওঁৰ দ্বাৰাই সকলো পৰিচালিত হয়। বাসুদেৱ গোসাঁইৰ দিনৰ পৰা তেওঁলোক বৈষ্ণৱ ধৰ্মৰ ভক্ত আৰু প্ৰাণহৰি গোসাঁইৰ দিনৰপৰা আউনীআটী সত্ৰৰ শিষ্য। সেইমতে তেওঁলোক ব্ৰহ্ম সংহতিৰ লোক। তেওঁলোকে বৈদিক আচাৰ-ৰীতি পালন কৰে। সূত্ৰৰ পদ্ধতি অনুসৰি ঠেঙ্গাল কছাৰীৰ সমাজত এটা বৃহৎ এলেকাৰ ভিতৰত বৰমেধি, কুঁৱিয়ামেধি, চুকমেধি, বৰটেকেলা আদি বিষয়া আৰু একোখন গাঁও বা একোটা খেলত একোটা নামঘৰ, মেধি, নামঘৰীয়া, ভঁৰালী, পাঠক, বৰৰান্ধনি, বায়ন দেউৰী, ঢুলীয়া-ওজা আদি বিষয়বাবৰ লোক আছে আৰু সত্ৰৰ সত্ৰাধিকাৰে ৰাজমেধি, পাঁচনি আৰু বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰীৰ সমাজৰ লগত যোগসূত্ৰ ৰাখি সমাজখনৰ ধৰ্ম-ৰীতি পৰিচালনা কৰি থকা দেখা যায়। ইয়াৰ বাবেও বহুতো ঠেঙ্গাল কছাৰীয়ে আউনীআটী সত্ৰৰ শিষ্যত্ব ত্যাগ কৰি পাছত সৃষ্টি হোৱা বৈষ্ণৱ ধৰ্মৰ আন আন প্ৰশাখাত ভৰ্তি হৈ জীৱন নিৰ্বাহ কৰা দেখা যায়।

উৎসৱ-পাৰ্বণ, পূজা-পাতল ঃ

অসমৰ অন্যান্য গোষ্ঠীসমূহৰ দৰে ঠেঙ্গাল কছাৰীসকলেও অসমৰ জাতীয় উৎসৱ বিহু তিনিটা পালন কৰে। ব'হাগ বিহুৰ আগে আগে চ'ত মাহত ঠেঙ্গাল কছাৰীসকলে দিনত তৰা চিৰে আৰু ৰাতি তৰাচিৰ বিহু মাৰে। ব'হাগৰ বিহুত গাঁৱৰ পুৰুষৰ বাদেও গাভৰু আৰু বুঢ়ীসকলে বেলেগে বেলেগে দল বান্ধি ঘৰে ঘৰে বিহু মৰাটো ঠেঙ্গাল কছাৰী সমাজত অতীতৰ পৰাই দেখা যায়। বিহু মৰা পইচাৰে নিমখ কিনি গাঁৱৰ সকলোকে ভগাই দিয়ে। পুৰুষে হুঁচৰি গাওঁতে বজোৱা ঢোলত কছাৰী ছেও

বা বুটী ছেও আৰু নাচটো অসমীয়া সংস্কৃতিলৈ ঠেঙ্গাল কছাৰীসকলৰ অৱদান। উজনি অসমৰ ঢোলবাদ্যৰ ক্ষেত্ৰত কছাৰীৰ অৱদান কোনোপধ্যেই নুই কৰিব নোৱাৰি।

নামঘৰত তেওঁলোকে বৰসবাহ, পানীতোলা সবাহ, হুঁচৰিগোৱা সবাহ, জন্মাষ্টমী তিথি, গুৰু দুজনাৰ তিথি আদি ৰাজহুৱাভাৱে পালন কৰে। মৃতকৰ সৎকাৰ কৰাৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীৰ সামাজিক বান্ধোন বৰ কঠোৰ। প্ৰত্যেক পুৰুষেই গুৰুৰ ওচৰত শৰণ লোৱাটো বাধ্যতামূলক। শৰণ নোলোৱা বিবাহিত পুৰুষ সমাজৰ যিকোনো মাংগলিক কামৰ বাবে অনুপযুক্ত বুলি গণ্য কৰা হয়। আনকি অশৰণীয়া লোক বা ঋতুমতী নোহোৱা ছোৱালীৰ মৃত্যু হ'লে তেনে মৃতকৰ শৱদাহ কৰা নহয়, এখন সাধাৰণ ঢাৰিৰে মেৰিয়াই এডাল বাঁহত বান্ধি দুজন মানুহে কান্ধত নি পুতি থৈ আহে। আত্মহত্যা কৰা আৰু বজ্ৰপাত পৰি মৃত্যু হোৱা লোকৰ শৱদাহ নকৰি পুতি থয় নাইবা নৈত উটুৱাই দিয়ে। এনেবোৰ মৃতকৰ কাজ-সকাম কৰা নহয়। তেনেকৈ অশৰণীয়া অবিবাহিত পুৰুষ বা অবিবাহিতা তিৰোতা মৰিলে শৱ খৰি দিয়া হয় যদিও নিয়মমতে কোনো কাজ-সকাম কৰা নহয়, কিন্তু শৰণ লোৱা পুৰুষ আৰু বিবাহিতা তিৰোতাৰ মৃত্যুৰ ক্ষেত্ৰত সন্মান সহকাৰে শৱদাহ কৰাৰ পৰা কাজ-সকামলৈকে বৈদিক প্ৰথাৰে সকলো নিয়ম-নীতি পালন কৰা হয়। মৃত্যুৰ দিনাৰ পৰা মৃতকৰ পৰিয়ালৰ লগতে তেওঁৰ বংশৰ আটাইবোৰ পৰিয়ালেই লঘোণব্ৰত পালন কৰে। মৃত্যুৰ তিনি দিনত তিলনি, দহ দিনত দহা বা পিণ্ড দিয়া, মাহেকত কাজ বা সকাম পতা হয়। ব্ৰাহ্মণ-পুৰোহিতৰ সহায়ত মৃতকৰ আত্মাৰ মুক্তি আৰু গৃহস্থৰ কুশলৰ অৰ্থে পূজা-অৰ্চনা কৰি দান-দক্ষিণাৰে মৃতকৰ কাজ-কৰ্ম সমাধা কৰা হয়। মৃতকৰ কাজত মৃদঙ্গীয়া গায়ন-বায়ন লগোৱাটো ঠেঙ্গাল কছাৰী সমাজৰ নিয়ম। আজিকালি অৱশ্যে কোনো গাঁৱত মৃদঙ্গীয়া গায়ন-বায়নৰ অভাৱত খুলীয়া গায়ন-বায়ন লগোৱা দেখা যায়। কাজৰ পাছত নাম-কীৰ্তন পাঠ কৰি গৃহস্থক উদ্ধাৰ কৰা হয় আৰু সকলো কৰ্ম শেষ হোৱাৰ পাছত গৃহস্থ, বংশৰ লঘোণীয়া লোকসকল আত্মীয়-কুটুম্ব, ৰাইজ লগ লাগি মাছ-ভাত চোৱে অৰ্থাৎ মাছেৰে ভাত খায়। সেইদিনাৰ পৰাহে গৃহস্থ আৰু বংশৰ লোকসকলে পুনৰ মাছ-মাংস বা ভজা-পোৰা আহাৰ খাব পৰা হয়।

ঠেঙ্গাল কছাৰীসকল মূলতঃ সদাশিৱৰ ভক্ত আছিল। সদাশিৱৰ পাছতে তেওঁলোকে দুৰ্গাকো মানিছিল। সমজুৱাভাৱে তেওঁলোকে নিৰ্দিষ্ট ঠাইত বাইথ' পূজা, দেওথানত দুৰ্গা পূজা, নদীত চুৱা উটুওৱা, চাপৰিত গৰখীয়া ভোজ, নৈৰ ওচৰত চাউল খোৱা আদি সামাজিক পূজা-পাতল কৰে। ইয়াৰ বাদেও ঘৰুৱা অপায়-অমংগল দূৰ কৰিবলৈ বিছুৰে-উৎসৱে মৃতকক দিয়া, খেতিৰ আৰম্ভণিতে গোহালিত সদাশিৱৰ পূজা পতা, বেমাৰ-আজাৰ হ'লে শনি-ৰবি, ৰাহু-মঙ্গলৰ চাউল খুওৱা, গুৰ পৰমান খুওৱা, আই চাউল খুওৱা, ভিতৰবন, অপেচৰী সবাহ, গোপিনী সবাহ, লখিমী সবাহ, আই সবাহ, বাক দেৱতাৰ সকাম, গা-ডাওৰীয়া পূজা, হাটুৱালী-বাটুৱালী পূজা, সৰস্বতী সবাহ, ভঁৰালত লখিমী সুমুওৱা সবাহ, ভঁৰাল চোৱা সবাহ, আয়ুস তোলা সবাহ আদি অনেক পূজা-পাতল, সকাম-নিকাম ঠেঙ্গাল কছাৰীসকলে পালন কৰে। তেওঁলোকে কোনো মূৰ্তি সাজি এইবিলাক পূজা নকৰে। সদাশিৱৰ প্ৰতীকৰূপে সিজু গছ ৰুই কোনো কোনো দেৱ-দেৱীৰ শাল আৰু কোনো কোনো দেৱ-দেৱীৰ, ভূত-প্ৰেতৰ বাবে ঘৰৰ ভিতৰ বা বাহিৰত পূজা অনুযায়ী স্থান ঠিক কৰি পূজাভাগ আগবঢ়ায়। খেতিৰ বতৰত বৰষুণ নহ'লে ঠেঙ্গাল কছাৰীসকলে বৰুণ দেৱতাক সন্তুষ্ট কৰিবলৈ ভেকুলী বিয়া পাতে, ঢেঁকী চোঁচৰায়, ইকৰাৰে কাঁহী বজায়, বাকধনু বজায়, কলৰ চোচ বজায়, মানুহে নাঙল টানি আনৰ চোতালত হাল বায়।

দেৱ-দেৱীৰ লগতে ঠেঙ্গাল কছাৰীসকলে অনেক ভূত-প্ৰেতকো বিশ্বাস কৰে। সেয়েহে নৱজাত শিশুৰ ৰক্ষাৰ বাবে বিছনাত গাৰুৰ তলত সৰিয়হ, কাচি, কটাৰী, দুৱাৰমুখত ৰাচ, বৰশি, বগৰীৰ জেং ৰখা হয়। আনকি কোনো কোনো বেজে দিয়া তাবিজ, মন্ত্ৰপুতঃ ডোল আদিও শিশুৰ কঁকাল বা ডিঙিত পিন্ধাই ৰখা হয়। নৱজাত শিশুৰ শুধিসবাহ এমাহৰ মূৰত পতা হয়। শিশুৰ চুলি খুৰাই সেই চুলি গোবৰ-মাটিৰ লগত মিহলাই লাড়ু বনাই পইচা এটাৰ সৈতে বৰঘৰৰ বেৰত বাহিৰফালে সৰু টিপ এটা কৰি লগাই ৰখা হয়, যাতে শিশুটিৰ কোনো অপায়-অমংগল নহয়। বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত এই দেৱ-দেৱীৰ পূজা কিছু পৰিমাণে পাতলিছে যদিও ঘৰখনত বেমাৰ-আজাৰ হ'লেই তাৰ পুনৰাবৃত্তি ঘটে। ছোৱালী ঋতুমতী হ'লে ঠেঙ্গাল কছাৰীসকলে নোৱাই তোলনি বিয়া পাতে। নোৱাই তোলনি বিয়াত বুঢ়ীমাক, মাক/খুড়ীয়েক আদি কৰি বিয়া খাবলৈ অহা প্ৰতিগৰাকী তিৰোতই সামৰ্থ্য অনুযায়ী একো একোটা উপহাৰ বা টকা-পইচা দি ছোৱালীজনীৰ কোঁচৰ পৰা নিজৰ কোঁচলৈ কনাই লোৱা আৰু ঘূৰাই দিয়া, আনকি বৰবিয়াতো দৰা-কইনাই আদান-প্ৰদান কৰা ৰীতি ঠেঙ্গাল কছাৰীৰ এটা বিশেষ পৰম্পৰা।

বিবাহ ঃ

ঠেঙ্গাল কছাৰীসকলৰ একেটা বংশৰ ভিতৰত বিয়া পতাটো নিষিদ্ধ। দুটা বেলেগ বংশৰ দৰা-কইনাৰ মাজত বিবাহ সম্পন্ন হয়। তেওঁলোকে দুই প্ৰকাৰে বিবাহ পাতে।—১) বৰবিয়া আৰু ২) আবিয়ৈ বিয়া বা জোৰণ দিয়া বিয়া। বৰবিয়া হৈছে ব্ৰাহ্ম বিবাহ। এই বিয়া তিনিদিন, পাঁচদিন বা সাতদিনীয়াকৈ পতা হয়। বৈদিক প্ৰথাৰে হোমাগ্নি কৰি পতা বৰবিয়াত ছোৱালী আনিবলৈ দৰা আৰু বৰযাত্ৰী কইনাৰ ঘৰলৈ যায়। বৰবিয়াত ছোৱালী খোজা বাট চন্দাভোজা ভাৰ, নপুৰুষৰ শৰাধৰ চকলীপতীয়া ভাৰ, গৰখীয়া ভাৰ আদি কেইবাবিধো ভাৰ দৰাপক্ষৰ পৰা কইনাপক্ষক দিব লাগে। আবিয়ৈ বিয়া বা জোৰণ দিয়া বিয়া এদিনীয়াকৈ পতা হয়। এই বিয়াত দৰা কইনাৰ ঘৰলৈ নাযায়। পৰিয়ালৰ মুৰব বী আৰু গাঁৱৰ কেইগৰাকীমান বুঢ়া-বুঢ়ীয়ে জোৰণখিনি নি কইনাক পিন্ধাই সজাই-পৰাই, জা-জলপান বা ভোজ-ভাত খাই কইনা লৈ আহে। আজিকালি অৱশ্যে আবিয়ৈ বিয়াতো দৰা কইনাৰ ঘৰলৈ যোৱা হৈছে। ছোৱালী পলুৱাই আনিলে বা চপনীয়া খাটিলে ৰাইজক পোহনি অৰ্থাৎ উদ্ধাৰণি দি সমাজ ল'ব লাগে।

বৰবিয়া আৰু আবিয়ৈ বিয়াত কইনাঘৰত দৰাপক্ষৰ উপস্থিতিত দৰা-কইনাৰ সাংসাৰিক জীৱনত লাগতিয়াল কাঁহী-বাটি, কাপোৰ-কানি, বিছনা-পত্ৰ, তাঁতশাল, উঘা-চেৰেকীকে আদি কৰি গৰু-গাইলৈকে পৰিয়াল আৰু সম্বন্ধীয় লোকে মান অনুসৰি আৰু নিমন্ত্ৰিত অতিথিয়ে ইচ্ছা অনুযায়ী যিয়ে যেনেদৰে পাৰে, ৰভাৰ তলতে মুকলিভাৱে সকলোৱে উছৰ্গা কৰে। উছৰ্গা কৰা প্ৰতিজন ব্যক্তিক দৰাপক্ষই মান হিচাপে একোটাকৈ গুৱা-পাণ আগবঢ়ায়। উছৰ্গাৰ শেষত সকলো বস্তুৰে তালিকা এখন কৰি তালিকাসহ বস্তুখিনি দৰাপক্ষক কইনাপক্ষৰ ৰাইজে চমজাই দিয়ে।

বৰবিয়াত গাঠিয়ন খুন্দোতে দৰাঘৰ আৰু কইনাঘৰত খোলাং (খোলা) বুঢ়ী নচাটো ঠেঙ্গাল কছাৰীৰ এক কৃষ্টি। খোলাং বুঢ়ীনাচত এগৰাকী বুঢ়ীয়ে মূৰৰ ওপৰত এখন ডলাত তামোলৰ বাকলি, এটা পাতি পইচা, এধাৰ অলংকাৰ লৈ এটা মূৰ ফটা বা খোলা বাঁহৰ আগৰ লাখুটি এডালত মাটিৰ ভগা পাত্ৰৰ খোলাকটি বান্ধি লৈ ঢোলৰ 'লাখুটি বাওঁ', 'লাখুটি নহ'লে কেনেকৈ যাওঁ' ছেওৰ লগত

তাল মিলাই নাচে আৰু শেষত খোলাকটিখিনিকে টকা কৰি লৈ কইনাগৰাকীক কিনি অলংকাৰ পিন্ধাই থৈ যায়। দৰাৰ ক্ষেত্ৰতো অনুৰূপ কাৰ্যকেই কৰে। কোনো কোনো সময়ত বুঢ়ীগৰাকীয়ে কম শুনা, অকৰা হোৱা দেখুৱাই হাস্যৰসৰো সৃষ্টি কৰে। এই খোলাং বুঢ়ীয়েই বিয়াৰ দিনা শুৱাগুৰি তোলোতে তামোলৰ বাকলি আদি ডলা এখনত লৈ নাচে। এই নাচৰ প্ৰকৃত শব্দটো বা অৰ্থটো ধৰিব নোৱাৰি ডলা বা কুলাখন লৈ নচাৰ বাবে কোনো কোনো লোকে ইয়াক কুলাবুঢ়ী নাচ আৰু হাস্যৰসৰ বাবে কাণেৰে কম শুনা দেখুৱাবৰ বাবে কোনো কোনো লোকে কলাবুঢ়ী বুলিও কয়। বৰবিয়াৰ দিনাৰ পৰা তৃতীয় দিনা দুপৰীয়া দৰাঘৰত দৰা-কইনাৰ আ-অলংকাৰখিনি ভীমকলৰ দুযোৰ আগলি পাতত থৈ দৰা-কইনাৰ শৰীৰৰ অলংকাৰৰ পৰা খোবা-খুবুনী নামৰ ভূত-ভূতুনী দুটা খেদিবৰ বাবে খোবা-খুবুনি সবাহ পাতে। এই খোবা-খুবুনী সবাহত গাঁৱৰ বৃদ্ধজনে শিৱ-পাৰ্বতীৰ খেতি কৰা মুখভঙামন্ত্ৰ গায়। হালোৱাই নাঙল-যুঁৱলি লৈ গোটকৰাই, গুৱা-পাণ চোবাই দৰা-কইনাৰ গাত পিকাই এছাৰিৰে কোবাই হাল বায় আৰু দৰা-কইনাৰ মংগল হ'বলৈ, হৰ-গৌৰীৰ বসতি হ'বলৈ ৰাইজে আশীৰ্বাদ দিয়ে। এনেকৈবাৰে আখৰ চিনি নোপোৱা গাঁৱৰ বুঢ়া-মেথায়ো খোবা-খুবুনী মুখভঙা মন্ত্ৰটো সম্পূৰ্ণৰূপে মুখস্থ গাই দৰা-কইনাৰ গাৰ পৰা, আ-অলংকাৰৰ পৰা খোবা-খুবুনী ভূত দুটাক খেদায়। শেষত দৰা-কইনাই গা-পা ধুই একেলগে ঢেঁকী দি পিঠা খুন্দি ৰাইজক খাবলৈ দিয়ে। লগতে ভোজ-ভাতৰো ব্যৱস্থা কৰা হয়। এই খোবা-খুবুনী সবাহ ঠেঙ্গাল কছাৰীৰ নিজা সংস্কৃতি। অসমৰ অন্যান্য সম্প্ৰদায়ৰ লোকেও দুপৰীয়াৰ পৰিবৰ্তে ৰাতি খোবা-খুবুনী সবাহ পাতে যদিও তেওঁলোকে ইমানখিনি নিয়ম-নীতি পালন নকৰে আৰু মুখভঙা মন্ত্ৰৰ পৰিবৰ্তে ভূত-ভুতুনী দুটা আঁতৰি যাবলৈ দৰা-কইনাক আশীৰ্বাদ দি ভোজ-ভাত খায়।

গ্ৰন্থপঞ্জী ঃ

১ Suniti Kumar Chatterji: *The place of Assam in the History and Civilisation of India*. pp. 6-9, 6,16

২. ড° ভুবনমোহন দাস ঃ *The peoples of Assam* p 39 আৰু *নৃতত্বৰ চমু আভাস* পৃঃ ৫৭ উদ্ধৃতি নন্দ বৰা ঃ অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত, *ঠেঙ্গাল দৰ্পণ*, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন, তিতাবৰ অধিবেশন, পৃঃ ৬

৩. দুৰ্গেশ্বৰ দলে (সম্পাদিত) ঃ *জনজাতি আলোচনী*, ১৯৭২, ৰাজমোহন নাথ ঃ বড়ো জাতিৰ চমু পৰিচয়, প্ৰবন্ধ পৃঃ ৩১

৪ মহাভাৰত উদ্যোগ পৰ্ব, ১৮শ অধ্যায়, ৫৮৪-৮৫ শ্লোক

৫. Birinchi Kumar Barua ঃ *A Cultural History of Assam* pp. 5-6, 7

৬. Sir Edward Gait- *A History of Assam,-P12*, পদ্মনাথ গোহাঞি বৰুৱা ঃ *অসমৰ বুৰঞ্জী*, পৃঃ ৮

৭ ভৱেন নাৰ্জী ঃ *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি*, পৃঃ ২১

৮. Bani Kanta Kakati:*Assamese-Its Formation and Development*. p 42.

৯. Sir Edward Gait—একে গ্ৰন্থ, পৃঃ ২৯৯, ৩৮, ১০৫

১০. পদ্মনাথ গোহাঞি বৰুৱা ঃ একে গ্ৰন্থ, পৃঃ ১৪২, ১৪৩, ৩৮

১১. Rev. Sidney Endle : *The Kacharis* p. 4 5, B.N. Bordoloi etc. *Tribes of Assam*, Part II, p. 79

১২. ড° ভুবনমোহন দাস ঃ *The People of Assam* p. 48-49

১৩. B.N. Bordoloi etc. *Tribes of Assam*, Part I, p. 1

১৪. ড° ভুবনমোহন দাস ঃ *The People of Assam* ড° মানৱেন্দ্ৰ ফুকন, অসমীয়া জাতি ঃ আৱয়ৱিক সংমিশ্ৰণ, অসমৰ মানুহ, সম্পাদনা, ড° ভুবনমোহন দাস, পৃঃ ৫০-৫১ উদ্ধৃতি ঃ নন্দ বৰা, একে স্মৃতিগ্ৰন্থ, পৃঃ ৮

১৫. ড° লীলা গগৈ ঃ *অসম সাহিত্য সভা পত্ৰিকা,* বিংশ বছৰ। ৩য় সংখ্যা, ১৮৮৪ শক, মাধৱ কন্দলি আৰু মহামাণিক্য পৃষ্ঠা ২৪

১৬. যজ্ঞেশ্বৰ শৰ্মা (সম্পাদিত) ঃ *বেণুধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড)* বুৰঞ্জীৰ সঁফুৰা, পৃঃ ১০১

১৭. ড° সূৰ্যকুমাৰ ভূঞা (সম্পাদিত) ঃ *কছাৰী বুৰঞ্জী,* পৃঃ ৩-১০

১৮. নন্দ বৰা ঃ একে স্মৃতিগ্ৰন্থ, পৃঃ ১১

১৯. হিতেশ্বৰ বৰবৰুৱা ঃ আহোমৰ দিন, ১৪৩,৫১১,৫২১,৪৫৪,৪৫৫

২০. ড° যোগেশ্বৰ বড়া ঃ কিৰাত জনজাতি ঃ উজনি অসমৰ ঠেঙ্গাল কছাৰী *'ঠেঙ্গাল দৰ্পণ' স্মৃতিগ্ৰন্থ,* সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন, বিহপুৰীয়া অধিৱেশন, ১৯৯২ চন। নন্দ বৰা ঃ একে স্মৃতিগ্ৰন্থ, পৃঃ ১২

২১. B.N. Bordoloi : The Dimasa Kacharis of Assam, p.9 B.N. Bordoloi etc. : *Tribes of Assam*, part I, p. 37,39,7

২২. B.N. Bordoloi etc. : *Tribes of Assam, Part II*, p. 2,7,45-46

২৩. ড° যোগেশ্বৰ বড়া ঃ ঠেঙ্গাল কছাৰীসকলৰ লোক-সংস্কৃতি আৰু অসমীয়া সমাজত ইয়াৰ প্ৰভাৱ, 'ঠেঙ্গাল দৰ্পণ' স্মৃতিগ্ৰন্থ, স.অ.ঠে.ক. সংগঠন, তিতাবৰ অধিৱেশন, ১৯৯৪, পৃঃ ১৫

২৪. Nagendra Nath Vasu: *The Social History of Kamrup*, vol. p. 43

২৫. মহেশ্বৰ নেওগ (সম্পাদিত) ঃ *পবিত্ৰ অসম,* পৃঃ ১৪৪

২৬. Sir Edward Gait : একে গ্ৰন্থ, পৃঃ ১০৫

২৭. তীৰ্থনাথ শৰ্মা ঃ *আউনীআটী সত্ৰৰ বুৰঞ্জী,* পৃঃ ৪৯

২৮. পদ্মেশ্বৰ সোনোৱাল, বয়স ৭০ বছৰ, লক্ষীমপুৰ, সোৱণশিৰি নৈত সোণ কমোৱা পৰিয়ালৰ ব্যক্তি।

২৯. B.N. Bordoloi etc. : *Tribes of Assam, Part III*, p. 84

৩০. গ[illegible]া সোনোৱাল ঃ 'সোনোৱাল কছাৰী সম্প্ৰদায়ৰ ঐতিহাসিক আৰু সামাজিক জীৱনৰ এটি চমু পৰিচয়', সৌমাৰ, অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ স্মৃতিগ্ৰন্থ, ১৯৮১ চন পৃঃ ৩১ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য (সম্পাদিত) ঃ *অসমৰ জনজাতি সোনোৱাল কছাৰী* গগণ সোণোৱাল প্ৰবন্ধ পৃঃ৭৩

৩১. বিবিধন কছাৰী (৭০ বছৰ), দগৈ কছাৰী (৬৫ বছৰ) মেধি, শদিয়াল কছাৰী গাঁও, তিতাবৰ ঃ তেখেতসকলে এই খবৰ দিছে।



ৰাভা জনগোষ্ঠী ঃ উৎপত্তি আৰু পৰিচয়

ড° উপেন ৰাভা হাকাচাম

চীন-তিব্বতীয় বৃহৎ ভাষা পৰিয়ালৰ প্ৰাচীন ভাৰত ভূ-খণ্ডত বিকশিত হোৱা তিব্বত-বৰ্মীয় ঠালৰ অসম বৰ্মীয় শাখাৰ বড়ো ভাষাপুঞ্জৰ অন্তৰ্গত ৰাভা ভাষা-ভাষী ইণ্ডো-মংগোলীয় নৃগোষ্ঠীৰ মানুহবোৰেই 'ৰাভা' বুলি ড° সুনীতি কুমাৰ চেটাৰ্জীকে প্ৰমুখ্য কৰি দেশী-বিদেশী পণ্ডিতসকলে সৰ্ববাদীসন্মতভাৱে মানি লৈছে।[১] ৰাভা নামটো অৰ্বাচীন—প্ৰাগৈতিহাসিক মহাকাব্য দুখনত আৰু ভাৰতীয় ভাষাত ৰচিত ভিন ভিন পুৰাণ বা বুৰঞ্জীসমূহৰ ক'তো ইয়াৰ উল্লেখ পোৱা নাযায়। খুব সম্ভৱ, সপ্তদশ শতিকাৰ আগভাগত ঘাইবি ওৰফে মীৰ্জানাথানে মূল ফাৰ্চী ভাষাত ৰচনা কৰা আৰু ড° ময়দুল ইছলাম বৰাই অনূদিত কৰা 'বাহাৰিস্তান-ই-ঘাইবি' নামৰ বুৰঞ্জী পুথিখনতে জয়জয়তে 'ৰাভা' নামটোৰ উল্লেখ কৰিছে।[২] উল্লেখযোগ্য যে এওঁৰ সমসাময়িক আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত (খ্ৰীঃ ১৬১১—খ্ৰীঃ ১৬৪৮) কোচ-হাজো পৰগণাৰ জাখলীৰ সমীপত সংঘটিত 'ৰভিকুঞ্চৰ যুদ্ধ'ৰ বৰ্ণনাৰ পৰা এই অঞ্চলত ৰাভা (ৰভি) লোকৰ বসতি আছিল বুলি অনুমান কৰা যায়। আৰু যদি সেয়ে হয় তেন্তে মধ্যযুগৰ অসমীয়া ভাষাত ৰচিত 'দেওধাই অসম বুৰঞ্জী'খনে ৰাভা নামটো অন্তৰ্ভুক্ত কৰাৰ কৃতিত্ব দাবী কৰিব পাৰে। ইয়াৰ পাছত ব্ৰিটিছসকলে অসম আগমন কৰাৰ লগে লগে 'ৰাভা' নামটোৰ ব্যুৎপত্তি, তেওঁলোকৰ ভাষিক আৰু নৃতাত্ত্বিক অৱস্থিতি ইত্যাদি দিশত যথেষ্ট লেখা-মেলা হ'বলৈ ধৰে আৰু ৰাভা নামটো জনপ্ৰিয় হৈ উঠে।[৩] ইয়াৰ আগতে এইসমূহ নৃগোষ্ঠীয় লোকক অসুৰ, কিৰাত-কছাৰী, ম্লেছ-কুৱাচ ইত্যাদি বিভূষণেৰে ভাৰতীয় শাস্ত্ৰীয় সাহিত্যত চিত্ৰিত কৰা হৈছিল। অৱশ্যে খ্ৰীঃ দ্বিতীয় শতিকাৰ ভিতৰত আগমন কৰা গ্ৰীক নাবিকসকলৰ হাত-পুথিত উল্লেখ কৰা কেতবোৰ জাতিৰ নামৰ সৈতে পণ্ডিত-গৱেষকসকলে আধুনিক কালত ৰাভা প্ৰভৃতি জাতি-জনগোষ্ঠীৰ নামসমূহৰ সামঞ্জস্য থকা বুলি ভাবে।[৪]

'ৰাভা' নামটো কেনেকৈ কি ভাষাৰ পৰা আহিল এই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতানৈক্য

আছে। কিছুমানৰ মতে 'ৰাভা' শব্দটোৰ ব্যুৎপত্তি অসমীয়াতে আছে, যাৰ অৰ্থ হ'ল ৰ + আভা = ৰাভা (ৰৈ-বৈ যোৱা খ্যাতিসম্পন্ন জাতি)।[৬] জাতি এটাৰ নামকৰণ এনেদৰে হোৱাৰ দৃষ্টান্ত জগতত বিৰল। ইয়াৰ কোনো ঐতিহাসিক ভিত্তি নাই। ৰাভাসকলৰ এনে কোনো নথিভুক্ত খ্যাতি নাই, যাৰ বাবে অসমীয়াসকলে টাইসকলক অ-সম (যাৰ সমকক্ষ কোনো নাই) বা আহোম বোলা দি ৰাভাসকলকো ৰ + আভা > ৰাভা বুলি মাতিব। আনহাতে অসমীয়া ভাষাৰ পূৰ্ণ বিকাশ ঘটে খ্ৰীঃ চতুৰ্দশ শতিকামানৰ পৰাহে—প্ৰাক্ শংকৰী যুগৰ কবিসকলৰ হাতত। প্ৰাচীন অসমত (প্ৰাগজ্যোতিষ বা কামৰূপ) কিৰাত-কছাৰী ফৈদৰ লোকসকলে বহুকাল আগৰে পৰা বসবাস কৰা আৰু ৰাজ্য শাসন কৰাৰ বিষয়ে কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি প্ৰাচীন গ্ৰন্থত; দৰং ৰাজবংশাৱলী, চৰিত পুথি, বুৰঞ্জী পুথি আদি মধ্যযুগত ৰচিত হোৱা গ্ৰন্থত আৰু ভিন ভিন কবিসকলৰ ৰাজভণিতাসমূহত পোৱা যায়। এইবিলাকৰ ক'তো কোচ আৰু কছাৰী অথবা বৰাহী নামটোৰ বাহিৰে ৰাভাৰ ওচৰ সম্বন্ধীয় টোটলা, ধিমাল, দাঁতিয়াল, মদাহী, মেচ বা বড়ো উপজাতিৰ নামোল্লেখ নাই। খাচি (জয়ন্তা), কোচ-গাৰো, ভোট (ভুটীয়া), নৰা-আহোম, মিৰি-মিছিমি, মিকিৰ (কাৰ্বি), চুতীয়া (দেউৰী) ইত্যাদি স্বতন্ত্ৰ জনজাতিৰ নাম যেনেদৰে সঘনাই পোৱা যায়, ৰাভাৰ নামটো তেনেদৰে পোৱা নাযায়। খুব সম্ভৱ, মেচ, লালুং, ডিমাছা আৰু বড়োসকলৰ নিচিনাকৈ ৰাভাসকলকো বৃহত্তৰ কছাৰী ফৈদৰ এটা ঠাল হিচাপে গণ্য কৰা হৈছিল। কোৱা হয় যে ওচৰৰ হিন্দু প্ৰতিৱেশীয়ে ন-কৈ হিন্দু হোৱা কছাৰীসকলক ৰাভা নামটো দিছিল। কি কাৰণে ৰাভা বোলা হ'ল আৰু ইয়াৰ প্ৰকৃত অৰ্থনো কি এই সন্দৰ্ভত অৱশ্যে কোনো প্ৰামাণিক তথ্য পোৱা নাযায়।[৭]

যদিহে ৰাভা নামটো হিন্দু ধৰ্মৰ সৈতে জড়িত হয়, তেন্তে ই সংস্কৃত ভাষাৰে ব্যুৎপত্তি হোৱা আৰু খ্ৰীঃপূঃ চতুৰ্দশ শতিকা বা তাৰো আগৰ হ'ব। সেইফালৰ পৰা বিবেচনা কৰি কেইগৰাকীমান বিশিষ্ট পণ্ডিত আৰু ধৰ্ম প্ৰচাৰকে 'ৰাভা' নামটোৰ কেবাপ্ৰকাৰেও ব্যাখ্যা কৰিছে। প্ৰাচ্যতত্ত্ব আৰু অসমতত্ত্বৰ সাধক বুৰঞ্জীবিদ প্ৰয়াত বেণুধৰ শৰ্মাই ৰাভা সংস্কৃতিৰ গৱেষক পণ্ডিত ৰাজেন ৰাভাক মৌখিকভাৱে দিয়া তথ্য মতে, ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ ঋষি-মুনি অধ্যায়ত হেনো উল্লেখ আছে যে আৰ্যসকলে নিজৰ কৌলিক হিন্দুধৰ্ম প্ৰচাৰত সমসাময়িক ৰাভ[৯] নামৰ এজন অবেদাচাৰী মুনিৰ দ্বাৰা বৰকৈ বাধাপ্ৰাপ্ত হৈছিল। বেণুধৰ শৰ্মাৰ মতে, সেই ৰাভ মুনিৰ অনুগামীসকলেই ৰাভা (শিৱৰ অনুগামী শৈৱ আৰু শক্তি দেৱীৰ উপাসক শাক্ত হোৱাৰ দৰে ৰাভৰ অনুগামী ৰৈভ আৰু কালক্ৰমে তাৰ পৰাই ৰাভা); কিয়নো ৰাভ মুনিৰ দ্বাৰা প্ৰৱৰ্তিত ধৰ্মীয় বিধি-ব্যৱস্থা, আচাৰ-পদ্ধতিৰ লগত ৰাভা প্ৰমুখ্যে অন্যান্য জনজাতিসকলৰ আচাৰ-পদ্ধতিৰ ভালেখিনি সাদৃশ্য আছে। দেৱ-দেৱীৰ মূৰ্তি বা শালগ্ৰামৰ পৰিৱৰ্তে বিশেষকৈ যিকোনো পাৰ্থিৱ বস্তু শিলৰ প্ৰতীক (ৰঞ্জুমুক) বহুৱাই মদ আৰু বলিৰ কেঁচা তেজ উছৰ্গা কৰা, তুলসী বা গোবৰ পানীৰ পৰিৱৰ্তে টংলতী (খি'মফাৰ), চাউলৰ পিঠাগুড়ি (বামতি) ছটিয়াই থান শুচি কৰা, উৎসৱ উপলক্ষে গেনা লগোৱা (হাৰি চক্কায়), মৃতকৰ মৰাশ দাহন কৰা[১০] আৰু অস্থিসহ এঙাৰবোৰ (কায়-হাংগাৰ) এঠাইত দ'ম কৰি এটা সৰু জুপুৰি ঘৰ (মাংখ্ৰাম) সাজি তাতে চিত্ৰ-বিচিত্ৰ চান্দোৱা (চান্দল) তৰা, শ্মশানত কেবাদিনলৈ পিণ্ডদান কৰা (মেমাং বাৰায়কায়), মোমায়েকৰ জীয়েকক বিয়াত প্ৰাধান্য দিয়া আৰু কইনা পণ লোৱা, পাহাৰ-পৰ্বতক সাক্ষী কৰি ইষ্ট দেৱতাৰ নামত কুকুৰা এহাল (মতা-মাইকী) বলি দি সমাপন কৰা গান্ধৰ্ব আৰু আসুৰিক বিবাহ (তো খানকায়), বিবাহ মণ্ডপত কইনাই দৰাৰ সোঁফালে অৱস্থান লোৱা আৰু প্ৰদক্ষিণ কৰোতে কইনাই দৰাৰ আগে আগে যোৱা,

এখিলা পাণ ফালি বিবাহ বিচ্ছেদ বা সম্পৰ্ক ছেদ কৰা (পাণ ছিৰা-ছিৰি), বিধৱা বিবাহৰ (ক্ৰাংণ্ডি বুৰি) প্ৰচলন, বৰলা বা বিধৱাৰ পুনৰবিবাহৰ পূৰ্বে বাধ্যতামূলকভাৱে কৰিব লগা মৃত পতি বা পত্নীৰ সৈতে গোত্ৰীয় বন্ধনৰ ছেদন (খি'ম দিবিকায়), মঙলা বা মঙলতীৰে মঙল চোৱাই (তি'মা চিকায়) অপায়-অমংগল বা মাৰি-মৰক বিদূৰ কৰা, মুণ্ডিত মস্তকত পুৰুষে টিকনি ৰখা (খৰতেক বাছামকায়) ইত্যাদি সেই সময়ত প্ৰচলিত বেদ বহিৰ্ভূত আচাৰ (অবেদাচাৰ) অৰ্থাৎ ৰীতি-নীতিহে জনজাতি কিছুমানৰ মাজত, বিশেষকৈ ৰাভা সমাজত এতিয়াও বিদ্যমান।

বহুতে আকৌ এইটোও ক'ব বিচাৰে যে ৰঘুপতি শ্ৰীৰামচন্দ্ৰৰ পিতৃ দশৰথো ৰাভ মুনিৰ অনুগামী বা পৃষ্ঠপোষক আছিল আৰু এই ৰাভ অনুগামী ৰঘুবংশ অৰ্থাৎ 'ৰাঘৱ'ৰ পৰাই ৰাভ/ৰাভা নামটো আহিছে। এওঁলোকৰ যুক্তি হ'ল ৰাভাৰ মাজত প্ৰচলিত ৰামায়ণ সম্বন্ধীয় যিবোৰ আখ্যান, সমাজ-বিধি, উপাখ্যান আছে তাত ৰজা দশৰথৰ সমকালীন সমাজ-ব্যৱস্থা ৰাভা মতেই চিত্ৰিত কৰা হৈছে। মায়াৱী আৰু যাদুমন্ত্ৰৰে আক্ৰান্ত ৰিছি (হৰ বা মহাদেৱ) ভক্ত জনকৰ বাসগৃহত লালিত-পালিত হোৱা অজ্ঞাতকুলশীলা কন্যা সীতাৰ ৰাজকীয় মৰ্যাদাৰে পতা স্বয়ম্বৰত শ্ৰীৰামচন্দ্ৰ প্ৰমুখ্যে ভাতৃবৃন্দৰ আগমন আৰু হৰধনু ভংগ কৰি সীতাৰ লগতে অন্যান্য ভগ্নীবৃন্দৰ সৈতে যৌথ বিবাহ; মন্থৰাৰ ছলনাত ৰামৰ বাৰ বছৰলৈ বনবাস (চৈধ্য বছৰৰ পৰিবৰ্তে) আৰু পুত্ৰশোকত দশৰথৰ দেহত্যাগ, দশৰথৰ মৃতদেহ মাতুল গৃহত থকা ভৰতৰ অনুপস্থিতিত সাদিনলৈ অস্থায়ী কবৰস্থ আৰু পাছত ভকতৰ দ্বাৰা যথাবিহিত প্ৰথাৰে অগ্নি সৎকাৰ[১১], সৰযু নদীৰ তীৰত দশৰথৰ প্ৰেতাত্মাক তুষ্টিৰ বাবে সীতাৰ দ্বাৰা বালিৰে পিণ্ডদান আৰু ৰামৰ তিৰস্কাৰ, সাক্ষী হিচাপে নীৰৱতা অৱলম্বন কৰা কলগছ, তুলসী আৰু সৰযু নদীক সীতাৰ দ্বাৰা অভিশাপ প্ৰদান, মহীৰাৱণৰ দ্বাৰা ৰাম-লক্ষ্মণক অপহৰণ আৰু কালীমাৱৰ আগত বলিদানৰ প্ৰস্তুতি, সীতাৰ সতীত্ব সম্পৰ্কে দিনৰ বাবে সূৰ্য আৰু ৰাতিৰ বাবে চন্দ্ৰই সাক্ষ্যদান দিয়া, কিন্তু অমাৱস্যা তিথিত চন্দ্ৰৰ অবৰ্তমানত উপযুক্ত সাক্ষীৰ অভাৱত অগ্নিৰে সীতাৰ পৰীক্ষা লোৱা; অৱশেষত সীতাৰ পাতাল প্ৰৱেশ আৰু পাতালত নিঃসন্তান গন্ধৰ্বৰাজৰ আশ্ৰয় প্ৰদান, সীতাই মায়া বিদ্যাৰে পুত্ৰ আৰু প্ৰিয়জনক হৰণ আৰু গন্ধৰ্বৰাজৰ দ্বাৰা ৰামক হৰণ আৰু পাতালপুৰত পুনৰ মিলন ইত্যাদি ঘটনা (কাণ্ড) ৰাভাসকলে সভক্তিৰে ৰোমন্থন কৰে।[১২] ৰাভাৰ মাজত প্ৰচলিত লোকনাট্যধৰ্মী অন্যতম অনুষ্ঠান 'ভাৰীগান' এনেধৰণৰ বহু পাৰ্শ্বকাহিনীৰে পৰিপূৰ্ণ।

ৰাভাৰ মাজত সমাদৃত অন্য এটা কাহিনী গীত 'ৰন্দনা-চন্দনা'ও ৰামায়ণৰে লৌকিক সংস্কৰণ স্বৰূপ। কৃত্তিবাসী ৰামায়ণৰ উত্তৰাকাণ্ড বা অনামী কবিৰ অদ্ভুত ৰামায়ণৰ সৈতে জেৰ টানিব পৰা এই কাহিনীটো থূল-মূলভাৱে এনে—পিতৃ-মাতৃ পৰিচয়হীন বনচাৰী ভাতৃদ্বয় ৰন্দনা-চন্দনাৰ হাবিৰ ফলমূল আৰু চিকাৰেই জীয়াই থকাৰ একমাত্ৰ সম্বল, দুষ্টক দমন আৰু সন্তক পালনৰ উদ্দেশ্যে ছিৰ্গিৰিছিৰ (মহাদেৱৰ) গুণানুকীৰ্তন কৰি দেশ-দেশান্তৰ পৰিভ্ৰমণ (কাৰাকৰমৰ পৰা নীলগিৰিলৈ), নিৰিমনি নিছিমনি নামৰ বনচাৰিণী ভগ্নীদ্বয়ৰ সৈতে সাক্ষাৎ, অন্তে বিবাহ, কিন্তু যমৰাজ্যৰ দ্বাৰা ঘোষিত 'যমদুতিনি ধাওৱা' অৰ্থাৎ যমদূতৰ যুদ্ধৰ বাবে বাৰ বছৰলৈ বিবাহ স্থগিত আৰু দেশান্তৰিত, পক্ষীদূতৰ হতুৱাই বাৰ বছৰৰ অন্তত প্ৰত্যাগমনৰ বাৰ্তাপ্ৰেৰণ কিন্তু জটাধাৰী ভাতৃদ্বয়ক চিনিব নোৱাৰি সতীত্ব ৰক্ষাৰ্থে প্ৰেয়সীদ্বয়ৰ আত্মহত্যা, মৃতদেহ অন্বেষি নদীৰ ঘাটত ৰজাৰ শগুণৰ সৈতে সাক্ষাৎ আৰু ধাৰণ কৰা শ্ৰীআঙুঠি দুপাত সোলোকাই দি শগুণৰ দ্বাৰা মৃতদেহ ভক্ষণ, বাগ্‌দত্তাক অনুসৰণ কৰি শগুণৰ কান্ধত উঠি স্বৰ্গলৈ উৰণ

আৰু নশ্বৰ দেহত্যাগৰ দ্বাৰাহে সেয়া সম্ভৱ বুলি জানি পুনৰ মৰ্তলৈ প্ৰত্যাৱৰ্তন, সৰ্পৰাজ নিধন আৰু পাৰিতোষিকস্বৰূপে লাভ কৰা নীলাশ্বৰী-সোনাশ্বৰীৰে পুনৰবিবাহ আৰু জন্তুৰ-পান্তুৰ (লেম অৰ্থাৎ আৰ্যমূলীয় গোত্ৰৰ) নাম গ্ৰহণ।[১৩] তদ্ৰূপ ৰাভা কাহিনী-গীতত বৰ্ণিত শিৱভক্ত বাণ ৰজাৰ সেনাপতি দদান[১৪]ৰ লগত পৱনপুত্ৰ মাৰুক্ষেত্ৰীৰ (মাৰৎ + ক্ষত্ৰীয়) মিত্ৰতা আৰু কাশী (মহাভাৰতৰ কাশীৰাজ নতুবা কেশী দৈত্য?) দমনৰ আখ্যানটো প্ৰায় বৈদিক যুগত ৰচিত জনশ্ৰুতিৰ ৰাভ মুনিৰ দ্বাৰা সংকলিত (বাল্মীকিকৃত ৰামায়ণৰ লেখীয়া) মহাকাব্যৰ কিয়দংশও হ'ব পাৰে। মন কৰিবলগীয়া যে এই কাহিনী-গীতৰ ভাষা তৎসম সংস্কৃত বা পালি-প্ৰাকৃত-অপভ্ৰংশ স্তৰৰ শব্দৰে ভাৰাক্ৰান্ত আৰু কিছুমান খণ্ড সম্পূৰ্ণ নব্য ভাৰতীয় আৰ্য ভাষাত (অসমীয়া, বাংলা মিহলি ৰাভামিজ নৃগোষ্ঠীয় উপভাষা; যাক ৰাভাসকলে নেমা কাথা > লেমাকাথা অৰ্থাৎ উত্তম দেৱভাষা বোলে) গ্ৰন্থিত।

ৰাভাসকলৰ কৌলিক ধৰ্ম হ'ল পুৰুষ-প্ৰকৃতিৰ পূজা অৰ্থাৎ তেওঁলোক ভৈৰৱ-ভৈৰৱীৰ উপাসক। ৰাভাসকলে ভৈৰৱক মামা ছিবু দাৰমাং, ছিংগ্ৰা বুৰা হাছংব্ৰা, ছিৰ্গিৰিছি, বুদাবা, লাঙা হিচাপে আৰু ভৈৰৱীক চাম্পাইমাৰী, ৰোন্তাক, কেচাইখাইতী, আই ভগৱতী, দেশফিৰা ঠাকুৰাণী হিচাপে আৰোপ কৰি ভিন ভিন কাৰক আৰু ৰোগ উপসৰ্গৰ অধিষ্ঠাত্ৰা-অধিষ্ঠাত্ৰী দেৱ-দেৱী হিচাপে বৰ্তমানেও পূজা দি আহিছে। আকৌ ৰাভাসকলক শিৱভক্ত বাণ ৰজাৰ অনুগামী বোলা হয় আৰু শিৱৰ বৰত লাভ কৰা বাণ ৰজাৰ একমাত্ৰ কন্যা ঊষাই পাৰ্বতীৰ (ভৈৰৱী) কৃপাত উপযুক্ত দৰা লাভ কৰিছিল বুলিও জনপ্ৰবাদ আছে। বৰ্তমানৰ তেজপুৰত থকা মহাভৈৰৱ মন্দিৰে এই কথাৰ সাক্ষ্য দিয়ে। প্ৰাচীন শোণিতপুৰত ভৈৰৱকুণ্ড, ভৰলী আদি শিৱ-পাৰ্বতীৰ মাহাত্ম্যব্যঞ্জক ঠাই-নদীও যথেষ্ট। এই সকলো দিশ বিবেচনা কৰি প্ৰাচীন দৰং (দাৰ্মাং) অঞ্চলৰ বাসিন্দা ৰাভাসকল ভৈৰৱ বা ভৈৰৱীৰ সেৱক হিচাপে সংস্কৃত ভাষাৰে ভৈৰৱ্য/ভৈৰৱ্যা > * ৰব্য/ৰব্যা > ৰাভা নামেৰে জনাজাত হৈছিল যেন লাগে। আকৌ হিন্দু ধৰ্মীয় পৌৰাণিক চৰিত্ৰ কেতবোৰৰ (ৰম্ভা বা ৰম্ভাসুৰ) পৰাও ৰাভা নামটোৰ আঁতি-গুৰি ওলাব পাৰে।

এঠাইৰ নাম অনুযায়ী পৰিচয় দি জাতি বা জনগোষ্ঠী একোটা সৃষ্টি হোৱাৰ উদাহৰণ জগতত অলেখ আছে।[১৬] ৰাভা নামটোৰ সৃষ্টি সন্দৰ্ভতো কিছুমান ঠাই বা অঞ্চলক জড়িত কৰা হৈছে। হিমালয়ৰ পাদদেশৰ পৰা নেপাল আৰু ভাৰত সীমান্তৰ মাজেদি বৈ আহি গংগাত পৰা কুশী, মেশী আৰু ৰেবা[১৭] নামৰ তিনিখন উপনৈ আছে। কুশীৰ পাৰত বাস কৰাসকলে কোচ, মেশীৰ পাৰত বাস কৰাসকলে মেছ হোৱাৰ দৰে ৰেবাৰ পাৰত বাস কৰাসকলে কালক্ৰমে ৰাভা নামেৰে জনাজাত হয় বুলি এটা জনপ্ৰবাদ আছে।[১৮] বৰ্তমান গাৰো, মিকিৰ, লুচাই, মণিপুৰী আদি বহিঃনামেৰে (Exonym) জনাজাত জনগোষ্ঠীসমূহৰ আন্তঃনাম (Indonym) হ'ল যথাক্ৰমে আচিক মান্দে (পাহাৰৰ মানুহ), আৰ্লেংপ'/পী (পাহাৰী মুনিহ/তিৰোতা), মিজো (ওখ ঠাইৰ লোক), মেইথেই (ভৈয়ামৰ লোক) ইত্যাদি। ৰাভাসকলেও বিশেষকৈ কোচা ফৈদৰ লোকে নিজকে মাৰাব < ম্ৰা (মানুহ) + ৰাব (ওখোৰা-মোখোৰা) + আ < হা (মাটি) অৰ্থাৎ ওখোৰা-মোখোৰা ঠাইৰ লোক বুলি চিনাকি দিয়ে আৰু তেওঁলোকৰ গৃহভূমি হিচাপে এটুকুৰা ঠাইলৈ আঙুলি টোঁৱায়। তিব্বতৰ এই অঞ্চলটোৱে যে ৰাভা[১৯]-ৰ আদি বাসস্থান আছিল তাৰ প্ৰমাণ হ'ল ৰাভা ভাষাত দক্ষিণ দিশবাচক শব্দ তুৰা (গাৰো পাহাৰৰ) ঠাইখনৰ দৰে উত্তৰ দিশবাচক শব্দ হ'ল ভোটা হিচু অৰ্থাৎ ভোটান পাহাৰ ঠাইখন।[২০]

ৰাভা নামটোৰ ব্যুৎপত্তি ব্যাখ্যা স্বজাতীয় সংস্কৃতিবিদ আৰু সমাজতাত্ত্বিকসকলে ৰাভাৰ নিজ

ভাষাৰেও দেখুৱাব বিচাৰে। ৰাভা ভাষাত 'ৰাবা' শব্দটোৰ অৰ্থ হ'ল অনা, আৰু যাক অনা হৈছে এনে অৰ্থতে ৰাবা মাছাবাতাং > ৰাবাতাং (কালক্ৰমে মহাপ্ৰাণীভৱন ঘটি 'ৰাভাতাং' অৰ্থাৎ ৰাভাসকল) হৈছে। কিন্তু কিয় আৰু কাৰ দ্বাৰা আহুত হৈছিল, সেই সম্বন্ধে তেওঁলোকৰ মাজত মতানৈক্য আছে।[২১] আনহাতে 'ৰাবা' ধাতুৰ পৰা ব্যুৎপাদিত 'ৰাবাবাতাং' অৰ্থাৎ আনোতাৰ উপস্থাপনত ৰাভাৰ সৃষ্টিতত্ত্ব আৰু ধৰ্মীয় পৰম্পৰাক আধাৰ হিচাপে লোৱা হৈছে। এটা কাহিনী মতে, তাকমানপ্ৰি (সৃষ্টিকৰ্তা) ৰিছিয়ে জলময় তলিৰ পৰা কেঁকোৰাৰে বোকামাটি অনাই, কেঁচুৰে পৃথিবীৰ আকৃতি দিয়াই, কাছৰ পিঠিৰ ওপৰত প্ৰতিষ্ঠাপন কৰি জগত আৰু মানৱ সৃষ্টি কৰিছিল। মানৱ-মানৱীৰ শান্তি আৰু মংগলৰ বাবে ৰিছিয়ে বান্ধি দিয়া ধৰ্মীয় বিধি জগতত প্ৰচাৰৰ উদ্দেশ্যে আনোতাসকলৰ ভিতৰত ৰাভাসকল অন্যতম—এই অৰ্থতে 'ৰাবাবাতাং' শব্দটোৰ প্ৰয়োগ হৈছিল। ৰিছিৰ দ্বাৰা প্ৰেৰিত দেৱদূতে মানৱী কন্যাৰ ৰূপত মুগ্ধ হৈ সংসাৰী ধৰ্মৰ পাতনি তৰা ধৰ্ম-বিশ্বাসৰ ভিত্তিত এই মতৰ উদ্ভাৱন।[২২]

আন এটা উৎসৰ পৰাও 'ৰাভা' নামটোৰ কিছু ভিন্ন ব্যাখ্যা পোৱা যায়। ৰাভাৰ আদি পুৰুষ দদান ৰজাই[২৩] নিজৰ কৌলিক ধৰ্ম নিজ জন্মভূমিতে উপেক্ষিত আৰু অনাদৃত হোৱাৰ সংশয় কৰি নিজ ভগ্নী আৰু চাৰিওগৰাকী ভাগিনীয়েক সমন্বিতে দেশ-দেশান্তৰ পৰিভ্ৰমি স্বজাতীয় ধৰ্মৰ অনুকূল সমাজ আৰু উপযোগী ঠাইৰ সন্ধানত ঘূৰি ফুৰে আৰু অৱশেষত দাৰমাং অঞ্চলত স্থায়ীভাৱে থিতাপি লৈ ইয়াৰ আদিম বাসিন্দাৰ মাজত সেই উত্তৰাধিকাৰী সূত্ৰে পুৰুষাণুক্ৰমে চৰ্চিত হৈ অহা ধৰ্ম আৰু সমাজ-ব্যৱস্থাৰ প্ৰসাৰণ ঘটায়। ৰাভাসকলৰ বিশ্বাস, সেই পুৰুষাণুক্ৰমে চৰ্চিত হৈ অহা ধৰ্মই হ'ল বায়খো বা খোকচি, য'ত পুৰুষ দেৱতা শিৱ (ৰিছি) আৰু প্ৰকৃতি দেৱী পাৰ্বতী (ভগৱতী)-য়ে মুখ্য স্থান পায়। তাৰ লগতে ভিন ভিন স্থানীয় দেৱ-দেৱী আৰু প্ৰৱৰ্তিকাসকলেও (দদানৰ ভাগিনীয়েক-ভনীয়েক আটাইকেইগৰাকীয়ে) কালক্ৰমে বায়খো পূজাত আনুষংগিক দেৱী হিচাপে স্থান পায়।[২৪] এইদৰে পূৰ্বপুৰুষৰ ৰীতি-নীতি, আচাৰ-বিধি পালন কৰি অহা জাতি হিচাপেই ৰাভা ভাষাত 'ৰাবাতাং' (লওঁতা) > ৰাভাতাং নামটো হ'বলৈ পালে বুলি কোৱা হয়।

আন কিছুমানে ৰাভাৰ মাজত প্ৰচলিত ভিন ভিন সংস্কৃতিৰ, বিশেষকৈ আৰ্যহিন্দু আৰু মাতৃকেন্দ্ৰিক গাৰো প্ৰভৃতি অষ্ট্ৰিক সংস্কৃতিৰ ৰেহ থকা উপাদানৰ প্ৰাচুৰ্য দেখি ভিন ভিন সংস্কৃতিৰ সমাহৰণত গঢ়ি উঠা এক বৰ্ণাঢ্য সংস্কৃতিধাৰী জাতি হিচাপেই 'ৰাবাতাং' (লওঁতা) > ৰাভাতাং নামটোৰ সাৰ্থক প্ৰয়োগ হৈছে বুলি ক'ব বিচাৰে।[২৫]

এইলানি আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰে যে 'ৰাভা' (the Rabhas) নামটো উভয়পিনৰ পৰা সিদ্ধ হৈছে। অৰ্থাৎ এফালে সমমূলীয় গাৰো ভাষাৰে গাৰোসকলে নতুবা বিষমমূলীয় আৰ্য ভাষাৰে হিন্দুসকলে দিয়া ই এটা বহিঃনামকৰণ (Exonymy)[২৬]। আনফালে নিজ ভাষাৰে ৰংদানি, মায়তৰী ফৈদৰ লোকে নিজৰ পৰিচয় দিয়া ই এটা আন্তঃনামকৰণ (Indonymy)। ৰাভা আৰু গাৰো দুটা সমগোষ্ঠীয় জাতি আৰু বিশেষকৈ ৰাভাৰ ৰংদানিৰ লগত গাৰোৰ ৰুগা আৰু আতঙৰ ভাষাতাত্ত্বিক মিল অতি বেছি। জনশ্ৰুতিৰ ফালৰ পৰা গাৰোৰ আতং আৰু ৰাভাৰ ৰংদানি একে মাতৃমূলজ জাতি।[২৭] ছিমছাং নদীৰ উপত্যকাত বাস কৰা আতং ফৈদৰ শক্তিশালী ৰজা ছুছেঙে ৰাভাসকলক হাল বাবলৈ লৈ গৈ স্থায়ীভাৱে বসবাসৰ সুবিধা দিছিল, কিন্তু ৰজা ছুছেঙক হত্যা কৰি তেওঁৰ এগৰাকী ব্ৰাহ্মণ মন্ত্ৰীয়ে ৰাভাসকলক এই উপত্যকাৰ পৰা খেদি পঠিয়াইছিল।[২৮] কিন্তু গাৰোসকলৰ প্ৰব্ৰজনৰ বহু

পূর্বেই ৰাভা আৰু মেচসকলে গাৰোপাহাৰ অধিকৃত কৰিছিল আৰু পাছত গাৰোসকলে তেওঁলোকক ভৈয়ামলৈ খেদি পঠিয়াই সেই স্থান অধিকাৰ কৰিছিল।[২৯] এনেধৰণৰ দুই বিপৰীতমুখী তথ্য পোৱা বাবে ৰাভাসকলক গাৰোৱে আনিছিল নে গাৰোসকলকহে ৰাভাই আনিছিল—এই সম্পৰ্কে স্থিৰ সিদ্ধান্তলৈ অহা টান। তদুপৰি এইবোৰ মৌখিক জনশ্ৰুতিৰ ভিত্তিত আৰোপিত তথ্যহে; সেয়ে গাৰো ভাষাৰে ৰাভাৰ নামকৰণ হোৱা কথাটো মানি ল'ব পৰা নাযায়।

ৰাভাসকল যে হিন্দু ধৰ্মীয় লোক আৰু আৰ্য ভাৰতীয় ভাষাই যে বেছি পৰিমাণে ৰাভা ভাষাত প্ৰভাৱ পেলাইছে, এই সম্পৰ্কে ভিন ভিন পণ্ডিতে সৰ্বসন্মতভাৱে স্বীকাৰ কৰি লৈছে।[৩০] ৰংদানি, মায়তৰী আৰু কোচাৰ মাজত প্ৰচলিত লোকগীত, মন্ত্ৰ, পূজাৰ স্তোত্ৰ আৰু পাতি, দাহৰি, হানা, টোটলা, বিটলীয়া আদি ফৈদৰ লোকৰ দৈনন্দিন কথা-বতৰাত ব্যৱহৃত ৰাভামিজ ভাষাত (লেমাকাথা) আৰ্য উপাদান সুস্পষ্ট। সেইদৰে হৈমাৰু গীতত বৰ্ণিত মাৰুক্ষেত্ৰীৰ জন্ম-পৰিচয়[৩১] আৰু ৰাভাৰ মাজত প্ৰৱৰ্তিত কালী (ৰূপকালী, ভদ্ৰকালী, শ্মশানকালী), খেলাৰাম, কুবেৰ, খেতৰ, মাৰাই, ব্ৰহ্মাণী, ধৰম আদি লেমাবায়ৰ (হিন্দু দেৱ-দেৱী) ধাৰণাই আৰ্য হিন্দুৰ সৈতে হোৱা ৰাভাৰ সমাজ-সাংস্কৃতিক বান্ধোনৰ কথাকে সূচায়। এইবিলাক নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিক দিশ বিবেচনা কৰিলে 'ৰাভা' নামটো হিন্দু ধৰ্মৰ প্ৰভাৱত বহিঃনামকৰণ (Exonymy) হোৱাটোৱেই বেছি যুক্তিসংগত। আনপিনে অতি পূৰ্বকালৰে পৰা ৰাভাসকলেও নিজকে 'লেমা-ৰিছি' (আৰ্য ভাষা-ভাষী শৈৱ ধৰ্মীয় লোক)-ৰ স্বজাতীয় হিচাপে 'ৰাভা-ৰিছি' (ৰাভা ভাষা-ভাষী শৈৱ ধৰ্মীয় লোক) বা ৰাভাতাং (ৰাভাসকল) বুলি চিনাকি দি আহিছে।[৩২] এইফালৰ পৰা ৰাভা নামটো আন্তঃনামকৰণ (Indonymy) হোৱা।

বৃহত্তৰ স্বাৰ্থত ৰাভাসকলে নিজকে আনৰ আগত জনগোষ্ঠী সাপেক্ষে 'ৰাভা' বুলি চিনাকি দিলেও ক্ষুদ্ৰ অৰ্থত নিজৰ নিজৰ মাজত ফৈদ সাপেক্ষে চিনাকি দিহে ভাল পায়। সেই হিচাপে ৰংদানিয়ে 'ৰংদাবাৰায়', মায়তৰীয়ে 'মাতাবাৰায়/মায়তাবাৰায়' বুলি চিনাকি দিয়ে আৰু পাতি ৰাভাই 'হাবায়তাং' (হালোৱা অৰ্থত), দাহৰি ৰাভাই ডাঙুৰতাং (অইন ফৈদতকৈ নিজকে শ্ৰেষ্ঠ বুলি ভেম কৰা বাবে খুব সম্ভৱ) বুলি উল্লেখ কৰে। দৰং জিলাত বাস কৰা ৰাভাসকলে মনসা (টোটলা) পূজক হিচাপে বা ইষ্ট দেৱতাক বলিৰ 'টোটোলা' (কুকুৰা আদি পক্ষীৰ খাদ্য মজুত ৰখা ডিঙিৰ অংগবিশেষ) আগ কৰা বাবে টোটলা ৰাভা নামেৰে পৰিচিত হৈ আহিছে। পৰ্বতজোৱাৰ অঞ্চলৰ তিনিটিকীয়া কোচসকলে আৰু উত্তৰবংগ আৰু কোকৰাঝাৰৰ চাপ্ৰা কোচসকলে নিজকে নিজৰ মাজত 'নাং কোচা' (আমি কোচা) বুলি চিনাকি দিলেও ৰাজনৈতিকভাৱে 'ৰাভা' সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হোৱা বাবে ৰাভা উপাধিৰে চিনাকি দি গৌৰৱবোধ কৰে।[৩৩] দুই-এজন ৰাভা লোকে মহাপুৰুষীয়া ধৰ্মত শৰণ লৈ ডেকা, ৰায়, দাস, চহৰীয়া, ঠাকুৰীয়া, মেধি আদি উপাধিৰে আৰু দুই-এজনে জমিদাৰকালীন প্ৰদত্ত তাহানিতে বৃত্তিগত চৌধুৰী, পাটগিৰি, সৰকাৰ আদি উপাধিৰে চিনাকি দিয়াৰ বাহিৰে অতীজৰে পৰা সকলো ফৈদৰ ৰাভাই 'ৰাভা' (তাহানিতে মহিলা হ'লে ৰাভানী লিখিছিল) উপাধিৰে জনাজাত হৈ আহিছে। ৰাভাৰ মাজত বড়ো, মেছ বা কছাৰী উপাধি লোৱা লোক অতি বিৰল। অৱশ্যে আজিকালি নিজৰ নিজৰ মাতৃতান্ত্ৰিক গোত্ৰ একোটাকে উপাধি হিচাপে লিখি (ৰাভা উপাধিৰ লগত নতুবা অকলে) অন্যান্য জনজাতিৰ দৰে পৰিচয় দিয়াৰ প্ৰৱণতা বাঢ়িছে। এয়া নিজকে আৰু নিজৰ পূৰ্বপুৰুষৰ চিনাকি বিচাৰি চোৱা, নৱজাগৰণৰ (Renaissance) লক্ষণ মাত্ৰ; যিটো জাতীয় চৈতন্যৰো পৰিচায়ক। গোত্ৰ, দোৱান (dialect), ফৈদ

আদি বেলেগ বেলেগ হ'লেও এইসমূহ লোকে RNC অৰ্থাৎ ৰাভা জাতীয় পৰিষদৰ (পোনতে অসম ৰাভা সন্মিলন, জন্ম -১৯২৬ খ্ৰীঃ) নেতৃত্বত বৃহত্তৰ ৰাভা জনগোষ্ঠী (Rabha Community) হিচাপে ধৰ্মীয়, ভাষিক আৰু ৰাজনৈতিকভাৱে (ভৈয়ামৰ জনজাতি অৰ্থাৎ S.T.P. হিচাপে) স্বীকৃতি লাভ কৰিছে। সেয়েহে বৰ্তমান 'ৰাভা' নামটোৰ বাহিৰে এওঁলোকৰ আন এটা পৰিচয় বিচাৰিবলৈ যোৱাটো অৰ্থহীনেই নহয় বৰঞ্চ ই মৰ্যাদা হানিকৰো।[৩৮]

প্ৰসংগ আৰু টোকা ঃ

১। ডঃ সুনীতি কুমাৰ চেটাৰ্জী সমৰ্থিত *Linguistic Survey of India* (1903) অনুযায়ী (দ্ৰষ্টব্যঃ কিৰাত জন-কৃতি, ১৯৭৪, ছেদ ২২, পৃঃ ২৫)।

২। দ্ৰষ্টব্যঃ ড° ময়দুল ইছলাম বৰা অনূদিত *Baharistan-I-Ghaybi* (1931), Vol-I, পাতনি, পৃঃ XXIV আৰু Vol-II, পৃঃ ৫৩২।

৩। দ্ৰষ্টব্য ঃ ড° সূৰ্যকুমাৰ ভূঞা সম্পাদিত হাতে লিখা সাঁচিপতীয়া পুথিৰ পৰা সংগৃহীত (*দেওধাই অসম বুৰঞ্জী*, ১৯৩২, ছেদ ১০২)।

৪। এইসমূহৰ ভিতৰত অগ্ৰগণ্য হ'ল — বুকানন হেমিলটনৰ *An Account of the District Rongpur* (1810); মাৰ্টিনৰ *History, Antiquities, Topography and Statistics of Eastern India*, Vol-III (1838), হাগছনৰ On the Origin Location, Number, Creed, Custom, Characters and Conditions of the Kooch, Bodo, and Dhimal people with a general description of the climate they dwell (*J A S B*, Vol-XVII, No II, 1849), ডাব্লিউ ৰবিন্সনৰ Notes of the Language spoken by the various tribes inhabiting the valley of Assam and its mountain confines (1949); ডেল্টনৰ *Descriptive Ethnology of Bengal* (1872) ইত্যাদি।

৫। এই সন্দৰ্ভত Ptolemy যে বৰ্ণনা দিয়া Nabanoe অভিধানটোৱে ৰাভাকে সূচায় বুলি Taylor (*JASB*, 1847, I, pp. 52f) -এ দিয়া মন্তব্য মন কৰিবলগীয়া। (দ্ৰষ্টব্যঃ ড° পি চি চৌধুৰী ঃ *The History of Civilization of the People of Assam*, 1966, p 84)

৬। গোৱালপাৰা-গাৰোহিল্‌ছ সন্মিলিত ৰাভা কৃষ্টি সন্মিলনৰ প্ৰথমজনা সম্পাদক বীৰেশ্বৰ কুমাৰ সন্তোকে জাতীয় চৈতন্য জাগ্ৰত কৰিবৰ অভিপ্ৰায়েৰে ইয়াৰ এনেকৈ ব্যাখ্যা কৰি কৈছিল— 'যি উজ্জ্বল বস্তুটোৱে আজিলৈকে কোনো ব্যৱহাৰ নকৰি অকামিলা হৈ ৰৈ পৰি আছে তাকে ৰাভা বোলে।' (দ্ৰষ্টব্য ঃ লক্ষ্মী ফেনান ৰচিত *বন্দনা-চন্দনা* কাব্যৰ পাতনি, ১৯৬৩, পৃঃ ক)।

৭। It should be mentioned that Rabha appears to be a Hindu name for the tribe and that many men calling themselves, (or called by their Hindu neighbours) Rabha, speak pure Kachari. (গ্ৰীয়েৰছনে উদ্ধৃত কৰা এণ্ডাৰছনৰ অভিমত, *L. S. I*, Vol-III, pt. II, p. 105)

এই সন্দৰ্ভত দুটা মত পোৱা যায়। এটাৰ মতে, কছাৰী তিৰোতাক বিয়া কৰাই জাতি হেৰুওৱা হিন্দু পিতৃৰ সন্তানসকলেই ৰাভা। 'Their origin but imperfectly known, but they are said to be descended from a Hindu father who lost caste by marrying a Kachari woman' (Endle, *The Kacharis*, 1911, p. 83)

আনটোৰ মতে—'মেছ আৰু ৰাভাসকলক ৰাজবংশীৰ শ্ৰেণী হিচাপে অধিকাৰ দিয়া হৈছিল ধৰ্মান্তৰ কৰণত। কিন্তু তেওঁলোকে প্ৰথমে মদাহী আৰু শৰণীয়া এই দুই প্ৰাথমিক স্তৰৰ মাজেদিহে অগ্ৰসৰ হ'ব লাগিছিল, যিজনে ৰাজবংশী পদত অভিষিক্ত হৈছে, তেৱেঁই সাধাৰণতঃ ভংগ ক্ষত্ৰিয় বুলি দাবী কৰে। (ৰাজেন ৰাভাৰ *ৰাভা জনজাতি*, ১৯৭২, পৃঃ ৪ আৰু Allen-ৰ *Assam District Gazettier*, 1903,

Vol.III, p. 49)

৮। 'The name of this tribe (Rabha) is of uncertain derivation and this district (Darrang) the people themselves are sometimes called Totlas, which may be a nick name.' (Endle, S: *The Kacharis* 1973, p. 83.)

৯। শ্রীপ্ৰেমানন্দ আৰু শ্ৰীনিত্যানন্দৰ বিৰচিত পুথি '**চন্দ্ৰবংশীয় ক্ষত্ৰিয়বৰ্ণ কছাৰী জাতিৰ বংশাৱলী**'ৰ মতে ৰাভাৰ পৰিচয় হ'ল এনে—চন্দ্ৰবংশীয় ক্ষত্ৰিয়বৰ্ণ নৰনাৰায়ণৰ নাভিপদ্মত পদ্মযোনি ব্ৰহ্মাৰ মানস পুত্ৰ মৰীচি—কাশ্যপ — সূৰ্য — বৈৰস্বত — পুৰুৰবা — আয়ু — ৰাভ। মূল বাংলাৰ পৰা অনূদিত পাদটীকাত ৰাভা সমাজৰ কাণ্ডাৰীস্বৰূপ হৰিমোহন সৰকাৰে এঠাইত লিখিছিল— 'ৰাভা জাতিক বাণ ৰজাৰ বংশধৰ বুলি দাবী কৰা হৈছে। আমি কৰ্ম পুৰাণৰ ঊনবিংশ অধ্যায়ৰ ১ম, ২য় আৰু ৩য় শ্লোক পাঠ কৰি অৱগত হৈছোঁ যে কাশ্যপ মুনিয়ে প্ৰজাবিস্তাৰৰ হেতুকে বহুত পুত্ৰ উৎপাদন কৰে। আকৌ পুত্ৰ লাভৰ ইচ্ছাত ঘোৰ তপস্যা কৰাত তেওঁৰ বৎসৰ আৰু আসিত নামৰ দুজন ব্ৰহ্মবাদী পুত্ৰ প্ৰদুৰ্ভূত হয়। বৎসৰ দ্বাৰা সমহাৰশ্যঃ, ৰৈভ্য আৰু নৈধ্ৰুৱ জন্মগ্ৰহণ কৰে। ৰৈভ্যৰ দ্যুতিমৎ শ্ৰেষ্ঠ শুদ্ৰ নামৰ পুত্ৰসকল জন্মিছিল।' (মন্তব্য ৮, পৃঃ ১৩) 'এই ৰৈভ্যৰ পৰা কালক্ৰমত ৰাভা নামৰ উৎপত্তি হোৱা অনুমান কৰা অসংযত নহয়। এওঁলোক যে পৌৰাণিক যুগৰ জাতি সেই সম্বন্ধে কোনো সন্দেহ নাই'। (দ্ৰষ্টব্য ঃ 'পুৰাণ শাস্ত্ৰ সন্মত ৰাভা জাতিৰ উৎপত্তি', *দুধনৈ*, পূৰ্বাঞ্চল ৰাভা সমাজৰ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৮৬, পৃঃ ১-২)

১০। ৰাভাসকলে অতি পূৰ্বকালৰে পৰা বাধ্যতামূলকভাৱে মৰাশ দাহন কৰি আহিছিল—একমাত্ৰ ব্যতিক্ৰম হিচাপে কেঁচুৱা, গৰ্ভৱতী তিৰোতা নতুবা আত্মহত্যা কৰা বা অপমৃত্যু ঘটা লোকৰ বাবেহে মাটি দিয়া হৈছিল। অগ্নিসংস্কাৰৰ বাবে পৰ্যাপ্ত পৰিমাণৰ মদ আদিৰ যোগান ধৰিব লাগিছিল। মদ আদি যোগাৰ নহ'লে নতুবা মৃতকৰ কোনোবা আপোনজন আহি নাপালে অস্থায়ীভাৱে মাটিত গাঁত খান্দি শুৱাই থৈছিল। পাছত নিয়মানুসাৰে গাঁতৰ পৰা উঠাই আকৌ মৰাশটো দাহন কৰিছিল। এই প্ৰথাটোকে ৰাভাসকলে 'কায় ৰদায়কায়' বুলিছিল। এই অস্বাস্থ্যকৰ আৰু অমানৱীয় প্ৰথাটো চাৰিপুৰুষমান আগতেহে বৃহত্তৰ ৰাভা সমাজে সমাজ-বিধি সংস্কাৰ কৰি বিলোপ সাধন কৰে। [সংবাদঃ দুৰ্গেশ্বৰ ৰাভা (৬০ বছৰ), ছাতাবাৰী, গোৱালপাৰা, ১৯৮২]

১১। ৰজা দশৰথকো এই 'কায় ৰদায়কায়' প্ৰথাৰে সৎকাৰ কৰা হৈছিল বুলি ভাৰীগান (ৰামায়ণৰ ৰাভা সংস্কৰণ) প্ৰভৃতিত বৰ্ণিত আছে।

১২। অদ্ভুত ৰামায়ণৰ লগত সাদৃশ্য থকা ৰাভাসকলৰ মুখে মুখে প্ৰচলিত হৈ অহা আৰু ভাৰীগানত বৰ্ণিত এইধৰণৰ ভালেমান কাহিনী প্ৰয়াত ৰাভা সংস্কৃতিৰ গৱেষক ৰাজেন ৰাভাই *'ৰাভাৰ সাধুকথা'* (১৯৯২)ত অন্তৰ্ভুক্ত কৰিছে।

১৩। বাল্মীকি মুনিৰ আশ্ৰয়ত ৰামধুন গাই ডাঙৰ-দীঘল হোৱা লৱ-কুশৰ সমধৰ্মী এই চৰিত্ৰ দুটিও ৰিছিৰ আশ্ৰয়ত দেৱস্তুতি গাই দেশ-দেশান্তৰ ঘূৰি ফুৰা, অহংকাৰী বিছকৰমৰ (বিশ্বকৰ্মা) দৰ্প চূৰ্ণ কৰা, 'নলুৱা-চলুৱানি চায়যাৰ' বা 'তোতেকানি চায়' পৰিৱেশনেৰে নৃত্য-গীতৰ মাজেদি বিবাহোৎসৱৰ প্ৰচলন কৰা, তৰঙা শ্ৰাদ্ধৰ প্ৰচলন কৰা আদি কাৰ্যৰে ৰাভা সমাজ-জীৱন পৰিচালিত কৰিছিল বুলি ৰাভাসকলে মানি আহিছে।

১৪। বাণ ৰজাক নৰকৰ সমসাময়িক বুলি ভবা হয়। এই সন্দৰ্ভত কালিকা পুৰাণ, বায়ু পুৰাণ, শাঙ্খ্যায়ন গৃহসূত্ৰ ইত্যাদিত বিশ্লেষণ কৰি শ্ৰীশান্তিৰঞ্জন দে' ডাঙৰীয়াই দিক্কৰ (দি ক্ৰাই) নদীৰ পাৰত বাস কৰা কিৰাত (কালকেয়)সকলৰ অধিপতি ঘটক অসুৰক পৰাজিত কৰি বৰাহী যুৱৰাজ নৰকে কামৰূপ-কামাখ্যা প্ৰতিষ্ঠা কৰিছিল আৰু সেই সময়ত উত্তৰে কিৰাত উপনিৱেশ, দক্ষিণে লুইতলৈ প্ৰপটৰ > পিটৰৌ (পাতিৰাভা)সকল প্ৰাচীন ভদ্ৰপীঠৰ অন্তৰ্ভুক্ত অভৰমটুৰ বাসিন্দা আছিল বুলি ক'ব বিচাৰে। ঋকবেদত বৰ্ণিত পন্নৰ বা

পানেৰীসকল ভ্ৰমৰকুণ্ড (ভৈৰকুণ্ড)ত পোনতে বাস কৰিছিল আৰু তাৰ পৰা আহি তেজপুৰৰ টিলাত বাণৰ অনুৰক্ত ৰাভাসকলে (নৰকৰ সমসাময়িক বানথেংসকল) বাস কৰে। পন্নৰসকলে দৌবঙ্গ অঞ্চলত ভদ্রা দেৱীৰ (ভ্ৰমৰী দেৱীৰ) বলি বাহনেৰে পূজা দিছিল। দে' ডাণ্ডৰীয়াই পুৰাণৰ শ্ৰুতি মতে পোৱা মহাঋষি কাশ্যপ আৰু ঋষাদিত্য কন্যা আদিতিৰ পৰা জাত বৰাহীকোম (আদিত্য বা বোল বা বৰাহী)সকলে ভৌম ৰাজবংশৰ পতন কৰা আৰু অভীৰভীৰক বা ভিৰাও (অৰুষ), আভাৰাও (বৰাহী)ৰ দ্বন্দ্ব হোৱা বুলি মানি লৈ ক'ব বিচাৰে যে—১) হাভৰৰ (সাগৰ) পাৰত থকা ভীৰাৰ প্ৰাগোট> হাৰাৱভা = ৰাভা, (২) অভীৰ সকলৰ দেশ = অভৰমত > অভৰমট্ট (আৰভা) > হাবৰ ভদ্ৰপীঠ — হাবৰভা' বা ৰাভা ৰাজ্যমালা নতুবা (৩) অভৰমন্ত বা আৰভদ্ৰ > আৰভা > ৰাভা। খ্ৰীষ্টপূৰ্ব প্ৰথম-দ্বিতীয় শতিকাৰ নগৰ জোনীকুণ্ড শিলালেখাত উল্লিখিত বৌদ্ধ জনপদবোৰৰ ভিতৰত প্ৰভাৰমট্ট অন্যতম। এই অঞ্চলতে দেৱীতন্ত্ৰৰ প্ৰচলন আছিল। যোগিনীতন্ত্ৰত বৰ্ণিত কৰতোৱাৰ পূবৰ দিক্কৰসকলৰ বাসভূমিকে অভৰমট্ট বোলা যায়। তেওঁৰ মতে বাণ ৰজাৰ বংশধৰ এনে মৰীচি > কাশ্যপ > হিৰণ্যকশ্যপু> প্ৰহ্লাদ > বীৰচন > বলীবীৰ > বাণ ৰজা (দানবানাং)। (দ্ৰষ্টব্য ঃ শ্ৰীশান্তিৰঞ্জন দে : অসমৰ ইতিহাসত জনজীৱনৰ ভূমিকা, Souvenir, 7th Annual Conference of ARSU, Darrang Dist. Committee, সম্পাদনা ঃ বন বড়ো, ১৯৯২)

১৫। বাণৰ অনুগামী হিচাপেই ৰাভাসকলৰ এটা প্ৰধান গোত্ৰৰ নাম বান্‌থোক বা বান্‌থো (বানৰ দল) হয়। (দ্ৰষ্টব্য ঃ মণি ৰাভা, *ৰাভা বুৰঞ্জীৰ প্ৰতিধ্বনি*) অৱশ্যে বান্‌থো মানে ৰাভা ভাষাত বেঙেনা, অৰ্থাৎ যি গোত্ৰৰ totem হ'ল বেঙেনা তেওঁলোকেই এই গোত্ৰৰ মানুহ এনে অৰ্থতো ইয়াৰ প্ৰয়োগ হ'ব পাৰে।

১৬। এই প্ৰসংগত প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথৰ উদ্ধৃতিৰে ব্যাখ্যা কৰিব পাৰি—'চীনৰ পশ্চিমত আৰু হিমালয়ৰ উত্তৰত বড নামৰ এখন দেশ আছিল। বড দেশৰ কেবাটাও অংশ আছিল। অংশবোৰৰ নাম আছিল—কুচাবড, মেছাবড ইত্যাদি। যিবোৰ মানুহ কুচাবডৰ পৰা আহিছে, তেওঁলোক ভাৰতত কোচ আৰু যিবোৰ মেছাবডৰ পৰা আহিছে তেওঁলোক মেছ নামে পৰিচিত হৈছে।' (Glories of Assam, p. 19)

১৭। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে চিমলা পাৰ্বত্য অঞ্চলত পোৱা কেতবোৰ তি, দি- (পানীবাচক তিবৱত-বৰ্মীয় সাধাৰণ পদ) যুক্ত নদীৰ নাম উল্লেখ কৰোঁতে ৰাৱতি (The Ravi River) নামটোৰ প্ৰসংগত অন্যান্য সংস্কৃতভূত ইৰাবতী নদীৰ নামো তিববত বৰ্মীয় মূলৰ বুলি কৈছে। (দ্ৰঃ কিৰাত-জনকৃতি, ছেদ ৩১)

১৮। কোচা ফৈদৰ জনশ্ৰুতি মতে, তেওঁলোকৰ আদিপুৰুষ কোচেয়ে আন তিনিগৰাকী ভাই-ককাই লিম্বু, লেপচা আৰু মেচ্ছেৰ লগত এই অঞ্চললৈ নামি আহি বসবাস কৰিছিল। কালক্ৰমে এওঁলোকৰ বংশ-লতাই বৃদ্ধি হৈ যথাক্ৰমে কোচা (কোচ ৰাভা), লিম্বু (নিমালৰ লগত সম্পৰ্ক থকা সৰ্বনামীভূত হিমালয়ী ভাষা-ভাষী), ৰোং বা লেপচা (নগাৰ সৈতে সম্পৰ্ক থকা অসৰ্বনামীভূত হিমালয়ী ভাষা-ভাষী) আৰু মেছ (কছাৰী) জাতিৰ সৃষ্টি হয়। মন কৰিবলগীয়া যে এই অঞ্চলত ৰাভা প্ৰভৃতি ইণ্ডো-মংগোলীয় প্ৰজাতিৰ এটা দলে অভিপ্ৰয়াণৰ এটা কাল যে কটাইছিল, সেই সন্দৰ্ভত ড° চেটাৰ্জী (*কিৰাত জন-কৃতি*, ছেদ ৩০-৩৪) আৰু গৱেষক ৰাজেন ৰাভা একমত (ৰাভা জাতিৰ অভিপ্ৰয়াণ, পূৰ্ব অজগড় ৰাভা সমাজৰ মুখপত্ৰ, ১৯৯৩)

১৯। কোচেৰ বংশ-পৰিয়ালে তিববতৰ যি অঞ্চললৈ আহি পোনতে থিতাপি লাগিছিলহি, সেই অঞ্চলটোকে 'ৰাব্‌হা' বোলা হৈছিল। সেই ৰাব্‌হা > ৰাবআ বা ৰাবা ঠাইৰ মানুহ হিচাপে তেওঁলোক ৰাবা বা ৰাভা নামেৰেও অভিহিত হৈছিল। মঙ্গোল উপত্যকাৰ তিববতীয়লা পাৰ্বত্য অঞ্চলত এতিয়াও 'ৰাবা' নামে এখন ঠাই আছে। (চাওক Himalayan Barbary, 1955, p-214 by C. V. Haimendorf) এই ঠাইখনেই হয়তো ৰাবা বা ৰাভা নামৰ উৎপত্তি স্থানৰ ইংগিত দিছে। (দ্ৰষ্টব্য ঃ ধনঞ্জয় ৰাভা, 'কোচেই ৰাভা, ৰাভাই কোচ', মগছো স্মৃতিগ্ৰন্থ BRKR, ১৯৯৪) মতান্তৰে বয়োবৃদ্ধসকলৰ মুখে পোৱা তথ্য অনুসৰি তিব্বত আৰু উত্তৰ হিমালয়ৰ কোনোবা এখন 'হলুংলুঙা' নামৰ ঠাইখিনিৰ পৰাহে শেহতীয়াভাৱে ৰাভাসকল প্ৰব্ৰজিত হৈছিল। (দ্ৰষ্টব্য ঃ মণি ৰাভা ঃ ৰাভাসকলৰ সামাজিক আইন আৰু দণ্ডবিধি, ১৯৯৪, পৃঃ ২০)

২০। দ্ৰষ্টব্য ঃ Endle. S.: The Kacharis, 1911, p. 83 (অৱশ্যে এগুেলে ৰাভাসকলৰ বাসস্থান গাৰোপাহাৰৰ উত্তৰ ঢালৰ দাঁতি-কামৰীয়া অঞ্চল আৰু সেইবাবে তেওঁলোক দাঁতিয়াল কছাৰী নামেৰেও পৰিচিত বুলিহে বৰ্ণনা কৰিছে।)

২১। (ক) 'ৰাভা জাতিৰ প্ৰধান দেৱতা ঋষি দেৱতাই কোচ্ছেৰ পৰিয়ালবৰ্গক ৰাংক্ৰাঙ (স্বৰ্গ অৰ্থাৎ তিব্বতীয় অঞ্চল)ৰ পৰা পৃথিৱীলৈ (পৃথিৱী অৰ্থাৎ তিববতৰ দক্ষিণত থকা সমভূমি অঞ্চল) নমাই লৈ আহে আৰু সেইবাবে কোচ্ছেৰ পৰিয়ালবৰ্গ ৰাবাতাং > (ৰাবাসকল > ৰাভাসকল) নামে অভিহিত হয়।' (ৰাজেন ৰাভা, *ৰাভা জনজাতি*, ঃ১৯৭৪, পৃঃ ১৭)

(খ) ৰাভাৰ পৌৰাণিক কাহিনীৰ আঁত ধৰি ফ্ৰেইগু পেৰেইয়া (*Census of Assam, 1911*, Vol-III, Pt. I, p. 154)ৰ দৰে বুৰঞ্জীবিদ মণি ৰাভাই গাৰোসকলৰ দ্বাৰা কৃষিকাৰ্য কৰিবলৈ আমন্ত্ৰিত হৈ আহিবলগীয়া হোৱা অৰ্থতহে 'ৰাবা' শব্দটোৰ প্ৰয়োগ দেখুৱাইছে। মণি ৰাভাৰ মতে, গাৰো ভাষাৰ 'ৰাবাহা' (আনিলো) বা 'ৰাবাৰাং' (আনোতা) বাক্যাংশৰ পৰাহে ৰাভা নামটো হোৱা যুক্তিসংগত ; কিয়নো—গাৰোসকলে মাতি আনি নতুন নামকৰণেৰে চিনাকি কৰি দিয়াৰ বিনিময়ত ৰাভাসকলেও গাৰোসকলক নিজ ভাষাৰে 'মুংতাং' < মুং তানবাতাং (নাম থওঁতাসকল) বুলি চিনাকি দিছিল। ড° ৰেৱতী মোহন সাহায়ো একে কাৰণতে 'ৰাভা' নামটো গাৰো ভাষাৰে সিদ্ধ হোৱা সম্পৰ্কে একমত। (*বাংলা ভাষাৰ সঙ্গে তুলনা প্ৰসঙ্গে কোচ-ৰাভা-ভাষা,* ১৯/৭৪, পৃঃ ১৭)

২২। ৰংদানি ৰাভাৰ মাজত প্ৰচলিত 'নলুৱা-চলুৱা' দাহৰী ৰাভাৰ মাজত প্ৰচলিত 'সৃষ্টি বিধান তৰঙ্গা আৰু কোচা ৰাভাৰ মাজত প্ৰচলিত 'গোদা ৰছং'-ৰ কাহিনীৰ ভিত্তিত।

২৩। দদান ৰজাৰ পৰিচয় আৰু অভিপ্ৰয়াণ সম্পৰ্কে বহু প্ৰক্ষিপ্ত আখ্যান পোৱা যায়। দদান কোনোৰ মতে, পুৰাণখ্যাত বাণাসুৰৰ পুত্ৰ (মণি ৰাভা অন্যতম) আৰু কোনোৰ মতে তেওঁৰ সেনাপতি (যোগেন বাণ্ঠো, প্ৰসন্ন কুমাৰ পাম, ড° ভুবন মোহন দাস) উষা-অনিৰুদ্ধৰ পৰিণয়ৰ বিষম ফল হেতু বাণ ৰজাৰ (শৈৱ পন্থা) শ্ৰীকৃষ্ণৰ (বৈষ্ণৱ পন্থা) হাতত পৰাজয় আৰু দদানৰ স্বৰাজ্য ত্যাগ আটাইবোৰতে একে যদিও পলায়নৰ পথ সম্বন্ধে ভিন ভিন মত পোৱা যায়। ড° ভুবন মোহন দাস প্ৰভৃতিৰ সংগৃহীত তথ্য মতে, দদানে পিতৃৰাজ্য শোণিতপুৰৰ পৰা পশ্চিমমুৱা হৈ ভুটানৰ ৰজাৰ আশ্ৰয় বিচাৰি তাৰ পাছতহে যোগীঘোপা হৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণ পাৰৰ ৰাভা স্মৃতি বিজড়িত ঠাইৰ মাজেদি অভিপ্ৰয়াণ কৰে। (*An Ethnic Affinities of the Rabhas,* 1963 p.119) কিন্তু ৰাজেন ৰাভাৰ শেহতীয়া সংগৃহীত তথ্য মতে, দদানে সবংশে শোণিতপুৰৰ পৰা কলগছৰ ভুঁ ৰেৰে লুইত (ধাপানদী) পাৰ হৈ আহি মায়ং হৈ সোণাপুৰ, নীলগিৰি, বাঘমেলা, ছিমছাং (সোমেশ্বৰী) নদীৰ পাৰে পাৰে বৰ্তমানৰ ৰাভা বসতি অঞ্চললৈ অভিপ্ৰয়াণ কৰিছিল। ৰাভা জাতিৰ অভিপ্ৰয়াণ, অজগড়, পৃঃ অঃ ৰাঃ সঃ মুখপত্ৰ ১৯৯৩)

২৪। দদান-মাৰুক্ষেত্ৰী প্ৰভৃতি পুৰুষ পৃষ্ঠপোষক বা প্ৰৱৰ্তকসকলক কিন্তু পূজা দিয়াৰ বিপৰীতে কীৰ্তি-গাথাৰে (হৈমাৰু চায়) বন্দনাহে কৰা হয়।

২৫। এই সন্দৰ্ভত আন এটা ব্যাখ্যাও পোৱা যায়। দদানৰ পতনৰ পাছত যুদ্ধত বহু ৰাভা পুৰুষৰ প্ৰাণহানি হয় আৰু চাৰিওগৰাকী বীৰাংগনাৰ নেতৃত্বত ৰাভাসকলে আত্মগোপন কৰিবলগীয়া হয়। কালক্ৰমত এনে আত্মগোপন কৰি থকা অৱস্থাতে স্বজাতীয় উপযুক্ত ডেকাৰ অভাৱতে কিছুমান গাভৰুৰ বিজাতীয় পুৰুষৰ সৈতে আৰু কিছুমানৰ স্বজাতিৰ নিজ মোমায়েকৰ পুতেকৰ সৈতে বিয়া হৈ যায়। কোৱা হয় যে ৰংদানি ৰাভাৰ পূৰ্বপুৰুষ (মাতৃ) বোঙ্গে-কোটেৰ (Bonge-Kate) সগোত্ৰীয় আত্মীয় ভাই এজনৰ লগত আৰু তেওঁৰ বায়েক আতং গাৰোৰ পূৰ্বপুৰুষ (মাতৃ) সোৱে-বোঙ্গেৰ (Sae-Bonge) এজন গাৰো যুৱকৰ সৈতে বিয়া হয়। (দ্ৰঃ Friend Pereira: Census of Assam, 1911, Vol-III, Pt. I, p. 145) ৰাভা ভাষাত স্বইচ্ছাই বিয়াত বহা অৰ্থত 'চি-নায় ৰাবাতাং শব্দৰ প্ৰয়োগ হয় আৰু বিধৰ্মীৰে বিয়া হৈ সমাজচ্যুত হোৱা বুজাবলৈ 'আলক খাৰে তং'

বাক্যাংশৰ প্ৰয়োগ হয়। স্বজাতীয় যুৱকৰ সৈতে বিয়াত বহাসকলৰ সতি-সন্ততিয়ে ৰাবাতাং > ৰাভাতাং আৰু বিজাতীয় যুৱকলৈ গুচি যোৱাসকলৰ সতি-সন্ততিয়ে 'আলকতাং > আতং' হোৱা বুলি যুক্তি দৰ্শাব পাৰি। অৱশ্যে আতং গাৰো সন্দৰ্ভত যোগেন বাগ্নোয়ে বালফাকগ্ৰামৰ ওচৰত দিশহাৰা হোৱা ৰাভাৰ এটা দলে 'তেবে আতো খাৰনো' (এতিয়া কি কৰিম) বোলা খণ্ডবাক্যৰ পৰাই সংক্ষিপ্ত হৈ 'আতো > আতং' হৈছিল বুলি ক'ব বিচাৰে (দ্ৰঃ *ৰাভা জাতিৰ ইতিবৃত্ত*, ১৯৫৬, পৃঃ ১৭)

২৬। ৰাভাসকলক বৰোসকলে 'ৰাবা কছাৰী' (হাৰ্ছা অৰ্থাৎ হিন্দু আৰ্যভাষীৰ বিপৰীতে) আৰু গাৰোসকলে 'ৰাবা-আজং' অৰ্থাৎ কৃষিজীৱী হাজং > আজং (মাটিৰ পোক) বুলি চিনাকি দিয়ে। যিহেতু ৰংদানি, কোচা আদি ভাষাতো বৰো-গাৰো ভাষাৰ দৰে সঘোষ মহাপ্ৰাণ ধ্বনি (ভ) নাই। সেয়ে তেওঁলোকে নিজকে 'ৰাভা' বুলি চিনাকি দিয়াতো ভাষা-বিজ্ঞানৰ ফালৰ পৰা মুঠেই সম্ভৱ নহয়। খুব সম্ভৱ, হিন্দু আচাৰ-ৰীতিৰে প্ৰভাবান্বিত আৰু সংস্কৃতমূলীয়াৰ শব্দসম্ভাৰেৰে চহকী মায়তৰী ৰাভাৰ কথিত ভাষাৰে ইয়াৰ বিভ্ৰাট ঘটিছে। পৰৱৰ্তী কালত আৰ্য ভাষা-ভাষী পাতি ৰাভা ফৈদৰ লোকৰ মাজেদি ইয়াৰ আৰ্যীকৰণ হৈছে। এই সন্দৰ্ভতে 'ৰাভ' আদি হিন্দু ধৰ্মীয় চৰিত্ৰৰ প্ৰাসংগিকতা আহি পৰে। পৰৱৰ্তী কালত ব্ৰিটিছসকলেও তেওঁলোকৰ লিখনিত RABHA (S) বানানটোকে সৰ্বৰহীভাৱে ব্যৱহাৰ কৰে—একমাত্ৰ ব্যতিক্ৰম John M'cos-ৰ *Topography of Assam* (1837, Sec-XIV, p. 166) নামৰ গ্ৰন্থত পোৱা RABBA বানানটো। দুই এজন লোকে প্ৰমাদবশতঃ RAVA বানানটো দুই-এঠাইত নিলিখাও নহয়, বিশেষকৈ ইংৰাজী ঢঙেৰে চলা লোকসকলে নিজৰ উপাধিৰ লগত RAVA লিখাটো এসময়ত এটা ফেশ্বনস্বৰূপ হৈ পৰিছিল।

২৭। Playfair: *The Garos*, 1909, pp 20-22 & Appendix F

২৮। Friend Pereira: *Census of Assam*, 1911, Vol III, Pt I, p 145

২৯। Playfair: *The Garos*, 1909, pp. 21-22

৩০। দ্ৰষ্টব্য ঃ (ক) '...The Pati Rabhas have adopted many Bengali Customs. The Anti Aryan characteristics are less strongly marked in the Rabha than in the Garo and less in the Pati than in the Rongdaniya, showing how the races become mixed as they approaching the plains. (Dalton, E.T *Descriptive Ethnology of Bengal*, 1872, Pp 87, 92)

(খ) 'The Rabhas consider themselves superior to the Kacharis, and have, as a rule abandoned their tribal dialect in favour of Assamese (Gait, E. A : *Report on the Census of Assam for 1891-1892*, p. 162/232)

(গ) 'Like the tongue of other branches of the Bara race, Rabha Langauge, at one time undoubtedly agglutinative, seems to be in process of becoming inflexional, through contact and intercourse with the Speakers, of more or less broken down Sanskritic langauge e.g Bengali, Assamese etc.' 'As regards caste-position and status the Rabhas hold themselves to be slightly higher than the pure Kacharis, e.g. the Rabha will not eat rice cooked by a Kachari, though the later freely partakes of food prepared by a Rabha... Kacharis sometimes formally enter the Rabha Community, though it is not necessary for them to do so, on their way to Hinduism.' (Endle, S: *The Kacharis*, 1911, pp. 83-84).

৩১। মাৰুক্ষেত্ৰী এজন পিতৃ-পৰিচয়বিহীন হিন্দু ক্ষত্ৰিয় লোক আছিল; যাৰ মাকৰ নাম আছিল 'নেমা নুক্‌কিনী' কুঁৱৰী। অৱশ্যে মাৰু গীতত মাৰুক্ষেত্ৰীৰ বংশ-পৰিচয় 'নেমা নোক-কলতা নোক' অৰ্থাৎ আৰ্যকুল-কলিতাকুল বুলিহে পোৱা যায়। দদানে সোণাপুৰ অঞ্চলত এইজন ৰাজলক্ষণ বিশিষ্ট যুৱকক পাই ভাগিনীয়েকৰে সৈতে বিয়া পাতি দি ঘৰজীয়া কৰি সেনাপতি পদমৰ্যাদাৰে স্থান দি উদাৰতাৰ চিনাকি দিছিল। বিধৰ্মীৰ যুৱতীৰে

বিবাহপাশত আবদ্ধ হোৱা বাবে ৰক্ষণশীল সমাজৰ মাৰুক্ষেত্ৰীৰ মাতৃয়ে তেওঁৰ পুত্ৰই দিগ্বিজয় কৰি ফুৰিলেও সপ্তম যুদ্ধত তেওঁৰ মৃত্যু অৱশ্যম্ভাৱী বুলি মাৰুক্ষেত্ৰীক অভিশাপ দিছিল আৰু মাকৰ কথা আখৰে আখৰে ফলিয়াইছিল বুলি ৰাভাসকলে মানি আহিছে। (যোগেন বাঠৌ ঃ *ৰাভা জাতিৰ ইতিবৃত্ত*, ১৯৭৪, পৃঃ ১৫; ৰাজেন ৰাভা ঃ ৰাভাৰ অভিপ্ৰয়াণ, প্ৰাগুক্ত)

৩২। ৰাভাসকলে ওচৰ-চুবুৰীয়া ভিন ভিন জাতি, সম্প্ৰদায় আৰু ধৰ্মীয় জনগোষ্ঠীক নিজৰ ভাষাৰে নামকৰণ কৰি লয়। উদাহৰণস্বৰূপে—কাচিৰ/কাচ্‌িৰতাং (বৰো কছাৰী), কাচিৰ-মিচিৰ (কছাৰী আৰু মেচ), মুংতাং (গাৰো), মুংতাং-ছংগা (গাৰো আৰু কোচ), লেলাং (লালুং), খেনা/বংশী (ৰাজবংশী), চুদ্ৰিতাং/মাচুৰাতাং (কৈৱৰ্ত, মাঝি), জলধাতাং (নমঃশূদ্ৰ), লেমা-কলতা (কায়স্থ-কলিতা), নাওৱা-নাপিত (বামুণ, গণক, নাপিত), হালুৱা (শৰণীয়া, মদাহী), দোমাচা (বৰ্ণসংকৰ), যোগীতাং বাছুবাতাং (নাথযোগী), নেপালতাং (নেপালী), ধাঙলতাং (বিহাৰী, কুলী), বাঙ্গালতাং (বঙ্গভাষী মুছলমান), বাঙ্গাল-তুৰু (মুছলমান আৰু বিদেশী), লেমাতাং (স্বদেশী হিন্দু), চায়াবতাং (বগা চাহাব, ব্ৰিটিছ) ইত্যাদি।

৩৩। ৰাভাৰ বিভিন্ন উপগোষ্ঠীৰ নামকৰণ আৰু বিস্তৃতিৰ ক্ষেত্ৰত স্থানান্তৰত সবিশেষ আলোচনা কৰা হৈছে। (দ্ৰষ্টব্য ঃ ৰাভা জনগোষ্ঠী ঃ বিস্তৃতি আৰু অৱস্থিতি, *অসমীয়া প্ৰতিদিন*, ৮-৯ এপ্ৰিল/০৪

৩৪। ৰাভা কৃষ্টি সন্মিলন (ৰাভা জাতীয় কৃষ্টি সভা), বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুম (BRKR), সদৌ ৰাভা ছাত্ৰ সন্থা (ARSU), মেঘালয় ৰাভা সেৱক সংঘ, ৰাভা হাছং দাবী সমিতি ইত্যাদি নামকৰণো ইয়াৰে প্ৰতিফলন মাত্ৰ। এই দিশৰ পৰা বিবেচনা কৰিলে 'কোচাই ৰাভা ৰাভাই কোচ' বোলা শ্লোগানটো অতি বিসংগতিপূৰ্ণ। কাৰণ যি অৰ্থত ৰংদানি, মায়তৰী, পাতি আদি আটাইবোৰ ফৈদে ৰাভা, সেই অৰ্থতহে কোচ (কোচা বা ছোঁংগা) মাত্ৰেই ৰাভা। সকলো ৰাভাই কোচ নহ'বও পাৰে, যেনেকৈ সকলো ৰাভাই ৰংদানি, মায়তৰী বা পাতি ৰাভা নহয়। আনহাতে কোনো কোনো পণ্ডিতে 'কোচ-ৰাভা' নামেৰে এক সংকৰ পদৰ সৃষ্টি কৰিছে, যিটো অত্যন্ত ভুল প্ৰয়োগ। 'কোচ-ক্ষত্ৰিয়' যেনেকৈ ৰাজবংশীৰ এটা ফৈদ, তদ্ৰূপ 'কোচ-ৰাভা' নামটোৱে ৰাভাৰ এটা ফৈদৰহে প্ৰতিনিধিত্ব কৰিব—ই সমূহ জাতিক প্ৰতিনিধিত্ব কৰিব নোৱাৰে। অকল 'কোচ' নামটো প্ৰয়োগ কৰি ৰাভাৰ পূৰ্বপুৰুষৰ ধাৰণা দিবলৈ বা ৰাভাৰ প্ৰাচীন নাম বুলি প্ৰতিপন্ন কৰিবলৈ গ'লে মেঘালয় অঞ্চলত বসবাস কৰা, বৰ্তমান জনজাতি হিচাপে স্বীকৃতি পোৱা, তিববত-বৰ্মীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত স্বতন্ত্ৰ কোচ জনজাতিৰ সৈতে সাঙোৰ খাই ৰাভাসকল এক বিজতৰীয়া ভাষা-সংস্কৃতিৰ বাহক হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।



ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত ঃ সমাজ-সাংস্কৃতিক জীৱন

হেমাঙ্গ কুমাৰ নেওগ

জনগোষ্ঠীয় বিচিত্ৰতাৰে ভৰা অসমত বসবাস কৰা জনজাতিসকলৰ ভিতৰত ঠেঙ্গাল কছাৰী সকলো অন্যতম। বিশাল মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত কছাৰীসকলৰেই এটা ক্ষুদ্ৰ ঠাল বা ফৈদ হ'ল ঠেঙ্গাল কছাৰীসকল। বৰ্তমান অসমৰ যোৰহাট, গোলাঘাট, লখিমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, কাৰ্বি-আংলং, ধেমাজি, শোণিতপুৰ আদি জিলাত ঠেঙ্গাল কছাৰীসকলে বাসস্থান কৰি আছিছে । এই ঠেঙ্গাল কছাৰীসকলৰ বিষয়ে বিতংভাৱে জানিবলৈ তেওঁলোকৰ কোনো লিখিত বুৰঞ্জী বা প্ৰামাণ্য গ্ৰন্থ পাবলৈ নাই। হ'লেও তেওঁলোকে পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱ-পাৰ্বণ, ৰীতি-নীতি, প্ৰচলিত লোকাচাৰ, ধৰ্মীয় ধ্যান-ধাৰণা, জনশ্ৰুতি, মৌখিক লোক-সাহিত্য, বংশাৱলী আৰু অসম বুৰঞ্জীত সন্নিৱিষ্ট ঘটনাৱলীৰ সত্যনিষ্ঠ তথ্যৰ আলম লৈ ঠেঙ্গাল কছাৰীসকলৰ বিষয়ে জানিবলৈ যথেষ্ট সমল নথকা নহয়। কাকতে-পত্ৰই হওক বা অন্য ক্ষেত্ৰতেই হওক ঠেঙ্গাল কছাৰীসকলৰ বিষয়ে পৰ্যাপ্ত আলোচনা-বিলোচনা বা অধ্যয়ন হোৱা দেখা নাযায়। কেৱল উজনি অসমৰ জিলাকেইখনতে ঠেঙ্গাল কছাৰীসকলৰ জনবসতি সীমাবদ্ধ থকাত অসমৰ বাকী অংশৰ জনসাধাৰণে ঠেঙ্গাল কছাৰীৰ সম্পৰ্কে বিশেষ নাজানে। এটা জাতিয়ে আন এটা জাতিক জনাৰ আগ্ৰহে আমাৰ চিন্তাধাৰাক প্ৰসাৰিত কৰে। এনে চিন্তাধাৰাই পৰস্পৰৰ মাজত গঢ়ি তোলে সম্প্ৰীতি, যাৰ সহায়ত একো একোখন বৃহৎ সমাজ, জাতিগোষ্ঠী গঢ়ি উঠে।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে আহোমসকলে অসমত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বহু পূৰ্বেই কছাৰীসকলে উজনি অসমৰ এক বৃহৎ অঞ্চল শাসন কৰি আছিল। দিখৌৰ পৰা কলঙলৈকে দক্ষিণে কাছাৰ পৰ্যন্ত এই ভূ-ভাগ কছাৰীৰ দখলত আছিল। চুকাফাই অসমত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পৰা চুহুংমুং দিহিঙ্গীয়া ৰজাৰ সময়লৈকে আহোম-কছাৰীৰ মাজত বিবাদ লাগিছিল যদিও সি বৰ বিশেষ নাছিল। কিন্তু এইজনা স্বৰ্গদেউৰ শাসনকালত কছাৰীসকলৰ বিপৰ্যয় নামি আহিল। ১৫২৬ খ্ৰীষ্টাব্দত আহোমসকলে

বিভিন্ন কূট-কৌশল প্ৰয়োগ কৰি কছাৰীসকলৰ পৰা বিনাযুদ্ধে প্ৰথমে দিখৌৰ পৰা দেৰগাঁও আৰু পাছত ধনশিৰিৰপাৰলৈকে দখল কৰে। আহোমৰ ছল-চক্ৰান্তৰ কথা ধৰিব পাৰি কছাৰীসকলে ধনশিৰিৰ পাৰতে উভতি ধৰাত দুয়োপক্ষৰ মাজত তুমুল যুদ্ধ হয়। প্ৰথমখন যুদ্ধত কছাৰীসকলৰেই জয় হয় যদিও মৰঙ্গী (গোলাঘাট জিলা)ত হোৱা দ্বিতীয়খন যুদ্ধত কছাৰীসকল হাৰি ডিমাপুৰলৈকে পিছুৱাই যায়। পৰাস্ত হ'লেও কিন্তু কছাৰীসকল একেবাৰে নিৰ্মূল হোৱা নাছিল বা আহোমৰ লগত কোনো সন্ধিও কৰা নাছিল। বৰং মাজে মাজে আহোম ৰাজ্যৰ ভিতৰত প্ৰৱেশ কৰি উপদ্ৰৱ-উৎপীড়ন চলাই আহোমসকলক অস্বস্তিত পেলাইছিল। ইতিমধ্যে পশ্চিম দিশৰ পৰা মুছলমানে কৰা বৈদেশিক আক্ৰমণ প্ৰতিহত কৰিবলৈ আহোমসকলে সৰ্বশক্তিৰে ব্যস্ত থাকিব লগা হোৱাত আহোম-কছাৰী বিষয়ত মনোনিৱেশ কৰিব পৰা নাছিল। প্ৰবাদ আছে যে এই সময়তেই জংবাহাদুৰ আৰু চক্ৰধ্বজ নামৰ ধনুবিদ্যা আৰু যাদুবিদ্যাত পাকৈত দুজন শক্তিমন্ত সাহিয়াল যুৱকে দৈয়াং নৈৰ পাৰৰ কাছমাৰীত কিছুমান কছাৰী পৰিয়াল লগত লৈ এখন স্বাধীন কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰে। জংবাহাদুৰ ইয়াৰ ৰজা হৈছিল। এওঁলোকৰ সৈন্য-সামন্তসকলে যুদ্ধ আৰু শান্তিৰ সময়ত 'ঠেঙ্গা' (Pantton) পৰিধান কৰিছিল কাৰণে ঠেঙ্গাল বোলা হৈছিল। সেয়ে জংবাহাদুৰৰ ৰাজ্যৰ প্ৰজাসকলকো আন আনসকলে 'ঠেঙ্গাল কছাৰী' বুলিছিল। জংবাহাদুৰৰ মৃত্যুৰ পাছত চক্ৰধ্বজ ৰাজ্যৰ ৰজা হৈছিল। চক্ৰধ্বজে ডিমাপুৰতো এখন নগৰ পতাৰ কথা বুৰঞ্জীত উল্লেখ পোৱা যায়। ঠেঙ্গাল কছাৰী ৰাজ্যৰ প্ৰাচীন কীৰ্তিচিহ্নবোৰ কাছমাৰী অঞ্চলত আজিও পৰিত্যক্ত অৱস্থাত বিদ্যমান।

বুৰঞ্জীৰ আন এক তথ্য মতে, আহোমৰ ৰাজত্বকালত কৰ্মবিভাজনৰ বৃত্তি অনুসৰিও কছাৰীসকলৰ মাজত দুটা ফৈদ বা গোষ্ঠীৰ সৃষ্টি কৰা হয় বুলি জনা যায়। যিসকল কছাৰীয়ে সোৱণশিৰি আদি নৈত পানীভেটা দি সোণ কমোৱাই তাক সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰিছিল তেওঁলোকক 'সোনোৱাল' আৰু যিসকলে কছাৰীয়ে ধনশিৰি নৈত ৰূপ কমোৱাই সংগ্ৰহ কৰিছিল তেওঁলোকক 'ৰূপোৱাল' বা 'ঠেঙ্গাল' কছাৰীৰূপে চিহ্নিত কৰা হৈছিল। উজনি অসমৰ বাকী নৈসমূহত সোণ কমোৱা হয় যদিও কেৱল ধনশিৰি নৈতহে ৰূপ কমোৱা বুলি উল্লেখ পোৱা যায়। উল্লেখযোগ্য যে নৈৰ পানী ভেটা দি সোণ-ৰূপ কমোৱাই তাক সংগ্ৰহ কৰিব পৰা কলা-কৌশল মাত্ৰ কছাৰীসকলেহে জানিছিল। আন এক জনশ্ৰুতি অনুসৰি আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত (১৬৮১-১৬৯৬) আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱ গোসাঁই শদিয়াত আত্মগোপন কৰি থকাৰ সময়ত স্থানীয় কছাৰীসকলে গোসাঁইৰ মহিমা পৰীক্ষা কৰিবলৈ চুঙাত সোণ-ৰূপ ভৰাই প্ৰমাণ চাইছিল আৰু মাহাত্ম্যৰ পৰিচয় পাই তেওঁৰ ওচৰত শৰণ লৈছিল। সোণ লৈ গুৰুক ভজাৰ বাবে 'সোনোৱাল' আৰু ৰূপ লৈ গুৰুক ভজাৰ বাবে 'ৰূপোৱাল' কছাৰী বুলি আখ্যা পায়। এই 'ৰূপোৱাল'সকলেই 'ঠেঙ্গাল' বুলি জনাজাত হয়।

পণ্ডিতসকলৰ মতে, ঠেঙ্গাল কছাৰীসকল বৃহত্তৰ কছাৰীসকলৰ আনকেইটামান গোষ্ঠী যেনে - ডিমাছা, সোনোৱাল, জাৰুৱা আদি সকলো একেই বড়ো মূলৰে। বড়ো ফিচা অৰ্থাৎ বড়োৰ সন্তান। ঠেঙ্গাল কছাৰীসকলে নিজকে দ্বিতীয় পাণ্ডৱ ভীমৰ ঔৰসত ৰাক্ষসী হিড়িম্বাৰ গৰ্ভত জন্ম হোৱা ঘটোৎকচৰ বংশধৰ বুলি অভিহিত কৰে। বৰ্তমান ঠেঙ্গাল কছাৰীসকলৰ মাজত মুঠ একৈছ (২১) টা বংশ আছে। ঠেঙ্গাল ৰজা জংবাহাদুৰে কৰ্মবিভাজনৰ ভিত্তিত ঠেঙ্গাল শব্দ (ঠেঙ্গা + আল = ঠেঙ্গাল) ৰ প্ৰত্যেক কৰ্মশ্ৰেণীতে 'আল' বা 'য়াল' প্ৰত্যয় সংযোগ কৰি বংশ পৰম্পৰাৰ সৃষ্টি কৰিছিল, যেনে- (১) হাজোৱাল

(২) মাণিকিয়াল (মাণিক বোটলা লোক) (৩) মুক্তাল বা মুকুতিয়াল (মুকুতা সংগ্ৰহ কৰোতা) (৪) দুৰুঙ্গিয়াল (নাও সাজোতা বা বাওঁতা) (৫) দলঙ্গিয়াল (দলং সাজোতা) (৬) সাঁকোৰিয়াল (সাঁকো সাজোতা) (৭) হয়গিয়াল বা সৰগিয়াল (ঘোঁৰা পোহা আৰু চলাওঁতা) (৮) শুকৰিয়াল (গাহৰি পোহা লোক) (৯) সুগৰিয়াল বা হুগ্ৰাল (সুগৰি পোহা লোক), (১০) ব্যাঘ্ৰাল (বাঘ পোহা লোক), (১১) কুমৰাল বা কুমৰিয়াল (মাটিৰ পাত্ৰ গঢ়োতা) (১২) কমাৰিয়াল (লোহাৰ কাম কৰা লোক) (১৩) ডেক্ৰাল বা ঢেকীয়াল (ঢেকী বনাওঁতা) (১৪) নাঙ্গাল বা নাঙল (নাঙলৰ যোগান ধৰোতা) (১৫) লাঠিয়াল (বাঁহ-কাঠৰ কাম কৰোতা), (১৬) মেখেলিয়াল (মেখেলাকে আদি কৰি বস্ত্ৰ তৈয়াৰ কৰোতা) (১৭) নেগুৰিয়াল (ৰছী আদি তৈয়াৰ কৰা লোক) (১৮) ডিঙ্গিয়াল (ডিঙ্গি মুচৰি জীৱ-জন্তু বধ কৰি পূজা-পাতল কৰা লোক) (১৯) ঢুলিয়াল (মাদল আৰু ঢোল তৈয়াৰ কৰোতা আৰু বজাওঁতা) (২০) ফৰমাল (আহু খেতি কৰা মানুহ) আৰু (২১) এজমাল (ৰজাৰ ঘৰত কাম-বন কৰা, ভঁৰাললৈ সামগ্ৰী সংগ্ৰহ কৰা লোক)।

ঠেঙ্গাল কছাৰীৰ সমাজ পুৰুষপ্ৰধান সমাজ। একোজন মুৰব্বীৰ তত্ত্বাৱধানত একোখন ঘৰ পৰিচালিত হয়। আউনীআটী সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰা দিনৰে পৰা সত্ৰাধিকাৰে ৰাজমেধি , পাচনি, বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰী সমাজৰ লগত যোগসূত্ৰ ৰাখি সমাজখনৰ ধৰ্মনীতি পৰিচালনা কৰা দেখা যায়। অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰক কেন্দ্ৰ কৰিয়েই এখন গাঁও বা খেলৰ ঠেঙ্গাল সমাজ গঢ় লৈ উঠিছে। একোখন সমাজ নিয়াৰিকৈ চলিবলৈ প্ৰয়োজন হোৱা বিভিন্ন সামাজিক বিষয়বাব যেনে, মেধি—নামঘৰীয়া, ভৰালী, পাঠেকী, বৰৰান্ধনী, দেউৰী, বিলনীয়া , বায়ন, ঢুলীয়া, ওজা প্ৰভৃতি দায়িত্বত বিভিন্নজনক নিয়োজিত কৰা হয়। সত্ৰৰ শিষ্যত্ব ত্যাগ কৰি পৰৱৰ্তী সময়ত সৃষ্টি হোৱা বৈষ্ণৱ ধৰ্মৰ আন আন পন্থাতো অন্তৰ্ভুক্ত হৈ জীৱন যাপন কৰা দেখা যায়। যি পন্থাতেই হওক গুৰুৰ ওচৰত শৰণ লোৱা ঠেঙ্গাল কছাৰী সমাজত বাধ্যতামূলক। অশৰণীয় বিবাহিত পুৰুষ মাংগলিক কামতো বাদেই, আন সামাজিক দায়িত্বৰ বাবেও অনুপযুক্ত ।শৰণ নোলোৱা মুনিহ-তিৰোতা, ঋতুমতী নোহোৱা ছোৱালী, আত্মহত্যা কৰা মানুহৰ মৃতদেহ দাহ কৰা নহয়। অৱশ্যে মানবীয়তাৰ দৃষ্টিকোণেৰে এনে শব দাহ কৰিলে মৃতকৰ কাজ-সকাম কৰা নহয়।

কৃষিজীৱী ঠেঙ্গাল কছাৰীসকলৰ প্ৰধান খেতি ধান; লগতে সুবিধা অনুযায়ী মাহ, সৰিয়হ, আলু, কচু, কল, কুঁহিয়াৰ, তামোল, পাণ আৰু লাগতিয়াল শাক-পাচলিৰ খেতি কৰে। উত্তৰ পাৰত বাস কৰা ঠেঙ্গাল কছাৰীসকল মূলতঃ নতুন খেতি-মাটিৰ সন্ধানতেই প্ৰব্ৰজন ঘটা। অৰ্থনৈতিক দিশত অতি পিছপৰা ঠেঙ্গাল কছাৰীসকলৰ ঘৰবিলাক বাঁহ-বেত, ইকৰা, খেৰ-নৰা, টকৌপাত আদি তেনেই সাধাৰণ মানেৰে সাজি লয় যদিও ঘৰবোৰৰ এক নিজস্ব বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এটা প্ৰধান ঘৰ সাজি দুভাগ কৰি বৰঘৰ আৰু মাৰলঘৰ হিচাপে নাম দিয়া হয়। প্ৰধান ঘৰটোৰ এমূৰত পথালিকৈ পাকঘৰটো সাজে। পাকঘৰটোৰ বাহিৰফালে মূৰত প্ৰায়েই এখন তাঁতশালৰ চালি থাকে। অভাৱী হ'লেও চাৰিওফালে ঢাপ মাৰি বেৰা দি ঘৰখন আটোমটোকাৰিকৈ ৰাখি ভাল পায়। অন্য জনজাতিৰ দৰে বাৰী-ঘৰৰ চিন-মোকাম নোহোৱাকৈ বাস কৰাটো এওঁলোকৰ স্বভাৱৰ পৰিপন্থী। গাঁওসমূহ মূলপথৰ পৰা যথেষ্ট নিলগত থকা দেখা যায়। ই ঠেঙ্গাল কছাৰী গাঁওসমূহৰ এক বৈশিষ্ট। গৰু, ম'হ , কুকুৰা, পাৰ, ছাগলী আদি পুহি সেইবোৰ বিক্ৰী কৰিও জীৱিকা উলিয়ায়। বাৰীত তামোল-পাণৰ বাদেও এৰা, নুনি, কেচেৰু

আৰু চোম গছ ৰাখে। অসমৰ ৰেচম শিল্পৰ ক্ষেত্ৰখনলৈ ঠেঙ্গাল কছাৰীসকলৰ অপৰিসীম অৱদান আছে। এৰী, মুগা আৰু পাট এই তিনিওবিধ পলুৱেই নিয়মিতভাৱে পোহে। পলু পুহি সূতা কটাৰ পৰা ফুল বাছি কাপোৰ বোৱালৈকে এই সমস্ত প্ৰক্ৰিয়াটোত ঠেঙ্গাল কছাৰী মহিলাসকল অতি পাকৈত। পৰম্পৰাগত ৰিহা, আঁচবুলীয়া ৰিহা, গুণাবছা ৰিহা, কেঁচা বছা ৰিহা, বনকৰা মেখেলা , কিংখাপৰ মেখেলা, পাটৰ মেখেলা, গাৰি দিয়া চাদৰৰ লগতে পুৰুষৰ টঙালি, খনীয়া কাপোৰ গামোচা, চেলেং, পাগ, বৰ পাগ, গোমচেঙৰ চোলা আদি ঘৰতে তৈয়াৰ কৰি লয়। আজি কিছুদিন আগলৈকে ঠেঙ্গাল কছাৰী সমাজত নিজে বৈ কাটি লোৱা দৰা-কইনাৰ পাটৰ সাজ আছিল। উল্লেখযোগ্য যে মুগা পোহোতে ঠেঙ্গাল কছাৰীসকলে ব্যৱহাৰ কৰা নীতি-নিয়ম গীত-মাত আৰু তন্ত্ৰ-মন্ত্ৰবোৰ অসমীয়া সাহিত্যৰো সম্পদ। ঠেঙ্গালসকলে মুগা পলুকে দেও পলু বুলিও কয়।

অসমৰ প্ৰধান জাতীয় উৎসৱ বিহু ঠেঙ্গাল কছাৰীসকলৰো প্ৰধান জাতীয় উৎসৱ। চ'তৰ পহিলাৰ পৰা পথাৰৰ মাজত ঢোল-পেঁপা বজাই 'ঢুলীয়া ভেটী'ত ডেকাহঁতে বিহুৰ আখৰা কৰা প্ৰথা প্ৰচলিত আছিল। চ'তৰ পোন্ধৰ-যোল্ল দিন পাছৰ পৰা ঘৰে ঘৰে ৰাতি 'তৰা চিৰা বিহু' পাতে। তৰাণি বা পিটনিৰ পৰা তৰাগছ আনি তাৰ ভিতৰৰ বাকলিবোৰ ছিৰিলি ছিৰিলি কৰি ফালি সৰু সৰু মুঠিকৈ বান্ধি শুকোৱা হয় আৰু ৰাতিলৈ তৰা চিৰা বিহু মাৰে। গৰু বিহুৰ দিনাখন যি নতুন পঘাৰে গৰু বন্ধা হয় তাৰ লগত পঘা বটোতেই মৰাপাটৰ সৈতে এই শুকান তৰা মিহিলি কৰি দিয়া হয়। গৰু বিহুৰ দিনা পুৱা মাহ-হালধিৰে গৰুক নুওৱাই দেৱজ্ঞান কৰি তেল-ছাইৰ ফোঁট দি লৈ বিল বা পুখুৰীত এক উৎসৱমুখৰ পৰিৱেশত সমজুৱাভাৱে গৰুক গা ধুওৱা হয়। দুপৰীয়া নামঘৰত ডেকা-বুঢ়া সকলো গোট খাই গাঁৱত বিহু হুঁচৰি জুৰিবলৈ সিদ্ধান্ত লৈ গাঁৱৰ মুখিয়ালজনৰ ঘৰত গৈ বয়োজ্যেষ্ঠ সকলে চোতালত কলহে কলহে পানী ঢালি নাচি-বাগি, পৰিহৰি, বোকা-পানী লৈ বিহু মাৰে— এয়া হৈছে ঠেঙ্গাল কছাৰীৰ 'বোকাবিহু', ই ঠেঙ্গাল কছাৰী সমাজৰ এক সুকীয়া সংস্কৃতি। পাছ দিনাৰ পৰা আৰম্ভ হয় মূল বিহু। বংশ পৰিয়ালৰ জ্যেষ্ঠজনক বিহুত সেৱা জনোৱাটো ঠেঙ্গাল কছাৰীসকলৰ এক পৰম্পৰা। গাভৰু আৰু বুঢ়ীসকলেও বেলেগে বেলেগে বিহু মাৰে। ডেকা-গাভৰুৱে একেলগে বিহু মৰাটো ঠেঙ্গাল সমাজত অপ্ৰচলিত। ঢোল ঠেঙ্গালসকলৰ প্ৰধান বাদ্য। উজনি অসমৰ ঢোলবাদ্যৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীসকলৰ বিশেষ অৰিহণা আছে। বিহুৰ হুঁচৰিত ঢোলৰ লগতে সুতুলি, টকা, পেঁপা, পাট বাঁহী, তাল আদি বজোৱা হয়। তেওঁলোকে বজোৱা ঢোলৰ ছেওবোৰ 'নাচনী ছেও , খৰা ছেও বা বুঢ়া ছেও' নামেৰে পৰিচিত, ই আনৰ লগত নিমিলে। হুঁচৰি গোৱাৰ অন্তত ৰাইজে মিলি এজোপা গছৰ তলত ভীমকলৰ আগলি পাতত তামোল-পাণসহ এটি অৰ্চনা দি বিহু এফাকি গাই বিহুটিক বছৰটিলৈ বিদায় জনায়। ব'হাগ মাহৰ শেষলৈ হুঁচৰি খেলীয়া সবাহ পাতে। বাকী দুটি বিহু কাতি বিহু আৰু মাঘ বিহুও অসমীয়া সমাজত পালন কৰি অহা ৰীতি-নীতিৰ মতেই ঠেঙ্গাল কছাৰীসকলেও পালন কৰে।

ঠেঙ্গাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানত প্ৰচলিত ভালেমান ৰীতি-নীতি লোকাচাৰে বৰ্ণাঢ্য অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি আহিছে। ছোৱালী ঋতুমতী হ'লে নোৱাই তোলনী বা শান্তি বিয়া পাতে। তিনিটা ডিমৰু গুটি, এযোৰ সৰা চুলি, তামোল-পাণ এযোৰ আৰু এটি অৰিহণাৰে সৈতে এখন নতুন গামোচাৰে কনাই বন্ধা হয় । বিয়াৰ দিনা বুঢ়ীমাক, মাক, খুড়ীয়েকে সম্বন্ধীয় আদি তিৰোতাই একোটা উপহাৰ বা টকা সিকা দি ছোৱালীজনীৰ কোঁচৰ পৰা কনাই লোৱা আৰু ঘূৰাই দিয়া প্ৰথা কেৱল

ঠেঙ্গাল সমাজতহে প্ৰচলিত। কনাই হ'ল সৰু ল'ৰা-ছোৱালীৰ প্ৰতীক। বিয়াৰ দিনা দৰাপক্ষত পুৰুষসকল ঘৰৰ পৰা আঁতৰি থাকে।

ঠেঙ্গাল কছাৰী সমাজত একেটা বংশৰ দৰা-কইনাৰ ভিতৰত বিয়া-বাৰু কৰা নিষেধ। বিয়াৰ বন্দোবস্তৰ ক্ষেত্ৰত বংশ বিচাৰ কৰাটো অত্যন্ত কঠোৰভাৱে পালন কৰা হয়। একে বংশৰ মানুহ মৰিলে সেই বংশৰ সকলো পৰিয়ালে দহা-কাজ নোযোৱা পৰ্যন্ত লঘোণ বা ব্ৰত দিয়াটো নিয়ম। মৃত্যুৰ তিনি দিনত তিলনী, ব্ৰাহ্মণ-পুৰোহিতৰ সহায়ত মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে দহ দিনত দহা বা পিণ্ড দিয়া বা মাহেকত বা এঘাৰ দিনত কাজ বা শ্ৰাদ্ধ পতা হয়। কাজত মৃদঙ্গীয়া গায়ন-বায়ন লগায়। নপুৰুষ [Generation] আঁতৰ নোহোৱা পৰ্যন্ত এই নীতি-নিয়ম মানি চলা হয়। সেয়ে উৎসৱে-পাৰ্বণে মৃতকক দিয়া কাজ পাতিলে ন-পুৰুষলৈকে অন্ন ভোগা দ্ৰব্য অৰ্পণ কৰা, বৰবিয়াত দৰাপক্ষৰ পৰা নপুৰুষৰ শৰাধৰ চকলীপতীয়া ভোজ-ভাৰ আদি লোৱা নিয়ম প্ৰচলিত।

উল্লেখ কৰা হৈছে যে একেটা বংশৰ দৰা-কইনাৰ বিবাহ নিষিদ্ধ। বাল্য বিবাহ অপ্ৰচলিত। ঠেঙ্গাল কছাৰী সমাজত সাধাৰণতে বিয়া দুবিধ (১) বৰ বিয়া (২) আবিয়ৈ বিয়া বা জোৰণ দিয়া। বৰ বিয়াত দৰাই বৰযাত্ৰীসহ কইনাৰ ঘৰলৈ গৈ বৈদিক প্ৰথাৰে হোমাগ্নি কৰি ছোৱালী আনি ঘৰ সুমুৱায়। ছোৱালী খুজি প্ৰথম তামোল-পাণ দিওঁতে দৰাঘৰে দেকুৰীয়া পাচিত দুঘট দৈ, দুই টেকেলী গুৰ, দুমলা চতাত দিয়া পিঠা আৰু তামোল-পাণেৰে 'বাটচন্দা ভোজ-ভাৰ' দিব লাগে। সেইদৰে বিয়াৰ আগতে খেতি আৰম্ভ কৰাৰ সময়ত ছোৱালী ঘৰক 'বোকা গৰকা ভোজা' দিয়া নিয়ম। বিয়াৰ দিনা ন- পুৰুষৰ শৰাধৰ বাবে মাটিমাহ, কল, তামোল-পাণেৰে 'চকলী পতীয়া ভাৰ কইনাৰ ঘৰলৈ নিব লাগে। এই ভাৰ কইনা পক্ষৰ হৈ কইনাৰ ভাতৃয়ে গ্ৰহণ কৰাটো নিয়ম। লগতে এটেকেলী দৈ, এদোণ কোমল চাউল, এথোক তামোল, চাৰিগুছি পাণ আৰু একসিকি অৰিহণাৰে 'গৰখীয়া ভাৰ' শোধাব লাগে। দৰা-কইনা নোওৱা ঠাইত চাৰিওফালে কলপুলি পুতি বে'ই সজা হয়। যাদু-মন্ত্ৰ কৰি কোনেও যাতে হানি- বিঘিনি ঘটাব নোৱাৰে তাৰ বাবে ৰভাৰ খুঁটাৰ তলত আৰু বে'ইৰ তলত গোপনে মন্ত্ৰপূত হাঁহ কণী, পইচা আদি পোতে। ঠেঙ্গাল কছাৰী সমাজত বৰ বিয়া তিনিদিন, পাঁচদিন বা সাতদিনীয়াকৈ পতাৰ নিয়ম আছে। প্ৰথম দিনা টেকেলি, দ্বিতীয়া দিনা গাঠিয়ন, তৃতীয় দিনা বিয়া। জোৰণত কইনাৰ বাবে ফুল্ল বছা মুগাৰ মেখেলা, আঠুঁৰ বটাবছা ৰিহা-চাদৰ চোলা এসাজ, উকা মুগাৰ কাপোৰ এসাজ, এখন কপাহী চাদৰ, টকীয়া মুখৰ সোণৰ কেৰু, দুগদুগী, গামখাৰু, সোণ-ৰূপৰ আঙঠি, দুই পুৰীয়া সেন্দুৰ, গোন্ধ তেল, কাকৈ ফণি, এখন পাটী, এখন দলিচা, এটা গাৰু, দুযোৰ টেমী কটাৰী, হালধি, মাহ, গাঠিয়ন এটোপোলা, এথোক তামোল, কুৰিগুছি পাণ আৰু এভাৰ মাছ আনিব লাগে। এই আটাইবোৰ বস্তু কইনাই স্পৰ্শ কৰাৰ পিছত দুবিধকৈ দিয়া বস্তুৰ এভাগ দৰাঘৰলৈ ঘুৰাই আনে। গাঠিয়ন খুন্দোতে দৰাঘৰ আৰু কইনা ঘৰত খোলাং বুঢ়ী নচাটো ঠেঙ্গাল কছাৰীসকলৰ এক অনন্য কৃষ্টি। এই নাচত এগৰাকী বুঢ়ীয়ে মূৰৰ ওপৰত এখন ডলা বা কুলাত তামোলৰ বাকলি, এটি পাতি পইচা, এধাৰ অলংকাৰ লৈ বাঁহৰ আগৰ লাখুটি এডালত মাটিৰ ভগা পাত্ৰৰ খোলাকটি এটোপোলা বান্ধি লৈ ঢোলৰ 'লাখুটি বাওঁ লাখুটি বাওঁ, লাখুটি নহ'লে কেনেকৈ যাওঁ' ছেওৰ তালত তাল মিলাই নাচি নাচি দৰাঘৰ হ'লে নিজৰ ছোৱালীৰ বাবে দৰা আৰু কইনা ঘৰ হ'লে নিজৰ ল'ৰাৰ বাবে ছোৱালী বিচাৰি মাটিৰ খোলাকটিখিনিকে টকা হিচাপে দি সেই দৰা বা কইনাগৰাকীক কিনি অলংকাৰডাল পিন্ধাই থৈ

যায়। বুঢ়ীগৰাকীয়ে কোনো কোনো সময়ত কাণেৰে কম শুনা, অকৰা হোৱা দেখুৱাই হাস্যৰসৰ সৃষ্টি কৰে। সুৱাগুৰি তোলোতেও এই বুঢ়ীয়ে তামোলৰ বাকলি আদি ডলা বা কুলা এখনত লৈ নচাৰ বাবে এই নাচক 'কলাবুঢ়ী নাচ' বুলিও কোৱা হয়। সন্ধিয়া দৰা বা কইনাৰ মাকে আয়তীসকলৰ সৈতে পৱিত্ৰ পোছাক পৰিধান কৰি এটা কাঁহৰ কলহত এঁৰা সূতা মেৰিয়াই মুখত এটি আমৰ ডাল দি কটাৰী লৈ নৈ, নিজৰা, পুখুৰীৰ পৰা পানী আনে। এজনী কুমাৰী ছোৱালীয়ে মাকৰ সন্মুখত দুণৰি ধৰি যায়। ঢুলীয়াই পানী তোলাৰ বিশেষ ছেও বজায়। এইদৰে পানী তোলাতো ঠেঙ্গাল কছাৰী বিবাহৰ এক পৰম্পৰা। দৰা আহি পালে ডেকাহঁতে দৰা আগচি শৰাই আদি লোৱা, বিবাহ সম্পন্ন হৈ যোৱাৰ পাছত টেমী কটাৰী সলোৱা, আঙঠি লুকুওৱা আদি লোকাচাৰ প্ৰচলিত।

জোৰোণ পিন্ধোৱা বা আবিয়ৈ বিয়া ঃ

ঠেঙ্গাল কছাৰী সমাজত প্ৰচলিত আন এবিধ বিয়া হ'ল আবিয়ৈ বিয়া বা জোৰণ পিন্ধোৱা বিয়া। এই বিয়া এদিনীয়াকৈ পতা হয়। দৰা-কইনাৰ ঘৰলৈ নাযায়। পৰিয়ালৰ মুৰববী আৰু গাঁৱৰ কেইগৰাকীমান মুখিয়াল বুঢ়া-বুঢ়ীয়ে জোৰণখিনি পিন্ধাই সজাই-পৰাই ভোজ-ভাত খাই দিনৰ ভাগতে ছোৱালীক দৰা ঘৰলৈ আনে। বৰ বিয়া আৰু আবিয়ৈ বিয়াত দৰা-কইনাৰ দুয়োপক্ষৰ উপস্থিতিত সাংসাৰিক জীৱনৰ প্ৰয়োজনীয় কাঁহী-বাটি, কাপোৰ-কানি, বিছনা-পত্ৰ, উঘা-চেৰেকী, তাঁতশাল, গাইগৰুকে আদি কৰি ৰভাৰ তলতে সমজুৱাভাৱে দৰা-কইনাক উছৰ্গা কৰা হয়। বিয়াৰ তৃতীয় দিনা দুপৰীয়া কইনাৰ গাৰ অলংকাৰখিনিৰ পৰা খোবা-খুবুনী নামৰ ভূত-ভূতুনি দুটা খেদিবৰ বাবে খোবা-খুবুনী সবাহ পাতে। উল্লেখনীয় যে ভীমকলৰ আগলি পাতত কইনাৰ আ-অলংকাৰখিনি থৈ গাঁৱৰ বৃদ্ধজনে শিৱ-পাৰ্বতীৰ মুখ ভঙা মন্ত্ৰ গায়। হালোৱাই নাঙল-যুঁৱলিৰে দৰা-কইনাক যুটি লৈ গোট কৰাই চোবাই চোবাই, তামোল-পাণ খাই দৰা-কইনাৰ গাত পিক পেলাই, এছাৰিৰে কোবাই হাল বায়। দৰা-কইনাৰ মংগল আৰু হৰগৌৰীৰ বসতি হ'বলৈ ৰাইজে আশীৰ্বাদ দিয়ে। শেষত দৰা-কইনাই একেলগে ঢেঁকী দি পিঠা খুন্দি ৰাইজক খাবলৈ দিয়ে। লগতে ভোজ-ভাতৰো ব্যৱস্থা হয়। বৰ্তমান অসমৰ আন সম্প্ৰদায়বিলাকে বিয়াৰ পাছত পতা খোবা-খুবী অনুষ্ঠান এই ঠেঙ্গাল কছাৰীসকলৰেই অৱদান। ছোৱালী পলুৱাই নিলেও বা চপনীয়া খাটিলেও ৰাইজক পোহনি অৰ্থাৎ উদ্ধাৰণী দি সমাজ ল'ব লাগে। আন সম্প্ৰদায়ৰ মাজত থকা বুঢ়া বিয়া ঠেঙ্গাল কছাৰী সমাজত নাই।

গীত-মাত লোক-সাহিত্য ঃ

ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত মৌখিক লোক-সাহিত্যই অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ ভিতৰত গীত-মাত, ৰূপকথা, খণ্ডবাক্য, প্ৰবচন, সাধুকথা আদিয়েই প্ৰধান। ঠেঙ্গাল কছাৰীসকলৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণত ব্যৱহাৰ কৰা গীত-মাত যেনে লখিমী সবাহৰ গীত, পানীতোলা সবাহৰ গীত, আয়ুস তোলা সবাহৰ গীত, অপেশ্বৰী সবাহৰ গীত, গৰখীয়া সবাহৰ গীত আদিয়েই প্ৰধান। তদুপৰি বিভিন্ন তন্ত্ৰ-মন্ত্ৰ যেনে মুখ ভঙা মন্ত্ৰ, মাছুৰ কাঁইট লগা, মুগা পোহোতে পালন কৰা নীতি-নিয়ম আদি লোকাচাৰে অসমীয়া সংস্কৃতিৰ ভঁৰাল জীপাল কৰি ৰাখিছে। কিছুমান বিশেষ অৰ্থ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা খণ্ডবাক্য ঠেঙ্গাল কছাৰী সমাজত প্ৰচলিত যেনে-

বাটতে শালিকি কি কৰ মাণিকী / ৰোৱাইছো কছাৰী শালি
ৰোৱণীয়ে খাবলৈ তামোল নাইকিয়া / কটাইছো ডিমৰু চালি।

ঠেঙ্গাল কছাৰী সমাজ ঃ কাছমাৰীৰ ঠেঙ্গাল কছাৰীৰ ৰাজ্যৰ প্ৰাচীন কীৰ্তিচিহ্নবোৰৰ বাদেও ঠেঙ্গাল কছাৰী সম্বলিত ভালেমান ঐতিহ্য তিতাবৰ অঞ্চলত সততেই চকুত পৰে। ঊনৈশ শতিকাৰ শেষৰফালে তেতিয়াৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীকেশৱচন্দ্ৰ দেৱে ভালেমান ঠেঙ্গাল গাঁৱৰ মানুহক একেলগে বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰি সেই এলেকাটিক 'ঠেঙ্গাল চহৰ' ৰূপে নামাংকিত কৰে। এই চহৰখনত বৰ্তমান আশীখন গাঁৱৰ আশীটা খেল লগ লাগি বৰ ঠেঙ্গাল চহৰ হিচাপে জনাজাত হৈ আছে। তেতিয়াৰে পৰা তিতাবৰকে সামৰি ইয়াৰ নিকটৱৰ্তী ঠাইখিনি ঠেঙ্গাল চহৰ হিচাপেই জনা যায়। তদুপৰি ইংৰাজৰ আমোলত পুৰন্দৰ সিংহ (ইংৰাজৰ কৰতলীয়া ৰজা)ৰ দিনত যোৰহাট নগৰৰ পৰা দহ কিলোমিটাৰ দক্ষিণে বুঢ়াগাঁও, তামোলবাৰী, বালিজান, বজালবাৰী, ন-পাম, ন-চুঙী, মৰঢলী, উলুতলী, উজনি ঢলীকোষ, নামনি ঢলীকোষ, কাৰলীবাৰী, চৰীয়া পথাৰ আদি ঠেঙ্গাল কছাৰী গাঁওসমূহ সামৰি গঠন কৰা ঠেঙ্গাল মৌজায়ো ঐতিহ্যৰ স্বাক্ষৰ বহন কৰিছে। সেইদৰে পঞ্চায়তী ৰাজ ব্যৱস্থাতো ইয়াৰ প্ৰতিফলন ঘটিছে পূব ঠেঙ্গাল, মধ্য ঠেঙ্গাল আৰু পশ্চিম ঠেঙ্গাল গাঁও হিচাপেই চিহ্নিত কৰি চৰকাৰী চিঠাবহীত সন্নিৱিষ্ট কৰা আছে। ঠেঙ্গাল কছাৰীসকলৰ নাম স্মৰণীয় কৰি ৰাখিবৰ কাৰণেই প্ৰখ্যাত চাহ খেতিয়ক শিৱপ্ৰসাদ বৰুৱাই জালুকনিবাৰীৰ বালিজান গাঁৱত ১৮৮৫ চনত বিখ্যাত হাউলী 'ঠেঙ্গাল ভৱন' (Thengal Monor) নিৰ্মাণ কৰে। ই বৰ্তমান যোৰহাট জিলাখনৰ এটা অন্যতম পৰ্যটন কেন্দ্ৰ।

বৰ্তমান অসমত বাস কৰা ঠেঙ্গাল কছাৰীসকলক ব্ৰহ্মপুত্ৰৰ পাৰ আৰু দক্ষিণ পাৰ হিচাপে দুভাগে বিভক্ত কৰা হয়। দক্ষিণ পাৰে যোৰহাটৰ তিতাবৰ ৰাজহ চক্ৰ, গোলাঘাট জিলাৰ ধনশিৰি ঠেঙ্গাল গাঁও, পঙ্কা, মৰঙী, বুঢ়াগোহাঁই খাট, সৰুপথাৰ, চাউদাং পথাৰ, গমাৰি, চিচুপানী, মেৰাপানী, কাছমাৰী আদি অঞ্চলত ঘন জনবসতিপুৰ্ণ ঠেঙ্গাল গাঁও আছে। সেইদৰে কাৰ্বি আংলংৰ ভিতৰ কালিয়নী, শিৱসাগৰ জিলাৰ সোণাৰি, নাজিৰা, আৰু ডিব্ৰুগড় জিলাৰ চাচনী অঞ্চলত ভালেমান ঠেঙ্গাল গাঁও আছে। উত্তৰ লখিমপুৰ জিলাৰ বিহপুৰীয়া, বঙালমৰা, বান্দৰদেৱা, হাৰমতী, লালুক, গোগামুখ, ফুলবাৰী, তেলাহী আৰু ধেমাজি জিলাৰ কৃষ্ণপুৰ, নাহৰবাৰী, গড়পাৰা, জোনাই আদি অঞ্চলত জনবহুল ঠেঙ্গাল কছাৰী গাঁও আছে। শোণিতপুৰ জিলাৰো বিভিন্ন ঠাইত ঠেঙ্গাল কছাৰী মানুহ সিঁচৰতি হৈ আছে। অসমৰ বিভিন্ন ঠাইত ঠেঙ্গাল কছাৰী মানুহ আন আন জনগোষ্ঠীৰ লগত সংমিশ্ৰণ হোৱা দেখা যায়। ডিব্ৰুগড় জিলাৰ বগীবিল, খোৱাং আদি অঞ্চলত ভালেমান ঠেঙ্গাল গাঁৱৰ অৱস্থিতিৰ বিষয়ে জানিব পাৰি। কিন্তু এই গাঁওসমূহত এঘৰো ঠেঙ্গাল কছাৰী মানুহ নাই, আহোম সম্প্ৰদায়ৰ মানুহহে আছে। লখিমপুৰ জিলাৰো আন আন ঠাইত ঠেঙ্গাল কছাৰী বংশৰ পৰিয়াল সোনোৱাল কছাৰীসকলৰ লগত সংমিশ্ৰণ হৈ থকা দেখা যায়। এটা কথা অনস্বীকাৰ্য যে চিৰ পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাক মেটমৰা প্ৰাচুৰ্যৰে ভৰা ভাষা-সংস্কৃতিয়েও ধৰি ৰাখিব নোৱাৰে। হ'লেও নৃতাত্বিক অৱস্থিতি-সাংস্কৃতিক বৈশিষ্ট্যতা, ধৰ্মীয় আচাৰ-নীতি, সুকীয়া বংশ-পৰম্পৰাৰে এই ঠেঙ্গাল কছাৰীসকল অসমৰ এটা সুপ্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী।

সহায়ক গ্ৰন্থপঞ্জী ঃ

(১) হিতেশ্বৰ বৰবৰুৱা ঃ আহোমৰ দিন

(২) সৰ্বানন্দ ৰাজকুমাৰ ঃ ইতিহাসে সোঁৱৰা ছশটা বছৰ

(৩) পদ্মনাথ গোহাঞি বৰুৱা ঃ অসমৰ বুৰঞ্জী

(৪) E.A.Gait ঃ A History of Assam

(৫) H.K. Borpujari ঃ The Comprehensive- History of Assam Vol-II

(৬) ডঃ যোগেশ্বৰ বৰা ঃ 'চীনৰ পৰা দৈয়াঙলৈ-ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা।' অসম সাহিত্য সভাৰ ৬২তম অধিৱেশন (১৯৯৬ চন)ৰ স্মৃতিগ্ৰন্থ 'নামদৈয়াঙ'ত প্ৰকাশিত প্ৰবন্ধ

(৭) ডঃ যোগেশ্বৰ বৰা ঃ 'ঠেঙ্গাল কছাৰীৰ লোক সংস্কৃতি আৰু অসমীয়া সমাজত ইয়াৰ প্ৰভাৱ', ঠেঙ্গালদৰ্পণ স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰীৰ সংগঠন তিতাবৰ অধিৱেশন (১৯৯৪ চন)

(৮) ধ্ৰুবজ্যোতি বৰা ঃ মোৱামৰীয়া গণ অভ্যুত্থান—বিদ্ৰোহৰ দিনলিপি

(৯) ধ্ৰুবজ্যোতি বৰা ঃ মোৱামৰীয়া গণ অভ্যুত্থান—অসমৰ সমাজ বিকাশৰ ইতিহাস

(১০) ডঃ লক্ষ্মী দেৱী ঃ অসম দেশৰ বুৰঞ্জী

(১১) প্ৰচলিত জনশ্ৰুতি আৰু লোককথা

দ্বিতীয় অধ্যায়

সমগ্র জীবন দর্শন

ৰাভা জনগোষ্ঠীৰ বিভিন্ন উপগোষ্ঠী আৰু তেওঁলোকৰ সমাজ-ব্যৱস্থা

ড° উপেন ৰাভা হাকাচাম

ভাৰতীয় সংবিধানৰ অনুসূচিত জাতি (ভৈয়ামৰ) হিচাপে তালিকাভুক্ত অসমৰ অন্যতম জনগোষ্ঠী ৰাভা। ইণ্ডো-মংগলয়দ্ নৃগোষ্ঠীৰ তিব্বতবৰ্মীয় মূলৰ ভাষা-ভাষী ৰাভাসকল নামনি অসমৰ জিলাকেইখনত আৰু মেঘালয়ৰ পূব আৰু পশ্চিম গাৰোপাহাৰ জিলাত কেন্দ্ৰীভূত হৈ আছে যদিও অসমৰ পাহাৰী জিলা দুখনত, অবিভক্ত শিৱসাগৰ, লখিমপুৰ, দৰং আৰু পশ্চিমবংগৰ কোচবিহাৰ তথা জলপাইগুৰি অঞ্চলতো ছেগা-চোৰোকাকৈ বসবাস কৰি আছে। ১৯১১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী ভাৰতত ৰাভাসকলৰ মুঠ জনসংখ্যা ২,৬৩,৮৭২ জন। ইয়াৰে অসমত ২,৩৬,৯৩২, মেঘালয়ত ২০,৪৫৪, পশ্চিমবংগত ৬,৩২৫ আৰু অন্যান্য ৰাজ্যত ১৬১ জন। ৰাভাসকল প্ৰধানকৈ আঠটা খেলত বিভক্ত। ইয়াৰে ভাষা প্ৰৱৰ্তাই ৰখা অনা-আৰ্যীভূত খেল তিনিটা হ'ল মায়তা বাৰায় (মায়তৰীয়া), ৰংদা বাৰায় (ৰংদানি, ৰংদানীয়া), ছোংগা (কোচা ৰাভা, কোচ, চুঙা) আৰু ভাষা পাহৰি পেলোৱা আৰ্যীভূত খেল পাঁচোটা হ'ল—পাতি (হাবায়), দাহৰি (দাভুৰতাং), বিতলীয়া, টোটলা আৰু হানা। এওঁলোকে ঘৰত 'লেমাকাথা' অৰ্থাৎ ৰাভামিজ (ৰাভা-অসমীয়া)ত ভাব বিনিময় কৰে। তদুপৰি লোক মানসিকতাৰ (বৰ্বৰতা, অঁকৰামি, গোড়ামি, লজ্জাশীলতা, হীনমন্যতা, উদাৰতা, চতুৰালি, সৰ্ব্বৰহিতা, উচ্চাত্মিকা, সোৰোপালি, নিচাখোৰ, উদ্যোগী, মাৰ্জিত, শিষ্টাচাৰিতা ইত্যাদি) স্তৰভেদে তেওঁলোকৰ চাল-চলন নিৰীক্ষণ কৰি ওচৰ-চুবুৰীয়া কিম্বা বিভিন্ন ধৰ্মগুৰু বা গৱেষকে এওঁলোকক একো একোটা নাম (শৰণীয়া, মদাহী, ধিমালী কছাৰী, হালুৱা প্ৰভৃতি) দিছিল বাবে ৰাভাসকলে তেনে একো একোটা বিশিষ্ট পৰিচয় কালক্ৰমে লাভ কৰে।

আনহাতে বিভিন্ন অঞ্চলত বিভিন্ন সংস্কৃতিৰ সৈতে সনাপোটোকা হৈ বা নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখি ইটো ফৈদে সিটো ফৈদক হীনতাসূচক (ঘৃণা বা তাচ্ছিল্য কৰি) নতুবা মান্যতাসূচক (সমীহ বা শ্ৰদ্ধা কৰি) নামকৰণেৰে পৰিচয় দিয়া ক্ৰীড়াধৰ্মী মানসিকতাই ৰাভা জনগোষ্ঠীৰ বিভিন্ন খেল বা ফৈদৰ (উপগোষ্ঠী) উৎপত্তিৰ মূল কাৰণ।

স্বৰাজোত্তৰ কালত সমূহ উপগোষ্ঠীৰ বাবে উমৈহতীয়া মঞ্চ (ৰাভা প্ৰান্তীয় পৰিষদ, ৰাভা সাহিত্য সভা, নিখিল ৰাভা ছাত্ৰ সন্থা ইত্যাদি) ঠন ধৰি নুঠা সময়লৈকে এই বিভাজনমুখী ধাৰা অব্যাহত আছিল। আনকি ইটো উপগোষ্ঠীয়ে সিটো উপগোষ্ঠীৰ সৈতে বৈবাহিক ক্ষেত্ৰতেই নহয়, খোৱা-লোৱাৰ ক্ষেত্ৰতো বাছ-বিচাৰ কৰিছিল। অৱশ্যে সম্প্ৰতি এনে ঠেক মনোবৃত্তি ৰাভা সমাজৰ পৰা একপ্ৰকাৰ উঠি গৈছে যদিও নতুনকৈ ৰাভাসকলৰ মাজত গা-কৰি উঠা কেতবোৰ ধৰ্মৰ ধৰ্মীয় গোড়ামিৰ প্ৰভাৱে কোনো কোনো ক্ষেত্ৰত ৰাভা সমাজকো নুচুৱাকৈ থকা নাই। এই বিভিন্ন কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত ৰাভা জনগোষ্ঠীৰ সেয়েহে বিভিন্ন উপগোষ্ঠীগত বৈচিত্ৰ্য অতি স্পষ্ট।

ৰাভা জনগোষ্ঠীৰ বিভিন্ন উপগোষ্ঠীৰ মাজত পোৱা এই অনুবিৱৰ্তনীয় ধাৰাৰ স্বকীয়তা সম্পৰ্কে অৱশ্যে পণ্ডিতসকল একমত নহয়। সেই মতামত চালি-জাৰি চাই প্ৰতিটো উপগোষ্ঠীৰ এটা পৰিচয়মূলক টোকা দিয়া হ'ল।

মায়তা বাৰায় (মায়তাৰি/মায়তৰীয়া)ঃ লেৱা বি'কায় (লেৱা টানা), কিল্লা দিবিকায় (দুৰ্গ বিজয়), হৈমাৰু (হুঁচৰি জাতীয় ধৰ্মীয় গীত) আৰু ছাথাৰ (বিহু ধৰ্মীয় গীত-নাচ)সহ অতি আড়ম্বৰপূৰ্ণভাৱে বায়খো উৎসৱ উদযাপন কৰোঁতা, বুকুত ৰি'ফান-কাম্বুংচখনে বৰ্তমানে ফুলাম লেমফটা (পাতনি)ৰে তিৰোতাসকলে মাটি লেটিয়াই (লি'মবাবাক) পিন্ধি, মুখত হাঁহি আৰু প্ৰাণখোলা কথাৰে অতিথি (বাৰায়তাং) আপ্যায়নত অতিশয় সিদ্ধহস্ত, সাদৰী ভাষাৰে লেনিয়াই লেনিয়াই (ৰিণবিকায়) মাত মাতি দৈনন্দিন জীৱন যাপন কৰোঁতা এক শ্ৰেণীৰ লোকেই 'মাতাবাৰায়' নামে পৰিচিত ৰাভাসকল। মায়তা বাৰায়ৰ স্বকীয়তাৰ ভিতৰত (ভাষাৰ ক্ষেত্ৰত) মহাপ্ৰাণীভৱনতাৰ প্ৰাচুৰ্য, 'ন'ৰ ঠাইত 'ম', 'ৰ'ৰ ঠাইত 'ল', উচ্চ স্বৰধ্বনিৰ প্ৰাবল্য আৰু আৰ্যমূলীয় বাংলা-অসমীয়া শব্দ—বাক্যৰীতিৰে ভাৰাক্ৰান্ত; (সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত) গাঁওকেন্দ্ৰিক, বিশেষকৈ বায়খো উছৱৰ পৰা পলুৱাই অনা বিয়াৰ (নোক ধাংকায়) প্ৰতি অহেতুক দুৰ্বলতা, জীৱনৰ লগৰী নিৰ্বাচনৰ ক্ষেত্ৰৰ নাৰীৰ স্বাধীনতা আৰু মুকলিমূৰীয়া জীৱন-যাত্ৰা, সমজুৱা শ্মশানৰ পৰিৱৰ্তে গাইগুটীয়া শ্মশানত (পথাৰৰ এচুকত) মৰাশ সৎকাৰ কৰা আৰু তামোলক টেবু হিচাপে মানি বাৰীত তামোল-পাণৰ খেতি নকৰা, একেলগে একেখন চোতালৰ দুয়োফালে দীঘলীয়াকৈ শাৰী শাৰী ঘৰ সাজি (কলনী সদৃশ) বসবাস কৰিবলৈ ভাল পোৱা আদি মায়তৰি ৰাভা সমাজৰ বিশেষ বৈশিষ্ট্য। বৰ্তমান ভৈয়ামৰ বালিচঁহীয়া ঠাইত ঘৰ-দুৱাৰ সাজি হাবাং (পথাৰ)ত শালি খেতি কৰিলেও তাহানিতে হাগাইবক অৰ্থাৎ ঝুমতলিতহে আহু খেতি কৰিছিল। এওঁলোকে গৰু-ছাগলী পুহি, গোবৰেৰে ঘৰ-দুৱাৰ মচি অতি নৈষ্ঠিক জীৱন যাপন কৰিবলৈ ভাল পায়। এওঁলোকৰ ছোৱালী বা তিৰোতাবিলাকে সেঁওতা ফালি কেশসজ্জা কৰিব জানিছিল আৰু বিবাহিতা তিৰোতাসকলে শিৰত সেন্দুৰ আৰু হাতত শংখৰ ছাংকা (শাঁক) পৰিধান কৰিছিল। বিধৱাসকলে কিন্তু নিৰি আংকাৰ-নিছি আংকাৰ নামৰ উগ্ৰ ক'লা-নীলা পটিযুক্ত মেখেলা পিন্ধাৰ পৰা বিৰত থাকিবলগীয়া হৈছিল।

জনশ্ৰুতি মতে বায়খো পূজাৰ সময়ত এওঁলোকে ভাত (মায়ে) বিতৰণ কৰা কাৰ্যত (তাৰি) নিযুক্ত হৈছিল বাবে এই নাম। 'মায়তাক (ভাতৰ চৰু) গছায় মায়ে ছাকায়' অৰ্থাৎ একান্নবৰ্তী গোত্ৰ বা বংশ-পৰিয়ালৰ পৰাও এই নামটো আহিব পাৰে। সৰহ সংখ্যক লোকৰে ধাৰণা টাৰি অৰ্থাৎ নদী-কাষৰীয়া বাম মাটিত খেতি কৰা কাৰ্যৰ পৰাহে 'মায়তাৰি' শব্দটোৰ ব্যুৎপত্তি হৈছে। এওঁলোকৰ মাজত মাতা বা মায়তা বাৰায় অৰ্থাৎ গোত্ৰৰ লোকেই বেছি। কালক্ৰমে মায়তা গোত্ৰৰ প্ৰাধান্য থকা কাৰণে

এই উপগোষ্ঠীয়ে মায়তাৰি (মায়তা + বাৰায় + ঈয়া / Mayta + baray + ian > মায়তৰীয়া Maytorian) নামেৰে জনপ্ৰিয় হৈ উঠিব পাৰে। এওঁলোকে নিজকে এতিয়া দি'মছিং ক্ষেত্ৰীৰ বংশধৰ আৰু তামায়-নাকাতি ছুছাৰি-দাদুৰি (দদান ৰজাৰ ভাগিনীয়েক)ৰ যোগ্য উত্তৰাধিকাৰী বুলি দাবী কৰে।

এওঁলোকৰ মাজতো বহু মাতৃপক্ষীয় গোত্ৰ-উপগোত্ৰৰ প্ৰচলন আছে। তাৰ ভিতৰত পামিলা (ৰংদানি ঃ পাম), নকচেৰ, দৰে, দিপকা আদি গোত্ৰৰ লোকৰ সংখ্যাই বেছি। বৰ্তমান মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলা আৰু অসমৰ গোৱালপাৰা জিলাৰ সীমামুৰীয়া অঞ্চলত (মেচপাৰা মধ্যাঞ্চলৰ বায়দা, ছাতাবাৰী, হাতীশিলা, চৈবাৰী, পানীশালি, মেঘালয় ৰাভা জাতীয় সেৱা সংঘৰ অন্তৰ্গত টিক্ৰিকিল্লা-কদমশালি, ফটামাটি, পাহাম, নিধানপুৰ, কামা বাটাপৰা, শ্যামনগৰ ফুলবাৰী আদি অঞ্চল আৰু মেচপাৰাৰ পূৰ্বাঞ্চলৰ দাৰিদুৰি অঞ্চলত এওঁলোক সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰি আহিছে। এওঁলোকৰ কিছু লোক বৰ্তমানে গুৱাহাটীৰ আনন্দপুৰ, বোন্দা, গোলাঘাটৰ ধূপগুৰি আদি অঞ্চলত প্ৰব্ৰজিত হৈ ন-কৈ বসতি স্থাপন কৰিছে। সমূহ ৰাভা জনগোষ্ঠীৰ আনুমানিক বাৰ শতাংশ লোক এই খেলৰ।

ৰংদা বাৰায় (ৰংদানীয়া) ঃ বছৰেকীয়াভাৱে 'হাৰি চোককায়' অৰ্থাৎ কৰ্মবিৰতি উদ্‌যাপন কৰি হাছুং ধাংকায়' পূজা কৰোতা, কিছু চুটি আৰু কলাফুল নগৰকা (চংক্ৰেকেং) ৰি'ফান পিন্ধি তিৰোতাসকলে হাবিত খৰি লুৰি আৰু তাহানিতে বৰং (টঙি) ৰখি হামজাৰ (ঝুমখেতি) কৰি অবাধ মিলা-মিচাৰ পৰিপন্থী ৰক্ষণশীল সমাজৰ বঁৰি বি'কায় (ঘেৰাও কৰি জোৰ-জুলুমকৈ কৰা বিবাহ), জাঙৱ দাংকায় (ঘৰজোঁৱাই ৰখা বিবাহ) আদি সমাজ-ব্যৱস্থাৰে, কিছু কঠুৱা আৰু কৰ্কশ মাতেৰে (ৰিন'দা বিকায়) দৈনন্দিন জীৱন যাপন কৰোতা এক শ্ৰেণীৰ লোকেই 'ৰংদা বাৰায়' নামে পৰিচিত ৰাভাসকল। এওঁলোকে সাধাৰণতে পাহাৰৰ টিলা একোটাৰ দাঁতিত এঘৰীয়াকৈ তামোল-পাণ, বাঁহ, কল আদি লাগনি গছেৰে বাৰী পাতি কৃত্ৰিম বান্ধ দি ফলা বাঁহেৰে বিশুদ্ধ পানী যোৱাৰ ব্যৱস্থাৰে জলপ্ৰপাত (দন্দ্ৰে) বোৱাই বা কেঁচা কুঁৱা খান্দি তাৰ ফটফটীয়া পানীৰে গাঁও পাতি বসবাস কৰে। ৰাজহুৱা শ্মশানত মৰাশ সৎকাৰ কৰি সৰু এটা জুপুৰি ঘৰ (সংগ্ৰাম) সাজি তাক জালেৰে আবৃত কৰি চিত্ৰ-বিচিত্ৰ চান্দল (চান্দোৱাৰ) ওলোমাই ফাৰকান্তি উৎসৱ উদ্‌যাপন কৰি (অশ্লীল গীত-মাতেৰে সাত দিন সাত ৰাতিলৈকে হাতাপাক শ্ৰাদ্ধ পাতিছিল) অতি আচহুৱা জীৱন যাপন কৰিছিল। তাহানিতে ৰংদানি ৰাভাই কেৱল ঝুম খেতি (হামজাৰ) কৰিছিল। গৰু-ম'হ পোহ মনাব জনা নাছিল। গোবৰ দেখিলে তিৰোতাসকলে ঘৃণাত নাক কোঁচাইছিল আৰু ঘৰৰ বেৰ আদিও গোবৰেৰে লিপা-মচা নকৰাটো কিছু বছৰ আগলৈকে ৰংদানি সমাজত দেখিবলৈ পোৱা গৈছিল। পুৰুষে গান্দু (লেংটি) আৰু কাণত নাদেং (কুণ্ডল) পিন্ধি প্ৰায় সগোত্ৰীয় আতং গাৰো (চিবংগেৰ বংশধৰ) আৰু ৰুগা গাৰোৰ দৰে অঘৰী জীৱন যাপন কৰিছিল। মোমায়েকৰ পুতেক বা জীয়েকক বিয়াত প্ৰাধান্য দিছিল (মামাৰ বেটী কালাই শাক)। এওঁলোকৰ কথিত ভাষা কিছু হুটা আৰু নীৰস। অল্পপ্ৰাণ ধ্বনিৰ প্ৰাধান্য, নিম্ন স্বৰধ্বনিৰ প্ৰাবল্য, ন আৰু ৰ ধ্বনিৰ যথাৰ্থ প্ৰয়োগ, গাৰো ভাষাৰ ৰূপতত্ত্ব আৰু শব্দসম্ভাৰৰ সৈতে বিস্তৰ সাদৃশ্য থাকিলেও স্বকীয়তা বৰ্তাই এই উপভাষাটোৱে মান্য ভাষাৰ মৰ্যাদা লাভ কৰিছে। এই উপভাষাতে ব্ৰিটিছ মিছনেৰিসকলে বাইবেলৰ মাৰ্ক খণ্ডৰ ভাঙনি (১৯০৩) আৰু নানা পুথি-পত্ৰ পোনপ্ৰথমে ৰচনা কৰিছিল। সমূহ ৰাভা জনগোষ্ঠীৰ প্ৰায় বিশ শতাংশ অধিকৃত এই উপগোষ্ঠীৰ লোকে মায়তাৰি আৰু পাতি উপগোষ্ঠীৰ লোকৰ সৈতে সানমিহলিকৈ মেঘালয়ৰ হালাইদাংগা, ওদালগুৰি, কাংকৰ পাৰা, নাগুৱা,

জুৰিগাঁও, ফেদাৰডোবা, জেৰডোবা, নিবাৰি, জংলা, মাণিকগঞ্জ আৰু অসমৰ মেচপাৰা মধ্যাঞ্চলৰ মালাধৰা, দেপালুচং, মেচপাৰা পূৰ্বাঞ্চলৰ বামুণদাংগা, নলংগা, বৰদামাল, মাৰ্কৰি, ভালুকডুবি, ৰামপুৰ, বামুণঘোপা, মৈৰচীয়া ৰাভা সমাজ, পুব অজগড় ৰাভা সমাজৰ অন্তৰ্গত বোদাহাপুৰ, গৰাইমাৰী, ৰংদান (নাবাং), দুধনৈ পশ্চিমাঞ্চলৰ খাচ জামাদৰ অন্তৰ্গত মেন্দিমা, চিলুক, চেঁচাপানী, দায়ৰং, জিৰা-খাৰদাং, ভীমাজুলি আৰু দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ অন্তৰ্গত কামাৰবৰী, ৰংপথাৰ, কন্যাকুছি, ছাতাবাৰী, বাখাৰাখুটি (নতুনকৈ উঠি অহা) আদিত সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰি আছে। তদুপৰি এই অঞ্চলৰ বহু ৰংদানি ৰাভা কাৰ্বি আংলঙৰ বৰথল অঞ্চল, গোলাঘাটৰ ধূপগুৰি, নাওজান, মিংমাং বনাঞ্চল, তিনিচুকীয়াৰ জাগুন, নামচাই বনাঞ্চল (অৰুণাচলৰ সীমামূৰীয়া) আৰু লক্ষীমপুৰৰ লাইমেকুৰী, চিলাপথাৰ আদিতো বসবাস কৰি আছে।

ৰংদান অঞ্চলত তাহানিতে এই উপগোষ্ঠীৰ লোকসকল বসবাস কৰিছিল বাবে ৰংদানি নাম পায় বুলি কোৱা হয়। আনহাতে দুই-এগৰাকী গৱেষক-পণ্ডিতে বায়খো পূজাৰ সময়ত শিল (ৰং) পৰা (দান) কাৰ্যৰ পৰাই 'ৰংদানি' নামটো হ'ব পাৰে বুলি ভাবে।

ৰোস্তাক (মাটিৰ চাউল থোৱা হাড়ী) পূজাৰ উপাসক বা ৰংদান। ৰংদাং (বৰলোকালি) আচৰণৰ পৰাও ৰংদা বাৰায়, কালক্ৰমে ৰংদানি বা ৰংদানীয়া (ৰংদান-ঈয়া) হ'ব পাৰে। এওঁলোকে নিজে মূল ৰাভা ভাষা-সংস্কৃতিৰ ধাৰক আৰু বাহক আৰু দদান-মাৰুক্ষেত্ৰীৰ যোগ্য উত্তৰাধিকাৰী (বুলি থোক অৰ্থাৎ বাণ ৰজাৰ বংশধৰ) চন্দুক, লেম, ছন্তোক, পাম, ৰুদুং, তেংতং আদি গোত্ৰৰ লোক বেছি আৰু এওঁলোকে পৰম নিষ্ঠাৰে সাত দিন, সাত ৰাতি দিগিনাংগিৰি, (ফেদাৰডোবা)ত নায়ৰংগ্ৰি-বায়ৰংগ্ৰি স্তৰৰ বায়খো পূজা কৰিছিল; য'ত পূজাৰীসকলে জ্বলন্ত অঙঠাৰে অগ্নিস্নান কৰিব লাগিছিল। চাম্পায়মাৰী এওঁলোকৰ অন্যতম দেৱী, যিজনাৰ বাহন বাঘ।

পাতি (হাবায়/হালুৱা)ঃ লেমাকাথা বা ৰাভামিজ ভাষা-ভাষী, লাঙামাৰা আৰু কেঁচাইখাইতীৰ উপাসক, টুকুৰীয়া, হয়মাৰং, মাৰেগান, বহুৰাঙী, বগেজাৰী, ভালুক নচুৱা, ভাৰী গান আদি গীত-মাতৰ প্ৰৱৰ্তক, ৰাঙামণি, ৰাঙাফালি, ৰাঙাপাতানি আদি সাজ-পাৰেৰে সুশোভিতা আৰ্যীভূত ৰাভা সমাজৰ লোকসকলকে 'পাতি ৰাভা' বুলি জনা যায়। অন্যান্য ভাষা-ভাষী ফৈদৰ ৰাভাসকলে এওঁলোকক 'হাবায়তাং' অৰ্থাৎ হালুৱৈ বুলিহে অভিহিত কৰিব বিচাৰে। মেচপাৰা অঞ্চলৰ লক্ষীপুৰ চহৰত বসবাস কৰা তাহানিতে জমিদাৰৰ মাটি চহ কৰা এক শ্ৰেণীৰ লোক এতিয়াও 'হালুৱা ৰাভা' হিচাপে জনাজাত। অন্যান্য ৰাভাসকলৰ দৰে এওঁলোকৰ সমাজতো মদ-জুগলী, পিঠালি বা গুৰা আঙ্গা, সিন্দল-ছিদল, বাৰা মসং-চৰে মসং (গাহৰি-কুকুৰাৰ মাংস), অৰুচি গছৰ গুটি, কাংকৰ -কুচিয়া (কেঁকোৰা-কুচিয়া), শামুক আদি অভক্ষ্য নহয়, ঢোকা, বৰবিয়া, বিধৱা, ঘুগু বিয়াৰ নিচিনাকৈ 'পাণ ছিৰা-ছিৰি' প্ৰথাৰে বিবাহ বিচ্ছেদ কৰা বিধিৰো প্ৰচলন আছে। সেইদৰে টঙিঘৰ (ৰংদানি-মায়তাৰিৰ ঃ বৰং/ভৰং) ৰখি নৰঙা বা ঝুমতলিত খেতি-বাতি কৰা প্ৰথাৰো প্ৰচলন আছিল। এওঁলোক বহুক্ষেত্ৰত অন্যান্য কলিতা-কোচৰ দৰে হিন্দুৰ বিভিন্ন পন্থাৰ অনুগামী আৰু মোমায়েকৰ জীয়েকক বিয়াত প্ৰাধান্য দিয়াৰ দৰে পুৰণিকলীয়া প্ৰথাৰ দুৰ্ঘোৰ বিৰোধী। তদুপৰি এওঁলোকৰ তিৰোতাসকলে মাছ মৰা, ভুঁই ৰোৱা, ঢেঁকী দিয়া, বোনা ভানা, ধান কোবোৱা, চিকাৰ কৰা আদি কাম কৰিলেও খৰি লুৱা কাম মুঠেই নকৰে। এওঁলোকে একোখন প্ৰকাণ্ড বাৰীৰে ওখ ঢাপ (দামল) তুলি উত্তৰে গুৱা, দক্ষিণে ধুৱা, পূবে হাঁহ, পশ্চিমে বাঁহ

আৰ্হিৰ ভঁৰাল-গোহালি প্ৰমুখ্যে বিভিন্ন ঘৰ সাজি গাঁও পাতি বসবাস কৰে। গাঁও তথা সমাজ নিয়ন্ত্ৰণৰ বাবে জনপ্ৰিয় জ্ঞাতি, গিয়াছতি, মণ্ডল, কামসেনা আৰু জামাদ ব্যৱস্থাৰে তিনি খলপীয়া সমাজ-ব্যৱস্থাৰ প্ৰৱৰ্তক এওঁলোকেই। এওঁলোকো বয়নবিদ্যাত পাৰদৰ্শী আৰু এৰীসূতা কটা কামত পটু।

অসমৰ সৰ্বত্ৰতে এওঁলোকৰ বসবাস যদিও অবিভক্ত কামৰূপ, নগাঁও, দক্ষিণ গোৱালপাৰাৰ বায়দা-দিবকাই, বামুণভোবা-অভিৰামপৰা, হাতীগাঁও, কৃষ্ণাই শালপাৰা, সমূহ দুধনৈৰ পূৰ্বাঞ্চল-পশ্চিমাঞ্চল ৰাভা সমাজৰ অন্তৰ্গত গাঁওসমূহ; মেঘালয়ৰ মাণিকগঞ্জ জংলা, ৰিচু বেলপাৰা, ছুৱাৰমাৰি, বৰঝৰা, নিধানপুৰ আদি অঞ্চলত এওঁলোকৰ বসতি ঘন। এওঁলোকে দহ দিনত দাহা পেলায় আৰু মাছুৱানী (মৎস্য স্পৰ্শ) শ্ৰাদ্ধ পাতি মৃতকৰ উদ্দেশ্যে মায়চক (মদ-ভাত) আগবঢ়ায় (মিমাং বাৰাওৱা)। এওঁলোকৰ সমাজতো বাৰ মাহাৰীৰ প্ৰচলন আছে। পাতি ৰাভা সমাজত চুং/চুঙা, চিনাল, নাফা, নংডো, নদো, ডিয়া, ডগম্/দকম, ফাথো/ফাথৌ, ৰং ৰং, কচু, ডাৰু, মগৰ এই বাৰটা মাহাৰী (গোত্ৰ)ৰ প্ৰচলন আছিল। বৰ্তমান এওঁলোক ৰংদানি-মায়তাৰিসকলৰ মাজত থকা বাৰায় (পাম, বাঠো, ৰংখ আদি) আৰু খান্দা, দিয়া আদি উপাধিৰে নিজকে চিনাকি দিবলৈ লৈছে। পাতি ৰাভাৰ পৰিয়ালে অসমৰ অবিভক্ত কাছাৰ, কাৰ্বি আংলং, শিৱসাগৰ, লখিমপুৰ আৰু নাগালেণ্ড, মণিপুৰ, অৰুণাচল প্ৰদেশতো বসবাস কৰা বুলি লোকগণনাৰ তথ্যই আমাক জনায়।

'পাতি' নামটো ৰাজহুৱা ভোজৰ বাবে প্ৰয়োজনীয় কলপাত যোগান ধৰা নতুৰা মূল ফৈদৰ পৰা ফাটি যোৱা ঘটনাৰ পৰা হোৱা বুলি লোক-ব্যুৎপত্তি আছে। বহুতে আকৌ উত্তম বা মিহি জাতৰ এনে অৰ্থৰে পাতিহাঁহ, পাতিধানৰ দৰে 'পাতি ৰাভা' হোৱা বুলি ক'ব বিচাৰে। আমাৰ ধাৰণা, বৃটিছ পণ্ডিতসকলে দিয়া They speak a patois of Assamese Bengali languaege বিভূষণৰ পৰাহে পাতি পাটই নামটো পাইছে। নিজ মাতৃভাষা পাহৰি অসমীয়া বা বাংলা ভাষাৰ আঞ্চলিক মৃতপ্ৰায় ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰি দৈনন্দিন জীৱন যাপন কৰা এই শ্ৰেণীৰ আৰ্যীভূত ৰাভাসকলৰ বৃহত্তৰ অসমীয়া জাতি-সংস্কৃতি, বৰ্ণাঢ্য অসমীয়া ভাষা গঢ়াৰ ক্ষেত্ৰত বিশেষ বৰঙণি আছে।

দাহৰি (দাঙৰতাং)ঃ জুইৰ ওপৰত নাচি আত্মশুদ্ধি প্ৰদৰ্শাবলগীয়া খোকচি পূজা, সাতদিন-সাতৰাতি জুৰি কাকবাঁহেৰে বাৰসাপ (অজগৰ) নচুৱাই উদ্‌যাপন কৰা তৰংগা শ্ৰাদ্ধ আদি যিখন সমাজত প্ৰচলিত আৰু যিসকল পুৰুষে কাণত নাদেং আৰু মহিলাই হাতত মাইকংছান (গধুৰ খাৰু) পিন্ধে, যিসকলে অন্যান্য ৰাভা সমাজত গ্ৰহণীয় শামুক আদিক খাদ্য হিচাপে গ্ৰহণ নকৰে আৰু নিজকে বৰলোকালি (দাঙুৰতাং) দেখুৱাই অন্যান্য ৰাভাসকলৰ সৈতে হাট-বাট নকৰে আৰু অতি প্ৰাচীন কালত যিখন সমাজত সতী যোৱা প্ৰথাৰ প্ৰচলন আছিল, সেইখনে দাহৰি ৰাভাৰ সমাজ। এওঁলোকেও নিজ মাতৃভাষা পাহৰি পেলাইছে আৰু পাতি ৰাভাৰ দৰে ৰাভামিজ ভাষাৰে কথা-বতৰা পাতে, কিন্তু এওঁলোকৰ উচ্চাৰণ আদি শ্বাসাঘাতযুক্ত। সাজ-পাৰ আৰু গৃহ নিৰ্মাণ ৰীতিৰো প্ৰায়ে পাতি ৰাভাৰ সৈতে একে বাবে বহুতে এওঁলোকক পাতি ৰাভা বুলিয়েই ভ্ৰম কৰে। পূৰ্বতে দাহৰি ৰাভাই মৰাশ সৎকাৰ কৰাৰ আগতে মাটিত কিছুদিন পুতি ৰাখিছিল। এতিয়াও আমতোলা মামাকটা অঞ্চলৰ (পঞ্চৰত্ন) দাহৰি ৰাভাই মৰাশ সৎকাৰ নকৰে। দাহৰি ৰাভাই ব্যৱসায়-বাণিজ্যও কৰিছিল। সেয়েহে নাও বা ঘোঁৰাত উঠি বণিজ কৰাৰ বিৱৰণ কাহিনীগীতত পোৱা যায়। মুঠ ৰাভা জনগোষ্ঠীৰ পাঁচ শতাংশৰো কম এই

উপগোষ্ঠীৰ লোক দুধনৈ অঞ্চলৰ কোৰোঞ্চাকোণা, চিতকোণা, বেলডেংপাৰা, ...পাৰা, লেথেংপাৰা, পেচকাৰপাৰ, উদিকাপাৰা, খেৰমোহৰা, মেচপাৰা পূৰ্বাঞ্চলৰ ৰাভা সমাজৰ অন্তৰ্গত চাৰি মণ্ডল চুটকি, কল্যাণপুৰ, জামাদৰ বামুণদাংগা, ছোটদামল, শিলদাঙা, চুটাকি, মাকৰি-বামুণঘোপা, কল্যাণপুৰ, খাৰবোজা/ডাকুৰভিটা, আমতোলা, মামাকটা, পাতিপাৰা আদি গাঁৱত, বঙাইগাঁও জিলাৰ যোগীঘোপা, খেৰপুজি, খগৰপুৰ, বৈটামাৰী, কাকাৰাগাঁও, মালেগড় আদি দুই-এখন গাঁও এই উপগোষ্ঠীৰ লোকৰ দ্বাৰা অধ্যুষিত। দাহৰি ৰাভাসকলে নিজকে ক্ষত্ৰিয় বুলি দাবী কৰে আৰু সৃষ্টিৰ পাতনিতে ব্ৰহ্মাভোজ মতান্তৰে তৰংগা শ্ৰাদ্ধৰ ভোজত হাতত একোটাকৈ দাংছাৰি (দাহাৰি) লৈ কাউৰী, চিলনী খেদি ফুৰিছিল বাবে কালক্ৰমে এওঁলোক দাহৰি/দাহৰীয়া হিচাপে পৰিচিত হয় বুলি প্ৰবাদ আছে। ৰংদানি আৰু মায়তাৰি ৰাভাসকলে অন্যান্যতকৈ নিজকে ডাঙৰ/ শ্ৰেষ্ঠ বুলি পৰিচয় দিয়া কাৰণে এই শ্ৰেণীৰ লোকক 'দাঙুৰতাং' বোলে।

টোটলা (শৰণীয়া মদাহী) ঃ বাসুদেৱক শিৱ আৰু শুৱাইচিনিক (ৰান্ধনি ঘৰৰ উত্তৰ-পূব কোণত মাটিৰ ঢিপ তুলি) লক্ষ্মীজ্ঞান কৰি নোৱান পূজা আৰু বহাগ বিহুত নৈবেদ্য আগবঢ়াই মেৰু গোসাঁই উদ্‌যাপন কৰি, নগছা লওঁতে আহু-শালি নৃত্য-গীত কৰি, ফাগুনত দোহৰ নমাই, দোহৰ গীত গাই, আঘোণত মহোহৌ খেদা বা বাম্বোল পিটা গীতেৰে পঁচা তুলি, বিয়াত বাৰোবা-বাৰোবানী নচুৱাই গাইয়ালি কৰা প্ৰথাৰে কন্যা সম্প্ৰদান কৰি, হাতি চুৰনি প্ৰথাৰে ন-কইনাক হাইতালত (ৰান্ধনিশাল) সুমুৱাই আৰু পাঁচদিন (তিৰোতা) আৰু সাতদিন (পুৰুষ)ৰ দিনাখনে স্বজাতীয় খাৰমাছ খোৱা প্ৰথাৰে শ্ৰাদ্ধ পাতি উদ্ধাৰ-পৰাচিত হৈ যিসকলে এটা প্ৰধান জনজাতিৰ উপজাতি হিচাপে নিজকে পৰিচয় দি আহিছে এওঁলোকেই টোটলা ৰাভা। এওঁলোক ৰাভাৰ পূৰ্বপুৰুষ দদান ৰাজ্যৰ আশ্ৰয়দাতা বাণাসুৰৰ বংশোদ্ভৱ, সেয়েহে তেওঁলোকৰ উপাস্য দেৱতা মহাদেৱ (বাখুদেউ, মেৰু গোসাঁই) আৰু উপাস্যা দেৱী ভগৱতী (লক্ষ্মী) শুৱাইছিনি। তদুপৰি তেওঁলোক টোটলা নামে খ্যাত মনসাৰো উপাসক। টোটলা ৰাভাই দক্ষিণ গোৱালপাৰাৰ ৰাভাসকলৰ দৰে ওঁখোলত বন্তি জ্বলাই কাতি গাছা (কাতিবিহু) আৰু উৰুকাত এঁৰা সূতাৰে বাৰীৰ ঘৰকেউটাকে ঘেৰি (ঘৰ ঘেৰাণি দি) ভেলাঘৰ জ্বলাই মাঘবিহু (দোমাহী) উদ্‌যাপন কৰে। মাঘবিহুৰ দিনাখন গৰখীয়াক বিদায় দিয়ে, বতৰৰ আগলি বতৰা বিভিন্ন উপায়েৰে নিৰীক্ষণ কৰে। বহাগ বিহুত বাৰবিধ শাক মিহলাই শংখা ভাজি খায় আৰু অন্যান্য দিনত লালিলাং (নাঙেলী গীত তুলনীয়া পাতি ৰাভাৰ বাং দিয়া), আহু-শালি (তুলনীয় পাতি ৰাভাৰ বহুৱাঙী বগেজাৰী) নৃত্য-গীতেৰে মদ পান কৰি আমোদ-প্ৰমোদত মত্ত থাকে। টোটলা ৰাভাৰ মাত-কথা ঢেকেৰীয়াগন্ধী ৰাভামিজ অৰ্থাৎ কামৰূপী উচ্চাৰণেৰে ভাৰাক্ৰান্ত ৰাভাসকল থলুৱা অসমীয়া। সাজ-পাৰ আৰু ঘৰ-বাৰীত অইন কোচ-কলিতাৰ সৈতে একোতেই ভিন্নতা নাই। মাথোন টোটলা সমাজত মদ, কুকুৰা, গাহৰি মাংসৰ ব্যৱহাৰ আছে। এওঁলোকে ধানৰ কঠীয়া ধানখেৰেৰে মজবুতকৈ সাঁচত বান্ধি গোবৰ-বোকাৰে লেপি-মচি ধানৰ তোম (তোপা)ত নষ্ট নোহোৱাকৈ সাঁচি ৰাখিব জানে। মুঠ জনসংখ্যাৰ পোন্ধৰ শতাংশ অধিকৃত টোটলা ৰাভাসকল অবিভক্ত শোণিতপুৰ জিলাৰ খৈৰাবাৰী, ভেৰগাঁও, বকপুৰী, টংলা, কবিৰালি, স্বৰ্ণমখা, কলাইগাঁও, হাবিগাঁও, পানেৰী, হৰিশিঙা, মেচকাপুখুৰী, ওদালগুৰি, ৰৌতা, মাজবাট, ডিমাকুছি, ঢেকীয়াজুলি, হুগ্ৰাজুলি, তেজপুৰ, গহপুৰ চাৰিআলি, অবিভক্ত কামৰূপ জিলাৰ গোৰেশ্বৰ, সৰুপেটা, থমনা, তামুলপুৰ, মছলপুৰ, বৰমা, নিকাছি আদি অঞ্চলত সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰি আছে।

টোটলা ৰাভা সমাজত ডাঙৰ-দীঘল হোৱা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ পিতৃ-পৰিয়াল কিন্তু পাতি ৰাভা ফৈদৰহে (ৰাণী অঞ্চলৰ) আছিল। স্বাধীনতাৰ বহু বছৰ পাছতহে ১৯৫২ চনত পদ্মধৰ ৰাভা, পানীৰাম ৰাভা আৰু সোমবৰ ৰাভা এই ত্ৰিমূৰ্তিৰ দ্বাৰা দৰং জিলাত ৰাভা জাতীয় পৰিষদৰ শাখা খোলা হয় আৰু মূল জাতিসত্তাত চামিল হয়। বলিৰ টোটলা অংশ উপচাৰ হিচাপে দিয়াৰ পৰা নতুবা কথিত অসমীয়া সলসলীয়াকৈ নকৈ হেনা-হুচাকৈ কোৱা বাবে (টোটলা মানে খোনা) এওঁলোকক প্ৰতিবেশীসকলে টোটলা ৰাভা বুলি চিনাকি দিছিল বুলি ধাৰণা কৰিব পাৰি। আমাৰ ধাৰণা মতে মনসা দেৱীৰ অন্যতম নাম টোটলা, তাৰ উপাসক এই অৰ্থতহে টোটলা নামটো বেছি প্ৰযোজ্য।

বিতলীয়া (বিতলা) ঃ হাবাঘাট পৰগণাৰ বিশেষকৈ দুধনৈ পশ্চিমাঞ্চলৰ খামাৰ জামাদৰ অন্তৰ্গত হাতীমূৰা, বৰগুম, পাটপাৰা আদি কেইখনমান গাঁৱৰ লোকে নিজকে বিতলা ৰাভা বুলি চিনাকি দিছিল। এওঁলোকে পাতি ৰাভা ফৈদৰ সৈতে মিশ্ৰিত হৈ গৈছে। দৰঙীয়া টোটলা ৰাভাৰ মাজতো বিতলীয়া নামৰ ফৈদ এটা থকাৰ কথা জনা যায়। গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ভালুকডুবি, বলদমাৰী, দুৰ্গামন্দিৰ অঞ্চলৰ লোককো বিতলা ৰাভা হিচাপে এসময়ত জনা গৈছিল। ৰাজহুৱাভাৱে মান ধৰোতে নানা ধৰণৰ ফুচুৰি কথা (বিতলা) কৈ সমজুৱাক আমোদ যোগাইছিল। মাৰে গানৰ ঝুনা, ভাৰী গানৰ পৰ্ণা শুনোৱা, ওজাপালি আদি অনুষ্ঠানত এওঁলোকে বিশিষ্ট ভূমিকা লৈছিল। ৰাভা সমাজত এই শ্ৰেণীৰ বৃত্তিজীৱী লোকে সময়ত বিতলীয়া ফৈদ হিচাপে স্বীকৃতি লাভ কৰে। এওঁলোকৰ সমাজত তামোল-পাণৰ অত্যধিক প্ৰয়োগ থকাৰ্লৈ চাই কোনোবা বিদেশী চাহাবে betel + iyan = betelian/ betilia (বেটেলীয়ান/বিটিলিয়া) হিচাপে অভিহিত কৰা কথাটিও নুই কৰিব নোৱাৰি।

হানা ঃ ৰাভাসকলৰ মাজত পণ্ডিতসকলে হানা নামৰ এটা উপগোষ্ঠী থকাৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু প্ৰকৃততে কোনোটোইঁত অঞ্চলৰ ৰাভাসকলে নিজকে হানা ৰাভা বুলি চিনাকি দিয়াৰ দৃষ্টান্ত নাই। খুব সম্ভৱ বকো হাঁহিম অঞ্চলৰ (বগাই ৰজাৰ অঞ্চল) হানাঘোঁৰা বা জাৰী ঘোঁৰা নচুৱাই গাৰো-গাৰোৱানীৰ সৈতে ৰতি বিহাৰ কৰা বুলি জনশ্ৰুতি থকা মহাদেৱৰ অনুগামীসকলেই হানা ৰাভা। হানা ৰাভাসকল ঘোঁৰা পূজাৰ প্ৰৱৰ্তক।

তেওঁলোকে জীৱ-জন্তুৰ হানি নাড়ী-ভুঁৰু উলিয়াই বলিৰ উপচাৰ হিচাপে দিছিল। সেইবাবেই এওঁলোকৰ হানা ৰাভা বোলা হৈছিল বুলি বহুতৰে ধাৰণা। ৰত্নেশ্বৰ মহন্তৰ মতে ভৈয়ামৰ মাটিখোৱা বা ভৈয়ামৰ গাৰোসকলক হানা বোলে। এওঁলোকে গাৰো আৰু এবিধ পৰ্বতীয়া জাতিৰ সংকৰ জাতি। হানা ঘোঁৰা পূজা কৰা প্ৰথা কেৱল গাৰো আৰু হানাসকলৰ ভিতৰত আছিল।

ছুংগা (চুঙা বা কোচা) ঃ বৰ্তমান বাংলাদেশ, নেপাল আৰু ভূটানকে সামৰি মেঘালয়ৰ গাৰোপাহাৰ (পশ্চিম আৰু পূব), পশ্চিমবংগৰ কোচবিহাৰ, জলপাইগুৰি, মিদিনাপুৰ, ২৪ পৰগণা আৰু নামনি অসমৰ জিলাকেইখন, কাৰ্বি আংলং আদি জিলাত থুপ খাই বসবাস কৰা কোচসকল (কোচ ৰাজবংশীক বাদ দি অকল কোচ ক্ষত্ৰিয় নামধাৰী) ৰাভা হয়নে নহয় এই লৈ পণ্ডিতসকলৰ মাজত বিতৰ্ক আছে। হৰিগএগ্ৰা/হাড়িগএগ্ৰা (সংগা), সাতপুৰীয়া/সাতপাৰী (পানীকোচ), চাপ্ৰা (বানাই), ৱানাং, দাসগএগ্ৰা, তিনিটেকীয়া—এইকেইটা উপগোষ্ঠীয় কোচসকলৰ মাজত অকল ধুবুৰী জিলাৰ পৰ্বতজোৱাৰ অঞ্চলৰ আৰু কোকৰাঝাৰ জিলাৰ তিনিটেকীয়া কোচসকলহে নিজকে ৰাভাত (কোচ-ৰাভা) স্বজাতিভুক্ত হৈ গৌৰৱবোধ কৰিছে। অৱশ্যে পশ্চিমবংগৰ বিভিন্ন প্ৰান্তত ভাষা হেৰুৱাই পেলোৱা

এই কোচ জনগোষ্ঠীৰ লোকসকলেও (ৰাজবংশীৰ বাহিৰে) নিজকে ৰাভা বুলিয়ে লোকগণনাত দেখুৱাইছে। প্ৰাচীন কুৱাচ বা পণি কোচসকলেই বৰ্তমানৰ কোচ হয়নে নহয় তাৰো বিতৰ্কৰ অৱকাশ আছে। কাৰা, বান্দা, দাৰবোট, হাইফাং, কান্ত্ৰাং, উনি ইত্যাদি টোটেমিক গোত্ৰধাৰী কোচ ৰাভাসকল মাতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ ধাৰক আৰু বাহক। তেওঁলোকৰ মাজতো গাৰোৰ দৰে ঘৰজোঁৱাই ৰখা প্ৰথা আৰু বিধৱা বা বিপত্নীকে ঘৈণীয়েক বা গিৰিয়েকৰ সমগোত্ৰীয় লোকৰ সৈতেহে পুনৰ বিবাহ (ছুংগা/ছংগা) কৰা প্ৰথাৰ চলন্তি আছে। ৰুন্তুক তেওঁলোকৰ আৰাধ্যা দেৱী। মুৰৱাছানি শ্ৰাদ্ধ, ছোংবায়তাণ্ডি উৎসৱ, গোদাৰসং, লবগনি ক্ৰৌৰাং আদি আখ্যান তেওঁলোকৰ মাজত সমাদৃত। তেওঁলোকৰ বেছিভাগে বৰো আৰু গাৰো ভাষাৰ নিকট স্থানীয় সুৰযুক্ত মাতৃভাষা (ৰাভাৰ উপভাষা হিচাপে স্বীকৃত) সংৰক্ষণ কৰি ৰাখিব পাৰিছে। তেওঁলোকৰ মহিলাই তিনিখলপীয়া লু'ফু'ন-কাম্বাং-কেম্লেদ সাজ-পাৰ পৰিধান কৰিছিল বাবে তিনিথাকীয়া/তিনিটেকীয়া নাম পাইছে বুলি লোক-ব্যুৎপত্তি আছে। অতীজতে তেওঁলোকৰ সকলো সকাম-নিকামত চুঙাৰ বিশেষ প্ৰাধান্য আছিল বাবেই চুঙা (সাদৃশ্য ছুংগা) নাম ওচৰ চুবুৰীয়াই দিছিল বুলিও কোৱা হয়। সি যি নহওক, বৰ্তমান মুঠ ৰাভা জনসংখ্যাৰ প্ৰায় ওঠৰ শতাংশ লোক এই শ্ৰেণীৰ। তেওঁলোক ধুবুৰী জিলাৰ দেৱীতোলা, কাজীগাঁও, পৰ্বতজোৱাৰ, খোপাটি, বাশীঝৰা, মদাতি, শালকোচা; কোকৰাঝাৰ জিলাৰ মাগুৰমাৰী চৰাইবিল, সাতগাঁও, সাপকাটা, বল্লামঝৰা, হুন্টুগাঁও, ছেৰফাংগুৰি, কচুগাঁও, কাকছ্ম আৰু অসমৰ বাহিৰৰ জলপাইগুৰি, কোচবিহাৰ আদি জিলাৰ অংশবিশেষত বসবাস কৰি আছে। অৱশ্যে পশ্চিমবংগৰ বেছিভাগ কোচ ৰাভাই পাতি ৰাভাৰ দৰে নিজা ভাষা-কৃষ্টি হেৰুৱাই পেলাইছে।

এইকেইটা উপগোষ্ঠীৰ বাহিৰেও কোনো কোনো অঞ্চলত কেতবোৰ সংকৰ বা দোমাচা দোমেইচা বৰ্ণৰ ৰাভা লোকো পোৱা গৈছে। জাতিত নীচ বুলি ভবা লোকৰ সৈতে বৈবাহিক বা অবৈধ সম্পৰ্ক স্থাপিত হ'লে কেইবছৰমানৰ বাবে তেনে পৰিয়াল বা গাঁও এঘৰীয়াকৈ থাকিবলগীয়া হয়। পঞ্চাশৰ দশকত মেচপাৰা অঞ্চলৰ নলঙা পাহাৰতলিত তেনে কেইঘৰমান দোমোচা ৰাভা আছিল। সেইদৰে ৰাণীৰ ওচৰৰ ছাতাৰ গাঁৱত দোমেইচা ৰাভা (গাৰো), বোদাহাপুৰ অঞ্চলৰ টিয়াপাৰা গাঁৱতো কেইঘৰমান দোমোচা ৰাভা পৰিয়াল আছিল। মুচী বা দাবাদাৰ (হৰিজন সম্প্ৰদায়), জলধা (তাঁতী বা সূত্ৰধাৰ), লেলাং (নমশূদ্ৰ বা ক্ষত্ৰিয়), ডোম (কৈৱৰ্ত) আদি সম্প্ৰদায়ৰ লোক, গাঁৱে গঞ্জৰহে এইদৰে ৰাভা জাতিত অন্তৰ্ভুক্ত হোৱা ঘটনা গোৱালপাৰা আৰু দৰঙত পোৱা যায়। একেদৰে বহু ৰাভা সম্প্ৰদায়ৰ লোক ব্ৰহ্ম, ব্ৰাহ্ম সমাজ, চৈতন্য, মহাপুৰুষীয়া, শংকৰ সংঘ, সৎ সংগ আদি ধৰ্মত দীক্ষিত হৈ জাত্যান্তৰ হোৱাৰো দৃষ্টান্ত আছে। চৌধুৰী, দাস, ডেকা, শৰণীয়া, কাকতী, পাঠক, পাটগিৰি, সৰকাৰ, ৰায়, মেচ, গাৰো, কছাৰী আদি উপাধি লিখা কিছুমান ৰাভাসকলৰ পূৰ্বপুৰুষ এই শ্ৰেণীৰে।

পৰিৱৰ্তিত ৰূপত মিচিং সংস্কৃতি

ইন্দ্ৰেশ্বৰ পেগু

মিচিংসকল বৰ্তমান অৰুণাচলৰ চিয়াং অঞ্চলত থকা আদি গোষ্ঠীৰ লোক। ধৰ্ম-সংস্কৃতিৰ দিশৰ পৰা আপাটানি, ডফলা (নিশি) আৰু আদিসকলৰ পৰা মিচিংসকলক বিচ্ছিন্নভাৱে চাব নোৱাৰি। তথাপি প্ৰব্ৰজনৰ দিশৰ পৰা চাবলৈ গ'লে আদিসকলৰ গালং, পাদাম, পাচি, বৰি, মিয়ং আদি জনগোষ্ঠীৰ ওচৰত তেওঁলোক অধিক নিকটৱৰ্তী।

মিচিংসকল প্ৰকৃততে এটা বংশজ গোষ্ঠীৰ নহয়। তেওঁলোকৰ ভিতৰত পাগ্ৰ, ময়িং, চায়াং, অয়ান, দেলু, দাম্বুক আদি বিভিন্ন গোষ্ঠীৰ লোক আছে। তেওঁলোকৰ বিভিন্ন বংশলতা আৰু প্ৰব্ৰজনৰ কিংবদন্তি অধ্যয়ন কৰিলে দেখা যায় যে ভৈয়ামৰ অন্য গোষ্ঠীতকৈ তেওঁলোকৰ কোনো কোনো গোষ্ঠী, আদিসকলৰ কোনোবা নহয় কোনোবা গোষ্ঠীৰ অতি ওচৰ সম্পৰ্ক আছে। অৰ্থাৎ কোনোবা গোষ্ঠী পাদাম ঠালৰ পৰা আহিছে, কোনোবা হয়তো মিয়ঙৰ পৰা আহিছে, আনটো দল হয়তো পাচি ঠালৰ পৰা আহিছে, কোনো কোনো দল হয়তো সংমিশ্ৰিত হৈ প্ৰব্ৰজন কৰিছে। তেওঁলোকে একে সময়তে বা একে ঠাইৰ পৰা প্ৰব্ৰজন কৰা নাই। সুবিধা অনুসৰি বিভিন্ন সময়ত বিভিন্ন স্থানেদি প্ৰব্ৰজন কৰি ভৈয়ামত থাকিবলৈ ল'লে।

সেইদৰে আবটানিৰ বংশধৰসকলৰ কিছুমানে ভৈয়ামত থিতাপি ল'লেহি, তেতিয়া তেওঁলোকৰ দুটা ভাগ হ'ল আদি আৰু আয়িং (পৰ্বতীয়া আৰু ভৈয়ামীয়া)। কিন্তু পাছত দেখা গ'ল যে ভৈয়ামত পাহাৰৰ পৰা নামি অহা জ্ঞাতি লোকৰ বাহিৰেও আগৰে পৰা বাস কৰা মানুহ আছে; তেতিয়া তেওঁলোকে দুটা পাৰ্থক্যসূচক নাম দিলে—মিপাগ আৰু মিচিং। মিপাগ, মি—মানুহ, পাগ—বিজাতীয়। মিচিঙৰ প্ৰকৃত আদি উচ্চাৰণ মিচুং (Misüng) মি—মানুহ, চুং (Süng)—চুংত পানীত নামি যোৱা, অৰ্থাৎ ক্ৰমাৎ ডুবি যোৱা মানুহ। মিচিংসকলক ক্ৰমাৎ ডুবি যোৱা মানুহ হিচাপে আখ্যা দিয়াৰ কাৰণ আছে।

আদিসকলে নিজৰ ধৰ্মমত, আচাৰ-ব্যৱহাৰ, সামাজিক আৰু প্ৰশাসনিক মূল্যবোৰ এৰি

দিবলৈ টান পায়। তেওঁলোকে ভৈয়ামৰ সংস্কৃতিৰ পৰা মুক্ত হৈ থাকিব বিচাৰে। এইবাবে তেওঁলোকক আবৰী বা আবৰৰ আখ্যা দিয়া হৈছিল।

আনহাতে মিচিংসকলে ভৈয়ামত শান্তিপূৰ্ণভাৱে বসতি কৰিবলৈ লওঁতে ভৈয়ামৰ অধিক সমৃদ্ধিশালী বৃহৎ সংস্কৃতিৰ প্ৰভাৱত পৰে। আদি আৰু ভৈয়ামৰ সংস্কৃতিৰ সংমিশ্ৰণত নতুন সংস্কৃতিৰ জন্ম হ'ল। ফলত তেওঁলোকৰ ধৰ্মমত, সাজ-পোছাক, আচাৰ-ব্যৱহাৰ, সামাজিক আৰু প্ৰশাসনীয় নীতিৰ বহুতো পৰিৱৰ্তন সাধিত হয়। ভৈয়ামৰ সংস্কৃতিৰ দ্বাৰা সেইদৰে গভীৰভাৱে সংক্ৰমিত হোৱাটো পাহাৰত থকা তেওঁলোকৰ জ্ঞাতি-ভাই আদি লোকসকলে সমূলি ভাল পোৱা নাছিল। সেইবাবে ডুবি যোৱা মানুহ (Drown men) হিচাপে তেওঁলোকক আখ্যা দিলে। কিন্তু মিচিংসকলে এক সংকীৰ্ণ সংস্কৃতিৰ পৰা এক বৃহৎ সংস্কৃতিৰ গভীৰতালৈ ক্ৰমাৎ ডুবি যোৱা কথাটোত বৰঞ্চ গৌৰৱবোধহে কৰিলে। আৰু আদি লোকতকৈ তেওঁলোকৰ সাংস্কৃতিক জীৱনক শ্ৰেষ্ঠজ্ঞান কৰিবলৈ ল'লে।

আনহাতে ভৈয়ামৰ মিপাগসকলে মিচিংসকলক 'মিৰি' বুলি আখ্যা দিলে। আদি সমাজত দেওধাই বা পুৰোহিতসকলেই ধৰ্মীয় কামবোৰ পৰিচালনা কৰিছিল। 'মিৰি' বা মিবুয়ে তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান পৰিচালনা কৰাৰ কাৰণে তেওঁলোকক 'মিৰি' ধৰ্মৰ লোক বা চমুকৈ 'মিৰি' বুলি কোৱা হ'ল। কিন্তু পাছলৈ ভৈয়ামৰ বৰ্ণবৈষম্যমূলক সমাজ-ব্যৱস্থাত 'মিৰি' শব্দটোৱে অৱজ্ঞাৰ অৰ্থব্যঞ্জক হৈ পৰিল। আনকি মিৰি শব্দটোৰে হীনতাসূচক প্ৰবচন কিছুমানো সৃষ্টি হ'ল। ফলত অৱজ্ঞাসূচক এই মিৰি শব্দটো চন্দ্ৰ-সূৰ্যৰ বংশধৰ বুলি গৌৰৱবোধ কৰা মিচিংসকলে বেয়া পাবলৈ ধৰিলে। তাতোকৈ তেওঁলোকৰ নতুন সংস্কৃতিৰ অৰ্থব্যঞ্জক মিচিং শব্দটোৰে নিজকে চিনাকি দি ভাল পোৱা হ'ল।

অন্যহাতেদি মিচিংসকলেও নিজৰ বিশ্বাস আৰু মূল্যবোধসমূহ সহজে এৰি দিয়া লোক নহয়। ৰজনীকান্ত বৰদলৈয়ে 'মিচিঙৰ একুবীয়া গুণৰ' কথা 'মিৰি জীয়ৰী' উপন্যাসত উল্লেখ কৰিছে। পাৰিপাৰ্শ্বিক সংস্কৃতিৰ প্ৰভাৱ আৰু আত্মসংৰক্ষণশীলতাৰ মাজত এটা সংঘাত সৃষ্টি হ'ল। দুটা সংস্কৃতিৰ সংঘাতৰ ফলত নতুন সংস্কৃতিৰ জন্ম হয়। পাহাৰত তেওঁলোকে হাবি কাটি এঢলীয়া মাটিত জুম খেতি কৰিছিল। তাত কিছুমান সীমিত আদিম সঁজুলি ব্যৱহাৰ কৰিছিল। কিন্তু ভৈয়ামত তেওঁলোকে সাৰুৱা পথাৰ পালে আৰু স্থানীয় মানুহৰ অনুকৰণত গৰুৰে হাল বাই আৰু উন্নত সঁজুলি ব্যৱহাৰ কৰি খেতিৰ উৎপাদন সহজ কৰি ল'লে। ফলত তেওঁলোকৰ মনত নতুন আৱিষ্কাৰৰ আনন্দই সৃষ্টিৰ প্ৰেৰণা পালে। সেই নতুন সৃষ্টিৰ আনন্দক প্ৰকাশ কৰিবৰ কাৰণে তেওঁলোকৰ আগৰ কৃষি উৎসৱ 'পনুং নাচে'ই যথেষ্ট নহয়। 'পনুং নাচ'ৰ লেহেম গতিয়ে তীব্ৰতা পালে, মনৰ আনন্দ-উৎসাহৰ সামঞ্জস্য ৰাখিবলৈ নাচৰ ভঙ্গী খৰ হ'ল; সেই নাচৰ ভঙ্গীৰ ক্ষিপ্ৰতাৰ তাল ৰাখিবলৈ স্থানীয় বিহুঢোলৰ আমদানি হ'ল। লগে লগে জন্ম পালে 'আলি আই লিগাঙে।' 'আলি আই লিগাং' হ'ল আদি আৰু অসমীয়া কৃষ্টিৰ এটা অপূৰ্ব সংমিশ্ৰণ।

সামাজিক আৰু প্ৰশাসনীয় ক্ষেত্ৰতো এটা বিৰাট পৰিৱৰ্তনে দেখা দিলে। পাহাৰত থাকোতে এখন গাঁৱৰ লগত আন এখন গাঁৱৰ সচৰাচৰ সংঘৰ্ষ চলি থাকে। তাৰ বাবে গাঁওখনৰ প্ৰতিৰক্ষাৰ ব্যৱস্থা ল'বলগীয়া হৈছিল। গাঁওখনৰ মধ্যস্থলত এটা ৰাজহুৱা ঘৰৰ সদায় আৱশ্যক আছিল। তাক 'দেৰে' বা 'মচুপ্' বোলা হৈছিল। তাত গাঁৱৰ ডেকা ল'ৰাবোৰে ৰাতি শোৱাৰ নিয়ম আছিল যাতে গাঁৱৰ কিবা দুৰ্যোগ ঘটিলে বা অন্য গাঁৱৰ লোকে আক্ৰমণ কৰিলে তেওঁলোকে প্ৰাথমিক ব্যৱস্থা ল'ব পাৰে। ভৈয়ামত সেই ৰাজহুৱা ঘৰৰ নাম হ'ল 'মুৰং'। কিন্তু আহোম আৰু বৃটিছ ৰাজত্বত বাহিৰৰ

বিপদ বা আক্রমণ ৰাজতন্ত্ৰত ন্যস্ত হোৱাত, প্ৰতিৰক্ষাৰ প্ৰয়োজন নোহোৱা হ'ল। গামসকলৰ সলনি আহিল গাঁওবুঢ়া। ফলত মুৰঙৰ প্ৰশাসনীয় গুৰুত্ব কমি যোৱাত ই মিছিঙৰ বহুত দিনলৈকে কৃষ্টিৰ নাভিকেন্দ্ৰ হিচাপে পৰিণত হ'ল। মুৰঙত জন্ম হ'ল পৰাগ—এই পঃৰাগ উৎসৱ। এই উৎসৱত পাহাৰ আৰু ভৈয়ামৰ কৃষ্টিৰ অপূৰ্ব সমন্বয় সাধিত হৈছে। ইয়াত পাহাৰীয়া ধৰ্মৰ প্ৰতিনিধিত্ব কৰিছে 'মিবু'য়ে আৰু ভৈয়ামৰ ধৰ্মৰ প্ৰতিনিধিত্ব কৰিছে 'সাধু বুঢ়া' আৰু 'সাতোলাই'। দুয়োটা বিপৰীতমুখী যদিও এটাই আনটোৰ কথা পাৰস্পৰিকভাৱে মানি গৈছে। আনহাতে ভৈয়ামৰ শাক্ত উপাদানো অজ্ঞাতসাৰে পৰাগ উৎসৱত প্ৰবেশ কৰিছে। তাৰ মুখ্য ভূমিকা লৈছে বৰপূজাৰী বা বৰপুৱাৰীয়ে। আদি লোকৰ সকলো সামাজিক বা ধৰ্মনৈতিক ভূমিকা সদায় পুৰুষেই লৈ আহিছে; কিন্তু শাক্ত মতৰ উপাদান সোমাই পৰাত বৰপূজাৰী ইয়াত কুমাৰী ছোৱালীকহে পতা হয়। গাহৰি বলি দিয়া সময়তো গাহৰি 'মান্‌নাম' (গাহৰি বলি) পাহাৰীয়া হৈ থাকিল অথচ নিয়মত হ'লেও বাঁহৰ যাঠিডাল বৰপূজাৰীয়ে ধৰিব লাগে। ইফালে 'মিবু' আৰু তেওঁলোকৰ অনুসঙ্গীবোৰে 'পেডম পেকি' (মন্ত্ৰ উচ্চাৰণ) কাৰ্য কৰি থাকে। ইয়াৰ পৰা দেখা যায় যে মিচিংসকলে নিজৰটো সম্পূৰ্ণ এৰি দিয়া নাই আৰু স্থানীয় বিশ্বাসবোৰো অস্বীকাৰ কৰা নাই; বৰঞ্চ দুয়োটাৰ সংমিশ্ৰণত এক নতুন সংস্কৃতিৰ জন্ম হ'ল। 'আলি আই লিগাঙ'ৰ দৰেই পঃৰাগ উৎসৱতো পাহাৰ আৰু ভৈয়ামৰ অপূৰ্ব সংশ্লেষণ হৈছে। প্ৰশাসনীয় দিশটো আহোম ৰাজতন্ত্ৰৰ প্ৰভাৱৰ পৰা মুক্ত হৈ বৰা, চৌডাং, তামুলী বৰা, মিগম বৰা, ডেকা বৰা, তিৰি বৰা আদি পদবী সৃষ্টি কৰি অনুষ্ঠানটো পৰিচালনা কৰা হয়।

ভৈয়ামৰ সহজীয়া পন্থাৰ ধৰ্মকে তেওঁলোকে গ্ৰহণ কৰিলেও শঙ্কৰী ধৰ্মৰ প্ৰভাৱো তেওঁলোকৰ সমাজত গভীৰভাৱে ৰেখাপাত কৰিছে। তথাপি তেওঁলোকে আদি জড়বাদী দৰ্শন সম্পূৰ্ণৰূপে ত্যাগ কৰা নাই। উৰম, দবুৰ আৰু অন্যান্য য়ুম্‌ৰাং উয়ু তেওঁলোকে কৰিয়েই আছে। উৰম বা শ্ৰাদ্ধ-সকামৰ মূল দৰ্শনটো আদি তত্ত্ববাদী, সম্পাদন কৰিছে সহজীয়া পন্থাৰে, প্ৰাৰ্থনা বা আশীৰ্বাদ কৰিছে শঙ্কৰী নাম আৰু ঘোষাৰে। এই ধৰ্মৰ তীব্ৰতা বহু পৰিমাণে কমিছে। আদিম প্ৰকাৰে কৰা পূজা-পাতলবোৰ কেঁচা আৰু আদিম পূজা-পাতলকে সহজীয়া পন্থাৰে ভকত সাজতোলা আদিৰে কৰিলে তাক পকাউয়ু বুলি কোৱা হয়। পকা সকামবোৰত জীৱ-জন্তু হত্যা কৰা পদ্ধতি বৰ্তমান কিছু শিথিল হৈ আহিছে।

মিচিংসকলক বহু পৰিমাণে ৰূপান্তৰিত কৰা ভৈয়ামীয়া সংস্কৃতিটো হ'ল বিহু উৎসৱ। বিহু উৎসৱে মিচিং সাংস্কৃতিক জীৱনলৈ বহুখিনি সম্ভাৰ বহন কৰি লৈ আহিল। 'আলি আই লিগাং' আৰু 'পঃৰাগ' উৎসৱে বিহুৰ সংস্পৰ্শত প্ৰাণ পাই উঠিছিল যদিও শেষত বিহুৱে এদনীয়া প্ৰভাৱ বিস্তাৰ কৰি বহি ৰ'ল। মাজতে পঃৰাগ আৰু 'আলি আই লিগাঙে' নিজৰ অস্তিত্ব বজাই ৰখাই টান হ'ল। কোনো কোনো গাঁৱত মাঘ বিহুৰ লগতে নাম মাত্ৰ 'আলি আই লিগাং' উৎসৱ পাতিবলৈ ল'লে। কিন্তু মিচিং সমাজত শিক্ষা সম্প্ৰসাৰণ হোৱাৰ লগে লগে সাংস্কৃতিক সচেতনতাৰ জাগৰণ হ'ল আৰু ফলস্বৰূপে 'আলি আই লিগাঙ'ৰো নতুন মূল্যায়ন হ'বলৈ ধৰে। পাহাৰৰ পৰা নমাৰ পাছত নতুন জীৱনধাৰাৰ সূচনা কৰা 'আলি আই লিগাং' উৎসৱ মিচিং কৃষ্টিৰ মূল বাহকস্বৰূপে স্বীকৃতি পালে।

বিহু সংস্কৃতিয়ে মিচিংসকলক অসমীয়া জাতিৰ ঘাই সুঁতিৰ লগত মিলাই দিলে। নিজৰ আদিম ভাৱধাৰা এৰিবলৈ টান পোৱা মিচিংসকল বহু পৰিমাণে প্ৰভাৱিত হ'ল। অসমীয়া বিহুগীত আৰু বনগীতে তেওঁলোকৰ গীত-মাতক বহু পৰিমাণে নতুন গতিৰ সঞ্চাৰ কৰিলে। তেওঁলোকৰ

আদিম গীত-মাতবোৰ ধৰ্মীয় সুৰৰ পৰা একেবাৰে মুক্ত হোৱা নাছিল। যেনে-

দেৰমি চিতুঙে তিৰ্মেক তিৰ্মাঙাই
কম্বং আপ্পুনে ৰেয়িপে ৰেয়াবাই...

যদিও এইটো এটা প্ৰাকৃতিক বৰ্ণনা তথাপি মিবুয়ে গোৱাৰ বাবে ই ধৰ্মীয় সুৰৰ পৰা মুক্ত নহয়। পনুং নাচবোৰৰ গীতবোৰতো মিৰি বা মিবুয়ে লগাই দিয়াত ধৰ্মীয় প্ৰভাৱ থাকে। মিচিঙৰ ঐনিতম সম্পূৰ্ণভাৱে বিহুগীত আৰু বনগীতৰ সংস্পৰ্শত জন্ম হৈছে। সেয়েহে ঐনিতম ধৰ্মীয় প্ৰভাৱৰ পৰা একেবাৰে মুক্ত হৈ মানুহৰ আদিম প্ৰেম-প্ৰীতিৰ গীতৰূপে পৰিগণিত হ'ল। ডেকা-গাভৰুৰ চিৰন্তন কামনাবোৰ অমৃতময় বাণীৰে ঐনিতমে প্ৰকাশ কৰি আহিছে। তেওঁলোকৰ তীব্ৰ মানৱীয় অনুভূতিবোৰ সাৱলীলভাৱে প্ৰকাশ কৰিবলৈ ঐনিতমতকৈ সুৰময় মাধ্যম হয়তো অন্য নাই।

আদি ভাষাত নোহোৱা এই ঐনিতম কেতিয়া জন্ম হ'ল? ইয়াৰ জন্ম-বেদনাত বুৰঞ্জীয়ে বহুতো গতিধাৰা গৰকি গৈছে। ইয়াৰ জন্ম এদিনতে বা হঠাতে হোৱা নাই। বিহুৱে মিচিংসকলকো অসমীয়া সংস্কৃতিৰ মূল ধাৰালৈ আকৰ্ষণ কৰাৰ ফলস্বৰূপে মিচিং ঐনিতমৰ জন্ম হৈছে। উল্লেখযোগ্য যে ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসত ঘুণাক্ষৰেও ঐনিতমৰ উল্লেখ কৰা নাই। অথচ তেওঁ পঃৰাগ, মিবু গীত, সহজীয়া পন্থাৰ দেহবিচাৰৰ গীত আদি মিচিং সমাজত চলা সকলো অনুষ্ঠান আৰু গীত-মাতৰ কথা উল্লেখ কৰিছে। আনহাতে লেদেং আৰু কনেংহঁতে ভঙা ভঙা অসমীয়াত বহুতো বনগীত গাইছে। ইয়াৰ কাৰণ আমি দুয়োপ্ৰকাৰে ব্যাখ্যা কৰিব পাৰো। (১) ৰজনীকান্ত বৰদলৈয়ে মিচিং ঐনিতমক হয়তো সম্পূৰ্ণ অৱজ্ঞা কৰিলে। (২) হয়তো তেওঁৰ দিনত ঐনিতমৰ জন্ম হোৱা নাছিল। প্ৰথম কাৰণটো আমি বিশ্লেষণ কৰি চোৱাটো আৱশ্যক হ'ব।

ভঙা ভঙা অসমীয়াত লেদেং কনেংহঁতে অসমীয়া বনগীত গাইছে। চেনাইহঁতক বনগীতেৰে জোকাইছে। অথচ ঐনিতম এফাকিও ৰককমীহঁতে গোৱা নাই। বৰদলৈয়ে দুৰ্বোধ্য মিবু গীত পৰ্যন্ত তুলি দিলে। অথচ ঐনিতমৰ প্ৰতি সম্পূৰ্ণ উদাসীন হোৱাৰ কাৰণ কি? তেখেতে এঠাইত লিখিছে—'আমাৰ ভৈয়ামৰ মিৰি আজিকালি অসমীয়া।' মিচিংসকলক অসমীয়া বুলি প্ৰতিপন্ন কৰিবলৈ গৈ তেওঁ মিচিংসকলৰ মাত-কথাৰ সুকীয়া অস্তিত্ব ইচ্ছাকৃতভাৱে নুই কৰিলে নেকি?

'মিৰি জীয়ৰী' উপন্যাসত ৰজনীকান্ত বৰদলৈয়ে অতি আন্তৰিকতাৰে মিচিংসকলৰ কথা বৰ্ণনা কৰিছে। মিচিংসকলৰ সহজ-সৰল জীৱনৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে তেওঁৰ মৰমৰ উমান পোৱা যায়। তেওঁৰ বৰ্ণনাত মিচিং সমাজ-ব্যৱস্থাৰ কথা নিখুঁতভাৱে ফুটি নুঠিলেও তেওঁৰ মহানুভৱতাৰ কাৰণেই কোনো মিচিং লোকেই তেওঁৰ প্ৰতি ক্ষুব্ধ নহয়। এনে এজন উদাৰ আৰু মহান লেখকে মিচিং সমাজত থকা কোনো সুন্দৰ বস্তুকে ইচ্ছাকৃতভাৱে অৱজ্ঞা কৰিব বুলি মনে নধৰে। অথচ আবাল-বৃদ্ধ-বনিতালৈকে সমান জনপ্ৰিয় এই ঐনিতমৰ প্ৰতি তেখেতৰ দৰে সূক্ষ্ম পৰ্যবেক্ষণকাৰী এজন লিখকৰ দৃষ্টিগোচৰ নোহোৱা কথাটোও মানি ল'ব নোৱাৰি।

তেতিয়াহ'লে আমি দ্বিতীয় পৰ্যায়ৰ কাৰণটো ব্যাখ্যা কৰি চাব লাগিব যে তেখেতে 'মিৰি জীয়ৰী' লিখা সময়ত ঐনিতমৰ জন্ম হোৱা নাছিল বৰঞ্চ অসমীয়া বনগীতহে মিচিং ডেকা-গাভৰুৰ মনৰ উতলা যৌৱনৰ অনুভূতিবোৰ প্ৰকাশ কৰাৰ মাধ্যম আছিল। সেই সময়ত অসমীয়া ভাবাই মিচিং সমাজলৈ এনে প্ৰবল ধাৰে বৈ আহিল যে আন্তঃজাতি বিবাহৰ প্ৰচলন থকা কিছুমান মিচিং গাঁৱে নিজৰ

ভাষাকে হেৰুৱাই পেলালে। কেইবাটাও দিশত এই সোঁত বব ধৰিছিল—

১। মিচিংসকলে নিজৰ জড়বাদী ধৰ্মৰ উপৰি তেওঁলোকে সহজীয়া ধৰ্মপন্থা গ্ৰহণ কৰিলে আৰু সেই ধৰ্মত দীক্ষিত প্ৰতি ভকত-ভকতনীয়ে সহজীয়া ধৰ্মৰ দেহবিচাৰ গীত, বৰসেৱাৰ বিহাৰ যোৱা গীত আৰু অন্যান্য বহুতো নাম গাবলৈ শিকিলে। সেই গীতবোৰ অৰ্থ নুবুজাকৈ তেওঁলোকে মুখস্থ কৰা নাছিল। প্ৰয়োজন অনুপাতে তেওঁলোকে নিজও সৃষ্টি কৰি লৈছিল।

২। আমি আগতে কৈ আহিছো যে নিজৰ সংৰক্ষণ কৰাৰ একুৰীয়া গুণ আৰু বহল সংস্কৃতিৰ প্ৰতি অনুকৰণপ্ৰিয়তাৰ সংঘাতৰ ফলত সংস্কৃতিৰ প্ৰতি দিশতে নতুন নতুন সৃষ্টিৰ উন্মেষ হৈছিল। মিচিঙৰ বিবাহ-পদ্ধতিও পাহাৰ আৰু ভৈয়ামৰ তেনে এটি আদৰ্শৰে অপূৰ্ব সংমিশ্ৰণৰ ফল। তেওঁলোকৰ আদি গান্ধৰ্ব আৰু হৰণ পদ্ধতি থকাৰ উপৰি ঢোলে-দগৰে বিয়া দিয়া পদ্ধতি বৈদিক হিন্দু বিবাহৰ প্ৰভাৱ বুলি ক'ব পাৰি। এই বিবাহ-পদ্ধতি বৈদিক যেন দেখা গ'লেও তাত তেওঁলোকৰ জড়বাদী উপাদানেই প্ৰাধান্য লাভ কৰিছে। হোম পোৰাৰ পৰিৱৰ্তে সাধু, সাজতোলাসকলে চাকি-শলিতা জ্বলাই আশীৰ্বাদ কৰেহি। ইয়াৰ এটা বৈশিষ্ট্য হৈছে বিয়ানামৰ প্ৰচলন। মিচিং গাভৰুৱে নামতী হিচাপে বিয়ানাম লগাই যায় আৰু বাকীবিলাকে তেওঁৰ লগে লগে গাই যায়। নামতীক যথেষ্ট মৰ্যাদাৰ চকুৰে চায়। বিয়ানাম গাওঁতে বিয়াৰ বিভিন্ন স্তৰত বিপক্ষ দলৰ লগত অৰিয়াঅৰি কৰাটোও বিশেষ চকুত পৰে।

অসমৰ তিনিটা বিহুকে মিচিং সমাজৰ সাংস্কৃতিক জীৱনত আঁকোৱালি লৈাৱাই নহয়, তেওঁলোকৰ নিজস্ব জীৱনধাৰা আৰু সংস্কৃতিৰে বিহুক আৰু মহীয়ান কৰি তুলিলে। পাহাৰ আৰু ভৈয়ামৰ সংস্কৃতিৰ সমন্বয়ৰ ফলত বিহুয়ে মিচিং চাঙত নতুন ৰূপ পালে। বিভিন্ন সাংস্কৃতিক দিশত দেহবিচাৰ গীত আৰু বিয়ানাম মিচিং সমাজলৈ অহাৰ দৰে বিহুৰ লগত আহিল বিহুগীত আৰু বনগীত। ধৰ্মীয় প্ৰভাৱৰ পৰা মুক্ত হৈ গীত-মাতে মিচিং ডেকা-গাভৰুৰ আদিম সৃষ্টি-প্ৰেৰণাক স্বপ্ৰণোদিত উদ্দীপনাৰে আলোকিত কৰিলে। ধৰ্মীয় সীমাৰ ঊৰ্দ্ধত বিহুৰ যি বিশ্বজনীন আবেদনশীলতা, সেই আবেদনশীলতাই মিচিংসকলক সম্পূৰ্ণৰূপে বিহু সংস্কৃতিৰ মাজলৈ অনাত সক্ষম হয়। তেওঁলোকে বিহুবলিয়া হৈ সাৰ্বজনীন প্ৰচলিত বিহুৱা বনগীতকে যে গাইছিল এনে নহয়, তেওঁলোকে নিজেও বহুতো বিহুগীত আৰু বনগীত ৰচনা কৰিছিল ঃ

কাবুলি গাতৰী বদ্‌নাম ঐ কনেঙা
কাবুলি গাতৰী বদ্‌নাম
কি জানি মৰমীম লগালি কনেঙা
অৰিলত জ্বলালি জুই।

'মিৰি জীয়ৰী'ত ৰকমীহঁতে মাজে মাজে লেদেং কনেং লগাই বনগীত গোৱা সাদৃশ্যটো মন কৰিবলগীয়া।

বনগীতৰ আৰ্হিত তেওঁলোকে নিজৰ ভাষাত গীত সৃষ্টি কৰাৰ প্ৰয়াস নকৰাকৈও থকা নাছিল—

স্বৰ্গদেউ ওলালে ঐ বাটচৰাৰ মুখলৈ
ৰইলা (ৰহিল ?) দুলীয়াই পাতিলে দোলা
ৰইলা ৰইলা চেৰেং মনীয়া চেৰে দুৰনীয়া
কে কু ৰইলা হেই

চাম কলীয়া চামতী কলিয়া কেকু ৰইলা হেই ।।

নিজৰ দোৱানত এই একে সুৰতে গাইছিল—

ৰইলা ঐ মাতমৰা পীগত /ৰইলা তামাগী আমৃংক'
ৰইলা বৃঐলা বৃংকুৰ্ৰা দুং / ৰইলা ৰইলা চেৰেং মনীয়া চেৰেং দুৰুনীয়া
কেকু ৰইলা হেই....
চাম কলীয়া চামতী কলীয়া কেকু ৰইলা হেই ।।

এই গীতবোৰে তেওঁলোকৰ আগৰ লেহেম ' পনুং' নাচৰ ভঙ্গীক খৰ আৰু তীব্ৰতৰ কৰি তুলিছিল। ফলত মিচিং বিহুনাচে সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল। মুঠতে বিহুৱে মিচিং সংস্কৃতিৰ জীৱনলৈও চাৰিওফালৰ পাৰ ভাঙি এক প্লাৱন নমাই আনিছিল। সেই প্লাৱনৰ লগত আহিছিল ঢোল, টকা, পেঁপা, বাঁহী আৰু গগনা।

কিন্তু মিচিংসকল নিজৰটো একেবাৰে এৰি বিহু সংস্কৃতিৰ মাজত কেতিয়াও বিলীন নহয়, বৰঞ্চ দুটাৰ উপাদানৰ সংমিশ্ৰণত নতুন সৃষ্টিৰ গৌৰৱৰ অধিকাৰী হৈ আহিছে। বহুত দিন হয়তো বনগীতে তেওঁলোকক মোহাচ্ছন্ন কৰি ৰাখিছিল। 'মিৰি জীয়ৰী' জন্ম হ'বৰ সময়ত লেদেং কনেংহঁতে ভঙা ভঙা অসমীয়াত বনগীত গাই ঠকা (টকা) বজাই বজাই ৰাতি বিহুগীত গাইছিল। কিন্তু ইয়াৰ পাছত ক্ৰমাৎ ঐনিতমৰ আৱিৰ্ভাৱ হ'বলৈ ধৰে আৰু ফলত ৰাতি বিহুবোৰত বনগীত আৰু ঐনিতমে সমানে সমানে স্থান পাব ধৰে। এই লিখকে সৰু কালত মিচিং গাভৰুৱে টকা বজাই বিহু গোৱা শুনিছে, বিশেষতঃ ভাদ মাহৰ জোনাক ৰাতি যেতিয়া নৈৰ পাৰত বালিত চৰ পৰে, তেতিয়া এনে বিহু সঘনাই চলে। সেই বিহুবোৰত বনগীত আৰু ঐনিতম সমানে চলে। আজিও মিচিং গাভৰুৰ বহুতো ৰাতিবিহু দেখিছো, কিন্তু আগৰ সেই ঠকা (টকা) নাই আৰু অসমীয়া বনগীতো নাই, তাৰ ঠাইত হাতৰ চাপৰি আৰু বিভিন্ন সুৰৰ নতুন নতুন ঐনিতম। আজিও আগৰ মিচিং তিৰোতাবোৰৰ বিহুগীত আৰু বনগীত শুনিলে অবাক হ'ব লাগে। কিন্তু ঐনিতম-সচেতন আজিৰ মিচিং ডেকা-গাভৰুৱে বিহুগীত আৰু বনগীত গাবলৈ এৰিলে।

বোধহয় মিচিং কাবান, য়াম্নী কাৰনাম আৰু বনগীত আদিৰ সমূহীয়া ক্ৰিয়াৰ ফলত আধুনিক মিচিং গীত ঐনিতমৰ আৱিৰ্ভাৱ হৈছে। ঐনিতমৰ পূৰ্ব নিদৰ্শন হিচাপে তলৰ কাবাম্ গীতটো মন কৰিবলগীয়া—

ঐয়া তীকালক তীবকী তীকালক
অমুমা তীকালক গৃকুনী খাজুকা।

তীব তীকাং এই কাবান্‌টো (বিলাপ সংগীত) এটা মালিতা গীত। দদাই আৰু ভতিজাকৰ মাজত চলা অবৈধ প্ৰণয়ৰ পৰিণতিস্বৰূপে সমাজৰ চৰম বিচাৰৰ ফলভোগ কৰা সময়ত দুয়ো প্ৰণয়-প্ৰণয়িনীৰ হিয়া বিদাৰক হিচাপে ই এটা বিলাপ। ইয়াৰ পাছত মীবই গীতসমূহে ঐনিতম জন্ম হোৱাৰ প্ৰথম লক্ষণ সূচনা কৰে। যেনে—

অইয়া মাৰিনী তাঙ্কী মাৰিনী
আগ, গ ৰুংগব ৰিঙা দুঙ্কুনী

মীব গীতৰ সমসাময়িকভাৱে মণিৰাম দেৱানৰ মালিতা গীতসমূহে মিচিং সমাজক বহু পৰিমাণে প্ৰভাৱিত কৰিছিল। পোন প্ৰথমবাৰৰ বাবে মালিতাগীত আৰু কিংবদন্তিৰ গীতসমূহে মিবু বা দেওধাই জাতীয় লোকৰ পৰা মুক্ত হৈ জনসাধাৰণৰ মুখে মুখে বাগৰি আহিবলৈ ধৰিলে। এই মালিতা গীতসমূহ প্ৰধানতঃ ঐনিতমৰ ৰূপ লৈ জনসমাজত মুখে মুখে প্ৰসাৰিত হ'ল। সেই গীতসমূহ

হ'ল— বাবুগেলা, বাইদামই, পিৰ্কতি পিচিৰিং আৰু বহুতো। দুৰ্ভাগ্যবশতঃ মিচিং সমাজত বহু প্ৰচাৰিত কাহিনীগীতসমূহ সংৰক্ষণৰ অভাৱত কালৰ বুকুত লীন হৈ যাব ধৰিছে।

কিন্তু প্ৰথমে ঐনিতম যেতিয়া সৃষ্টি হৈছিল ই অন্যান্য কাবান বা মৌবই গীতৰ দৰে বিশুদ্ধ মিচিং ভাষাত সৃষ্টি হোৱা নাছিল। বনগীতৰ প্ৰভাৱ পৰাত তাত অসমীয়া ভাষাৰ শব্দই বেছি ঠাই পাইছিল। যেনে—

ঐয়া দুবিয়ৌ কুৰুৱাঙে দুবিয়ৌ
আতৌ ৰইনা ঐয়ামৗ দুৰায়ৌনা তবনী
(অৰ্থাৎ—কুৰুৱাডুবিত মোৰ অকলশৰীয়া প্ৰিয়াক ডুবাই দিলে)

কিন্তু সেই ঐনিতম সৃষ্টি হ'ল হয়, কিন্তু ই এক খৰস্ৰোতা নদীৰ দৰে বছৰে বছৰে ন ন সম্ভাৰ লৈ বিভিন্ন সুৰেৰে মিচিং সমাজক প্লাৱিত কৰিলে। অৱশ্যে সাংস্কৃতিক সচেতনতা আৰু সংৰক্ষণশীলতাই অজ্ঞাতসাৰে ক্ৰিয়া কৰিবলৈ ধৰাত ঐনিতমবোৰ বেছি প্ৰাঞ্জল, সাৱলীল আৰু অধিক আবেদনশীল হৈ উঠিল আৰু বাহিৰৰ শব্দ বৰ্জিত হৈ মিচিং ভাষাই প্ৰাণ পাই উঠিল। উদাহৰণস্বৰূপে—

কুৰুৱাঙে কাপ্দুবং অৃতুঙাউলা অৃবক্লা
আচিনাঙৌ অদুবং ৰংকিৰাউলা ৰয়াৎলা

ই আগৰ কুৰুৱা ডুবি ঐনিতমতকৈ অধিক আধুনিক আৰু অমিচিং শব্দবৰ্জিত আৰু সেইহেতু অধিক সাৱলীল আৰু আবেদনশীল। সেইদৰে দিন আগবঢ়াৰ লগে লগে ঐনিতম স্বয়ংসম্পূৰ্ণ হ'বলৈ ধৰে আৰু ইয়াৰ জনপ্ৰিয়তা ক্ৰমাৎ প্ৰসাৰিত হ'বলৈ ধৰে।

মিচিং ঐনিতমৰ লগতে মিচিং নাচে প্ৰকৃতিৰ বিভিন্ন ভঙ্গিমাৰ অনুকৰণত নানা ভঙ্গীৰে প্ৰাণ প্ৰাচুৰ্যমণ্ডিত হৈ উঠিল। মিচিং সমাজৰ কৰ্মব্যস্ততাবোৰ তেওঁলোকৰ নাচৰ ভঙ্গীত ফুটি উঠিল। তেওঁলোকৰ সেই নাচৰ ভঙ্গীত কিছু কিছু ক্ষেত্ৰত সত্ৰীয়া নাচেও প্ৰভাৱ পেলাব ধৰিলে। সত্ৰীয়া নাচৰ প্ৰভাৱ পৰিলেও মিচিং নাচে স্বকীয় বিভূতিৰে ঐশ্বৰ্যমণ্ডিত হ'ব ধৰিলে।

মিচিং সংস্কৃতিৰ বিৱৰ্তনত ঢোলৰ ব্যৱহাৰ ঐতিহ্যমণ্ডিত বুলি ক'ব পাৰি। ঢোলৰ বিভিন্ন ছেওবোৰে নাচৰ বিভিন্ন ভঙ্গী সৃষ্টি কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। তদুপৰি ঢোলৰ বিভিন্ন ছেওৰ তাল ৰাখিবলৈ গৈ ঐনিতমৰ অসংখ্য সুৰ সৃষ্টি হ'ব ধৰিছে। ঢোল যদিও বিহুৰে অৱদান তথাপি মিচিং চাঙত বিহুৱে বেলেগ ৰূপ লোৱাৰ দৰে মিচিং সমাজত ঢোলেও স্বকীয় বৈশিষ্ট্য লাভ কৰিলে।

যদিও মিচিংসকল আদিসকলৰ বিভিন্ন ঠালৰ পৰা বিভিন্ন সময়ত নামি আহি বিভিন্ন ঠাইত থাকিবলৈ ল'লে কিন্তু বৃহৎ অসমীয়া সংস্কৃতিৰ আৱেষ্টনীত পৰি তেওঁলোকৰ সাংস্কৃতিক ক্ৰমোন্নতি একেটা সাঁচত গঢ়ি উঠিল। আজি মিচিং সংস্কৃতিক বিভিন্ন লেখৰ গণ্ডিত বিভাজন কৰি চাব নোৱাৰি কিন্তু সামগ্ৰিকভাৱে একেটা সাঁচতে মিচিং সংস্কৃতিয়ে বিৱৰ্তনৰ পথত আগবাঢ়িছে। বিশ্বৰ বিভিন্ন কৃষ্টিৰ নানা ধৰণৰ সমাৰোহ হ'ব ধৰিছে, এনে বিভিন্ন সংস্কৃতিৰ সমাৰোহত মিচিং কৃষ্টিয়েও প্ৰতিনিধিত্ব পাব ধৰিছে। সেইবোৰৰ প্ৰভাৱ আৰু আদান-প্ৰদানৰ আলোকত মিচিং সংস্কৃতিৰ কেনে বিৱৰ্তন হয় তালৈ লক্ষ্য কৰিব লাগিব।

(সদৌ অসম ট্ৰাইবেল সংঘৰ 'স্মৃতিগ্ৰন্থ'ৰ পৰা ঃ ৰচনাকাল ঃ ১৯৭৭)

ৰাভা জনগোষ্ঠী ঃ এক অৱলোকন

হেৰম্ব কুমাৰ ৰাভা

প্ৰাত্যহিক জীৱন ঃ

শেষৰাতি মুৰ্গীয়ে ডাক দিয়াৰ লগে লগে ৰাভা গাঁৱত জীৱনৰ স্পন্দন শুনিবলৈ পোৱা যায়। ঘৰৰ গৃহিণীয়ে আধা ৰাতিয়ে শোৱাপাটী এৰি পোহৰ হোৱালৈকে ধান বানে। গাঁওখন গুমগুমাই উঠে। কাহিলি কাহিলি পোহৰতে গা ধোৱে। বুঢ়া-মেথা আৰু পূজনীয়জন তেতিয়াও বিছনাত। এই সময়ত তিতা কাপোৰ শিলৰ চপৰাত বা কাঠৰ ফলাত শব্দ কৰি আচৰিব নাপায়, ধৃষ্টতা হয়। বেলি পূৱঠ হ'লেহে ধোৱে। এয়া ৰাভা সমাজত শিষ্টাচাৰৰ আদিপাঠ। প্ৰতিগৰাকী মহিলাই প্ৰত্যুষতে গা ধোৱে। পুৰুষসকলে শুই উঠি বাহী চোতালত ভৰি দিবলৈ নৌ পাওঁতেই ঘৰ-চোতাল সৰাটো নিয়ম, নহ'লে ঘৰখনৰ অমংগল হয়। মহিলাসকলৰ নিচিনাকৈ পুৰুষসকলেও আধা ৰাতিতে শুই উঠি 'খোলাচাৰীত' ধানৰ ডাঙৰি জমা হৈ থাকিলে মৰণা মাৰিবলৈ লয়। এনেকৈয়ে ৰাভা সমাজৰ প্ৰাত্যহিক জীৱন আৰম্ভ হয়। বাৰিষা হ'লে হাল-কোৰ লৈ গৰুহাল খেদি পথাৰলৈ যায়। ঘৰত থকাসকলে গৰু-গাই, ম'হ-ছাগলী মেলি দিয়ে অথবা এৰাল দিয়েগৈ। গাঁৱৰ প্ৰতিঘৰ মানুহে গাহৰি পোহে। আহাৰ যোগোৱাৰ সময়ত পয় পয় ('ফয়'-আহ) শব্দ কৰি ৰিঙিয়াই মাতে। গাঁওখন আকৌ এবাৰ ৰজনজনাই উঠে। এইবোৰ শব্দ শুনিলে 'ৰাভা গাঁও' বুলি নিশ্চিত হ'ব পাৰি। ৰাভা গাঁৱত বুঢ়া-বুঢ়ীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, আদৰণীয়। তেওঁলোকে প্ৰাচীন নিয়ম-নীতিসমূহ দোহাৰে, স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা বাহাল ৰাখে আৰু প্ৰথাবিধি (Customary Law) আৰু দেশবিধিৰ (Institutional Law) ব্যৱধান বাখ্যা কৰে। জন্ম-মৃত্যু-বিবাহ সংক্ৰান্তত পূৰ্ব পৰম্পৰা কঠোৰভাৱে পৰিচালনা কৰে। দোষীক শাস্তি প্ৰদান কৰে অথবা সমাজচ্যুত কৰে। অৱসৰ সময়ত জন্তু চিকাৰৰ বাবে জাল গুঠে (মাছৰ নহয়)। খেতিৰ সঁজুলি মেৰামতি কৰে, কাম-কাজৰ দিহা দিয়ে। বুঢ়ীসকলে দিনটো অবাবত নকটায়। নাতি-নাতিনীক লৈ ব্যস্ত থাকে আৰু মদ বনোৱা, সন্তান প্ৰসব কৰোৱা, এৰী, পাট, মুগা, পলু পোহা, লা খেতিত পোক

মেলা ইত্যাদি কামবোৰ কৰে। ৰাভা ল'ৰা-ছোৱালীবোৰ প্ৰকৃতিৰ কোলাতে ডাঙৰ-দীঘল হয়। ৰাতিপুৱাৰ পৰা ৰাতিলৈ প্ৰকৃতিৰ মুক্ত বাতাৱৰণেই তেওঁলোকৰ ঘৰ। ময়না, ভাটৌ আৰু শালিকী পুহি লগৰী বনায়, মনৰ কথা পাতে। হাকোটা থকা দুডাল লাঠিত ভৰি দি 'ঠেংবাৰি' বোলা যতনত উঠি মানুহৰ মূৰৰ ওপৰেৰে খোজ কাঢ়ি বিচিত্ৰ খেল খেলে। বাঁহৰ কামিৰে নিজৰ কান্ধৰ সমান এক চকা বনায়, সেই চকাৰ পাছত দৌৰি দূৰলৈ বাতৰি কঢ়িয়ায় আৰু যে কত কি! ডেকাসকল গাঁৱৰ সমাজৰ মূল্যৱান সম্পদ। তেওঁলোকে বাহিৰা শত্ৰু আৰু হিংস্ৰ জীৱ-জন্তুৰ পৰা গাঁওখনক ৰক্ষা কৰে আৰু সতৰ্ক দৃষ্টি ৰাখে। তেওঁলোক সকলো কামতে আগৰণুৱা। গাভৰুৰ মনৰ জোখাৰে সাহস আৰু পাৰ্গতালি দেখুৱায়। পাহাৰত জংগল ভাঙি জুম খেতি, খাপখেতি আৰু 'সোণতৰা' (কমলা) টেঙাৰ বাগিচা পাতি ওখ ওখ 'টঙি' সাজে, বাঁহী বজায়। নদী ভেটি কাঠ-বাঁহেৰে 'গাৰোজান' সাজি ডাঙৰ মাছ ধৰে, বিল-খালত 'চজু' গছৰ বিষ দি সৰু মাছ মাৰে। প্ৰতিগৰাকী ৰাভা গাভৰু শিপিনী। ৰাভা গাভৰুৱে কৱচ-কাপোৰ বনাই পুৰুষক যুদ্ধলৈ পঠায়। মোকৰ্দমা ফুল তুলি গিৰীহঁতক কাছাৰীলৈ পঠায়। ৰাভা ডেকা-গাভৰুৰ প্ৰেমৰ জগতখন বৰ বহল। ৰাভা ভাষাৰ প্ৰণয় গীত 'ছাথাৰ' আৰু অসমীয়া ভাষাত গোৱা প্ৰণয়গীত 'বন্ধুৰঙী' আজি সৰ্বজনবিদিত।

দুপৰ বেলিকা মূল আহাৰৰ বাবে সকলোৱে ঘৰখনত একত্ৰিত হয়। মহিলাবিলাকে সুস্বাদু আহাৰ তৈয়াৰ কৰে। পৰিয়ালত একাধিক জীয়াৰী, বোৱাৰী থাকিলে পাল ধৰি ৰন্ধা কাম কৰে। ৰান্ধনীয়ে নিজৰ পাল পৰিলে নিজে খৰি সংগ্ৰহ কৰি আনিব লাগে। ভাত বাঢ়োতেও প্ৰথমতে ঘৰৰ মূল পুৰুষজনলৈ ভাত বাঢ়ে। সকলোকে খোৱাই-বোৱাই শেষত ৰান্ধনীয়ে খায়। ৰন্ধাৰ আগেয়ে জমা কৰি থোৱা চাউলখিনি এবাৰ উৰালত খুন্দি চাফা কৰি লোৱা হয়। গধূলি হৈ অহাৰ লগে লগে ৰাভা গাঁও উদুলি-মুদুলি হৈ পৰে। ম'হৰ পিঠিত উঠি ল'ৰাহঁতে ঘণ্টি বজাই গাঁৱৰ পথত ভৰি দিয়ে। সিহঁতৰ হাতত বিৰিণা বনৰ আধা সজা টুপী বা টাঙাবনৰ পিঞ্জৰা একোটা থাকে। এই সময়তে গৰখীয়াহঁতে হুৰমূৰকৈ গৰু খেদি আনে, তাহাঁতৰ হাতত থাকে দিনটোত সাজি উলিওৱা পাচি, খৰাহি, জাকৈ-খালৈ, চেপা-থোহা। ঠিক এই সময়তে ৰাভা গাঁৱত দহা ভাতৰ তীব্ৰ গোন্ধ নাকত লাগেহি। অনুমান কৰিব পাৰি নিশ্চয় কিবা পূজা, উৎসৱৰ দিন চমু চাপি আহিছে আৰু ৰাভা মহিলাসকলে সেই উৎসৱৰ বাবে মদ বনোৱাত ব্যস্ত হৈ পৰিছে। সন্ধিয়া সকলোৱে এবাৰ জুহালত গোট খায়। কোনোবা এগৰাকী বুঢ়াই পাৰ হৈ অহা সংঘাতময় ৰাভা ইতিহাসৰ পাত মেলে। বুঢ়ী আইতাই 'পোহামদ'ৰ তেজৰঙী 'ৰহিমদ' এবাটি যতনাই দিবহি। বৰঘৰৰ জুহালৰ ওপৰত শুকাবলৈ ওলোমাই থোৱা গাহৰি বা পহুৰ মঙহাল পিছঠেঙৰ পৰা এটা অংশ কাটি আনি তাৰ চাট্‌নি বনাই মদৰ লগত 'দিহা' খাবলৈ দিব। বুঢ়াৰ চিন্তাই ইতিহাসৰ পৰা পাৰমাৰ্থিক জগতলৈ গতি কৰে। 'সৃষ্টিতত্ত্ব' ব্যাখ্যা কৰি বুঢ়াই পাৰমাৰ্থিক জগতলৈ উপাস্য দেৱতা 'চিৰগিনি ৰিচি'য়ে পোনতে..' এটা সময়ত বিস্ময়-বিমূঢ় হৈ সকলোৱে শুই পৰিব।

জীৱনচক্ৰ ঃ

বৈবাহিক স্বামী-স্ত্ৰীৰ মিলনৰ ফলতে সন্তানে জন্ম লাভ কৰিলেও ৰাভাসকলৰ মতে ভগৱানৰ আশিস বিনে কোনো দম্পতীয়ে সন্তানৰ মুখ দেখা নাপায়। এই ক্ষেত্ৰত শীৰ্ষ দেৱতা (Presiding Deity) হ'ল কাতি দেৱতা। সন্তানহীনা স্ত্ৰীয়ে সন্তান আৰু আবিয়ৈ গাভৰুৱে স্বামী লাভ কৰে কাতি দেৱতাৰ অনুগ্ৰহত। দেৱতাক সন্তুষ্ট কৰিবলৈ গোটেই নিশা তিৰোতাসকলে নৃত্য-গীত কৰে। গৰ্ভৱতী

তিৰোতাৰ সু-প্ৰসৱৰ বাবে 'ব্যায়মা-বায়'ৰ পূজা কৰা হয়। নৱজাতকৰ মংগলাৰ্থে 'ক্ষেত্ৰৰ-বায়'ৰ পূজা কৰা হয়। গাঁৱৰ অভিজ্ঞা আৰু বয়স্কা 'চাউনী'য়ে প্ৰসৱ কৰায়। প্ৰসৱকালত তলত 'উৰাল' আৰু ওপৰত ওলমি থকা 'শিকিয়া'ৰ সহায় লোৱা হয়। সন্তান-সন্ততিৰ নাম ৰখাৰ ক্ষেত্ৰত মাকৰ অগ্ৰাধিকাৰ থাকে। সন্তান ল'ৰা হ'লে প্ৰতাৰক প্ৰেমিকৰ নামটোকে ৰাখে। নাড়ী সৰিলে ভালদৰে শুকুৱাই সংৰক্ষণ কৰা হয়। ইয়াৰ নানান ব্যৱহাৰ গুৰুতৰ বুলি ভাবে, কাৰণ নৱজাতক অস্পৃশ্য বা নীচ জাতৰো হ'ব পাৰে। বিয়াৰ আগতে প্ৰেমঘটিত সন্তানৰ জন্ম হ'লে সমাজে মাক-বাপেকৰ বিয়া পাতি দি সন্তানক সম্পূৰ্ণ মৰ্যাদা প্ৰদান কৰে। প্ৰথম সন্তানটি ছোৱালী হ'লে তাই লক্ষ্মীস্বৰূপা (Lakshmi Hand) হয় বুলি বিশ্বাস। ঘৰৰ আটাইতকৈ ডাঙৰ ছোৱালীজনীলৈ (চপনীয়া ৰাখিলে) আটাইতকৈ সৰু ছোৱালীজনীয়ে ধনভঁৰালীৰ কামটো কৰে। মৃত্যুৰ আগে আগে মাকে জীয়েকৰ আগত কেতবোৰ গোপনীয় কথাৰ সম্ভেদ দি যায়। পুৰুষ জাতিৰ অজ্ঞাতে ৰাভা মহিলাই অতি সংগোপনে এটা সংস্কৃতি হেজাৰ বছৰ ধৰি জীয়াই ৰাখি আহিছে বুলি সম্প্ৰতি গম পোৱা গৈছে (D.N.Majumdar, South Kamrup)। এই প্ৰক্ৰিয়াত এগৰাকী সাধাৰণ ৰাভা মহিলাই শ শ বছৰ আগৰ কোনোবা ৰজা-মহাৰজাৰ বংশ-মৰ্যাদাৰ প্ৰতীক (Heir Loom) কঢ়িয়াই আনিব পাৰে।

মৃত্যুৱে ৰাভা সমাজৰ পৰিয়াল আৰু সমাজ-জীৱনত গভীৰ ৰেখাপাত কৰে। বহু যুগৰ আগতে ছহিদ হোৱা ৰাভাৰ বীৰপুৰুষসকলৰ পবিত্ৰ সোঁৱৰণত আজিয়ো ৰাভা লোকে সমূহীয়াকৈ শোকগীত গায়, শোকৰ সংগীত ৰচে। এই গীত একেৰাহে সাতদিনলৈ গোৱা হয়। মৃত্যু অনুষ্ঠানত শোক প্ৰকট কৰিবলৈ ৰাভা সমাজত 'পেছাদাৰী- কান্দুৰী (Professional Weeper) 'চিৰাজাক' আছে। (তুলনাঃ কাৰ্বিৰ 'উচেপী'— Bordoloi: 1982)। বিশেষ পৰিস্থিতিত পুৰুষেও এই ভূমিকা পালন কৰে; তেনে পুৰুষক 'মেমাং মিছিব্ৰাওকায়' বুলি কয়। শৱদেহ পোৰে নাইবা পোতে। সমাধিস্থানত 'ছান্দোৱা' তৰে আৰু চাৰিওফালে চাৰিডাল খুঁটি পুতি ৰঙা, ক'লা, বগা নিচান তৰি দিয়ে। ইয়াকে 'মাংখ্ৰাম্‌দাম' বোলে। সাতদিনৰ দিনা উক্ত স্থানত মৃতকৰ বাবে 'মায়-চোক' (আচলতে, মায়-চকো— মদ-ভাত) বা ভোগ আগবঢ়াবলৈ যায়। মৃত ব্যক্তিগৰাকীয়ে বাচি থাকোতে বহুত বস্তু খাই নেপাব পাৰে, বহুত বস্তু খোৱাৰ হেঁপাহ ৰৈ যাব পাৰে— সেয়ে শ্মশানলৈ নিয়াৰ আগতে মৃতকৰ বাবে বিভিন্ন খাদ্য প্ৰস্তুত কৰি আগবঢ়োৱা হয়। পৰজন্মত যাতে মসৃণ ছালৰ সুন্দৰ কান্তি লাভ কৰিব পাৰে, তাৰ বাবে তেল ঘঁহি দিয়ে। স্ত্ৰীয়ে স্বামীৰ মৃত্যুত বাকী থকা গোটেই জীৱন শোক কৰে। বাৰীৰ এচুকত গৈ পুবফালে মুখ কৰি দিনৌ ইনাই-বিনাই কান্দে। উৎসৱ-পৰ্বত হেৰোৱাজনৰ প্ৰতি প্ৰথমে খাদ্যভাগ আগবঢ়ায়। ৰাভা সমাজত এই আন্তৰিকতাৰ তুলনা নাই।

ৰাভা সমাজত একপত্নী বিবাহ, বহুপত্নী বিবাহ, নিম্ন লেভিৰেট, নিম্ন ছৰোৰেট বিবাহ-পদ্ধতি প্ৰচলিত আছে। অতীজৰে পৰাই ৰাভা ডেকাই মোমায়েকৰ জীয়েকক পাবলৈ হেঁপাহ কৰে। যদি মোমায়েকৰ ছোৱালীয়ে নেথাকে, তেন্তে নতুন শহুৰেকক 'মামা' বুলিয়ে মাতিবলৈ লয়। এই প্ৰীতিৰ পৰাই 'মামাৰ বেটি কালায় শাক'—এই বচনটি সিদ্ধ হৈছে। উল্লেখযোগ্য যে 'কালায়' অৰ্থাৎ 'মাটিমাহ' ৰাভাসকলৰ অতি প্ৰিয় খাদ্য আৰু প্ৰতি ৰাভা খেতিয়কে মাটিমাহৰ খেতি কৰিবই।

ৰাভা সমাজত বিয়া কেইবাধৰণে সম্পন্ন হয়। (১) বলেৰে ছোৱালী হৰণ কৰি, (২) পাৰস্পৰিক চোৱা-মেলাৰ যোগেদি, (৩) সাল-সলনি কৰি, (৪) সেৱা পৰিচৰ্যা বা কায়িক শ্ৰমৰ বিনিময়ত, (৫)

সেন্দূৰৰ ফোঁট দি, (৬) প্ৰেমপাত্ৰীক পলুৱাই নি। প্ৰতিগৰাকী ৰাভা গাভৰুৱে সামাজিক প্ৰথাৰে বিয়া হ'বলৈ সাধনা কৰে। নহ'লে মৰ্যাদাচ্যুত হয়। তাই গোটেই জীৱন বিয়াৰ মাংগলিক অনুষ্ঠানত (যেনে— পানী তোলা, দৰাধৰা, কইনাৰ মূৰ ফণিওৱা ইত্যাদি) সক্ৰিয় ভূমিকা লোৱাৰ পৰা বঞ্চিত হৈ নীৰৱ দৰ্শক হৈ কটাব লাগে। ৰাভা সংস্কৃতিৰ বহু ক্ষেত্ৰতে ব্যতিক্ৰম, তাৰে এটা হ'ল— ৰাভা সমাজৰ বিয়াত 'খোবা-খুবি' অনুষ্ঠানৰ দৰে বিয়াৰ থলীতে দৰা-কইনাক 'দাতা-বিধাতা'ৰ নিৰ্বন্ধ শীৰ্ষক দীঘলীয়া কাহিনী শুনাই মংগল কামনা কৰা হয়। ৰাভাৰ বিয়াত 'চন্দুক ভাঙোৱা গীত' অন্য এক উল্লেখযোগ্য ব্যতিক্ৰম।

উৎসৱ পৰ্ব ঃ

উৎসৱ পৰ্ব ৰাভাসকলৰ মতে বছৰৰ কোনোটো মাহেই পূজা-উৎসৱৰ বাবে প্ৰতিকূল নহয়। বহাগ মাহত 'বায়খো', জেঠ মাহত 'হাসং', আহাৰ মাহত 'মাকাংমাথাং', শাওণ মাহত 'খোক্‌চি', ভাদ মাহত 'নাঙল পূজা', আহিন মাহত ঘৰুৱা 'ধান ডাঙৰী' পূজা, মাঘ মাহত 'দোমাহি', ফাগুন মাহত 'দদান পূজা আৰু চ'ত মাহত 'হামজাৰ' পূজা পালিত হয়। প্ৰতিখন 'পাতিৰাভা' গাঁৱতে একোখন 'লাঙাথান' থাকে। এই পূজাত 'তুৰুৰীয়া গীত' গোৱা হয়। এই ঐতিহাসিক গীতত 'কোচে' কালক্ৰমত 'ৰাভা' হোৱাৰ কথা উল্লেখ আছে। লাঙাদেও, সুকৃতি-দুষ্কৃতি, ভগৱতী দেৱী, ন বইনিৰ জন্ম, হেৰকাপেটাৰ জন্ম আদি নানা কাহিনী বৰ্ণিত হৈছে। 'ফাৰকান্তি' শ্ৰাদ্ধানুষ্ঠান। 'ৰংদানী', 'মাইতৰী' আৰু 'দাহকী' শাখাই এই শ্ৰাদ্ধানুষ্ঠানটি ধৰি ৰাখিছে। ৰভাৰ তলত চাকি-বন্তি জ্বলাই পিঠাগুৰিৰে আল্পনা সজাই আৰু সাতখন ডাঙৰ থাল বা কাঁহী স্থাপন কৰে, ইয়াকে 'গাম্ছি' সজোৱা বোলে। মৃতকৰ ভাগিনীয়েকেহে মাথোন 'গাম্ছি' সজাব পাৰে। তায়ে প্ৰথমে মাজৰ থালখনৰ পৰা কৱচ-কাপোৰ ধাৰণ কৰি, ঢাল-তৰোৱাল লৈ গাম্ছিৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে আৰু বৰ কৰুণ সুৰত গীত গায়। তাৰ পাচত আনসকলেও নৃত্য-গীতত অংশ লয়। ৰাভাৰ বিখ্যাত 'ফাৰকান্তি' নৃত্য বা ৰণনৃত্য দেশে-বিদেশে সমাদৃত। 'বায়খো' উৎসৱ অতি জনপ্ৰিয় অনুষ্ঠান। শত্ৰুৰ বৰ্বৰ আক্ৰমণত অনাই-বনাই পলাই ফুৰা ৰাভাসকলে 'দেওশিলা' নদীৰ পাৰত অৱস্থিত 'আঠিয়াবাৰী'ত পুনৰ মিলিত হয় আৰু বায়খো পূজাৰ আয়োজন কৰে। এই পূজাত কামৰ ভাগ অনুসৰি এই অঞ্চলৰ ৰাভাসকল 'ৰংদানী', 'মাইতৰী', 'পাতি', 'দাহৰী', 'হানা', 'বিতলীয়া' আদি শাখাত বিভক্ত হৈ পৰে। ৰাভাৰ বায়খো উৎসৱ সাতদিন সাতৰাতি চলে। নিশা 'হৈ-মাৰু' গীত গায়। ডেকা গাভৰুৱে 'ছাথাৰ' গীত গায় আৰু জীৱনৰ লগৰী নিৰ্বাচন কৰে। এই পূজাৰ বৈশিষ্ট্য হ'ল অগ্নিপূজা। একাঁঠু দগদগীয়া অঙঠাৰ ওপৰত নাচিব লাগে। যিয়ে ব্ৰত আৰু ব্ৰহ্মচৰ্য পালনত ত্ৰুটি কৰে তেওঁৰ ক্ষতি হয়। পূজাথলীৰ পৰা আহোতে গাঁৱৰ সীমনাত 'কিল্লা' ভাঙে। 'হানা ৰাভা' শাখাই 'হানাঘোঁৰা' পূজা পালন কৰে। ১৯৪৮ চনত বকোৰ এখন ৰাভা জাতীয় সভাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ড° ভূপেন হাজৰিকাক মাতি আনি হানাঘোঁৰা নৃত্য দেখুৱায় আৰু ৰাভাৰ এই কলাক জনসমাজত প্ৰচাৰৰ বাবে অনুৰোধ জনায়। ড° হাজৰিকাই ১৯৬৯ চনত 'চিক্‌মিক্ বিজুলী'ত 'পক্ষীৰাজ' ঘোঁৰা নচুৱালে; কিন্তু ৰাভাৰ হানাঘোঁৰা অনাদৃত হৈ পৰিয়ে থাকিল। হানাঘোঁৰাত বাঁহৰ কামি আৰু ক'লা কাপোৰেৰে ঘোঁৰাৰ মূৰ থকা এটা জুমুধি তৈয়াৰ কৰে। ইয়াতে দেও ছাগলীৰ শিং লগাই অতিলৌকিক ধাৰণা আদি দিয়া হয়। দেও উঠা এজন লোকে এই জুমুধি পিন্ধি বাদ্য সংগীতৰ তালে তালে নাচে, গৃহস্থৰ পৰা কণী, চাউল আদি সংগ্ৰহ কৰি সমূহীয়া ভোজৰ আয়োজন কৰে। 'পাওৱা দেও' পূজা কুস্তিখেলা পূজা বুলিব পাৰি। পূজা-সেৱা কৰি বাঁহ এডাল কাটি আনি অইন কাঠি-কামিৰে আৰু ৰং-বিৰঙৰ কাপোৰেৰে

সজ্জিত কৰা হয়। এই সুসজ্জিত বাঁহডাল পূজাৰ দিনা পূজাৰীৰ ঘৰত পোনতে এটোপা ধানৰ ওপৰত খাঁজি থোৱা হয়। আনুষ্ঠানিকভাৱে তাতে ঘূৰাই পথলৈ উলিওৱা হয়। গৃহস্থই সেৱা-ভক্তি জনাই সিধা আগবঢ়ায়। সাত দিনলৈ এই পূজা থাকে।

এই বিচিত্ৰ সংস্কৃতিৰ অধিকাৰী ৰাভাসকলনো কোন? এই ৰাভা নামটো তেওঁলোকক গাৰোসকলে দিয়া। গাৰো ভাষাত 'ৰাবা' বা 'ৰাভা' মানে 'লৈ অনা'। কোনে, কেতিয়া, কাক আৰু ক'লৈ লৈ আনিছিল সেয়া বিচাৰ্য বিষয়। মিছনেৰিসকল আৰু তেওঁলোকৰ হাত ধৰি অহা ইংৰাজ লেখকসকলে গাৰোসকলৰ পৰা এই পৰিচয় প্ৰাপ্ত হয়. লেখকসকলে লেখা-মেলাত এই ৰাভা নাম ব্যৱহাৰ কৰি গৈছে। মোগল বুৰঞ্জীবিদ্‌, আহোম লেখকসকল আনকি গাৰোৰ গোবিন্দ আতৈ আৰু নগাৰ নৰোত্তম আতৈক আপোন কৰি লোৱা মহাপুৰুষ শংকৰদেৱো এই 'ৰাভা' নামটোৰ লগত পৰিচিত নাছিল। 'আং কোচ, নীং কোচ' তেওঁলোকে নিজকে কোচ বুলিও পৰিচয় দিয়ে। ইংৰাজসকল অহাৰ আগলৈকে তেওঁলোকৰ পৰিচয় আছিল কোঁচ। দেখা যায়, অসমৰ জনজাতিসকলৰ দুটাকৈ পৰিচয় আছে—এটা নিজে লোৱা আনটো আনে দিয়া। সেইমতে মিৰিসকলক 'মিচিং', মিকিৰসকলক 'কাৰ্বি', লালুংসকলক 'তিৱা' আৰু ৰাভাসকলক 'কোঁচ বুলি জনা যায়। ৰাভাসকল কেতিয়া আৰু কেনেকৈ অসমলৈ আহিল? বুঢ়াসকলে মদে-ভাতে কেতিয়াবা বৰ অৰ্থপূৰ্ণ বিচিত্ৰ শব্দ উচ্চাৰণ কৰে। এইবোৰ বিষয় ব্যাপক অনুসন্ধান আৰু গৱেষণা কৰাৰ পাছত তেওঁলোকৰ আদি বাসস্থান আৰু পৰিব্ৰজন পথৰ সন্ধান উলিওৱা হৈছে। 'অসম' নাম 'আসাম'ৰ পৰা আৰু 'আসাম' নামটো ৰাভা ভাষাৰ 'হাসাম' (হা-মাটি-সেউজবুলীয়া) শব্দৰ পৰা আধাৰিত কৰা হৈছে। (—বাদেন পাৱেল)। ৰাভাসকলে হাসাম, হাসম, হাসং (ৰাভা হাসং) শব্দটো অব্যাহত ৰাখিছে। অসমৰ বহুতো গুৰুত্বপূৰ্ণ নদ-নদী, পৰ্বত-পাহাৰ আৰু ঠাইৰ নাম ৰাভাসকলে দিয়া। অসমৰ সংস্কৃতিলৈ ৰাভাসকলে অনবদ্য অৱদান আগবঢ়াইছে, তাত কোনো সন্দেহ নাই। *

---

* *'নিৰিগিৰি-নিছিগি'*ৰ সৌজন্যত—সম্পাদক

ডিমাছাসকলৰ সমাজ-জীৱন

ধৰ্মেশ্বৰ দুৱৰা

অতি প্ৰাচীন কালৰে পৰা ডিমাছা-কছাৰীসকলে অসমত বসবাস কৰি আহিছে। 'ডিমাছা' বা 'ডিমাফিছা' শব্দৰ অৰ্থ এনেদৰে কৰিব পাৰি—ডি = পানী, মা = বৃহৎ, ছা = সন্তান, সৰু বা নৈপৰীয়া, অৰ্থাৎ বৰনৈৰ সন্তান। তেওঁলোকে নিজকে বৰনৈ বা ব্ৰহ্মপুত্ৰৰ সন্তান বা ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজত্ব কৰা লোক বুলি কয়। এসময়ৰ তেওঁলোকৰ ৰজাৰ ৰাজত্বকালৰ ৰাজধানী ডিমাপুৰ শব্দৰ অৰ্থলৈ মন কৰিলে বুজা যায় যে—ডি = পানী, মা = বৃহৎ, পুৰ = নগৰ। অৰ্থাৎ ধনশিৰি উপত্যকাত ডিমাপুৰক ৰাজধানী নগৰ হিচাপে স্থাপিত কৰি বাস কৰোতা। এইটো মন কৰিবলগীয়া যে আহোমসকল অসমলৈ অহাৰ পূৰ্বেই তেৰশ শতিকাৰ আগভাগত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণপাৰে দিখৌ নৈৰ পৰা কলং নৈ পৰ্যন্ত সমগ্ৰ সমভূমিখণ্ড কছাৰী ৰাজ্যৰ অন্তৰ্গত আছিল।

অসমৰ আদিবাসীসকলৰ অন্যতম জাতি ডিমাছা-কছাৰীসকল তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ অসম-বৰ্মী শাখাৰ অন্তৰ্ভুক্ত। 'তিব্বত-বৰ্মীসকল চীন দেশৰ দক্ষিণ অংশৰ পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীয়েদি অসম-ব্ৰহ্ম-ইন্দোচীন আদিত সিঁচৰতি হয়।'[১] 'অসমৰ কাছাৰ জিলাৰ নাম কছাৰীয়ে দিয়া। কছাৰী বড়ো গোষ্ঠীৰ মানুহ। এওঁলোক আদিতে চীন দেশৰ নৈ ইয়াংচিকিয়াং আৰু হোৱাংহোৰ উজনি ভাগত আছিল। প্ৰাচীন কালত এওঁলোকে সেই অঞ্চলৰ পৰা অসম, উত্তৰ বংগ আৰু পশ্চিমে ত্ৰিপুৰালৈকে যায়।'[২] ধাৰাবাহিক বুৰঞ্জীৰ অভাৱৰ কাৰণে অতি পুৰণি জনজাতি হ'লেও ডিমাছাসকলৰ প্ৰাচীন কালৰ বিষয়ে জনাত যথেষ্ট অসুবিধা হয়।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছতো ১৯৬১ চনলৈকে ডিমাছাসকলক কছাৰী জনজাতিৰ এটা উপশাখা হিচাপে গণ্য কৰা হৈছিল। ১৯৬১ চনৰ লোকপিয়লৰ পাছত এটা পৃথক জনজাতিৰ শ্ৰেণীভুক্ত কৰা হয়।

তেওঁলোকে বৰ্তমান উত্তৰ কাছাৰ পাহাৰ জিলা, নগাঁও জিলা, কাৰ্বি আংলং জিলা, কাছাৰ

আৰু নাগালেণ্ডৰ উপৰি ধনশিৰি আৰু মহংডিজোৱাত বসবাস কৰে। ভৌগোলিক ক্ষেত্ৰভেদে তেওঁলোকৰ সমাজক চাৰিটা ভাগত ভাগ কৰা হয়। নাগালেণ্ডৰ অধিবাসীসকলক 'ডিজোৱাছা', লংকা, হোজাই আদি ঠাইৰ অধিবাসীসকলক 'ডেম্ৰাছা', কাছাৰৰ অধিবাসীসকলক 'হাৱাৰছা' আৰু উত্তৰ কাছাৰ পাহাৰৰ অধিবাসীসকলক 'হাচাউছা' বুলি অভিহিত কৰা হয়।

নদীৰ বোঁৱতী সুঁতিৰ দৰে একোটা জাতিৰ সংস্কৃতিও কালৰ সুঁতিত বৈ আহে। নদীয়ে যেনেকৈ নিজৰ গতিপথত অন্য জান-জুৰি নতুবা উপনদীৰ পানীৰে পুষ্ট হৈ পৰে, সেইদৰে কোনো এক জনগোষ্ঠীৰ সংস্কৃতিয়েও অন্য সংস্কৃতিৰ লগত সংমিশ্ৰিত হৈ পুষ্ট হৈ পৰে। কেতিয়াবা বৃহৎ প্ৰভাৱশালী সংস্কৃতিয়ে অন্য সংস্কৃতিক বুকুত লৈ সাগৰত নদীৰ অস্তিত্ব নিঃশেষ কৰাৰ দৰে নিজৰো অস্তিত্ব বিলীন কৰি দিয়ে। অসমীয়া সংস্কৃতিৰ এটি বোঁৱতী উপসুঁতি হৈছে ডিমাছাসকলৰ বাৰেৰহণীয়া ঐতিহ্যমণ্ডিত ঐশ্বৰ্যশালী সংস্কৃতি। তেওঁলোকৰ সংস্কৃতিত অঞ্চলভেদে স্থানীয় জনগোষ্ঠীৰ সাংস্কৃতিক সংমিশ্ৰণ ঘটা দেখা যায়। কাছাৰত থকাসকলৰ ওপৰত বংগীয় প্ৰভাৱ পৰিছে। 'বৰ্তমান ডিমাছাসকল সংখ্যালঘু হৈ কাছাৰত বসতি কৰি আছে। তেওঁলোকৰ ওপৰত বংগীয় সংস্কৃতিৰ প্ৰভাৱ যথেষ্টৰূপে পৰিছে বুলি ক'ব পৰা যায়। নগুণ ধাৰণ, জন্ম-মৃত্যু-বিবাহ আদি ডিমাছাসকলৰ পৰম্পৰা ৰীতিৰ সলনি ব্ৰাহ্মণ্য প্ৰথা প্ৰচলন হৈছে। বৰ্মন উপাধি গ্ৰহণ ব্ৰাহ্মণ্য প্ৰভাৱৰ ফল।' [২]

ডিমাছাসকলৰ পৰিয়াল ঘৰৰ মুৰব্বী এজনৰ অধীনত গঠিত হয়। মুৰব্বীজনৰ পৰিবাৰ, সন্তান-সন্ততি, অবিবাহিত ভায়েক, অবিবাহিতা ভনীয়েকক লৈ একোটা পৰিয়াল গঠন হয়। বিয়া দিয়াৰ পাছত ছোৱালীজনী মাক-দেউতাকৰ ঘৰৰ পৰা স্বামীৰ গৃহলৈ যোৱাৰ নিয়ম। সেইদৰে ডেকাসকলে বিয়া কৰোৱাৰ পাছত মাক-দেউতাকৰ পৰা আঁতৰি পৃথকে ঘৰ পাতি পৰিয়াল হিচাপে বসবাস কৰে। পৰিবাৰতকৈ স্বামীৰহে ঘৰখনত প্ৰতিপত্তি বেছি।

মানুহ সমাজপ্ৰিয়। সমাজ আৰু ব্যক্তিৰ মাজত ওতপ্ৰোত সম্বন্ধ। ব্যক্তিৰ সমষ্টিয়েই সমাজ। সমাজৰ কিছুমান নীতি-নিয়ম মানি চলিবলৈ সামাজিকভাৱে চুক্তিবদ্ধ হৈ কাৰোৰে অমংগল নকৰাকৈ মানৱীয় গুণসম্পন্ন ধৰ্ম-কৰ্ম, আচাৰ-ব্যৱহাৰ আদি সকলো একে গঢ়তে কৰিলেই এটা জাতিৰ সংস্কৃতিৰ সৃষ্টি হয়। কালক্ৰমত ইয়েই সেই সমাজৰ সংস্কৃতিত পৰিণত হয়। যুগ যুগ ধৰি প্ৰচলিত সংস্কৃতিৰ বুকুতেই সভ্যতাই গঢ় লৈ উঠে।

ডিমাছা জনজাতিৰ সামাজিক জীৱনত কিছুমান উমৈহতীয়া আচাৰ-বিচাৰ পালন কৰাৰ নিয়ম আছে। তেওঁলোকৰ সভ্যতা সেই ৰীতি-নীতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। সমাজৰ ৰীতি-নীতি উলংঘা কৰা মানেই সমাজক অৱমাননা কৰা সূচায় আৰু তেনে কৰা লোক সমাজচ্যুত হয়।

ডিমাছাসকলৰ শতকৰা পঞ্চান্নৰৈ ভাগেই গাঁওবাসী। নৈ বা নিজৰাৰ গইনা লৈ সাৰুৱা অঞ্চলত ডিমাছা গাঁওসমূহ সাধাৰণতে গঢ়ি উঠে। কৃষিজীৱী হোৱা বাবে তেওঁলোকে সাৰুৱা আৰু পানীৰ সুবিধা থকা মাটিতহে থাকিবলৈ ইচ্ছা কৰে। এই ইচ্ছা পৃথিৱীৰ সকলো জাতিৰে পৰম্পৰাগত ৰীতি। উত্তৰ কাছাৰৰ ডিমাছাসকলে নদী বা জুৰিৰ কাষত, মাজেদি আহল-বহল ৰাস্তা ৰাখি, তাৰ কাষে কাষে দুশাৰীকৈ পাহাৰৰ দাঁতিত গাঁওবোৰ গঢ়ি তোলে। তেওঁলোকৰ দুঘৰ মানুহৰ মাজত ব্যৱধান নিচেই কম থাকে। এঘৰৰ পৰা আন এঘৰলৈ যোৱাৰ পথ সুচল কৰি লয়। ডিমাছা ভাষাত গাঁও গঠন কৰা প্ৰণালীটোক 'নৱলাই' আৰু গাঁওবাসীৰ সৈতে গাঁওখনক ৰাজি বুলি অভিহিত কৰে।

ধুমুহা বতাহ আদিৰ পৰা মূল ঘৰটো ৰক্ষা কৰিবৰ বাবে তেওঁলোকে ঘৰৰ চাৰিওফালে বাঁহেৰে ঘৰৰ মূধৰ সমানকৈ চকোৰা দি লয়। চকোৰা দিয়া এনে ব্যৱস্থাক 'ন'ৰছা জেলেপ' বা 'বাৰডিম' বুলি কয়। ঘৰ-দুৱাৰ সজাই ল'বলৈ তেওঁলোকে একগোট হৈ কাম কৰে। এঘৰৰ ঘৰ এটা সাজিলে গাঁওখনৰ লোকক খবৰ দিলে সকলো আহি সমূহীয়াভাৱে সহায় কৰি দিয়েহি। মিলা-মিচা তেওঁলোকৰ জাতিগত স্বভাৱ।

অতীজতে ডিমাছা পুৰুষ বা স্ত্রী কাৰোৰে সম্প্ৰদায় বা ফৈদ নাছিল। ডিমাপুৰত ৰাজধানী থকাৰ সময়ত তেওঁলোকৰ মাজত ষোল্লটা ফৈদ থকাৰ কথা পোৱা যায়। পুৰুষ আৰু তিৰোতাভেদে ফৈদবিলাক পৃথক পৃথক। পুৰুষৰ ফৈদক 'চেমফং' আৰু তিৰোতাৰ ফৈদক 'জুলুক' বা 'জাদী' বুলি কোৱা হয়। তেওঁলোকৰ সমাজত চল্লিছটা 'চেমফং' আৰু বিয়াল্লিছটা 'জুলুক' আছে। এই 'চেমফং' আৰু 'জুলুক'ৰ বৰ্তমান শ্ৰেণী বিভাগ ৰজা কাশীচন্দ্ৰৰ সময়তেই কৰা হৈছিল। কাশীচন্দ্ৰ 'হাম্মুছা' বংশত জন্মগ্ৰহণ কৰিছিল।[8]

ডিমাছা গাঁওবিলাকত একোজনকৈ মুখিয়াল বা গাঁওবুঢ়া থাকে। তেওঁক 'খুনংগ' বুলি কোৱা হয়। সভা এখন পাতি সকলোৰে মতামত লৈ এই মুখিয়ালজনক নিৰ্বাচন কৰিব লাগে। অৱশ্যে গাঁৱৰ প্ৰতিপত্তি থকা লোকজনেই এইক্ষেত্ৰত জয়ী হয় আৰু তেওঁকেই সকলোৱে গাঁওবুঢ়াৰূপে মানি লয়। গাঁওবুঢ়াক সকলো সময়তে সহায় কৰিবৰ বাবে 'দিলেক' বুলি অন্য এজন লোকো থাকে।

মাইবাঙৰ পৰা প্ৰায় আঠাইছ কিলোমিটাৰ দূৰৈত অৱস্থিত চেমখৰ নামৰ গাঁওখন ডিমাছাসকলৰ অতি পুৰণি আৰু সংৰক্ষণশীল গাঁও। এই গাঁৱৰ লোকসকলৰ মাজতেই পৰম্পৰাগত গাঁও সংগঠনৰ ধাৰা আজিও জীয়াই আছে। আজিও তেওঁলোকৰ গাঁওখনত এখন গাঁও পৰিষদ আছে। ইয়াৰ বিষয়াসকল হৈছে— 'খুনং', 'দিলেক', 'দাওলাথু', 'হাবাই চাগৰ', 'ফাৰাই', 'মন্ত্ৰী', 'হাংচেউ বুখু' আৰু 'জালাইৰাও'। এইসকল মুখ্য বিষয়াৰ তত্ত্বাৱধানত ডিমাছা গাঁৱৰ সকলোধৰণৰ প্ৰশাসন আৰু বিচাৰ-ব্যৱস্থা পৰিচালিত হয়। পৰম্পৰা অনুসৰি তেওঁলোকৰ গাঁও এখনৰ বয়োবৃদ্ধ লোকজনেই 'খুনং' পদবীটো পায়। 'খুনং' মানে গাঁওবুঢ়া। খুনঙৰ পাছতেই 'দিলেক'ৰ স্থান। তেওঁ খুনঙৰ সহকাৰী হিচাপে কাম কৰিব লাগে। 'দিলেক'ৰ পাছতেই 'দাওলাথু'সকলৰ স্থান নিৰ্ণীত হয়। একাধিক 'দাওলাথু' একোখন গাঁৱত থাকিব পাৰে। গাঁওবাসীয়ে 'হাবাই চাগৰ'সকলকো নিৰ্বাচন কৰি দিয়ে। এওঁৰ কাৰ্যকাল মাত্ৰ দুবছৰহে। এজন জ্যেষ্ঠ 'হাবাই চাগৰ'ৰ পাছত আন এজন কনিষ্ঠ 'হাবাই চাগৰ' থাকিব পাৰে। বয়সৰ জ্যেষ্ঠতা অনুসৰি 'ফাৰাই'কো নিৰ্বাচন কৰা হয়। এওঁৰো কাৰ্যকাল দুবছৰ। চেমখৰ গাঁৱতহে 'মন্ত্ৰী' বোলা বিষয়াৰ স্থিতি আছে। গাঁৱৰ মুখিয়ালজনে সাহসী, উদ্যমী আৰু কষ্টসহিষ্ণু লোকক 'মন্ত্ৰী' পদত অধিষ্ঠিত কৰে। মন্ত্ৰীৰ সহকাৰী হিচাপে 'হাংচেউবুখু'ৱে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ সকলো ক্ষেত্ৰতে মন্ত্ৰীক সহায় কৰি দিয়ে। ডিমাছা সমাজ-ব্যৱস্থাৰ 'জালাইৰাও' হ'ল মূল ভেটি। বিবাহিত সকলো লোক 'জালাইৰাও'ৰ পদত অধিষ্ঠিত হয়। ইয়াৰ সংখ্যা গাঁওখনৰ জনসংখ্যাৰ ভিত্তিতহে নিৰ্ণয় কৰা হয়। গাঁৱৰ প্ৰশাসন আৰু আইন-কানুনৰ ৰায়দান কৰোঁতা হিচাপে গাঁওবুঢ়া 'খুনঙ'ৰ শক্তি যথেষ্ট। গাঁওবাসীৰ মাজত হোৱা কাজিয়া, চুৰি বা অন্যান্য সকলো বিবাদ বিচাৰ কৰিবৰ বাবে সভা এখন পাতি বুঢ়া লোক গোট খাই 'খুনঙ'ৰ মতামত লৈ বিচাৰ কৰা হয়। তিৰোতাসকল জড়িত থকা কিবা বিবাদ থাকিলে সভালৈ বৃদ্ধা তিৰোতাসকলকো মতাই তেওঁলোকৰ

মতামত গ্ৰহণ কৰা হয়। দুখন গাঁৱৰ মাজত লগা বিবাদ খুনংগ আৰু বৃদ্ধসকলে অন্য গাঁৱৰ লোকৰ সৈতে আলোচনাৰ বিবাদৰ নিষ্পত্তি কৰে। সাম্প্ৰদায়িক বিবাদো খুনংগেই বিচাৰ কৰে।

পাহাৰীয়া অন্যান্য জনজাতীয় লোকসকলৰ দৰে উত্তৰ-কাছাৰৰ ডিমাছাসকলৰ প্ৰতিখন গাঁৱতে ডেকাসকলৰ একোটাকৈ সংগঠন আছে। গাঁৱৰ সোঁমাজত এটা মাজত বেৰ নোহোৱা দীঘল ঘৰ সাজি লয়। ইয়াকেই ডেকাচাং বা 'নদ্ৰাং' বুলি কোৱা হয়। গধূলি গাঁৱৰ সকলো ডেকা এই ঘৰটোত গোট খাই ৰং-ধেমালি কৰে আৰু ৰাতিটো তাতেই কটায়। অন্য জাতিৰ আলহী আহিলে তেওঁলোকে এই ঘৰতেই থকাৰ ব্যৱস্থা কৰি দিয়ে। গাঁৱৰ সকলোধৰণৰ সভা ইয়াৰ চোতালতে বহে আৰু উৎসৱৰ বাবে আয়োজিত নৃত্য-গীতৰ পৰিৱেশনো ইয়াতেই হয়। নদ্ৰাঙৰ বাহিৰফালে এডাল ডাঙৰ কাঠ পাৰি থোৱা হয়। ইয়াত সকলোৱেই বহিব পাৰে। এই কাঠডালক 'কামডিং' বোলা হয়। সমাজ একোখনত তৰুণ শক্তিয়েই আটাইতকৈ বৃহৎ আৰু শক্তিশালী শক্তি। সেইবাবে গাঁওখনক সকলো সময়তে সকলো ক্ষেত্ৰতে বিপদমুক্ত কৰিবৰ বাবে আৰু নানা কামত গাঁওবাসীক সহায়-সহযোগ কৰিবৰ বাবে নদ্ৰাঙৰ প্ৰয়োজন। নদ্ৰাঙৰ সমূহীয়া প্ৰচেষ্টাই ডেকাসকলৰ মিলা-প্ৰীতি ৰক্ষা কৰে। অতীজৰ পৰা নানা জাতিৰ আক্ৰমণ আৰু জীৱ-জন্তুৰ আক্ৰমণক প্ৰতিহত কৰিবৰ বাবে নদ্ৰাঙৰ জৰিয়তে ডেকাসকল একগোট হৈ সাজু হৈ থাকে। সেই প্ৰথা আজিও আছে। তেওঁলোকে এই প্ৰথাৰ জৰিয়তে গাঁওবাসীক খেতি-বাতি, বিয়া-সবাহ, উৎসৱ-অনুষ্ঠান, বিপদ-আপদ সকলোতে সহায়-সহযোগ আগবঢ়ায়। ডেকাসকলৰ দলপতি 'নগাহোজা' নিৰ্বাচন কৰি লোৱা হয়। তেওঁৰ কথা সকলো ডেকাই মানি চলাটো নিয়ম। আনহাতে গাভৰুসকলৰো এগৰাকী নেত্ৰী থাকে। তেওঁক 'মালাহোজা' বুলি কোৱা হয়। দলপতিয়ে নদ্ৰাঙৰ সকলো ডেকাৰ ওপৰত চকু ৰাখি চলিব লাগে। নৃত্য-গীত, বাদ্যবাদন, বাঁহ-বেতৰ কাম, খেল-ধেমালি, কৃষিকৰ্ম আদিৰ প্ৰশিক্ষণ আৰু সামাজিক শিক্ষাৰ থলী হিচাপে নদ্ৰাঙৰ গুৰুত্ব লেখত ল'বলগীয়া। সমাজৰ বয়োজ্যেষ্ঠ, ৰোগী আৰু সন্তান-সন্ততি নোহোৱা লোকসকলক খেতি-বাতিকে ধৰি সকলো কামতে ডেকাসকলে সহায় কৰি দিয়ে। তেওঁলোকৰ সমাজৰ সামাজিক কাম-বন, পূজা-পাতল, বিয়া-সবাহ, 'বুচু' উৎসৱ আদি সকলোতে ডেকাসকলে মুখ্য ভূমিকা গ্ৰহণ কৰি সমাজক আগুৱাই নিয়াত আত্মনিয়োগ কৰে।

গ্ৰন্থপঞ্জী :

১। বৰুৱা বিৰিঞ্চি কুমাৰ, *অসমীয়া ভাষা আৰু সংস্কৃতি*

২। Barkataki. S, *Tribes of Assam*, P- 63

৩। হাগজেৰ নিৰুপমা, *ডিমাছা সংস্কৃতিলৈ এভুমুকি*, প্ৰবন্ধ

টাইফাকে সমাজ-জীৱন আৰু সংস্কৃতি

পেইম থি গোহাঁই

পৰিচয় ঃ

অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰা টাই গোষ্ঠীৰ অন্যতম ঠাল হ'ল টাইফাকেসকল। বৰ্তমান টাইফাকেসকলৰ বসতি সীমাবদ্ধ হৈ আছে ডিব্ৰুগড়, তিনিচুকীয়া জিলা আৰু সীমিতভাৱে অৰুণাচলৰ লোহিত আৰু চাংলাং জিলাত। জনসংখ্যা প্ৰায় ২০০০ জন। এই দুহাজাৰ জনসংখ্যাই বৰ্তমানে জনগোষ্ঠীটোৰ জাতীয় জীৱনৰ সকলো দিশত নেতৃত্ব তথা অংশগ্ৰহণ কৰিবলগীয়া হৈছে। ভাষা-সাহিত্য চৰ্চা, গীত-মাত, পৰম্পৰাগত আচাৰ-অনুষ্ঠান, উৎসৱ, সাজপাৰ, খাদ্যাভ্যাস— সকলো ক্ষেত্ৰত সাংস্কৃতিক ঐতিহ্য অটুট ৰাখি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। বৃহৎ জাতি-জনগোষ্ঠীৰ সচেতন তথা অৱচেতন হেঁচাৰ মাজতে নিজৰ জাতীয় পৰিচয় ধৰি ৰখাৰ সংগ্ৰাম টাইফাকেসকলে নিৰন্তৰ কৰি আহিছে (বা কৰিবলগীয়া হৈছে)। এনে সামাজিক, সাংস্কৃতিক সংগ্ৰামৰ মাজেদিয়েই টাইফাকেসকলে বৰ্তমানে অসমৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক মানচিত্ৰত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে।

বৰ্তমানৰ বসতি ঃ

অসমত বৰ্তমানে মুঠ ৯ খন টাইফাকে গাঁও আছে। ইয়াৰে দুখন ডিব্ৰুগড় জিলাত আৰু বাকী সাতখন তিনিচুকীয়া জিলাত অৱস্থিত। ডিব্ৰুগড় জিলাৰ গাঁও দুখন হ'ল নাহৰকটীয়াৰ ওচৰত নামফাকে আৰু টিপামফাকে গাঁও, তিনিচুকীয়া জিলাৰ গাঁওকেইখন হ'ল মাৰ্ঘেৰিটাৰ সমীপৰ বৰফাকে গাঁও, মানম' গাঁও, নংলাই গাঁও; লিডুৰ সমীপৰ লংফাকে আৰু মৌংলাং গাঁও, টিৰাপগেটৰ সমীপৰ নিংগাম গাঁও আৰু জাগুণৰ সমীপৰ ফানেংফাকে গাঁও। তাৰ বাহিৰেও বিক্ষিপ্তভাৱে অন্য জনগোষ্ঠীৰ স'তে পৰিয়ালভিত্তিত টাইফাকে লোক বসবাস কৰা অঞ্চল হ'ল অৰুণাচলৰ নামচাই, ইনাও, বৰডুমচা, গুজু, ৱাগুন, অসমৰ মাৰ্ঘেৰিটা, নাহৰকটীয়া, ডিব্ৰুগড় আদি।

ইতিহাস (প্ৰাকপ্ৰব্ৰজন কাল) ঃ

টাইফাকে সমাজত উদ্ধাৰ হোৱা বিভিন্ন পুথি-পাঁজিৰ পৰা টাইফাকেসকলৰ ইতিহাস ১২১৫ চনলৈকে উদ্ধাৰ কৰা হৈছে। ইতিহাস ধৰি ৰখা দুখন উল্লেখযোগ্য পুথি হ'ল লিক খৌ খুন (ৰাজবংশাৱলী—ৰজাসকলৰ বিষয়ে উল্লেখ থকা পুথি) আৰু লিক খৌ মৌং (জাতীয় বুৰঞ্জী—প্ৰজা তথা সমসাময়িক পৰিৱেশৰ বিষয়ে উল্লেখ থকা পুথি) এই দুখন পুথিত চুকাফাৰ দিনৰ পৰা বৰ্ণনা পোৱা যায়। তথ্য অনুসৰি ১২১৫ চনৰ পৰৱৰ্তী সময়ত চুকাফাই 'মৌংনুন চৌন খাম' (সোণালী শস্যৰ দেশ) অভিযান আৰম্ভ কৰাৰ সমসাময়িক কালত মাওলুং ৰাজ্যৰ সিংহাসনত বহিয়েই 'চৌখানফাই' ৰাজকুমাৰ 'চাও টাই ফৌউক'ক ফাকে ৰাজ্য শাসন কৰিবলৈ পঠাইছিল। লিক খৌ খুন পুথিত ফাকে জাতিৰ উৎপত্তিৰ বিষয়ে লিখিছে এনেদৰে—অঞ্চলটো প্ৰকাণ্ড শিলে ফাট মেলিছিল আৰু সেই অঞ্চলত বসবাস কৰা কাৰণেই লোকসকলক ফাকে ৰাজ্যৰ মানুহ আৰু ৰজাৰ নামো ফাকে ৰজা বুলি নামকৰণ কৰা হ'ল। এই ফাকেৰ অৰ্থ হ'ল ফা = শিলৰ বেৰ, আৰু কে = পুৰণি। অৰ্থাৎ পুৰণি শিলৰ বেৰ (শিলাময়) অঞ্চলত বসবাস কৰা বাবেই জনগোষ্ঠীটোৰ নাম ফাকে হিচাপে অভিহিত হৈ পৰে। (উল্লেখ্য যে ফাকে নামৰ উৎপত্তি সম্পৰ্কে অন্য কিছু প্ৰবাদো প্ৰচলিত যদিও উল্লিখিত প্ৰবাদহে এই জনগোষ্ঠীৰ লোকসকলে গ্ৰহণ কৰা দেখা যায়।) ফাকে ৰাজ্যৰ ভৌগোলিক অৱস্থিতি হ'ল পাটকাইৰ সিপাৰে হুকং উপত্যকা। বুৰঞ্জীৰ তথ্যমতে, চুকাফাই অসম অভিযানৰ সময়ত হুকং উপত্যকাত বসবাস কৰা ফাকে ৰাজ্য অতিক্ৰম কৰি আহিছিল। আহোমসকলে অসমলৈ আহি আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ সময়তে সমসাময়িকভাৱে ফাকেসকলেও হুকং উপত্যকাতেই ৰাজ্য পাতি বসবাস কৰিছিল। কেইবাশতিকাজুৰি টাইফাকেসকলে স্বাধীনভাৱে ৰাজত্ব চলোৱাৰ অন্তত মান ৰজাৰ আগ্ৰাসনৰ ফলত অৱশেষত ফাকে ৰাজ্য ধ্বংসপ্ৰাপ্ত হয় আৰু মান ৰজাৰ দখললৈ যায়। হুকং উপত্যকাত ফাকে ৰাজ্যৰ উত্থান-পতনৰ বিষয়ে 'লিক খৌ মৌং' আৰু 'লিক খৌ খুন'ত কিছু উল্লেখ পোৱা যায়।

ইতিহাস (প্ৰব্ৰজনৰ সময়ছোৱা) ঃ

হুকং উপত্যকাত ফাকে ৰাজ্যৰ পতনৰ পাছত ফাকেসকল পাটকাই অতিক্ৰমি অসমলৈ প্ৰব্ৰজনৰ প্ৰস্তুতি চলায় প্ৰায় ১৭৭০ চনমানত। আৰু তথ্যমতে ১৭৭৫ চনত টাইফাকেসকলে পাটকাই পাৰ হৈ অসমভূমিলৈ প্ৰব্ৰজন কৰিছিল। টাইফাকে দলটি আহিছিল পাংচাও গিৰিপথেদি। তেওঁলোকে আহি প্ৰথমতে পাটকাই পৰ্বতৰ য'ত প্ৰথম আশ্ৰয় গ্ৰহণ কৰিছিল, সেয়াই বৰ্তমানে পাংচাও হিচাপে জনাজাত হৈ পৰে বুলি জনা যায়। টাই ভাষাত পাং মানে ঠাই বা অঞ্চল আৰু চাও মানে জিৰণী লোৱা ঠাই। পাংচাওত সাময়িকভাৱে কটাই তেওঁলোক নংতাও (বৰ্তমান অৰুণাচল)ত প্ৰথম বসতি স্থাপন কৰে। নং মানে পুখুৰী আৰু তাও মানে শেলুৰৈ। অৰ্থাৎ শেলুৰৈৰে পৰিপূৰ্ণ পুখুৰী বা বিলৰ পাৰত বসবাস কৰিছিল বাবে ঠাইখনৰ নাম নংতাও হিচাপে জনা গৈছিল। নংতাওত বসবাস কৰা কালছোৱাতে ফাকেসকল খামতিসকলৰ সান্নিধ্যলৈ আহে আৰু ১৭৯৭ চনত শদিয়াখোৱা গোহাঁইৰ বিৰুদ্ধে খামতিসকলে কৰা বিদ্ৰোহৰ সময়ত টাইফাকেসকলে খামতিসকলক সহযোগ কৰে আৰু তেওঁলোকৰ বসতি শদিয়ালৈ বিস্তৃত হয়। পৰৱৰ্তী সময়ত আহোম ৰজাই বিদ্ৰোহ দমন কৰি ফাকেসকলক তাৰ পৰা নি আহোমসকলৰ

শেষ ৰাজধানী যোৰহাটৰ সমীপৰ দিচৈ নদীৰ পাৰত (বৰ্তমান ককিলামুখ!) বহুৱায়। আহোম ৰজাই নংতাওত থাকি যোৱা অতিৰিক্ত টাইফাকেসকলকো অনোৱাৰ ব্যৱস্থা কৰি দিচৈ নৈৰ পাৰত বহুৱায়। ফাকেসকল দিচৈ নৈৰ পাৰত বসবাস কৰি থকাৰ সময়ছোৱাতেই মানৰ অসম আক্ৰমণ সংঘটিত হয় ১৮১৬ চনত। বুৰঞ্জীৰ তথ্যমতে আক্ৰমণৰ শেহত মানসেনাৰ সেনাপতিয়ে ফাকেসকলক পুনৰ নিজ দেশলৈ ঘূৰি যাবলৈ নিৰ্দেশ দি যায় আৰু ফাকেসকলেও ১৯১৭ চনমানত মান সৈন্যৰ সৈতে উভতি গৈ বৰ্তমান অৰুণাচলৰ নামচিক পায়গৈ। কিন্তু নামচিক পোৱাৰ লগে লগে বাৰিষা আৰম্ভ হোৱাত আৰু নানা প্ৰাকৃতিক দুৰ্যোগৰ আশংকা কৰি মান সেনাপতিৰ সন্মতিসাপেক্ষে ফাকেসকল নামচিকতে থাকি যায় আৰু মান সেনাসকল ঘূৰি যায়। তাৰপাছত ফাকেসকলৰ আৰু ম্যানমাৰলৈ ঘূৰি যোৱা নহ'ল। পৰৱৰ্তী সময়ত অসম ব্ৰিটিছৰ অধীন হোৱাত ফাকেসকল পুনৰ ভৈয়ামলৈ উভতি আহে আৰু ১৮২৬-২৭ চনমানত মাৰ্ঘেৰিটাৰ সমীপত বুঢ়ীদিহিং নদীৰ পাৰত ইংথঙত বসবাস কৰিবলৈ লয়। কিছুবছৰৰ পাছত তেওঁলোক সামান্য উজাই বৰফাকে গাঁওখন প্ৰতিষ্ঠা কৰে। এইখনেই হৈছে বৰ্তমানো টাইফাকেসকলৰ অস্তিত্ব বহনকাৰী আটাইতকৈ পুৰণি টাইফাকে গাঁও। তাৰ পাছত টাইফাকেসকলে কিছু কিছু বছৰৰ বাবে বসবাস কৰা আৰু বৰ্তমানে অস্তিত্ব নথকা গাঁওসমূহৰ ভিতৰত কেইখনমান হ'ল— নংচেং, ক'নয়ট', চায়াকুং, পাৱৈ শিলিখাজান, টিৰাপ, টিৰ্পলিং আদি।

বৰ্তমানৰ সমাজ-জীৱন ঃ

আধুনিক বিশ্বৰ সময়-প্ৰবাহৰ প্ৰভাৱ পৰিলেও টাইফাকে সমাজৰ জনজীৱন সম্পূৰ্ণ পৰম্পৰাগত ব্যৱস্থাৰে চলি আহিছে। তেওঁলোকৰ মাজত ভাবৰ আদান- প্ৰদানৰ বাবে নিজা ভাষা, পৰম্পৰাগত গীত-মাত, লোকবিশ্বাস, উৎসৱ, সাজপাৰ, খাদ্যাভ্যাস আদি আজিও পূৰ্বৰ সময়ৰ দৰেই প্ৰচলিত হৈ আহিছে। ব্ৰিটিছ আমোলৰ সময়ছোৱাত টাইফাকেসকলৰ দুই-এজনে ৰাজনৈতিক সুবিধা লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে মৌজাদাৰৰ দৰে পদ লাভ কৰিবলৈও সক্ষম হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাতো মিত্ৰশক্তিৰ পথ প্ৰদৰ্শক হিচাপে কাম কৰাসকলৰ অন্যতম আছিল টাইফাকেসকলৰো প্ৰতিনিধি। তেওঁলোকৰ মাজৰে এজন আছিল নিংগাম গাঁৱৰ প্ৰতিষ্ঠাতা আই ক্যা চাখাপ। তাৰ বিপৰীতে বিংশ শতিকাৰ আৰম্ভণিতে টাইফাকেসকলৰ গাঁওসমূহত শিক্ষা প্ৰসাৰৰ বাবে প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছিল যদিও সমাজত সামগ্ৰিক শিক্ষাৰ প্ৰসাৰ বিশেষ ত্বৰান্বিত হোৱা নাছিল। যাৰ ফলস্বৰূপে বৰ্তমানৰ অসমৰ শৈক্ষিক মানৰ তুলনাত টাইফাকে সমাজৰ শৈক্ষিক মান বিশেষ আগ নাবাঢ়িল। এতিয়াও তেওঁলোকৰ সমাজত উচ্চপদস্থ চৰকাৰী বিষয়া, ডাক্তৰ, ইঞ্জিনিয়াৰিং ডিগ্ৰীধাৰী লোকৰ সংখ্যা তেনেই সীমিত। তেনেদৰে সাধাৰণ চাকৰিয়ালৰ সংখ্যাও সীমিত। অৱশ্যে তাৰ মাজতো প্ৰবল জাতীয়তাবোধে মানুহখিনিক সাংস্কৃতিক জীৱন-ধাৰণত সকলো সময়তে উদ্বুদ্ধ কৰি আহিছে।

সংস্কৃতি আৰু পৰম্পৰা ঃ

টাইফাকেসকল বৌদ্ধ ধৰ্মাৱলম্বী। হুকং উপত্যকাত বসবাস কৰাৰ সময়ৰ পৰাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা তেওঁলোকৰ সমাজত বৰ্তমানে লোকপৰম্পৰাৰ লগতে ধৰ্মীয় পৰম্পৰায়ো যথেষ্ট গুৰুত্ব লাভ কৰি আহিছে। তেওঁলোকে পালন কৰা উৎসৱ, লোকাচাৰ, সামাজিক অনুষ্ঠান সকলোতে

পৰম্পৰাগত লোকবিশ্বাস আৰু ধৰ্মীয় ৰীতি-নীতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তেওঁলোকে পালন কৰা অনুষ্ঠানসমূহৰ বৈশিষ্ট্য অনুৰূপে টাইফাকেসকলৰ উৎসৱক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে—লোক-উৎসৱ বা পৰম্পৰা আৰু ধৰ্মীয় উৎসৱ বা পৰম্পৰা। অৱশ্যে কোনো এটা অনুষ্ঠানকেই ইমান স্পষ্টকৈ বিভক্ত কৰিব পৰা নাযায়। তাৰ বিপৰীতে বহু অনুষ্ঠানেই লোক-পৰম্পৰা আৰু ধৰ্মীয় পৰম্পৰা একীভূত হৈ পৰিছে। অৰ্থাৎ দুই-এটা অনুষ্ঠানৰ বাহিৰে বাকী সকলো অনুষ্ঠান পৃথক কৰি আলোচনা কৰাটো অসম্ভৱপ্ৰায়। যিবোৰ অনুষ্ঠান বা উৎসৱত লোকপৰম্পৰা আৰু ধৰ্মীয় পৰম্পৰাৰ সমন্বয় ঘটিছে, সেইবোৰৰ ভিতৰত হ'ল—পয় চাংকেন (১৪, ১৫, ১৬ এপ্ৰিল), পয় নৌন হৌক (বুদ্ধ পূৰ্ণিমাত), পয় অকৱা (কাতিৰ পূৰ্ণিমাত), পয় কানট' সাংঘা (অকৱাৰ এমাহৰ পাছত), পয় মাই ক' চুমফাই (মাঘৰ পূৰ্ণিমাত), পয় নৌন চি (ফাগুনৰ পূৰ্ণিমাত), পয় কিম্বিং (বিভিন্ন সময়ত), পয় মৌ হেইং (বিভিন্ন সময়ত), পয় পেত মৌন চি হেইং (বিভিন্ন সময়ত), মাংকালা (ঘৰুৱা অনুষ্ঠান, বিভিন্ন সময়ত) আদি। মৃতকৰ সৎকাৰ অনুষ্ঠানতো ধৰ্মীয় আৰু লোকপৰম্পৰাৰ সমাবেশ ঘটিছে। তাৰ বিপৰীতে এতিয়াও তেওঁলোকৰ সমাজত কিছুমান লোকপৰম্পৰা প্ৰচলিত হৈ আহিছে। যিবোৰত বৌদ্ধ ভিক্ষু তথা ধৰ্মীয় পৰম্পৰা অনুশীলন কৰা নহয়। তাৰ ভিতৰত যেনে—হুংখন (ৰোগীক ভাল কৰাৰ বিশেষ অনুষ্ঠান), শিশুৰ নামকৰণ অনুষ্ঠান, বিবাহ অনুষ্ঠান আদি। তদুপৰি তেওঁলোকৰ মাজত এতিয়াও 'চাও ফিচৌ'ৰ বিশ্বাস প্ৰচলিত আৰু তেওঁলোকে তাৰ স'তে যুক্ত বিশ্বাস, পৰম্পৰাসমূহ মানি চলি আহিছে। জাতি তথা গাঁওখনক সকলো অপশক্তিৰ পৰা ৰক্ষা কৰা শক্তি হিচাপে তেওঁলোকৰ সমাজত 'চাও ফিচৌ' বিশ্বাস প্ৰচলিত। সেই শক্তিৰ সন্মানাৰ্থে প্ৰতি আঠদিনৰ মূৰে মূৰে দুদিন 'গেনা' পালন কৰে আৰু বছৰত দুটা দিন সেৱা-সৎকাৰ কৰে। এই 'গেনা'ৰ দুদিনত গাঁৱত কোনো ধৰণৰ ৰাজহুৱা অনুষ্ঠান, ঘৰুৱা অনুষ্ঠান, মাটি খন্দা কাম আদি কৰা নহয়। আনকি এই দুদিনত হালবোৱা কামো কৰা নহয়। ইয়াৰ পৰাই তেওঁলোকৰ সমাজত লোকবিশ্বাস আৰু ধৰ্মীয় পৰম্পৰাৰ প্ৰভাৱৰ বিষয়ে অনুমান কৰিব পাৰি।

বাসগৃহ ঃ

টাইফাকেসকলে সাধাৰণতে চাংঘৰত বসবাস কৰে। চাংঘৰ নিৰ্মাণৰ বাবে বিশেষ নীতি অৱলম্বন কৰা দেখা যায়। তেওঁলোকে চাংঘৰসমূহ উত্তৰা-দক্ষিণাকৈ নিৰ্মাণ কৰে আৰু দুটা সমান্তৰালকৈ নিৰ্মাণ কৰে। এটা তুলনামূলকভাৱে ডাঙৰ আৰু আনটো কিছু সৰুকৈ নিৰ্মাণ কৰা হয়। ডাঙৰটো চ'ৰাঘৰ, শোৱাকোঠা, প্ৰাৰ্থনাগৃহ আদিৰ বাবে আৰু সৰু আকাৰৰ চাংঘৰটি পাকঘৰ আৰু অন্যান্য ঘৰুৱা কাম-কাজৰ বাবে ব্যৱহাৰ কৰে। প্ৰায় ছয়, সাতফুট ওখকৈ নিৰ্মাণ কৰা চাংঘৰসমূহ বিভিন্ন কামৰ বাবে ব্যৱহাৰ হোৱা অনুসৰি বিভিন্ন নামেৰে জনা যায়। যেনে—চ'ৰাকোঠাটোক 'কান নক্', শোৱাৰ বাবে ব্যৱহাৰ কৰা কোঠাক 'কান নন্', প্ৰাৰ্থনাগৃহ বা কোঠাক 'খক টাং চম', ৰান্ধনিগৃহ বা পাকঘৰক 'হৌন অন্' আদি। তেওঁলোকৰ পাকঘৰো চাংঘৰৰ ওপৰত বিশেষ পদ্ধতিৰে নিৰ্মাণ কৰা হয়।

খাদ্যসম্ভাৰ ঃ

টাইফাকেসকলৰ খাদ্যাভ্যাসৰ ক্ষেত্ৰত সুকীয়া বৈশিষ্ট্য আছে। তেওঁলোকে গ্ৰহণ কৰা খাদ্যসমূহৰ ভিতৰত সকলোতকৈ উল্লেখনীয় আৰু আকৰ্ষণীয় হৈছে ভাপত প্ৰস্তুত কৰা টোপোলা

ভাত। টাইফাকে ভাষাত তাক কোৱা হয় 'খাও হ' (খাও = ভাত, হ'=টোপোলা) অসমৰ আন ক'তো বিশেষভাৱে উৎপাদন নোহোৱা কেৱল বৌদ্ধ ধৰ্মাৱলম্বী টাই মূলৰ লোকসকলে উৎপাদন কৰা লাহি ধানৰ পৰা এই টোপোলা ভাত প্ৰস্তুত কৰা হয়। তাৰ বাহিৰেও তেওঁলোকে প্ৰস্তুত কৰা পা চৌম (টেঙা মাছ)ৰো জনগোষ্ঠীৰ আৰু অন্য লোকৰ মাজত বিশেষ জনপ্ৰিয়। এই 'পা চৌম' টাইফাকেসকলৰ বিবাহ অনুষ্ঠান, শিশুৰ নামকৰণ অনুষ্ঠান আদিত এক অপৰিহাৰ্য বস্তু। সামান্যভাৱে হ'লেও 'পা চৌম' এনে অনুষ্ঠানসমূহত যোগাৰ কৰাটো এটা নিয়মত পৰিণত হৈছে। তাৰ বাহিৰেও টাইফাকে সমাজত প্ৰচলিত অন্যান্য পৰম্পৰাগত খাদ্যসম্ভাৰ হৈছে—'পা চা' (কেঁচা উৰিয়াম পাতৰ সৈতে তৈয়াৰ কৰা মাছৰ ছুপ), 'খাও লাম' (চুঙা ভাত), 'খাও পুক' (তিল আৰু বৰা ভাতেৰে তৈয়াৰী এবিধ পিঠা), 'পৌ হ' খান' (পাতেৰে মেৰিয়াই সিজোৱা এবিধ পিঠা), 'পা পুক' (তৰকাৰী বিশেষ), 'পাকাত চৌম' (তৰকাৰী বিশেষ) আদি। টাইফাকেসকলৰ দৈনন্দিন খাদ্যৰ তালিকাতো সাধাৰণতে বনৰীয়া শাক-পাচলিৰ প্ৰাধান্য বেছি। বহু বনৰীয়া শাক তেওঁলোকে পাচলি আৰু মচলা হিচাপে ব্যৱহাৰ কৰে। ৰাজহুৱা অনুষ্ঠান আদিতো এনে পৰম্পৰাগত খাদ্য প্ৰস্তুত কৰা হয়। প্ৰস্তুত আৰু পৰিবেশন-কৌশল আৰু সুস্বাদুৰ বাবে ইতিমধ্যে টাইফাকে খাদ্যসম্ভাৰে অসমৰ বিভিন্ন প্ৰান্তত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

তাঁতশিল্প আৰু সাজ-পোচাক ঃ

অসমৰ অন্যান্য জনজাতিসকলে নিজে নিজৰ সাজপাৰ প্ৰস্তুত কৰি লোৱাদি টাইফাকেসকলেও পৰিধান কৰা সাজ-পোছাকসমূহ তেওঁলোকে নিজাকৈ ঘৰুৱা তাঁতশালত প্ৰস্তুত কৰি লয়। তেওঁলোকৰ সমাজত সাধাৰণতে সাজ-পোছাকৰ পৰাই তেওঁলোকৰ সামাজিক স্থিতি সম্পৰ্কে জানিব পৰা যায়। কোনো মহিলাৰ বয়স, কোনো মহিলা বিবাহিত নে অবিবাহিত আদিৰ বিষয়েও তেওঁলোকৰ সাজ-পোছাকৰ পৰাই গম পাব পাৰি। নিজৰ পৰম্পৰাগত সাজ-পোছাকৰ বাবে তাঁতাত নিজে গছৰ পাত, বাকলি, শিপা আদিৰে প্ৰয়োজনীয় ৰং দি কাপোৰ বৈ উলিয়ায়। সেইবোৰৰ ভিতৰত পুৰুষসকলে ব্যৱহাৰ কৰে 'ফা' (লুঙি) আৰু 'ফাহ' (পাগুৰি) মহিলাসকলে 'চিন্' (মেখেলা), 'নাং ৱাত' (বিবাহিত মহিলাই ব্যৱহাৰ কৰা চাদৰ), 'ফা ফ'ক' (অবিবাহিতা ছোৱালীয়ে ব্যৱহাৰ কৰা চাদৰ), 'নাং ৱাত পজুং' (ন কইনাই ব্যৱহাৰ কৰা চাদৰ), 'থোং মক' (ফুলাম বেগ) আদি। এই সকলোবোৰতে বওঁতে কমেও ছয়টা ৰং ব্যৱহাৰ কৰা হয়। তেওঁলোকে বোৱা কাপোৰৰ বয়নশৈলী অসমৰ আন সকলো জনগোষ্ঠীতকৈ পৃথক। যাৰ বাবে পৰিধান কৰা সাজ-পোছাকৰ পৰাই জনগোষ্ঠীৰ লোকজন টাইফাকে হয় নে নহয় তাক ধৰিব পাৰি।

শিল্পকলা ঃ

টাইফাকেসকলে নিজে প্ৰস্তুত কৰা অন্যান্য হস্তশিল্পৰ ভিতৰত সাংস্কৃতিক মূল্য থকা দুটি সামগ্ৰী হ'ল 'ওপ' আৰু 'পান' সাধাৰণতে 'ওপ' কাঠ অথবা বাঁহ, বেতেৰে প্ৰস্তুত কৰা হয়। বাঁহ বা বেতেৰ প্ৰস্তুত কৰাবোৰ ডাঙৰ আৰু এইবোৰ আহাৰ আপ্যায়নৰ বাবে ব্যৱহাৰ কৰা হয়। কাঠেৰে প্ৰস্তুত কৰাবোৰ সৰু আৰু এইবোৰ পূজা-অৰ্চনা আদিত ব্যৱহাৰ হয়। 'পান'বোৰো কাঠ আৰু বাঁহ, বেত দুই ধৰণেৰে তৈয়াৰ কৰা হয়। এইবোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান, উৎসৱত বেছিকৈ ব্যৱহাৰ কৰা হয়।

গীত-নৃত্য ঃ

টাইফাকে সমাজত বহুধৰণৰ লোকগীতৰ প্ৰচলন আছে। তাৰে ভিতৰত প্ৰধান লোকগীতসমূহ হ'ল—'চাঐ' (বনগীতধৰ্মী), 'চয়য়য়', (কৃষিৰ সম্বন্ধীয় ছন্দোবদ্ধ গীত), 'খো খ্যাং' (এজনে আগধৰি আৰু পিছত সমূহীয়াকৈ তাক অনুকৰণ কৰি গোৱা গীত), 'খাম নন্ ছান' (মুকলি চাঙত গধূলি শুই বয়োজ্যেষ্ঠই শিশুসকলক উদ্দেশ্যি গোৱা নীতিশিক্ষামূলক গীত), 'খাম পু চন লাল' (ককাই নাতিক নীতিশিক্ষা দিয়া গীত), 'খাম লাও লুক অন্ (নিচুকণি গীত) আদি। এইবোৰৰ চৰ্চা অঞ্চলবিশেষে কমি আহিছে যদিও এতিয়াও তেওঁলোকৰ মাজত গীতসমূহৰ আদৰ দেখিবলৈ পোৱা যায়। নৃত্যৰ ভিতৰতো তেনেকৈ অনেক লোকনৃত্য দেখিবলৈ পোৱা যায়। বাদ্যযন্ত্ৰৰ ভিতৰত উল্লেখযোগ্য বাদ্যসমূহ হ'ল 'কংলৌ' (ঢোল), ছেং (বৰতাল সদৃশ), 'য়াং লৌং', 'কেচে' আদি। ৰাজহুৱা অনুষ্ঠান, উৎসৱসমূহত এনেবোৰ বাদ্যৰ প্ৰচলন আজিও অব্যাহত।

কেঁচুৱাৰ নামকৰণ পদ্ধতি ঃ

টাইফাকে সমাজত কেঁচুৱাৰ নামকৰণক লৈ এক অনুষ্ঠানৰ আয়োজন হয়। অনুষ্ঠানৰ বিশালতা তথা ব্যাপকতাৰ তাৰতম্য হ'লেও অনুষ্ঠান আয়োজন কৰাটো বাধ্যতামূলক হিচাপে ধৰা হয়। সাধাৰণতে এই অনুষ্ঠান পৰিয়ালৰ সিদ্ধান্ত আৰু সুবিধা অনুসৰি কেঁচুৱাজন্মৰ ২০ দিনৰ পৰা দুমাহৰ ভিতৰত আয়োজন চলে। উল্লেখ্য, এই অনুষ্ঠানত কেৱল মহিলাসকলেহে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সদ্যজাত কেঁচুৱাক এটি পাত্ৰত গা ধুৱাই আৰু আনুষ্ঠানিকভাৱে ঘৰৰ পৰা বাহিৰলৈ উলিয়াই মুকলি আকাশৰ তললৈ আনি মাটি স্পৰ্শ কৰায়। এনে কৰোতে কেঁচুৱা ল'ৰা হ'লে লগত যাঠি, জোং, দা, তৰোৱাল আদি নিয়া হ'য় আৰু ছোৱালী হ'লে লগত তাঁতৰ সা-সৰঞ্জাম আদি নিয়া হয়। বিশ্বাস কৰা হয় যে এনে কৰিলে ল'ৰা কেঁচুৱা লোৰ দৰে কঠিন আৰু কন্যা সন্তানসকল তাঁতৰ শিল্পকৰ্মত পটু হয়। এই কাৰ্যৰ পাছত অনুষ্ঠানলৈ অহা সকলো লোকক বিস্কুট আৰু চেনিৰ টোপোলা বাদ নপৰাকৈ বিতৰণ কৰে। নামকৰণ অনুষ্ঠানৰ অন্য এক বৈশিষ্ট্য হ'ল টাইফাকেসকলে ল'ৰা সন্তানৰ ক্ষেত্ৰত একাদিক্ৰমে 'আই' (প্ৰথম পুত্ৰ সন্তান), 'ঙি' (দ্বিতীয় পুত্ৰ সন্তান), 'চাম' (তৃতীয় পুত্ৰ সন্তান), 'চাই' (চতুৰ্থ পুত্ৰ সন্তান), 'ঙৌ' (পঞ্চম পুত্ৰ সন্তান), 'নুক' (ষষ্ঠ পুত্ৰ সন্তান), 'নাক' (সপ্তম পুত্ৰ সন্তান), 'নৌক' (অষ্টম পুত্ৰ সন্তান) আদি। আনহাতে 'য়ে' (প্ৰথম কন্যা সন্তান), 'ই' (দ্বিতীয় কন্যা সন্তান), 'আম্' (তৃতীয় কন্যা সন্তান), 'আয়' (চতুৰ্থ কন্যা সন্তান), 'ঔক' (পঞ্চম কন্যা সন্তান), 'এইত' (ষষ্ঠ কন্যা সন্তান), 'আত' (সপ্তম কন্যা সন্তান), 'অত্' (অষ্টম কন্যা সন্তান) আদি কন্যা সন্তানৰ ক্ষেত্ৰত নামকৰণ কৰা হয়। অৰ্থাৎ সন্তানৰ ক্ৰম অনুসৰি সেই নামেৰে আৰম্ভণি কৰি নাম দিয়া হয়। ব্যতিক্ৰমী ঘটনা হিচাপে কেতিয়াবা ডাঙৰ বয়সতো ল'ৰা-ছোৱালীৰ নাম দিয়া দেখা যায়। এনে ক্ষেত্ৰতো অনুৰূপ অনুষ্ঠানৰ আয়োজন চলে। নামকৰণ অনুষ্ঠানত গাঁৱৰ প্ৰায় সকলো মহিলা আহে যদিও আনুষ্ঠানিক কাম-কাজখিনিৰ বাবে দুই বা তিনিগৰাকী মহিলাইহে ঘাইকৈ দায়িত্ব লয় বা পৰিয়ালৰ তৰফৰ পৰা দায়িত্ব দিয়া হয়।

বিবাহ-পদ্ধতি ঃ

টাইফাকে সমাজৰ বিবাহ-পদ্ধতি সাধাৰণতে দুই প্ৰকাৰৰ হয়। আনুষ্ঠানিকভাৱে আয়োজন কৰা বিবাহ আৰু পলুৱাই নি কৰা বিবাহ। বিবাহত দৰাপক্ষতকৈ কইনাপক্ষই বেছি গুৰুত্ব লাভ

কৰে। বিয়াৰ দিনা দৰাপক্ষই কইনাপক্ষৰ আলহী-অতিথিসকলকো আপ্যায়নৰ যা-যোগাৰ কৰিবলগীয়া হয়। অৱশ্যে এই নিয়ম বাধ্যতামূলক নহয়। বিবাহ অনুষ্ঠানবোৰ এদিনীয়াকৈ আয়োজন কৰা হয়। পুৱাৰ ভাগত দৰাপক্ষই কইনাৰ ঘৰলৈ গৈ কইনা সজায়গৈ আৰু গধূলি কইনা অনাৰ আনুষ্ঠানিকতা সম্পন্ন কৰিবলৈ যায়। বিবাহ সম্পন্ন হোৱাৰ পিছদিনাই কইনাৰ মাকৰ ঘৰলৈ উভতি যোৱাত কোনো ধৰণৰ বাধা নাই। পলুৱাই নি বিবাহ কৰাবোৰৰ ক্ষেত্ৰতো পাছত ৰাইজক আমন্ত্ৰণ কৰি এসাঁজ ভাতেৰে বিবাহৰ সকলো আনুষ্ঠানিকতা পালন কৰিব লাগে।

মৃতকৰ সৎকাৰ ঃ

টাইফাকেসকলে মৃতকৰ সৎকাৰ আৰু তাৰ পৰৱৰ্তী ক্ৰিয়াকৰ্ম সম্পাদনৰ ক্ষেত্ৰত বহু নীতি-নিয়ম মানি চলা দেখা যায়। মৃতকৰ ক্ৰিয়া-কৰ্ম সম্পৰ্কে তেওঁলোকৰ মাজত এখন লিখিত পুথি আছে য'ত প্ৰায় ১৬১ বিধ বিভিন্ন প্ৰক্ৰিয়াৰে বোৱা মৃত্যুৰ সৎকাৰ-বিধান উল্লেখ কৰা আছে। সাধাৰণতে সৎকাৰৰ ক্ষেত্ৰত দুইধৰণৰ বিধান মনা দেখা যায়। স্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত মৃতদেহ দাহ কৰা হয় আৰু অস্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত, যেনে—দুৰ্ঘটনাত পতিত হৈ হোৱা মৃত্যু, ঘৰৰ বাহিৰত হোৱা মৃত্যু, গৰ্ভৱতী অৱস্থাত হোৱা মৃত্যু, ঘৰৰ বাহিৰত হোৱা মৃত্যু, সাপ বা অন্য জন্তুৰ আক্ৰমণত হোৱা মৃত্যুৰ ক্ষেত্ৰত শৱ দাহ নকৰি কবৰ দিয়া হয়। তদুপৰি স্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত মৃত্যুৰ দিনাৰ পৰা একেলেথাৰিয়ে সাতদিন ধৰি মৃতকৰ শ্ৰাদ্ধ-অনুষ্ঠানৰ আয়োজন চলে যদি অস্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত সাতদিনৰ সলনি এদিন, তাকো মৃত্যুৰ লগে লগে নকৰি পাছত আয়োজন কৰা হয়। স্বাভাৱিক শ্ৰাদ্ধৰ অনুষ্ঠানৰ ষষ্ঠ অথবা সপ্তম দিনা তিনিখন শুধ বগা কাপোৰেৰে নিৰ্মিত নিচান (তাংখন) উত্তোলন কৰি অনুষ্ঠান শেষ কৰা হয়। তেওঁলোকৰ মৃতকৰ লগত জড়িত অনুষ্ঠানসমূহত ধৰ্মীয় গুৰুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়। শ্ৰাদ্ধ-অনুষ্ঠানৰ শেহৰ দিনা মৃতকে ব্যৱহাৰ কৰা প্ৰায় সকলো সামগ্ৰী দান দিয়াৰ লগতে টাই পুথি দান দিয়াৰ পৰম্পৰা খুবেই জনপ্ৰিয়।

ভাষা-সাহিত্য ঃ

ভাষা-সাহিত্যৰ ক্ষেত্ৰত টাইফাকেসকলৰ স্বকীয় পৰম্পৰা আছে। তেওঁলোকে টাইফাকে ভাষাত ভাবৰ আদান-প্ৰদান কৰে। ইয়াৰ নিজা লিপিও আছে। সেইবাবে অতীতৰে পৰাই পুথি লিখাৰ পৰম্পৰাও তেওঁলোকৰ সমাজত প্ৰচলিত। তেওঁলোকৰ মাজত শ শ বছৰ পুৰণি পুথি-পাঁজি সংৰক্ষিত হৈ আছে আৰু বৰ্তমান সময়তো তেওঁলোকৰ মাজত পুথি লিখাৰ প্ৰথা খুবেই জনপ্ৰিয়। টাইফাকে সমাজ-ব্যৱস্থাত পুথি দানৰ পৰম্পৰাক এক সন্মানজনক পৰম্পৰা হিচাপে ধৰা হয় বাবে ভাষা শিক্ষাৰ লগতে পুথি লিখা দৃষ্টান্ত পূৰ্বৰ দৰে চহকী হৈ আছে। তেওঁলোকৰ সমাজত তেওঁলোকৰ ৰাজবংশাৱলী (লিক খৌ খুন) আৰু জাতীয় বুৰঞ্জী (লিক খৌ মৌং)ৰ উপৰি ৰামায়ণৰ টাই সংস্কৰণ 'লামামাং', মহাভাৰতৰ টাই সংস্কৰণ 'ধম্মা পুত্ৰাম' আদিৰ দৰে মূল্যৱান পুথিও তেওঁলোকৰ মাজত সংৰক্ষিত হৈ আছে। ভাষা চৰ্চাৰ ক্ষেত্ৰত চহকী বাবেই তেওঁলোকৰ সামাজিক বিধানবোৰো লিপিবদ্ধৰূপত সংৰক্ষিত হৈ আছে।

তৃতীয় অধ্যায়

সাংস্কৃতিক জীবন ধারা: উৎসব পার্বণ

বড়োসকলৰ খেৰাই উৎসৱৰ তাৎপৰ্য আৰু ধৰ্মীয় ব্যাখ্যা

ড° কামেশ্বৰ ব্ৰহ্ম

* খেৰাই উৎসৱ বড়োসকলৰ প্ৰধান ধৰ্মীয় উৎসৱ। আদিম যুগৰ পৰাই বড়োসকলে এই উৎসৱ পালন কৰি আহিছে। বিভিন্ন দেৱ-দেৱীক সন্তুষ্ট কৰাটোৱেই এই উৎসৱৰ ঘাই উদ্দেশ্য। 'বৌৰাই বাথৌ' এক 'বুঢ়া বাথৌ'য়েই বড়োসকলৰ দেৱতাৰ ভিতৰত প্ৰধান। 'বৌৰাই বাথৌ'ক বিভিন্ন নামেৰে পূজা কৰা হয়, যেনে—'শিৱ বৌৰাই', 'মহাদেও', 'চং ৰাজা', 'খুৰিয়া বা খৰিয়া বৌৰাই' আৰু 'বৌৰাই মহাৰাজা'। শিৱৰ পত্নী পাৰ্বতীক 'মাইনাও', 'লৌক্ষী' 'চং বুৰৈ', 'বাথৌ বুৰৈ', 'বুল্লী বুৰৈ' আদি নামকৰণেৰে পূজা কৰে। খেৰাই উৎসৱত 'বৌৰাই বাথৌ'ৰ লগতে কিছুমান দেৱতা, যেনে—'আগ্ৰাং', 'খৈলা', 'খাজি', 'ৰাজখান্দ্ৰা', 'ৰাজফুথুৰ', 'বুৰা আলি', 'আলিবুৰা', 'আছু মাইনাও', 'শালী মাইনাও', 'জৌমৌনবৌৰাই', 'বাঘ ৰাজা', 'ভাণ্ডাৰী', 'ছৌদ্ৰি' আদিয়েও পূজাত স্থান পায়।

হিন্দুসকলৰ দৰে বড়োসকলে কিন্তু প্ৰতিমা পূজা নকৰে। পূজাৰ কাৰণেও কোনো নিৰ্দিষ্ট স্থান বা ঘৰ নাথাকে। আনকি পূজাৰ বাবে ধৰা-বন্ধা কোনো দিন বা তাৰিখো নাথাকে। গাঁৱৰ সুখ-শান্তিৰ কাৰণে ৰাইজে কোনো এটা ভাল দিন চাই গাঁৱৰ বহল পথাৰৰ মাজত নাইবা কোনো এডাল ডাঙৰ গছৰ তলত নাইবা কোনো এখন নদীৰ পাৰত এই খেৰাই উৎসৱ পতা হয়। কোনোবা পৰিয়ালে খেৰাই উৎসৱ পাতিব খুজিলে তেওঁ নিজৰ ঘৰৰ চোতালতো এই উৎসৱৰ আয়োজন কৰিব পাৰে।

'খেৰাই' শব্দৰ উৎপত্তি সম্পৰ্কে দুআষাৰ ঃ

'খেৰাই' শব্দৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে তেওঁলোকৰ বিভিন্ন মত দাঙি ধৰিছে। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে, 'খেৰাই' শব্দৰ ত্ৰিপুৰাৰ 'কেৰ' পূজাৰ লগত সম্পৰ্ক আছে। ত্ৰিপুৰা ৰাজ্যৰ ত্ৰিপুৰী বড়োসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বড়োসকলৰ দৰে দেৱ-দেৱীসকলক পূজা-অৰ্চনা কৰে। উক্ত 'কেৰ' পূজাৰ উৎসৱ আৰু বড়োসকলৰ 'খেৰাই' উৎসৱৰ মাজত যথেষ্ট সামঞ্জস্য থকা বুলি কয়।

'বাথৌ বৌৰাই' বা বুঢ়া বাথৌ দেৱতাক 'খৰিয়া বৌৰাই' বা 'খুৰিয়া বৌৰাই' বুলিও কোৱা হয়। 'খুৰিয়া' বা 'খৰিয়া' শব্দৰ অৰ্থ হ'ল কুষ্ঠ ৰোগী; একো কাম-বন নকৰা বা কৰিব নোৱাৰা বা এলেহুৱা ব্যক্তি। হিন্দু শাস্ত্ৰত ভগৱানক নিৰাকাৰ, নিৰ্গুণ, সাকাৰ সগুণ—ত্ৰিগুণাত্মা বুলি কোৱা হৈছে। 'বাথৌ বৌৰাই' সৰ্বগুণসম্পন্ন; নিৰাকাৰ, নিৰ্গুণ, ত্ৰিগুণাত্মাৰূপে সুপ্তাৱস্থাত থকাৰ কাৰণে 'খুৰিয়া বৌৰাই' বুলি অভিহিত কৰা হয়। প্ৰধানকৈ 'বুঢ়া বাথৌ' দেৱতাক উদ্দেশ্য কৰি বড়ো সম্প্ৰদায়ৰ লোকসকলে খেৰাই উৎসৱ পাতি পূজা কৰে। সেয়েহে কিছুমান পণ্ডিতে ক'ব বিচাৰে যে 'খুৰিয়া বৌৰাই' বা 'খৰিয়া বৌৰাই' শব্দৰ পৰাই খুৰাব্ৰাই > খুৰাই > খৰাই > খেৰাই হৈছে। কিছু সামান্য পাৰ্থক্যৰে খেৰাই পূজা উৎসৱ সম্পৰ্কে বিভিন্ন ঠাইত উল্লেখ পোৱা যায়। যেনে—ত্ৰিপুৰাত 'কেৰ', উত্তৰ কাছাৰত 'কেৰনাং' আৰু নেপালত কোৱা হয় 'খেৰাইমা' বুলি।

বড়োসকলৰ খেৰাই উৎসৱত পাঁচ সংখ্যাটোক গুৰুত্ব দিয়ে। এইদৰে পাঁচ সংখ্যাত গুৰুত্ব দিয়াৰ গভীৰ অৰ্থ আছে বুলি ক'ব পাৰি। বড়োসকলৰ কথাত কোৱা হয়—'বাথৌআ বান্দীবা, চিজৌআ গৰংবা, চিফুংআ গুদুংবা, বড়োনি ৰাওআ ফংবা।' ইয়াৰ অৰ্থ হৈছে—'বাথৌ'ৰ বেৰ পাঁচ তৰপীয়া, ছিজৌ গছৰ পাঁচটা সিৰ, খেৰাই উৎসৱত ব্যৱহাৰ কৰা বড়োসকলৰ বাঁহীৰ (চিফুং) পাঁচটা ফুটা। সেইদৰে বড়োসকলৰ কথাও (নীতি) পাঁচ প্ৰকাৰৰ। ইয়াত ভাৰতীয় দৰ্শনৰ (Indian Philosophy) পঞ্চতত্ত্বৰ কথাও সোমাই আছে বুলি ক'ব পাৰি। ১৫ যোৰা খুঁটি ব্যৱহাৰ কৰাৰ অৰ্থটো ১৫ তিথিৰ লগত সম্পৰ্ক ৰাখিছে বুলি বড়ো জ্ঞানী ব্যক্তিসকলে কয়। সিজু (ছিজৌ) গছৰ কাষত নিতৌ এগছি চাকি জ্বলাই ৰখা হয়। বাথৌ বেদীৰ সন্মুখত কেঁচা পাতেৰে সৈতে এযোৰ বাঁহৰ আগ (জাঠা) ৰুই দিয়া হয় আৰু তাত সূতাৰে তিনি টুকুৰাকৈ কপাহ বান্ধি ওলোমাই ৰখা হয়। ইয়াতো ভগৱানৰ সৃষ্টিকাৰ্যৰ গভীৰ তত্ত্ব নিহিত হৈ আছে বুলি জ্ঞানী ব্যক্তিসকলে ক'ব খোজে।

খেৰাই পূজা দিয়াৰ সময় ঃ

আশু খেৰাই ঃ আহাৰ নাইবা শাওণ মাহৰ অন্ধকাৰ ৰাতি বাৰিষা বতৰৰ আহু ধানৰ খেতি আৰু বাৰিষাৰ অন্যান্য শস্যাদিৰ সুফল কামনা কৰি এইবিধ খেৰাই পূজা দিয়া হয়।

শালি খেৰাই ঃ এই শালি খেৰাই পূজা কাতি মাহৰ অন্ধকাৰ ৰাতিত খৰালিৰ ৰবি শস্য আৰু শালি ধানৰ সুফল কামনা কৰি দিয়া হয়।

ব্যক্তিগত অথবা ঘৰুৱা খেৰাই ঃ পৰিয়ালৰ কোনো এজনৰ টান নৰিয়া হ'লে, কি বেমাৰত ভুগিছে তাক ঠাৱৰ কৰিবৰ বাবে নাইবা বেমাৰীৰ আৰোগ্য কামনা কৰি ঘৰৰ পৰিয়ালে এইবিধ খেৰাই ঘৰতে পাতে।

খেৰাই উৎসৱৰ প্ৰস্তুতি ঃ

বেদী তৈয়াৰ কৰাৰ পদ্ধতি ঃ ৰাজহুৱা খেৰাই পূজাৰ কাৰণে পথাৰৰ মাজত সুবিধা অনুযায়ী ঠাই নিৰ্বাচন কৰা হয়। যি ঠাইত বেদী তৈয়াৰ কৰিব, সেই ঠাইখিনি প্ৰথমতে পৰিষ্কাৰ কৰি তাত শান্তিপানী ছটিয়াই পবিত্ৰ কৰি লোৱা হয়। তাৰ পাছত সেই ঠাইত খেৰাই পূজাৰ বেদী তৈয়াৰ কৰা হয়। বেদী তৈয়াৰ কৰিবলৈ ওখ ঠাইৰ পৰা মাটি আনি ঢাপ এটা বনাই লোৱা হয়। এই ঢাপটো ডেৰ হাতমান বহল আৰু আধা হাতমান ওখ কৰি লোৱা হয়।

ঢাপটোৰ বাঁওপিনে আঢ়ৈ হাতমান দীঘল, আধা হাতমান বহল আৰু চাৰি আঙুলমান ওখ আলি এটা বন্ধোৱা হয়। ঢাপটোৰ চাৰিওপিনে পাঁচযোৰা কামিৰে গোলাকাৰকৈ বৈ দিয়া হয়। সন্মুখৰ পিনে এহাতমান ওখকৈ ৰাখি তিনিযোৰা বাঁহৰ কামি মোহাৰি লৈ ক্ৰছ চিন (×)ৰ দৰে বৈ দিয়া হয়। তাকে বড়োসকলে 'দাওথু বিখা' অৰ্থাৎ কপৌ চৰাইৰ বুকুৰ আৰ্হি বৈ দিয়া বুলি কয়।

খেৰাই পূজাৰ বেদী তৈয়াৰ কৰাৰ পাছত কলহৰ পানীৰে ভালদৰে মচি লোৱা হয়। সোণৰ আঙঠি এটা, নডাল দুবৰি বনৰ আগ আৰু এটা তুলসীৰ ঠানি লগ লগাই এঘটি পানীত থৈ শান্তিপানী প্ৰস্তুত কৰা হয়। সিজু গছৰ ঠানি এডাল আৰু তুলসী গছৰ ঠানি এডালত শান্তিপানী ছটিয়াই বাথৌ বেদীৰ মাজ ঠাইত ৰুই দিয়া হয়। সিজু গছৰ ঠানিটোৰ তলত এটা গোলাকাৰ শিল আৰু এটি মুৰ্গী চৰাইৰ কণী ৰখা হয়। বড়োসকলৰ মতে, এয়া হেনো জগতৰ আদি সৃষ্টিৰ চিন।

বাথৌ বেদী তৈয়াৰ কৰিবলৈ লোৱাৰে পৰা বেদী তৈয়াৰ কৰা কাম সমাধা নোহোৱালৈকে খাম (মাদল), চিফুং (বাঁহী) বজাই আৱাহন মন্ত্ৰ গাই থকা হয়। তাকে বড়োসকলে ঃ 'বাথৌ জাগায় জেন্নায়' অৰ্থাৎ বাথৌ জগোৱা মন্ত্ৰ বুলি কয়। আকৌ বেদী তৈয়াৰ কৰা কাম সমাধা কৰাৰ অন্তত দেৱ-দেৱীসকলক উদ্দেশ্য কৰি এটি আহ্বান মন্ত্ৰও গোৱা হয়। এই আৱাহন মন্ত্ৰৰ দুটি নমুনা প্ৰবন্ধৰ শেষৰ ফালে উল্লেখ কৰা হৈছে।

মূল খেৰাই উৎসৱৰ প্ৰস্তুতি ঃ

খেৰাই পূজাৰ বাবে পূজাৰ ভালেকেইদিন আগৰে পৰাই অতি লাগতিয়াল কিছুমান বস্তু যোগাৰ কৰি ল'ব লাগে। এই অত্যাৱশ্যকীয় সামগ্ৰীবিলাকৰ ঘাইকৈ পূজাত লগা সামগ্ৰী হৈছে— পাৰ চৰাই এযোৰা, এটা কুকুৰা চৰাইৰ পোৱালি, ডাঙৰ কুকুৰা, এটা, গাহৰি এটা, কণী এযোৰা, আৰৈ চাউলৰ গুড়ি এসেৰমান, আগ থকা তিনিডাল বিজুলী বাঁহ, সিজু গছৰ ঠানি এটা, এডাল তুলসী গছ, ঊনৈশযোৰা কাঁহি বন, (খাংখল), ঊনৈশযোৰা ভেটফুল (মৌখীনা), চাৰিডালমান জাতি বাঁহ, তুলসীৰ ঠানি এটা, নটা দুবৰি বনৰ আগ, সোণৰ আঙঠি এটা, ছখনমান কলৰ পাত, দুই থোক কল, এপোণ তামোল, এবিৰা পাণ, সেন্দূৰ, ধূপ, ধূনা, এঁৰা সুতা, খোৱাতেল, আৰৈ চাউল পাঁচসেৰমান, জুমায় বা মদ দুই কলহ, পিতল নাইবা কাঁহৰ ঘটি এযোৰা, খাম (মাদল) এযোৰা, চিফুং (বাঁহী) এযোৰা, জোথা (খঞ্জৰী) এযোৰা, ঢাল এখন আৰু তৰোৱাল এযোৰা। এইকেইবিধ বস্তুৱেই প্ৰধানকৈ এই খেৰাই পূজাৰ প্ৰয়োজনীয় সামগ্ৰী।

খেৰাই পূজাত দৌদিনী ঃ

খেৰাই উৎসৱত 'দৌদিনী'ক কেন্দ্ৰ কৰি দেৱতা পূজাৰ সকলো কাম সমাধা কৰা হয়। দেৱতা পূজাৰ কাম সমাধা কৰাত 'দৌদিনী'ক তিনিটা অৱস্থাত দেখিবলৈ পোৱা যায়। প্ৰথম অৱস্থাত ওজাৰ মন্ত্ৰৰ প্ৰভাৱত দৌদিনীক মুগ্ধ হৈ থকা দেখা যায়, তাকে বড়ো ভাষাত 'ঔযাংগি খাংনায়' বুলি কোৱা হয়; দ্বিতীয় অৱস্থাত তাইক অৰ্ধচেতন (Sub-Conscious) হোৱা দেখা যায় আৰু তৃতীয় অৱস্থাত তাই দৈৱবাণী ক'বলৈ ধৰে। এই তৃতীয় অৱস্থাৰ পৰাই দৌদিনীয়ে গাঁৱৰ মানুহক ভৱিষ্যদ্বাণী শুনাবলৈ লয়। গাঁৱত কি কি অমংগল ঘটিব পাৰে, তাৰো ইংগিত এই 'দৌদিনী'য়ে দিব পাৰে। গাঁৱৰ মানুহে মংগল বিধানৰ বাবে কি কি পন্থা ল'ব লাগে, তাৰ

দিহা-পৰামৰ্শও তাই দিব পাৰে। ৰাইজৰ খেতি-বাতি ভাল হ'ব নে বেয়া হ'ব তাকো তাই কৈ দিব পাৰে। তেনে দৈৱবাণী শুনোৱাৰ অন্তত 'দৌদিনী'য়ে বাথৌ বাঁৰাইৰ বেদীৰ চাৰিওপিনে হাতত শান্তিপানীৰ ঘটিটো লৈ পানী ছটিয়াই ছটিয়াই তিনিবাৰ প্ৰদক্ষিণ কৰে। তাৰ পাছতে তাই হাতত 'থুংগ্ৰি' আৰু 'দাহাল'খন লৈ 'চিফুঙ'ৰ সুৰে সুৰে আৰু 'খাম'ৰ ছেৱে ছেৱে বাথৌ বাঁৰাইৰ বেদীৰ চাৰিওপিনে নাচি নাচি প্ৰদক্ষিণ কৰে। তাইৰ লগে লগে পূজাত উপস্থিত থকা ভক্ত ৰাইজেও নাচিবলৈ লয়।

'দৌদিনী'ৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যক্ৰমণিকাতো প্ৰথম পৰ্যায়ৰ দৰেই তিনিটা পৰ্যায় পৰিলক্ষিত হয়।

প্ৰথমে দৌদিনৰ চিন্তাধাৰাৰ পৰিৱৰ্তন (change of mood), দ্বিতীয়তে দেৱতাসকলৰ লগত সমিলমিল হৈ যোৱা (assimilation) আৰু শেষত দেৱতাসকলৰ চৰিত্ৰানুযায়ী নৃত্য পৰিৱেশন কৰা (imitation)। সেয়েহে দৌদিনীয়ে খেৰাই উৎসৱত ১৮গৰাকী দেৱতাৰ চৰিত্ৰানুযায়ী ১৮ প্ৰকাৰৰ নৃত্য পৰিৱেশন কৰে। সেইমতে 'চিফুং' বাদক আৰু 'খাম' আদি বাদ্যৰাশিৰ বাদকসকলেও বিভিন্ন সুৰেৰে চিফুং আৰু খাম বজাবলৈ ধৰে।

দৌদিনীৰ নৃত্যবোৰৰ ভিতৰত কেইটামান প্ৰধান নৃত্য উল্লেখ কৰা হ'ল—(১) বাথৌ মহাৰাজৰ গা-ৰক্ষী আয়লেং দেৱতাৰ নামত 'খফ্ৰি ছিপনায়' বা 'জাপি ঘূৰোৱা' নৃত্য, (২) খৈলা দেৱতাৰ নামত 'মৌছা খাতৰি, নৃত্য, (৩) কাজিৰ (বাথৌ মহাৰাজৰ মন্ত্ৰী) নামত 'দা গীলাও বাঁনায়' নৃত্য, (৪) ৰাজ ফুথুৰ (বাথৌ মহাৰাজৰ পুত্ৰ) আৰু (৫) ৰাজখান্দ্ৰা (বাথৌ মহাৰাজৰ নাতিয়েক)ৰ নামত 'খামাও খাৰখীনায়' অৰ্থাৎ মাদলৰ ওপৰত উঠি কৰা নৃত্য, (৬) মৌনাসী দেৱতাৰ নামত 'গান্দৌলা বাঁন্নায়' নৃত্য, (৭) বাঁণচণ্ডী দেৱীৰ নামত 'ছত্ৰাৱলি' নৃত্য, (৮) জাৰাফাগ্লাৰ নামত 'জাৰাফাগ্লা' নৃত্য আৰু (৯) যাওখাৰ গোসাঁই দেৱতাৰ নামত 'নাও বাঁনায়' অৰ্থাৎ নাও বোৱা নৃত্যৰে দেৱ-দেৱীৰ মাহাত্ম্য দেখুওৱা হয়।

এইক্ষেত্ৰত ইয়াকে ক'ব পৰা যায় যে বড়োসকলৰ কলা-কৃষ্টি এই খেৰাই উৎসৱৰ 'দৌদিনী'ৰ নৃত্যৰ পৰাই সৃষ্টি হৈছে। খেৰাই উৎসৱৰ 'জাৰাফাগ্লা মৌচানায়' (জাৰাপগলা নৃত্য) নৃত্যৰ লগত শিৱৰ তাণ্ডৱ নৃত্যৰ সামঞ্জস্যও পৰিলক্ষিত হয়। 'বাঁৰাই বাথৌ মহাৰাজ'ক শিৱ বুলিও বড়োসকলে বিশ্বাস কৰে। আৰ্যসকলেও শিৱক 'ম্লেচ্ছ দেৱতা' বুলি কৈছিল। কিন্তু শেষত এই শিৱৰ শক্তি আৰু মাহাত্ম্য দেখি 'দেৱাদিদেৱ মহাদেৱ' বুলি পূজা কৰিবলৈ ল'লে। বৈদিক যুগত আৰ্যসকলৰ মাজত বলি-বিধান নাছিল। কিন্তু কিৰাত (বড়ো আদি)সকলে 'শিৱ' অৰ্থাৎ 'বাঁৰাই বাথৌ'ক মদ, মাংস, পঠা ছাগলী, গাহৰি আদি বলি দি পূজা কৰা দেখি আৰ্যসকলেও শিৱক বলি-বিধানেৰে পূজা-অৰ্চনা কৰিবলৈ লোৱা বুলি জানিব পাৰি। এনেকৈয়ে কিৰাত (বড়ো আদি)সকলৰ দেৱ-দেৱীক পূজা কৰাৰ পদ্ধতিয়ে আৰ্য হিন্দুসকলৰ মাজত প্ৰৱেশ কৰিছিল, তাত সন্দেহ নাই।

খেৰাই পূজাৰ অন্তত পৃথিৱীৰ বুকুৰ পৰা লক্ষ্মী আইক উদ্ধাৰ কৰি ঘৰঘৰৰ ইচ্ছিত থাপনা কৰা কাৰ্যও সমাপন কৰা হয়।

দৌদিনীয়ে খেৰাই পূজাৰ মূল বেদীৰ সন্মুখত লেপেট খাই বহি থাকে। তেতিয়া পূজাৰীসকলে দৌদিনীৰ গাত লক্ষ্মী আই লম্ভিছে বুলি ঠাৱৰ কৰে। তেতিয়া লক্ষ্মী আইক সন্তুষ্ট

কৰিবৰ কাৰণে লক্ষ্মী আইৰ নামত গাহৰি এটা বলি দি পূজা কৰা হয়। খাম, চিফুং বজাই থকাৰ মাজতে পূজাৰীসকলে আৱাহন মন্ত্ৰ মাতি থাকে। তেতিয়া লক্ষ্মীয়ে লম্ভা দৌদিনীয়ে পূজাত উপস্থিত থকা ব্যক্তিসকলক উদ্দেশ্য কৰি ক'বলৈ ধৰে—"হে বড়ো ফিসাফাৰ, নোংযফাৰ আংখৌ মবেও লাংনৌ? নোংসোৰ অংখৌ দানৌ লাংগোন, গাবোননৌ দৈআও ফাৰসে, অৰাও ফাৰসে খালামনানৈ জাগনৌ। অনাগাৰি খাবিমনালৈ জাগলা। আং থাংনাই নঙা। নোংসোৰ জি লামজোং ফৈদোং বি লামাজোং থাংফিন!'

ইয়াৰ অৰ্থ হ'ল—'হে বড়ো সন্তানসকল, মোক তোমালোকে ক'লৈ লৈ যাবা? তোমালোকে এতিয়াই লৈ যাবা, কাইলৈ পানীত এভাগ, জুইত এভাগ কৰি খাবা। অতি ব্যভিচাৰ কৰি খাবা। মই যাব নোৱাৰো। তোমালোকে যি বাটেৰে আহিছা সেই বাটেৰে উভতি যোৱাগৈ।'

তেতিয়া পূজাৰীয়ে দোহাই দি ক'বলৈ ধৰে—'নোং ফৈণাংগোন মাইনাও ফই! নৌ নঙাবা জোং মাবোৰৈ থাংনানৈ থানৌ? নোংনৌ জাদোং জোংনি জীউ। বে সংসাৰাও নোংনি অননায়াওনৌ গাসিবৌ জিৰাত থাংনানৈ দঙো আই! নোং নঙাবা জোং দানদিসেখৌনৌ থাংনা থানৌ হায়া আই। নোং ফৈফিনথাৰনাংগোন। নঙাবা ফাব নাং গোন। জোংনি খৰনি থৈ মোনলোংগোন। দহায় আই, নোং ফৈথাৰনাংগোন!'

ইয়াৰ অৰ্থ হ'ল—'তুমি আহিব লাগিব লক্ষ্মী আই, তোমাৰ অবিহনে আমি কেনেকৈ জীয়াই থাকিম? তুমিয়েই আমাৰ জীৱন। এই সংসাৰত তোমাৰ দয়াতে সকলো জীৱ, গছ-লতা, তৃণাদি বৰ্তি আছে। তোমাৰ অবিহনে আমি কেনেকৈ জীয়াই থাকিম? তোমাৰ অবিহনে আমি মুহূৰ্তৰ বাবেও জীয়াই থাকিব নোৱাৰো আই! তুমি আহিবই লাগিব আই! নহ'লে পাপ লাগিব। আমাৰ মূৰৰ তেজ খোৱা হ'ব। শপত আই, তুমি আহিবই লাগিব।'

পূজাৰীয়ে ভক্ত ৰাইজৰে হৈ আই লক্ষ্মীক অনুৰোধ কৰি কয়—'আই, তোমাক আমি অপব্যৱহাৰ নকৰো, ব্যভিচাৰ কৰি নাযাওঁ, নিতৌ ৰাতি, পুৱা আৰু সন্ধিয়াৰ সময়ত পূজা কৰিম আই!'

আই লক্ষ্মীৰূপী দৌদিনীয়ে তেতিয়া ক'বলৈ ধৰে—'ব'লা সন্তানসকল, মোক যতনে ৰাখিবা, নিতৌ পূজা কৰিবা, তোমালোকৰ ধন-ঐশ্বৰ্য বাঢ়িব। মোক সদায় শ্ৰদ্ধা আৰু ভক্তি কৰিবা।'—এই বুলি কৈ দৌদিনীয়ে বহাৰ পৰা উঠি নৃত্য কৰিবলৈ ধৰে। দৌদিনীৰ নৃত্যৰ লগে লগে আই লক্ষ্মী দেৱী সন্তুষ্ট হোৱা বুলি জানি পূজাথলীত উপস্থিত থকা ভক্ত ৰাইজৰ চকু-মুখত হাঁহি বিৰিঙি উঠে আৰু তেওঁলোকে দৌদিনীৰ নৃত্যত সহযোগ কৰে।

দৌদিনী আৰু ভক্ত ৰাইজে কিছু সময় নৃত্য কৰাৰ পাছত দৌদিনীয়ে বাথৌৰ সন্মুখৰ দুডাল বাঁহত ধৰি অচেতন হৈ পৰি ৰয়। ভক্ত ৰাইজে তেতিয়া 'বাথৌ মহাৰাজাৰ জয়' বুলি জয়ধ্বনি দিয়ে। পূজাৰীয়ে দৌদিনীৰ মূৰত শান্তিপানী ছটিয়াই দিয়ে। অলপ সময়ৰ পাছতে দৌদিনীৰ চেতনা আহে। লগে লগে খেৰাই পূজাৰো অন্ত হয়।

এই খেৰাই পূজাৰ বাবে বাথৌৰ বেদী সাজিবলৈ ঠাই পৰিষ্কাৰ কৰাৰ কাম আৰম্ভ কৰাৰে পৰা পূজাৰ কাম শেষ নোহোৱা পৰ্যন্ত খাম (মাদল), চিফুং বজাই আৱাহন মন্ত্ৰ গাই থাকে। তাকে বড়োসকলে 'বাথৌ জাগায় জৈন্নায়' অৰ্থাৎ 'বাথৌ জগোৱা মন্ত্ৰ' বোলে। তাৰে এটা মন্ত্ৰ ইয়াত উল্লেখ কৰা হ'ল।

মন্ত্ৰ

আই ফৈ, আফা ফৈ,
জীংনি খৰণি জাংসিখৌ বীখাৰফৈ;
সিজৌনি সিৰা সিৰিবা,
বাথৌআ বান্দীবা,
থায়গিৰ বিখঙা খংবা,
মীনসিং সিং বীৰায়নি আসাৰাবী ফংবা।
আই থৈদীং আইখৌ গাৰদীং,
আফাআ থৈদীং আফাখৌ গাৰদীং;
থেওবী বীৰায় বাথৌ মহাৰাজাখৌ
ফুজিনী গাৰাখৈ জীঙ।
খাংখ্ৰা থুগীন সাৰি সাৰি,
ফুৰগা অননী আলি,
মীখীনা বিবাৰা আইনি গম্ভংনি বালি।
মাইনাও খামাইখা খুন্দুৰী,
বীৰলি বুৰি আইআ
বীৰ বাঞ্চা হীগ্ৰানি গিৰি।
মেৰু গিৰিণি ৰাগাম ৰাগাম অম্বায়,
লৈথীআ বীবীনায় মীনাসীনি দৈ, জ' খালামবায়।
হাজীনি হা গীথাৰ লানানৈ,
দৈসা জিজিৰিণি দীই গীথাৰ লানানৈ,
নীংসীৰখৌ ফুজিগীন জীঙী।
সেৰেং সেৰেং লায়জাম বনানৈ,
গুফুৰ অনাও জীংথি অৰ ফীজীংনানৈ,
হে আফা, বাথৌ বীৰায়!
হে আই, আফাফীৰ!
আয়লেং, খাজি, আগ্ৰা খুংগুৰ,
ৰাজফুথুৰ, মীনাসী, বীৰলিবুৰি,
ৰাজখান্দ্ৰা, ছুং ৰাজা, ছুং ৰাণী,
আলায়-খুংগ্ৰি, বিলায় খুংগ্ৰি,
বান্দাৰি, কুমাৰী, বাসমুথি, ছৌদ্ৰি,
আইফীৰ, আফাফীৰ; মাইনাও মাওথানসি!
নীংসীৰ বুৰা বাথৌ আফাজীং ফৈফাদী,
বয়বী জ' জাফৈদী, ফুজা জাফৈ,

জৌংনি খৰ'নি জাংসিখৌ বৗগাৰফৈ!

ইয়াৰ অৰ্থ ঃ 'হে আই আহিবা, পিতা আহিবা, আমাৰ মূৰৰ জেং-জাবৰবোৰ আঁতৰাই দিয়াহি। সিজু গছৰ শিৰ পাঁচসিৰ, বাথৌৰো পাঁচবান্ধ, ঔফলৰ ঔটেঙা খোলাও পাঁচখোলা, মৗনাসিং সিং বুঢ়াৰ আচাৰো পাঁচ প্ৰকাৰৰ। আই মৰিছে, আইক পেলাইছো, পিতাই মৰিছে, পিতাইক পেলাইছো, তথাপি বুঢ়া বাথৌ মহাৰজাক পূজিব এৰা নাই আমি। কুশবন কুই দিম শাৰী শাৰী, বগা পিঠাগুড়িৰ আলি, ভেটাই গছৰ ফুলে আইৰ নাকৰ বালি। লক্ষ্মী কামাখ্যা সুন্দৰী, বৰদায়িনী সুন্দৰী, ভৰলী বুঢ়ী আই বৰ দিয়াৰ মালিক। মেৰু পৰ্বতৰ শিলবোৰ, সাগৰে লৈ অহা মানাহৰ পানীত জমা কৰিলো। পাহাৰ-পৰ্বতৰ পৱিত্ৰ মাটি লৈ, জান-জুৰিৰ পৱিত্ৰ পানী লৈ তোমালোকক পূজিম আমি, শাৰী শাৰী পাত পাৰি। বগা পিঠাগুড়িৰ উজ্জ্বল পোহৰ জ্বলাই হে পিতা, বাথৌ বুঢ়া! হে আই, পিতাসকল। 'আয়লোং, খাজি, আব্লা খুংগুৰ; ৰাজফুথুৰ, মৗনাসৗ, বৗৰলি বুঢ়ী, ৰাজখান্ত্ৰা সংৰাজা, সংৰাণী, আলায় খুংগ্ৰি, বিলায় খুংগ্ৰি, ভান্দাৰি, কুমাৰী বাচমুথি, ছৌদ্ৰি।' ('আইসকল, পিতাসকল; লক্ষ্মী আই! তোমালোকে সকলোৱে বুঢ়া বাথৌ পিতাক লগত লৈ আহা, একলগ হোৱাহি। পূজা গ্ৰহণ কৰাহি। আমাৰ মূৰৰ জেং-জাবৰবোৰ আঁতৰাই পেলোৱাহি।')

খেৰাই পূজাৰ সকলো প্ৰস্তুতি শেষ কৰাৰ পাছত বাথৌ বেদীৰ সন্মুখত দৌদিনীয়ে পূবলৈ মুখ কৰি গমাৰি কাঠৰ পীৰা এখনত বহে। ওজাই দৌদিনীৰ পিছপিনে আঁঠু লৈ বহি মন্ত্ৰ মাতে। ওজাঁৰ পাছতে পূজা দিওঁতা বুঢ়া-মেথাসকল বহে। দেউৰীগৰাকীয়ে দৌদিনীৰ বাঁওফালে অলপ আঁতৰত আঁঠু লৈ বহে। সকলো ঠিক-ঠাক হোৱাৰ পাছত বাথৌ মহাৰজা দেৱতালৈ সকলোৱে এবাৰ সেৱা জনাই পূজাৰ দেৱ-দেৱী আহ্বান কৰাৰ মন্ত্ৰ আৰম্ভ কৰি দিয়ে। আহ্বান কৰা মন্ত্ৰৰ নমুনা এটি ইয়াত উল্লেখ কৰা হ'ল।

আহ্বান মন্ত্ৰ

সৗৰ্গীআও দঙো,
সৗৰ্গী দেও গ'সাই;
ফাথালাও দঙো থুলসি দেও,
বিনিফ্ৰায় ৰাওবৗ গৈআ,
ৰাওখৌবৗ মিন্থিআ।
খৗনাসং খৗনাসং, লামা দথানি মুগাসং;
আংনি বাথ্ৰাখৌ এসে খৗনাসং।
সাননি গিৰি সানজা, মৗদায়নি গিৰি মহাফৰবু,
বৗৰায় বাথৌ মহাৰাজা।
বাথৌ হৗনৗ বান্দৗবা, সিজৌ হৗনৗ সিৰিবা,
বড়ো বৗৰায়নি আসাৰাবৗ ফংবা।
খৗনাসং, খৗনাসং, লামা দথানি মুগাসং;
আংনি বাথ্ৰাখৌ এসে খৗনাসং।
হাজৗ থিখিনিনি হা গৗথাৰ, দৈসা জিজিৰিণি দৗই গৗথাৰ;

মেৰু গিৰিণি ৰাগাম ৰাগাম
অন্থায়—
লাইথীআ বীবীনায়, আই মীনাসীনি দাই
জ' খালমবায় জীং।
ফুৰগা অননি আলি, খাংখ্‌লা থুবায় সাৰি সাৰি,
মীখ্‌না বিবাৰা আইনি গন্থংনি বালি।
লাইজাম ববায় স্রেং স্রেং, গুফুৰ জীংথি অৰজীং দানস্রাং খালামবায়।
ধুপ-ধুনা সাওনানৈ মীদীমফ্রু মীদীমহীবায়,
ৰাম থুলনসি, স'নানি আখথামজীং লাহায় লুহায় খালামবায়।
আইআ থৈদীং আইখৌ গাৰদীং,
আফাআ থৈদীং আফাখৌ গাৰদীং;
থেওবী বুৰা বাথৌ মহাৰাজাখৌ ফুজিনী গাৰাখৈ জীংআী।
মৈদেৰা গাবী ওদাল গুদিআও,
মানসিআ গাবী বাথৌ বীৰায়
মহাৰাজানি আও।
খীনাসং, খীনাসং, লামা দ'থানি মুগাসং;
আংনি বাথ্রাখৌ এসে খীনাসং।
দাওবআলায় সীমাখৈ, দাওখা আলায় ফুৰাখৈ;
দৈমা-দৈসানি অনথাইআ উলথায়ৈ বীহৈ আখৈ।
সৈথীনি মীদায়আ সৈথীআও থানাংগৌ,
মাননি মীদায়আ মানআও থানাংগৌ
নীংথাং মীনহা দানিল মীদায় নঙা; অৰায় দিননি মীদায়।
বেবা জাগ্রানী বেবা হীগীন,
উস্‌ জাগ্রানী উস্‌ হীগীন;
দিখুৰা জাগ্রানী দিখুৰা হীগীন।
স্রেং স্রেং লাইজামাও, গয় ফাথৈ, থালিৰ হীবায়;
আৰী গাংনায় উখৈনায়, নীই হীবাওনীসৈ জীং।
ফৈদী, ফৈ, বীৰায় বাথৌ মহাৰাজা,
মৈথা হাজি, ৰাংৰাসি বাৰিগংথাম,
নীং থাংআনী জাদীং ফানাফান থাম।
আঁজীং আৰী সীৰ সীৰ দং বাও আী?
আয়লেং, আগ্রাং, খৈলা, খাজি, ৰাজফুথুৰ, ৰাজখান্দ্রা, সংৰাজা,
সংৰাণী, আলায়খুংগ্রি, বিলায়খুংগ্রি, মীনাসী, বীৰলি, ভাণ্ডাৰি, কুমাৰী,
বাসমুথি, চৌদ্রি, বীন-ফাগ্লি,

ৰৗণসগুি, আইমাওথানস্ৰিমীন দঙো।
হে আফা ফিফাগুৰু বাথৌ বৗৰায়
মহাৰাজা!
আৰৗ আইফৗৰ আফাফৗৰ,
জৗংনি খৰ'নি জাংসিখৌ বৗগাৰলাংদৗ।
ফিসা, ফিসৌ জেবৗ জিৰাও অননানৈ লাখিদৗ।
দৗহৗন দৌলত ৰাং খাওৰি, নৗংথাং আনৗ জাবায় গিৰিআ,
খবৰদাৰ! খবৰদাৰ!! খবৰদাৰ!!!
দৗহৗৰৗমণি মৗদায়আ দৗহৗৰৗমাও
থানাংগৌ
সৈথৗনি মৗদায়আ সৈথৗআও থানাংগৌ।
হে আফা ইসৗৰ! বাথৌ বৗৰায় মহাৰাজা
মহাফৰবু! (বয়বৗ জ' খুলুমৗ)

ইয়াৰ অৰ্থ ঃ ‘এহেম দে, স্বৰ্গত আছে স্বৰ্গদেউ গোসাঁই, পাতালত আছে তুলসী দেউ, তাৰ বাহিৰে কোনো নাই, কাকো নাজানো। শুনা, শুনা, বাটৰ দাঁতিৰ মুগাসং (গছৰ নাম) মোৰ কথাষাৰ অলপ শুনা। সূৰ্যৰ আদি পূব, দেৱতাৰ আদি মহাপ্ৰভু বুঢ়া বাথৌ মহাৰজা। বাথৌৰ হেনো পাঁচবান্ধ, সিজুৰ হেনো পঞ্চসিৰ, বড়ো বুঢ়াৰ আচাৰো পাঁচবিধ। শুনা শুনা, বাটৰ দাঁতিৰ মুগাসং, মোৰ কথা অলপ শুনা। পৰ্বত-শৃংগৰ পৱিত্ৰ মাটি, কুলু কুলু নিজৰাৰ পৱিত্ৰ পানী, মেৰু পৰ্বতৰ ঝনঝনীয়া শিল, সাগৰে উটুৱাই লৈ অহা আই মানাহৰ পানী জমা কৰিলো আমি। বগা চাউলৰ গুড়িৰ আলি, কুশবন ৰুই দিলো শাৰী শাৰী, ভেটাই গছ ৰুলো শাৰী শাৰী, ভেটাই গছৰ ফুলে আইৰ নাকৰ বালি। পাত পাৰিলো সমানে সমানে, ধূপ-ধুনা জ্বলাই গোন্ধত আমোল-মোলাই দিলো; ৰাম তুলসী সোণৰ আঙঠিৰে পানী ছটিয়াই দিলো। আই মৰিছে, আইক পেলাইছো। পিতাই মৰিছে, পিতাক পেলাইছো। তথাপি বুঢ়া বাথৌ মহাৰাজক পূজিব এৰা নাই আমি। হাতীয়ে কান্দে ওদাল গছৰ গুৰিত, মানুহে কান্দে বাথৌ বুঢ়া মহাৰজাৰ ওচৰত। শুনা শুনা, বাটৰ দাঁতিৰ মুগাচং (গছৰ নাম) মোৰ কথা অলপ শুনা। বগলী ক'লা হোৱা নাই, কাউৰী বগা হোৱা নাই, নদ-নদীৰ শিল, উভতি উজাই যোৱা নাই। সত্যৰ দেৱতা সত্যত থাকিব লাগে। মনৰ দেৱতা মনত থাকিব লাগে। তোমালোক আজিকালিৰ মাত্ৰ দেৱতা নহয়, চিৰদিনৰ দেৱতা। ছাগলী খোৱাক ছাগলী দিম, গাহৰি খোৱাক গাহৰি দিম, কুকুৰা চৰাই খোৱাক কুকুৰা চৰাই দিম, সমান সমান পাতত পাণ-তামোল দিলো আৰু পিয়াহ-ভোকৰ বাবে এয়া আৰু দিব ধৰিছো। আহা! আহা! বুঢ়া বাথৌ মহাৰাজ, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তুমিয়ে তিনিভাগ। শুনা, শুনা, বাটৰ দাঁতিৰ মুগাসং, মোৰ কথা অলপ শুনা। ইফালে আৰু কোন কোন আছে? আয়লেং আগ্ৰাং, খৈলা, খাজি, ৰাজফুথুৰ, ৰাজখান্দ্ৰা, ছংৰাজা, ছংৰাণী, আলায় খুংগ্ৰি, বিলায় খুংগ্ৰি, মানাহ, ভৰলু, ভাগুৱৗ, কুমাৰৗ, বাচমুথি, চৌদ্ৰি, ৰৗণফাগ্লি, ৰৗণচগুি, আইমাও, থানাস্ৰিহঁত আছে। হে পিতা,

পিতা গুৰু বাথৌ বুঢ়া মহাৰাজা! আই, পিতাসকল! আমাৰ মূৰৰ জেং-জাবৰবোৰ গুচাই দিয়া, নাতি-পুতি সকলোকে আনন্দেৰে ৰাখিবা। ধন, ঐশ্বৰ্য, টকা-পইচাৰ আপুনিয়ে হৈছে আদি। খবৰদাৰ! খবৰদাৰ!! খবৰদাৰ!!! ধৰ্মৰ দেৱতা ধৰ্মত থাকিব লাগে, সত্যৰ দেৱতা সত্যত থাকিব লাগে, হে ঈশ্বৰ! বাথৌ বুঢ়া মহাৰজা মহাপ্ৰভু!' (সকলোৱে সেৱা কৰে)।

গ্ৰন্থপঞ্জী ঃ

(১) Dr. S. K. Chatterjee : *Kirata-Jana-Kriti.*

(২) Dr. Kameswar Brahma : *Study in Cultural Heritage of the Bodos.*

(৩) M. M. Brahma : *Folk Songs of the Bodos.*

(৪) ভবেন নাৰ্জি ঃ *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি।*

(৫) বালিচৰণ ৰামচিয়াৰী ঃ *বাথৌ-খেৰাই পূজা আৰী বড়ো জাতি।*

তিৱাসকলৰ লাংখুন পূজাৰ গীত-মাত

বলাইৰাম সেনাপতি

অসমৰ পুৰণি বাসিন্দা লালুংসকলে কৰি অহা পূজা-পাতলৰ লগত জড়িত কিছুমান নাচ আৰু গীত-মাত আছে। সেই নৃত্য-গীত বিজড়িত পূজাবিলাকৰ ভিতৰত লাংখুন পূজাটোও অন্যতম। এই পূজা স্থানভেদে কিছু বেলেগ। ইয়াৰ কাৰণ বোধকৰো পাৰিপাৰ্শ্বিক অৱস্থা আৰু সময়ৰ নতুন প্ৰৱাহ। এই প্ৰবন্ধত নগাঁৱৰ পশ্চিম অঞ্চলৰ নেলী মুকৰীয়াৰ লাংখুন পূজাৰ নাচ আৰু গীত-মাতৰ এটি চিত্ৰ থূলমূল বিৱৰণসহ দাঙি ধৰা হ'ল। আশা কৰো, ইয়াৰ যোগেদি নৃত্য-গীত বিশাৰদসকলে এই নৃত্য আৰু গীতবোৰৰ লগত পৰিচিত হৈ, অধ্যয়ন কৰি অসম তথা সৰ্বভাৰতীয় ভিত্তিত ইয়াৰ ৰূপ দিয়াৰ চিন্তা কৰিব।

এই লাংখুন পূজা সৰ্বসাধাৰণতে কাতিৰ শেষত আঘোণ মাহত কৰা হয়। এই পূজা চাৰিদিন ধৰি চলে। সাধাৰণতে সোমবাৰৰ ভাটিবেলাৰ পৰা আৰম্ভ কৰি বৃহস্পতিবাৰে ৰাতি পূজা শেষ কৰা হয়। পূজা আৰম্ভণিৰ সোমবাৰৰ আগৰ শনিবাৰে সমাজৰ বিষয়ববীয়া চাংদলৈ, চাংমাজি, হাতাৰী, লৰ প্ৰমুখ্যে সমূহ ৰাইজে দেউৰীৰ ঘৰত গোট খায়। গোটখোৱা ৰাইজৰ আগত দেউৰীয়ে তামোল-পাণ এবটা, মদৰ লাউ এটা চাংদলৈ আৰু চাংমাজিৰ হাতত দিয়ে। তেতিয়া চাংদলৈ আৰু চাংমাজিয়ে দেউৰী, হাতাৰী, লৰ প্ৰমুখ্যে ৰাইজ লৈ লাংখুন কাটিবলৈ বুলি পাহাৰত উঠে। তেওঁলোকৰ লগত মদৰ লাউ এটা আৰু তামোলৰ বটা এটা থাকে। পাহাৰৰ বহুত দূৰৈত পাহাৰৰে খুব ধুনীয়া এজোপা বিজুলীবাঁহ চাই, তাৰ গুৰিখিনি পৰিষ্কাৰ কৰি, আগলি কলপাত এজাপ পাৰি তাৰে ওপৰত সাতখন কটা তামোল দি লগত নিয়া মদৰ লাউটিৰ পৰা মদ উলিয়াই পাতৰ আগত ঢালি দি বাঁহ স্ৰজন কৰা দেৱ-দেৱী আৰু ভাৰ বৈ থকা পৃথিৱীক বাঁহ কাটিবলৈ অনুমতি বিচাৰি স্তুতি কৰে। এই স্তুতি শেষ হোৱাৰ পাছত লগত যোৱা লোকসকলে সেই বাঁহজোপাৰ পৰা হাতেৰে খামুচি ধৰিব পৰা চাই ধুনীয়া আগযুক্ত ১৮ ডাল বাঁহ কাটিবলৈ লয়। যদি পূজা দিয়া বাঁহজোপাত বিচৰামতে বাঁহ নোলায়, তেনেহ'লে

আন আন ওচৰৰ বাঁহগছৰ পৰাও বাঁহ কাটি সেই ১৮ ডাল বাঁহ পূৰাই ল'ব পাৰে। সেই বাঁহ পূৰ হ'লে সেইবোৰ বাঁহ লৈ সমূহ ৰাইজে গাঁৱৰ পৰা কিছু দূৰত হাবিৰ মাজত থকা দেওশালত আনি থয়হি। বাঁহ কাটিবলৈ যোৱাৰে পৰা আৰম্ভ কৰি বাঁহ কটাৰ শেষলৈকে ডেকাবিলাকৰ মন উৎসৱ-আনন্দেৰে উৎফুল্লিত হৈ থাকে। সময় সুবিধা পালেই তেওঁলোক মন উজাৰি গীত জুৰে। এইদৰে তেওঁলোকে ৰং-ধেমালি কৰি বাঁহ কাটি ঘৰলৈ গুচি আহে। গধূলি হোৱাৰ লগে লগে দেওবাৰৰ দিনটো জিৰণি লৈ থাকে নতুবা খেৰ পূজা কৰাৰ ঠাই পৰিষ্কাৰ কৰেগৈ। তাতে পৰ্বত আকাৰ কৰি খৰি গোটাই পানী আৰু মদ খাবৰ কাৰণে বাঁহৰ চুঙা দীঘল আৰু চুটি কৰি দুভাগকৈ কাটে। দীঘলবোৰ পানী আনি থ'বৰ বাবে আৰু চুটিবোৰ মদ আৰু পানী খাবৰ কাৰণে। এইদৰেই দেওবাৰৰ দিনটো পাৰ হৈ যায়। সোমবাৰৰ দিনা ৰাতি নৌ পুৱাওঁতেই এদল ডেকা ল'ৰাই গৈ দেওশালৰ পৰা বাঁহ লৈ আনেগৈ। বাঁহৰ লগতে প্ৰায় ৬ ফুটমান দীঘল হাতেৰে খামুচি পোৱা গছৰ পুলিৰ গা-গছ আৰু ডাল-পাত কাটি মাল পূজাৰ কাৰণে লৈ আনে। কাটি অনা গছৰ গা-গছবিলাকক মালবাৰি বোলে আৰু ইয়াক মাল পূজাত ব্যৱহাৰ কৰা হয়। সেই বাঁহ আৰু কাঠবোৰ লৈ ডেকাবিলাক ডেকাচাং পায়হি আৰু বাঁহ আৰু কাঠবোৰ লৈ তেওঁলোকে তেওঁলোকৰ নিয়মেৰে কাম আৰম্ভ কৰিবলৈ লয়। প্ৰথমতে বাঁহবোৰৰ চোঁচবিলাক গুচাই আৰু প্ৰতি পাবে পাবে বাঁহৰ তলৰ চোঁচবিলাক জুটিয়াই ধুনীয়াকৈ গোটেই বাঁহডাল ফুলাই আৰু বিভিন্ন ৰূপেৰে চিত্ৰ-বিচিত্ৰ কৰি বাঁহডাল অংকিত কৰি লয়। এইদৰে ফুলাই কৰি লোৱাৰ পাছত বাঁহ অৰ্থাৎ লাংখুনবিলাক ডেকাচাঙৰ চ'তিৰ ওপৰত দীঘলকৈ আঁওজাই ৰাখে। তাৰ পাছত মালবাৰিবিলাকৰ কাম আৰম্ভ কৰে। এই মালবাৰিবিলাকো চাঁচি, ফুলাই, মূৰত চৰাইৰ দৰে কাটি লৈ বিভিন্ন ৰূপৰ ছবিৰে অংকিত কৰি গাত এঙাৰৰ ছাই আৰু হালধিৰ ৰস ঘঁহি ডেকাচাঙৰ পূবফালে শাৰী পাতি পুতি থয়। এইবোৰ কাম কৰি শেষ হ'লে ডেকাসকলে দুপৰীয়া ভাত-পানী খাই ডেকাচাঙলৈ যায় আৰু বেলি ভাটি দিয়াৰ লগে লগে বুঢ়া-বুঢ়ী, সকলো ৰাইজ আহি ডেকাচাঙত গোট খায়হি। গোট খোৱা সকলো ৰাইজে মদৰ লাউ দুটা, তামোল-পাণ এবটা লৈ দেউৰীৰ ঘৰত ঢোল, বাঁহী (পাংচি), থোৰাং খুজিবলৈ যায় (ঢোলবিলাক ভৈয়ামত ব্যৱহাৰ কৰা পাতি ঢোলবিলাকৰ দৰে হ'লেও আকাৰত কিছু সৰু। থোৰাংবিলাক প্ৰায় তিনি ফুট বা চাৰে তিনি ফুট দীঘলৰ এবিধ ধুনীয়া সুৰযুক্ত বাঁহী। তেওঁলোকে লগত নিয়া এই মদৰ লাউ দুটা আৰু তামোল-পাণৰ বটাটো দেউৰীৰ আগত দি মান আগবঢ়ায়। তেতিয়া দেউৰীয়ে ৰাইজক কিয় আহিছে, কি কথা-কি বতৰা সুধিব। সুধিলে ৰাইজৰ হৈ এজনে ক'ব, 'আমি পূৰ্বাপৰ নিয়ম অনুসৰি লাংখুন পূজা পাতিবলৈ স্থিৰ কৰিছো আৰু তাৰ বাবে আপোনাৰ ওচৰত ঢোল, বাঁহী, থোৰাং বিচাৰি আহিছো।' তেতিয়া দেউৰীয়ে ক'ব, 'পূৰ্বাপৰ নিয়ম-যদি আপোনালোকে কৰিব খুজিছে তেনেহ'লে বস্তুবোৰ লৈ যাওক, ভালদৰে ব্যৱহাৰ কৰিব; ভালদৰে ৰাখিব।' এই বুলি কৈ দেউৰীয়ে বস্তুবোৰ ৰাইজৰ আগত এপদ এপদকৈ উলিয়াই দিয়ে। এই বস্তুবোৰ পোৱাৰ পাছত ডেকাবিলাকে ডেকাচাঙলৈ গৈ ঢোল, বাঁহী, থোৰাং আদি বজাই নাচি-বাগি ধেমালি কৰে। এইদৰেই গোটেই ৰাতিটো নৃত্য-গীতৰ মাজেৰে অতিবাহিত কৰি মঙলবাৰৰ দিনা ৰাতিপুৱাৰ সময়ত পুতি থোৱা মালবাৰি লৈ গাঁৱৰ প্ৰতিঘৰ গৃহস্থৰ ঘৰলৈ গৈ মালবাৰিৰে চাল-বেৰত হৈ হৈ কৰি টঙনিয়াই অদৃশ্য কিবা প্ৰাণী খেদি নিয়াৰ দৰে খেদি লৈ গৈ এই মালবাৰিবোৰ আগতে মালবাৰি পেলোৱা নিৰ্দিষ্ট ঠাইত পেলায়গৈ। এইদৰে চাল-বেৰ কোবাই খেদি লৈ গ'লে লালুং মানুহবিলাকে গাঁৱত আৰু ঘৰত

থকা ভূত-প্ৰেতবিলাক আঁতৰি যায় বুলি বিশ্বাস কৰে। এই মালবাৰিৰে ভূত-প্ৰেত খেদাৰ সময়ত ঢোল, বাঁহী, থোৰাং বজাওঁতাসকলে মালবাৰি লোৱাসকলৰ লগে লগে গ'লেও ঘৰত নোসোমাই বাটে বাটে গৈ মালবাৰি লোৱা লোকসকলক লগ ধৰি একেলগে গৈ মালবাৰিবিলাক পেলায়গৈ। মালবাৰিবিলাক পেলাই তেওঁলোকে প্ৰত্যেকেই ডেকাচাঙলৈ আহি ধেমালি কৰাই ধেমালি কৰে, নচাই নাচে, বাঁহী বজোৱাই বাঁহী বজায়। ৰাতি টোপনিত ক্লান্তবিলাকে টোপনিত লালকাল দিয়ে। এইদৰে সময়খিনি পাৰ হৈ যেতিয়া আগবেলা১০ মান বাজে তেতিয়া দেউৰী, হাতাৰী, লৰ আদি বিষয়ববীয়াসকলে গাঁৱৰ প্ৰতিঘৰ গৃহস্থৰ পৰা এটি চৰাই, এটি মদৰ লাউ লৈ আগতে পূজা কৰিম বুলি খৰি-খেৰ, পানীচুঙা গোটাই ৰখা নিৰ্দিষ্ট ঠাইডোখৰলৈ যায়। পূজা কৰা থানখনত বুঢ়াবিলাক উপস্থিত হৈ সেই পৰিষ্কাৰ কৰা ঠাইডোখৰত অৰ্ধচন্দ্ৰ আকাৰত ঘূৰণীয়া কৰি কলপাত ২০ জাপ; চাৰিভাইক একজাপ, বামুণদেউক ৫খন, বাঘদেউক আৰু বাটপূজাৰ বাটদেউক একজাপ দি লৰ বুঢ়াই পূজা আৰম্ভ কৰে। পূজাত কলপাতৰ ওপৰত আৰৈ চাউল আৰু পাঁচোটাকৈ তামোল, পাঁচখিলাকৈ পাণ দি দেৱতাৰ নামত স্তুতি কৰি এটি এটিকৈ চৰাই কাটি চৰাইৰ তেজ পাতবোৰৰ ওপৰত ছটিয়াই দিয়ে আৰু মদৰ লাউৰ পৰা মদ পাতে পাতে অলপ অলপ বাকি দি দেৱতাৰ নামত অৰ্পণ কৰে। শান্তিয়নী পানীৰ নামত বাটিত পিঠাগুড়ি গুলি লৈ বনমালা পাতেৰে সেইবোৰৰ চাৰিওফালে ছটিয়াই দিয়ে। প্ৰতি আগলি কলপাতৰ ওপৰতে ঘৰচোৱা খেৰৰ এটি এটি সৰু মুঠি কাটি থয়। এই পূজা কৰাৰ পাছতহে লালুং মানুহে ঘৰ চাবৰ কাৰণে খেৰ কাটে, তাৰ আগতে খেৰ কটা নহয়। তামোলো এই পূজাত দেৱতাত লগোৱাৰ পাছতহে লালুং মানুহে খায়। অৱশ্যে আজিকালি বিষয়ববীয়াসকলৰ বাহিৰে আনবিলাকে আগতেই খায়। ইফালে বুঢ়াবিলাকে পূজা কৰিবলৈ যোৱাৰ লগে লগে নতুন উদ্যমেৰে ঢোলত কোব আৰু বাঁহীত ফুক পৰে। ডেকাবিলাকে লাংখুন উলিয়াই লৈ ঢোল, বাঁহী আৰু থোৰাং বাদকক মাজত লৈ বৃত্তাকাৰে নাচে। বুঢ়াবিলাকেও পূজা কৰা ঠাইৰ পৰা এডাল লাংখুন চাঁচি ফুলতুলি লৈ আহে আৰু ডেকাবিলাকক দিয়ে। এইদৰে গোটেইকেইডাল লাংখুন লৈ গধূলি ছয়-সাতটা মান বজালৈকে ডেকাচাঙত নাচ নাচে। গধূলি ছয়-সাতটামান বাজিলে এই লাংখুনবিলাক হাতে হাতে লৈ ডেকা প্ৰমুখ্যে সমূহ ৰাইজে ৰাইজৰ বিষয়ববীয়া, দেউৰী, হাতাৰী, লৰ, চাংদলৈ, চাংমাজিৰ ঘৰত নাচেগৈ। এই নাচনীয়াৰ ৰাইজক দেউৰী, হাতাৰী, লৰ আদি বিষয়ববীয়াসকলে এটুপি মদেৰে আপ্যায়িত কৰে। এইদৰে মদ-পানী খাই নাচোতে ৰাতি প্ৰায় দুইমান বাজে। তেতিয়া আকৌ ৰাইজ ডেকাচাঙলৈ ঘূৰি আহি ডেকাচাঙত দুঘণ্টামান সময় নাচে। তাৰ পাছত সমূহ ৰাইজে ঈশ্বৰক স্তুতি কৰি ঢোলৰ ছেৱে ছেৱে লৈ গৈ আগতে মালবাৰি পেলোৱা ঠাইত লাংখুনবিলাক পেলায়গৈ। লাংখুন পেলাই আহি চাংঘৰত থকাই চাংঘৰত থাকে, ঘৰা-ঘৰি যোৱাই ঘৰা-ঘৰি গৈ টোপনিত পৰেগৈ। তাৰ পাছৰ বুধবাৰৰ দিনা ভাটিবেলা আকৌ ৰাইজ আহি ডেকাচাঙত গোট খাইহি আৰু থোৰাং আৰু বাঁহী লৈ দেউৰী, হাতাৰী, লৰ, চাংদলৈ, চাংমাজিৰ ঘৰলৈ যায়। প্ৰত্যেক বিষয়ববীয়াৰ ঘৰ পালে তেওঁলোকৰ ভিতৰ মজিয়াত সোমাই বাঁহী আৰু থোৰাঙৰ সুৰে সুৰে নাচে। নাচ শেষ হ'লে বাঁহী আৰু থোৰাং বজাওঁতাক গৃহস্থই চেনাফলা মাছ আৰু মদেৰে আপ্যায়িত কৰে। বাকীবোৰক এনেয়ে মদৰ লগত মাছ ভাজি দিয়ে। এইদৰেই ইঘৰ-সিঘৰ বিষয়ববীয়াৰ ঘৰত সোমাই প্ৰত্যেকৰে ঘৰত মদ আৰু ভাজিৰে আপ্যায়িত হৈ আহি তেওঁলোক আকৌ ডেকাচাং

পায়হি। তেওঁলোকে ডেকাচাঙলৈ উভতি নহালৈকে ডেকাচাঙত কেৱল সেই ঢোলেই বাজি থাকে। তাৰ পাছত সমূহ ৰাইজ আহি ডেকাচাঙত এঘণ্টামান কাল নাচি, ঈশ্বৰৰ ওচৰত স্তুতি কৰি ঢোল, বাঁহী, থোৰাং বজোৱা বন্ধ কৰে। তাৰ পাছত সেই ঢোল, বাঁহী, থোৰাংবোৰ লৈ মদ দুই লাউৰে দেউৰীৰ ঘৰত চমজি দি কয়, 'আপোনাৰ বস্তুবোৰ আপোনাক চমজি দিলো, আমাৰ কাম শেষ হ'ল। আপুনি ভাল আছে, বেয়া আছে, চাই চিন্তি লওক।' তেতিয়া দেউৰীয়েও বস্তুবোৰ ভালে আছে বুলি কৈ চমজি লৈ, দুই লাউ মদ সমূহ ৰাইজৰ লগ হৈ খায়। সমূহ ৰাইজে দেউৰীৰ ঘৰতে এইদৰে মদ-পানী খাই দেউৰীৰ ঘৰৰ পৰা বিদায় লয়। এই লাংখুন পূজা নৃত্য আৰু গীতেৰে মুখৰিত। পূজা আৰম্ভ হোৱাৰে পৰা মানুহবিলাকে নাচিয়েই থাকে, গাইয়েই থাকে। তেওঁলোকে সেইকেইদিন দেৱতাৰ ত্ৰুটি-নাতি, কথোপকথন গীত-মাতেৰেই কৰে। তেওঁলোকে লাংখুন কাটিবৰ কাৰণে দেউৰীৰ ঘৰৰ পৰা মদৰ লাউ আৰু তামোল-পাণৰ বঁটা লৈ ওলাওঁতে সমাজৰ এজন বুঢ়াই তেওঁলোকক উৎসাহ দি গায়—

সান্দে লিঙা নাং
অবা বাৰ খুলেছা
মা বিজিলি ৰাওনগ্
আলায় লানা লিং
পেনে মানে গুৰিনে ফাবা অই আই
পেনে ফানে গুৰিনে ফাবা অই আই
হান্দে লাৰ আং
বলে লাৰ আং অই

অৰ্থ ঃ-

'অ' বাৰ কুলৰ ল'ৰা-ছোৱালী—সকলোৱে ওলোৱা। আমি বিজুলী বাঁহক মাক-বাপেকৰ কোলাৰ পৰা খুজি- মাগি আনোগৈ...। ইয়াৰ পাছত দেউৰীৰ ঘৰৰ পৰা ওলাই ৰাস্তা পায়গৈ। পাহাৰলৈ যাব লগা ৰাস্তা, হাবি-বন, জোক-কাঁইটেৰে বিপদসংকুল। বিপদসংকুল এই ৰাস্তাৰ বিপদ-বিঘিনি আঁতৰাই ৰাইজক আগুৱাই যাবলৈ উৎসাহ যোগাই ৰাইজৰ মাজেৰে এজন বুঢ়াই গীত গায়'—

লামা জাবাগ লাম হনে লিং
দাৰি জাবাগ দাৰি হনে লিং
ছুগা তানে লাং অবা বাৰ খুলেছা
ছুজি তানে লাং অবা বাৰ খুলেতি
কাপ তানে লাং লোৰ তানে লাং
শিল তানে লাং গাৰি তানে লাং
ছুনানে ৰাম্মা ৰি লাং
ৰুফানে ৰাম্মা ৰিলাং অই ....

অৰ্থ ঃ

'অ' বাৰ কুলৰ লৰা-ছোৱালী বাট নোহোৱাক বাট কৰি লৈ যা, পথ নোহোৱাক পথ কৰি লৈ যা। শিল ভাং, জেং-জোক, পোক-পৰুৱা কাটি আঁতৰাই দে, সোণৰ বাট বন্ধাই দে, ৰূপৰ বাট বন্ধাই দে।'

এইদৰে গীত-মাতৰ মাজেৰে পাহাৰৰ দূৰণীয়া বাট ওচৰ কৰি লয়, দুৰ্গম পথক সুগম কৰি সৰহকৈ ভাল বিজুলী বাঁহ থকা ঠাইখিনি পায়গৈ। তেতিয়া তাৰে মাজৰ এজোপা ভাল বাঁহৰ ওচৰলৈ গৈ তলিখন পৰিষ্কাৰ কৰি, আগলি কলপাত পাৰি, ভাগ-জোগ, মান-বটা, মদৰ লাউ দি বিজুলী বাঁহজোপাৰ ওচৰত বাঁহ খুজি, তুতি-মিনতি কৰি এজন বুঢ়াই গায়—

জুলাই কুবাই ফিদং অবা বিজুলি ৰাউন
মাই লাউ কুবাই ফিদং অবা চালজা ৰজা
নি ছাজ বিজিলি কুঁৱৰীগ লানা
নি তিজ মাহাদি কুঁৱৰীগ লানা
তেব জুলাউ জানা তেব মাই লাউ জানা
চা চাংদলৈ নে, চা চাংমাজিনে
চা চা বুঢ়ানে চা মেথানে অই...

অৰ্থ ঃ

'অ' বিজুলী কুঁৱৰীৰ দেউতাক চালজা ৰজা, তোমাৰ জীয়াৰী বিজুলী কুঁৱৰী মহাদৈক নিবলৈ আমি চাংদলৈ, চাংমাজি, বুঢ়া-মেথাই মদৰ লাউ আনিছো; তামোল-পাণৰ বটা আনিছো। তুমি মদৰ লাউ খোৱা, তামোল-পাণৰ বটা খোৱা, তাৰ পাছত তোমাৰ জীয়েৰাক দিয়া।'

এইদৰে বাঁহজোপাৰ ওচৰত বাঁহ স্ৰজন আৰু পালনকৰ্তা দেৱতাকো এই বাঁহ কটাৰ বাবে একো দায়-দোষ নধৰি মানুহৰ কোনো হানি-বিঘিনি নকৰিবলৈকো গীতৰ যোগেদিয়েই প্ৰভু চাৰিভাই-মহামায়া বাৰগুণ দেৱতা, ওঠৰ গুণ দেউক তুতি কৰে।

হানি ছানা দেই প্ৰভু চাৰিভাই
বিঘিনি ছানা দেই ওমা মহামাই
নিল নিয়মে গাষ্ঠিৰমে লাংগাই
নিল ৰকমে জুৰি ৰমে লাং গাই
লোক হানি তাৰি দেই বাৰখনদেউ
প্ৰজা হানি, তাৰি অ' আঠাৰগুণ দেউ
মাঠি থানা নাং দেই,
দবল থানা নাং দেই

অৰ্থ ঃ

'এই বাঁহবিলাক নিওঁতে হে প্ৰভু চাৰিভাই, মহামায়া, ওঠৰগুণ দেৱতা, বাৰগুণ দেৱতা আমাৰ লোকক হানিও নকৰিবা, বিপদ-বিঘিনিও একো নিদিবা। তোমাৰ নাম-গুণ, যশ ৰ'ব লাগে।'

এইদৰে সকলোকে তুতি-মিনতি কৰি বিজুলী বাঁহ কাটে। কাটি কটলাওঁতে বিজুলী বাঁহে কষ্ট পোৱাৰ অনুমান কৰি বিজুলী বাঁহক সান্ত্বনাৰ বাণী শুনাই এজন বুঢ়াই সুৰ লগাই এইদৰে গায়—

কুৰি তানে গাৰে আগ মুৰায়ং
কুৰিউ ক্ষুদি গাৰে পাচগ' মুৰায়
বাবা বিজিলি ৰাজানে ছাজগ
বাবা ছালজা ৰাজানে তিজক
ছনাখান তিলাং ছগা মাচিয়াঠং
ৰুফা খান তিলাং চুজি মাচিয়া ঠং
আলন ৰি লাঙং
পচন ৰি লাঙং

অৰ্থ ঃ

'হে চালজা ৰজাৰ জীয়েক বিজুলী কুঁৱৰী তোমাৰ গুৰিত কাটি আগটো পৰিষ্কাৰ কৰিম, তোমাক সোণ-ৰূপৰ কান্ধত আলপৈচান ধৰি লৈ যাম...।'

এইদৰে নানা গীত-মাতৰ মাজেৰে বিজুলী কুঁৱৰীক ভাৰ বৈ আনি দেওশাল পোৱাইহি। দেওশালত বিজুলী কুঁৱৰীক আলফুলকৈ থয়। থৈ দেওবাৰৰ দিনা জিৰণি লয়। সোমবাৰৰ দিনা ৰাতি নৌপুৱাওঁতেই বিজুলী কুঁৱৰীক আনি ডেকাবিলাকে ডেকাচাং পোৱাইহি। ডেকাচাঙত বিজুলী কুঁৱৰীক ডেকাসকলে ধুনীয়াকৈ চুঁচি-মাজি প্ৰতি পাবৰ পৰা চোঁচ ওলোটাই চুলিৰ দৰে মেলাই দি প্ৰতি পাব বাঁহ বিচিত্ৰ ৰঙেৰে সজাই তোলে। এই সময়ত বিজুলী কুঁৱৰীৰ চুলি লুটিয়াই লুটিয়াই কোনোবা এজন ডেকাই গায়—

লাৰি জাৱাগ লাৰি হনং আং
চুৱা জাৱাগ চুৱা হনং আং
বাবা বিজিলী ৰাউনে চাজমুনা অই
বাবা চালজা ৰাজানে চাজ মুনা অই
নি থাব থাৰে ৰিং চাথাব থাৰে ৰিং অই
খুম দালায়ং আং
খুম জিল দালায়ং আং অই

অৰ্থ ঃ

'হে বিজুলী কুঁৱৰী তোমাৰ চুলি উলিয়াইছো, ফুল তুলিছো, দেখিবলৈ শুৱনি কৰিম; ফুলজালিৰে বিচিত্ৰ কৰিম...।'

এইদৰে গীত গাই গাই ফুল তোলে। তুলি বিজুলী কুঁৱৰীক ডেকাচাঙৰ চ'তিৰ ওপৰত তুলি থৈ দিয়ে। এইদৰে তুলি থৈ তেওঁলোকে উৎসৱত বজাবৰ কাৰণে মদৰ লাউ আৰু তামোল-পাণৰ বটা লৈ দেউৰীৰ ঘৰলৈ ঢোল, বাঁহী থোৰাং খুজিবলৈ যায়। গৈ দেউৰীৰ ঘৰৰ চোতালত মানুহ শাৰী পাতি বহে। দেউৰীৰ আগত ঢোল, বাঁহী, থোৰাং খুজি মদৰ লাউ, তামোল-পাণৰ বটা আগবঢ়াই দিয়ে। দেউৰীয়ে ৰাইজ কিয় আহিছে, কিয় মান বটা দিছে আদি প্ৰশ্ন সোধে। তেতিয়া ঢোল, বাঁহী, থোৰাং বিচাৰি যোৱা ৰাইজৰ মুখিয়াল এজনে দেউৰীক লক্ষ্য কৰি গীতৰ ভাষাৰেই কয়, —

শ কুবাই যিদ্দং অবা চালৰ

হাজাৰ কুবাই ফিদং অবা চা দেউৰী
নেনি চা লোক নে চা প্ৰজা
নিয়ম খজই ফিদং
ৰকম খজই ফিদং
এবে নিয়মগ ৰমগাই শনি জানা দেই
এবে ৰখম ৰম গাই আপদ জানা দেই
লাজ ছানা দেই, চৰম চানা দেই— নু

অৰ্থ ঃ

'শ-হাজাৰ লৈ দেউৰীৰ ওপৰত পূৰ্বৰ নিয়ম, পূৰ্বৰ দৰে ভাবি আমি প্ৰজাবিলাকে ঢোল, বাঁহী, থোৰাং খুজিবলৈ আহিছো। আমি যদি এইবোৰ নীতি-নিয়ম পালন কৰো, আমাৰ কোনো হানি-বিঘিনি নহ'ব...।'

এইবোৰ কথা শুনি দেউৰী আৰু ল'ৰই বস্তুবোৰ ভালদৰে ব্যৱহাৰ কৰি হানি-বিঘিনি একো নোহোৱাকৈ আনিবলৈ কৈ বস্তুবোৰ উলিয়াই দিয়ে। বস্তুবোৰ কান্ধত আৰু হাতত লৈ বজাওঁতা-নাচোতা সকলোৱে কৃতকাৰ্যতাৰে উৎসৱটো সমাপন কৰাৰ আশাৰে আঁঠুকাঢ়ি ঈশ্বৰৰ আশীৰ্বাদ বিচাৰি প্ৰাৰ্থনা কৰি গায়—

খালে নিয়ম দেই অবা চাৰি ভাই
ফুৰ্বে নিয়ম দেই অবা মহামায়া
এ থাব নীতি-নিয়ম ৰমগাই নাল আগদিঙা
এ থাব নীতি ৰমগাই না বুৰল ফাছদিঙা
আগেগিৰিহঙে নাল আগুৰে থা
আগেগিৰিহঙে নাল চামৰে থা
অ মাথিনে গিৰি অ চঙে গিৰি অই

অৰ্থ ঃ

'প্ৰভু চাৰিভাই মহামায়া, আগৰ নিয়মমতে আমাৰ লগত আপোনালোকে থাকিব লাগে। আগে হৈ, পিছে আপোনালোকে আমাক আগুৰি সাৰ্মৰি ৰাখি উৎসৱটো ভালদৰে সমাধা কৰাব লাগে।'

এইদৰে দেৱতালৈ কৰা স্তুতি শেষ হ'লে ৰাইজৰ পৰাও তেওঁলোকে উৎসৱটো ভালদৰে সম্পন্ন কৰি লৈ যাবলৈ আশীৰ্বাদ বিচাৰি আঁঠু লৈ গায়—

মাথি গিৰিনে নিয়ম ৰমগাই অই আই
দবলে গিৰিণে নিথি ৰমগাই অ মা
লাজ তা হং থং মানে বৰল,
চৰম তা হং থং ফানে বৰল
জনাই মখাংমা নাম জলেনা অই
ফন্দ্ৰা মখাং মা দাগ জনেনা অই
অ' মা গুৰু অ' ফা গুৰু অই ।।

অৰ্থ ঃ

'অ' আই, অ' পিতাই, দেৱতাৰ নিয়ম কৰোতে আমি যাতে লাজ- চৰমত নপৰো। জোন-বেলি-তৰাৰ নিচিনাকৈ যাতে আমাৰ মুখবোৰ উজ্জ্বল হৈ থাকে, তোমালোক পিতা-মাতাৰ বৰত। ইয়াকে আশীৰ্বাদ দিবা।'

এইদৰে সকলোকে স্তুতি কৰি ঢোল-বাঁহী-থোৰাং লৈ সমূহ ৰাইজৰ লগতে ডেকাবিলাক চাংদলৈ, চাংমাজিৰ লগত ডেকাচাং পায়হি। ডেকাচাংত সোমায়েই আকৌ বিপদ-বিঘিনি নাশকাৰী প্ৰভু চাৰিভাই, ওঠৰগুণ দেউ, বাৰগুণ দেউ, মাটিৰ দেৱতা মহামাই ৰণচণ্ডীদেৱীক বিপদ-বিঘিনি আঁতৰাই দিবৰ কাৰণে তুতি কৰি তেওঁলোকৰ মাজৰে এজনে গায়—

কজা মায়া ফিয়াগ ওঠৰ চিগাই লাং
খজম মায়া ফিৰাগ দেখন চিগাই লাং
অবা মাথিনে গিৰি অবা বাৰগন দেউ
অবা চাৰিভাই অবা আঠাৰগন দেউ
দেশ তাৰাখাই ৰাজ তাৰা খাই
মাথিও তাৰা খা দবল তাৰা খাই
অ' মহামাই অ' ৰণচণ্ডী দেই

অৰ্থ ঃ

'ইয়াত যিবিলাক প্ৰেত-প্ৰেতাত্মাই হানি-বিঘিনি কৰিবলৈ আহে, সেইবিলাক সকলোকে দূৰ কৰি দিব; অ' প্ৰভু চাৰিজন ভাই, ওঠৰগুণ দেউ, বাৰগুণ দেৱতা, মাটিৰ দেৱতা আৰু মহামায়া ৰণচণ্ডীদেৱী।' এইদৰে সকলোকে তুতি-নাতি কৰি ঢুলীয়াই ঢোলত চাপৰ দিয়ে, বাঁহী আৰু থোৰাং বজাওঁতাই বাঁহী আৰু থোৰাংত সুৰ তোলে। সেই সুৰত ডেকাচাং ৰজনজনাই উঠে। এইদৰে গোটেই ৰাতি প্ৰণামমূলক, স্তুতিমূলক নৃত্য-গীত-মাতেৰে ডেকাবিলাকে ডেকাচাংতেই কটাই দিয়ে। পাছদিনা পুৱা মালবাৰি লৈ ভূত-প্ৰেত খেদি মালবাৰি পেলাইগৈ। মালবাৰি পেলাই আহি ডেকাবিলাকে বিভিন্ন ৰঙৰ ১২-১৩খন কাপোৰ গাত আঁৰি লাংখুনবোৰ হাতে হাতে লৈ নাচিবলৈ সাজু হয়। বুঢ়াবিলাকে পূজা কৰিবলৈ যায়। এইবোৰ গীতত আগনিশা গোবাৰ দৰে ডেকা-গাভৰুৰ প্ৰণয়-কাহিনীবিলাক বৰ্ণিত হয়। এইবোৰ গীত কোনোবা এজন ডেকাই কোনোবা এজনী গাভৰুক উদ্দেশ্য কৰি গায়—

নগাঁও জিলানে থাৱ লাই আলৰি হালং
গৌহাটী জিলানে খুমলাই পচনৰি হালং
পাখা ৰলোকে চাজমুনা অই
পাখা বৰ মানুষনে তিজমুনা অই
এব আলনগ মানা তালাগাই
এবে পচনগ ফানা তালা গাই
থাবন তৰণ বে দেই
মাংথা তৰম বে দেই নাগ—

অৰ্থ ঃ

'নগাঁও জিলাৰ তেল, ফুল লৈ গৌহাটী জিলাৰ ফুল লৈ তোমাৰ আলপৈচান ধৰিম; তুমি ডাঙৰ মানুহৰ জীয়াৰী ; তুমি বৰ মানুহৰ জীয়াৰী, এই আলপৈচান ধৰাৰ কথাটি মাৰা-বাপেৰাৰ আগত লগাই নিদিবা। ক'ৰবাত সিহঁতে মাৰিব পাৰে।'

এনেবোৰ গীতত প্ৰেম-প্ৰীতিৰ গভীৰতা, শংকা আদি মন কৰিবলগীয়া। তাৰ পাছত আন এজনেও গাভৰুক লক্ষ্য কৰি গীত জোৰে এনেকৈয়ে—

মাগুৰুনে আংছিল লাইনা
আছি গুৰুনে আংবাল লাইনা
মইহা খ্লপ মা চামাই ফিদনা
দামলং খ্লপ মা উৰাই ফিদনা
খাইনে চনাগ' কদ পৰাই লাপতনা
মামাইনে বানাগ' আও পৰাই লাপতনা
হৰণ ৰি তালি ভঙন ৰি তালি দেই।

অৰ্থ ঃ

'ইমানবোৰ কাপোৰ-কানি পিন্ধি আহিছা কিজানি মাৰাৰ পৰাহে আনিছা, কিজানি মাহী-পেহীৰ পৰাহে আনিছা আৰু ডিঙিত, হাতত পিন্ধি অহাবোৰ ককায়েৰাইহে দিছে; কিজানি মোমায়েৰাইহে দিছে। এইবোৰ হৰণ-ভগন নকৰিবা দেই।'

এইদৰে গীত-মাতৰ মাজেৰে লাংখুন পূজা শেষ কৰি লাংখুনবিলাক মালবাৰি পেলোৱা ঠাইত পেলাই বিসৰ্জনী গীত জোৰে—

এবে দেশে ফাৰা শুনি চিকাই লাং
এবে ৰাজে ফাৰা বিগিনি চিকাই লাং
তাৰে ফাৰাত তিলেৰাও নাহায় লিব
খমাতে ফাৰাত চাগৰ নাহায় লিব
আফত চিকাই লাং ৰিফত বুজাই লাং
খালগ চিগাই লাং খুলিকগ চিকাই লাং
অ' মা বিজিলী কুঁৱৰী
অ' মা ছালজা মাহাদী অই—

অৰ্থ ঃ

'এই দেশৰ পৰা শনি-বিঘিনি সকলো খেদি নিবি। আজিৰ পৰা লুইতত ডুব যাবি, সাগৰত ডুব যাবি। অ' বিজুলী কুঁৱৰী ছালজাৰ মহাদৈ। আমাৰ বিপদ-বিঘিনি সকলো খেদি নিবি।'

এইদৰে লাংখুনক বিসৰ্জন দি সকলোৱে আহিও প্ৰায় বৃহস্পতিবাৰৰ দিনা ৰাতিপুৱালৈকে ঘৰে ঘৰে নাচ, গীত-মাত কৰি দেউৰীক ঢোল, বাঁহী, থোৰাং চমজি দি এই পূজা গীত-মাতৰ সামৰণি পেলায়হে সকলোৱে ঘৰাঘৰি বিদায় লৈ এই পূজাৰ সামৰণি মাৰে।

দেউৰী-চুতীয়া পূজা উৎসৱৰ বৈশিষ্ট্য

ডম্বৰুধৰ দেউৰী

অসমৰ জনজাতিসকলৰ ভিতৰত দেউৰীসকলো অন্যতম জনজাতিৰূপে পৰিচিত। অসমৰ বিভিন্ন জনজাতি জনগোষ্ঠীৰ দৰেই তেওঁলোকৰো স্বকীয় ধৰ্মবিশ্বাস, সমাজ-ব্যৱস্থা, ভাষা-সংস্কৃতি, চিন্তাধাৰা প্ৰভৃতি আছে। এই বৈশিষ্ট্যবোৰ পৰস্পৰে নজনাৰ বাবে আমাৰ ভিতৰতে কেতিয়াবা আউল লাগে। এইবোৰ জনাজনি হ'লে আমাৰ মাজৰ বিভেদকামী মনোভাব আঁতৰিব। সম্প্ৰীতি আৰু শ্ৰদ্ধা জন্মিব। সংহতিও ৰক্ষা পৰিব। এই দেউৰীসকলৰ ধৰ্মৰ ধাৰা, পূজা-পাতল, ৰীতি-নীতি আদিৰ বিষয়ে থূলমূল আলোচনা ইয়াত আগবঢ়োৱা হৈছে।

আৰ্যসকলৰ দৰে ব্ৰাহ্মণৰ নিচিনাকৈ চুতীয়া ৰজাসকলৰো ৰাজপুৰোহিত আছিল, যাক 'দেউৰী' বোলা হৈছিল। পুৰাতাত্ত্বিক ৰাজমোহন নাথদেৱে দেউৰী শব্দৰ উৎপত্তিৰ বিষয়ে এইদৰে লিখিছে—'প্ৰাচীন যুগৰ ভূমধ্য সাগৰ, মধ্য এছিয়া আৰু বিশ্বৰ ৰজা আছিল দেৱতা, তেওঁ ইহলোক আৰু পৰলোকৰ গৰাকী; তেওঁৰ সহায়কাৰীৰূপে পুৰোহিত বা পূজাৰী সম্প্ৰদায় আছিল। তেওঁলোকো আছিল দৈৱ্যশক্তি অৰ্জন কৰিব পৰা সম্প্ৰদায়। এনে সম্প্ৰদায়ক পিছৰ যুগত দেৱৰী বা দেউৰী কোৱা হৈছিল। ঋগ্বেদত এওঁলোকক নাম দিয়া হৈছিল 'ব্ৰহ্মা' অৰ্থাৎ ব্ৰহ্মাৰ শক্তিসম্পন্ন মানুহ। বৈদিক যজ্ঞত ঋত্বিক, হোতা, পুৰোহিতসকলে যজ্ঞৰ সকলো আনুষ্ঠানিক কৰ্ম কৰে; কিন্তু দৈব্য পুৰুষ বা দেৱীৰ ব্ৰহ্মা যজ্ঞকাৰ্যৰ মংগল বিধাতাৰূপে যজ্ঞৰ খুঁটি বা গুৰিয়াল হৈ ওচৰত বহি থাকে। চুতীয়া জাতিৰ দেউৰীসকল প্ৰাক্‌বৈদিক যুগৰ ব্ৰহ্মা বা দৈৱ শক্তিসম্পন্ন পুৰুষ সম্প্ৰদায়ৰ।* দেউৰীসকলৰ মাজত দেৱতা পূজাৰো কিছুমান সাংকেতিক শব্দ পূৰ্ণ মন্ত্ৰ আছে। ইয়াৰ অৰ্থ আজিকালি একপ্ৰকাৰ অবোধ্য। আৰু দেশৰ আৰু জাতিৰ দুৰ্কপাল হেতু অবহেলাৰ বস্তু হৈ পৰিছে। কিন্তু গভীৰভাৱে খঁহিয়াই চালে

এইবোৰৰ মাজত বেদ আৰু তন্ত্ৰৰ অনেক সঁচ বিচাৰি পোৱা যাব—বেবিলন, মিচৰ, ভূমধ্য সাগৰীয় কৃষ্টিৰ নিদৰ্শনো পোৱা যাব।'[১]

দেউৰীবিলাকৰ উপাস্য দেৱতা কুণ্ডি-মা-মা। আদি পুৰুষ-প্ৰকৃতি স্বৰূপিনী। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ পূৰ্ণ ব্যঞ্জনাৰ প্ৰতীক। পাৰমাৰ্থিক দৃষ্টিত দুয়ো একে। সৰ্ব্বভূতে অৱস্থিতা পূৰ্ণব্ৰহ্মৰূপী। পুৰুষ-প্ৰকৃতি শক্তিক একেজন পৰমেশ্বৰ বুলি বিশ্বাস কৰি অহা হৈছে। এই মহাশক্তিৰ প্ৰতীকৰূপে কুণ্ডি-মা-মা জগতৰ উৎপত্তিৰ আদি কাৰণ বুলি গিৰা-গিৰাচি বা বুঢ়া-বুঢ়ীৰূপে ধাৰণা কৰি আহিছে। তেওঁবিলাকৰ ধৰ্মৰ দৰ্শন মতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি শক্তিৰ পুৰুষ ৰূপৰ নাম হ'ল 'কুণ্ডি' আৰু প্ৰকৃতিৰ নাম হ'ল 'মা-মা'। হিন্দুৰ মতে 'শিৱ' আৰু 'মহামায়া' আৰু 'সতী'ৰূপে পুৰাণপ্ৰসিদ্ধ। এই জাগতিক মহাশক্তিক উপাসনা কৰোতাসকলেই দেউৰী। এইসকল সেৱকীয়ে আগৰে পৰা আজিলৈকে দেউৰী সম্প্ৰদায়ৰ।

কালক্ৰমত শক্তি পূজাক প্ৰধানকৈ দুই ভাগত পূজা কৰা হ'ল—পুত্ৰ আৰু কন্যা ভাবত। পুত্ৰভাবৰ উপাসনাই পিতৃভাবৰ উপাসনা। তাৰেই অন্যৰূপ হ'ল পিশ্বাডেমা (বৰপুত্ৰ) বা বলিয়াবাবা। কন্যাভাবৰ উপাসনাই মাতৃভাবৰ উপাসনা। তাৰেই অন্যৰূপ হ'ল পিশ্বাছিডেমা (বৰজীয়েক) বা তাম্ৰেশ্বৰী বা কেঁচাইখাতী মাতৃ। প্ৰত্যেক শক্তিৰ সৈতে তেওঁৰ বিকাশ স্বৰূপ শক্তিৰূপা আৰু জ্ঞানৰূপাক পূজা কৰা হয়। আধ্যাত্মিকভাৱে এই শক্তিৰূপা হৈছে জগতৰ ধন-ঐশ্বৰ্যৰ প্ৰতীক লক্ষ্মীদেৱী আৰু জ্ঞানৰূপা হৈছে সকলো বিদ্যা আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী স্বৰূপিনী।

পুৰণি অসমৰ চুতীয়া নৃপতিসকলে এই ধাৰণা লৈ শক্তি পূজা চলাইছিল। কাৰণ এখন দেশ অকল শৌৰ্য-বীৰ্যৰে শক্তিশালী হ'লেই সৰ্বতোপ্ৰকাৰ উন্নত হ'ব নোৱাৰে। ধন- ঐশ্বৰ্যৰে সম্পদশালীও হ'ব লাগিব। সম্পদে দেশৰ শান্তি আৰু সমৃদ্ধি বঢ়ায়। অতুল ঐশ্বৰ্যবৈভৱেৰে পৰিপূৰ্ণ হ'লেও নহ'ব, এই সম্পদ ৰক্ষা কৰিবলৈ জ্ঞান আৰু সদাচাৰেৰেও পূৰ্ণ হোৱা উচিত। সেয়ে হ'বলৈ হ'লে অজ্ঞান আন্ধাৰ দূৰ হ'ব লাগিব। এই উদ্দেশ্যে জ্ঞানশক্তিৰ আৰাধনাও আৱশ্যক। শক্তি সাধনাত শৌৰ্য-বীৰ্য, ঐশ্বৰ্য আৰু জ্ঞান—এই শক্তিত্ৰয় অপৰিহাৰ্য। ৰজাসকলেহে এই যোগ্যতা অৰ্জন কৰি বিজয়ী হৈ শক্তিমান হ'ব পাৰিছিল। এই ধাৰণা নিজা। তাৰেই অনুকৰণত এই স্বতন্ত্ৰতা প্ৰথাটো চুতীয়াৰ পুৰোহিত, দেউৰী, পূজাৰীসকলে আজিও ৰক্ষা কৰি আছে। শক্তিপূজা মূলতে উচ্চ দৰ্শন আৰু নীতিৰ ওপৰত প্ৰতিষ্ঠিত। দেউৰী চুতীয়াৰ শক্তিপূজা ইতিহাসৰ এক অপূৰ্ব নিদৰ্শন। এই উদাহৰণ আনত বিৰল।

শক্তিপূজা কৰিলে ৰাজ্যভোগ, যুদ্ধজয়, দীৰ্ঘায়ু, সুস্থ দেহ, ধন-জন, পুত্ৰ, জ্ঞান লাভ হয় বুলি শাস্ত্ৰই কৈছে। ব্যাধি, অপমৃত্যু ভয়, পুত্ৰনাশ, ধনক্ষয় আদি সৰ্বতোপ্ৰকাৰ দুৰ্গতিৰ পৰা ৰক্ষা পায় বুলি চিৰবিশ্বাস। শক্তিপূজাৰ চৰম লক্ষ্য—ইহলোকৰ সুখ-শান্তি আৰু পৰলোকৰ মুক্তি। সকলো ধৰ্মবিশ্বাসৰ মূলতে একোটা সত্য নিহিত আছে।

১। সদৌ অসম চুতীয়া সন্মিলনৰ অষ্টাদশ অধিৱেশন সোণালী জয়ন্তী বছৰৰ 'স্মৃতিগ্ৰন্থ' ১৯৭৪-পৃঃ ১২

* ঋগ্বেদত আৰ্যসকলৰ ভিতৰত যি বেদ ভালকৈ জানিছিল তেওঁক ব্ৰহ্ম বা ঋতিক বোলা হৈছিল। ব্ৰহ্মাসকলৰ ভিতৰত যি সমস্ত বেদ ভালকৈ জানিছিল তেওঁক ব্ৰহ্মৰ্ষি বোলা হৈছিল। যিজন প্ৰধান ব্ৰহ্মৰ্ষিৰ তত্বাবধানত ঋষিসকলে যজ্ঞ কৰিছিল তেওঁক ঋগ্বেদত ব্ৰহ্মা বা ব্ৰহ্মাদেব বোলা হৈছিল। এওঁলোকক পাছত দেৱ-ৰী বা দেউৰী বোলা হৈছিল।—লেখক।

কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰৰ মতে নীলাচলবাসিনী কামাখ্যাৰ অন্যতম ৰূপ হ'ল শদিয়াৰ কেঁচাইখাতী আৰু ত্ৰিপুৰাৰ ত্ৰিপুৰেশ্বৰী। দেউৰী লোকৰ মতেও কেঁচাইখাতী আৰু কামাখ্যা গোসাঁনী অভিন্ন। তাম্ৰেশ্বৰী মাতৃ পূজাৰ লগত কামাখ্যাদেৱী পূজাৰ যথাযথ মিল দেখা যায়। উক্ত দুয়োখন শাস্ত্ৰত শদিয়াৰ কেঁচাইখাতী দেৱী দিক্কৰবাসিনী বুলি উল্লেখ কৰিছে। কিন্তু তাম্ৰেশ্বৰীৰ নাম উল্লেখ নাই। প্ৰাচীন কামৰূপৰ সকলো জাতিৰ মাজত শক্তিপূজা প্ৰচলিত আছিল। এতিয়াও সকলো সম্প্ৰদায়ৰ মাজত দুৰ্গোৎসৱ নহ'লেও একপ্ৰকাৰ দেৱীপূজাৰ প্ৰচলন আছে। কছাৰী আৰু আহোম ৰাজত্বৰ দিনতো তেওঁবিলাকেই কেঁচাইখাতী মাতৃক পূজা কৰিছিল।

শক্তিপূজাৰ ভাগ তিনিটা। প্ৰত্যেক ভাগক প্ৰসংগ বোলে। প্ৰসংগভেদে পূজাও তিনি প্ৰকাৰৰ। যেনে—সাত্ত্বিকী, ৰাজসিকী আৰু তামসিকী। নিৰামিষ নৈবেদ্য—ফল-মূল, কল, মাহ-প্ৰসাদ, তামোল-পাণ, ধূপ-দীপ, শলিতা-বন্তি জ্বলাই ৰক্তচন্দন, কিমাৰু বা তংলতী আদিৰে দেৱ-দেৱীৰ স্তোত্ৰ পাঠ কৰি কৰা পূজাক সাত্ত্বিকী পূজা বোলে। বলি-বিধান, আমিষ নৈবেদ্য আদিৰে কৰা পূজাক ৰাজসিকী পূজা বোলে। সিদ্ধ উপকৰণ দি পূজা কৰা পূজাক তামসিকী পূজা বোলে। এই কেওপ্ৰকাৰ পূজা প্ৰচলিত আছে। দেৱ-দেৱী পূজাত তুলসী আৰু সেন্দূৰ ব্যৱহাৰ নকৰে। তুলসীৰ পৰিবৰ্তে কিমাৰু বা তংলতী আৰু সেন্দূৰৰ পৰিবৰ্তে ৰক্তচন্দন ব্যৱহাৰ কৰে। ফুলৰ হৈ সোণ, ৰূপ আৰু তামৰ ফুল ব্যৱহাৰ কৰে। সোণ, ৰূপ আৰু তামৰ কাঁহীৰ ব্যৱহাৰ আছে যদিও কল, তৰা বা কৌপাতৰ ব্যৱহাৰ অন্যতম অংগ। পাত পৰাৰ বিশেষত্বৰ লগতহে পূজাৰ আচল সম্বন্ধ নিহিত হৈ থাকে। সকলো মাংগলিক কাৰ্য-সাধনত পাতৰ ব্যৱহাৰ বা প্ৰচলন বিশেষৰূপে লক্ষণীয়। দেৱ-দেৱীৰ জাগৰণ, আহ্বান, সমাপন আদি কেওটা প্ৰসংগ পূজাত দেউৰী ভাষাতহে কৰে। এই প্ৰসংগ পূজাত শংখ, ঘণ্টাদিৰ ধ্বনি কৰা হয়। ব'হাগ বিহু, পূজা-উৎসৱতহে বাদ্যাদি প্ৰয়োগ কৰা হয়। শক্তিপূজাৰ বিধি অনুসৰি বলি-বিধান প্ৰচলিত আছে। এক ৰঙৰ পঠা ছাগলীহে বলিৰূপে গণ্য কৰা হয়। দেউৰী পূজাৰীয়ে নিজহাতে বলিদান কৰে। শান্তিয়নী দিয়ে। ভেটুৱা প্ৰাৰ্থীয়ে নিজৰ নিজৰ অভিপ্ৰায় পূজাৰীক জনালেই সেইমতে দেৱ-দেৱীক সিবিলাকৰ মনোবাঞ্ছা জ্ঞাপন কৰা হয়।

দেৱালয়ত পূজাৰ দিন পৰিলে দেৱালয়ৰ বিষয়ববীয়াসকলো পূজাৰ আগদিনা গধূলিৰ পৰা পিছদিনা পূজা শেষ নোহোৱালৈকে কায়কষ্টে ব্ৰতে থাকে। তেওঁলোকৰ মতে আত্মা তৃপ্তিৰ পৰা বিৰত থাকিব নোৱাৰিলে অনাহাৰ বা লঘোণে থকাটো অসাৰ্থক। তেওঁলোকে ফলাহাৰ বা লঘু আহাৰ কৰাটো দোষণীয় বুলি নধৰে, কিন্তু লুণীয়া বস্তু খোৱাটো দোষণীয় বুলি ভাবে। পূজাৰ দিনা সকলোৱে পুৱাতে স্নান কৰে। পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ শুদ্ধ বগা সামৰণ কাপোৰ-কানি পিন্ধে। বগা চেলেং গাত লয়। চোলা নিপিন্ধে। শুচি-সংযম হৈ পবিত্ৰভাৱে নিজৰ নিজৰ ঘৰৰ পৰা দেৱালয়লৈ যাত্ৰা কৰে। প্ৰধান প্ৰধান পূজা-উৎসৱৰ উপলক্ষে পূজাৰীসকলো আৰাধ্য দেৱ-দেৱী পূজাৰ আগতে কুবেৰ কালিকা সুৱচনী পূজা প্ৰসংগ কৰে। এই পূজাৰ কাৰণে ঘৰ শুচি কৰা 'খিন' পেলাব লাগে। পূজাৰীসকলৰ বংশৰ কোনোবাজনৰ ঘৰত অশৌচ হ'লে গোটেই বংশৰ লোকক অশৌচীয়া বুলি ধৰা হয়। গতিকে অশৌচীয়া বংশৰ কোনেও সেইবাৰলৈ পূজা-সেৱাত অংশগ্ৰহণ কৰিব নোৱাৰে। পূজাৰীসকল দেৱালয়ত উপস্থিত হোৱাৰ লগে লগে চিৰাচৰিত প্ৰথা মতে তামৰ পাত্ৰত কৰা মন্ত্ৰপূত শান্তিয়নীৰে সকলো শুচি হৈ লয়। তাৰ পাছতহে মণিকূটৰ দুৱাৰ খোলা হয় আৰু পূজাৰ ভিতৰৰা কাম আৰম্ভ কৰা

হয়। তেওঁলোকৰ বাহিৰেও প্ৰত্যেক গৃহস্থৰ মুখ্য লোকসকলেও এই নৈতিক নিয়মবোৰ নিষ্ঠাৰে পালন কৰে। সেইদিনা পূজা-সেৱাৰ সঁজুলিবোৰ উলিয়াই পৰিষ্কাৰ কৰা হয়।

তেওঁবিলাক য'তেই গাঁও পাতি বাস কৰে, তাতেই উপাস্য দেৱ-দেৱীৰ একোখন দেৱালয় বা দেওশাল নাইবা থানঘৰ নিৰ্মাণ কৰি লয়। ইয়েই হ'ল তেওঁবিলাকৰ জাতীয় জীৱনৰ প্ৰাণস্বৰূপ কেন্দ্ৰস্থল। কাৰণ তাত গঞা ৰাইজৰ সৰ্বতোপ্ৰকাৰ মংগলৰ বাবে পূজা-অৰ্চনা কৰা হয়। জোনৰ লেখ মতে পূজা পতা হয়। ন-জোন নেদেখাকৈ পূজা নাপাতে। শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে প্ৰতিখেলৰ প্ৰত্যেক গাঁৱৰ দেৱালয়সমূহত পূজা পতা নিয়ম হৈ আহিছে। গতিকে এই পূজাক মাহেকীয়া পূজা বোলে। আহাৰ মাহত অম্বুবাচী বা ষাঠৰ চুৱা আৰু পুহ মাহত পুহচুৱা বুলি দুটা অশৌচ নিবৃত্তিকৰণৰ পূজা পতা নিয়ম অনাদি কালৰ পৰা হৈ আহিছে। এই পূজাবোৰ একেদিনাই শেষ কৰা হয়। অম্বুবাচী অশৌচৰ সময়ত গৰুৰ এঁৰা গাখীৰ খাই গোটেই বছৰটোলৈকে সৰ্পভয় দূৰ কৰাৰ নিয়ম আছে। পুহচুৱাত পানীকচু, শাকৰ জ্বাল খোৱা হয়। এই মাহত মাংগলিক কাৰ্য কৰা নহয়। পূজাৰীয়ে পূৰ্বাপৰ চলি অহা নীতি-নিয়ম প্ৰক্ৰিয়াৰে নিবৃত্তি নিৰাকৰণ সমাপন কৰে। তিৰোতাসকলে ধলপুৱাতে ঘৰ-দুৱাৰ অত্‌পিত (লিপা-পুচা) কৰে। চৰু-হাড়ী পোৰে। কাপোৰ-কানি তিয়ায়। গা-মূৰ ধোৱে।

শাওণ মাহত ন-ধানৰ পূজা বুলি এটা ডাঙৰ পূজা পতা হয়। ইয়াক লক্ষ্মীপূজা বুলিও কোৱা হয়। তেওঁবিলাকৰ মতে আহুধানৰ খেতি প্ৰথম আৰু আচল খেতি। অতীজৰ পৰাই সিবিলাকৰ মাজত এই খেতি প্ৰচলন হৈ আহিছে। তাৰ প্ৰমাণ পোৱা যায়। শদিয়া ৰাজ্যই এই খেতিৰ আদি ঠাই। সবাতোকৈ আগেয়ে হোৱা বুলিয়েই ন-ধান আৰু সেইবাবে হোৱা পূজাক ন-ধানৰ পূজা বুলি কোৱা হয়। এই পূজা হৈ নোযোৱালৈকে কোনেও ন-ধান ব্যৱহাৰ নকৰে। অগত্যা কৰিব লগা হ'লে এভাগ আৰাধ্য দেৱ-দেৱীলৈ আছুতীয়াকৈ আগবঢ়াই থয়। তদুপৰি জ্ঞাতি-গুৰু, বুঢ়া-মেথাসকলক চপাই নৱান্ন ভোজন কৰোৱা হয়। তাৰ পাছতহে ন-ধান ব্যৱহাৰত লগায়। ধান সিঁচা বা চপোৱাৰ আগত উৎসৱ পতাৰ কোনো নিয়ম নাই। ইয়াৰ উপৰি মাঘ মাহত মাঘ বিহু পূজা-উৎসৱ আৰু ব'হাগত ব'হাগ বিহু পূজা-উৎসৱ বুলি দুটা বছৰেকীয়া পূজা পতা হয়।

মাঘ মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে মাঘ বিহু পূজা পতা হয়। পূজাৰ দিনা সকলোলৈকে দেৱালয় খোলা থাকে। গঞা ৰাইজে হাল-কোৰ, কাম-বন খতি কৰি পূজাত যোগ দিয়ে। পূজা উপলক্ষে উৰুকাৰ দিনা গধূলি প্ৰতি গৃহস্থই ঘৰ শুচি কৰিবলৈ 'খিন্' পেলায়। পিছদিনা পুৱাতে সুৱচনী পূজা পাতে। অশৌচ-চুৱা আদি মানি চলে। তিৰোতাবিলাকে পুৱাতে ঘৰ-দুৱাৰ চাফা কৰি চৰু-হাড়ী পোৰে। কাপোৰ-কানি তিয়ায়। গা-মূৰ ধোৱে। পাইকসকল য'তেই থাওক লাগে, দেৱালয়ৰ পৰা দিয়া পূজাৰ প্ৰসাদ পায় আৰু পচকী শোধায়। সাদিনৰ পাছত দেৱ-দেৱীক পাটত তোলা হয়। সেইদিনাও ৰীতি-নীতি মতে পূজা হয়। ডেকাহঁতে গাঁৱৰ ভিতৰতে নাচি-বাগি বিহু পাতে। দেৱালয়ত পতাৰ নিয়ম নাই।

থান পূজাৰ উপৰি নিজা মতে উৰুকাৰ দিনা গঞা ৰাইজ মিলি মেজি সাজে। গধূলিলৈ আটাইবিলাক পুৰুষ মিলি-জুলি তাত ভোজ-ভাত খোৱাৰ দিহা কৰে। কাউৰীয়ে নেদেখাকৈ মেজি সজা হয় আৰু কা-নৌ কৰোঁতেই মেজিত জুই জ্বলোৱা নিয়ম। ডেকা এজনে গা ধুই শৰাই এখন

দি ৰাইজৰ হে তাত সেৱা কৰে। ৰাইজে বিশ্বনিয়ন্তাক প্ৰাৰ্থনা জনাই হৰিধ্বনি দিয়ে। তাৰ পাছত তেওঁ মেজি জ্বলাই দিয়ে। তামোল-পাণ, তিল, মাহ, তাম আদি মেজিৰ জুইত অৰ্পণ কৰা হয়। মেজি পুৰাই সকলো ঘৰাঘৰি গুচি আহে। সেইদিনা পুৱা গা নুধুলে কাউৰী আৰু মাহ-কৰাই, কাঠ আলু নাখালে গাহৰি জনম পায় বুলি প্ৰবাদ আছে। বিহুৰ দিনা আগবেলা কোনেও ভাত নাখায়। জা-জলপান খাই থাকে। এই বিহুত খোৱা-বোৱা আৰু আনন্দ দুয়োটা সমানে উপভোগ কৰা হয়।

মেজিলৈ যোৱাৰ আগতে বাৰীৰ গুটি লগা গছ-গছনিবোৰ আহুধানৰ খেৰেৰে মেৰিয়াই বন্ধা ৰীতি আছে। তেনে কৰিলে বছৰটোলৈকে ধুমুহা বতাহ আদিৰ পৰা ৰক্ষা কৰা আৰু গুটি লাগি থাকে বুলি বিশ্বাস কৰা হয়। মেজি পোৰাৰ পৰা ঘূৰি আহি চেমনীয়াইতে আহুধানৰ খেৰ পুৰি ছাই কৰে। তাৰ লগত সৰিয়হ তেল মিহলাই ভস্ম কৰা হয়। তাৰে গোহালিৰ গৰু-গাই আৰু খুঁটিৰ ম'হবোৰক ফোঁট দিয়ে আৰু নিজেও লয়। এই প্ৰথাক তেলিছাই বোলে। ইয়াৰ দ্বাৰা গৰখীয়া আৰু গৰু-ম'হ উভয়ৰে মংগল আৰু হিংস্ৰ জন্তুৰ পৰা ৰক্ষা কৰা হয় বুলি তেওঁলোকৰ বিশ্বাস। প্ৰত্যেক গৃহস্থই সেইদিনা মৃতকসকলৰ নিমিত্তে পিণ্ডদান কৰে।

তেওঁবিলাকৰ মতে মঙলবাৰে উৰুকা-বুধবাৰে বিহু। বিহু পূজা-উৎসবটো ব'হাগ মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে প্ৰতিখেলৰ প্ৰত্যেক গাঁৱৰ দেৱালয়সমূহত বছৰি পতা হয়। তেওঁবিলাকৰ পক্ষে এই দিনটো পৰম পবিত্ৰ। পূজা দুদিন হয়। প্ৰথমটো বুধবাৰে আৰম্ভ হয় আৰু তাৰ পাছৰটো বুধবাৰে শেষ কৰা হয়। বিহু-উৎসৱ সাদিন হয়। এই পূজাৰ লগত বিহু-উৎসৱৰ অবিচ্ছেদ্য সম্বন্ধ। এটাক বাদ দি আনটো হ'ব নোৱাৰে। গতিকে দুয়োটাৰ আয়োজন, সমাৰোহ একেলগেই হয়। এই পূজা সাৰ্বজনীন। সকলো দেশবাসীৰ অপায়-অমংগল দূৰ কৰিবলৈ পূজা পতা হয়। গতিকে দেৱালয়ৰ দুৱাৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোলৈকে মুকলিকৈ থোৱা হয়। আজিকালি বিহু-উৎসৱ খেলবন্ধীয়া, স্বতন্ত্ৰীয়া। গাঁও আৰু দেৱালয়ত সমূহীয়াকৈ পালন কৰা হয়। ইয়াৰ নিৰ্দিষ্ট দিন আৰু সময়ৰ ভিতৰত দেওধনি উৎসৱ হয়। দেওধনিয়ে দেশবাসীৰ শুভা-শুভ, ভূত-ভৱিষ্যৎ আৰু বৰ্তমানৰ বাতৰি কয়। এই বাণী বৰ্তমান কালৰ পঞ্জিকাৰ আগন্তুক বৰ্ষফলৰ সম্ভাব্য আশাৰ দৰেই ফলপ্ৰদ আৰু বেদৰ বাণীৰ দৰে চিৰসত্য। জাতীয় প্ৰাণস্বৰূপ এই পূজা-উৎসৱটো তেওঁবিলাকে যেনে অবিচলিতভাৱে নিষ্ঠাৰে পালি আহিছে আন কোনো পূজা-উৎসৱ আৰু আনুষ্ঠানিক ক্ৰিয়াদি তেনেদৰে পালন কৰা দেখা নাযায়। সেইবোৰৰ প্ৰত্যেকৰে বেলেগ বেলেগ নীতি-নিয়ম আৰু অৰ্থ আছে।

বিহুলৈ সাদিনমান থাকোঁতেই জীয়াৰী-বোৱাৰীসকলে বিহুৰ কাপোৰ বৈ শেষ কৰে। কাৰণ নতুন বছৰ আৰম্ভৰ লগে লগে নতুন কাপোৰ পিন্ধাটো সকলোৰে নিয়ম। তিৰোতাবিলাকে পূজাত লগাবৰ কাৰণে আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে সৰিয়হ-তেল পেৰে। বিহুৰ চুজে আৰু জা-জলপান তৈয়াৰ কৰে। উৰুকাৰ দিনা গধূলি হোৱাৰ লগে লগে প্ৰত্যেক গৃহস্থই বছৰটোলৈ 'খিন্' পেলাই ঘৰ শুচি কৰে। ইয়াৰ বেলেগ নীতি-নিয়ম আৰু পূজা-মন্ত্ৰ আছে। এই কাৰ্য নকৰিলে সুবচনী পূজা পাতিব নোৱাৰে। এই পূজা নকৰিলে বিহু পূজা নহয়। বিহু পূজা নহ'লে বিহু-উৎসৱ হ'ব নোৱাৰে। ইটো সিটোৰ লগত সম্বন্ধ। ইয়াত অশৌচ-চুৱা আদিৰ বিচাৰ আছে। অশৌচীয়াই এইবোৰ কৰিব নোৱাৰে। চেমনীয়াসকলে গধূলি গা ধুই বাঁহৰ কাঠিৰে চাঁকি সাজে। লাউ, বেঙেনা, বৰথেকেৰা আৰু হালধি কুটি তাৰে গৰু-ম'হ গা-ধুৱাবলৈ চাঁকি সাজে। গৰু-গাইক পিন্ধাবলৈ তংলতীৰে মালা

গোঁঠে। গধূলি খোৱা-বোৱাৰ পাছত ডেকা-গাভৰুসকলে নিশা বিহু পাতি ৰাতি খপে। দিহিঙে-দিপাঙে থকা ঘৰ-ঘৰোৱাহ সকলোটি আহি গোট খায়হি।

তেওঁবিলাকৰ মতে বিহু-পূজা দিনৰ পৰা নতুন বছৰ আৰম্ভ হয়। দোকমোকালিতে গৰুক গা ধুওৱাৰ উদুলি-মুদুলি লাগে। মাহ-হালধিৰ ফোঁট দি তংলতীৰ মালা পিন্ধায়। দীঘলতি, ফুলাম মাখিয়তিৰে মাখি, মহ-ডাঁহ গুচাই ব'হাগৰ ন-বৰষুণৰ নৈ পানীত নোৱাবলৈ নিয়ে। সকলোৱে মিলি সমূহীয়াকৈ গৰুক গা ধুৱায়। গধূলি আনি সিহঁতক তৰাৰ লগুণ পিন্ধায়। মাটি মাহৰ আঞ্জাৰে ভজা পিঠা খুৱায়। গোহালিত ন-বিচনীৰে বা দি বিশেষ জাগ দি ধোঁৱা দিয়ে। গধূলিলৈ প্ৰতি গৃহস্থই পৰিয়াল স্বৰ্গগত লোকসকলৰ নামত পিণ্ডদান কৰে।

নতুন বছৰৰ ন-দিনৰ পৰ্বটোত সকলোৱে মাহ-হালধিৰে গা-পা ধুই নতুন কাপোৰ-কানি পিন্ধে। চুৰিয়া পিন্ধাতো চিৰপ্ৰচলিত প্ৰথা। গা ধুই আহিয়েই প্ৰত্যেক পুৰুষে হাঁহ-কুকুৰাৰ কণী যুঁজোৱা ৰীতি। নহ'লে মূৰ কামোৰণি হয় বুলি বিশ্বাস কৰা হয়। সমাজৰ তিৰোতা, জীয়াৰী-বোৱাৰীসকলে ধলপুৱাতে ঘৰ-দুৱাৰ অটাই-পিটাই চাফ্-চিকুণ কৰে। চৰু-হাড়ী পোৰে। কাপোৰ-কানি তিয়ায়। গা-মূৰ ধোৱে।

বছৰৰ নতুন দিনটোত দেৱালয়ৰ বাটচ'ৰাৰ সন্মুখত নাহৰ পাতেৰে তোৰণ সজা প্ৰথা অতীতৰে পৰা চলি আহিছে। ডেকাহঁতেই এই তোৰণ সাজে। কণীযুঁজ শেষ কৰিয়েই দেৱালয়লৈ যায়। পূজা আৰম্ভ হোৱাৰ লগে লগে এই কাম শেষ কৰা হয়। উপাস্য দেৱ-দেৱীক আদৰণি জনাবলৈকে এই তোৰণ নিৰ্মাণ কৰা হয় বুলি বিশ্বাস কৰি আহিছে।

বিহু-পূজাৰ পিছদিনাৰ পৰা মানুহ বিহু আৰম্ভ হয়। এই উপলক্ষে সমাজৰ বিভিন্ন বয়সৰ পুৰুষ-স্ত্ৰী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী নিৰ্বিশেষে সকলো গা ধুই সামৰণ কাপোৰ-কানি পিন্ধি-উৰি দেৱালয়লৈ যাত্ৰা কৰে। নতুন বছৰৰ শুভকামনাৰে ইষ্ট দেৱালয়ত গৈ দেৱ-দেৱীক সেৱা জনায়। পূজাৰীয়ে তংলতীৰে শান্তিয়নী ছটিয়াই। তাৰ পাছত তাত বিহু-উৎসৱ আৰম্ভ কৰে। বিহু পতা নিয়ম বৰ কটকটীয়া আৰু শৃংখলাবদ্ধ। ডেকাই এভাগে আৰু গাভৰুৱে এভাগে পাতে। সানমিহলিকৈ নাপাতে। ডেকাহঁতৰ ঢোল-তাল, পেঁপাৰ ছেৱত গাভৰুৱে নচাৰ নিয়ম নাই। বিহু শেষ কৰি পুনৰ শান্তিয়নী লৈ ঘৰাঘৰি গুচি আহে। সমাজৰ তিৰোতাবিলাকে এই উপলক্ষে দেৱালয়লৈ যোৱাৰ বাহিৰে আন সময়ত তালৈ যোৱাৰ নিয়ম নাই।

পুৱাৰে পৰা দেৱালয়ত বিহু-পূজা আৰম্ভ হয়। এই পূজা-উৎসৱ বৰ গুৰুত্বপূৰ্ণ। গতিকে গাঁৱৰ সকলো তৎপৰ হৈ পৰে। আগতে কৈ অহাৰ দৰে পূজাৰী-বিষয়াসকলে শুচি-সংযম হৈ দেৱালয়লৈ যাত্ৰা কৰে। দেওধনি উৎসৱ, বিহু-উৎসৱ আৰু লোকসমাগমৰ কাৰণেই তেওঁবিলাকে দেৱালয়ত সাদিন থাকিব লগা হয়। ইয়াৰ বাহিৰে তাত থকা নিয়ম নাই। মণিকূট আৰু সদুৰাত অবিৰাম সৰিয়হ তেলৰ বন্তি জ্বলাই থোৱা হয়। তেওঁবিলাকে ব্যৱসায়স্বৰূপে পুৰোহিতালি নকৰে। নিজে হাল-কোৰ ধৰি কৃষিকৰ্ম কৰে। পাইকসকলে দেৱালয়ৰ পৰা দিয়া প্ৰসাদ পায় আৰু পচকী শোধায়।

মানুহ বিহুৰ দিনা পৰিয়ালৰ মানী আৰু ডাঙৰজনক সভক্তিৰে সেৱা কৰি নতুন বছৰৰ বাবে আশীৰ্বাদ লয়। বিহুৰ গামোচা চেলেং দিয়া দি কৰে। ঘৰে ঘৰে বিহু খুৱায়। গোট জ্ঞাতিৰ পূজাৰী, বুঢ়া-মেথা সকলোকে তালৈ নিমন্ত্ৰণ কৰে। বিহুৰ চুজে, খাজি আৰু ভজা পিঠাৰে অপ্যায়িত কৰা হয়। দেউৰীসকলৰ এইটো মাংগলিক অনুষ্ঠান। সকলোৱে মুখ-হাত ধুই বাটিত চুজে লৈ গৃহস্থৰ মংগল

কামনার্থে সমস্বৰে মন্ত্ৰপাঠ কৰি আশীৰ্বাদ কৰে। মন্ত্ৰ শেষ হ'লে বাটিৰ পৰা কিঞ্চিৎ চুজে দেৱতাৰ উদ্দেশ্যে বাকি দিয়ে। তাৰ পাছতহে পান কৰা ৰীতি। ডেকা-গাভৰুহঁতে ঘৰে ঘৰে বিহু পাতে। তাত সকলোৱে যোগ দিয়ে। গৃহস্থই সাধ্যানুসৰি ধন-বিত দি শৰাই আগবঢ়াই আঁঠু লয়। এইদৰে গৃহস্থক বছৰটোলৈকে আশীৰ্বাদ দি যায়। এই আশীৰ্বাদ মংগলজনক। তিনি বছৰৰ মূৰে মূৰে হুঁচৰি গোৱা নিয়ম। তেওঁবিলাকৰ হুঁচৰি গোৱা নিজস্ব নীতি-নিয়ম আৰু হুঁচৰি নামো সুকীয়া। ইয়াৰ বেলেগ ভংগী আছে। এটা নিৰ্দিষ্ট নীতিত খেলবন্ধীয়াকৈ হুঁচৰি গোৱা হয়। হুঁচৰি গোৱা হ'লে প্ৰতি গৃহস্থই শৰাইত একোখন শালেকটা ভমকা ফুলীয়া গামোচা; সাধ্যমতে টকা-পইচা, কিঞ্চিৎ চাউল দিয়া নিয়ম। নব-দম্পতীসকলে একোখন চেলেং দিয়াৰ প্ৰথা আছে। আনন্দ-কোলাহলৰ মাজত বিহু আৰু হুঁচৰি তৰা হয় দেৱালয়ত, সেইদৰে সামৰাও হয় তাতেই। এয়ে দেউৰী বিহু। ই ধৰ্ম আৰু কৃষি জীৱনৰ লগত জড়িত।

দেউৰীসকল চাৰি খেলত বিভক্ত। পূৰ্বৰ থকা ঠাইৰ নামানুসৰি খেলবোৰৰ নাম হৈছে। (১) দিবঙীয়া খেল—দিপাং বা দিব্ৰাং নৈপাৰত; (২) টেঙাপনীয়া খেল টেঙাপানী নৈপাৰত, (৩) বৰগএগ্রা খেল বৰপানী নৈপাৰত আৰু (৪) পাটৰগএগ্রা খেল পাটশদিয়াত থকাৰ কাৰণে এই নাম পায়। দিবঙীয়া খেলে কুণ্ডি-মামা, টেঙাপনীয়া খেলে বলিয়াবাবা, বৰগএগ্রা খেলে কেঁচাইখাতী বা তাম্ৰেশ্বৰী মাতৃ আৰু পাটৰগএগ্রা খেলে পাটৰ শালত পূজা কৰে। প্ৰত্যেক খেলত চাৰিজনকৈ প্ৰধান পূজাৰী থাকে। (১) বৰ দেউৰী, (২) সৰু দেউৰী, (৩) বৰ ভঁৰালী আৰু (৪) সৰু ভঁৰালী। প্ৰত্যেক খেলত কেবাটাকৈ ফৈদ বা বংশ আছে। উপাস্য দেৱ-দেৱীৰ পূজাৰ সময়ত অংশগ্ৰহণ কৰা কৰ্ম বা বিষয়বাব অনুৰূপেৰে এই বংশবোৰৰ নাম হৈছে। সেই নামানুসৰি প্ৰত্যেক খেলৰ ফৈদবোৰৰ পৰা দেৱালয়ৰ পূজা চলাবলৈ একোজনকৈ পূজাৰী আৰু বিষয়া বাছি লোৱা হয়। এই কাৰ্য খেলৰ বা গাঁৱৰ গএগ্রা ৰাইজ একত্ৰিত হৈ কৰে। পূজাৰী-বিষয়াৰ সহায়ৰ কাৰণে বংশবোৰৰ পৰা আঠপৰীয়া নিৰ্বাচন কৰি লোৱা হয়। এওঁলোকক শিষ্য বুলিও কোৱা হয়। দুবছৰৰ বাবে পৰীয়া লোৱা হয়। পূজাৰী বিষয়াৰ কিবা লেঠা হ'লে ইজনে সেই কাম চলাব পাৰে, কিন্তু আনে নোৱাৰে। এইদৰে নিৰ্বাচিত লোকসকলৰ বাহিৰে আনৰ দেৱালয়ৰ মণিকূটত প্ৰৱেশ নিষেধ। পূজাৰীৰ পুতেকহে পূজাৰী হ'ব পাৰে। এই নিয়ম প্ৰচলিত যদিও পূজাৰী মৰিলে গএগ্রা ৰাইজ মিলি যাক নিৰ্বাচন কৰিব তেওঁহে পূজাৰী হ'ব পাৰে। যোগ্যতা অনুসাৰে হোৱা বাবে ব্যৱসায়িক পুৰোহিতৰ কোনো শ্ৰেণী নাই। তেওঁলোকে মিলি দেৱালয়ত নিয়মিতৰূপে পূজা-সেৱা চলায়। এই সকলো সমাজৰ সম্মানিত লোক। তাৰ বাবে নীতিবিজ্ঞানসম্মত সুদৃঢ় গাঁথনিৰ গণতান্ত্ৰিক ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে।

দেউৰীসকলৰ খেলেপ্ৰতি বিভিন্ন ফৈদ বা বংশৰ উৎপত্তি হ'ল। বংশই বংশই ককাই-ভাই সম্বন্ধ। সেই দেখি স্ব-বংশৰ ভিতৰত কোনোকালে বিয়া-বাৰু হ'ব নোৱাৰে। বংশৰ এঘৰত জন্ম-মৃত্যু, অশৌচ হ'লে গোটেই বংশৰ মানুহেই তাক মানি চলে। একধৰ্মী হ'লেও খেল আৰু ঠাইভেদে মাত-কথাৰ কিছু লৰ-চৰ হয়। কেউটা খেলৰ ভিতৰত খোৱা-বোৱা, বিয়া-বাৰু হয়। সকলোৱে সামাজিক বন্ধনৰ ব্যৱস্থা, নিয়ম-কাৰণ, জীৱিকা নিৰ্বাহৰ প্ৰণালী, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতিমূলক ৰীতি-নীতি এক হ'লেও তাৰ মাজত সামান্য প্ৰভেদ নথকা নহয়।*

---

* লেখকৰ 'দেউৰী সংস্কৃতি' পুথিৰ পৰা লেছেৰি বুটলা। আৰু সদৌ অসম ট্ৰাইবেল সংঘৰ স্মৃতিগ্ৰন্থ (১৯৭৭)ত প্ৰকাশিত—সম্পাদক

বৰ'সকলৰ লোকধৰ্ম আৰু পূজা

ড° ভূপেন নাৰ্জাৰী

বৰ'সকলৰ মূল ধৰ্ম বাথৌ। বাথৌ ধৰ্মাৱলম্বীসকলৰ মতে 'বাথৌ বীৰায়ে' হ'ল স্বয়ং পূৰ্ণব্ৰহ্ম ভগৱান। সেয়ে পূৰ্ণব্ৰহ্ম 'বাথৌ'ক তুষ্ট কৰিবৰ বাবে আৰু তেওঁৰ পৰা আশিস লাভ কৰিবৰ বাবে বৰ'সকলে বিভিন্ন পূজা-পাতল দিয়ে। এই পূজা-পাতলবোৰ হ'ল 'বাথৌ বীৰায়'ক তুষ্ট কৰি ৰখাৰ একো একোটা দিশ। পূজা-পাতলৰ যোগেদি পূৰ্ণব্ৰহ্ম 'বাথৌ'ক তুষ্ট কৰি তেওঁৰ আশিস লাভ কৰাৰ কামনাৰে কৰা এই প্ৰক্ৰিয়াকে 'বাথৌ ধৰ্ম' বোলা হয় আৰু যিসকল লোকে 'বাথৌ'ক তুষ্ট কৰি আশিস লাভৰ কামনাৰে পূজা-পাতল দিয়ে, তেওঁলোককেই 'বাথৌ' ধৰ্মাৱলম্বী বুলি কোৱা হয়। বাথৌ ধৰ্মাৱলম্বী বৰ'সকলে পালন কৰা পূজা-পাতল অথবা উৎসৱ-অনুষ্ঠানবোৰ হ'ল—খেৰায় হীনায়, গাৰজা হীনায়, নেৱীন হীনায়, আবসা হীনায়, সালামনি হীনায় ইত্যাদি।

খ্ৰীষ্টান মিছনাৰীসকলৰ উত্তৰ-পূৰ্বাঞ্চললৈ আগমনৰ লগে লগে বৰ' জনগোষ্ঠীৰ কিছুসংখ্যক লোকে খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈ পৰম্পৰাগতভাৱে চলি অহা বাথৌ ধৰ্ম আৰু উৎসৱ-পাৰ্বণবোৰ ত্যাগ কৰিবলৈ ধৰে । আকৌ কালীচৰণ ব্ৰহ্মই বৰ'সকলৰ মাজত ব্ৰহ্ম ধৰ্ম প্ৰচাৰ কৰাৰ লগে লগে একাংশ বৰ' লোকে ব্ৰহ্মধৰ্মত দীক্ষিত হৈ বৰ'সকলৰ স্বকীয় পূজা-পাতল আৰু উৎসৱ-পাৰ্বণবোৰ ত্যাগ কৰিবলৈ ল'লে।

আমি বৰ'সকলৰ 'খেৰায়' আৰু 'গাৰজা' পূজাৰ বিষয়ে কিছু আলোচনা আগবঢ়াব বিচাৰিছো—

খেৰায়ৰ জন্ম ঃ

খেৰায় হ'ল বাথৌ ধৰ্মাৱলম্বী বৰ'সকলৰ শ্ৰেষ্ঠ পূজা। বৰ'সকলৰ লোকবিশ্বাস মতে এই খেৰায়েই হ'ল গীত-মাত, নৃত্য আৰু বাদ্য-বাজনাৰ মূল। খেৰায়ৰ জন্ম সম্পৰ্কীয় যিটো জনশ্ৰুতি পোৱা যায় তাৰ পৰাই এই কথাৰ প্ৰমাণ পোৱা যায়। খেৰায় পূজাৰ জন্ম সম্পৰ্কীয় জনশ্ৰুতি তলত আলোচনা কৰা হ'ল।

পুৰণি কালত এখন গাঁৱত পৱিত্ৰ মনৰ এজন বুঢ়া আছিল। তেওঁৰ পাঁচজন পুতেক আছিল। সময় বাগৰি যোৱাৰ লগে লগে বুঢ়াৰ পাঁচজন পুতেক বিবাহৰ উপযোগী হৈ উঠিল। সঁচাকৈয়ে বুঢ়াই পাঁচজন পুতেকৰ বিয়া এবছৰতেই পাতি দিলে। বৰ উলহ-মালহৰ মাজেদি বুঢ়াৰ পুতেককেইজনৰ বিয়া হ'ল। একেটা বছৰতে পাঁচজন পুতেকৰ বিয়া পাতি দিয়াৰ ফলত বুঢ়াৰ ভঁৰাল উদং হ'ল। সেয়ে বুঢ়াই পুতেককেইজনক লগত লৈ আলোচনা কৰিলে আৰু 'ফামু জাঁহৈনী' (পাম খাবলৈ) পৰামৰ্শ দিলে। দেউতাকৰ পৰামৰ্শ অনুসৰি পুতেককেইজনে একগোট হৈ এদিন 'ফামুজানী' পামলৈ লৈ গ'ল। ইফালে বুঢ়াই বোৱাৰীয়েককেইজনীৰ স'তে ঘৰতে থাকিল। পাঁচজনী বোৱাৰীৰ সৰুজনী বোৱাৰীৰ নাম আছিল 'মংগ্লে'। তাই আনকেইজনী বোৱাৰীতকৈ দেখাত ধুনীয়া আৰু কম বয়সৰ আছিল। সেয়ে জাকহঁতে তাইক মৰমতে কাম-বন কৰিবলৈকে দিয়া নাছিল। কিন্তু 'মংগ্লে'জনীও কামত আছিল বৰ পাকৈত। সেয়ে তাই ছল চাই চাই ইটো-সিটো কাম কৰিছিল। কাম-কাজত পটু, কোমল বয়সৰ, দেখিবলৈ ধুনীয়া কাৰণে বুঢ়াই এইজনী বোৱাৰীক বেছিকৈ মৰম কৰিছিল আৰু খোৱা-বোৱা সকলো সময়তে খবৰ লৈছিল। ইয়াকে মংগ্লেজনীয়ে অন্য ধৰণে ভাবি এদিন শীতকালৰ পুৱতি নিশা আনক খবৰ নিদিয়াকৈ ঘৰৰ পৰা পলাই গ'ল। পুৱা বুঢ়াই বোৱাৰীৰ কোনো শুংসূত্ৰ নাপাই দুবৰি বনৰ ওপৰত পৰা খোজৰ চিন অনুসৰণ কৰি বিচাৰি গ'ল। এটা সময়ত নৈৰ পাৰৰ বালিত খোজৰ চিহ্নও নোহোৱা হ'ল। তথাপি বুঢ়াই বোৱাৰীৰ আশা এৰি নিদিলে। খোৱা-বোৱা, পিন্ধা-উৰাৰ প্ৰতিও কোনো মন-কাণ নিদিয়া হ'ল। কেৱল বোৱাৰীৰ চিন্তা। বাকী মানুহবোৰে বুঢ়াক দেখিলে জাৰা ফাগ্লা (চেৰা বলিয়া) বুলিহে ক'বলৈ ধৰিলে। বুঢ়াৰ সেইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাই। কেৱল—

'বৈ বিহামজী মংগ্লে
বহা থাংখী নীং ৰথ আয় ৰথ
দুব্ৰি বাৰিয়াৱ আগান নুদীংমীন
বালা বাৰিয়াৱ গীমাবায় আয় গীমাবায়।'

(হেৰা বোৱাৰী মংগ্লেজনী ক'লৈ গ'লা তুমি; ৰোৱা আইজনী ৰোৱা, দুৱৰি বনত খোজৰ চিন দেখিছিলো, বালিত হেৰাল আইজনী হেৰাল।)

এইদৰে গান গাই গাই বোৱাৰী বিচাৰি ফুৰিলে, কিন্তু বোৱাৰীৰ কোনো সন্ধান নাপালে। এনেদৰে বোৱাৰী বিচাৰি ক্লান্ত শৰীৰ লৈ এদিন নৈৰ পানী খাই গছৰ ছাঁত বহি জুৰ লওঁতেই চিলমিলকৈ টোপনি আহিল আৰু চিলমিল টোপনিতে সপোন দেখিলে। সপোনত এজন অলৰ বুঢ়াই তেওঁক বৰ'সকলৰ বাদ্য-বাজনাবোৰ ব্যৱহাৰ কৰি আৰু বৰ' ৰীতি-নীতিবোৰ পালন কৰি ৰং-ৰহইচেৰে এটা পূজা দিবলৈ পৰামৰ্শ দি গুচি গ'ল। টোপনি ভাগিলত সপোনৰ কথাকে ভাবি ভাবি ঘৰলৈ উভতি আহিল আৰু পুতেককেইজনলৈ খবৰ পঠিয়াই মতাই আনি পূজাৰ যা-যোগাৰ কৰিবলৈ ধৰিলে। সঁচাকৈয়ে এদিন জোনাক নিশা বেদী সাজি খাম (মাদল), চিফুং (বাঁহী) আৰু জথা (খুটি তাল) বজাই পূজা আৰম্ভ কৰিলে। খাম, চিফুং আৰু জথাৰ শব্দ শুনাৰ লগে লগে ক'ৰবাৰ পৰা 'দৌদিনি' (দেওধনি)ৰ বেশত মহিলা এগৰাকী ওলাই আহিল আৰু গোটেই ৰাতি নাচি-বাগি পূজা দি পুৱতি নিশা নৈৰ বুকুৰ পৰা 'মায়নাব বুৰখাংনোনৈ'(লখিমী আদৰি) ৰাইজক

বিলাই দি আকৌ কেনিবা গুচি গ'ল। এই পূজাই হ'ল খেৰায় পূজা।

বৰ'সকলৰ বিশ্বাস মতে, খেৰায় পূজাত দেখা দিয়া দৌদিনিজনীয়েই হ'ল মংগ্লে, বোৱাৰী হেৰোৱা বুঢ়াজনেই হ'ল 'মৌনসিন-সিন বীৰায়' আৰু সপোনত দেখা দিয়া অলৰ বুঢ়াজনেই হ'ল 'বাথৌ বীৰায়'।

'মৌনসিন-সিন বীৰায়ে' বোৱাৰী বিচৰাৰ সময়ত গোৱা গীতকেই আদিম গীত বুলি বিশ্বাস কৰে। তাৰ আগেয়ে সমাজত গীত গোৱা হৈছিল নে নাই তাৰ উমান বৰ'সমাজত প্ৰচলিত সাধুকথাবোৰত পোৱা নাযায়। আনহাতে 'মৌনসিন-সিন বীৰায়'ৰ আগতে কোনোবাই পূজা-পাতল দিছিল নে নাই তাৰো উমান পোৱা নাযায়। সেয়ে 'মৌনসিন-সিন বীৰায়ে' গোৱা গীত আৰু পূজাকেই আদিম গীত আৰু পূজা হিচাপে বাথৌ ধৰ্মাৱলম্বী লোকসকলে বিশ্বাস কৰে।

খেৰায় হীনায় ঃ

খেৰায় হীনায় হ'ল বৰ'সকলৰ আটাইতকৈ ডাঙৰ ধৰ্মীয় উৎসৱ বা পূজা । পূজা শব্দৰ বৰ' প্ৰতিশব্দ 'ফুজা' কৰিছে যদিও 'ফুজা' শব্দটো বৰ'মূলীয় শব্দ নহয়। পূজা শব্দৰ শব্দগত অৰ্থ বহন কৰে বৰ' শব্দ 'হীনায়ে'। 'হীনায়' শব্দৰ সাধাৰণ অৰ্থ হ'ল—দিয়া । কিন্তু ধৰ্মীয় বিষয়ত ব্যৱহৃত হ'লে ইয়াৰ অৰ্থ হয় উপাসনা কৰি ভগৱানক কিবা দিয়া ।

খেৰায় শব্দৰ ব্যুৎপত্তিগত অৰ্থ ঃ

খেৰায় শব্দৰ ব্যুৎপত্তিগত অৰ্থ উলিওৱা সহজসাধ্য নহয়। তথাপি কেইগৰাকীমান বৰ' পণ্ডিতে ইয়াৰ অৰ্থ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল যদিও সকলোবোৰ বাথৌ ধৰ্মাৱলম্বীয়ে গ্ৰহণ কৰিব পৰা অৰ্থ উলিয়াবলৈ সক্ষম হোৱা নাই। তলত কেইজনমান বৰ' লেখকৰ ব্যুৎপত্তিগত অৰ্থ দিয়া হ'ল —

ক) খেৰায় ঃ 'খে' মানে তৰোৱাল, 'ৰায়' মানে হ'ল উপাসনা কৰা। অৰ্থাৎ —
খে+ৰায় > খেৰায়।

খ) খেৰায় ঃ "হানথু খেৰায়ননৈ ৰায়সংনানৈ লা, সৌৰখৌ? ইসৌৰখৌ, জায় জৌংখৌ জৌনীম হীয়ী, খাণ্ডী-বায়ী আৰী ফীথৈয়ী।

অৰ্থাৎ আঁঠু কাঢ়ি উপাসনা কৰা, কাক? ঈশ্বৰক, যিয়ে আমাক জন্ম দিয়ে, লালন-পালন কৰে আৰু মৃত্যু ঘটায়। হানথু খেৰায়নানৈ (আঁঠু কঢ়াৰ) 'খে' ৰায়সংনানৈ লাৰ (উপাসনা কৰা) 'ৰা' আৰু ইসৌৰ (ঈশ্বৰ)ৰ 'ই' অৰ্থাৎ খে + ৰা + ই > খেৰাই > খেৰায় হৈছে বুলি ক'ব খোজে।

গ) ড° কামেশ্বৰ ব্ৰহ্মই তেখেতৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰিছে—

Bathou Borai, chief of the Gods of the Bodos is also known as Kharia Borai or Khuria Borai, which means the latent old man. The Bodos believe Kharia Borai to be the latent entity endowed with all qualities. So, some believe that as the Kherai Puja is performed in his name, the words Kharia Borai might have got combined and got transformed into Kherai. (Kharia Borai > Khubrai >Khurai > Kherai)

There is another explanation about the origin of the term Kherai. Sacrifices of animals and birds is essential for the Kherai puja. The sound 'Khe' is produced when

a goat or a pig is sacrificed before Bathou, by cutting the neck of the sacrificial animal with a dao at a stroke. Some worshippers of Bathou believe that the word Kherai originates from the sound 'Khe' and with it is added the word 'Rai' which means puja or the chanting formula before the chief god Bathou (Kharia Borai). So, it is also believed that the word Kherai is derived from a combination like Khe+rai > Kherai. However, such explanations seem to be the products of folk etymology. As there is similarity between the Kherai puja of the Bodos and the kher puja of the Tipras of Tripura, the Khemang of the Dimasas of North Cachar and the Kheraima of the Meches of Nepal.

সেইদৰে ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে বৰ'সকলৰ খেৰায় পূজা আৰু ত্ৰিপুৰীসকলৰ খেৰ পূজাৰ মাজত সম্পৰ্ক আছে বুলি উল্লেখ কৰিছে।

খেৰায় শব্দৰ ব্যুৎপত্তিগত অৰ্থ পূৰ্বৰ লোকসকলে যেনেধৰণেই নিদিয়ক কিয়, বৰ্তমানৰ 'দুলাৰায় বাথৌ দীহীৰীমাৰি গৌথুম' (সদৌ বাথৌ ধৰ্মাৱলম্বী সংঘ)ৰ কৰ্মকৰ্তা আৰু ধৰ্ম প্ৰচাৰকসকলে এনে বিশ্লেষণ গ্ৰহণ কৰিব পৰা নাই। এওঁলোকৰ মতে 'খেৰায় শব্দৰ উৎপত্তি কেনেকৈ, কিদৰে হৈছিল, সেয়া বিচাৰি উলিয়াব পৰা নাযায়। 'খেৰায়' খেৰায়েই। এই শব্দৰ কোনো বিশ্লেষণ থাকিব নোৱাৰে।'

খেৰায়সালি প্ৰস্তুত কৰাৰ প্ৰণালী ঃ

খেৰায় পূজাৰ বাবে স্থায়ী খেৰায়সালি অথবা কোনো মন্দিৰ আদিৰ ব্যৱস্থা নাথাকে। আজিকালি অৱশ্যে বহু ঠাইত মন্দিৰৰ ব্যৱস্থা কৰা হৈছে। মন্দিৰৰ ব্যৱস্থা নথকা ঠাইত গাঁৱৰ বাইজে এডোখৰ ঠাই নিৰ্বাচন কৰি লৈ তাতেই খেৰায়সালি প্ৰস্তুত কৰি লয়। যি ঠাইত এবাৰ খেৰায়সালি প্ৰস্তুত কৰা হয়, সাধাৰণতে বিশেষ অসুবিধা নহ'লে পাছৰ বছৰবোৰত সেই ঠাইতেই খেৰায়সালি স্থাপন কৰে। এই ফালৰ পৰা লক্ষ্য কৰিলে খেৰায়সালিৰ বাবে স্থায়ী মন্দিৰ আদি নাথাকিলেও খেৰায়সালি স্থায়ীভাৱে থাকে বুলিয়েই ক'ব পাৰি। খেৰায়সালি ভক্তসকলে পূবমুৱাকৈ পূজা দিব পৰাকৈ সজা হয়। তাৰ পাছত বেদীবোৰ সজোৱা হয়। খেৰায়সালিৰ মূল বেদীক বাথৌসালি বোলা হয়। বাথৌসালিৰ উত্তৰফালে বিভিন্ন দেৱতাৰ বেদী সজা হয়। কোনো কোনো ঠাইত আকৌ বাথৌসালিৰ দক্ষিণে পূৰ্বপুৰুষৰ শ্ৰদ্ধাঞ্জলিৰ বেদী এটা সজোৱা হয়। মূল বেদী বাথৌসালি সজোৱাৰ সময়ত বহু নীতি-নিয়ম অৱলম্বন কৰিবলগীয়া হয়। প্ৰতিটো স্তৰেই ধৰ্মীয় তত্ত্বৰে পূৰ্ণ। বাথৌসালি সাজিবৰ বাবে প্ৰথমতে আগ থকা জাতিবাঁহ কাটি আনি গুৰিৰ অংশ আঢ়ৈবা তিনি ফুটমান দীঘলকৈ কাটি লৈ তাৰ পৰা ওঠৰযোৰ খুঁটি উলিওৱা হয়। কোনো ঠাইত যোল্লযোৰ অথবা একৈশযোৰ খুঁটি উলিয়াই বাথৌসালি প্ৰস্তুত কৰাত ব্যৱহাৰ কৰে যদিও ওঠৰযোৰ খুঁটিয়েই বেছিভাগ ঠাইত ব্যৱহাৰ কৰে আৰু 'সদৌ বাথৌ দীহীৰীমাৰি গৌথুমে'ও ওঠৰযোৰ খুঁটি ব্যৱহাৰ কৰাটোকেই গ্ৰহণ কৰিছে। এই খুঁটিবোৰৰ তলত দুই ফুট আৰু ওপৰত আঢ়ৈ ফুটমান ব্যাসাৰ্ধৰ দৈৰ্ঘ্যত যোৰ যোৰকৈ বাহিৰৰ ফালে হালি পৰাকৈ পুতিব লাগে। তাৰ পাছত বাকী থকা বাঁহেৰে দীঘলে দীঘলে পোন্ধৰডাল কামি উলিয়াই এটা শাৰীত দুডালকৈ পাঁচটা শাৰী বেৰ গুঁঠাৰ দৰে গুঁঠিব লাগে। তলৰ পৰা প্ৰথম তিনিশাৰী গুঁঠাৰ পাছত তিনিযোৰ খুঁটিৰ মাজত পথ এটা ৰখা হয় আৰু বাকী দুটা শাৰী এই পোন্ধৰযোৰ খুঁটিৰ মাজত গুঁঠা নহয়। এই তিনিযোৰ খুঁটিৰ মাজৰ

এযোৰ তিনি শাৰী গুঁঠাৰ পাছত ওলোটাই বাহিৰৰ ফালে মেৰিয়াই দিয়া হয় অথবা কাটি পেলোৱা হয় আৰু দুয়োকাষৰ খুঁটি দুযোৰ পূৰণ চিনৰ দৰে ওলট-পালটকৈ তললৈ মেৰিয়াই দিয়া হয়। আৰু বগা কাপোৰৰ সৰু সৰু টুকুৰা বান্ধি দি মাটিত নলগোৱাকৈ ওলমাই বান্ধি দিয়া হয়। ইয়াক 'জাথা' বুলি কোৱা হয়। 'বাথৌসালিত' বাঁহৰ কাম শেষ হোৱাৰ পাছত উঁই হাফলুৰ মাটি নাইবা কেঁকোৰাই গাঁতৰ পৰা উলিয়াই দিয়া মাটিৰে বেদী সজোৱা হয়। তাৰ পাছত বাথৌসালিৰ উত্তৰফালে একেশাৰীতে বাথৌসালিত যিমানযোৰ খুঁটি ব্যৱহাৰ কৰা হয়, সিমানযোৰ 'খাংখ্লা' ছয় ইঞ্চিমান আঁতৰে আঁতৰে পুতি বাঁহৰ কাঠিৰে পৰিব নোৱাৰাকৈ গুঁঠি দিয়া হয় আৰু 'খাংখ্লা' পোতা ঠাইডোখৰৰ আগফালে বাঁহৰ সৰু সৰু কাঠিৰে বেৰ দিয়া হয়। তাৰ পাছত পূৰ্বে উল্লিখিত মাটিৰে দীঘলকৈ আলিৰ দৰে বেদী সজোৱা হয়। বাথৌসালি যদিহে নতুনকৈ সজোৱা হয়, তেনেহ'লে তাত সিজু গছ এডাল, তুলসী আৰু জাতবাঁহি একোডালকৈ বাথৌসালিৰ ভিতৰত ৰুই দিব লাগে। এইদৰেই বাথৌসালি প্ৰস্তুত কৰা হয়।

বাথৌসালিৰ প্ৰস্তুতকৰণৰ তাত্ত্বিক দিশ ঃ

বাথৌসালি প্ৰস্তুত কৰাৰ প্ৰতিটো স্তৰতে তাত্ত্বিক দিশ জড়িত হৈ আছে। প্ৰথমতে লোৱা যাওক 'বাথৌসালি'ৰ খুঁটিকেইডালকেই। খুঁটিকেইডাল হ'ল প্ৰকৃতি-পুৰুষৰ প্ৰতীক আৰু যোৰ যোৰকৈ পুতি দিয়াৰ জৰিয়তে প্ৰকৃতি-পুৰুষৰ মিলনৰ ফলস্বৰূপে ন-সৃষ্টিৰ কামনাক ব্যক্ত কৰা হৈছে। পাঁচটা শাৰীত গুঁঠি দিয়া পঞ্চমেৰ্ৰ হ'ল 'বাথৌ বৌৰায়'ৰ 'মৌনবা গাম্থি' অথবা 'মৌনবা সানথৌ' (পঞ্চতত্ত্ব)ৰ প্ৰতীক। প্ৰতিটো শাৰীৰ দুইডাল কাঠি হ'ল নাৰী-পুৰুষৰ প্ৰতীক। বাথৌসালিৰ পথৰ সন্মুখত সজোৱা 'দাৱথু বিখা' হ'ল পূৰ্ণ ব্ৰহ্ম 'বাথৌ বৌৰায়'ৰ বিখা (কলিজা) অৰ্থাৎ অন্তৰৰ প্ৰতীক। দুৱাৰৰ সন্মুখত দুয়োফালে বান্ধি দিয়া বিজুলী বাঁহৰ আগডাল 'পূৰ্ণব্ৰহ্ম বাথৌ অবংলাৱৰি আনানগোসাঁই'ৰ বাসস্থানৰ প্ৰতীকৰূপে গণ্য কৰা হয়, অৰ্থাৎ স্বৰ্গৰ প্ৰতীকৰূপে গণ্য কৰা হয়। তাত ওলোমাই ৰখা এঁৰা সূতাডাল হ'ল স্বৰ্গ আৰু মৰতৰ মাজত অহা-যোৱা কৰা পথৰ প্ৰতীক আৰু তাত মাজে মাজে বান্ধি দিয়া কপাহ অথবা বগা কাপোৰ হ'ল জিৰণি লোৱা স্থলৰ প্ৰতীক। খুঁটিকেইডালৰ আগটো 'V' আকৃতিৰে কটাৰ লগত কোনো তত্ত্ব জড়িত নাই। কেৱল কাটিবলৈ সুবিধা আৰু দেখিবলৈ ধুনীয়া কৰিবৰ বাবেই এনেদৰে কটা হয়।

সিজু গছ ৰোৱাৰ লগত বিভিন্ন তাত্ত্বিক দিশ জড়িত হৈ আছে। প্ৰথমতে সিজু গছৰ পৰা একহাত-ডেৰহাতমান দীঘল আগ এটা কাটি আনি শান্তিপানী ছটিয়াই কটা অংশৰ ওচৰত এঁৰা সূতাৰে পঞ্চমেৰ দি বন্ধা হয়। এঁৰা সূতাৰ এই পঞ্চমেৰক নৱজাতকৰ নাড়ি কটাৰ পাছত বান্ধি দিয়াৰ লগত জড়িত কৰিছে। নৱজাতকৰ নাড়ি কটাৰ পাছত বান্ধিলেহে যেনেকৈ জী উঠিব, সেইদৰে মূল গছৰ পৰা কাটি আনি বান্ধি দিলেহে সিজু গছডাল জী উঠিব বুলি বিশ্বাস কৰে। বাথৌসালিত সিজু গছ ৰোৱাৰ সময়ত গাঁতৰ তলত মুৰ নভঙা চাউল পাঁচটা, কণী এটা আৰু শিল এটা দিয়াৰ পাছতহে সিজু গছ ৰোপণ কৰা হয়। শিল হ'ল মাতৃগৰ্ভত স্থিতি লাভৰ প্ৰতীক আৰু কণীক প্ৰজননৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। চাউল পাঁচটা 'মায়নাৱ'ৰ (লক্ষ্মী) প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। আকৌ মুৰ নভঙা চাউল ব্যৱহাৰ কৰাৰ অন্য এটা তাত্ত্বিক দিশ আছে। এই তত্ত্বৰ লগত বৰ'সকলৰ 'খৰগজ' শব্দটো ওতপ্ৰোতভাৱে জড়িত। 'খৰগজ' শব্দৰ অৰ্থ হ'ল প্ৰথম সন্তান জন্মলাভৰ লগে লগে মৃত্যুবৰণ কৰা । বৰ'সকলৰ লোকবিশ্বাস মতে প্ৰথম সন্তান যদি মৃত্যুমুখত

পৰে, তেনেহ'লে পিছৰ সন্তানসকলেও মৃত্যুৰ মুখত পৰিব পাৰে। সেয়ে এনে ঘটনাৰ পৰা হাত সাৰিবৰ বাবে যিকোনো ধৰ্মীয় কাম-কাজত মুৰ নভঙা চাউল ব্যৱহাৰ কৰা হয়। বাথৌসালিৰ উত্তৰফালে পুতি থোৱা শাৰী শাৰী 'খাংখ্‌লা' বনক প্ৰকৃতি-পুৰুষৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়।

পূজা দিয়া প্ৰণালী ঃ

খেৰায় পূজা বৰ্তমান বৰ' সমাজত দুই ধৰণে কৰা হয়। এটা হ'ল দৌদিনিৰ সহায়ত আৰু আনটো হ'ল দৌদিনিৰ সহায় নোলোৱাকৈ। দৌদিনিৰ সহায় নোলোৱাকৈ দিয়া খেৰায় পূজা অৰ্বাচীন আৰু কমসংখ্যক ঠাইতহে চলে। কিন্তু খেৰায় বুলি কোৱাৰ লগে লগে দৌদিনিৰ সহায়ত কৰা পূজাৰ কথাহে সৰ্বসাধাৰণ বৰ' ৰাইজৰ মনলৈ আহে। সেয়ে প্ৰথমে পৰম্পৰাগত প্ৰচলিত দৌদিনিৰ সহায়ত কৰা পূজাৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে। দৌদিনিৰ সহায়ত কৰা খেৰায় পূজাও দুই ধৰণে কৰা হয়। এবিধ হ'ল বলি-বিধান দি কৰা আৰু আনবিধ হ'ল বলি-বিধান নিদিয়াকৈ কেৱল ফুল-প্ৰসাদৰ দ্বাৰাই সম্পন্ন কৰা পূজা। উনবিংশ শতিকাৰ ষাঠিৰ দশকত জয়নাৰায়ণ বসুমতাৰীয়ে বলি-বিধান নিদিয়াকৈ ফুল-প্ৰসাদেৰে খেৰায় পূজা দিয়া প্ৰথাটো উলিয়ায়। তাৰ আগেয়ে খেৰায় পূজা বলি-বিধানৰ জৰিয়তেহে দিয়া হৈছিল। সেই একে সময়তে ১৯৫৭ চনত ধুপাৰাম বসুমতাৰী আৰু পুৰণি কামৰূপ জিলাৰ কেইজনমান ধৰ্মপৰায়ণ লোক একেলগ হৈ 'সদৌ অসম বাথৌ মহাসংঘ' নামেৰে এটা অনুষ্ঠানৰ জন্ম দি সেই অনুষ্ঠানৰ জৰিয়তে কামৰূপ জিলাৰ বিভিন্ন ঠাইত দৌদিনিৰ কোনোধৰণৰ সহায় নোলোৱাকৈ খেৰায় পূজা দিয়াৰ ব্যৱস্থা কৰিছিল যদিও সফলতা লাভ কৰিব নোৱাৰিলে। কেৱল কামৰূপ জিলাৰ কেইটামান অঞ্চলতহে এই প্ৰথাৰে পূজা দিয়া হয়। পুৰণি কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত বৰ্তমানেও বলি-বিধান দি দৌদিনিৰ সহায়ত খেৰায় পূজা দিয়ে।

বলি-বিধান দিয়েই হওক অথবা ফুল-প্ৰসাদ দিয়েই হওক, দৌদিনিৰ সহায়ত কৰা খেৰায় পূজাত খেৰায়সালিৰ উত্তৰ-পূবত এটা অস্থায়ী 'গাৰজাসালি'ৰ প্ৰয়োজন হয়। প্ৰথমে বাথৌসালিত এগছি 'গাসা' জ্বলাই থৈ গাৰজাসালিত খাম, চিফুং জথাৰ সহায়ত কবিৰাজে মন্ত্ৰ মাতি দৌদিনিৰ গাত দেৱত্ব লম্ভায়। যেতিয়ালৈকে দৌদিনিৰ গাত দেৱতা নলম্ভে, তেতিয়ালৈকে খাম-চিফুং-জথাৰ শব্দৰ লগে লগে কবিৰাজৰ মন্ত্ৰ গোৱা চলি থাকে। দৌদিনিৰ গাত দেৱত্ব লম্ভাকেই দৌদিনি জাখাংনায় বুলি কয়। দৌদিনি জাখাংনায়ৰ তিনিটা স্তৰ আছে। 'গীৰসিখাংনায়', 'অলীংগিখাংনায়', 'দৌদিনি জাখাংনায়'। দৌদিনিৰ গাত দেৱতা লম্ভাৰ পাছতহে খেৰায়সালিৰ বাথৌসালিত নাচি নাচি পূজা দিয়া হয়। খাম-চিফুং-জথাৰ তালে তালে দৌদিনিয়ে নাচি নাচি পূজা দিয়াৰ সময়ত বাকী ভক্তসকলেও দৌদিনিৰ লগে লগে নাচিব পাৰে। কিন্তু কোনো ভক্তই দৌদিনিক স্পৰ্শ কৰিব নোৱাৰে। এইদৰে ওঠৰটা পৰ্ব নাচি নাচি পুৱতি নিশা 'নৈৰ গৰ্ভ'ৰ পৰা লক্ষ্মীক আদৰি আনি ভক্তসকলক বিলাই দি পূজাৰ কামৰ সামৰণি মাৰে। দৌদিনিৰ প্ৰতিটো পৰ্বৰ এই নৃত্যক তিনিটা স্তৰত ভাগ কৰা হয়—ক) মৌসাগ্লাংনায়, খ) বাবনায়, গ) ফৌজীবনায়।

পৰম্পৰাগতভাৱে প্ৰচলিত খেৰায় পূজাত দৌদিনি অংগাংগীভাৱে জড়িত আছিল। পূজাৰ সামগ্ৰী আগবঢ়াই দিবৰ বাবে এজন 'দৌৰি' থাকে আৰু মন্ত্ৰ মাতিবৰ বাবে এজন কবিৰাজ থাকে। কিন্তু অতি সাম্প্ৰতিক কালত দৌদিনি আৰু কবিৰাজ অবিহনে কেৱল দৌৰিৰ সহায়ত পূজা দিয়াও দেখিবলৈ পোৱা যায়।

বৰ্তমান বৰ' সমাজত খেৰায় পূজা তিনিধৰণে সম্পন্ন কৰা হয়। প্ৰথমটো হ'ল—পুৰণি ৰীতি-নীতি অৱলম্বন কৰি 'খাম', 'চিফুং' আৰু 'জথা' বজাই কবিৰাজ, দৌৰি (দেউৰী)ৰ সহযোগত দৌদিনিৰ সহায়ত নাচি নাচি বলি-বিধান দি কৰা খেৰায় পূজা।

দ্বিতীয়তে—পুৰণি ৰীতি-নীতি অৱলম্বন কৰি 'খাম', 'চিফুং' আৰু 'জথা' বজাই কবিৰাজ, দৌৰিৰ সহযোগত দৌদিনিৰ সহায়ত নাচি নাচি ফুল-প্ৰসাদেৰে কৰা পূজা।

তৃতীয়তে—কবিৰাজ আৰু দৌদিনি নোহোৱাকৈ কেৱল দৌৰিৰ সহায়ত দিয়া খেৰায় পূজা। এইধৰণৰ খেৰায় পূজাত নৃত্য কৰা হয় যদিও পূজাৰ লগত কোনো সম্পৰ্ক নাথাকে। দৌদিনিয়ে কোনো আধুনিকতা অৱলম্বন নকৰাকৈ যেনেকৈ পূজা আগবঢ়ায় তাৰ বিপৰীতে এই ধৰণৰ খেৰায় পূজাৰ নৃত্যত সম্পূৰ্ণ জাক-জমকতা অৱলম্বন কৰি মঞ্চত নৃত্য প্ৰদৰ্শন কৰাৰ দৰে খেৰায়সালিৰ চাৰিওফালে ঘূৰি ঘূৰিহে নাচে। পূজাৰ লগত নৃত্য কৰোতাসকলৰ কোনো সম্বন্ধই নাথাকে।

খেৰায় পূজাৰ এনে পৰিৱৰ্তনৰ কাৰণসমূহ হ'ল—

ক) খেৰায় পূজাৰ ৰীতি-নীতি অতি কঠোৰ, কষ্টকৰ আৰু বহু অৰ্থ ব্যয় হয়।

খ) খেৰায় পূজাৰ কোনো নিৰ্দিষ্ট দিন নাই।

গ) বৰ'সকলৰ একাংশই কঠোৰ ৰীতি-নীতি আৰু বলি-বিধান দি পূজা দিয়াৰ পৰিৱৰ্তে ধৰ্মান্তৰ হৈছে। এই ধৰ্মান্তৰ হোৱাৰ গতি ৰোধ কৰিবলৈকে খেৰায় পূজাৰ ৰীতি-নীতিৰ পৰিৱৰ্তন কৰে।

ঘ) প্ৰতিৱেশী আন ধৰ্মাৱলম্বীৰ প্ৰভাৱত খেৰায় পূজাৰ পৰিৱৰ্তন হয়।

খেৰায় পূজাত অৰ্পণ কৰা বলিসমূহ ঃ

ভবেন নাৰ্জী, কামেশ্বৰ ব্ৰহ্ম আদি বৰ' গৱেষকসকলে কোনোবা দেৱতাক নিৰ্দিষ্টকৈ কিছুমান জীৱ বলি দিব লাগে বুলি তেওঁলোকৰ গ্ৰন্থত উল্লেখ কৰিছে। কিন্তু বৰ'সকলৰ মাজত তেনে ধৰা-বন্ধা নিয়ম নাই। 'এটা অঞ্চলত যদি কোনো দেৱতাক কিবা এটা জীৱ বলি দিয়া হয়, আন এটা অঞ্চলত সেই দেৱতাৰ নামত অইন জীৱ বলি দিয়ে। অঞ্চলভেদে ভিন ভিন জীৱ দেৱতাৰ নামত বলি দিয়া হয়।' কিন্তু এই কথাও ঠিক যে গাহৰি, ছাগলী, হাঁহ, পাৰ, কুকুৰা জীৱবোৰকেই দেৱতাক বলি হিচাপে বেছিকৈ দিয়া হয়। বহু ঠাইত বৰ্তমানেও লক্ষ্মী দেৱীক বেছিকৈ কণী উৎসৰ্গা কৰা হয়। পূৰ্বতে ম'হ বলি দিয়াৰো নিদৰ্শন আছে বুলি বহুতে কয়।

খেৰায় পূজাত নৃত্য আৰু দেৱতাৰ লগত সম্বন্ধ ঃ

খেৰায় পূজাত ওঠৰটা পৰ্বৰ নৃত্য কৰে আৰু এই নৃত্যৰ জৰিয়তে একো-একোজন দেৱতাৰ কাৰ্যক দেখুৱাই নৃত্য কৰা হয়। সেইবোৰ এনে—

	দেৱতাৰ নাম	নৃত্যৰ নাম
১)	আই বিমা	বাথৌ গিদিংনায়
২)	আইলেং	আখ্ৰা সিবনায়
৩)	আগ্ৰাং	খফ্ৰি সিবনায়
৪)	খৈলা	খৈজৌমা ফনায়

৫)	খাজি	সাগীলাৰ বীনায়
৬)	আগ্লাখুংগুৰ	গানদৌলা বীননায়
৭)	ৰাজফুথুৰ	দাৱথৈ লীংনায়
৮)	ৰাজখান্দ্ৰা	খামাৰ বাৰথীনায়
৯)	আলি বীৰায়	বাদালি বিৰনায় মীসানায়
১০)	সানজা বীৰালি	গানদৌলা বীননায়
১১)	আই দিবাৰলি	মৈসী গেলেনায়
১২)	মীনাসী	দৈ গীথাৰ সাৰনায়
১৩)	বাগৰাজা	মীসা গেলেনায়
১৪)	বীৰায় বাগৰাজা	এবা বীৰালি বুৰৈ মুফুৰ গেলেনায়
১৫)	সৌদ্ৰি	নাৱ জাৱনায়
১৬)	বাসমুথি	গৰায় দাব্ৰায়নায়
১৭)	ৰীনীসৌন্দ্ৰি	সথ্ৰালি এবা থুংগ্ৰি সিবনায়
১৮)	জামীন বুৰৈ	মায়নাৱ বীখাংনায়।

[illegible] নামবোৰ ঠাইবিশেষে বেলেগ বেলেগ হলেও মূলতঃ একে।

গাৰজা হীনায় (গাৰজা পূজা) ঃ

গাৰজাসালিত পৰম্পৰাগত প্ৰথা অনুযায়ী দিয়া পূজাকেই গাৰজা হীনায় বোলা হয়। 'খেৰায়'ৰ পাছতেই গাৰজা পূজাৰ স্থান। সাধাৰণতে এখন গাঁও বা চুবা একোটাৰ ৰাইজে লগ লাগি গাৰজা পূজা দিয়ে।

'গাৰজা'ৰ ব্যুৎপত্তিগত অৰ্থ ঃ

গাৰজা শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰি উলিওৱা সহজ কাম নহয় যদিও কেইগৰাকীমান বৰ' পণ্ডিতে ইয়াৰ অৰ্থ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছে। মংগলসিং হাজোৱাৰীয়ে 'গিৰি গীজা গাৰজা' হৈছে বুলি মন্তব্য কৰিছে। বীৰেন্দ্ৰগিৰি বসুমতাৰীয়ে 'গাঁও ৰাজা গাৰজা' হৈছে বুলি মন্তব্য কৰিছে। ড° কামেশ্বৰ ব্ৰহ্মই গাৰজা শব্দৰ ব্যুৎপত্তিগত অৰ্থ এনেদৰে দিছে—

It may be probable that the Garja word itself bears the meaning of expulsion; (Garja or garjanai or garnai means expulsion or discharging any thing in Bodo) and during the Garja puja, where some evil gods are expelled or discharged from the area of a village. This system of Garja puja, where the evil gods are expelled is called bhasani or bhasainai (floating away in the river or a stream). The Bodo word 'bhasani' means to float away in the river or stream.

উপৰিউক্ত গৱেষক আৰু লেখকসকলে গাৰজা শব্দৰ ব্যুৎপত্তিগত অৰ্থ উলিয়াবলৈ প্ৰচেষ্টা চলাইছিল যদিও 'দুলাৰায় বাথৌ দীহীবীমাৰি গৌথুমে' তেনে ব্যুৎপত্তিগত অৰ্থ গ্ৰহণ কৰি লোৱা নাই। হাজোৱাৰীয়ে 'গিৰি-গীজা গাৰজা' হৈছে বুলি মন্তব্য আগবঢ়ালেও 'গিৰি' আৰু 'গীজা' শব্দ দুটাৰ ব্যাখ্যা গ্ৰহণযোগ্যভাৱে দিব পৰা নাই। তেখেতৰ মতে, 'গিৰি' মানে হ'ল 'হাজো' (পৰ্বত)

আৰু গীজা মানে হ'ল ৰীজা অৰ্থাৎ ডাঙৰ পৰ্বতত বসবাস কৰা দেৱতা।

আনহাতে বসুমতাৰীয়ে 'গাঁও ৰাজা গাৰজা' হৈছে বুলি কৈছে। তেখেতে ব্যাখ্যা কৰিছে যে গাৰজা দেৱতাই গাঁৱৰ ৰজা অৰ্থাৎ গাঁৱৰ ৰাইজক লালন-পালন কৰে। যিজন দেৱতাই গএগ্রা ৰাইজক লালন-পালন কৰে সেয়ে 'গাৰজা'।

আকৌ ড° ব্ৰহ্মাৰ ব্যাখ্যাও নিৰ্ভুল আৰু সকলোৱে গ্ৰহণযোগ্য বুলি বিবেচিত হোৱা নাই। বৰ'সকলে 'গাৰজা পূজা'ত সদায় 'গাৰজানায়' অৰ্থাৎ 'এৰি দিয়া' বা 'ত্যাগ কৰা' দেৱতাকে পূজা নকৰে। এই সংক্ৰান্তত বৰ'সকলৰ মাজত প্ৰচলিত 'বৰ'মৌদায়'(বৰ' দেৱতা) আৰু 'হাৰসা মৌদায়' (অ-বৰ' দেৱতা)ৰ কথা উল্লেখ কৰিব লাগিব। বৰ'মৌদায় হ'ল ঘৰৰ দেৱতা। কিছুমান বৰ' গৱেষক আৰু লেখকে আকৌ 'হাৰসা মৌদায়' বুলি আৰ্য দেৱতাৰ নাম উল্লেখ কৰিছে। আচলতে 'হাৰসা মৌদায়' হ'ল 'হাগ্রানি মৌদায়' (বনৰ দেৱতা) অৰ্থাৎ অপদেৱতা। এই অপদেৱতাবোৰক বছৰৰ মূৰত এবাৰ গাৰজা পূজা দি নৈত উটুৱাই দিয়া হয়। ইয়াকেই 'ডিঙা হগাৰনায়', 'হামবায়', 'ভেলা হগাৰনায়' আৰু কোনো কোনো ঠাইত 'লাঙা-মাৰা' বুলি কোৱা হয়। ড° ব্ৰহ্মাই উল্লেখ কৰাৰ দৰে 'ভাসানি' অথবা 'ভাসাইনায়' দুই-এটা অঞ্চলতহে কোৱা হয়। ভাসানি শব্দটোৱেই বৰ' শব্দ নহয়। সেয়ে সেই পূজাৰ নাম ভাসানি হোৱাটো সম্ভৱেই নহয় আৰু গাৰজা পূজাত 'গাৰজানায় (এৰি দিয়া) মৌদায়ক পূজা কৰাতকৈ 'ননি মৌদায়' (ঘৰৰ দেৱতা), 'বৰ' মৌদায়' (বৰ' দেৱতা)কহে পূজা কৰে। বছৰত এবাৰহে ঘৰৰ দেৱতাক পূজা দিয়াৰ পাছত 'হাৰসা মৌদায়' (অপদেৱতাক)ক পূজা দিয়া হয়। এনেদৰে বিশ্লেষণ কৰিলে গাৰজা শব্দৰ ব্যুৎপত্তিগত অৰ্থ নাই বুলিয়েই ক'ব লাগিব। 'দুলাৰায় বাথৌ দৗহৗৰীমাৰি গৌথুমে'ও গাৰজা শব্দৰ ব্যুৎপত্তিগত অৰ্থ বৰ্তমানলৈ উলিওৱা নাই।

'গাৰজাসালি' প্ৰস্তুতকৰণ ঃ

সাধাৰণতে প্ৰতিখন বৰ' গাঁৱতে গাৰজা পূজা দিবৰ বাবে এখন স্থায়ী থান থাকে। তাকে বৰ' ভাষাত 'গাৰজাসালি' বুলি কোৱা হয়। সাধাৰণতে 'গাৰজাসালি'বোৰ গছ-গছনিৰে ভৰা গাঁৱৰ এটা চুকত পতা হয়। 'গাৰজাসালি'বোৰ পূজাৰ সময়তহে চাফ-চিকুণ কৰি লোৱা হয়। বাকী সময়ত পৰিত্যক্ত হৈ থাকে। পূজা দিয়াৰ আগদিনা আবেলি গএগ্রা ৰাইজে মিলি 'গাৰজাসালি' চাফ-চিকুণ কৰি মাটিৰে বেদী সাজি সেই বেদীবোৰৰ ওপৰত ক্ষণস্থায়ী পঁজা সজা হয়। 'গাৰজাসালি' চাফ-চিকুণ কৰাকেই বৰ'সকলে 'গাৰজাসালি সননায়' আৰু পঁজাঘৰ সজোৱাক 'দেৰা লুনায়' বুলি কয়। 'গাৰজাসালিত' মুখ্যবেদী সজোৱাৰ পাছত ইয়াৰ উত্তৰে 'ঘৰৰ দেৱতা' অৰ্থাৎ 'ভাল দেৱতা'ৰ সৰু সৰু বেদী সজোৱা হয়। মুখ্যবেদীৰ দক্ষিণে 'অপদেৱতা' অৰ্থাৎ 'হাৰসা মৌদায়'ৰ বাবে বেদী সজোৱা হয়। কোনো কোনো ঠাইত 'হাৰসা মৌদায়'ৰ বেদী এটাহে সাজি সকলো দেৱতাক একেলগে পূজা দিয়া হয়। বেদী সজা সম্পূৰ্ণ হোৱাৰ পাছত গাঁৱৰ পৱিত্ৰতাৰ প্ৰমাণ চাবৰ বাবে দৌৰিয়ে মূলবেদীত নহ'লে মূলবেদীৰ সন্মুখত ভালদৰে মচি লৈ আগলতি পাতত তুলসীপাত এযোৰ আৰু নটা আঁৰৈ চাউল ভালদৰে থৈ দোণ এটাৰে ঢাকি ৰাখিব লাগে। তাৰ পাছত গএগ্রা ৰাইজে দৌৰিৰ ঘৰলৈ গৈ মদ খায়। ইয়াকেই 'গাৰজাসালি সাননায়নি জৌ লৌংনায়' (গাৰজাসালি চাফা কৰাৰ মদ খোৱা) বুলি কোৱা হয়। পাছদিনা পুৱা দৌৰিয়ে কবিৰাজ অথবা অন্য মানুহ কেইজনমানক লগত নি গাঁৱৰ পৱিত্ৰতা চাবলৈ গাৰজাসালিলৈ যায়। দৌৰিয়ে কবিৰাজ অথবা আন মানুহৰ উপস্থিতিত দোণটো

লাহেকৈ উঠাই আগলতি কলপাত, তুলসী আৰু চাউলবোৰ ঠিকে-ঠাকে আছেনে নাই চায়। যদি আগলতি কলপাত, তুলসীপাত আৰু চাউলবোৰ ঠিকে থাকে, তেনেহ'লে গাঁৱৰ পৱিত্ৰতা আছে বুলি গণ্য কৰা হয় আৰু যদিহে আগলতি কলপাত, তুলসীপাত আৰু চাউলবোৰ ছেদেলি-ভেদেলি হৈ থকা দেখিবলৈ পায়, তেনেহ'লে গাঁৱৰ পৱিত্ৰতা নাই বুলি ভবা হয়। গাঁও অপবিত্ৰ হ'লে পূজা দিয়া নহয়। সেয়ে পূজা দিয়া বন্ধ কৰি দোষী ব্যক্তিক উলিয়াই, প্ৰায়শ্চিত্ত আদি কৰাই শুচি কৰাৰ পাছতহে আকৌ পূজা দিব পাৰে।

গাঁওখন যদি পৱিত্ৰ অৱস্থাত পোৱা যায়, তেতিয়াহে দৌৰি আৰু অন্য মানুহবোৰ দৌৰিৰ ঘৰলৈ উভতি আহি পূজাৰ সামগ্ৰীবোৰ গাৰজাসালিলৈ নি গাৰজা পূজা দিয়ে।

গাৰজা পূজাৰ দৌৰি ঃ

গাৰজা পূজাত দৌৰি নহ'লেই নহয়। গএগ্ৰা ৰাইজৰ হৈ দৌৰিয়েই কবিৰাজৰ সহায়ত পূজা অৰ্পণ কৰে। বৰ' সমাজৰ দৌৰি নিৰ্বাচন কৰা প্ৰণালীটোও বৰ মন কৰিবলগীয়া। গাঁৱৰ মাজমজিয়াত, পথৰ এদাঁতিত ঠাই এডোখৰ চাফা কৰি লৈ 'দৌদিনি অনগ্ৰাইনানৈ' (দৌদিনিৰ গাত দেৱত্ব লম্ভাই) উপস্থিত গএগ্ৰা ৰাইজৰ দৌৰি হ'ব লগা মানুহজনৰ মূৰত 'দৌদিনি'য়ে শান্তিপানী ছটিয়াই দিয়ে সেইজনে 'গাহায় দৌৰি' (মুখ্য দৌৰি) হ'ব লাগে আৰু দ্বিতীয়বাৰত যিজনৰ মূৰত শান্তিপানী ছটিয়াই দিয়ে সেইজনে 'ফাম্বুল দৌৰি' (সহায়ক দৌৰি) হ'ব লাগে। আজিকালি অৱশ্যে বহু গাঁৱত পাল পাতিহে দৌৰিৰ বাব দিয়া হয়। কিছুমান ঠাইত আকৌ লটাৰীৰ সহায়ত দৌৰি নিৰ্বাচন কৰা হয়। দৌৰি নিৰ্বাচিত হোৱাৰ পৰাই দৌৰিজনে পৱিত্ৰতা অৱলম্বন কৰিব লাগে। আনৰ ঘৰত খোৱা-বোৱা কৰিব নোৱাৰে, মৃতকৰ সৎকাৰ, শ্ৰাদ্ধ আদিত উপস্থিত হ'ব নোৱাৰে। যদিহে বিশেষ কাৰণে পৱিত্ৰতা ৰক্ষা কৰিব নোৱাৰে, তেনেহ'লে পূজাৰ আগে আগে 'সালামনি' (এবিধ পূজা) দি শুচি হোৱাৰ পাছতহে তেওঁ পূজাৰ কামত আগবাঢ়িব পাৰে।

পূজা দিয়া প্ৰণালী ঃ

গাৰজা পূজাৰ আঠ-দহ দিনমান আগত দুয়োজন দৌৰিৰ উপস্থিতিত গাহায় দৌৰিৰ ঘৰত 'সালামনি' দি শুচি হৈ লয়। তাৰ লগে লগে গএগ্ৰা ৰাইজেও নিজ নিজ ঘৰ মচি শুচি কৰি লয়। 'গাহায় দৌৰি'য়ে 'সালামনি' পূজা সমাপন কৰি পূজাৰ শান্তিপানী গাঁৱৰ প্ৰতিটো পৰিয়ালৰ 'ন-মান' (বৰঘৰ) আৰু 'ইসিং'(ৰান্ধনিঘৰ) ঘৰত ছটিয়াই শুচি কৰি লয়। তাৰ পাছত পূজাৰ নামত 'গাহায় দৌৰি'ৰ ঘৰত পূজাৰ বাবে মদ দুকলহ তৈয়াৰ কৰে। গাঁৱৰ অইন পৰিয়ালবোৰেও নিজৰ সুবিধা অনুযায়ী মদ তৈয়াৰ কৰে। গাঁৱৰ প্ৰতিটো পৰিয়ালে ঘৰ মচাকে 'গামিনি ন লিৰগ্ৰাংনায়' বুলি কোৱা হয়। তাৰ পাছত পূজাৰ আগদিনাখন আবেলি 'গাৰজাসালি' চাফ-চিকুণ কৰি গাঁৱৰ পৱিত্ৰতা আছে নে নাই প্ৰমাণ কৰি গাৰজা পূজা দিয়ে। পৰম্পৰাগতভাৱে চলি অহা প্ৰথা অনুযায়ী গাৰজা পূজা বলি-বিধান দিয়েই পূজা কৰা হৈছিল। কিন্তু বৰ্তমান বহু ঠাইত ফুল-প্ৰসাদৰ দ্বাৰাই গাৰজা পূজা সম্পন্ন কৰা হয়।

সাধাৰণতে গাৰজা পূজা বছৰত চাৰিবাৰলৈ দিয়া হয়। কিছুমান গাঁৱত আকৌ বছৰত এবাৰ বা দুবাৰহে এই পূজা দিয়া হয়। কিন্তু বৰ্তমানেও বিজনীৰ দহলাপাৰা গাঁৱত বছৰেকত চাৰিবাৰকৈ গাৰজা পূজাৰ বলি-বিধান দি কৰি আহিছে।

গাৰজা পূজাৰ প্ৰকাৰ ঃ

বৰ' কবিৰাজসকলৰ মন্ত্ৰৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে 'গাৰজা' ওঠৰ প্ৰকাৰৰ আছে। গাৰজা পূজাৰ মন্ত্ৰবোৰত প্ৰায়েই 'গাৰজা গাৰজা ওঠৰ গাৰজা' কথাফাকি উচ্চাৰিত হোৱা দেখা যায়। 'নাইগাওঁ শিব্ৰ বাথৌ আফাং' (গৱৰ্ণমেণ্ট ৰেজিষ্টাৰ নং ২৭৬, চন ১৯৮৪-৮৫ ইং)ৰ ধৰ্মগুৰু জয়নাৰায়ণ বসুমতাৰীয়ে ওঠৰ প্ৰকাৰৰ গাৰজা এনেদৰে উল্লেখ কৰিছে—

১) লক্ষ্মী গাৰজা, ২) শিব্ৰ গাৰজা, ৩) থুলসিং মুলসিং গাৰজা, ৪) দুৰামাৰায় গাৰজা, ৫) দাওয়াং গাৰজা, ৬) সিন্দুৰ গাৰজা, ৭) থংথঙালী গাৰজা, ৮) থিয়া গাৰজা, ৯) চোকা গাৰজা, ১০) গু গাৰজা, ১১) ইহিউ গাৰজা, ১২) ফিউ গাৰজা, ১৩) মায়া গাৰজা, ১৪) ছায়া গাৰজা, ১৫) ধৌন কুবিৰ গাৰজা, ১৬) বৌৰায় গাৰজা, ১৭) দানো গাৰজা, ১৮) গলাকাটা গাৰজা।

সেইদৰে ভবেন নাৰ্জীয়ে উনৈশ প্ৰকাৰৰ গাৰজাৰ নাম উল্লেখ কৰিছে—

১) লক্ষ্মী গাৰজা, ২) আশু গাৰজা, ৩) গাঁও গাৰজা, ৪) ছুংৰে ছুংৰে গাৰজা, ৫) ছুংৰে ছুংৰে ফৌৰজা, ৬) গাৰজা ছিৰছিন, ৭) গাৰজা দিৰছিল, ৮) মাওৰিৱা গাৰজা, ৯) ছাওৰিয়া গাৰজা, ১০) ছেম-ছেমালি গাৰজা, ১১) দছমালি গাৰজা, ১২) ছামো ৰামো গাৰজা, ১৩) খালো দানো গাৰজা, ১৪) নেলো দানো গাৰজা, ১৫) দাওয়াং গাৰজা, ১৬) মলান গাৰজা, ১৭) থিয়া গাৰজা, ১৮) গু গাৰজা, ১৯) ওঠৰো শান্তি গাৰজা।

আকৌ ড° কামেশ্বৰ ব্ৰহ্মই উল্লেখ কৰিছে—

There are many Garja gods and goddesses who are regularly propiciated by the Bodos. Among them the important are : 1) Lakhi Garja, 2) Asu Garja, 3) Sew Garja, 4) Tulsing Mulsing Garja 5) Dura Marai Garja, 6) Dawng Garja, 7) Sindur Garja, 8) Thong Thongali Garja, 9) Thia Garja, 10) Bathou Garja, 11) Gu Garja, 12) Borai Raja Garja, 13) Dano Garja, 14) Gola kata Garja, 15) Othoro Shanti Garja.

গাৰজাৰ প্ৰকাৰ বিভিন্ন লেখক আৰু গৱেষকসকলে ওপৰত দেখুওৱাৰ দৰে উল্লেখ কৰিছে যদিও ওঠৰ প্ৰকাৰ গাৰজাৰ নাম ঠাইবিশেষে বেলেগ বেলেগ দেখিবলৈ পোৱা যায়। গাৰজাৰ প্ৰকাৰ অনুযায়ী 'মৌদায়' (দেৱতা)ক বেলেগে বেলেগে পূজা দিব লাগিছিল যদিও তেনে কৰা দেখিবলৈ পোৱা নাযায়। বছৰৰ মূৰত গাঁও অনুযায়ী এবাৰ, দুবাৰ, চাৰিবাৰ যি পূজা কৰে, তাতেই সকলো দেৱতাক পূজা দিয়া হয়।

গাৰজা পূজা দিয়াৰ সময় ঃ

বৰ'সকলৰ গাৰজা পূজা দিয়াৰ কোনো নিৰ্দিষ্ট তাৰিখ নাই। গাৰজা পূজা দিয়াৰ নিৰ্দিষ্ট তাৰিখ নোহোৱাৰ দৰে বছৰত কিমানবাৰ পূজা দিব লাগে, তাৰো সকলোৰে গ্ৰহণযোগ্য মত নাই। একোখন গাঁৱৰ সমাজে পৰম্পৰাগতভাৱে চলি অহা প্ৰথা অনুযায়ী বছৰত কিমানবাৰ পূজা দিয়া হ'ব আৰু কেতিয়া দিয়া হ'ব সেইটো নিৰ্ধাৰণ কৰে। বিভিন্ন অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰি পোৱা তথ্য অনুযায়ী অতি কমসংখ্যক গাঁৱতহে বছৰত চাৰিবাৰ গাৰজা পূজা দিয়া হয়। বেছিভাগ গাঁৱতেই বছৰত দুবাৰ গাৰজা পূজা দিয়া হয়। কোনো কোনো গাঁৱত আকৌ এবাৰহে পূজা দিয়া হয়।

প্ৰথমতে বছৰেকত চাৰিবাৰ গাৰজা পূজা দিয়াৰ সময়ৰ বিষয়ে আলোচনা কৰিবলৈ লৈ

ক'ব পাৰি যে প্ৰথম পূজাটো ব'হাগ-জেঠ মাহৰ মঙলবাৰ আৰু শনিবাৰে দিয়া হয়। এই পূজাক ঠাইবিশেষে 'মৌদায় ফৌজাৱহৰনায়' (দেৱতা উটুৱাই দিয়া), 'ভেলা হগাৰনায়' (ভেল এৰি দিয়া), 'ভাসানি', 'হামবায়' আৰু 'লাঙামাৰা' বুলি কোৱা হয়। বছৰৰ দ্বিতীয়টো পূজা দিয়া হয় ভাদ মাহত। ইয়াক 'বহৰ গাৰজা' বুলি কোৱা হয়। তৃতীয় পূজা দিয়া হয় কাতি-আঘোণ মাহত। এই পূজাক ঠাইবিশেষে 'মায়নাৱ গাৰজা', 'লক্ষ্মী গাৰজা', 'মাৱথানস্রি গাৰজা' বোলা হয়। এই তিনিওটা শব্দৰে লক্ষ্মীকে বুজোৱা হৈছে। বছৰৰ শেষ আৰু চতুৰ্থটো পূজা দিয়া হয় মাঘ-ফাগুন মাহত। এই পূজাক ঠাইবিশেষে 'নাৰাজনায়', 'নাৰাচিঙা' বুলি কোৱা হয়।

যিবোৰ গাঁৱত বছৰেকত দুবাৰ পূজা দিয়া হয়, সেইবোৰ গাঁৱত সাধাৰণতে প্ৰথম আৰু তৃতীয়টো অৰ্থাৎ 'মৌদায় হগাৰনায়' আৰু 'মায়নাৱ গাৰজা' দিয়া হয় আৰু বছৰেকত এবাৰহে গাৰজা পূজা দিয়া গাঁওবোৰৰ কিছুমান গাঁৱত কেৱল 'মৌদায় হগাৰনায়' আৰু কিছুমান গাঁৱত 'মায়নাৱ গাৰজা'হে দিয়া হয়।

গাৰজা পূজা সম্পন্ন কৰা প্ৰণালী ঃ

বছৰৰ প্ৰথম গাৰজা পূজা ব'হাগ-জেঠ মাহৰ মঙলবাৰ অথবা শনিবাৰে কৰা হয়। এই পূজাৰ বিশেষ গুৰুত্ব আছে। প্ৰথমে 'গাৰজাসালি' চাফ-চিকুণ কৰি গাঁৱৰ পবিত্ৰতা আছে নে নাই প্ৰমাণ কৰি সকলোবোৰ ঠিকে-ঠাকে পালে পুৱা ন-দহমান বজাৰ পৰা গাঁৱৰ ৰাইজ 'গাৰজাসালি'ত উপস্থিত হৈ দৌৰিৰ যোগেদি পূজা দিয়ে। প্ৰথমে ভাল দেৱতাসকলক পূজা দিয়া হয়। তাৰ পাছত অপদেৱতাবোৰক পূজা দিয়া হয়। কোনো কোনো গাঁৱত অপদেৱতাবোৰক পূজা দিয়াৰ সময়ত গএগ্ৰা ৰাইজে লাঠি-ডাং লৈ গাঁৱৰ এফালৰ পৰা অপদেৱতাবোৰক খেদি আনি 'গাৰজাসালি'ত একত্ৰিত কৰে আৰু পূজাৰ ভাগ লোৱাৰ বাবে অনুৰোধ কৰে। কোনো কোনো গাঁৱত এই ব্যৱস্থা নাই। 'গাৰজাসালি'ত অপদেৱতাক পূজা দিয়াৰ পাছত 'গৰায় দাব্ৰায়নানৈ' (ঘোঁৰা চেঁকুৰাই) অপদেৱতাবোৰক মূল 'গাৰজাসালি'ৰ উত্তৰ-পূব দিশত থকা আছুতীয়া ঠাই এডোখৰলৈ নিয়া হয়। তাত উপস্থিত সকলো গএগ্ৰা ৰাইজে অংশগ্ৰহণ কৰিব নোৱাৰে। কেৱল কবিৰাজ, দৌৰি আৰু মুষ্টিমেয় লোকেহে অংশগ্ৰহণ কৰে। বাকীবোৰ ঘৰা-ঘৰি গুচি যায়। তাত অপদেৱতাবোৰক পূজা দি তাৰ পৰা আকৌ নৈ বা বিলৰ পাৰলৈ নিয়া হয়। নৈৰ পাৰত এডোখৰ ঠাই চাফা কৰি লৈ কলগছৰ সৰু সৰু দুখন ভেল কৰি কলগছৰ ঢকুৱাৰে ঘৰৰ দৰে বেৰি পূজাৰ সামগ্ৰী আগবঢ়াবৰ বাবে একোটাকৈ সুৰুঙা ৰাখি আৱজাৰ (এজাৰ) ফুলেৰে সুসজ্জিত কৰা হয়। তাৰ পাছত নৈ বা বিলৰ পৰা মানুহে নোখোৱা শামুক, বেং, কেঁকোৰা অন্যান্য পোক আদি ধৰি আনি পূজাৰ ভোগ হিচাপে আগবঢ়োৱা হয়। তাৰ লগতে 'গাৰজাসালি'ৰ পৰা নিয়া সামগ্ৰীবোৰ আগবঢ়াই পূজা দিয়া হয়। পূজাৰ অন্তত দুয়োজন দৌৰিৰ মূৰত ভেল দুখন তুলি দি বোঁৱতী নৈৰ সোঁতৰ বিপৰীতে মুখ কৰি লাহেকৈ ডুব দি ভেল দুখন উটুৱাই দিয়া হয়। যিবোৰ ঠাইত বোঁৱতী নৈৰ সুবিধা নাই, তেনে ঠাইত বিলৰ পানীতেই উটুৱাই দিয়া হয়। তাৰপাছত গাঁৱত সোমোৱা পথবোৰত পূজা দি অপদেৱতাবোৰ আহিব নোৱাৰাকৈ পথ বন্ধ কৰি দিয়া হয়। ইয়াকেই বৰ'সকলে 'লামাদানথেনায়' বা 'লামাগাথেনায়' বুলি কোৱা হয়। 'লামাদানথেনায়'ৰ পাছতেই পূজাৰ অন্ত পৰে।

দ্বিতীয় পূজা দিয়া হয় ভাদ মাহত। এই পূজা কেৱল 'গাৰজাসালি'ত দিয়া হয়। ইয়াত

কেৱল 'গাৰজাসালি' চাফ-চিকুণ কৰি গাঁৱৰ পৱিত্ৰতা পৰীক্ষা কৰি পূজা দিয়ে। এই পূজাক 'বহৰ গাৰজা' (ভৰ গাৰজা) বোলা হয়।

তৃতীয় পূজা দিয়া হয় কাতি-আঘোণ মাহত। এই গাৰজাক 'মায়নাৱ গাৰজা' (লক্ষ্মী গাৰজা) বুলি কোৱা হয়। এই গাৰজাটো আগৰ গাৰজাৰ দৰে 'গাৰজাসালি'ত পূজা দিয়া হয়। পূজাৰ শেষ পৰ্বত দৌৰিয়ে মূলবেদীত আগবঢ়োৱা চাউল (লখিমী) গঞা ৰাইজক উদ্দেশ্যি ছটিয়াই দিয়ে আৰু গঞা ৰাইজে হাত পাতি লৈ যিয়ে যিমান পাৰে সংগ্ৰহ কৰি ঘৰা-ঘৰি যায়। ঘৰলৈ গৈ 'ইসিং' (ৰান্ধনী) ঘৰত থকা 'মায়নাৱ বিন্ধী' (লক্ষ্মীৰ থাপনা)ত, নহ'লে 'মায়হীনদী' (চাউল থোৱা কলহ)ত ৰখা হয়। ইয়াকে বৰ'সকলে 'মায়নাৱ বৰায়নায়' (লক্ষ্মী আদৰা) বুলি কয়।

বছৰৰ শেষ তথা চতুৰ্থটো পূজা দিয়া হয় মাঘ-ফাগুন মাহত। এই সময়ৰ গাৰজা পূজাক 'নাৰাজনায়' অথবা 'নাৰাচিঙা' বুলি কোৱা হয়। এই পূজাৰ এটা বিশেষত্ব আছে। এই সময়ত খেতি চপোৱা, মৰণা মৰা আদি কাম শেষ হয়। সেয়ে গাঁৱৰ তিৰোতাসকলেও এই সময়ৰ গাৰজা পূজাৰ লগত সংগতি ৰাখি ৰং-ৰহইচ কৰে। গাৰজা পূজাৰ দিন ঠিক কৰাৰ পোন্ধৰ/বিছদিনমান আগত গাঁৱৰ তিৰোতাসকলে লগ হৈ চুবুৰীয়া গাঁৱৰ পৰা 'গাৰজা হীনায়নি মায় খাংহৈয়ৌ (গাৰজা পূজাৰ বাবে ধান সংগ্ৰহ কৰে)। এই ধান সংগ্ৰহ কৰাৰ সময়ত দৌৰি দুজনৰ ঘৈণীয়েক দুগৰাকীৰ যিকোনো এগৰাকী উপস্থিত থাকিব লাগে। সাধাৰণতে 'দৌৰি গাহায়' (মুখ্য দৌৰি)ৰ ঘৰত পূজাৰ অন্যান্য কাম থাকে বাবে 'ফাম্বুল দৌৰি' (সহায়ক দৌৰি)ৰ ঘৈণীয়েকহে উপস্থিত থাকে আৰু 'ফাম্বুল দৌৰি'ৰ ঘৰতেই ধানবোৰ সংগ্ৰহ কৰি জমা কৰা হয়। সাধাৰণতে চুবুৰীয়া পাঁচখন অথবা সাতখন গাঁৱৰ পৰা ধান সংগ্ৰহ কৰি সেই ধানৰ পৰা চাউল উলিয়াই মদ তৈয়াৰ কৰে।

পূজাৰ দিনা যথাসময়ত পুৰুষসকলে 'গাৰজাসালি'লৈ গৈ পূজা দিয়ে আৰু তিৰোতাসকলে দৌৰিৰ ঘৰত উপস্থিত হৈ মদ খাই ৰং-ৰহইচ কৰে। এই পূজা কেৱল 'গাৰজাসালি'ত দিয়া হয়। এই পূজাৰ সময়ত তিৰোতাসকলে মদ খাই ৰং-ৰহইচ কৰাটো পূজাৰ লগত জড়িত নথকা যেন লাগিলেও এইটোও পূজাৰেই এটা পৰ্ব বুলি পূজা দিওঁতাসকলে বিশ্বাস কৰে। ইয়াৰ মূল কাৰণ এইটোৱে যে তিৰোতাবিলাকে 'গাৰজাসালি'ৰ কোনো পূজাতে অংশগ্ৰহণ নকৰে। সেয়ে বছৰৰ শেষ পূজাত তিৰোতাসকলকো অংশগ্ৰহণৰ সুবিধা কৰি দিয়া হয়। পোনপটীয়াকৈ পূজাত অংশগ্ৰহণ নকৰিলেও পূজাৰ লগত সংগতি ৰাখি ৰং-ৰহইচ কৰিবলৈ সুবিধা দিয়া হয়।

গাৰজা মীদায়নী বাৱনায় (গাৰজা পূজাত কি অৰ্পণ কৰা হয়) ঃ

বৰ্তমান বাথৌ ধৰ্মাৱলম্বী বৰ'সকলৰ মাজত তিনিধৰণে গাৰজা পূজা সম্পন্ন কৰা দেখিবলৈ পোৱা যায়। সেয়া হৈছে—

ক) পৰম্পৰাগতভাৱে বৰ'সকলৰ মাজত প্ৰচলিত হৈ অহা বলি-বিধান প্ৰথা।

খ) শিৱ বাথৌ আফাৎ নাইবা গাঁৱৰ সংশোধিত বাথৌ ধৰ্মাৱলম্বীসকলে কেৱল ফুল-প্ৰসাদ অৰ্পণ কৰিয়েই গাৰজা পূজা সম্পন্ন কৰে।

গ) শিৱ বাথৌ আফাৎ (মণি বাথৌ)ৰ সংশোধিত বাথৌ ধৰ্মাৱলম্বীসকলে ফুল-প্ৰসাদ অৰ্পণ কৰাৰ লগতে যজ্ঞাহুতি দি গাৰজা পূজা সম্পন্ন কৰে।

পৰম্পৰাগতভাৱে প্ৰচলিত বলি-বিধান দিয়া গাৰজা পূজাত দিয়া বলি-বিধানৰ কোনো

নিৰ্দিষ্টতা নাই। নিজ নিজ গাঁৱৰ পৰম্পৰা অনুযায়ী বলি দিয়া হয়। সাধাৰণতে গাহৰি, ছাগলী, পাৰ, কুকুৰাৰ পোৱালি আদিয়েই বলি দিয়া হয়। কুকুৰাৰ কণী কিন্তু সকলো ঠাইৰ পূজাতে অৰ্পণ কৰা হয়। ভবেন নাৰ্জীয়ে বলি আগবঢ়োৱা সম্পৰ্কত এইদৰে উল্লেখ কৰিছে—

'বড়ো-কছাৰীৰ দেৱ-দেৱীৰ বাবে মহাদেৱক কুকুৰা চৰাই এটাৰ এফাল পুৰি তাক একলহ মদেৰে সৈতে আগবঢ়াই দিয়া হয়। মাওথানশ্ৰীৰ কাৰণে পকা কল এআখি আৰু কুকুৰা চৰাই এটাৰ এফাল পুৰি একলহ মদৰ লগত আগবঢ়াই দিয়া হয়। মাওয়ীৰ বীৰায় মাওয়ীৰ বুঢ়ীক এটা কুকুৰা চৰাই বলি দি তাৰ তেজ আৰু মূৰটো আগবঢ়াই দিয়ে। ছাইনাছি ঠাকুৰ বা মেৰু গাহায় দেৱতাক পাৰ বলি দিয়া হয়। আৰ্য দেৱ-দেৱীৰ বাৰগোপাল, বাৰগোপিনীৰ কাৰণে তিনিটা পাৰ চৰাই নেওচি আকাশৰ ওপৰলৈ উৰাই দিয়া হয়।'

এই গাৰজা পূজাৰ সাৰমৰ্মখিনি তলত দেখুওৱাৰ দৰে দেখুৱাব পাৰি—

ক) ব'ৰসকলে গাৰজা পূজাত মুখ্যতঃ বৰ' দেৱতা 'ন'নি মীদায়'কহে পূজা দিয়ে।

খ) অপদেৱতাবোৰক অৰ্থাৎ 'হাগ্ৰানি মীদা'য়ক প্ৰতিটো পূজাতে আসন দি পূজা দিয়া হয় যদিও নামমাত্ৰহে। কেৱল এবাৰহে ভালকৈ পূজা দিয়া হয়।

গ) গাৰজা দেৱতাক অৰ্পণ কৰিবৰ বাবে বলি হিচাপে গাহৰি, ছাগলী, কুকুৰা, পাৰ আদিয়েই ব্যৱহাৰ কৰা হয়। কিন্তু এইবোৰ বৰ' দেৱতা অৰ্থাৎ 'ন'নি মীদায়'কহে প্ৰধানকৈ দিয়া হয়।

ঘ) বৰ্তমান বহু ঠাইত 'বৰ' দেৱতা' আৰু 'হাৰসা দেৱতা'ৰ অৰ্থ, বিশেষকৈ 'হাৰসা দেৱতা'ৰ অৰ্থ, অৰ্থান্তৰ হৈ গল। বৰ' দেৱতা হ'ল ঘৰৰ দেবতা আৰু হাৰসা দেৱতা হ'ল ঘৰৰ বাহিৰৰ দেৱতা— 'বনৰ দেৱতা' (হাগ্ৰানি মীদায়); অপদেৱতা (গাম্ভ্ৰি মীদায়)—এই শব্দ দুটাই পাছলৈ জাতিগতভাৱে অৰ্থ প্ৰকাশ কৰিবলৈ লোৱাত বৰ'সকলৰ গাৰজা পূজাত বহুত আৰ্যদেৱতা সন্নিবিষ্ট হয়।

ঙ) গাৰজা দেৱতাক মদ অৰ্পণ কৰা হয় বুলি উল্লেখ কৰিলেও বৰ্তমান কোনো ঠাইত মদ অৰ্পণ কৰা দেখিবলৈ পোৱা নাযায়।

কৃষিজীৱী বৰ'সকলে মুখ্যতঃ কৃষিৰ লগত সম্বন্ধ ৰাখিয়েই গাৰজা পূজা দিয়ে। গএজ ৰাইজৰ খেতি-বাতি যাতে ভালদৰে হয়, এনে কামনা কৰিয়ে গাৰজা পূজা দিয়ে। তদুপৰি গএজ ৰাইজৰ মাজত যাতে মাৰি-মৰক বা আপদ-বিপদে দেখা নিদিয়ে, তাৰ বাবেও গাৰজা পূজা দিয়া হয়। এই সংক্ৰান্তত কবিৰাজসকলৰ মন্ত্ৰত উচ্চাৰিত এবাৰ কথা মন কৰিবলগীয়া, সেয়া হ'ল —

'সানজানিহুমাই সীনাব নাবথে

সীনাবনি হুমাই সানজা নাবথে।'

(পূবলৈ বোৱা বেয়া বতাহ পশ্চিমতে বাধা দিব লাগে আৰু পশ্চিমলৈ বোৱা বেয়া বতাহ পূবে বাধা দিব লাগে।)

এই অপদেৱতাবোৰৰ পৰা ৰক্ষা কৰি সুখে-সন্তোষে সংসাৰ চলাই নিবৰ বাবেই বৰ'সকলে গাৰজা দেৱতাৰ পূজা-অৰ্চনা কৰে।

কাৰবি সম্প্ৰদায়ৰ মৃতকৰ সৎকাৰ উৎসৱ চ'মাংকান

ড° গণেশচন্দ্ৰ শৰ্মা ঠাকুৰ

অসমৰ পাহাৰীয়া জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান জনগোষ্ঠী কাৰবিসকলৰ প্ৰধান বাসস্থান কাৰবি আংলং জিলা। ইয়াৰ উপৰি উত্তৰ কাছাৰ পাহাৰ জিলা, নগাঁও, শিৱসাগৰ, কামৰূপ আৰু শোণিতপুৰ জিলাৰ পাহাৰৰ দাঁতি-কাষৰীয়া অঞ্চলত কাৰবি জনবসতি আছে। কাৰবি লোক-সাহিত্যত প্ৰকাশ পোৱা মতে, তেওঁলোক অতীজত কলং আৰু কপিলী নদীৰ পাৰত বাস কৰিছিল, আনকি কাজিৰঙাৰ বনাঞ্চললৈকো কাৰবিসকলৰ বসতি বিস্তাৰ হৈছিল। কছাৰীৰ উপদ্ৰৱত তিষ্ঠিব নোৱাৰি তেওঁলোক পাহাৰীয়া অঞ্চললৈ যায় আৰু এক বুজনসংখ্যক কাৰবিয়ে জয়ন্তীয়া ৰজাৰ আশ্ৰয়ত জয়ন্তীয়াপুৰত থাকিবলৈ লয়। জয়ন্তীয়াপুৰৰ কাষতে কাৰবিসকলৰ নিজৰ ৰাজ্য আছিল। চচেং আৰু নিজৰংখাং কাৰবি ৰাজ্যৰ ৰাজধানী আছিল।

বোধহয় কাৰবিসকলৰ বাহিৰে অসম তথা ভাৰতৰ জনগোষ্ঠীসমূহৰ মাজত মৃতকৰ সৎকাৰ সম্বন্ধীয় অনুষ্ঠানটোৰ কাৰ্যক্ৰমণিকা ইমান বিস্তৃত, আড়ম্বৰপূৰ্ণ, ব্যয়বহুল আৰু কষ্টসাধ্য নহয়। কাৰবিসকলৰ বাহিৰে অন্য জনগোষ্ঠীৰ এনে বিস্তৃত কাৰ্যক্ৰমণিকা অন্য জনগোষ্ঠীৰ দেখা নাযায়। কাৰবিসকলৰ মৃতকৰ সন্দৰ্ভত পাতি অহা অনুষ্ঠানটোকেই চ'মাংকান বোলা হয়। চ'মাংকান শব্দৰ আক্ষৰিক অৰ্থ হ'ল খাচী নৃত্য। কাৰবিসকলে খাচীক চ'মাং বোলে আৰু নৃত্যক কান বুলি কয়। কিন্তু আচৰিত কথা যে খাচীসকলৰ মাজত চ'মাংকান বুলি কোনো নৃত্য নাই। অৱশ্যে খাচীসকলৰ নংক্ৰেম নৃত্য চ'মাংকানৰ 'নিমচ'কিৰুং' নৃত্যৰ মাজত কিছু সাদৃশ্য লক্ষ্য কৰা যায়। অতীজত কাৰবিসকলে মৃতকৰ সৎকাৰ কাৰ্যক আৰ্লেংকাৰ্হি বুলিছিল। আৰ্লেংকাৰ্হি কালক্ৰমত পৰিৱৰ্তন হৈ চ'মাংকান হ'ল যেতিয়া কাৰবিসকলে জয়ন্তীয়াৰ অধীনত কাম কৰিব লগা হৈছিল। জয়ন্তীয়াপুৰত থাকোতে কাৰবিসকলে খাচীৰ পৰা এই নৃত্যটো শিকিছিল আৰু সেইটো মৃতকৰ উদ্দেশ্যে পতা সকামত ব্যৱহাৰ কৰিছিল। নতুনকৈ শিকা এই নৃত্যৰ তাল, লয় আদিয়ে কাৰবিৰ আৰ্লেংকাৰ্হিৰ নৃত্যৰ ওপৰত প্ৰভাৱ পেলায়।

জয়ন্তীয়াসকলে কাৰবিসকলক জোৰ কৰিয়েই খাচী নৃত্য শিকিবলৈ বাধ্য কৰায়। কাৰবিসকলৰ সুখ্যাত বীৰপুৰুষ থংনোক্‌বে জয়ন্তীয়া ৰাজ্যত থাকোতে জয়ন্তীয়া ৰজাই তেওঁৰ কাৰ্যকুশলতাত মোহিত হৈ সেনাধ্যক্ষ পাতিছিল আৰু নোক্‌বে (নক্‌বে) অৰ্থাৎ বীৰ উপাধি প্ৰদান কৰে। থংনোক্‌বেই প্ৰভূত ক্ষমতাৰ গৰাকী হৈ প্ৰয়াত পিতৃৰ সৎকাৰকাৰ্য বৰ ৰাজকীয় মৰ্যাদাৰে পাতি খাচী, জয়ন্তীয়াসকলকো নিমন্ত্ৰণ কৰিছিল। এই সৎকাৰ কাৰ্য্যৰ সকামত কাৰবি খাচী জয়ন্তীয়াই বেলেগে বেলেগে নৃত্য কৰিলে। খাচী নৃত্যই কাৰবি নৃত্যক চেৰ পেলালে, অৰ্থাৎ চমাংসকলৰ নৃত্য শ্ৰেষ্ঠ হ'ল। সময়ত এই আৰ্লেংকাৰ্হি নৃত্য পৰিৱৰ্তিত ৰূপত চ'মাংকান হ'ল। এই নৃত্যৰ উৎস সম্পৰ্কে এটি মন কৰিবলগীয়া কথা হ'ল যে কাৰবিসকলে যমৰজাৰ ৰাজ্যক চোম্ আৰং বা যম্ আৰং বুলিছিল। চোম আৰম হ'ল মৃত্যুৰ গৰাকী আৰু আৰং মানে নগৰ। অতীজত যমনগৰীত বাস কৰা মৃতকসকলৰ উদ্দেশ্যে অনুষ্ঠিত কৰা নৃত্যৰ অনুষ্ঠানটোক চোম্ আৰংকান্ বা চুম আৰংকান্ বুলিছিল। পিছলৈ জয়ন্তীয়াৰ প্ৰভাৱত নৃত্যৰ নাম হ'লগৈ চ'মাংকান।

আন এক কিংবদন্তি মতে, কাৰবিৰ প্ৰখ্যাত যোদ্ধা আৰু সমাজ সংস্কাৰক থিৰেংভৰেঙৰ লগত যমৰজাৰ মিতিৰ সম্পৰ্ক আছিল (থিৰেংভৰেঙে যমৰজাৰ জীয়েকক বিয়া কৰাইছিল।) আৰু সেই সূত্ৰেই যমৰজাই পালন কৰা 'কান' বা অকান' নৃত্য উপভোগ কৰিবলৈ সুযোগ পাইছিল। তেৱেঁই কাৰবিসকলৰ মৃত্যুতিথিত 'চম্ অকান' পত্তা নিয়মৰ প্ৰচলন কৰিলে। 'চ'ম অকান্'ৰ পৰা চ'মাংকান হৈছে বুলি ঠাৱৰ কৰিব পাৰি।

সাধাৰণতে চ'মাংকান উৎসৱলৈ ওচৰৰ কাৰবি গাঁৱৰ লোকক নিমন্ত্ৰণ কৰা হয়। ওচৰৰ গাঁৱৰ পৰা অহা দলক কাৰবি ভাষাত চম্‌ফাং বোলে। বেলেগ বেলেগ দলৰ সমূহীয়া নৃত্য-অনুষ্ঠানক চমফাংকান বোলা হৈছিল। কালক্ৰমত চম্‌ফাংকানৰ 'ফ' লোপ পাই চ'মাংকান হ'ল বুলি বহুতে ধাৰণা কৰে।

চাৰিদিনীয়াকৈ কাৰবিসকলে এই চ'মাংকান উৎসৱ পাতে। এই চ'মাংকান উৎসৱলৈ ওচৰৰ গাঁৱৰ মুনিহ-তিৰোতা সকলো আহে। লগত আহে একোটিকৈ নৃত্যৰ দল। এইসকলক উৎসৱৰ আটাইকেইদিন শুশ্ৰূষা কৰিবৰ কাৰণে প্ৰচুৰ চাউল, শাক-পাচলি, মদ, গাহৰি আদি যোগাৰ কৰিব লগা হয়। গতিকে যিখন গাঁৱত চ'মাংকান উৎসৱ হয়, সেই গাঁওখনৰ তথা উৎসৱৰ কেন্দ্ৰবিন্দু মৃতকৰ পৰিয়ালৰ দায়িত্ব অসীম। মুকলি পথাৰত ৰভা দি ৰাইজৰ থকা-খোৱাৰ ব্যৱস্থা কৰে। এই উৎসৱৰ মুখ্য লোক হ'ল 'উচেপী' আৰু 'দুইহুদী'। 'উচেপী'গৰাকী বৃদ্ধা বা বয়সস্থা মহিলা আৰু তেওঁৰ প্ৰধান কাম হ'ল মৃতকৰ উদ্দেশ্যে ভাত ৰন্ধা আৰু চাৰিওদিন মৃতকৰ তথা মৃতকৰ পৰিয়ালৰ গুণানুকীৰ্তন কৰি উচুপি উচুপি কন্দা। মৃতকৰ উদ্দেশ্যে ৰন্ধা ভাত তেৱেঁই উছৰ্গা কৰিব লাগে। 'দুইহুদী' হ'ল ঢোল বাদক। সাধাৰণতে দুজন 'দুইহুদী' থাকে। এজন মুখ্য আৰু আনজন পালি। তেওঁলোকেও এই উৎসৱৰ আৰম্ভণিৰ পৰা শেষলৈকে বিভিন্ন কাৰ্যসূচীত খাপ খোৱাকৈ ঢোল বজায়। এই উৎসৱত মৃতকৰ মাতৃপক্ষৰ লোকসকলে প্ৰধান ভূমিকা লয়।

কহ কেহুম্ ঃ

চ'মাংকান উৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচী মতে, মৃতকৰ আত্মাক শ্মশান (টিপিট)ৰ পৰা মৃতকৰ ঘৰলৈ অনা হয়। ৰাতিপুৱাই 'উচেপী'ৰ সৈতে পৰিয়ালৰ লোকসকল শ্মশানলৈ যাত্ৰা কৰে।

দলটোৰ আগত 'দুইহুদী'য়ে ঢোল বজাই যায়। যাত্ৰাৰ আৰম্ভণিতে উচেপীয়ে মৃতকৰ আত্মাক ঘূৰি আহিবলৈ প্ৰাৰ্থনা জনায় কান্দোনৰ সুৰেৰে। উচেপীয়ে তেওঁৰ লগত নিয়ে মৃতকৰ উদ্দেশ্যে ৰন্ধা ভাত-আঞ্জা (অঞ্জাম্)। দলটো টিপিটত উপস্থিত হৈ মৃতকৰ শৱ দাহ কৰা ঠাইত এটা সৰু গাঁত কৰি তাতে এটা কড়ি থয়। কড়িটোৱে মৃতকৰ আত্মাক প্ৰতিনিধিত্ব কৰে বুলি বিশ্বাস। পৰিয়ালৰ মুৰব্বীজনে এটা কণী তিনিডোখৰ কৰি তিনিটা দিশলৈ দলিয়াই দিয়ে আৰু এটা সাদিন বয়সৰ কুকুৰা-পোৱালি বলি দিয়ে। অলপ সময়ৰ পাছত পৰিয়ালৰ মুৰব্বীজনে ঢোলৰ ছেৱে ছেৱে হাতত এখন দা লৈ, এবাৰ ওপৰলৈ এবাৰ তললৈ নিয়ে আৰু পুতি থোৱা কড়িটো দাৰে উলিয়াই আনে। এই কাম কৰা লোকজনক 'টিৰিকাম' বোলা হয়। এগৰাকী বৃদ্ধাই লগত নিয়া ক'লা কাপোৰখন মাটিত পাৰি দিয়ে আৰু কড়িটো সাৱধানে মেৰিয়াই এটা টোপোলা কৰি থয়। তাৰপাছতে উচেপীয়ে নিয়া ভাত, আঞ্জা (অঞ্জাম্) মৃতকৰ উদ্দেশ্যে (কড়িৰ সন্মুখত) আগবঢ়ায়। অঞ্জামত সাধাৰণতে ঘৰুৱা মদ (হৰলাং), ভাত, আঞ্জা, তামোল-পাণ আদি থাকে। উচেপীয়ে এখন কলপাতত উচৰ্গা কৰা সামগ্ৰীখিনি তুলি লয় আৰু শ্মশানত উপস্থিত সকলোৱে মৃতকৰ উদ্দেশ্যে সেৱা আগবঢ়ায়। ইয়াক 'বানটা' বোলে। কোনো কোনোৱে 'বানটা'ত টকা-পইচাও দিয়ে। উচেপীয়ে নিয়ম অনুসৰি অঞ্জাম্ আগবঢ়াওঁতে দুজন ডেকাই ঢাল-তৰোৱাল লৈ নৃত্য আৰম্ভ কৰে। উচেপীয়ে কান্দি কান্দি কয়, 'হে অশৰীৰী অমুকৰ আত্মা, চ'মাংকান উৎসৱ উপলক্ষে তোমালৈ "অঞ্জাম" আগবঢ়াইছো। তোমাৰ কাৰণে এটি বিশেষ নৃত্যৰো আয়োজন কৰিছো। অনুগ্ৰহ কৰি মৰ্ত্যলৈ আহা আৰু নৰমনিষৰ লগত থাকাহি।' প্ৰথমদিনা এই নৃত্য শ্মশানত অনুষ্ঠিত কৰিব নোৱাৰিলে বা নহ'লে অনুষ্ঠিত কৰিব নোৱাৰে, এই সময়ছোৱাত উচেপীয়ে উচুপি উচুপি কান্দি ৰয়।

শ্মশানৰ কাম শেষ হ'লে মৃতকৰ মোমায়েকৰ পৰিয়ালৰ মহিলাই উপৰোক্ত কড়িৰ টোপোলাটো ঘৰলৈ আনে। ঘৰ সোমোৱাৰ আগতে এই কড়িৰ টোপোলাটো গাঁৱৰ মূৰৰ 'বন্‌জাৰ'ত ৰাখে। এই ঠাইত মৃতকৰ আত্মাই জিৰণি লয় বুলি বিশ্বাস কৰে। এই ঠাইৰ নাম 'হংথোৰ'। এই ঠাইতো 'টিপিট'ৰ দৰেই পূজা হয় আৰু ডেকাসকলে হাতত ঢাল-তৰোৱাল লৈ নাচে। শ্মশানযাত্ৰীক এই ঠাইতে চিৰা খাবলৈ দিয়া হয়। এই কাৰ্যসূচীৰ অন্তত 'হংথোৰ'ৰ পৰা কড়িৰ টোপোলাটো মৃতকৰ ঘৰলৈ আনি খেৰেৰে সজা মৃতকৰ প্ৰতিকৃতিৰ মাজত সুমুৱাই ৰাখে। অলপ সময়ৰ পাছত কড়িৰূপী আত্মা অসুস্থ হৈ পৰে বুলি বিশ্বাস কৰি উপাস্য দেৱতাৰ উদ্দেশ্যেৰে পূজা আগবঢ়ায়। বয়সস্থ পুৰুষ-মহিলাই আলোচনাত বহে আৰু কি কৰিলে অসুস্থ হৈ পৰা আত্মাক ভাল কৰিব পাৰি আলচ কৰে। কিন্তু একোৱেই মৃতকৰ আত্মাক আৰোগ্য কৰিব নোৱাৰে আৰু মৃত ব্যক্তিৰ এইবাৰ দ্বিতীয় মৃত্যু হ'ল বুলি ধৰি লয়। ইয়াৰ পাছত এজন ব্যক্তিৰ মৃত্যুৰ পৰা শ্মশানৰ শৱ দাহলৈকে কৰা গোটেইখিনি প্ৰক্ৰিয়া এই আত্মাৰ দ্বিতীয় মৰণৰ ক্ষেত্ৰত কৰিব লগা হয়। ইতিমধ্যে উচেপীৰ কান্দোনৰ শব্দ তীব্ৰ হৈ উঠে।

পিচ'পাওৰি বা আদামাচাৰ ঃ

উল্লেখযোগ্য যে কাৰবি সমাজত যদিহে মৃত ব্যক্তিগৰাকী অবিবাহিত হয় তেন্তে এই চ'মাংকান উৎসৱত এখন ভুৱা বিবাহ পাতি লোৱাটো নিয়ম। এই বিবাহ শ্মশানৰ পৰা আত্মা ঘৰলৈ অনাৰপাছত অনুষ্ঠিত কৰা হয়। ইয়াক 'পিচ'পাওৰি' বোলে। মহিলাসকলৰ কিছুমানে ওচৰৰ গাঁৱলৈ যায় আৰু বৰ চিন্তাগ্ৰস্ত হৈ ঘূৰি আহে। এই মহিলাৰ দলটোৱে মৃত ব্যক্তিৰ খবৰ আনিবলৈ যোৱা যেন দেখুৱায় আৰু ঘূৰি আহি কয়হি যে মৃত ব্যক্তিৰ আত্মাটো আনিব পৰা নহ'ল। এই বিষয়ে পুনৰ প্ৰশ্ন সুধিলে কয় যে

আত্মাই বৰ ডাঙৰ অসুখত ভুগিছে। পুনৰ কৰা প্ৰশ্নৰ উত্তৰত মহিলাৰ দলটোৱে কয় যে আত্মাটো আৰু জী উঠিবৰ আশা নাই। তেতিয়াই মৃত ব্যক্তিৰ ডাঙৰ মোমায়েক (ওংনিহ) সোমাই আহি জনায়হি যে তেওঁৰ ভাগিনী এই মাত্ৰ মৰিল। সমবেত ৰাইজে খেৰৰ দৰা-কন্যাৰ জুমুঠি সাজি ভুৱা বিবাহ পাতে। সেই বিবাহক 'আদামাচাৰ' বোলে।

ওপৰত উল্লেখ কৰা আত্মাৰ দ্বিতীয় মৃত্যুৰ পাছত খেৰৰ জুমুঠিটো গৰম পানীৰে ধুৱায় আৰু নতুন কাপোৰেৰে মেৰিয়ায়। তাৰপাছত জুমুঠিটো ভিতৰৰ কোঠালৈ নি মাটিত বাঁহৰ ঢাৰি এখন পাৰি শুৱাই থয়। এখন বগা কাপোৰেৰে মূৰৰ পৰা ভৰিলৈকে ঢাকি ৰাখে। মূৰৰ কাষতে এখন বিচনীও ৰাখে। বিচনীৰ ওচৰতে মূৰৰ ফালে দুটা 'মিথংৰাং' আৰু ভৰিৰ ফালে দুটা 'মিথংৰাং' ৰাখে। এই 'মিথংৰাং' হ'ল বগা, ৰঙা আৰু ক'লা সূতাৰে দুডাল বাঁহৰ শলাৰে পূৰণ চিনৰ নিচিনাকৈ বান্ধি থোৱা এটা গোটা পদাৰ্থ। এই 'মিথংৰাং' প্ৰকৃততে দুখন দুৱাৰ। মূৰৰ ফালে স্বৰ্গৰ দুৱাৰ আৰু ভৰিৰ ফালে পৃথিবীৰ দুৱাৰ। উচেপীয়ে খোৱা-বোৱা কৰি মৃতকৰ বাবে 'অপ্ৰাম্' তৈয়াৰ কৰি তামোল-পাণ আৰু হৰলাঙেৰে সৈতে উচৰ্গা কৰি কান্দে। কান্দি কান্দি মৃতকৰ জীৱিত কালৰ ভাল গুণবোৰৰ কথা কয়। মৃতকে যাতে 'যম আৰেঙ'ত স্থান লাভ কৰিব পাৰে তাৰ বাবে প্ৰাৰ্থনা কৰে। মন কৰিবলগীয়া যে উচেপীয়ে মৃতকৰ গুণ বখানি কান্দি থাকোতে ডেকাসকলে 'কাপাএৰ্'ৰামৰ যৌন সংগম সম্পৰ্কীয় গীত গায়, যাৰ অৰ্থ কলমেৰে প্ৰকাশ কৰা সম্ভৱ নহয়। এনে ধৰ্মীয় সামাজিক অনুষ্ঠানৰ লগত এই যৌনধৰ্মী গীতৰ সমাৱেশ কেনেকৈনো হ'ল সেয়াও বুজাৰ বাবে কঠিন বিষয়।

চ'মাংকানৰ দ্বিতীয় দিনা অৱশ্যে বৰ বিশেষ কাৰ্যসূচী নাথাকে। চতুৰ্থ দিনৰ সকামৰ কাৰণে এই দিনা শ্মশানৰ এটা চুকত দুখন দুৱাৰ থকা 'মেহাৰ হেম্ কিম' ঠাইখিনি (স্থান) চাফ্-চিকুণ কৰে। শ্মশানৰ 'মানদুচা' ঘৰটো সাজি উলিয়ায়। ওপৰত উল্লেখ কৰা 'মিথংৰাং' দুডাল এই ঘৰটোৰ দুখন দুৱাৰত ৰাখে। সন্মুখৰ দুৱাৰত এচটা চেপেটা শিল ৰাখে। মৃতকে এই ঘৰটো সিপুৰীলৈ লৈ যায় বুলি কাৰবি সমাজত বিশ্বাস কৰে কাৰণে কাৰবিসকলে 'মানদুচা'ৰ পাছফালৰ দুৱাৰখনৰ ওচৰত খেতিৰ সঁজুলি (ফাৰলোংগে) ৰাখে। উচেপীয়ে মাজে মাজে ৰীতিমতে তেওঁৰ কন্দাৰ কাম কৰি থাকে। দ্বিতীয় দিনা ডেকা-গাভৰুৱে 'চ'মাংকান'ৰ কিছুমান সৰু সৰু নৃত্য পৰিৱেশন কৰে। কাৰণ পিছৰ দুদিনত সেই নৃত্যবোৰ কৰিব পৰা নাযায়। গধূলি 'ৰিচ'মাৰৰ (ডেকাসকলৰ সমাজ সেৱা অনুষ্ঠান) উদ্দেশ্যে এজনী কুকুৰা বলি দিয়া হয়।

চ'মাংকানৰ তৃতীয় দিনটো উৎসৱৰ প্ৰধান দিনৰূপে পৰিলক্ষিত হয়। ৰাতিপুৱাই মৃতকৰ সম্বন্ধীয় লোকসকলে 'দুইহুদী'ৰ সৈতে মুকলি পথাৰলৈ যায় আৰু শ্মশানৰ 'লাংটুক' (কুঁৱা)ৰ কাৰণে পাঁচডাল বাঁহ কাটে। মৃতকৰ শহুৰৰ ঘৰৰ লোকেহে এই বাঁহ কটা নিয়ম। 'দুইহুদী'ৰ ঢোলৰ ছেৱে ছেৱে বাঁহত ঘাপ দিয়ে আৰু কটা হ'লে বাঁহকেইডাল শ্মশানলৈ নিয়ে। বাঁহ কটাৰ আগতে ৰিচ'মাৰৰ উদ্দেশ্যে এজনী কুকুৰা বলি দিয়া হয়। দুপৰীয়া মৃতকৰ ঘৰৰ পৰা শ্মশানৰ লাংটুক থকা ঠাইলৈ পৰিয়াল আৰু বংশ-কুটুম্বৰ বয়সস্থ লোকৰ যাত্ৰা আৰম্ভ হয়। ডেকাসকলে বয়সস্থ লোকসকলৰ আগে আগে 'জাম্বেলি আথন্'লৈ যাত্ৰা কৰে।

'জাম্বেলি আথন্' চ'মাংকান উৎসৱৰ এক অত্যাৱশ্যকীয় শিল্পকৰ্ম। প্ৰায় ৭ফুট ওখ এডাল কাঠ পাতল ৰূপৰ থাল আৰু কড়িৰে সজোৱা হয়। কাঠৰ ওপৰফালে চাৰিডাল কাঠৰ শলা লগোৱা

হয়। প্ৰধান খুঁটাটোক 'আথন্' বোলে আৰু শলা চাৰিডালক 'জাম্বেলি' বোলা হয়। আথনৰ মূৰত এটি কাঠৰ চৰাই (ৰঝাৰ) সুন্দৰভাৱে সজোৱা হয়। কাষত দুটা চৰায়ো সজাই দিয়া হয়। শলাকেইডালৰ মূৰত কাঠৰ 'ওৰফৰেলী' নামৰ সৰু সৰু চৰাই সজাই তোলা হয়। 'জাম্বেলি আথন'ক কাৰবি সমাজে অত্যন্ত শ্ৰদ্ধা কৰে। অৱশ্যে সকলো অনুষ্ঠানত ইয়াক ব্যৱহাৰ নকৰে। প্ৰতিখন কাৰবি গাঁৱতে 'জাম্বেলি আথন' প্ৰায়ে নাথাকে। উৎসৱৰ শেষত এই জাতীয় সম্পদটিক কাৰবি সমাজে স-সন্মানেৰে কাপোৰেৰে মেৰিয়াই ৰাখে।

পূৰ্বতে উল্লেখ কৰা হৈছে যে 'লাংটুক'ৰ সন্মুখতে মৃতকৰ খেৰৰ জুমুঠি থাকে আৰু তৃতীয় দিনা শ্মশান যাত্ৰাৰ পূৰ্বেই এই জুমুধিত পোছাক পিন্ধোৱা হয়। মৃতকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী কাষতে ৰখা হয়। তদুপৰি ৰঙা, বগা, ক'লা সূতাৰ চকৰি আৰু এটা লোটা (লাংডুং) ৰাখে। শ্মশান পোৱাৰ পাছত মহিলাসকলে হৰলাং, তামোল-পাণ মৃতকৰ উদ্দেশ্যে আগবঢ়ায়। উচেপী আৰু আন মহিলাসকলে 'কাচাৰহে আবাং' (বেজাৰৰ গীত) গায়। ইতিমধ্যে ডেকাসকলে 'লাংটুক'ত বাঁহ পোতে। আটাইতকৈ ওখ বাঁহডালক 'পিৰচিক্পি' বোলে আৰু এইডাল কুঁৱাৰ মাজত পোতা হয়। আন চাৰিডাল বাঁহক 'পিৰচিক্চ' বোলে আৰু 'লাংটুক'ৰ চাৰিওফালে পুতি ৰাখে। মাজত ডাঙৰ ফুটা কৰা এখন বগা কাপোৰ 'লাংটুক'ৰ ওপৰত পাৰে। এই কাপোৰখনত থকা ডাঙৰ ফুটাটোৰেদি বলি দিয়া কুকুৰা, গাহৰি 'লাংটুক'ৰ গাঁতলৈ পেল্যবলৈ সুবিধা হয়।

তৃতীয় দিনৰ এই উৎসৱলৈ ওচৰৰ কাৰবি গাঁৱৰ দলক (চোম্ফাং) নিমন্ত্ৰণ কৰিব লাগে আৰু গাঁৱৰ দলবিলাক আহি বাদ্যযন্ত্ৰৰে নিৰ্দিষ্ট সময়ত উপস্থিত হয়হি। প্ৰথমতে 'চাম্চিনাং' নৃত্য হয়। এই নৃত্যক দুটা ভাগত ভাগ কৰা হয়। 'চাম্চ'কেদাম্' আৰু 'চোম্পিকেদাম'। প্ৰথমবিধ নৃত্যত কমপক্ষেও দুটা ঢোল থাকিব লাগে। কাঠৰ ঢাল আৰু তৰোৱাল লৈ এই নৃত্য কৰা নিয়ম। যিখন গাঁৱত চ'মাংকান পাতে সেইখনেই প্ৰথমে নৃত্য পৰিৱেশন কৰাৰ সুযোগ পায়। মূলতঃ অপদেৱতাবিলাকক নিৰ্মূল কৰিবলৈকে এই নৃত্যৰ আয়োজন কৰে। ইয়াৰ পাছত ওচৰৰ গাঁৱৰ নিমন্ত্ৰিত দলবিলাকে ইটোৰ পাছত সিটো দলে নৃত্যত অংশ গ্ৰহণ কৰে। 'চোম্পিকেদাম্' নৃত্যত বহুত ঢোল ব্যৱহাৰ কৰা হয়। ইয়াৰ পাছত ঢোল ননা দলবিলাকৰ নৃত্য হয়।

'চ'ম্চিংনাম্' নৃত্যৰ পাছত 'নিম্চ'কিৰুং' নৃত্য হয়। এই নৃত্যত সমান সংখ্যক ডেকা-গাভৰুৱে বৃত্তাকাৰে নাচে। একে গাঁৱৰ ডেকা-গাভৰুৱে এই নৃত্যত ভাগ নলয় কাৰণ কাপাএৰ গীতবোৰ অত্যন্ত অশ্লীল আৰু যৌনোদ্দীপক। নৃত্য কৰোতে গাভৰুসকলে মুখবোৰ কাপোৰেৰে ঢাকি লয়। ৰংখাং অঞ্চলত এই নৃত্য কেৱল অবিবাহিতৰ কাৰণেহে মুকলি ৰাখে। গোটেই ৰাতি নৃত্য-গীত চলি থাকে।

'চ'মাংকান'ৰ চতুৰ্থ তথা শেষৰ দিনটোৰ নাম 'ৰংকেথন্'। ইয়াৰ অৰ্থ হ'ল মৃতকৰ জুমুঠি সন্মান সহকাৰে 'টিপিটি'লৈ নিয়া। এই উদ্দেশ্যে সজা দোলা এখনত জুমুঠি শ্মশানলৈ নিব লাগে। ইতিমধ্যে চোমফাংসকল গোটেই ৰাতি নৃত্য কৰি ৰাতিপুৱা মৃতকৰ ঘৰত গোট খায়। বয়সস্থসকলে চোতালত মচিৰাকহিৰ' স্তোত্ৰ পাঠ কৰে। এই স্তোত্ৰবিলাকত কাৰবিসকলৰ উৎপত্তি, কিংবদন্তি, সামাজিক ৰীতি-নীতি আদিৰ বিৱৰণ থাকে। কেৱল মৃতকৰ সকামতহে এই স্তোত্ৰ পাঠ কৰা হয়। এফালে এই কাৰ্যসূচী চলি থাকে, আনফালে উচেপীয়ে তেওঁৰ কন্দাৰ দায়িত্বও পালন কৰি থাকে।

আবেলি 'ফাক্ অংটুৰে চ'লাং' নামৰ এক ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰে। গাঁৱৰ গাঁওবুঢ়াই

এই অনুষ্ঠানৰ গুৰি ধৰে। উৎসৱ উপলক্ষে এটা গাহৰি বধ কৰে আৰু মাংসখিনি বিভিন্ন ফৈদৰ লোকৰ মাজত ভাগ কৰি দিয়ে ইয়াক 'সেৰ্ আৰন' বোলা হয়। গাহৰিৰ মাংস বিতৰণত কিবা দোষ-ত্ৰুটি হৈছে বুলি ভাবি গৃহস্থই ৰাইজক ক্ষমা প্ৰাৰ্থনাও কৰা দেখা যায়। ইয়াক 'মুচাৰা সিংকি' বোলে। এই কাৰ্যক্ৰমৰ শেষত 'ৰিচমাৰ'ৰ ডেকাসকলে 'ৰংচাম্ কেদাম্' নামৰ এক পূজাৰ আয়োজন কৰে। এই পূজাৰ দ্বাৰা তেওঁলোকে 'বনজাৰ' বাঁহকেইডাল গৃহস্থৰ চোতাললৈ অনাৰ অধিকাৰ লাভ কৰে। মৃতকৰ জুমুঠি কঢ়িওৱা দোলাখন গৃহস্থৰ ঘৰত তৈয়াৰ কৰা হয়। এই দোলা চাৰিজন ডেকাই কঢ়িয়াই নিব পাৰে। গধূলিৰ আগে আগে 'ৰিচমাৰ'ৰ ডেকা চাৰিজনে দোলাখন কান্ধত লৈ ঘৰটোৰ চাৰিওফালে তিনিবাৰ প্ৰদক্ষিণ কৰে। এটা কুকুৰা, এটা কুকুৰা পোৱালি আৰু এটা কণী প্ৰতিজন মৃত ব্যক্তিৰ বাবে বেলেগে বেলেগে লৈ দোলা কঢ়িওৱা ডেকাকেইজনে 'বনজাৰ' থকা ঠাইলৈ যাত্ৰা কৰে। লগত নিয়া কুকুৰাটো বলি দি তেজখিনি বনজাৰত তিনি ঠাইত ছটিয়াই দিয়ে। ইয়াৰ পাছত কুকুৰা-পোৱালিটো বলি দি তদ্ৰূপ কাৰ্য সমাপন কৰে। কণীটো দুডোখৰ কৰি এডোখৰ এখন কলপাতত থয় আৰু আনডোখৰ এটা খৰাহিত থৈ 'বনজাৰ'ৰ ওপৰত ওলোমাই ৰাখে। কুকুৰাৰ মাংসখিনি জুইত সেকি ডেকাসকলে খায়।

এইদৰে বলি দিয়া মাংস খাই উঠি ডেকাসকলে 'বনজাৰ কেকান' নৃত্যৰ কাৰণে বাঁহৰ সাঁ-সঁজুলি আদিৰে দোলাখন মৃতকৰ ঘৰলৈ আনে। চোতালত পুতি ৰখা 'পিৰচিক' (এডাল পাত থকা দীঘল বাঁহ) ডালৰ কাষতে 'বনজাৰ'ৰ বাঁহকেইডাল ৰাখে। চোমফাংসকলে অনা 'জাম্বেলি আথন'খিনি এই 'পিৰচিক'ৰ কাষত ৰাখে। 'পিৰচিক'ত 'বনজাৰ' খুঁটা আৰু 'জাম্বেলি আথন' ৰখা কাম শেষ হোৱাৰ লগে লগে 'ৰংচাম্ কেদাম' অনুষ্ঠানৰ সামৰণি পৰে।

'ৰংচাম্ কেদাম' শেষ হোৱাৰ লগে লগে 'বনজাৰ কেকান' নৃত্য আৰম্ভ হয়। এই নৃত্যত ডেকাসকলে অংশ গ্ৰহণ কৰে। 'বনজাৰ কেকান্' নৃত্য চাৰি খলপীয়া আৰু নৃত্যৰ ভঙ্গিমা প্ৰতি খলপাতে বেলেগ বেলেগ। এই নৃত্যৰ শেষত চোমফাংসকলে 'পিৰচিক'ৰ পৰা জাম্বেলি আথন্খিনি আনি নিজৰ লগত ৰাখে।

মৃতকক শেষবাৰৰ কাৰণে ভোজন কৰোৱাৰ ব্যৱস্থা কৰে। কাচোলে অনুষ্ঠানত ভাত, শাকৰ ব্যঞ্জন, হৰলাং আদি পোন্ধৰখন কলপাতত আৰু পোন্ধৰটা বাঁহৰ চুঙাত আগবঢ়ায়। পূৰ্বতে উল্লেখ কৰা দোলাখন চোতালত সাজু কৰি ৰাখে। গৃহস্থ আৰু চোমফাঙে মৃতকৰ উদ্দেশ্যে দিয়া সামগ্ৰী মৃতকৰ খেৰৰ জুমুধিৰ ওচৰৰ পৰা আনি এখন ডাঙৰ কাপোৰেৰে মেৰিয়াই টোপোলা কৰে। ইতিমধ্যে ডেকাসকলে মৃতকৰ জুমুঠিটো আনি দোলাত ৰাখেহি আৰু চাৰিজন ডেকাই দোলাখন লৈ অন্য মৃতকৰ সম্বন্ধীয় লোকসকলৰ লগত শ্মশানলৈ যাত্ৰা কৰে। শ্মশানযাত্ৰীৰ দলটোৰ নেতৃত্ব দিয়ে 'দুইহুদী'য়ে। সম্বন্ধীয় লোকসকলৰ কোনোৱে বনজাৰৰ বাঁহ আৰু কোনোৱে বগা আৰু ৰঙা কাপোৰ লয়। অন্য সম্বন্ধীয় লোকৰ এজনে হাঁহ, এজনে পাৰ আৰু আন এজনে মাইকী ছাগলী এজনী লয়। এই পাৰ, হাঁহ আৰু ছাগলী বলি দিবৰ কাৰণে নিয়া হয় আৰু বলি দিয়া পাৰ আদিৰ মৃত্যুৰ ধৰণ-কৰণ আদিৰ পৰা মঙ্গল-অমঙ্গল ঠাৱৰ কৰে। শ্মশান পোৱাৰ পাছত দোলাখন চিতাৰ খৰিৰ দ'মটোৰ কাষত ৰাখে। ছাগলী-মাংস ৰান্ধি শৱযাত্ৰীক আপ্যায়ন কৰা হয়। উচেপীয়ে উৎসৱৰ দ্বিতীয় দিনা তৈয়াৰ কৰা 'মান্দুচ'টো সাৰি-পুচি চাফা কৰে। ডেকাসকলে দোলাৰ পৰা মৃতকৰ জুমুঠি উলিয়াই চিতাৰ ওপৰত ৰাখে। শ্মশানৰ একোণত কুকুৰাৰ মাংসৰে ভাত ৰান্ধে আৰু মৃতকলৈ বাঁহৰ চুঙাত আহাৰ অৰ্পণ কৰে।

ইয়াৰপাছত জুমুঠিত অগ্নি সংযোগ কৰা হয় আৰু জুই জ্বলি শেষ হ'লে ৰাইজ ঘৰাঘৰি যায়।

চ'মাংকান উৎসৱৰ সফলতা বিফলতা নির্ণয় কৰিবলৈ উচেপী বা এগৰাকী বৃদ্ধাই বাঁহৰ চুঙাকেইটামান লৈ জ্বলি থকা চিতাৰ চাৰিওদিশে দলিয়াই দিয়ে। চিতাৰ জুই শেষ হ'লে এই চুঙাকেইটা বিচাৰি যায় আৰু পালে মঙ্গল আৰু নেপালে চ'মাংকান সফল নহ'ল বুলি বিশ্বাস কৰে। মৃতকৰ মৃত্যুৰ ধৰণ সম্পৰ্কে জানিবলৈ উচেপীয়ে মৃতকৰ ঘৰৰ জুইশালখনৰ ছাঁই ৰাতি এটা পাত্ৰৰে ঢাকি থয় আৰু ৰাতিপুৱা সেই ছাঁইখিনিত ভৰিৰ খোজৰ চিন দেখিলে স্বাভাৱিক মৃত্যু নে যাদুমন্ত্ৰ কৰি ঘটোৱা মৃত্যু জানিব পাৰে।

টোকা ঃ প্ৰবন্ধটি যুগুত কৰোতে বুদ্ধীন্দ্ৰ নাথ বৰদলৈৰ *'চ'মাংকান' (Chomangkan, the Death Ceremony Performed by the Karbis)* গ্ৰন্থৰ সহায় লোৱা হৈছে।



মিছিংসকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান

ডাঃ নোমল পেগু

ভৈয়ামবাসী মিছিংসকলে যোৱা কেইবাশতিকাজুৰি অসমৰ অন্যান্য সমাজৰ লগতে ৰঙালী বিহু, মাঘ বিহু আনকি ঠাইবিশেষে কাতি বিহুও পালন কৰি আহিছে। তত্ৰাচ, তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যপূৰ্ণ সামাজিক-সাংস্কৃতিক উৎসৱসমূহো আড়ম্বৰপূৰ্ণ আয়োজনেৰে আৰু অফুৰন্ত ৰং-ৰহইছেৰে উদ্‌যাপন কৰি আহিছে। তেনে সামাজিক তথা সাংস্কৃতিক উৎসৱৰ ভিতৰত 'আলি আয়ে লৃগাং' আৰু 'পঃৰাগ্' উৎসৱেই প্ৰধান। মিছিং সমাজৰ মিদাং তথা যথাৰীতি বিয়া অনুষ্ঠানো একৰকমৰ উৎসৱ বুলিয়েই ক'ব পাৰি।

বছৰৰ আৰম্ভণিতে প্ৰথম ধানৰ সঁচ পথাৰত সিঁচিবৰ সময়ত 'আলি আয়ে লৃগাং' আৰু খেতি চপোৱাৰ শেহত 'পঃৰাগ' উৎসৱ পালন কৰে। এই দুটি অনুষ্ঠানেই অন্ন তথা শস্য উৎপাদনৰ লগত সম্পৃক্ত আৰু এই দুয়োটা অনুষ্ঠানৰ আৰম্ভণি বহু পুৰণি। মিচিংসকলৰ কিম্বদন্তি আৰু মহাচীনৰ পুৰণি ইতিহাসতো ইয়াৰ উল্লেখ পোৱা যায়।

কিম্বদন্তিৰ মতে অতীজতে পৌদং আনী সন্তান তানি তথা আবুতানিয়ে দঞিৰ জীয়েক য়াচীক বিয়া কৰাইছিল। এবাৰ পৃথিৱীত আকাল পৰি মানুহৰ বৰ কষ্ট হৈছিল। পৰিত্ৰাণৰ উপায় বিচাৰি আবুতানিয়ে দঞিৰ ওচৰলৈ যাওঁতে বাটত শস্যৰ অধিকাৰী দেৱী 'কঃজীয়াংগ'ক লগ পালে। আবুতানিৰ মুখত পৃথিৱীৰ মানুহৰ দুৰ্গতিৰ বাতৰি পাই 'কঃজীয়াংগ'ই দুখ প্ৰকাশ কৰিলে আৰু আবুতানিৰ হাতত এমুঠি ধান দি পথাৰত কেনেকৈ সিঁচিব তাক পৰিপাটিকৈ বুজাই পৃথিৱীলৈ ঘূৰাই পঠালে। লগতে ক'লে—'পথাৰত ধান সিঁচি পাঁচদিনলৈ পথাৰলৈ কোনো যাব নেলাগে।' পৃথিৱীলৈ ঘূৰি আহি কথামতেই আবুতানিয়ে ধানখিনি সিঁচি পাঁচদিনলৈ কোনো নগ'ল। পিছে, পাঁচদিনৰ মূৰত পথাৰলৈ গৈ দেখে এজনী কপৌ চৰায়ে ধান খাই নিঃশেষ কৰিলে। মনৰ দুখত আবুতানিয়ে হুৱাওৱাৰে কান্দিবলৈ ধৰাত হাবিৰ পৰা এগৰাকী বনদেৱতা ওলাই আহি ধনু-কাঁড়েৰে কপৌজনী বধ কৰিলে আৰু মৰা কপৌজনীৰ

টোটোলাত ভৰি থকা ধানখিনি উলিয়াই পুনৰ পথাৰত সিঁচিবলৈ আবুতানিক পৰামৰ্শ দিলে। লগতে ক'লে—'এইবাৰ ধান খেতি নদনবদন হ'ব। কিন্তু ধান চপাই কৃতজ্ঞতাস্বৰূপে "কংজীয়াংগ" আৰু "দঞিপল"ৰ নামত পূজা এভাগ দিবলৈ নাপাহৰিবা।' কথামতেই আবুতানিয়ে নতুন উদ্যমেৰে মাটি চহাই পথাৰত ধান সিঁচিলেগৈ। সঁচাকৈয়ে এইবাৰ পথাৰসমূহ শস্যৰে ভৰি পৰিল। ধান চপোৱাৰ পাছত মানুহৰ মন আনন্দেৰে ভৰপূৰ হ'ল। বনদেৱতাৰ কথা মনত পেলাই কংজীয়াংগৰ নামত এটি সমজুৱা পূজা উৎসৱৰ আয়োজন কৰিলে। পূৰ্বৰ পৰামৰ্শমতে গাঁৱৰে কথাই-কামে পাৰ্গত লোক এজনক য়ুংগৃং তথা পুৰোহিত পাতি অতি আড়ম্বৰেৰে তিনিদিন ধৰি উৎসৱ পালন কৰিলে। সেইদিন ধৰি পৃথিৱীত শস্য নদনবদন হ'লগৈ। কিম্বদন্তিত কোৱামতে উপৰিউক্ত পৰিঘটনাৰ ফলশ্ৰুতিৰূপে খেতি চপোৱাৰ শেহত পংৰাগ্ উৎসৱ উদ্‌যাপন কৰিবলৈ ল'লে আৰু পুৰোহিতৰূপে নিয়োগ কৰা য়ুংগৃংসকলৰ পৰা অনা ধানখিনি আবুতানিয়ে পথাৰত সিঁচা দিনটো বছৰৰ প্ৰথম দিন হিচাপে লৈ পাছলৈ 'আলি আয়ে লৃগাং' পতাৰ পৰম্পৰা সৃষ্টি হ'ল। এইদৰে দেখা যায় 'আলি আয়ে লৃগাং' আৰু 'পংৰাগ্' এই দুটি উৎসৱেই কৃষিকাৰ্যৰ লগত জড়িত।

ঐতিহাসিক দৃষ্টিৰে অনুধাৱন কৰিলেও দেখা যায় মিছিংসকল মহাচীনৰ দক্ষিণ-পূব অঞ্চলৰ হুৱাংহু আৰু য়াংছে কিয়াং (Yatsekiang) নদী দুখনৰ উৎপত্তিস্থলৰ ওখ পাহাৰৰ পৰা প্ৰায় চাৰি হেজাৰ বছৰৰ আগতে প্ৰব্ৰজন কৰি আহি ১৬শ বছৰমানৰ আগতে চিয়াং-ব্ৰহ্মপুত্ৰ উপত্যকা পায়হি। তেঁওঁলোক যে একালত মহাচীনৰ বাসিন্দা আছিল সেইকথা বুৰঞ্জীবিদ্ চি, পি, ফিট্‌জাৰেল্ড্, প্ৰফেচৰ পাৰ্কাৰ্, প্ৰফেচৰ জেক্ গাৰনেট আদি প্ৰসিদ্ধ লেখকে মহাচীনৰ প্ৰাচীন সভ্যতাৰ বিষয়ে লেখা বিৱৰণসমূহে প্ৰমাণ কৰে। খ্ৰীষ্টপূৰ্ব ১৬ শতিকাৰ চীন সভ্যতাৰ বিষয়ে ক'বলৈ গৈ প্ৰফেচৰ জেক্ গাৰ্নেটে এঠাইত কৈছে —

'All building were rectangular, with double sloping roofs supported by wooden pillars and on platforms...' অৰ্থাৎ—আটাইবোৰ ঘৰেই আয়তক্ষেত্ৰৰ। আৰু কাঠৰ খুটা পুতি দুচলীয়া চাংঘৰবোৰ সাজিছিল। ধাৰণা হয় প্ৰফেচৰগৰাকীয়ে ভৈয়ামৰ মিছিংসকলৰ চাংঘৰৰ বৰ্ণনাহে দিছে।

আকৌ বুৰঞ্জীবিদ্ প্ৰফেচৰ এড্‌ৱাৰ্ড পাৰ্কাৰে প্ৰাচীন চীনা সমাজৰ বিবাহ-নীতিৰ বিষয়ে ক'বলৈ গৈ কৈছে—'পিতৃতেজৰ লগত সম্বন্ধ থকা লোকৰ মাজত বিয়া আইনত নিষিদ্ধ কৰিছিল। পৰিয়ালৰ উপাধিসমূহেই পিতৃতেজৰ পৰিচয়। আৰু পিতৃগৰাকীয়েই পৰিয়ালৰ উপাধি বহন কৰিছিল। এই বিবাহ-নীতিকে আজিকোপতি মিছিংসকলে অতি নিষ্ঠাৰে, অতি নিয়মীয়াকৈ পালন কৰি আহিছে। 'অৰেকল্ ব'ন্' (Oracle bone) অৰ্থাৎ মৃতকৰ দাঁতত লিখি থোৱা প্ৰাচীন বিৱৰণৰ পৰা এই তথ্যসমূহ পোৱা গৈছে। এনে ঐতিহাসিক বিৱৰণমতে প্ৰাচীন মহাচীনৰ লোকে আত্মাক দুটি ৰূপত ধাৰণা কৰিছিল। 'পো' আত্মা আৰু 'হুন' আত্মা। সন্তান গৰ্ভত থিত লোৱাৰ সময়ত 'পো' আত্মাৰ সৃষ্টি হয়। সেয়া জৈৱিক আত্মা। কিন্তু সন্তানটি ভূমিষ্ঠ হোৱাৰ সময়ত 'হুন' আত্মাই শিশুটিৰ শৰীৰত স্থিতি গ্ৰহণ কৰে। এয়া আধ্যাত্মিক আত্মা। মৰাৰ পাছত 'পো' আত্মা মৰাশটোৰ লগত থাকি যায় কিন্তু 'হুন' আত্মা অন্য এক আধ্যাত্মিক স্তৰলৈ গুচি যায়। উপৰিউক্ত ধাৰণাৰ লগত মিচিংসকলৰ পৰম্পৰাগত আত্মাৰ দ্বৈতৰূপ (ইজিঃ আৰু য়ালৰ) ধাৰণাৰ অদ্ভুত মিল দেখা যায়। এই দ্বৈত আত্মাৰ (ইজিঃ য়াল) অস্তিত্বৰ আধাৰতে

মিবুসকলে 'মিবু-দাগ্নাম্' প্ৰক্ৰিয়াৰে নৰিয়াপাটীত পৰি থকা ৰোগীৰ 'য়াল' বিচাৰি আনেগৈ। বহুক্ষেত্ৰত 'য়াল-লাঃছাং' অৰ্থাৎ 'য়াল্ আনয়ন' অনুষ্ঠানেৰে ৰোগীৰ আত্মাক পুনৰ প্ৰতিষ্ঠাও কৰিছিল। সেই কালছোৱাত 'ইজিঃ' নামৰ সত্তাই ৰোগীজনৰ শৰীৰত অৱস্থান কৰে। তেওঁলোকৰ বিশ্বাসমতে 'য়াল' আত্মাই মানুহৰ পাৰ্থিৱ দেহ এৰি কিছু সময়ৰ বাবে বাহিৰত বিচৰণ কৰিব পাৰে। আৰু 'য়াল' আত্মাই কঃজীপাতাং নামৰ হ্ৰদ (তথা হিন্দুধৰ্মৰ বৈতৰণী নদী) পাৰ নোহোৱালৈকে ৰোগীজনৰ মৃত্যু হ'ব নোৱাৰে। অৰ্থাৎ এই কালছোৱাত ৰোগীজন suspended animation অৱস্থাত থাকে।

সৰ্বোপৰি প্ৰণিধানযোগ্য তথ্যটো চি, পি. ফিট্জাৰেল্ডৰ লেখাৰ পৰা জানিব পৰা গৈছে। মিছিংসকলৰ পূৰ্বপুৰুষসকল মহাচীনৰ পাহাৰীয়া অঞ্চল এৰি অহা সময়ৰ সমসাময়িকভাৱে প্ৰাচীন চীনৰ লোকে কৃষি বছৰৰ আৰম্ভণি দিনটো বছৰৰো প্ৰথম দিন হিচাপে উদ্যাপন কৰিছিল। সেইদিনা 'স্বৰ্গৰ সন্তান' (অৰ্থাৎ ৰজা) গৰাকীয়ে মন্দিৰৰ কাষতে হাতেবোৱা নাঙলৰ ফালেৰে মাটি চহাই সীৰলুত ধান সিঁচি কৃষি বছৰৰ আৰম্ভণি ঘোষণা কৰিছিল। তাৎপৰ্যৰ বিষয় হৈছে, সেই শুভ দিনটো ইংৰাজী মাহৰ ফেব্ৰুৱাৰীৰ আগভাগতে পৰিছিল আৰু সেই দিনটো অতি গাম্ভীৰ্যপূৰ্ণ পূজা-উৎসৱেৰে উদ্যাপন কৰিছিল। এইখিনিতে আৰু এটি পৰিপূৰক তথ্য সংযোজন কৰাটো অপ্ৰাসংগিক নহ'ব। কিম্বদন্তিৰ মতে মিছিং আদীসকলৰ পূৰ্বপুৰুষসকলে 'য়ালুম্ চিয়াং' তথা 'এৱালুম্-চিয়াং' নদীৰ অৱবাহিকাত কিছুদিন বসবাস কৰিছিল। সেই অৱবাহিকাত 'তাদগ্' আৰু 'দগ্নী' নামৰ এবিধ বহুমূলীয়া পাথৰ পোৱা গৈছিল। মিছিংসকলে সেই বহুমূলীয়া পাথৰৰ মণি গাঁথি পিন্ধিছিল আৰু সেইবোৰ পৈতৃক সম্পত্তি হিচাপে হাজাৰ বছৰ ধৰি কঢ়িয়াই আনিছিল। সেই প্ৰাচীন কাহিনীজড়িত 'দগ্নী-তাদগ্' সম্ভ্ৰান্ত মিছিং পৰিয়ালৰ লোকে গৌৰৱেৰে আজিও সংৰক্ষিত কৰি ৰাখিছে। সম্প্ৰতি কিম্বদন্তিৰ 'য়ালুম চিয়াং' বা 'এৱালুম্ চিয়াং' নদীখনৰ অৱস্থান জানিব পৰা গৈছে। মহাচীনৰ দক্ষিণ-পূব অঞ্চলৰ য়াংছে কিয়াং নদীৰ এখন ডাঙৰ উপনৈ 'য়ালুম্ কিয়াঙেই' সেই নৈ বুলি ধাৰণা কৰা হৈছে। চীনাসকলৰ 'কিয়াং' মিছিংসকলৰ মুখত 'চিয়াং' হোৱাটো সম্ভৱপৰ। যদি হয়, মিছিংসকলৰ পূৰ্বপুৰুষসকল অতীজতে সেই পথেদি প্ৰব্ৰজন কৰি অহাটো নিশ্চিতভাৱে সত্য প্ৰমাণিত হয়। উপৰিউক্ত তথ্যসমূহে এটা কথা নিশ্চিত কৰিছে যে মিছিংসকলৰ পূৰ্বপুৰুষসকল অতীজতে (প্ৰায় চাৰি হেজাৰ বছৰৰ আগতে) চীনৰ বাসিন্দা আছিল আৰু সেই ঠাইৰ পৰা প্ৰব্ৰজন কৰি আহোতে সেই প্ৰাচীন ধৰ্ম সংস্কৃতিকে বুকুত সাবটি হাজাৰ বছৰ অতিবাহিত কৰিছিল। আশ্চৰ্যৰ কথা, সেই ধৰ্ম সংস্কৃতিৰ ঘাই শিপাডাল এতিয়াও মৰহি যোৱা নাই। কিছু পৰিবৰ্তিত ৰূপত আজিও মিছিংসকলৰ বৃজন সংখ্যক লোকে ভৈয়ামত বসবাস কৰা ৬ শতিকাৰো অধিক হ'ল। আনৰ কথা বাদ দিয়ো অসমৰ প্ৰসিদ্ধ বুৰঞ্জীবিদ্ ড° হেৰম্ব শৰপূজাৰীদেৱেই সেই কথা স্বীকাৰ কৰিছে। এই দীঘলীয়া কালছোৱাত মিছিংসকলৰ সংস্কৃতিত ভৈয়ামৰ সংস্কৃতিৰ প্ৰভাৱ নপৰাকৈ থকা নাই। ফলশ্ৰুতি হিচাপে এক বৃজনসংখ্যক মিছিং লোকে ভৈয়ামৰ অসমীয়া সংস্কৃতিৰ লাইখুঁটা 'বিহু' সংস্কৃতিকো আপোন কৰি লৈছে। এনেদৰে বৃহত্তৰ অসমীয়া সমাজৰ লগত সাংস্কৃতিকভাৱে অংগীভূত হোৱাৰ প্ৰক্ৰিয়া কেইবাশতিকাৰ আগৰ পৰা আৰম্ভ হৈছিল যদিও বিভিন্ন কাৰণত এই প্ৰক্ৰিয়াৰ গতি বৰ মন্থৰ। কোনো কোনো সময়ত এই প্ৰক্ৰিয়াৰ গতি প্ৰতিহত হোৱাৰো সম্ভাৱনা নোহোৱা নহয়, অবাৰিত ধাৰাৰে বৈ অহা নৈৰ গতি কোনোবা জাঁজিত লাগি প্ৰতিহত হোৱাৰ দৰে। তাৰ বিভিন্ন কাৰণো আছে। তাৰে এটি কাৰণ হৈছে মিছিংসকলৰ ৰক্ষণশীল প্ৰকৃতিৰ, যাক ৰজনীকান্ত বৰদলৈদেৱে

'একুৰীয়া' চৰিত্ৰৰ আখ্যা দিছিল। তেওঁলোকৰ অন্তৰাত্মাই যিকোনো স্বাৰ্থৰ বিনিময়ত নিজৰ কৌটিকলীয়া পৰম্পৰাগত বলিষ্ঠ সংস্কৃতি আৰু মাত-কথা সম্পূৰ্ণৰূপে বিসৰ্জন দি নিজকে ছিন্নমূল কৰিব নোখোজে। এনে মৌলিক সাংস্কৃতিক বাসনাই মিচিংসকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠানসমূহত ঘাইকৈ 'আলি আয়ে লৃগাং' আৰু 'পঃৰাগ' উৎসৱৰ আনন্দমুখৰ পৰিৱেশত বহিঃপ্ৰকাশ ঘটে। (প্ৰতিহত হোৱাৰ অন্যান্য কাৰণসমূহো ফঁহিয়াই চোৱাৰ অৱকাশ আছে। সেই প্ৰসংগ ইয়াত ব্যাখ্যা কৰাৰ পৰা বিৰত থাকিলো।)

আলি আয়ে লৃগাং ঃ

'আলি আয়ে লৃগাং' এই উৎসৱটো ইংৰাজী দিনপঞ্জীমতে ফেব্ৰুৱাৰী আৰু দেশীয় ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা সমস্ত মিছিং সমাজে আড়ম্বৰপূৰ্ণ আয়োজনেৰে পালন কৰে। ইয়াক বহুতে চমুকৈ 'আলিলৃগাং', 'আলি আই লৃগাং', বা অকল 'লৃগাং' বুলিও কয়। 'আলি আয়ে লৃগাঙ'ৰ ব্যুৎপত্তিগত অৰ্থ হৈছে -আলি (আলু জাতীয়), আয়ে (ফলমূল জাতীয়), লৃগাং (ৰোৱা, সিঁচাৰ, আৰম্ভণি)। দুই এগৰাকীয়ে 'আলি'ৰ অৰ্থ সঁচ বুলিও ক'ব খোজে। কিন্তু উপৰিউক্ত ব্যুৎপত্তিগত অৰ্থকেই সৰ্বসাধাৰণ মিছিঙে স্বীকৃতি দি আহিছে। অতীতৰ পৰা মিছিংসকল কৃষিজীৱী লোক। অৱশ্যে প্ৰব্ৰজনৰ দীঘলীয়া ইতিহাসত বহুতো যুদ্ধ-বিগ্ৰহৰ মাজেদি পাৰ হৈ আহিবলগীয়াও হৈছিল আৰু সেই ৰণতো বিজয়ী হৈছিল। পূৰ্বতে হাবি-বন কাটি জুই লগাই ঝুম পদ্ধতিৰে (মঃনু-আৰৃগ্) খেতি কৰিছিল। সেই পদ্ধতি ১৯৫০ চনৰ আগলৈকে কোনো কোনো অঞ্চলত প্ৰচলিত আছিল। ঝুম খেতিৰ বাবে আহুধানৰ কঠিয়াই উত্তম বিবেচিত হৈছিল। কিন্তু ভৈয়ামত ক্ৰমে হাবি-বন নাইকিয়া হৈ অহাত ঝুম খেতি এৰি শালিধানৰ খেতি কৰিবলৈকো শিকিছে।

শীতত ঠেটুৱা লাগি নঙঠা হৈ পৰা বাৰীৰ 'কম্বং' গছজোপা হঠাৎ এদিন ৰঙচুৱা ফুলেৰে ভৰি পৰে। 'কম্বং' শীতমণ্ডলত হোৱা এবিধ গুটি লগা গছ। ইয়াক ভৈয়ামত 'নৰা-বগৰী' বুলি কোৱা শুনিছো। ইয়াৰ ইংৰাজী নাম Peach। কোনোবা এখন গ্ৰন্থত উল্লেখ কৰাৰ দৰে ই 'ভেবেলি লতা' নহয়। ফুলৰ লগতে ডাঠ সেউজীয়া কুঁহিপাতবোৰে ৰঙতে ৰহণ চৰায়। লগে লগে শিমলু, মদাৰ আদি গছৰ ডালতো ৰঙা ফুল ফুলি দিগন্ত ৰাঙলী হৈ পৰিলেই মিছিংসকলে জানে 'আলি আয়ে লৃগাঙ'ৰ বতৰ আহিল। দেখাত 'কম্বং' ফুল জাপানৰ চেৰিফুলৰ দৰে। এইবিধ ফুলৰ লগত তেওঁলোকৰ সম্পৰ্ক অতি পুৰণি। সেয়েহে তেওঁলোকৰ গীত-মাততো কম্বংফুলৰ উল্লেখ পোৱা যায়। যেনে—

দীৰ্মি চৃঃ তুঙী তৃৰ্মীক তৃৰ্মাঙা,
কম্বং আপ্লুনী বিয়িব্‌ক ৰীয়াবা।

অৰ্থাৎ—'দীৰ্মি গছৰ ডালবোৰ বতাহত হালি জালি আছে, তেনেকৈয়ে কম্বং গছৰ ফুলবোৰেও উলাহত নাচিছে।'

পূৰ্বতে তেওঁলোকৰ কোনো লিখিত দিনপঞ্জী (Calendar) নাছিল। 'কম্বং' ফুল ফুলাৰ বতৰকে বসন্তৰ আগমনি বুলি ধৰিছিল। সেয়ে ফাগুন মাহৰ যি কোনো বুধবাৰৰ দিনটো শুভদিন ধৰি এই উৎসৱ পালন কৰিছিল। বুধবাৰৰ দিনটো শুভদিন বুলি ভবাৰ অন্তৰালত কেৱলীয়া ধৰ্মৰ প্ৰভাৱ পৰাটো অনুমেয়। কিয়নো কেৱলীয়া ধৰ্মৰ আচাৰ-নীতিত কিছু বৌদ্ধ তান্ত্ৰিক পদ্ধতিৰ প্ৰভাৱ পৰিছিল বুলি ভাবিবৰ থল আছে। তান্ত্ৰিক পদ্ধতিত বুধবাৰৰ আবেলি সময়খিনি বৰ পবিত্ৰ বুলি ধৰা হয়। পিছে,

১৯৫৬ চনৰ পৰা ফাগুনৰ প্ৰথম বুধবাৰৰ দিনা সমস্ত মিছিং অঞ্চলত একেলগে লৃগাং উৎসৱ পাতিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত লোৱা হয় যাতে সেই দিনটো সমূহীয়া চৰকাৰী বন্ধ দিয়াত সুচল হয়। অসম চৰকাৰেও সেই উৎসৱৰ দিনটো উজনি অসমৰ দুখন জিলাত চৰকাৰী বন্ধ ঘোষণা কৰি মিছিংসকলৰ সাতামপুৰুষীয়া বলিষ্ঠ সংস্কৃতিৰ প্ৰতি যথাযোগ্য সন্মান জনাইছিল। কিন্তু শেহতীয়াকৈ চৰকাৰী বন্ধৰ দিন কমোৱাৰ অজুহাতত সেই উৎসৱৰ দিনটো সাম্প্ৰদায়িক ভিত্তিত বন্ধ দিয়া (sectional holiday) নীতি গ্ৰহণ কৰিছেগৈ। এনে নীতিৰে মিচিংসকলৰ কৌটিকলীয়া সংস্কৃতিক কিছু অনাদৰ কৰা বুলিও বহুতে আক্ষেপ কৰে।

উৎসৱৰ দিনা ভোজ-ভাতত ব্যৱহাৰ কৰিবলৈ গএগ্রা ৰাইজে বিল-পুখুৰীত সমূহীয়াকৈ মাছ মাৰে। পূৰ্বতে হাবিত চিকাৰ কৰি পছুমাংসও যোগাৰ কৰিছিল। কিয়নো 'আলি আয়ে লৃগাং'ত কুকুৰা-গাহৰিৰ বলি-বিধান নাই। শদিয়া অঞ্চলত এতিয়াও হাবিত চিকাৰ কৰা নীতি চলি থকা বুলি জনা যায়। পিছে, নামনি অঞ্চলত হাবি-বন নাইকিয়া হৈ অহাত সমূহীয়াকৈ মাছ ধৰাত (অঙ্গুক্নাম্) গুৰুত্ব দিয়া হ'লগৈ। সমূহীয়াকৈ মাছ ধৰিবলৈকো বিল-পুখুৰী নোহোৱা হৈ অহাত সম্প্ৰতি নগৰে-চহৰে থকা মিছিংসকলে গাহৰি-মাংসৰ ওপৰতে নিৰ্ভৰশীল হৈছেগৈ। প্ৰকৃতাৰ্থত 'লৃগাং' অনুষ্ঠান 'দবুৰ', 'তালৌংউই' অথবা 'ওৰম্উই'ৰ দৰে কোনো ধৰ্মমূলক অনুষ্ঠান নহয়। ই বছৰৰ আৰম্ভণিতে পতা কৃষি উৎসৱ। পূৰ্বৰে পৰা চলি অহা ধাৰণামতে ফাগুন মাহৰ পৰা বসন্ত ঋতুৰ আৰম্ভণি। সেয়ে কোনোৱে ইয়াক 'বসন্তোৎসৱ' বুলিও উল্লেখ কৰা দেখা যায়। সম্প্ৰতি সম্পূৰ্ণ স্বকীয় সাংস্কৃতিক উৎসৱ হিচাপে নৃত্য-গীত, নানা ৰং-ৰহইচেৰে পালন কৰা হয় যাতে জাতি-ধৰ্ম নিৰ্বিশেষে পুৰুষ-মহিলা সকলোৱে ইয়াত অংশগ্ৰহণ কৰিব পাৰে।

উৎসৱৰ দিনা আগবেলা দহমান বজাত প্ৰত্যেক ঘৰৰ মুখিয়ালজনে নিজ নিজ পথাৰলৈ গৈ পূব চুকত তিনি বৰ্গফুট আকাৰৰ এডৰা মাটি ভালকৈ চহায় আৰু তাৰ চাৰিচুকত 'পীঃৰ' (মেডেলা) গছৰ আগ চাৰিডাল পোতে। পীঃৰ গছৰ দীঘল আগলি পাতবোৰ একেলগে বান্ধি নতুন হাতে কটা সূতা বা এই সূতা অবিহনে বজাৰৰ নতুন পগা সূতা (আনুবাং-অন্ন) চাৰিওফালে মেৰিয়াই দিয়া হয়। ধূনা কপাহৰ পাহ আনিও চাৰিচুকত গুজি দিয়ে। ইয়াৰ দ্বাৰা তেওঁলোকে অন্নৰ লগতে বস্ত্ৰৰ গুৰুত্বও সমানে অনুভৱ কৰিছিল বুলি ক'ব পাৰি। উপৰি উক্ত ধৰণে বেদী তৈয়াৰ কৰি এমুঠি আহুধান হাতত লৈ পূবফালে মুখ কৰি মুখিয়ালগৰাকীয়ে এইবুলি প্ৰাৰ্থনা কৰে—

চিলঃ আকছিন্না, আত গুমৃণ্ তগুং গুমৃন্
চেদি-মেল, দঃএৰপল, কাৰ্ছিং-কাৰ্তাক্ নলো
চিলঃ তাৎদাক্ কাঃদাগ লাংকা,
চিলঃ গুলো তানি অম্মাগুী
আম্ৰ অদঃম্ আম্নিয়ৌম্ পিদ্ দুনীকী।
কঃজীয়াংগ গঃছ্য মতেইকা,
আঃম্ আম্বুনীম্ কাংকান্মতেইকা — ইত্যাদি।

অৰ্থাৎ—'আজি পিতৃপুৰুষসকল, সৃষ্টিকৰ্তা চেদি-মেল, চন্দ্ৰ-সূৰ্য-অন্তৰীক্ষৰ গ্ৰহ-নক্ষত্ৰ সাক্ষী হৈ থাকক। আজি তানিৰ সন্তানসকলে আই বসুমতীৰ গৰ্ভত এমুঠি আহুধানৰ বীজ সিঁচি দিছোঁহক।

পৃথিৱী উৰ্বৰা হওক, শস্যে-মৎস্যে পথাৰ উপচি পৰক' ইত্যাদি। কোনো কেৱলীয়া ধৰ্ম-অধ্যুষিত অঞ্চলত এইদৰে কোৱাও শুনা যায়— 'গুৰুক দিম, ভকতক দিম, খোজনীয়াক দিম, মগনীয়াক দিম, তাৰ ওপৰঞ্চিখিনি এই গাধ শৰীৰক পূজিম।' দেখ্‌দেখ্‌কৈ ই কেৱলীয়া গোসাঁইৰ সংশ্ৰৱলৈ অহাৰ পিছৰ সংযোজন। ইয়াৰ ভাব আৰু ভাষাই সেই কথাৰ প্ৰমাণ। প্ৰাৰ্থনা শেষ কৰি ধানৰ সঁচ বেদীৰ ওপৰত সিঁচি দিয়ে আৰু লগত লৈ অহা 'পঃৰ আপং' আৰু পানী ছটিয়াই অনুষ্ঠানৰ সামৰণি মাৰে। অৱশিষ্ট 'পঃৰ আপং' খিনি গৃহস্থই পান কৰে আৰু সহযোগীসকলকো ভগাই দিয়ে। এই মাংগলিক আৰম্ভণিক লৃগ্‌গদ্ কোৱা হয়। এইদৰে প্ৰতি গৃহস্থই নিজ নিজ পথাৰত 'লৃগ্‌গদ্' অনুষ্ঠান পাতে আৰু ঘৰলৈ আহি নিজ নিজ জুহালৰ চাৰিচুকত উপৰিপুৰুষ আৰু গুমৃন্ চইনৰ নামত এচলু পঃৰ আপং ঢালি দিয়ে। তাৰ পাছতে ভোজ-ভাতৰ পৰ্ব আৰম্ভ হয়।

ইতিমধ্যে ঘৰৰ গৃহিণীসকলে অতিথি আপ্যায়নৰ পৰিমাণত 'পঃৰ-আপং' চাকি প্ৰস্তুত কৰি থয়। ছোৱালী-বোৱাৰীসকলে আগনিশা পানীত তিয়াই থোৱা বৰা ধানৰ চাউল তৰাপাত অথবা কৌপাতেৰে টোপোলা বান্ধি সৰহীয়াকৈ 'পুৰাং' সিজায়। লগত পৰিৱেশন কৰিববলৈ মাছ বা মাংস দি জুতি লগাকৈ আঞ্জা ৰান্ধি তপতিয়াৰ হৈ থাকে। ওপৰত কৈ অহা লৃগ্‌গদ্ অনুষ্ঠানক কোনো এগৰাকী লেখকে উপৰিপুৰুষৰ 'পিণ্ডদান' বুলি উল্লেখ কৰা চকুত পৰিছে। ই প্ৰকৃততে সকলো দেশৰ সকলো শুভকৰ্মৰ আৰম্ভণিত পতাৰ দৰে এটি মাংগলিক প্ৰক্ৰিয়াহে। ইয়াক উপৰিপুৰুষৰ 'পিণ্ডদান' বুলি ক'ব নোৱাৰি। কিয়নো মিছিং সমাজত উপৰিপুৰুষক পিণ্ডদান দিয়াৰ এটি নিৰ্দিষ্ট নীতি আৰু অনুষ্ঠান আছে। ওৰম্‌উই, কুঃছাগ্, দদ্‌গাং আদিৰ আড়ম্বৰপূৰ্ণ আয়োজন কৰি কুকুৰা, গাহৰি বলি দি উপৰিপুৰুষক পিণ্ড দিয়া হয়। খেতি চপোৱাৰ শেহত 'ন-খোৱা' বা 'ন-ভাত' খোৱা নীতি কেৱলীয়া ভকতসকলে প্ৰচলন কৰে। সেই অজুহাততো কুকুৰা মাৰি উপৰিপুৰুষক স্মৰণ কৰা নীতি বহু ঠাইত প্ৰচলিত। কিন্তু 'আলি আয়ে লৃগাং' প্ৰক্ৰিয়া ভকতীয়া প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত। যি কৰে ঘৰৰ গৃহস্থইহে কৰে।

ভোজ-ভাত খাই আবেলি পৰত 'পাক্‌ছ-মনাম্' নৃত্য কৰে। মিছিংসকলৰ পুৰণি বিশ্বাসমতে 'পাক্‌ছ-মনাম্' নৃত্য নকৰিলে ধানৰ ঠোক লেৰেলি পৰে। (আঃম্‌ছান ছান্দ) নতুবা কীট-পতংগই শস্য খাই নষ্ট কৰে। এনে বিশ্বাসক বহুতে অন্ধবিশ্বাস বুলিয়েই কয়। পিছে শেহতীয়াকৈ জানিবপৰা গৈছে, মিছিঙৰ এই বলিষ্ঠ ছন্দময় নৃত্যৰ কিছু বৈজ্ঞানিক ব্যাখ্যাও আছে। সেয়েহে কৃষিজীৱী মিছিংসকলৰ এই নৃত্যৰ প্ৰতি ইমান হাবিয়াস। এই নৃত্যত ল'ৰা-বুঢ়া, ছোৱালী-বোৱাৰী সকলোৱে যোগ দিব পাৰে। 'পাক্‌ছ-মনাম্' নৃত্যৰ লগত বজোৱা ঢোলৰ ছেও কিছু বেলেগ। ইয়াৰ ধ্বনিগত ছন্দবোৰ এই ধৰণৰ—

গুমৰাগ্ গুমৰাগ্ কেকঃনলগ্ গুম্‌ৰাগ্,
কাদু কাদু গুম্‌ৰাগ্ কেকঃলগ্ গুম্‌ৰাগ্।—ইত্যাদি।

এই ছন্দায়িক ধ্বনি অনুসৰি এই নৃত্যক বহুতে 'গুম্‌ৰাগ' নৃত্য বুলি কয়। এই নৃত্যৰ বিশেষত্ব হৈছে চক্ৰবৎ পৰিৱৰ্তিত ঋতু অনুধাৱন কৰি বৃত্তৰ দৰে ঘূৰি ঘূৰি নৃত্য কৰে আৰু ফাগুনৰ পছোৱাই সঁজাল ধৰা আহুধানৰ সেউজীয়া পাতবোৰত ঢৌ খেলি যোৱা মোহনীয়া দৃশ্যৰ অনুকৰণত ডেকা-গাভৰুহঁতে আলফুলকৈ আঙুলিত ঢৌ খেলাই 'গুম্‌ৰাগ্' নৃত্য কৰি অপাৰ আনন্দ লাভ কৰে। গুম্‌ৰাগ্ নৃত্যৰ সময়ত ঢোল-তালৰ উপৰি 'লীঃনং' (বৰকাঁহ) জাতীয়, কোবাই আকাশ-বতাহ ৰজনজনাই তোলে। লীঃনঙৰ গুৰু গম্ভীৰ ধ্বনিয়ে হয়তো সুদূৰ অন্তৰীক্ষও পৰশেগৈ। মধুৰ সংগীতৰ প্ৰভাৱত

শস্য বৃদ্ধি হোৱা তত্ত্ব আজি নতুন হৈ থকা নাই। বৈজ্ঞানিক দৃষ্টিৰে চালেও এই ছন্দময় বলিষ্ঠ নৃত্যৰ তালত মেদিনীৰ বুকুত মৃদু স্পন্দন (vibration) হোৱা আৰু এই মৃদুস্পন্দনে শস্যৰ বীজ অংকুৰিত হোৱাত সহায়ক হ'ব পাৰে।

উল্লেখনীয় যে মিছিংসকলৰ পুৰণি নৃত্যসমূহৰ লগত অসমীয়া 'বিহুনাচ'ৰ মৌলিক পাৰ্থক্য এটি চকুত পৰে। মিছিংসকলে প্ৰকৃতিৰ লয়লাসৰ অনুকৰণত হাতৰ ভংগিমা কৰি ছন্দময় গতিৰে ভৰিৰ খোজ পেলায়। কঁকাল ভঙা, বিশেষকৈ কঁকালৰ তলছোৱা অগা-পিছা কৰা মিছিং নৃত্যৰ ৰূপ নহয়। আনহাতে প্ৰকৃতিৰ লয়লাসৰ অনুকৰণতে সৃষ্টিৰ কামনাৰে 'বিহুনাচ' নচা হয়। সেয়ে যৌন উদ্দীপক দেহভংগিমাক বিহুনৃত্যৰে অংশ হিচাপে সমাজে গ্ৰহণ কৰি আহিছে। পূৰ্বতে 'লৃগাং-নিঃতম্' নামৰ এবিধ গীত গাই গাই 'লীঃনং' আৰু 'মাৰ্‌বাং' নামৰ কাঁহৰ ঘণ্টা বজাই, লগতে 'য়ক্ছা' (তৰোৱাল) জোঁকাৰি নৃত্যৰ তাল ৰাখিছিল। পিছে, ঢোল-তালৰ প্ৰচলন হ'বৰ পৰা 'য়ক্চা' আৰু লৃগাং নিঃতমৰ প্ৰচলন কমি আহিল। এতিয়াও জোনাই অঞ্চলত 'লৃগাৰ-নিঃতম্'ৰ প্ৰচলন দেখা যায়।

'গুম্‌ৰাগ্' নৃত্য গোটেই ৰাতি চলে। গাঁৱৰ প্ৰত্যেক ঘৰলৈ গৈ নৃত্য কৰে আৰু গৃহস্থই 'পঃৰ-আপং' আৰু 'পুৰাং' আগবঢ়াই সকলোকে আপ্যায়িত কৰে। 'লৃগ্‌দ্' অনুষ্ঠানৰ পৰা ধৰি তিনিদিন সাধাৰণতে গেনা ধৰে। সেইকেইদিন কোনো কৃষিকৰ্মত হাত নিদিয়ে। তিনিদিনৰ মূৰত 'লৃগ্‌লেন' নামৰ সাধাৰণ অনুষ্ঠান পাতি গেনা ভাঙে। সেই সময়তো চন্দ্ৰ-সূৰ্য, গ্ৰহ নক্ষত্ৰক সাক্ষী ৰাখি এইদৰে কয়—

চিলঃ আকচিন্না, চেদিমেল্, দঞিপ'ল, কাৰ্ছিংকাৰ্তাক্
নলো তাৎদাক্ কাদাক্‌লাংকা, চিলঃ আলি আয়েলৃগাঙীম্
লৃগলেন্ দুঃনীকী। চিলঃ কলক্‌কী ঙলো দতীৰ্ দতীৰ্
দয়ীকুনীকী, অঃকচিন্ দমুৰ্ দয়াৰ মমাঃপীকা। ইত্যাদি।

প্ৰাৰ্থনাৰ শেষত সাধাৰণভাৱে আপং খাই এই উৎসৱৰ সামৰণি মাৰে।

পঃৰাগ্ ঃ

আহিন-কাতি মাহত আহুধান চপাই, নতুবা ফাগুন-চ'ত মাহত শালিধান চপাই মিছিংসকলে 'পঃৰাগ্' উৎসৱ পাতে। মেটমৰা ধানৰ ভঁৰাল ভৰাই শস্যৰ অধিকাৰী 'কঃজীয়াংগ' আৰু 'দঞিপল', 'কাৰ্ছিং কাৰ্‌তাক্' আদিক কৃতজ্ঞতা জনাবলৈ এই উৎসৱ পতা হয়। পূৰ্বতে বছেৰেকীয়াকৈ উৎসৱ পাতিছিল যদিও বৃজন পৰিমাণৰ ধন-ধানৰ প্ৰয়োজন হোৱাৰ চাই বহু অঞ্চলত 'পঃৰাগ্' উৎসৱ পাতিবলৈ এৰিছে। সেইবোৰ ঠাইত সাধাৰণভাৱে 'সৃম্‌বৃৰ্-য়াঃ মে'ৰ নামত সমূহীয়াকৈ ভোজ-ভাত খায়। যিবোৰ ঠাইত পুৰণি পৰম্পৰা মানি উৎসৱ পাতে সেইসকলেও প্ৰায় দহ-বাৰ বছৰৰ মূৰতহে এই উৎসৱ অনুষ্ঠান পাতিবলৈ লৈছে। সাম্প্ৰতিক নৈপৰীয়া মিছিং গাঁওবোৰে যিধৰণে বানৰ কবলত পৰি থৰকাছুটি হেৰুৱাব লগা হৈছে, 'পঃৰাগ্' উৎসৱ পতাৰ কথা বহুতে ভাবিবলৈকে এৰিছে। এনে দিনলৈ আৰু বেছি দূৰ নাই যেতিয়া বহু মিছিং লোকৰ বাবে 'পঃৰাগ্' উৎসৱ এক মধুৰ স্মৃতিতহে পৰিণত হ'বগৈ। এতিয়াই পূৰ্বৰ 'মুৰং'ঘৰ দেখা লোক বৰ বেছি নহয়।

'পঃৰাগ্' উৎসৱৰ বাবে প্ৰতিবাৰেই 'মুৰং' সাজিব লাগে। এবাৰ ব্যৱহাৰ হোৱা মুৰঙত দুনাই 'পঃৰাগ্' নাপাতে। অৱশ্যে আজিকালি দুই-এঠাইত এবাৰ মুৰং সাজি পিছলৈ ক্লাবঘৰ হিচাপে ব্যৱহাৰ কৰাও দেখা গৈছে। অৰ্থনৈতিক কাৰণতে এই পৰিবৰ্তনবোৰ আহিবলৈ ধৰিছে।

মুৰং ঃ

মুৰং প্ৰথা বহু পুৰণি। পুৰণি দিনৰ পৰা মুৰং মিছিংসকলৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, এক পৱিত্ৰ ঠাই। আগৰ যুদ্ধ-বিগ্ৰহৰ সময়ত মুৰঙতে কৌবাং বহি বয়োজ্যেষ্ঠসকলে ৰণনীতিসমূহ নিৰ্ধাৰণ কৰিছিল। যুদ্ধৰ আহিলা—ধনু-কাঁড়, যাঠি, তৰোৱাল আদি মুৰঙতে যতনাই ৰাখিছিল আৰু ডেকা ল'ৰাবোৰে তাতে ৰাতিটো কটাই গাঁও-জ্ঞাতিক ৰক্ষণাবেক্ষণ দিছিল। তেতিয়া মুৰংসমূহত বেৰ দিয়া হৈছিল। তদুপৰি বয়োবৃদ্ধসকলে সন্ধিয়া পৰত সামাজিক আৰু ধৰ্মীয় আচাৰ-নীতি, যুদ্ধৰ সময়ত ৰণনীতিৰ শিক্ষা দিছিল। বয়োজ্যেষ্ঠজনক সন্মান জনোৱা মিছিং ঐতিহ্য, পৰম্পৰা। আনুষ্ঠানিক শিক্ষা-ব্যৱস্থা নথকা মিছিং সমাজত জ্যেষ্ঠজনৰ (দঞিও কাঃপং-পল কাঃপং) জীৱনভৰা অভিজ্ঞতাই নতুন প্ৰজন্মৰ পাথেয় আছিল। এই পৰম্পৰাক শ্ৰদ্ধা নকৰাটো সামাজিক দায়বদ্ধতাৰ পৰিপন্থী বুলি গণ্য কৰা হৈছিল। আঢ়ৈ হেজাৰ বছৰ পুৰণি কন্‌ফুচিয়াছেও বিশ্বৰ মানুহক তেনে শিক্ষাকে দিছিল। সেইবাবে মুৰঙক পৱিত্ৰ স্থান জ্ঞান কৰে। 'মুৰং' দীঘলে প্ৰায় ৪৫ ফুট, বহলে ২০ ফুট আৰু চাংখন মাটিৰ পৰা ৫ ফুট ওখকৈ খেৰ, বাঁহ, বেত আৰু কাঠৰ খুঁটা দি সাজি উলিয়াইছিল। বেৰ নোহোৱা ঘৰখনৰ ওপৰত দুচলীয়া ডাঠ খেৰৰ চাল। সোঁমাজতে এডাল শকত ঘাইখুঁটা পুতি তাক শৰাই চানেকীয়াকৈ কাটি সজাই তোলে। শিমলু কাঠৰ চতি, মাৰলি দি সমুখৰ বহল মাৰলিত বিভিন্ন নক্সা খোদাই কৰে। তাত জোন-বেলি-তৰাৰ উপৰি শুঁৰ-সংলগ্ন মৎস্যাকৃতিৰ দুটি প্ৰতিকৃতিও অংকন কৰে। এই মৎস্যাকৃতিৰ প্ৰতিকৃতি দুটাকে 'বিৰি-বিক্' নামৰ দ্বৈত দেৱতাৰ সাকাৰ ৰূপ বুলি বহুতে কৈছিল। ব্যাখ্যা কৰামতে মিছিংসকলে নিৰাকাৰ পৰমেশ্বৰৰ সাকাৰ ৰূপ হিচাপে জোন-বেলি-তৰাসমূহক গ্ৰহণ কৰি আহিছে। সেয়েহে তেওঁলোকে সকলো সমূহীয়া পূজা-উৎসৱত 'ছেদি-মেল, দঞিও-পল, কাৰ্চিং কাৰ্তাকৰ নাম স্মৰণ কৰে আৰু মুৰঙৰ মাৰলিত চকুত লগাকৈ অংকন কৰে।

পঃৰাগ্ উৎসৱৰ এক অপৰিহাৰ্য উপাদান হৈছে, 'পঃবৰ্'। কেঁচা বাঁহ কাটি বিশেষভাৱে নিয়োজিত দুজন পাকৈত লোকৰ দ্বাৰা 'পঃবৰ্' প্ৰস্তুত কৰে। 'পঃবৰ'ত কমেও এশ টোপোলা ছাইমদৰ সম্ভাৰ ভৰাব পাৰি। উৎসৱৰ আগনিশা 'পঃবৰ'ত ছাইমদ ভৰোৱা হয় আৰু শেষ নিশা কাউৰীয়ে কা-কৰাৰ আগতে প্ৰথম কলহৰ পানী 'পঃবৰ্'ত ঢালে। এই মাংগলিক অনুষ্ঠানক 'পঃবৰ্-কাত্‌গদ্' বোলে। প্ৰথমে ঢালিব লগা কলহৰ পানীখিনিও নৈৰ ঘাটৰ পৰা অপুষ্পিতা ছোৱালীৰ দ্বাৰা যত্ন সহকাৰে যথানীতিমতে সংগ্ৰহ কৰে। গাঁৱৰ ডেকা-গাভৰু আৰু মিনম্ হিচাপে নিমন্ত্ৰিত ডেকা-গাভৰুসকলেও অনুষ্ঠানত যোগ দিয়েহি। উপস্থিত ৰাইজৰ সহযোগত 'পঃবৰ'ৰ তত্ত্বাৱধানত থকা মূল মানুহজনে প্ৰথম কলহৰ পানী ঢালোতে চেদিমেল, দঞিপল, কাৰ্চিং-কাৰ্তাক্, চিত্‌কুং- কেদে, বান্‌জি- বান্‌মাং আদিৰ নাম স্মৰণ কৰে আৰু অহা বছৰলৈ গঞা ৰাইজ কুশলে থাকক, পথাৰসমূহ আগৰ দৰেই শস্যে-মৎস্যে নদনবদন হওক, ইত্যাদি প্ৰাৰ্থনা জনায়। শেহত সমস্বৰে উচ্চস্বৰে 'ইৰ্ৰই' ধ্বনি দি উৎসৱৰ পাতনি মেলে। এইদৰে ৰাইজ গোট খাই সমস্বৰে উচ্চৈস্বৰে প্ৰাৰ্থনা কৰাক 'ৰীঃবাত্‌লা পেনাম্' বুলি কোৱা হয়। এই সমস্বৰ ধ্বনিত 'শব্দ ব্ৰহ্ম'ৰূপে ভগৱন্ত থিত লয় বুলি দৃঢ় বিশ্বাস কৰে। ৰাইজৰ অনিষ্ট কৰিব বিচৰা কোনো দুষ্কৃতিকাৰীকো নাম কাঢ়ি এইদৰে উচ্চৈস্বৰে আৰু সমস্বৰে অভিশাপ দিলে সেই অভিশাপ অব্যৰ্থ বুলিও বিশ্বাস কৰে। তেওঁলোকৰ মতে 'ৰাইজেই ৰজা, জ্ঞাতিয়েই গংগা।'

উৎসৱৰ প্ৰধান উপাদান হিচাপে প্ৰথমে এজনী মাইকী গাহৰি বলি দিয়া হয়। গাঁৱৰ জনসংখ্যা

আৰু নিমন্ত্ৰিত অতিথিৰ সংখ্যালৈ চাই আৰু কেবাটাও গাহৰি মাৰে। গাহৰিবোৰ জুইত পুৰি নোমবোৰ গুচায় আৰু চুঁচি-মাজি পানীত ভালকৈ ধোৱে। গাহৰীৰ যকৃত (আচিন্)সমূহ যতনেৰে উলিয়াই মঙ্গল চায় (আচিন্-তাগিৰ্)। সেইদিনা ভোজ-ভাত যোগাৰ হোৱালৈকে 'মিনম্' হিচাপে নিমন্ত্ৰিত ডেকা-গাভৰু দলৰ মাজত মুৰঙৰ চোতালত নানা তৰহৰ নৃত্য-গীত চলে। ধেমালিৰ ছলেৰে বিভিন্ন নৃত্য-গীত আৰু বাদ্য-বাদনৰ প্ৰতিযোগিতাও চলে। চৌদিশে আনন্দৰ ধল নামে।

সেইদিনা ৰাতিলৈ 'মিবু'ৰ দ্বাৰা পৰিচালিত 'মিবু-চুম্নাম্' নৃত্য কৰে। এই অনুষ্ঠানত মিবুসকলে গোৱা পদবোৰক 'মিবু-আঃবাং' বোলা হয়। আঃবাংসমূহৰ ভাষা সহজে বুজা টান। সিবোৰক মিছিং ভাষাৰ ধ্ৰুপদী বুলি ক'ব পাৰি। মিবুয়ে পদ লগায় আৰু সহযোগী ডেকা-গাভৰুবোৰে প্ৰথম শাৰী ঘোষাকে পুনৰাবৃত্তি কৰে। এটি ঘোষা এনে ধৰণৰ—

পিমুক্‌ল পিংকল ৰীল্লী ৰীল্লী।
নীবিৰাঃ বিৰ্‌কল ৰীল্লী ৰীল্লী।

এই লেখকৰ শৈশৱকালত শুনা বিভিন্ন 'মিবু-আঃবাং' সম্প্ৰতি শুনিবলৈ পোৱা নাযায়। মিবু অনুষ্ঠান হেৰাই যোৱাৰ লগে লগে আৰু আঃবাংবোৰ লিপিবদ্ধ কৰি নৰখাৰ বাবে সেইবোৰ চিৰকাললৈ হেৰাই গৈছে। সম্প্ৰতি দুই-এঠাইত মিবু থকাৰ কথা শুনা যায় যদিও সেই পুৰণি আঃবাঙৰ আৰু প্ৰভুত্ব পাবলৈ নাই।

দ্বিতীয় দিনা নিমন্ত্ৰিত 'মিনম্' আৰু গাঁৱৰ পৰা ধিয়া দি উলিয়াই দিয়া জীয়ৰীসকলক বিশেষভাৱে আপ্যায়ন কৰে। সেইদিনা হিংসা-দ্বেষ পৰিহাৰ কৰি পৰস্পৰৰ প্ৰতি মৰম-স্নেহ প্ৰদৰ্শনেৰে এক নিৰ্মল আনন্দৰ ঢৌ বোৱায়। এয়ে জনজাতীয় জীৱনৰ সমমৰ্মিতা আৰু নিৰ্মলতাৰো স্বৰূপ। আজিৰ দিনত এনে ধৰণৰ আনন্দমুখৰ পৰিৱেশ পোৱাটো একেবাৰে দুৰূহ হৈ পৰিছে। এই মহামিলনৰ শুভক্ষণত দুখন গাঁৱৰ ডেকা-গাভৰুৰ মাজত চা-চিনাকি হয়; বহুতে ভৱিষ্যতৰ যুৰীয়া জীৱনৰ মধুৰ সপোন ইয়াতে ৰচনা কৰে। উৎসৱৰ দিনকেইটাত মিছিং-অনামিছিং নিৰ্বিশেষে অতিথি আপ্যায়ন কৰি বিমল আনন্দ লাভ কৰে।

বেলি লহিয়ালে 'মিনম্'সকলক বিদায় দিয়া হয়। বিদায় লোৱাৰ আগমুহূৰ্তত মুৰঙৰ চাৰিওফালে নৃত্য-গীত কৰি পাঁচবাৰ পৰিক্ৰমা কৰে আৰু শেষবাৰত মিনম্‌সকল সিপিনেই আঁতৰি যায়গৈ। ৰাতি মিবুৰ পৰিচালনাত 'পঃনু-নঃনাম্' নৃত্য কৰে। দেখাত আদী সমাজত প্ৰচলিত পঃনুং নৃত্যৰ দৰেই এই নৃত্য গোটেই নিশা চলে। শেষ নিশা কুকুৰাই ডাক দিয়াৰ লগে লগে নৃত্য শেষ কৰে আৰু কাৰ্যতঃ 'পঃৰাগ্' উৎসৱৰো সামৰণি পৰে।

মৃম্বৃৰ-য়াঃমেঃ

'পঃৰাগ্' উৎসৱ অনুষ্ঠানৰ এটি উল্লেখনীয় দিশ হৈছে—উৎসৱ সুকলমে পৰিচালনাৰ বাবে সংগঠিত ডেকা-গাভৰুৰ 'মৃম্বৃৰ-য়াঃমে' অনুষ্ঠান। (মৃম্বৃৰ—গাভৰু, য়াঃমে—ডেকা)। সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে গঠিত অনুষ্ঠানটি এতিয়াও বহু অঞ্চলত সঞ্জীৱিত। যদিও অনুষ্ঠানটিৰ মুখ্য উদ্দেশ্য 'পঃৰাগ্' উৎসৱ উদ্‌যাপন, তথাপি নতুন প্ৰজন্মক সমাজসেৱাৰ মনোভাব, পদ্ধতি ইত্যাদিৰ শিক্ষা দিয়াও এই সংগঠনৰ এক পবিত্ৰ কৰ্তব্য। কোনোবা পৰিয়ালৰ ঘৰ সজা কাম আধৰুৱা হ'লে, কোনো পৰিয়ালৰ পথাৰত ধান চপোৱা শেষ নহ'লে এটি তামোল-পাণৰ শৰাই আগবঢ়ালেই গাঁৱৰ 'মৃম্বৃৰ য়াঃমে'

অনুষ্ঠানৰ সমূহ ডেকা-গাভৰু আহি এদিন বিপন্ন পৰিয়ালক সহায়ৰ হাত আগবঢ়ায়। ইয়াকে ক'ব পাৰি 'মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।' কৃতজ্ঞ পৰিয়ালে সিদিনা সন্ধ্যা ডেকা-গাভৰু দলক এবাটি আপং যাচে, এসাঁজ ভাত খুৱাব পাৰে। স্থানীয় নিৰিখত চিকাৰূপ কেইটামান মাননিও দিয়ে। এইদৰে সংগ্ৰহ কৰা ধনেৰে কিছু বছৰৰ মূৰত 'পঃৰাগ্' উৎসৱ পাতে। জনজাতীয় সমাজত তেনেকৈয়ে পৰস্পৰৰ মাজত স্নেহ-প্ৰীতি আৰু সামাজিক সমতা গঢ়ি উঠিছিল। এনে কৰ্মপদ্ধতি ক্ৰমে কমি আহিলেও মিছিং সমাজত 'মৃম্বৃৰ-য়াঃমে'ৰ কাৰ্যকৰী প্ৰভাৱ একেবাৰে হেৰাই যোৱা নাই।

মিদাং ঃ

নিবন্ধৰ আৰম্ভণিতে কৈ আহিছো যে মিছিংসকলৰ আনুষ্ঠানিক বিয়া মিদাঙকো উৎসৱৰ শাৰীলৈ নিব পাৰি। এই ৰীতিগত 'মিদাং' অনুষ্ঠানক দুই স্ত্ৰী-পুৰুষৰ ধৰ্মীয় বান্ধোন (sacrament)বুলি ধৰা হয়। ইয়াৰ প্ৰস্তুতি আৰু পৰিৱেশত এক সামাজিক উৎসৱৰ ভালেখিনি উপাদান দেখিবলৈ পোৱা যায়। কিন্তু অন্যধৰণে ছোৱালী অনা তথা 'দুগলালাঃনাম্' আৰু 'কুম্না-চাঃলালাঃনাম্'ত এনে প্ৰস্তুতি আৰু পৰিৱেশ নাই।

থূলমূলকৈ ক'বলৈ মিচিং 'মিদাং' বৰ খৰচীয়া আৰু দীৰ্ঘম্যাদী। পুৰণি কালত এই ম্যাদ দুবছৰ-তিনি বছৰমান আছিল। সাম্প্ৰতিক কালতো এবছৰ-ডেৰ বছৰ সময় লাগিব পাৰে। অৱশ্যে ইয়াৰ ব্যতিক্ৰম নোহোৱা নহয়।

প্ৰথা অনুসৰি কোনো 'মিতিৰ' পৰিয়ালত (তেনে 'মিতিৰ' পৰিয়ালৰ সংখ্যা সীমিত আৰু নিৰ্দিষ্ট) বিবাহযোগ্য ছোৱালী থাকিলে ইচ্ছুক পৰিয়ালে এটি তামোল-পাণৰ টোপোলা আগবঢ়াই ছোৱালীৰ অভিভাৱকৰ কাণ চোৱায়। বংশ, পৰিয়াল, সামাজিক স্থিতি আৰু দৰাৰ ব্যক্তিগত চৰিত্ৰ সম্পৰ্কত গুৰুত্ব দি মতামত জানিবলৈ দিয়ে। মতামত জনাৰ পাছত 'য়াম্নী-তাতনাম্' অনুষ্ঠান পাতি ৰীতি অনুসৰি ছোৱালী খোজে। দৰাঘৰৰ হৈ যোৱা 'পাতিৰি' (মুখিয়াল)জনে এখন শৰাইত তামোল-পাণ আৰু সামান্য টকা ৰাখি এইদৰে কয় ঃ

'ঙলো মিতুৰ্ ঔৰাঃচক্ ৰঃ য়াম্পকৌপী আম্নিপৌলিঃক মালা চৌঃ গুৰেপান্ চৌম্তৃঃতম্না কুম্তাত্দুং।' অৰ্থাৎ ভৱিষ্যৎ বংশধৰৰ আশাত সম্বন্ধ বিচাৰি এই শৰাইখন আগবঢ়াইছো। সম্বন্ধ স্বীকাৰ কৰিলে ছোৱালীৰ পিতৃ-মাতৃয়ে শৰাইখনত হাত দি স্পষ্ট ভাষাত সন্মতি জনায়।

ইয়াৰ পাছত ৰীতি অনুসাৰে এৰাতিৰ বাবে হ'লেও দৰাই বন্ধু-বান্ধৱ লৈ ছোৱালীৰ ঘৰলৈ আহে। পূৰ্বতে দৰাই কোনোবা সময়ত এসপ্তাহ দিনলৈকো থাকি খেতি-বাতিৰ কামত সহায় কৰিছিল বুলি জনা যায়। ছোৱালী খোজা দিনৰ পৰা বিয়া সম্পন্ন হোৱাৰ মাজলৈ এইদৰে মাজে-সময়ে দৰা আহি ছোৱালীঘৰত থকাকে 'জোঁৱাই খটা' (মাগ্বদুক্নাম্) বুলি কোৱা হয়। কোনো কোনো লেখকে 'দুবছৰলৈকে জোঁৱাই খটা' বুলি উল্লেখ কৰিছিল। জোঁৱাই খটা কালছোৱাত দৰাক কইনাৰ লগত মুকলিকৈ কথা পাতিবলৈ দিলেও অবাধ মিলন হ'বলৈ নিদিয়ে। আনুষ্ঠানিকভাৱে খোজা ছোৱালীৰ চৰিত্ৰৰ ওপৰত সমাজে বৰকৈ চকু ৰাখে। কইনাৰ চৰিত্ৰ পৱিত্ৰ কৰি ৰাখিবলৈ পূৰ্বতে 'য়াম্নী-আপ্পুন্' নামৰ এটি পৰীক্ষামূলক অনুষ্ঠান প্ৰচলন কৰিছিল। (এই বিষয়ে স্থানান্তৰত বহলাই লিখা হৈছে।)

সম্প্ৰতি 'য়াম্নী-আপ্পুন্ 'আৰু মধ্যৱৰ্তী 'আৰেঃআকোন্' অনুষ্ঠান প্ৰথা এৰি দিছে। শেহত 'য়াম্নী-তাত্ পৃৰ্' নামৰ অনুষ্ঠানত দুয়োঘৰ মিলি বিয়াৰ দিন-ক্ষণ আৰু দৰাঘৰে ছোৱালীঘৰক দিবলগীয়া

সামগ্ৰীৰ পৰিমাণ নিৰ্ণয় কৰে। পূৰ্বতে ছোৱালীঘৰক দিবলগীয়া সামগ্ৰীৰ তালিকাখন দীঘল আৰু পৰিমাণ অতি বেছি আছিল। সম্প্ৰতি সকলো সামগ্ৰীৰ জুইছাই দাম হোৱাৰ পৰিপ্ৰেক্ষিতত নিম্নলিখিত সামগ্ৰীখিনি যুক্তিসংগত বুলি বহুতেই গ্ৰহণ কৰিছে। যেনে—ন্যূনতম্ ত্ৰিছ টোপোলা ছাইমদ, এটা দঁতাল গাহৰি, দুকুৰি শুকান কুঁহিমাছ, দহপোণ তামোল, ৪০ গুচি পাণ, অলপ নিমখ, আদা, ধঁপাত ইত্যাদি। অৱশ্যে কোনো কোনো ভিতৰুৱা অঞ্চলৰ লোকে এক শতিকাৰ আগৰ নীতিমতেই এশ টোপোলা ছাইমদ, দুটা দঁতাল গাহৰি, ১০০টা শুকান কুঁহিমাছ আৰু এই অনুপাতে তামোল-পাণ, আদা, ধঁপাত দাবী কৰি আঁকোৰগোজ মনোভাব প্ৰকাশ কৰাও দেখা যায়।

আনহাতে, কইনাঘৰে ন্যূনতম সামগ্ৰী, যথা—এযোৰ সোণৰ বা ৰূপৰ খাৰু (কংগ), ডিঙিত এধাৰ হাৰ বা জোনবিৰি, কাণত এযোৰ থুৰীয়া বা ইয়েৰিং, হাতত একাধিক সোণৰ বা ৰূপৰ আঙঠি যোগাৰ কৰি কইনাক সজাবলৈ চায়। সাধাৰণ খেতিয়ক পৰিয়ালৰ বাবে এইখিনি সামগ্ৰী যোগাৰ কৰাও সহজ নহয়।

পূৰ্বতে দৰা আহি এৰাতি কইনা ঘৰৰ কাষতে বাহৰ পাতি থকাৰ নিয়ম আছিল। সেইবাবে মিদাং কেইবাদিনো চলিছিল। গাঁৱৰ সীমাতে দৰা আদৰি বাহৰলৈ অনালৈকে এই সময়খিনিত প্ৰকৃততে এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হৈছিল।

উনুকিয়াই থোৱা ভাল হ'ব যে ৰীতিমতে 'মিদাং' পাতিবলৈ গোটেই গাঁওখনৰ সম্পূৰ্ণ সহযোগৰ প্ৰয়োজন। সেয়ে বিয়াৰ দিন স্থিৰ কৰাৰ লগে লগে কইনাঘৰে গাঁৱৰ ৰাইজলৈ বিশেষকৈ 'মৃম্বৃৰ্-য়াঃমে' অনুষ্ঠানৰ সক্ৰিয় সহযোগ বিচাৰি তামোল-পাণৰ শৰাই আগবঢ়ায়। ফলত বিয়াৰ সকলো দায়িত্ব গাঁৱৰ বয়সস্থ বুঢ়া-বুঢ়ী আৰু ডেকা-গাভৰুৰ ওপৰতেই পৰে। সেইবাবে গোটেই গাঁওখনেই কইনাঘৰীয়া হৈ পৰে। গাঁৱৰ সীমাতে প্ৰাথমিকভাৱে 'দৰা আদৰা' হয় আৰু ঢোলে-ডগৰে নৃত্য-গীত কৰি খন্তেকীয়া বাহৰলৈ শোভাযাত্ৰা কৰি লৈ আনে। সেই মুহূৰ্তৰ পৰা পিছদিনা কইনা উলিয়াই দিয়া সময়লৈকে বিবাহ-বাহৰক কেন্দ্ৰ কৰি গোটেই গাঁওখনতে এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সিফালে দৰাঘৰীয়া 'মৃম্বৃৰ-য়াঃমে'সকলেও নিজৰ বৰীয়াকৈ ঢোল-তাল, নাচনী-ছোৱালী লৈ সষ্টম হৈ থাকে। দুয়োপক্ষৰ ডেকা-গাভৰু মিলি বিভিন্ন নৃত্যগীত কৰে। ঢোলবাদন, পেঁপা-গগনা, অইনিঃতম্ আদিৰ প্ৰতিযোগিতাও চলে। এই সুযোগতে কইনাপক্ষৰ ডেকা-গাভৰুহঁতে দৰাপক্ষৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ গৈ নানা ধৰণৰ দাবী তুলি হাঁহি-গিৰ্জনিৰ মাজেৰে এক বিমল আনন্দ লাভ কৰে। কোনো কোনো অঞ্চলত মাত্ৰাধিক দাবী তুলি 'ৰেগিং' পৰ্যায় পাইছিলগৈ বুলি বয়সস্থ লোকে কয়। নৃত্য-গীত গোটেই নিশা চলে। নিমন্ত্ৰিত অতিথিৰ উপৰি অনিমন্ত্ৰিত ডেকা-গাভৰু, ওচৰ-চুবুৰীয়া গাঁৱৰ পৰা আহি নানা বৰণীয়া স্বকীয় সাজ-পাৰেৰে বিবাহ-বাহৰত ভিৰ কৰে। দুই-এক নিপুণ শিল্পীয়ে অংশগ্ৰহণ কৰি সমবেত ৰাইজৰ প্ৰশংসাও বোটলে। সেয়ে কোৱা হয়—'মিছিংসকলে "মিদাং" চাবলৈ যায়, খাবলৈ নহয়।' খোৱা-বোৱাৰ প্ৰশ্নটো তেনেই গৌণ। পিছে অনিমন্ত্ৰিত হ'লেও কোনো অতিথিয়ে ৰাত্ৰিযাপন কৰিবলগীয়া হ'লে যাতে ভোকে-লঘোণে থাকিবলগীয়া নহয় তাৰ বাবে গোটেই গাঁওখনেই সষ্টম হৈ থাকে। সেইবাবে গাঁৱৰ কাৰোবাৰ ঘৰত মিদাং সম্পন্ন হ'লে ই এক সামাজিক উৎসৱত পৰিণত হৈছিল। যোৱা শতিকাৰ আশীৰ দশকলৈ উপৰিউক্ত নীতিৰে 'মিদাং' সম্পাদন হোৱা বহুতেই দেখিছে। ৰীতিমতে কইনাঘৰে গাঁৱৰ ভিতৰে-বাহিৰে প্ৰকৃততে এশ বা ডেৰশগৰাকী নিৰ্বাচিত লোকক্হে তামোল-

পাণৰ টোপোলা দি নিমন্ত্ৰণ কৰাৰ নিয়ম আছিল। সেই নিৰ্দিষ্ট সংখ্যাৰে তামোলৰ টোপোলা (আকোন্) দৰাঘৰে কইনাঘৰক দিব লাগিছিল। নিমন্ত্ৰিত অতিথিসকলে নিজৰ আৰ্থিক অৱস্থা অনুসৰি কিছু মূল্যবান সামগ্ৰী (কাঠৰ বাকচ, কঁাহ-পিতলৰ বাচন, লোহাৰ ট্ৰাংক, সোণৰ আঙঠি ইত্যাদি) কইনাক 'জিতুক' (যৌতুক)স্বৰূপে উপহাৰ দিছিল। বিয়াৰ দিনা এনে নিৰ্বাচিত অতিথিক এবাটি আপং আৰু পোৰা শুকান কুঢ়ি মাছেৰে বিশেষভাৱে আপ্যায়ন কৰিছিল। লগতে একোটাকৈ তামোলৰ 'আকোন' বা 'কাকোন' আগবঢ়াইছিল। তামোল-পাণৰ দাম অতিপাত চৰি যোৱাত যোৱা শতিকাৰ মাজভাগতেই 'আকোন'ৰ ব্যৱস্থা পৰিহাৰ কৰা হ'ল। উপৰিউক্ত ব্যৱস্থাত কন্যাদায়গ্ৰস্ত মাক-বাপেকৰ যৌতুকৰ বোজা ভালেখিনি লাঘৱ হৈছিল। 'আকোন' প্ৰথা এৰি দিয়াত দৰাপক্ষৰ খৰচৰ বোজা কমিল কিন্তু কইনাঘৰৰ যৌতুকৰ বোজা বাঢ়িল।

যোৱা দুই দশকমানৰ পৰা চুবুৰীয়া সমাজৰ আদৰ্শ গ্ৰহণ কৰি নিমন্ত্ৰণ কৰাৰ ফলত নিমন্ত্ৰিত অতিথিসকলেও বজাৰৰ মনোহাৰী সামগ্ৰীকে 'উপহাৰ' হিচাপে দিবলৈ লৈছে। আনহাতে নিমন্ত্ৰিত হেজাৰ-বাৰশ লোকক যথাযোগ্যভাৱে আপ্যায়ন কৰাৰ পদ্ধতি গ্ৰহণ কৰাত বহু পিতৃ-মাতৃ সৰ্বস্বান্ত হোৱাৰ উপক্ৰম হৈছেগৈ। পৰিতাপৰ কথা—চহৰীয়া লোকৰ আধুনিক প্ৰথা সম্প্ৰতি ভিতৰুৱা অঞ্চললৈকো প্ৰসাৰিত হৈছে। পূৰ্বৰ সৰল অন্তৰেৰে সীমিত লোকক বিশেষভাৱে নিমন্ত্ৰণ কৰি অনুষ্টুপীয়াকৈ অতিথি আপ্যায়ন কৰা পদ্ধতি আৰু সাম্প্ৰতিক শ-হেজাৰজনক গতানুগতিভাৱে নিমন্ত্ৰণ কৰা নীতিৰ মাজত কোনটো আদৰ্শনীয়, সহজে কোৱা টান। আধুনিকতাই সমাজখনক আৰ্থিকভাৱে নিশকতীয়াহে কৰিছে।

মিছিং মিদাঙৰ মূলপৰ্ব হৈছে, ৰীতিমতে ভাবী জোঁৱাইৰ নামত এজনী চেউৰী গাহৰি বলি দিয়া হয়। সেই বলি দিয়া গাহৰিৰ মাংস সমন্বিতে একাঁহী 'জংছাগ্' বিশেষভাৱে প্ৰস্তুত কৰা আৰু সেই 'জংছাগ্' দৰা-কইনা দুয়ো লগ লাগি ভোজন কৰা। 'জংছাগ্' প্ৰস্তুত হ'লেই দৰাক চাঙত তুলিবলৈ নিৰ্দেশ আহে। ইতিমধ্যে কইনাজনীক দস্তুৰ অনুসৰি নোৱাই-ধুৱাই কইনাসাজেৰে অলংকৃত কৰি ৰাখে আৰু শুভমুহূৰ্তলৈ অপেক্ষা কৰে। এটা আহল-বহল কোঠাত কঁাহ-পিতলৰ 'বোৰা' এখনৰ ওপৰত 'জংছাগ'ৰ থালখন থাপনা কৰে আৰু এগছি মাটিৰ চাকি জ্বলাই গাঁৱৰ বয়োবৃদ্ধসকল কইনাৰ আত্মীয়সকলৰ সৈতে চাকিৰ তিনিকাষে বহলাই আসন গ্ৰহণ কৰে। দৰাক চাঙত তোলাৰ লগে লগে কইনাক সেই কোঠালৈ আনি পশ্চিমফালৰ আসনত বহুৱায়।

পদুলিমুখতে দৰাক আদৰা হয়। (দৰা আদৰা পদ্ধতি স্থানান্তৰত বহলাই লিখা হৈছে।) দৰা আদৰাৰ সময়তে বহু সম্ভ্ৰান্ত পৰিয়ালকৰ বিয়াত কইনাৰ মাকে (অবিহনে কোনো মাতৃস্থানীয় আয়তীয়ে) নিজ হাতে বোৱা 'গালুক' (চোলা) দুমীৰ্ (পাগুৰী) আৰু জিন্ৰীগ (টঙালী) পিন্ধাই 'মুৰ্নাম্' সম্পন্ন কৰে। পূৰ্বতে 'আৰীঃ আকোন্' প্ৰথা প্ৰচলিত হৈ থাকোতে 'মুৰ্নাম্' অনুষ্ঠান আগতীয়াকৈ সমাধা কৰি থৈছিল। 'আৰীঃ আকোন্' প্ৰথা এৰিবৰ পৰা বিয়াৰ দিনাই 'মুৰ্নাম্' সম্পন্ন কৰে। 'মুৰ্নাম'ৰ গূঢ়াৰ্থ হৈছে শুচিকৰণ। 'ৰাখীবন্ধন'ক যিদৰে ভাই-ভনীৰ পৱিত্ৰ বন্ধন বুলি ধৰা হয়, 'মুৰনাম্' অনুষ্ঠানো দুটি মিতিৰ পৰিয়ালৰ মাজৰ পৱিত্ৰ বন্ধন। সেই মুহূৰ্তৰ পৰা দৰা হৈ পৰে কইনা ঘৰৰ এজন সদস্য, এক পৰম আত্মীয়। দৰা আদৰি পদূলি মুখৰ পৰা ঢোলে-দগৰে শোভাযাত্ৰা কৰি নতুনকৈ তৈয়াৰ কৰা জখলাৰে দৰাক চাঙত তোলে। সেইখিনি মুহূৰ্ত অতি গুৰুত্বপূৰ্ণ। সেইবাবে অতি সন্তৰ্পণে দৰাৰ সখীসকল

আৰু আত্মীয়-স্বজনেৰে পৰিৱেষ্টিত হৈ আগবাঢ়ে। সিফালে আনন্দ উলাহত ডেকা-গাভৰু-বয়সস্থ ও আত্মীয়-স্রজন আৰু শুভাকাঙ্খীসকলে নানা তৰহে নানা ধৰণৰ গীত-নৃত্য কৰি বিমল আনন্দ লাভ কৰে। কথাতে আছে—'এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া।' কথাষাৰৰ মৰ্ম মিচিং মিদাঙৰ ক্ষেত্ৰত বৰকৈ উপলব্ধি কৰা যায়। বুঢ়ী আইতাৰ পৰা জীয়াৰী-বোৱাৰীলৈকে নাচত যোগ দিয়ে। বাস্তৱিকতে এনে আনন্দৰ মুহূৰ্ত পৰিয়াললৈ সঘনাই নাহে। দৰা বা দৰা-কইনাক লৈ শোভাযাত্ৰা কৰাৰ সময়ত বজোৱা ঢোলৰ এক বিশিষ্ট ছেও আছে। সেয়ে দুজনমান পৈণত ঢুলীয়াক তামোল-পাণৰ টোপোলা দি নিমন্ত্ৰণ কৰি আনে। বিয়াঘৰীয়া ঢোলৰ ছেও এই ধৰণৰ—

গৃণিতাং গৃণিতাং গৃণ্ গৃণ্ গৃনিতাং, ধীন্ দীধীনাং
জাং জাং জিত্‌জাং, জাং জিত্ জাং।
জাং জাং জিত্‌জাং, জাং জিত্ জাং।

বিলম্বিত লয়ত একে সুৰতে কেবাবাৰো বজাই অন্য এক সুৰত দ্ৰুত লয়ত ঢোল বজায়। সেই সময়ত শোভাযাত্ৰাৰ গতি ৰুদ্ধ হৈ পৰে আৰু সকলোৱে নৃত্য কৰি পৰম আনন্দ লাভ কৰে পুনৰ বিলম্বিত লয়ত ঢোল বাজে আৰু মন্থৰ গতিৰে শোভাযাত্ৰা আগবাঢ়ে। এইদৰে একে উচ্চস্তৰৰ আনন্দমুখৰ পৰিবেশ সৃষ্টি হয়। অতি সাৱধানে দৰাক চাঙক তোলাৰ লগে লগে বয়োবৃদ্ধসকলকৰ দ্বাৰা পৰিবেষ্টিত কোঠাটোলৈ নিয়া হয় আৰু কইনাৰ সোঁফালৰ আসনত বহিবলৈ দিয়ে। লগতে দুয়োপক্ষৰ 'য়াম্‌গুৰ্' (সখী)সকল বহে।

সাধু-ভকতৰ আজ্ঞামতে কইনাৰ মাকে বা নিকট মাতৃস্থানীয় আত্মীয় সধবা তিৰোতাই 'জংছাগ'ৰ সম্ভাৰ দৰা-কইনালৈ আগবঢ়ায়। বহুতে মূল 'জংছাগ'খিনি পাছলৈ ৰাখি তাৰে কিছু মাংস সংগ্ৰহ কৰি এবাটি পঃৰ-আপং দৰাৰ মুখত দি এচিকুট মাংস মুখলৈ আগবঢ়ায়। দুবাৰমান এনেকৈ কৰাৰ পাছত লগৰ য়াম্‌গুৰ্‌সকলকো খুৱায়। শেহত সেইখিনি নিলগাই থৈ 'জংছাগ'ৰ মাংস-ভাত দৰা-কইনাক একেলগে গ্ৰহণ কৰিবলৈ দিয়ে। আন এখন থালত সখিসকলৰ বাবেও মাংস-ভাতৰ যোগাৰ কৰে। সেই মুহূৰ্তৰ পৰা দৰা-কইনা দুয়ো অভিন্ন আত্মা বুলি ভাবিবলৈ নৱ দম্পতিক পৰামৰ্শ দি আশীৰ্বাদ দিয়ে। ডেকা-গাভৰুচামে দৰা-কইনাক নানা তৰহৰ মস্কৰা কৰি ব্যতিব্যস্ত কৰে আৰু হাঁহি-গিৰ্জনি মাৰি আনন্দ উপভোগ কৰে। 'জংছাগ'ত পাতত দিয়া কুঢ়িমাছ সন্নিবিষ্ট কৰাটো নিয়ম। 'জংছাগ' খোৱা হ'লেই এখন শৰাই দি দৰা-কইনাই সখিসকলৰ সৈতে উপৰিষ্ট বৃদ্ধসকলক সেৱা জনায়। এই মুহূৰ্তত এখন ফুলাম চাদৰ (কেপ্‌বুং) দৰা-কইনাৰ পিঠিত পথালিকৈ মেলি দি দুয়োৰে অংগবস্ত্ৰৰ দুটা মূৰ একেলগে গাঁথি দিয়ে। সাধুগৰাকীয়ে দৰা-কইনাৰ নাম, বাপেকৰ নাম, নিজ গুমুন আৰু অপুনৰ নাম কাঢ়ি এইদৰে কয়—'আজি এগছি বন্তি জ্বলাই, অগ্নিক সাক্ষী কৰি স্বামী-স্ত্ৰীৰূপে ৰাইজক সেৱা জনাইছে। ৰাইজেও এই মুহূৰ্তৰ পৰা দুয়োৰে স্বামী-স্ত্ৰী সম্বন্ধক স্বীকৃতি দিছে। পূৰ্বপুৰুষৰ পৰা চলি অহা ৰীতি-পৰম্পৰা মতে জীৱনে-মৰণে একেলগ হৈ সংসাৰ পাতিবলৈ শপত লৈছে। চেদি-মেল, দঞি-পল, উপৰিপুৰুষ সকলোৱে আশীৰ্বাদ দি নৱদম্পতিক দীৰ্ঘায়ু কৰক' ইত্যাদি। শেষত সমবেত ৰাইজে উচ্চস্বৰে জয়ধ্বনি দিয়ে। প্ৰকৃততে, সমবেত জয়ধ্বনিয়েই মিচিংসকলৰ 'বিবাহ-মন্ত্ৰ'। কিয়নো মিচিং মিদাং সম্পন্ন কৰিবলৈ কোনো হোম-যজ্ঞৰ ব্যৱস্থা নাই আৰু সেয়ে কোনো পূজাৰীৰ প্ৰয়োজন নহয়। মিচিংসকলৰ মতে—ৰাইজেই ৰজা, জ্ঞাতিয়েই গংগা। সমস্বৰ জয়ধ্বনিত শব্দব্ৰহ্মৰূপে ভগৱন্ত জাগ্ৰত হয় বুলি তেওঁলোকে

বিশ্বাস কৰি আহিছে।

ৰাইজক সেৱা জনোৱাৰ পাছতে পিতৃ-মাতৃক প্ৰথমে দৰা-কইনাই সেৱা জনায়। লগতে নিকট আত্মীয়ৰ জ্যেষ্ঠ কোনোবা থাকিলে তেওঁকো সেৱা জনাই আশীৰ্বাদ বিচাৰে। লগে লগেই বিয়াঘৰীয়া সুৰত পুনৰ ঢোল বাজি উঠে আৰু অলপো কালক্ষয় নকৰাকৈ কইনা লৈ উভতনি যাত্ৰা আৰম্ভ কৰে। সেই ক্ষণটোকে 'তয়নাম্' বোলা হয়। মাক-দেউতাকক চিৰদিনৰ বাবে এৰি আহিবৰ সময়ত কইনাজনীয়ে বিষাদৰ 'বিননি' তোলে। সুন্দৰ উপমাৰে সমৃদ্ধ এই বিননিক 'য়ামনী-কাবনাম্' বা 'য়ামনী-কাবান্' কোৱা হয়। ঢোল-তালৰ গিৰ্‌গিৰণি, কইনাৰ উচ্চৈস্বৰে কৰা বিননি আৰু দৰাপক্ষৰ ওভতনি যাত্ৰাৰ খদম্‌দমত গোটেই পৰিৱেশ উদুলি-মুদুলি হয়। সেইবাবে 'তয়নাম্' চাবলৈ আৰু কইনাৰ 'বিননি' শুনিবলৈ দূৰ-দূৰণিৰ ডেকা-গাভৰু আহি চোতাল ভৰি পৰে। সিফালে উঠি অহা জখলাৰে কইনাক লৈ দৰা নামি আহে আৰু চোতালত সমবেত ৰাইজৰো আশীৰ্বাদ বিচাৰি শৰাই এখন দি সেৱা জনায়। সমবেত ৰাইজেও উচ্চৈস্বৰে আশীৰ্বাদ দিয়ে। লগে লগে কাল ক্ষয় নকৰাকৈ কইনা লৈ দৰাপক্ষ ঘৰমুৱা হয়। ওভতনি যাত্ৰাৰ আগমুহূৰ্তত 'দুগতাদ্' অৰ্থাৎ দূত পঠোৱাৰ নিয়ম, যাতে তেওঁলোকে দৰাঘৰক শুভ বাতৰি আগতীয়াকৈ দিবগৈ পাৰে। 'দুগ্‌তাদ্' আহি পোৱাৰ লগে লগে দৰাঘৰতো খদম্‌দম্ লাগে কইনাক আদৰিবলৈ। যথাৰীতিৰে কইনাক আদৰি চাঙত তোলে। পুৰণি দস্তুৰ মতে 'য়ামীঃ বাছাগ্' অৰ্থাৎ কইনাৰ নামত এটি গাহৰি পোৱালি বলি দিয়া প্ৰথা আজিকালি প্ৰায়ে দেখা নাযায়। এহাল কুকুৰা মাৰি সেই পৰ্ব সমাধা কৰে। এইখিনিতে মিদাঙৰ মূল পৰ্বৰ সমাপ্তি ঘটে। কিন্তু পাঁচদিনৰ মূৰত 'দুগ্‌নীগৃলাদ্' অৰ্থাৎ আঠমঙলা খোৱাৰ আগতে মিদাং সম্পূৰ্ণ নহয়। সখিসকলৰ সৈতে দৰা-কইনা মাক-বাপেকৰ ঘৰলৈ এৰাতিৰ বাবে আহে আৰু সেইদিনাই সখিসকলক ঘৰাঘৰি যাবলৈ দিয়া হয়। ইয়াক বহু ঠাইত 'গৃকুব্-গৃলাব্' বুলিও কয়। সেইদিনাও গাঁৱৰ ডেকা-গাভৰু মিলি নানা তৰহৰ গীত গাই, নানা নৃত্য কৰি আনন্দ কৰে। নিশাটো কটাই পিছদিনা দৰা-কইনা নিজ ঘৰলৈ ওভতে। তাতেই মিচিং মিদাঙৰ পৰিসমাপ্তি ঘটে।

এইদৰে দেখা যায় মিদাঙৰ প্ৰস্তুতিৰ পৰা পৰিসমাপ্তিলৈকে এক উৎসৱমুখৰ পৰিৱেশ দেখিবলৈ পোৱা যায়। কিন্তু বৰ পৰিতাপৰ কথা—আজি কিছুদিনৰ পৰা মিচিং বসতিপ্ৰধান অঞ্চলত বানে খেতি-বাতিৰ বিস্তৰ ক্ষতি কৰাৰ ফলত এনে আড়ম্বৰপূৰ্ণ মিদাং পতা লোকৰ সংখ্যা দ্ৰুতবেগত কমি আহিছে। লগে লগে মিদাঙৰ উৎসৱমুখৰ আনন্দৰ পৰিৱেশ তেনেই বিৰল হৈ পৰিছেগৈ। অৰ্থনৈতিক কাৰণতেই মিছিঙৰ পঃৰাগ্, মিদাং আদি ব্যয়বহুল উৎসৱসমূহৰ বহু পুৰণি নীতি পৰিত্যাগ কৰিবলগীয়া হোৱাটোও লক্ষণীয়। 'আলি আয়ে লৃগাং' উৎসৱত তেনে বিশেষ খৰচী আয়োজন প্ৰয়োজন নহয় বাবেই সম্প্ৰতি ই সাৰ্বজনীন আৰু জনপ্ৰিয় উৎসৱত পৰিণত হৈ ৰৈছেগৈ।

গ্ৰন্থপঞ্জী ঃ

(১) *মিচিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি* ঃ ডাঃ নোমল পেগু, ২০০০ চন

(২) *China, a short cultural history*: Fitzgerald, C.P. 1942

(৩) *A History of the Mi shing of Eastern India*: Peter Pagu, 1998

দেউৰী সমাজৰ পুহৰ চুৰা

এক ঐতিহাসিক আৰু সাংস্কৃতিক তাৎপৰ্য

ইন্দিবৰ দেউৰী

এইকথা বহুতে নাজানে যে কৃষিজীৱী দেউৰীসকলে বছৰত দুটাকৈ চুৰা সামাজিকভাৱে মানি আহিছে। এটা পুহ মাহত আৰু আনটো অন্য কৃষিজীৱী অসমবাসীৰ দৰেই আহাৰ মাহত। ঠিক তেনেদৰে তেওঁলোকে বছৰত আনুষ্ঠানিকভাৱে দুবাৰ ন-ভাত খায়, এবাৰ শাওণত আহু ধানৰ ন-ভাত আৰু আনবাৰ আঘোণত শালিধানৰ ন-ভাত। আহাৰ মাহৰ চুৰা বা অম্বুবাচী অৰ্থাৎ যাঁঠৰ চুৰাৰ কালত পৃথিৱী ঋতুমতী বুলি ধৰা হয় আৰু উৰ্বৰা পৃথিৱীত জহকালৰ শালি বা দ খেতি কৰা হয় তথা সেই খেতি আঘোণত চপাই ন-শালিধানৰ ভাত খোৱা হয়। ঠিক তেনেদৰেই দেউৰীসকলে পুহ মাহতো পৃথিৱী ঋতুমতী হয় বুলি ধৰে আৰু সেই উৰ্বৰা পৃথিৱীত জাৰকালৰ আহু বা বাম খেতি কৰে তথা সেই খেতি শাওণত চপাই ন-আহু ধানৰ ভাত খায়। অসমত দেউৰীসকলৰ দৰেই আন আন কৃষিজীৱী জনগোষ্ঠীয়েও আহু ধান আৰু শালিধানৰ দুয়োটা পূজা কৰে, সেই ধৰণৰ আনুষ্ঠানিকতা আৰু গুৰুত্ব বোধকৰো আন জনগোষ্ঠীসমূহৰ সৰহভাগৰ ক্ষেত্ৰতেই দেখা পোৱা নাযায়। এই চমু আলোচনাত আমি ইয়াৰ ঐতিহাসিক তথা সাংস্কৃতিক কাৰণসমূহ ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰিছো।

অসম উপত্যকাৰ বহুতো জনগোষ্ঠীয়ে অসমৰ চাৰিওকাষৰ পৰ্বত বা উপপৰ্বত অঞ্চলৰ পৰা ক্ৰমান্বয়ে নামি আহি ব্ৰহ্মপুত্ৰ উপত্যকাত, অৰ্থাৎ ভৈয়াম অঞ্চলত বসতি বিস্তাৰ কৰিছিল। শদিয়াৰ উত্তৰ আৰু পূব দিশত অৱস্থিত উপপৰ্বত অঞ্চলত বসতি কৰা দেউৰীসকলৰ প্ৰধান অংশটোৱে উনৈছ শতিকাৰ প্ৰথম ভাগত (অৰ্থাৎ ১৮০০-১৮২৫ চনমানত) তাৰ পৰা ক্ৰমান্বয়ে নামি আহি নতুনকৈ বসতি কৰিবলৈ লৈছিল। তেওঁলোকে সেই সময়লৈকে শদিয়াৰ উপপৰ্বত অঞ্চলত প্ৰধানকৈ আহু অৰ্থাৎ বাম খেতিহে কৰিছিল আৰু আহুধানেই আছিল তেওঁলোকৰ প্ৰধান খাদ্য তথা জীৱন-ধাৰণৰ অৱলম্বন। শ শ বছৰ ধৰি পৰম্পৰাগত আহুধানৰ খেতি কৰাৰ বাবে দেউৰীসকলৰ লোক-বিশ্বাস, আচাৰ-আচৰণ, পূজা-পাৰ্বণ আদি সকলোতে আহু ধানৰ খেতিজনিত উপাদানসমূহ গভীৰভাৱে সোমাই

পৰিছিল। অসমৰ ভৈয়ামলৈ নামি আহি তেওঁলোকে ক্ৰমান্বয়ে শালি অৰ্থাৎ দ খেতি কৰা পদ্ধতি আয়ত্ত কৰি সেই খেতিক প্ৰাধান্য দিব ধৰিলে যদিও প্ৰতিবছৰেই তেওঁলোকে আহুধানৰ খেতি কৰিবলৈকো নেৰিলে। বৰ্তমান কালতো দেউৰীসকলে যথেষ্ট গুৰুত্বসহকাৰে আহু ধানৰ খেতি কৰে যদিও এতিয়া শালিধানহে তেওঁলোকৰ প্ৰধান খেতি আৰু খাদ্য হৈ পৰিছে। যোৱা দুশ বছৰত ক্ৰমান্বয়ে বৰ্ধিত হাৰত শালি খেতি কৰি অহাৰ ফলত ইতিমধ্যে দেউৰীসকলৰ লোকবিশ্বাস, আচাৰ-আচৰণ তথা পূজা-পাৰ্বণ আদিত শালি খেতিজনিত উপাদানসমূহ সোমাই পৰি বহু পৰিমাণে দেউৰী ধৰ্মীয়-সাংস্কৃতিক পৰম্পৰাৰ মৰ্যাদা পাইছে। আনহাতে তেওঁলোকৰ মাজত আহু খেতিৰ ধাৰাবাহিকতা এতিয়াও অব্যাহত থকাৰ ফলত পৰম্পৰাগত আহু খেতিজনিত উপাদানসমূহো তেওঁলোকৰ লোকবিশ্বাস, আচাৰ-আচৰণ, পূজা-পাৰ্বণ আদিত বিদ্যমান। এই ঐতিহাসিক আৰু সামাজিক পটভূমিতেই আমি ইতিমধ্যেই উল্লেখ কৰা দেউৰীসকলৰ মাজত দুটা চুৱা তথা দুটা ন-ধানৰ ভাত খোৱাৰ ব্যৱস্থাৰ উপস্থিতিৰ কথা বিচাৰ কৰিব লাগিব।

কৃষিজীৱী সমাজত কৃষিয়েই সংস্কৃতিক গঢ় দিয়ে। আহু খেতিপ্ৰধান সমাজৰ পৰা শালি খেতিপ্ৰধান সমাজলৈ হোৱা পৰিৱৰ্তনে যোৱা দুশ বছৰত দেউৰী সমাজলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিলে। আহু খেতিতকৈ অধিক উৎপাদন সক্ষম শালি খেতিৰ প্ৰাধান্যই তেওঁলোকৰ ৰাহি উৎপাদন বহু গুণে বৃদ্ধি কৰিলে। ৰাহি উৎপাদনৰ বৃদ্ধিয়ে বেচা-কিনা, আদান-প্ৰদান আদিৰ যোগেদি তেওঁলোকৰ আন আন ওচৰ-চুবুৰীয়া জনগোষ্ঠীৰ লগত তথা বৃহৎ অসমীয়া সমাজৰ লগত যোগাযোগ ক্ৰমান্বয়ে বৃদ্ধি পালে। এই যোগাযোগৰ প্ৰভাৱ তেওঁলোকৰ ধৰ্মীয় বিশ্বাস, সংস্কৃতি, ভাষা, সাধাৰণ জীৱন-ধাৰণ ইত্যাদি সকলোতে ক্ৰমান্বয়ে পৰিবলৈ ধৰিলে। এই বিষয়ে বিস্তৃত আলোচনাৰ অৱকাশ আছে। এই সকলোবোৰ পৰিৱৰ্তনৰ মাজতো কৃষিজীৱী দেউৰী সমাজত পুহৰ চুৱাৰ ধাৰণা তথা শাওণৰ ন-ধানৰ পূজাৰ ধাৰাবাহিক উপস্থিতিয়ে এক বিশেষ তাৎপৰ্য বহন কৰিছে। দেউৰী সমাজে পৰিৱেশ-পৰিস্থিতিৰ লগত সংগতি ৰাখি পৰিৱৰ্তনৰ পথত ভৰি দিছে যদিও এই পৰম্পৰা তথা ঐতিহ্যৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে।

দেউৰীসকলে শালিধানৰ খেতিৰ প্ৰাধান্যৰ কালত বৃহৎ অসমীয়া সমাজত প্ৰচলিত আহাৰ মাহৰ চুৱা অৰ্থাৎ অম্বুবাচী বা যাঁঠৰ চুৱা আৰু আঘোণ মাহত ন-শালি ধনৰ ভাত খোৱা প্ৰথা আহৰণ কৰিলে যদিও এই প্ৰথা দেউৰী সমাজৰ নিজস্ব পুহৰ চুৱা আৰু শাওণৰ ন-আহু ধানৰ ভাত খোৱা প্ৰথাৰ দৰে পৰিপূৰ্ণভাৱে পৰম্পৰাগত দেউৰী ধৰ্মীয় ব্যৱস্থাৰ অন্তৰ্গত হৈ পৰা নাই। দেউৰী সমাজত আহাৰৰ চুৱা অৰ্থাৎ যাঁঠৰ চুৱাৰ ধাৰণা আৰু আঘোণৰ ন-শালিধানৰ ভাত খোৱা প্ৰথাৰ প্ৰচলন যে তুলনামূলকভাৱে নতুন, সেইটো স্পষ্ট। দুয়োটা চুৱা আৰু দুয়োটা ন-ভাত খোৱা প্ৰথাৰ তুলনামূলক পৰ্যালোচনাই কথাষাৰ অধিক পৰিষ্কাৰ কৰিব।

দেউৰীসকলৰ মাজত সাধাৰণতে বুধবাৰ দিনটো শুভ দিন বুলি ধৰা হয়। পৰম্পৰাগতভাৱে বুধবাৰৰ দিনা দেউৰীৰ প্ৰধান পূজাসমূহ সাধাৰণতে দিয়া হয় আৰু দেউৰী বিহুসমূহো বুধবাৰৰ দিনাই আৰম্ভ কৰা হয়। ন-ধানৰ পূজাৰ ক্ষেত্ৰত শাওণৰ ন-ধানৰ পূজা (অৰ্থাৎ ন-আহু ধানৰ পূজা) পৰম্পৰাগত প্ৰথা মতে শাওণ মাহৰ শুক্লপক্ষৰ প্ৰথম বুধবাৰে দিয়া হয়। এইটো এটা এৰিব নোৱাৰা প্ৰধান পূজা। কিন্তু আঘোণৰ ন-শালিধানৰ ক্ষেত্ৰত তেনে বিশেষ প্ৰধান পূজাৰ ব্যৱস্থা নাই। যি সাধাৰণ পূজা কৰা হয়, সেয়া আঘোণৰ ন-জোনৰ দিনা কৰা হয়, কোনো নিৰ্দিষ্ট বাৰত কৰা নহয়। আনহাতে

পৰম্পৰাগতভাৱেই শাওণত ন-আহুধানৰ ভাত খোৱাৰ সময়ত দেউৰীসকলে আহুধানৰ ভাত প্ৰসাদৰূপে মূৰত লোৱা নিয়ম। এই প্ৰথা দেউৰী বুঢ়া-মেথাসকলে অৱধাৰিতভাৱেই মানি চলে। কিন্তু আঘোণত ন-শালিধানৰ ভাত খোৱাৰ সময়ত শালিধানৰ ভাত প্ৰসাদৰূপে মূৰত লোৱাৰ পৰম্পৰাগত প্ৰথা নাই। পুহৰ চুৱা সমগ্ৰ পুহ মাহ ধৰি মানি চলা হয়, এই মাহত কোনো শুভকাৰ্য কৰা নহয়। দেউৰীসকলৰ প্ৰধান ধৰ্মস্থান দেওঘৰ অৰ্থাৎ থানঘৰত সেই মাহত মাহেকীয়া পূজা বা আন কোনো পূজা নহয়। আন প্ৰতিটো মাহতে মাহেকীয়া পূজা দেওঘৰত হয়। আনহাতে আহাৰৰ চুৱা অৰ্থাৎ যাঁঠৰ চুৱাৰ সময়ত তিনিদিনহে হাল-কোৰ খতি কৰা হয়, সমগ্ৰ আহাৰ মাহত শুভকাৰ্য তেনেদৰে নিষিদ্ধ নহয়। পুহৰ চুৱা ভঙা অৰ্থাৎ চুৱা নিবৃত্তিৰ বাবে দেওঘৰত পূজা দিয়া হয়। আহাৰৰ চুৱা অৰ্থাৎ যাঁঠৰ চুৱা, নিবৃত্তিৰ পূজা আহাৰ মাহৰ শেষত পতা হয়। পুহৰ চুৱা নিবৃত্তিৰ পূজাত দেউৰীসকলে পানী-কচু থোৰৰ জাল খোৱা এটা আওপুৰণি প্ৰথা আছে যদিও যাঁঠৰ চুৱাৰ ক্ষেত্ৰত তেনে প্ৰথা নাই। এই দুই চুৱা প্ৰথা আৰু দুই ন-ভাত খোৱা প্ৰথাৰ তুলনামূলক পৰ্যালোচনাৰ পৰা এইটো পৰিষ্কাৰ যে দেউৰী সমাজত আহাৰৰ চুৱা অৰ্থাৎ যাঁঠৰ চুৱা প্ৰথা আৰু ন-শালিধানৰ ভাত খোৱা প্ৰথা তুলনামূলকভাৱে নৱাগত। দেউৰীসকলৰ মাজত এটি প্ৰবাদ আছে যে 'শালিধান জহৰা, আহু ধানহে ঘাই'—যিটো অতি তাৎপৰ্যপূৰ্ণ।

আমি ইতিমধ্যেই উল্লেখ কৰিছো যে দেউৰী সমাজত শালিধানৰ খেতিৰ এতিয়াও প্ৰাধান্য আছে যদিও তেওঁলোকৰ সমাজত পৰম্পৰাগত আহুধানৰ খেতিৰ ধাৰাবাহিকতাও অব্যাহত আছে। কিন্তু ওপৰৰ পৰ্যালোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে বৰ্তমান যুগত তেওঁলোকৰ মাজত শালিধান খেতিজনিত ধৰ্মীয়-সাংস্কৃতিক উপাদানসমূহ সাৰোগত কৰিলেও আহুধানৰ খেতিজনিত উপাদানসমূহৰ প্ৰাধান্য বিদ্যমান। সেয়ে শাওণৰ ন-ধানৰ পূজা (অৰ্থাৎ ন-আহু ধানৰ পূজা) এতিয়াও তেওঁলোকৰ এটা প্ৰধান পূজা। এই পূজাক দেউৰীসকলে শাওণীয় 'মিদি মুনুমা' বা 'ন-ধানৰ পূজা' বা 'বৰপূজা' বুলি কয়। এই পূজা দেওঘৰ অৰ্থাৎ থানঘৰত বিশেষভাৱে পালন কৰা হয়। শালিধানৰ ক্ষেত্ৰত এনেধৰণৰ পূজাৰ ব্যৱস্থা হোৱা নাই। আহুধানৰ খেতিৰ উপাদানসমূহক এনেদৰে প্ৰাধান্য দিয়াৰ অংশ হিচাপে দেউৰীসকলে পুহৰ চুৱাজনিত আচাৰ-আচৰণ আৰু ধৰ্মীয় ব্যৱস্থাসমূহো নিষ্ঠাৰে পালন কৰে। পৰম্পৰাগত আহু খেতিৰ ধাৰাবাহিকতা দেউৰীসকলে এতিয়াও অব্যাহত ৰখাৰ বাবেই তেওঁলোকে নিজৰ এই বৈশিষ্ট্যসমূহ জীয়াই ৰাখিব পাৰিছে বুলি ধাৰণা কৰিব পাৰি।

দেউৰীসকলে এতিয়া প্ৰধানকৈ শালিধানৰ খেতি কৰে যদিও দেউৰী কৃষকৰ মাজত এটা জনবিশ্বাস আছে যে কোনো বছৰত আহুধানৰ খেতি নকৰিলে পৰিয়ালৰ অপায়-অমংগল হ'ব পাৰে। সেয়ে যিকোনো উপায়েৰে এডৰা হ'লেও মাটিত পৰম্পৰাগত আহু ধানৰ খেতি কৰে। সেই একে কাৰণতে তেওঁলোকে পুহৰ চুৱা মানি চলে আৰু শাওণৰ ন-ধানৰ পূজাও কৰে। দেউৰীসকলে এই পৰম্পৰা অটুট ৰাখিয়েই পৰিবৰ্তনৰ পথ তথা আহু খেতিৰ প্ৰাসংগিকতা তেওঁলোকে শেষ হ'বলৈ দিয়া নাই।

তিৱা জনগোষ্ঠীৰ বসন্তোৎসৱ 'চগ্ৰামিচাৱা'

পদ্ম পাটৰ

মানুহ জাতিৰ বুৰঞ্জী বহু হাজাৰ বছৰৰ পুৰণি। সেই আদিম মানৱৰ মানসিক বিকাশ সময়ৰ বিভিন্ন স্তৰত, বিভিন্ন ৰূপত ৰূপায়িত হৈ আহিছে আৰু সময়ৰ গতিত সেই ৰূপান্তৰ ঘটি থাকিব। সেই আদিম মানৱৰ অন্তৰ পোহৰসন্ধানী হৈ সভ্যতাৰ পথত গতি কৰাৰ লগে লগেই একেলগে থকা, খোৱা-বোৱা, কাম-কাজৰ প্ৰশ্নৰ লগে লগেই সৃষ্টি হৈছিল কৃষ্টিৰ। কৃষ্টি ঃ মানসিক কৰ্ষণৰ অপূৰ্ব সমন্বয়। প্ৰকৃতিৰ বুকুৰ পথাৰেই আছিল এদিন আমাৰ জীৱন আৰু সেই পথাৰৰ নাঙলৰ সীৰলুত জন্ম হৈছিল কৃষ্টিৰ। হাঁহি-নাচোনৰ অফুৰন্ত প্ৰাণশক্তিৰে জীৱনে অমৰত্ব লভিছিল। আৰু সংস্কৃতিৰো জন্ম হৈছিল তাতেই। এই মানুহে কথা ক'বলৈ লোৱাৰ সময়ৰে পৰা, মানুহৰ ইতিহাস সৃষ্টিৰ লগে লগেই আৰম্ভ হৈছিল সংস্কৃতিৰ ইতিহাস আৰু সেই সংস্কৃতিয়েই আমাৰ সমাজ-জীৱনৰ লগত একেটা টকাৰে দুই পিঠি হৈ ওতপ্ৰোতভাৱে অপূৰ্ব সমন্বয় ঘটাই আহিছে।

আদিম কালত চিকাৰেই আছিল জীৱন। এই চিকাৰৰ পাছতে আমি ঢাপলি মেলিছিলো পথাৰলৈ হাতে হাতে দা, কোৰ, নাঙল লৈ। আৰু সেই জীৱনৰ আদিম স্তৰত মাজে মাজে চিকাৰ তৃপ্তিৰ প্ৰাচুৰ্যত জুইক কেন্দ্ৰ কৰি নানা চিএৰ-বাখৰ, হাঁহি-উল্লাসেৰে চাৰিওফালে ঘূৰি ঘূৰি নাচিছিলো। আৰু ক্ৰমে ক্ৰমে পথাৰৰ শস্য চপাই নতুন বতৰৰ গইনা লৈ আজৰি পৰত দল বান্ধি নাচি-বাগি, গীত গাই আনন্দৰ পৰিৱেশ সৃষ্টি কৰি কৰ্মক্লান্ত মনৰ অৱসাদ আঁতৰাইছিলো। এনেবোৰ নৃত্য-গীতেই সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সেই তাহানিৰে পৰাই আমাৰ মনক সৃষ্টিৰ স্পৃহাই প্ৰকৃতিৰ বুকুলৈ টানি লৈ যায় আৰু সেয়েই আমি আমাৰ ঐতিহ্যক পাহৰিব নোৱাৰি উদং পথাৰৰ বুকুত সৃষ্টিৰ উৎসৱ পাতো আৰু নৱসৃষ্টিৰ উন্মাদনাৰে ডেকা-গাভৰুৰে মিলি উলাহী যৌৱনৰ গীত গাই আপোন পাহৰি গীত গাওঁ, হাঁহো, নাচো।

'চগ্ৰামিচাৱা' আমি আলোচনা কৰিবলৈ লোৱা বসন্তোৎসৱটি অসমত অতীজৰে পৰা বসবাস

কৰি অহা তিৱা বা লালুংসকলৰ কৃষিকাৰ্যৰ লগত জড়িত এক ঐতিহ্যমণ্ডিত উৎসৱ। বহু ঠাইত এই অতীত পৰম্পৰাসৰ্বস্ব উৎসৱটিৰ ৰূপ হেৰাই গৈছে যদিও এই নৃত্য-উৎসৱৰ লগত জড়িত সামাজিক বান্ধোন, বিধি-বিধান আজিও যিবোৰ আছে, সেইবোৰ সঁচাকৈয়ে অতি তাৎপৰ্যপূৰ্ণ ৰূপত চিহ্নিত হৈ আহিছে। তাৎপৰ্যপূৰ্ণ এই 'চগ্ৰামিচাৰা' (বসন্তোৎসৱ)ৰ প্ৰস্তুতি-পদ্ধতিও।

অসম অতি পুৰণি খিলঞ্জীয়া জাতি-জনজাতিৰ লীলাভূমি। উত্তৰ-পূব ভাৰতৰ এই প্ৰাচীন ভূমিখণ্ডত সেই অতীজৰে পৰাই বসবাস কৰি আহিছে তিব্বত-বৰ্মী ফৈদৰ মংগোলয়ড গোষ্ঠীৰ লোকসকল, যিসকল লোকৰ সমাজ-জীৱন স্বকীয়তাপূৰ্ণ বৈচিত্ৰ্যময় ঐতিহ্যৰে ভৰপূৰ। এই অনাৰ্যমূলীয় লোকসকল জাতিতত্ত্বৰ ফালৰ পৰা মহাপৰাক্ৰমী কিৰাত জনজাতিৰ (মংগোলয়ড়) বুলি পণ্ডিতসকলে কয়। সেইসকল লোকেই আজি নগাভূমি, অৰুণাচল, মিজোৰাম, মেঘালয় আদিত বৰ্তমান। অকা, ডফলা, মিৰি (মিচিং), চিংফৌ, বড়ো, নগা, ডিমাচা, সোনোৱাল, কছাৰী, ৰাভা, দেউৰী, তিৱা (লালুং), মিজো, খাচিয়া, গাৰো আদি লোকসকলে জনজাতিৰূপে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত নিজৰ সমাজ-জীৱনৰ স্বকীয়তাৰে বসবাস কৰি আহিছে। এইসকল লোকে অতীজৰে পৰাই ভাৰতীয় লোক-সংস্কৃতিলৈ বিচিত্ৰতা প্ৰদান কৰি আহিছে। বিশাল ব্ৰহ্মপুত্ৰৰ গতি-প্ৰৱাহৰ দৰেই এই বৃহৎ অঞ্চলৰ সংস্কৃতিৰ ৰূপ চিৰপ্ৰৱহমান ৰূপত প্ৰৱাহিত হৈ আহিছে। এই বিশাল ভূমিখণ্ডৰেই বৃহৎ বড়ো জনগোষ্ঠীৰ অন্যতম জনগোষ্ঠী হৈছে তিৱা বা লালুংসকল। বড়োসকলৰ লগত ভাষা-সংস্কৃতিৰ প্ৰায় সকলো দিশতে মিল থকা এই জনগোষ্ঠীটোৰ প্ৰধান বসতিস্থান হৈছে মধ্য অসমৰ নগাঁও আৰু মৰিগাঁও জিলাৰ বাহিৰেও কাৰ্বি আংলং জিলাৰ পশ্চিমাঞ্চলৰ লগতে কামৰূপ জিলাৰ পূৰ্বাঞ্চল। যোৰহাটৰ ওচৰৰ তিতাবৰৰ বাহিৰেও ধেমাজি জিলাতো ভালেসংখ্যক তিৱা লোকে সুদীৰ্ঘকাল ধৰি বসবাস কৰি আহিছে।

তিৱা সম্প্ৰদায়ৰ ঐতিহ্যপূৰ্ণ অতীতৰ চানেকী বহন কৰি আহিছে বৰ্তমানৰ সাতোৰজা, পাঁচোৰজাৰ অৱস্থিতিয়ে। আজিও আছে নগাঁও জিলাৰ পশ্চিমাঞ্চলত গোভা ৰজা, দক্ষিণত চহৰি ৰজা আৰু তেনেকৈ পশ্চিম নগাঁৱতো এই ৰজা বৰ্তমান। এইসকল ৰজাৰ উপস্থিতিত মাঘৰ বিহুৰ পাছতে জাগীৰোডৰ নাতিদূৰৈৰ জোনবিলৰ পাৰত জোনবিল মেলা পাতে আৰু ৰজাৰ (গোভাৰজাৰ) উপস্থিতিৰে জোনবিলৰ পাৰত অনুষ্ঠিত পূজা-অৰ্চনাৰ পাছত মেলা পাতি, ৰাইজৰ পৰা কৰ-কাটল আদায় কৰা দেখা যায়।

তিৱাসকলৰ সমাজ আৰু সাংস্কৃতিক জীৱনো অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ দৰেই অতি চহকী। অসমৰ সংস্কৃতি পথৰুৱা সংস্কৃতি, প্ৰকৃতিৰ বুকুত জন্ম পোৱা সংস্কৃতি, নৈপৰীয়া সংস্কৃতি। প্ৰকৃতিৰ মাজত ডাঙৰ-দীঘল হৈ নদ-নদী, হাবি-বননিত জীৱন পাৰ কৰা এই মানুহখিনিয়ে কৰা কৰ্মৰ শেষৰ আনন্দখিনিও সেয়ে এই প্ৰকৃতিৰ পৰাই আহৰণ কৰিছিল। জনজাতিসকলৰ প্ৰথম জীৱন-কৰ্মই হৈছে খেতি পথাৰ। এই পথাৰৰ কৃষিকাৰ্যৰ শুভাৰম্ভ আৰু সমাপন কাৰ্যৰ সামৰণি মৰা হয় বিভিন্ন পূজা-পাতল, নৃত্য-গীত আদিৰে। অসমৰ পাহাৰ আৰু ভৈয়ামত বসবাস কৰি অহা তিৱা সম্প্ৰদায়ৰ নৃত্য-গীত, পূজা-সেৱা, সমাজ-জীৱনৰ অন্যতম অংগ। খেতি-বাতিয়েই যাৰ জীৱন— সেয়ে খেতি-খোলালৈ যোৱাৰ আগেয়ে তিৱাসকলে পাতে জংকং পূজা। বানখাৱা, মকণ্ মৰা নৃত্য আদিও সময়বিশেষে পাতে। এনেবোৰ নৃত্য-উৎসৱৰ মূল উৎস হৈছে খেতি-বাতি।

'চগ্ৰামিচাৱা'ও হৈছে তিৱা সম্প্ৰদায়ৰ কৃষিৰ লগত জড়িত অন্যতম বসন্ত উৎসৱ। আঘোণ মাহত লখিমীক পথাৰৰ পৰা আদৰি অনাৰ দিনাৰ পৰাই ('মাইচিচা') এই উৎসৱৰ আৰম্ভণি হয়। গাঁৱৰ মুৰব্বী তথা পুৰোহিত 'লৰ'ৰ ঘৰলৈ আঘোণ মাহৰ বুধবাৰ (পহিলা বুধবাৰ) এটিত এই ধানৰ আগ লৈ অনা হয়। জনজাতীয় উৎসৱ-পাৰ্বণসমূহ কৃষিভিত্তিক আৰু বুধবাৰটো গুৰুবাৰ (ভাল বাৰ)ৰূপে পৰিগণিত। সেয়ে প্ৰায়বোৰ জনজাতিৰ লোকেই এই বুধবাৰটোক বাছি লৈ পূজা-সেৱা, উৎসৱৰ দিন-তাৰিখ থিৰাং কৰে। এই বুধবাৰতে মিচিংসকলৰ শস্যৰোপণ উৎসৱ 'আলি আই লৃগাং' ফাগুন মাহৰ পহিলা বুধবাৰে আৰম্ভ কৰে মিচিংসকলে। এই উৎসৱেৰেই অসমত বিহুৰ শুভাৰম্ভ হয়। মিচিংসকলৰ দৰেই পাহাৰ আৰু ভৈয়ামৰ বহু তিৱা (লালুং) সম্প্ৰদায়ৰ লোকে— সংক্ৰান্তি যেতিয়াই নহওক কিয়—এই বুধবাৰেহে বিহু পাতে। মাঘৰ বিহুও, ব'হাগৰ বিহুও।

'চগ্ৰা'ৰ অৰ্থ হৈছে নাচোন। (নাচন বুলিহে তিৱাসকলে কয়।) মিচাৱা— নাচা। অৰ্থাৎ 'নাচোন নাচা'। পথাৰৰ খেতি চপাই, পৰিশ্ৰমৰ অৱসাদ আঁতৰাই নতুন সজীৱতা অনাৰ ই হ'ল অন্যতম নৃত্য উৎসৱ, গীত-নাচেৰে ভৰপূৰ বসন্তোৎসৱ। লোকবিশ্বাস মতে, 'পৃথিৱীক উৰ্বৰা কৰিবলৈ ডেকা-গাভৰুৱে একেলগে নাচিব লাগে। জীৱন-যৌৱনৰ স'তে পৃথিৱীৰ এৰাব নোৱাৰা সম্বন্ধ। পিতৃ আকাশ আৰু মাতৃ পৃথিৱীৰ যৌন-সংগমত পৃথিৱীৰ উৰ্বৰাশক্তি বৃদ্ধি পায়।' অৱশ্যে এই 'চগ্ৰামিচাৱা'ৰ অতি তাৎপৰ্যপূৰ্ণ দিশটো হৈছে গাঁৱৰ সকলো ডেকা আৰু আদহীয়াই এই নৃত্য উৎসৱত তিনি দিন, তিনি ৰাতি সম্পূৰ্ণ চৌৰাশী ঘণ্টাৰ বাবে এই নৃত্যোৎসৱ পালন কৰিলেও ইয়াত কিন্তু কোনো গাভৰু বা মহিলাই অংশগ্ৰহণ কৰিব নোৱাৰে। এই নৃত্য প্ৰথমে গাঁৱৰ চামাদিৰ সন্মুখত অনুষ্ঠিত হয়, পাছত এই নৃত্য-উৎসৱ হয় গাঁৱৰ মুখিয়াল লোকসকলৰ বিশেষ কেইগৰাকীমান লোক আৰু দুটামান পৰিয়ালৰ (কুলৰ) চোতালত। অৱশ্যে মহিলাসকলে এই নৃত্য-গীতৰ সময়ত প্ৰয়োজন হোৱা 'জু' বা 'চু' (মদ)ৰ যোগান ধৰি, মায়ংমচৰা (পাহাৰৰ শাকজাতীয় পাত)ৰ লগত শুকান মাছ ৰান্ধি, ৰাভাতৰ যোগান ধৰিব লগা হয় নৃত্যৰতা পুৰুষসকলক— যিসকলে 'জু'ৰ ৰাগিত সকলো পাহৰি এক সুৰ, মান আৰু নৃত্যৰ লয়েৰে 'পিচুকীত' (বিহুগীত) গাই সুদীৰ্ঘ সময় কেৱল বৰচোতাল কঁপাই নাচি থাকে খ্ৰামৰ (বৰঢোলৰ) গুৰুগম্ভীৰ ছেৱে ছেৱে, পাংচি (বাঁহী), থোৰাং (দুহাত দীঘল বাঁহী)ৰ সুৰে সুৰে। তিৱা পাগ্‌ঠাই (ডেকা)সকল ব্যস্ত হৈ পৰে নাৰীৰ ৰূপ বৰ্ণনাৰে ৰূপাত্মক গীতত আৰু আত্মৰতিৰে নৃত্য-গীতৰ ৰসাত্মক দিশটো উপলব্ধি কৰি ৰয় গাঁৱৰ ৰচকী লাহতী গাভৰুবোৰে দূৰে দূৰে আঁৰে আঁৰে বৈ। চগ্ৰাৰ গীতবোৰ আদি ৰসাত্মক, প্ৰেম-পিৰীতিৰ গীত।

উল্লেখ কৰিব পাৰি যে ভৈয়ামৰ তিৱাসকলে মাঘৰ বিহুটো অতি আনন্দেৰে পাতে। গাঁৱৰ এমূৰত (বাহিৰত) দ পথাৰৰ দীঘলীয়া নৰাৰে শাৰী শাৰী মেজি সাজে, নৰ-নাৰীৰ নানা ইংগিতপূৰ্ণ নাচোনৰ লয়লাস ভংগী, গাভৰুৰ ভৰুণ দেহৰ খোপাত ফুল গুজি দি নৰাৰে সেইবোৰ নানা কৌশলেৰে সজোৱা হয়। বিহুৰ দিনা সন্ধিয়া গাঁৱৰ ৰাইজে (পুৰুষে) গৈ হৰিধ্বনি দি এহাল মেজিত জুই জ্বলাই এদল নিৰ্বাচিত বিহুৱাক বিহু গাবলৈ (বিহু মাৰিবলৈ) দায়িত্ব দিয়ে। আৰু সেই দলক নিৰ্দিষ্ট কৰি ৰখা মতে ক্ৰমে আন এদলে গৈ বিহু মৰাত সহযোগ কৰেগৈ। সেই বিহুগীতবোৰো নাৰী ৰূপাত্মক গীত। লগত থাকে এক বৈশিষ্ট্যপূৰ্ণ চুটি চুটি ঢোলৰ আৰু তালৰ ছেও— যি ঢোলৰ ছেও অসমৰ আন ক'তো শুনা নাযায়। এই ঢোলৰ ছেও বৰ্তমানো আছে নগাঁৱৰ কোনো কোনো

অঞ্চলবিশেষত। উল্লেখযোগ্য যে কোনো নাৰীৰেই সহযোগ চগ্ৰামিচাৱাৰ দৰে এই বিহুতো নাথাকে। সেইদিনা গোটেই ৰাতি গাঁৱৰ ডেকা-বুঢ়াই (আদহীয়াই) এই বিহু গায় যদিও সেই ৰাতিটোৰ এনে অশ্লীল গীতৰ বাবে কাকো দোষাৰোপ কৰা নহয়। চগ্ৰাৰ গীতবোৰো একেই ৰূপৰে গীত— নাৰী দেহৰ ৰূপাত্মক গীত। গীতবোৰ মৌখিক গীত, কিন্তু সুৰবোৰৰ নৃত্য-লয়ৰ লগত সামঞ্জস্য আছে। এই মাঘ বিহুৰ গীত সেই বিহুৰ ৰাতিহে গাব পাৰে; আন কোনোদিনে ক'তো কোনোৱে এই গীত নাগায়।

চগ্ৰাৰ নাচোনত ব্যৱহাৰ কৰা সাজপাৰবোৰ হৈছে 'চগ্ৰামিচাৱা'ৰ অন্যতম উল্লেখযোগ্য দিশ। নাচোনৰ এই ঐতিহ্যপূৰ্ণ সাজপাৰে আজিও তিৱাসকলৰ জীয়াৰী-বোৱাৰীসকল যে বোৱা-কটাত অতি নিপুণ আছিল, তাৰ চানেকী দাঙি ধৰি আহিছে। কুৰিহাত দীঘল মুগাৰ চুৰিয়া (দহিকটা/ফুলাম), কুৰি হাত দীঘল পাগুৰি— যি পাগুৰিৰ কাপোৰত ভমকা ফুলীয়া ফুল বছা থাকে আৰু বাৰ হাত দীঘলৰ একোখন টঙালি গাত অঁৰা থাকে বা কঁকালত বান্ধি লয়। আগতে মূৰৰ পাগুৰিবোৰ পিছফালে আনটো কাপোৰৰ মূৰ কলাফুললৈকে ওলমি থকাকৈ মাৰিছিল আৰু নাচোনৰ লয়ত পিছফালে ওলমি ৰোৱা কাপোৰৰ ফুলাম অংশয়ো যেন নাচোনৰ ছন্দে ছন্দে নাচি বৈছিল। গাত থাকে সেই একেই নিপুণ শিপিনীয়ে বৈ দিয়া ক'লা, ৰঙা, হালধীয়া বিভিন্ন ৰঙৰ সমাহাৰৰ দহিকটা 'টাগলা' (চোলা)। গাঁৱৰ চোতাল কঁপাই, গাঁৱৰ হাবি-বন কঁপাই বাজি থাকে খ্ৰাম, পাংচি, থোৰাং সেই গীত-নাচোনৰ সুৰে সুৰে পুৱা, গধূলি, গোটেই দিনটো অবিৰামভাৱে। ৰাতি চোতালত চাৰিওফালে ঘূৰি একুৰা জুইক কেন্দ্ৰ কৰি নাচে। এই নাচোনত নাচোনবলিয়া ডেকাসকলৰ মাজত জ্বলি থকা জুইৰ পোহৰৰ বাদে কোনোৱেই আন কোনো পোহৰ ব্যৱহাৰ কৰিব নোৱাৰে। জীৱন-মদিৰা ৰূপত সকলো সময়তে জু সাজু থাকে এটা বেতৰ 'কুৰি'ত। কাঠৰ দাৱানৰ দৰে এই বেতৰ পাত্ৰৰ পৰা মুখত ঢালি ঢালি খাই, নাচি নাচি নিজকে পাহৰি গীতৰ সুৰেৰে গাঁৱৰ উলাহী গাভৰুক গীতেৰে জোকাই ৰয়। দিনৰ ভাগত জুইকুৰা নজ্বলিলেও সেই জ্বলা জুইৰ বাঁহবোৰক কেন্দ্ৰ কৰি চাৰিওফালে ঘূৰি ঘূৰি অবিৰাম নাচি ৰয়। ৰাতি গোটা বাঁহবোৰ যেতিয়া ফুটে, সেই শব্দই নাচোনৰ ডেকাসকলক উৎসাহ যোগায়। আৰু অধিক উৎসাহেৰে নাচি-বাগি গীত গায়।

আমি আগতেই উল্লেখ কৰি আহিছো যে এই চগ্ৰা উৎসৱৰ পাতনি মেলে প্ৰথম 'লৰ'ৰ ঘৰলৈ লখিমীক আদৰি অনা দিনটোৰ পৰাই। সেইদিনাই ধানৰ আগ আনি, সন্ধিয়া গাঁৱৰ ডেকাচাঙৰ সন্মুখত নাচে। ডেকাচাং বা চামাডি হৈছে গাঁৱৰ ডেকাসকলৰ জীৱন-পথৰ সকলো কৰ্মৰ, শিক্ষা আহৰণৰ কেন্দ্ৰ। হাঁহি-ৰং-তামাচাৰে সাংস্কৃতিক আৰু সামাজিক জীৱনত চেঙেলীয়া ডেকাসকলক পূৰ্ণপুৰুষৰূপে গঢ়ি তোলাত এই চামাডি বা ডেকাচাঙৰ তত্ত্বাৱধায়ক চাংদলৈয়ে সম্পূৰ্ণ দায়িত্ব লয়। সেইদিনা এই চামাডিৰ সন্মুখত প'লঠেং জ্বলাই সাতপাক ঘূৰি ঘূৰি নাচি ডেকাসকল ঘৰাঘৰি যায়। প্ৰাৰম্ভণিতে এনেকৈয়ে এই নাচ প্ৰতি বুধবাৰে তিনি সপ্তাহ ধৰি চলে। এই নাচোনৰ বাবে তিৱা সম্প্ৰদায়ৰ সমাজ-ব্যৱস্থাৰে 'লৰ', হাদাৰী, পাটৰ, গাঁওবুঢ়া, চাংদলৈ, চাংমাজি আদিকে ধৰি অন্যান্য গাঁৱৰ মুখিয়াল লোকসকলৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হয়। নৃত্যৰ দায়িত্বত থাকে অজাখেল (সাংস্কৃতিক উপ-সমিতি)। সেইদৰে 'নাচন'ৰ সময়ত খাদ্যসম্ভাৰ যোগানৰ দায়িত্ব দিয়া হয় 'পাগাৰী'ক আৰু সেই নাচোনৰ সময়ত সমাজৰ বান্ধোন ভংগকাৰীৰ কাৰ্যাৱলী নিৰীক্ষণৰ বাবে চোৰাংচোৱা বা আৰক্ষীৰ দায়িত্ব অৰ্পণ কৰা হয় 'ফুৰাখেল'ক। অজাখেলে নাচোনৰ শিল্পীসকলৰ বাহিৰেও

প্ৰয়োজনীয় বাদ্যযন্ত্ৰ যোগানৰ দায়িত্বও বহন কৰে।

এই চগ্ৰাৰ বাবে প্ৰয়োজন হোৱা বাঁহী (পাংচি)ৰ বাবে পাহাৰৰ পৰা বিজুলী বাঁহ সংগ্ৰহ কৰিব লাগে। পাঁংচি বা বাঁহী এই চগ্ৰাতেই বজাই সেইবোৰ নাচোনৰ শেষতেই এৰিব লাগে। নাচোনৰ শেষত এজোপা মদাৰ গছৰ গুৰিত ভাঙি বা এৰি থৈ আহিব লাগে। এনেকৈ বিজুলী বাঁহ সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়তো পূজা-সেৱাৰ বিধান আছে। ইয়াক 'পাংচিটানা' বোলা হয়। ইয়াৰ আগতে পাহাৰলৈ গৈ ১০০ডাল সৰু সৰু বাঁহ আনি সামাজিক বিধিৰে চাংদলৈয়ে চামাড়িত ৰাখেহি। বাঁহী ফুটোৱাৰ বাবে (পাংচি ফালাৱা) এই বাঁহ সংগ্ৰহ কৰে। আগৰ কালত বাঁহীৰ বাবে গৈ (চগ্ৰাত প্ৰয়োজন হোৱা বাঁহীৰ বাবে) পাহাৰৰ দাঁতিৰ এজোপা বাঁহৰ গুৰিত আগদিনা তামোল-পাণৰ বঁটা এটা আৰু মদ এলাও দি পূজা-সেৱা কৰি থৈ আহে আৰু অতি আচৰিতভাৱে ৰাইজে বিচৰামতেই প্ৰয়োজনীয় দীঘল দীঘল পাবৰ বিজুলী বাঁহবোৰ পৰি থকা অৱস্থাত ৰাইজে পায়গৈ আৰু তেনেদৰেই সংগ্ৰহ কৰিছিল এই নাচোনৰ বাঁহীৰ বাঁহ। (এই কথা ১৯৪৮-৫০ চনৰ। নগাঁৱৰ কঠীয়াতলীৰ নামবৰ গাঁৱৰ ৰাইজৰ কথা।)

নাচোনৰ দিনা দুপৰীয়া গাঁৱৰ প্ৰধান, পুৰোহিত (ল'ৰ)ৰ বৰঘৰত-'চাৰি ভাই-'চাৰিকৰাকৰি'ক তামোল-পাণেৰে পূজা কৰা হয়। এই তামোল-পাণ গোটা তামোল-পাণ নহয়, ১৮খনকৈ কটা থুৰিওৱা তামোল আৰু পাণ কলপাতত দীঘে আৰু পথালিয়ে সজোৱা হয়। আগত মিঠাতেলৰ চাকি এটি জ্বলোৱা হয়। এই 'চাৰি ভাই'লৈ লৰৰ লগতে চাংদলৈ, চাংমাজিয়ে 'ভাগযোগ' দি অন্যান্য বিষয়ববীয়াৰে সেৱা লয় আৰু স্তুতি কৰে। এই স্তুতিৰ পাছতে লৰ আৰু হাদাৰীয়ে (হাতাৰিও কয়) এযোৰ ৰঙা ৰাঙলী কুকুৰা বলি দিয়ে। এনে পূজাত চাৰি ভাইক উদ্দেশ্যি প্ৰাৰ্থনা জনায়—যেন গাঁৱত কোনো অপায়-অমংগল নঘটায়। খেৰ কাটিবলৈ, খৰি কাটিবলৈ, হাবিলৈ যাওঁতে, জুৰিলৈ যাওঁতে যাতে কোনো অপায়-অমংগল নোহোৱাকৈ ঘূৰি আহিব পাৰে, সেয়েই পাহাৰৰ গৰাকী, হাবিৰ গৰাকীক এইদৰে স্তুতি-প্ৰাৰ্থনাৰে পূজা কৰা হয়। পূজাৰ অন্তত বলি দিয়া কুকুৰা দুটা ৰন্ধা হয় এটি মাটিৰ চৰুত। পিঠাগুড়িৰ লগত ৰন্ধা এই মাংসৰ তৰকাৰী (ক্ৰানখাৰি) ভাতৰ লগত উছৰ্গা কৰা হয় ৩১০খন আগলি কলপাতত মাইখুমুৰ, খাৰিখুমুৰলৈ বুলি। এনেকৈ এই উছৰ্গাৰ পাতবোৰ (ভাত-তৰকাৰীৰ) কোনোৱে দেখা নোপোৱাকৈ এক নিৰ্দিষ্ট স্থানত লুকুৱাই থৈ আহেগৈ। এনেকৈ লুকুৱাই থৈ অহাৰ পাছতো যদি কোনো পুৰুষ বা মহিলাই দেখে সেই পুৰুষ-মহিলা সন্তানহীন হয় বুলি গাঁৱৰ লোকৰ বিশ্বাস। এই পূজা-সেৱাৰ পাছতহে ৰাইজ ডেকাচাঙলৈ আহে। ডেকাচাঙৰ পৰা প্ৰথম লৰৰ ঘৰলৈ, পাছত ক্ৰমে হাদাৰী, বুঢ়া গাঁওবুঢ়া, দেউৰী, গাঁওবুঢ়া (চৰকাৰী), অজাখেলৰ ঘৰলৈ যায়। এই অজাখেলে নাচোনৰ বাবে প্ৰয়োজন হোৱা খ্ৰাম্ (বৰঢোল) পাংচি, থোৰাং দীঘলবাঁহী) আদি সাজু কৰে। (নাচন, নাচোন একেই)। চামাড়িতেই প্ৰথম নাচোনৰ আৰম্ভণি হয়। তাৰ পাছত ক্ৰমে লৰ, পাগুৰী, চাংদলৈ, খলাৰ লোক আৰু লাডুৰ লোকৰ ঘৰলৈ নাচিবলৈ যায়। দিনৰ ভাগত চাংদলৈয়ে নাচোনৰ মাজে মাজে নাচনীসকলৰ গাত তুলসীপানী ছটিয়াই থাকে, ক্লান্তিত যেন কোনোৱেই ভাগৰি নপৰে। উল্লেখযোগ্য যে চামাড়িৰ সন্মুখত বুধবাৰে ৰাতি বাৰ বজাত আৰম্ভ হোৱা এই নাচোন একেৰাহে চৌৰাশী ঘণ্টাৰ বাবে চলে। চগ্ৰাৰ নাচোনৰ সময়ত কোনোৱেই ধূমপান কৰিব নোৱাৰে। চগ্ৰা নাচোনৰ দুদিনমান আগৰ পৰা প্ৰতিঘৰ লোকে নিজৰ ঘৰৰ বাট-

পদুলি চাফা কৰে। হাতত লাখুটি লোৱা, চেণ্ডেল-জোতা পিন্ধাও সেইকেইদিনৰ বাবে নিষেধ।

তিৱাসকলৰ এই চগ্ৰা উৎসৱ প্ৰকৃততেই বছৰৰ শেষৰ কৃষিজীৱী লোকৰ বসন্তোৎসৱ। কৃষিকাৰ্য শেষ কৰি (চপাই) নাচনী আৰু পাগুনি (নাচ-বাগ কৰা ৰজাক) চমজাই দি কৰা এই নাচেই চগ্ৰা নাচ। ভৈয়ামৰ তিৱাসকলে পূজা-পাৰ্বণত পীৰাত নবহি খেৰৰ সুঁতি একোটাত বা শৰণ-খেৰত বহাৰ দৰেই এই চগ্ৰাৰ সময়তো কোনোৱে পীৰাত নবহি এনে শৰণ-খেৰত বহে।

তিৱাসকল ফা মহাদেউৰ ভক্ত। চগ্ৰা কৃষিকাৰ্য সম্পাদনাৰ উৎসৱ। এই উৎসৱৰ পাছতেই আকৌ খেতি কৰিবলৈ খেতিৰ সঁজুলিবোৰ উলিয়াবলৈ পাতে জংকং পূজা। চগ্ৰাৰ সামৰণি উৎসৱো তাৎপৰ্যপূৰ্ণ। গাঁৱৰ পূব মূৰত থকা মদাৰ গছ এজোপাৰ গুৰিত উৎসৱৰ শেষৰ দিনা কিন্তু গাঁৱৰ সকলো ডেকা-গাভৰু গৈ একেলগে নাচি নাচি বিশেষ চগ্ৰাকীত গাই খ্ৰাম, পাংচি আদিৰে সেই মদাৰ গছৰ গুৰিত গোট খায়। অজাখেল, লৰ, হাদাৰিয়ে এজোৰ ৰঙা ৰাওলী কুকুৰা এৰি দিয়ে আৰু সকলোৱে পিছমুখ নকৰি ঘূৰি আহে। ঘূৰি আহি চামাডিত মৌ-মেল পাতেহি। নাচনীসকল যায় যদিও চাংদলৈ, চাংমাজি, অজাখেল, ফাটখেল আদি থাকি যায়। মৌ-মেলৰ অন্তত চাংদলৈ চাংমাজিক নচুৱাই নচুৱাই এইবাৰ বুঢ়াসকলে বাঁহী বজায়। এই নাচোনৰ পাছতহে খেলবোৰে নিজৰ নিজৰ ঘৰলৈ যাব পাৰে আৰু এনেকৈ ঘৰাঘৰি যোৱাৰ পাছতেই গাঁৱৰ ৰাজহুৱা সামাজিক বান্ধোন মুকলি হয়। এই নাচোনৰ (চগ্ৰাৰ) সময়ত কোনোৱে গাহৰি, কুকুৰা আদি বধ কৰিব নোৱাৰে। এনে নীতি ভংগ কৰিলে ফুৰাখেলে ধৰি দণ্ড বিহে। চগ্ৰা নৃত্যৰ সময়ত মূল আহাৰ হৈছে বৰাভাত আৰু মায়ং মচ্‌ৰা, চামচুৰি শাকৰ লগত শুকান মাছ দি ৰন্ধা এবিধ বিশেষ তৰকাৰী। লগতে থাকে সকলো সময়ত নাচোনক জীৱন্ত কৰি তোলা 'জু'। এই আহাৰ যোগানৰ দায়িত্বত থাকে পাগুৰীসকল। নাচোনৰ সময়ত চোতালৰ একাষত বাদ্যযন্ত্ৰ লগতে (কাষতে) লৈ বহি থাকে অজাখেল। চৌৰাশী ঘণ্টাজুৰি এই নাচোন চলি থাকিলেও কোনোবা কাৰোবাৰ ভাগৰ লাগিলে আন কেইজনমানে নাচোনত যোগ দিয়েগৈ। এইদৰেই এদলৰ পাছত আনদলে, ইঘৰৰ পাছত সিঘৰলৈ নাচি নাচি নাচনীসকল আগবাঢ়ি যায়। অগা-পিছাকৈ ভৰিবোৰ আগবঢ়াই এজনে চগ্ৰাকীত (গীত) গায় আৰু পাছত আন দলে চিঞৰি সমস্বৰে সেই গীত গাই থাকে। মাজে মাজে আনন্দত উকিও মাৰে।

তিৱা শিপিনীৰ শিল্পী-নিপুণতাৰ চানেকীৰে নিজ হাতে বৈ উলিওৱা কুৰি হাত দীঘল মুগাৰ দহিকটা চুৰিয়া, কুৰি হাত দীঘল চেলেং একোখন পাগুৰিৰূপে পৰিধান কৰি তিৱা পাচাইসকলে নাচে। আনহাতে গাত মেৰিয়াই লয় একোখন টঙালি। কঁকালত গামোচা একোখন থাকে। গাত থাকে দহিকটা একোটা ফুলাম 'টাগ্‌লা' (চোলা)। অৱশ্যে সমগ্ৰ চৌৰাশী ঘণ্টা কাল এই ঐতিহ্যপূৰ্ণ সাজ নাচোনত ব্যৱহাৰ নকৰে। সদ্যহতে প্ৰতীকৰূপেহে লৰ', চাংদলৈ, গাঁওবুঢ়াৰ ঘৰত সন্মান জনাই এই ঐতিহ্যপূৰ্ণ সাজ ব্যৱহাৰ কৰে। নাচোন নাচি, ৰঙৰ আনন্দত হাতবাউল দি গীত গাই গাই নিজকে পাহৰা ডেকাসকলে সুৰাৰ ৰাগিত পৃথিৱীৰ কথা পাহৰি মগন হয় ৰূপহী লাৱনী গাভৰুৰ ৰং-ৰূপৰ বৰ্ণনাত। খ্ৰাম, থোৰাঙৰ সুৰত যেন পৃথিৱীখন কঁপি উঠে। সেই সুৰ গৈ পাহাৰত প্ৰতিধ্বনিত হয়গৈ। তিৱাসকলৰ এই বিৰল চমকপ্ৰদ নৃত্য আৰু উৎসৱ ক্ৰমে পাতল হৈ আহিছে। তথাপি এই ঐতিহ্যপূৰ্ণ চগ্ৰা নৃত্য বা বসন্তোৎসৱৰ স্বকীয়তা বজাই ৰাখি তিৱাসকলে জাতীয় ঐতিহ্য ৰক্ষা কৰাত গুৰুত্ব দি আহিছে।

চগ্ৰাৰ গীতবোৰ নাৰীৰূপাত্মক। চগ্ৰাৰ নৃত্য আৰু গীতবোৰলৈ চাই ইয়াক যৌন উৎসৱৰো আখ্যা দিব পাৰি। অৱশ্যে চগ্ৰা উৎসৱ সাধাৰণ গীতেৰেই আৰম্ভ হয়—

'অ পাঠাইৰৌ
হাতাৱালীনে কয়, (তামোল)
হাতৱালীনে পাণ (পাণ)...'

(অ' ডেকাহঁত বজাৰৰ পৰা তামোল-পাণ আনিছো, এতিয়া নাচিব লাগে, গাব লাগে...)।

এই গীতৰ লগে লগে অজাখেলৰ শিল্পীবৃন্দই খ্ৰামত চাপৰ মাৰে, থোৱাং, পাংচিত ফু দিয়ে আৰু সেই গুৰুগম্ভীৰ খ্ৰামৰ সুৰে সুৰে এটা ভৰি আগলৈ দি আকৌ এখোজ পিছলৈ আহি এজন এজনকৈ জ্বলি থকা জুই একুৰাৰ চাৰিওফালে এচোতাল হৈ ঘূৰণীয়াকৈ পোষ্কৰ-কুৰিজন ডেকা এই নাচোনত অংশ লয়। ৰাতি বাঁহৰ পাববোৰ ফুটিলে তিৱা ডেকাসকলৰ চিঞৰ-বাখৰ, ৰঙৰ কোব বাঢ়ে। ডেকা এজনে গায়—

'লাইলুং লাইয়ে টপ্ টপ্ / লাইলুং লাইয়ে টপ্
চাৰে ৱানে খপ্।'

এই চগ্ৰাৰ গীতবোৰ ছান্দিক ৰূপৰ গীত। সেই একেদৰে গায় —

"কনং হন হেগা হেগা / কনং হন হেগা,
মাগুৰি আলি খৰলা ৰৌ / হতচিৰি লিগা।'
এ এ হয়, এ হয়, উ উ উ।

(লোকে বোলে এনেকুৱা, লোকে বোলে তেনেকুৱা, মাগুৰি কুলৰ ছোৱালীবোৰ হতচিৰি (বদনামী) গ'ল।) আকৌ গায়—

'লাইলুং লাইয়ে টপ্ টপ্, লাইলুং লাইয়ে টপ্
চিঙে কৰাইয়ে, খৰলা ৰৌৰে / চাৰেৱানে খপ্' (ৰূপহী তিৱা)

যৌৱনোদ্দীপ্ত গাভৰুসকলৰ ৰূপক (দেহক) কলডিলৰ লগত ৱিজাই সেই গাভৰুহঁতৰ প্ৰেম-পিৰীতি কৰাত যে কি ধুম, তাৰ ভাব এনেবোৰ গীতেৰে প্ৰকাশ কৰে।

এনেকৈয়ে তিনি দিন তিনি ৰাতি চগ্ৰা গীত গাই, নাচি নাচি সপোনপিয়াসী হৈ তিৱা পাঠাইসকলে সমাজৰ ঐক্য-বান্ধোন একত্ৰিত কৰি অতীতৰ সাংস্কৃতিক ঐতিহ্য স্বকীয় ৰূপত অক্ষুণ্ণ ৰাখি আহিছে। চগ্ৰাৰ গীতত ন-সৃষ্টিৰ আনন্দ আছে, প্ৰকৃতিৰ ৰূপ আছে কাৰণ তিৱাসকল এই বিশাল প্ৰকৃতিৰেই সন্তান।*

---

* নগাঁৱৰ কঠীয়াতলী নামবৰ লালুং গাঁৱৰ শীতেশ বৰদলৈ, খুদিৰাম বৰদলৈ, মহিৰাম বৰদলৈৰ পৰা সংগৃহীত তথ্যৰ ওপৰত ভিত্তি কৰি ৰচিত। ৰচনাকাল ১৯৭২ চন।

সোনোৱাল-কছাৰীৰ বাইথ' পূজা

ৰতন সোনোৱাল

জনগোষ্ঠীসমূহৰ জাতীয় শিল্প-সাহিত্য তথা কলা-সংস্কৃতি সেই জাতি-গোষ্ঠীৰ ধৰ্মীয় আৰু সামাজিক দিশৰ পৰাই যে উদ্ভৱ হয়, এই কথা শিল্প-সাহিত্যৰ ইতিহাসৰ পৰা পৰিষ্কাৰভাৱে প্ৰতিপন্ন হৈ আহিছে। এয়া আছিল কাৰ্লমাৰ্ক্সৰ ধাৰণা। আনহাতে হেম বৰুৱাদেৱে কৈছে—'সংস্কৃতি হৈছে এক প্ৰকাৰৰ জীৱন-পদ্ধতি। সংস্কৃতি সভ্যতা নহয়; সভ্যতাও সংস্কৃতি নহয়।' তেনেকৈ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱেও এই শিল্প-সংস্কৃতিৰ ওপৰত তেওঁৰ অভিমত দাঙি ধৰিছে—'জীৱন-যাত্ৰাৰ ঘাত-প্ৰতিঘাতত যেনেকৈ কৃষ্টিৰ ৰূপান্তৰ হয়। সংস্কৃতিৰ আলম লৈ জীৱন তেনেকৈ আগুৱাই যায়।' সোনোৱাল-কছাৰী লোককৃষ্টি-সংস্কৃতিও গঢ় লৈ উঠিছিল আদিম যাযাবৰী জীৱনৰ পৰা সমাজ পাতি স্থায়ীভাৱে বসবাস কৰা দিনলৈকে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰেই।

লোক-সংস্কৃতিয়েই সংস্কৃতিৰ বুনিয়াদ। কোনো এটা লোক-সংস্কৃতিয়ে যেতিয়া সৰ্বজনগ্ৰাহ্য সংস্কৃতিৰূপে স্বীকৃতি লাভ কৰিব পাৰে, তেতিয়াই সি হৈ পৰে সাৰ্বজনীন আৰু উমৈহতীয়া বৃহৎ সংস্কৃতি। সোনোৱাল কছাৰী সমাজত প্ৰচলিত হৈ অহা পৰম্পৰাগত আৰু অৱধাৰিত লোককলা-কৃষ্টি, আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিভিন্ন ক্ৰিয়া-কৰ্ম আদি সোনোৱাল সংস্কৃতিৰ আধাৰ। এই লোককলা-কৃষ্টিৰ মূল উৎস হ'ল 'খ্ৰীং খ্ৰীং বাইথ' পূজা'। য'ৰ পৰা সোনোৱালসকলৰ সংস্কৃতি গঢ় লৈ উঠে। খ্ৰীং খ্ৰীং বাইথ' পূজা সোনোৱালসকলৰ এক প্ৰাচীনতম পৰম্পৰাগত পূজা। এই পূজা সোনোৱালসকলৰ দেৱস্তুতিমূলক প্ৰাচীনতম্ গীত হয়দাং গীতৰ পৰিৱেশন আৰু বৰদৈচিলাৰ ৯ ভনী সখীয়েকৰ প্ৰতীক হিচাপে ৯ গৰাকী গাভৰু আৰু ৯ জন কোঁৱৰ হিচাপে ৯ জন ডেকা ল'ৰাৰ দ্বাৰা বিহু নমোৱা অনুষ্ঠান। হাইদাং গীতৰ দলটিৰ দ্বাৰা পূজাৰীৰ চোতালত হুঁচৰি নমোৱা অনুষ্ঠান, বাইথ' পূজাৰ অন্তৰ্গত বাঘদেউ পূজাত কণীযুঁজৰ উদ্বোধন, বৰপিঠা (বৰ্তমান ঘিলাপিঠা বুলি কয়) খোৱাৰ আৰম্ভণি, কচু শাক খোৱা বাৰণ, ঢেঁকীয়া আৰু পচলা খোৱা আৰম্ভ ইত্যাদি অনেক পৰম্পৰা জড়িত হৈ আছে। খ্ৰীং খ্ৰীং বাইথ'

পূজা অনুষ্ঠিত কৰাৰ পাছৰ পৰা সোনোৱালসকলে বহাগ বিহুৰ বাবে হুঁচৰি আৰু বিহু গীত-নৃত্যৰ আখৰা কৰিব পাৰে। গতিকে দেখা যায় যে বাইথ' পূজাৰ লগত বিহু সংস্কৃতিৰ পৰম্পৰা ওতপ্ৰোতভাৱে জড়িত। এই বাইথ' পূজাৰ বিষয়ে এটি চমু আভাস দাঙি ধৰা হ'ল।

খ্ৰীং খ্ৰীং বাইথ' পূজাৰ বাইথ' শব্দটোৰ অৰ্থ সোনোৱাল কছাৰী ভাষাত 'বা' মানে 'পঞ্চ' বা পাঁচ আৰু 'ইথ' মানে ভূত বা ভৌতিক। অৰ্থাৎ পঞ্চভূতৰ উদ্দেশ্যে যি পূজা কৰা হয় সোনোৱালসকলৰ ভাষাত তাকেই বাইথ' পূজা বুলি কয়। পৃথিৱী, আকাশ, পানী, বায়ু আৰু জুইৰ সন্তুষ্টিৰ বাবে যি পূজা কৰা হয় সেয়েই পঞ্চভূত পূজা বা বাইথ' পূজা। এই পূজাত প্ৰতিগৰাকী দেৱ-দেৱীৰ পূজাৰ ভাগ দিয়াৰ আগতে বসুমতী (পৃথিৱীক) ভাগ দিয়া হয়, তেনেকৈ সোণক্ষেত্ৰী দেৱতাক পূজাৰ ভাগ আগবঢ়াওঁতে আকাশ, পানী আৰু বায়ুৰ সন্তুষ্টিৰ অৰ্থে এপাট কাঁড় আৰু এপাট চিকৰাই (চিৰিকাঠি) শূন্যলৈ নিক্ষেপ কৰা হয়। মূল মন্দিৰৰ বাহিৰত বৰ্গক্ষেত্ৰাকাৰ আকৃতিৰে তৈয়াৰ কৰা ভূৰুলী শালৰ মাজভাগত জ্বলোৱা একুৰা জুইৰ পৰাই তেত্ৰিছ কোটি দেৱতাৰ ভাগৰ শলিতা জ্বলোৱা হয়। এই পূজাৰ তাৎপৰ্য হ'ল— সমূহীয়া আনন্দৰ মাজেৰে জীয়াই থকাৰ বাবে কৰা সংগ্ৰাম। জীয়াই থকাৰ এই সংগ্ৰাম কৰিবলৈ হ'লে সৃষ্টিও কৰিব লাগিব। আকৌ সৃষ্টি কৰিবলৈ হ'লে পুৰুষ আৰু প্ৰকৃতি একত্ৰিত হৈ দুয়ো একেলগে সংগ্ৰাম কৰিব লাগিব। সেই উদ্দেশ্যে পুৰুষ আৰু প্ৰকৃতি উভয়ৰ সন্তুষ্টিৰ অৰ্থে পুৰুষ পূজা বাইথ' মন্দিৰৰ মূল স্থানত আৰু প্ৰকৃতি পূজাৰ মূল স্থল ভূৰুলী-হাবুকী শালত অনুষ্ঠিত কৰা হয়। এই পুৰুষ-প্ৰকৃতি পূজাকেই সোনোৱালসকলে খ্ৰীং খ্ৰীং বাইথ' পূজা বুলি কয়।

সোনোৱালসকলৰ ইষ্ট দেৱতাগৰাকীৰ নাম 'খ্ৰীং'। এই 'খ্ৰীং' হ'ল দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ। হাইদাং গীতত কয়—'দেৱতাৰ ভিতৰত কোন ডাঙৰ? দেৱতাৰ ডাঙৰ খ্ৰীং ৰাজা যে। দেৱীৰ ভিতৰত কোন ডাঙৰ? দেৱীৰ ডাঙৰ ভূৰুলী-হাবুকী যে!!' ইত্যাদি ইত্যাদি। 'খ্ৰীং' শব্দটো চাৰিটা আখৰৰ সমষ্টি—খ+ৰ+ঈ+ং=খ্ৰীং। অৰ্থাৎ চাৰিমুঠি জীৱনৰ ত্ৰাণকৰ্তা। সোনোৱাল ভাষাত খ্ৰীং মানে গজাই+মনাই+বাইথ'+ফুলকোঁৱৰ। অৰ্থাৎ গজাই, মনাই, বাইথ' আৰু ফুলকোঁৱৰৰ সমষ্টিগত একক শক্তি, যি শক্তিয়ে বিশ্বব্ৰহ্মাণ্ডৰ চাৰিমুঠি জীৱৰ সৃষ্টি, লালন-পালন, সংহাৰৰ বাবে দায়বদ্ধ। হিন্দুশাস্ত্ৰত ই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু মহামায়াৰ সমষ্টিয়েই হ'ল 'খ্ৰীং'। সোনোৱাল-কছাৰী ভাষাত 'ৰাজা' মানে দেৱতা 'খ্ৰীং ৰাজা' নামেৰে ইষ্ট দেৱতাক স্মৰণ কৰে।

সোনোৱালসকলে তেওঁলোকৰ ইষ্ট দেৱতাক স্মৰণ কৰোতে এনেদৰে কয়—'ওম ৰাজা খ্ৰীং দেউতা! খ্ৰীং ৰাজা ধৰণী!! গজাই গুৰু ঢাকনি!! আপুনি অয়লাসত ফুৰিছে, অয়লাসত চাকিছে। দিন খাই দিন দেখিছে, ৰাতি খাই ৰাতি দেখিছে, য'তে আছে ত'ৰে পৰাই আৰ্শীবাদ কৰক, চাৰিমুঠি জীৱৰ যেন নিস্তাৰ হওক। ভা.......ভু.......!!'

ওপৰৰ প্ৰাৰ্থনাফাকিৰ পৰা বুজা যায় যে সেৱকসকলে বা যিকেইজন ব্যক্তিয়ে পূজা অনুষ্ঠিত কৰিছে, তেখেতসকলে নিজৰ বাবে অনুষ্ঠিত কৰিব পৰা নাই, প্ৰাৰ্থনাফাকিয়ে নিজেই বাধ্য কৰাইছে চাৰিমুঠি জীৱৰ নিস্তাৰৰ অৰ্থে প্ৰাৰ্থনা কৰিবলৈ। এই পূজা সমগ্ৰ জীৱজগতৰ মঙ্গলৰ অৰ্থে পালন কৰা সাৰ্বজনীন পূজা।

'খ্ৰীং খ্ৰীং বাইথ' পূজা পূৰ্বৰ পৰম্পৰা অনুসৰি প্ৰতি বছৰৰ শিৱৰাত্ৰিৰ পাছৰ পূৰ্ণিমাৰ জোনটোৰ শুক্ল পক্ষৰ দ্বিতীয় সোমবাৰে অনুষ্ঠিত কৰা হয়। চাৰিদিনীয়া নিৰ্দিষ্ট কাৰ্যসূচীৰে অনুষ্ঠিত কৰা খ্ৰীং খ্ৰীং

বাইথ' পূজা আৰম্ভ হয় দেওবাৰে চিক্‌মিকিয়া বেলিকা। এই অনুষ্ঠানটোক 'দেও নমোৱা' বা 'দেৱতাৰ আহ্বান' বুলি কোৱা হয়। এই অনুষ্ঠানৰ লগত জড়িত হৈ আছে 'খান্দা' নমোৱা, পক্ষী উচৰ্গা, প্ৰসাদ গ্ৰহণ, গজাই সকাম অনুষ্ঠিত কৰা, ৯ টা টোপোলা বন্ধা, পূজা সংস্কৃতি উপলক্ষে আলোচনা কৰা, যেনে—কছাৰীসকলৰ ইতিহাস, সঁচ-বংশৰ পৰম্পৰা, বিভিন্ন সময়ত হোৱা উত্থান-পতন ইত্যাদি বিশদভাৱে আলোচনা কৰা হয়।

পিছদিনা সোমবাৰে মূল বাইথ' মন্দিৰৰ পূজা অনুষ্ঠিত হয়। সেই দিনা নিশা সেৱকসকলৰ প্ৰতিখন গাঁৱৰ পৰা একোখন ৰাইজ-ভাৰ ৰাজা গুৰুৰ ঘৰত সোধোৱাৰ পৰম্পৰা প্ৰাচীন কালৰ পৰাই প্ৰচলিত হৈ আহিছে। এই ভাৰখনত থাকে চাউল, শাক-পাচলি, তেল-নিমখ, মা-মচলা, এবটল মাধপুৰুষৰ ৰস (ঝুল মদ)। প্ৰথমে পূজাৰীৰ বৰঘৰৰ নিৰ্দিষ্ট স্থানবিলাকত পূজাৰ ভাগ অৰ্পণ কৰাৰ পাছত মূল মন্দিৰত মাজনিশাৰ পৰা পূজা আৰম্ভ কৰে। উল্লেখযোগ্য যে সোনোৱাল-কছাৰীসকলৰ ৭ খেল বা ১৪ বংশই অনুষ্ঠিত কৰা এই পূজা প্ৰতীক হিচাপে ৭ খন বা ১৪ খন কৌপাতৰ মুঠাপাত বন্ধা হয়।

মূল মন্দিৰৰ পূজা আৰম্ভ হোৱাৰ পাছত বাহিৰত সাজি থোৱা বৰ্গাক্ষেত্ৰাকাৰ ঢিপৰ সৌমাজত একুৰা জুই জ্বলাই ভুৰুলী শালৰ দেৱতাসকলক পূজাৰ ভাগ আগবঢ়োৱা হয়। সেই দেৱতাসকল ক্ৰমে—ফুলকোঁৱৰ, ভুৰুলী-হাবুকী, বুঢ়া-বুঢ়ী, বলিয়া বাবা, ৰিগিৰাগাম, ওঠৰ কোঁৱৰ, বৰগাতিয়াল, বৰচামল, লোহিত কোঁৱৰ, বৰমবাহু, হৰিচৰণ, হেলৌ, দেলৌ, কণৈ, ক'ণ ক'ণ, বায়ু, বাংৰী, বৰুণ, নাক্ৰেং, চাক্ৰেং, কুৱেৰ বুঢ়া-বুঢ়ী, লখিমী ৯ ভনী, ১২ ভনী, জলৰ ৯ ভনী, স্থলৰ ৯ ভনী, হৰ-পাৰ্বতী, সৰস্বতী ইত্যাদি তেত্ৰিছ কোটি দেৱতাক পূজাৰ ভাগ দিয়া হয়। তেত্ৰিছ কোটি দেৱতাৰ পূজাৰ অন্তত ভুৰুলী-হাবুকী দেৱীৰ পাতত শইকীয়াই মূল 'খান্দা'ৰে এযোৰ গাহৰি বলি দি পূজা সমাপ্ত কৰে।

পিছদিনা পুৱা মঙ্গলবাৰে মূল মন্দিৰৰ বলি দিয়া প্ৰসাদেৰে বাইথ'ৰ (পূজাৰীৰ) মূলঘৰত প্ৰতিগাঁৱৰ পৰা অহা ভাৰখনৰ পৰা এমুঠিকৈ চাউল লৈ বন্ধা অন্নৰে ৭খন গাঁৱৰ ৭জন ভকতক বহুৱাই সোনোৱাল-কছাৰী ৭খেল নিস্তাৰৰ অৰ্থে ৰাজহুৱা বুঢ়া পুহা সকাম পতা হয়। ৰাজহুৱা বুঢ়া পুহাৰ শেষত খাই-বৈ গা-পা ধুই মূল মন্দিৰত হয়দাং গীত পৰিৱেশন কৰে। এই হাইদাং গীত গোৱাৰ অন্তত, দলটি পূজাৰীৰ গৃহ অভিমুখে গীত গাই অহাৰ সময়ত ডেকা-গাভৰুসকলে বাইথ'ৰ (পূজাৰীৰ) বৰঘৰত বিহু গীত গাই বিহু নমোৱা পৰম্পৰা সমাপন কৰে। এই বিহু নমোৱা ডেকা-গাভৰুকেইগৰাকী হৈছে বৰদৈচিলাৰ ৯ ভনী সখীয়েকৰ প্ৰতীক ৯ ভনী অপেশ্বৰী। যেনে—চতাই, কমলা, জায়মলা, ৰহিমলা, ৰামতী, ৰতী, বাহপাতী, বিচনদৈ, সৰুমতী। এই ৯ ভনী সখীয়েকে বৰঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহি চোতালত ৰাইজৰ মাজত বিহু সংস্কৃতি মেলি দিয়ে। এয়ে হ'ল সোনোৱালসকলৰ শ্ৰীং শ্ৰীং বাইথ' পূজাৰ সময়ত বিহু নমোৱা পৰম্পৰা।

অন্যহাতেদি হয়দাং গীত গোৱা দলটিয়ে গীত গাই আগবাঢ়ি আহি বাইথ'ৰ বৰঘৰৰ জামুকৰ খুটাৰ গুৰিত গীত-মাত, বাদ্য-সামগ্ৰী শোধায়। তেওঁলোকে নল চুঙাৰে দুচুঙা জোখৰ মাধপুৰুষৰ ৰস (মদ) পান কৰি বসুমতীক জগাই তোলাৰ উদ্দেশ্যে আৰু ধানগুটি হ'বৰ বাবে বিহু মাৰি হয়দাং গীতৰ সামৰণি মাৰে। এই হয়দাং গীত গোৱা দলটোৱে বৰঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ' ওলাই আহি ৰাইজৰ উপস্থিতিত চোতালত হুঁচৰি নমাই সেই দিনটোৰ বাবে পূজাৰ কাম সমাপ্ত কৰে।

ইয়াৰ পিছদিনা অৰ্থাৎ বুধবাৰে বাইথ' পূজাৰ অন্তৰ্গত বাঘদেউ পূজা বা বৰগতিয়াল পূজা আৰু

গতিগিৰি বা ৰঙাচণ দেৱতাৰ পূজা হাবিৰ মাজত অনুষ্ঠিত কৰে। এই পূজাৰ উদ্দেশ্যে প্ৰথমে হাবিৰ কাষত এটা খুলা তৈয়াৰ কৰি তাত ৰন্ধা-বঢ়া কৰিবৰ বাবে সুবিধা কৰি লয়। এই খুলাতেই বৰপিঠা, আখৈ আদি পূজাৰ বাবে তৈয়াৰ কৰি লয়। ইয়াৰ পাছত ভক্তসকল দুটা দলত বিভক্ত হয়। এই দল বৰগতিয়ালৰ বাবে আৰু আনটো দল গাতিগিৰি পূজাৰ বাবে। এই দুই দলৰ মাজত কণীযুঁজৰ পৰম্পৰা আনুষ্ঠানিকভাৱে আগন্তুক বহাগ বিহুৰ উদ্দেশ্যে উদ্বোধন কৰে। এই দল দুটাৰ মাজত অনুষ্ঠিত হোৱা কণীযুঁজত জিকা-নিজিকাৰ ফলাফলৰ ওপৰত বছৰটোৰ বাবে আগলি বতৰা নিৰ্ধাৰিত কৰে। ইয়াৰ পাছতে দুয়োটা দলে পৃথকে পৃথকে হাবিৰ মাজলৈ গৈ ৰঙাচণ আৰু বাঘ পূজা অনুষ্ঠিত কৰি ঘূৰি আহে। বাঘ পূজাৰ দলটিয়ে ঘূৰি আহোতে তাৰ মাজৰে এজনে হাবিৰ মাজত সোমাই বাঘৰ দৰে গোঁজৰে আৰু বাকীবিলাকে 'বাঘ ঐ, বাঘ ঐ' বুলি মাটিত লাঠিৰে কোবাই বাঘ খেদে। মাটিত কোবোৱাৰ তাৎপৰ্য হ'ল কৃষিৰ বাবে বসুমতী আইক জগাই তোলা বা জাগৃত কৰা।

উল্লেখযোগ্য যে বৰপিঠা (বৰ্তমান ঘিলাৰ আকৃতিৰে তৈয়াৰ কৰাৰ বাবে ঘিলাপিঠা) এই পূজাতেই উদ্বোধন কৰে। সোনোৱালৰ ভাষাত 'বৰ' মানে আশীৰ্বাদ। বাঘৰ জিভাৰ সমান আকৃতিৰ ৯ গুণ গুড়, ১ গুণ নিমখ মিহলোৱা পিঠা তৈয়াৰ কৰি খালে বাঘৰ তেজ হ'ব, তেতিয়া বাঘে ভয় খাব। এই পিঠা গৰুবিহুত গৰুক খুউৱা হয়। এই বৰপিঠা ঔষধি গুণসম্পন্ন। ৯ গুণ গুড় আৰু এগুণ নিমখ মিহলোৱা পিঠা খালে হজম হোৱাত সহায় কৰে। এই পূজাৰ পাছৰ পৰা কচু শাক খোৱা বাৰণ কৰি ঢেঁকীয়া, পছলা খোৱা আৰম্ভ কৰে। কচুশাক আৰু ঢেঁকীয়া শাক একেলগে তুলি আনিলে বৰজনা আৰু বোৱাৰীয়েকে খুন্দা খায় বুলি সোনোৱাল সমাজত জনবিশ্বাস প্ৰচলিত হৈ আহিছে। বৰজনা আৰু বোৱাৰীৰ এই সম্বন্ধটো হিড়িম্বাই যুধিষ্ঠিৰৰ আগত দেখা নকৰিবৰ বাবে দ্ৰৌপদীয়ে এই ব্যৱস্থা কৰিছিল বুলি দৌতাসকলে কয়। তেনেকৈ পাৰ্বতীৰ দ্বাৰা সৃষ্ট ডাঁহ, মহ, চেৰেপা, কেতকুৰি আদি খেদিবৰ বাবে চাটমাৰি, টংলতি, মাখিয়তি, বগা বাহেক, দীঘলতি ব্যৱহাৰ কৰা পৰম্পৰা সোনোৱাল সমাজত আদিপূৰ্বৰ পৰাই প্ৰচলিত হৈ আহিছে।

সোনোৱাল সমাজত গাভৰু বা তিৰোতাই হুঁচৰিত অংশগ্ৰহণ নকৰে। হুঁচৰি গৰখীয়াহঁতৰ দ্বাৰা সৃষ্টি কৰা। যিহেতু মাধপুৰুষ আৰু সুৰেশ্বৰী বাইদেৱে দিয়া খুদকণেৰে গৰখীয়াহঁতে ৰন্ধা ভাত খাই-বৈ বাকী থকাখিনিৰে ৰস তৈয়াৰ কৰি আৰু সেই ৰস খাই হাইচ-লাইচ বা হুঁচৰি সৃষ্টি কৰাৰ বাবে সোনোৱাল সকলে হুঁচৰিৰ শৰাইত চাউল একঠা দিয়ে। অন্যহাতে, পূৰ্বে হাবিৰ মাজত গৰখীয়াহঁতে বাইথ' পূজা অনুষ্ঠিত কৰিছিল। হাবিৰ মাজত গৈ তিৰোতাই অংশ গ্ৰহণ কৰা নাছিল বাবে পূৰ্বৰ নীতি-পৰম্পৰা অনুসৰি বৰ্তমানো কোনো তিৰোতা বা ছোৱালীয়ে হুঁচৰি আৰু হাইদাং গীত পৰিৱেশন নকৰে। বাইথ' পূজাৰ সময়ত ওঠৰ কোঁৱৰে একেলগে ৯ যোৰ হৈ ৯ ভনী সখীয়েক অপেশ্বৰীয়ে হুৰেশ্বৰী আৰু মাধপুৰুষৰ বাসস্থান গণ্য কৰি পূজাৰীৰ বৰঘৰত বিহু নমোৱা ডেকা-গাভৰুৰ দলটিয়ে ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ বিহু নমাই আনে যদিও হায়দাং গীত গোৱা দলটিৰ লগত কেতিয়াও সংযোগ নহয়। এয়া হ'ল সোনোৱাল বিহু সংস্কৃতিৰ বিশেষ বৈশিষ্ট্য। এই পৰম্পৰা অতীজৰ পৰাই সোনোৱাল সমাজত প্ৰচলিত হৈ আহিছে।

হয়দাং গীত যেনেকৈ তিৰোতাই বা ছোৱালীয়ে নাগায়, তেনেকৈ হুঁচৰি গীততো অংশ গ্ৰহণ নকৰে। যেনেকৈ বৰ্তমানৰ ৰংগমঞ্চত আন্যান্য ডেকা-গাভৰুৱে একেলগে মিলি হুঁচৰি প্ৰদৰ্শন কৰে,

তেনেকৈ সোনোৱাল-কছাৰী সমাজত প্ৰচলিত নীতি নাই। হুঁচৰি হ'ল পুৰুষৰ অনুষ্ঠান। তাত গাভৰু বা তিৰোতাৰ স্থান নাই। অৰ্থাৎ ডেকা আৰু গাভৰুৱে মিলি ধৰ্মীয় গীত হুঁচৰি প্ৰদৰ্শন কৰাটো সোনোৱাল সমাজত নিষিদ্ধ বুলি বিবেচিত হয়। পুৰুষ-মহিলা বা ডেকা-গাভৰুৰ বাবে উমৈহতীয়া অনুষ্ঠান লগবিহু সোনোৱাল সমাজত অনুষ্ঠিত হৈ আহিছে।

লগবিহু ঃ লগবিহু হ'ল পুৰুষ আৰু মহিলা বা ডেকা-গাভৰুৱে একেলগে একেখন বিহুতলিত বিহু নাম গাই প্ৰকাশ কৰা জীৱন-যৌৱন, সাংসাৰিক হা-হুমুনিয়াহ, আশা-নিৰাশা, প্ৰেম-বিৰহৰ, পোৱা-নোপোৱাৰ ভাব-অনুভূতি তথা কৰ্মপ্ৰেৰণা মিশ্ৰিত এক উমৈহতীয়া সামাজিক অনুষ্ঠান। এই লগবিহু বা সোনোৱাল ডেকা-গাভৰু বিহুৰ তাৎপৰ্য হ'ল ৯ ভনী অপেশ্বৰী সখীয়েক চতাই, কমলা, জায়মলা, ৰহিমলা, ৰামতী, ৰতী, বাহপাতী, বিচনদৈ, সৰুমতী আৰু ওঠৰ কোঁৱৰৰ সৈতে ৯ যোৰ হৈ পৃথিৱীলৈ নমাই বিহু সংগীতকলা। এই লগবিহুৰ যোগেদি চহামনৰ সৰল মানুহৰ হৃদয়ৰ ভাষা, মনৰ ভাবৰ আদান-প্ৰদান হয়। ইজনে সিজনক বুজি পোৱা এটা মাধ্যম। জীৱনৰ হা-হুমুনিয়াহ, আশা-হতাশা, কৰ্মপ্ৰেৰণা আদি লগবিহুত উপস্থাপন কৰা যোৱানামৰ যোগেদি প্ৰকাশ পায়। যেনে— 'তোমাক পামে বুলি বৰঘৰ সাজিলো চাৰিটা চাপৰিৰ খেৰ। পৰুৱা, মকৰা সোমাব নোৱৰা দিছিলো ইকৰাৰ বেৰ।' 'পানীৰে ধুনীয়া বিহকৈ মেটেকা ইদোল-দোপ্ সিদোল-দোপ্ কৰে। গাঁৱৰে ভিতৰত মই হেনো ফেদেলা ইয়ে থু সিয়ে থু কৰে।' 'আয়ে মোৰ ক'লিয়া বোপাই মোৰ ক'লিয়া মই ধোঁৱা চাঙৰ গড়। ক'ৰবাত কেনেবাকৈ দেখিব লাগিলে ভালুক বুলি মাৰিবি লৰ।'— ইত্যাদি। এনেধৰণৰ গীতৰ মাজেদি শিল্পী ৰূপত ডেকা-গাভৰুৰ মনৰ ভাব পৰিস্ফুট হয়।

যোৱানামক বাগীনাম বুলিও কোৱা হয়। কাৰণ যোৱানামত গীতৰ মাজেদি সোধা প্ৰশ্নৰ উত্তৰ গীতেৰে দিয়ে। উত্তৰৰ প্ৰত্যুত্তৰ পুনৰ বিপৰীত পক্ষৰ পৰা প্ৰক্ষেপিত হয়। এনেদৰে নিৰৱচ্ছিন্নভাৱে গীতৰ ধাৰা বৈ থাকে। বিহুনাম স্বতঃস্ফূৰ্তভাৱে নিগৰি আহে লগবিহুত অংশ গ্ৰহণ কৰা ডেকা-গাভৰুৰ মুখেৰে। এনে এক পৰিস্থিতিৰ সৃষ্টি হয় য'ত অঘোষিত বিহুনামৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায় দুটা দল অৰ্থাৎ ডেকা-গাভৰুৰ মাজত। বিহুনাম গাই কোনোবা গাভৰুক কোনো ডেকাই প্ৰতিযোগিতাত হৰুৱাব পাৰিলে, সেই ডেকাজনৰ লগত গাভৰুগৰাকীৰ বিবাহো সম্পন্ন হৈ যায়। এই পৰম্পৰা কৃষিজীৱী সোনোৱাল সমাজত প্ৰচলিত হৈ আহিছে। মূলতঃ এই লগবিহু খ্ৰীং খ্ৰীং বাইথ' পূজাৰ তৃতীয় দিনা মঙ্গলবাৰে হাবুকীক (বৰদৈচিলা) আহ্বান কৰি বাইজৰ মাজলৈ নমাই অনাৰ এটা ধৰ্মীয় পৰম্পৰা। অৰ্থাৎ বসুমতীক জগাই তুলি বৰদৈচিলাক আদৰণি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা অনুষ্ঠান। সেই বিশেষ দিনটোৰ পাছৰপৰাইহে সোনোৱালসকলে হুঁচৰি, বিহুনাম আদিৰ অনুশীলন কৰিব পাৰে।

গাৰো সম্প্ৰদায়ৰ উৎসৱ-পাৰ্বণ

ড° বিমল কুমাৰ মজুমদাৰ

ইতিহাসে ঢুকি নোপোৱা অতীতকালৰে পৰা জীৱশ্ৰেষ্ঠ মানৱ জাতিয়ে তেওঁলোকৰ নিজ নিজ সমাজৰ লগত খাপ খুৱাই কৰ্মময় জীৱনত কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠানক সামৰি লৈছিল। ইয়াৰে ভালেখিনি আনন্দ-বিনোদনৰ লগত জড়িত আৰু আন কিছুমান সামাজিক, ভৌগোলিক, ধৰ্মীয় বিশ্বাস আদিৰ লগত সংযুক্ত। পৃথিৱীৰ প্ৰায়বোৰ সমাজতে বছৰটোৰ কোনো এটা ভাগ একলীয়া কৰি থোৱা দেখা যায় উৎসৱ-অনুষ্ঠানৰ কাৰণে।এই উৎসৱ-অনুষ্ঠানসমূহ সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ। উৎসৱ-অনুষ্ঠানসমূহ পালনৰ উদ্দেশ্য হ'ল সমূহীয়াভাৱে আনন্দ প্ৰকাশ কৰা। প্ৰাকৃতিক শোভা-সৌন্দৰ্যই যেতিয়া মানুহৰ মনত আনন্দৰ ঢৌ তুলিছিল, সেই আনন্দ বা ভাব-অনুভূতি প্ৰকাশ কৰিছিল গীত বা কবিতাৰ মাধ্যমত। সকলো জাতিৰ সভ্যতাৰ আদিম স্তৰতে সৃষ্টি হৈছে গীত-মাতৰ। সেইবাবেই প্ৰায়বোৰ উৎসৱ-অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ আছে লোকসাহিত্য। উৎসৱসমূহত পৰম্পৰাগত গীত-মাত, অভিনয়, আবৃত্তি আদি পৰিৱেশন কৰা হয়। সেইবাবে স্মিথে কৈছে, গীত-মাত-নৃত্য অধ্যয়নৰ বাবে উৎসৱ-অনুষ্ঠানসমূহ ক্ষেত্ৰস্বৰূপ।

জনজাতিসকলৰ সমাজ-জীৱনধাৰা সাধাৰণতে নৃত্য-গীত, উৎসৱাদিৰেই ভৰপূৰ। পূজা-পাতলৰ লগতে বিভিন্ন সময়ত খেতি-পথাৰৰ শইচ চপোৱা অথবা শইচ সিঁচি খেতি-পথাৰৰ শুভাৰম্ভ নৃত্য-গীতেৰেই কৰে। গাৰোসকলেও অসমৰ অন্যান্য জনগোষ্ঠীসকলৰ দৰেই নৃত্য-গীত উৎসৱত মিলিত হৈ ৰঙৰ মেলা পাতি নিজৰ সমাজৰ স্বকীয়তা প্ৰকাশ কৰি আহিছে। এই আলোচনাত গাৰো লোক-উৎসৱসমূহৰ বিষয়ে যৎকিঞ্চিৎ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। কাৰণ সংস্কৃতিৰ পৰিসৰ বৰ বিশাল— ইয়াক চমু কথাৰে সাঙোৰা অতি কঠিন কাম।

ওৱানগালা ঃ

'ওৱানগালা' গাৰো জনগোষ্ঠীৰ লোকসকলৰ প্ৰধান উৎসৱ। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন

জনগোষ্ঠীৰ উৎসৱসমূহ যেনেদৰে কৃষিক কেন্দ্ৰ কৰি উৎপত্তি হৈছে, তেনেদৰে গাৰোসকলৰ জাতীয় উৎসৱ 'ওৱানগালা'ৰো সৃষ্টি হৈছে কৃষিক কেন্দ্ৰ কৰিয়েই। গাৰো সমাজত বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ পালন কৰা হয়। সেইবোৰৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য হ'ল এই 'ওৱানগালা' উৎসৱ।

খেতি চপোৱাৰ ঠিক পাছতেই 'ওৱানগালা' উৎসৱ অনুষ্ঠিত হয়। লখিমী চপোৱাৰ উৎসৱ পৃথিৱীৰ প্ৰায়বোৰ সমাজেই পালন কৰে। আহিন-কাতি মাহত জুম খেতি চপোৱা শেষ হ'লে পথাৰৰ মানুহখিনি গাঁৱলৈ উভতি আহে। গাঁৱলৈ উভতি অহাৰ পাছত 'আহায়া' বুলি আন এটি সৰু উৎসৱ পালন কৰা হয়। 'আহায়া' গাৰোসমাজৰ প্ৰধান উৎসৱ 'ওৱানগালা'ৰ আগজাননীস্বৰূপ। 'আহায়া' পালনৰ বাবে ঘৰে ঘৰে 'চু' (মদ) প্ৰস্তুত কৰা হয়। ঢোল, শিঙা আদি বাদ্য গাঁৱৰ মুখিয়ালজনৰ ঘৰৰ পৰা আনি বজোৱা হয় আৰু গাঁৱৰ ডেকাসকলে সুহুৰিওৱাৰ দৰে শব্দ কৰি উৎসৱৰ জাননী দিয়ে। এই উৎসৱ আৰম্ভ হোৱাৰ প্ৰথম দিনা জুম খেতিৰ উৎপন্নৰ এটি অংশ প্ৰথমে দেৱ-দেৱীলৈ আগবঢ়োৱা হয়। গাঁৱত 'চু' শেষ নোহোৱালৈকে এই উৎসৱ অব্যাহত থাকে। এই উৎসৱ অৰ্থাৎ 'আহায়া'ৰ সামৰণি পৰাৰ লগে লগে মূল উৎসৱ 'ওৱানগালা'ৰ বাবে প্ৰস্তুতি চলোৱা হয়। 'আহায়া' শেষ হোৱাৰ প্ৰায় দুসপ্তাহমানৰ ভিতৰতেই 'ওৱানগালা' আৰম্ভ হয়। কিন্তু 'ওৱানগালা' উদ্‌যাপন কৰাৰ বাবে কোনো নিৰ্দিষ্ট দিন-বাৰ বা তাৰিখ নাথাকে। গাঁওবাসীৰ সুবিধা অনুযায়ী অনুষ্ঠিত কৰা হয়। এই উৎসৱ উপলক্ষে ডেকা-গাভৰু, ল'ৰা-বুঢ়া সকলোৱে নতুন কাপোৰ পৰিধান কৰে, বাট-পথৰ হাবি-বন কাটি পৰিষ্কাৰ কৰে আৰু প্ৰতি ঘৰে ঘৰে অপৰ্যাপ্ত পৰিমাণে মদ তৈয়াৰ কৰে। 'ওৱানগালা'ৰ আগদিনা দূৰৰ পৰা ইষ্ট-কুটুম্ব আহি ঘৰ ভৰি পৰে। এই উৎসৱ সাধাৰণতে গধূলি আৰম্ভ হয়। প্ৰথমতে গাঁৱৰ মুখিয়ালজন (নোক্‌মা)ৰ ঘৰত 'চালজং' অৰ্থাৎ সূৰ্য দেৱতালৈ 'চু' আৰু আন উৎপাদিত শস্য আগবঢ়াই উৎসৱৰ পাতনি মেলা হয়। ইয়াকে 'নোক্‌মা ওৱানগালা' বুলিও কোৱা হয়। দেৱতালৈ আগবঢ়োৱাৰ পাছত নোক্‌মাজনে তেওঁৰ ঘৰত উপস্থিত হোৱা সমস্ত ৰাইজক 'চু', ভাত আদিৰে আতিথ্য আগবঢ়ায়। খোৱা-বোৱাৰ পাছত ঘৰৰ ভিতৰতে নাচ আৰম্ভ হয়। প্ৰথমতে বুঢ়া-বুঢ়ী বা বয়সস্থসকলে নাচে। তাৰপাছত ডেকা-গাভৰুৱে ঘৰৰ ভিতৰত অলপ নাচি চোতাললৈ ওলায়। 'ওৱানগালা'ৰ প্ৰথম ৰাতিটো এনেদৰে নৃত্য-গীত আৰু আমোদ-প্ৰমোদেৰে পাৰ কৰা হয়।

ৰাতিপুৱা গোটেই ৰাইজ আকৌ মুখিয়ালজনৰ ঘৰলৈ উভতি আহে। এইবাৰ 'ওৱানগালা'ৰ দ্বিতীয় পৰ্যায় 'চাচাত' পালন কৰা হয়। 'চাচাত'ত বিশেষ ধৰণে ঢোল, নাগাৰা, শিঙা আদি বজোৱা হয়। বয়সস্থসকলে হাতত ঢাল-তৰোৱাল লৈ পূৰ্বপুৰুষ বীৰসকলৰ বীৰত্বৰ কাহিনী স্মৰণ কৰি একপ্ৰকাৰ ভংগীত নাচে। এই নাচ আৰু গীতক 'গ্ৰীকা' বোলে। এনেকৈ নাচ নাচোতে প্ৰত্যেককে সন্মানেৰে 'চু' আগবঢ়োৱা হয়। কোনো কোনো গাঁৱত 'চাচাত'ৰ সময়ত ধূনা জ্বলোৱাৰ নিয়ম। অৱশ্যে ধূনা অকল মুখিয়ালজনেহে জ্বলাব পাৰে আৰু এইটো তেওঁৰ বিশেষ অধিকাৰ বুলি গণ্য কৰা হয়। ইয়াৰ পাছত চাউলৰ গুৰি পানীৰ লগত মিহলাই ডেকাসকলে ঘৰৰ বেৰবোৰত লেপি দিয়ে আৰু উপস্থিত ৰাইজৰ গাত ছটিয়াই দিয়ে। এইটো 'ওৱানগালা'ৰ পবিত্ৰ চিন বুলি বিশ্বাস কৰা হয়। মুখিয়ালজনৰ ঘৰত 'চাচাত' শেষ হোৱাৰ পাছত প্ৰত্যেক ঘৰে ঘৰে একেধৰণেৰেই 'চাচাত' পালন কৰা হয়। 'চাচাত'ৰ পাছত 'ওৱানগালা'ৰ নৃত্য-গীত, আমোদ-প্ৰমোদ প্ৰায় এসপ্তাহলৈ থাকে। এই উৎসৱতে ডেকা-গাভৰুৱে

এজিয়া, দোৰোৱা, আম্বেঙনি অনেহা, গ্ৰীকা আদি গীত গায়। এইকেইবিধ গীত গাৰোসকলৰ পৰম্পৰাগত লোক-উৎসৱ 'ওৱানগালা'ৰ লগত জড়িত।

প্ৰত্যেক ঘৰে ঘৰে 'ওৱানগালা'ৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা 'চু' শেষ হ'লেহে এই উৎসৱৰো সামৰণি পৰে। এইদৰে এখন গাঁৱত 'ওৱানগালা'ৰ সামৰণি পৰাৰ পাছত আন এখন গাঁৱত 'ওৱানগালা' পালনৰ প্ৰস্তুতি আৰম্ভ হয়। অৰ্থাৎ 'ওৱানগালা' উৎসৱটো একেটা সময়তে আটাইবোৰ গাঁৱতে পালন কৰা নহয়। এখনৰ পাছত আন এখন গাঁৱত উদ্‌যাপিত হয়। সেইবাবে 'ওৱানগালা' উৎসৱ গাৰো সমাজত প্ৰায় দুই-তিনিমাহ ধৰি লেথাৰি নিছিগাকৈ চলি থাকে। (অৱশ্যে আজিকালি 'ওৱানগালা' উপলক্ষে চৰকাৰীভাৱে এটা দিন বন্ধ ঘোষণা কৰা হয় আৰু সেইদিনাই সমূহীয়াভাৱে মুকলি পথাৰত এই উৎসৱ পালন কৰা হয়।) এই উৎসৱৰ সমাপ্তিৰ লগে লগে গাৰোসকলৰ এটা খেতিৰ বছৰৰো ওৰ পৰে।

গাৰোসকলৰ এই 'ওৱানগালা'ৰ উৎসৱক অসমীয়া সমাজৰ 'বিহু' উৎসৱৰ লগত তুলনা কৰিব পাৰি। 'ওৱানগালা' যেনেদৰে কৃষিভিত্তিক উৎসৱ, তেনেদৰে বিহুও অসমীয়াসকলৰ কৃষিভিত্তিক উৎসৱ। ভোগালী বিহু যেনেদৰে শস্য চপোৱাৰ পাছত উদ্‌যাপন কৰা হয়, গাৰোসকলৰ 'ওৱানগালা'ও উদ্‌যাপন কৰা হয় জুমখেতি চপোৱাৰ পাছত। আনহাতে, ৰঙালী বিহুৰ ডেকা-গাভৰুৰ নৃত্য-গীত, আমোদ-প্ৰমোদ 'ওৱানগালা' উৎসৱতো বিদ্যমান। এজিয়া, দোৰোৱা, আম্বেঙনি অনেহা, গ্ৰীকা আদি গীত-মাত যেনেদৰে 'ওৱানগালা' উৎসৱৰ অপৰিহাৰ্য অংগ, তেনেদৰে বিহুগীত, হুঁচৰি, বনগীত আদিও ৰঙালী বিহুৰ অপৰিহাৰ্য অংগ। নৃত্য-গীতৰ ফালৰপৰা বিহুৰ লগত 'ওৱানগালা'ৰ সাদৃশ্য থকা বুলি ড°প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যদেৱেও ইংগিত দিছে। সৰ্বোপৰি, 'ওৱানগালা' আৰু ৰঙালী বিহু ক্ৰমে গাৰো আৰু অসমীয়া দুয়োখন সমাজৰে দুটা জাতীয় উৎসৱ।

দোচীয়া ঃ

দোচীয়া হ'ল গাৰোসকলৰ বিবাহ উৎসৱ। প্ৰত্যেক সমাজতে বিবাহ উৎসৱ কিছুমান সামাজিক ৰীতি-নীতিৰ মাজেৰে পালন কৰা দেখা যায়। এনে ৰীতি-নীতি বা পৰম্পৰাসমূহ সমাজভেদে সুকীয়া সুকীয়া। গাৰো সমাজতো বৈবাহিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কিছুমান পৰম্পৰাগত ৰীতি-নীতি আদিম কালৰে পৰা প্ৰচলিত হৈ আহিছে।

গাৰো সমাজখন প্ৰধানকৈ পাঁচোটা গোত্ৰত বিভক্ত। চাংমা, মাৰাক, মোমিন, চিৰা আৰু আৰেং। এই গোত্ৰ শ্ৰেণীক গাৰো ভাষাত 'চাৎচী' বোলে। পৰম্পৰাগত গাৰো ৰীতি অনুসৰি একেটা গোত্ৰৰ ভিতৰত বিবাহ নিষিদ্ধ। অৰ্থাৎ মাৰাকে মাৰাকক বা চাংমাই চাংমাক বিয়া কৰাব নোৱাৰে। ল'ৰা মাৰাক হ'লে ছোৱালী চাংমা বা অন্য গোত্ৰৰ হ'ব লাগিব। ঠিক সেইদৰে ছোৱালী যদি চাংমা হয়, ল'ৰা মাৰাক বা অন্য গোত্ৰৰ হ'ব লাগিব। প্ৰকৃতাৰ্থত এই বিবাহ-ব্যৱস্থাৰ যোগেদি এটা গোত্ৰই আন এটা গোত্ৰৰ সৈতে আত্মীয়তাৰ এক নিবিড় সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰয়াস কৰে।

গাৰো সমাজত বিবাহ দুই প্ৰকাৰৰ। প্ৰত্যেক পৰিয়ালে যিকোনো এগৰাকী কন্যাক উত্তৰাধিকাৰিণীৰূপে মনোনীত কৰে (যদিহে তেনে পৰিয়ালত একাধিক কন্যা সন্তান থাকে)। এই উত্তৰাধিকাৰিণীক 'নোখ্ৰম' বোলে আৰু উত্তৰাধিকাৰিণীৰ বিয়াক 'নোখ্ৰম' বিয়া বোলে। এই বিয়াৰ তাৎপৰ্য হ'ল বিয়াৰ পাছত দৰাই কইনাৰ ঘৰলৈ আহি তেওঁলোকৰ পৰিয়ালৰ সদস্য হৈ পৰে। উত্তৰাধিকাৰিণীৰ বাহিৰে পৰিয়ালৰ আন আন কন্যা সন্তানক 'আগাতে' বোলে আৰু এনে কন্যাৰ

বিয়াক 'আগাতে' বিয়া বুলি কোৱা হয়। 'আগাতে' বিয়াৰ পাছত দৰা-কইনাই ইচ্ছা কৰিলে শহুৰ-শাহুৰ ঘৰত নাথাকি অন্য ঠাইতো সংসাৰ পাতিব পাৰে।

নোখ্ৰম বিবাহৰ ক্ষেত্ৰত নিজ ভাগিনীয়েকক জোঁৱাই হ'বলৈ অগ্ৰাধিকাৰ দিয়া হয়। সেইবাবে নোখ্ৰম শৈশৱ অৱস্থাতে মনোনীত কৰা হয়। মনোনীত ল'ৰাজনক যেতিয়া জোঁৱাই আনিবৰ সময় হয়, তেতিয়া ল'ৰাজনক য'তে দেখে তাতে পৰাই বলেৰে কইনাৰ ঘৰলৈ ধৰি আনে। ধৰি অনাৰ পাছত ল'ৰাজন যাতে পলাই যাব নোৱাৰে তাৰ বাবে সেই ঘৰটোৰ আশে-পাশে ডেকাহঁতে ৰাতি পহৰা দিয়ে। অৱশ্যে ইয়াৰ মাজতে সুবিধা পালে ল'ৰাজনে নিজৰ মাক-দেউতাকৰ ঘৰলৈ পলাই যায়। এনেকৈ পলাই যোৱাৰ পাছত ছোৱালীজনীয়ে ডেকাহঁতক লগত লৈ আকৌ ল'ৰাজনক ধৰি আনে। ধৰি অনাৰ পাছত এবাৰো পলাবলৈ চেষ্টা নকৰি ছোৱালীৰ লগত থাকি যোৱা ডেকাক সমাজে হেয় জ্ঞান কৰে। কাৰণ সকলোৱে ভাবে যে অইন ঠাইত জোঁৱাই হৈ থাকিবলৈ সুবিধা নাপাব বুলি ভয় কৰিয়েই এঘৰত থাকিবলৈ সুবিধা পাই থাকিবলৈ ব্যস্ত হৈ পৰিছে। অৱশ্যে ল'ৰাজন যদি উপৰ্যুপৰি তিনিবাৰ পলাই যায়, তেনেহ'লে নোখ্ৰম হ'বলৈ সম্পূৰ্ণ অনিচ্ছুক বুলি ধৰা হয় আৰু এনে ক্ষেত্ৰত আন এজনক নোখ্ৰম মনোনীত কৰি ধৰি আনিবলগীয়া হয়।

নোখ্ৰম ধৰি অনাৰ পাছত 'দোচীয়া' অৰ্থাৎ বিয়া উৎসৱ উদ্‌যাপন কৰা হয়। এই ক্ষেত্ৰত কন্যাৰ পিতৃয়ে এটি আড়ম্বৰপূৰ্ণ উৎসৱৰ আয়োজন কৰে। উৎসৱ উপলক্ষে এটি শুভ দিন নিৰ্দিষ্ট কৰি গাঁৱৰ পুৰোহিতক (কামাল) অনুষ্ঠানটি সম্পন্ন কৰাৰ বাবে নিমন্ত্ৰণ জনোৱা হয়। পুৰোহিতে দুটা কুকুৰাচৰাই আনি নৱ-দম্পতীৰ পিঠিত চপৰিয়াই দিয়ে। তাৰপাছত দৰা কন্যাই কুকুৰা দুটিৰ পিঠিত কোবাই কোবাই সিদিনাৰ পৰা বৈবাহিক জীৱন আৰম্ভ কৰাৰ বাবে সম্মতি দিয়ে। এই সময়খিনিতে পুৰোহিতে বিভিন্ন দেৱ-দেৱীৰ উদ্দেশ্যে সুৰ লগাই মন্ত্ৰ পাঠ কৰে আৰু তেওঁলোকক সাক্ষী কৰি নৱ-দম্পতীৰ মাজত অবিচ্ছেদ্য সম্পৰ্কৰ সূচনা কৰে। তাৰপাছত কুকুৰা দুটাৰ মূৰ ছিঙি পেলোৱা হয় আৰু তাৰ তেজ দৰা-কইনাৰ পিঠিত ঘঁহি দিয়া হয়। এই প্ৰথাক গাৰো সমাজত 'দো-দকজা' বুলি কোৱা হয়। বধ কৰা কুকুৰা দুটা ৰান্ধি সেই মাংস দৰা-কইনাক খাবলৈ দিয়া হয় আৰু আন এটি কুকুৰা দেৱ-দেৱীৰ উদ্দেশ্যে উছৰ্গা কৰা হয়। এই সকলো অনুষ্ঠান দিনৰ ভাগতে শেষ হয়। সূৰ্যাস্তৰ আগে আগে দৰা-কইনাই উপস্থিত ৰাইজক লগত লৈ গাঁৱৰ মাজেৰে এপাক ঘূৰি অহাৰ নিয়ম। ৰাতিৰ ভাগত প্ৰতিবেশী, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে নিমন্ত্ৰণ কৰি পান-ভোজনেৰে আপ্যায়িত কৰা হয়। ৰাতি পান-ভোজনৰ সময়খিনি নানা ৰং-ধেমালি, আনন্দ-উলাহেৰে পালন কৰা হয় আৰু এনেদৰে গাৰো সমাজত নৱ-দম্পতীক বৈবাহিক জীৱন আৰম্ভ কৰাৰ বাবে সামাজিক স্বীকৃতি তথা আশীৰ্বাদ দিয়া হয়। এয়ে গাৰোসকলৰ 'দোচীয়া' উৎসৱ। এই উৎসৱৰ লগত 'দোচীয়া' আৰু 'চেকেকাটা' গীতখিনি জড়িত।

গাৰোসকলৰ দোচীয়া উৎসৱক সহজে অসমীয়া বিবাহ উৎসৱৰ লগত ৰিজাব পাৰি। দুয়োটা উৎসৱৰে উদ্দেশ্য একেটাই—বৈবাহিক জীৱনৰ বাবে ডেকা-গাভৰুক সামাজিক স্বীকৃতি প্ৰদান। কিন্তু অসমীয়া সমাজত বিয়া উৎসৱৰ আনুষ্ঠানিকতা আৰু জাকজমকতা গাৰো সমাজতকৈ কণখিনি বেছি। আনহাতে, খিচাগীত, বিয়াগীত আদি যিদৰে অসমীয়া বিয়া উৎসৱৰ একো-একোটা অংগ, তেনেদৰে দোচীয়া, চেকেকাটা আদি গীতসমূহো গাৰোসকলৰ বিয়া উৎসৱৰ একো একোটা অংগস্বৰূপ। সমাজত বিয়াগীত গাবলৈ কোনো আয়তী নাথাকে। বিবাহ সম্পাদন কৰা পুৰোহিত বা কামালজনেই সুৰ লগাই

মন্ত্র পাঠ কৰে। বাকী পান-ভোজন, আনন্দ-উলাহ, আলহী-অভ্যৰ্থনা আদি দুয়োখন সমাজৰেই উৎসৱ দুটিৰ সাধাৰণ বৈশিষ্ট্য যদিও সমাজভেদে বিবাহ উৎসৱৰ সৌন্দৰ্য আৰু আনন্দ সুকীয়া সুকীয়া।

আচোংটাটা, আমুৱা, অথ্‌লা ঃ

এইকেইটা গাৰোসকলৰ ভক্তিমূলক অনুষ্ঠান। গাৰোসকল ভূত-প্ৰেত, দেৱ-দেৱী বা অলৌকিক শক্তিত বিশ্বাসী। সেইবাবে বিভিন্ন পৰিস্থিতিত, যেনে—বেমাৰ-আজাৰৰ পৰা ৰক্ষা পাবলৈ, বতাহ-বৰষুণ-ধুমুহা আদি প্ৰাকৃতিক বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ অথবা কু-দৃষ্টিৰ পৰা শস্য ৰক্ষা কৰিবৰ বাবেও এই উৎসৱসমূহ পালন কৰা হয়।

গাৰোসকলে ভালেসংখ্যক দেৱ-দেৱী বা ভূত-প্ৰেতক পূজা কৰে। তাৰ ভিতৰত এইসকল মুখ্য—চালজং (সূৰ্য দেৱতা), চুচিমে (সম্পত্তিৰ ৰক্ষণাবেক্ষণকাৰী), ৰিচি (ঘৰৰ সুখ-শান্তিবৃদ্ধি কৰোতা), তাতাৰা-ৰাবুগা (সৃষ্টিকৰ্তা), গায়েৰা (বজ্ৰ দেৱতা), কালকামে (প্ৰাকৃতিক বিপদৰ পৰা ৰক্ষা কৰোতা), নৱাং (দৈত্য-দানৱ) ইত্যাদি। প্ৰত্যেকবিধ বেমাৰ-আজাৰ বা পৰিস্থিতিভেদে বেলেগ বেলেগ দেৱতাক সন্তুষ্ট কৰিবলৈ পূজা কৰা হয়। গাৰো দেৱতাসকলৰ বাবে কুকুৰা, হাঁহ, গাহৰি, ছাগলী আদি বিভিন্ন জন্তু বলি দিয়াৰ প্ৰথা আছে। কিন্তু দেৱতাসকলক পূজা কৰাৰ বাবে কোনো মূৰ্তি বা প্ৰতিকৃতি সজা নহয়। সেইবাবে দেৱ-দেৱীৰ মন্দিৰ আদিও দেখিবলৈ পোৱা নাযায়। সাধাৰণতে এটা মাটিৰ ঢাপ আৰু কাষে কাষে নানা ধৰণৰ ফুল কটা বাঁহৰ চুঙা আৰু 'চাকৰু' গছৰ পাতেৰে কিমিণ্ডা সজোৱা হয়। বেদী (কিমিণ্ডা) সজ্জিত এই প্ৰথাক 'চাম্বাচিয়া' বোলে। পূজা সম্পাদিত কৰে গাৰো কামাল অৰ্থাৎ পুৰোহিতে। পূজা কৰাৰ বিনিময়ত পুৰোহিতে কোনো দান-দক্ষিণা বা পাৰিশ্ৰমিক নলয়। পূজাবিধিৰ প্ৰধান অংগ হ'ল বলি। যি বলি উপযুক্ত বুলি মঙ্গল চাওঁতে থিৰাং কৰা হয়, সেই বলি দেৱ-দেৱীৰ বাবে আছুতীয়াকৈ ৰখা মদ বেদীৰ ওপৰত ঢালি মন্ত্ৰ উচ্চাৰণ কৰা হয়। মন্ত্ৰবোৰৰ তাৎপৰ্য হ'ল দেৱতাৰ নাম উচ্চাৰণ কৰি উদ্দেশ্য সিদ্ধিৰ বাবে আৱেদন জনোৱা। যদি কোনো বিশেষ ব্যক্তিৰ ৰোগ নিৰাময়ৰ বাবে পূজা দিয়া হয়, তেনেহ'লে সেই ব্যক্তিজনকো বেদীৰ ওচৰত বহুৱাই লোৱা হয় আৰু বলিৰ তেজ, মদ আদি ৰোগগ্ৰস্ত ব্যক্তিজনৰ গাত ছটিয়াই দিয়া হয়। এই পূজা কেতিয়াবা ঘৰৰ ভিতৰত, কেতিয়াবা চোতালত আৰু কেতিয়াবা বাহিৰত, আনকি হাবিৰ মাজতো অনুষ্ঠিত কৰা হয়। গাৰোসকলৰ বিশ্বাস—এনেদৰে পূজা কৰিলে ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি, অপায়-অমঙ্গল আঁতৰি যায় আৰু মানসিক শান্তি লাভ হয়। সেইবাবে আধুনিক চিকিৎসা-পদ্ধতিতকৈও এচাম মানুহৰ এনেধৰণৰ পূজা-পাতলৰ প্ৰতি আকৰ্ষণ অধিক।

গাৰো সমাজত প্ৰচলিত এই আচোংটাটা, আমুৱা, অথ্‌লা আদি পূজা উৎসৱসমূহক অসমীয়া সমাজত প্ৰচলিত অপেচৰা সবাহ, আইনাম, শীতলা পূজা, কুমাৰী পূজা, মাৰৈ পূজা, সুবচনি পূজা, লখিমী পূজা আদিৰ লগত তুলনা কৰিব পাৰি। সেইদৰে, জাৰেগাটা আৰু কৃতাঅমুৱা গীতসমূহ যেনেদৰে গাৰো সমাজত প্ৰচলিত উক্ত পূজা-উৎসৱকেইটিৰ লগত জড়িত, তেনেদৰে অপেচৰা নাম, আইনাম, শীতলা নাম আদি গীতসমূহো অসমীয়া সমাজত উক্ত উৎসৱকেইটিৰ লগত সংযুক্ত। মুঠতে, দুয়োখন সমাজৰেই এই উৎসৱসমূহ হৈছে ভক্তিমূলক।

আগালমাকা, দামা গোগাতা ঃ

জুম খেতিৰ সৰ্বাংগীন মঙ্গলৰ বাবে প্ৰথমে যিটো অনুষ্ঠান পালন কৰা হয় তাকেই গাৰোসকলে

'আগালমাকা' বোলে। বছৰৰ আৰম্ভণিতেই শস্য সিঁচাৰ আগে আগে এই অনাড়ম্বৰ অনুষ্ঠানটি পালিত হয়। পাহাৰত বাস কৰা গাৰোসকলে পাহাৰৰ হাবি-বননি কাটি জুই দি জুম খেতি কৰে। গোটেই গাঁওখনৰ মানুহে এটা বছৰৰ বাবে কোনো এটা অঞ্চল কৃষিৰ বাবে বাছি লয়। জুম খেতিৰ বাবে ঠাইখিনি পৰিষ্কাৰ আৰু উপযোগী কৰি লোৱাৰ পাছত মানুহখিনি গাঁৱলৈ উভতি আহি 'আগালমাকা' উৎসৱ পালন কৰে। উৎসৱটি পালনৰ উদ্দেশ্য হ'ল কৃষিকৰ্মৰ সকলো প্ৰকাৰৰ অপায়-অমঙ্গল দূৰ কৰা আৰু দেৱ-দেৱীয়ে যাতে নিয়মিত বৃষ্টিপাত ঘটায় তাৰ বাবে প্ৰাৰ্থনা কৰা।

অনুষ্ঠানটিৰ আৰম্ভণিতে এডোখৰ দীঘল বাঁহ মাটিত পোতা হয়। বাঁহডোখৰৰ গুৰিত সিদ্ধ ধান, ভাত, মাংস, শুকান মাছ আদি ৰখা হয়। তাৰ লগতে এটি পাত্ৰত কিছু 'চু' (মদ) ৰখা হয়। তাৰ পাছত দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ ডেকা-গাভৰুৱে 'চু' পান কৰি ওৰে ৰাতি নাচ-গান কৰি কটায়। পাছদিনাও গোটেই দিন-ৰাতি সকলো মানুহে আনন্দ-উৎসৱ কৰি কটায়। দ্বিতীয়দিনা ৰাতিহে আনন্দ উৎসৱ শেষ হয়। উৎসৱৰ সামৰণিক 'দামা গোগাতা' বোলে। 'আগালমাকা' উৎসৱৰ সমাপ্তিৰ পিছদিনাৰ পৰা শস্যৰ গুটি সিঁচিবলৈ আৰম্ভ কৰে।

এই 'আগালমাকা' উৎসৱত যি নৃত্য কৰা হয়, সেই নৃত্যৰ লগত 'আচিৰোকা' গীত পৰিৱেশন কৰা হয়। গতিকে 'আচিৰোকা' হ'ল কৃষি-উৎসৱ 'আগালমাকা'ৰ লগত জড়িত গীত। এই 'আগালমাকা' উৎসৱক অসমীয়া 'গোছ দিয়া' বা 'ৰোৱা পোতা' উৎসৱৰ লগত তুলনা কৰিব পাৰি। অসমীয়া সমাজত শালিখেতি ৰুবলৈ আৰম্ভ কৰাৰ দিনা এই উৎসৱ পালন কৰা হয়।

ৰংচুগালা ঃ

কৃষিৰ লগত জড়িত আন এটি গাৰো উৎসৱ হ'ল 'ৰংচুগালা'। ধান পকিবলৈ আৰম্ভ কৰিলে ঘৰে ঘৰে 'চু' তৈয়াৰ কৰি এই উৎসৱ পালন কৰা হয়। 'ৰংচু' মানে চিৰা। এই উৎসৱৰ প্ৰকৃত অৰ্থ হ'ল নতুন খেতিৰ শস্য খোৱা-বোৱা আৰম্ভ কৰা। এই উৎপাদিত উৎসৱ পালন কৰাৰ আগেয়ে কোনোৱেই ধান-চাউল খাদ্যৰূপে গ্ৰহণ কৰা নিষেধ। 'ৰংচুগালা' উৎসৱ পালন কৰাৰ সময়ত ধান সম্পূৰ্ণকৈ নপকে। আধা পকা ধান ভাজি চিৰা খুন্দা হয় আৰু সেই চিৰা দেৱ-দেৱীলৈ আগবঢ়াই গাঁৱৰ মানুহে খায়।

গাৰো সমাজত প্ৰচলিত এই 'ৰংচুগালা' উৎসৱক অসমীয়া সমাজত প্ৰচলিত 'নখোৱা' উৎসৱৰ লগত ৰিজাব পাৰি।

জামে গাপ্‌পা ঃ

কৃষিৰ লগত জড়িত আন এটি আনুষংগিক গাৰো উৎসৱ হ'ল 'জামে গাপ্‌পা'। এই উৎসৱটি হ'ল জুম খেতি চপোৱাৰ প্ৰাৰম্ভিক উৎসৱ। 'ৰংচুগালা' উৎসৱৰ সামৰণিৰ পাছত এই উৎসৱটি অনুষ্টুপীয়াভাৱে পালন কৰা হয়।

'জামে গাপ্‌পা' উৎসৱ উপলক্ষে গাৰো ডেকাসকলে চিৎকাৰ কৰাৰ দৰে বিকট শব্দ সমবেতভাৱে উচ্চাৰণ কৰি (কেতিয়াবা সুহুৰিয়াই) গাঁৱৰ মাজৰ বাটে-পথে ধ্বনি দিয়ে। এই ধ্বনিৰ যোগেদি গাৰো ডেকাসকলে মনৰ আনন্দ প্ৰকাশ কৰে। বিশেষকৈ, সন্ধিয়া আৰু আগৰাতি এইদৰে ডেকাসকলে ধ্বনি তুলি উৎসৱ পালনৰ জাননী দিয়ে। এনে ধৰণৰ ধ্বনিক সুভাষ জেংচামে বিদেশীসকলৰ 'হিপ্ হিপ্ হুৰ্ৰে' ধ্বনিৰ লগত তুলনা কৰিছে। উৎসৱৰ লগত তুলনা কৰিব পাৰি।

মাঙোনা ঃ

গাৰোসকলৰ মৃত্যু সম্পৰ্কীয় এটি লেখত ল'বলগীয়া উৎসৱ হ'ল 'মাঙোনা'। গোটেই বছৰটোৰ ভিতৰত মৃত্যু হোৱা গাঁও এখনৰ লোকসকলৰ সমূহীয়া শ্ৰাদ্ধৰ নামেই হৈছে 'মাঙোনা'। সাধাৰণতে, গাৰো সমাজত কোনো ব্যক্তিৰ মৃত্যু ঘটিলে শিঙা বজাই গাঁৱত জাননী দিয়া হয়। মৃত্যুৰ পাছত মৃতদেহ সমূহীয়াভাৱে সৎকাৰ কৰা হয়। সৎকাৰৰ পাছত মৃত ব্যক্তিৰ উদ্দেশ্যে এটি এটি সৰু ঘৰ (দেলং) তৈয়াৰ কৰি মৃতকৰ অশৰীৰী আত্মাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ তাত ৰখা হয়। দেলঙৰ লগতে মৃত ব্যক্তিৰ ঘৰৰ পদূলিমুখত 'কিমা' (মূৰ্তিবিশেষ) সজাই ৰখা হয়। 'কিমা' হ'ল মৃতকৰ স্মৃতিচাৰণ। এইদৰে বছৰটোৰ শেষত মৃত্যু হোৱা আটাইবোৰ ব্যক্তিৰ প্ৰেতাত্মাৰ শুদ্ধিৰ বাবে 'মাঙোনা' উৎসৱ পালন কৰা হয়।

'মাঙোনা' উৎসৱৰ লগত গাৰো সমাজত প্ৰচলিত 'কাবে' (মালিতা) গীতখিনি জড়িত। 'মাঙোনা' উৎসৱক অসমীয়া সমাজৰ বছৰেকীয়া তিথি বা শ্ৰাদ্ধৰ লগত ৰিজাব পাৰি।

ঘোঁড়ী-ৰআ ঃ

এই উৎসৱৰ নামটোৰ তাৎপৰ্য হ'ল ঘোঁৰাৰ সৈতে নৃত্য কৰা অৰ্থাৎ উৎসৱ পালন কৰা। গাৰোসকল যুঁজাৰু জাতি। বিভিন্ন সময়ত বিভিন্ন শক্তিৰ বিৰুদ্ধে তেওঁলোক সংঘৰ্ষত লিপ্ত হ'বলগীয়া হৈছিল। পূৰ্বপুৰুষসকলৰ বহু ত্যাগৰ বিনিময়তহে তেওঁলোকে এটা জাতি হিচাপে পৃথিৱীত নিজৰ পৰিচয় ৰাখিব পাৰিছে। সেই পূৰ্বপুৰুষৰ স্মৃতিচাৰণৰ উদ্দেশ্যেই প্ৰতিবছৰে এই উৎসৱ পালন কৰা হয়। এই উৎসৱ পালনৰ যোগেদি তেওঁলোকৰ অতীতৰ শৌৰ্য-বীৰ্যৰ কথা স্মৰণ কৰি গৌৰৱ অনুভৱ কৰে।

এই উৎসৱত এটা ঘোঁৰাৰ মূৰ্তি তৈয়াৰ কৰি বিভিন্ন ৰঙৰ কাপোৰ তাত মেৰিয়াই দিয়া হয়। তাৰ লগতে ডিঙি, কপাল ঠেং আদিত বিভিন্ন অলংকাৰ পিন্ধাই দিয়ে। ঘোঁৰাটোৰ দৰে মানুহবোৰেও একেধৰণৰ সাজ-পোছাক, অলংকাৰ-পাতি পিন্ধে আৰু হাতত তৰোৱাল, ঢাল, ধনু-কাঁড়, যাঠি আদি লৈ ঘোঁৰাটিৰ লগত নৃত্য কৰে। নৃত্যৰ লগে লগে বিভিন্ন বাদ্যও বজোৱা হয়। নৃত্য কৰাৰ আগতে যথাবিহিতভাৱে ঘোঁৰাৰ মূৰ্তিটোক 'চু' ঢালি পূজা কৰা হয়। নৃত্যবোৰ সাধাৰণতে যুদ্ধৰ কৌশলত আৰু বিভিন্ন মুদ্ৰাৰ অংগী-ভংগীত অভিনয় কৰাৰ দৰে পৰিৱেশন কৰে। এই উৎসৱ তিনিদিন ধৰি চলে। নৃত্যৰ লগত 'গ্ৰীকা' গীত পৰিৱেশন কৰা হয়। উৎসৱটিত আদিম সভ্যতাৰ কিছু আভাস পোৱা যায়। গাৰোসকলৰ এ 'ঘোঁড়ী-ৰআ' উৎসৱটি অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা সুঁৱৰি উৎসৱৰ অন্তৰ্গত 'হানা ঘোঁৰা' নৃত্যৰ লগত তুলনীয়।

ওপৰত বৰ্ণনা কৰা উৎসৱ-পাৰ্বণসমূহৰ উপৰি আৰু ভালেসংখ্যক উৎসৱ গাৰো আৰু অসমীয়া সমাজত প্ৰচলন আছে।

দেউৰী লোক-উৎসৱ ব'হাগ বিচু আৰু বিচু-পূজা

ষড়ানন দেউৰী

দেউৰীসকল ঐতিহ্যপূৰ্ণ স্বকীয় কলা-কৃষ্টি-সংস্কৃতিৰে পৰিপূৰ্ণ পূৰ্বাঞ্চলৰ এটি খিলঞ্জীয়া জনগোষ্ঠী। তেওঁলোকৰ কৃষ্টি-সংস্কৃতি, লোক-সাহিত্য, লোক-কলা আদিৰ পয়োভৰৰ জৰিয়তে উপলব্ধ হোৱা প্ৰাণ-প্ৰাচুৰ্য, যাক সামগ্ৰিকভাৱে 'দেউৰী-সংস্কৃতি' বুলি অভিহিত কৰিব পৰা যায়, তেনেবোৰ প্ৰাণ-প্ৰাচুৰ্যই তেওঁলোকৰ লোকজীৱনৰ বিভিন্ন স্তৰত একাকাৰ হৈ আবহমান কালৰে পৰাই স্বকীয় ৰূপত সাংস্কৃতিক মাহাত্ম্য প্ৰকাশ কৰি আহিছে। তাৰ মাজতে বাৰেবৰণীয়া পূৰ্বাঞ্চলৰ বৃহৎ সংস্কৃতি গঠন প্ৰক্ৰিয়াত দেউৰী জনগোষ্ঠীৰ কলা-সংস্কৃতি, ভাষা-সাহিত্য আদিৰ বৰঙণি লেখতল'বলগীয়া বুলি সৰ্বজনে স্বীকাৰ কৰে। স্বকীয় লোক-সংস্কৃতিৰে পৰিপুষ্ট জীৱন্ত দেউৰী জনগোষ্ঠী, সেয়েহে আজিৰ প্ৰেক্ষাপটত অন্ততঃ কৃষ্টি -সংস্কৃতিৰ দিশত পূৰ্বাঞ্চল তথা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এটি সমৃদ্ধিশালী জনগোষ্ঠী হিচাপে চিহ্নিত হৈছে।

অসমত বৰ্তমান উদ্‌যাপিত হোৱা তিনিটা প্ৰধান বিহু, যেনে—ব'হাগ বিহু (ৰঙালী বিহু), মাঘ বিহু (ভোগালী বিহু) আৰু কাতি বিহু (কঙালী বিহু) দেউৰীসকলে পূৰ্বপুৰুষৰ দিনৰে পৰা পালি অহা কথাটো উল্লেখ কৰা যায়। দেউৰীসকলে বিহুক 'বিচু' বুলি কয়। এই 'বিচু' শব্দৰ পৰাই বিচু, বিসু, বিহু শব্দৰ উৎপত্তি হৈছে বুলি ধাৰণা কৰিব পাৰি। 'বিচু' শব্দৰ ব্যুৎপত্তিগত অৰ্থক লৈ কিছুলোকে ক'ব খোজে যে দেউৰী ভাষাত 'বি' মানে অতি আৰু 'চু' মানে আনন্দ অৰ্থাৎ 'বিচু' মানে অতি আনন্দ বা অতি আনন্দৰে ভৰা উৎসৱবিশেষ। কিন্তু এই বিশ্লেষণ দুটা কাৰণতে অমূলক বুলি যুক্তি দিব পাৰি। প্ৰথমতে, দেউৰী ভাষাত 'বি' শব্দৰ অৰ্থ অতি আৰু 'চু' শব্দৰ অৰ্থ আনন্দ বুলি আখ্যা দিয়া কথাটি সঁচা নহয়। তেওঁলোকৰ লোকজীৱনত এই দুটা শব্দৰ অৰ্থ উল্লিখিত ধৰণেৰে ব্যৱহৃত হোৱাৰ নজিৰ নাই। দ্বিতীয়তে, এই অৰ্থই সমগ্ৰ 'বিচু' উৎসৱৰ ব্যৱস্থাপনাকে ঠেক পৰিসৰত সীমাবদ্ধ কৰি 'বিচু'ৰ প্ৰকৃত তাৎপৰ্যৰ পৰা নিলগাই ৰখা যেন অনুধাৱন কৰা হয়। যিহেতু দেউৰী লোকজীৱনৰ 'বিচু' কেৱল

আনন্দৰে ভৰা উৎসৱতেই পৰিগণিত নহৈ ই তেওঁলোকৰ জন-জীৱনৰ ধৰ্মীয় বিশ্বাসত আবৃত হৈ জড়জগতকে ধৰি মনোজগতলৈকে চুই যায়হি। সেয়েহে দেউৰী 'বিচু'ত 'বিচু-পূজা' এক অতি গুৰুত্বপূৰ্ণ সামাজিক পাৰ্বণ ৰূপে পৰিগণিত হোৱা পৰিলক্ষিত হয়। সেয়েহে 'বিচু' শব্দৰ অৰ্থৰ পৰিসৰো তেওঁলোকৰ বাবে নিশ্চয়কৈ অতি ব্যাপক হোৱাৰে ইংগিত বহন কৰে।

সাধাৰণতে দেউৰী ভাষাত 'বি' শব্দই কটা বা বাকলি গুচোৱা আৰু 'বি' শব্দই ভাৰ বোৱা অৰ্থও প্ৰকাশ কৰে। সেইদৰে 'চু' শব্দই গাখীৰ, ওখ, ধো, পোৰ আদি অৰ্থ বহন কৰে। দেউৰী পূজাৰীবৃন্দই দেওঘৰত 'বিচু- পূজা' পালন কিম্বা উছৰ্গাৰ কালছোৱাত সঘনাই উচ্চাৰিত শব্দসমূহৰ ভিতৰত 'বিবা-বচু' অন্যতম। কিছুমান লোকগীত-মাততো এই 'বিবা-বচু'ৰ ব্যৱহাৰ শুনা যায়। যথা—'বিবা-বচু মাই কেৰিনা... চ্চিবাঁ ইগুঁ গেঁনিনা' ইত্যাদি (অৰ্থাৎ বিহুলৈ ওলাইছা নেকি.... নতুন মেখেলা পিন্ধিছা নেকি) বিভিন্নজনৰ ভাষ্যৰ পম খেদি এই 'বিবা-বচু'য়েইযে 'বিচু'ৰ সমাৰ্থক শব্দ অৰ্থাৎ 'বিবা-বচু'ৰ পৰাই বিবা-বচু> বিবাচু> বিচু শব্দ নিষ্পন্ন হৈছে, সেয়া নিশ্চিত হৈছে বুলিয়েই মত পোষণ কৰিব পৰা যায়। এক চমু অৰ্থত অথচ অন্য এক ভাষাত 'বিচু' শব্দটি 'বিবা-বচু'ৰ সৰলীকৃত ৰূপ। এই 'বিবা-বচু'ৰ অৰ্থ উলিয়াবলৈ গ'লে 'বিবা/বিঁমা (কটা/ভাৰ বোৱা) আৰু 'বচু'/বৰচু/বঁচু (অতি ওখ আহল-বহল ওখ) অৰ্থাৎ অতি ওখ বা আহল-বহল ঠাইলৈ ভাৰ বৈ নিয়া অৰ্থ পাওঁ। দেউৰীসকল যে প্ৰাচীন কালছোৱাৰ এটা পৰ্যায়ত পাহাৰীয়া ওখ ঠাইত বাস কৰিছিল, সেয়া সৰ্বজন-সমৰ্থিত বাস্তৱ ঘটনা। তেনে পাহাৰীয়া অঞ্চলৰ পাদ-স্থলসমূহৰ আশে-পাশে বসবাস কৰি নাতিদূৰত্বৰ ওখ ঠাইত পূজা-সেৱাৰ অৰ্থে দেওঘৰ স্থাপন কৰি তেওঁলোকে সম্ভৱতঃ পূজা-পাৰ্বণ, বিচু উৎসৱ আদি সমাপনৰ দিহা কৰিছিল। তেনে পূজা-পাৰ্বণাদি সমাপনৰ নিমিত্তে 'বিচু-পূজা'ৰ আৱশ্যকীয় নৈবেদ্যসমূহ ভাৰ বান্ধি লৈ যোৱাৰ প্ৰয়োজনীয়তাবোধ হোৱাটো যুক্তিসংগত বিষয়। তেনে অৰ্থ বহনৰ জৰিয়তেই ' বিবা-বচু' শব্দ নিষ্পন্ন হোৱাৰ কথাও উনুকিয়াব পাৰি।

ব'হাগ বিচু উদ্‌যাপনৰ প্ৰস্তুতিপৰ্ব দেউৰী লোকজীৱনত ফাগুন মাহটোৰ শেষৰ দিনৰ পৰাই আৰম্ভ হয় বুলিব পাৰি। অৱশ্যে ফাগুন -চ'তৰ এনে প্ৰস্তুতিমূলক বিহু মুঠতে ৰাতিহে মৰা নিয়ম। এই ৰাতি বিহু ব'হাগ মাহত উদ্‌যাপিত বিচুৰে এটি পূৰ্ব পৰিৱেশ্য লোকানুষ্ঠান বুলি আখ্যা দিব পাৰি। এই ৰাতিবিহু সুবিধা অনুসৰি গাঁৱৰ মধ্যস্থানৰ অৱস্থিত বৰদেউৰী বা চাৰিদেউৰীৰ এঘৰৰ চোতালত মাৰে। খেলভেদে ডেকা-গাভৰু পৃথকে পৃথকে অথবা লগে-ভাগে ৰাতিবিহু মৰা নিয়ম। এই ৰাতিবিহু মৰা ঠাইকেই(যাক তেওঁলোকে 'বিচুকুলা' বুলি কয়) একপ্ৰকাৰৰ বিহুৰ আখৰাৰ সাংস্কৃতিক অনুষ্ঠান বুলি আখ্যা দিয়া যায়। এনে ৰাতিবিহু মাৰিবলৈ হ'লে ডেকা-গাভৰু সমন্বিতে বয়োজ্যেষ্ঠ সকলো গঞাই দেওঘৰলৈ গৈ সেৱা জনাইহে আৰম্ভ কৰাৰ নিয়ম। সেইদৰে যি ঘৰৰ চোতালত 'বিচুকুলা' পাতে সেইঘৰৰ গৃহস্থকো যথোচিত মান-সন্মানেৰে তামোল-পাণৰ শৰাই যচা এক পৰম্পৰাগত নিয়ম। ফাগুন-চ'ত মাহৰ পৰা শুভাৰম্ভ কৰা এনে ৰাতিবিহু ব'হাগ বিহুৰ উৰুকা নিশাৰ আগদিনালৈকে ক্ৰমাগতভাৱে গীত-মাত নাচোনৰ প্ৰকোপ বঢ়াই বিহুৰ উৰুকা নিশা ডেকা-গাভৰুৱে ওৰেটো ৰাতি 'বিচুকুলা'ত বিহু গাই , নাচি ৰাতিপুৱাই দিয়ে। উক্ত নিশা ডেকা-গাভৰু জাকৰ লগতে গাঁৱৰ বোৱাৰী আদহীয়া চামেও উতনুৱা মন-প্ৰাণ বান্ধিব নোৱাৰি বিহুত যোগদান কৰা প্ৰত্যক্ষ কৰা যায়। আনকি উক্ত নিশা ডেকা-গাভৰুবোৰে নিজৰ 'বিচুকুলা'ৰ উপৰি ওচৰ-চুবুৰীয়া চুবা বা গাঁৱৰ ' বিচুকুলা'লৈ

জুমবান্ধি বিহু মাৰিবলৈ বা চাবলৈ যায়। এনে বয়োজ্যেষ্ঠ চামৰ অংশগ্ৰহণেৰে ডেকা-গাভৰুচামে জ্যেষ্ঠসকলৰ অভিজ্ঞতাৰ সোৱাদ লয় আৰু বিনিময়ৰ বিহু মৰা বা চোৱা অভিজ্ঞতাৰে দেউৰী লোকজীৱনৰ সমন্বয় গাঢ় কৰি সংস্কৃতিৰ ভেটি সুদৃঢ় কৰাৰ উপাদানৰূপে ভূমিকা পালন কৰে বুলি গণ্য কৰিব পাৰি।

দেউৰীসকলে ব'হাগ বিচু ব'হাগৰ প্ৰথম বুধবাৰে আৰু বৃহস্পতিবাৰে আৰম্ভ কৰে। কিন্তু তেওঁলোকে কোনো কাৰণতে বিচু চ'ত মাহত নাপাতে। বুধবাৰ দিনটো তেওঁলোকৰ লোকজীৱনৰ বাবে অতি পৱিত্ৰ বা শুভদিন-বাৰ বুলি গণ্য কৰি উক্ত দিন-বাৰৰ পৰাই দেওশালত বিচুপূজা আগবঢ়াই বিচু শুভাৰম্ভ কৰে। কিবা এৰাব নোৱাৰা কাৰণত উক্ত বাৰত বিচুপূজা উদযাপন কৰিব নোৱাৰিলে পিছৰ দেওবাৰ অথবা পাছৰ সপ্তাহৰ বুধ আৰু বৃহস্পতিবাৰলৈ বিচু পিছুৱাহোকাই দিয়া নিয়ম। মূল বিহুৰ আগে আগে দেউৰীসকলৰ লোক জীৱনৰ কৃষি কৰ্মৰ মূল সম্বল গৰু-ম'হ-হাতীক দেৱতা জ্ঞান কৰি পূজা-অৰ্চনা কৰে। দোকমোকালিতে গৰু-ম'হ-হাতীৰ গাত মাহ-হালধি সানি মাখিয়তী-দীঘলতিৰে মহ-ডাঁহ খেদি নৈ বা জানত গা ধোৱায়। গৰু-ম'হ আদি গা ধুওৱাৰ ঠিক আগে আগে দেৱতাৰ নামত পানীৰ যুঁৰলিত গৰখীয়া সমন্বিতে ল'ৰা-বুঢ়া-আদহীয়া— সকলো গএগ্ৰাই আগলি কলপাতত একোটাকৈ তামোল-পাণ আগবঢ়ায়। তাৰ পাছত ৰাইজৰ হৈ ডেকা ল'ৰা দুজনে নতুন বছৰলৈ মংগল কামনা কৰি দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনায়। লগে লগে হিলৈ শব্দ কৰি গৰু-ম'হ আদিক গা ধোৱায় আৰু লাও, বেঙেনা, হালধি, থেকেৰা আদি গৰু-ম'হৰ গালৈ দলিয়ায়। উক্ত দিনা প্ৰত্যেক ঘৰ গৃহস্থই তৰা জৰী দিয়া নতুন পঘাৰে গৰু-ম'হ বান্ধে আৰু ম'হ ডাঁহৰ পৰা পৰিত্ৰাণৰ নিমিত্তে সন্ধিয়ালৈ গোহালিত তুঁহৰ যাগ দিয়ে। উক্ত দিনাই দেউৰী লোকজীৱনত পালন কৰা এটি আকৰ্ষণীয় তথা উল্লেখনীয় লোক-অনুষ্ঠান হ'ল 'ইকুঁ-গেনেমা' (চুৰিয়া পিন্ধোৱা) প্ৰথা। এই প্ৰচলিত লোক-অনুষ্ঠান অনুসৰি সদ্য-ডেকাজীৱন প্ৰাপ্ত একোজন চেমনীয়া ল'ৰাক সমবেত ডেকাচামৰ মাজৰ পৰা ভিনিহি সম্পৰ্কীয় (যাৰ মাক-দেউতাক জীৱিত) লোক এজনে প্ৰথমবাৰৰ বাবে উক্ত চেমনীয়াজনক চুৰিয়া পিন্ধাই সামাজিকভাৱে ডেকা হ'ল বুলি স্বীকৃতি প্ৰদান কৰে।

ব'হাগ বিচুৰ দৰে লোক-উৎসৱত অন্য আকৰ্ষণীয় তথা মনোৰঞ্জক অনুষ্ঠানৰ ভিতৰত 'দুজী চ্ছুজুৰাবা' (কণী যুঁজোৱা), 'দু-চ্ছুজুৰাবা' (কুকুৰা যুঁজোৱা), 'মচি চ্ছুজুৰা' (মল্লযুঁজ) আদি উল্লেখযোগ্য। যিহেতু কণী কৃষক সমাজৰ বাবে প্ৰজননৰ প্ৰতীক, সেয়েহে প্ৰজনন আৰু উৰ্বৰতাৰ লগত জড়িত থকা ব'হাগ বিহুত কৃষিজীৱী দেউৰী জনগণে প্ৰতীকৰূপত কণীযুঁজ প্ৰথা বৰ্তাই ৰাখিছে বুলি ক'ব পাৰি। সেইদৰে শক্তি, পৰাক্ৰম, বীৰত্ব প্ৰদৰ্শনৰ উপৰি শৰীৰ-চৰ্চা আৰু মনোৰঞ্জনৰ উদ্দেশ্য লগত ৰাখি তেওঁলোকে মল্লযুঁজ, কুকুৰা যুঁজ আদি লোক-অনুষ্ঠান পৰিৱেশন কৰি আহিছে।

'বিচুপূজা' সাধাৰণতে তেওঁলোকে সমজুৱাভাৱে দেওশালত দেউৰী পূজাৰী পৰিষদৰ দ্বাৰা উদ্‌যাপন কৰাৰ উপৰি ঘৰুৱাভাৱে কিছু পূজা-পাৰ্বণ আগবঢ়ায়। তাৰ ভিতৰত টেঙাপনীয়া খেলৰ দেউৰীসকলে সাধাৰণতে সুৱচনী বা ঘৰদেও পূজা আৰু দিবঙীয়া খেলৰ দেউৰীসকলে 'য়াঁ-তেমা' বা চুবা-লাবিবা' আদি পূজা-পাৰ্বণৰ আয়োজন কৰা উল্লেখযোগ্য। সেইদৰে বৰগঞা খেলৰ দেউৰীসকলে ৰাতিয়েই উঠি ডাকুৱা কুকুৰা এটা আগবঢ়াই বিহুৰ এনে প্ৰস্তুতিৰে পূজা আগবঢ়ায়। তাৰ পাছতহে দেওঘৰৰ মূল পূজা সমাপন কৰা সামাজিক নিয়ম। 'বিচুপূজা'ৰ কালছোৱাত দিবঙীয়া খেলৰ লোকসকলে

অৰ্থাৎ পূজাৰীবৃন্দই ১৬ টা (১২ টা মতা আৰু ৪ জনী মাইকী) কুকুৰা আগবঢ়াই দেওঘৰত ৰাজহুৱাভাৱে পূজা আগবঢ়ায়। তদুপৰি কোনো গৃহস্থই, সেয়া দেউৰীয়েই হওক বা অনা-দেউৰীয়েই হওক মনোবাঞ্ছা পূৰণৰ কামনাৰে ঘৰুৱা 'মেতুৱা ' ৰূপত ছাগলী, পাৰ, ফুল আদি আগবঢ়াই আশিস-আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখযোগ্য যে এনেকৈ আগবঢ়োৱা 'বলি'সমূহৰ উপৰি কল, মাহ, চাউল, তংলতি, ধূপ, শলিতা, মন্ত্ৰস্তোত্ৰজল, ফুল (তাম, ৰূপ, সোণ আদিৰ) আদি নৈবেদ্য অতীব প্ৰয়োজন। এই সকলোবোৰ বিচুপূজাৰ ব্যৱস্থাপনা দেউৰীসকলৰ পূজাৰীবৰ্গই পৰিচালনা ও সমাপন কৰে।

বিচুপূজাৰ পাছত প্ৰথম বিহুৰ দিনা দেউৰীসকলে গা-পা ধুই নতুন কাপোৰ কানি পিন্ধি লৈ সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে আৰু ডাঙৰেও সৰুক মৰম-চেনেহ যচা নিয়ম। সেইদিনা গৃহস্থই ঘৰৰ পিছপিনে সাতপুৰুষৰ মৃতকৰ বাবে বিশেষ পাৰ্বণ 'মৰা-লেবা' বা 'মিম' লেবা' সমাপন কৰে। বিহুৰকেইদিন গাঁৱৰ তথা ওচৰে-পাঁজৰে থকা গাঁৱৰ জীয়াৰী-বোৱাৰীসকলে বয়োজ্যেষ্ঠ আপোনজনলৈ 'চুজেঁ তেকলি' (বিশেষ সন্মান আগবঢ়োৱা খাদ্যবস্তু, যেনে—বিশেষ মদৰ সৈতে কেইপদমান খাদ্য আদি) আগবঢ়োৱা প্ৰথাটো এক তাৎপৰ্য পূৰ্ণ সামাজিক নিয়ম হিচাপে পৰিগণিত হৈ আহিছে। তদুপৰি বিহুৰকেইদিন জাকে জাকে সৰু ল'ৰা-ছোৱালীয়ে প্ৰতিঘৰতে 'বিচু-কাজি' খোৱা 'বিচু-কাজি' খাই ফুৰোতে গৃহস্থই কণ কণ ল'ৰা-ছোৱালীক বিভিন্ন সামাজিক নীতিশিক্ষাও দিয়া প্ৰত্যক্ষ কৰা যায়। তেনেবোৰ প্ৰক্ৰিয়াই দেউৰী সমাজৰ উঠি অহা চামক উচিত সামাজিককৰণৰ প্ৰক্ৰিয়াত সহায় কৰা যেন অনুধাৱন কৰা যায়।

বিচুপূজাৰ লগে লগে ৰাতি বিহু গাঁৱৰ পৰা নি দেওঘৰত থৈ অহাৰ নিয়ম। প্ৰকৃতাৰ্থত উক্ত দিনাৰ পৰাহে বিহু আৰম্ভ হয় বুলি ক'ব পাৰি। কাৰণ উক্ত দিনাৰ পৰাহে ডেকা-গাভৰুৱে পূৰ্ণপৰ্যায়ত বিহু কৰা দেখা যায়। আগতে উনুকিয়াই অহা হৈছে যে খেলভেদে ডেকা-গাভৰুৱে পৃথকে পৃথকে বিহু কৰা দেখা যায় যদিও কিছু ক্ষেত্ৰত দিবঙীয়াসকলৰ মাজতহে ডেকা-গাভৰুৱে একেলগে বিহু কৰা দেখা যায়। ব'হাগৰ বিহুৰ লগত বিশেষকৈ বিচুপূজাৰ লগতে দেওঘৰত দেওধনি আৱিৰ্ভাৱ হয়। ই দেউৰী লোকজীৱনৰ বাবে এটি পৱিত্ৰ মাংগলিক অনুষ্ঠান। দেওধনিৰ অনুমতি সাপেক্ষে তথা পূজাৰী পৰিষদৰ সিদ্ধান্ত অনুসৰিহে গাঁৱৰ ৰাইজে হুঁচৰি লোৱা নিয়ম। অৰ্থাৎ দেউৰীসকলে প্ৰত্যেক বছৰত হুঁচৰি নলয়। গাঁৱৰ অভাৱ-অনাটন, সুবিধা-অসুবিধা, মাৰি-মৰক, প্ৰাকৃতিক দুৰ্যোগ আদিৰ দৰে দিশবোৰ চালি-জাৰি চাইহে পূজাৰী পৰিষদে তেনে সিদ্ধান্ত গ্ৰহণ কৰে। হুঁচৰি গাই নিৰ্দিষ্ট দিনত শেষ কৰিব পৰাকৈ প্ৰয়োজন অনুসৰি হুঁচৰি দল কেইবাভাগত বিভক্ত হৈ লোৱাৰো উদাহৰণ আছে। এনে বিহু-হুঁচৰি দেওশালতে শুভাৰম্ভ কৰি ক্ৰমে বৰদেউৰী, সৰুদেউৰী, বৰভঁৰালী, সৰুভঁৰালী, বৰা, বাৰিক, আদিকে ধৰি গাঁৱৰ ধনী-দুখীয়া প্ৰত্যেক ঘৰতে হুঁচৰি মাৰি ফুৰা পৰিলক্ষিত হয়। তেনে হুঁচৰি গীতৰ দুটিমান উদাহৰণ দাঙি ধৰা হল ঃ

(১) মালতী এ মলে মলাই
কেতেকী ঐ বাঁহে বলাই
সেউতী মালতী তগৰ দুৱামালী, কেতেকী ঐ...।

(২) এলেং চেলেং সৰু সূতাৰ চেলেং
কোনে বৈ দিব পাৰে লৈ আহ্

ৰূপৰে শৰাইতে চেলেং নাইকিয়া, কোনে বৈ... ইত্যাদি।

বিচুক কৃষিভিত্তিক উৎসৱ বুলি সঘনাই উচ্চাৰিত কৰা হয় যদিও দেউৰীসকলৰ বাবে 'বিচু' কেৱল কৃষিভিত্তিক উৎসৱতেই আবদ্ধ নাথাকি ই সমাজ-দৰ্শনৰ ক্ষেত্ৰতো প্ৰভাব বিস্তাৰ কৰা পৰিলক্ষিত হয়। দেউৰী লোকজীৱনত বাৰুকৈয়ে সাঙোৰ খাই পৰা এনে বিচু-উৎসৱ, সেয়েহে ধৰ্ম-বিচু-কৃষি এই তিনিওটাই এক সৰলৰেখাত অৱস্থান গ্ৰহণ কৰা দেখা যায়। অৰ্থাৎ দেউৰী লোকজীৱনত এই তিনিওটা অৱধাৰণা (বিচু -ধৰ্ম -কৃষি) ই ত্ৰিবেণী সংগমৰ দৰে গজগজীয়াকৈ এনেদৰে শিপাই আছে, য'ৰ পৰা 'দেউৰী সংস্কৃতি'ৰ ডাল-পাত বাঢ়ি দেউৰী লোক-সমাজ প্ৰতিষ্ঠিত হৈছে বুলি মন্তব্য কৰা যায়। কৃষিকৰ্ম আৰম্ভ কৰাৰ আগে আগে এনে বিচু-পূজা সম্পন্ন কৰা কাৰ্যই অৱসৰ-বিনোদনৰ লগতে ধৰ্মীয় পৰম্পৰাৰ কিছু তত্ত্ব উদঙাই দিয়াৰ যেন বোধ হয়। মূলতত্ত্ব 'পুৰুষ-প্ৰকৃতি'ক সৃষ্টিৰ আদিমূল বুলি বিশ্বাস কৰি অহা দেউৰী লোকসমাজে নানাধৰণৰ পৰম্পৰাগত পূজা-পাৰ্বণ, উৎসৱ আদি উদ্‌যাপন কৰি 'প্ৰকৃতিপূজা' সমাপন কৰাত সিদ্ধহস্ত। তেনে লোক-বিশ্বাসৰ ভিত্তিতেই কৃষিকৰ্মৰ প্ৰাৰম্ভণিৰ 'প্ৰকৃতিপূজা' বা 'বিচু-পূজা'ৰে সৃষ্টি তথা সমৃদ্ধি আশা কৰা যায়।

দেউৰী লোকজীৱনত ব'হাগ বিহু যেনেদৰে বিশেষ 'বিচুপূজা'ৰে আৰম্ভণি কৰা হয়, ঠিক তেনেদৰে তেওঁলোকে দেওশালত বিশেষ পূজা-সেৱা আগবঢ়াই বিহু উৰুৱা বা বিহু সামৰা ব্যৱস্থা গ্ৰহণ কৰাও দেখা যায়। এই বিহু উৰুৱা (বিচু উৰাবা বা বিচু দাবেবা) লোকানুষ্ঠান সাধাৰণতে দেওশালৰ পৰা আৰম্ভ কৰি গাঁৱৰ নামনিলৈ নৈ, জান-জুৰি, চাপৰি আদিৰ পাৰলৈ নি সমাপন কৰা সামাজিক নিয়ম। যিহেতু ব'হাগ বিহু দেউৰী লোকসমাজত প্ৰায় এসপ্তাহ (গাঁও বা কালভেদে দহ-বাৰ, পোন্ধৰ দিন পৰ্যন্ত) চলে—সেয়েই 'বিচু-দাবেবা' বা 'বিচু-উৰাবা' পাৰ্বণটো মূল বিহু আৰম্ভ হোৱাৰ প্ৰায় এসপ্তাহৰ পাছত অনুষ্ঠিত হয়। বিহু উৰুৱা দিনাখন গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, জীয়ৰী-বোৱাৰী, ল'ৰা ছোৱালী সকলোৱে বিহু গাই নাচি নাচি দেওশালৰ বাকৰি আৰু মৰংঘৰ কঁপাই তোলে। এই লোকানুষ্ঠানত দেওধনিৰো আৱিৰ্ভাৱ হৈ প্ৰজা, দেশ, পৃথিৱীৰ মংগল-বাতৰি চলোৱাৰ উপৰি নৃত্যতো ভাগ লোৱা দেখা যায়। ডেকা-গাভৰুজাকে ঢোল-তাল পেঁপাৰ ছেৱে ছেৱে নাচি-বাগি, গীত গাই, হাত চাপৰি বজাই আবেলি বেলাত দেওঘৰৰ পৰা বিহু উলিয়াই নি নৈ-জান-জুৰিৰ পাৰত বা চাপৰিত বিহু কৰিবলৈ গোট খায়হি। এই চাপৰিত উদ্‌যাপিত বিহু ভাগ ব'হাগ বিহুৰ শেষ পৰ্যায়ৰ বিহু বুলি আখ্যা দিয়া যায় আৰু ইয়াৰ প্ৰকৃতি, পৰিসৰ দেওঘৰৰ বাকৰি, মৰংঘৰ বা বিচুকুলাত উদ্‌যাপিত হোৱা বিহুৰ প্ৰকৃতি, পৰিসৰ বা ব্যাপ্তিতকৈ লক্ষণীয়ভাৱে উদাৰ আৰু বহল। অৰ্থাৎ এই পৰ্যায়ৰ বিহুত ওচৰ-চুবুৰীয়া সকলো জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কিম্বা দৰ্শনত বাধা নাথাকে। অংশগ্ৰহণকাৰী ডেকা-গাভৰুজাকে এই পৰ্যায়ৰ বিহুত অধিক মুকলিমূৰীয়া মন-প্ৰাণেৰে বিহু কৰাৰ সুবিধা উপলব্ধ হয় যেন অনুধাৱন কৰা যায়। তেনেদৰেই বিভিন্ন অঞ্চলত দেউৰীসকলে সমিল-মিলেৰে বিহু কৰি চাপৰিৰ বিৰিণাত গাঁঠি দি থৈ বিহু উৰুৱায় আৰু তেওঁলোকৰ অতিকৈ আপোন, মৰমৰ ব'হাগ বিহুটি বছৰেকলৈ সামৰে। বিহু উৰুৱাই সকলো ঘৰা-ঘৰি গাঁৱলৈ ঘূৰি আহোঁতে কোনেও ভুলতো পাছলৈ নাচায় বা চাব নাপায় বুলি জানে; চালে বিহুখন উভতি আহে বুলি তেওঁলোকৰ লোক-বিশ্বাস।

হাজংসকলৰ লৌকিক গীত-মাত

ৰতন কুমাৰ ৰায় হাজং

লোকগীত লোকজীৱনৰ সংগীত। লোকনৃত্য-গীতৰ পৰা সকলো ধৰণৰ আশা-আকাংক্ষাৰ আভাস পোৱা যায়। লোকজীৱন চিৰকাল সবল আশাবাদী। দুখ-দাৰিদ্ৰ, অপমান-অৱহেলা, নিপীড়ন-নিষ্পেষণে লোকজীৱন কাবু কৰে সঁচা, কিন্তু নিৰাশ নকৰে। শ্ৰম লোকজীৱনৰ প্ৰাণ। শ্ৰমক কেন্দ্ৰ কৰিয়েই লোকজীৱনৰ সকলো ধৰণৰ উৎসৱ-অনুষ্ঠান। নৃত্য-গীতৰ সৃষ্টিৰ উৎসই হ'ল শ্ৰম। আমোদ-প্ৰমোদ, স্ফূৰ্তি-তামাচা আদি হৈ পৰিল মানৱ জীৱনৰ প্ৰধান লাগতিয়াল সম্পদ।

ঋতু সলনিৰ লগে লগে প্ৰাকৃতিক সৌন্দৰ্যৰ ৰং-ৰসো সলনি হয়, সলনি হয় দিন-মাহ বছৰ। নানা ৰং ছটিয়াই প্ৰেমৰ বন্যা বোৱাই অনা ঋতুৰাজ বসন্তৰো ৰং-ৰূপ সলনি হয় পৰম্পৰাগতভাৱে। প্ৰেম আৰু কৰ্মৰ প্ৰেৰণাৰে ৰমক্‌জমক্ ধৰাৰ বুকুলৈ নামি আহে ঋতুকন্যা বৰ্ষা। মানুহৰ সুখ-দুখৰ সমভাগী হৈ প্ৰেমৰ আলিংগনেৰে সেউজীয়া কৰি তোলে পৃথিৱী।

এই বৰ্ষা ঋতুতে শ্ৰমকাৰী কৃষকৰ মন-প্ৰাণত বাজি উঠে আনন্দৰ জোৱাৰ। কৰ্মঠ দুবাহুৰ শক্তিৰে বোকা গচকি গচকি, হাল বাই, কোৰ মাৰি, কঠীয়া সিঁচি, ৰোৱা লগাই অংকুৰিত কৰি তোলে উৰ্বৰ ভূমিত সেউজীয়া ধাননি আৰু কৃষকৰ চকুত জিলিকি উঠে জীয়াই থকাৰ আশাৰ ৰেঙণি। বিচাৰি পায় জীৱনৰ নতুন ছন্দ।

প্ৰকৃতিৰ বুকুৰ সন্তান হাজং জনজাতিসকলো তাৰ ব্যতিক্ৰম নহয়। সেয়েহে শ্ৰমৰ সুফল কামনা কৰি প্ৰথম গছি ৰুৱা ৰোপণ কৰিবৰ বাবে গাঁৱৰ সকলোকে আমন্ত্ৰণ কৰি আনি হাল বাই বোকা কৰা পথাৰত 'গছা পাতা পৰ্ব' আৰম্ভ কৰি ৰং-ধেমালিৰে সুমধুৰ সুৰেৰে নৃত্য-গীত কৰে আৰু জাতীয় পৰম্পৰা অনুসাৰে প্ৰচলিত কাচা মদ-মাংস, বিসি ভাত, বুক্‌নি ভাত, ভোজ-ভাত আদি খায়। এই 'গছা পাতা পৰ্ব'ৰ গীত এটি এনে —

নয়া বছৰ পুইলী ৰুৱা

গছি দিলে ময়/গছি দিলে ময়
আয় বুইনি হুবাঁই লকন ও
গছি দিলে ময়/গছি দিলে ময়।
তাৰা তাৰি লাগাও ৰুৱা
বেলা বাঁৰীলে/বেলা বাঁৰীলে
আয় বুইনি হুবাঁই লকন ও
গছি দিলে ময়/গছি দিলে ময়।
বেলাৰ বাঁৰীলে তাপ বাখাৰ হব
পানী ততা হব এলা/তাপ বাখাৰ হব
বুইনি জালা শুকীব
আয় বুইনি হুবাঁই লকন ও
ৰুৱা লাগাং এলা

উল্লেখযোগ্য যে কোনো গৃহস্থই প্রথম ভুঁই ৰোৱাৰ আগতে গৃহিণী বা ভাণ্ডৰ বোৱাৰীজনীয়ে নতুন কাপোৰ পিন্ধি, কঁকাল বান্ধি, পথাৰত লক্ষ্মীদেৱীৰ থাপনা পাতি, চাকি ধূপ-ধুনা দি কেইগছামান কঠীয়া ৰুই দিয়ে। ইয়াৰ পাছতহে অন্য ৰোৱণীসকলে ভুঁই ৰুৱাৰ কাৰণে পথাৰত নামিব পাৰে। যি গৃহস্থই প্রথম ৰোৱা ৰোৱে সেই গৃহস্থই সেইদিনা গাঁৱৰ সকলো জীয়াৰী-বোৱাৰীক ভুঁই ৰুৱাৰ কাৰণে আহ্বান কৰে। ৰোৱণীহঁতে জাউৰিয়ে জাউৰিয়ে উৰুলি ধ্বনি দি গীত-মাতেৰে 'বোকা কাদং' খেলা সমাপ্ত কৰে। ভুঁই ৰোৱা শেষ হ'লে কলহত বোকা ভৰাই লৈ গৃহিণীক বোকা দিবলৈ আহে গৃহস্থৰ ঘৰলৈ। সেই বোকাৰে ঘৰৰ আন মানুহৰ লগতো ৰোৱণীসকলে বোকা খেলে। হাজংসকলে বিশ্বাস কৰি আহিছে যে প্রথম ৰোৱা ৰোৱাৰ সময়ত গৃহিণীজনীক তেনেকৈ বোকা দিলে গৃহস্থৰ খেতি-বাতি ভাল হয়। তেনে বোকা খেলৰ গীত এটি এনে —

হালবোয়া শেষ হুলে
হাৰিয়ী দিলে জালা
আয় ও বুইনি ঘিলী
ৰোৱা লাগাং এলা।
নয়া ৰোৱা লাগ্গিয়া
ধান পাব মেল্লা
পাকা পাকা ধান দিয়ী
ভৰবো চাং আমলা।
ৰোৱা লাগা শেষ হুলে
ডুবিয়ী যায় বেলা
আয় ও বুইনি ঘিলী
কাদং খেলাং এলা....

ৰসী গাহেন ঃ

'ৰসী গাহেন' গীত হাজংসকলৰ জাতীয় কৃষ্টিৰ অন্যতম লোকগীত। কৃষিকাৰ্যৰ জীৱন-জীৱিকাৰ লগত এই গীত ওতপ্ৰোতভাৱে জড়িত। শক্তিৰ উপাসক হিচাপে শ্ৰমৰ উৎস হৈ যুগ যুগ ধৰি যিদৰে শ্ৰমজীৱীসকলৰ মাজত বিভিন্ন নৃত্য-গীতৰ প্ৰচলন হৈ আহিছে, সেইদৰে হাজং জনজাতিৰ মাজতো পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে এই ৰসী গাহেন।

কোৱা হয়, ৰ'দ-বৰষুণ নেওচি যেতিয়া বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ কোনো ৰোৱণীয়ে ৰসী গাহেন গায়, তেতিয়া হেনো ৰোৱণীসকলৰ মন-প্ৰাণত কৰ্মৰ প্ৰেৰণাৰ জোৱাৰ উঠে। কামত ক্ষিপ্ৰতা আহে আৰু চকুৰে-মুখে এক অনাবিল আনন্দ প্ৰস্ফুটিত হয়।

ইয়াৰ উপৰি হাজংসকলে বিশ্বাস কৰি আহিছে যে দেশত অনাবৃষ্টি হ'লে কোনো কবিয়ালে হাৰান্দিত ৰসী গাহেনৰ সুৰ তুলিলে হেনো আকাশত মেঘৰ গাজনি তুলি ধাৰাসাৰে বৰষুণ নমাই আনিব পাৰিছিল। যি কি নহওক, মুঠতে ৰসী গাহেনত শক্তি-সামৰ্থ্য যোগোৱাৰ লগতে দুখ-বেদনা, আনন্দ আৰু নিৰাশাৰ ছবিও দেখা যায়।

(এক) হায় হায়ৰে
আৰ' নাকি লাগল পাবৰে
কুমায় থেকি আহিছে কি কথা কুব
আৰ' কুব কি সমচাৰৰে।।
মলা বন্ধু আছে ভালা
আন্তৰনি কয় মলা—
হাকা ভাঙিয়াঁ কৰং দুখ
কাপোৰ ফাৰিয়াঁ সুখ।
মুছিয়াঁ ফেলালে কপাল সিঁন্দূৰৰে
হায় হায় আৰ' নাকি লাগল পাবৰে!

(দুই) বাৰ বছৰ অন্তৰে কাটিয়াঁ বানাছে ময় নাও
শুনিক ৰাধে কাকোতো নাই কৰায় পাৰ
মৈ দিয়াঁ বালুয়াঁ চৰা ভাঙিলে নাওলা গৰা
এগৰাই ভাঙা নাও তুমি ৰাধে যাবা চাও।।
শুনিক ৰাধে নাওৰা মলা কৰে তলমল।
ভিয়ানতে দিলে খেয়াঁ হুলে বাখাৰ বেলা
শুনিক ৰাধে ডাকাবাতে ভাঙিলে ৰসেৰ গালা
অত ৰদেৰ জালা শৰীৰ হুলে কালাঝালা
ও ৰাধে কুমায় পাব ময় ঠাণ্ডা জল।।

চিকাৰ/মাছুমৰা গাহেন ঃ

আদিতে সংঘবদ্ধভাৱে যিদৰে চিকাৰ কৰি আনি একেখন চোতালতে আনন্দৰ উছৱ পাতি

ভোজ-ভাত খাই একতাৰ এনাজৰী স্থাপন কৰিছিল, সেই একে পৰম্পৰা আজিও ভূমিপুত্ৰ জনজাতিসকলৰ মাজত জীয়াই আছে।

পূৰ্বৰে পৰা হাজংসকলে অন্য জনজাতিৰ দৰে বনৰীয়া জীৱ-জন্তু চিকাৰ কৰিছিল। কিন্তু অনান্য জনজাতিতকৈ হাজংসকলৰ চিকাৰ কৰা পদ্ধতি আছিল বেলেগ ধৰণৰ। চিকাৰলৈ নাৰীসকল যোৱা বাধা আছিল। কিন্তু যেতিয়া চিকাৰ জালত নপৰে, তেতিয়া এজনী সৰু ছোৱালীয়ে চিকাৰৰ যিকোনো এখন জাল বাটলৈ উলিয়াই দি বাৰীউ বুলি চিঞৰি দিব লাগে। যিদিনা তেনে কৰি চিকাৰলৈ যায় সেইদিনা গাঁৱৰ প্ৰত্যেক পৰিয়ালে ঘৰ-দুৱাৰ সাৰি, ভাত ৰন্ধা পাত্ৰ, কেৰাহি আদি পৰিষ্কাৰ কৰি ৰাখে। তেনে কৰিলে চিকাৰ জালত পৰে বুলি হাজংসকলে বিশ্বাস কৰি আহিছে।

আনহাতে হাজং জনজাতিৰ মাছমৰা গাহেনবোৰ শ্ৰম, আনন্দ আৰু একতাৰ প্ৰতীক বুলিব পাৰি। কাৰণ বাঢ়ি অহা ন-পানীত সংঘবদ্ধভাৱে জাল-জাকৈ মাৰি মাছ ধৰি আনিবলৈ যোৱা যিদৰে আনন্দৰ কথা, সিদৰে হাজং গাভৰুসকলৰ নৱযৌৱনৰ প্ৰশ্নও ইয়াত জড়িত হৈ আছে। বাঢ়ি অহা ন-পানীত উজান উঠা মাছৰ দৰে গাভৰু মনৰ আশা-আকাংক্ষা, প্ৰেম-প্ৰীতি আৰু ভালপোৱাৰ কথা ব্যক্ত কৰি পৰিয়াল তথা সমাজৰ আগত প্ৰদৰ্শন কৰি জনাই দিয়া এক পৰম্পৰাগত প্ৰয়াস বুলি ক'ব পাৰি। নতুন বছৰৰ ন-পানীত জাল-জাকৈৰে মাছ ধৰি অনাটো আনন্দৰ কথা। হাজংসকলৰ এই মাছমৰা গীতসমূহত তেনে ছবি অংকন কৰা দেখা যায়।

মাছ মৰা গীত ঃ

চ-যাং চ-বুইনি জাখা মাৰা যাং. ....
পুইলী পুইলী যাত্ৰা কৰং কয়জন যায়ী
অবেশ কৰং জাখা মাৰাং ইদাই আমলা ৰং।।
বৈশাখ মাস পুইলী মেঘ কুড়া ভৰা পানী
জাখা মাৰা মাছ আনিয়ী ভাজা পুতী খাং।।
কত জাতেৰ কত মাছ পাগাৰ খাল ভৰা
মনদা মলা কয় খালি জাখা মাৰি চাং।।
চালাক চালাক চিলকাই দিন চিপ্ৰুক পানী
তাৰা তাৰি ধৰেক বুইনি খালাই ভৰে নেং।।
চ-যাং চ-বুইনি জাখা মাৰা যাং...
চিনাকড়ি বিলভায় বাওয়া মাৰা হব
আয় আমি হুৰীই লকন জাখা নিয়ী যাব
দিনদাও ভালা বুজি পানী ভতা হব আজি
পুঠি টেংলা মৰিমজুন হল লগা হব
জাখানিয়ী যাব।।
ডাংক্ৰীঘিলী কানা হছে
হিঙি মাগুৰ বাখাৰ আছে
খুচিয়ী খুচিয়ী কাদং বানাও ধৰিব লাগিব

জাখা নিয়ৌ যাব।।
মাছঘিলৌ পাগলা হুছে
বেলা বুইনি বাখাৰ হুছে
চং-যাংগা ইদৌই আমলা তিনসুন্ধ্যা হব
জাখা নিয়ৌ যাব।।

গুপ্‌নি গাহেন (গোপিনী গীত)ঃ

'গুপ্‌নি গাহেন' (গোপিনী গীত) হাজং জনজাতিৰ মাজত চলি অহা লৌকিক গীত-মাতৰ অন্যতম। এই গীত কেৱল ৰমণীসকলৰ দ্বাৰাহে পৰিৱেশিত হয়। শীতকালৰ শুক্লপক্ষৰ নিশাত কোনো গৃহস্থৰ আমন্ত্ৰণ ক্ৰমে গৃহস্থৰ শুভকামনা কৰি অথবা সন্তানহীনা কোনো দম্পতীৰ সন্তান কামনা কৰি আয়তীসকলৰ দ্বাৰা এই গোপিনী গীত গোৱা হয়।

ভক্তি আৰু শুদ্ধ মনেৰে চোতাল-ঘৰ মচি, ধূপ-ধূনা-চাকি আদি জ্বলাই শুক্লপক্ষৰ জোনাক নিশাত এই গীত গোৱা হয়। ইয়াত কোনো জাক্‌জমকতা নাথাকে। কম খৰচত ইয়াৰ মাংগলিক কাৰ্য সমাপন কৰা হয়। গীতত গোপ-গোপীৰ কাহিনী অংকন তথা ৰাধা-কৃষ্ণৰ প্ৰেমৰ ব্যথিত ছবিও অংকন কৰা হয়। সুৰৰ লয়লাসত তালে তালে ঘূৰি ঘূৰি নৃত্য-গীত আৰম্ভ কৰে আৰু শেষত গৃহস্থক মনোকামনা পূৰ্ণ হ'বলৈ আশীৰ্বাদ দিয়া হয়।

(এক) প্ৰাণ কান্দে মলা ঐ কালাৰ বিনে
পাগলিনী হুলে ময় কালাৰ দিবা গুণে
প্ৰাণ কান্দে মলা ঐ কালাৰ বিনে।
যমুনালা ঘাটনি যায় যদি পানীলৌ কাৰণে
বেকা চুখে চাইয়ৌ কালা জালা দেয়বে মনে
প্ৰাণ কান্দে মলা ঐ কালাৰ বিনে।
খেলাই খেলাইতে যায় যদি কদম্বৰ তলে
বাঁহীৰ সুৰে পাগল কৰে ধৈৰ্য না মানে
প্ৰাণ কান্দে মলা ঐ কালাৰ বিনে।

(দুই) হে সই কুস্তুৰি কুমকুম সাজে
বেলা হুলে বাখাৰ
মনেলা ভাবনা মলা ঝাৰং ৰাতি দিনে
ময়ত কলঙ্কিনী ৰাধে।
হে সই, চুল খোপাৰা মলা কৰে ঝলমল
হে সই কৰে ঝলমল
মনেলা ভাৱনা মলা ঝাৰং ৰাতি দিনে
ময়ত কলঙ্কিনী ৰাধে।
হে সই, কোপাল সিঁন্দূৰ মলা কৰে ঝলমল

করে ঝলমল
মনেলা ভাবনা মলা ঝাৰং ৰাতি দিনে
ময়ত কলঙ্কিনী ৰাধে।...

সাম্প্রতিক কালত গোপিনী গীত হাজং জনজাতিৰ মাজত এক এৰিব নোবাৰা সাংস্কৃতিক পৰম্পৰা হৈ পৰিছে। হাজংসকলৰ সমাজ-জীৱনত এফালে লোকবিশ্বাস, আনফালে হাজং ৰমণীসকলৰ বাবে এই গীতবোৰ অৱসৰ বিনোদনৰ প্ৰধান অংগ হৈ পৰিছে। শীতৰ জোনাক নিশাবোৰ হাজং ৰমণীসকলৰ বাবে সুৰ-ছন্দেৰে ভৰা এক পূৰ্ণ নিশা হ'ল। শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰৰ তালে তালে নাচি-বাগি গীত গাবলৈ যেন সদায় প্ৰস্তুত এই হাজং ৰমণীসকল।

ধাপাকীৰ্তন ঃ

ধাপাকীৰ্তন হাজংসকলৰ ধৰ্মীয় উৎসৱ-অনুষ্ঠানসমূহত ব্যাপকভাৱে প্ৰচলন হয়। অথবা নৱদম্পতীৰ শুভকামনা কৰি হৰিমন্দিৰৰ সন্মুখত বিয়াৰ প্ৰাৰম্ভিক কাৰ্য সমাপন কৰিবলৈ কীৰ্তনীয়াসকলৰ দ্বাৰা ধাপাকীৰ্তন গোৱা হয়।

হাজং সমাজত শাক্ত আৰু বৈষ্ণৱ (অধিকাৰী প্ৰথা) প্ৰথাত বিশ্বাস ৰাখি চলে। নীতি-নিয়মত পাৰ্থক্য থাকিলেও বিয়াৰ শুভকাৰ্যত কোনো ধৰা-বন্ধা নিয়ম নাই। শাক্ত ধৰ্মত বিশ্বাসী হাজংসকলে দেৱ-দেৱী পূজে আৰু মদ, মাংস ইত্যাদি ৰাগিয়াল বস্তু সেৱন কৰে। আনহাতে অধিকাৰী প্ৰথাৰ বৈষ্ণৱীসকলৰ ঘৰত একোটাকৈ হৰিমন্দিৰ থাকে। নিতৌ পুৱা-গধূলি এগছিকৈ চাকি জ্বলাই ধূপ-ধূনাৰে সেৱা-ভক্তি জনাই সৰ্বদেৱতা শ্ৰীশ্ৰীবিষ্ণুক স্মৰণ কৰি আত্মসন্তুষ্টি লভে।

ধাপাকীৰ্তনত ৰাধা-কৃষ্ণৰ ৰাসলীলাৰ কাহিনীয়ে বেছিকৈ প্ৰাধান্য লভে; কাৰণ হৰিভকত অৰ্থাৎ বৈষ্ণৱী প্ৰথাত বিশ্বাসী হাজংসকলৰ দ্বাৰাহে এই ধাপাকীৰ্তন উপস্থাপন কৰা হয়।

আজিকী কি আনন্দ হছেৰে।
বৃষভানু দুলাৰীয়া কিশোৰী নাগৰী
ৰাইমোৰ কুঞ্জে ধ্বনি আহিলেৰে।।
সবসুখী গায় কোকিল ঘনগায়
নাছেত শ্যাম ৰঙ্গেৰে।।
সাত পাক ফিৰি ৰাধিকা সুন্দৰী
প্ৰণাম কৰিলে শ্যামেৰ পায়ে।।
ভ্ৰমৰা-ভ্ৰমৰি গুণ গুণ ৰব কৰি
কহেত গোবিন্দ দাসৰে।।

কীত্‌কী গাহেন ঃ

হেমন্তৰ ফৰকাল আকাশ। প্ৰকৃতিৰ ৰং-ৰসে মানুহৰ মন উতলা কৰা বতৰ। বাৰিষাৰ বোকাৰে পৰিপূৰ্ণ আলি-পদূলি এতিয়া ধূলি উৰুৱাই গৰুৰে হেম্বেলিয়াই যায়। নিয়ৰ পৰি কণিকাবোৰে ধাননি-ঘাঁহনিত সোণ-ৰূপৰ ৰহণ চৰায়। এনে এটা সুন্দৰ বতৰতে দিন-বাৰ চাই হাজংসকলে কীত্‌কী পূজাৰ আয়োজন কৰে। কাৰ্তিক দেৱতাক স্মৰণ কৰি কৰা পূজাকে হাজংসকলে কীত্‌কী বোলে।

উল্লেখ্য যে সন্তানহীনা কোনো দম্পতীয়ে সন্তান কামনা কৰি মানস ৰাখি কীত্‌কী পূজাৰ

আয়োজন কৰিলে হেনো সন্তান লাভ হয়। হাজং সমাজত এই লোকবিশ্বাস পৰম্পৰাগতভাৱে মানি চলি পূজাভাগ আগবঢ়ায়। এই পূজা কেৱল মহিলাসকলৰ দ্বাৰাহে উপস্থাপন কৰা হয়। গৃহস্থৰ চোতালত নাইবা নিৰিবিলি ঠাইত নিশাৰ ভাগত পূজাৰ উপযুক্ত সময়। এই পূজাত ওৰে নিশা জীয়াৰী-বোৱাৰী আৰু বৃদ্ধাসকলেও নৃত্য-গীত কৰি আনন্দত মতলীয়া হয়। নৃত্য-গীতত বেছিকৈ অশ্লীলতাই প্ৰাধান্য পায়। পিছে আমি ইয়াত কেৱল কাৰ্তিক বন্দনা গীত দুফাকিমানহে তুলি ধৰিলো।

(এক) আগে বন্দং গণপতি দেৱ গণেশ ঠাকুৰ,
যালা দয়াতে হয় যত বাধা দূৰ।
দ্বিতীয়তে বন্দনা কৰুং প্ৰভু নিৰঞ্জন,
যালা দয়াতে হয় সৃষ্টি আৰ' পালন।
বন্দং দেৱ ষড়ানন ময়ুৰ বাহন,
কৃপা দৃষ্টি ৰাখেক মহেশ নন্দন।
বন্দং দেৱী মাও লক্ষ্মীৰ যুগল চৰণ,
ধনে জ্ঞানে ৰাখেক মাও ভাবি অভাজন।
পুবভায় বন্দনা কৰং পুব ভানুশ্বৰ,
একভাদে বীৰাই বেলা সগলভলায় প'হৰ।
উত্তৰ ভায় বন্দনা কৰং কৈলাশ পাহাৰ,
ঐ জাগাতে বসতি কৰে পাৰ্বতী শংকৰ।
দক্ষিণে বন্দনা কৰং কালিন্দী সাগৰ,
ঐ সাগৰতে ভাহাব ডিঙা চান্দ সদাগৰ।
পশ্চিমভায় শ্ৰীক্ষেত্ৰে বন্দং প্ৰভু জগন্নাথ,
জাতি নাই বিচাৰ নাই বহি খায় প্ৰসাদ।
আকাশ ভায় দেৱতা বন্দং পাতাল ভায় বাসুকী,
আপদ নিস্তাৰ কৰেক প্ৰভু কৃপাদৃষ্টি ৰাখি।

(দুই) স্বৰ্গ ভুৱননি থাকে কাতি পায় কত সুখ,
মৰ্ত লোকনি আহিলে পায় পদে পদে দুখ।
দেৱ লোকনি থাকে ঠাকুৰ সোণালা মন্দিৰ নি,
দেৱ লোকনি কষ্ট পায় থাকিয়া ৰাহাৰ নি।
মৰ্ত লোকনি বহে ঠাকুৰ সোণালা সিংহাসন,
মৰ্ত নি বহে ভাঙা পিৰালী আসন।
সোণালা থালি নি কাতি দেৱ লোক নি খায়,
আউলা চাউল কলা প্ৰসাদ মৰ্তনিকে পায়।
স্বৰ্গ নি ফল খায় কাতি বেবাকে ভালা,
মৰ্ত নি ফল পায় টেঙা তিতা ঝালা।

স্বৰ্গলা অপ্সৰা ঘিলী সুন্দুৰ নাচা জানে,
মৰ্তলা অবলা আম্ৰী নাচিবা নাজানে।
সুগন্ধ ফুলমালা দেৱ লোকনি পায়,
গন্ধছাৰা ফুল মালা মৰ্তনিকে পায়।
কত কষ্ট পালে কাতি মৰ্তনি আহিয়া,
দয়া কৰি ঠেং তলনি জাগ্ দি অবলা ভাবিয়া।

কাতি পূজাৰ গীতসমূহ হাজং লোক-সাহিত্যৰ সম্পদ বুলিব পাৰি। উল্লেখ্য যে কাতি পূজাৰ বাবে চাৰিডাল কলপুলিৰে কলাসুলভভাৱে এখন সুন্দৰকৈ মণ্ডপ সাজি লোৱা হয়। মণ্ডপৰ ওপৰত চান্দৰ কাপোৰ আঁৰি ল'ব লাগে। মণ্ডপৰ সোঁমাজত কাৰ্তিক ঠাকুৰক স্থাপন কৰা হয়। সন্মুখৰফালে থাকে পূজাৰ নৈবেদ্যসমূহ। মণ্ডপৰ চাৰিওফালে গাভৰুজাকে ঘূৰি ঘূৰি নাচি-বাগি নৃত্য কৰে। গীত গায়। এইদৰে ওৰে নিশা আবাল-বৃদ্ধ-বনিতাই নাচি-বাগি গীত গাই কাৰ্তিক ঠাকুৰক পূজা-আৰাধনা কৰে। পূজাৰ শেষত গৃহস্থজনক মনোকামনা পূৰ্ণ হওক বুলি কাৰ্তিক ঠাকুৰৰ ওচৰত স্তুতি কৰি আশীৰ্বাদ দিয়ে, যাতে দম্পতীহালে সুসন্তান লাভ কৰে।

থুবী মাগাৰ গীত ঃ

কৃষকে হাল বাই বোকা কৰা খেতিপথাৰত ৰোৱণীসকলে কঠীয়া ৰোপণ কৰে। সেই ৰোপণ কৰা কঠীয়া এসময়ত লহপহকৈ বাঢ়ি গৈ খেতিপথাৰ সেউজীয়া হয়। ধান ওলায়, ধান পকে। শ্ৰমৰ সফলতাৰে কৃষক উৎফুল্লিত হয়। এসময়ত ধান চপোৱা শেষ হয়। উদং হয় শস্যৰ পথাৰ। আকাশ স্বচ্ছকাল হয়। গছ-লতাই বৰণ সলায়। পৃথিৱীৰ বুকুত শীতলতা অনুভৱ হয়। এসময়ত নিয়ৰ সৰিবলৈ আৰম্ভ কৰে। এনেকুৱা সুন্দৰ বতৰতে হাজংসকলে পুষণা পৰ্ব পালন কৰে।

পুহৰ জোনাক নিশাত হাজংসকলে পুষণা পৰ্বৰ প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে, বিশেষকৈ গাঁৱৰ চেমনীয়া আৰু ডেকাচামে গাঁৱৰ ঘৰে ঘৰে গৈ থুবী মাগা গীত গাই গাই ধান-চাউল সংগ্ৰহ কৰে। সেই সংগ্ৰহ কৰা পুঁজিৰে গঞা ৰাইজে ভেলাঘৰৰ চোতালত ৰাতি ভোজ-ভাত খায়। থুবী মাগা দলটিত ভাগ লোৱা প্ৰত্যেকজনৰ হাতত একোডালকৈ বাঁহৰ লাঠি (টকন) থাকে। সেই টকনেৰে মাটিত ধুম্‌ধুম্‌কৈ শব্দৰ ছন্দ তুলি গায় —

কয়টৰক পখীৰী গাৰি টিমুছ কয়,
গিৰি ঘৰে লুকে থাকে ঘৰ কোনো ভায়।
থুবী মাগা আয়লুংৰে এক টেকা পাইলুংৰে.....

আৰু গায় —

উত্তৰ দক্ষিণ ঘৰৰ ঘনক ঘনক ৰোৱা,
বীৰ কৰাওৰে গিৰি ঘৰে বাটা ভৰা গুৱী।
বাটা ভৰা গু বীৰা মানচি জুনচি খায়,
থুবী মাগা মানচি দেখি ঘৰে গুষ্টি পালায়।
নাপালাওৰে গিৰি ঘৰে তৰা কেনে পালায়,
এক চিকাসী জাগা দিলে আমি থুবী মাগিবা চায়।
থুবী থুবী থুবী।

গীত্‌লু গাহেন ঃ

গীত্‌লু গাহেন হাজংসকলৰ শ্ৰেষ্ঠতম লৌকিক গীত। গীত্‌লু গাহেন কিছু লোকে মাৰ' পূজাত (মাৰৈ বা মনসা) আৰু কিছু লোকে বিয়াৰ সময়ত গীত গাবলৈ গীতালসকলক আমন্ত্ৰণ কৰি আনে। অৱশ্যে দুয়োবিধ গীতৰ ৰচনাশৈলী আৰু প্ৰকাশভংগী ভিন্ন। মাথোঁ গীতালৰ দ্বাৰা গোৱা হয় কাৰণে গীত দুবিধক গীত্‌লু গাহেন বুলি কোৱা হয়। হাজংসকলৰ এই গীত্‌লু গাহেন ওজাপালিৰ দৰে নৃত্যৰ ছন্দও মন কৰিবলগীয়া। ইয়াত আমি কেৱল হাজং বিয়াৰ সময়ত গোৱা গীত্‌লু গাহেন সম্পৰ্কে আলোচনা আগবঢ়াইছো।

হাজং বিয়াৰ প্ৰাক্-মুহূৰ্তৰ পৰাই গীতালে গীত গাই গাই আয়তীসকলক সহযোগৰ হাত আগবঢ়ায়। গীত্‌লু গীতৰ সুৰে সুৰে আয়তীসকলে আল্পনা (বেৰচিত্ৰ) আঁকিবলৈ লয়। উল্লেখ্য যে নৱদম্পতীৰ সহবাসৰ বাবে নতুনকৈ সজা ঘৰৰ বেৰত আয়তীসকলে কলাসুলভভাৱে আল্পনা আঁকি ল'ব লাগে। হাজং বিয়াত যোল্লঘট, যোল্লগছি গছা-চাকি, ধান, দূৰ্বা, কেঁচা কলৰ আখি, ধূপ-ধূনা, ঘি-মধু, সেন্দুৰ, ডলা-কুলা, কাঁহৰ কাঁহী, লোটা, ফুল-চন্দন আদি প্ৰধান লাগতিয়াল বস্তু। তলত উল্লিখিত গীতৰ মতে আয়তীসকলে আল্পনা আঁকি লয় —

কি নমঃ সমন ডৰায়
পুইলীতে আয়ৰক ঘিলী বেৰাপাত চিতৌই
কি নমঃ নমঃ সমন ডৰায়।
তানি পাছে লিখে থুছে চান আৰ'বেলা
কি নমঃ নমঃ সমন ডৰায়।
তানি পাছে লিখে থুছে কতৰকম বগা
কি নমঃ নমঃ সমন ডৰায়।
তানি পাছে লিখে থুছে খিল কদম গাছ
কি নমঃ নমঃ সমন ডৰায়।
তানি পাছে লিখে থুছে বীৰ হনুমান
কি নমঃ নমঃ সমন ডৰায়।

হাজং বিবাহৰ কাৰণে এটা মণ্ডপ সাজি ল'ব লাগে। মণ্ডপৰ চাৰিকোণত চাৰিডাল কলগছ পুতিব লাগে। দৰাৰ দুহাত বহলাই দি দুহাতৰ আঙুলিৰ মূৰে মূৰে জোখ লৈ গাঁত খান্দি, গাঁতত তামোল-পাণ, মুদ্ৰা দি কলগছকেইডাল পোতে। ওপৰত চান্দৰ কাপোৰ আঁৰিব লাগে। উল্লেখ্য যে বিধি মতে, মণ্ডপৰ একোণত তৰোৱাল এখন সযতনে ৰাখিব লাগে। (জনশ্ৰুতি মতে, এসময়ত হাজংসকল হেনো হাজো ৰাজ্যৰ ভাস্কৰ বৰ্মাৰ সৈনিক আছিল।)

আয়তীসকলে যেতিয়া নৈৰ ঘাটৰ পৰা পানী তুলি আনিবলৈ যায়, সেই সময়ত গোৱা গীতত আয়তীসকলৰ ৰূপ-বৰ্ণনা সুন্দৰভাৱে প্ৰকাশ পায় এনেদৰে —

ৰাঙা পাঠিন নীলি ভৰা
আয়ৰক ঘিলী যায় যোৰা যোৰা
আহাৰে হায়...

কি ৰে... আয়ৰক যায় জয় জখা দিয়াৰে
কতক আয়ৰক কালা কালা
কতক আয়ৰক দিখিবী ভালা
আহাৰে হায়...
কিৰে... আয়ৰক ঘিলা যায় জয় জখা দিয়াৰে।
তাকচাৰিয়ী কিছু দূৰ যায়
ডাঙৰ বৰগাছ লাগল পায়
আহাৰে হায়...
কি ৰে... উদীতে আয়ৰক ঘিলী একতেপা ঝিৰাইৰে
আৰ' অৰ্ধেক পথ যায়য়ী
ডাঙৰ গাংৰা লাগল পায়/ আহাৰে...
কি ৰে... উদীতে আয়ৰক ঘিলী কলহাৰা নামালে।

উল্লেখ্য যে হাজং সমাজত নৈৰ ঘাটৰ পৰা পানী তুলি অনা নিষেধ। নৈৰ বালি পৰা এডোখৰ ঠাই সূতাৰে চাৰিওফালে ঘেৰি লৈ বালি খান্দিলে যি শুদ্ধ পানী পোৱা যায়, সেই পানীহে কলহত ভৰাই লৈ আহে আয়তীসকলে আৰু সেই পানীৰে দৰা-কইনাক গা ধুওৱা হয়। গীতালে আয়তীসকলক সহযোগ কৰি এইদৰে গীত গায় —

জয় দেবী গংগা মাও...
শুদ্ধ ভাগালা মাটি তুলি আয়ৰক স্থাপন কৰিলে
অশুদ্ধ ভাগালা মাটি আয়ৰক কাটিয়ী ফেলালে
আৰ' ব্ৰহ্মনালা সূতাদিয়ী আয়ৰক কৰিলে ঘিৰণি।
পুইলীতে ভৰায় পানী জাঙয়গে লাগিয়ী
মনতে নালাগে পানী ফেলায় ধালিয়ী
তিনবাৰ চাৰবাৰ পাচবাৰ ভৰায়
মনতে নালাগে পানী ফেলায় ধালিয়ী
ছয়বাৰ সাতবাৰ ভৰায় পানী
মনতে লাগিছে পানী নেয় বিয়াৰ' লাগিয়ী।

হাজং বিবাহৰ ক্ষেত্ৰত উল্লেখযোগ্য দিশটো হ'ল বিবাহ সাধাৰণতে দৰাঘৰতহে সম্পন্ন কৰা হয়। আগৰ দিনত ধনে-ধানে সম্পদশালী হাজং সমাজত কইনাজনীক কিছু ধন-বিত দি কইনা অনাৰ নিয়ম আছিল। সেয়ে বিয়াৰ সকলো কাম-কাজ দৰাৰ ঘৰতহে হৈছিল। ইয়াত আমি হাজং বিয়াৰ সময়ত গোৱা গীত-মাত কিছু অংশহে তুলি ধৰিছো।

হাজং সমাজত আৰু অলেখ লৌকিক গীত-মাত আছে, যিয়ে অসমীয়া সংস্কৃতিৰ জগতখনকে কম-বেছি পৰিমাণে সমৃদ্ধিশালী কৰি আহিছে। এনেবোৰ গীত-মাতৰ সু-সংৰক্ষণ নহ'লে এদিন যে সমাজৰ মাজৰ পৰা হেৰাই যাব আৰু অসমৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি হ'ব, ই চিৰসত্য।



সোনোৱাল কছাৰীৰ ধৰ্মীয় অনুষ্ঠান সৰগদেউ পূজা

প্ৰশান্ত কুমৰাল

প্ৰস্তাৱনা

বৰচৰাইৰ কাহিনী ঃ

এসময়ত সৃষ্টিকৰ্তা ব্ৰহ্মাৰ জীয়েকৰ বিয়া হৈছিল। বিয়ালৈ সৰগৰ সকলোকে নিমন্ত্ৰণ কৰা হৈছিল। সকলো আহি সময়ত বিয়া খালেহি। কিন্তু বিধি নামৰ দেৱতাগৰাকী সময়মতে আহি নাপালেহি। (বিধি হ'ল জীৱসমূহৰ ভাগ্যলিপি লিখোতা দেৱতা।) পলমকৈ আহি পোৱাত ব্ৰহ্মাই পলম হোৱাৰ কাৰণ সুধিলে। বিধিয়ে উত্তৰ দিলে যে কামৰ বোজা বেছি হৈছে, আজৰি হ'ব নোৱাৰি সময়মতে বিয়ালৈ আহিব নোৱাৰিলে। সৃষ্টিকৰ্তা ব্ৰহ্মা আচৰিত হ'ল—'সৃষ্টিখন মইহে কৰো, তুমি মাত্ৰ ভাগ্যহে লিখা। মোৰহে কাম বেছি। মোতকৈও তোমাৰ কাম বেছি নে?' বিধিয়েও উত্তৰ দিলে, 'আপুনি মাত্ৰ সৃষ্টিহে কৰে, মই কিন্তু ভাগ্যলিপি লিখোতে বহু গণনা কৰিব লগা হয়। সেয়েহে মোৰ কাম বেছি।' ব্ৰহ্মাই পুনৰ ক'লে, 'ঠিক আছে বাৰু। মই তোমাক এটা দায়িত্ব দিওঁ। যদি কামটো কৰি দিব পাৰা, তেতিয়া মোৰ বিশ্বাস হ'ব যে মোতকৈ তোমাৰ কাম বেছি। কামটো হ'ল—একেবাৰে পূবত থকা এগৰাকী কন্যাৰ লগত একেবাৰে পশ্চিমত থকা এগৰাকী দৰাৰ যোৰা লগাই দিয়া।' বিধি সন্মত হ'ল আৰু সেইমতে ভাগ্য লিপিবদ্ধ কৰিলে পূবৰ এগৰাকী কন্যা আৰু পশ্চিমৰ এজন দৰাৰ লগত।

এইদৰে বহুদিন গ'ল। কন্যা আৰু দৰা দুয়োগৰাকীৰ বয়সে ভাটি দিলে কিন্তু বিবাহৰ যোগ নহ'ল। বিধিৰ লিখনমতে দুয়োৰে ঘৰৰ আনবোৰ মানুহ সময়ত নাইকিয়া হ'ল। ফলত দুয়ো নিজেই কাম-বন, বেহা-বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰিব লগা হ'ল। এনেদৰে হাটে-বাটে বজাৰ কৰি ফুৰোতে এদিনাখন দুয়োৰে মাজত দেখা-দেখি হ'ল। চা-চিনাকি গৈ সম্বন্ধত পৰিণত হ'ল। দুয়োজনেই অকলশৰীয়া। সেই দেখি দুয়ো বিয়া পাতি একেলগে থকাৰ সিদ্ধান্ত কৰিলে। সেইমতেই কাম। হাটতে চিনাকি হৈ বিয়াখন পতাৰ বাবে দুয়োৰে নাম হ'ল হাটে বুঢ়া আৰু হাটে বুঢ়ী। এনেদৰেই বিধিৰ লিখন ফলিয়ালে।

কালক্ৰমে হাটে বুঢ়া-বুঢ়ীৰ সাতোটা পুতেক হ'ল। সিহঁতক সাত ভাই-ককাই বোলা হৈছিল। বুঢ়া এদিন নাইকিয়া হ'ল। সাতভায়ে খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰিবলৈ ল'লে। খেতি-বাতিৰ দিনত তেওঁলোকে ৰাতিপুৱাই খেতিলৈ ওলাই যায় আৰু দিনটো কাম-বন কৰি ঘৰলৈ খাবলৈ আহে। সেইখিনি সময়ত বুঢ়ীয়ে ঘৰত খোৱাৰ যা-যোগাৰ কৰে। এদিনাখন মাকে চাউল-পাত, শাক আদি লৈ নৈত ধুবলৈ যাওঁতে বস্তুখিনিৰ ওপৰত এজনী বৰচৰায়ে (বৰচৰাই—চিলনীতকৈ ডাঙৰ এবিধ চিকাৰী চৰাই) মলত্যাগ কৰি গুচি গ'ল। বুঢ়ীয়ে বাৰে বাৰে ধুইও চাউল-পাতখিনি ভালকৈ চাফা কৰিব নোৱাৰিলে। দেৰি হোৱাৰ কাৰণে অৱশেষত তেনেকৈয়ে ৰান্ধি থ'লে। বিধিৰ বিপাক : বৰচৰাইৰ লাদ মিহলি হোৱাৰ বাবেই নে ভালকৈ ৰন্ধাৰ বাবেই, সেইদিনা ভাত-শাকখন খাবলৈ বৰ সোৱাদ হ'ল। পুতেকহঁতে সেইদিনা ভাত খাই বৰ তেল পালে আৰু মাকক তাৰ কাৰণ সুধিলে। মাকেও কাৰণটো ক'লে যে সেইদিনা এজনী বৰচৰায়ে শাক-পাতৰ ওপৰত লাদি থৈ গৈছিল কাৰণে তেনে হ'ল। তেতিয়া সিহঁতে ভাবিলে যে বৰচৰাইৰ লাদেই যেতিয়া ইমান তেল, তাৰ মাংস চাগে' আৰু তেলাল হ'ব। সেয়েহে সাতভায়ে বৰচৰাইজনী মাৰিবলৈ যাবলৈ মন কৰিলে। মাকে যাবলৈ বাধা দিছিল যদিও সিহঁতে সেও নামানিলে। অৱশেষত মাক মান্তি হ'ল আৰু পুতেকহঁতৰ বাবে জা-জলপান যোগাৰ কৰি দিলে।

পুতেকহঁতে বৰচৰাই মাৰিবৰ কাৰণে বাঁহৰ ধনু-কাঁড় যোগাৰ কৰি ল'লে আৰু মাকক সেৱা জনাই বৰচৰাই উৰি যোৱাৰ ফালে যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰাৰ আৰম্ভণিতে পদূলিমুখতে এজনী কপৌ চৰায়ে পাখি মেলি শুই থকা দেখা পালে। সোনোৱালসকলৰ জনবিশ্বাসমতে, ক'ৰবালৈ যাত্ৰা কৰাৰ সময়ত যদি পাখি মেলি শুই থকা অৱস্থাত কপৌ চৰাই দেখে, তেন্তে সেই যাত্ৰা অমংগলীয়া হয়। সেয়ে কপৌ চৰাইজনীয়ে অমংগল মাতিছে বুলি গণ্য কৰি সিহঁতে চৰাইজনীক কাঁড়মাৰি মাৰি পেলালে। কিন্তু মৰাৰ আগে আগে কপৌজনীয়ে সিহঁতক বৰচৰায়ে খাব বুলি অভিশাপ দিলে।

সিহঁতে যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰাপথত সিহঁতে এজন বুঢ়াক লগ পালে। বুঢ়াজনে এটা শিলত এখন দা ধৰাই আছিল। সিহঁতে বুঢ়াজনক বৰচৰাইৰ কথা সুধিলে। বুঢ়াই সিহঁতক পৰীক্ষা কৰিবলৈ ক'লে যে সিহঁতে বুঢ়াই দা ধৰাই থকা শিলটো ভাঙি যদি পুনৰ জোৰা লগাই দিব পাৰে তেন্তে সিহঁতে বৰচৰাই পাব। সিহঁতেও গৌৰৱত পাৰিম বুলি ক'লে আৰু শিলটো ভাঙি পেলালে। কিন্তু আকৌ জোৰা লগাব নোৱাৰিলে। বহু চেষ্টা কৰিও সিহঁত সফল নহ'ল। তেতিয়া সিহঁতে বুঢ়াই মিছাকৈ পলম কৰাৰ বুদ্ধি কৰিছে বুলি কৈ বুঢ়াক গালি-শপনি পাৰি গুচি গ'ল। বুঢ়াই সিহঁতক বৰচৰায়ে খাব বুলি অভিশাপ দিলে।

সিহঁতে সৰিয়হ সিঁচি থকা বুঢ়া এজনক লগ পালে আৰু তেওঁকো বৰচৰাইৰ কথা সুধিলে। বুঢ়াই ক'লে যে সিহঁতে যদি বুঢ়াৰ দোণত থকা সৰিয়হখিনি সিঁচি পুনৰ বুটলি দিব পাৰে তেন্তে বৰচৰাই বিচাৰি পাব। সৰিয়হখিনি সিঁচি দিলে, কিন্তু মাটিয়ে-বালিয়ে মিহলি সৰিয়হখিনি পুনৰ বুটলি দিব নোৱাৰিলে। সিহঁতে বুঢ়ায়ো মিছাকৈ পলম কৰাত গালি পাৰি গুচি গ'ল। বুঢ়াইও 'তহঁতক বৰচৰায়ে খাব' বুলি শাও দিলে।

সিহঁত গৈয়ে থাকিল। বৰচৰাইৰ সন্ধান নাইহে নাই। বাটত শিপিনীয়ে তাঁত বৈ থকা দেখি তেওঁকো বৰচৰাইৰ বিষয়ে সুধিলে। শিপিনীয়েও সিহঁতক এটা পৰীক্ষা কৰিলে। সিহঁতে যদি তাঁতৰ সূতাবোৰ ছিঙি পুনৰ জোৰা লগাব পাৰে তেন্তে বৰচৰাই পাব। সিহঁতে সূতাবোৰ ছিঙিলে হয়, কিন্তু

জোঁট লগা সূতাবোৰ পুনৰ জোৰা লগোৱাটো সম্ভৱ নহ'ল। সেই শিপিনীকো গালি-শপনি পাৰি সাতভাই গুচি গ'ল। শিপিনীয়েও সিহঁতক অভিশাপ দিলে।

এইবাৰ সিহঁতে লগ পালে এজনী ৰজাৰ লিগিৰীক। লিগিৰীজনীয়ে সাতোটা কলহ লৈ পানী নিবলৈ আহিছিল। তাইক বৰচৰাইৰ কথা সোধাত তাই আকৌ ক'লে যে সিহঁতে যদি কলহকেইটা ভাঙি পুনৰ জোৰা লগাব পাৰে তেন্তে বৰচৰাই পাব। সিহঁতে কলহকেইটা ভাঙিলে কিন্তু জোৰা লগাব নোৱাৰিলে। লিগিৰীজনীকো গালি-শপনি পাৰি গুচি গ'ল। লিগিৰীজনীয়েও সিহঁতক বৰচৰাইয়ে খাব বুলি অভিশাপ দিলে।

এনেকৈ গৈ থাকোতে গধূলি হ'ল। সিহঁত গৈ এহাল বুঢ়া-বুঢ়ীৰ ঘৰত উপস্থিত হ'লগৈ আৰু বুঢ়া-বুঢ়ীক বৰচৰাইৰ কথা সুধিলে। বুঢ়া- বুঢ়ীয়ে সিহঁতক ৰাতিটো থাকিবলৈ দিলে আৰু পিছদিনা পুৱাই বৰচৰাই দেখুৱাই দিব বুলি আশ্বাস দিলে। তাতে খাই-বৈ সিহঁতে ভাগৰত লালকাল দি শুলে।

আনহাতে সেই বুঢ়া-বুঢ়ীহাল আছিল ঘুণ বুঢ়া-বুঢ়ী। ঘুণ হ'ল এবিধ ক্ষুদ্ৰ ক্ষুদ্ৰ পোক, যি বাঁহ বা কাঠৰ বস্তু বাহিৰত চিন নপৰাকৈ ভিতৰি ভিতৰি খাই শেষ কৰি দিয়ে। ৰাতি সাতভাই শুই থাকোতে বুঢ়া-বুঢ়ীয়ে লগুৱা-লিকচৌবোৰক সাতভাইৰ বাঁহৰ ধনু-কাঁড়বোৰ ভিতৰি ভিতৰি কুটি খাই থ'বলৈ আদেশ দিলে। সেইমতে ঘুণৰ লগুৱাবোৰে ৰাতিটোৰ ভিতৰতে সাতভাইৰ বাঁহৰ ধনু-কাঁড়বোৰ বাহিৰত চিন নথকাকৈ ভিতৰি কুটি খাই থ'লে।

পিছদিনা পুৱাই বুঢ়াই সাতভাইক বৰচৰাইজনী দেখুৱাই দিলে। সিহঁতে ধনু-কাঁড় জুৰি কাঁড় মাৰিবলৈ লওঁতেই ধনুবোৰ ভাঙি থাকিল। ফলত সিহঁতে কাঁড় মাৰিব নোৱাৰিলে। তেতিয়া বৰচৰায়ে উৰি আহি এটা এটাকৈ সাতোটা ভাই-ককাইক গিলি খাই থ'লে।

এইদৰেই যাত্ৰাপথৰ সমস্ত অভিশাপ ফলিয়ালে। চিকাৰী নিজেই চিকাৰৰ আহাৰ হ'লগৈ।

ইফালে সৰগত থকা দেৱতাসকলে সাতভাইক বৰচৰাইৰ পেটৰ পৰা উদ্ধাৰ কৰিবৰ বাবে প্ৰস্তুতি চলালে। সেইমতে কেইবাজনো দেৱতাক সাতভাইক উদ্ধাৰৰ বাবে পাচিলে কিন্তু কোনো সন্মত নহ'ল। শেহত বেটুকোঁৱৰক পাচিলে। বেটুকোঁৱৰে লগত সাৰথি হিচাপে কেইজনমান দেৱতা লৈ আৰু অস্ত্ৰ হিচাপে লোৰ ধনু-কাঁড়, তৰোৱাল লৈ পৃথিৱীলৈ নামি আহিল। পৃথিৱীলৈ নামি আহি ৰিগিৰাগাম পৰ্বতত লোৰ ধনু-কাঁড়সমূহ লুকুৱাই থৈ বেটুকোঁৱৰে নিজে এটা পকা তামোলৰ ৰূপ লৈ হাঁটে বুঢ়ীৰ (সাতভাইৰ মাক) চোতালত পৰিলহি। হাঁটে বুঢ়ীয়ে ধুনীয়া পকা তামোলটো দেখি এটা ডুলিত ভৰাই থ'লে। ডুলিৰ ভিতৰতে তামোলটোৱে এটা কেঁচুৱাৰ ৰূপ ল'লে। বুঢ়ীয়ে কেঁচুৱাটো পাই আলৌ-আথৌকৈ তুলি ডাঙৰ-দীঘল কৰিলে। তামোলৰ বেটুৰ পৰা জন্ম হোৱাৰ কাৰণে তাৰ নাম বেটুকোঁৱৰ হ'ল।

সময়ত বেটুকোঁৱৰ ডাঙৰ হৈ সকলো খেলতে পাকৈত হৈ উঠিল। কিন্তু পিতৃহীন বেটুকোঁৱৰক লগৰবোৰে 'জহৰা' বুলি ইতিকিং কৰিবলৈ ধৰাত হাঁটে বুঢ়ীৰ পৰা তাৰ নিজৰ পৰিচয় জানিবলৈ বিচাৰিলে। বুঢ়ীয়ে তেতিয়া বৰচৰাই আৰু সাতভাইৰ কথা ক'লে। বৰচৰাই মাৰিবলৈ গৈ নিৰুদ্দেশ হোৱা ককায়েকহঁতক বিচাৰি যাবলৈ এইবাৰ বেটুকোঁৱৰ উদ্যত হ'ল। মাকে বাধা দিলে যদিও সি নামানিলে। ইতিমধ্যে বেটুকোঁৱৰৰ পূৰ্বৰ কথা মনলৈ আহিল। ৰিগিৰাগাম পৰ্বতত লুকুৱাই থোৱা লোহাৰ ধনু-কাঁড়, তৰোৱাল আদি অস্ত্ৰ লৈ বেটুকোঁৱৰে ককায়েকহঁত যোৱাৰ ফালে যাত্ৰা আৰম্ভ কৰিলে।

সাতভায়ে যাত্ৰা কৰাৰ সময়ত ঘটাৰ দৰে এইবাৰো ঘটনাবোৰ ঘটিবলৈ ল'লে। পদুলিমুখতে এজনী কপৌ চৰায়ে পাখি মেলি শুই আছিল। অমংগল দেখুৱাইছে বুলি বেটুকোঁৱৰে তাক মাৰিবলৈ খোজোতে কপৌজনী প্ৰাণভিক্ষা কৰি ক'লে যে বিপদৰ সময়ত স্মৰণ কৰিলেই সহায়ৰ বাবে গৈ কপৌজনী উপস্থিত হ'বগৈ। বেটুকোঁৱৰে কপৌজনীক প্ৰাণে নামাৰি গুচি গ'ল।

আকৌ সাতভাইৰ দৰেই বেটুকোঁৱৰে দা ধৰাই থকা বুঢ়াটোক লগ পালে আৰু বৰচৰাই তথা সাতভাইৰ কথা সুধিলে। বুঢ়াই দা ধৰোৱা শিলটো ভাঙি পুনৰ জোৰা লগাব পাৰিলে বৰচৰাই পাব বুলি ক'লে। বেটুকোঁৱৰে ধনুখনৰ এটা আগেৰে শিলটো ভাঙি আনটো আগেৰে পুনৰ জোৰা লগাই দিলে। বুঢ়াই তেতিয়া বেটুকোঁৱৰক বৰচৰাই পাব বুলি আশীৰ্বাদ দিলে। গৈ গৈ বেটুকোঁৱৰে সৰিয়হ সিঁচি থকা বুঢ়াজনক লগ পাই বৰচৰাই আৰু সাতভাইৰ কথা সুধিলে। বুঢ়াই সৰিয়হ সিঁচি বুটলি দিব পাৰিলে বৰচৰাই পাব বুলি ক'লে। বেটুকোঁৱৰে সৰিয়হখিনি সিঁচি পদুলিমুখত প্ৰাণে নামাৰি এৰি থৈ অহা কপৌজনীক স্মৰণ কৰিলে। হাজাৰ হাজাৰ কপৌ চৰাই আহি সৰিয়হবোৰ গোটেৰে বুটলি দোণত উপচি পৰাকৈ ভৰাই দিলে। বুঢ়াই সন্তুষ্ট হৈ 'বৰচৰাইক পাবি' বুলি বেটুকোঁৱৰক আশীৰ্বাদ দিলে। তাৰপাছত যাত্ৰাপথত বেটুকোঁৱৰে শিপিনীজনীক লগ পালে। তায়ো তাঁতশালখনৰ সূতাবোৰ ছিঙি পুনৰ জোৰা লগাব পাৰিলেহে বৰচৰাই পাব বুলি ক'লে। বেটুকোঁৱৰেও ধনুখনৰ এটা আগেৰে সূতাবোৰ ছিঙি আনটো আগেৰে জোৰা লগাই দিলে। শিপিনীয়েও বৰচৰাই পাব বুলি আশীৰ্বাদ দিলে। তাৰপাছত বেটুকোঁৱৰে ৰজাৰ লিগিৰীজনীক লগ পালে। বেটুকোঁৱৰে ধনুখনৰ এটা আগেৰে লিগিৰী জনীৰ কলহকেইটা ভাঙি আনটো আগেৰে জোৰা লগাই দিয়াত লিগিৰীয়ে বৰচৰাই পাব বুলি আশীৰ্বাদ দিলে।

এইদৰে গৈ গৈ বেটুকোঁৱৰে গধূলি পৰত ঘুণ বুঢ়া-বুঢ়ীৰ ঘৰ পালেগৈ। বুঢ়া-বুঢ়ীয়েও বেটুকোঁৱৰক তাতে ৰাতিটো থাকিবলৈ দিলে আৰু পুৱা হ'লে বৰচৰাই দেখুৱাই দিব বুলি ক'লে। ৰাতি বেটুকোঁৱৰ শুই পৰাত বুঢ়া-বুঢ়ীয়ে অনুচৰবোৰক কোঁৱৰৰ কাঁড় আৰু তৰোৱালবোৰ কুটি খ'বলৈ আদেশ দিলে। কিন্তু বেটুকোঁৱৰৰ অস্ত্ৰবোৰ লোৰে নিৰ্মিত বাবে ঘুণ পোকবোৰে ধনু-কাঁড়বোৰৰ একো অনিষ্ট কৰিব নোৱাৰিলে। বৰং পোকবোৰৰ দাঁত, নখ আদিহে নষ্ট হ'ল। পিছদিনা বুঢ়াই বেটুকোঁৱৰক বৰচৰাইজনী দেখুৱাই দিলেগৈ। বৰচৰাইজনী এজোপা আমন বিমন গছত পৰি আছিল। কোঁৱৰে ধনুত কাঁড় জুৰি বৰচৰাইক সুধিলে, 'তয়েই নে বৰচৰাই? তয়েই মোৰ ককাইহঁতক খালি। তোক মই এতিয়া শৰ কৰিম।' বৰচৰায়ে ক'লে, 'মোক মাৰিব পাৰিলে খাবি, নহ'লে তোকেই খাম।'

কোঁৱৰে চিন্তা কৰিবলৈ ধৰিলে যে কোন অংশত কাঁড় মাৰিলে বৰচৰাইজনী মৰিব। য'তে-ত'তে কাঁড় মাৰিবও নোৱাৰি, কাৰণ বৰচৰাইজনীয়ে সাতভাইক গিলি থৈছে। চৰাইৰ টিকাত কাঁড় মাৰিলে ডাঙৰ ককাইক লাগিব, পেটত কাঁড় মাৰিলে মাজু ককাইক লাগিব আৰু ডিঙিত কাঁড় মাৰিলে সৰু ককাইক লাগিব। সেয়ে চকুত মাৰিলেই বৰচৰাই মৰিব বুলি থিৰাং কৰি চকুলৈকে কাঁড় মাৰিলে। বৰচৰাই মৰি ধুমকৈ মাটিত পৰিল। ধনুৰ আগেৰে বৰচৰাইৰ পেটটো ফালি দিয়াত সাতভাই ওলাই পৰিল। সাতভাইৰ মনত শুই থকাৰ পৰা সাৰ পাই উঠা যেনহে ভাব হ'ল। সেয়েহে সুস্থ হোৱাৰ পাছতে সিহঁতে বৰচৰাইটো কাটি ভাগ ভাগ কৰি মানুহে প্ৰতি এভাগ এভাগকৈ দিলে। এনেকৈ ভাগ কৰোতে আঠভাগ হ'ল। সিহঁত আচৰিত হ'ল। কাৰণ সিহঁত সাতটাহে আছিল। অষ্টম ভাগটো কাৰ বুলি বিচাৰ-খোঁচাৰ কৰোতে বেটুকোঁৱৰে নিজকে সিহঁতৰ সৰু ভায়েক বুলি চিনাকি দিলে। সিহঁতে কিন্তু

বেটুকোঁৱৰক নিজৰ ভাই হিচাপে মানি ল'বলৈ টান পালে আৰু তাক বৰচৰাইৰ হাড়-মূৰ, পেটুবোৰ দি বাকী মঙহবোৰ লৈ গুচি আহিল। পিছে পিছে বেটুকোঁৱৰেও নিজৰ ভাগৰ বস্তুবোৰ লৈ আহি থাকিল। বাটত সাতভায়ে ভোক-পিয়াহত ক্লান্ত হৈ এঘৰ বামুণ-বামুণীৰ ঘৰত আশ্রয় ল'লে। বামুণ-বামুণীয়ে নিজকে দুখীয়া বুলি ক'লে আৰু খুজি-মাগিহে জীৱন নিৰ্বাহ কৰে বুলি জানিবলৈ দিলে। গতিকে সাতভাইক খাবৰ বাবে তিল এটাহে দিব পাৰিলে। সাতভায়ে সেই তিলটোকে ভাগ কৰি খালে আৰু বিদায় মাগিলে। তেতিয়া বুঢ়া-বুঢ়ীয়ে তিলৰ ধাৰ বৰ ডাঙৰ বুলি কৈ তিলৰ মূল্য বিচাৰিলে। তেতিয়া সাতোভায়ে বুঢ়া-বুঢ়ীক ক'লে যে সিহঁতৰ পাছত সৰু ভায়েক অকলে অকলে আহি আছে, তাকেই সাত বছৰৰ বাবে হালোৱা হিচাপে ৰাখিব আৰু এনেদৰেই তিলৰ ধাৰ মৰিব। বুঢ়া-বুঢ়ী সন্মত হ'ল। সাতোভাই গুচি যোৱাৰ পাছত বেটুকোঁৱৰ সেইফালে পাৰ হৈ যাওঁতে বুঢ়া-বুঢ়ীয়ে তাক সাতভাইৰ প্রতিশ্রুতিৰ কথা ক'লে। বেটুকোঁৱৰেও ককায়েকহঁতৰ কথা লংঘন নকৰি বামুণ-বামুণীৰ ঘৰত হালোৱা হিচাপে থাকি গ'ল। সেয়ে সোনোৱাল সমাজত এটা বিশ্বাস আছে যে তিলৰ ধাৰ কৰিব নাপায়।

এনেদৰেই বেটুকোঁৱৰে বামুণ বুঢ়া-বুঢ়ীৰ ঘৰত হালোৱা হিচাপে থাকিব লগা হ'ল। বেটুকোঁৱৰৰ খেতিৰ জোৰত সেইদিনাৰ পৰা বামুণ বুঢ়া-বুঢ়ীৰ ঘৰ ধন-ধানেৰে উপচি পৰিল। বুঢ়া-বুঢ়ী আচৰিত হ'ল আৰু বেটুকোঁৱৰৰ বাবেই এয়া সম্ভৱ হৈছে বুলি ভাব হ'ল। বেটুকোঁৱৰক তেওঁলোকে কোনোবা ছদ্মবেশী দেৱতা বুলি ধাৰণা কৰিলে আৰু সভক্তিৰে পৰিচয় সুধিলে। বেটুকোঁৱৰে চিনাকি নিদিলে। অৱশেষত এদিন যেতিয়া বুঢ়া-বুঢ়ীয়ে এটা ডালিত শৰাই সজাই স-সন্মানেৰে বেটুকোঁৱৰক পৰিচয় সুধিলে, তেতিয়া কোঁৱৰে নিজৰ পৰিচয় নিদিয়াকৈ থাকিব নোৱাৰিলে। বেটুকোঁৱৰে স্বীকাৰ কৰিলে যে সি প্রকৃততে ছদ্মবেশী দেৱতা, সাতভাইক বৰচৰাইৰ পেটৰ পৰা উদ্ধাৰ কৰিবৰ বাবে সৰগৰ পৰা নামি আহিছে। বামুণ বুঢ়া-বুঢ়ীয়ে বেটুকোঁৱৰক সেৱা জনাই বিদায় দিলে।

মঙহৰ ভাৰ লৈ বেটুকোঁৱৰ ঘৰ পালেহি। দৈৱ প্রভাৱত মঙহখিনি তেতিয়াও বেয়া হোৱা নাছিল। ককায়েকহঁত তেতিয়াও ঘৰ আহি পোৱাই নাছিল। মাক আৰু বেটুকোঁৱৰে ককায়েকহঁত আহি নোপোৱাত আচৰিত হ'ল। বেটুকোঁৱৰে ভাৰ লৈ অনা মঙহখিনিকে মাকে ৰান্ধি-বাঢ়ি দিলে। তেনেকুৱাতে সাতোভাই আহি উপস্থিত হ'ল আৰু বেটুকোঁৱৰৰ লগত সাতভাইৰ কাৰণেও মাকে ভাত বাঢ়ি দিলে। আঠভাগ ভাত দেখি সিহঁতে অতিৰিক্ত ভাগ কাৰ বুলি মাকক প্রশ্ন কৰিলে। মাকে তেতিয়া বেটুকোঁৱৰক চিনাকি কৰি দি ক'লে যে সেয়া সিহঁতৰ সৰু ভায়েক বেটুকোঁৱৰ। কিন্তু সাতোভায়ে বেটুকোঁৱৰক ভাই বুলি মানি নল'লে আৰু মাকক বেটুকোঁৱৰক পৰিত্যাগ কৰিবলৈ ক'লে। কিন্তু মাকে তাক আঁতৰাই নপঠালে, বৰং বাৰীৰ চুকত টঙি এটা সজাই আঁৰ-বেৰ দি ৰাখিলে। ককায়েকহঁতে গম নোপোৱাকৈ মাকে তাক তৰহে তৰহে খোৱাবস্তুৰ যোগান দি থাকিল। কিন্তু সাতভায়ে কথাটো এদিন ধৰা পেলাই ভায়েকক খেদি পঠালে আৰু মাককো গালি পাৰিলে। তেতিয়া বেটুকোঁৱৰে নিজৰ প্রকৃত পৰিচয় দিলে আৰু মানৱ-কৰ্ম সামৰি সৰগলৈ যাবলৈ ওলাল। মাকেও বেটুকোঁৱৰৰ লগত যাবলৈ ওলাল। তেতিয়া বেটুকোঁৱৰে মাকক সৰগলৈ নাযাবলৈ খাটনি ধৰিলে আৰু মাকৰ অবিহনে সাতভাইৰ কি হ'ব সুধিলে। মাকে তেতিয়া ক'লে, 'সাতভাই শিমলু হ'ব। মই কাচতিখনেৰে ঝিনিনিক কৰিম আৰু তই, বেটুকোঁৱৰে, ধুম কৰে বজ্র মাৰিবি। তেতিয়া সাতভাই উদ্ধাৰ হ'ব। কলিযুগত হিন্দুৰীয়াই সৰগৰ দেৱতাসহ তোৰ নামত বৰসবাহ কৰিব আৰু বেহাৰীয়ে সৰগদেউ পূজা কৰিব।

তেতিয়া হাতীৰ পোকৰত পাচি পতাৰ দৰে ধন-ধান উপচি পৰিব।'

ইয়াকে কৈ বেটুকোঁৱৰৰ সৈতে মাক সৰগলৈ গ'লগৈ। ইয়াতেই বৰচৰাই নামৰ কাহিনীটোৰ অন্ত পৰে।

বিষয়বস্তু ঃ

অসমৰ আদিম জনগোষ্ঠীসমূহৰ ভিতৰত সোনোৱাল কছাৰী এক অন্যতম জনগোষ্ঠী। অতীজৰে পৰা তেওঁলোকক কিৰাত গোষ্ঠীৰ লোক বুলি জনা গৈছিল। প্ৰকৃততে কিৰাতসকল বৃহত্তৰ মংগোলীয়ান জনগোষ্ঠীৰ লোক আৰু সেয়ে সোনোৱালসকলো মংগোলীয়ান জনগোষ্ঠীৰ লোক। তেওঁলোকে বৃহৎ অসমীয়া জাতিৰ লগত নিজকে বিলীন কৰি দিছে যদিও জনজাতীয় বৈশিষ্ট্য এতিয়াও বজাই ৰাখিছে। কিৰাতী আচাৰ-বিচাৰেৰে এতিয়াও সোনোৱালসকলে নানা পূজা-পাতল, সকাম-নিকাম, সবাহ আদি ধৰ্মীয় অনুষ্ঠান আৰু তোলনী বিয়াৰ দৰে সামাজিক অনুষ্ঠান পালন কৰে। পশু আৰু চৰাইৰ বলি-বিধান, মদ বা সুৰাৰ ব্যৱহাৰ, বনজ উপচাৰ, লৌকিক নৃত্য-গীতৰ পয়োভৰ আদিৰ দ্বাৰা এই অনুষ্ঠানসমূহত এতিয়াও জনজাতীয় বৈশিষ্ট্য অটুট আছে।

আনহাতে সোনোৱাল কছাৰী সমাজত পূজা, সকাম-নিকাম সন্দৰ্ভত অনেক লৌকিক-অলৌকিক কাহিনী প্ৰচলিত হৈ আহিছে। লোকসাহিত্য হিচাপে এইবোৰৰ মূল্য অপৰিসীম। তদানীন্তন সামাজিক জীৱনৰ চিত্ৰণ হিচাপেও এইবোৰৰ গুৰুত্ব অনেক।

উপৰোক্ত 'বৰচৰাই' নামৰ কাহিনীটোও সোনোৱালসকলৰ অন্যতম এক পূজাৰ লগত জড়িত হৈ আছে। উক্ত পূজাৰ নাম 'সৰগদেউ পূজা'। এই পূজাৰ বিষয়ে আলোচনা কৰাৰ আগেয়ে সোনোৱাল কছাৰীসকলৰ ধৰ্মীয় বিশ্বাসৰ ওপৰত কিছু আলোকপাত কৰা দৰকাৰ।

সোনোৱালসকলৰ মূল উপাস্য দেৱতা হৈছে খ্ৰাং খ্ৰাং বাইথ' দেৱতা। এই বাইথ' ত্ৰিশক্তিৰ গৰাকী, চাৰিমূৰ্তি জীৱ (গজন, বুৰণ, উৰণ, ভ্ৰমণ কৰোতা জীৱসমূহ)ৰ সৃষ্টিকৰ্তা, পালনকৰ্তা, সংহাৰ কৰোতা তথা পঞ্চভূতৰ (মাটি, পানী, বায়ু, তাপ আৰু মন) গৰাকীৰূপে মানি অহা হৈছে। এক কথাত বাইথ' হ'ল পৰমশক্তিৰ নাম আৰু বাইথ' পূজাৰ মূল উদ্দেশ্য হ'ল চাৰিমূৰ্তি জীৱৰ কল্যাণৰ হকে কৰা অৰ্চনা।

এই পৰম শক্তিৰ উপৰি সোনোৱালসকলে দেৱতা নামৰ ঐশী শক্তিৰ ধাৰণা কৰে। তেওঁলোকৰ ধৰ্ম-বিশ্বাসমতে, সৃষ্টিকৰ্তাৰ অধীনত সৰগত থকা দেৱতাসকলে বিশেষ ঐশী শক্তিৰ গৰাকী আৰু প্ৰাকৃতিক, অলৌকিক, ভৌতিক, আধিভৌতিক একো একোটা কৰ্মকাণ্ডৰ নিয়ন্তা। সৃষ্টিকৰ্তাই সৃষ্টি কৰে, বিধিয়ে ভাগ্যলিপি লিখে। প্ৰকৃতিৰ বিভিন্ন কৰ্মকাণ্ডসমূহ, যেনে—ব'দ, বৰষুণ-বতাহ, ধুমুহাৰ গৰাকী হিচাপে একোগৰাকী দেৱতাক কল্পনা কৰা হয়। ঠিক তেনেকৈ খেতি-বাতি, চিকাৰ, পশুপালন আদি ক্ষেত্ৰৰ অধিকাৰী হিচাপেও একোগৰাকী দেৱতাৰ কল্পনা কৰা হয়। এই দেৱতাসকলৰ ইচ্ছা আৰু কৰুণাৰ ওপৰতে বিশ্বচৰাচৰৰ কল্যাণ নিৰ্ভৰ কৰে। গতিকে সকলো জনজাতীয় সমাজৰ দৰেই সোনোৱাল কছাৰী সমাজতো দেৱতাসকল পূজিত হয়। আনকি বাইথ' পূজাৰ ভূৰুলী শালৰ পূজাত তেত্ৰিছ কোটি দেৱতাৰ প্ৰতি পূজা আগবঢ়োৱা হয়।

'সৰগদেউ পূজা' সৰগৰ দেৱতাসকলৰ উদ্দেশ্যে কৰা পূজা। সৰগৰ দেৱতাসকলৰ প্ৰতি কৰা পূজা বাবেই এই পূজাৰ নাম 'সৰগদেউ পূজা' হ'ব পাৰে।

সোনোৱাল কছাৰী সমাজৰ কেতবোৰ বংশ বা সঁচৰ লোকে এই পূজা পালন কৰে। তুৰুকী, মুদুৰী, বাইথৰী, ঢাকনাৰী, গলাৰী, ফেটাৰী, নেজকটাৰী, ওঝাৰী, হাতখোৱাৰী আদি সঁচৰ লোকে ব্যক্তিগতভাৱে বা পৰিয়ালভিত্তিক এই পূজা কৰে। সমজুৱা বা ৰাজহুৱা হিচাপেও এই পূজা কৰে। এই সঁচৰ লোকসকল সিঁচৰতি হৈ থকা অসমৰ বিভিন্ন অঞ্চল, যেনে—ডিব্ৰুগড় জিলাৰ জামিৰা, জকাই, তিনঠেঙীয়া, আঘোণীবাৰী, নাহৰকটীয়া, দীঘলী, তিনিচুকীয়া জিলাৰ মেগেলা, বৰপথাৰ, ন-পথাৰ, ডাঙৰী, ধেমাজি জিলাৰ চিলাপথাৰ আদি ঠাইত এই পূজা পালন কৰা হয়। তদুপৰি হিন্দুৰীয়া আৰু বেহাৰী দুয়োটা পন্থাৰ লোকে এই পূজা পালন কৰে। ('বৰচৰাই' কাহিনীৰ শেষৰ ফালে মাকে বেটুকোঁৱৰক কয়, 'কলিযুগত হিন্দুৰীয়াই "বৰসবাহ" আৰু বেহাৰীয়ে "সৰগদেউ পূজা কৰিব।")

এই পূজাৰ আয়োজন বৰ ডাঙৰ। কিয়নো এই পূজাত ব্যৱহৃত উপচাৰসমূহৰ বেছিভাগেই বনজ দ্ৰব্য আৰু এইবোৰ সততে আৰু সহজতে পোৱা নাযায়। পালেও উভৈনদীকৈ পোৱা নাযায়। কেতিয়াবা এই পূজাত হাজাৰ-বাৰশ পৰ্যন্ত লোকৰ আগমন ঘটে। সকলো লোকৰ বাবে এনে উপচাৰসমূহ সংগ্ৰহ কৰা সহজসাধ্য নহয়। এইবোৰ সংগ্ৰহ কৰিবলৈ বহু মানুহ আৰু সময় লাগে। গতিকে পৰিয়াল ডাঙৰ হ'লে এনে পূজা কৰিবলৈ সুবিধা হয়। সেয়েহে এই পূজা সাধাৰণতে প্ৰতিবছৰে নাপাতি কেইবাবছৰৰ মূৰত পতা হয়। এই পূজাক বৰ ডাঙৰ সকাম হিচাপে গণ্য কৰা হয়। গতিকে এই পূজা কৰিলে আন কিছুমান ঘৰুৱা সকাম-নিকাম নকৰিলেও হয় বুলি বিশ্বাস আছে।

অৱশ্যে ঠাইভেদে এই পূজাৰ পদ্ধতি, দ্ৰব্য, উপচাৰ, পূজা কৰাৰ সময় আদিৰো কিছু তাৰতম্য দেখা যায়। বিভিন্ন ঠাইৰ বিভিন্ন সামাজিক পৰিৱেশ, পাৰিপাৰ্শ্বিক বাতাৱৰণ, অন্য সম্প্ৰদায়ৰ সংস্কৃতিৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত এনে তাৰতম্য হ'ব পাৰে। কিন্তু সেয়ে হ'লেও পূজাৰ মূল জুমুঠিটো একেই।

এই নিবন্ধত ডাঙৰী অঞ্চলৰ ন-পথাৰ গাঁৱত যেনেদৰে সৰগদেউ পূজা পালন কৰা হয়, ঠিক তেনেদৰেই এই পূজাৰ বৰ্ণনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। সেই অঞ্চলত প্ৰচলিত 'বৰচৰাই' কাহিনীটো সংগ্ৰহ কৰা হৈছে ন-পথাৰত অৱস্থিত মূল বাইথ' মন্দিৰৰ মজিন্দাৰ শ্ৰীযুত প্ৰমোদ সোনোৱালদেৱৰ পৰা। তেখেতে তেখেতৰ বিভিন্ন লেখনিত এই 'সৰগদেউ পূজা' আৰু 'বৰচৰাই' কাহিনীটোৰ উল্লেখ কৰিছে।

প্ৰকৃততে সৰগদেউ পূজা কৃষিভিত্তিক পূজা। এই পূজাৰ মূল উদ্দেশ্য হ'ল খেতি-বাতি (ধানখেতি)ৰ শ্ৰীবৃদ্ধিৰ বাবে কৃষিকৰ্মৰ লগত সংযুক্ত বুলি ভবা দেৱতাসকলৰ প্ৰতি পূজা আগবঢ়োৱা। সাধাৰণতে শাওণ-ভাদ মাহত ৰোৱা তোলাৰ কাম শেষ হয় আৰু কাতি মাহত ধানে গেৰ মেলে। ধানে গেৰ মেলাৰ সময়তে খেতি ভাল হ'বৰ বাবে, ধানত পতান নহৈ গুটি হ'বৰ বাবে দেৱতাৰ আশীৰ্বাদ কামনা কৰি এই পূজা পতা হয়। (দুই-একে অৱশ্যে বিশেষ অসুবিধাত পৰি বা পৰম্পৰাৰ বাবে ফাগুণ-চ'ত মাহতো কৰে।)

সৰগদেউ পূজা আচলতে সূৰ্য দেৱতাৰ উদ্দেশ্যে কৰা পূজা। সূৰ্যই আমাক তাপ আৰু পোহৰ দিয়ে। সেয়ে সূৰ্য সকলো শক্তিৰ উৎস বুলি গণ্য কৰা হয়। সূৰ্যক কৃষিকৰ্মৰো মূল শক্তি বুলি পূজা কৰা যায়। লগতে কৃষিকৰ্মৰ লগত জড়িত বিভিন্ন ক্ষেত্ৰ আৰু উপাদান, যেনে— কৃষিভূমি, পানী, বতাহ আদিৰ নিয়ন্তা হিচাপে বসুমতী, বৰুণ, বায়ু আদি দেৱতাক পূজা কৰা হয়। আনকি শস্য অনিষ্ট কৰিব পৰা বিভিন্ন

পশু-পক্ষী, পতংগৰ গৰাকী আদিকো পূজা কৰা হয়। এই দেৱ-দেৱীৰ নামসমূহ হৈছে—

১। সূৰ্য, ২। বেটুকোঁৱৰ, ৩। বায়ু, ৪। বৰুণ, ৫। বসুমতী, ৬। গাতিগিৰি, ৭। গণেশ, ৮। মৰাক, ৯। দালি, ১০। ভঁৰালী, ১১। কুবেৰ বুঢ়া-বুঢ়ী, ১২। দাঢ়িয়া বুঢ়া-বুঢ়ী, ১৩। সাগৰ বুঢ়া-বুঢ়ী, ১৪। চেং তামুলী, ১৫। মন তামুলী, ১৬। বিধি আৰু বিধাতা, ১৭। হৰিচৰণ, ১৮। নন্দনী লখিমী, ১৯। সাতভাই-ককাই, ২০। বৰা, ২১। বান্দৰ, ২২। চৰাই চিৰিকটি, ২৩। শুহনী, ২৪। কুটনি, ২৫। পতানী, ২৬। ৰোৱা কোবোৱা, ২৭। দোৱা কোবোৱা, ২৮। কুঠাৰী আদি।

ওপৰত উল্লিখিত দেৱতাসকলৰ প্ৰত্যেকেই কিবা নহয় কিবা প্ৰকাৰে কৃষিকৰ্মৰ লগত জড়িত। দেৱতাসকলৰ নামসমূহ বিচাৰ কৰিলে দেখা যায় যে আৰ্য হিন্দু দেৱতাও এই পূজাত পূজিত হৈছে। এইটো এটা বিচাৰ কৰিব লগা কথা। সোনোৱালসকল কিৰাত জনগোষ্ঠীৰ লোক। গতিকে সোনোৱাল সংস্কৃতিৰ মূল আধাৰ হ'ল মংগোলীয়ান সংস্কৃতি। আনহাতে হিন্দু সংস্কৃতি হ'ল আৰ্য সংস্কৃতি। কালক্ৰমত সমগ্ৰ ভাৰতজুৰি চৌৰাই যোৱা আৰ্য সংস্কৃতিৰ প্ৰভাৱ মংগোলীয়ান সংস্কৃতিৰ ওপৰতো পৰে আৰু আৰ্য-মংগোলীয়ানৰ এক সংমিশ্ৰিত সংস্কৃতি গঢ়ি উঠে। সেয়েহে সোনোৱালসকলৰ বহুতো পূজা তথা সকাম-নিকাম আৰু গীত-মাতত আৰ্য দেৱতা (হিন্দু) আৰু অনাৰ্য দেৱতা (কিৰাতী) দুয়োবিধ দেৱতাৰে নাম পোৱা যায়। সৰগদেউ পূজাত বায়ু, বৰুণ, বসুমতী, গণেশ, সূৰ্য, কুবেৰ, বিধি আদি আৰ্য দেৱতা পূজিত হয়।

আগতেই উল্লেখ কৰা হৈছে যে এই পূজা কৃষিভিত্তিক পূজা। কৃষিকৰ্মৰ লগত জড়িত বাবে আৰু ধান গেৰ হোৱা সময়ত কৰা বাবে এই পূজাৰ আশীৰ্বাদত কোৱা হয়— 'কাঠবাঁজী ল'ৰা পায়, খোৰাও পৰ্বত বগায়, আঙুলি নাইকিয়াই মাদল বজায়, বোবাও চতুৰ হয়, অন্ধই দৃষ্টি পায়, অজ্ঞানে জ্ঞান পায়, নিৰ্ধনী ধনী হয়।' এই আশীৰ্বাদ আশীৰ্বদীয়াই বৰচৰাইৰ কাহিনীৰ অন্তত আৰু ভোজনৰ সময়ত দিয়ে।

এই আশীৰ্বাদসমূহ খেতিৰ শ্ৰীবৃদ্ধিৰ লগত সম্পৰ্কিত। কিন্তু দেখাৰ দৰে আশীৰ্বাদসমূহ পোনপটীয়া অৰ্থবোধক নহয়। মন্ত্ৰৰ দৰেই ই সাংকেতিকসূচক আৰু দ্ব্যৰ্থবোধক। পোনপটীয়া অৰ্থও এটা আছে, প্ৰকৃত অৰ্থ হিচাপে অন্তৰ্নিহিত অৰ্থ এটাও আছে। মহিমাসূচক আৰু ৰহস্যময় কৰি তুলিবলৈকে এনেদৰে আশীৰ্বাদ আৰু মন্ত্ৰসমূহ দ্ব্যৰ্থবোধকৰূপে সৃষ্টি কৰা হয়। এতিয়া চোৱা যাওক এইবোৰ কেনেদৰে কৃষিকৰ্মৰ লগত জড়িত।

(১) কাঠবাঁজী ল'ৰা পায় : পোনপটীয়া অৰ্থমতে, কাঠবাঁজী অৰ্থাৎ সন্তান জন্ম দিব নোৱাৰা মহিলাকো সন্তান জন্ম দিব পৰা হ'বলৈ আশীৰ্বাদ দিয়া হয়। অন্তৰ্নিহিত অৰ্থমতে, খাটপতানো গত হওক। অৰ্থাৎ ধানত পতান নহৈ গুটি হওক। (খাটপতান—পতান, গুটিহীন ধান)

(২) খোৰাও পৰ্বত বগায় : পোনপটীয়া অৰ্থমতে খোৰা বা লেঙেৰা লোক পৰ্বত বগাব পৰা হ'বলৈ আশীৰ্বাদ দিয়া হয়। অন্তৰ্নিহিত অৰ্থমতে, খোৰা মানে লেঙেৰা বা বুঢ়া গৰু, যাৰদ্বাৰা খেতি-বাতি সম্ভৱ নহয়। কিন্তু এই পূজা কৰিলে সেয়াও সম্ভৱ হ'ব বুলি আশীৰ্বাদ দিয়া হয়।

(৩) আঙুলি নাইকিয়াই মাদল বজায় : আঙুলি নহ'লে ঢোলসদৃশ বাদ্য-মাদল বজোৱা সম্ভৱ নহয়। ইয়াত আঙুলি নাইকিয়া মানে হালগৰু নথকা লোক অথবা হালোৱা তথা হালগৰু নথকা দুখীয়া-দুখুনী লোকক বুজোৱা হৈছে, যাৰ খেতি-বাতি হোৱাৰ আশা নাথাকে। কিন্তু এই পূজা কৰিলে সমাজৰ

পৰা, গাঁও-গিয়াতিৰ পৰা খেতিৰ সময়ত সহায়-সহযোগ পাব আৰু সুকলমে খেতি-বাতি সমাধা হ'ব বুলি আশীৰ্বাদ দিয়া হয়।

(৪) বোবাও চতুৰ হয়, অন্ধই দৃষ্টি পায়, অজ্ঞানে জ্ঞান পায় ঃ খেতি-খোলা কৰিবলৈ নজনা লোকক বোবা, অন্ধ বা অজ্ঞানী বুলি কোৱা হৈছে। এই পূজা কৰিলে সেয়ে খেতি-বাতিৰ বিষয়ে জ্ঞান হ'ব বুলি আশীৰ্বাদ দিয়া হৈছে।

(৬) নিৰ্ধনী ধনী হয় ঃ এই সকলোবোৰ সমাধা হ'লে দুখীয়া মানুহো খেতি-বাতিৰ জোৰত ধনৱন্ত হ'ব পাৰে।

গতিকে দেখা যায় যে পূজাৰ আশীৰ্বাদসমূহ সম্পূৰ্ণ কৃষিকৰ্ম বিষয়ক। কৃষিৰ উৎকৰ্ষৰ বাবে কৰা পূজা বাবে কৃষিজীৱী সোনোৱাল কছাৰী সমাজত ইয়াৰ এটা বিশেষ স্থান আছে।

এই পূজাৰ উপচাৰৰ তালিকাখন যথেষ্ট দীঘল। লাগতিয়াল উপচাৰসমূহ—

১। এটা নিঘুণী বগা ৰঙৰ মতা কুকুৰা

২। এজনী নিঘুণী ক'লী জুখলী (ডেকেৰী) মাইকী কুকুৰা

৩। সৰগ ফুলৰ গছৰ পোখা, অতি কমেও ১২০টা।

৪। কেঁচা পিঠা, পোৰা পিঠা (কলপাতত/কৌপাতত মেৰিয়াই কেৰাহিত ভজা পিঠা), আঙুলি পিঠা (গৰম পানীত সিজাই মুঠি মুঠিকৈ মিঠাতেলত ভজা পিঠা)

৫। মদ মেৰা, ঝল মদ

৬। থলাভাত বা নাঙল ভাত, কৰ্কৰা ভাত (কৌপাতত তিওৱা লাহী চাউল বান্ধি কেৰাহিত সিজোৱা ভাত। টোপোলাটোত বাঁহৰ সৰু সৰু শলখা মাৰি দিয়া হয়।)

৭। সিজোৱা জাতি কল

৮। বেতগাজ, মেচাণ্ডী মেজেঙা, আহমপাত, ঢেঁকীয়া আদি খাদ্য উদ্ভিদ

৯। নিমখ, তেল, পানী তামোল-পাণ, তেলৰ শলিতা

১০। কুকুৰা-কণী

১১। শুকান পুঠিমাছ (কমেও ১২০ জনী বা বেছি)

১২। ১২০ যোৰা কৌপাত পূজাৰ বাবে। নানা আনুষংগিক কামৰ বাবে অতিৰিক্ত পাত

১৩। ১২০ যোৰা নলচুঙা (১২০ যোৰা বা বেছি)

১৪। ১২ ডাল নলযাঠি

১৫। চেচু পৰা কাঠৰ এখন কুঠাৰ আৰু এখন দা

১৬। সূৰ্য দেৱতাৰ বাবে নলেৰে বনোৱা এটা খকাৰী বা খাং

১৭। বেটুকোঁৱৰৰ বাবে তিনিটা চাংঘৰ

১৮। এটা ডালি-খৰাহি, আৰৈ চাউল, মাটি-চাকি, তেল, এঁৰা সূতা, আঙঠি, পানীৰে পূৰ্ণ ঘট, লোটা, পইচা, এঁৰা সূতাৰে এটা চেৰেকী আদিৰে ডালি সজোৱা হয়।

১৯। ভোজৰ বাবে আনুষংগিক চাউল, শাক-পাত, খৰি, তেল, পাত্ৰ, আসন, বস্ত্ৰ আদি।

সৰগদেউ পূজাত ১২০ ভাগ পূজাৰ নৈবেদ্য আগবঢ়োৱা হয়। গতিকে সেই অনুপাতে এই উপচাৰসমূহ সংগ্ৰহ কৰা হয়। তদুপৰি ভোজৰ বাবেও অতিৰিক্ত পৰিমাণৰ সামগ্ৰী সংগ্ৰহ কৰিবলগীয়া হয়।

পূজাৰ পদ্ধতি ঃ পূজাৰ সমস্ত যা-যোগাৰ কৰি লৈ পূজাৰ দিনদিয়েকৰ আগতে ঘৰখন শুচি কৰি লোৱাৰ নিয়ম। সোনোৱাল সমাজত ঘৰখন শুচি কৰিবৰ বাবে যি পূজা কৰা হয়, তাক 'খিন ভঙা পূজা' বোলা হয়। কোনো শুভ কৰ্ম বা ডাঙৰ সকাম-নিকামৰ আগতে বা বছৰেকৰ বহাগ বিহুৰ সময়ত খিন ভঙা পূজা কৰি ঘৰখন শুচি কৰি লোৱা হয়। এক নিজস্ব পদ্ধতিৰে সোনোৱালসকলে খিন ভাঙে।

এই পূজাৰ বাবে পূজাথলী বৰ ডাঙৰ হ'ব লাগে। লগতে ভকত বহিব পৰা ব্যৱস্থা থাকিব লাগে। সেয়ে ডাঙৰ চোতালত অথবা বাৰীৰ মাজৰ মুকলি ঠাইত এই পূজাৰ আয়োজন কৰা হয়। এজন অভিজ্ঞ পূজাৰী বা দেওধাইৰ দ্বাৰা এই পূজা কৰা হয়।

পূজাৰ বাবে পূজাস্থলীত মাটিৰে দীঘলীয়াকৈ আয়তক্ষেত্ৰ আকাৰৰ এটি ঢিপ বা ভেটি বনোৱা হয়। ভেটিটোৰ ওপৰত কেঁচা পিঠাগুৰি ছটিয়াই লোৱা হয়। ভেটিৰ একেবাৰে সোঁ-মূৰত এটা নলেৰে নিৰ্মিত খকাৰী গুজি পুতি লোৱা হয়। এই খকাৰীটো তিনিফুটমান ওখ হয়। খকাৰীটো সূৰ্যদেৱতাৰ নামত বনোৱা হয়। খকাৰীৰ বাঁওফালে ঢিপৰ সোঁ-মাজত বেট্‌কৌৱৰৰ নামত তিনিটা চাংঘৰ সাজি লোৱা হয়। নলৰ খুঁটা, কলপটুৱাৰ বেৰ, চাল, বাঁহৰ হেন্দালি, চাং আৰু কাঠৰ জখলাৰে দুই-আঢ়েফুট ওখকৈ, এপাব বাঁহৰ সমান দীঘল বহলকৈ এই চাংঘৰকেইটা সজা হয়। প্ৰতিটো চাংঘৰৰ লগত চাৰিডালকৈ নলৰ যাঠি মাটিত পুতি দিয়া হয়। এই চাংঘৰকেইটাক বাঁওফালৰ পৰা ক্ৰমে উৰাল ঘৰ, বৰঘৰ আৰু গোহালিঘৰ বোলা হয়।

তাৰপাছত ভেটিটোৰ ওপৰত শাৰী শাৰীকৈ কৌপাতবোৰ পাৰি লোৱা হয়। কৌপাতবোৰ পাৰোতে পিঠিটো ওপৰলৈ আৰু আগটো পূব দিশলৈ কৰা হয়। এনেকৈ কৌপাতৰ মুঠ ভাগ হয় ১২০ টা। প্ৰতিটো ভাগত এযোৰকৈ কৌপাত থাকে। তাৰপাছত পাতবোৰৰ প্ৰতিটো ভাগত পূজাৰ নৈবেদ্যসমূহ দি পূজাৰ ভাগবোৰ সজোৱা হয়। প্ৰতিটো ভাগত আগবঢ়োৱা নৈবেদ্যসমূহ এনে—

১। তামোল-পাণ এযোৰ, ২। নাঙল বা থলা ভাতৰ এটা টোপোলা, ৩। কৰ্কৰা ভাত, নিমখ, ৪। কেঁচা পিঠা, পোৱা পিঠা আৰু আঙুলি পিঠা, ৫। সিজোৱা শাক— মেচাণ্ডী, মেজেঙা, নেফাফু, ৬। টেঁকীয়া শাকৰ খাজি (টেঁকীয়া, শুকান পুঠি মাছ, মেচাণ্ডী আৰু আহম টেঙাপাতৰ ভাজি), ৭। সিজোৱা/পোৱা বেতগাজ, ৮। সিজোৱা জাতিকল এটা, ৯। সৰগফুল গছৰ পোখা এটা (কেঁচাকৈ), ১০। কুকুৰা-কণী দুটা—এটা খকাৰীত আৰু আনটো বসুমতীৰ ভাগত, ১১। প্ৰতিটো ভাগৰ কাষত এযোৰ এযোৰকৈ দুযোৰ নলচুঙা। তাৰে এযোৰত পানী থাকে আৰু আনযোৰত ঝল মদ থাকে।

সৰ্বপ্ৰথমে পূজাৰী বা দেওধায়ে সূৰ্যদেৱতাৰ নামত পূজা আগবঢ়ায়। সূৰ্যদেৱতাৰ নামত বনোৱা খকাৰীটোত পূজাৰ ভাগ এটা আগবঢ়োৱা হয়। উক্ত ভাগটোত এটা কুকুৰা-কণী দিয়া হয়। তাৰ পাছত খকাৰীৰ তলত থকা (টিপৰ ওপৰত থকা ভাগটো) সূৰ্যদেৱতাৰ ভাগটোত বগা কুকুৰাটো ডিঙিত ৰেপি বলি দিয়া হয়। কুকুৰাটোৰ পেটুডাল উলিয়াই খকাৰীটোৰ ওপৰত আঁৰি দিয়ে। কুকুৰাটোৰ মাংস ৰাইজক দিয়া ভোজত দিয়া হয়। খকাৰীত দিয়া পূজাৰ ভাগৰ কণীটো কটাৰীৰে ভঙা হয়।

সূৰ্য আৰু সকলো দেৱতালৈ নৈবেদ্য আগবঢ়োৱাৰ পাছত দেওধায়ে ক'লী জুখলী কুকুৰাজনী লৈ চাংঘৰকেইটাৰ আগত বহে। লগত চেচুপৰীয়া কাঠৰ কুঠাৰখন আৰু দাখন থাপি লয়। তাৰপাছত দেওধায়ে উপস্থিত ৰাইজৰ আগত ওপৰত উল্লেখ কৰা বৰচৰাইৰ কাহিনীটো কয়। কাহিনীৰ শেষত এক বিশেষ নিয়মেৰে কুকুৰাজনী বলি দি তেজবোৰ পূজাৰ প্ৰতিটো ভাগৰ ওপৰত ইমূৰৰ পৰা সিমূৰলৈ দি যায়। কেৱল 'মৰাক'ৰ ভাগটোত তেজ নিদিয়ে।

ক'লী কুকুৰাজনী বলি দিয়াৰো এক বিশেষ নিয়ম আছে। ক'লী কুকুৰাজনী বৰচৰাইৰ প্ৰতীক। বেটুকোঁৱৰে বৰচৰাইজনী চকুত নিবদ্ধ কৰিহে বধ কৰিছিল। তাৰ প্ৰতীকস্বৰূপে এই পূজাতো দেওধায়ে চেচুপৰীয়া কাঠৰ দাখনেৰে কুকুৰাজনীৰ চকুত মাৰি তেজ উলিয়াই তাৰ তেজবোৰ পাতৰ ভাগে ভাগে দি যায়। এইদৰে দি যাওঁতে মেঘে গাজনি মৰাৰ দৰে মুখেৰে 'গিৰ্ গিৰ্ গিৰ্ গিৰ্' শব্দ কৰি যায়। তাৰপাছত কুকুৰাজনীৰ পেট ফালি পেটুডাল উলিয়াই তিনিওটা চাংঘৰ সংলগ্ন কৰি ওপৰত আঁৰি থয়। বসুমতীৰ ভাগত দিয়া কণীটো কুঠাৰেৰে ভাঙে।

তাৰপাছত গৃহস্থই ৰাইজক সেৱা জনায়। সমজুৱা পূজা হলে বাৰিকে সেৱা জনায়। আশীৰ্বদীয়াই আশীৰ্বাদ দিয়ে। কুকুৰাজনীৰ মাংস উহোৱা কলৰ সৈতে খাজি বনাই দেৱতাৰ ভাগসমূহত দিয়ে। দেৱতাক উচৰ্গা কৰাৰ পাছতহে ভকতসকলে 'দেৱতাৰ অৰ্জন মনুষ্যৰ ভোজন' বুলি মাধপুৰুষৰ ৰসৰ লগত খাজি গ্ৰহণ কৰে।

ইয়াৰ পাছত গৃহস্থই লখিমীৰ নামত আগবঢ়োৱা ডালিৰ ভাগটো আৰু ডালিটো পূজাস্থলীৰ পৰা ঘৰলৈ স-সন্মানেৰে লৈ আহে। বাটত পাত পাৰি, চেৰেকীৰ সূতা টানি কোনো কোনোৱে লখিমী আদৰা গীত গায় আৰু কোনোৱে নোগোৱাকৈ লখিমী লৈ আহে। পৰিয়ালৰ লোক কেইবাঘৰো হ'লে, প্ৰত্যেকেই ঘৰলৈ লখিমী আনে। এয়া ঘৰলৈ লখিমী আহ্বান আৰু আদৰাৰ প্ৰতীক। প্ৰকৃততে সৰগদেউ পূজাই এইদৰে লখিমী আদৰা কৃষিপূজাৰ ৰূপ পৰিগ্ৰহ কৰে।

লখিমী আদৰাৰ পাছত ভকত, বান্ধৱ, অতিথিক অন্নমুঠি আগবঢ়োৱা হয় আৰু ভকতেও সমজুৱাকৈ ভোজ খায়। কোনোৱে বৰঘৰত আৰু কোনোৱে খোলা পাতি ভোজ দিয়ে। ভোজনৰ অন্তত গৃহস্থই বিদায়-সেৱা জনায় আৰু এইদৰেই সৰগদেউ পূজাৰ অন্ত পৰে। পূজাৰ অন্তত ভকতসকল ঘৰাঘৰি যায়। বিদায়-সেৱাৰ পাছত পূজাৰ দ্ৰব্যসমূহ গৰখীয়া ল'ৰাই পূজাস্থলীৰ পৰা উঠাই লৈ যায়। কেৱল গাতিগিৰি আৰু মৰাকক দিয়া ভাগ দুটা এৰি থৈ যায়।

বৈশিষ্ট্য ঃ

সৰগদেউ পূজাৰ কেইটামান বিশেষ বৈশিষ্ট্য লক্ষ্য কৰা যায়। বৰ্তমান সময়ত এই পূজাৰ প্ৰাসংগিকতাৰ বিষয়টো আলোচনা নকৰাকৈও ক'ব পাৰি যে সৰগদেউ পূজা সোনোৱাল কছাৰী সংস্কৃতিৰ এক বহুমূলীয়া সম্পদ। সাংস্কৃতিক বাতাৱৰণ সৃষ্টি কৰাত, পৰিয়ালৰ ঐক্য সুদৃঢ় কৰাত,

সামাজিক সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰাত এনে পূজাৰ গুৰুত্ব আছে।

এই পূজা জনজাতীয় আচাৰ-ব্যৱস্থাৰ নিদৰ্শন। বলি-বিধান প্ৰায় সকলো জনজাতীয় সমাজৰ ধৰ্মীয় বিশ্বাসৰ অন্যতম অংগ। এই পূজাত এটা বগা কুকুৰা আৰু এজনী ক'লী কুকুৰা বলি দিয়া হয় আৰু সকলো দেৱতালৈ আগ কৰা হয়।

এক পৰম শক্তিৰ লগতে বহু দেৱ-দেৱীৰ পূজা জনজাতীয় সমাজৰ অন্য এক ধৰ্মীয় পৰম্পৰা। প্ৰকৃতিৰ বিভিন্ন কৰ্মকাণ্ডই আদিম মানুহৰ মনত ভয়, বিস্ময়, উৎকণ্ঠাৰ সৃষ্টি কৰিছিল আৰু তাৰ পৰা পৰিত্ৰাণ বিচাৰি এইবোৰ কৰ্মকাণ্ডৰ গৰাকী হিচাপে একোজন দেৱতাৰ কল্পনা কৰি পূজা-অৰ্চনাৰ আৰম্ভণি কৰিছিল। এনে ধৰণেৰেই দেৱ-দেৱীসমূহৰ পূজাৰ আৰম্ভ হৈছিল। সৰগদেউ পূজাতো সূৰ্য, বসুমতী, বেটুকোঁৱৰকে আৰম্ভ কৰি ৬৪ গৰাকী দেৱতাৰ নামত পূজা আগবঢ়োৱা হয়।

বৰচৰাইৰ কাহিনী আৰু এই পূজাৰ পৰা সোনোৱালসকলৰ কৃষিকৰ্মৰ স্বৰূপ, খাদ্যাভ্যাসৰ পৰিচয়, ঘৰ সজোৱাৰ পদ্ধতি, চিকাৰ কৰাৰ আদিম প্ৰৱণতা আদিৰ বিষয়ে কিছু ধাৰণা কৰি ল'ব পাৰি। প্ৰকৃততে বৰচৰাইৰ কাহিনীৰ বহু কথাই প্ৰতীকাত্মক। সোনোৱালসকলৰ সভ্যতা আৰু জীৱন-প্ৰণালীৰ উত্তৰণৰ আভাসো পাব পাৰি এই কাহিনীটোত। সাতভায়ে খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰা কথাটোৱে ইতিমধ্যে সোনোৱালসকলৰ চিকাৰজীৱী আৰু পশুপালকৰূপী অৱস্থাৰ পৰা উত্তৰণ ঘটি কৃষিজীৱী হোৱাৰ কথাৰ নিৰ্দেশনা কৰিছে। তেওঁলোক তেতিয়াও পটু খেতিয়ক হোৱা নাই। তেজত তেতিয়াও চিকাৰ কৰাৰ হাবিয়াস আছে। সেয়েহে সাতভায়ে খেতি এৰি বৰচৰাইজনী মাৰিবলৈ যায়। আনহাতে বেটুকোঁৱৰে খেতি কৰাৰ উন্নত পদ্ধতি লৈ আহে। তেওঁ মাটিৰ কলহ জোৰা লগাব পাৰে, তাঁতশালৰ ছিগা সূতা জোৰা লগাব পাৰে, শিল ভাঙি পুনৰ এক কৰিব পাৰে, সৰিয়হ সিঁচি পুনৰ চপাব পাৰে। ইয়াৰ অৰ্থ এয়াই যে সোনোৱাল সমাজত এইবিলাক বিদ্যাত এক উন্নত প্ৰণালীৰ সূচনা হৈছিল। বৰচৰাই মাৰি বেটুকোঁৱৰে সোনোৱালসকলৰ চিকাৰজীৱী জীৱনৰ অন্ত পেলাইছিল। বৰচৰাইৰ পেটত বহুবছৰ থাকিও সাতভাই জীণ নোযোৱা আৰু বেটুকোঁৱৰে তেওঁলোকক উদ্ধাৰ কৰাৰ অন্তৰ্নিহিত অৰ্থও বোধকৰো তেনেকুৱাই। তেনেধৰণেৰে চিন্তা কৰিলে সোনোৱাল কছাৰীসকলৰ সভ্যতাৰ উত্তৰণৰ এটি লেখচিত্ৰ অংকন কৰিব পাৰি।

এই পূজাৰ পৰা সোনোৱালসকলৰ খাদ্য-অভ্যাসৰ বিষয়েও ধাৰণা কৰিব পাৰি। সৰগদেউ পূজাত কৌপাতৰ ভাগবোৰত যিবোৰ উপচাৰ আগবঢ়োৱা হয়, সেইবোৰ প্ৰতীকাত্মক। সাতভাই বা বেটুকোঁৱৰে বৰচৰাই মাৰিবলৈ যাওঁতে অথবা বেটুকোঁৱৰক বাৰীৰ এচুকত লুকুৱাই ৰাখোতে মাকে যিবোৰ দ্ৰব্য খাদ্য হিচাপে দিছিল, সেইবোৰেই এই পূজাত নৈবেদ্য হিচাপে আগবঢ়োৱা হয়। কলীয়া শাক, মেচাকী, মেজেঙা, নেফাফু, আহোম টেঙা, বেতগাজ আদি ঔষধি আৰু পুষ্টিগুণেৰে পৰিপূৰ্ণ আৰু এইবোৰ সোনোৱাল সমাজত জনপ্ৰিয়। পোৰা পিঠা, খোলা ভাত, সিজোৱা কল, শুকান মাছ আদি খাদ্যদ্ৰব্য বহুদিনলৈ বেয়া নহয় বাবে যাত্ৰাপথত লৈ যাব পাৰি বা সাঁচি থ'ব পাৰি। পুষ্টি আৰু শক্তিৰ বাবে কুকুৰাৰ মাংস উত্তম খাদ্য। পইতা ভাত সোনোৱালসকলে নাখায়, তাৰ সলনি কৰ্কৰা ভাত খায়। আনহাতে জনজাতীয় সমাজত মদ বা সুৰাৰ ব্যৱহাৰ এক অবিচ্ছেদ্য অংগ। নিয়মিত পৰিমাণৰ মদ সেৱনে দেহৰ অনিষ্ট নকৰে বুলি আজিৰ চিকিৎসা বিজ্ঞানেও কয়, বৰং ই দিনজোৰা কৃষিকৰ্ম বা দূৰভ্ৰমণৰ ক্লান্তি দূৰ কৰে। সেয়ে সোনোৱাল সমাজতো মাত্ৰ দুই নলচুঙা পৰিমাণৰ মদ সেৱনবাহে

ধৰ্মগত বান্ধোন আছে। তাৰ প্ৰতীকস্বৰূপেই প্ৰতিখন পূজাভাগৰ কাষে কাষে দুই নলচুঙা ঝল মদ দিয়া হয়। তদুপৰি পূজাত তামোল-পাণৰ ব্যৱহাৰ অন্য এক জনজাতীয় কৃষ্টিৰ পৰিচয়।

এই কাহিনীত কেইটামান সোনোৱাল জনবিশ্বাসৰ উমান পোৱা যায়। জনজাতীয় সমাজত জনবিশ্বাস, অন্ধবিশ্বাস, লোকবিশ্বাস কিছুমান পৰম্পৰাগতভাৱেই চলি আছে। যাত্ৰাপথত শুই থকা, পাখি মেলি থকা কপৌ চৰাই দেখিলে যাত্ৰা অমংগলীয়া হয় বুলি বিশ্বাস আছে। আনকি ঘৰৰ চালত কপৌ চৰায়ে ৰুণ দিলে খিন লাগে। সেয়ে বৰচৰাই মাৰিবলৈ যাওঁতে কপৌ চৰাই শুই থকা দেখি সাতভাই তথা বেটুকোঁৱৰে যাত্ৰা অমংগলীয়া বুলি বিশ্বাস কৰিছিল।

তিলৰ ধাৰ বৰ ডাঙৰ ধাৰ বুলি সোনোৱালসকলৰ সমাজত বিশ্বাস আছে। বামুণ বুঢ়া-বুঢ়ীয়ে সাতভাইক খাবলৈ এটা তিল ধাৰলৈ দিছিল, যাৰ বাবে বেটুকোঁৱৰে ককায়েকহঁতৰ সেই ধাৰ মাৰিবলৈ সাতবছৰ কাল হালোৱা খাটিব লগা হৈছিল।

সোনোৱাল সমাজত দোণত ধান জুখিলে দোণমূৰীয়াকৈ দিব লাগে বুলি অন্য এটা বিশ্বাস আছে। বেটুকোঁৱৰৰ আহ্বানত কপৌ চৰাইবোৰে দোণত সৰিয়হখিনি দোণমূৰীয়াকৈ ভৰাই দিছিল।

কাহিনীটোত কেইটামান শব্দ আছে, যিকেইটা কেৱল সোনোৱালসকলে ব্যৱহাৰ কৰে—

ঝল মদ — কলহৰ পৰা পানী নিমিহলোৱাকৈ উবুৰিয়াই বাকি অনা মদ

জুখলী — ডেকেৰী, ডেমা

ঝিনিনিক — আকাশত বিজুলী মৰা

কাচতি — গা ঢকা আৱৰণ, ৰিহা-মেখেলা জাতীয় কাপোৰ

খাটপতান — ধানৰ পতান, গুটিহীন ধান

গত –- ভৰি পৰা, গুটি হোৱা

খিন — অশৌচ

খাজি — ভাজি

খকাৰী — খাং

এইদৰে দেখা যায় যে সম্পূৰ্ণ সোনোৱাল কছাৰী সাংস্কৃতিক উপাদানেৰে পৰিপূৰ্ণ সৰগদেউ পূজা। সোনোৱাল কছাৰীসকলৰ এক অন্যতম ধৰ্মীয় বিশ্বাস আৰু সংস্কৃতি। তদুপৰি বৃহত্তৰ অসমীয়া জাতিৰ বাৰেৰহণীয়া সাংস্কৃতিক বিন্যাসৰ এক অনুপম অংগ।

সহায়ক গ্ৰন্থপঞ্জী আৰু কৃতজ্ঞতা স্বীকাৰ ঃ

গ্ৰন্থ ঃ

১। *সোনোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি*

২। *সোনোৱাল সৌৰভ*

৩। *হায়দাং* ঃ পশ্চিম ডিব্ৰুগড় বাইথ' পূজা সমিতিৰ মুখপত্ৰ

ব্যক্তি ঃ

১। শ্ৰীপ্ৰমোদ সোনোৱাল ঃ মজিন্দাৰ, মূল বাইথ' মন্দিৰ, ন-পথাৰ, ডাঙৰী, তিনিচুকীয়া

২। শ্ৰীযুগল ফৰমাল ঃ সম্পাদক, সদৌ অসম সোনোৱাল কছাৰী কল্যাণ সংঘ

৩। শ্ৰী ভূপেন শইকীয়া ঃ প্ৰবক্তা, লেঙেৰী মহাবিদ্যালয়, মৰাণ, লেঙেৰী

৪। শ্ৰীভুবন সোনোৱাল ঃ হাৰকপথাৰ, ডিব্ৰুগড়

চতুর্থ অধ্যায়

লোক-সংস্কৃতি গীতমালা উৎসব পরিক্রমা

মিচিং লোক-সংগীতৰ পৰম্পৰা

টাবু টাইদ

[বি.দ্র. প্ৰবন্ধটিত সন্নিবিষ্ট মিচিং ভাষাৰ মূল গীতসমূহ আৰু প্ৰবন্ধৰ মাজে মাজে ব্যৱহাৰ কৰা মিচিং শব্দসমূহ অসমীয়া লিপিত দিয়া হৈছে। এই সম্পৰ্কে মিচিং ভাষা নজনা পাঠকসকলে তলৰ কথাখিনি মন কৰিব।

মিচিং ভাষা নজনাসকলৰ বাবে ভাষাটোত দুটা জঞ্জলীয়া স্বৰধ্বনি আছে (এই প্ৰকাৰৰ স্বৰধ্বনিক ধ্বনিতত্ত্ববিদে 'কেন্দ্ৰীয়'—central– আখ্যা দিছে)। এই দুটা ধ্বনিৰ বাবে অসমীয়া বৰ্ণমালাত উপযুক্ত বৰ্ণ নথকা হেতু এটাৰ বাবে অী (ব্যঞ্জনবৰ্ণৰ লগত যোগ হ'লে কী, গী, জী, তী, দী ইত্যাদি) আৰু আনটোৰ বাবে অৃ (ব্যঞ্জনবৰ্ণৰ লগত যোগ হ'লে কৃ, গৃ, চৃ, জৃ, তৃ, দৃ ইত্যাদি) ব্যৱহাৰ কৰা হৈছে। সাজি লোৱা এই বৰ্ণ দুটাৰ উচ্চাৰণ ক্ৰমে 'মধ্য-কেন্দ্ৰীয়' আৰু 'উচ্চ-কেন্দ্ৰীয়' বুলি ক'লে ধ্বনিতত্ত্বৰ ছাত্ৰই বুজি পাব। সৰ্বসাধাৰণ পাঠকে মোটামুটিভাৱে জানি থ'ব যে—অী হ'ল এ আৰু উ-ৰ মাজৰ আৰু অৃ হ'ল ই আৰু উ-ৰ মাজৰ স্বৰধ্বনি—ঔ (ৌ) বা ঋ (ৃ) ধ্বনি নহয়। কিন্তু এই কথা জনাৰ পাছতো শিকি নল'লে তেওঁলোকে ধ্বনি দুটা উচ্চাৰণ কৰিব নোৱাৰিব। শিকাৰ উপায় বা প্ৰয়োজন নাথাকিলে অী-ক 'এ' আৰু অৃ-ক 'ই' বুলিয়েই উচ্চাৰণ কৰিব।

অী আৰু অৃ-ৰ উপৰি বহুতো স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ পাছত কলন (:) চিহ্ন ব্যৱহাৰ কৰা দেখা পাব—অ:, আ:, ই:, উ:, এ:, অী:, অৃ:, (ক:, গ:, কা:, গা:, কি:, গি: ইত্যাদি)। পাঠকসকলে মন কৰিব যে সংশ্লিষ্ট স্বৰধ্বনিটো দীৰ্ঘ (হ্ৰস্বস্বৰতকৈ প্ৰায় দুগুণ দীঘলকৈ উচ্চাৰণ হোৱা) বুজাবলৈ এই কলন চিহ্ন ব্যৱহাৰ কৰা হৈছে—ই বিসৰ্গ নহয়। হ্ৰস্বস্বৰ আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্য মিচিং ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য—স্বৰৰ দৈৰ্ঘ্য অনুসৰি শব্দৰ অৰ্থও সলনি হয়। উদাহৰণস্বৰূপে, অনাম্ (জন্ম দিয়া)—অ:নাম্ (পানী শুকোৱা), ইনাম্ (কৰা)—ই:নাম্ (ৰং ধৰা), বিনাম্ (দিয়া)—বি:নাম্ (ভৰ্তি হোৱা), লেনাম্ (ৰোৱা)— লে:নাম্ (কেঁচা হোৱা) ইত্যাদি।

লগতে, ব্যঞ্জনান্ত ব্যঞ্জনৰ তলত হসন্ত চিহ্ন নিয়মীয়াকৈ ব্যৱহাৰ কৰা হৈছে। হসন্ত চিহ্ন নাথাকিলে

নিয়মীয়াকৈ স্বৰান্ত ব্যঞ্জন বুজাব।]

প্ৰাচীন কালত এতিয়া 'তানী' নামেৰে পৰিচিত হ'ব ধৰা এটা বৃহত্তৰ জনগোষ্ঠীৰ লোকে দক্ষিণ-পশ্চিম চীনৰ ভূ-খণ্ডৰ পৰা প্ৰব্ৰজন কৰি অসমৰ উত্তৰৰ পাহাৰীয়া অঞ্চলবোৰত বাস কৰিবলৈ ল'লেহি। এইসকল লোক এতিয়া অৰুণাচলৰ পূবে খাম্‌তি-চিংফৌ আদি ম্যানমাৰীয় মূলৰ লোকৰ বাসভূমিসমূহ আৰু পশ্চিমে তিব্বতীমূলৰ মন্‌পা, শ্বেৰদুক্‌পেন আদি লোকৰ বাসভূমিসমূহ বাদ দি প্ৰদেশখনৰ মাজৰ বৃহৎ ভূমিখণ্ডত সিঁচৰতি হৈ বাস কৰে। এই বৃহত্তৰ তানী জনগোষ্ঠীৰ এটা শাখাই (মিচিংসকলে) মধ্যযুগতে উৰ্বৰ ভূমিৰ সন্ধানত লাহে লাহে ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ লয় আৰু, জানিব পৰা মতে, তানী জনগোষ্ঠীৰ কিছুমান শাখা ভাৰতৰ সীমাৰ সিপাৰে দক্ষিণ-পশ্চিম চীন অঞ্চলত এতিয়াও বাস কৰি আছে। মিচিংসকলৰো কম সংখ্যক একাংশ লোক এতিয়াও অৰুণাচলবাসী। ভাষিক-সাংস্কৃতিক সান্নিধ্যৰ পিনৰ পৰা অৰুণাচলৰ 'আদী' জনগোষ্ঠীৰ পা-দাম, পা-চি, মিএং আৰু পাংগিসকলক মিচিংসকলৰ নিকটতম বুলি ক'ব পাৰি। ধেমাজী আৰু লক্ষীমপুৰ জিলা আৰু লগতে যোৰহাট জিলাৰ মাজুলী মহকুমাতেই মিচিংসকলৰ বসতি আটাইতকৈ ঘন যদিও তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট আৰু শোণিতপুৰ জিলাতো মিচিংসকলৰ বসতিস্থান সিঁচৰতি হৈ আছে। ১৯৯১ চনৰ পিয়ল অনুসৰি মিচিংসকলৰ জনসংখ্যা আছিল ৪,৬৭,৭৯০ (পুৰুষ ২,৩৯,৩৮৮ আৰু মহিলা ২,২৮,৪০২), অৰ্থাৎ, বড়োসকলৰ পাছতে অসমৰ দ্বিতীয় বৃহত্তম জনজাতি (এই প্ৰবন্ধ লিখাৰ সময়লৈকে ২০০১ চনৰ পিয়ল অনুসৰি বিভিন্ন জনজাতিৰ সুকীয়া সুকীয়া জনসংখ্যা জানিব পৰা নাই : এই পিয়লে জনোৱা ১৯৯১-২০০১ দশকটোত অসমত বাৰ্ষিক জনসংখ্যা বৃদ্ধিৰ হাৰ শতকৰা ১৮.৮৫ আৰু ইয়াৰ ভিত্তিত হিচাপ কৰিলে মিচিংসকলৰ বৰ্তমানৰ জনসংখ্যা চাৰে ছয় (৬.৫) লাখৰ ওচৰা-ওচৰি বুলি ক'ব পাৰি।

একালৰ পাহাৰবাসী মিচিংসকল পাছলৈ ভৈয়ামবাসী হ'ল। স্বাভাৱিকতে মিচিং সংস্কৃতিত পাহাৰ আৰু ভৈয়াম উভয়ৰে সমলৰ সমাহাৰ দেখা যায়। এইটো মিচিং সংস্কৃতিৰ এটা লক্ষনীয় বৈশিষ্ট্য। কৃষিকৰ্ম, বয়ন-শিল্প, ধৰ্মীয় আচাৰ, উৎসৱ-পাৰ্বণ, সামাজিক ৰীতি, খাদ্যসম্ভাৰ ইত্যাদি জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে এই বৈশিষ্ট্য পৰিলক্ষিত হয়। প্ৰশাসন, শিক্ষা, ৰাজনীতি, ব্যৱসায়-বাণিজ্য, পিন্ধা-উৰা, ৰান্ধনিশাল, খেতি-বাতি, গছ-বন ইত্যাদিৰ ক্ষেত্ৰত হোৱা ভৈয়ামৰ নতুন অভিজ্ঞতাসমূহৰ লগত জড়িত বহুতো অসমীয়া শব্দ বা অসমীয়াৰ যোগেদি পোৱা অন্যান্য ভাষাৰ শব্দ মিচিং ভাষাৰ অংগ হৈ পৰিছে। মিচিং লোক-সাহিত্য মিচিং সংস্কৃতিৰ এই দ্বিজাতীয় বৈশিষ্ট্যৰ কিছু ব্যতিক্ৰম যদিও অই-নি:তম্ নামৰ মিচিং লোক-সংগীতত ভৈয়ামৰ প্ৰভাৱ স্পষ্ট।

মিচিং লোক-সংগীতৰ বিষয়ে আলোচনা কৰাৰ আগতে মিচিং লোক-সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ দিশ সাধুকথাবোৰৰ এটা থূলমূল পৰিচয় দাঙি ধৰিব খুজিছো। মিচিং সাধুবোৰৰ সৰহভাগেই ব্যাখ্যানধৰ্মী— জোনত কেনেকৈ চেকা লাগিল—আকাশ কেনেকৈ ইমান ওখ হ'ল—পিঠিৰে কিয় পিঠি উলিয়াই লগে লগে আকৌ ডুব মাৰে—ভেকুলীৰ ছাল কিয় ইমান খহটা— কুকুৰ আৰু মেকুৰীয়ে ইটোৱে সিটোক কিয় দেখিব নোৱাৰে— বান্দৰে কেনেকৈ হাবিত থাকিবলৈ ল'লে— কিছুমান চৰাই আৰু জন্তুৱে কিয় বিশেষ একোটা মাত মাতে বা কিয় সিইত দেখাত তেনে হ'ল—মহ, জোক আদি তেজ খোৱা প্ৰাণীৰ জন্ম কেনেকৈ হ'ল—ইত্যাদি। টেঙৰালি, যেনে কুকুৰ তেনে টাঙোন, বেয়াই বেয়া কাম

কৰি পোৱা প্ৰতিফল ভাগ্যক্ৰমে ধন-সোণৰ অধিকাৰী হোৱা, আটাইতকৈ লেহেমটোৱেই শেষত গৈ দৌৰত বিজয়ী হোৱা, প্ৰতিশোধ, মূৰ্খামি, দুঃসাহসিক কাম ইত্যাদি বিষয়ৰ ওপৰতো কিছুমান সাধু প্ৰচলিত হৈ আহিছে। মিচিংসকলৰ প্ৰকৃত সৃষ্টি-পুৰাণ 'মিবু-আ:বাং' (মিবু গীত)সমূহতহে পোৱা যায়, কিন্তু সৃষ্টি-পুৰাণজাতীয় কিছুমান বিষয় সাধুকথাতো নোহোৱা নহয়, যেনে—বিজুলী আৰু ঢেৰেকণিৰ সৃষ্টি, কিছুমান জনবিশ্বাস, ৰীতি-নীতি, বংশ-পৰিয়াল আদিৰ পাতনি, মিচিং আৰু মিপাগ্ অৰ্থাৎ অ-মিচিঙৰ জন্মকথা, দেও-ভূতৰ সৃষ্টি, কিছুমান জন্তুৰ আদিকথা ইত্যাদি। হাস্যৰসাত্মক আৰু বুদ্ধি-পৰিচায়ক দিশৰ বিষয়েও দুই এটা সাধু পোৱা যায়। তলত ব্যাখ্যানধৰ্মী সাধুৰ এটা উদাহৰণ দিয়া হ'ল ঃ

জোন (প:ল) আৰু বেলি (দ:ঞি) বাই-ভনী আছিল। ডাঙৰ হ'লত তেওঁলোক দুয়োকো দুখন বেলেগ বেলেগ গাঁৱলৈ বিয়া দিয়া হ'ল। বহুত দিনৰ মূৰত এদিন মাকৰ ঘৰলৈ আহোঁতে বাটত দুই বাই-ভনীৰ দেখা-দেখি হ'ল। প:লই মাকলৈ বুলি অলপ পিঠা-পনা আনিছিল, কিন্তু দ:ঞিয়ে হাতত একো অনা নাছিল। প:লই মাকলৈ পিঠা-পনা অনা বুলি জানিব পাৰি ওচৰে-পাঁজৰে একো নাপাই দ:ঞিয়ে নিজৰ বিষ্ঠাকে টোপোলা হিচাপে বান্ধি ল'লে। যথা সময়ত মাকৰ ঘৰ পালত, প:লৰ টোপোলা খুলি পিঠা-পনা পাই মাকে বৰ আনন্দ লভিলে। তাৰ পাছত মাকে দ:ঞিৰ টোপোলা খুলি খঙত একো নাই হৈ টোপোলাটো দ:ঞিৰ মুখলৈ মাৰি পঠিয়ালে। পিছে, দ:ঞি বাগি দি সাৰিল, কিন্তু দুৰ্ভাগ্যক্ৰমে টোপোলাটো পৰিলগৈ প:লৰ গাত। সেইদিনাৰ পৰাই জোন (প:ল)ৰ গাত মচিব নোৱাৰা চেকা থাকি গ'ল।

এই সাধুটোৰ দেখ্ দেখ্ গ্ৰাম্য গোন্ধৰ দিশটিৰ উপৰি আমি দেখা পাওঁ যে সাধুকথা সম্পূৰ্ণ পৃথক ধৰণৰ কাল্পনিক আখ্যান (myth)। যি চন্দ্ৰক স্বৰ্গীয় পিতৃ আৰু যি সূৰ্য্যক স্বৰ্গীয় মাতৃ বুলি জ্ঞান কৰি মিচিংসকলে পৰম্পৰাগত সকলো মাংগলিক অনুষ্ঠানত স্মৰণ কৰে, সেই চন্দ্ৰ আৰু সূৰ্য্যক দুজনী সাধাৰণ গাঁৱলীয়া ছোৱালী হিচাপে কল্পনা কৰি লৈছে—সাধুটোৰ স্ৰষ্টাগৰাকীয়ে জোনৰ চেকা সম্পৰ্কে এটা ব্যাখ্যা আগবঢ়োৱাৰ খাতিৰত।

মিচিং লোক-সংগীতৰ বিষয়ে তলত এটি আলোচনা আগ বঢ়োৱা হ'ল। বিভিন্ন প্ৰকাৰৰ গীতৰ আলোচনাত আমাৰ অত্যন্ত সীমিত সাংগীতিক জ্ঞানৰ ভিত্তিত গীতসমূহৰ সাংগীতিক দিশৰ বিষয়েও সামান্য একোটাহঁত আভাস দিবলৈ যত্ন কৰা হ'ল।

মিবু আ:বাং

মিচিং লোক-সংগীতৰ আটাইতকৈ পুৰণি পৰম্পৰা হ'ল 'মিবু আঃবাং' নামৰ গীতবোৰ। মিবুসকল মিচিংসকলৰ পুৰোহিত বা দেওধাই। পা-দাম্, মিঞং আদি আদী সমাজত 'মিবু'ৰ সলনি 'ঞিব' শব্দটো ব্যৱহাৰ কৰে। তদুপৰি তেওঁলোকৰ মাজত 'মিৰি'/'মিবৃ' নামৰ দ্বিতীয় এক শ্ৰেণীৰ পুৰোহিত বা দেওধাই আছে। ঞিবসকলে প্ৰধানকৈ পুৰুষানুক্ৰমে মৌখিকভাৱে সংৰক্ষিত সৃষ্টি-পুৰাণ সম্পৰ্কীয় স্তোত্ৰজাতীয় গীত গায়—বিশ্বব্ৰহ্মাণ্ড কেনেকৈ আৰম্ভ হ'ল— জোন-বেলি, পৃথিৱীত মানুহ, দেৱতা, দেও-ভূত, জীৱ-জন্তু, গছ-গছনি, জড় পদাৰ্থ আদিৰ সৃষ্টি কেনেকৈ হ'ল ইত্যাদি বিষয়ৰ ওপৰত। তেওঁলোকে সাধাৰণতে ৰাজহুৱা উৎসৱ-পাৰ্বণত দিনৰ ভাগত তেওঁলোকৰ মাংগলিক ধৰ্মীয় আচৰণ সম্পাদন কৰে আৰু দিব্যলোকত প্ৰৱেশ কৰি ৰাজহুৱা বা অন্যান্য অপায়-অমংগল, দুৰ্দশা আদিৰ কাৰণ জানিবলৈ সক্ষম হয়। কিন্তু ঞিবই সাধাৰণতে অপায়-অমংগল, ৰোগ—ব্যাধি আদি ঘটোৱা

দেও-ভূতলৈ বলি-বিধান ইত্যাদিৰ জৰিয়তে ৰোগ নিৰাময়ৰ বা চিকিৎসাৰ কাম নকৰে। এই অৰ্থত ঞিবসকলক witch doctor বা medicine man নুবুলি priest অৰ্থাৎ পুৰোহিত বুলিব পাৰি। মিৰি(মিবৃ)সকল প্ৰকৃতাৰ্থত witch doctor বা medicine man ঃ তেওঁলোকে ব্যক্তিগত পৰিয়ালৰ অপায়-অমংগল বা পৰিয়ালৰ এক বা একাধিক সদস্যৰ ৰোগ-ব্যাধিৰ আধিভৌতিক কাৰণ বিচাৰি উলিয়াবৰ বাবে স্তুতি-গীত গাই, তেওঁলোকৰ সহায়কাৰী এগৰাকী অশৰীৰী সত্তাৰ আশ্ৰয়ত প্ৰেতলোকত বিচৰণ কৰি, অপায়-অমংগল আদি ঘটাওঁতা দেওক চিনাক্ত কৰি, তেওঁক বলি আদিৰ যোগেদি পূজা কৰাৰ প্ৰতিশ্ৰুতি দি, অপায় অমংগল, ৰোগ-ব্যাধি নিৰাময়ৰ বাবে মিনতি জনাই ইহলোকলৈ প্ৰত্যাবৰ্তন কৰে আৰু কুকুৰা-গাহৰি, মেঠোন আদিৰ বলি আৰু যাৰতীয় বন-দৰবৰ বিধান দিয়ে। ভৈয়ামত বসবাস কৰিবলৈ লোৱাৰ পাছত মিচিংসকলৰ মাজত ঞিব আৰু মিৰি/মিবৃ নামৰ দুই শ্ৰেণীৰ দেওধাইৰ কাম একশ্ৰেণীৰ দেওধায়েই কৰা হ'ল আৰু এই শ্ৰেণী দেওধাইক ঞিব বা মিৰি/মিবৃ নুবুলি 'মিবু' আখ্যা দিয়া হ'ল। অৰুণাচলত এতিয়াও বাস কৰা বা অসমৰ শদিয়া অঞ্চলত বাস কৰা অতি কম সংখ্যক লোকেহে এতিয়া 'মিবু'ৰ সলনি মিৰি/মিবৃ নামটো ব্যৱহাৰ কৰে। শিক্ষা, চিকিৎসা-বিজ্ঞান আদি আধুনিক সভ্যতাৰ বিভিন্ন দিশৰ সংস্পৰ্শলৈ আহিব ধৰাৰ পাছত মিচিং সমাজত মিবুৰ সংখ্যা হ্ৰাস পাব ধৰিলে আৰু আজিৰ তাৰিখত এজন নে দুজন মিবুহে জীৱিত বুলি জানিব পৰা গৈছে। ঞিব, মিৰি/মিবৃ বা মিবু সমাজৰ যি কোনো ব্যক্তি হ'ব নোৱাৰে। বিশ্বাস কৰা হয় যে এওঁলোকৰ গাত ল'ৰালিৰে পৰা দুই-এটা আধিভৌতিক লক্ষণ পৰিলক্ষিত হয় আৰু এওঁলোকে ব্যৱহাৰ কৰা 'য়ক্চা' (এবিধ দীঘল তৰোৱাল)খনো স্বপ্নাদেশৰ যোগেদিহে কোনো এঠাইত লাভ কৰে। অৱশ্যে, এওঁলোকে গাবলগীয়া সৃষ্টি-পুৰাণ সম্পৰ্কীয় গীত, স্তুতিগীত বা অন্যান্য গীতসমূহ তথা কাৰ্যকৰী ৰীতি-নীতিসমূহ এই শ্ৰেণীৰ এগৰাকী জ্যেষ্ঠ ব্যক্তিৰ পৰা শিকি লয়। এওঁলোকে গোৱা গীতসমূহেই 'মিবু আ:বাং'।

গতিকে, সহজে অনুমেয় যে 'মিবু আ:বাং' সমূহেই মিচিংসকলৰ প্ৰাচীনতম লোক-সংগীত। প্ৰাকসাক্ষৰ যুগৰ মিচিং মিবুসকলৰ গীতবোৰৰ কিমানখিনি বৰ্তমান যুগলৈকে সংৰক্ষিত হৈছে, সেইটো সঠিককৈ কোৱা টান। কিন্তু এই বিষয়ে কোনো সন্দেহ নাই যে বহুতো গীত, বিশেষকৈ সৃষ্টি-পুৰাণ সম্পৰ্কীয় গীত মিচিং মিবুসকলে জীয়াই ৰাখিব নোৱাৰিলে। গতিকে আজিৰ তাৰিখত আদীসকলৰ মাজত ঞিব আৰু মিৰিসকলৰ গীত যিমান চহকী মিচিং সমাজৰ মিবু আ:বাং সিমান চহকী নহয়।[1] কেইটামান কাৰণত মিচিংসকলৰ মিবু আ:বাং সংগ্ৰহৰ বিষয়টো যথেষ্ট আকৰ্ষণীয়। তাৰে প্ৰথম কাৰণটো ইতিমধ্যে উল্লেখ কৰা হৈছে ঃ আজিৰ তাৰিখত মিচিং সমাজত মিবু নাইকিয়া হ'ল বুলিয়েই

১ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৫৫ চনত আৰম্ভ কৰা লোক সংস্কৃতি অভিলেখাগাৰ (এই পদক্ষেপৰ ধাৰণাকে বহলাই পৰৱৰ্তী কালত বিশ্ববিদ্যালয়খনত লোক সংস্কৃতি গৱেষণা বিভাগৰ জন্ম দিয়া হ'ল) আঁচনিৰ অধীনত প্ৰয়াত তৰুণ চন্দ্ৰ পামেগামে সেই সময়ত মিচিং লোক সংগীত আৰু সাধুকথা সংগ্ৰহৰ কাম কৰিছিল। তাৰে বাছিউটা সাধুৰ অসমীয়া ৰূপান্তৰ অসম সাহিত্য সভাই ১৯৭৭ চনত প্ৰকাশ কৰিছে আৰু কিছুসংখ্যক লোক-সংগীত শ্ৰীটাবু টাইদক সহযোগী সম্পাদক হিচাপে লৈ ড° বীৰেন্দ্ৰ নাথ দত্তই সম্পাদনা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা বিভাগৰ ফালৰ পৰা ১৯৯২ চনত প্ৰকাশ কৰিছে। কিন্তু এই সংকলনটিত সন্নিবিষ্ট তিনিটা মিবু আ:বাঙৰ উদাহৰণৰ ভিতৰত এটাহে প্ৰকৃত মিবু গীত জাতীয়, বাকী দুটা মিবুৱে 'ডকচা' জোকাৰি জোকাৰি তালত গোৱা দুফাকি ঘোৱা। জোনাইৰ এগৰাকী শিক্ষক শ্ৰীসুৰেশ পমেগে পূৰ্বতে মিচিং গীতৰ এটি সংকলন 'সেকে নিঃতম' ১৯৬৪ চনত প্ৰকাশ কৰিছিল। সংকলনটিৰ এটা নতুন সংস্কৰণ ২০০৩ চনত প্ৰকাশিত হৈছে। এই সংকলনটিতো বেছি সংখ্যক মিবু আ:বাং সন্নিবিষ্ট হোৱা নাই — বিশেষকৈ আদী-মিচিঙৰ সৃষ্টি-পুৰাণ সম্পৰ্কীয় গীত অন্তৰ্ভুক্ত কৰা হোৱা নাই। শেহতীয়াভাৱে শ্ৰীনাহেন্দ্ৰ পাদুনে সংকলন কৰা 'মিচিং লোকগীত : মিবু-মিবৃ আ:বাং' নামেৰে মিবু আ:বাঙৰ অধ্যয়নসম্বলিত এখনি গ্ৰন্থ মিচিং

ক'ব পাৰি। দ্বিতীয়তে, মিবুসকলে আ:বাংবোৰ ঠিক একে ধৰণেৰে নাগায়—মৌখিক সাহিত্য হোৱা হেতু ভাৰতীয় উচ্চাংগ সংগীতৰ 'ঘৰানা'ৰ দৰে বেলেগ বেলেগ অঞ্চলৰ বা শাখাৰ মিবুৱে অলপ বেলেগ বেলেগ ধৰণেৰে গায়। আদী সমাজৰ মাজত এতিয়াও বেছ কিছু সংখ্যক ঞিব আৰু মিৰি/মিৰৃ জীৱিত। (১) নং পাদটীকাত উল্লেখ কৰা শ্ৰী আৰাক মেগুৰ Liimir Liibom Aabang গ্ৰন্থখনিৰ পাতনিতো এই সমস্যাৰ কথা উল্লেখ কৰিছে। সৰ্বসাধাৰণ মিচিঙৰ বাবে আৰু এটা ডাঙৰ সমস্যা হ'ল মিবু আঃবাঙৰ ভাষা। মিবু আঃবাঙত বহুতো শব্দ আৰু প্ৰকাশভংগী পোৱা যায়, যিবোৰ সচৰাচৰ ব্যৱহাৰৰ পৰা নোহোৱা হৈ গৈছে—বিশেষকৈ মিচিং সমাজত। গতিকে মিবু আঃবাঙৰ স্তোত্ৰজাতীয় গীতখিনিৰ ব্যাখ্যা এটা আছুতীয়া অধ্যয়নৰ বিষয়। বেলেগ বেলেগ ঞিব আৰু মিৰি/মিৰৃয়ে বেলেগ বেলেগ ধৰণেৰে ব্যাখ্যা কৰাৰ সমস্যাৰ দিশটো শ্ৰীমেগুৱেও তেওঁৰ গ্ৰন্থখনিত উল্লেখ কৰিছে। তলত দিয়া ভাবাৰ্থসমূহ শ্ৰীমেগুৰ উল্লিখিত সংকলন আৰু (১) নং পাদটীকাত উল্লেখ কৰা শ্ৰীপাদুনৰ সংকলনৰ ভিত্তিত যুগুত কৰা হৈছে।

মিবু আ:বাঙৰ উদাহৰণ—

মি.আ. (১)

কৌয়ুম্ কা:মাঙী য়া:য়াংক
কী:ৰ তাদ্‌মাঙী য়া:য়াংক
কৌয়ুম্ চে:দৃঅী না:নীক
কী:ৰ মে:লুৰী বা:বুক
চে:দৃ তায়িঙী গ্যাপিৎ দাগ্‌লা
গৃ:তী চুম্বুমী য়ায়ুম্ লেন্‌ত।। ইত্যাদি—

[ভাবাৰ্থঃ শূন্যময় বিশ্বব্ৰহ্মাণ্ডত, য'ত একো নেদেখি তাত আছিল কৌয়ুম্ আৰু য'ত একো নুশুনি তাত আছিল কী:ৰ। তাৰ পাছত কৌয়ুমৰ পৰা আহিল আদি-মাতৃ চে:দৃ আৰু কী:ৰৰ পৰা আহিল আদি-পিতৃ মে:ল। মহাশূন্যত হোৱা চে:দৃ-মে:লৰ মিলনত সৃষ্টিয়ে পাতনি মেলে]

সাহিত্য সভাই ২০০৫ চনত প্ৰকাশ কৰিছে। গ্ৰন্থখনিৰ 'কৈফিয়ৎ' শীৰ্ষক পাতনিৰ পৰা জানিব পৰা মতে শ্ৰীপাদুনে যোৱা শতিকাৰ ষাঠিৰ দশকৰ শেষভাগৰ পৰাই সুবিধা অনুসৰি মিবু আ:বাং সংগ্ৰহ আৰু বাণীবদ্ধকৰণৰ কাম কৰি আহিছে। কোৱা বাহুল্য, এইখন গ্ৰন্থই মিবু আ:বাং সম্পৰ্কে অসমীয়া ভাষাত এতিয়ালৈকে প্ৰকাশ কৰা একমাত্ৰ প্ৰামাণ্য গ্ৰন্থ। আদীসকলৰ মাজতো আ:বাং সংগ্ৰহ, সংকলন আৰু প্ৰকাশৰ প্ৰচেষ্টা চলিছে। অৰুণাচল চৰকাৰৰ গৱেষণা সঞ্চালকালয়ৰ শ্ৰীআৰাক মেগু নামৰ এজন বিষয়াই এনে এখন গ্ৰন্থ (Liimir-Liibom Aabang) ২০০১ চনত প্ৰকাশ কৰিছে। শ্ৰীপাদুনৰ গ্ৰন্থখনিত মিবু আঃবাং আৰু মিৰৃ আ:বাং নামেৰে দুই শ্ৰেণী গীত সন্নিবিষ্ট কৰা হৈছে। ওপৰত উল্লেখ কৰি অহা হৈছে যে মিচিংসকলৰ মাজত মিবু আৰু মিৰৃ নামৰ দুই শ্ৰেণীৰ পুৰোহিত, দেওধাই বা ওজা নাই, কেৱল মিবুহে আছে। গতিকে, তেওঁলোকে গোৱা সকলো ধৰণৰ গীতকে মিচিংসকলে মিবু আ:বাং বুলিয়েই উল্লেখ কৰে। মিচিং সমাজত প্ৰচলিত মিবু আ:বাংসমূহ শ্ৰীপাদুনে 'মিৰৃ আ:বাং' শ্ৰেণীৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছে যদিও 'মিৰৃ আ:বাং' নামটো মিচিংসকলে সাধাৰণতে ব্যৱহাৰ নকৰে। তদুপৰি তেওঁ যিবোৰ গীতক মিবু আ:বাং নাম দিছে সেই গীতসমূহ পাছিঘাট অঞ্চলৰ আদী লোকৰ পৰাহে সংগ্ৰহ কৰা। মিৰৃ আ:বাং নাম দিয়া আ:বাংসমূহৰ বহুখিনি শ্ৰী মাধৱ পেগু নামৰ এজন মিচিং ব্যক্তিৰ পৰা সংগ্ৰহ কৰা, যিজনে এই গীতসমূহ আনৰ পৰা আহৰণ কৰিছে; কাৰণ, তেওঁ নিজে মিবু নহয়। ভৈয়ামত বসবাস কৰিবলৈ লোৱাৰ সময়ত বা ভৈয়ামবাসীৰ সংস্পৰ্শলৈ অহাৰ সময়ত মিচিংসকলেও সম্ভৱতঃ আদীসকলৰ দৰে 'প:নুং' নাচ নাচিছিল, য'ত এজন মিৰি বা মিৰৃয়ে নেতৃত্ব দিয়ে। লগতে, মিবুৰ সলনি তেতিয়া মিৰি/মিৰৃ শব্দটোহে হয়তো বেছি প্ৰচলিত আছিল। তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ অতি তাৎপৰ্যপূৰ্ণ দিশ প্ৰতিনিধিত্ব কৰা এই মিৰি/মিৰৃ শব্দৰ পৰাই ভৈয়ামৰ লোকে মিচিংসকলক 'মিৰি' বুলি উল্লেখ কৰিবলৈ আৰম্ভ কৰাটো প্ৰায় খাটাং। অসমীয়া ভাষাত শ্ৰীমন্ত শংকৰদেৱে বোধ হয় প্ৰথমে ব্যৱহাৰ কৰা 'মিৰি' শব্দৰ আতি-গুৰি আন ধৰণেৰে ব্যাখ্যা কৰাটো কঠিন। ইয়াত দিয়া মিবু আ:বাঙৰ প্ৰথমটো নমুনা ওপৰত উল্লেখ কৰা শ্ৰীআৰাক্ মেগুৰ গ্ৰন্থখনিৰ পৰা উদ্ধৃত কৰা হৈছে। দ্বিতীয় আৰু তৃতীয় নমুনা শ্ৰীপাদুনৰ সংকলনৰ পৰা উদ্ধৃত আৰু বাকী নমুনাসমূহ আমি সকলে পৰা শুনি অহা মিবু আ:বাঙৰ ঘোষা।

সকলো মিবুৱে এইদৰে উচ্চাংগ সংগীতৰ আলাপৰ দৰে অলপ লেনিয়াই ছন্দবিহীনভাৱে সৃষ্টি-পুৰাণ বিষয়ক গীতেৰে তেওঁলোকৰ আ:বাং আৰম্ভ কৰে। কীয়ুম্ আৰু কী:ৰৰ পৰাই সৃষ্টিৰ আৰম্ভণি ঃ কীয়ুম্-কী:ৰ নিৰাকাৰ, অনাদি-অনন্ত আৰু যদিও উপৰুৱা দৃষ্টিত চে:দৃ-মে:লৰ দৰেই কীয়ুম্-কী:ৰকো নাৰী আৰু পুৰুষ সত্তা যেন লাগে, কীয়ুম্-কী:ৰক বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰথম কাৰণ (First Cause) বা মূল কাৰক (Prime Mover) আদি ধাৰণাৰ লগতহে তুলনা কৰিব পাৰি। কিন্তু আঃবাংবোৰৰ মতে দৃশ্যমান বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ প্ৰক্ৰিয়া চে:দৃ-মে:লৰ পৰাহে আৰম্ভ হয়। জানিব পৰা মতে, কিছুমান মিবুৱে গোৱা গীত অনুসৰি, ওপৰৰ উদাহৰণত পোৱাৰ দৰে, কীয়ুম-কী:ৰৰ পাছতেই চে:দৃ-মে:লৰ আবিৰ্ভাৱ হয়, কিন্তু আন কিছুমানৰ গীতত কীয়ুমৰ পৰা য়ুম্‌চেং আৰু য়ুমচেঙৰ পৰা চেঃদৃৰ আবিৰ্ভাৱ হয় আৰু সেইদৰে কী:ৰৰ পৰা ৰমেং আৰু ৰমেঙৰ পৰা মে:লৰ আবিৰ্ভাৱ হয়। আকৌ আন কিছুমানৰ আ:বাং অনুসৰি সৃষ্টি প্ৰক্ৰিয়াৰ লগত জড়িত সত্তাসমূহৰ ক্ৰম হ'ল—কীয়ুম্>য়ুমকাং>কা:চি>চিয়াং। চিয়ান্ > আন্‌ব> বমুগ>মুক্‌চেং>চে:দৃ। এই বিভিন্ন সত্তাসকলে অথবা এই বিভিন্ন স্তৰবোৰত কোনে কি সৃষ্টি কৰিলে বা কেতিয়া কিহৰ সৃষ্টি হ'ল সেইটো স্পষ্ট নহয়। অৱশ্যে বায়ু, পানী, আকাশ, পৃথিৱী, জোন আৰু বেলি চে:দৃ আৰু মে:লৰ পৰা সৃষ্টি হোৱা বুলি আ:বাঙত পোৱা হৈছে। সাধাৰণতে, চে:দৃক আদি-মাতৃ আৰু মে:লক আদি-পিতৃ বুলি জ্ঞান কৰা হৈছে যদিও কিছুমান মিবুৱে চে:দৃক পিতৃ আৰু মে:লক মাতৃ বুলিও উল্লেখ কৰা পোৱা গৈছে। আন এটা ব্যাখ্যা অনুসৰি, চে:দৃ-মে:ল উভয়লিংগৰ একেটা সৃজনকাৰী সত্তা। কিন্তু সৃষ্টিৰ কাম কেৱল চে:দৃ-মে:লই সমাপ্ত কৰা নাই। চে:দৃৰ পাছত, দৃ:লৃং, দৃ:লৃঙৰ পাছত লৃ:তুং, লৃ:তুঙৰ পাছত তু:য়ী, তু:য়ীৰ পাছত য়ীপী আৰু এইদৰে কালানুক্ৰমে য়ীপীৰ পাছত পীদঙৰ যেতিয়া আবিৰ্ভাৱ হ'ল, তেতিয়া এই পীদং (আক্ষৰিক অৰ্থ 'বৰফুণ') মাতৃয়েহে পৃথিৱীৰ জীৱজগত, জড়জগত আৰু আন কি দেৱতা-অপদেৱতা সকলোকে সৃষ্টি কৰিলে। অৱশ্যে, বিশ্বব্ৰহ্মাণ্ড, পৃথিৱী, পৃথিৱীৰ জীৱজগত, জড়জগত, দেৱতা-অপদেৱতা আদিৰ সৃষ্টিৰ মিথ্‌বোৰ মিবু আ:বাঙত সম্পূৰ্ণ পদ্ধতিগত (strictly systematic) ৰূপত পোৱা যায় বুলি ক'ব নোৱাৰি। তলৰ উদাহৰণটিলৈ মন কৰক—

মি.আ. (২)

চে:দৃ মে:লঅী দীল
আনী দ:গ্ৰি আবৃ প:লআ, বীন্ন য়া।।
কাৰ্চিঙী কাৰ্তাঙা
জিৰ্‌জিন্ মেৰ্‌দাঙা কাজ
লী:জিনী লী:তাঙা
ৰুগ্‌জি মে:ৰাঙা
ৰুনী-চা:নীআ, বীন্ন য়া।।
বীগৃ বীগামা
পিৰি কাৰিআ, বীন্ন য়া।।
দ:মুগী দংকোঙা
দ:মুমী য়াৰিআ
দ:এ্ৰী ঐচাৰী

লী:য় আঁচাৰী নলু কাজ, ৰীল্ল য়া।।
চিৰ্কি না:নী ন
চিৰ্দামী বা:বু ন
মুগ্লৃ: লৃ:দৰা আব, ৰীল্ল য়া।। ইত্যাদি

[ভাবাৰ্থ ঃ চে:দৃ-মে:লৰ পৰা ওলোৱা হে মাতৃ সূৰ্য, হে পিতৃ চন্দ্ৰ, হে কাৰ্চিং-কাৰ্তাং, হে জিৰ্জিন্—মেৰ্দাং, লী:জিন্—লী:তাং আৰু কীট-পতঙ্গ সৃষ্টিকাৰী দেৱ-দেৱীসকল, তোমালোক আহা, ৰীগৃ-ৰীগাম্, পিৰি কাৰিলৈ আহা। বগা ডাৱৰ, ক'লা ডাৱৰ, বিজুলী, ৰ'দ-বতাহৰ দেৱ-দেৱীসকল, তোমালোক আহা।]

মিবুৱে এই স্তুতিগীতত তেওঁৰ আধিদৈৱিক কৰ্ম সম্পাদন কৰাত সহায় কৰিবলৈ বিভিন্ন দেৱ- দেৱীক আহ্বান জনাইছে। উল্লেখযোগ্য যে ১৮৯৪ চনত প্ৰকাশিত ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' আৰু ১৯২৪ চনত প্ৰকাশিত সোণাৰাম পাএগ্ৰাংকটকীৰ 'মিৰি জাতিৰ বুৰঞ্জী'ত মিবুৱে স্মৰণ কৰা কাৰ্চিং-কাৰ্তাং নামৰ দেৱতাক সৃষ্টিকৰ্তা বুলি উল্লেখ কৰিছে। কিন্তু আদী সমাজৰ আ:বাঙত (যিবোৰ মিচিং সমাজত প্ৰচলিত আ:বাঙতকৈ অধিক শুদ্ধ ৰূপত সংৰক্ষিত হৈ আছে বুলি ভবাৰ থল আছে) কাৰ্চিং-কাৰ্তাং নামৰ সৃষ্টিকৰ্তাৰ উল্লেখ নাই। সেইদৰে লী:জিন্-লী:তাং, জিৰ্জিন্-মেৰ্দাং, চিৰ্কি-চিৰ্দাম্ আদি দেৱ-দেৱীও মিচিং মিবুৰ আ:বাঙতহে সম্ভৱতঃ পোৱা যায়। ইয়াৰ পৰা ধাৰণা হয় যে মিচিং সমাজত পূৰ্বৰে পৰা মিবু আ:বাঙৰ এটা আছুতীয়া পৰম্পৰা চলি আহিছিল।

ওপৰত উদ্ধৃতি দিয়া মিবু আ:বাঙৰ স্তুতিগীত জাতীয় (অথবা আগতে কোৱাৰ দৰে ভাৰতীয় উচ্চাংগ সংগীতৰ আলাপ জাতীয়) গীতবোৰ যথেষ্ট দীঘল হয়। ইয়াত আৰম্ভণিৰ সামান্য অংশহে নমুনা হিচাপে দিয়া হ'ল। মিবুৱে তেওঁৰ ধৰ্মীয় আচৰণ আৰম্ভ কৰাৰ সময়ত এই জাতীয় গীতসমূহ এককভাৱে গায়। তাৰ পাছত তেওঁ তালত গোৱা গীতৰ ফালে আগ বাঢ়ে। তালত গোৱা গীতৰ ঘোষা অংশ মিবুৱে আৰম্ভ কৰে আৰু তেওঁৰ লগত আঠগৰাকীমান ডেকা-গাভৰুৱে সহযোগ কৰি সমবেত কণ্ঠেৰে ঘোষাটি দোহাৰে। গীতটিৰ বাকী অংশ মিবুৱে এটা চৰণৰ (stanza) পাছত আন এটা চৰণ গাই গৈ থাকে আৰু প্ৰতিটো চৰণৰ পাছত সহযোগীসকলে ঘোষাটি দোহাৰে (হৰিনামৰ ঘোষা আৰু পদৰ দৰে)। তালত গোৱা মিবু আ:বাঙৰ এটা নমুনা তলত আংশিকভাৱে দিয়া হ'ল—

মি.আ. (৩) ঘোষা ঃ দীৰ্মি চি:তুঙী তৃৰমী:ক তৃৰ্মাঙা
কম্বং আপ্লুনী ৰীয়ুপ্ক ৰীয়াবা[২]।।
পদ ঃ দি:তী দ:য়িঙী তৃৰমী:ক তৃৰ্মাঙা
কম্বং আপ্লুনী ৰীয়ুপ্ক ৰীয়াবা।।
মি:কী চেয়ুমীম্ কা:দুংকী মিমাংকী
চেয়ুমীম্ ৰি:মান কা:দুংকী
কম্ব চেইঅীম্ ৰীয়ুপ্ক ৰীয়াবা।।
জিনীকী ত:দৃকী দৃ:চাঙ দ:য়িঙীমী-য়ি:ব তাদুংকী

২. এই ঘোষাটি ৰজনীকান্ত বৰদলৈৰ 'মিৰি-জীয়ৰী'ত সন্নিবিষ্ট কৰা হৈছে—কিন্তু পাঠ ভুল। সেই সময়ৰ এজন অ-মিচিঙৰ কাৰণে এইটো স্বাভাৱিক।

কম্ব চেৰি:পী ৰি:মান বিকুইকা - ৰীয়ুপ্‌ক ৰীয়াবা ।।—ইত্যাদি।

[ভাবাৰ্থ ঃ দীৰ্‌মি (এবিধ গছ) গছবোৰে বতাহত লয়লাসেৰে হালি-জালি আছে আৰু কম্বং (বহাগত ফুলা এবিধ ফুল) ফুলবোৰেও (সেইদৰে বতাহত) নাচি আছে। আমি এতিয়া সৃষ্টিৰ গীত গাব ধৰিছো— মানুহ আৰু দেৱ-দেৱীৰ সৃষ্টিকথা গাব ধৰিছো। এইবোৰ কাহিনী কম্বং ফুলৰ দৰেই (মনোৰম)। মাতৃ সূৰ্যই ধৰণী কেনেকৈ পোহৰাই তুলিলে তাৰ গীত গাব খুজিছো। এইবোৰ গীতো যেন কম্বং ফুলৰ দৰেই মনোৰম কৰি তোলা।]

তলত 'দীৰ্‌মি চি:তুঙী' ঘোষাফাকিৰ দৰে সকলো মিচিঙৰ পৰিচিত আন কেইফাকিমান ঘোষা দিয়া হ'ল—

মি.আ. (৪) পি:মুগল পিংকল ৰীল্লী ৰীল্লী
নীবৃৰী বৃৰ্‌কল ৰীল্লী ৰীল্লী ।।

[ভাবাৰ্থ ঃ কঁহুৱা, মেগেলা, নল আদি ফুলবোৰ বতাহত আনন্দত মতলীয়া হৈ নাচিছে, আমাৰ মনো সেইদৰে নাচি উঠিছে।]

মি.আ. (৫) পীকামা কাম্‌দাঙা কল:পি কল:পি
কাম্‌দাঙা লৃ:তুঙা কল:পি কল: পি ।।

[ভাবাৰ্থ ঃ কলহৰ দৰে ডিঙি চুটি পানীকাউৰীজনীয়ে ডুব দি ডুব দি সাঁতুৰি ফুৰিছে—মোৰো সেইদৰে সাঁতুৰিবৰ মন গৈছে।]

মি.আ. (৬) তাংকী কী:নাই কী: কী:
কী:নাই দ:বাই কী: কী: ।।

[ভাবাৰ্থ ঃ কপৌজনীয়ে কণ দি গীত জুৰিছে —(ময়ো সেইদৰে গীত জুৰিব খুজিছোঁ)।]

মি. আ. (৭) লীগ পাতীৰ লীৰীক (লীল্লীৰ্‌ক) লীগুবা (ই)
ক: কাজু চ:মান কাকুজে লীৰীক / লীল্লীৰ্‌ক লীগুবা (ই)।।

[ভাবাৰ্থ ঃ (সৰু ল'ৰা-ছোৱালীয়ে) দৌৰি, জাঁপ মাৰি উলাহেৰে খেলাৰ দৰে আমিও এতিয়া খেলোঁ আহা।]

মি. আ. (৮) চুম্বুৰ্ চুম্বুৰ্ নাকয়া
চুম্মান্ কাকুই নাকয়া ।।

[ভাবাৰ্থ ঃ ফৰিঙে জঁপিওৱাৰ দৰে আমি জঁপিয়াওঁ আহা।]

মি. আ. (৯) চিৰিয়া চিৰিল
চিৰিয়া ম:মিল ।।

[ভাবাৰ্থ ঃ এইডোখৰ ঠাই দালচেনি গছেৰে ভৰি আছে — (আমি ইয়াৰ সুগন্ধি লওঁ আহা)।]

মি. আ. (১০) কিকিৰি কগদু:বং
পূআঙী পূদু:বং ।।

[ভাবাৰ্থ ঃ কুকুৰাই ডাক দিছে, ৰাতি পুৱাইছে। (এই ঘোষাটিৰে আৰম্ভ হোৱা আ:বাংটি মিবুৱে সাধাৰণতে পুৱতি নিশাৰ ফালে গায়)]

ৰৰ টান নৰিয়াত পৰি যোৱা-থোৱা হোৱা মানুহৰ 'য়াল' বা আত্মাসদৃশ প্ৰাণ মানুহগৰাকীৰ

শৰীৰৰ পৰা আঁতৰি গৈ দিব্যলোক পায়গৈ বুলি মিচিংসকলে বিশ্বাস কৰে। দেৱতাৰ সহায়ত দিব্যলোকত প্ৰৱেশ কৰি এনে 'য়াল'ক ওভতাই অনাটো মিচিং মিবুসকলৰ এটা প্ৰধান কাম। স্তুতিৰে সৃষ্টিকৰ্তাৰ, চন্দ্ৰ সূৰ্যৰ, দেৱ-দেৱীৰ আশীৰ্বাদ আৰু সহায়-সহযোগ বিচাৰি, পিছলৈ তালত বিভিন্ন গীত গাই তেওঁ দিব্যলোকলৈ যাত্ৰা কৰা, প্ৰৱেশ কৰা, বিচৰণ কৰা ইত্যাদি কৰ্মত আনন্দ আৰু উদ্যমৰ প্ৰয়োজন। প্ৰকৃতিৰ লগত অতি নিবিড় সংস্পৰ্শত থকা আগৰ পুৰুষৰ মিচিংসকলে প্ৰকৃতি জগতত বিৰাজ কৰা আনন্দ-উল্লাস সিৰে সিৰে অনুভৱ কৰিছিল। তালত গোৱা মিবু আঃবাংসমূহৰ বহুতে বিমল প্ৰাকৃতিক দৃশ্য আৰু নৃত্য-গীতৰ আনন্দ-উল্লাসৰ এখন ছবি পোৱা যায়। গীতৰ লগত সহযোগী ডেকা-গাভৰুৰ দলে সৰল পদ-সঞ্চালনেৰে নৃত্য-ভংগিমাও ব্যৱহাৰ কৰে। গীত গাই থকা অৱস্থাত এটা সময়ত মিবু হঠাৎ মৌন হৈ পৰে আৰু 'পা:ৰ' বা 'পা:ৰু' নামৰ এগৰাকী দেৱতাৰ কবলত পৰি জঁকিব ধৰে—খণ্ডতে চকু ৰঙা পৰাও দেখা যায়। এই সময়ছোৱাত দৰ্শকবৃন্দও নিশ্চুপ হৈ পৰে—এটা ভয়-শংকাৰ পৰিৱেশ সৃষ্টি হয়। এই সময়ছোৱাত মিবুৱে দুৰ্বোধ্য ভাষা (মিবু গম্‌পাগ)ও ব্যৱহাৰ কৰে আৰু এই সময়ছোৱাত তেওঁ কোৱা কথাখিনিয়েই অপায়-অমংগল বা কাৰোবাৰ 'য়াল' ঘূৰাই অনা সম্পৰ্কীয় দেৱবাণী। 'মিবু দাগ্‌নাম্' অৰ্থাৎ মিবুৰ আধিদৈৱিক কৰ্মৰ এইটোৱেই চৰম বিন্দু (climax)। এই চৰম বিন্দুত মিবু মূৰ্চ্ছিতও হ'ব পাৰে। প্ৰকৃতিস্থ হৈ পৃথিৱীলৈ ঘূৰি অহাৰপাছত পাছদিনা পুৱা সাধাৰণতে দৰবু-জাতিকে ধৰি গৃহস্থক তেওঁ কাৰ্য্যকৰী দিহা-পৰামৰ্শ দিয়ে।

সাংগীতিক দিশত মিবু আ:বাং অতি বৈশিষ্ট্যপূৰ্ণ। মিবুৰ কণ্ঠ সাধাৰণতে শক্তিশালী হয়। তালবিহীনভাৱে গোৱা স্তুতিগীতৰ অংশত স্বৰসমূহ জঁপিয়াই ফুৰাৰ দৰে উঠা-নমা কৰে আৰু এইবোৰত শুদ্ধস্বৰৰ ব্যৱহাৰেই অধিক যেন জ্ঞান হয়। তালত গোৱা ঘোষা আৰু পদবোৰ মেলডি জাতীয়—সৰহভাগতে মুদাৰা সপ্তকৰ কোমল গান্ধাৰ আৰু কোমল নিষাদ সহ পঞ্চস্বৰৰ (সা গ॒া মা পা নি॒) ব্যৱহা[illegible] পোৱা যায় ঃ আৰম্ভ কৰোঁতে প্ৰায় তাৰা সপ্তকৰ 'সা'ত ধৰা শুনা যায়। ব্যৱহৃত তাল সাধাৰণতে ঢিমা কাহাৰ্বাৰ দৰে, আঠ মাত্ৰাৰ—১-২-৩-৪/৫-৬-৭-৮। লয় বৃদ্ধি হ'লে পাছলৈ চাৰি মাত্ৰাৰ খেম্‌টা জাতীয় তাললৈ গতি কৰে। উদাহৰণৰ (৮),(৯) আৰু (১০) নং আ:বাংকেইটি তুলনামূলকভাৱে দ্ৰুত ত্ৰিমাত্ৰিক তালৰ ১-২-৩/১-২-৩।

সৃষ্টি-কাহিনীসম্বলিত গীত যথেষ্ট দীঘল হ'ব পাৰে আৰু যিহেতু গোটেইবোৰ আ:বাং মিবুৱে মনত ৰাখিব লাগে, গীতবোৰ সাধাৰণতে মনত ৰখাত সহায়ক হোৱা শৈলীৰে ৰচিত হয়। যুৰীয়া শব্দৰ ব্যৱহাৰ ব্যাপক আৰু বহুতো ক্ষেত্ৰত শব্দবোৰ ভাঙি একেটা চৰণ (stanza)ৰ দুটা বেলেগ পংক্তিত ব্যৱহাৰ কৰা পোৱা যায়। উদাহৰণস্বৰূপে, ওপৰত দি অহা (১) নং মিবু আ:বাঙত কীয়ুম-কীঃৰ আৰু চে:দৃ-মে:ল যুৰীয়া শব্দৰ নিচিনা, কিন্তু এনেকুৱা যোৰ ভাঙি মনত ৰাখি পৰিৱেশন কৰাৰ সুবিধা হোৱাকৈ পংক্তিবোৰ সজোৱা হয়। ঠিক সেইদৰে 'কা:মাণ্ডী-তাদ্‌মাণ্ডী' (নেদেখা-নুশুনা) দুশাৰীত ভগালে 'নেদেখা'ৰ পাছত নুশুনা আহিব বুলি মনত ৰাখিবলৈ সুবিধা হয়। এটা নামৰ অন্ত্যাক্ষৰেৰে পিছৰ নাম এটা আৰম্ভ কৰা (যেনে, কীয়ুম্> য়ুম্‌কাং> কা:চি>চিয়ান্ /চিয়াং> আন্‌ব> বমুগ্> মুক্‌চেং> চে:দৃ> দৃ:লৃং> ল:তুং> তু:য়ী> য়ীপী> পীদং) আৰু পুনৰুক্তিৰ সঘন ব্যৱহাৰেও মনত ৰখাত সহায় কৰে।

কাবান্

মিচিং লোক-সংগীতৰ ক্ষেত্ৰত দ্বিতীয়তে উল্লেখ কৰিব পাৰি 'কাবান্'সমূহক। কাবান্ শব্দৰ অৰ্থ বিননি। নামটোৰ পৰাই বুজিব পাৰি যে কাবান্ বিৰহ-বেদনাৰ গীত। বিৰহ-বেদনাৰ কাৰণ মূলতঃ ডেকা-গাভৰুৰ প্ৰেমজনিত। ল'ৰালিৰ সান্নিধ্যৰে পৰা আৰম্ভ কৰি উতলা যৌৱনৰ প্ৰেমৰ মাদকতাৰ বিফল পৰিণতি, সাময়িক ভুল বুজাবুজি, চকুৰ পৰা সাময়িকভাৱে আঁতৰ হোৱা ইত্যাদি বিভিন্ন পৰিস্থিতিয়ে প্ৰেমিক-প্ৰেমিকাৰ অন্তৰ বিননিৰে ভৰাই তুলিব পাৰে। তলত কাবানৰ দুটামান উদাহৰণ দিয়া হ'ল।

কা ঃ (১) অইয়া নীঙানী নীইয় নীঙানী

অইনম্ নীঙানী ঙান্তিদ্ বমদুনী।। অই অইয়া।।

কিন্‌প: চুয়া:মৃল্ কা:প: চুয়ামৃল্

অইনম্ প:য়াৎপী য়াদ্‌বম্ মমাঙাই।। অই অইয়া।।

[ভাবাৰ্থ ঃ মৰমী মোৰ! বননিয়ে তোমাক ছানি ধৰিছে। এনে হ'ব বুলি যদি জানিলোহেঁতেন, এনে পৰিণতিৰ ছবি যদি আগতেই দেখিলোহেঁতেন, চাকনৈয়াত তোমাক ডুব যাবলৈ নিদিলোঁহেঁতেন।]

কা ঃ (২) দ:ঞি ৰু:নীবৃ প:ল ৰু:নীবৃ

কাপী ঙম্ ৰুংগক ৰু:নাম কা:নীইকা

মে:বঙম্ মী:তিন্‌ক তি:লা:মা:দপী।। অই অইয়া।।

[ভাবাৰ্থ ঃ জোন-বেলি সৰজোতাই মোক নো কেনেকৈ সৰজিলে বাৰু! এতিয়া যে মই একোকে ভাবিব নজনা হ'লো।]

কা ঃ (৩) বগুম্ চি:লুঙী আৰাং অলনা

দ:ঞি তাংকৃঅী ৰিংগ নামৰ্দাম্পী

মে:বঙ মাৰিয়ীম্ ৰিংগ দাক্‌কুনী।। অই অইয়া।।

[ভাবাৰ্থ ঃ ডাঙৰ বগুম্ (নামৰ) হাবিত কপৌজনীয়ে ইনাই-বিনাই ফুৰিছে। সেইদৰে মোৰ প্ৰেমিক অন্তৰেও কান্দোন জুৰিছে।]

কা ঃ (৪) চাগ্‌মি: চাগ্‌মি:লা চাগ্‌মি:য়ীমৃল

মী:মি: মীঃমি:লা মী:ৰব্ য়ীমৃল

কাবলুং ৰীঙাদী ঙাত্‌চাং দাক্‌কুনী।। অই অইয়া।।

[ভাবাৰ্থ ঃ (আগতে কি আছিল আৰু এতিয়া কি হ'ল) এই কথাবোৰ ভাবিব ধৰিলে, এই কথাবোৰ গুণিব ধৰিলে অন্তৰে মোৰ বিনাই উঠে।]

কা ঃ (৫) কম্‌জিং লক্‌কীব ৰীইয় লক্কীব

পিত্‌পা: লক্‌কীব জে:য়াং লক্কীব

অইনম্ আল্যগী - কা:ল্যগ্ চুতাগাই

অইনম্ আঙাবী - কাঙাব চুতাগাই।।

অইয়া দে:পিনীম্ পিন্‌মান্ বচুতাই

অইনম্ দে:পঙীম্ প:মান্ বচুতাই

অইনম্ দংকুংক গ্য:মান্ বচুতাই

চিবিয় দংকুংক গৃ:মান্ বচুতাই।।

[ভাবাৰ্থ ঃ একোকে নুবুজা ল'ৰালিৰ দিনৰ পৰাই আমাৰ চকু আৰু মনৰ মিলন ঘটিছিল। সেই দিনবোৰত আমি একেলগে উমলিছিলোঁ — মাটিৰে উমলি মাটিৰ ভাত খাইছিলোঁ, মাটিৰ সুৰা পান কৰিছিলোঁ।]

কা ঃ (৬) জাঁইয়: লক্কীব ৰাঁইয় লক্কীব
আজন্ ঙলু চ:মান্লা গৃমান্ বচুদীম্
অঁাদৃ দ:এিল্ল মিত্পান্য়া:কুনী।।

[ভাবাৰ্থ ঃ একোকে নুবুজা ল'ৰালি কালত তোমাৰ লগত একেলগে ওমলা কথাবোৰ কোন বেলি (অৰ্থাৎ কেতিয়ানো) পাহৰিব পাৰিম!]

ওপৰত দিয়া কাবানৰ উদাহৰণবোৰৰ পৰা বুজা যায় যে কাবান্বোৰত দুশৰীয়া, তিনিশৰীয়া বা বক্তব্য শেষ নহ'লে চাৰিশৰীয়া চৰণত ৰচনা কৰা হয়। প্ৰতিশাৰীত অক্ষৰ (syllable)ৰ সংখ্যা সাধাৰণতে ১০ (দহ)টা, অক্ষৰৰ সংখ্যা সামান্য কম-বেছি হ'লে সুৰ আৰু লয়ত সেইটো মিলাই লোৱা হয়।

মিচিং লোক সংগীত সংগ্ৰহ, চৰ্চা আৰু অধ্যয়ন কৰা কোনো ব্যক্তিৰ মতে কাবান্সমূহক প্ৰধানকৈ 'মে:ব কাবান্' আৰু 'দ:ব কাবান্' (বা কেৱল দ:ব) — এই দুটা ভাগত ভগাব পাৰি। ল'ৰালিৰ দিনত একেলগে উমলি ডাঙৰ-দীঘল হোৱা দিনৰ স্মৃতি ৰোমন্থন হ'ল 'মে:ব কাবান্'। এই জাতীয় গীতৰ সংখ্যা আপেক্ষিকভাৱে কম। 'দ:ব কাবান'ত যৌৱনৰ প্ৰণয়, পৰৱৰ্তী জীৱনৰ বিষাদ আদি বিষয়বোৰে বেছিকৈ স্থান পায়। এই জাতীয় গীতৰ সংখ্যা সৰহ। মিচিং সমাজৰ কোনো কোনো ঠাইত আগৰ দিনৰ কেইটামান সঁচা কাহিনীৰ ভিত্তিত ৰচিত কাহিনী গীত (ballad) জাতীয় গীতৰ প্ৰচলন আছে। ব্ৰিটিছৰ যুগত গেলা গাম নামৰ এজন মিচিং লোকে ভূমি-বিবাদৰ ফলস্বৰূপে হত্যাকাৰী হিচাপে প্ৰমাণিত হোৱাত তেওঁ জীৱনৰ বাকীছোৱা সময় আন্দামানৰ 'ছেল্যুলাৰ' জেলত কটাবলগীয়া হ'ল। বিনুদ (অসমীয়া বিনোদ) নামৰ এজন ডেকা পিপলি নামৰ এজনী ছোৱালীৰ প্ৰেমবাণত বিদ্ধ হ'ল, কিন্তু তেওঁলোকৰ প্ৰেম আছিল অবৈধ। এই কাহিনীক লৈ ৰচিত গীত 'বিনুদ-পিপলি'ৰ গীত নামেৰে জনা যায়। সেইদৰে অবৈধ প্ৰেমত পৰা, (সম্পৰ্কত খুড়াক-ভতিজাক এহাল) ডেকা-গাভৰুৰ কথোপকথনমূলক গীত এতিয়া 'তীব-তীকাং' নামেৰে জনা যায়। ৰচনাশৈলী আৰু সুৰৰ বৈশিষ্ট্যৰ পিনৰ পৰা এই কাহিনী-গীত জাতীয় গীতবোৰক কাবানৰ এটা শ্ৰেণী বুলি ধৰি 'দ:য়ৃং কাবান্' (দ:য়িং / দ:য়ৃং = কাহিনী) আখ্যা দিব পাৰি অথবা 'দ:ব কাবান্'ৰ এটা ভাগ বুলি ক'ব পাৰি। 'দ:ব' হিচাপে পৰিৱেশন কৰা এটি গীতৰ উদাহৰণ তলত দিয়া হ'ল—

দঃব (১) গ:ৰু অইয়া মাঙায়ী
মেন্জীগ্ অইয়া মাঙায়ী
পগা তুলৃগ্ তুলৃগ্লা
কাপী চপান্ চুতনী।।

[ভাবাৰ্থ ঃ গৰু হিচাপেও জনম লোৱা নাছিলো, ম'হ হিচাপেও জনম লোৱা নাছিলো। কিয় তেনেহ'লে আমাৰ দুয়োৰে ডিঙিত পঘা লগাই দুয়োকো দুফালে টানি নিলে? (ডিঙিত পঘা লগাই দুয়োকো দুফালে টানি নিয়াটো ইয়াত প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰা হৈছে।]

'দঃব'ৰ ৰচনাশৈলী পাছত আলোচনা কৰা অই নিঃতমৰ লগত মিলে। কাবানৰ ১০ (দহ)

অক্ষৰৰ শাৰীৰ সলনি ইয়াত আমি চাৰিশৰীয়া চৰণত সজালে প্ৰতি শাৰীত সাধাৰণতে ৭ (সাত) টাকৈ অক্ষৰ আৰু দুশৰীয়া চৰণত সজালে প্ৰতিশাৰীত ১৪ (চৈধ্য) টাকৈ, মুঠ ২৮ (আঠাইশ) টা অক্ষৰ পাওঁ। 'দ:ব' সম্পূৰ্ণ তালবিহীন ৰূপত পৰিৱেশন কৰা হয়। গতিকে, ৰচনাশৈলী, তাল আৰু সুৰলৈ চাই 'দ:ব'ক আছুতীয়া এটা সাংগীতিক শ্ৰেণীৰ মৰ্য্যাদা দিব পাৰি।

আঁৰত এটা বিচ্ছেদৰ কাহিনী থকা 'তীব তীকাং' নামৰ কথোপকথনমূলক গীতটিৰ কেইটামান পংক্তি তলত দিয়া হ'ল—

য়াঃমে: — অইয়া তীকা:লক্ তীবকী তীকা:লক্
অমুমা তীকা:লক গ্‌কুনী লা:ভুকা
অমুম্ নম্‌দানী কা:লৃঙ নম্‌দানী।।

মৃম্‌বৃৰ্ — অইয়া তীকা:লক্ তীবকী তীকা:লক্
মে:বয়া তীকা:লক্ গ্‌কুনী অমীমাং
মে:বই নম্‌দানী কা:লৃঙ নম্‌দানী।।

য়াঃমে: — অইয়া জীক্‌কা:লক্ জীগ্‌বকী জীক্‌কা:লক্
অমুমা জীক্‌কা:লক্ গ্‌কুনী লা:ভুকা
অমুম ন:দানী কাংকানী ন:দানী।।

মৃম্‌বৃৰ — অইয়া জীককা:লক জীগবকী জীক্‌কা:লক
মে:বয়া জীক্‌কা:লক্ গ্‌কুনী অমীমাং
মে:বয়া ন:দানী কাংকানী ন:দানী।। ইত্যাদি

[শব্দাৰ্থ ঃ 'য়া:মে:'—ডেকা, 'মৃম্‌বৃৰ'—গাভৰু
ভাবাৰ্থ ঃ ডেকা — (বনৰীয়া) দঁতাল হাতী কিম্বা গোনা ম'হৰ জাক থকা ঠায়েদি (অৰ্থাৎ, যি ঠাইত আমাক বিচাৰি আহিবলৈ কোনেও সাহ নকৰিব) আমি গুচি যাওঁ, আহা, সোণজনী!

গাভৰু— (বনৰীয়া) দঁতাল হাতী কিম্বা গোনা ম'হৰ জাক থকা ঠায়েদি গৈ পোৱা জীয়ৰী মই নহওঁ, প্ৰিয়তম! (দীঘলীয়া গীতটিত ডেকাগৰাকীয়ে এইদৰে অতি বিপদসংকুল পথেৰে হ'লেও একেলগে গুচি যোৱাৰ বিভিন্ন প্ৰস্তাৱ আগ বঢ়ায়, কিন্তু গাভৰুগৰাকীয়ে অলপ শংকা আৰু ভয়ৰ ভাব প্ৰকাশ কৰে।)]

ওপৰত উল্লেখ কৰা কাবান্‌বোৰৰ উপৰি আৰু এবিধ কাবানৰ কথা ইয়াত উনুকিয়াব পাৰি। জন্মৰ পৰা বিবাহৰ সময়লৈকে পিতৃ-মাতৃৰ যিঘৰ ঘৰত ডাঙৰ-দীঘল হ'ল, শৈশৱৰ সোণালী দিন কটালে, মৰম-চেনেহৰ মাজত দিনবোৰ কটাই আহিলে, সেই দিনবোৰ সুঁৱৰি, সেই নিজা ঘৰ এৰি কইনাই স্বামীগৃহলৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত ইনাই-বিনাই কান্দিবলৈ আৰম্ভ কৰে। এনে কান্দোন কইনাৰ বাবে স্বাভাৱিক। কিন্তু মিচিং কইনাই বিগত দিনৰ কথাবোৰ এক প্ৰকাৰৰ গীতৰ দৰে গাই বিনাব ধৰে। মিচিং গাভৰুৱে গাভৰু হোৱাৰ পাছত কেতিয়াবা এই বিননিৰ আখৰাও কৰে। এই প্ৰকাৰৰ কাবান্ বা বিননিক 'য়াম্‌নী কাবান্' বোলা হয় (য়াম্‌নী = কইনা)। য়াম্‌নী কাবানৰ এটা উদাহৰণ তলত দিয়া হ'ল—

য়া.কা. (১) বা:বী বা:বা, বা:বী আৰয়াঙা,

নাঃনী নাঃনা, নাঃনী পাগ্য়াঙা,
নাঃনী বাঃবু নক্কী দুঃনী
আকিয়ী জিন্তুম্ নাম্দীমী।।
বাঃবুকী দুম্দীং ঙ
নাঃনীকী আতীৰ্ অমী ঙ
মুঃয়ি তমাঙী গাঃঅ তমাঙী
মুঃবি তমাঙী, বিকাম তমাঙী
বাঃব বাঃবা বাঃব বাঃবা।। ইত্যাদি

[ভাবাৰ্থ ঃ অ' মোৰ দেউতা, অ' মোৰ আই, তোমালোকৰে পৰা ওলোৱা মই, তোমালোকৰে নাড়ীৰ টুকুৰা। মই তোমালোকৰ অকলশৰীয়া ছোৱালী। মোক এতিয়া নোযোৱা বাটেৰে যাবলৈ দি তোমালোকৰ কোলাত শান্তিৰে শোৱাৰ পৰা মোক কিয় বাৰু বঞ্চিত কৰিব খুজিছা?]

'য়াম্নী কাবান্' কথা কৈ কৈ কন্দাৰ নিচিনা এক প্ৰকাৰৰ বিননি গীত। গতিকে ই তালবিহীন আৰু ইয়াৰ সাংগীতিক মাধুৰ্য্যও কিছু কম। কিন্তু আগত উল্লেখ কৰি অহা মেঃব কাবান্, দঃব কাবান্, দঃব আৰু 'তীব তীকাং' আদি গীতসমূহ মিচিং লোক-সংগীতৰ সম্ভৱতঃ শ্ৰুতিমধুৰতম গীত। মেঃব কাবানৰ সুৰতো কোমল গান্ধাৰ আৰু কোমল নিষাদসহ পাঁচটা স্বৰৰ ব্যৱহাৰ হয় (সা, গা, মা, পা, নি); তাল দাদ্ৰা জাতীয় (ছয় মাত্ৰা—১-২-৩/৪-৫-৬)। দঃব কাবান্ সাংগীতিকভাৱে মেঃব কাবানতকৈ বেছি জটিল। কোমল-শুদ্ধ মিলি ছটামান স্বৰৰ ব্যৱহাৰ হয়। তাল দাদ্ৰা জাতীয় যদিও সম্পূৰ্ণ ছয়-মাত্ৰিক বুলিব নোৱাৰি। 'দঃব' তালবিহীন ঃ ইয়াত ভূপালী ৰাগত ব্যৱহৃত সা,ৰে, গা, পা, ধা —শুদ্ধ পাঁচটা সুৰ ব্যৱহাৰ কৰা শুনা যায়— উদাৰা সপ্তকৰ ধা আৰু তাৰা সপ্তকৰ সা-ৰ মাজত আৰোহণ-অৱৰোহণ হয়। 'তীব তীকাং' গীতটিত কোমল গা আৰু নি-সহ পাঁচটা স্বৰৰ ব্যৱহাৰ হয়— উদাৰা সপ্তকৰ কোমল নি আৰু তাৰা সপ্তকৰ সা-ৰ মাজত আৰোহণ-অৱৰোহণ হয়। তাল ঢিমা তিনি মাত্ৰাৰ (১-২-৩/১-২-৩)। ত্ৰিমাত্ৰিক ঢিমা লয় গীতটিৰ মধুৰতাৰ এটা দিশ।

বৃনিঃ

নিচুকনী গীত (মিচিং ভাষাত 'বৃনিঃ') সম্ভৱতঃ সকলো সমাজতে আছে। মিচিংসকলো ব্যতিক্ৰম নহয়। মিচিং 'বৃ' ধাতুৰ অৰ্থ 'বোকোচাত ল' আৰু 'নিঃ' ধাতুৰ অৰ্থ 'নিচুকা' —'বৃলা নিঃনাম' (বোকোচাত লৈ নিচুকোৱা)> বৃনিঃ। 'বৃনিঃ' শব্দৰ বুৎপত্তিগত অৰ্থৰ পৰাই বুজিব পাৰি যে মিচিংসকলে কেঁচুৱাক বোকোচাত লৈহে নিচুকনী গীত গায়। কেঁচুৱাক বোকোচাত লৈ কেঁচুৱা নিচুকোৱা কাম মাকেও কৰিব পাৰে অথবা ঘৰৰ (সাধাৰণতে) সৰু ছোৱালীয়ে বা কেঁচুৱাৰখীয়া হিচাপে নিয়োগ কৰা আনৰ (সাধাৰণতে সৰু) ছোৱালীয়েও কৰিব পাৰে। কান্দিব ধৰা বা আমনি কৰা কেঁচুৱাক ফুচুলনিৰ ভাষাৰে, মিহি মাতেৰে 'বৃনিঃ' গাই বোকোচাতে টোপনি যাবলৈ দিয়া হয়। এটা ছন্দিল লয়ত গোৱা হয় যদিও 'বৃনিঃ'ৰ কোনো নিয়মীয়া তাল নাই। 'বৃনিঃ'তো সাধাৰণতে কোমল গান্ধাৰ আৰু কোমল নিষাদসহ পাঁচটা স্বৰ (সা, গা, মা, পা, নি), মাজে মাজে সামান্য ফালৰি কাটি, ব্যৱহাৰ কৰা শুনা যায়। 'বৃনিঃ'ৰ এটা উদাহৰণ—

বৃ. (১) আবই...অইয়াউৱা কাপ্পয় পীক্কাউৱী দীঃমাঃদা
দীঃমৃল কাব্লাংকা মনীই

কউৰউৱা ৰি-ৰিয়া তাপিয়া ৰি-ৰিয়া
তালী:তক্ চম্পা আপ্‌পুনী।।
আবই... অইয়উকী কাব্‌নাম্‌দী বিকুলই বাজনা
তান্‌মি:লা দুংকানদাগ্—
তা:তা বংগৃদা চিৰাক আপ্‌তীইকা
অদক্‌কি আপিনীম্ বিপী।।

[ভাবাৰ্থঃ সোণটি নাকান্দিবা—কপৌ পোৱালিবোৰ উৰা নাই নহয়। উৰিলে কান্দিবা বাৰু দেই। সেয়া চোৰা, দূৰত নল, কঁহুৱা আদি বন, ওপৰত ঔ-টেঙাৰ ফুল। সোণটিয়ে কান্দিলে কিন্তু বৰ মিঠা লাগে—শুনি থাকিবৰ মন যায়। পিঠি বেঁকা ককা! বৰা-গাহৰি এটা মাৰি আনাচোন—তাৰে সোণটিক ভাত খুৱাওঁ।]

'বৃনিঃ'ত ব্যৱহাৰ কৰা ভাষাৰ অৰ্থ কেঁচুৱাই বুজি পোৱা বা নোপোৱাটো গুৰুত্বপূৰ্ণ নহয়—মিহি, মিঠা গীত শুনি টোপনি যোৱাটোহে আচল কথা।

মিদাং নি:তম্

মিচিং ভাষাত মিদাং মানে বিয়া, নি:তম্ মানে গীত। গতিকে **মিদাং নিঃতম্** মানে হ'ল বিয়া-গীত অৰ্থাৎ বিয়া-নাম। ভৈয়ামত অসমীয়া-ভাষী প্ৰতিবেশীসকলৰ প্ৰভাৱত পৰি আনুষ্ঠানিকভাৱে সম্পাদন কৰা বিবাহত মিচিংসকলৰ কিছুমানে অসমীয়া বিয়া-নামকে গায়, কিয়নো তেওঁলোকে অতীতৰ মিচিং 'মিদাং নি:তম্'বোৰ পাহৰি গ'ল। সৌভাগ্যক্ৰমে জোনাই আদি অঞ্চলত কিছু 'মিদাং নি:তম্' সংৰক্ষিত হৈ আছে। পৰিমাণতহে বৰ তাকৰ। এটা গীতত কইনাৰ ঘৰৰ পৰা কইনা আনি দৰাৰ ঘৰত আনুষ্ঠানিকভাৱে ভিতৰলৈ আদৰাৰ আগতে এজন ডেকাই বয়সত তেওঁতকৈ সৰু কেইজনমানক কইনা আদৰিবলৈ চাঙত উঠা জখলাৰ কাঠ অনাৰ প্ৰস্তাৱ দিছে। লাওবাঁহীৰ ধ্বনি অনুকৰণ কৰি 'মিদাং নি:তম্' সাধাৰণতে তীৰীৰী-তীৰীৰী বুলি আৰম্ভ কৰা শুনা যায়—

মি.নি. (১) তীৰীৰী তীৰীৰী তীৰী - ৰীতী-ৰা
আদি: তীলী দি:তী তীলী কী:কী ৰান্‌দাঙা।।
বান্‌জি চ:গ্ৰিক্ য়াঙে:তাগাই কী:কী ৰান্‌দাঙা
কউৰী কৃদাৰ্ কা:পং কাকুই কী:কী ৰান্‌দাঙা।।
বান্‌জি ক:বাং পাগেয়উলা কী:কী ৰান্‌দাঙা
মা:ম কাম্‌পুম্ য়াম্‌চা:নাপী কী:কী ৰান্‌দাঙা।।

[ভাবাৰ্থঃ সৌ পাহাৰত পমা গছ দুজোপা (মই) গোৰাই থৈ আহিছিলো। ল'ৰাইত ব'ল — গছ দুজোপা লৈ আহো। তাৰে আমি জখলা কাটিম আৰু আমাৰ বগী ন-বৌক ঘৰ সুমুৱাম।]

উল্লেখযোগ্য যে ন-কইনাক মিচিংসকলৰ চাংঘৰত সুমুৱাবলৈ নতুন জখলা আৰু মূল ঘৰৰ চাঙতকৈ অলপ চাপৰ চাং চোতালত সজাটো বাধ্যতামূলক পৰম্পৰা। জখলাও সাধাৰণতে পমা গছৰ কাঠৰ হোৱা বাঞ্ছনীয়। ন-কইনাক নিন্দা কৰা (যোৰা-নামজাতীয়) বা প্ৰশংসা কৰা গীতৰ নমুনাও সংগৃহীত হৈছে। তলৰ উদাহৰণটিলৈ মন কৰক—

মি.নি. (২) তীৰীৰী তীৰীৰী তীৰী - ৰীতী - ৰা

মা:ম কাম্‌পুং চা:প:য়কা তৌৰী - ৰীতৌ - ৰা
তৌৰীৰী তৌৰীৰী তৌৰী - ৰীতৌ - ৰা
বান্‌জি ক:বাং পামা:দাকী তৌৰী - ৰীতৌ - ৰা।।
তৌ ৰী ৰী ... ...
মা:ম কাম্‌পুং চা:তবংকা তৌৰী - ৰীতৌ - ৰা
তৌ ৰী ৰী... ... ...
বান্‌জি ক:বাং পাতু:বংকী তৌৰী - ৰীতৌ - ৰা।।
তৌ ৰী ৰী... ... ...
মা:ম কাম্‌পুং চা:মা:দাপী তৌৰী - ৰীতৌ - ৰা
তৌ ৰী ৰী ... ...
বান্‌জি ক:বাং দূৰ্‌গী দু:বং তৌৰী- ৰীতৌ - ৰা।। ইত্যাদি

[ভাবাৰ্থঃ হেৰা আমাৰ বগী ন-বৌ, তুমি এতিয়া চাঙত নুঠিবা—আমি এতিয়া পমাৰ জখলা কটা নাই। ...বগী ন-বৌ, এতিয়া তুমি চাঙত উঠিব পাৰা, জখলা দিয়া হ'ল। (এহ্ কথা দেখোন বিষমেই!) আমাৰ বগী ন-বৌৱে জখলাত ভৰি নৌ দিওঁতেই পমাৰ জখলা দুটুকুৰা হৈ থাকিল!]

'মিদাং নি:তম'তো সাধাৰণতে কোমল গান্ধাৰ আৰু কোমল নিষাদসহ পঞ্চস্বৰৰ (সা, গা, মা, পা, নি) ব্যৱহাৰেই পোৱা যায়, কিন্তু স্বৰৰ আৰোহণ-অৱৰোহণৰ ৰীতি সুকীয়া। তাৰাৰ ষড়জ (সা) নুচুৱাকৈ উদাৰাৰ কোমল নিষাদ আৰু মুদাৰাৰ কোমল নিষাদৰ মাজত সুৰৰ উঠা-নমা হয়। তাল বৰ ঢিমা ছয় মাত্ৰাৰ (ঢিমা দাদ্‌ৰা)।

জাংগাল্ আবে:

প্ৰয়াত তৰুণ চন্দ্ৰ পামেগামে সম্ভৱতঃ মিচিংসকলৰ ম:য়িং খেলৰ লোকৰ পৰা— বিশেষকৈ শোণিতপুৰৰ বুৰৈ, ভৰলী আদি অঞ্চলৰ পৰা—**'জাংগাল্ আবে:'** (জাংগাল্ গীত) নামৰ কিছুমান বৰষুণ নমোৱা গীত সংগ্ৰহ কৰিছিল। পামেগামৰ সংগ্ৰহৰ পৰা বাছি উলিয়াই ড° বীৰেন্দ্ৰনাথ দত্তই তেখেতৰ সম্পাদনা Folksongs of the Misings গ্ৰন্থত সন্নিৱিষ্ট এই জাতীয় দুটা গীত তলত উদাহৰণ হিচাপে দিয়া হ'ল—

জা. আ. (১) জাংগাল্ পৗদঙী দ:বমী জাংগালাই
জাংগাল্ আলিয়ী দ:বমী জাংগালাই
আদি: দি:লু:তৌলী দি:বকইয়া
দি: বক দি:বয়া।।
বা:ব কাজ, জিল্‌ব কাজ,
গ:য়িং কদা, তলেন কদা— বা:বইয়া
গ:য়িং কদা, পদঙ কদা
আৰিকাং কদা, বাৰিকাং কদা।।

[ভাবাৰ্থঃ আহা, পাহাৰৰ ওপৰেদি বগাই আহা। হে দেৱতা, তুমি নামি আহা। দেউতা আহা, খুড়া আহা, জিলিয়ে মাতক, বৰষুণ আহক। আমাক পানী লাগে, বাৰিষা লাগে।]

জা. আ. (২)	বা:বু কাজ্ জিল্ব কাজ বা:বইয়া
আৰিকাং কাজ বাৰিকাং কাজ বা:বইয়া।।
উগন্ কজাল্ গীজান্ কজাল্
গবৃং কজাল্ তদল্ কজাল্
তীলী লাচেঙ তীলী
কা:কৃৰবৃ য়া:মে: তীলীংচুদুং
পাদুমবৃ পা:মে: তীলীংচুদুং।।

[ভাবাৰ্থ ঃ পানী, আহা—বাৰিষা নামি আহা। ধুনীয়া ধুনীয়া চুৰিয়া পিন্ধি, ধুনীয়া ধুনীয়া গামোচা পিন্ধি, কা:কৃৰ্ (এজন ডেকাৰ নাম) হঁত, পাদুম্ (এজনী ছোৱালীৰ নাম) হঁত ওলাই আহা। (হে মেঘ, নামি আহা)] ইত্যাদি।

এই লেখকে 'জাংগাল্ আবে:' শুনা নাই আৰু পৰিৱেশন-ৰীতিও দেখা নাই। গতিকে এই বিষয়ে কোনো তথ্য আগ বঢ়াব নোৱাৰিলো। মিচিং সমাজৰ অতি কম সংখ্যক লোকেহে বোধ কৰোঁ 'জাংগাল্ আবে:'ৰ পৰম্পৰা ধৰি ৰাখিছে।

অই নি:তম

সম্প্ৰতি মিচিং সমাজৰ সৰ্বাধিক জনপ্ৰিয় গীত হ'ল — **অই নি:তম**। অই নি:তমৰ পৰম্পৰা কিমান পুৰণি বা পাহাৰত বসবাস কৰাৰ সময়ত মিচিংসকলৰ মাজত অই নি:তমৰ ধাৰা প্ৰচলিত আছিলে নে নাই, সঠিককৈ কোৱা টান। ব্ৰিটিছৰ যুগৰ যিসকল বিদেশী লেখকে মিচিংসমাজৰ বিষয়ে কিছু কথা লিখিছিল, তেওঁলোকৰ লেখাসমূহত অই নি:তমৰ উল্লেখ নাই। ৰজনীকান্ত বৰদলৈৰ ১৮৯৪ চনত প্ৰকাশিত 'মিৰি জীয়ৰী'ত মিচিং বিহুৱা দলৰ কিছুমান গীত দিয়া আছে। এইবোৰ গীতৰ লগতে অই নি:তম্ দুটামান অথবা, অন্ততঃ অই নি:তম্ নামটো উল্লেখ থাকিব লাগিছিল বুলি আমি ভাবিব পাৰোঁ, কিয়নো কোনো মিচিং বিহু অই নি:তম্ অবিহনে পৰিৱেশন কৰা নহয়। কিন্তু 'মিৰি জীয়ৰী'ত আমি অই নি:তমৰ উল্লেখ নাপাওঁ। যোৱা শতিকাৰ প্ৰথম-দ্বিতীয় দশকমানত সোণাৰাম পাএগং কটকী নামৰ প্ৰথম মিচিং লেখকগৰাকীয়ে সম্ভৱতঃ কিছুমান অই নি:তম সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। কিন্তু সেই সংকলনৰ কোনো কপি আজি পোৱা নাযায়। তেওঁ সংগ্ৰহ কৰা গীতবোৰ আজি উপলব্ধ হোৱা হ'লে, সেইবোৰেই অই নি:তম্‌ৰ আটাইতকৈ পুৰণি উদাহৰণ হ'লহেঁতেন।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, অই নি:তম আৰু অসমীয়া বিহুগীত বা বিহুনামৰ ৰচনাশৈলীৰ যথেষ্ট মিল আছে। তদুপৰি মিচিংসকলৰ নিকট সম্পৰ্কীয় আদী সমাজত অই নি:তম জাতীয় গীত পোৱা নাযায়। গতিকে, এইটো খুবেই সম্ভৱ যে গীত হিচাপে অই নি:তমত হিমালয়ৰ পৰশ, পাহাৰীয়া জীৱনৰ পৰম্পৰা স্পষ্ট যদিও, মৌখিক সাহিত্য হিচাপে অই নি:তমৰ ৰচনা ব্ৰহ্মপুত্ৰ উপত্যকাতহে আৰম্ভ হ'ল। লগতে, অই নি:তমৰ ৰচনাত বিহুনামৰ প্ৰভাৱ পৰাৰ সম্ভাৱনাও নোহোৱা নহয়।

অই নি:তম্ মূলতঃ প্ৰণয়ৰ গীত। ঘৰৰ নুমলীয়াক সাধাৰণতে ঘৰৰ সকলোৱে মৰমতে 'অই' (নুমলীয়া) বুলি সম্বোধন কৰে। সম্বন্ধবাচক শব্দৰ লগতো 'সৰু' অৰ্থত 'অই' যোগ দিয়া হয়— বা:বু-অই (দেউতা-সৰু) >বা:বই (খুড়া), কা:কৃ- অই (মোমাই - সৰু)> কা:কই >(সৰু মোমাই-দেউ)

ইত্যাদি। এই 'অই' শব্দটোৰ অৰ্থ বহলাই 'মৰমৰ', 'চেনেহৰ' অৰ্থতো ব্যৱহাৰ কৰা হয়। গতিকে প্ৰেমিকে প্ৰেমিকাক 'অইয়া' (হেৰা মৰমী/ চেনেহী) বুলি সম্বোধন কৰিব পাৰে। 'অই নি:তম' নামটোত 'অই' শব্দটো 'মৰমৰ' বা 'চেনেহৰ' অৰ্থত ব্যৱহৃত হৈছে। 'নি:তম' মানে গীত, গতিকে 'অই নি:তম'ৰ আক্ষৰিক অৰ্থ হ'ল 'চেনেহীৰ গীত' বা 'চেনাইৰ গীত'। 'অই নি:তম' নামটোৰ সম্পৰ্কে আৰু এটা কথা উল্লেখ কৰিব পাৰি। প্ৰেমজনিত নহ'লেও 'অই নি:তম'ৰ শৈলীৰে ৰচনা কৰা আৰু 'অই নি:তম'ৰ সুৰত গোৱা গীতবোৰকো 'অই নি:তম' বুলিয়েই উল্লেখ কৰা হয়—এফাকি অই নি:তম পৰিৱেশন কৰোঁতে আৰম্ভণিৰ পিনে আৰু শেষৰ পিনেও 'অই' শব্দটো ব্যৱহাৰ কৰা হয়। এই পৰম্পৰাগত পৰিৱেশন-শৈলীৰ পৰিপ্ৰেক্ষিততো এই শ্ৰেণীৰ গীতক 'অই নি:তম' আখ্যা দিব পাৰি।

লোক-সংগীত হিচাপে অই নি:তমৰ ধাৰা মিচিংসমাজত দীৰ্ঘকলীয়া আৰু অবিৰাম হ'লেও সময়ৰ লগে লগে গীতসমূহ সলনি হৈ আহিছে। পুৰণি গীতবোৰৰ কিছুমান প্ৰচলিত হৈ থাকিলেও প্ৰায়বোৰেই কালৰ বুকুত লীন গৈছে। প্ৰেম বিষয়ক হোৱা বাবেও এটা পুৰুষে এই গীতবোৰ আন এটা পুৰুষক পদ্ধতিগতভাৱে (যেনে, মিবু আ:বাং) দি যোৱাৰ অৱকাশ নাছিল। প্ৰাক্‌সাক্ষৰ সমাজ এখনে লিখিতভাৱে সংৰক্ষণ কৰাৰ প্ৰশ্নও নুঠে। গতিকে অতীতত কিমান অই নি:তম্ লোক-কবিয়ে মৌখিকভাৱে ৰচনা কৰিছিল, কিমান হেৰালে, কিমান থাকিল—আজিৰ তাৰিখত এইবোৰৰ হিচাপ পোৱাৰ উপায় নাই।

একোফাকি অই নি:তম লিখিত বা মুদ্ৰিত ৰূপত একোটা চৰণ। এই চৰণ চাৰিশৰীয়া (quatrain) বা দুশৰীয়া (couplet) হিচাপে সজাব পাৰি, যেনে—

অ. নি. (১)

চাপৰি অই চাপৰি
চপানচুলা ৰম্‌দাগ্‌গম্ ;
অইয়া ঙএ্রিক্ মিক্কিদী
য়ি:পুমাউৰী চুয়ীপী।।

অথবা

চাপৰি অই চাপৰি চপানচুলা ৰম্‌দাগ্‌গম্ ;
অইয়া ঙএ্রিক্ মিক্কিদী য়ি:পুমাউৰী চুয়ীপী।।

[ভাবাৰ্থ ঃ আমি দুয়োকো দুখন বেলেগ বেলেগ চাপৰিত নি জ্বলাই দিলেও আমাৰ চিতাৰ ধোঁৱা গৈ আকাশত একেলগ হ'ব। (লাখ লাখ যুগ ধৰি প্ৰেমিক-প্ৰেমিকাই হিয়াত হিয়া ৰাখি আহিছে)]

এই ধৰণৰ বিভিন্ন জাতীয় গীত চাৰিশৰীয়াকৈ সজালে দেখাত বেছি শুৱনি হয় যদিও চাৰিশৰীয়াকৈ সজালেহে শুদ্ধ হ'ব, দুশৰীয়াকৈ সজালে ভুল হ'ব—এই বুলি ক'ব নোৱাৰি। অই নি:তমৰ বক্তব্যত সাধাৰণতে দুটা অংশ থাকে—বহুতো অই নি:তমৰ প্ৰথম অংশ উপমান আৰু দ্বিতীয় অংশ উপমেয়। দুশৰীয়াকৈ সজালে প্ৰথম শাৰীত উপমান আৰু দ্বিতীয় শাৰীত উপমেয় দাঙি ধৰা হয়। চাৰিশৰীয়াকৈ সজালে প্ৰথম দুশাৰীত উপমান আৰু পিছৰ দুশাৰীত উপমেয় থাকে। ওপৰত 'দ:ব' গীতৰ ৰচনাশৈলীৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে যে চাৰিশৰীয়া চৰণত সজালে অই নি:তমৰ প্ৰতি শাৰীত ৭ টা আৰু দুশৰীয়াকৈ সজালে প্ৰতি শাৰীত ১৪টা—মুঠ ২৮ টা অক্ষৰ (syllable) থাকে। অই নি:তম ৰচনা কৰাৰ প্ৰধান শৈলী এইটোৱেই। কিন্তু ভাব সম্পূৰ্ণ কৰিবলৈ কেতিয়াবা লোক-

কবিয়ে এই ৰীতি ভংগ কৰিব পাৰে। তলৰ নি:তম দুফাকিলৈ মন কৰক—

অ. নি. (২)

পীকৃ অইয়া তমা:নী
পীত্তাং অইয়া তমা:নী,
আলাব্ অইয়া কাতমাং
লাব্‌লুগাউৰী চুপীচিন্ ;
অইয়া অইনম্ কা-ল্ :দ
কা:বেগাউৰী তমা:নী।।

[ভাবাৰ্থ ঃ পাখি মাৰি উৰি যাবলৈ কপৌ বা আন কোনো চৰাই যে নহলো। তোমাক দেখা পাবলৈ মনে বিচাৰিলেও তোমাক যে মই দেখা নাপাওঁ।]

(চাৰিশৰীয়া চৰণ হিচাপে সজাই লোৱা এই গীতত) চাৰিশাৰীত বক্তব্য সম্পূৰ্ণ নোহোৱাত দুশাৰী যোগ দি ছশাৰীত বক্তব্য সম্পূৰ্ণ কৰা হৈছে।

অ. নি. (৩)

আবু: ৰু:য়ি: ৰু:য়ি:লক্
মিক্‌চি অইয়া দৃনাম্‌দী
আচি বিল্লাম্ বিল্লাম্‌দ
বিত্তক্ মৃন্দু:নী ;
অইনকী পৃগদ
পুম্‌চা:লা কা-লাংকা
লাক্কে পংকগ্ পংকগ্‌দ
ঙকী য়াল্লম্ কা:বেগয়ী।।

[ভাবাৰ্থ ঃ নৈৰ পাৰে পাৰে (উজনি-নামনি কৰি) চকুলো টুকিলো। পানীৰ সোঁতত মোৰ চকুলোবোৰ উটি গৈছে। মোৰ সোণ, তুমি পানী-ঘাটলৈ আহি (দুহাতেৰে দুচলু) পানী তুলি ল'বা—আঙুলিৰ মাজে মাজে মোৰ প্ৰতিচ্ছবি দেখিবা।]

এই গীতটিত এশাৰীত ৭টাকৈ অক্ষৰ ব্যৱহাৰ কৰি আঠ শাৰীতহে বক্তব্য সম্পূৰ্ণ হৈছে, অৰ্থাৎ সচৰাচৰ অই নি:তমতকৈ ইয়াৰ দৈৰ্ঘ্য দুগুণ হৈছে।

অই নি:তমৰ আংগিক সম্পৰ্কে মন কৰিবলগীয়া আৰু এটা কথা হ'ল—মূল বক্তব্যৰ বাবে প্ৰয়োজনীয় শব্দবোৰেৰে এশাৰীত অক্ষৰৰ সংখ্যা পূৰ্ণ নহ'লে 'অই' বা 'অইয়া' আদি শব্দ যোগ দি ছন্দ সম্পূৰ্ণ কৰা হয়। উদাহৰণস্বৰূপে ওপৰৰ (২) নং অই নি:তমৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু পঞ্চম শাৰীত 'অইয়া' শব্দটো ছন্দৰ খাতিৰতহে ব্যৱহাৰ কৰা হৈছে। মূল বক্তব্যটো বাকী শব্দবোৰতে সোমাই আছে।

পৰম্পৰাগতভাৱে অই নি:তম প্ৰেম বিষয়ক ব্যক্তিগত আবেগৰ গীত ঃ প্ৰেমিকে প্ৰেমিকাক কেন্দ্ৰ কৰি বা প্ৰেমিকাই প্ৰেমিকক কেন্দ্ৰ কৰি গোৱা গীত—প্ৰেমৰ মাদকতা, উৎকণ্ঠা, বিৰহৰ বেদনা, হতাশা, মোহভংগ হোৱা, আন কি কেতিয়াবা বিৰক্তি—ইত্যাদি প্ৰেমজনিত বিভিন্ন আবেগ-অনুভূতি প্ৰতিফলিত হয়। যোৱা কেইটামান দশকত আন বিষয়বস্তু লৈও কিছুমানে অই নি:তম গাবলৈ লোৱা শুনা গৈছে। কিছুমান উপদেশমূলক, কিছুমান হাস্যৰসাত্মক, কিছুমান ব্যংগাত্মক, কিছুমান কৰ্তব্যৰ বাবে

সমাজক জনোৱা আহ্বান—ইত্যাদি।

বহুতো অই নি:তমৰ উপমান আৰু উপমেয় থাকে বুলি ওপৰত উল্লেখ কৰা হৈছে। এনে উপমা সাদৃশ্যৰো হ'ব পাৰে বৈসাদৃশ্যৰো হ'ব পাৰে। তলৰ উদাহৰণ কেইটামানলৈ মন কৰক ঃ (অই নি:তমৰ তলত দিয়া উদাহৰণ সমূহ দুশৰীয়াকৈ সজোৱা হ'ল)

অ. নি. (৪) দ:ঞিৱৃ অই চা:দুনী লৃ:জৃগাউৰী লৃ:জৃগ্‌লা;
মী:নাম্ অইবৃ লেন্‌দুনী গীজুবই গীকাব্‌লা।।

[ভাবাৰ্থ ঃ বেলি উঠিছে ৰাঙলী বোল সানি; (সেইদৰে) তুমি দেখা দিছা সুন্দৰ সাজেৰে। (উপমানত যিদৰে পূৰ্বাকাশ ৰঙীন হৈছে, উপমেয়ত প্ৰেয়সী-দৰ্শনত প্ৰেমিকৰ মন সেইদৰে পোহৰিত হৈ পৰিছে)]

অ. নি. (৫) উৰাজা:জী দী:দু:নী লাপ্‌কৃনাম্‌মীম্ কা:বেগ্‌মাং;
ঙক্‌কী অইবৃ কাব্‌দু:নী মিক্‌চি দৃনাম্ কা:বেগ্‌মাং।।

[ভাবাৰ্থ ঃ আকাশীযান উৰিছে, কিন্তু পাখি মৰা নেদেখি; মোৰ ধনে কান্দিছে কিন্তু চকুলো টোকা নেদেখি। (প্ৰেমিকাৰ হৃদয় বেদনাৰে ভৰি পৰিছে, কিন্তু সেই বেদনা ভিতৰতে লুকুৱাই ৰাখিছে।)]

অ. নি. (৬) আচি জিলি জিলিক মিক্‌চি জিলি জিলিক ;
আচি জিলি পৃন্‌য়ীপী মিক্‌চি জিলি পৃন্‌পীমাং।।

[ভাবাৰ্থ ঃ নিজৰাৰ পানীও বয়, চকুৰ পানীও বয়। নিজৰাৰ পানী শুকাব পাৰে, কিন্তু মোৰ চকুৰ পানী যে (কেতিয়াও) নুশুকাব। (বিৰহৰ বেদনা চিৰকাল থাকিব।)]

অ. নি. (৭) আচি দা:ৰী নৃ:দুব্‌লা কাগৰি:বৃ জিন্‌দু:নী ;
আগম দা:ৰী নৃ:দুব্‌লা ঙক্‌কী দীইয়ী জিন্‌দু:নী।।

[ভাবাৰ্থ ঃ পানীৰ (কোবাল) সোঁতে খাগৰিজোপা কঁপাইছে; (আমাৰ পিৰীতিৰ) কথাবোৰে মোৰ হৃদয়ত কঁপনি তুলিছে।]

কেতিয়াবা উপমা বৰ অৰ্থবহ নহ'লেও ধ্বনি-ব্যঞ্জনাৰ বাবে আমাৰ চহা-কবিয়ে অই নি:তম ৰচনা কৰে। তলৰ দুটা উদাহৰণলৈ মন কৰক—

অ. নি. (৮) দ:ঞী অইয়া অআ:দুং লৃগ্ লৃগাউৰী লৃগ্‌লৃক্‌পী;
আচিনা:ঙী অদু:নী চিন্‌চিনাউৰী চিন্‌চিন্‌পী।।

[ভাবাৰ্থ ঃ বেলি অলপ অলপকৈ তললৈ সোমাই যাব ধৰিছে (অৰ্থাৎ মাৰ যাব ধৰিছে); (লগে লগে) মোৰ মনো উৰুঙা উৰুঙা লাগিব ধৰিছে।]

এই গীতটিত দোহৰা ৰূপত ব্যৱহৃত লৃগ্‌লৃগ্-লৃগ্‌লৃগ্ আৰু চিন্‌চিন্-চিন্‌চিন্ ধ্বন্যাত্মক শব্দ। অৰ্থতকৈও ধ্বনি-ব্যঞ্জনাৰ বাবে উপমাটো ইয়াত ব্যৱহাৰ কৰা হৈছে।

অ. নি. (৯) কুৰুৱাঙী কাব্‌দু:নী অৃতু:লাঙই অৃবগ্‌লা ;
ঙক্‌কী দীইয়ী কাব্‌দু:নী ৰংকিয়াউৰী ৰ:য়ৃ:লা।।

[ভাবাৰ্থ ঃ কুৰুৱা চৰায়ে কান্দিছে ডিঙি মেলি মেলি; (প্ৰিয়তম/প্ৰিয়তমা, তোমাক নেদেখি/নাপাই মোৰ হিয়াই কান্দিছে— কলিজা খুলি খুলি (খাই)।]

এই গীতটিত কুৰুৱা বা উকহে ডিঙি মেলি মেলি কন্দা আৰু ভিতৰখন খুলি খুলি (খাই) হিয়াই কন্দাৰ সাদৃশ্য কম। কিন্তু উপমানত দোহৰা ৰূপত ব্যৱহৃত 'অৃতুং-অৃবগ্' আৰু উপমেয়ৰ 'ৰংকি- ৰ:য়ৃ:'

দুয়োটাই পুনৰাবৃত্তিকৃত (reduplicative) শব্দ। শব্দ দুটাৰ ব্যৱহাৰে ছন্দ সৃষ্টি কৰাত সহায় কৰিছে।

অ. নি. (১০) আ:বুঙলক চুল্‌লিয়ী বাত্‌কুবাউৰী বাদ্‌লাবী
দীয়া দনী ক:নী:ৰ্ লুকুবাউৰী লুলাবী।।

[ভাবাৰ্থ ঃ নৈৰ বালিত খোজ এবাৰ আগলৈ যায়, তাৰ পাছত পিছুৱাই আহে; কলিজা খোৱা মোৰ লাহৰীৰ কথাও হোঁহকা -পিছলা।]

এই গীতটিত কলিজা খোৱা লাহৰীৰ হোঁহকা-পিছলা কথাই নৈৰ বালিত খোজ কঢ়াৰ ছবি চহা-কবিৰ মনলৈ আনিছে। কিন্তু ওপৰঞ্চিকৈ, ছন্দৰ বাবে দোহৰা ৰূপত ব্যৱহৃত পুনৰাবৃত্তিকৃত শব্দ 'বাত্‌কুব্-বাদ্‌লাব্' আৰু 'লুকুব্-লুলাব'ৰ ধ্বনিগত সাদৃশ্যয়ো এই নি:তমফাকি ৰচনা কৰাত তেওঁক উৎসাহ যোগাইছে।

লোক-সংগীত হিচাপে বিচাৰ কৰিলে অই নি:তমত কেতিয়াবা কেতিয়াবা ব্যৱহাৰ কৰা লক্ষণা বা ৰূপক (metaphor) ৰসোত্তীৰ্ণ বুলিয়েই বিবেচনা কৰিব পাৰি। ওপৰৰ (১) নং আৰু (৩) নং অই নি:তম দুফাকি এই ধৰণৰ ৰসোত্তীৰ্ণ অই নি:তম বুলি ক'ব পাৰি। এই বিধৰ আন দুফাকি অই নি:তম তলত দিয়া হ'ল—

অ. নি. (১১) নক্‌কী আগ্‌গ কেকন্দী ঙক্‌কী আগ্‌গ কেকন্চী:
আগদক্‌কী দুবৰি পাৰ্‌পুমাউৰী চুয়ীপী।।

[ভাবাৰ্থ ঃ তোমাৰ কবৰ সিপাৰে, মোৰ কবৰ এইপাৰে; আমাৰ কবৰৰ ওপৰত গজা দুবৰি দুফালৰ পৰা আহি (মাজত) একেলগ হ'ব।]

অ. নি. (১২) অইয়া মদদ ম:দ চিকাৰ মদদ:
অইন দুমচুং গ্‌লাম্‌দ দাগ্‌লেনাই বিদাগাই।।

[ভাবাৰ্থ ঃ দূৰণিলৈ চিকাৰত যাওঁতে হৰিণা পহু অহা-যোৱা কৰা বাটত তুমি দেখা দিছিলা।]

প্ৰেমিক চহা-কবিয়ে হৰিণা পহু অহা-যোৱা কৰা বাটত সঁচাই প্ৰেয়সীক দেখিছিলে নে? নে, প্ৰেমিকৰ মনোজগত প্ৰেমিকাৰ ছবিয়ে অহৰহ ভৰাই ৰখা বাবে, এইটো তেওঁৰ মাথোন ভ্ৰম? নে, এই চিকাৰ দূৰণিৰ গাঁৱত বা ঠাইত কৰা প্ৰেমৰ চিকাৰ হে? এইবোৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ নাই আৰু উত্তৰৰ প্ৰয়োজনো নাই।

কিছুমান উপমা দৈনন্দিন ঘৰুৱা-জীৱনৰ পৰা অনা। এনে উপমাই অই নি:তমক এটা গ্ৰাম্য সুগন্ধ প্ৰদান কৰে। তলৰ অই নি:তম দুফাকিলৈ মন কৰক—

অ. নি. (১৩) তি:নী আল তিংকাম্‌পী তি:পুম্ চুগে:লা:
দৃগনী মৃৰচু দক্‌কাম্‌পী দক্‌পান্ চুকানী।।

[ভাবাৰ্থ ঃ (খাদ্য সোৱাদ কৰি তোলা) নিমখৰ দৰে আমাৰ প্ৰেমে আমাৰ জীৱন সোৱাদ কৰি আমাক এক কৰি পেলাইছিল; (এতিয়া) জলকীয়াৰ অসহ্য জ্বলাই মুখ জ্বলোৱাৰ দৰে আমাৰ বিচ্ছেদে আমাৰ হৃদয় জ্বলাইছে।]

ইয়াত 'আল', 'মৃৰচু' (নিমখ, জলকীয়া) আৰু 'তি:নী', 'দৃগনী' (নিমখৰ সোৱাদ, জলকীয়াৰ জ্বলা)— এনে বৈপৰীত্যৰ উপস্থাপন মন কৰিবলগীয়া।

অ. নি. (১৪) কপাগ্ পুলি: লেতাগাই এজাৰ্ ব:নীম্ মীগে:লা;

মী:নাম্ দ:য়ৃং কৃতাগাই য়ুম্‌মি: দ:মি: মীগে:লা।।

[ভাবাৰ্থ ঃ দহোবন কাতি কৰি কলৰ পুলি ৰুইছিলোঁ; শোৱা-মেলা এৰি (অৰ্থাৎ ওৰে ৰাতি) প্ৰেমালাপ কৰিছিলো।]

অই নি:তম বুলিলেই উপমাব্যঞ্জক নহয়। কিছুমানত একোটা অভিজ্ঞতাৰ কথা পোনপটীয়াকৈ কোৱা হয়। যেনে—

অ. নি. (১৫) অইয়া মা:ঞিঃব য়ুম্‌মা: মা:ঞিঃব;
অইয়া মিক্‌চী ৰীজিন্ চা:দু:নী।।

[ভাবাৰ্থ ঃ (শুই থকা সময়ত) সপোনতো মোৰ দুচকু চকুলোৰে ভৰি পৰিছে। (বিৰহৰ বেদনা ইমানেই গভীৰ।)]

অ. নি. (১৬) চিকাং ঔম্‌না মী:পীচিন্ আগদীমই কা:বেগ্‌মাং;
তুৰ্‌দুং ঔম্‌না মী:পী চিন্ য়ালদীমই কা:বেগ্‌মাং।।

[ভাবাৰ্থ ঃ তোমাৰ মৃত্যু হৈছে বুলি ভাবিব নোৱাৰো, কিয়নো তোমাৰ কবৰ দেখা নাই; তুমি জীয়াই আছা বুলি ভাবিব নোৱাৰোঁ, কিয়নো তোমাৰ ছাঁটিও দেখা নাই। (প্ৰেমত সন্তৱতঃ কেনা লাগিছে)]

অ. নি. (১৭) গ:ৰু আ:লীম লাগিমা মেন্‌জীগ্ আ:লীম লাগিমা;
মী:নাম্ অইনম্ পা:মৃল কুয়্যাব্ তাগ্‌লা দবপী।।

[ভাবাৰ্থ ঃ গৰুও নালাগে মোক, ম'হো নালাগে। তোমাক পালে, মৰমী, কোৰ মাৰিয়েই খুৱাম। (মিলনৰ বাবে হেজাৰ পৰিশ্ৰমৰ বাবে প্ৰেমিক প্ৰস্তুত)]

কেতিয়াবা প্ৰেমিক/প্ৰেমিকাৰ অন্তৰ খং আৰু বিৰক্তিৰে ভৰি পৰে। তলৰ অই নি:তম দুফাকি মন কৰক—

অ. নি. (১৮) দীয়া বিগে: বিগে:লা মী:নাম্ আগম্ লুগে:লা
চীক্‌কী আগম্ পা:লা:য়ীম্ লৃ:নী ইয়্যীম্ তৃ:তকুন?

[ভাবাৰ্থ ঃ হিয়া দি দি পিৰীতিৰ কথা ক'লা; কাৰ কথা পাই এতিয়া তুমি মোৰ কেঁচা তেজ পি খাইছা?]

অ. নি. (১৯) কবিৰ্ ঔম্‌না লেতনীম্ মেতেকা:পী বাত্‌পাক্‌কাং;
দীইয়ী আম্‌না মী:তনীম্ বনৰি:পী বাত্‌পাক্‌কাং।।

[ভাবাৰ্থ ঃ ৰুইছিলোঁ কবি পুলি বুলি, হ'লা তুমি মেটেকা; ভাবিছিলোঁ তুমি মোৰ কলিজাৰ এফাল, পিছে হ'লা তুমি বনৰী!]

মিচিংসকলে হাঁহি ভাল পায়, গতিকে কিছুমান অই নি:তমে হাঁহিৰ খোৰাকো যোগায়। দুটামান উদাহৰণলৈ মন কৰক—

অ. নি. (২০) মৃজ্ং গ:ৰু অতুৰুং নাঙলই জুঙলি;
অই ঙঞিক্ অতুৰুং গাঙলিয়া য়া:মে:দী।।

[ভাবাৰ্থ ঃ বুঢ়া গৰুৰ শত্ৰু হ'ল নাঙল আৰু যুৱলি; তোমাৰ মোৰ শত্ৰু হ'ল গাঁওখনৰ ডেকাবোৰ।]

অ. নি. (২১) আমিঅী কা:দু:পী লৃ:তুঙী কিলি:পী;
ঙ অইয়া কা:দু:নী মুৰ্ক: মুআৰ্পী।।

[ভাবাৰ্থ ঃ আনৰ দৃষ্টিত তুমি হয়তো ডিঙি নোহোৱা এটা কলহ; মোৰ দৃষ্টিত তুমি এটি ৰূপৰ মুদ্ৰা।]

অই নি:তমত সমসাময়িক ঘটনাই প্ৰায়ে স্থান পায়। ব্ৰিটিছৰ যুগত ধনশিৰি নদীৰ ওপৰত প্ৰথমবাৰৰ বাবে দলং নিৰ্মাণ কৰাটো এটা উল্লেখযোগ্য কাম আছিল। গতিকে সেই সময়ত ৰচিত অই নি:তমত ধনশিৰি দলঙৰ উল্লেখ পোৱা যায়। সেইদৰে, মিচিংসকলে হাৰমনিয়াম, কল-গান, দ্বিতীয় মহাসমৰৰ সময়ৰ যুঁজাৰু বিমান, এতিয়াৰ যুগৰ ৰকেট ইত্যাদি বস্তুৰ উল্লেখ এই বস্তুবোৰ প্ৰথমে দেখাৰ বা শুনাৰ সময়ত ৰচিত গীতসমূহত উল্লেখ কৰা পোৱা যায়। গৰাখহনীয়াৰ বলি হৈ কোনো কোনো ঠাইত হাবি-মাটি (forest land) দখল কৰিবলগীয়া হ'লে, চৰকাৰে উচ্ছেদ (eviction) অভিযান চলায়। এনেকুৱা ঘটনা লৈও অই নি:তম ৰচিত হয়। মুঠতে, সমসাময়িক ঘটনা চহা-কবিৰ এটা প্ৰিয় বিষয়। তলৰ গীতটিত ৰকেটৰ উল্লেখ মন কৰক—

অ. নি. (২২) ৰকেত্ দী:পী মী:মূল্ প:লতী:নু অঁাদদ্কন্?

আইপী মী:পী অঁামূল দ:লুং ম:তী:দ্ অঁাদদ্কন্?

[ভাবাৰ্থ ঃ ৰকেটেৰে উৰোঁ বুলিলে চন্দ্ৰনো কিমান দূৰৰ বাট? ভাল পাওঁ বুলি ক'লে আমাৰ দুখন গাঁৱৰ মাজৰ দূৰত্বনো কিমান?]

সাংগীতিক দিশৰ বিচাৰত দেখা যায় যে, অই নি:তমত প্ৰধানকৈ দুই প্ৰকাৰৰ সুৰ ব্যৱহৃত হয় ঃ এবিধ সুৰ ভূপালী জাতীয়— পাঁচটা শুদ্ধ স্বৰ (সা, ৰে, গা, পা, ধা) ব্যৱহাৰ কৰি আৰোহণ-অৱৰোহণ হয়। দ্বিতীয়বিধত কোমল গা আৰু কোমল নি সহ পাঁচটা শুদ্ধ-কোমল মিশ্ৰিত (সা, গা, মা, পা, নি) স্বৰৰ ব্যৱহাৰেৰে আৰোহণ-অৱৰোহণ হয়। মূলতঃ এই দুই প্ৰকাৰৰ আৰোহণ-অৱৰোহণৰ ভেটিত মিচিং চহা-সুৰকাৰসকলে বৈচিত্ৰ্যৰ বোল সানি বিভিন্ন ধৰণৰ সুৰ কৰে। অই নি:তমৰ সুৰ সম্পৰ্কে এটা মন কৰিবলীয়া কথা এই যে মূল অই নি:তম ফাকি গাই শেষ হোৱাৰ পাছত এটা ফাকি ওপৰঞ্চিকৈ গোৱা হয়। এই ওপৰঞ্চি ধুৱা (refrain) ফাকিয়েই সেই বিশেষ অই নি:তমফাকিৰ সুৰৰ চাবি-কাঠী, অৰ্থাৎ এই ওপৰঞ্চি অংশৰ সুৰৰ ভিত্তিতে গাবলগীয়া অই নি:তম ফাকি গাবলৈ আৰম্ভ কৰা হয়। তলত অই নি:তমৰ সুৰৰ চাবি-কাঠীস্বৰূপ এনে দুফাকিমান পূৰ্বে প্ৰচলিত ধুৱা দিয়া হ'ল—

(ক) অইয়া অইচিৰি আমিগই মিক্‌চিৰি,

য়ালল:পী গেনেনম্ কাপী চাৰিল দ:য়ীনী।

[ভাবাৰ্থ ঃ সোণজনী মোৰ, তোমাৰ চকুযুৰি কিমান যে ধুনীয়া; তুমি যে কেনে সুন্দৰ সেউজীয়া/নীলা — তোমাৰ ছাঁ পৰ্যন্ত এই সুন্দৰ ৰঙেৰে ৰঙীন। তোমাক নো মই কেনেকৈ পাহৰিম বাৰু!]

(খ) আম্লুন্ কা:মূল্ পুনয়া:পী চ:ৰুকা:মূল্ মা:য়া:পী ;

অপানাউবী মাঙা:মূল্ অইনক্ আগম্ পা:য়া:পী।।

[ভাবাৰ্থ ঃ ফুল হোৱা হ'লে ফুলিলেহেঁতেন, লতা হোৱা হ'লে বগালেহেঁতেন; মই দুখীয়া ঘৰৰ নোহোৱা হ'লে তোমাৰ কথা পালোহেঁতেন।]

(গ) গুউবং কাব্‌লা কাপিয়েনী

নউবাঁই মী:পা:তকুমা:নী

নউবাঁই মী:পা:তকুমা।।

[ভাবাৰ্থ ঃ অকলে অকলে মই কান্দিলে কি হ'ব—তুমি যে মোক পাহৰিয়েই পেলালা।]

(ঘ) আঙুনা আপ্‌পুনা পুনজনই চুতাগাই

আঅ্না চ:ৰ্পী ৰ্:জনই চুতাগাই।।

[ভাবাৰ্থ ঃ সোনজনী মোৰ, ফুলপাহি মোৰ, ফুল হৈ আমি একেলগে ফুলিছিলো—লতা হৈ আমি একেলগে বগাইছিলো।]

পৰম্পৰাগতভাৱে (ক) আৰু (খ)ৰ উদাহৰণ দুটা ভূপালী জাতীয় (সা ৰে গা পা ধা)। আৰোহণ-অৱৰোহণত বৈচিত্ৰ্য সৃষ্টি কৰি আৰু (গ) আৰু (ঘ) কোমল গা আৰু কোমল নি সহ সা গা মা পা নি ব্যৱহাৰ কৰি আৰোহণ-অৱৰোহণত বৈচিত্ৰ্য সৃষ্টি কৰি পৰিৱেশন কৰা হয়। অৱশ্যে একেবোৰ ফাকিকে ব্যৱহাৰ কৰি কোনো গায়কে বেলেগ সুৰো ব্যৱহাৰ কৰিব পাৰে। এই ধুৰাবোৰ অসমীয়া বিহুগীতৰ 'হেৰা যুতি-জাঁই/ নেহাঁহিবা মিচিকাই/শৰীল নো ক'লা পৰি / যায়ে অ' বহনা / শৰীল নো ক'লা পৰি যায়', 'অ' নাজিতৰা / নাহো আজিৰ পৰা। মেল ছিঙি দিয়া যাওঁ', ইত্যাদি ধুৰাৰ লগত তুলনীয়[৩]।

অই নি:তমৰ তাল দ্ৰুত ত্ৰি-মাত্ৰিক (১-২-৩/১-২-৩)। পথাৰ আদিত (আজি-কালি সভাই-সমিতিয়ে) অই নি:তম্ গোৱা হয় যদিও মিচিং বিহুনাচৰ লগত অই নি:তমৰ ব্যৱহাৰেই অধিক আৰু অপৰিহাৰ্য্য। গতিকে নাচৰ লয় অনুসৰি তাল কম দ্ৰুত, বেছি দ্ৰুত ইত্যাদি হ'ব পাৰে।

জী:য়াৰ্

সাধাৰণতে মিচিং বিহুনাচৰ লগত 'জী:য়াৰ্' পৰিৱেশন কৰা হয়। ই তালবিহীন আৰু অসমীয়া যোজনা-গীতৰ লগত তুলনীয়। কোনো কোনো মিচিং অঞ্চলত 'জী:য়াৰ'ক 'জুনাং' বুলিও কয়। এই 'জুনাং' শব্দটো 'যোজনা' শব্দৰে ৰূপান্তৰ। নাচৰ আৰম্ভণিত নাচৰ পৰিৱেশ সৃষ্টি কৰিবলৈ অথবা পৰিৱেশনত বৈচিত্ৰ্য আনিবলৈ মাজত বা পিছৰ ফালে 'জী:য়াৰ্' পৰিৱেশন কৰা হয়। অসমীয়া 'বিহুৰে বিৰিণা পাতে সমনীয়া' ইত্যাদি যোজনাৰ ব্যৱহাৰ তুলনীয়। পুৰণি 'জী:য়াৰ'ত অসমীয়া ভাষা আৰু মিচিং ভাষা সানি-পিটিকি গোৱা শুনা গৈছিল। তলত এটা সম্পূৰ্ণ মিচিং ভাষাত ৰচিত উদাহৰণ দিয়া হ'ল—

জী. (১)

বাংকক দতনীম্ কদাক্চিনই কমা:চিন্
বাংকক দতনীম্ কদাগ্;
চীক্কীইকী অমীদী দাক্তগ্বক্ অমীক
আঁদীম্চিন্ আচিনাং অদাগ্।।

[ভাবাৰ্থ ঃ ভেকুৰি খাই চাওঁতে তিতা পালোঁ, আকৌ তিতা নহয় যেনো লাগিল। কাৰোবাৰ ছোৱালীজনী ভাটিফালৰ ছোৱালী। (কি বা হ'ল!) মোৰ দেখোন তাইলৈও মনত পৰে।]

জী:য়াৰ্বোৰৰ অৰ্থ গুৰুত্বপূৰ্ণ নহয়। আমি সৰুতে 'কাবলি গা:তৰী বদনামই অমানা' বুলি আৰম্ভ হোৱা এটা জী:য়াৰ্ প্ৰায়ে শুনিছিলোঁ। উত্তৰ লক্ষীমপুৰ নগৰৰ নাতিদূৰৰ খাবলি/খাবলু নৈৰ ঘাটৰ কি বদনাম আছিল সেইটো আজিলৈকে গম নাপালোঁ, কিন্তু গীতটো এতিয়াও কেতিয়াবা শুনা যায়।

ওপৰত আলোচনা কৰা মিচিংলোক-সংগীত সমূহৰ উপৰি উৎসৱত গোৱা, চেমনীয়া বা ডেকা-গাভৰুৱে ধেমেলীয়া গীত হিচাপে বা 'তৌব-তীকাঙ'ৰ দৰে কথা কটা-কটি কৰি গোৱা কিছুমান

৩. ধুৰাৰ ব্যৱহাৰৰ এনে সাদৃশ্যৰ বাবেও এই লেখকে ভাবে যে অই নি:তমৰ ৰচনা আৰু পৰিৱেশনত বিহুগীতৰ প্ৰভাৱ পৰিছে (যদিও অই নি:তমৰ হিমালয়গন্ধী সুৰ মিচিঙৰ সম্পূৰ্ণ নিজস্ব।)

গীত আছে। তলত এনে গীতৰ এটা চমু আভাস দিয়া হ'ল।

মিচিংসকলৰ প্ৰধান উৎসৱ হ'ল প্ৰতিবছৰে পালন কৰা কৃষিৰ আৰম্ভণিসূচক 'আলি-আঃয়ে লৃগাং '(বা আলিয়াই লৃগাং)' আৰু খেতি চপোৱাৰপাছত ফচল ভাল হ'লে দুই-তিনিবছৰৰ মূৰে মূৰে পালন কৰা 'পঃৰাগ্'। পঃৰাগত আগৰ দিনত মিবুৱে আঃবাং গাই মাংগলিক কৰ্ম কৰিছিল আৰু লগতে পূৰ্ণ পয়োভৰেৰে জীঃয়াৰ্, অই নিঃতম্ আদি গাই ডেকা-গাভৰুসকলে নৃত্য-গীত অনুষ্ঠিত কৰিছিল। আজিকালি মিবু প্ৰায় নোহোৱা হ'ল, গতিকে পঃৰাগত দিনে ৰাতিয়ে ডেকা-গাভৰুসকলে নৃত্য-গীত কৰে। পঃৰাগ্ উপলক্ষ্যে গোৱা আছুতীয়া গীত নাই। আলি-আঃয়ে লৃগাঙৰ গীতো বহুতো অঞ্চলৰ পৰা নোহোৱা হৈ গৈছে। কোনো কোনো ঠাইত তলৰ গীতটি আলিয়াই লৃগাং উৎসৱৰ গীত হিচাপে পৰিৱেশন কৰা পোৱা যায় (পৰিৱেশনৰ ৰীতি কিছু পৰিমাণে অসমীয়া হুঁচৰিৰ দৰে আৰু হুঁচৰিৰ দৰেই ঘৰে ঘৰে পৰিৱেশন কৰি ধন বা বস্তুৰ ৰূপত বৰঙণি সংগ্ৰহ কৰা হয়।)

ঘোষা ঃ ল - লঃলে- লঃলে - লঃলে
দাব লঃলে লঃলে লঃলে।।

পদ ঃ কঃৰুবয়ীমৃল কীনৃন্ কীনৃননা
ললাদয়ীমৃল কীতন্ কীতননা।।
চিচুগ্ চুগৰ চুগৰ বদিয়া
ৰীগাম্ গামৰ গামৰ বদিয়া।।
য় ৰুঃচীম পাঃম চুলাংকা
অমুমবুল্লা ৰুঃচীম্ পাঃম চুলাংকা।। ইত্যাদি

[ভাবাৰ্থ ঃ আন্ধাৰ হ'লে ওচৰ চাপি চাপি, পোহৰ হ'লে আঁতৰি আঁতৰি (নাচাইক)। (আমি ৰাইজ আহিছোঁ) আমাক শৰ পশু (গাহৰি?) লাগিব। পিছে, আই জনীইত তোমালোকে সীমা ৰাখি ৰাখি নাচিবা। —এই ভাবাৰ্থ প্ৰয়াত তৰুণ চন্দ্ৰ পামেগামৰ।]

ডেকা-গাভৰুৱে গোৱা 'লীৰীলি:' নামৰ শুৱলা সা, গা, মা, পা, নি স্বৰ ব্যৱহাৰ কৰি গোৱা গীত আছে। তলত আংশিকভাৱে উদ্ধৃত কৰা হ'ল

লী লীৰীলিয়া
আঅ লিঃল লীৰীলিয়া।।
চিলকী বমীঙী লীৰীলিয়া
লৃঃচাং দচীমী লীৰীলিয়া;
অমুম্ ঙলু নীঙানপী লীৰীলিয়া।।
ঙানচাং দচীমী লীৰীলিয়া।।

[ভাবাৰ্থ ঃ তালৈ (আমি নৃত্য-গীত কৰিবলৈ) যাওঁ ব'লা—তাত মৃদু বতাহ বলিছে। আজি বেলিয়ে পোহৰ দিওঁতেই, আমি নতুনকৈ ওলোৱা গছ-বনৰ পাত হৈ থাকোতেই (নাচি-বাগি লওঁ, আহা।]

এই গীতটি ঢিমা দাদ্ৰা-জাতীয় ছয় মাত্ৰাৰ তালত গোৱা হয়।

ডেকা-গাভৰুৱে সদাই সদাই গোৱা 'চীং, চীং দাবয়া' 'চাঃচী চাঃচা চীম্ৰয়া' আদি আঠমাত্ৰাত, বা লয় বাঢ়িলে চাৰি মাত্ৰাত পৰিৱেশন কৰা খেল-ধেমালি জাতীয় গীতবোৰো শুনিবলৈ বৰ শুৱলা।

ৰং-ধেমালি কৰিবৰ কাৰণে চেমনীয়াই, ডেকা-গাভৰুৱে, আন কি বুঢ়া-বুঢ়ীসকলেও গোৱা এই ধৰণৰ বহুতো গীত আছে। '**ৰইলা নি:তম**', '**দাদাম্ বনীং**, '**তাচুম্ কমলিয়া - তাকে: কমলিয়া**', '**ৰি-ৰি-ৰি-তই পাগুৰি য়া: মেয়া**', '**দিইংতক্ কাংকানা, দৃচাঙলক কা:য়ুমা**, '**ৰিন্‌দাং দাং বিলঙনিয়া**', '**য়উৱী য়উৱা গী:প:নী অম্‌মা**', '**আম জিকং কৰঙা দাম্‌ব:য়া দাম্‌ব:য়া**', '**আজ্‌জাউপী মীয়াপ্‌পী য়াব্‌লাংকা, বত্‌তাউপী মীয়াপ্‌পী য়াব্‌লাংকা**'— ইত্যাদি এই জাতীয় গীত। এইবোৰ গীতৰ লগত বাদ্য নহ'লেও হাত-চাপৰি, টকা আদি ব্যৱহাৰ কৰি, লগতে নাচ-বাগ কৰি, স্ফূৰ্তি কৰা হয়।

পাঠকসকলক মিচিং লোকসংগীতৰ পৰম্পৰা সম্পৰ্কে এটা আভাস দিবলৈ ওপৰত যত্ন কৰা হ'ল। এই আলোচনাৰ ভিত্তিত পাঠকসকলে সম্ভৱ ধাৰণা কৰিব পাৰিছে যে, মিচিং লোক-সংগীতৰ পৰম্পৰা কিছু পৰিমাণে চহকী।

থলুৱা লালুঙৰ গীত-মাত আৰু স্বকীয় বৈশিষ্ট্য

বলাইৰাম সেনাপতি

বিচিত্ৰতাৰে ভৰা অসমভূমিত ভূমিপুত্ৰৰূপে বাস কৰি অহা তিব্বতোবৰ্মী ফৈদৰ সেই লোকসকল, যিসকলে স্বকীয় সমাজ-জীৱন ধাৰাৰে সেই অতীতকালৰে পৰা নিজৰ স্বকীয়তাপূৰ্ণ ঐশ্বৰ্যশালী সংস্কৃতিৰে নিজ নিজ জাতিগোষ্ঠীৰ ঐতিহ্যময় সংস্কৃতিৰ ৰূপ প্ৰকাশি আহিছে, সেই তিব্বতোবৰ্মী তথা মঙ্গোলয়দগোষ্ঠীৰ লোকখিনিৰ মাজৰে লালুং (তিৱা)সকলে অসমৰ বিভিন্ন ঠাইত বসতি স্থাপন কৰি আহিলেও মধ্য অসমৰ নগাঁও আৰু মৰিগাঁও জিলাতহে প্ৰধানভাৱে বসবাস কৰি আহিছে। এই তিৱাসকলে পাহাৰতেই হওক বা ভৈয়ামতেই হওক, বাৰটা মাহত তেৰটা পূজা পাতে। এই পূজা-পাতল, বিভিন্ন উৎসৱৰ, নৃত্য-গীতবোৰ বৈশিষ্ট্যপূৰ্ণ। এই সম্প্ৰদায়ৰ লোকসকলে পূজ্য দেৱতাৰ উপলক্ষে পতা পূজা পাতলৰ আনন্দমুখৰ সময়ত গোৱা গীত-মাত, নাচৰ উপৰি কৃষিকৰ্মৰ হাড়ভগা পৰিশ্ৰমৰ ফাঁকে ফাঁকে গীত-মাতেৰে কৰ্মবোৰ নিয়াৰিকৈ কৰি গৈছিল। লালুংসকলৰ লালি হিলালী গীতবোৰো মাইকৈ কৃষিৰ মাজত কাম কৰোতে গোৱা গীত যদিও ল'ৰা-ছোৱালীৰ অশৌচ খেদোতে, কবমৰ বনত লাগোতে, মাল-পূজা কৰোতেও গোৱা হয়। এই লালি হিলালী গীতৰ এতিয়ালৈকে তেৰটা বিভিন্ন সুৰ পোৱা হৈছে। গীতবোৰৰ চৰ্চা ক্ৰমান্বয়ে নাইকিয়া হোৱাত প্ৰায়েই লোপ পাই যাব ধৰিছে। আদিতে এই গীত তিৱাসকলে নিজা ভাষাতে গাইছিল। কিন্তু বৰ্তমান নিজা ভাষাৰ চৰ্চা কমি যোৱাৰ লগে লগে অসমীয়াতে দুই-এটা তিৱা (লালুং) ভাষাৰ শব্দ সংযোগ কৰি গায়। এসময়ত এই লালি হিলালী গীতেৰে ৰূপহী ধান কটা পথাৰত ৰূপহী ধান কাটি কাটি লালুং সম্প্ৰদায়ৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰুৱে সোণালী পথাৰ ৰজনজনাই তুলি এইদৰে গাইছিল—

অ'...........ল.........হে,......অ'............হেলয়া.......অ'..........হে.........এ

ল..........হে............এ.......অ'.......লালা.........হেলয়া...........

লাই.............ও..............ৰাম গোসাঁই অ'...........হে..........লালা...........

হেলয়া লাই।

এই লালি হিলালী গীতবোৰৰ সুৰে সুৰে ডেকা-গাভৰু, বুঢ়া-বুঢ়ীসকলে চাপৰি বজাই ঘূৰি ঘূৰি নাচি নাচি এইদৰে গাইছিল—

ললে লাহৈ ললে বাহৈ
লা লেন হেলয়া লাইয়ে লুকি ল'বাই
লা লেন হেলয়া লাই।
লালি লাং লহে ল' বাই,
লালি লাং লহে ল' বাই,
লা হেন হেলয়া লাইয়ে লুকি ল বাই
লা লেন হেলয়া লাই।...

সময়ক বাদ দি আমি কোনোৱে গতি কৰিব নোৱাৰো। জীৱনৰ গতিৰ লগে লগে সংস্কৃতিৰো ৰূপান্তৰ ঘটে। জনজীৱনৰ লগত বিজড়িত লোকগীত-নৃত্য আদিৰো ৰূপান্তৰ ঘটা একো অস্বাভাৱিক নহয়। হ'লেও সেই গীত বা সুৰে মূলৰ প্ৰতিও একেবাৰে উলাই কৰাটো উচিত নহয়। এনেবোৰ গীতৰ সুৰ সংৰক্ষণৰ ব্যৱস্থা নহ'লে অতীতৰ বুকুত হেৰাই যোৱা স্বাভাৱিক। এনেবোৰ গীত সু-সংৰক্ষণ কৰি, সেই সুৰৰ অলপো বিকৃত নঘটাকৈ অসমীয়া তথা সৰ্বভাৰতীয় ভাষাত আধুনিক বাদ্যযন্ত্ৰৰ সংযোগেৰে ইয়াক সমৃদ্ধিশালী কৰি তুলি সংস্কৃতিৰ সামগ্ৰিক উন্নতি সাধন কৰি সংস্কৃতিৰ বৰঘৰ ভৰাই তোলক। এনে কৰিলে অসমীয়া তথা ভাৰতীয় সংগীতৰ সুৰৰ ভঁৰাল চহকী হ'ব। এনেবোৰ গীত সামাজিক জীৱন চিত্ৰৰেই যে ভৰা এনে নহয়, কিছুমান গীত সময় সচেতনো।

ফই অ' ৱাইৰাও ফই অ' খাইৰাও
ন'গ ফিনালিং ফই খাইৰাও
ন'গ ফিনালিং।
ইজিং পাঠে গাই অ' বাই বিজিং ফিলিও অ' ৱাই
হেবে ন'গ পাদিমা লিং ফই খাইৰাও
ন'গ ফিনালিং।
চাৰবা যিদি কুমুন কুমুন ৰে চাঙৰ
মানিয়াৱা এখন জ্যা ফই খাইৰাও
ন'গ ফিনালিং।
হেবে ন'গ ফিমানদে চিনি জিং তৰা ৰি মাঠি
জাৰৱ হিৱা ফৰ ফই অ' খাইৰাও
ন'গ ফিনালিং
বেই খনঝ নওল' অ'ৱাই থাং চগলৱ মিলি অ'ৱাই
ফিৰ দি মিল হঙন' অ ফই অৱাই ৰাও— ন'গ ফিনালিং।

(অসমীয়াত)

আহ অ' আইহঁত   আহ অ' ভাইহঁত
ঘৰনো ভাঙিবলৈ যাওঁৰে আহা ভাইহঁত
ঘৰনো ভাঙিবলৈ যাওঁ।
ইফালে বাটিলে অ' আই   সিফালে ভাঙি যায় অ' আই
এই ঘৰক কেনেকৈ চাওঁৰে আহা ভাইহঁত,
ঘৰনো ভাঙিবলৈ যাওঁ।
কোনোৱে যদিহে   ভালৰ ভাল সামৰে
নোপোৱাৰ একোটি নাইয়ে আহা ভাইহঁত,
ঘৰনো ভাঙিবলৈ যাওঁ।
সেইখন ঘৰতে অ' আই   নেখাই মৰিলে অ' আই
সেই ঘৰ ভাঙিহে যাওঁয়ে আহা ভাইহঁত,
ঘৰনো ভাঙিবলৈ যাওঁ।
সেইঘৰ ভাঙি থৈ   সাজিম নৰে কৰি
কোনোৱে নহ'ব পৰে আহা ভাইহঁত
ঘৰনো ভাঙিবলৈ যাওঁ।
সেইখন ঘৰতে অ' আই   থাকিম সবে মিলি অ' আই
পৃথিৱীয়ে হ'ব ঘৰে আহা ভাইহঁত
ঘৰনো ভাঙিবলৈ যাওঁ।

গদালবৰীয়া গীত ঃ

তিৱাসকলৰ গদালবৰীয়া গীতবোৰো লালি হিলালী গীতৰ দৰেই ধান খেতিৰ কামৰ মাজত কাম কৰি কৰি বুঢ়া-বুঢ়ী, ডেকা-গাভৰুসকলে গাইছিল। গীতৰ ভাষা আদিও নিজা ভাষাত আছিল। কিন্তু ই বৰ্তমানে অসমীয়া ভাষালৈও ৰূপান্তৰিত হৈছে। এই গীতৰ এতিয়ালৈকে পাঁচটা বিভিন্ন সুৰ পোৱা গৈছে। কিন্তু চৰ্চাৰ অভাৱত ই লোপ পাই আহিছে। এই গীতবোৰ ঘাইকৈ ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতিৰ কাহিনীক লৈ ৰচা।

এসময়ত গাইছিল—

মইনা তোমাৰ মুখখন আহে পূৰ্ণিমাৰে জোন যেন
তোমাৰনো ঐ শুৱলা মাত,
তোমাকনো মই এৰি থৈ আহিবৰে পৰা
গধূলিনো খোৱা নাই ভাত হেৰ' ইন্দ্ৰজিত—
তোমালৈ মই দিলো চিত, গাইনো ফুৰো বগুালৰ গীত।

লালি হিলালী গীতৰ দৰে এই গদালবৰীয়া গীতৰ সুৰেৰেও যিকোনো ভাষাৰে ধুনীয়া গীত ৰচনা কৰিব পাৰি। তাকে কৰিবলৈ যাওঁতে সুৰৰ যাতে বিকৃতি নঘটে, তালৈ চোকা নজৰ ৰাখিব লাগিব। এই গদালবৰীয়া গীতৰ মাধ্যমেৰে আমাৰ সমাজক কেতিয়াবা জগাইও তোলে—

কদালে শকতি অ' হৈ নাই ফইনা পান্‌ঠাই

ফিৰ দিমি অ' নিথাৱা ৰিং
নাই ফই অ' খৰলা ৰণেনো চালি ৰমা
অচঙাল অচাং জিং থিং কি নানাও হ্ৰক
কি নানাও হ্ৰক
প্লাচেনাৰ ফিৰ দিমি অ' থাং গাইছে থাং
কি খাইৰাও নাইফ'ই আইৰাও
ফিৰদিমি অ' কদালে ৰিং।
ফিৰদিমি নিথাৱহে ৰিদং যে ঐ ঘৃণীয়া
ৰক্ষকচে হংদং অ' ভক্ষক।
ফইনো ফণা চালে অন্যায়ক তাখে হালৈ
জিংনো হঙ অন্যায়নে তক্ষক—কি খাইৰাও
নাং ফই অ' আইৰাও অথং হঙ অথঙেল ৰক্ষক।
জনম জাখালা অ' হৈ অধিকাৰব পিচিনা
ফিৱদিমিও থাইদ চকলে।....

অসমীয়াত ঃ

নতুনৰ শকতি অ' হৈ ওলাইনো আহ অ' ডেকাটি
পৃথিৱী অ' ধুনীয়া কৰোঁ।
ওলাই আহ অ' গাভৰু ৰণৰণো চালি ধৰো—
নিজৰনো হকে আমি মৰো কি—ভনী জ্বলা
অগনি পৃথিৱী তৰিলেহে তৰো—কি ভাইহঁত
ওলাই আহ অ' আইহঁত পৃথিৱী অ' নকৈ গঢ়ো।
পৃথিৱী ধুনীয়া অহে কৰিছোঁ যে ঘৃণীয়া
ৰক্ষকেনো হৈছো ঐ ভক্ষক.
আহানো ফণা মেলি থওঁ অন্যায়ক গিলি
আমিনো হওঁ অন্যায়ৰ তক্ষক—কি ভাইহঁত
ওলাই আহ অ' আইহঁত নিজেইনো হওঁ
নিজৰে ৰক্ষক।
জনমো যেতিয়া অ' হৈ অধিকাৰো তেতিয়া
পৃথিৱীতনো আছে সবাৰো।
সেইনো অ' অধিকাৰ কোনেনো ঐ কাঢ়িছে
ওলাই আহ অ' সিহঁতক মাৰো কি ভাইহঁত
ওলাই আহ অ' আইহঁত ওপজা পৃথিৱী উদ্ধাৰো,
কি ভাইহঁত ওলাই আহ আইহঁত পৃথিৱী অ' নকৈ গঢ়ো।

এই গদালবৰীয়া গীতকেই নৃত্যৰ চৰম পৰ্যায়লৈ আনি লালুঙৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰুসকলে

এসময়ত গাইছিল—

নাম দনং দনং দে দাক দনং দনং
দে দাক দনং দনং দে দাক দনং দনং
দে গদালবৰীয়া গৈ

আজিও সেই সুৰে সুৰে গায়—

নাম দনং দনং দে দাক দনং দনং
দে দাক দনং দনং দে গদাল বৰীয়া গৈ
দে গদাল বৰীয়া গৈ—
দে চ্যাংয়া কুচিয়া না ঐ দে চ্যাংয়া কুচিয়া না ঐ
দে খাও নাংদনে ভয়
নাম দনং দনং
দে দাক দনং দনং দে দাক দনং দনং
দে গদালবৰীয়া গৈ—
দে খাও নাংদনে উপ্ন
দে চ্যায়াৰিছে থি না ঐ দে চ্যায়াৰিছে থি না ঐ
দে ফালিছিৰি কুচিনা ঐ দে দাক দনং দনং
দে দাক দনং দনং দে গদাল বৰীয়া গৈ —
দে ৰাচ ৰাজা হঙু যদি দে ৰাজা হঙে খমাগা পুদি
দে ৰাজা হঙে খমাগা পুদি দে লাৰেও ফিৰদি মিনে খুন্দি।
নাম দনং দনং দে দাক দনং দনং
দে দাক দনং দনং দে গদালবৰীয়া গৈ।

অসমীয়াত ঃ

নাম দনং দনং দে দাক দনং দনং
দে দাক দনং দনং দে গদালবৰীয়া গৈ —
দে গদালবৰীয়া গৈ দে নেমাত নোবোল তই
দে মনত তোৰ লাগিছে ভয়
নাম দনং দনং
দে দাক দনং দনং দে দাক দনং দনং ... দে গদালবৰীয়া গৈ--
দে মনত তোৰ লাগিলে ভয় দে নেখাইহে মৰিবি তই
দে নেখাইহে মৰিবি তই দে ক খোলা খুলি কৈ।
নাম দনং দনং দে দাক দনং দনং
দে গদালবৰীয়া গৈ
দে ৰাইজেই ৰজা হয় যদি
দে ৰজা হৈ হেৰালে মতি দে ৰজা হৈ হেৰালে মতি

দে ৰজা হৈ হেৰালে মতি   দে লৰিব পৃথিৱীৰ খুঁটি
নাম দনং দনং দে দাক দনং দনং
দে দাক দনং দনং .... দে গদালবৰীয়া গৈ।

বৰতৰ গীত ঃ

নগাঁৱৰ তেতেলীয়াৰ লালুং ৰজাই বৰত উৎসৱ পাতিছিল। এই বৰত উৎসৱ আজিও পাতে। নগাঁও জিলাৰ চাৰিওফালৰ পৰা ২০/২৫ মাইল বাট খোজকাঢ়ি আহি ডেকা-গাভৰু বুঢ়া-বুঢ়ীসকলে এই বৰত উৎসৱত যোগ দিয়েহি। এখন সুৰৰ মেলা—বিভিন্ন সুৰ, বিভিন্ন গীত, বিভিন্ন নাচেৰে গোটেই ৰাতি বৰতৰ তলিত বুঢ়া-বুঢ়ী, ডেকা-গাভৰুসকলে গীত গাই, নাচ নাচি কটাই দিয়ে। এই সকলোবোৰ গীতৰ মূল কেন্দ্ৰ হ'ল বৰতৰ গীত। এই গীতত বৰতৰ চৰাই কাঠেৰে সাজি, সূতাৰ সংযোগেৰে নচুৱাই নচুৱাই এইদৰে গাইছিল—

আজি বৰতে অ'   কালি অ' বৰতে
বৰতৰ ঢেপেলা পাতে অ'—হেইটি সোণাইহঁত
বৰতৰ ঢেপেলা পাত
বৰত চাব যাওঁতে   চোৰাতে ডাকিলে
ৰিহা নাইকিয়া গাত
হেইটি সোণাইহঁত।...

বৰতথলীৰ এই প্ৰাণপৰশা, এই বৰতৰ গীতৰ সুৰে সুৰে এইদৰেও গাব পাৰি—

ফিৰদিমি চ্যুৰি তুইদ' অ কুংগি / হংনা চ্যানা পিচাৰানে হঙে ঐ
হংনা চ্যানা পিচাৰাণে হং।
নাগ চ্যানা পিচাৰাৰি টনে চ্যাৰ চহৈ থাইদ / নাগা চ্যানা পিচাৰাৰি
নাগ চ্যানা পিচাৰাৰি টনে চ্যাৰ চহৈ থাইদ
বেইবে ফুৰুচ্গ নাং অ' মনাই ঐ...।

০০০ ০০০

চমে টাম পাৰে অচদঅ' ঠাৰে টাম পাৰে অচদ'
কুদামৌ লুখি টনে ঐ কুদামৌ লুখি টনে ঐ
বেই খনজা কুদামগ্ নালৰাখে থাইদ'
পিচি অচ মাঠি চ্যাই দননা মনাই ঐ
মাইয়ে পাগুাৰ খাই অ' মাইয়ে টাম পাৰে আচদ'
পাগুাৰ খাই অচ্দানা ঐ
পাগুাৰ খাই অচ্দানা ঐ
টেহা খজমৰি মাইব' খঞ্জে অচুদ'
হান পাঠিও চাল নখা লাই অ' মনাই ঐ....
নাল' পাখো পাই অ' হাফি অচদ
নাগল ৰিদ ফৰ নাগল ৰিদ ফৰ

নাগ লাইল মাহা চেল লাইদ'
নেল হাঞ্জি নগ অ' মনাই ঐ....

অসমীয়াত ঃ

পৃথিৱী খলকি অ' উঠিছে অ' গুঞ্জৰি
সাজ তই ভোকাতুৰ অ' সাজ
তোক ভোকত ৰাখি কোনে ভুগি আছে
সেইজন পুৰুষক লাগ—অ' মনাই ঐ...
অ' লোণৰ দাম বঢ়াইছে অ' তেলৰ দাম বঢ়াইছে
গুদামত লুকুৱাই অ' থৈ মনাই ঐ
গুদামত লুকুৱাই থৈ—
সেইখন গুদামক তইয়ে ৰাখি আছ,
বেছি দাম দি থইছ তই অ' মনাই ঐ--
ধানৰ ভঁৰাল বান্ধি দিছ অ' তই মনাই ঐ
ভঁৰাল বান্ধি দিছ অ' তই মনাই ঐ
ভঁৰাল বান্ধি দিছ তই।
দেহা ক'লা কৰি ধানো আৰ্জি দিছ
পিঠিত ৰ'দ বৰষুণ লৈ—অ' মনাই ঐ
তোকেই কৰিছে পৰ।
তোৰেই হতুৱাই মাটি কাটি লৈছে
তোৰেই সজাইছে ঘৰ।।
অ' এই নাট সামৰি থ এই ভোকাতুৰ
এই নাট সামৰি থ অ' ভোকাতুৰ এই নাট সামৰি থ
তোৰ ভোগে কাঢ়ি ল।।

বিহুতলীৰ ঝুনা গীত আৰু শান্তিছেও ঃ

বিহুটি অসমীয়াৰ বাপতি-সাহোন। অসমৰ লালুং জনজাতিয়েও ওচৰ-চুবুৰীয়াৰ লগতে বিহু পাতে। মাঘৰ বিহুৰ দিনা ৰাতি বৰ আঁহতৰ তলত কাঠমেজিত জুই জ্বলাই তাৰ চাৰিওকাষে ঢোল-পেঁপা-টকাৰে শ্লীল, অশ্লীল গীতৰ সংযোগেৰে বিহুতলী ৰজনজনাই তুলিছিল। এতিয়াও বহুতে তোলে। এই বিহুতলীৰ মূল কেন্দ্ৰত আছিল ৫/৬টা ঢোলৰ সংযোগত গোৱা ঝুনা গীত। এই ঝুনা গীত এফাকি ঢুলীয়াসকলে থুপ খাই সমূহীয়াভাবে এবাৰ গায় আৰু গাই শেষ হোৱাৰ লগে লগে ৬/৭টা ঢোলত একেটি ছেওৰ বোলেৰে গিৰজনি তোলে। আকৌ এফাকি গাই পুনৰ অন্য এটি বোলত ঢোলবোৰ একে সমানে বাজি উঠে। এইদৰে ওৰে ৰাতি এইদৰে ঝুনা গীত গাই গাই নাচি ৰয়। এইদৰে প্ৰতিটো গীতৰ লগতে একোটিকৈ ঢোলৰ বোল সমূহীয়াভাৱে বাজি উঠে। যিমানবাৰ গীত গোৱা হয়, প্ৰতিবাৰতে সমূহীয়াভাৱে ঢোলৰ বোল বিভিন্নধৰণে বাজি উঠা এই

ঢোলৰ বোলবিলাকক শান্তিৰ ছেও বুলি কোৱা হয়। এই ঝুনা গীত আৰু শান্তিৰছেৱক কেন্দ্ৰ কৰিহে অন্যান্য গীতবোৰ বিহুতলীৰ চাৰিওফালে সিঁচৰতি হৈ পৰে। এই ঝুনা গীত গাইছিল এইদৰে—

বিহু মাৰিবলৈ আহ সমনীয়া/সমাজৰ ধুনীয়া মাতে;
অ' বিহুতলী পাবাগৈ বিহুনাম গাবাগৈ/বিহু ধ্বনি লাগিছে গাতে...

লগে লগে সমূহীয়াভাৱে ঢোল বাজি উঠে—

ৰিদাং হেকেৰি ৰিদাঙেতি গেচ্ দাং দাং দাং
ৰিগেৰ, ৰিগেৰ, ৰিগেৰ খেতি গেছ
গেছ খেতি গেছ দাং বিগেৰ খেতি গেছ দাং
ৰিগে ৰি, ৰি—ৰি গেছ বিদাং ৰিছেছ দাং গেছ দাং
হেকেৰি বাও হেকেৰি বাং হেকেৰি বিদা খেতিন দাং
দিগে দিগে হেকেৰি বিদা গেছ হেকেৰি বিদাং...

এইদৰে প্ৰত্যেক গীতৰ সুৰে সুৰে ঢোলবোৰ বেলেগ বেলেগ বোলেৰে বাজি উঠিছিল। আজি সেই ঢোলবোৰৰ বোলেৰে ঝুনা গীতৰ পৱিত্ৰতা ৰক্ষা কৰি এইদৰেও গোৱা যায়—

ঐ মিনদাই ল চিনজিগা নিথাৱা ঐ ফিৰদিমি/ ফিৰ দিমিও দনগা ঐ ধৰম,
ঐ লিবিংল' লিবিংগ' বুজিল মানানা/অন্তৰ অচগা ঐ মৰম।
ঐ মৰমে মৰমে থিঙে ঐ খাইৰাও
মৰমে মৰমে ঐ থিং,
ঐ লিবিঙে খাওল' মৰম ল যায়া খাই
লিবিংনো বাদিমাহা জিং।।
লিবিংল দেৱতা লিবিংল পিধাতা
লিবিং বিনে মিনদাই লজা,
লিবিঙে লিবিংগ মৰম ল ৰিয়াখাই
ফিৰদিমিও জাৰব খায়া।।

অসমীয়াত ঃ

ঈশ্বৰে সৰজা ধুনীয়া পৃথিৱী
পৃথিৱীত থাপিলে ধৰম;
মানুহে মানুহক বুজিবৰ বাবে
অন্তৰত দিলে মৰম।
মৰমে মৰমে মৰো মোৰ ভাইহঁত
মৰমে মৰমে মৰো,
মানুহৰ বুকুতে মৰম নাথাকিলে
মানুহেনো কিমতে তৰো।।

মানুহেই দেৱতা মানুহেই বিধাতা
মানুহ বিনে নাই ঐ দেৱে।
মানুহে মানুহক মৰম নকৰিলে
পৃথিৱীত নৰ'ব কেৱে।।

এইবোৰ গীতৰ উপৰি থলুৱা লালুং (তিৱা) সকলে গোৱা বিভিন্ন ধান ৰোৱা-কটা বতৰৰ বিভিন্ন সুৰৰ লালি হিলালী গীত, বিভিন্ন সুৰৰ গদালবৰীয়া গীত, বিভিন্নধৰণৰ যোৰালগা নাম, ভিন ভিন সুৰৰ আইনাম, সুৰৰ মেলাৰ বৰতৰ থলীৰ অসংখ্য সুৰ, বিভিন্নধৰণৰ বনগীত, বিহু গীতৰ সুৰবোৰ চৰ্চাৰ অভাৱত লোপ পাই আহিছে। এই গীতৰ নিজস্ব সুৰৰ উপৰি সংমিশ্ৰণেৰেও বহুতো গীত ৰচনা কৰি বহুতো সুৰৰ সৃষ্টি কৰিব পাৰি। সেই সুৰবোৰ এতিয়াই সংৰক্ষণৰ ব্যৱস্থা নকৰিলে হয়তো সময়ৰ সোঁতত হেৰাই যাব। ইতিমধ্যে বহুতো সুৰ হেৰাই গৈছেই আৰু যি অলপ বাকী আছে, সেইবোৰো হেৰাই যোৱাৰ সম্ভাৱনা। অসমৰ জাতীয় সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষসাধিনী সংগঠনে বা জাতীয় বিকাশ সাধন কৰি ৰোৱা অনুষ্ঠানসমূহে এনেবোৰ থলুৱা গীত-মাতৰ উন্নতি-সংৰক্ষণ আৰু বিকাশ সাধনত সহায় কৰা উচিত। বহু সময়ত এনে আওপুৰণি সংস্কৃতিৰ প্ৰতি গভীৰ অশ্ৰদ্ধাবোধহে প্ৰকাশ পোৱা দেখা যায়। এক বহল দৃষ্টিভংগী লৈ এনে কামত আগ্ৰহ থকা এদল সংস্কৃতিপ্ৰেমীক এনে কৰ্মত নিয়োগ কৰি টেপ-ৰেকৰ্ডাৰৰ জৰিয়তে এইবোৰ গীতৰ সংৰক্ষণৰ ব্যৱস্থা নিশ্চয় কৰিব পাৰি। অনাতাঁৰ কেন্দ্ৰ অসমত স্থাপিত হোৱা বহুদিন হ'ল, কিন্তু কামৰূপী লোকগীত, বৰগীত, কেইটামান বিহুগীত, বনগীতৰ বাহিৰে থলুৱা গীত-মাতৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত একেবাৰেই কৰা হোৱা নাই। অথচ এইবোৰ গীতৰ মূলক কেন্দ্ৰ কৰিয়েই আধুনিক কালৰ সকলো গীত-মাত ৰচনা হৈছে বুলি কোৱাৰ থল নথকাও নহয়। কাৰণ অসমৰ আদিবাসী লোক এইসকলেই, যাৰ সাংস্কৃতিক জীৱনক কেন্দ্ৰ কৰি অসমীয়া সংস্কৃতিয়ে গা কৰি উঠিছে। গোঁজেই গজালি হৈছে, প্ৰকৃত মূলৰ অস্তিত্ব পাহৰি গৈছে যুগধৰ্মৰ কবলত পৰি।

যি নহওক, অসমৰ বিভিন্ন জনজাতি, উপজাতিৰ থলুৱা গীত-মাতৰ সুৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে— যাদুঘৰৰ আহিলা নোহোৱাৰ আগতেই। এয়া জাতীয় চৰকাৰৰ কৰ্তব্য হওক। উদাৰ দৃষ্টিৰে এনেবোৰ গীত-মাতৰ উৎকৰ্ষ সাধনে আমাৰ নিজা সংস্কৃতিৰ বৰঘৰেই ৰূপজেউতি চৰাব। অসমৰ পৰ্বতে-প্ৰান্তৰে চুকে-কোণে পৰি ৰোৱা এই অপূৰ্ব মুকুতাৰাশি বুটলি জাতীয় সংস্কৃতিক উদ্ধাৰ কৰা আমাৰ সবাৰে উচিত কাৰ্য নহ'ব জানো?

সোনোৱাল কছাৰীৰ গীত-মাত

গুণেশ্বৰ সোনোৱাল

সোনোৱাল কছাৰীসকল বৃহত্তৰ কিৰাত জনগোষ্ঠীৰ অংশীদাৰ। এই জনগোষ্ঠীটোৰ উপাস্য দেৱতা শিৱ বা বাইথ'। প্ৰাচীন কামৰূপৰ ধৰ্ম-কৰ্ম কিৰাতসম্ভূত বুলি যোগিনীতন্ত্ৰত উল্লেখ আছে — 'সীধেৰশী যোগিনী পীঠে ধৰ্ম কৈৰাতজঃ মতঃ।' ঐতিহাসিক আৰু ৰাজনৈতিক পাকচক্ৰত এই বৃহত্তৰ কিৰাত কছাৰী জনগোষ্ঠীটোৰ ভিন্ ভিন্ ঠাল ঠেঙুলিসমূহ অসম (কামৰূপ, প্ৰাগজ্যোতিষপুৰ)ৰ পূব-পশ্চিমে, উত্তৰে-দক্ষিণে, পাহাৰে-পৰ্বতে সিঁচৰতি হৈ পৰে। কছাৰী ৰাজ্যৰ পৰা ফাটি অহাৰ পূৰ্বে সোনোৱালসকলৰ নিকটতম ঠালটো হৈছে ডিমাছা কছাৰী। 'সোনোৱাল' নামকৰণটো ডিমাছা শব্দ 'সুনুৱাল' অৰ্থাৎ সমৃদ্ধিশালীৰ পৰাই সৃষ্টি হৈছে। কালক্ৰমত এই সুনুৱালৰ শব্দ বিভ্ৰাট ঘটি 'সোনোৱাল' ৰূপত প্ৰচলিত হৈ আহিছে। পৰৱৰ্তী কালত সোনোৱাল কছাৰী ফৈদটো উজনি অসমৰ ব্ৰহ্মপুত্ৰ (লুইত)ৰ দুয়োপাৰে বিস্তৃত হৈ পৰে আৰু শদিয়াৰ বৃহৎ অঞ্চলত 'হালালী ৰাজ্য' পাতি বসবাস কৰি আহিছে।

সকলো জনগোষ্ঠীৰেই নিজস্ব লোকসাহিত্য আছে। সোনোৱালসকলৰো লোকসাহিত্যৰ অনুপম গীত-মাত-নাম, লোকসাধু, পটন্তৰ, ফকৰা-যোজনা, কিংবদন্তি অপৰিকল্পিতভাৱে য'তে-ত'তে সিঁচৰতি হৈ আছে। এই মূল্যবান সম্পদসমূহ বিজ্ঞানসম্মতভাৱে আৰু সু-সংঘবদ্ধৰূপত সংৰক্ষণ নকৰাৰ বাবেই কালৰ বুকুত হেৰাই যোৱাৰ উপক্ৰম হৈছে। প্ৰবাদব্যক্তি বিষ্ণুপ্ৰসাদ ৰাভাৰ কোনো কোনো ৰচনাত সোনোৱালসকলৰ বিষয়ে কিঞ্চিৎ আভাস আছে। অসমৰ বিদ্বৎ সমাজ সোনোৱালসকলৰ লোকসাহিত্য সম্পৰ্কত এতিয়াও অন্ধকাৰতেই আছে বুলি ধাৰণা হয়।

এই সংগ্ৰহভিত্তিক চমু আলচটিত সোনোৱাল কছাৰীসকলৰ গীত-মাত-নাম আদিৰ ওপৰত কিছু ৰেখাপাত কৰা হ'ল। গোষ্ঠীভেদে ধ্বনিতত্ত্বগত আৰু ৰূপতত্ত্বগত বিশিষ্টতা এক লক্ষণীয় দিশ। সোনোৱালসকলৰ এই গীত-মাত-নামবোৰেও এই স্বকীয়তা বহন কৰি আছে।

সোনোৱাল কছাৰীৰ উল্লেখযোগ্য গীত-মাত আৰু নামবোৰ হৈছে—

গীত ঃ

(১) হয়দাং গীত (২) হুঁচৰি গীত (৩) মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীত (৪) জনাদৈ গাভৰুৰ গীত (৫) বিহুগীত (৬) বহুৱা নৃত্যৰ গীত

নাম ঃ

(১) ধাই নাম (নিচুকণি গীত) (২) আই নাম (৩) লখিমী সবাহৰ নাম (৪) গোসাঁই নাম (৫) অপেশ্বৰা নাম (৬) বিহু নাম

হয়দাং গীত ঃ

জনগোষ্ঠীয় গীতিসাহিত্যত সোনোৱালসকলৰ হয়দাং গীতৰ একক বৈশিষ্ট্য আছে। ই অসমীয়াৰ আদিতম গীত। সোনোৱালসকলৰ স্বকীয়তা এই গীতেই চিৰকাললৈ বহন কৰি থাকিব। এঘাৰটা অধ্যায়ত বিভক্ত এই গীতসমূহৰ প্ৰতিটো অধ্যায়ৰে সুকীয়া বিশেষত্ব আছে। স্বয়ংসম্পূৰ্ণ এই গীতসমূহৰ বাহুল্যকৰণৰ স্থল যিহেতু নাই, গতিকে চমু আলোকপাতহে কৰা হ'ল।

প্ৰথম অধ্যায় ঃ

'হা- অ, হা- অ, হা-অ,
হা ইয়হ নমো নাৰায়ণ
হা ইয়হ পৃথিৱী হেনো সৃজইছে.....'

এইদৰে আকাশ, প্ৰকাশ, নিমখ, জল, থল, অগনি, বায়ু, বৰুণ উৰণ, বুৰণ, গজন, ভ্ৰমণ, আদিগুৰু, অনাদিগুৰু, হাট, বাট, শিক্ষা, দীক্ষা, ধৰম, কৰম, আগম, নিগম, ক'লা গৰু, ধুঁৱলী, বিজুলা, বিজলী, কপিলা, কপিলী আদি সৃজাইছে বুলি কৈ 'হা ইয়হ আদি যুগৰ কছাৰী হয়দাং দে' বুলি কৈ গীত সামৰে। এই অধ্যায়ে সৃষ্টি-ৰহস্যৰ ইংগিত বহন কৰিছে।

দ্বিতীয় অধ্যায় ঃ

'হা ইয়হ এডাল দুডাল হেনো কুৰইছে।
হা ইয়হ এটা দুটা হেনো পাৰইছে।
হা ইয়হ ৰোম্বা ৰোম্বা হেনো ৰোম্বাইছে।
হা ইয়হ এটা দুটা হেনো জগইছে।
হা ইয়হ তাৰে তিনিটা হেনো ঘোলইছে।
হা ইয়হ আদি যুগৰ কছাৰী হয়দাং দে।'

তৃতীয় অধ্যায় ঃ

'হা ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ?
হা ইয়হ দেবৰ ডাঙৰ খিৰিং ৰজা জে
হা ইয়হ দেৱী ডাঙৰ ভুৰুলী-হাবুকী জে
হা ইয়হ কুলৰ ডাঙৰ লাই মিক্রি জে।'

চতুৰ্থ অধ্যায় ঃ

'এ, সদন মদন হেনো লাইজোৰা
এ, হচংখে হচংখী হেনো লাইজোৰা
এ, লিকাম, কুৰাম, হাগু, তাগু, কাদং
চেদং, নৰ, ডফলা. .. হেনো লাইজোৰা

এ, মদন, মানিকীয়াল, হগ্রাল, মুক্তাল, হৰহাজোৱাল
সৰু হাজোৱাল, এচমাল, ফৰমাল, কুমাৰাল, ঢেকীয়াল
দংৰাল, ডিঙিয়াল, লাঠিয়াল, চতিয়াল জে... !!!'

পঞ্চম অধ্যায় ঃ
'এ, হালিঙা হালিঙা হেনো দালিঙা...
এ, অমন কাঠৰ হেনো পমন নাও
এ, লাই খট লাই খট হেনো বাইনো যাং।
এ, চাপক নাচাপক চপাই চাং
এ, সুধক নুসুধক সুধাই চাং
এ, মাতক নামাতক মতাই চাং।...'

ষষ্ঠ অধ্যায় ঃ
'হা ইয়হ কন কন ৰজা ওলাইছে?
হা ইয়হ খিৰিং ৰজা ওলাইছে।
হা ইয়হ বায়ু ৰজা ওলাইছে?
হা ইয়হ বৰুণ ৰজা ওলাইছে।
হা ইয়হ নাক্লেং ৰজা ওলাইছে।
হা ইয়হ চাক্লেং ৰজা ওলাইছে।
আদি যুগৰ কছাৰী হয়দাং দে।'

সপ্তম অধ্যায় ঃ
'এ খুটা নুখুটা খুটা নুখুটা
হা ৰে-ৰে-ৰে খুটা নুখুটা।
এ, চাকি নেচাকি চাকি নেচাকি
হা ৰে ৰে ৰে চাকি
খুৰুম খুৰুম লাই ঐ খুৰুম খুৰুম লাই
তেবে গাগনী আই ঐ খুৰুম খুৰুম লাই
... আদি যুগৰ কছাৰী হয়দাং দে।'

অষ্টম অধ্যায় ঃ
'তেবে ঐ আমি হেনো পালোংহি।
তেবে ঐ বৰঘৰৰ বৰ ঘৈণী
তেবে ঐ আমাক হেনো ওলাই মাত এ...
দুৱাৰ মেল দুৱৰী/অজুনৰ কুঁৱৰী
দুৱাৰত ঘূনুচা জৰী কি এ...
এ এইহে... এইহে-হেই...।
আদি যুগৰ কছাৰী হয়দাং দে।'

নৱম অধ্যায় ঃ
'লৌ লৌ শিমলু চলৌ লাই।
এহেই খিৰিং ৰজা দেউতাক আনইছোং।
বায়ু ৰজা দেউতাক আনইছোং।....
এহেই সকলো দেউতাৰ একেই ঠাই।

এহেই জামুকৰ খুটাতে দিছোং ঠাই।
এহেই আদি যুগৰ কছাৰী হয়দাং দে।'

দশম অধ্যায় ঃ

'এহেই লুইতৰ শিমলু আনইছোং।
এহেই দিহিঙৰ শিমলু আনইছোং।
এহেই দিবাঙৰ শিমলু আনইছোং।
এহেই কুণ্ডিলৰ শিমলু আনইছোং।
এহেই টেঙাপানীৰ শিমলু আনইছোং।
এহেই জামুকৰ খুটাতে দিছোং ঠাই।
এহেই আদি যুগৰ কছাৰী হয়দাং দে।'

একাদশ অধ্যায় ঃ

'এহেই গীতৰ শিমলু শোধাইছোং।
এহেই মাতৰ শিমলু শোধাইছোং।
এহেই নোগোৰা গাইছোং নকৰা কৰিছোং
এহেই আমি আতও বালক ঐ দেউতা।'

হুঁচৰি গীত ঃ

হুঁচৰি গীতসমূহত সোনোৱাল কছাৰীসকলৰ ঐতিহ্য-চেতনা আৰু স্বকীয় বৈশিষ্ট্য প্ৰকাশ পাই আহিছে। আজি অসমত প্ৰচলিত যিবোৰ হুঁচৰি গীত পৰিৱেশিত হৈ আহিছে, সোনোৱালসকলৰ হুঁচৰি গীত এইবোৰৰ সৈতে অলপো মিল নাই। সোনোৱালৰ হুঁচৰি গীতৰ এটা ধাৰাবাহিকতা আছে। এই গীতবোৰৰ মূল উৎপত্তি এওঁবিলাকৰ উপাস্য দেৱতা শিৱ বা বাইখ' আৰু পাৰ্বতী—

'হুৰে, হুৰে বাই জেলেপ কাপোৰ উৰে
হুৰে হুৰে গীতক কোনে সৰজায়
মহাদেউ-পাৰ্বতী সিয়ে সৰজায়।..'

সোনোৱালসকলে টকা লৈ গোৱা হুঁচৰি গীতক চাৰিটা ভাগত ভগাব পাৰি —(১) বাৰে মন্ত্ৰ, (২) পোহাৰী গীত, (৩) থিয় গীত আৰু (৪) বৰগীত।

বাৰে মন্ত্ৰ ঃ

'শুক মুনি কৌতাল
বালি মাটি সুভ্ৰন (সুবৰ্ণ)
মৃত্যুক জয় জয়
পূবে উৰাল পশ্চিমে গঁড়াল উত্তৰে চৰু দক্ষিণে গৰু
...তিনিশ তিনিকুৰি তিনি দিনৰ মূৰত বলি ৰজাৰ বিহু।'

পোহাৰী গীত ঃ

'অ' হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে
হুৰে হুৰে গীতক কোনে সৰজায়
মহাদেউ-পাৰ্বতী সিও সৰজায়।
গজায় মনায় সিও সৰজায়।

খিৰিং ৰজা দেউতা সিও সৰজায়।
চাৰি শাল গোসাঁনী সিও সৰজায়।
...চা চা বোৱাৰী কি কি নিলে।
নালটো সৰকাই কোৰখন নিলে।।
ক'ৰ পৰা আহিলা ক'ত দিলা ভৰি।
চোতালখন ফাটি গ'ল চেৰ চেৰ কৰি।।
পাণ লৈ আন, তামোল লৈ আন, কাটি খাই যাওঁ,
বেজী লৈ আন, বতীয়া লৈ আন, চোতাল সী যাওঁ।'

থিয় গীত ঃ

'হাতত কাৰফাই ল হেৰ, দদাই
মাৰ ঐ মাৰ ঐ বালি চৰাই।
... হুৰাই ল সৰগৰ তৰা চাই থাক ঐ নিলগৰ পৰা
ককাই মহঙীয়া মহঙলৈ নাযাবি চাই থাক ঐ নিলগৰ পৰা
নাখাওঁ ডোখৰীয়া লোণ শৰীলৰে চাই থাক ঐ নিলগৰ পৰা
...ধনে ল ধনে মলাই ফুল চং ঐ ফুলে মলাই
ধনৰে বাতৰি নাপাওঁ ভালে কৰি
যঁতৰত নুঘূৰে শলা শৰীলৰে
হুৰাই ল নাহৰৰ কলি
শৰাইতে মুকলি হ'ল ঐ
চৰাই চম্পা কলি।
শংখদেউ ৰজাৰে পুতেক মণিকোঁৱৰ /কিছুকৈ খতিখুন নাই
এবেলা দোলাতে এবলা ঘোঁৰাতে/এবেলা খেৰি খেলায়।।'

বৰগীত ঃ

'হাঁহ চৰাই না এ হেই।
হাঁহ চৰাই না হেই
দেৱৰ ডাঙৰ ঐ খিৰিং ৰজা হেই।
দেৱীৰ ডাঙৰ ঐ কোন ডাঙৰ হেই।
দেৱীৰ ডাঙৰ ঐ ভুৰুলী-হাবুকী হেই।
মোৰ ধন ঐ ক'লীয়া /হয়ে কি অহয়ে হয়
লালৌ লালৌ, লালৌ হয়া/হেমালী ঐ
হেমালী হেমালী কৰিছো ধেমালি
ধেমালী বতৰে যায়ে কি না
হাতত চাপৰ মাৰি যাবগৈ দোমাহী
ধন দি ৰাখোতা নাই কি না।'

হুঁচৰি সামৰা গীত ঃ 'লৌ বাই লোহৰিয়া /লৌ বাই লোহৰিয়া।
লেহেৰা লেহেৰা হয়ে লৌ লেহেৰা।
লৌ লৌ শিমলু চলৌ লাই।
এহেই গীতৰ শিমলু শোধাইছোং।
এহেই মাতৰ শিমলু শোধাইছোং।
এহেই টকাৰ শিমলু শোধাইছোং
এহেই বাঁহীৰ শিমলু শোধাইছোং।
চৌ মিৰি ফৌ চৌ হাললৌ
চৌ মিৰি ফৌ চৌ হাললৌ
বাৰীত আছে চকলা টেঙা/তাৰে ওমলাই থ।'

টকা সামৰা গীত ঃ 'অধন ধনে এ হয় কি অ হয়ে হয়।
ধনে ধনে এ হয় কি অহয় হয়।।
...চন্দ্ৰক এসেৰা সূৰ্যক এসেৰা।
কৰোঁ বসুমতীক সেৱা এ হেই।
শদিয়াত আছে চাৰিশাল গোসানী
ছৈখোৱাত আছে কেঁচাইখাইতী গোসানী
তেওঁলৈ এসেৰা কৰোঁ এ হেই।

ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত ঃ ফুলকোঁৱৰ আৰু মণিকোঁৱৰৰ গীতবোৰক কাহিনীগীত বুলি ক'ব পাৰি। এই গীতবোৰ বৰ বিযাদৰ গীত। ফুলকোঁৱৰৰ গীত গালে বৰষুণ আহে বুলি সোনোৱালসকলে বিশ্বাস কৰে। খৰাং হ'লে এই গীত গাই বৰষুণ মতাৰ লোকবিশ্বাস এটা প্ৰচলিত আছে।

'শংখদেউ ৰজাৰে পুতেক মণিকোঁৱৰ/কিছুকে খতিখুন নাই
এবেলা দোলাতে এবেলা ঘোঁৰাতে/এবেলা খেড়ি খেলায়।
ম'হ যুঁজায়ে ৰঙকে নেপালে/হাতী যুঁজাবলৈ যায়
হাতী যুঁজায়ে ৰঙকে নেপালে/নদীত গা ধুবলৈ যায়।
...এবুকু পানীতো কোঁৱৰে গা নোধোৱে/এমূৰ পানীলৈ যায়।
এজাবুৰ দুজাবুৰ মাৰে সাতে জাবুৰ/পাৰতে মচিলে ভৰি
আৰু এজাবুৰ মাৰোঁতে কোঁৱৰে/নিলে জলকুঁৱৰীয়ে হৰি।
সোঁহাতে ধৰিছে সোণালী চাবুকে
বাওঁহাতে ধৰিছে জৰী
ফুলকোঁৱৰ বোপাইয়ে দেউতাৰ আজ্ঞাৰে
হাতে কৰযোৰ কৰি।
কাঠৰ পখীঘোঁৰাত উঠি ফুলকোঁৱৰে
সোণৰ চাবুকডাল ধৰে

অমন কাঠৰে পক্ষিঘোঁৰা সাজিলং
উৰি যাং উৰি যাং কৰে।'

জনাদৈ গাভৰুৰ গীত ঃ শদিয়াখোৱা গোহাঁইৰ জীয়েক জনাদৈ গাভৰু আৰু দুতিৰাম কছাৰীৰ পিৰীতিৰ কাহিনী এই গীতৰ যোগেদি প্ৰকাশ পাইছে—

'জনাদৈ গাভৰু পাটমাদৈ চৰাইটি/দুতিৰাম থানুৱা ডেকা
বঙহো নহ'লি বুকুৰ মঙহ হ'লি/কেনেকৰি গুচাই যাওঁ চেকা।
হাবিৰে অমৰা দুতিৰাম দমৰা/জনাদৈ চেউৰী গাই
বান্ধিব পাৰো মই ৰাখিব নোৱাৰোঁ/পঘা চিঙি চিঙি যায়।'

বিহুগীত ঃ 'হাঁচতি ঐ লাউফুল চাই মাধৈমালতী মলেমলায়
অতি চেনেহৰ দোমাহী বিহুটি নমাই আনিবলৈ যায়।'

*** *** ***

'আঠিয়া কলৰে শীতলকৈ থুৰী
শীতল মালভোগৰ পাত।
ওলাই আহ ওলাই আহ আমাৰে গিৰিহঁত
শীতলকৈ লগাহি মাত।'

*** *** ***

'কাঁচি কেঁকুৰা খুনটি কেঁকুৰা/সৰগৰ কেঁকুৰা জোন,
লোত ধৰিলে লোৰ মমৰে/কথাতো বিন্ধিলে ঘুণ।'

বহুৱা নৃত্যৰ গীত ঃ বহাগ বিহুৰ সাতদিনৰ পাছত সোনোৱালসকলে সাতবিহু পালন কৰে। বিহু প্ৰতিযোগিতা সামৰাৰ পিছত এজন মতা আৰু এগৰাকী মাইকী মানুহে বহুৱা সাজে। এই বহুৱা নৃত্যত গোৱা গীতবোৰ সোনোৱালসকলৰ ফুচুৰি গীত হিচাপে অতিশয় জনপ্ৰিয়।

'চিলি চিলি চিলি নদৰায় ঐ চিলি নদৰায়
ডাল ভাঙি ফল খায়া হলৌ বান্দৰায়!
চৌ মিৰি ফৌ চৌ হাললৌ/চৌ চৌ মিৰি ফৌ চৌ হাললৌ।
বাৰীত আছে চকলা টেঙা/তাৰে ওমলাই থ
বাপেৰ গৈছে পহু মাৰব/দিবে না নিদিয় ক
চৌ মিৰি ফৌ চৌ হালৌ লৌ...।'

পুৰুষপ্ৰধান অনুষ্ঠানবোৰৰ গীত-মাতবোৰক 'গীত' আৰু তিৰোতাপ্ৰধান অনুষ্ঠানৰ গীতবোৰক 'নাম' হিচাপে সোনোৱালৰ মাজত চলি আহিছে। উল্লিখিত আটাইবোৰ পুৰুষৰ অনুষ্ঠান। সেয়ে সেইবোৰ 'গীত' হিচাপে প্ৰচলিত।

অন্যহাতে তিৰোতাপ্ৰধান যিবোৰ অনুষ্ঠানৰ গীত, সেইবোৰক 'নাম' আখ্যা দিয়া হৈছে। এতিয়া তিৰোতাৰ 'নাম'সমূহৰ চমু আলোচনা আৰু নামসমূহ উল্লেখ কৰা হ'ল—

ধাই নাম বা নিচুকণি গীত ঃ 'ঐ বং জিগৌ জিগৌ বং/ জিগৌতি এ ধেই
ভাটি দেশৰ লৰাটি লালিটি কালিটি /জিগৌতি এ ধেই

চিলিঙা বৈ ঘৰলৈ যাং/ঘৃণ ঘৃণ ঐ আইটি
কোলাতে বহুৱাই লম ঐ আইটি/ধিনং জাং জাং
তৰাফুল ঐ সৰু মণি /ধিন্ ধিন্ জাং।'

আইনাম ঃ 'কিৰাতনী (দুর্গা) আই ঐ বৰমুগী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ মাজুমুগী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ সৰুমুগী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ থুনুকী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ নুমলী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ মাজুমুগী আই মাতো স্তুতি কৰি
কিৰাতনী আই ঐ কুমলী আই মাতো স্তুতি কৰি
কিৰাতনী দেৱী ভাগৱতী নামেৰে সন্তুষ্ট হ'বা।'

লখিমী সবাহৰ নাম ঃ সোনোৱাল কছাৰীসকলৰ জীৱিকাৰ প্ৰধান উৎস কৃষি। কৃষিৰ অধিষ্ঠাত্ৰী দেৱী লখিমী (লক্ষ্মী)ক সোনোৱালসকলে অতি ভক্তিভাৱে পূজা-পাতল কৰি আহিছে। লখিমী আইক আদৰাৰ ভিন ভিন প্ৰথাৰ ভিতৰত লখিমী সবাহ এটি অতি বাহুল্য আৰু জনপ্ৰিয় সাংগীতিক অনুষ্ঠান। এই সবাহত গোৱা বহুতো নামৰ ভিতৰত কেইটামান মাত্ৰ তলত দিয়া হ'ল।

'কুবেৰক কঠীয়া খোজাগৈ মহাদেউ
সাগৰক খোজাগৈ মাটি
আপোনাৰ থানলৈ অহা ঐ লখিমী আই
সুখিলীৰ কান্ধতে উঠি।
...গোসাঁই হালে বালে ছাগকে বাঘকে
কাশলা সাপৰে লৰু
ডালৰ হনুমন্তই আলিপাহ কাটিলে
ভালুকে ডকালে গৰু।'

...লখিমী আই আছেগৈ হিমালয় পৰ্বতত/যোনে ভাঁমেকলৰ পুলি,
ডম্বৰু মোমায়ে আদৰি আনিলে/ভাৰস্তক তৰাওঁগৈ পুলি।

গোসাঁই নাম ঃ সোনোৱালসকলৰ গোসাঁই নাম ভগৱন্ত বা ঈশ্বৰ বন্দনা নহয়। কাৰণ সোনোৱালসকলৰ উপাস্য দেৱতা স্বয়ং শিৱ বা বাইথ'। এই গোসাঁই নামসমূহৰ অন্তৰালৰ কাহিনী হৈছে সেই সময়ৰ আউনীআটীয়া সত্ৰাধিকাৰ কেশৱদেৱ মহন্ত। সোনোৱালৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ শদিয়ালৈ যোৱা গোসাঁই কেশৱদেৱ তাম্ৰেশ্বৰী দেৱী আৰু বাইথ' দেৱতাৰ কোপত পৰে। প্ৰচণ্ড বা-মৰলীত থৰ-কাচুটি হেৰুৱাই গোসাঁইয়ে তাৰ পৰা পলায়ন কৰে। কিন্তু সেই সত্ৰাধিকাৰৰ সৰল ভাবমূৰ্তিয়ে বহুতো লোকক প্ৰভাৱিত কৰাৰ ফলশ্ৰুতিতে সোনোৱাল নাৰীসকলৰ মাজত কিছু গীত-মাত এতিয়াও প্ৰচলিত হৈ আছে—

'মুকলি পথাৰত নামঘৰ সাজিলে/বৰুণ খেৰ মেলিয়ে চায়
মুগাৰ বতিয়া ছাটিব ধৰিলে/সৰিয়হ বাগৰি যায়।

আউনীআটীৰ কেশৱদেউ জীৱ অধিকাৰী
সিপাৰলৈ কোন গৈছা নাৱৰীয়া লোক
হৰি কথা শুনোগৈ
পাৰ কৰা মোক।'

অপেশ্বৰা নাম ঃ 'সোণৰ জখলা ৰূপৰ হাতাপৰি/আহে অপেশ্বৰী নামি
পাণো চিকণে তামোলো চিকণে/চিকণ কলপাতৰ থোক।
...দেৱতা দেৱতা ন জন দেৱতা/লাগিল কোনজনৰ দায়।
দায়ে ধৰিবা মাতিলে ক্ষমিবা/মাতো চৰণত পৰি।
দেওবাৰে দূপৰ বেলা/ছায়া দিলে ভৰি
এইবাৰ দুখৰ ক্ষমা কৰা/আইনো অপেশ্বৰী
অ' হৰি ঐ লোহিতৰে গড়া
ঘাটে ঘাটে চপাই দিয়া
ঠিক অপেশ্বৰা।...'

বিহুনাম ঃ সোনোৱাল কছাৰীসকলৰ মাজত 'ৰাতিবিহু' অত্যন্ত উল্লেখযোগ্য অনুষ্ঠান। এই 'ৰাতিবিহু' সোনোৱালসকলে অতি পৰিমাৰ্জিত ৰূপত তাহানিৰে পৰা পালন কৰি আহিছে। বৰ্তমান অৱশ্যে এই ৰাতিবিহু সময় আৰু সভ্যতাৰ ধামখুমিয়াত প্ৰায় বিলুপ্তিৰ পথত। সেই ৰাতিয়েই বিহুতেই জীৱন-সংগী নিৰ্বাচন কৰিছিল সোনোৱাল ডেকা-ডেকেৰীয়ে। তাত যিবোৰ গীত ছোৱালীয়ে পৰিৱেশন কৰিছিল সেইবোৰ 'বিহুনাম'ৰ ৰূপত আজিও অতি ৰসাল হৈ আছে।

'চাপৰি চাপৰি মই তোলো বাবৰি/পুৰণি হাৰামৰ কচু,
সমনীয়াৰ মাজত চেনাইক মই নেদেখোঁ/কিনো জুই লগা চকু।
চাৰি পৰ্বতত কিহে গিৰে গিৰাই/হাবিত পৰ দিলে দেওৱে,
বৰগছ ভঙাদি মোৰ মন ভাঙিলি/ বুজাওঁতা নহ'ল মোৰ কেৱে।
ইকৰা মাৰিৰে তামোলটো পাৰিলো/সেই গুণে নাহিলো কালি।
লথৌ পৰ্বতত ধুঁৱলী-কুঁৱলী/কোনে ৰান্ধি খালে ভাত,
মাক নাই মাউৰা তিৰি নাই বৰলা/সিয়ে ৰান্ধি খালে ভাত।'

সোনোৱালসকলৰ এই গীত-মাত-নামসমূহ মৌখিক লোকসাহিত্যৰ ৰূপতেই অনাদি কালৰে পৰা চলি আহিছে। পুৰণি মানুহচাম ক্ৰমাগতভাৱে কমি অহাৰ লগে লগে এই লোকসাহিত্যসমূহো হেৰাই যাব ধৰিছে। প্ৰাচীনতম এই গীত-মাত, লোকসাধুসমূহ মৰ্যাদা সহকাৰে সংৰক্ষণ কৰাটো সোনোৱাল জনগোষ্ঠীৰ লগতে সমগ্ৰ অসমবাসীৰেই উমৈহতীয়া দায়িত্ব, কাৰণ এইসমূহ অসমীয়া লোকসাহিত্যৰেই আপুৰুগীয়া সম্পদ।

ভৈয়ামৰ কাৰবি গীত-পদৰ ভঁৰালত এভুমুকি

তীৰ্থ ফুকন

অসমৰ অন্যতম প্ৰাচীন অধিবাসী কাৰ্বিসকল গীতে মাতে, নাচে-সাজে সমৃদ্ধ। কাৰ্বি আংলং জিলাৰ পাহাৰী অঞ্চলৰ উপৰি ভৈয়ামৰ কামৰূপ, নগাঁও শিৱসাগৰ, দৰং জিলাতো বহুজনসংখ্যক কাৰবি লোকৰ বাস। এই আলোচনাত ভৈয়ামৰ কাৰ্বি সমাজৰ গীত পদৰ সৌন্দৰ্যৰ বিষয়ে আলচ কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰসংগতঃ উল্লেখ কৰিব পাৰি যে ভৈয়ামৰ কাৰবিসকলৰ সাংস্কৃতিক ধাৰাত চকুত লগা পাৰ্থক্য দেখা যায়। আনকি নালাগে, ভৈয়াম অঞ্চলৰ কাৰ্বিসকলৰ মাত-কথা পাহাৰৰ কাৰবিসকলৰ বুজাত অসুবিধা হয় আৰু পাহাৰৰ কাৰ্বিসকলৰ মাত-কথাও ভৈয়ামৰ কাৰবিসকলে বহু সময়ত বুজি নাপায় বুলিয়ে ক'ব পাৰি।

সেইদৰে উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰতো পাৰ্থক্য আছে। উদাহৰণস্বৰূপে কাৰ্বি আংলং জিলাৰ কাৰবিসকলৰ প্ৰধান উৎসৱ চ'মাংকান। কিন্তু চ'মাংকান উৎসৱ ভৈয়ামৰ কাৰবিসকলৰ উৎসৱ নহয়। ভৈয়ামৰ কাৰবিসকলৰ প্ৰধান উৎসৱ হ'ল জহং পূজা। এই জহং উৎসৱ পালন কৰে ব'হাগৰ প্ৰথম দুদিনতে।

ভৈয়ামৰ কাৰবি সমাজৰ পৰম্পৰাগত গীত-পদবাজিক আমি যাইটিক চাৰিটা ভাগত ভাগ কৰা হয়— উৎসৱভিত্তিক, কৃষিভিত্তিক, প্ৰেম-প্ৰণয়ভিত্তিক আৰু শিশুকেন্দ্ৰিক। উৎসৱভিত্তিক গীত-পদবোৰ বিশেষকৈ উৎসৱৰ সময়ত গোৱা হয় আৰু কৃষিভিত্তিক গীতবোৰ শস্যক্ষেত্ৰত গোৱা হয়।

ওপৰত কৈ অহা হৈছে, ভৈয়ামৰ কাৰবি সমাজৰ প্ৰধান উৎসৱ জহং উৎসৱ। এই সমূহীয়া উৎসৱ তথা পূজা গাঁৱৰ সামাজিক মুৰব্বী বাংথেৰ ঘৰত পালন কৰা হয়। বলি-বিধান আদি পৰম্পৰাগত প্ৰথা এই উৎসৱৰ প্ৰধান অংগ। পৰম্পৰাগত বিশ্বাস মতে জহং দেৱতা জপ কৰি পোৱা দেৱতা। আকৌ জহং দেৱতা কাৰবি পৰম্পৰাৰ যুদ্ধৰো দেৱতা। প্ৰাচীনকালত যুদ্ধযাত্ৰাৰ আগতে যুদ্ধ-দেৱতা জহঙৰ আশীৰ্বাদ বিচাৰি এই উৎসৱ পালন কৰা হৈছিল। আজিকালিও সেই পৰম্পৰা ৰক্ষা কৰি জহং

উৎসৱত শ শ বছৰীয়া পুৰণি ঢাল-তৰোৱাল লৈ নৃত্য-গীত কৰা হয়। কাৰবিসকলৰ ঢোলসদৃশ বাদ্যযন্ত্ৰক কোৱা হয় চেং আৰু কালিৰ নিচিনা পেঁপাক কোৱা হয় মূৰীপ। চেঙৰ গম্ভীৰ ধ্বনি, মূৰীপৰ মন বিয়াকুল কৰা সুৰ, ঢাল-তৰোৱালৰ ঝনঝননি আৰু নৃত্য-গীতত ডেকাৰ উপচি পৰা প্ৰাণ-চাঞ্চল্যৰ উন্মুক্ত প্ৰকাশে উৎসৱথলী কৰি তোলে এক অনন্য ধাম। সুললিত সুৰে ডেকা-বুঢ়া সকলোৱে নাচি নাচি সমস্বৰে গায়—

এই অহো ৰিয়াহো অহে ৰিজয়াক,
এ অহো ৰিয়াহো অহো ৰিজয়াক।
এ ৰিছ আজহোং ছাৰ্ফু আজহং
এ জহোং আৰ্নাম আৰ্দ্দমচি ইলি চিকানদ।
এ থাৰাকয়েক ফেৰেয়েক ৰিছ মেঞ্চ হেল,
এ ৰিছ মেঞ্চ চিংকৰে বিপুন ৰাখিনাং।
এ ইবি বিপুন ইংবতেনে মাউৰ ইফমান
এ লাচি ইলি ৰংবংহেল বিপুন ঢিকাঙেক...

(ভাবাৰ্থ ঃ আহা ঐ, আহা। ওলাই আহা। ডেকা জহং, বুঢ়া জহঙক আমি আটায়ে মিলি পূজা কৰিছো। আমি সকলোৱে একেলগে নাচ-বাগ কৰিছো। অ' ডেকা-গাভৰুহঁত, তোমালোকে লাজ-ভয় নকৰিবা। আমি আমাৰ ৰীতি-নীতি ৰক্ষা কৰিব লাগিব। আমাৰ ৰীতি-নীতি এৰিলে পূৰ্বৰ পিতৃ-পিতামহসকলে অভিশাপ দিব।)

জহং উৎসৱৰ মূল অনুষ্ঠান দুদিনীয়াকৈ হৈ যোৱাৰ পাছতে হুঁচৰি গোৱাৰ দৰে ঘৰে ঘৰে নৃত্য-গীত কৰাটোও কাৰবি সমাজৰ অন্যতম নিয়ম। চেং-মূৰীপ বজাই, ঢাল-তৰোৱাল লৈ গৃহস্থৰ চোতালত নানা নৃত্য-গীত কৰে ভৈয়ামৰ কাৰবিসকলে। গৃহস্থই সমজুৱাক সাদৰ-অভ্যৰ্থনা জনায় আৰু সমজুৱাই গৃহস্থক নতুন বছৰৰ কল্যাণ কামনা কৰি আশীৰ্বাদ দিয়ে। হুঁচৰি গোৱাৰ দৰে সমজুৱাসকলে গায়—

ঐ দম দম মাদুলী দম ঐ আই
দম দম মাদুলী দম ঐ আই
দম দম মাদুলী দম দম ।
নাংচপ তেন-তেলা দম ঐ আই
কাথিৰাক কাংৰেল দম ঐ আই
আতৎতা কাংৰেল দম দম।
হানচিৰি আলাংচ'ৰ দম ঐ আই
ফাৰকংপে আকাংৰী দম ঐ আই
কাং নিং চম কাংৰেল দম দম।...

(ভাবাৰ্থ ঃ ডিঙিত মাদলী পিন্ধি হালি-জালি সকলোৱে নাচাহঁক। আমি নতুন বছৰলৈ আদৰণি জনাই আজি নাচ-গান কৰিছো। আহা ভাইহঁত, আমি নাচি-বাগি গীত গাই নতুন দিনটোলৈ সম্ভাষণ জনাওঁ। নাচা, চেং মূৰীপৰ ছেৱে ছেৱে সকলোৱে নাচা।)

জহং পূজাত ব্যৱহৃত মন্ত্ৰৰ নমুনা এটিও ইয়াত দাঙি ধৰা হ'ল—

তে হেম্ হে-ম,
তে হেম্ হে-ম হেম
তে ডেকা আজহং, বুঢ়া আজহং
সৰু ফিংফাং, বুঢ়া ফিংফাং
দান্ত্রা হিল্লা, কাংক্রা হিল্লা
কৰংবং পেন কৰংথে পেন
লৰান এপাক চি পি চি
ল'ফান এপাক চি পি চি
মিৰ একোক থে একোক চি পি চি

আৰা-কোৰা* নামৰ এক কৃষিভিত্তিক নৃত্য-গীতানুষ্ঠান কাৰবিসকলৰ এই জাতীয় উৎসৱৰ ভিতৰতেই উল্লেখযোগ্য আৰু আকৰ্ষক। মূলতে এই নৃত্য গীতৰ অনুষ্ঠানটো ঝুম খেতিৰ লগত জড়িত আছিল আৰু ঝুম খেতিৰ তলিতে ডেকা-গাভৰু সকলোৱে মিলি 'আৰাকোৰা' নৃত্য কৰিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ভৈয়ামৰ কাৰবিসকলে পানী-খেতি কৰে যদিও ঝুম খেতিৰ সোৱাদ পাহৰা নাই আৰু বসতিস্থলৰ ওচৰত পাহাৰ থাকিলে এতিয়াও চলায় সেই পৰম্পৰাসমৃদ্ধ চেষ্টা। আন কিছুমান কৃষিজীৱী জনগোষ্ঠীৰ লগতে কাৰবিসকলেও খাদ্য উৎপাদনৰ উদ্দেশ্যে পৃথিৱীক আঘাত দিবলগীয়া হোৱাৰ বাবে যেন নিজকে দোষী অনুভৱ কৰে -প্ৰকৃতিৰ লগত এনেকুৱা সমাজৰ সম্পৰ্ক ইমানেই নিবিড়! শস্যৰ তলিত হাল-কোৰ জোৰাৰ আগতে কাৰবি কৃষকে এই বুলি আন্তৰিক প্ৰাৰ্থনা কৰে— 'হে বসুমতী আই, প্ৰাণৰক্ষাৰ বাবে খেতি কৰিবলৈ তোমাৰ বুকুত হাল-কোৰ বাইছো। তোমাক অনেক কষ্ট দিছো। আমাক দায়-দোষ নধৰিব। শাওপাত নিদিব।'

'আৰাকোৰা' * নৃত্য আৰু গীত কাৰবিসকলৰ অতি আদৰৰ। এই গীতৰ ছন্দ আৰু সুৰ অতি চিত্তাকৰ্ষক। এই পৰম্পৰাসমৃদ্ধ গীতৰ ৰচনাশৈলীও অতি মনোহৰ---

কুৰলে ইয়া অ' হ-ই
লাংহে ইয়া অ' হ-ই
কুৰলে ইয়া হই হই হই —

এ উলাং হে হে ইয়া অ' হায় দেই
অ' উলাং হে হে ইয়া অ' হায় দেই
উলাং হে হে ইয়া অ' হায় দেই
উলাং হে ইয়া হায়।

এ ছেং কান্ আৰতৰ জাল হেং কে মাপ আখেতি পাংনিএ্রে
এ্রে নি জাৰ দৈ আবাং হে

* আৰা-কুৰা বুলিও কোৱা হয়।

এ ছেং হান্ মাং ৰেং ৰোল কে দুক্ৰা মাং ৰেং জ
কে মা পৎ আখেতি পাংনিঞ্জে
ঞ্জে নিজাৰ দৈ আবাং হে।

এ উলাং হে হে ইয়া অ' হায় দেই
অ' উলাং হে হে ইয়া অ' হায় দেই
উলাং হে হে ইয়া অ' হায় দেই
উলাং হে ইয়া হে হায়।

এ এয়াং লে মাৰাং কে মাগোৰ পে লুং ক্লাল
এ জাৰ দি চি কম লাং এ নিজাৰ দি আবাং হে

কুৰ্‌লে ইয়া অ' হ ই লাংহে ইয়া অ' হই
কুৰ্‌লে ইয়া হই হ-ই।

(ভাবাৰ্থ ঃ আমি ঝুম খেতি কৰিবলৈ লৈছো। হে শস্যৰ অধিষ্ঠাতা দেৱতা, আমাক আশীৰ্বাদ কৰা যাতে ভালদৰে খেতি কৰিব পাৰো আৰু শস্যৰে আমাৰ শস্যতলি নদন-বদন হৈ উঠে। আহা ভাইহঁত, আমি সকলোৱে উলাহেৰে খেতি কৰো।)

কৃষিভিত্তিক তথা উৎসৱভিত্তিক এটি গীত গোৱা হয় ন-খোৱাৰ সময়ত। উল্লেখযোগ্য যে অন্যান্য কৃষিজীৱী সমাজৰ দৰেই খেতি চপোৱাৰ পাছত গাঁৱৰ গিয়াতিক নিমন্ত্ৰণ কৰি লগে-ভাগে নতুন ধানৰ চাউলেৰে ভাত খোৱা কাৰবি সমাজৰ অন্যতম ৰীতি। এই উপলক্ষে পৰম্পৰাগতভাৱে গাই অহা এটি গীতে কাৰবি সংস্কৃতিৰ এটি বিশিষ্ট দিশ দাঙি ধৰে —

অ'... প্ৰুলে ইয়াং
ৰুলে ইয়াং অবা প্ৰুলে ইয়াং
প্ৰুলে ইয়াং পুকে
কোন চমাৰ জাং প্লাং লাং
প্ৰুলে ইয়াং পুলে লই।
প্ৰুলে ইয়াং ৰুলে ইয়াং— অ'......
বা প্ৰুলে ইয়াং প্ৰুলে লাং কি ফুকে
শুনি বা জাং প্লাং লাং

(ভাবাৰ্থ ঃ ধান খেতি কৰাৰ ব্যৱস্থা প্ৰথমতে উদ্ভাৱন কৰাজনক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। এতিয়া আমি ছাগলী কাটি সকলোৱে নতুন ধানৰ চাউলেৰে ভাত খাই নাচিম আৰু গীত গাম।)

উৎসৱভিত্তিক আৰু কৃষিভিত্তিক গীত-পদবোৰৰ দৰেই প্ৰেম-প্ৰণয়ভিত্তিক গীতবোৰেও কাৰবি সমাজৰ বৰ্ণাঢ্য জীৱনৰ এটি দিশৰ পৰিচয় দিয়ে। উল্লেখযোগ্য যে শইচৰ তলি সোণালী ধানেৰে ওপচাব পৰা কাৰবি ডেকাইতে পৰম্পৰাসমৃদ্ধ সাংস্কৃতিক অনুষ্ঠানৰ অনুশীলনো জানে, আৰু জানে

মনৰ গাভৰুজনীৰ মন পৰশাকৈ গীতৰ মাজেৰে মনৰ কথাবোৰ ক'বলৈকো। সেইদৰে শাওণৰ পথাৰৰ লখিমীস্বৰূপা ৰোৱণী, আঘোণৰ পথাৰ হাঁহি-কিৰিলিৰে পলক লগোৱা দাৱনি আৰু আকাশত ৰঙৰ-সনা বাৰেবৰণীয়া ফুলৰ দৰে ফুলাম কাপোৰৰ বোৱনী ভৈয়ামৰ কাৰবি গাভৰুইতেও মনৰ ডেকাটোক গীতেৰেই ক'ব খোজা কথাবোৰো ক'ব জানে। কাৰবি ডেকাই গাভৰুৰ উদ্দেশ্যে গোৱা এই গীত এটিৰ সুৰো বৰ মৰ্মস্পৰ্শী।

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি,
আংদমতা কাংৰেল ঐ লাৰি।
নুহতা কিদতাং হাকপা কিথান
অচতা কিদতাং হাক আই কিথান।।

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি,
আংদমতা কাংৰেল ঐ লাৰি।
ব্ৰিটিছ প আক'কে নিচাল কাম কিদল'
নহোক থাক কাছুলি কাছুলি লে।
নিহাৰতা কাংৰেল ঐ লাৰি,
নিতাহাং কাংৰেল ঐ লাৰি।

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি
আংদমতা কাংৰেল ঐ লাৰি।
নিচাল কাম কাংৰেল ঐ লাৰি
মাউৰতা নিপুনং এ নিপুনং।
নিহাৰতা কাংৰেল ঐ লাৰি
নিতাহাং কাংৰেল ঐ লাৰি।

ঐ নিহাৰতা কিদজেল কাংৰেল ঐ লাৰি
আংদমতা কাংৰেল ঐ লাৰি।
বাঙতেনে বাঙত লাৰি অৰাং
হমন প অহংৰেন নিফু মোন।
নিহাৰতা কাংৰেল ঐ লাৰি,
নিতাহাং কাংৰেল ঐ লাৰি।।

(ভাবাৰ্থ ঃ অ' মোৰ মৰমীজনী, মোৰ ভাগ্য একেবাৰে নোহোৱা হৈ যোৱা নাই। মোৰ মাতআৰো একেবাৰে শুৱলা নোহোৱা নহয়। দেউতাই ডাহানি কৈছিল, মোৰো এজন শহুৰ আছে আৰু আয়ে কৈছিল, মোৰ কাৰণে তেওঁ কইনাও চাইছিল। ব্ৰিটিছ কোম্পানীৰ আমোলত মোৰ চাকৰিও আছিল, পইচা-পাতিও কত আছিল। এতিয়া মোৰ একো নাই আৰু সেই কাৰণে তুমি মোক অৱহেলা কৰিছা।

হায় কপাল! তোমাক পাবলৈ মোৰ কপালতে লিখা নাই।)

প্ৰিয়জনক উদ্দেশ্য কৰি মনৰ কথা কোৱাৰ উপৰি কাৰবি গাভৰুহঁতে সময় বুজি ধেমেলীয়া কথা কৈ জোকাবও জানে। গাভৰুহঁতে ডেকাক জোকাই গোৱা এটি গীত এনেধৰণৰ—

পলঙা ঐ পলঙা থেলু ঐ পলঙা প
নাং আপো হললোং
কে কাংকনি আকেং প দেই।
নাং আপো হললোং কে আকেঙে আবেপাৰ প,
বাংকুৱা পাংদম জেংকে আং দমে দোংৰে প দেই।
নাং আপো হিলাই দোং কে আমেনে হললোং প,
হৰবংঙে আলাং হৰ কে দুৱাৰ লং কি জুন দে প।

(ভাবাৰ্থ ঃ ঐ মোৰ পাহুৱাল ডেকাটো, তুমি মোক পাবলৈ মন কৰিছা হয়, পিছে তোমাৰ দেউতাৰাৰ কথা-কাণ্ড দেখি মোৰ খুব হাঁহি উঠে। তোমাৰ দেউতাজন দেখাত কাকিনি তামোলৰ দৰে। তোমাৰ দেউতাৰাই মোক ধৰিবলৈ অনা মদকলহ দেখোন বাটতে খাই শেষ কৰিলে। ঘৰেই নাপালেহি।)

সেইদৰে বিহুতলিত ডেকাই গাভৰুৰ ৰূপ বৰ্ণনা কৰি জোৰা গীতৰ নিচিনা গীতো কাৰবি লোকগীতৰ মাজত আছে। তেনে এটি গীত এনেধৰণৰ ঃ

আৱাই ৰংমালী ঐ আৱাই ৰংমালী
ছেং মুৰীপ আচেও এন এন নে আংদম পাদয়ে
ছাত্ৰং বাদি আৰ তিং কিকান কনাক হঙ নাং
নাংফেল নাংফেল নালাংতেনে
বহাৰ বাদি নাং ঠেক মান
নাংকেং নাৰি নালাং তেনে
বৰমা বাদি নাং ঠেক মান।
কনাক কিদ কনাক কিৱাং লাতা নি থান থাক
পেতপত ছমাৰ আৰণ তাৰা লাবাং ছ নিপুথা।

(ভাবাৰ্থ ঃ ৰংমালী আইদেউ, ছেং-মুৰীপৰ ছেৱে ছেৱে হালি-জালি ঘূৰি ঘূৰি নাচিবলৈ ক'তনো শিকিলা? তোমাক পিছৰ পৰা চালে বনৰীয়া চৰাই যেন দেখি, তোমাৰ হাত-ভৰিলৈ চালে ম'ৰা চৰাই যেন লাগে। ইমান দিনেবা ক'ত আছিলা? আজিনো ক'লৈ আহিছিলা? তুমিনো কোন খেলৰ? কথাটো মোক ভাঙি কোৱাচোন।)

শিশুকেন্দ্ৰিক গীত-পদৰ ভিতৰত আছে নিচুকনি আৰু খেল-ধেমালিৰ গীত। কাৰবিসকলৰ নিচুকনি গীতবোৰৰ এক সুকীয়া মাধুৰ্য আছে। কান্দি থকা মইনাটিক পিঠিত বান্ধি লৈ কিশোৰী বায়েকহঁতে গোৱা এই নিচুকনি গীত দুটি জনপ্ৰিয় —

(১) ঐ মিনিতা চুৰুন্দা মিনাক্‌তা চুৰুয়ে চুৰুয়েক মুচজাং
অ' অ' অ' অ' অবাং

নাং আপ চিংগ্ৰাপ কিং চাং আৰং দমেদ
চুৰুয়েক মুচজাং আখৈ আদুম বানে তাং
অ' অ' অ' অ' অ' অ'বাং

(২) তিন্‌তিলিক পে আংচেংকে বৰ প্লাক পে চি হম-দ
থানেক দেই নেং বংজাং ক্ৰুং ক্ৰুং
চোক খ্ৰেং খ্ৰেং চোক খ্ৰেং খ্ৰেং খ্ৰেং
ডুমুৰা ৰিছ'
ডুমুৰা ৰিছ বাঙেতাং অ' অ'ক পেন আন পাচ'ক
থানেক দেই নেং ব জা ক্ৰুং ক্ৰুং

[ভাবাৰ্থ ঃ (১) ভাইটি নাকান্দিবা, দেউতা বজাৰলৈ গৈছে। আখৈ-লাড়ু আনিব। ৰংমনে খাবলৈ পাবা। (২) সৌ তেতেলী গছজোপাত বাদুলী চৰায়ে বাহ লৈছে। বৌ, কাকো নক'বা দেই, আজি ডিমৰীয়াৰ ৰজা আহিব নহয়, ভালদৰে বান্ধি-বাঢ়ি খুবাব লাগিব।]

এই আলোচনাৰ শিৰোনামাতেই স্বীকাৰ কৰা হৈছে যে প্ৰস্তুত গীত-পদেৰে ঠাহ্ খাই থকা ভৈয়ামৰ কাৰবি সমাজৰ লোকগীতৰ ভঁৰালত এয়া মাত্ৰ এটি ভুমুকিহে। কিন্তু একে আষাৰে ক'ব পাৰি, এই গীত-পদৰাজিৰ সৌন্দৰ্যই সংগীতপ্ৰেমী শ্ৰোতাক কৰিব মন্ত্ৰমুগ্ধ, লোক-সংস্কৃতিৰ গৱেষকসকলক দিব হেৰাই যাব খোজা মণি-মুকুতাৰ সন্ধান। এই সম্পদৰাজিৰ যথাৰ্থ অনুশীলন আৰু গৱেষণাই অসমৰ তথা ভাৰতৰ লোক-সংস্কৃতিৰ ঐতিহ্যময় সমন্বয়ৰ ভেটি শক্তিশালী কৰি তোলাত বৰঙণি যোগাব বুলি ধাৰণা হয়।



চ'মাংকানত 'নিমছ' কিৰুং' নৃত্য

বিদৰছিং ক্ৰ'

নৃত্য, সভ্যতাৰ আদিম পুৰাতে সৃষ্টি হোৱা এবিধ মনোৰম কলা। সৃষ্টিৰ লগত সংগতি ৰাখি ঈশ্বৰে সমাজ তথা বিশ্বমানৱৰ কল্যাণৰ বাবে এইবিধ কলা সৃষ্টি কৰিছিল। নৃত্য-সংগীত কলা অবিহনে সমাজ এখন বৰ্তি থকা সম্ভৱ নহয় বাবেই ঈশ্বৰে এই সুন্দৰ কলাবিধ সৃষ্টি কৰিছিল। এনেধৰণৰ সুন্দৰ কলাৰ বৈশিষ্ট্য আৰু ইয়াৰ আঁৰত থকা ধাৰণাৰ ক্ষেত্ৰত প্ৰত্যেক জনগোষ্ঠীৰে পাৰ্থক্য থকা দেখা যায়। কাৰবি সমাজৰ চ'মাংকান উৎসৱৰ নৃত্য 'নিমছ' কিৰুঙো' এনে এবিধ আপুৰুগীয়া কলা।

ঈশ্বৰৰ বৈচিত্ৰ্যপূৰ্ণ কাৰ্যক্ৰম হৈছে সৃষ্টি আৰু পতন। অৰ্থাৎ জন্মৰ পাছত মৃত্যু অনিবাৰ্য আৰু এই কামক বাধা দিয়াৰ ক্ষমতা তেওঁৰ বাহিৰে সংসাৰত আন কাৰো নাই। এয়া প্ৰকৃতিৰেই বিধান বুলি আমি বিশ্বাস কৰো—যিহেতু জীৱ প্ৰকৃতিৰেই এটা অংশ মাত্ৰ। ঈশ্বৰৰ এই সৃষ্টিক আমি প্ৰত্যক্ষ কৰিব নোৱাৰিলেও আমাৰ চাক্ষুষ দৃষ্টিত ই আপোনা-আপুনিয়েই হ'ল বুলি অনুভৱ কৰিব পাৰো। ঈশ্বৰৰ ইচ্ছা অনুসৰিয়েই সংসাৰ চলি আছে।

কাৰবিসকলৰ জনবিশ্বাস মতে, আদিম যুগত ছংছাৰ ৰেচ' অৰ্থাৎ পৰম ব্ৰহ্মাৰ নিৰ্দেশত পোন প্ৰথমে ৰাংবিনি আৰু চ'মবিনি নামৰ দুজন দেৱতাই মানৱবিহীন পৃথিৱীত পদাৰ্পণ কৰি মানৱ জাতিৰ সৃষ্টি কৰিছিল। কিন্তু আকাৰত ইমান ডাঙৰ পৃথিৱীখন মানৱ জাতিৰে কেনেদৰে পৰিপূৰ্ণ কৰিব এই লৈ এটা সমস্যা হ'ল। কিয়নো ঈশ্বৰৰ দ্বাৰা সৃষ্ট সকলো বস্তু বা প্ৰাণীৰে ধ্বংস অনিবাৰ্য। তেনে ক্ষেত্ৰত পুনৰায় সৃষ্টিৰ কাম হাতত ল'ব লাগিব। গতিকে সেইবোৰ সমস্যা দূৰ কৰিবলৈ পৰম ঈশ্বৰ ছংছাৰ ৰেচ'ক ৰাংবিনি আৰু চ'মবিনিয়ে অৱগত কৰিলে। চ'মবিছাৰে পৰম ঈশ্বৰক পৰামৰ্শ দিলে যে মানৱ জাতি সৃষ্টিৰ বাবে মানৱৰ গৰ্ভৰ পৰাই সন্তান জন্মলাভ কৰাৰ ব্যৱস্থা কৰা হওক। চ'মবিছাৰৰ পৰামৰ্শ অনুসৰি ঈশ্বৰে ছাইদেৰি (কামদেৱ ?)ক এই দায়িত্ব অৰ্পণ কৰিলে। ছাইদেৰিয়ে ক'লে যে ৰাংবিনি আৰু চ'মবিনিয়ে তেওঁলোকৰ দায়িত্ব পালনত ব্যৰ্থ হ'ল যেতিয়া তেওঁলোকৰ পত্নীদ্বয়ক পৃথিৱীলৈ প্ৰেৰণ

কৰা যাওক আৰু তেওঁলোকৰ দ্বাৰাই পৃথিৱীত প্ৰথম মানৱ শিশুৰ জন্ম দিয়া হওক।

ছাইদেৰিৰ পৰামৰ্শ অনুযায়ী আৰু পৰম ঈশ্বৰ ছংছাৰ ৰেচ'ৰ আদেশ অনুসৰি ৰাংবিনি আৰু চ'মবিনিৰ পত্নীদ্বয় পৃথিৱীলৈ নামি আহিল। পৃথিৱীলৈ আহি ৰাংবিনিৰ পত্নীয়ে গৰ্ভসঞ্চাৰ কৰি এটি পুত্ৰ সন্তান জন্ম দিলে। নাম দিলে ৰাণাম পাথেৰাং। চ'মবিনিৰ পত্নীয়ে এটি কন্যা সন্তান জন্ম দিলে। নাম দিলে চেলিৰএৎ। তাৰপাছতেই একাদিক্ৰমে বিৰছিং বিলিজাং, লংছানক্ৰ, ছাংহ'ৰাই, মেলাং, ফানক্ আৰু মিৰিংৰাং, টাঙ্কন, মিৰবং, মুইবংছ', মিৰকন, মিৰতাকন আদি মানৱ সন্তানে এই পৃথিৱীত তেওঁলোকৰ কাম সমাধা কৰি পুনৰ স্বৰ্গলৈ প্ৰত্যাগমন কৰে।

এদিন প্ৰথম মানৱ সন্তান ৰাণাম পাথেৰাং আৰু চেলিৰএতৰ মৃত্যু হয়। জন্মৰ পাছত মৃত্যু অৱধাৰিত। কিন্তু ঈশ্বৰৰ সৃষ্ট সন্তানৰ যদি এনেকৈ এজনৰ পাছত এজনকৈ মৃত্যু হয়, তেতিয়াহ'লে পৃথিৱীত মানৱ জাতিৰ সমূলে বিলুপ্তি ঘটিব। তেনে ক্ষেত্ৰত মানৱ শিশুৰ পুনৰ জন্ম দিয়াবলৈ স্বৰ্গৰ পৰা দেৱী অথবা অপেশ্বৰীবিলাকক পৃথিৱীলৈ পঠিয়াই থাকিব লাগিব। গতিকে ঈশ্বৰে চিন্তা কৰিলে যে ইতিমধ্যে জন্ম লাভ কৰা মানৱৰ পৰাই পুনৰ মানৱ শিশু জন্ম দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সৃষ্টিৰ এই বিধান পালনাৰ্থে পৰম ঈশ্বৰ ছংছাৰ ৰেচ'ই ছাইদেৰিক পৃথিৱীলৈ যাবলৈ আদেশ দিয়ে।

ছাইদেৰিয়ে পৃথিৱীত পদাৰ্পণ কৰা সেই দিনটো আছিল ৰাণাম পাথেৰাং আৰু চেলিৰএতৰ অন্তিম সংস্কাৰ বা শ্ৰাদ্ধৰ দিন। সেইদিনা ৰাতিপুৱাই পৃথিৱীৰ মানৱ ডেকা গাভৰুবোৰে মৃতক দুজনক অন্তিম বিদায়ৰ অৰ্থে এপাহকৈ ফুল উপহাৰ দিবলৈ বুলি ফুল বিচাৰি ওলাই যাওঁতে ছাইদেৰিৰ সৈতে মুখামুখি হ'ল। ছাইদেৰিয়ে তেওঁলোকৰ পৰা এইদৰে যোৱাৰ উদ্দেশ্য জানিব বিচাৰিলে। ডেকা-গাভৰুবোৰে তেওঁলোকৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰাত ছাইদেৰিয়ে ক'লে — 'ঠিক আছে, তোমালোক যোৱাগৈ। কিন্তু মোৰ লগত থকা এই গুটি (তামোলজাতীয়) লৈ যোৱা। যেতিয়া তোমালোকে জিৰণি ল'বা তেতিয়াই ইয়াক ভগাই খাবা, ভাল পাবা।' ছাইদেৰিয়ে দিয়া সেই গুটি আছিল মানৱ দেহত প্ৰেম তথা কামনা জগোৱা এটি ফল। তেওঁৰ উদ্দেশ্য আছিল গুটিটো ভগাই খালে তেওঁলোকৰ মাজত প্ৰেম ভাব জাগ্ৰত হ'ব আৰু তাৰ পাছতে কাম ভাব জাগ্ৰত হৈ পৰস্পৰে পৰস্পৰক কাষত পাবলৈ ব্যাকুল হ'ব আৰু তেতিয়াহে মানৱ সৃষ্টি সম্ভৱ হ'ব।

ফুল ছিঙা কাৰ্য সমাপ্ত কৰি বিৰছিং, বিলিজাংহঁতে এঠাইত শাৰী পাতি বহি জিৰণি ল'বলৈ ধৰিলে। বাটত ছাইদেৰিয়ে দি পঠিওৱা ফলটো কাটি ভগাই খাবলৈ ল'লে। ফলটো খোৱাৰ কিছু সময়ৰ পাছতে তেওঁলোকৰ অন্তৰত কামনা জাগ্ৰত হ'ল আৰু তেওঁলোকৰ প্ৰেমালিবোৰেও বেলেগ ৰূপ ল'বলৈ ধৰিলে। বিৰছিং বিলিজাঙে প্ৰথমে থিয় হৈ মিৰিংৰাঙক সাবটি চুমা খাবলৈ ধৰিলে। সিহঁতৰ এই কাণ্ড দেখি বাকীবোৰেও তেনে আচৰণ কৰিবলৈ ধৰিলে। লোকগীতত উল্লেখ আছে—

অ, লন' মিৰিংৰাং
ৰ'হাম লাকঅংলাং
নাং থেমি বাংঅম-আম
নে লেম ফাৰইচতলাং।

অৰ্থাৎ— 'হেৰা চেনেহী মিৰিংৰাং। ভাগৰ লাগিছে। কিছু সময় জিৰণি লওঁ আহা আৰু তোমাৰ যৌৱনৰ লগত কিছু সময় খেলো।'

তেনেদৰে সেই ডেকা-গাভৰুৰ মাজত পশুসদৃশ যৌন মিলন ঘটিল। কিন্তু সেইদৰে বাৰে বাৰে মিলিত হৈও তেওঁলোক সন্তুষ্ট নহ'ল। ৰাণাম পাথেৰাং আৰু চেলিৰএতৰ অন্তিম সংস্কাৰৰ সময়লৈকে তেওঁলোকে এই কাম অব্যাহত ৰাখিলে। তেওঁলোকে পৰস্পৰে পৰস্পৰক এৰিব নোৱাৰা হ'ল। প্ৰথমে ৰাংবিনি আৰু চ'মবিনিয়ে সৃষ্টি কৰি থৈ যোৱা মানৱসকলে সিহঁতৰ আচৰণৰ কথা একো ধৰিব নোৱাৰি হাঁহিবলৈ ধৰিলে আৰু কিছুমানে সিহঁতক এই কাৰ্যৰ বাবে তিৰস্কাৰো কৰিলে। বিৰছিং বিলিজাঙে সকলোকে জনালে—'আমি যি কৰিছো আৰু কৰিলো সেয়া আমি নিজেও নাজানো। আমাৰ অন্তৰত এনে অনুভূতি হৈছে যে তাক দমাব নোৱাৰিয়ে এনে আচৰণ কৰিলো। এইবোৰ বোধহয় ঈশ্বৰৰ ইচ্ছামতেই হৈছে। গতিকে পৃথিৱীত মানৱ জাতি থাকে মানে মৃতকৰ অন্তিম সংস্কাৰৰ সময়ত এই কাৰ্য নৃত্যৰূপে প্ৰচলন হওক। কাৰ্যৰ পৰিৱৰ্তে শব্দৰে বা বাক্যৰে ইয়াক সমাধা কৰা যাওক।' তেতিয়াৰে পৰাই চ'মাংকানত নিমছ' কিৰুং নৃত্য আৰম্ভ হয়। লোকগীতৰ এঠাইত কোৱা হৈছে—

'লাছা আৰাইকাং (ছি)
ক্লাংতাংদেত আকাম,
ম'ছ'পিৰবি কাংতাং (তা)
ৰণবি আহুত আন
লাছা আৰাইকাং (লে)
ক্লেমক্লে ছুন আকাম (তা)
চাৰণাম লামচামপ্লাং (কে)
পালংহিং ছিনাং,
পালংহিং ল'নাং (পু)
পাজুন্থৰ ল'নাং।'

অৰ্থাৎ—'চ'মাংকানৰ চোতালত যৌনকাৰ্য এবাৰ সম্পন্ন কৰাৰ পাছত এনেধৰণৰ কাৰ্য ভৱিষ্যতে কৰাটো নিষিদ্ধ কৰা হওক। কিন্তু তাৰ পৰিৱৰ্তে এই পৰম্পৰাটো শব্দৰে বা বাক্যৰে প্ৰচলন কৰা হওক।'

তেতিয়াৰে পৰাই পুৰুষ-মহিলাই একেলগে সহবাস কৰাৰ পদ্ধতি আৰম্ভ হয় আৰু তেনেকৈয়ে শিশু সন্তান জন্ম দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয়। তেনেকৈয়ে পৃথিৱীত মানুহ জন্ম হোৱা আৰু মৃত্যু প্ৰক্ৰিয়াটো নিৰন্তৰ চলিবলৈ ধৰে আৰু মৃত্যু অনুপাতে জন্মৰ হাৰ অধিক হোৱাৰ বাবে পৃথিৱীত মানৱ প্ৰজাতিটোৰ সমস্যা বৃদ্ধি হ'বলৈ ধৰে।

চ'মাংকান (শ্ৰাদ্ধ)ৰ সময়ত কৰা নৃত্য নিমছ' কিৰুং উপৰিউক্ত যৌনলীলাৰে এটি প্ৰতীক। সেয়ে নিমছ' কিৰুং নৃত্যত যোগ দিয়াৰ অধিকাৰ কেৱল ডেকা-গাভৰুৰ মাজতেই সীমাবদ্ধ থাকে। বিবাহিত কোনো পুৰুষ-মহিলা, উভয়ে এই নৃত্যত যোগ দিয়াটো নিষেধ। তদুপৰি বিবাহ ঠিক হৈ থকা কোনো ছোৱালীয়ে এই নৃত্যত যোগদান কৰিব নোৱাৰে। মন কৰিবলগীয়া যে একেটা ফৈদৰ ডেকা বা গাভৰুৱে একেলগে এই নৃত্যত অংশগ্ৰহণ কৰিব নোৱাৰে। একেলগে নৃত্য কৰা ডেকা-গাভৰুৰ ফৈদৰ পাৰ্থক্য থাকিব লাগিব, অৰ্থাৎ তেওঁলোকে বিবাহপাশত আবদ্ধ হ'ব পৰা ফৈদৰ হ'ব লাগিব। সেই কাৰণেই দুজন নৃতৰত ডেকাৰ মাজত গাভৰু এজনীক নৃত্যৰ বাবে পঠিওৱা হয়। তদুপৰি এজন

ডেকাই ভালপোৱা অন্য ফৈদৰ এজনী ছোৱালীক নৃত্যত অংশ ল'বলৈ আহ্বান জনাব পাৰে বা অন্যৰ হতুৱাই ধৰাই আনিও নৃত্যত যোগ দিবলৈ বাধ্য কৰাব পাৰে।

চ'মাংকান উৎসৱ আৰম্ভ হোৱাৰ লগে লগে প্ৰত্যেক মানুহৰ মুখে মুখে আখৈ ফুটা দি অশ্লীল শব্দ উচ্চাৰিত হয়। ডেকা ল'ৰাবোৰে লগ লাগি এবিধ নৃত্য কৰাও দেখা যায়। ইয়াক 'কাপাএৰ' বোলা হয়। 'কাপাএৰ' মাত্ৰেই অশ্লীল। সৃষ্টিৰ ৰহস্য সম্পৰ্কে এফালৰ পৰা বিতংভাৱে গীত আকাৰে গাই যায় আৰু গীতৰ ছন্দে ছন্দে কঁকাল ভাঙি নাচে। গাভৰু ছোৱালীবোৰে মুখেৰে অশ্লীল বাক্য ক'বলৈ টান পায় অথবা লাজ কৰে বাবে মনে মনে থাকে বা শুনি থাকে। সেয়ে নিমছু' কিকং নৃত্যত অংশ লোৱা গাভৰুবোৰে 'পীবা' নামৰ এবিধ বগা আৰু ক'লা সূতাৰে বোৱা কাপোৰেৰে মুখ ঢাকি ৰাখে, যাতে কোনোবা ডেকাই সন্মুখত আহি অশ্লীল শব্দ প্ৰয়োগ কৰোতে লাজৰ পৰা হাত সাৰিব পাৰে। উল্লেখ্য যে কাৰবিসকলৰ মাজত এটা পৰম্পৰা আছে যে যিয়ে জীৱনত এবাৰ হ'লেও নিমছু' কিকং নৃত্যত অংশগ্ৰহণ কৰা নাই তেওঁ হেনো মৃত্যুৰ পাছত চ'ম আৰাং (সিপুৰীত) নিয়ম বহিৰ্ভূতভাৱে পুৰুষ হ'লে শাহুৱেকৰ সৈতে আৰু মহিলা হ'লে শহুৰেকৰ সৈতে ধৰা-ধৰিকৈ নাচিব লাগিব। কাৰবি সমাজত শাহু বা শহুৰৰ লগত ধেমালি কৰা বা প্ৰত্যক্ষভাৱে কথা-বতৰা পতাটো নিষিদ্ধ। ইয়াক গৰ্হিত কাম বুলি ধৰা হয়। গতিকে সেই পাপৰ পৰা হাত সাৰিবলৈ জীৱনত এবাৰ হ'লেও ডেকা-গাভৰুসকলে নিমছু' কিকং নৃত্যত অংশ লোৱা দেখা যায়।

এনেধৰণে সৃষ্টিৰ পৰম্পৰা নিৰন্তৰভাৱে চলি থাকে যদিও আজিকালি চ'মাংকান নৃত্যত অশ্লীল শব্দ বা বাক্য প্ৰয়োগ কৰিবলৈ বাদ দিয়া দেখা গৈছে। কালৰ গতিত সকলো সলনি হৈছে। 'জিলী' গীতটোও আজিকালি 'কাপাএৰ'লৈ ৰূপান্তৰিত হৈছে। 'কাপাএৰ' গীতৰ সৈতে 'জিলী' গীতক একেলগে সামৰি গোৱা শুনিবলৈ পোৱা গৈছে। ঢোলৰ তালৰো পৰিবৰ্তন ঘটিছে। নৃত্যও সলনি হৈছে। এতিয়া আমি এইখিনিয়েই ক'ব পাৰো যে এয়া সকলো কালৰে বিধান।*



সোনোৱাল কছাৰীৰ লোক-উৎসৱ আৰু লোকগীত হয়দাং

মোহন সোনোৱাল

উজনি অসমৰ লোক-উৎসৱ আৰু লোকগীত হয়দাং এই বিষয়টোৰ ওপৰত এতিয়ালৈকে বিস্তৃতভাৱে আলোচনা হোৱা নাই। সোনোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতিৰ ওপৰত অধ্যয়ন কৰা দুই-এজন লিখকে বিষয়টোৰ ওপৰত দুই-এটা আলোচনা আগবঢ়াইছে। উপযুক্ত তথ্য-পাতি আৰু সমলেৰে বিষয়টো জনসাধাৰণৰ মাজলৈ আনিব পাৰিলে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিলৈ প্ৰভূত বৰঙণি যোগোৱা হ'ব আৰু অসমীয়া কলা-সংস্কৃতিৰ পথাৰখনো অধিক উৰ্বৰা হ'ব।

পৃথিৱীৰ সকলো জাতিৰ মাজত সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে নানা গীত-মাত সৃষ্টি হৈছে। আমাৰ মাজত প্ৰচলিত বিভিন্ন গীত-মাত আদিৰ ৰচনাৰ কাল আৰু পদ্ধতি সম্পৰ্কে পণ্ডিতসকলৰ মাজত নানা মতানৈক্য আছে। বহুতে বহুতো ধৰণৰ মতামত দিয়ে। বিষয়বস্তু অনুসৰি বুজিব পাৰি যে এই গীত-মাতসমূহ কিছুমান পৌৰাণিক বা কাল্পনিক আখ্যানৰ ওপৰত ভেটি কৰি ৰচনা কৰা আৰু কিছুমান বুৰঞ্জীমূলক ঘটনা বা ব্যক্তিক কেন্দ্ৰ কৰি ৰচনা কৰা। গতিকে এই গীত-মাতসমূহৰ ভিতৰত বুৰঞ্জীমূলক গীত-মাতসমূহৰ ৰচনাৰ কাল কিছু পৰিমাণে নিৰ্ণয় কৰিব পৰা হ'লেও পৌৰাণিক, কাল্পনিক গীতসমূহৰ ৰচনাৰ কাল কিন্তু নিৰ্ণয় কৰিব নোৱাৰি। আনহাতে অতীতৰ পৰা মুখে মুখে বাগৰি অহা এনেধৰণৰ গীত-মাতসমূহৰ সাধাৰণ সংজ্ঞা এটি দিয়াও টান। সেয়েহে অনুমান কৰিব পাৰি—নানা যুগৰ মাজেদি এই গীতসমূহ মুখ-পৰম্পৰা হিচাপে বাগৰি আহি নতুন নতুন ব্যক্তিৰ অন্তৰৰ পাতল অনুভূতিৰ পৰশ লাগি যুগে যুগে একো একোটা নতুন ৰূপ লৈ স্বাভাৱিক অৱস্থালৈ আহিছে। এষাৰ কথা আছে—'লিখিত ভাষাতকৈ স্বতঃস্ফূৰ্ত লোকমুখৰ ভাষা অধিক হৃদয়গ্ৰাহী। ই কেৱল সৰল আৰু চিত্ৰধৰ্মী শব্দৰ প্ৰয়োগ হেতুৱেই নহয়, উচ্চাৰণ আৰু কথনভংগিমাই ইয়াক সংগীতৰ দৰে সুললিত কৰে।'

বিভিন্ন জাতিৰ মাজত প্ৰচলিত লোক-উৎসৱৰ লগত লোকগীতৰ সম্পৰ্ক ওতপ্ৰোতভাৱে

জড়িত হৈ আছে। লোক-উৎসৱসমূহক উপলক্ষ্য কৰিয়ে বিভিন্ন ধৰণৰ গীত-মাতৰ সৃষ্টি হৈছে। আমাৰ জাতীয় জীৱনৰ জাতীয় সংস্কৃতিৰ আটাইখিনি সম্পদ ইয়াৰ সৈতে অন্তৰ্নিহিত হৈ আছে। কাৰণ ইয়াৰ যোগেদি আমি আমাৰ দেশাত্মবোধ, অতীত ঐতিহ্য আৰু দেশহিতৈষীৰ ভাবসমূহ বিচাৰি পাওঁ।

উত্তৰ-পূব ভাৰতৰ জনজাতিসকলৰ ভিতৰত সোনোৱাল কছাৰীসকল এটি অন্যতম জনগোষ্ঠী। অন্যান্য জনগোষ্ঠীৰ দৰেই সোনোৱাল কছাৰীসকলো নিজস্ব কলা-সংস্কৃতিৰে সমৃদ্ধ এটি ঐতিহ্যপূৰ্ণ জাতি। কিন্তু উপযুক্ত সংৰক্ষণ আৰু সংবৰ্ধনৰ অভাৱত এটা জাতিৰ কৃষ্টি-সংস্কৃতিৰ বহু অতীত সম্পদ হেৰাই যোৱাৰ উপক্ৰম হৈছে আৰু থকাবিলাকৰো বহুলভাৱে চৰ্চা হোৱা নাই। এই কথা সত্য যে কোনো জাতি বা জনজাতিৰ সমাজ-সংস্কৃতি চৰ্চা নহ'লে সেই জাতি বা জনজাতিৰ সামাজিক সাংস্কৃতিক জীৱনৰ আভ্যন্তৰীণ সমস্যাসমূহৰ বিষয়ে সহজে বুজিব নোৱাৰি। আনহাতে যি জাতি নিজৰ অতীতৰ বিষয়ে অজ্ঞাত, সেই জাতিৰ উন্নতি কেৱল যে সুদূৰপৰাহতেই নহয়, সেই জাতিৰ বৰ্তমান স্থিতিও সন্দেহাত্মক হৈ পৰে।

অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, লক্ষীমপুৰ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত সিঁচৰতি হৈ বসবাস কৰা সোনোৱাল কছাৰীসকলৰ লোকগীত হৈছে হয়দাং। এই গীত আৰু নৃত্যৰ বাহিৰেও তেওঁলোকৰ মাজত প্ৰচলিত হুঁচৰি, বৰুৱা নাচ, ফুঁচৰি গীত আদি সুৰ্কীয়াকৈ আছে। অন্যান্য কছাৰীসকলৰ দৰেই সোনোৱালসকল মূলতঃ শাক্তধৰ্মী। তেওঁলোকৰ প্ৰধান উপাস্যদেৱতা বাইথ' বা খিৰিং ৰজা অথবা শিৱ। ইয়াৰ উপৰি তেওঁলোকে কেঁচাইখাতী, বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী দেৱীক পূজা কৰে। তেওঁলোকৰ মাজত উল্লিখিত দেৱ দেৱীৰ নামত শালো আছে। অৱশ্যে তেওঁলোক মূলতঃ শাক্তধৰ্মী হ'লেও সোতৰশ শতিকাৰ প্ৰথম দশকত তেওঁলোকৰ এচাম লোকে আউনীআটীয়া সত্ৰাধিকাৰৰ ওচৰত শৰণ লয়। আৰু এনেকৈয়ে বহুতো সোনোৱাল কছাৰী লোকে আউনীআটীয়া সত্ৰৰ সত্ৰাধিকাৰৰ শিষ্যত্ব গ্ৰহণ কৰি নৱবৈষ্ণৱ ধৰ্ম বহুলভাৱে প্ৰচাৰ হোৱাত সহায় কৰি আহিছে।

হয়দাং গীত সোনোৱাল কছাৰীসকলৰ লোকগীত। এই গীতৰ ৰচনাৰ সময় জনা নাযায়। মূলতঃ এই গীতক ধৰ্মীয় অনুষ্ঠানিক গীত অথবা দেৱস্তুতিমূলক গীত বুলিও ক'ব পাৰি। এই গীতত জগত সৃষ্টিৰ ৰহস্য উদঘাটন আৰু মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ উমান পোৱা যায়।

অতীত ইতিহাসত আদিম মানৱৰ যাযাবৰী জীৱনৰ কথা পোৱা যায়। তেওঁলোকৰ হৃদয়চিত্ত তেতিয়া অজ্ঞান অন্ধকাৰৰ মাজত ছাঁয়াই থকাৰ তাড়নাত ভাৰাক্ৰান্ত। কিন্তু সময়ৰ বিৱৰ্তনৰ ফলত আদিম মানৱৰ মগজুত জ্ঞানোদয়ৰ প্ৰভাতী কিৰণে প্ৰকাশ লভে, আবিৰ্ভাৱ হয়। বোধশক্তিৰ আগমনৰ ফলত ৰূপে-ৰসে ভৰা পৃথিৱীৰ সৃষ্টিতত্ত্বৰ অনন্ত শক্তিৰ কথাও উপলব্ধি কৰিব পৰা হ'ল। গভীৰ ইন্দ্ৰজালৰ মাজত অন্তৰ্নিহিত হৈ থকা এই চৰম শক্তিটোৱেই পৰমপুৰুষ ভগৱান। গতিকে সৃষ্টি হ'ল সৃষ্টিৰ এক স্তুতিমূলক গীত। সোনোৱাল কছাৰী সমাজতো এই গীতে স্তুতিমূলক গীতৰ ৰূপত বৰ্তি ৰ'ল আৰু এই গীতেই হ'ল সোনোৱাল কছাৰীসকলৰ হয়দাং গীত। এই হয়দাং গীতৰ শাব্দিক ৰূপ এনেধৰণৰ : হা- মাটি বা পৃথিৱী, দাং- সৃষ্টি, দে- গীত। অৰ্থাৎ বিশ্ব সৃষ্টিৰ স্তুতিমূলক গীত।

এই হয়দাং গীত ব'হাগ বা ৰঙালী বিহুৰ চৈধ্য দিন আগেয়ে বাইথ' পূজাৰ সময়ত বাইথ' মন্দিৰত বয়সস্থ লোকসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়। মূলতঃ এই গীত আৰু নৃত্য বাইথ' বা খিৰিং ৰজা অথবা শিৱক উদ্দেশ্য কৰি বাইথ' পূজা নামকৰণেৰে কৰা হয়। বাইথ' পূজা সোনোৱাল কছাৰীসকলৰ প্ৰধান পূজা। অসমৰ সোনোৱাল কছাৰী অধ্যুষিত অঞ্চলসমূহত এই পূজা পালন কৰে। তিনিচুকীয়া জিলাৰ ডাঙৰী অঞ্চলৰ বৰগাঁৱত অৱস্থিত বাইথ' মন্দিৰত অতি উলহ-মালহেৰে তিনিদিনীয়াকৈ এই পূজা পালন কৰা হয়। চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ দেওবাৰে ৰাতি দেও নমোৱা হয়, সোমবাৰে বলি-বিধানৰ দ্বাৰা পূজাপাঠ কৰা হয় আৰু মঙলবাৰে পুৱা হয়দাং গীত গাই মন্দিৰত পূজা শেষ কৰা হয়। আমাৰ অসমীয়াৰ জাতীয় জীৱনৰ বাপতি-সাহোন ৰঙালী বিহুটিত যেনেকৈ সকলোৰে থৰকাছুটি নোহোৱা হয়, ঠিক তেনেকৈ বাইথ' মন্দিৰৰ চৌকাষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয় আৰু সোনোৱাল ৰাইজৰ দেহ-মন পুলকিত হয়। সোনোৱাল কছাৰীসকলৰ বাহিৰেও উজনি অসমৰ বিভিন্ন ঠাইৰ আবাল-বৃদ্ধ-বনিতাই গোটেই ঠাইখন লোকাৰণ্য কৰি তোলে।

এই হয়দাং গীতত মূলতঃ এটি কাহিনী জড়িত হৈ আছে। ড° মহেশ্বৰ নেওগদেৱে এই সম্পৰ্কত কৈছে— 'ইয়াৰ শাহত এটি কাহিনী সোমাই থকা যেন লাগে। সৰু সৰু ৰজা লগত লৈ নৰে ৰজাই নাও-বঠাৰে ৰণৰ সাজেৰে গৈ ৰূপী-কুৰূপী দুই ভনীৰ ঘৰত ভাৰ শোধাইছে আৰু ৰূপীক বিয়া কৰাই ঘৰলৈ আনিছে। ৰূপীক চিনাকি কৰি দিয়া হৈছে—'শংকৰৰ জীয়াৰী মাধৱৰ বোৱাৰী।'

উৎসৱমুখৰ পৰিৱেশত যেতিয়া হয়দাং গীত গোৱা হয়, তেতিয়া গীতৰ ছেৱে ছেৱে, বাঁহীৰ সুৰে সুৰে, খুটিতাল আৰু বাঁহৰ টকাৰ তালে তালে জেমা টঙালি আদিৰে সাজ-সজ্জা কৰি হাতত ম'ৰা চৰাইৰ পাখি লৈ এগৰাকী নৰ্তকীয়ে চালি ধৰি নাচে। আমাৰ অসমৰ উজনিৰ ডাঙৰীৰ বৰপথাৰত সোনোৱাল কছাৰীসকলে পতা বাইথ' পূজা চাবলৈ আহি হয়দাং গীত আৰু নৃত্যৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এটি বলিষ্ঠ অভিমত প্ৰকাশ কৰি গৈছে—'আজিৰ সোনোৱাল কছাৰীসকলে সমূহীয়াভাৱে বাইথ' পূজা আটোম-টোকাৰিকৈ পাতোতে বুঢ়াসকলে হাতত ম'ৰাপাখি লৈ চালি ধৰি নাচে, কোনোবা চামৰ বাঁহীৰ সুৰে সুৰে, কোনোবা চামৰ খুটিতালৰ তালে তালে উখল-মাখল খদমদম্ লগাই গাঁওখন ৰজনজনাই জাউৰিয়ে জাউৰিয়ে হেজাৰ-বিজাৰ সেৱক-দৰ্শকসকলৰ সন্মুখত ভকতিভৰা চকুৰে উপভোগ কৰে। সোনোৱাল ডেকা-গাভৰুৱে সেই পুৰণিকলীয়া ৰূপে আৰু চুপেৰ বিয়াৰ উপলক্ষে হয়দাং গীতৰ সুৰে সুৰে, বাঁহীৰ ছেৱে ছেৱে, তালৰ তালে তালে বিবিধ ভংগিমাৰে, ৰং-উলাহেৰে নাচোন-কাচোনত আপোন পাহৰা হয়। সন্ধিয়াৰ পাছত চোতালত বোকা-পানী খেলাৰ পাছত গাভৰুসকলে পানী-বোকাৰে গাত লিপিত খাই থকা তিতা ৰিহা-মেখেলাৰে ঘৰৰ ভিতৰ সোমাই দুৱাৰত দাং দিয়ে। ডেকাসকলে দুৱাৰ খুলিবলৈ কতৰকমে যে চেষ্টা কৰে! ভিতৰৰ পৰা দগ্‌বগীয়া গাভৰুহঁতৰ শকতিৰ ওচৰত হাৰ মানি দুৱাৰ খুলিব নোৱাৰি চোতাললৈ আহি বোকা-পানী ফেনেকি ফেনেকি বিহুনাম জুৰি ঢোলৰ ছেৱে ছেৱে, তালৰ তালে তালে, ৰং-উলাহত নাচি-বাগি গাভৰুসকলক মিনতি জনায় সেই নাচোনত যোগ দিবলৈ। শেষত মৰম-চেনেহ পিৰীতিৰে দুৱাৰ খুলি বাজলৈ

ওলাই সেই নাচোনত যোগ দিয়ে সুৰীয়া মাতেৰে বিষ্ণনাম জুৰি। এইদৰে কিছু সময় উকলি যোৱাৰ পাছত সিহঁতে কাতৰ মিনতিৰে বৰদৈচিলাক মাতে, গোটেই গাঁৱৰ পূজাৰথলী চতুৰ্থী সুৰে ৰজনজনাই উঠে গগন বিদাৰি। সোনোৱাল কছাৰীসকলৰ বিশ্বাস, এই কাতৰ মিনতি শুনাৰ পাছত হিল্লোল কোবাই বৰদৈচিলা আহে হেনো।'

বাইথ' মন্দিৰত তৃতীয় দিনা অৰ্থাৎ মঙলবাৰে পূজা পাতল আৰু বলি-বিধানৰ পাছত পুৱাৰ ভাগত হয়দাং গীত গোৱা হয়। নাৰায়ণ, অগ্নিদেৱতাক স্মৰণ কৰি সৃষ্টিৰ চাৰি শ্ৰেণী প্ৰাণী বা জীৱ, আকাশ, জল, স্থল, বায়ু, খিৰিং ৰজা আদি দেৱতাৰ বৰ্ণনা দিয়াৰ লগতে এই গীতত সোনোৱাল কছাৰীসকলৰ সাতখেল আৰু চৈধ্যবংশৰ বৰ্ণনা দিয়া হয়। তদুপৰি তেওঁলোকৰ সৈতে বসবাস কৰি কছাৰী হোৱা মিৰি-মিচিংকেইঘৰৰ বৰ্ণনাও দি বিভিন্ন পশু-পক্ষী আৰু কালিকাৰ নাম উল্লেখ কৰি পুৰণিকলীয়া সেই ৰূপে-চুপেৰ বিয়াৰ বৰ্ণনা দিয়া হয়।

হয়দাং গীতসমূহ গভীৰ আধ্যাত্মিক ভাবেৰে ভাৱাক্ৰান্ত। কাৰণ আদিম মানৱে বিশ্ব সৃষ্টিৰ এই অপূৰ্ব সৌন্দৰ্য বা শ্ৰীবৃদ্ধি দেখি বিস্ময়াবিভূত হৈছিল। সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ গভীৰ আধ্যাত্মিক ভাবত আত্মনিয়োগ কৰিছিল। হয়দাং গীতৰ প্ৰথম অধ্যায়ত তেনে ভাব পৰিলক্ষিত হয়।

হা ইয়হ নমো নাৰায়ণ
হা ইয়হ পৃথিৱী হেনো সৃজইছে,
হা ইয়হ আকাশ হেনো সৃজইছে,
হা ইয়হ প্ৰকাশ হেনো সৃজইছে'

আৰম্ভণিৰ 'হা ইয়হ'ৰ শাব্দিক ৰূপ হা-মাটি, ইয়হ — আচৰিত পৃথিৱীৰ এই বিনন্দীয়া ৰূপ-ৰস দেখি আদিম মানৱ আচৰিত হৈছিল। বিশ্ব সৃষ্টিৰ সকলোৰে মূলতে যে একমাত্ৰ ভগৱান বা নাৰায়ণ, সেই কাৰণে প্ৰথম প্ৰথম সৃষ্টিকৰ্তা ভগৱানক প্ৰণিপাত জনাইছে।

জগতত জীৱ সৃষ্টিৰ মূলতত্ত্বৰ কথা তলৰ গীতটোৰ পৰাই বুজিব পাৰি। এই গীতৰ মূলতত্ত্ব দৰ্শনৰ গভীৰ ভাবেৰে ভাৱাক্ৰান্ত।

ইয়হ কেৰক কেৰক হেনো কেৰইছে,
হা ইয়হ বাঁহক বাঁহক হেনো মাৰইছে,
হা ইয়হ এডাল দুডাল হেনো কৰইছে,
হা ইয়হ এটা দুটা হেনো পাৰইছে
হা ইয়হ ৰোম্বা ৰোমাবা হেনো ৰোম্বইছে।

কণীক প্ৰজননৰ প্ৰতীক বুলি ধৰা হয়। পক্ষী জাতিয়ে কণী পাৰি উমনি লৈ পোৱালি জগায়। উমনি লৈ কণীৰ পৰা পোৱালি জগোৱাটো এটা ৰহস্য। এই বিশাল বিশ্বত বিন্দুৰ পৰা সিন্ধুৰ সৃষ্টি হোৱাৰ দৰে নিতৌ শব্দব্ৰহ্ম সৃষ্টি হৈছে। এই শব্দব্ৰহ্মৰ পৰাই পৃথিৱীৰ ৯বিধ শক্তিৰ সৃষ্টি। এই শক্তিসমূহ হ'ল মানুহৰ লগত থকা ষড়ৰিপু আৰু অলৌকিক ৰূপত থকা সত্ত্বঃ, ৰজঃ, তমঃ অৰ্থাৎ ব্ৰহ্মা, বিষ্ণু, মহেশ। তেনেদৰে প্ৰকৃতি-জগতৰ বাঁহ গছবিলাক বতাহত হালি-জালি ইডালিয়ে-সিডালিয়ে ঘঁহনা-ঘঁহনি খাই কিছুমান শব্দৰ সৃষ্টি কৰে। বাঁহক সভ্যতাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। কাৰণ এই বাঁহৰ পৰাই যি শব্দৰ সৃষ্টি হয়, সেই শব্দক অনুসৰণ কৰিয়েই

অনুসন্ধিৎসু মানৱে বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ সাজি উলিয়াইছে।

হা ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ
হা ইয়হ দেৱৰ ডাঙৰ কোন ডাঙৰ
হা ইয়হ দেৱৰ ডাঙৰ খিৰিং ৰজা জে।
হা ইয়হ দেৱীৰ ডাঙৰ কোন ডাঙৰ
হা ইয়হ দেৱীৰ ডাঙৰ ভুৰুলী হাবুকী জে।।

এই গীতত দেৱ-দেৱীৰ ভিতৰত খিৰিং ৰজা আৰু ভুৰুলী হাবুকীক (বৰদৈচিলা) সৰ্বশ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিছে।

কৃষিৰ সৰ্বমংগল কামনা কৰি সোনোৱাল কছাৰীসকলৰ মাজত লখিমী আদৰাৰ নিয়মো আছে। গীতত এই কথা উল্লেখ কৰি লখিমী আদৰা হয়। বিভিন্ন দেৱ-দেৱীক প্ৰাৰ্থনা কৰি গোৱা এই গীতত কিবা ভুল-ত্ৰুটিৰ বাবে শেষত ক্ষমা-প্ৰাৰ্থনা জনোৱা হয়।

এ হেই সকলো দায় দোষ ক্ষেমিবা ঐ দেউতা
এ হেই নোগোৱা গাইছোং নকৰা কৰিছোং
এ হেই আমি আতং বালক ঐ দেউতা।

ভাষাক বোঁৱতী সুঁতিৰ লগত তুলনা কৰা হয়। হয়দাং গীতৰ ভাষা আলোচনা কৰিলে ইয়াত ব্যৱহাৰ হোৱা বেছিভাগ শব্দৰ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা ধ্বনিৰ কিছু সলনি ঘটি থলুৱা ভাষাৰ সংমিশ্ৰণত সুকীয়া ৰূপ লৈছে বুলি ক'ব পাৰি। ইয়াত ব্যৱহাৰ হোৱা অনেক শব্দ আৰু ধ্বনি সংস্কৃতৰ মূলৰ পৰা অশুদ্ধ বা ভুল হ'লেও সেই প্ৰয়োগবোৰ সেই সময়ৰ কথিত ভাষাৰ যে প্ৰভাৱ, তাত সন্দেহ কৰিবলগীয়া নাই। ড° মহেশ্বৰ নেওগে হয়দাং গীতৰ ভাষাৰ ওপৰত মন্তব্য কৰিছে—কছাৰীসকলৰ মাজত প্ৰচলিত নানা গীতৰ মাজত হয়দাং গীত বিশেষ মূল্যৱান সম্পত্তি। ইয়াৰ ভাষা মিহলি আৰু অনিয়মিত অসমীয়া বুলি ক'ব পাৰি। পৰিৱেশ আৰু পৰিস্থিতিৰ ফলতহে ভাষাৰ ক্ৰমবিকাশ হয়। আমাৰ অঞ্চলবিশেষে বিভিন্ন ভাষা-সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্ৰচলিত। গতিকে হয়দাং গীততো থলুৱা এটি কথ্যভাষাই ৰূপ লৈছে বুলি ক'ব পাৰি।

সেইহেতুকে প্ৰকৃতপক্ষে যোজনা, সাঁথৰ আৰু সাধুকথাৰ দৰেই এই হয়দাং গীতসমূহো বৰ্তি আছে মৌখিক ঐতিহ্যৰ ওপৰত। এই গীতবোৰ সঁচাকৈ চাবলৈ গ'লে অকণি অকণি বাখৰৰ দৰে। হেৰাই যোৱা এটা জাতিৰ সংস্কৃতিৰ উন্নতিৰ কাৰণে হয়দাং গীত আৰু এই গীতৰ দৰে অসমৰ যিবিলাক লোক-উৎসৱ আৰু লোকগীত আছে, সেইবিলাক বৈজ্ঞানিক ভিত্তিত আলোচনা হ'ব লাগে। সেইবিলাকৰ অতীত-ঐতিহ্য চৰ্চা কৰিবলৈ অসমত চৰ্চাৰ থলী তৈয়াৰ কৰিব লাগে। এনেধৰণৰ বিষয়সমূহ মুকলিমূৰীয়াকৈ অধ্যয়ন আৰু গৱেষণা কৰিবলৈ অসমত এটি সুকীয়া অনুষ্ঠান গঢ়িব পাৰিলে অসমীয়া কৃষ্টি-সংস্কৃতিৰ লগতে থলুৱা কৃষ্টি-সংস্কৃতিৰ বহুতো উন্নতি হ'ব। লগে লগে বিভিন্ন জাতিৰ মাজত থকা সম্প্ৰীতিৰ বান্ধোনো কটকটীয়া হ'ব।



কাৰবি লোক-জীৱন আৰু প্ৰেম-প্ৰণয়ৰ গীত-মাত

অৰুণ টেৰণ

প্ৰতিখন সমাজৰ সামাজিক জীৱন একোটা থকাৰ দৰেই সেই সেই সমাজৰ সাংস্কৃতিক দিশ একোটাও থাকে। এই সাংস্কৃতিক দিশটোৰ লগত জড়িত হৈ থাকে আমাৰ প্ৰত্যেকৰে জীৱন, কৰ্ম আৰু ধৰ্ম। পুৰুষ আৰু নাৰীৰ যৌথ প্ৰচেষ্টাতেই ক্ৰমে ঘৰ একোখন, সমাজ একোখনে প্ৰসাৰতা লভে। প্ৰত্যেকখন সমাজৰ জীৱন, নৃত্য গীত, ৰং-ৰহইচেৰে ভৰপূৰ। কাৰ্বি সমাজ-জীৱনো এনে অলেখ গীত-মাতেৰে ভৰা। কাৰবিৰ লোক-জীৱন বৈচিত্ৰ্যময়। পাহাৰৰ নিজান ঝুমভূমিত কাৰ্বি ডেকা-গাভৰুৰ মন পোৱা-নোপোৱাৰ বেদনাৰে আক্ৰান্ত হয়। কুলু কুলুকৈ বৈ যোৱা সৰু সৰু জুৰিবোৰ যেন সুখৰ-দুখৰ লগৰী হৈ সুললিত গীত একোটা হয়। এই ঝুমভূমিৰ নিৰ্জনতাতেই প্ৰাণ পাই উঠে অনেক গীত-মাতে। নিৰ্জন পাহাৰৰ ঝুমভূমি মুখৰ হোৱাই নহয়, পাহাৰীয়া নৈ-জান-জুৰিয়েও যেন সাৰ পাই উঠে এনেবোৰ গীত-মাতত।

কাৰবি লোকগীতবোৰ সাধাৰণতে প্ৰণয়কেন্দ্ৰিক। এই লোকগীতবোৰৰ মূল উৎস হৈছে প্ৰণয়। অনিন্দ্যসুন্দৰ এই প্ৰণয় গীতবোৰৰ ৰচকৰ নাম কোনো বিচাৰি পোৱা নাযায়। কাৰ্বি সমাজত এই গীতবোৰ সৃষ্টিৰ পাতনিৰে পৰা প্ৰচলিত হৈ আহিছে আৰু এই গীতবোৰ অনাখৰি চহা কাৰ্বি যুৱক-যুৱতীৰ দ্বাৰাই ৰচিত আৰু তেনেকৈয়েই পৰিৱেশিত হৈ আহিছে। সম্মোহন, মিলন, বিষাদ, বিৰহ-বেদনা এই লোকগীতবোৰত বিদ্যমান। এই গীতবোৰ পশ্চিমীয়া আদৱ-কায়দাত ডাঙৰ-দীঘল হোৱা আধুনিক ডেকা-গাভৰুৰ মুখত নুশুনিলেও গ্ৰামাঞ্চলৰ ডেকা-গাভৰুৰ মুখত এতিয়াও প্ৰচলিত হৈ আছে।

সমাজপ্ৰিয় মানৱ জাতিৰ মাজত প্ৰেম-প্ৰীতি জগাটো স্বাভাৱিক কথা। ডেকা-গাভৰুৰ মনত মিলনৰ বাসনা জাগি উঠাৰ ফলতেই তেনে গীতৰ উদ্ভৱ হোৱা বুলি ক'ব পাৰি। এই গীতবোৰ অসমীয়া বিহুগীতৰ দৰে যৌৱনৰ গীত।

'প্ৰেমত পগলা প্ৰেম ডেকা ল'ৰা
ভকতিত পগলা সাধু;
তোমাক নেদেখি থাকিব নোৱাৰো
ৰাতি সমাজিকত দেখো।'

একেটা অৰ্থই কাৰবি গীতত প্ৰকাশ পায়—

'জ' পাৰ্নি কিৰি নে
জাদি কেৰ' লংলামথে
মেকছ'লে জাংলত তা নে
মাংমুন থেকলং লংৰাজে।'

এনেধৰণৰ 'যৌৱনৰ গীত' কাৰবি সমাজত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে যদিও এই লেখীয়া গীতবোৰক 'অশ্লীল' বুলি কাৰবি সমাজত প্ৰচলনত বাধা আৰোপ কৰা হৈছিল। অথচ এই প্ৰণয় গীতৰ প্ৰতিটো ছন্দতে গঁথা আছে, কতজনৰ আশা-আকাংক্ষা, মিলন আৰু বিচ্ছেদৰ ছবি। নিজস্ব মনৰ আপোনজনক কেন্দ্ৰ কৰি এই গীতৰ মাজেদি তেওঁলোকে গোটেই বিশ্বক আঁকোৱালি লোৱাৰ প্ৰতিশ্ৰুতিৰে কিমান মৰ্মস্পৰ্শীকৈ প্ৰণয় গীতৰ মাজেৰে তেওঁলোকে নিজৰ অন্তৰৰ কথা প্ৰকাশ কৰে! অনাখৰি এই চহা যুৱক-যুৱতীসকলে নিজৰ অন্তৰৰ বেদনাৰ কথা সেই তেতিয়াৰে পৰা এই প্ৰণয় গীতৰ মাধ্যমেৰে প্ৰকাশৰ চেষ্টা কৰি আহিছে। এই গীতবোৰৰ মাজতে লুকাই আছে সংগোপনে কতজনৰ নোপোৱাৰ বেদনা আৰু পাই হেৰুওৱাৰ বেদনা!

এই লোকগীতসমূহত কৰুণ ৰসো সততে বিচাৰি পোৱা যায়—

'ছামি বাবিন নে পেন নাং
ৰাণাম এৱান কে এৱান
এৱান টা ল'তি এবেং আন।'

'হে প্ৰিয়া, আমাক প্ৰেমৰ সম্বন্ধ আনি দিলে যদিও সেয়া সম্পূৰ্ণ নহওঁতেই আদবাটতেই থমকি ৰ'ল। তাৰ ফলত মই তোমাক মোৰ জীৱনৰ সংগিনী কৰি ল'ব নোৱাৰিলো' বুলি প্ৰেমিকাক উদ্দেশ্য কৰি প্ৰেমিকে গায়।

কোনোবা পাহাৰীয়া জুৰিত গা ধুই থাকোতে হঠাৎ গাভৰু ছোৱালীৰ নিমজ কলাফুল দেখি কোনোবা ডেকা ল'ৰাই ছোৱালীজনীয়ে শুনাকৈ গায়—

'কেং ছাৰতি নুবই
কাংৰই মা কাংৰই
লংকইছ' অহুৰই।'

'ঠিক কুড়ি মাছৰ লেখীয়া তোমাৰ ধুনীয়া কলাফুল দেখি মোৰ ভাল লাগিছে। জুৰিৰ পাৰত পৰি থকা সৰু সৰু শিলগুটিবোৰে প্ৰমাণ দিয়ে, তোমাৰ যত্নতহে ইমান ধুনীয়া হৈ পৰিছে।'

জুৰিটিৰ পাৰত এছটা সৰু শিলৰ ওপৰত প্ৰেমিকাই কাপোৰ ধুই থকা দৃশ্য দেখি শিলছটাত প্ৰেয়সীৰ মধুৰ সুবাস লাগি থকা অনুভৱ কৰি প্ৰেমিকে গায়—

'লংছ'কছ দেংলিম

ছামিমেত ডালিম
জিপু চক আদিম
ডালিম নাং ইংক্ৰিন
বিৰ উন এ ক্ৰানজিন।'

(জুৰিৰ পাৰত সেই সৰু শিলছটাৰ ওপৰত তুমি কাপোৰ ধুইছিলা, য'ত মৌ-মাখিয়ে উৰি ফুৰে আপোন মনে। এতিয়াও সেই সৰু শিলছটাৰ পৰা তোমাৰ মসৃণ দেহৰ সুগন্ধ মোৰ নাকত উৰি আহি লাগিছে।)

কপৌ চৰায়ে যেতিয়া বৰ করুণ সুৰেৰে ৰমলিয়াই উঠে, তেতিয়া বহুদিন ধৰি প্ৰেমিকক দেখা নোপোৱাৰ ফলত প্ৰেমিকাৰ মনত বিষাদৰ ঢৌ উঠে। সেয়েহে গীতত পাওঁ—

"মাহিন ফ' ৰাজাং
ছিমলাৰ থুংলাংবাং
নাংজু কাতেৰাম
নে জু পাতাৰ নাংফান
ছামি বং আফান
তংছ'ৰুণ একিৱান
মাতি থুং লাংবাং?"

(কপৌজনীয়ে অপইতা বাঁহৰ আগত বহি বৰ করুণ ভাৱে কিনাইছে। হেৰা কপৌজনী, তুমি মোৰ প্ৰেয়সীৰ কিবা দুঃসংবাদ পাইছা নেকি?)

প্ৰেম যিমানেই গভীৰ নহওক, প্ৰেমত শংকা, সন্দেহ আৰু ভয় থাকিবই; কিছুমানে প্ৰেম কৰে কামনাৰ চৰিতাৰ্থ কৰিবলৈ। সেয়েহে পৃথিৱী ধ্বংস নহয় মানে প্ৰেম অটুট হৈ ৰ'বৰ বাবে প্ৰতিশ্ৰুতিৰ প্ৰয়োজন হৈ উঠে।

'ছামি নাংপেন নে
ৰুৰেতিক পিথে
ছেং চি অ' নাংনে
ক ৰেতিক পিথে
পুকে পু উন এ
দ'তিক এচিথে
ছেং চে অ নাংনে।'

(—হে প্ৰিয়া, আমাৰ প্ৰেম পৃথিৱী ধ্বংস নহয় মানে অটুট হৈ ৰওক। তাৰ বাবে আহা আমি চেষ্টা কৰো, কিন্তু পৃথিৱীৰ জানো ধ্বংস আছে?)

নাৰীৰ অন্তৰ কোমল। সেয়া বস্তুতেই কয়। সেয়া কেতিয়াবা হয়তো কোনোবাই কাৰোবাৰ প্ৰৰোচনাত নিজৰ মনৰ মানুহজনকো পাহৰি যাবলৈ খোজে। সেয়েহে প্ৰেমিকে প্ৰেমিকাৰ মন ঘূৰাই অনাৰ চেষ্টা কৰি গীত জোৰে—

'ছামি মেত মানদুং

আৰে নাং চুৰুং
ছি ছেং নে অ' জুন জুন
অ চাৰ'থান মানদুং
নাং চুৰুং পাৰ' ৰুং
ছি বনতি মানকুং।'

(হে প্ৰিয়া, তুমি আনৰ প্ৰৰোচনাত ভোল গৈছা। স্মৃতিবোৰ মনৰ পৰা জোৰ কৰি মচি পেলাবলৈ বিচাৰিছা। কিন্তু চোৱা প্ৰিয়া, তোমাৰ ভবাৰ থল আছে। নহ'লে এদিন তুমি অনুতাপত দগ্ধ হৈ মৰিবা। ভাবি চোৱা মই তোমাৰ অনুপযুক্ত নেকি?)

কোনোবা পাহাৰৰ অনামী নিজৰা দেখি কল্পনাপ্ৰৱণ বহুতেই কল্পনা কৰে নিজৰাক লৈ। ঠিক সেইদৰে কাৰবি প্ৰণয় গীতটো ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাই। এই বিষয়ে গীতত পাওঁ—

"লিৰ্দন বং ছামি
ছামফ্ৰী জ' পাৰ্নি
কাৰলু ছেংৰি
লিৰ্দন আমেকৃ
পালাংছ' লিকৃ।"

'ব্যৰ্থ প্ৰেমিক-প্ৰেমিকাৰ চকুৰ পানীয়ে নিজৰাৰূপে আজিও অবিৰাম গতিত ব'ব লাগিছে। কিয়নো যুগ-যুগান্তৰৰ পৰা বহুতো প্ৰেমিক-প্ৰেমিকাই বিলাপ কৰিব লাগিছে—যাৰ পৰিণতিত আজি পাহাৰী নিজৰাৰ সৃষ্টি হৈছে।'

কাব্যিক গুণেৰে পৰিপুষ্ট এই প্ৰণয় গীতবোৰৰ মূল্যাংকন কাৰবি সাহিত্য-সংস্কৃতিত এতিয়াও কৰা হোৱা নাই। অথচ এই গীতসমূহৰ মাজতে লুকাই আছে কাৰবিসকলৰ অলিখিত ইতিহাস। এই গীতবোৰ ভালকৈ ফঁহিয়াই চালেই কাৰবিসকলৰ সমাজ-সংস্কৃতি ইত্যাদি বহুতো কথাই আমাৰ চকুত পৰিষ্কাৰ হৈ পৰিব।

অতীজতে এই প্ৰণয় গীতবোৰ কাৰবি সমাজত পৰিৱেশন কৰাত বাধা আৰোপ কৰাৰ লগতে নিষেধাজ্ঞাও জাৰি কৰা হৈছিল। কিন্তু এই গীতসমূহ কাৰবি সমাজত পৰিৱেশন কৰাত কোনো বাধ্যবাধকতা নাই যদিও ইয়াৰ প্ৰচলন ক্ৰমাৎ কমি আহিছে। ইয়াৰ প্ৰচলন বৰ্তমান নাইয়েই বুলি ক'লেও বঢ়াই কোৱা নহ'ব। অৱশ্যে অলপ-অচৰপ যিখিনি বৰ্তমানে প্ৰচলিত হৈ আছে, সেই গীতবোৰত অন্যান্য গীতৰ প্ৰভাৱ পৰাটো পৰিলক্ষিত হৈছে। ইয়াৰ ছন্দ, আকাৰ, ব্যৱহাৰ আদিতো নতুন নতুন শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। তাহানিতে প্ৰচলিত সৰহসংখ্যক প্ৰণয় গীতৰ মাজত একোটাহে নেপথ্য কাহিনী কিছুমান লুকাই আছে। এই কাহিনীক কেন্দ্ৰ কৰিয়েই তেনেকুৱা অজস্ৰ গীত ৰচিত হৈছে। তাৰ ভিতৰত এই গীতসমূহেই প্ৰধান। সেইবোৰ হ'ল—হানৰী আলুন, লাৰতা, কাছিং, ছাংলীন, দিদি, জিলি বৰএত আৰু ছেৰভিল্ল আলুন। এই গীতবোৰ ব্যৰ্থ প্ৰেমৰ পৰিণতিত সৃষ্টি হৈছে যদিও এই গীতবোৰৰো স্ৰষ্টাৰ নাম অন্যান্য লোকগীতৰ দৰেই জনা নাযায়।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে কাৰবি প্ৰণয় গীতসমূহতো অন্যান্য গীতৰ শব্দ, ছন্দৰ গাঁথনি ইত্যাদি প্ৰভাৱ পৰিছে।

'নেফান নে দ' দে আপাত
বেমাৰ কুলাজৰ লং লক,
ডাক্তৰ ছে ছেলাংলাংকক
ডাক্তৰ তা উন কন এ পুকক।'

অন্তৰৰ খং প্ৰকাশ কৰি প্ৰেমিকে প্ৰেমিকাক উদ্দেশি গায়   'মোলৈ নহাৰ বাবে তুমি ক'লাজ্বৰ বেমাৰত ভুগিছা। ডাক্তৰেও তোমাক ভাল কৰিব নোৱাৰো বুলি কৈছে।'

এই গীতত ব্যৱহৃত 'বেমাৰ', 'ক'লাজ্বৰ', 'ডাক্তৰ', এই শব্দবোৰ মন কৰিবলগীয়া। কিয়নো তাহানিতে প্ৰচলিত গীতসমূহত এই শব্দবোৰৰ ব্যৱহাৰ কোনো গীততে পোৱা নাযায়। এই নতুন শব্দৰ ব্যৱহাৰে এই কথাকেই সূচায় যে যুগৰ পৰিৱৰ্তনৰ লগতে অন্যান্য জাতি-উপজাতিৰ প্ৰভাৱৰ ফলতেই কাৰবি প্ৰণয় গীততো এটা পৰিৱৰ্তনৰ ইংগিত স্পষ্ট। কিয়নো ওপৰত উল্লেখ কৰা শব্দবোৰ কাৰবি প্ৰতিশব্দ নহয়।

কাৰবি মহিলাসকল অতীজৰে পৰা বিশেষকৈ বোৱা-কটাত যে পাকৈত আছিল সেই কথা এই গীতসমূহৰ দ্বাৰা জানিব পাৰি—

'ৰত আহেম তাংদুন ছাই কেমান
চেতুৰ কাংচৰ আথেৰাং
চিলিত এত হি-ঈ পংলাং...'

প্ৰথমবাৰৰ বাবে যেতিয়া উৰাজাহাজ আকাশেদি উৰি যোৱা দেখিছিল। সেই সময়ত তেওঁলোকৰ বাবে উৰাজাহাজ আদি নতুন বস্তু আছিল। সেই তেতিয়া এগৰাকী কাৰবি যুৱতীয়ে বৈ থকা কাপোৰ শেষ নহওঁতেই বহাৰ পৰা উঠি উৰাজাহাজ চাবলৈ দৌৰি গৈছিল।

কাৰবি প্ৰণয় গীতত ব্যৰ্থ প্ৰেমৰ পৰিণতিও সৃষ্টি হোৱা। কেইটিমান গীতৰ কিছু আভাস তলত দিয়া হ'ল—

হানৰী আলুন ঃ

'হানৰী আলুন' (হানৰী গীত) ব্যৰ্থ প্ৰেমক কেন্দ্ৰ কৰিয়ে সৃষ্টি হৈছে যদিও এই গীতত করুণ ৰস সকলো সময়তে বিচাৰি পোৱা নাযায় আৰু এইটোৱেই হানৰী আলুনৰ প্ৰধান বৈশিষ্ট্য। হানৰী আলুনত সুন্দৰী হানৰীজনীক প্ৰথম কেনেকৈ তেওঁৰ প্ৰেমিকে লগ পাইছিল তাৰ বৰ্ণনা এনেদৰে পাওঁ—

'নে লৃঞ্চেপ' ছেংলং
বজাৰ জামুলং
চজৰ দুন বিক্ৰন।
কৰপী হানৰী বং,
কাম এত এত কামৰং
নাং কিনাম বিক্ৰন
আৰিজাক মুনজং
কিজং পাংতাংদং:
লা নংলি বিক্ৰন

আদৰ কপুছ্ন ?
"পইছা পেন পাক্‌থমা"
"বাই আদৰ ছ'অং।"
"নামজিতে নাম নন
নামনে ছেৰাক নন
লতি হা আন জং
বাং ল'নাং ইংহংফ্রুং।'"

[জামুলং বজাৰত বিক্ৰন (পাণ) বেচি থাকোতে ৰূপহী হানৰীয়ে লাহি আঙুলিৰে পাণলৈ টোঁৱাই সুধিছিল, পাণবোৰৰ মূল্য কিমান ? মই (প্ৰেমিক) কৈছিলো চমুকৈ— পইচাত তিনিখিলা। তাই কৈ উঠিছিল, ইমান দাম ! মই ক'লো, কিন্তা যদি অলপ সোনকালে কৰা। সৌৱা তোমাৰ লগৰীয়াবোৰে তোমাৰ বাবে আদবাটতে অপেক্ষা কৰি ৰৈ আছে।]

এই গীতৰ মাজত কেইটামান অসমীয়া শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। 'বজাৰ', 'পইচা' আদি শব্দবোৰ কাৰবি শব্দ নহয়। ইয়াৰ পৰাই জানিব পাৰি যে অতীজৰে পৰা কাৰবিসকলৰ সমাজ, সংস্কৃতিৰ ওচৰে-পাঁজৰে থকা আন জাতিৰ সংস্কৃতি আৰু ভাষাৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণৰূপে মুক্ত আছিল। এইটোৱেই প্ৰমাণ কৰে যে কাৰবি লোকগীতত ক্ৰমান্বয়ে এটা পৰিৱৰ্তন আহিছে, যাৰ ফলত লোকগীতৰ নিচিনা গীততো অন্যান্য ভাষাৰ ব্যৱহাৰ উল্লেখযোগ্য।

কাছিং আলুন ঃ

'কাছিং আলুন'ত আমি এনেদৰে পাওঁ—

'ডেৰা পেন কপ্লি (কপিলি)
কাচিতক আবি।
কাছিং বং ছামি,
চু ছাং ফু ছি'থি।
লাং ইদু দুনী,
পন দেত আনিংনি।'

অৰ্থাৎ—ডেৰা আৰু কপিলী নদীৰ সংগমস্থলত কাছিঙে গা ধুইছিল। তাইৰ দীঘল মিহি ক'লা চুলি নৈৰ বুকুৰ ঢৌ গণি গণি বহু দূৰলৈকে হেৰাই গৈছিল নদীৰ সোঁতৰ মাজত। তাইৰ দেহাৰ মলিবোৰ নিৰ্মল পানীৰ সৈতে বহু দূৰলৈকে একেলগে মিলি যাব পৰা নাছিল।

'কাছিং আলুন'ত কাছিঙৰ ৰূপৰ বৰ্ণনা, কাৰবি-আংলঙৰ প্ৰাকৃতিক, ভৌগোলিক আৰু কাৰবি নাৰীৰ জীৱনৰ চানেকী বিচাৰি পোৱা যায়।

আকৌ—

"কাছিং বং ছামি
লাংহে কপ্লি (কপিলী)
লতা বং কাৰবি
ছক কাংফাই ৰি ৰি।'

অৰ্থাৎ—কপিলীৰ ঘাটত কাছিঙে হাতত কলহ লৈ পানী নিবলৈ নিতৌ আহিছিল। পানীৰ বুকুত উটি অহা ফেনবোৰ তাইৰ মসৃণ হাতখনেৰে গুচাই লৈ কলহটো ডুবাই দিছিল।

'কপ্লি আমিজি
কাংথু চিংদাতৰি
কাছিং বংছামি
পুচি ল আৰি
আকেংবত দামক্রি।'

অৰ্থাৎ—কপিলীৰ বালিবোৰ সোণোৱালী হৈ পৰিছে। তাৰ বুকুত সেয়া কাৰোবাৰ পদচিহ্ন বালিৰ বুকুত ক্ৰমান্বয়ে দূৰলৈ হেৰাই গৈছে। তাইৰ খোজবোৰ মোৰ (প্ৰেমিকৰ) চিনাকি, বোধহয় তাই আজি এইপিনে ক'ৰবালৈ গৈছে।

লাৰতা অলুন ঃ

'লাৰতা আলুন'ত এইদৰে পোৱা যায়—

'থেংতম ৰুং পাংতুই ৰংবাং
লাৰতা দংমেং ল'ইংহান
ক্ৰলিন আহুত চিনাম নাম
লে চ'মাংকান টা চ'মাংকান
চেৰাপ দুন জাংৰে ক্ৰনিহাং
ৰিজাক অং লাৰতা আফান
লাৰতী বংফুই ছেৰ আৰনাম।'

অৰ্থাৎ— জেৰাটো অলপ ওপৰলৈ দাঙা। লাৰতা বোকাত পৰিল। আজিৰ এই অমাবস্যা ৰাতিত হোৱা চ'মাংকানৰ দৰে আগতে পোৱা নাছিলো। বোকাত পৰা লাৰতাক ক্ৰনিহাঙে লাৰতাৰ কোমল হাতত ধৰিছিল। কিন্তু তাইৰ সোণৰ আঙঠিহে তাৰ হাতত থাকি গৈছিল।

এই প্ৰণয় গীতৰ কাহিনী হ'ল লাৰতা নামৰ এজনী ৰূপহী ছোৱালী। তাইৰ হৃদয়ত ঠাই দিছিল ক্ৰনিহাং নামৰ এজন ঘাটমাউৰা ডেকাক। কিন্তু ৰূপহী লাৰতাৰ মাকে বিচৰা নাছিল লাৰতা আৰু ক্ৰনিহাঙৰ মিলন হওক। সেয়েহে তাইৰ মাকে সিহঁতৰ মাজত বিচ্ছেদ ঘটাবৰ অভিপ্ৰায়েৰে চ'মাংকান (দহা বা শ্ৰাদ্ধ) লৈ দুয়োকে পঠিয়াই দিছিল। কিন্তু শেষত ক্ৰনিহাঙৰ ঠাইত লাৰতাহে তাইৰ মাকে পতা ফান্দত পৰিবলগীয়া হৈছিল।

এনেধৰণে কাৰবিসকলৰ মাজত বহুতো গীত-মাত সিঁচৰতি হৈ আছে। এই প্ৰণয় গীতবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰি গ'লে কাব্যজগতত এক উল্লেখযোগ্য অৱদান হ'ব নিশ্চয় আৰু লগতে কাৰবি জাতিৰ অলিখিত ইতিহাসো উদ্ধাৰ হ'ব। *

প্ৰবন্ধটি যুগুতাওঁতে ছামছিং হান্সেৰ 'কাৰবি প্ৰণয়ী গীত' কিতাপখনৰ সহায় লোৱা হৈছে—লেখক
'ৰজাক আহিৰ' (অসম সাহিত্য সভাৰ ডিফু অধিৱেশনৰ স্মৃতিগ্ৰন্থ)ৰ সৌজন্যত—সম্পাদক।

হাজংসকলৰ লোক-সংস্কৃতি

কানুৰাম হাজং

হাজংসকল স্বকীয় কলা-সংস্কৃতি আৰু ঐতিহ্যৰে অসমৰ জনজাতীয়সকলৰ মাজৰে এক অন্যতম জনগোষ্ঠী। বৰ্তমান অসমৰ গোৱালপাৰা আৰু ধুবুৰী জিলাৰ দক্ষিণপাৰৰ মানকাচৰ-শালমাৰা আৰু মেঘালয়ৰ অবিভক্ত গাৰোপাহাৰ জিলাৰ পশ্চিম আৰু দক্ষিণ অঞ্চলত তেওঁলোকে বসবাস কৰি আহিছে। এসময়ত তেওঁলোক এই অঞ্চলতে সীমিত হৈ আছিল যদিও পাছলৈ হাজংসকল অসমৰ বিভিন্ন অঞ্চলত কম-বেছি পৰিমাণে সিঁচৰতি হৈ পৰে।

হাজংসকলৰ মূল ঃ

মংগোলীয় প্ৰজাতিৰ বৃহত্তৰ তিব্বত-বৰ্মীয় জনগোষ্ঠী। তিব্বত-বৰ্মীয় জনগোষ্ঠীৰ আন আন ফৈদৰ দৰেই হাজংসকলৰো অতীতত অসমৰ উত্তৰ-পশ্চিম কোণৰ পথেদি ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমন ঘটিছিল। কথিত আছে যে হাজংসকল তিব্বতৰ পৰা প্ৰব্ৰজন কৰি আহি উত্তৰবংগৰ কোচবিহাৰৰ উত্তৰৰ ভূটান সীমান্তৰ 'হাজং' নামৰ অঞ্চলত কেইবাশতিকাজুৰি বসবাস কৰি আছিল। পাছলৈ এওঁলোক ক্ৰমান্বয়ে গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমন কৰি দক্ষিণপাৰলৈ আহে আৰু মেচপাৰাৰ লক্ষীপুৰৰ ওচৰৰ শুৱাৰকোণাৰ পৰা দক্ষিণলৈ ধুবুৰী জিলাৰ মানকাচৰ-শালমাৰা মহকুমা, মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাৰ পাৰ্বত্য সমভূমি আৰু বাংলাদেশৰ ময়মনসিংহ জিলাৰ উত্তৰৰ সীমান্ত শৈলপদীয় অঞ্চলত বিয়পি পৰে। আনহাতে পূবলৈ খাচি পাহাৰৰ নামনি অঞ্চলকে ধৰি শ্ৰীহট্ট জিলালৈ বিস্তৃত হয়। পুৰণি অসমৰ এটা নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখাৰ মাজত হাজংসকল বহু শতিকা ধৰি বসবাস কৰি থকাৰ কথা উল্লেখ পোৱা যায়। ঊনৈশ শতিকাৰ শেষভাগলৈকে হাজংসকল উক্ত অঞ্চলৰ ভিতৰতে থিতাপি লৈ আছিল। হাজংসকল বৰ্তমান অসমৰ গোৱালপাৰা, ধুবুৰী, কামৰূপ, নলবাৰী, দৰং, শোণিতপুৰ, লখিমপুৰ, ধেমাজি, নগাঁও আদি জিলাৰ অ'ত-ত'ত সিঁচৰতি হৈ বসবাস কৰি আছে।

হাজংসকল কৃষিজীৱী। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ জনজীৱন পৰিচালিত হোৱা কাৰণেই হাজংসকলৰ সামাজিক জীৱনৰ পূজা-পাৰ্বণ, উছৱ, নৃত্য-গীত আদিও কৃষিকৰ্মৰে প্ৰভাৱান্বিত। কৃষিজীৱী হাজংসকলে নিজৰ দৈনন্দিন কাম-কাজৰ আহিলা, সা-সৰঞ্জাম আদি প্ৰয়োজন অনুসৰি, ৰুচি অনুসৰি নিজেই তৈয়াৰ কৰি লয়। বাঁহৰ দৈ, ডুলি, চালনী, কুলা, ডলা, জাকৈ, খালৈ, পল', খৰাহি, ঠহা, বৰুং তেওঁলোকে নিজ হাতেৰে তৈয়াৰ কৰে। জাকৈ, খালৈ পল', ঠহা, বৰুং এইবোৰ তেওঁলোকে বিল বা নদীত মাছ মাৰোতে ব্যৱহাৰ কৰে।

হাজংসকলে সাধাৰণতে বাঁহ, উলু খেৰ, বছপাতি, ইকৰা খেৰ আৰু শাল, কাঁঠগছ আদিৰে ঘৰ নিৰ্মাণ কৰে। ঘৰৰ বেৰবোৰ বাঁহেৰে তৈয়াৰ কৰে। আনহাতে নল-খাগৰি বনেৰেও ঘৰৰ বেৰ দিয়ে। কিছুমান ঘৰৰ বেৰবোৰত মাটি লেপি দিয়ে। কোনো কোনোৱে মাটি লেপি দিয়া বেৰবোৰ বাৰিষাৰ পানী-বতাহত উৰ্বলি নাযাবলৈ আঢ়ৈ হাত বহল বেৰৰ চালি (ধাপাৰি) দিয়ে। সচ্ছল হাজং পৰিয়াল এটিত সাধাৰণতে এইকেইটা ঘৰ থাকে, যেনে — (১) মাইজী ঘৰ (বৰ ঘৰ), (২) চাং বা মাছাং ঘৰ (ভঁৰাল ঘৰ), (৩) আখলি ঘৰ (ৰান্ধনী ঘৰ), (৪) কাছাৰি ঘৰ [ডেকা বা আলহী-অতিথি থকা ঘৰ। অৱশ্যে কাছৰি ঘৰ গাঁও-চুবুৰিৰ মাথাই (গাঁওবুঢ়া) বা কোনো আঢ্যৱন্ত হাজং গৃহস্থই নিজৰ ঘৰৰ প্ৰাংগণৰ ওচৰত একাষৰীয়াকৈ সজায়] চুবুৰি বা গাঁও এখনৰ ডেকাসকলে এই কাছাৰি ঘৰতে নিশা থাকে। গাঁৱলৈ কোনো আলহী-অতিথি আহিলেও এই কাছাৰি ঘৰতে ৰাতি থকা-মেলাৰ ব্যৱস্থা কৰি দিয়া হয়। আজিকালি অৱশ্যে গাঁওবোৰত এনে সমূহীয়া কাছাৰি ঘৰ নোহোৱাই হ'ল। একালত এই কাছৰি ঘৰেই হাজং ডেকাসকলৰ নৃত্য-গীত, কৃষ্টিৰ আদান-প্ৰদান থলী আছিল।

হাজংসকলৰ সমাজ, জীৱন নৃত্য-গীত, উৎসৱ, পূজা পাৰ্বণ আদিৰে ভৰপূৰ। ভিন ভিন সময়ত পূজা-পাতল পাতি হাজংসকলে নিজৰ স্বকীয় সংস্কৃতি ৰক্ষা কৰি আহিছে। হাজংসকলে পূজা-পাতলত অধিক গুৰুত্ব দিয়ে। তাৰ ভিতৰত বাঁইস পূজা অন্যতম।

বাঁইস পূজা (বাস্তু পূজা) ঃ

হাজংসকলৰ মূল আৰাধ্য দেৱতা হৈছে বাঁইস দেৱতা। তেওঁলোকে প্ৰকৃতিৰ নানা অপায়-অমংগলৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে আৰু সুখে-সন্তোষে থাকিবৰ কাৰণে বাঁইস দেৱতাৰ পূজা কৰে। বাঁইস দেৱতাক বাস্তু দেৱতা বুলিও কোৱা হয়। হাজংসকল আৰ্য হিন্দু ধৰ্মীয় প্ৰভাৱত বৈদিক আচাৰ-অনুষ্ঠানেৰে উত্তৰণ হোৱাৰ পিছৰ পৰা বাঁইস দেওৰ নামটো সংস্কৃতকৰণ কৰি বাস্তুদেৱতা নামকৰণ কৰিছে। এই বাঁইস দেওক তিনিটা নামেৰে জনা যায়। গৃহস্থই গাইগুটীয়াকৈ নিজৰ ঘৰত এই পূজা কৰিলে তাক ঘৰ বাঁইস দেও বোলে। দ্বিতীয়তে এখন চুবুৰি বা গাওঁৰ বাইজে কৰিলে তাক গাঁওলা বাঁইস বুঢ়া বাস্তু বুলি কোৱা হয়। আনহাতে সাৰ্বজনীনভাৱেও কোনো কোনো অঞ্চলত বাঁইস পূজা কৰে। ৰাজহুৱাকৈ কৰা এনে বাঁইস পূজাক পাগলা বাস্তু পূজা বুলি জনা যায়।

বুঢ়া বাঁইস বা গাঁৱৰ বাঁইস দেওৰ সাধাৰণতে গাঁৱৰ পৰা কিছু আঁতৰত থকা ঠাইত নিৰ্দিষ্ট থানত পূজা কৰা হয়। এই থান সমাজৰ সংৰক্ষিত ঠাইত থাকে। বাঁইস দেওৰ লগতে থানত কেইবাটাও আন আন দেৱ-দেৱীৰ থান থাকে। আহত গছ বা তেনে ধৰণৰ গছৰ তলত থানবোৰ শাৰী পাতি সজোৱা হয়। বুঢ়া বাঁইসৰ লগতে কামাখ্যা, লক্ষ্মী, পাৰ্বতী, চৰাবৰী, বাৰ দেও, আন্দাৰুৱা, হমহমী, দমদমী, দাদৰী, খাংখাঙী, হাংহাঙী আদি দেৱ-দেৱীকো শাৰী পাতি পূজা কৰা হয়। বাঁইস দেওৱে মূল দেও

কাৰণে এই থানখনক 'বাঁইস শালী' বোলা হয়। হাজংসকলৰ প্ৰতিখন গাঁও বা একোটা চুবুৰিৰ সমাজৰ মাজত একোটাকৈ 'বাঁইসশালী' আছে। তেওঁলোকে বছৰৰ প্ৰথম মাহ ব'হাগত এই পূজা কৰে। আনহাতে খেতি চপোৱাৰ পাছত মাঘ মাহতো বাঁইস পূজা কৰা হয়। বাঁইস দেওক পঠা ছাগলী, কাছ, পাৰ, কোমোৰা আদি বলি দিয়া হয়। পূজাত ঘৰুৱা মদ আদিও আগবঢ়োৱা হয়। পূজাৰীজনক হাজং ভাষাত নংটাং বোলে। এসময়ত গাঁওবাসীয়ে পূজা কৰি নৃত্য-গীতেৰে উৎসৱ-আনন্দ কৰিছিল।

পাগলা বাস্তু পূজা ঃ

হাজংসকলে কেইবাখনো গঞা সমাজ মিলি পাগলা বাস্তু পূজা কৰে। কথিত আছে যে এসময়ৰ কৃষিজীৱী হাজংসকলে পানীৰ অভাৱত বৰষুণৰ কাৰণে একোটা অঞ্চল মিলি এই পূজা কৰিছিল। সমূহীয়াকৈ কৰি অহা বাঁইস পূজাক পাছলৈ পাগলা বাস্তু নামেৰে নামকৰণ কৰা হয়। যিহেতু আদিতে এই পূজাৰ সময়ত হাজংসকলে পানীৰ অভাৱত পৰিছিল—সেইবাবে পূজাৰ সামগ্ৰী চাউল, গুৰ বা চেনি, কল আদি পানী নোহোৱাকৈ এই বাস্তুদেওলৈ আগবঢ়োৱা হৈছিল। আনহাতে পূজাৰ সামগ্ৰীবোৰ আছিল নিৰ্দিষ্ট পৰিমাণৰ। প্ৰতিটো সামগ্ৰী ১ ১/৪ কিলোগ্ৰাম বা ১ ১/৪ লিটাৰকৈ আগবঢ়োৱা হয়। পাগলা বাস্তু দেৱতাৰ থান উত্তৰমুখী। মানুহে ভক্তি কৰোতে দক্ষিণমুখী হৈহে ভক্তি কৰিব লাগে। এসময়ত মূলতঃ বৰষুণৰ কামনাৰে এই পূজাৰ সূচনা হৈছিল যদিও বৰ্তমান বিভিন্নজনে নানা অপায়-অমংগলৰ পৰা পৰিত্ৰাণ কামনা কৰি এই পূজাত ভক্তি প্ৰদৰ্শন কৰে। আনকি নিঃসন্তান দম্পতীয়ে সন্তান কামনা কৰিও এই থানত পূজা-সেৱা আগবঢ়ায়। এই পূজা ব'হাগ মাহৰ প্ৰথম ভাগৰ শুক্লপক্ষৰ প্ৰথম বৃহস্পতিবাৰৰ দিনা অনুষ্ঠিত কৰা হয়। পূজাত পঠা ছাগলী, পাৰ আদি বলি দিয়া হয়। কেতিয়াবা কেতিয়াবা কোনো কোনো লোকে মনোকামনা পূৰণ হোৱা বুলি ম'হো বলি হিচাপে আগবঢ়োৱা দেখা যায়। পূজাত মদ অপৰিহাৰ্য। সাম্প্ৰতিক হাজংসকলৰ এই পাগলা বাস্তু পূজাত আৰ্যহিন্দুৰ অন্যান্য সম্প্ৰদায়ৰ অংশ লোৱা পৰিলক্ষিত হয়।

পাৱনী পূজা ঃ

বাঁইস পূজাৰ লগতে পাৱনী দেওৰ পূজা হয় যদিও প্ৰতি পাঁচ বছৰ বা সাত বছৰৰ মূৰে মূৰে পাৱনী দেৱতাক সুকীয়াকৈ পূজা কৰা হয়। পাৱনী দেও হ'ল মদনকাম দেৱতা। পূজাৰ দিনা সমাজৰ প্ৰতিটো পৰিয়ালে চাউলৰ গুড়িৰে পিঠা বনায়। এই পিঠা বিশেষ ধৰণেৰে পানীত সিজাই নাইবা ভাপৰ দ্বাৰা বনোৱা হয়। পিঠাত লোণ বা নিমখ দিয়াৰ নিয়ম নাই। পূজাৰ দিনা তিৰোতাসকলে পিঠাৰ পাচি লৈ প্ৰথমে 'নংটাঙ'ৰ (দেউৰী) ঘৰত গোট খায় আৰু তাৰ পৰা এই পিঠা আৰু ঘৰুৱা মদ লৈ নাংটাং বা দেউৰীসহ পাৱনী থানলৈ যায়। লগত ঢাকী (ঢোল), শিঙা (ম'হৰ শিঙৰ পেঁপা) বাদকো থাকে। থানত নংটাংজনে পূজা আগবঢ়ায়। পূজাত কাছ, পঠা ছাগলী আৰু পাৰ চৰাই বলি দিয়া হয়। পূজা শেষ হ'লে নংটাঙৰ সৈতে উপস্থিত থকা মতা-তিৰোতা সকলোৱে পাৱনী দেওৰ থানখনক সাতবাৰ প্ৰদক্ষিণ কৰে। প্ৰদক্ষিণ কৰাৰ পূৰ্বে পিঠাবোৰেৰে গাঁথিলোৱা মালা নংটাঙৰ ডিঙিত পিন্ধাই দিয়া হয়। নংটাংজনেও উপস্থিত বাদ্যবাদক আৰু অন্যান্যক পিঠাৰ মালা পিন্ধাই দিয়ে। পাছত সকলোৱে পাৱনী দেৱতাৰ থানৰ চাৰিওকাষে গীত গাই, নাচি নাচি ঘূৰে। এইদৰে এপাক ঘূৰি থানৰ সন্মুখ পালেই পাৱনী দেৱতালৈ কিছুমান পিঠা আৰু ঘৰুৱা মদ আগবঢ়ায়। গীত গোৱাৰ অন্তত সকলোৱে নংটাঙৰ ঘৰলৈ যায় আৰু তাতেই সকলোৱে মিলি ভোজ-ভাত খায় আৰু নৃত্য-গীত কৰে।

কানীদেও পূজা ঃ

সৰ্পদেৱী মনসা বা পদ্মাদেৱীৰ পূজাকে হাজংসকলে কানীদেও পূজা বুলি কয়। হাজংসকলে প্ৰথমপুত্ৰ বা কনিষ্ঠ পুত্ৰৰ বিবাহ উপলক্ষে কানীদেও বা পদ্মাদেৱীৰ নামত মাৰ' (মাৰৈ) পূজা অনুষ্ঠিত কৰে। পূজাত মেৰঘৰ সজাই মাৰ' গীতৰ গীতলুৰে অতি কমেও তিনিদিন এই মাৰ' বা মাৰৈ পূজা কৰে। ইয়াক ভৰা মাৰ' বোলা হয়। কোনো কোনোৱে পুত্ৰৰ বিয়া উপলক্ষে বা অন্য সময়তো মাৰ' পূজা অনুষ্ঠিত কৰে। মাৰ' পূজাৰ গীতালসকলে মুখে মুখে বেউলা লখিন্দৰৰ কাহিনীমূলক গীতবোৰ খোলা-তালেৰে নাচি নাচি গায়। আনহাতে ৰসিক গীতালে গীত গাওঁতে সুৰুঙা বুজি লোকসমাজৰ হাস্যৰসিক গীতো গায়। মাৰ' পূজাত পঠা ছাগলী কাছ, পাৰ চৰাই, মাগুৰ মাছ আদি উৎসৰ্গা কৰা হয়।

যাত্ৰাপূজা ঃ

শাৰদীয় দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা হাজংসকলে যাত্ৰাপূজা কৰে। সিদিনা তেওঁলোকে ভূঁইৰোৱা, কৃষিকাৰ্য শেষ হৈ যোৱা কাৰণে কৃষিকৰ্মৰ সঁজুলি, ঘৰৰ ব্যৱহাৰ্য বস্তু বাহানি চাফ চিকুণকৈ ধুই চাফা কৰে। গৰুক গা ধুৱায়। গৃহস্থই কৃষিসঁজুলি, বিশেষকৈ নাঙল যুৱলি, দা-কুঠাৰ আদি চোতালত দীঘলকৈ কলৰ পাত পাৰি থুপাই লয়। তাৰ পাছত ঘৰৰ বাইসদেওক আদি কৰি অন্যান্য দেৱ দেৱীক চাকি-বন্তি দি প্ৰসাদ আগবঢ়াই ধূপ ধুনাৰে পূজা কৰে আৰু চোতালত থুপাই থোৱা কৃষিসঁজুলি তথা ঘৰৰ অন্যান্য সঁজুলিবোৰক ভক্তি জনায়। পাছত কৰণ আৰু কদম ফুলেৰে ঘৰৰ দুৱাৰত, এই সা সঁজুলিবোৰত, গৰু মহৰ কপালত সেন্দুৰৰ ফোঁট পিন্ধাই সন্ধিয়া তেওঁলোকৰ আত্মীয় আৰু বন্ধু-বান্ধৱক মাতি আনি একাঁজ ভাত খুৱায়। বছৰটোৰ অন্য দিনবোৰত নতুন ঘৰ সজাৰ বাবে এটি খুঁটি স্থাপন কৰা, জোঁৱাই বা কইনা চোৱাৰ বাবে মাজৰ মানুহ (ঘটক) নিযুক্তকৰণ, এনেধৰণৰ শুভকাৰ্যৰ আৰম্ভণি কৰে। সেয়েহে এই পূজাক যাত্ৰাপূজা বোলা হয়।

ভূঁইমাগা ঃ

যাত্ৰাপূজাত হাজং ডেকাসকলে সন্ধিয়াৰ পৰা নৃত্য গীত গাই ঘৰে ঘৰে খুজি মাগি ফুৰে। এই নৃত্য গীত লক্ষ্মী পূৰ্ণিমালৈকে চলে। এই নৃত্য গীতৰ উৎসৱ ভূঁইমাগাক হাজংসকলৰ পৰৱৰ্তী শ্ৰেষ্ঠ উৎসৱ 'চৰমাগা' বা 'চৰখেলা'ৰ পাতনি বা প্ৰস্তুতি উৎসৱ বুলিব পাৰি।

কাতিগাছা ঃ

কাতি মাহৰ প্ৰথম দিনা হাজংসকলে শইচৰ পথাৰত উঠি তাৰ খোলেৰে মিসা তেলৰ চাকি জ্বলায়। ঘৰৰ তুলসীতল, দুৱাৰতো চাকি ওলোমায়। শইচৰ পথাৰত শইচবোৰ যাতে লহপহকৈ বাঢ়ি উঠে, তাৰ বাবে লখিমী আইক এইদৰে চাকি বন্তিৰে সেৱা জনোৱা হয়। আনহাতে ক'ব পাৰি শইচৰ পথাৰত যাতে কীট-পতংগ বা পৰুৱাই ঠাই নলয় তাৰ বাবেই জ্বলোৱা হয়। কাতিগাছা অসমীয়া কঙালী বিহু, কিন্তু হাজংসকলৰ এই উৎসৱক কঙালী বুলি ক'ব নোৱাৰি। কাৰণ কাতিগাছাৰ সময়ত হাজংসকলে পিঠা-পনা, দৈ-চিৰা, মাছ-মঙহ খায়, আত্মীয়-কুটুম্বক নিমন্ত্ৰণ কৰে। পিছে সাম্প্ৰতিক অৰ্থনৈতিক দুৰৱস্থাৰ হেতু এই কাতিগাছা উৎসৱ হাজংসকলৰ সকলো অঞ্চলতে উলহ-মালহেৰে পালিত নহয়। মেঘালয়ৰ গাৰোপাহাৰৰ হাজংসকলে ভোগালী বিহুৰ দৰে এই কাতিগাছা উৎসৱ পালন কৰে। আনহাতে কোনো কোনো অঞ্চলৰ হাজংসকলে আৰ্য হিন্দু ধৰ্মীয় ৰীতিত উত্তৰণ হৈ এই উৎসৱৰ সলনি লক্ষ্মীপূজা বা কোজাগৰী তিথিত এই উৎসৱ পালন কৰে।

কাতিপূজা ঃ

কাতি মাহৰ শেষৰ দিনা নিশা কাতিপূজা হয়। হাজং নাৰী সমাজৰ উপাস্য কাতি দেও বৈদিক কাৰ্তিক দেৱতা নহয়। ই লৌকিক দেৱতাহে। পূজাত মাটিৰ প্ৰতিমা মণ্ডপত স্থাপন কৰা হয়। মণ্ডপৰ চাৰিওপিনে চাৰিডাল কলপুলি পুতি সূতাৰে মেৰিয়াই একাখিকৈ কল বান্ধি দিয়া হয়। সধবা তিৰোতাই পুত্ৰ সন্তানৰ বৰ মাগি সন্ধিয়া মণ্ডপত পূজা-সেৱা আগবঢ়ায়। এই পূজাত নাৰী সমাজে কাতিদেওক লৈ বন্দনাকে আদি কৰি ওৰে নিশা বিভিন্ন ধৰণৰ গীত গায়। হাজং নাৰী সমাজৰ বিশ্বাস যে কাতি দেৱতাৰ বৰত সুপুত্ৰ লাভ কৰা যায়। কাতিপূজা মূলতঃ নাৰীপ্ৰধান। ই তিৰোতা সমাজৰ শস্যদাতা আৰু পুত্ৰদাতা লোকদেৱতা।

চৰমাগা ঃ

কৃষিজীৱী হাজংসকলৰ অৱসৰ-বিনোদনৰ উৎসৱ হ'ল চৰমাগা বা চৰখেলা। দীপাৱলী আঁউসীৰ দুই বা তিনিদিন আগৰ পৰা এই চৰমাগা নৃত্য-গীত উৎসৱ আৰম্ভ হৈ এসপ্তাহ বা নদিন ধৰি চলে। এই উৎসৱত হাজং ডেকাহঁতে গাঁৱৰ ঘৰে ঘৰে নৃত্য-গীত গাই গাই ধান-চাউল বা টকা-পইচা বৰঙণিৰূপে সংগ্ৰহ কৰে। এনেদৰে সংগ্ৰহ কৰা ধানেৰে পিছলৈ ভোজ-ভাত খায়। চৰমাগা উৎসৱত নানাধৰণৰ নৃত্য-গীত গায়। ইয়াৰ ভিতৰত পৰম্পৰা অনুসৰি চলি অহা 'লেৱাটানা' নৃত্য-গীতেই প্ৰাচীন আৰু জনপ্ৰিয়। 'লেৱাটানা' নৃত্য-গীত ডেকা-গাভৰুৰ প্ৰণয়সূচক গীত। আনহাতে কৃষিকৰ্মৰ সৈতে জড়িত শ্ৰমজীৱী ডেকা-গাভৰুৰ কৰ্মব্যস্ত মুহূৰ্তৰ চিত্ৰও এই গীতবোৰত পৰিস্ফুট হৈ উঠা দেখা যায়।

ভালুক মাগা ঃ

আঘোণ-পুহ মাহত শালিধান চপোৱাৰ সময়। হাজং দাৱনিয়ে পথাৰত ধান দায়, মুঠিবোৰ আঁটি আঁটিকৈ ডাঙৰি বান্ধে। সেই সময়তে হাজং চেমনীয়া বা গৰখীয়া ল'ৰাহঁতে কলগছৰ শুকান ঠাৰি বা গছৰ ডাল-পাতেৰে ভালুকৰ ভেশছন্ন ধৰি পথাৰলৈ গৈ নৃত্য-গীত গাই ধানৰ ডাঙৰি মাগে। গীতবোৰ ব্যংগ ৰসাত্মক; যেনে — 'কুক্ ভালুক কুক্।

ভালা ধান নাচায় ময় বিন ধান চায়;

মলা আবুৰা নাপ্ৰা পৰিছে খৈ খাবা চায়।'

গুছিপুতা ঃ

কৃষিজীৱী হাজংসকলৰ প্ৰথম ৰোৱনী দিনক গুছিপুতা বোলা হয়। সেইদিনা গৃহস্থই ভুঁইতলী হাল-মৈ দি সাজু কৰাৰ পাছত মাটিডৰাৰ একোণত চাকি-বন্তি জ্বলাই লখিমী আইৰ নামত পূজা আগবঢ়ায়। গাঁৱৰ তিৰোতা, বোৱাৰীক ৰুবলৈ আমন্ত্ৰণ জনায়। গৃহস্থৰ আমন্ত্ৰণত গাঁৱৰ প্ৰায়ভাগ তিৰোতা-বোৱাৰীয়ে গৈ সিদিনাৰ আৰম্ভণি গুছিপুতা বা প্ৰথম ৰোৱনীৰ পাতনি মেলে। সেই চহ কৰি সাজু কৰা মাটিকেইডোখৰ বেলি থাকোতেই ৰোৱনীহঁতে ৰুই শেষ কৰে। ৰোৱা-মেলা কাম শেষ কৰি ৰোৱনীহঁতে বোকা খেলে আৰু গৃহস্থক বোকা সানি দিয়ে আৰু ইজনীয়ে-সিজনীক বোকা ছটিয়াই নৃত্য-গীত গায়।

কৃষিজীৱী হাজং জনগোষ্ঠীয় সমাজ জীৱনত গাইগুটীয়াই হওক বা সমূহীয়াই হওক, প্ৰতিটো কাৰ্যত পৰস্পৰে পৰস্পৰৰ কাৰ্যত সহায়ক হৈ সমূহীয়া আনন্দ, ৰং-ৰহইচেৰে কটাবলৈ ভাল পায়। তেওঁলোকৰ এই লোককৃষ্টি, কলাসমূহৰ আন আন কৃষিজীৱী জনগোষ্ঠীয় সমাজৰ সৈতেও সাদৃশ্য থাকিব পাৰে, কিন্তু হাজংসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা এই কৃষ্টি-কলাত তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য যে আছে, সেই কথা তুলনামূলক অধ্যয়ন, গৱেষণা কৰিলেই প্ৰতীয়মান হয়।

পঞ্চম অধ্যায়

সামাজিক সাংস্কৃতিক অনুষ্ঠান

তিৱা সমাজৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান চামাদি

মনেশ্বৰ দেউৰী

ভাৰতৰ উত্তৰ- পূৰ্বাঞ্চলৰ, বিশেষকৈ অসমৰ, আদিবাসী লোকসকলৰ মাজত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ প্ৰচলন আছে। এই সামাজিক-সাংস্কৃতিক অনুষ্ঠানসমূহৰ ভূমিকা, সমাজ-সংগঠনত নিঃসন্দেহে গুৰুত্বপূৰ্ণ। মৰংঘৰ, ডেকাচাং আদি ইয়াৰ উদাহৰণ। এই সামাজিক অনুষ্ঠানসমূহে জাতি এটাৰ প্ৰগতিৰ পথত কেনে ভূমিকা গ্ৰহণ কৰিছে ওপৰে ওপৰে লক্ষ্য কৰিলে সেই কথা ভালকৈ অনুমান কৰিব নোৱাৰি। কিন্তু সেই বিশেষ ধৰণৰ অনুষ্ঠানে সমাজখনৰ অজ্ঞাতে কেনেধৰণৰ সাংগঠনিক কামত অৰিহণা যোগাইছে, অনুধাৱন কৰিলে আচৰিত নহৈ নোৱাৰি। সেইবাবে উৎকৃষ্টই হওক অথবা নিকৃষ্টই হওক, যিকোনো সম্প্ৰদায়ৰে সামাজিক অথবা সাংস্কৃতিক অনুষ্ঠানসমূহৰ প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱ সমাজ-জীৱনত নুই কৰিব নোৱাৰি। অসমৰ আদিম অধিবাসী তিৱা (লালুং) সম্প্ৰদায়ৰো বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান আছে, যাৰ দ্বাৰা তেওঁলোকৰ সম্প্ৰদায়ৰ সুকীয়া বৈশিষ্ট্যসমূহ লোকচক্ষুত ধৰা দিয়েহি। ছগ্ৰা-মিছাৱা, ফুজা-মিছাৱা, খেল-ছাৱা, লাংখুন পূজা ও উৎসৱ, শনি পূজা, লখিমীপূজা ও উৎসৱ, খাপ্লাং ৰাবানে পূজা, ৱান-ছাৱা, আঁৰ-কটা প্ৰভৃতি উৎসৱ আদিয়ে তিৱা সমাজৰ বৈশিষ্ট্য দাঙি ধৰাত অৰিহণা যোগাইছে। উল্লিখিত সমগ্ৰ অনুষ্ঠানসমূহৰ ভিতৰত যিটো অনুষ্ঠানে তিৱা সমাজ আৰু সংস্কৃতিৰ প্ৰথম আৰু প্ৰধান দ্যোতক হিচাপে প্ৰতীয়মান হৈছে, তাৰ নাম হ'ল 'চামাদি' বা ডেকাচাং। 'চামাদি' তিৱা শব্দ। চা-শব্দৰ অৰ্থ পুত্ৰ, মা শব্দে মাতৃ আৰু ডি বা তি শব্দই নদী বা পানীক বুজাইছে। এই অৰ্থে নদী মাতৃক পুত্ৰসকলৰ (তিৱাসকলৰ) আবাসস্থল বুলি ক'ব পাৰি। এই অনুষ্ঠানে এহাতে যেনেকৈ সাংগঠনিক কাৰ্য সম্পাদন কৰি আহিছে, আনহাতে তেনেকৈ কৃষ্টি-সংস্কৃতিৰ বাহক হিচাপেও কাম কৰি আহিছে। এই প্ৰবন্ধত ডেকাচাঙৰ বৈশিষ্ট্য সম্পৰ্কে সংগৃহীত সমলেৰে বিস্তৃতভাৱে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

অন্যান্য জনজাতীয় যুৱ অনুষ্ঠানৰ স'তে চামাদিৰ পাৰ্থক্য ঃ

'অসমৰ অন্যান্য জনজাতীয় সম্প্ৰদায়ৰ যুৱ অনুষ্ঠানৰ লগত তিৱা (লালুং) সকলৰ এই ডেকাচাঙৰ মূলতঃ পাৰ্থক্য নাই যেন লাগিলেও ভালেখিনি তফাৎ আছে। উদাহৰণস্বৰূপে মিচিংসকলৰ চাংঘৰত ডেকা-গাভৰুসকলৰ অবাধ মিলামিছাৰ প্ৰচলন বিদ্যমান। মিচিংসকলৰ নৰাছিগা উৎসৱত হোৱা নৃত্য-গীত আদিত ডেকা-গাভৰুৱে সমানে অংশগ্ৰহণ কৰে। লগতে মৰংঘৰত (মুৰং ঘৰত) অন্যান্য উৎসৱ-পাৰ্বণ আদিতো যুৱক-যুৱতীয়ে একেলগে উৎসৱ উদ্‌যাপন কৰাৰ উদাহৰণ আছে। কিন্তু তিৱাসকলৰ ডেকাচাঙৰ বৈশিষ্ট্য এয়ে যে ই সামগ্ৰিকভাৱে তিৱা ডেকাসকলৰ বাবেহে ব্যৱহৃত সামাজিক অনুষ্ঠান। ইয়াত কোনো যুৱতী ছোৱালীয়ে প্ৰৱেশ নকৰে অথবা তেওঁলোকক ইয়াত উঠাৰো অধিকাৰ দিয়া হোৱা নাই। অধিক কি, এই ডেকাচাঙত এৰা ছোৱালী পৰ্যন্ত নুঠে। উৎসৱ-পৰ্ব আদি হ'লেও তাত ছোৱালীৰ কৰণীয় কোনো কাম নাথাকে। সেইবাবে তিৱাসকলৰ ডেকাচাঙৰ এই বিশেষ বৈশিষ্ট্য মন কৰিবলগীয়া। কি কাৰণতনো তিৱা মহিলাসকলে ডেকাচাঙত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ পৰা বঞ্চিত হ'ব লগা হ'ল? ডেকাচাং বা চামাদিৰ চিত্ৰত স্ত্ৰী জননাংগ অথবা স্তনাদি অংকন কৰা হয়—এনেকৈ অংকন কৰাৰ অন্তৰালত কিবা গূঢ় ৰহস্য আছে নেকি? নাইবা ডেকাচাঙৰ মিন্দাই থুনাৰ আকৃতিয়ে কিবা বিশেষ কথাৰ ইংগিত দিয়ে নেকি- এয়া সকলোৱে, আনকি তিৱা শিক্ষিত শ্ৰেণীৰ মনতো বহু প্ৰশ্নৰ উদ্ৰেক কৰি আহিছে। যদিও বিভিন্নজনে বিভিন্ন ধৰণেৰে ইয়াৰ মতামত দিছে, তথাপি প্ৰকৃত তথ্য সম্পৰ্কে বহুখিনি সন্দেহৰ অৱকাশ ৰৈ গৈছে। পুৰণিচামৰ তিৱা লোকসকল নিজস্ব কৃষ্টি-সংস্কৃতি সম্পৰ্কে কিছুদূৰ সংৰক্ষণশীল। মুখ ফালি সমগ্ৰ কথা প্ৰকাশ কৰাৰ পক্ষপাতী নহয়। তথাপি এই সমস্ত কথাৰ উত্তৰাধিত পাবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই আৰু সেইবোৰ চালিজাৰি চাবলৈ এই প্ৰবন্ধত পাৰ্যমানে চেষ্টা কৰা হৈছে।

চামাদি সৃষ্টিৰ মূল কথা ঃ

কাৰ্বি-আংলং পাহাৰৰ মাৰ্জংগাঁৱৰ বয়োবৃদ্ধ লোক শ্ৰীক্ৰমচন্দ্ৰ পাটৰে চামাদি সৃষ্টিৰ বিষয়ে তেখেতৰ পিতৃৰ পৰা পাই অহা মূল কথাখিনি আমাক এনেদৰে ব্যক্ত কৰে ঃ তিৱাসকলৰ বহুতো কুল আছে। তাৰ মাজৰে কুৰুকুলত উঠা লোকেহে এই কথাৰ সম্ভেদ দিব পাৰে, অন্য লোকে ইয়াৰ বিষয়ে ঘুণাক্ষৰেও জানিবলৈ নাপায়। নীতি-নিয়মপূৰ্বক আমাক জানিবলৈ দিয়া কথাখিনি এনেধৰণৰ—

"আগে চাৰি ভাই খেল বিছাইদম পাৰ' প'ছৰ' খেল পহই থাইদম, ছং পহইথাইদম পাৰ'ষন দেও। পেগা চিং বেগাইদ' চিং মাহামনুচ গ'চৰলানা নাঙ। বে যে হংগা— ফই মাহামনুচ, চিঙে চাৰি ভাইনে মেলা। মেলা লিনা বেয়া চিং, নাবুৰে চাৰি ভাইনে মেলা বীনা বায়া। বীগাই ভাই হঙ'। একোৰ' ভাই হওঁয়া মাহামনুচ ফ'ই। মাহামানুচ চ'ঙনা চৰচ'ঙনা মাহামনুচ ফই। মাহামনুচ লিকা মেলা। মাহামনুচ হনগানা'নে মেল। মাহামনুচ, চিং চাৰিভাই পাৰ' প'ছৰ' খেল বহগাং, এখ'ন' বীণা বায়া মাং। দ মাহামনুচ, এঠাইদ' খেল বীণা নাঙৰ'। থেছে মিন্দাইৰে মনুচ পাৰ' প'ছৰ' খেল বহগা। ফিদুৰিদ' শ' ফিগা হাজাৰ ফিগা। আঃ ফিগা' গাই লেগা হংগাইদ'। মাহামনুচ, এঠাদ, চিং চাৰিভাই ছিণ্ডা তা হংদং, না মাহামনুচ লহংদং। থেছে মাহামনুচ পাৰ'জনা পাছাই আৰ' পাৰ'জনা থৰ্পা। থেছে মাহামনুচ ছিং পাৰ' খেল কিণা আৰ' পাৰ' ছং কিণা।'

ওপৰৰ কথাখিনিৰ চমুতে অৰ্থ এনেধৰণৰ—আগতে চাৰি ভাইকে আদি কৰি দেৱতাসকলে

খেল পাতি বাস কৰিছিল। বাৰবছৰ এইদৰে থকাৰ পাছত তেওঁলোকে মানুহবিলাককো সেই খেলত ল'বৰ মনস্থ কৰি আৰু তেওঁলোকৰ ৰীতি-নীতি শিকাই-বুজাই স্বৰ্গলৈ যাবৰ মানস কৰি এখন মেল পাতি মানুহকো তালৈ নিমন্ত্ৰণ জনালে। মানুহে দেৱতাৰ মেললৈ যাবলৈ অনিচ্ছা প্ৰকাশ কৰাত আকৌ দ্বিতীয়বাৰ মেল বহিল। সেইবাৰ মানুহেও দেৱতাৰ মেলত অংশগ্ৰহণ কৰিলে আৰু বাৰজন ডেকা আৰু বাৰগৰাকী গাভৰুক দেৱতাৰ লগত খেলত অংশগ্ৰহণৰ সুযোগ দিলে। তেওঁলোকে হিমালয় পৰ্বতৰ পৰা আৰম্ভ কৰি বহু ঠাইত খেতি-বাতি কৰিলে। প্ৰত্যেক পাহাৰৰ দাঁতি-কাষৰত বতৰ অনুপাতে একোখনকৈ দেওপূজা থান পাতি আহি থাকিল। (এই সম্বন্ধে পাছত কোৱা হ'ব)। এই বাৰজন ডেকা-গাভৰুৰ পৰাই পিছলৈ বাৰটা খেল আৰু বাৰটা কুলৰ উৎপত্তি হ'লগৈ। তাৰ পৰাই দেৱতাসকলে মানুহক চাংঘৰ সাজি বসবাস কৰিবলৈ শিক্ষা দিলে। এই চাংঘৰ নিৰ্মাণৰ বিষয়ে পাছত কোৱা হৈছে। 'চাৰি ভাইনে মাহামনুচ্‌গ' থিনি বুদ্‌বাৰ' জেলা বিচাৰে লিগা। বুদ্‌বাৰ' চাৰি ভাইনে চাঙে ছেলাগ্ৰা মালিগ্ৰা কাইগা। চাং চৰ্জেগা, ফাট, চৰ্জেগা। থেছে পৰছানে খেলাঙ' চাং টুগা।' চাৰি ভাই দেৱতাই তিনিটা বুধবাৰত চাং-পাট সৃজন কৰিলে। বুধবাৰেই চাং সজাৰ আৰম্ভ, খুঁটা পোতা আৰু চাং লোৱাৰো দিন। সেইবাবেই তিৱাসকলৰ সমাজত বুধবাৰটো অতীতকালৰে পৰা পৱিত্ৰ বাৰ বুলি বিবেচিত হৈ আহিছে। বিহু মঙলে-বুধে পালন কৰাৰ মূলতো এয়ে।

চামাদিৰ সভ্যসকল ঃ

চামাদিত অৱস্থান কৰা ডেকাসকলক তিনিটা শ্ৰেণীত ভগোৱা হয়। খৰ্‌কিয়া পাছাই, পাছাই আৰু গ্ৰা পাছাই। ৭ বছৰৰ পৰা ১৬ বছৰ পৰ্যন্ত বয়সৰ ডেকাক খৰকিয়া পাছাই বুলি কোৱা হয়। ১৬ বছৰৰ পৰা প্ৰায় ২৮ বছৰ পৰ্যন্ত বয়সীয়া ডেকাসকলক সম্পূৰ্ণ যুৱক বা পাছাই বুলি কোৱা হয়। আৰু ততোধিক বয়সৰ, বিয়াৰ বয়স হেৰুৱাই চামাদিত থকা ডেকাসকলক গ্ৰা পাছাই বোলে। এই গ্ৰা পাছাইসকল বৃদ্ধ সমাজৰ পৰাও উপেক্ষিত। আবিয়ৈ মানুহক সমাজত ভাল দৃষ্টিৰে চোৱা নহয়। চামাদিৰ পাছাইসকলৰ মাজতো এওঁলোকৰ স্থান কিছুদূৰ হেয় ধৰণৰ। তথাপি অভিজ্ঞতাপুষ্ট বুলি তেওঁলোকলৈ শ্ৰদ্ধা-ভক্তি অটুট ৰাখে। তেওঁলোকে চামাদিৰ এচুকত বহি ডেকাসকলক সকলোধৰণৰ সহায়-সহানুভূতি আগবঢ়ায় আৰু সকলোধৰণৰ কাম-কাজত সহযোগ কৰে। ডেকাচাঙৰ তত্বাৱধায়ক হিচাপে আৰু ডেকাদলৰ সকলো দিশতে পৰিচালনা কৰিবলৈ চাংদলৈ, চাংমাজি আৰু সৰুমা নামেৰে তিনিজন মুখ্য বিষয়া থাকে। তেওঁলোক সামাজিক নাইবা সাংস্কৃতিক সকলো দিশতে পাৰদৰ্শী। তেওঁলোকৰ আদেশ-নিৰ্দেশ ডেকাচাঙৰ সমগ্ৰ ডেকাৰ বাবে বেদৰ বাণী। গুৰুকুলে (কুৰু) ডেকাচাঙৰ সকলোকে গীত-মাত, নৃত্য-বাদ্য আদিৰ বাদেও হোৰা, ঢাৰি, পাচি, চালনী, খৰাহী, ডুলি, বিচনী আদি গাৰ্হস্থ্য জীৱনৰ সমস্ত প্ৰয়োজনীয় আহিলা আদি সজাবলৈ শিক্ষা দিয়ে। এই দিশৰ পৰা চাবলৈ গ'লে উক্ত ডেকাচাং কাৰিকৰী শিক্ষাৰ এটি অনুষ্ঠান বুলি ক'লেও বঢ়াই কোৱা নহয়। এই তিৱা ডেকাচাং গাৰ্হস্থ্য জীৱনৰ সমগ্ৰ দিশতে শিক্ষাদান কৰি একোজন দায়িত্বশীল গৃহস্থ হিচাপে গঢ়ি তোলাৰ এটি বিশিষ্ট অনুষ্ঠান।

চামাদিত ডেকা তোলা নিয়ম ঃ

তিৱাসকলৰ চামাদিত সাত বছৰ বয়সৰ ল'ৰাবিলাকক ভৰ্তি কৰা হয় বুলি আগেয়েই কোৱা হৈছে। চামাদিত যিসকল ডেকাই অৱস্থান কৰে তেওঁলোকে দিনৰ ভাগতহে ঘৰত থকাৰ অনুমতি

পায়। ৰাতি চামাদিতেই সকলোৱে থকা নিয়ম। যদি কোনোবাই এই নিয়ম ভংগ কৰে, তেন্তে চাংদলৈ আৰু চাংমাজিৰ ওচৰত জবাব দিবহি লাগে। আনহাতে চাঙৰ ডেকাসকলেও তেওঁক বৰ কটু সমালোচনা কৰে। চামাদিৰ ক্ষমতা অনন্য সাধাৰণ বুলি তিৱাসকলে বিশ্বাস কৰে। জনা মতে, চামাদিত উঠি চাংদলৈৰ থুনাখুঁটাত ধৰি কাৰোবাক অভিশাপ দিলে অতি সোনকালেই ফলিয়ায় বুলি জনবিশ্বাস আছে।

ডেকাচাঙত ডেকা তোলোতে একেঘৰৰে কেইবাজনো উপযুক্ত ল'ৰা থাকিলেও এজনকহে নিয়ম সহকাৰে চাঙত থকাৰ অনুমতি দিয়ে। ঘৰৰ প্ৰয়োজনীয় কাম-কাজ আদিত সহায় কৰিবৰ বাবেই এই শিথিল ব্যৱস্থা। চামাদিলৈ পঠিয়াবৰ যোগ্য ল'ৰা থাকিলে, চাঙত থকা ডেকাসকলে চাংদলৈ আৰু চাংমাজিৰ নিৰ্দেশানুসাৰে শুকান চেনাফলা মাছ আৰু কৌপাতত নিমখৰ টোপোলা এটা গৃহস্থৰ দুৱাৰত ওলোমাই থৈ আহে। ঘৰৰ গৃহস্থই তেতিয়াই ল'ৰাক চাংঘৰলৈ পঠিয়াব লাগে বুলি বুজি পায়। বহুতো অভিভাৱকে নিজেই ল'ৰাক ডেকাচাঙত আগবঢ়াই দিয়েগৈ। আজিকালি অৱশ্যে শিক্ষা-দীক্ষা ল'বৰ বাবে যোৱা ছাত্ৰসকলৰ প্ৰতি আগৰ দৰে শাসন বলবৎ কৰা নহয়। চামাদিত ডেকা তোলোতে ডেকাসকলে গাঁৱৰ বাটে বাটে গীত গাই গাই যি ঘৰৰ পৰা ডেকা তোলা হ'ব, সেই সেই ঘৰলৈ ৰাওনা কৰে। গৃহস্থই সাজ দিয়া নিয়ম। ডেকা তোলা গীতৰ একাংশ ইয়াত দিয়া হ'ল—

অ' ফাদনে ফাদনে, দনলাব দং, ছা চাংদলৈ।
অ' ছিদনে ছিদনে, দনলাব দং, ছ চাংমাজি।
অ' লেপে লেপে খৰচা, দনলাব দং, খাদং
অ' ভিগা খেপে খেপ, খোৰামুল, দনলাবদং।
অ' হৈ চাৰিভাইনে লেমগা' কাবানে ভাং
অ' হৈ চাৰিকবাণে লেমগা' কাবানেজ্ঞাং
অ' হেগাল' লেপেলেপ ফাদন থানা নাঙ,
অ' হেগাল' খেপেখেপ্ চেম থানা নাঙ।।
অ' হেগাল' চাং, চাং থানা নাঙ,
অ' হেগাল' ফাটি ফাটি থানা নাঙ,
অ' ছা ফাদনদা ভক্ৰা কাবাণে ভাগাৰ,
অ' ছা ছিদনদা, খামলি কাবাণে ভাগাৰ।
অ' এগাল চাৰিভাইনে লেম থানা নাঙ;
অ' এগাল চাৰিকবাণে কাঙ্গি থানা নাঙ,
হেগানেছে চিং, পাদন দনদং
ছিদন দনদং
ছা পাদন্ ছা ছিদন্, ছা চাংদলৈ
ছা পাদন্ ছা ছিদন্, ছা চাংমাজি।। ইত্যাদি।

এইদৰে গীত গাই গাই ডেকাসকলে নতুনকৈ চামাদিত যোগদান কৰিব লগা ডেকাসকলক

তিৱা জাতীয় পোছাক পৰিধান কৰাই নীতি-নিয়ম সহকাৰে ডেকাচাঙলৈ আনে। ডেকাচাঙত থকা পাছুাইসকলে চাংদলৈ, চাংমাজি আৰু সৰুমাৰে সৈতে নৱাগতসকলক আদৰণি জনায়। চামাদিত দুখন জুইশাল থাকে। চাঙত মাটি দি ডাঙৰ গছৰ টুকুৰাৰে চাৰিওফালে আবৃত কৰি ৰখা হয়। চাংদলৈ আৰু চাংমাজিয়ে চামাদিৰ তাৎপৰ্য এই নৱাগতসকলক বুজাই দিয়ে। লগতে চাংঘৰত মানি চলিব লগা সকলো কথাও বুজাই কয়।

চামাদি প্ৰস্তুতিৰ যো-জা ঃ

চামাদি প্ৰস্তুত কৰাৰ আগেয়ে তিৱাসকলে ভালেখিনি নীতি-নিয়ম পালন কৰে। চামাদি স্থাপন কৰিব লগা ঠাইত ৰাইজে বহি আলোচনা কৰে থুনাখুঁটা সংগ্ৰহৰ বিষয়ে। সোমবাৰৰ দিনাই সমস্ত বয়বস্তুৰ বিচাৰ-খোঁচাৰ কৰি, দিন-বাৰ-ক্ষণ গণি বিষয়ববীয়াসকলক লাগতিয়াল উপদেশ দিয়ে। চাংদলৈ, চাংমাজি আৰু সৰুমাই খুঁটা সংগ্ৰহলৈ যাওঁতে উপবাসে থাকিব লাগে। আনকি তেওঁলোকৰ পিতা-মাতায়ো ঘৰত উপবাসে থাকিব লাগে। চামাদিৰ এই থুনাখুঁটা তিনিটা চাংঘৰৰ মুখ্য বিষয়ববীয়া তিনিগৰাকীয়ে দান কৰিব লাগে। এই কাৰ্যৰ দ্বাৰা সমাজত তেওঁলোকৰ আসন উচ্চস্থানত থকা কথাটোকে সূচায়। থুনাখুঁটা সংগ্ৰহৰ বাবে যাব লগা দিনা এই তিনি বিষয়াৰ তৰফৰ পৰা ৰাইজক সাজ দিয়া নিয়ম।

চাং সজা ঠাইত চাংদলৈ, চাংমাজি প্ৰমুখ্যে ডেকা-বুঢ়া সকলোটি লগ হৈ চামাদিৰ খুঁটা সংগ্ৰহৰ বাবে হাবিলৈ যাত্ৰা কৰে। কুৰু (গুৰু) কুলৰ জেলাগাবিয়ে লগত মদৰ লাও এটা, তামোল-পাণ আৰু সিকি এটা লয়। যাত্ৰাৰ সময়ত সকলোৱে সাজ অলপ অলপ পান কৰি উদ্দেশ্য সিদ্ধিৰ হকে দেৱতাৰ কৃপা বিচাৰি এই বুলি আশীৰ্বাদ লয়।—

'অই ফা দেউৰী হাতাৰী
ত' এঠা পৰলানা
তাও কনং ঐ চাৰিভাই চাৰিকৰা
লাম্ফা ৰাজানে পেলে ছাঙা এঠা
জেলা লান্নিনা ত' পৰলানা পৰবেনা
ঐ চাৰি ভাই চাৰিকৰা।'

এইদৰে চাৰিভাই চাৰিকৰাৰ প্ৰতি নমস্কাৰ জনাই গছ কটাৰ বাবে ৰাওনা হয়। যিজোপা গছ উপযুক্ত বুলি বিবেচিত হয়, তাৰ তলখন ভালদৰে চুৰুকি লৈ বাঁহপাত এশ এটা পাতি, তাত তামোল-পাণ আৰু মদ ঢালি লগতে সিকিটো স্থাপন কৰি চাৰিভাই চাৰিকৰা আৰু মহাদেৱক স্তুতি কৰে আৰু কি কাৰণেনো তেওঁলোকক গছৰ প্ৰয়োজন এই কথা বৰ্ণাই বৃক্ষ দেৱতাক প্ৰণাম জনায়। মহাদেউ আৰু চাৰিভাই চাৰিকৰাক পূজা কৰাৰ মন্ত্ৰ এনেধৰণৰ—

'ঐ ফা কনং ছেলাগ্ৰা মালিগ্ৰা
নাগ' ছুদাই ফাপ্ লায়াং
আয় ছুনা ছাঙা জেলা লাবং
চিং ছাং ৰাখা হঙা, ফাট ৰাখা হঙাদেউ
ঐ চাৰিভাই চাৰিকৰা!!

নিল' ছাংমাদে নিল' ফাট্
নিল' তক্‌মাদে নিল' দুৱাৰ মাদে
টু ফিগাইদ' খাক্ ফিগাইদ'
নাল' ছিগাইখালা, নাল' বুঝাইখালা—
পা'ৰৱা তছ্‌মন্ হাজাৰমন, ছাংহালা হামগাইদ'
ফাট খালা হাংগাইদ', ঐ চাৰিভাই চাৰিকৰা!!
নালা আগে গিৰি দেই
না চাচে আগে গিৰি নাছে চিউ দেই
ঐ চাৰিভাই চাৰিকৰা!!'

এইদৰে মহাদেউ আৰু চাৰিভাই চাৰিকৰাক পূজা দি চাংদলৈয়ে গছজোপাক নমস্কাৰ জনাব আৰু পূব দিশৰ পৰা প্ৰথমেই গছত ঘাপ দিব। গছত প্ৰথম ঘাপটো মাৰিয়েই কাণ উনাই চাব। যদিহে গছজোপাত ছাঁ ছাঁ শব্দ হয়, তেন্তে বুজিব লাগিব চাংদলৈ, চাংমাজি আৰু সৰুমাৰ ঘৰৰ কিবা পাপ আছে। তেতিয়া সেইবোৰ উপস্থিতসকলৰ আগতে ভাঙি-পাতি কৈ আকৌ চাৰিভাই চাৰিকৰাক স্তুতি কৰি গছত ঘাপ দিব। তেনে নকৰিলে গছ অনাত বৰ কষ্ট হয় হেনো। যদি একো লেঠা পেঠা নাথাকে, তেন্তে চাৰি-পাঁচজন ডেকাই একোডাল বৃহৎ গছ চোঁচৰাই আনিবলৈ সক্ষম হয়। থুনাখুটাৰ নিমিত্তে কটা গছ গৰুগাড়ী, ঘোঁৰাগাড়ী আদিৰে অনা নিষেধ। সেই গছ কান্ধেৰে আনিব লাগিব। গছ কাটাৰ পাছত গুৰুখেলৰ নিৰ্দেশানুসাৰে গাঁৱৰ এমুৰলৈ গছ কঢ়িয়াই আনিব। বাটত 'হে কৃষ্ণ, হে কৃষ্ণ' বুলি ইষ্টদেৱতাৰ নাম স্মৰণ কৰি ঘৰমুখে বাওনা হ'ব।

এই ডেকাচাংবোৰত আমি মাত্ৰ তিনিটাহে প্ৰধান থুনাখুটা ব্যৱহাৰ কৰা দেখিবলৈ পাইছো। ইয়াৰ কাৰণ সোধাত এই কথা জানিব পৰা গ'ল যে চাংদলৈ, চাংমাজি আৰু সৰুমা— এই তিনিজনেই ডেকাচাঙৰ মুখ্য বিষয়া। এওঁলোকেই নিজৰ নামত ডেকাচাঙৰ খুটা দান দিব লাগে। চাঙত খুটা ব্যৱহাৰ কৰোঁতেও এওঁলোকৰ সামাজিক মৰ্যাদা অনুপাতে পোতা হয়। সন্মুখৰ প্ৰথম খুটাটো চাংদলৈৰ নামত চাংঘৰত লগোৱা হয়, দ্বিতীয়টো চাংমাজি আৰু তৃতীয় খুটাটো সৰুমাৰ নামত চাংঘৰত লগোৱা হয়। সেইদৰে থুনাখুটাৰ গছ কাটোঁতেও প্ৰথম চাংদলৈৰ খুটাটোৱেই কাটি অনা হয় আৰু তাকো বুধবাৰৰ দিনা। ক্ৰমান্বয়ে পিছৰ বুধবাৰকেইটাত চাংমাজি আৰু সৰুমাৰ খুটা দুটা অনা হয়।

চামাদিৰ থুনাখুটা কটা নিয়ম :

আগেয়ে জেলাই ডেকাসকলক গাঁৱৰ এমুৰৰ নিজঞ্জাল ঠাইত অথবা চাংঘৰ নিৰ্মাণৰ ঠাইৰে কোনো এচুকত এটি পঁজা সাজিবলৈ নিৰ্দেশ দিয়ে। তাতে থাকি গুৰুখেলৰ লোকসকলে নীতি-নিয়ম সহকাৰে উপবাসপূৰ্বক থুনাখুটা চাঁচি তাত ফুল আদি অংকন কৰে। গুৰুখেলৰ যিকেইজন বাঢ়েয়ে এই কাম কৰিব লাগে, তেওঁলোকৰ বাবে সাজপানী যতনাই দি ডেকাসকল ঘৰলৈ গুচি আহে। তাত তেওঁলোকৰ অন্য কৰণীয় কাম একো নাথাকে। থুনাখুটা কটাত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়। মানুহ সৌন্দৰ্যৰ সাধক। সেইবাবে থুনাখুটাত নানাৰকমৰ ফুল আদি কটা হয়—এই কথা সকলোৱে একমুখে স্বীকাৰ কৰিছে। খুটাৰ খাজৰ পৰা মালাৰ দৰেও অংকন কৰে। থুনাখুটাৰ চ'তিত স্ত্ৰী স্তনাদি অংকন কৰা হয়। কিয় এই স্তন অংকন কৰা হয়, তাৰ সাৰমৰ্ম এনেধৰণৰ :

চাংদলৈ আৰু সৰুমাৰ খুঁটা দুটাৰ ওপৰত থকা চ'তি দুটাতহে স্ত্ৰীৰ স্তন অংকন কৰা হয়। চাংমাজিৰ খুঁটাত কৰা নহয়। তাৰ পৰাই প্ৰজনন প্ৰতীকৰূপে এই কথা প্ৰতীয়মান হৈছে। চাংমাজিৰ খুঁটাতো পুৰুষ আৰু আন দুটা খুঁটা স্ত্ৰীৰ প্ৰতীক বুলি ধৰা হয়। প্ৰথম আৰু তৃতীয় খুঁটাটোত বেতৰ সুতেৰে মালা গাঁঠি আঁৰি দিয়া হয়। চামাদিত স্ত্ৰীৰ প্ৰৱেশ নিষেধৰ কথাষাৰ আগতে উনুকিওৱা হৈছে; তাৰ কাৰণো এইখিনিতে অলপ ব্যাখ্যা কৰা প্ৰয়োজন।

চাৰিভাই চাৰিকৰাৰ সভাত সকলোৱে যোগদান কৰি একেলগে খেল-চোং পাতি খেতি-পথাৰ কৰাৰ সিদ্ধান্ত লৈছিল। তদনুপাতে বাৰজন ডেকা আৰু বাৰগৰাকী গাভৰুৱে দেৱতাৰ লগত একেলগে খেতিপথাৰ কৰিলে। পাহাৰৰ দাঁতি-কাষৰত তেওঁলোকে খেতি-বাতি কৰি আগবাঢ়িল। প্ৰত্যেক পাহাৰতে দেও পূজাৰ অৰ্থে একোখনকৈ থানো পাতি আহিছিল। সেইবাবেই পাহাৰ অঞ্চলত লালুঙৰ থান দেখাৰ। তেওঁলোকে হিমালয় পৰ্বততে প্ৰথম খেতি-বাতিৰ পাতনি মেলে বুলি প্ৰচলিত কিংবদন্তিত পোৱা গৈছে। একাদিক্ৰমে কেইটামান পাহাৰ আৰু থানৰ তালিকা দিয়া হৈছে—মাখা ক'জা (হিমালয়), মাখা খজম্, মাধপাৰা, খৈদাতলি (তেগগুা) বৰনদী, বৰথল, বসুন্ধৰী, নুনাইফাটা, খুলচিংমাখা, নৰচিং পাহাৰ, চেৰাচেৰি, দলাদলি, বৰ্‌চিৰ্‌লা, বৰলেমফ্ৰা, বৰথংৰা, সৰু থংৰা, বালাকোঁৱৰ, লাইচৰ কোঁৱৰ, মাঠাল্‌বাৰ', মাঠাল্ পিছা, লোচুকুঁৱৰী, চামাইমাৰি, বিষ্টুৰি, কেঁচাইখাতী, থাল্‌লিয়া, থলৰীয়া ইত্যাদি পাহাৰত একোখনকৈ থান বিদ্যমান। এইদৰে বিভিন্ন পাহাৰৰ দাঁতি-কাৰৰ অঞ্চলত খেতি-বাতি কৰি ফুৰোতে এহাল তিৰো ডেকা-গাভৰুৰ অবৈধ সম্পৰ্কত এটি কেঁচুৱাৰ জন্ম হ'ল। মাকে কেঁচুৱাটোক এটি জাপিৰ ওপৰতে শুৱাই কামত ব্যস্ত হ'ল। যি ঠাইত কেঁচুৱাৰ জন্ম হ'ল সেই পাহাৰৰ নাম বিষ্টুৰি। কেঁচুৱাটো কান্দি কান্দি অদৃশ্য হ'ল। কামৰ পাছত সিহঁতে কেঁচুৱাৰ বিচাৰ ল'লে। কেঁচুৱাটো মাটিৰ তলেদি সোমাই গ'ল আৰু তাৰ কান্দোনহে মাত্ৰ শুনিবলৈ পোৱা গ'ল। কেঁচুৱাটো বিচাৰি নাপাই সিহঁতে তাক ৰৌ মাছৰ আকৃতিৰে এটি জন্তু হ'বলৈ শাওঁ দিলে। লগতে এইটোও শাওঁ দিলে যে এৰাতিৰ ভিতৰতে বাৰটাকৈ গাঁত খান্দিব লাগিব নহ'লে তাক বাঘে খাব। যদিও 'কস্তুৰিমাদি কোৱা হংগা, থেব' নাখ' বিচাৰি মানিয়ামাং, না লিবুঙে হিচাব' তাথাইদং। না কিছা মালেগদাৰা জন্তু হংদং। না ৰৌঙানে খদামা হংদং। মন' ৰাখেনা, হৰচানে ভিতৰ' বাৰ'থা গাঁত খোলা ফন্দং। বে'গল' ফনীয়া কাইদ' নাখ' মেছাল' ছিদং।' এইদৰে বধ-শপত দি তেওঁলোকে একেবাৰেই বয়সত সৰু ডেকা-গাভৰুহালক নমৰিবলৈ আৰু সিহঁতৰ এই দুৰ্ঘটনা জনসমাজত প্ৰচাৰ কৰিবলৈ উপদেশ দিলে। লগতে দেও পিতৃসকলৰ লগত কৰা খেতি-বাতিৰ অভিজ্ঞতা আৰু নীতি-নিয়মসমূহ মানুহৰ সমাজত প্ৰচাৰৰ বাবে উপদেশ দিলে। তাৰ পাছত তেওঁলোকে যোৰা যোৰাকৈ ওখ পাহাৰ এটাৰ পৰা (খুলচিং মাখা) তলৰ এটি বৃহৎ হ্ৰদত জঁপিয়াই আত্মহত্যা কৰিলে। এই দুৰ্ঘটনাৰ পৰাই চাংঘৰত ডেকা-গাভৰুৰ বসবাস নাইবা একেলগে ঝুমখেতি কৰাৰ প্ৰথা উঠি গ'ল। চাংঘৰত কেৱল ডেকাসকলৰহে একচেটিয়া আধিপত্য থাকিল। তেওঁলোকে সেইবাবে আত্মবিনোদনৰ বাবে ডেকাচাঙত স্ত্ৰীঅংগ অংকিত কৰি ঐহিক তৃপ্তি সাধন কৰিছিল বুলি অনুমান কৰা হৈছে। নেলী ৰাজবংশৰ পদ্য বুৰঞ্জীত এই কথাৰ কিছু আভাস পোৱা যায়। মহাদেৱে এসময়ত ধ্যানমগ্ন অৱস্থাত থাকোতে পাৰ্বতীয়ে কাম ভাবৰ দ্বাৰা আকৃষ্ট হৈ কিবা কথা সোধাত তেওঁ একো উত্তৰ নিদিলে। তাতে পাৰ্বতী ৰুষ্ট হ'ল। মহাদেৱক সেইবাবে মৃদু ভৰ্ৎসনা কৰিলে।

মহাদেৱে নিজৰ প্ৰমথসকলক লগত লৈ দক্ষিণ কূললৈ গুচি গ'ল। তাত থকা প্ৰমথসকলে বছৰজুৰি নিজৰ পৰিয়ালবৰ্গৰ পৰা আঁতৰি থকাত তেওঁলোকৰ বাসগৃহত স্ত্ৰীঅংগ অংকিত কৰি যৌন পৰিতৃপ্তি সাধন কৰিছিল বুলি ভবা হৈছে। অন্যান্য আৰু কিবা গূঢ় ৰহস্য থাকিলেও এইটো ঠিক যে চামাদিৰ চ'তিত অংকন কৰা স্তনবিলাকৰ দ্বাৰা প্ৰজনন দিশৰেই ই প্ৰতিনিধিত্ব কৰিছে। তিৱাসকলে চামাদিত পালন কৰা 'ৱানছাৱা' উৎসৱতো এই জনসংখ্যা বিস্ফোৰণৰ বাবে সাৰিভাই চাৰিকৰাক স্তুতি-মিনতি কৰা মন্ত্ৰই তাৰ সাক্ষী দিয়ে—

> 'ঐ চাৰি ভাই চাৰিকৰাণে নেম্ কাৰাজাং;
> কুৰু লাম্ফা ৰাজানে নেম্ ৰমে থাইদং।
> কুৰুনে খামলি মিঠলাজাং
> কুৰুনে ভখ্ৰা মিঠলাজাং
> চাৰি ভাইনে মাঠি থাৱা মানা, ছংঠাৱা মানা
> চাম্ফৰানে নেম্ লম্ফৰ ফ'ৰানে নেম
> জিঙে লোক বাৰেণা, ফৰজা বাৰেণা
> ছা বাৰেণা, তিৱাৰেণা, ঐ চাৰি ভাই চাৰিকৰা।।' ইত্যাদি।

আনহাতে চামাদিৰ থুনাখুটাৰ আকৃতি আৰু চামাদিৰ এটি তান্ত্ৰিক দিশো পৰিলক্ষিত হৈছে। চামাদিৰ থুনাখুটাৰ আকৃতি পুৰুষাংগৰ দৰে; ই লিংগৰ প্ৰতীকস্বৰূপ।

চামাদিত ব্যৱহৃত এই থুনাখুটাক 'মিন্দাইনে থুনা' বোলে। মিন্দাই শব্দৰ অৰ্থ অনন্ত। ই শিৱলিংগৰ প্ৰতীক। শিৱ মংগলময়। এই শিৱলিংগই চামাদিৰ চালখোৰ ধৰি ৰাখি ইয়াৰ বাসিন্দা সমস্ত তিৱাক (জীৱকুলকে) প্ৰাকৃতিক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিছে। চামাদিৰ বেৰ নাইকিয়া কথাটি ইয়াকো ইংগিত দিয়ে যে মহাদেৱ দিগম্বৰ; গতিকে ইয়াৰ বাসিন্দাসকলেও তেওঁলোকৰ মূল ঈশ্বৰৰ এই গুণটিৰ সন্মানাৰ্থে চামাদিত বেৰ দিয়াৰ প্ৰয়োজন বোধ নকৰে।

চামাদি সম্বন্ধে ঐতিহাসিক আৰু সামাজিক দৃষ্টিভংগী :

তিৱা সমাজত চামাদিৰ প্ৰয়োজনীয়তা সম্বন্ধে সামাজিক মূল্যবোধৰো বৰ্ণনি ভথাপাতি পোৱা গৈছে। কৃষিকাৰ্যৰ মূল ভেটি হিচাপে চাৰিভাই চাৰিকৰাই দি যোৱা এই ডেকাচাং কৃষিকাৰ্যকলাপৰ মূল ভেটি। প্ৰায়বোৰ অনুষ্ঠানেই ইয়াত অনুষ্ঠিত হয়। ঐতিহাসিক দৃষ্টিভংগীৰে চাবলৈ গ'লে চামাদিক একোখন গাঁও অথবা এখন ক্ষুদ্ৰ ৰাজ্যৰ শান্তিৰক্ষাকাৰী চকীও বুলিব পাৰি। তিৱা লোকসকল ক্ষত্ৰিয় কুলৰ। এসময়ত তেওঁলোকৰ ৰজাও আছিল। নীতি-কাৰবৰ অন্যান্য গোষ্ঠীয়ে গাঁও বা ৰাজ্য আক্ৰমণ কৰিলে তাক প্ৰতিৰোধ কৰিবলৈও ডেকাসকলে যাতে আগেয়ে সাৱধান কৰিব পাৰে তাৰ বাবেই এই চামাদি বা ডেকাচাং নিৰ্মাণ কৰা বুলি ক'লেও অত্যুক্তি কৰা নহয়। চামাদি তিৱাসকলৰ এটি প্ৰতিৰক্ষামূলক ব্যৱস্থাৰ অনুষ্ঠান বুলিও ক'ব পাৰি।

সামাজিক দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে ই এটি শিক্ষামূলক অনুষ্ঠান। ইয়াত কেৱল ডেকাসকলে অৱসৰ বিনোদন কৰিবলৈকে সজা অনুষ্ঠান বুলি ভবা নহয়। ইয়াত গাৰ্হস্থ্য জীৱনৰ প্ৰয়োজনীয় সা-সঁজুলি আদি তৈয়াৰ কৰাৰ বাহিৰেও নৃত্য-গীত আদিৰ চৰ্চা কৰা হয়। অধুনা তিৱাসকলৰ পূৰণি কৃষ্টিসমূহ এই চামাদিয়েই ৰক্ষা কৰি আহিছে বুলি ক'লেও বঢ়াই কোৱা নহয়। তৈয়ামৰ তিৱাসকলে

নিজস্ব কৃষ্টিৰ ভালেখিনি বিস্মৃতিৰ গৰ্ভত জলাঞ্জলি দিছে। এওঁলোকে তিৱা ভাষা একেবাৰে নাজানে বুলি ক'লেও বঢ়াই কোৱা নহয়। ভৈয়ামৰ বয়োবৃদ্ধসকলৰ মাজতহে ভাষাৰ ব্যৱহাৰ কম-বেছি পৰিমাণে আছে। সামূহিক কাম-কাজ আদিত তিৱা ডেকাচাঙৰ এটি বিশেষ অৱদান আছে। চাংনিৱাসী ডেকাসকলে সামূহিকভাৱে আঁৰ কটা, ঝুমখেতি কৰা আৰু গাঁৱৰ সামূহিক কাম-কাজত তেওঁলোক যেনিবা একোটাইঁত যন্ত্ৰহে। আজিকালিৰ সমবায় পদ্ধতিটো তিৱা ডেকাচাঙৰ সামূহিক কাৰ্যৰ অনন্যৰূপ যেন বিবেচিত হয়, কিয়নো সকলো অৱস্থাৰ লোকেই গাঁৱত এই ডেকাচাঙৰ ডেকাসকলৰ সহায়-সহানুভূতিৰ দ্বাৰা পৰিপুষ্ট। ডেকাচাঙত থকা তিৱা ডেকাসকলক সেইবাবেই সমাজৰ এটি সাৰ্বজনীন সম্পত্তি বুলি ধৰা হয়। তেওঁলোকে দিনৰ ভাগত নিজৰ ঘৰত কাম-বন কৰিলেও সমাজভিত্তিক কামত ব্যস্ত থাকিলে ঘৰলৈ যোৱা মানা। শ্ৰাদ্ধ, অশৌচ, পূজা, আঁৰ কটা, খেৰ কটা, ছগ্ৰা, ৱানছাৱা, খেলছাৱা আদি উৎসৱত সমূহীয়াভাৱে ৰাইজৰ লগতেই ব্যস্ত থাকিব লগা হয়। ঝুমখেতি (Shifting Cultivation) হ'ল দলগত প্ৰথাৰে কৰা কৃষিকৰ্ম। ইয়াত ডেকাসকলে দল বান্ধি খেতি কৰে। লগতে যুৱতীবিলাকেও বেলেগে ঝুমখেতি কৰা দেখিবলৈ পোৱা যায়।

চামাদি স্থাপন আৰু চামাদি লোৱা নিয়ম ঃ

গুৰুকুলে চামাদিৰ থুনাখুঁটা প্ৰস্তুত কৰাৰ লগে লগে গাঁৱৰ অন্যান্য ডেকা-বুঢ়া সকলোৱে মিলি চামাদিৰ মাৰলি, অন্যান্য খুঁটা আৰু ৰুৱা-কামি চাঁচি চাল গাঁঠি প্ৰস্তুত কৰে। মিন্দাই থুনা প্ৰস্তুত হোৱাৰ পাছত এটা মঙলবাৰে সকলোৱে মিলি চাং প্ৰস্তুতিৰ জাননী দিয়ে। এই কাৰ্যৰ বাবে ৰাজহুৱাকৈ সাজ দিয়াৰ উপৰি ডেকাচাঙৰ তিনিওজন বিষয়াই বেলেগে ৰাইজক সাজপানী দিয়াৰ নিয়ম। পিছদিনা বুধবাৰে চাৰিভাই চাৰিকৰা আৰু মহাদেউক স্তুতি কৰি প্ৰথমেই চাংদলৈৰ খুঁটাটো মাটিত পোতে। তিনিটা ৰঙা কুকুৰা কাটি চামাদিৰ মংগলাৰ্থে খুঁটা পোতা হয়। ইয়াৰ পাছত চাংমাজি আৰু সৰুমাৰ খুঁটা স্থাপনত ক্ৰমে দুটা আৰু এটাকৈ চৰাই দেৱতাক উছৰ্গা কৰা হয়। এই সমস্ত কাম শেষ হোৱাৰ পাছত এটা বুধবাৰ চাই চাংপাট লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

চাং লোৱাৰ সময়তে 'ৱানছাৱা' উৎসৱ পতাৰ সিদ্ধান্ত হয় আৰু ওচৰৰ গাঁৱৰ লোকসকলকো এই উৎসৱলৈ নিমন্ত্ৰণ কৰে। এই উৎসৱ প্ৰথমে পালন কৰাৰ পাছত প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে পতা হয়। নতুন চাঙত নতুনকৈ ডেকা তোলা এটি ডাঙৰ উৎসৱ। চাৰিটা ডাঙৰ গাহৰি মাৰি সমগ্ৰ ৰাইজে 'ৱানছাৱা' উৎসৱ পাতি ডেকাচাং লয় আৰু চাৰিভাই চাৰিকৰা আৰু মহাদেউ স্তুতিৰে চামাদি মুখৰিত হৈ পৰে। নতুনকৈ এইদৰে চামাদি লোৱাৰ সময়তে সমস্ত ৰাইজক চামাদি সৃষ্টিৰ বিষয়ে আৰু তিৱাসকলৰ উপৰিপুৰুষৰ নীতি-নিয়ম সম্পৰ্কে তেওঁলোকে দি যোৱা সমগ্ৰ কৃষ্টি- সংস্কৃতিৰ কথা দোহাৰি মন্ত্ৰ আৰু গীতেৰে দেও-পিতৃসকলৰ পূজা কৰে।

চামাদি সম্বন্ধে জানিবলগীয়া অতিৰিক্ত তথ্য ঃ

চামাদিৰ প্ৰধান বিষয়া চাংদলৈ। তেওঁৰ কাৰ্যকাল খুব বেছি দুটা বা তিনিটা 'ৱানছাৱা' উৎসৱ। এই কথা উনুকিয়াই অহা হৈছে যে এটা 'ৱানছাৱা' উৎসৱ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰেহে পতা হয়। ইতিমধ্যে জনা গৈছে যে চামাদিৰ মুখ্য বিষয়ববীয়াসকলে পূৰ্বাপৰ ৰীতি-নীতিৰ বিৰূপ কাৰ্য কৰিলে তেওঁলোক হেনো বেছিদিন জীয়াই নাথাকে। এয়া পূৰ্বাপৰ বিশ্বাস।

'ৱানছাৱা' আৰু 'ছগ্ৰামিছাৱা' উৎসৱহে চামাদিত অনুষ্ঠিত হয়। ডেকাসকলক গীত-মাত আদিৰ

শিক্ষাও ইয়াতে দিয়া হয়। গাৰ্হস্থ্য জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা আদি ইয়াতে দান কৰা হয়। গাঁৱৰ বিবাদ আদিও চামাদিতে বিচাৰ কৰা হয়। কিবা উৎসৱ বা অন্যান্য গুৰুত্বপূৰ্ণ আলোচনাও চামাদিতে কৰা হয়। চামাদিৰ ফালে মুখ কৰি শৌচ নাইবা প্ৰস্ৰাৱ কৰা নিষেধ। তেনে কৰিলে কিবা অপায়-অমংগল হয় বুলি বিশ্বাস কৰে। তিৱাসকলৰ চামাদিৰ চাংঘৰৰ তলত কুকুৰা-গাহৰি পোহা প্ৰথা নাই। চামাদিত নৃত্য-গীতৰ অৰ্থে অহা কৃষ্টিদলসমূহে তেওঁলোকৰ তিৱা জাতীয় পোছাক 'টাগলা' ব্যৱহাৰ কৰিব লাগে। ডেকাচাঙত কৃষ্টিৰ সঁজুলিবোৰ, যেনে— খ্ৰাম, খ্ৰামখৰ, জংখং খ্ৰাম, পাংচি, থোৰাং আদি সযতনে থোৱা হয়। চিকাৰ কৰাৰ বাবে ব্যৱহৃত জাল আদি সমজুৱা সম্পত্তি। সেইবোৰ কোনো ব্যক্তিবিশেষৰ ঘৰত ৰখা নিয়ম নাই। এই সমুদায় বস্তু-বাহানি চামাদিতে সংৰক্ষণ কৰি ৰখা হয়।

চামাদিত থকা ডেকাসকলে পৰম্পৰাগতভাৱে চলি অহা নীতি নিয়ম মানি চলিব লাগে। চাংদলৈ, চাংমাজি আৰু সকমাৰ আদেশ-নিৰ্দেশ সৰ্বদাই পালনীয়। কোনোজনে ইয়াৰ ব্যতিক্ৰম কৰিলে কঠোৰ শাস্তি ভোগ কৰাৰ উদাহৰণ আছে। ডেকাচাঙৰ বিময়াসকলে লখৰৰ (সেনাপতি) নিৰ্দেশ মতে সমাজৰ সমস্ত দিশত ডেকাসকলক প্ৰতিনিধিত্ব কৰে। সেইবাবে তিৱা ডেকাচাং এটি আদৰ্শমূলক অনুষ্ঠান।

তিৱা সম্প্ৰদায়ৰ কৃষ্টি-সংস্কৃতি লেখতল'বলগীয়া। কৃষিজীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত পূজা আৰু উৎসৱসমূহ একাধাৰে প্ৰশংসনীয়। কৃষিকৰ্মৰ বাবে প্ৰথমে কৰা জংখং পূজা আৰু উৎসৱ, দ্বিতীয় পৰ্যায় হিচাপে আঁৰ কটা, কোৰ মৰা, তৃতীয় পৰ্যায়ত মাইৰখালানে গীত আৰু উৎসৱ শেহত 'ছগ্ৰামিছাবা' বা বসন্ত উৎসৱ— এই সকলো কৃষিভিত্তিক। জংখং পূজা উৎসৱত চাৰিভাই চাৰিকৰা দেৱতাক কৃষিৰ বাবে উপযোগী মাটি, নাঙল-যুঁৱলি, কঠীয়া আদি প্ৰস্তুত কৰিবলৈ, জান-জুৰিত পানী হ'বলৈ কৰা স্তুতি মিনতিৰ গীতবোৰ শুনিলে ভগবানৰ প্ৰতি এনেয়ে ভক্তি ওপজে। শ্ৰাদ্ধ, অশৌচ, শনিপূজা, মালঠাকুৰ পূজা আদিও তিৱাসকলৰ কৃষ্টিৰ বাহক। ইয়াৰ অনুশীলন নকৰা বাবেই সস্তীয়া পশ্চিমীয়া কৃষ্টিৰ বাবে আকাৰত খেপিয়াই ফুৰিব লগা হৈছে।

তিৱা ডেকাচাঙে সাংগঠনিক দিশত, কৃষ্টিৰ দিশত যেনে ভূমিকা গ্ৰহণ কৰিছিল আৰু এতিয়াও কৰি আছে—সমাজৰ ঐক্য সাধনত যেনে পদক্ষেপ লৈছিল বা লৈছে—তেনে এটি বিশিষ্ট অনুষ্ঠানৰ অৱদানৰ প্ৰতি গভীৰভাৱে অধ্যয়ন কৰা প্ৰয়োজন। সমাজ এখন সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত, সংহতি বজাই ৰখাৰ ক্ষেত্ৰত ডেকাচাঙৰ অৱদান অতুলনীয়। তিৱা সমাজ সংগঠনত সেইবাবেই ডেকাচাঙৰ বৈশিষ্ট্য অন্যতম আৰু ইয়েই সমস্ত সামাজিক অনুষ্ঠানৰ ভিতৰত প্ৰধান বুলি গণ্য কৰা হৈছে।

---

* সদৌ অসম ট্ৰাইবেল সংঘৰ স্মৃতিগ্ৰন্থৰ (১৯৭৭)ৰ পৰা পুনৰ্মুদ্ৰিত—সম্পাদক

মিচিংসকলৰ মুৰংঘৰৰ ঐতিহ্য আৰু নৃত্য উৎসৱ

ইন্দ্ৰেশ্বৰ পেগু

বছৰৰ বিভিন্ন ঋতুত প্ৰকৃতিয়ে বিভিন্ন ৰূপ লয়। এই ৰূপে মানুহৰ প্ৰাণত শিহৰণ তোলে। মানুহৰ মনৰ হেন্দোলনিবোৰে প্ৰকাশ লভে সামাজিক প্ৰথা, জীৱন-ধাৰণ পদ্ধতি আৰু উৎসৱ-অনুষ্ঠানৰ মাধ্যমেৰে। অতীতত মিচিংসকলে নদী, উপনদীক কেন্দ্ৰ কৰিয়েই বাস কৰিছিল। সেয়েহে অতীজৰে পৰা মিচিংসকলৰ জীৱন আৰু জীৱিকাৰ আধাৰ হ'ল হাবি-বন, পাহাৰ, উপত্যকা আৰু নৈবিলাক। এই হাবি আৰু পাহাৰবোৰৰ পৰা খাদ্য সংগ্ৰহ কৰা, নদী তথা বিলৰ পৰা মাছ, কাছ, পানীত থকা জন্তু ধৰা, পাহাৰৰ হেলনীয়া ঠাইবিলাকত কৃষিৰ কাম কৰা আদিয়েই তেওঁলোকৰ প্ৰধান জীৱন আৰু জীৱিকা আছিল। প্ৰচুৰ বৰষুণ, নৈৰ পাৰত বসতি, বানপানী, ভূমিকম্প আদি কাৰণতেই মিচিংসকলে গৃহ-নিৰ্মাণ কাৰ্য বৈশিষ্ট্যপূৰ্ণ ৰীতিৰে কৰে। তেওঁলোকে চাংঘৰত বাস কৰে। আৰু সেই একে কাৰণতেই মিচিংসকলৰ ৰং-আনন্দৰ কেন্দ্ৰস্বৰূপ মুৰংঘৰো চাংঘৰ হ'ল।

মুৰংঘৰৰ মূল শব্দ 'মুৰং'ৰ উচ্চাৰণ আচলতে 'মৃৰং'হে (মৃ=ম+অ্; অ্, মিচিংসকলে উচ্চাৰণ কৰা উচ্চকেন্দ্ৰীয় ধ্বনিৰ অসমীয়া ধ্বনিলিপি)। মিচিংসকলে মিচিং শব্দবোৰ লিখিবলৈ আৰম্ভ কৰাৰে পৰা 'মৃৰং'ৰ সৰলীকৃত ৰূপ—'মুৰং' বা 'মুৰংঘৰ' প্ৰচলিত হ'বলৈ ধৰিলে। অনেক পণ্ডিতৰ মতে 'ম-ৰং' শব্দৰ পৰাই 'মৃৰং' বা 'মুৰং' শব্দটো আহিছে। 'ম-ৰং' শব্দৰ অৰ্থ উদং বা মুকলি। মুৰংঘৰত বেৰ নাথাকে, ই এক মুকলি চাংঘৰ।

মুৰংঘৰ গাঁৱৰ সোঁমাজত নাইবা যিকোনো এমূৰত মুকলি ঠাইত পূবা-পশ্চিমাকৈ নিৰ্মাণ কৰা হয়। মুৰংঘৰ সাধাৰণতে কাঠ-বাঁহ-বেতেৰেই সজা হয়। ই প্ৰায় চল্লিছ-পঞ্চাছ ফুট দীঘল, প্ৰায় বিছ ফুট বহল আৰু পাঁচ ফুট ওখ। দুকাষে দুশাৰী কাঠৰ খুঁটা পুতি চ'তি মাৰলিৰ সহায়ত দুচলীয়া খেৰৰ চালেৰে মুৰং সাজে। সোঁমাজত থাকে এটা শকত ঘাই খুঁটা। খুঁটাবোৰ কুন্দত কটাৰ দৰে ঘূৰণীয়াকৈ শৰাই চানেকীয়াকৈ চঁচা, চ'তিবোৰত ফুল কাটি সজোৱা হয়। ওখ চাংখন ধৰি ৰাখিবলৈ তিনিশাৰী খুঁটা

পোতে আৰু তাৰ ওপৰত বাঁহৰ পাঁচ তৰপ দি চাংখন সম্পূৰ্ণ কৰা হয়। সেইদৰে কাঠৰ চ'তি-মাৰলিৰে ওপৰতো পাঁচ তৰপ দি সম্পূৰ্ণ কৰা হয়। চাঙৰ আগফালে এটা আৰু পাছফালে এটাকৈ গোটীয়া জখলা থাকে। জখলাত খোপৰ সংখ্যা পাঁচ বা সাত হ'ব লাগে। চাঙৰ কোনোফালে বেৰ নাথাকে।

নৈৰ পাৰ আৰু গাঁওখনক প্ৰতিনিধিত্ব কৰা মুৰংঘৰৰ অৱস্থিতিয়ে গাঁওখনৰ সৌন্দৰ্য আৰু সৌষ্ঠৱ বৃদ্ধি কৰে। খুঁটা, চ'তি আদি য'তে সুবিধা হয় ত'তেই চিত্ৰকলাৰ বিচিত্ৰ কাৰুকাৰ্য অংকন কৰা হয়। সাধাৰণতে জোন, বেলি, তৰা, হাতী, বাঘ, চৰাই, জেঠী আদিৰ লগতে ঔমাছৰ আকৃতিৰ শুঁৰ থকা দুটা প্ৰতিকৃতি অংকন কৰে। বহুতে ইয়াক 'বিৰ্বিবিক' বোলে। কিংবদন্তিৰ মতে ই এক দৈত দেৱতা, শস্য আৰু মৎস্যৰ অধিকাৰী। অনেকে ইয়াক 'কজে-য়াংগ' নামৰ ঐশ্বৰ্যৰ অধিকাৰী দেৱীৰ প্ৰতীক 'মচন্দৰি'ৰ এক কাল্পনিক চিত্ৰ বুলিয়ো কয়। দুই-এজন পণ্ডিতৰ মতে ই তিব্বতত এৰি থৈ অহা দিনৰ কোনোবা ড্ৰেগনৰ মূৰ্তি। অন্যান্য ৰেখাচিত্ৰসমূহত বগা, হালধীয়া, নীলা, ৰঙা বং সানি জাকজমকীয়া কৰি তোলে। মুৰংঘৰৰ মূধচত খেৰৰ মুঠিৰে এবিধ চানেকি বা ডিজাইন প্ৰস্তুত কৰে যিটো মানুহ থকা ঘৰত দিয়া নহয়। গাঁৱৰ সকলো লোকে সামূহিকভাৱে মুৰংঘৰ নিৰ্মাণ কৰে। ই মিচিং সাংস্কৃতিক জীৱনৰ ৰঙ্গমঞ্চ। গাঁৱৰ বিচাৰালয় 'কেবাং' (কীবাং : ক - ঐ . ঐ, মধ্য কেন্দ্ৰীয় মিচিং ধ্বনিলিপি) মুৰংঘৰতেই অনুষ্ঠিত হয়। অন্য সময়ত গাঁৱৰ ডেকাসকলে ৰাতি মুৰংঘৰতেই শোৱে। সকলো ডেকাই এইদৰে একত্ৰভাৱে থকাৰ কাৰণে গাঁৱত চোৰ-ডকাইত আদি সোমাব নোৱাৰে, তেওঁলোকেই গাঁৱৰ প্ৰতিৰক্ষাৰ কাম কৰে। অতীতত মিচিং ডেকাসকল মাক-দেউতাকৰ সৈতে একেখন ঘৰত শোৱাটো নিয়মৰ বাহিৰত আছিল। দিনৰ দিনটো হাড়ভঙা পৰিশ্ৰমৰ অন্তত তেওঁলোকে ৰাতি সমূহীয়াকৈ মুৰংঘৰত শুবলৈ যায়। সেইকাৰণে মুৰংঘৰৰ আন এটা নাম 'ডেকাচাং'। এইদৰে ডেকাসকলে সমূহীয়াভাৱে একতা, দায়িত্ব, পৰস্পৰ ভাব-বিনিময় আৰু গাঁৱৰ নিৰাপত্তা দিয়াত অগ্ৰগতি লাভ কৰে। তদুপৰি এই প্ৰথাই শৃংখলাবদ্ধ সামাজিক নীতি ৰচনাত প্ৰভূত সহায় কৰে। অৱশ্যে বিবাহ হোৱাৰ পাছত ডেকাইতে মুৰঙৰ পৰা মুক্ত হৈ নতুন পাৰিবাৰিক জীৱনৰ পাতনি মেলে। উল্লেখযোগ্য বিষয় এই যে মুৰংঘৰক কেৱল মনোৰঞ্জনৰেই থলী বুলি ক'ব নোৱাৰি; মিচিংসকলৰ সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক জীৱনত মুৰংঘৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। কিয়নো সাধাৰণ বিচাৰ-সভা কেবাঙৰ উপৰি সমাজৰ যিকোনো বিষয়ৰ উন্নয়ন আৰু বিকাশৰ বিষয়ে আলোচনা আদিও এই মুৰংঘৰতেই কৰা হয়। ইয়াৰ জৰিয়তে সংস্কৃতি, পৰম্পৰা, ধৰ্ম বিশ্বাস আৰু আৰ্থিক বিষয়ত নতুন শিক্ষা লাভ কৰিব পাৰে। সমাজৰ সকলো লোকৰ মাজত সামূহিক জীৱন, পাৰস্পৰিক স্নেহ, মিলা প্ৰীতি আদি নৈতিক শিক্ষাবোৰ মুৰংঘৰৰ জৰিয়তে পোৱা যায়। গতিকে মুৰংঘৰক মিচিং সমাজৰ ন্যায়ালয় আৰু শিক্ষাকেন্দ্ৰ হিচাপেও অভিহিত কৰিব পাৰি।

মুৰংঘৰৰ সৈতে ওতপ্ৰোতভাৱে জড়িত মিচিংসকলৰ প্ৰধান উৎসৱ হ'ল 'পঃৰাগ'। আহিন-কাতি বা ফাগুন-চ'ত মাহত খেতি চপাই এই উৎসৱ পালন কৰা হয়। ধানৰ নৰা ছিগাৰ সময়ত পতা বাবে বহুতে এই উৎসৱক 'নৰাছিগা বিহু' বুলিও কয়। নাট্যানুষ্ঠানৰ বাবে নাট্যশালাৰ যিদৰে প্ৰয়োজন, পঃৰাগ্ উৎসৱৰ বাবেও মুৰংঘৰৰ প্ৰয়োজনীয়তা সিমানেই আছে। এবাৰ ব্যৱহাৰ কৰা মুৰঙত দুনাই পঃৰাগ্ নাপাতে। সেইকাৰণে পঃৰাগ্ উৎসৱৰ বাবে প্ৰতিবাৰেই নতুনকৈ মুৰং সাজি উলিয়ায়। অৱশ্যে আজিকালি সামগ্ৰীৰ অভাৱত বহুতে স্থায়ী পদ্ধতিৰে মুৰংঘৰ সাজি তাতে বাৰে বাৰে

পঃৰাগ্ উৎসৱ পাতিবলৈ লৈছে। সৃষ্টিকৰ্তা, মাতৃ-পৃথিৱী তথা পূৰ্বপুৰুষসকলক তুষ্ট কৰিবৰ উদ্দেশ্যে এই উৎসৱ পালন কৰা হয়। এই উৎসৱ গাঁৱৰ ডেকা-গাভৰুসকলৰ নেতৃত্বত অনুষ্ঠিত হয় কাৰণে হাঁহি ৰং-উলাহ-আনন্দৰ মাজেদি পতা হয়। 'আলিয়াই লিগাঙ'ৰ দৰে এই উৎসৱতো প্ৰচুৰ গীত-মাত-নৃত্যৰ আয়োজন হয়।

পঃৰাগ্ উৎসৱ পাতিবলৈ হ'লে এবছৰমানৰ আগৰ পৰাই ইয়াৰ আয়োজন আৰম্ভ কৰিব লাগে। আয়োজন আৰম্ভ হোৱাৰ লগে লগে গাঁৱৰ ডেকা-গাভৰুৰ মাজত উখল-মাখল লাগি পৰে। পুঁজি সংগঠনৰ বাবে ডেকা-গাভৰুসকলে 'দাগ্‌লেগ্' (দাগ্‌লীগ্) আয়োজন কৰে। দাগ্‌লেগ্ প্ৰথামতে গাঁৱৰ কোনো এঘৰৰ নিৰ্দিষ্ট কামৰ বাবে প্ৰত্যেক ঘৰৰ পৰা একোজন মানুহ ওলাই আহে। যিকোনো ঘৰেই যিকোনো কামৰ বাবে দাগ্‌লেগ্ মাতিব পাৰে; কোৰ মৰা, হাবি কটা, হালবোৱা, ধানদোৱা আদি যিকোনো জৰুৰী কামৰ বাবে দাগ্‌লেগ্ লগাব পাৰে। কাম কৰি দিয়াৰ বাবদ গৃহস্থই দাগ্‌লেগক নিৰ্দিষ্ট নিৰিখত ধন বা ধান দিব লাগে। ধান দোৱাৰ বাবদ দাৱনীৰ দাগ্‌লেগকো ধান দিয়া হয়। সেই সকলোবোৰ ধন বা ধান ৰাজহুৱা ভঁৰালত জমা হয়। হুঁচৰি মাৰি বা বিহু গাই পুঁজি গঠন কৰা হয়। বহাগ বিহুত কেবাখনো গাঁৱলৈ গৈও পঃৰাগ্‌ৰ বাবে পুঁজি গঠন কৰা হয়। তদুপৰি এবছৰৰ আগৰ পৰাই পোৱালিতে গাহৰিবোৰ কিনি গাভৰুসকলক তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ দায়িত্ব দিয়া হয়। সেইদৰে পঃৰাগৰ দিন ওচৰ চপাৰ লগে লগে আপং বনোৱা, বনৰ শাক-পাচলি গোটোৱা, কৌপাত সংগ্ৰহ কৰা, 'পঃপৰ্' (আপং চকী চুপি আকৃতিৰ বাঁহৰ যতন) বনোৱা, 'মিনম্' (অতিথি) নিমন্ত্ৰণ কৰা আদি পঃৰাগৰ যাৱতীয় প্ৰস্তুতি যথাসময়ত সম্পন্ন কৰা হয়।

পঃৰাগ্ উৎসৱ তিনিদিন ধৰি পালন কৰা হয়। প্ৰথম দিনা উৎসৱৰ সকলো আয়োজন শেষ কৰাৰ পাছত ৰাতিলৈ 'মিবু'ৰ আদৰণিৰে 'মিবু দাগ্‌নাম্' (দেওধাই বা পুৰোহিতৰ হতুৱাই পতা বিশেষ অনুষ্ঠান) অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত মিবুৰ সৈতে সকলো ডেকা-গাভৰুৱে শাৰী শাৰীকৈ নৃত্য কৰে। ইয়াত নৃত্যৰ ছন্দে ছন্দে 'আঃবাং' (ধৰ্মীয় গীত) গোৱা হয়। এই গীতবোৰৰ জৰিয়তে মানৱৰ সৃষ্টিকৰ্তা 'চেদী বা-বু' আৰু 'মে-লং-না-নে'ক স্মৰণ কৰা হয়। মিবুয়ে অতিমানৱীয় শক্তিৰে ডেকা-গাভৰু আৰু গাঁৱৰ সকলো লোকৰ মঙ্গলামঙ্গল বিচাৰ কৰি ভৱিষ্যতৰ বাবে প্ৰতিবিধান দিয়ে। এনে মাঙ্গলিক অনুষ্ঠানবোৰত মিবুৰ সৈতে গাঁৱৰ বয়োবৃদ্ধসকলে আগভাগ লয়। তেওঁলোকে উৎসৱত বধ কৰা গাহৰিৰ আগমঙহত 'আচিন্-তাগিৰ্' বা মঙ্গল চায়। দ্বিতীয়দিনা নিমন্ত্ৰিত অতিথি 'মিনম্'সকলক আদৰি শুশ্ৰূষা কৰা হয়। পঃৰাগ্ উৎসৱত সাধাৰণতে ওচৰ-চুবুৰীয়া গাঁৱৰ উপৰি দূৰ-দূৰণিৰ গাঁৱকো নিমন্ত্ৰণ কৰা হয়। এনে গাঁৱৰ পৰা মিনম্ হিচাপে ঘাইকৈ ডেকা-গাভৰুসকল আহে। তেওঁলোকৰ মাজত ঢোল বজোৱা, অই-নিতম গোৱা আৰু নৃত্যত পাকৈতসকলক বাছি বাছি অনা হয়। উৎসৱত তেওঁলোকৰ বাদ্য-বাদন আৰু নৃত্য-গীতৰ প্ৰশংসা আৰু আদৰ কৰা হয়। এই নৃত্য-গীতবোৰ চাবলৈ অহা অঞ্চলৰ দৰ্শকেৰে একোটা পঃৰাগ্ উৎসৱৰ থলী ভৰি পৰে।

প-ৰাগ্ উৎসৱ গাঁৱৰ মুৰংঘৰত অনুষ্ঠিত কৰা হয়। পঃৰাগৰ কেউনিশা গাঁৱৰ ডেকা-গাভৰু আৰু মিনম্‌সকলে মুৰংঘৰত শোৱে। এয়া মিচিংসকলৰ পৰম্পৰা, ৰীতি। মুৰঙৰ চাঙত এফালে ডেকা আৰু আনফালে গাভৰুসকল শোৱে। এইদৰে খোলা একেখন চাঙত ডেকা-গাভৰু একেলগে শোৱে যদিও অন্তৰত কোনেও পাপ ভাব নাৰাখে।

পঃৰাগ্ উৎসৱৰ অন্যতম অনুষ্ঠান হ'ল 'পঃবৰ্ কাতনাম্' আৰু 'এ-গ্ মান্নাম্'। 'পঃবৰ্' বাঁহ-বেতেৰে সজোৱা চুপি আকৃতিৰ এক সজা; ইয়াক আপং চাকিবলৈ ব্যৱহাৰ কৰা হয়। আপঙৰ অবিহনে মিচিংসকলৰ কোনো পূজা বা উৎসৱ সম্পাদন হ'ব নোৱাৰে। এনে একোটা পঃবৰৰ সহায়ত এশৰ পৰা ডেৰশ কলহ পৰ্যন্ত আপং চাকি উলিয়াব পৰা যায়। 'এ-গ্ মান্নাম্' বা গাহৰি বধ কৰা অনুষ্ঠানো ডেকা-গাভৰুসকলৰ নেতৃত্বত বিশেষ ৰীতিৰে সম্পন্ন কৰা হয়। এই দুয়োটা অনুষ্ঠানতে এক বিশেষ নৃত্য নচাৰ ৰীতি আছে। এইদৰে তিনি দিন তিনি নিশা ৰং-আনন্দ, ভোজ-ভাত আৰু পূজা-অৰ্চনাৰ পাছত এই উৎসৱৰ সামৰণি মৰা হয়।

মিচিং সমাজত পঃৰাগ্ উৎসৱৰ সুদূৰপ্ৰসাৰী তাৎপৰ্য নিহিত থাকে। এই উৎসৱ পাতিবলৈ গাঁৱৰ সকলো সদস্যৰ একাগ্ৰতাৰ প্ৰয়োজন হয়। ইয়াৰ ফলত তেওঁলোক বেছি সামাজিক হ'ব পাৰে আৰু ব্যক্তিস্বাৰ্থতকৈ সামাজিক লক্ষ্যক বেছি গুৰুত্ব দিয়ে আৰু গাঁওখনৰ একতা সুদৃঢ় হৈ পৰে। তদুপৰি গাঁওখন চহকী নহ'লে বা খেতি-খোলাৰ উৎপাদন পৰ্যাপ্ত পৰিমাণৰ নহ'লে পঃৰাগ্ উৎসৱ পাতিব নোৱাৰি; সেইকাৰণে প্ৰতি পৰিয়ালে উৎপাদন বৃদ্ধি কৰিবলৈ পাৰ্যমানে চেষ্টা কৰে। পঃৰাগ্ উৎসৱ উপলক্ষে সমাগত আলহী অতিথি, অভ্যাগত-বন্ধুসকলক এবাটি আপঙেৰে আপ্যায়ন কৰিবলৈ প্ৰতিঘৰ মানুহ ব্যগ্ৰ হৈ পৰে। ই মিচিংসকলৰ অতিথি-পৰায়ণতাৰ পৰিচায়ক। ওচৰ-চুবুৰীয়া গাঁওবোৰক মিনম্ হিচাপে নিমন্ত্ৰণ কৰাৰ যোগেদি গাঁওবোৰৰ মাজৰ সম্প্ৰীতি অটুট থাকে। পঃৰাগ্ উৎসৱৰ আন এটা উল্লেখনীয় দিশ হ'ল — গাঁৱৰ পৰা বিয়া দি উলিয়াই দিয়া জীয়াৰীসকলক বিশেষভাৱে নিমন্ত্ৰণ কৰি আনি আপ্যায়ন কৰাটো। ইয়াৰ ফলত গাঁৱৰ মিচিংৰ কুটুম্ব কিমান দূৰলৈ বিয়পি পৰিল তাৰ সংবাদ গাঁৱৰ প্ৰতিজন মানুহে পাব পাৰে। সেইদৰে জীয়াৰীসকলেও পঃৰাগৰ সময়ত বিভিন্ন ঠাইৰ পৰা আহি বহুত দিনৰ মূৰত জন্ম গাঁওখনৰ সকলোৰে লগত লগ ভাগ হৈ একেলগে খোৱা বোৱা কৰি এক মধুৰ আনন্দ লাভ কৰি চেনেহ এনাজৰীত বান্ধ খাই ৰয়।

পঃৰাগ উৎসৱ মিচিং সংস্কৃতিৰ বাহকস্বৰূপ। এই উৎসৱৰ জৰিয়তে বিভিন্ন ঠাইৰ চুলীয়া, নাচনী আৰু নামতীৰ বিচিত্ৰ সমাৱেশ ঘটে। নতুন অইনিতম, নতুন সুৰ আৰু নতুনকৈ সৃষ্টি কৰা ঢোলৰ ছেওবোৰে মিচিং গাঁওবোৰৰ উজনি-নামনি, ইপাৰ সিপাৰলৈ প্ৰচাৰ লাভ কৰে। সেয়েহে পঃৰাগ্ উৎসৱ হৈ পৰে নিতান্তই স্বতঃস্ফূৰ্ত, প্ৰাণময়; কৰ্মক্লান্ত জীৱনক দিয়ে অফুৰন্ত প্ৰেৰণা আৰু শিল্পীসকলক দিয়ে সৃষ্টিৰ উন্মাদনা।

কিন্তু সময়ৰ কুটিল গতিত তাহানিৰ সকলো প্ৰথা, ৰীতি-নীতি আৰু পৰম্পৰা আজি বিলুপ্তিৰ গৰাহত পতিত হ'বলৈ ধৰিছে। আজিকালি মুৰংঘৰ থকা মিচিং গাঁও অতি বিৰল। পৰিবৰ্তিত সমাজ-ব্যৱস্থাত, তথাকথিত সভ্যতা আৰু প্ৰগতিৰ আলি-দোমোজাত, শিক্ষা আৰু জীৱন ধাৰণৰ শৈলীৰ পৰিবৰ্তনৰ ঢৌত, স্বকীয় কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ প্ৰতি ক্ৰমাগতভাৱে বাঢ়ি অহা আওকণীয়া মনোভাব ইত্যাদি কাৰণত মিচিং সমাজত তাহানিৰ গাঁও, ঘৰ আৰু সংগঠনৰ ভেটি আজি থানবান হৈ পৰিল। পূৰ্বৰ কেবাঙৰ সলনি আহিল ৰাজহুৱা সভা, গাঁৱৰ মুখিয়াল গামৰ সলনি আহিল গাঁওবুঢ়া বা পঞ্চায়তৰ সভাপতি। গাঁৱৰ ডেকা-গাভৰুৰ মাজত একতা আৰু পৰিচালক নোহোৱা হ'ল। আহোম যুগৰ পৰা আৰম্ভ কৰি এতিয়াৰ ৰাজিক তথা ৰাষ্ট্ৰীয় শাসন-প্ৰণালীৰ প্ৰভাৱে মিচিং সমাজৰ আদিম স্বকীয় গাঁথনি সোলোক-ঢোলোক কৰি পেলালে। তদুপৰি নামঘৰৰ প্ৰচলনেও মুৰংঘৰৰ আৱশ্যকতা কমকৈ

কমাই দিলে। মিচিং ৰাজহুৱা আৰু ব্যক্তিগত পূজা-পাৰ্বণৰ ঠাই দখল কৰিলে বৰসেৱা আৰু নামসেৱাই; যিবোৰৰ বাবে নামঘৰেই প্ৰয়োজন হয়। মিবুৰ সলনি সাধুবুঢ়া, সাতোলা, বিভিন্ন ধৰ্মগুৰু, ফাদাৰ আদিয়ে ধাৰ্মিক আধিপত্য লাভ কৰিলে। মিচিঙৰ 'গুমৰাগ'কে ধৰি বিভিন্ন নৃত্য-উৎসৱবোৰৰ গুৰুত্ব কমি আহিল। তাৰ ঠাই ল'লে বিহু উৎসৱে। বিহুৰ প্ৰাধান্যই মিচিং কৃষ্টি আৰু আনন্দ-উৎসৱক মুৰংঘৰৰ পৰা নমাই আনিলে ক্ৰমে ঘৰৰ চোতাললৈ, মুকলি পথাৰলৈ, নৈৰ পাৰৰ বালিচৰলৈ আৰু শেহতীয়াকৈ মঞ্চলৈ। মুৰংঘৰ আৰু পঃৰাগৰ প্ৰয়োজনীয়তা ক্ৰমাৎ কমি আহি আজি প্ৰায় নাইকিয়া হ'ল। মিচিং বসতি প্ৰধান অঞ্চলবোৰত ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা বানপানী আৰু গৰাখহনীয়াই মিচিং জনজীৱনক আৰ্থিকভাৱে কোঙা কৰি পেলাইছে। পঃৰাগ্ উৎসৱত বুজন পৰিমাণৰ ধনৰ প্ৰয়োজন হোৱা বাবে আজিকালি প্ৰায়বোৰ মিচিং অঞ্চলত এই উৎসৱ পালন কৰিবলৈ এৰি দিছে। ফলত মিচিং সমাজত মিচিং সংস্কৃতিৰ এই উপাদানবোৰৰ মৃত্যু অথবা অৱক্ষয়ৰ পথ মুকলি হৈ পৰিছে।

এই অৱক্ষয়ক ৰোধ কৰিবলৈ হ'লে, মিচিংসকলৰ স্বকীয়তা আৰু ঐতিহ্যক ৰক্ষা কৰিবলৈ হ'লে, আজিৰ পৰিৱৰ্তিত পৰিস্থিতিতো মিচিং জাতিৰ সচেতন, নিঃস্বাৰ্থ আৰু সামাজিকভাৱে দায়বদ্ধ ব্যক্তিসকল ওলাই আহিব লাগিব। পৃথিৱীৰ সকলো জাতিৰ সংস্কৃতিয়েই বিভিন্ন সময়ত পৰিৱৰ্তনৰ সৈতে খোজ মিলাই আহিছে হয়, কিন্তু পৰিৱৰ্তিত পৰিস্থিতিৰ মাজতো নিজা সংস্কৃতি ৰক্ষা কৰাটোহে অতি গুৰুত্বপূৰ্ণ কথা। ইয়াৰ অবিহনে মিচিংসকলৰ অস্তিত্ব, সংস্কৃতি ৰক্ষা কৰাৰ বিকল্প পথ নাই।*

---

* লেখক শ্ৰীপেগু অল মিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ।

দেউৰীসকলৰ এলেং আৰ্চ্চ আৰু চাংঘৰৰ বৈশিষ্ট্য

ষড়ানন দেউৰী

দেউৰী জনগোষ্ঠীৰ জনজীৱনৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক অনুষ্ঠানসমূহৰ ভিতৰত 'এলেং আৰ্চ্চ' অন্যতম আৰ্থ সামাজিক অনুষ্ঠান। আদিম জনজাতিসকলৰ প্ৰতিখন লোকসমাজত ডেকাচাং অন্যতম সামাজিক অনুষ্ঠান হিচাপে পৰিগণিত হোৱাৰ দৰে দেউৰী লোকসমাজৰ ডেকাচাংটো তেনে উল্লেখনীয় অনুষ্ঠান। উক্ত ডেকাচাংকে দেউৰীসকলে 'এলেং আৰ্চ্চ' বুলি কয়। অন্যান্য প্ৰায়বোৰ জনজাতীয় লোকসমাজত সমানে আদৰ পোৱা এনে ডেকাচাংৰ আৰ্থ-সামাজিক গুৰুত্ব অসীম বুলি সমাজতত্ত্ববিদসকলে মন্তব্য কৰি থৈ গৈছে। এনে প্ৰসংগতেই এই নিবন্ধত দেউৰী জনজীৱনৰ ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ'ক লৈ ইয়াৰ অৱস্থিতি, কাৰ্য ব্যৱস্থা, আকাৰ প্ৰকাৰ, আৰ্থ-সামাজিক ভূমিকা, বৰ্তমান স্থিতি আদি সম্পৰ্কে কিছু আলোচনা আগবঢ়োৱা হ'ল।

দেউৰীসকলৰ ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ'ৰ অৱস্থান সাধাৰণতে গাঁৱৰ মধ্যস্থানত অথবা গাঁওখনৰ কোনোবা চুকত হোৱা দেখা যায়। সাধাৰণতে এনে 'এলেং আৰ্চ্চ'ৰ সামাজিক ভূমিকালৈ লক্ষ্য কৰিলে ই গাঁৱৰ সোঁমাজত অৱস্থান গ্ৰহণ কৰাটোৱেই যুক্তিসংগত। অৱশ্যে উক্ত অনুষ্ঠান মুকলিমূৰীয়া ঠাই অথবা গাঁৱৰ ঘৰবোৰৰ পৰা নাতিদূৰত অৱস্থান কৰাৰ যুক্তিও সাৰ্থকতা থাকি আছে। মুঠৰ ওপৰত 'এলেং আৰ্চ্চ' গাঁৱৰ এনে এক স্থানত সজোৱা হয়, য'ত গাঁৱৰ ডেকাচামে সহজেই আহি তাত যোগ দিব পাৰে। তদুপৰি 'এলেং আৰ্চ্চ'ৰ সদস্যবৃন্দই গাঁৱৰ অতন্দ্ৰ প্ৰহৰীৰূপে যাতে কাৰ্য সম্পাদন কৰিব পাৰে, তেনে দিশলৈকো দৃষ্টি ৰাখি গাঁৱৰ মাজতে তেনে অনুষ্ঠান গঢ়ি তোলা পৰিলক্ষিত হয়।

দেউৰী ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ'ৰ সদস্য সাধাৰণতে গাঁৱৰ সমূহ ডেকাচাম বুলি থাওকতে ক'ব পাৰি। যৌৱনপ্ৰাপ্ত সকলো ডেকা ল'ৰাকে ধৰি অবিবাহিত সকলো ডেকা অথবা প্ৰাপ্তবয়স্কই এই 'এলেং আৰ্চ্চ'ৰ সাধাৰণ সদস্য। এনে সদস্যভুক্ত প্ৰাৰ্থীয়ে 'এলেং আৰ্চ্চ'ৰ সকলো বিধি মানি চলিবলগীয়া হয়। এই বিধিবাণী লিখিত আকাৰত নাথাকিলেও মুখে মুখে চলি অহা 'এলেং আৰ্চ্চ'ত বিধিবাণী

প্ৰযোজ্য হৈ অহা দেখা যায়। উল্লেখযোগ্য যে ইয়াত গাভৰু, মহিলা আনকি বিবাহিত পুৰুষৰো স্থান নাই। তদুপৰি অন্যান্য কিছু জনজাতীয় সমাজত পৃথককৈ গাভৰু চাং থকাৰ দৰে দেউৰী সমাজত তেনে ব্যবস্থা নাই। অৱশ্যে 'এলেং আৰ্চ্চ'ৰ সদস্যবৃন্দই ব্যৱহাৰ কৰা 'এলেং আৰ্চ্চ'ৰ কাপোৰ-কানি গাঁৱৰে গাভৰুচামক ধুবলৈ দিয়া দেখা যায়। সেইদৰে অন্যান্য এৰাব নোৱাৰা কাৰ্যাদিতহে সদস্যসকলৰ বাহিৰৰ লোকক 'এলেং আৰ্চ্চ'ত পদাৰ্পণৰ সুবিধা দিয়ে। তাকো, তেনে অনুমতি খন্তেকীয়াহে।

আকাৰ-প্ৰকাৰৰ ক্ষেত্ৰত দেউৰীসকলৰ ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ' একপ্ৰকাৰৰ এটা চাঙৰ ঘৰ। ইয়াৰ খুঁটা সাধাৰণতে কাঠ বা বাঁহৰ। সেইদৰে ইয়াৰ বেৰ, চাং সমুদায় বাঁহেৰেই সাজি উলিওৱা দেখা যায়। অতি যত্ন আৰু পৰিপাটীকৈ বাঁহেৰেই সাজি উলিওৱা এই চাংঘৰ প্ৰায় ১০ ফুটৰ পৰা ২০ ফুট পৰ্যন্ত ওখ। ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ'লৈ উঠি যাবলৈ অথবা নামি আহিবলৈ এডাল জখলা থাকে, লগতে চাঙলৈ উঠা-নমা কৰোঁতে হাতেৰে ধৰিবলৈ এডাল 'হেতামাৰি' থাকে। উক্ত জখলাইদি ডেকাইঁতে অনায়াসে উঠিব-নামিব পাৰে। কাঠ-বাঁহেৰে তৈয়াৰী এই 'এলেং আৰ্চ্চ' সাধাৰণতে খেৰ দি চাল দুখন ছোৱা হয়। মুঠৰ ওপৰত গাঁৱৰ সৰ্বসাধাৰণ পৰিয়ালৰ ঘৰৰ তুলনাত এনে 'এলেং আৰ্চ্চ' সম্পূৰ্ণ সুকীয়া। ইয়াৰ আকাৰ-প্ৰকাৰ বেছ ডাঙৰ নহয়; কেৱল মুকলিমূৰীয়া আৰু ওখহে।

দেউৰীসকলৰ 'এলেং আৰ্চ্চ'ৰ ভূমিকাৰ বিষয়ে ইতিমধ্যে কিছু কথা উনুকিওৱা হৈছেই। 'এলেং আৰ্চ্চ'ৰ প্ৰাসংগিকতা গাঁৱৰ আৰ্থ-সামাজিক, সমাজ-সাংস্কৃতিক দিশত যথেষ্ট পৰিমাণে আছে। এনে অনুষ্ঠানত ডেকাইঁতে বিবিধ বিষয়ত অভিজ্ঞতা আৰু জ্ঞান অৰ্জন কৰে। নতুন নজনা কাম শিকাৰ সুবিধা পায়। মুঠৰ ওপৰত একো একোজন পূৰ্ণ যৌৱনাপ্ৰাপ্ত ডেকাই জানিবলগীয়া সকলোধৰণৰ কাম বা কথা এনে অনুষ্ঠানত শিকাৰ সুবিধা লভে। উদাহৰণস্বৰূপে ডেকাইঁতে নিজৰ ঘৰৰ কাম-কাজৰ আজৰি সময়ত, বিশেষকৈ দুপৰীয়া বা নিশাৰ সময়ছোৱাত এনে অনুষ্ঠানত জিৰণি লোৱাই নহয়, নিত্যনৈমিত্তিক আৱশ্যকীয় সা-সৰঞ্জাম, যেনে—খালৈ, খৰাহি, জাকৈ, মৈ, নাঙল আদি সজা, খেলা-ধূলা কৰা আৰু শিকা, গীত-মাত শিকা, ঢোল-পেঁপা, বাঁহী সজাবলৈ আৰু বজাবলৈ শিকা আদি সমস্ত কাম সমাধা কৰে। সেই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ডেকাচাং অৰ্থাৎ 'এলেং আৰ্চ্চ' দেউৰীসকলৰ বাবে এটি আনন্দ-বিনোদনৰ স্থলী হোৱাৰ লগে লগে একোটা আৰ্থ-সমাজ-সাংস্কৃতিক স্বনিয়োজক অনুষ্ঠান। বৰ্তমানৰ আত্মসহায়ক গোটৰ দৰে দেউৰীসকলৰ পৰম্পৰাগত 'এলেং আৰ্চ্চ'ক জীৱন্ত ৰূপদানেৰে তেওঁলোকৰ লোক-জীৱনৰ এটি আৰ্থ-সামাজিক সাংস্কৃতিক অনুষ্ঠান হিচাপে ন-কৈ গঢ় দিলে নিশ্চয় সমাজৰ বিকাশৰ লগতে পৰম্পৰাগত লোক-সংস্কৃতিৰ অন্যান্য সম্পদৰাশিৰ ৰক্ষণাবেক্ষণতো সহায়ক হ'ব।

দেউৰী জনগোষ্ঠীৰ জনজীৱনৰ পুৰণি বহুতো পৰম্পৰাগত সমাজ-সংস্কৃতি, আৰ্থ-সামাজিক অনুষ্ঠান, পূজা-পাৰ্বণাদি দিনে দিনে কালৰ গৰ্ভত লীন যাবলৈ লৈছে। তেনে এক পৰ্যায়ত উপনীত হোৱা দেউৰী জনজীৱনৰ অতিকৈ আপোন, অতিকৈ আদৰৰ আৰ্থ-সামাজিক অনুষ্ঠান 'এলেং আৰ্চ্চ' প্ৰায় বিলুপ্তিৰ গৰাহত বুলি কলেও বঢ়াই কোৱা নহ'ব। ক্ষেত্ৰভিত্তিক অভিজ্ঞতাৰে ক'ব পাৰি যে বৰ্তমান দেউৰী সমাজত এনে অনুষ্ঠান অতি দুৰ্লভ। আমাৰ নিজা জন্মস্থান নাৰায়ণপুৰৰ কিনাপথাৰ দেউৰীগাঁৱত সৰুতে দেখা সেই 'এলেং আৰ্চ্চ' বৰ্তমানে দেখিবলৈ নাই। তদনুৰূপ বুজনসংখ্যক দেউৰী গাঁৱৰ সেই একেই অৱস্থা। মুৰকত দুই-এখন গাঁৱতহে এই আপুৰুগীয়া অনুষ্ঠান বৰ্তি আছেগৈ। এটা

মুকলিমূৰীয়া মন-প্ৰাণৰ বান্ধৈইতৰ সৈতে মিলা-মিচা, ভাব-বিনিময়, খেলা-ধূলা, ৰস-ৰচনা, হাঁহি-ধেমালি, আলচ-গুজৰকে আদি কৰি সমস্ত জীৱনবোধৰ সামাজিকীকৰণৰ স্থলীৰূপে চিহ্নিত এই 'এলেং আৰ্চ'ৰ বিলুপ্তিয়ে দেউৰী জনগোষ্ঠীৰ লগতে সমগ্ৰ মানৱ জাতিৰ লোক-সংস্কৃতিৰ এক অধ্যায়ৰ অৱসানেৰে ইংগিত বহন নকৰিব জানো? দেউৰী জনজীৱনৰ এইটো এটা ঐতিহ্যপূৰ্ণ অনুষ্ঠান। সময়ৰ সোঁতত হেৰাই যাবলৈ নিদি সেই অনুষ্ঠানটোক পুনৰ জীৱন দিয়াটো আমাৰ দেউৰী সমাজৰ সকলোৰে বাবে এক সময়োপযোগী কাম হ'ব বুলি আমি ধাৰণা কৰোঁ।

এই দেউৰীসকলে সমাজ পাতি বাস কৰি অহা দিনৰে পৰা নিজৰ বসবাসৰ বাবে নিৰ্মাণ কৰি লোৱা নিজৰ ঘৰবোৰো কম বৈশিষ্ট্যপূৰ্ণ নহয়। এটা কথা বিশেষভাৱে মন কৰিবলগীয়া যে অসমৰ প্ৰায়বোৰ জনজাতি-জনগোষ্ঠীৰ নিজৰ নিজৰ বাসস্থানবোৰ স্বকীয়তাৰে পূৰ্ণ। আমি সামাজিক 'এলেং আৰ্চ'ৰ লগতে দেউৰীসকলৰ চাংঘৰৰ বিষয়েও কিছু আলোচনাৰে দেউৰী সমাজ জীৱনৰ আভাস দিব বিচাৰিছোঁ।

দেউৰী সমাজৰ চাংঘৰ

এই কথা নক'লেও হয় যে স্বকীয় ভাষা-কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ দেউৰী জনগোষ্ঠীৰ বাসগৃহৰ কেতবোৰ দিশ বিশেষ বৈশিষ্ট্যৰে পৰিপূৰ্ণ। তেওঁলোকৰ জীৱন প্ৰণালীৰ দিশ বাছি যঁাচিয়াই চালে তেনে বৈশিষ্ট্য উন্মোচিত হয়। এনেবোৰ পৰম্পৰাগত স্বকীয় কৃষ্টি সংস্কৃতিৰ মাজতেই একোটা জনগোষ্ঠীৰ লোকজীৱনৰ প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা সমাজ সাংস্কৃতিক সত্তা নিহিত হৈ থকাৰ উমান পোৱা যায়। দেউৰীসকলৰ তেনে স্বকীয় কৃষ্টি সংস্কৃতি বহুতো বৰ্ণাঢ্য উপাদানৰ ভিতৰত তেওঁলোকৰ লোকজীৱনৰ বহুল ৰূপত প্ৰতিষ্ঠিত বাসগৃহৰ কথাকো উনুকিয়াব পাৰি।

দেউৰীসকলে সাধাৰণতে গাঁও পাতি, চাংঘৰ সাজি বসবাস কৰা চাক্ষুস অভিজ্ঞতাৰ পৰা বুজি আহিছো। দেউৰীসকলৰ বসবাসৰ বিষয়ে উল্লেখ কৰিবলৈ গৈ W.B. Brown-এ ১৮৮১ চনৰ অসম লোকপিয়ল প্ৰতিবেদন (Assam Census Report)-ৰ পৰা উদ্ধৃতি দিছে এনেদৰে :

'..Village Consists of some thirty houses, built on bamboo platforms raised about five feet from the ground. A single house will often contain a family of forty persons, living in one great room without any compartment, (but with separate fireplace), with a verandah in front, where visitors are entertained.'

দেউৰীসকলৰ বাসগৃহ মাটিৰ পৰা প্ৰায় ৫-৬ ফুট ওপৰলৈ কাঠ, বাঁহ, খেৰ, বেত আদিৰে তৈয়াৰ কৰা চাংঘৰ। দুখন চালেৰে সংযোগ কৰি সমকোণী ক্ষেত্ৰত বাঁহ বা কাঠৰ খুঁটাৰে চাং তুলি সজোৱা একপ্ৰকাৰৰ সমৰূপী চাংঘৰ। ঘৰ সজোৱাৰ আগতে ঘৰভেটি পৰম্পৰাগত মংগলতি প্ৰথাৰে পৰীক্ষা কৰি লোৱাটো দেউৰীসকলৰ লোকবিশ্বাস। তেনে পদ্ধতিৰ দ্বাৰা উত্তম বুলি বিবেচিত মাটিতহে ঘৰভেটি আৰম্ভ কৰা বৰ্তমানে লোকসমাজত দেখা যায়। পূৱা-পশ্চিমাকৈ ঘৰবোৰ সাজি দুৱাৰ পূব মুৱাকৈ ৰখাটো তেওঁলোকৰ সামাজিক নিয়ম। ঘৰবোৰ পূবমুৱাকৈ সজোৱাৰ মূলতে কেইবাটাও কাৰণ বা সুবিধা অন্তৰ্নিহিত হৈ থকাৰ উমান পোৱা যায়। সাধাৰণতে পূব দিশটো দেউৰী লোকসমাজৰ বাবে পবিত্ৰ দিশৰূপে বিবেচিত। সেয়েহে তেওঁলোকৰ মিদিকু বা দেওঘৰসমূহো সাধাৰণতে গাঁৱৰ পূব দিশত

অৱস্থান গ্ৰহণ কৰা পৰিলক্ষিত হয় আৰু দেওঘৰৰ দুৱাৰ পশ্চিমমুৱাকৈ ৰখা দেখা যায়। গৃহস্থ তথা ঘৰৰ সদস্যসকলে ঘৰৰ পৰা ওলোৱা সময়ত দুৱাৰত বা জখলাত খন্তেক বৈ পূব দিশলৈ অনায়াসে সেৱা-ভক্তি জনাবলৈ সুবিধাজনক হোৱাৰ লগতে তেনে দিশেৰে সজোৱা চাংঘৰৰ সন্মুখত থকা চোতালকে ধৰি মুকলি কোঠাত পুবেবেলাতে কোমল ৰ'দজাক পৰাৰ সুবিধা থাকে যাৰ ফলত ঘৰৰ আগফাল, য'ত মানুহৰ সঘন আহ-যাহ ঘটে, তাৰ পৰিৱেশ স্বাস্থ্যসন্মত হয় আৰু বিভিন্ন ৰোগৰ পৰা ক'ব নোৱাৰাকৈয়ে মুক্ত হৈ থকাৰ সুবিধা পোৱা যায়। চাংঘৰৰ পূব মুৱাকৈ থকা মূল দুৱাৰ সাধাৰণতে সোঁমাজত নহৈ সামান্য দক্ষিণ নাইবা উত্তৰ দিশত দিয়া দেখা যায়। দুৱাৰ পাৰ হৈয়েই দীঘলীয়াকৈ ভিতৰলৈ সোমাই যাবলৈ বাট মুকলি হৈ পৰে। তেনে 'কৰিডৰ'ৰ পৰাই প্ৰত্যেক কোঠা (কুতালি)লৈ সোমাবলৈ ভিতৰ দুৱাৰ আছে। একোটা চাংঘৰৰ দৈৰ্ঘ্য বা আকাৰ আৰু কোঠাৰ পৰিমাণ ঘৰখনৰ পৰিয়ালৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰে। যৌথ বা জাকৰুৱা পৰিয়ালৰ তুলনাত গাইগুটীয়া বা চুকিয়া পৰিয়ালৰ ঘৰ তুলনামূলকভাৱে চুটি আৰু সৰু। দেউৰীসকলৰ লোকজীৱনত প্ৰত্যক্ষ কৰা অভিজ্ঞতাৰ ভিত্তিত প্ৰকৃততে ক'বলৈ হ'লে দেউৰী বাসগৃহ তথা চাংঘৰসমূহত পৃথক কোঠা থকাটো বাস্তৱ সত্য। দেউৰীসকলৰ লোকজীৱনত ভাইবোৱাৰীৰ স'তে বৰজনাৰ সম্পৰ্ক এৰাই চলাটো এক পৰম্পৰাগত সামাজিক লোকাচাৰ। তেনেস্থলত একোটা পৰিয়ালৰ একেটা বাসগৃহতে কোঠাবিহীন গৃহত মুকলিমূৰীয়াকৈ তেনে পৰিৱেশ বজাই ৰাখিবলৈ অসম্ভৱেই নহয়, বৰঞ্চ বাস্তৱৰো পৰিপন্থী। ইপিনে 'কুতালি' শব্দটোৱেই দেউৰী ভাষাৰ শব্দ বুলি অনুমান কৰা হয়। দেউৰী ভাষাত 'কু' মানে ঘৰ বা স্থলী আৰু তালি মানে লাম-লাকটু বা বস্তু-বাহানি, অৰ্থাৎ বস্তু-বাহানি আদিৰে ভৰা স্থলী বা ঘৰ। সেয়েহে W.B. Brown- এ উদ্ধৃতি দিয়া 'দেউৰীসকলে কোঠাবিহীন গৃহত বাস কৰে' বোলা উক্তি ফাঁকি দেউৰী সমাজৰ বাবে ভুল ব্যাখ্যা বুলি ইতিমধ্যে বিবেচিত হৈছে।

দেউৰীসকলৰ চাংঘৰৰ সন্মুখভাগ ঠাই আদুগঁ বা চোতাল পাৰ হৈ এচ্চি-চচমে বা হেঁতামাৰিৰ সহায়ত চাংঘৰলৈ উঠি যাবলৈ এটা এচচুগু (জখলা) ব্যৱহাৰ কৰা হয়। চাঙত উঠিয়েই পোৱা মুকলি কোঠাটোক দেউৰীসকলে মিৰ্চ্চ বুলি কয়। তাতেই সৰ্বসাধাৰণতে আলহী-অতিথিক সোধা-পোছা কৰা হয়। চাংঘৰৰ ব্যৱস্থা প্ৰচলিত হোৱাৰ মূলতে যে কিছুমান বিশেষ কাৰণ অন্তৰ্নিহিত হৈ আছে তাক দোহৰা নিষ্প্ৰয়োজন। ড° যতীন মিপুনৰ ভাষাত—'উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া ৰাজ্যসমূহৰ জনজাতিসকলেও পাহাৰত বান নোহোৱা সত্বেও চাংঘৰত থকাৰ কাৰণো প্ৰকৃতিৰ লগত সহাৱস্থান কৰিব জনা কথাটোকে সূচায়। চাংঘৰত থাকিলে বনৰীয়া জীৱ-জন্তু, পোক-পৰুৱাৰ পৰা ৰক্ষা পৰাৰ উপৰি বৰ্ষাৰণ্যৰ পাহাৰত বাৰিষা সেমেকা মাটিৰ পৰা ৰক্ষা পাব পাৰি আৰু জাৰৰ দিনত জাৰৰ প্ৰকোপৰ পৰাও ৰক্ষা পোৱা যায়...। দেউৰীসকলৰ চাংঘৰৰ ব্যৱস্থাৰ মূলতেও তেনেবোৰ কাৰণকে সংযোজন কৰিব পৰা যায়। তেওঁলোকৰ চৌপাশৰ উপলব্ধ কাঠ, বাঁহ, বেত, খেৰ, লতা আদিৰ সহায়েৰে তৈয়াৰ কৰি লোৱা চাংঘৰ বৰ্তমানৰ সমতল ঠাই, অঞ্চলাদিতো সহাৱস্থানৰ ইংগিতকে বহন কৰি প্ৰচলিত হৈ আছে। কাৰণ নদী-কাষৰীয়া দেউৰী গাঁওসমূহৰ লগতে ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বানৰ প্ৰকোপত গাঁওসমূহৰ ঘৰবোৰ ওখকৈ চাংঘৰ হোৱাৰ বাবে কিছু পৰিমাণে সকাহ পায়। চাংঘৰসমূহত মুকলি বতাহ পোৱাৰ সুবিধাও আছে আৰু জখলাৰে উঠা-নমা কৰিব লগা পৰিৱেশৰ বাবে মানুহবোৰ অজানিতে শৰীৰ চৰ্চাৰ অভ্যাসৰ সুবিধা আওপকীয়াকৈ ভোগ কৰি থকাৰ কথাটিকে

উনুকিয়াব পাৰি। দৰাচলতে চাংঘৰসমূহক একপ্ৰকাৰ দুই মহলীয়া ঘৰ বুলিও আখ্যা দিব পাৰি। কিয়নো চাংঘৰৰ চাঙৰ ওপৰত মানুহে বসবাস কৰাৰ উপৰিও 'আঁকুম' বা চাংতলত ঘৰ এখনৰ লাগতিয়াল বহুতো বস্তু-বাহানি ৰখাৰ সুবিধা থাকে। চাংতলত গৰুগাড়ী, কাঠ খৰি, নাঙল-যুঁৱলি আদি ৰখাৰ উপৰি চাংঘৰৰ তলতে দেউৰী তিৰোতাই তাঁতশাল পাতি বিভিন্নধৰণৰ কাপোৰ-কানি বৈ কাটি উলিয়ায়। কিছুমান লোকে চাং তলতে গৰু, ছাগলী বান্ধিবৰ বাবে এচুকত ব্যৱস্থা কৰি দিয়া আৰু কিছু লোকে কুকুৰা, হাঁহ, গাঁহৰি আদিৰ বাবে গঁৰাল সাজি দিয়ে। চাংঘৰসমূহত দেউৰীসকলৰ পৰম্পৰাগত 'চুজে লুগুৰুৱা' ক্ৰিয়া পদ্ধতি সমাপন কৰিবলৈকো অতি সহজ আৰু সুগম বুলি বুঢ়া লোকৰ মুখত শুনা যায়।

সাধাৰণতে দেউৰী চাংঘৰসমূহৰ সন্মুখভাগত আহল-বহলকৈ চোতাল বা আদুগ ৰখা হয়, য'ত কুকুৰা, হাঁহ, পাৰ আদিক চাউল ছটিয়াই খুওৱা, জোনাক ৰাতি ডেকা গাভৰুৱে চুমপকা, দেউৰী গুদুগুদু, ঘিলা আদি খেলা, ধান, মাহ, সৰিয়হৰ মৰণা মৰা, বিহুৰ দিনত বিহু মৰা বা 'বিচু নমা' আৰু আদহীয়া চামে কাঠী-কামি প্ৰস্তুত আদি সমস্ত কাম সমাধা কৰে। ঠিক সেইদৰে চাংঘৰৰ ওপৰত সিচ্চি বা মুকলি কোঠাই হৈছে অবিবাহিত ডেকাসকলৰ ৰাতি শুৱা ঠাই। ইয়াৰে সংলগ্ন কৰি আগবঢ়াই সজোৱা চাংখনত হাত-ভৰি ধোৱা, ধান,মাহ, মাছ শুকোৱা আৰু বুঢ়া লোকে গা ধোৱা আদি কাম সমাধা কৰে। জোনাক নিশা গৰমত নিভৰ ঘৰতে তৈয়াৰ কৰি লোৱা বিচনীৰে বিচি আকাশৰ জোন-তৰা দেখুৱাই ককাক-আইতাকহঁতে তেওঁলোকৰ নাতি-নাতিনীহঁতক উক্ত চাংখনতেই বহুৱাই লৈ বিবিধ সাঁথৰ বা সাধু শুনায়।

চাঙৰ ওপৰত আটোম টোকাৰিকৈ সজোৱা দুদেপাতি বা জুইশাল সাধাৰণতে চতুৰ্ভুজ আকাৰৰ ৪-৫ ফুটমান দীঘ-প্ৰস্থৰে আবৃত। দুদেপাতি বা জুইশাল তৈয়াৰৰ শৈলী সুকীয়া। গোবৰ-মাটিৰে ভৰাই মিহিকৈ লিপি-মচি শুকুৱাই লৈ ব্যৱহাৰৰ উপযোগী কৰি তাৰ সোমাজতেই মাটিৰেই উধান সজাই লয় বা লোহাৰ চিয়াৰ্কতি (জাকি) বহুৱাই দিয়া হয়। এনেধৰণৰ দুদেপাতি প্ৰত্যেক ঘৰতে কমেও দুটাকৈ থাকে। তাৰে এটা মজিয়া বা ৰান্ধনীশালত আৰু আনটো কুঠালি বা কোঠালিত। কুঠালিত থকা দুদেপাতিৰ চাৰিওফালে বহি পুৰুষচামে মেল মৰা, চুজে বা মদ খোৱা, ভাত পানী খোৱা আদি কাম সমাধা কৰে। দৰাচলতে উক্ত দুদেপাতিৰ চৌদিশে পৰাপক্ষত শিতানৰ দিশত অৱস্থান গ্ৰহণ কৰি বুঢ়াচামে চুজে কাজি খোৱাৰ আগেয়ে প্ৰত্যেক দিনাই 'চুজে লুগুৰুৱা' পাৰ্বণ সমাপন কৰা সামাজিক নিয়ম।

দুদেপাতিৰ নাতিউচ্চতাত মানুহে সহজে চুকি পোৱাকৈ সাধাৰণতে গিচি আৰু তাৰো ওপৰ খলপাত 'গিম' ধোঁৱাচাং বান্ধি লয়। বছাঁৰে বান্ধি ওলোমাই থোৱাৰ বাবে প্ৰয়োজনসাপেক্ষে গিচিক সামান্য তললৈ বা ওপৰলৈ নিয়াৰ ব্যৱস্থা কৰিব পাৰি। প্ৰথম খলপ ধোঁৱাচাং বা গিচিত সাধাৰণতে ৰান্ধনীৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ যতন, যেনে-- নিমখ, হালধি, জলকীয়া, আলুক আদিৰ চুঙা ৰান্ধনীয়ে অনায়াসে পোৱাকৈ ৰখা হয়। কেতিয়াবা কেতিয়াবা প্ৰয়োজনসাপেক্ষে তাতেই মাছ, জলকীয়া, খেকেৰা, খৰিচা, খলিহে আদি খাদ্যসামগ্ৰী শুকুৱায়। ঠিক তেনেকৈ 'গিম' বা দ্বিতীয় খলপ ধোঁৱাচাঙত তেওঁলোকৰ লোকসমাজৰ অতি আদৰৰ চুজে বা ঘৰুৱা মদ ভৰাবলৈ পিচি বা কলহ, বাৰ্বুকি বা এক বিশেষধৰণৰ কলহ আদি ওলোটা মুখ কৰি শুকুৱায়। তাতেই বিভিন্নধৰণৰ ঘৰুৱা সা-সৰঞ্জাম, যেনে— ডলা, খৰাহি, ধনু-কাঁড়, লাঠী, বেত, বাঁহ আদি শুকুৱাই ব্যৱহাৰৰ উপযোগী কৰি লয়। ধোঁৱাচাঙত তেনেকৈ থলে ঘুণে বা অন্য পোক-পৰুৱা, কীট-পতংগই সহজে আক্ৰমণ কৰিব নোৱাৰে আৰু

সিবোৰ দীৰ্ঘস্থায়ী, মজবুত হৈ থাকে বুলি তেওঁলোকে বিশ্বাস কৰে। তেনে ধোঁৱাচাঙত থোৱাৰ ফলত দুদেপাতি বা জুইশালৰ জুই পোনপটীয়াকৈ চাললৈ যোৱাত বাধা হয় আৰু চালৰ খেৰ-বাঁহত সহজে লগাত বাধাগ্রস্ত হয়। চাংঘৰসমূহত সাধাৰণতে বাঁহৰ গৰগৰি বা গোটা বাঁহ দি তাৰ ওপৰত বাঁহৰ কামিৰে তৈয়াৰী চাল এখলপ দি তাৰ ওপৰত বাঁহৰ চচ্ পাৰি দিয়া হয়। অৱশ্যে কিছু লোকৰ ঘৰত কাঠৰ তক্তাও দিয়া দেখা যায়। বাঁহৰ চচ্ পাৰি লোৱা চাংঘৰসমূহত গৰমৰ দিনতো কিছু আৰাম পোৱা যায়। আনহাতে বাঁহৰ চচ্ দীঘলীয়াকৈ দিয়াৰ বাবে একোটা বিশেষ স্থানত ভৰিৰ খোজ পৰিলে এটি মৃদু জোকাৰণি অনুভূত হয়। ফলত কিছু কামত অসুবিধাৰো সৃষ্টি নোহোৱাকৈ নাথাকে। প্রায়বোৰ চাংঘৰ খেৰৰ। অৱশ্যে খেৰৰ নাটনিৰ বাবে বৰ্তমান ধানৰ নৰা বা টিন ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। কিন্তু খেৰেৰে চোৱা ঘৰ নৰাৰে চোৱা ঘৰতকৈ উত্তম আৰু দীৰ্ঘদিন টিকে।

চাংঘৰসমূহ দেউৰীসকলে পৰাপক্ষত পৱিত্ৰ কৰি ৰখাটো তেওঁলোকৰ পৰম্পৰাগত নিয়ম। তেওঁলোকৰ লোকসমাজত সামাজিকভাৱে স্বীকৃত লোকৰ বাহিৰে অস্বীকৃত লোকক ঘপহকৈ ঘৰৰ চাঙলৈ মাতি নিয়াত সামাজিক বাধা আছে। তাৰে কিছুমানে অৱশ্যে চাঙলৈ উঠাৰ অধিকাৰ পালেও ঘৰৰ একেবাৰে ভিতৰছোৱালৈ সোমোৱাত সামাজিক বাধা থাকে। সেইদৰে ঘৰত সাপ, হুদু, শগুণ আদি ভবা অমংগলীয়া বুলি প্রাণীসমূহৰ আকস্মিক আৱিৰ্ভাৱ বা পদাৰ্পণত দেউৰীসকলে চিক বা ছাই ভঙা পাৰ্বণ অনুষ্ঠিত কৰি চুৱা গুচাই পৱিত্ৰতা ফিৰাই আনে। মুঠৰ ওপৰত ক'বলৈ গলে দেউৰীসকলৰ লোকজীৱনত চাংঘৰৰ আদৰ আৰু তাৎপৰ্যত তেওঁলোকৰ জ্ঞাতে বা অজ্ঞাতেই বহুতো লোকবিশ্বাস সাঙোৰ খাই থকাৰ উমান পোৱা যায়। তেওঁলোকৰ লোকসংস্কৃতিৰ এনে দেউৰী সমাজৰ অবিচ্ছেদ্য উপাদানস্বৰূপ চাংঘৰক অধিক প্রণালীবদ্ধ ভাবে সজাই-পৰাই লৈ আধুনিক কৌশল সংযোজন কৰিলে এটি জনগোষ্ঠীৰ পৰম্পৰাগত কৃষ্টি ৰক্ষা পৰাৰ লগতে প্রকৃতিৰ স'তে সহাৱস্থানৰ এনে অভিনৱ কৌশলৰ বাহিৰেও চিৰযুগমীয়া হ'ব।

ষষ্ঠ অধ্যায়

লোককাহিনী : লোকজীবন

হাঙ্গী'মুৰ কাহিনী আৰু ইয়াৰ তাৎপৰ্য

বিদ্যাছিং ৰংপি

হাঙ্গী'। হাঙ্গী'মু ৰংহাংপী এক জীৱন্ত স্বৰ্গীয় প্ৰেম-কাহিনীৰ নায়িকা। এটি পৱিত্ৰ মনৰ, নিঃস্বাৰ্থ প্ৰেম-নিজৰাত জীৱনাহুতি দিয়া এগৰাকী মহীয়সী কাৰবি জীয়াৰী। হাঙ্গী'মুৰ প্ৰেম-কাহিনী সৰ্বকালৰ সৰ্বজনসমাদৃত আৰু কাৰবি হৃদয়ত গভীৰভাৱে ৰেখাপাত কৰা এটি মনোৰম কাহিনী। হাঙ্গী'ৰ প্ৰেম আছিল নিষ্পাপ আৰু নিষ্কলুষ। গংগাৰ দৰে নিৰ্মল আৰু পৱিত্ৰ। সেইবাবে মৃত্যুৰ পাছত তাই স্বৰ্গত স্থান লাভ কৰিছিল।

এই কাহিনীত হাঙ্গী'-লঙৰ গভীৰ আৰু নিঃস্বাৰ্থ প্ৰেমৰ কথা বৰ্ণিত আছে আৰু আছে ক্ষমতান্ধ ৰাজবিষয়া লংদিলিৰ অত্যাচাৰী স্বভাৱ আৰু অবলা, সৰলচিতীয়া হাঙ্গী'ক বুকুৰ পৰা বলেৰে কাঢ়ি নি তিল তিলকৈ মৃত্যুমুখলৈ ঠেলি পঠিওৱাৰ এক সকৰুণ ব্যাখ্যা। এই কাহিনীত আছে পৱিত্ৰ প্ৰেম, ঈৰ্ষা, হিংসা, নাৰীৰ প্ৰতি কৰা অন্যায়-অবিচাৰ, বলীয়ে নিৰ্বলীক কৰা শোষণ-অত্যাচাৰ আৰু দুৰ্নীতিপৰায়ণ ৰাজবিষয়াৰ ক্ষমতাৰ অপপ্ৰয়োগৰ বৰ্ণনা।

কাৰবি সমাজত এই কাহিনীৰ মহত্ত্ব অধিক। কাৰবিসকলে হাঙ্গী'ক ঋতুৰ দেৱী হিচাপে জ্ঞান কৰে আৰু কৃষিৰ বতৰত পৰ্যাপ্ত পৰিমাণে পানী পাবৰ বাবে তাইক পূজা-অৰ্চনা কৰে। হাঙ্গী'ৰ কাহিনী গীতৰ আকাৰে বহুল প্ৰচাৰিত আৰু প্ৰচলিত। এই গীত মাথোঁ ছ'চেং ৰজাৰ ৰাজপুৰোহিত কাথাৰপ'ৰ গোৱাৰ অধিকাৰ থাকে। গীতত এনেদৰে পাওঁ —

হাঙ্গী' আল'তুন, জুৰি প' আতুম,
বাং কাথাৰপ' আলুন, বৰণ কুৰ আলুন,
নংছিংম আংৰু উন (ছি), লুনচতচত আলুন।

অৰ্থাৎ—হাঙ্গী'ৰ গীত নাগাবা বোপাইত। এয়া কাথাৰপ'ৰ গীত, কৃষিৰ বতৰত ঋতু দেৱীক আহ্বান জনোৱাৰ গীত।

হাঈ'ৰ কাহিনী স্বয়ং ছুংছাৰপ'ই (স্বৰ্গৰ অধিপতি) গীতৰ আকাৰে কাৰবি সমাজত প্ৰচলন হোৱাটো কামনা কৰিছিল আৰু বতৰ কেকুৰ আলুন (ঋতুক আহ্বান জনোৱা গীত) হিচাপে প্ৰতিষ্ঠিত হোৱাটো বিচাৰিছিল। কাথাৰপ'ই এদিন সপোনত তাৰ আভাস পালে।

ছুংছাৰপ' আতুম, চংমেঈদ' খিৰ্কুং,
চেথান লাম আমুং, ছ'কাৰ্বি আতুম,
হাঈ' আল'তুন (লে), পিনচং লুন আমুং (ৰা),
নংছিম আংৰু উন, বতৰ কুৰ ই'দুন (ডে)
পুৰুং পাৰদুংদুং (ছি), ছংচে ৰংমিৰ্কুং (জিপু)
কাথাৰ আমাংমুন।

অৰ্থাৎ—কাথাৰপ'ই সপোনত দেখিলে যে স্বৰ্গৰ অধিপতিসকলে আলোচনা কৰি সিদ্ধান্ত লৈছে, কাৰবিসকলে কৃষিৰ বতৰত হাঈ'ৰ কাহিনীটো গীতৰ আকাৰে যদি ঋতুক আহ্বান জনাই গায়, তেতিয়া হ'লে ছচেং নগৰখন শস্যৰে নদন-বদন হ'ব।

গীত-মাতত প্ৰসিদ্ধ ৰাজপুৰোহিত কাথাৰপ'ই কাহিনীটো মুহূৰ্ততে গীতৰ ৰূপ দিলে আৰু ই এটি মনোৰম মৰ্মস্পৰ্শী গীতত পৰিণত হ'ল।

তেতিয়া ৰাজধানী ছ'চেং ৰংছ'পীৰ লগতে সমগ্ৰ কাৰ্বি ৰাজ্য অনাবৃষ্টিৰ ফলত খৰাং হৈ পৰিছিল। ঝুম খেতিৰ পথাৰবোৰ শুকাই ছাৰখাৰ হ'বলৈ লৈছিল চতুৰ্দিশে হাহাকাৰ লাগি পৰিছিল। চিন্তিত ৰজাই ইয়াৰ সমিধান বিচাৰি ৰাজপুৰোহিত কাথাৰপ'ক মাতি পঠিয়ালে। কাথাৰপ'ই সপোনত লাভ কৰা অভিজ্ঞতা সম্পৰ্কে ৰজাক অৱগত কৰিলে আৰু হাঈ'ক স্তুতি কৰাৰ অনুমতি বিচাৰিলে। ৰজাৰ অনুমতি পাই কাথাৰপ'ই ঔতালিকে প্ৰয়োজনীয় হৰবং, মানপেং (মদৰ বটল আৰু মাৰ্লি) লৈ ৰজা আৰু ৰাজবিষয়াসকলৰ উপস্থিতিত হাঈ'ৰ স্তুতি গীত জুৰিলে এইদৰে—

হাঈ আল'তুন (কে),
ৰবণ হা' আলুন,
এথেলে নাংলুন (হা)
ৰূপ মাজো হপদুং,
থেনিলে নাংলুন (ডে)
ছেংপী মাবেংক্ৰং,
থেথমলে নাংলুন (ডে)
পাৰুৰে থকলুন।

অৰ্থাৎ—হাঈ'ৰ গীতটি হৈছে ঋতু দেৱীক আহ্বান জনোৱা গীত। এই গীত এফাকি গালেই আকাশ মেঘে আবৰি ধৰে, দুফাকি গালেই বিজুলী-গাজনি মাৰে আৰু তিনিফাকি গালেই ধৰালৈ ধাৰাসাৰে বৰষুণ নামি আহে।

কাথাৰপ'ই গীত জুৰাৰ লগে লগেই ধৰালৈ ধাৰাসাৰে বৃষ্টি নামি আহিল। ছ'চেংবাসীৰ আনন্দৰ সীমা নোহোৱা হ'ল। তেওঁলোকে কিন্তু এই গীতৰ মাহাত্ম্য বুজিব নোৱাৰি কাথাৰপ'ক বুজাই ক'বলৈ অনুৰোধ জনালে। কাথাৰপ'ই গীতৰ মাহাত্ম্য বুজাবলৈ গৈ হাঈ'মুৰ সমস্ত কাহিনীটোকে গাই শুনালে।

অ' দেই, হাঈ'মু ৱানছান / হাঈ'মু পু নাংপ্লাং
চু পির্থে থাৱিবেন লাং.......

হে' হাঈ'মু, তোমাক প্ৰণাম। বোপাইঁত, পৃথিৱীখন তেতিয়া ফুলকুমলীয়া আছিল। জিৰই অঞ্চলৰ ৰংথাৰৰে গাঁওখন তাৰছিং (ইকৰা জাতীয়) বনেৰে ভৰি পৰাত গাঁওবুঢ়া লংকি তেৰাঙে গাঁওবাসীৰে সৈতে সেই গাঁওখন এৰি আমতাৰ্পেঙলৈ উঠি আহে। তেতিয়া হাঈ'-লঙৰ জন্ম হোৱা নাছিল। ছাই ৰংহাং আৰু অন টেৰণেও ঝিৰদাত (সমবায় সংঘ)ত যোগদান কৰিছিলহি। তাৰ পৰৱৰ্তী বছৰত জিৰদাত এৰি ছাই ৰংহাঙে ৰেকচুতি (কৰ সংগ্ৰাহক)ৰ জীয়ৰী কাচে তিমুংপী আৰু অন টেৰণে ছাই ৰংহাঙৰ ভগ্নী কাৰেং ৰংহাংপীৰ সৈতে বিবাহপাশত আবদ্ধ হৈ সংসাৰ পাতিবলৈ আৰম্ভ কৰে।

এদিন এটি শুভক্ষণত তিছ'ৰংৰং (দোক্‌মোকালি)ৰ সময়ত ছাই ৰংহাঙৰ ঘৰত হাঈ'ৰ জন্ম হয় আৰু তাৰ কিছুপৰৰ পাছত অন টেৰণৰ ঘৰত লং টেৰণৰ আগমন হয়। পৃথিৱীলৈ আহোতেই স্বামী -স্ত্ৰীৰ দৰেই জন্ম লাভ কৰিছিল হাঈ' আৰু লঙে। 'ছমিন্দাৰ কেৱাং, পেনানছ' বেনবান, ল'চাৰ্‌ৱিছি ৱাং।' কাৰবি সমাজত পত্নীয়ে পতিৰ আগে আগে যোৱাটো এটি প্ৰচলিত নিয়ম। ইয়াক 'কাচৰ্‌ৱি' বোলা হয়। হাঈ'এ লঙৰ জন্মৰ কিছু ক্ষণ পূৰ্বে জন্ম লাভ কৰিছিল বাবে কাচাৰ্‌ৱিৰে পৃথিৱীলৈ আহিছিল বুলি কয়।

হাঈ' আৰু লং একে পৰিৱেশত একেলগে উমলি-জামলি ডাঙৰ-দীঘল হয়। একেলগে দুয়ো উমৰাছি নদীত খেলে, সাঁতোৰে আৰু বালিঘৰ সাজে। দুয়ো পতি-পত্নীৰ দৰে উমলি সংসাৰ পাতে। হাঈ'এ বাঁহৰ চুঙাৰে, মাটিৰে ভাত ৰান্ধে; লং জুম খেতিলৈ ওলাই যায়। আহোতে বনৰীয়া শাক ছিঙি আনে। হাঈ'এ তাকে ৰান্ধে আৰু দুয়ো একেখন কাঁহীতে একেলগে খায়। এনেদৰে সময়বোৰ বাগৰে। আমতাৰ্পেং পাহাৰৰ বুকুতো কেইবাটাও বসন্তই চুই যায়। হাঈ'-লং শৈশৱৰ পৰা কিশোৰ আৰু কিশোৰৰ পৰা চফল ডেকা-গাভৰুত পৰিণত হয়। এসময়ত সিহঁতৰ বন্ধুত্ব ইমান বেচি গাঢ় হৈ পৰে যে ইজনে সিজনক নেদেখিলে এখন্তেকো থাকিব নোৱাৰা হয়। তেওঁলোকৰ এই বন্ধুত্ব ক্ৰমাৎ গভীৰতৰ হৈ পৰে। তেওঁলোকৰ কোমল হৃদয়ৰ কোনোবা একোণত অজানিতে অংকুৰিত হোৱা প্ৰেম এদিন গভীৰ ভালপোৱালৈ ৰূপান্তৰিত হয়।

এদিন ছেগ বুজি লং টেৰণে হাঈ'ক বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। হাঈ'এ লাজ লাজকৈ সন্মতি জনায়। কিন্তু সমস্যাটো আহিল তেতিয়াই যেতিয়া গাঁওবুঢ়া লংকি তেৰাঙে লঙক জিৰদাতৰ নেতৃত্ব ল'বলৈ ক'লে। হাঈ'ক দিয়া প্ৰতিশ্ৰুতি পাহৰি জিৰদাতলৈ কেনেকৈ যায় এতিয়া লঙে? আনহাতে গাঁওবুঢ়াৰ আদেশো অমান্য কৰিব নোৱাৰি। লং মহা চিন্তাত পৰিল। গাঁওবুঢ়াৰ আদেশ শিৰোধাৰ্য কৰি অৱশেষত লঙে জিৰদাতলৈ যোৱাটোকে মনস্থ কৰিলে আৰু যোৱাৰ পূৰ্বে হাঈ'ৰ পিতৃলৈ মান হিচাপে 'হৰবং' এটা আগ কৰি হাঈ'ক নিজলৈ বুলি খুজি থ'বলৈ ঠিক কৰিলে।

এদিন লঙৰ পিতৃ-মাতৃ অন টেৰণ আৰু কাচে ৰংহাংপীয়ে হাঈ'ক খুজিবলৈ ছাই ৰংহাঙৰ ঘৰলৈ আহিল। এই কথাত কোনোপক্ষৰে অসন্মতিৰ প্ৰশ্ন নাছিল। কিয়নো হাঈ'-লঙৰ জন্মৰ পূৰ্বে মাক কাচে আৰু কাৰেঙে এদিন বনৰীয়া শাক বুটলিবলৈ যাওঁতে ভগৱানক সাক্ষী কৰি তেওঁলোকৰ সন্তানৰ মাজত বিবাহ কৰোৱাৰ প্ৰতিজ্ঞা কৰিছিল। গতিকে হৰবংটো গ্ৰহণ কৰা হ'ল। কিন্তু হৰবং অনাৰ আঁৰত লঙৰ জিৰদাতলৈ যোৱাৰ অভিসন্ধি থকা বুলি জানিব পাৰি হাঈ'এ মৰ্মান্তিক আঘাত পালে। তাই খন্তেকৰ বাবে হ'লেও লঙৰ লগত বিচ্ছেদ হোৱাটো কামনা কৰা নাছিল। তাই লঙক জিৰদাতলৈ

নাযাবলৈ অনুৰোধ কৰিলে। লঙক পতিয়ন নিয়াব নোৱাৰি অৱশেষত তাক 'পাহৰিবলৈ চেষ্টা বিচাৰিছে' বুলি দোষাৰোপ কৰিলে। লং উপায়হীন হৈ পৰিল কোনো যুক্তিৰে হাঙ্গঁক টলাব নোৱাৰি। 'আজিয়েই পত্নী কৰি ল'ব লাগে' বুলি তাই দৃঢ় হৈ ৰ'ল। অগত্যা সেইদিনা ৰাতিয়েই হাঙ্গঁক পত্নী হিচাপে গ্ৰহণ কৰিবলগীয়া হ'ল লঙে। দুয়ো সেই ৰাতিয়েই 'চেপাংৰি' (সহবাস) কৰিলে। লঙৰ আৰু জিৰদাতলৈ যোৱা নহ'ল। ঘৰ-সংসাৰ চলোৱাত ব্যস্ত হ'বলগীয়া হ'ল। এনেদৰে দিনবোৰ অতিবাহিত হ'ল। এদিন তেওঁলোকৰ মাজলৈ এটি সন্তানৰো আগমন ঘটিল।

প্ৰেমত বাধা চিৰবিদ্যমান। হাঙ্গঁৰ প্ৰেম-কাহিনীটোও তাৰ ব্যতিক্ৰম নহ'ল। হাঙ্গঁ আছিল অতীৱ সুন্দৰী আৰু ৰূপৱতী। এই ৰূপেই এদিন কাল হ'ল। সিহঁতৰ মধুৰ জীৱনলৈ এক কালধুমুহা হৈ আহিল ৰণছান্তাং চ'মাং (খাচিয়া বেপাৰী)। হাঙ্গঁৰ সৌন্দৰ্যত বিমুগ্ধ হৈ ৰণছান্তাঙে সিহঁতৰ ঘৰতে আশ্ৰয় বিচাৰিলে। হাঙ্গঁএ অতিথিক আশ্ৰয় প্ৰদান কৰি তাৰ খোৱা-বোৱাৰ দায়িত্ব নিজেই ল'লে। হাঙ্গঁ-লঙে পুতেকৰ বাবে ৰূপৰ 'ছিপেঙো' (হাৰ) ক্ৰয় কৰিলে ৰণছান্তাঙৰ পৰা। এনেকৈ ৰণছান্তাং হাঙ্গঁৰ ঘৰত বহুদিন অতিথিৰূপে থাকিলত হাঙ্গঁ অতিষ্ঠ হৈ পৰিল। হ'ল বুলিনো কিমান সেৱা-শুশ্ৰূষা কৰিব তাক? তাতে তাই অকলশৰীয়া। আনহাতে ৰণছান্তাঙে যোৱাৰ নামেই নোলোৱা হ'ল। অন্য উপায় নেদেখি হাঙ্গঁএ বিনম্ৰভাৱে তাক সেই ঠাই ত্যাগ কৰিবলৈ অনুৰোধ কৰিলে। ইয়াতে ৰণছান্তাঙে অপমানিত বোধ কৰিলে আৰু তাৰ পোতক তুলিবলৈ প্ৰতিজ্ঞা কৰিলে।

ৰণছান্তাঙে ছ'চেঙলৈ গৈ ৰাজবিষয়া লংদিলিক সাক্ষাৎ কৰি হাঙ্গঁৰ বিষয়ে সবিশেষ বৰ্ণনা কৰিলে। লগতে ক'লে—ৰূপৱতী হাঙ্গঁ এতিয়াও অবিবাহিতা। আপুনি প্ৰতাপী মানুহ। তাইৰ ৰূপে আপোনাৰ প্ৰাসাদৰ সৌষ্ঠৱ বৃদ্ধি কৰিব আৰু আপোনাৰো সন্মান বাঢ়িব। লংদিলিয়ে ৰণছান্তাঙৰ প্ৰৰোচনা বুজিব নোৱাৰি হাঙ্গঁক বিয়া কৰোৱাৰ প্ৰস্তাৱ দি ছাই ৰংহাঙৰ ঘৰলৈ ৰেকচুতি নামৰ এজন লোকক কটকী হিচাপে পঠিয়ালে। ৰেকচুতিয়ে ভু-ভৈ জোতি লংদিলিক জনালে যে হাঙ্গঁ সুন্দৰী যদিও বিবাহিতা। হাঙ্গঁৰ সৌন্দৰ্যৰ কথা জানিব পাৰি বিবাহিতা বুলি গম পায়ো তাইক বিয়া কৰাবলৈ লংদিলি দৃঢ়প্ৰতিজ্ঞ হ'ল। তেওঁ ছাই ৰংহাঙক ছ'চেঙলৈ মাতি পঠিয়ালে আৰু বল প্ৰয়োগেৰে হাঙ্গঁক তেওঁলৈ বিয়া দিবৰ বাবে সন্মত কৰালে।

হাঙ্গঁএ এদিন লং টেৰণক লৈ হৰলাং (মদ) প্ৰস্তুত কৰিবলৈ বুলি কৰবীয়া কলপাত বিচাৰি ওলাল। দেউতাক ছাই ৰংহাঙে হৰলাং তৈয়াৰ কৰি থ'বলৈ কৈছিল। কিন্তু এইদৰে মদ প্ৰস্তুত কৰিবলৈ দিয়াৰ আঁৰত উদ্দেশ্য এটা নিহিত আছিল—লংদিলিয়ে হাঙ্গঁক খুজিবলৈ আহিব। হাঙ্গঁএ এইবোৰৰ একো ভু পোৱা নাছিল যদিও লঙে গম পাইছিল। লং টেৰণৰ পৰা কথাটো জানিব পাৰি হাঙ্গঁএ মৰ্মান্তিক আঘাত পালে। তাইৰ মনে হাহাকাৰ কৰি উঠিল। বিচ্ছেদৰ আশংকাই তাইক অতিষ্ঠ কৰি তুলিলে। দুচকু লোতকেৰে তিৰ্‌বিৰাই উঠিল। ক্ৰম খেতিত সজা মাদ্দু (সৰু ঘৰ)ত বহি লঙে ছিঙি অনা মেনথেছ' (কমলাজাতীয় ফল) লৈ ভগৱানৰ উদ্দেশ্যে বোধন কৰিলে—হে' ঈশ্বৰ, আমাৰ মিলনত যদি বিচ্ছেদৰ যোগ নাই, তেতিয়াহ'লে এই ফলটোৰ বাকলি নিজিগাকৈ ত্ৰিছ হাত দীঘল হওক। হাঙ্গঁএ ফলটো বখলিয়াবলৈ ধৰিলে। কিন্তু 'হাঙ্গঁৰ দুৰ্ভাগ্য যে বাকলিটো মাজভাগতে ছিগি থাকিল। তাই মনত বৰ আঘাত পালে আৰু কান্দোনত ভাগি পৰিল। মনক সান্ত্বনা দিয়াৰ মানসেৰে তাই ছিগি যোৱা বাকলিডোখৰ সূতাৰে চিলাই খোপাত গুজি ল'লে।

নিৰ্দিষ্ট দিনত লংদিলি সদলবলে আহি ছাই ৰংহাঙৰ ঘৰত উপস্থিত হ'লহি আৰু ছাই ৰংহাঙক হৰবং যাচি মান ধৰিলে। হৰবং গ্ৰহণ কৰাৰ পূৰ্বে 'হাঈ' বিবাহিতা আৰু এটি সন্তানৰ মাক' বুলি ছাই ৰংহাঙে দোহাৰিলে আৰু অনৰ্থ নকৰিবলৈ কাকুতি কৰিলে। লংদিলি কিন্তু দৃঢ়সংকল্পবদ্ধ—এই বিয়া হ'বই লাগিব। অন্যথা যুদ্ধৰ সূচনা হ'ব। হাঈ'এ নিজেও আহি আপত্তি জনালে। তথাপি নৰজিল। অগত্যা ছাই ৰংহাঙে হৰবংটো বিধিসন্মতভাৱে গ্ৰহণ কৰিবলগীয়া হ'ল। লং টেৰণৰো ধৈৰ্যৰ বান্ধ ছিগি গ'ল। হাতত নক্ (দা)খন লৈ লংদিলিক যুদ্ধৰ বাবে আহ্বান জনালে। কিন্তু ইমানবোৰ সৈন্যৰ বিপৰীতে লঙে অকলে যুঁজ দিয়ে কেনেকৈ? তথাপি প্ৰাণলৈ ভয় নকৰিলে লঙে। অৱশেষত মৰমী হাঈ'ৰ অনুৰোধত সি মনে মনে থাকিল।

হাঈ'ক এক প্ৰকাৰ জোৰ কৰি লংদিলিয়ে উপস্থিত ছ'চেংবাসীৰ সন্মুখত ভাত বিলাবলৈ দিলে। তেনে কৰোতে লংদিলিয়ে বলপূৰ্বকভাৱে হাঈ'ৰ হাতৰ আঙুলিত সোণৰ আঙঠি এটা পিন্ধাই দিলে। লাজ আৰু অপমানত হাঈ'এ ভাত বিলাবলৈ এৰি কান্দি কান্দি ঘৰৰ ভিতৰলৈ ঢাপলি মেলিলে। পুনৰ যুদ্ধৰ পৰিস্থিতি এটাৰ সৃষ্টি হ'ল। পৰিস্থিতি শান্ত কৰাৰ মানসেৰে লংদিলিয়ে ক'লে—'ইমান বাধাৰ মাজত হাঈ'ক বিয়া নকৰাওঁ। মাথো হাঈ'এ আমাক ছ'চেঙলৈ আগবঢ়াই থৈ আহিলেই হ'ল।' লংদিলিৰ চতুৰালিৰ কথা লং আৰু হাঈ'ৰ বুজিবলৈ বাকী নাথাকিল। আনহাতে সিহঁতৰ বাবে অন্য উপায়ো নাছিল।

পাছদিনা লংদিলি আৰু লগৰীয়াসকলক ছ'চেঙলৈ আগবঢ়াই থৈ আহিবলৈ হাঈ' বাধ্য হ'ল। নহ'লে সৈন্যৰ হাতত দেউতাকৰ প্ৰাণ যাব। হাঈ'এ লঙকো লগত যাবলৈ অনুৰোধ কৰিলে। লঙৰ যোৱাৰ ইচ্ছা নাছিল। কিন্তু মৰমী হাঈ'ৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি অনিচ্ছা সত্ত্বেও বোকোচাত পুতেকক লৈ হাঈ'ৰ পাছে পাছে যাবলৈ ধৰিলে।

এসময়ত তেওঁলোক ছ'চেং ৰংছ'পী (নগৰ) পালেগৈ। ছ'চেঙৰ সৌন্দৰ্যই হাঈ'- লঙৰ বেদনাসিক্ত মনক আপ্লুত কৰিব নোৱাৰিলে। বিচ্ছেদৰ বিৰহ-বেদনাই দুয়োকে অতিষ্ঠ কৰি তুলিলে। চকুলো নিগৰি আহি একোকে মনিব নোৱাৰা হৈ পৰিল। লংদিলিৰ চোতালত থিয় হৈ ইজনে সিজনক নয়ন ভৰি চালে। এসময়ত হাঈ'ক ভিতৰলৈ লৈ যোৱা হ'ল। লঙক কিন্তু চম্ভৰীয়ে যাবলৈ অনুমতি নিদিলে। কান্দি কান্দি অৱশেষত লং ৰিছ' তেৰাং (ডেকাচাং)ত থাকিবলগীয়া হ'ল। তাৰ বতৰা কোনেও নল'লে। কেইবাদিনো অনাহাৰে থকাৰ পাছত হাঈ' আৰু পুতেকক এৰি লং আমতাপেঙলৈ গুচি আহিবলৈ বাধ্য হ'ল।

কেইসপ্তাহমানৰ পাছত হাঈ'এ লংদিলিৰ সৈতে দেউতাকৰ 'পেছ ৰিছ' কাচেথন' (বিয়াত ব্যৱহাৰ হোৱা কাপোৰ-কানি, হৰবং আদি ঘূৰাই দিয়াৰ নিয়ম)ৰ উদ্দেশ্যে আমতাপেঙলৈ আহে। পানী আনিবলৈ যোৱাৰ ছলেৰে হাঈ'এ উমৰাছি নদীৰ ঘাটলৈ লং টেৰণক বিচাৰি আহিল। কিন্তু লঙক নেদেখিলে। তাইৰ মনটো সেমেকি উঠিল। উমৰাছি নদীৰ বালিত লঙৰ সৈতে ওমলা অতীতৰ স্মৃতিয়ে তাইক অস্থিৰ কৰি তুলিলে। বহু সময় নীৰৱে চকুলো টুকি তাই গুচি আহিল।

লংবিহীন ছ'চেং নগৰীত থাকি হাঈ'এ অকণো শান্তি নাপালে। এনেদৰে অশান্তিৰে থাকিবলগীয়া হোৱাত তাই নৰিয়াত পৰিল। কোনো ঔষধ বা বৈদ্যই কাম নিদিয়া হ'ল। হাঈ'ৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ আহিল আৰু অন্তিম মুহূৰ্তত উপস্থিত হ'ল। তাই শেষবাৰৰ বাবে লং টেৰণক চাব বিচাৰিলে। হাঈ'ৰ অৱস্থা দেখি কঠোৰমনা লংদিলিৰো সহানুভূতি উপজিল। সি ৰেকচুতিৰ হতুৱাই লং টেৰণলৈ খবৰ দি পঠিয়ালে। ৰেকচুতিৰ পৰা হাঈ'ৰ করুণ অৱস্থা আৰু পুতেকৰ বিষয়ে শুনি লং থিৰেৰে থাকিব

নোৱাৰা হ'ল। সি তৎক্ষণাৎ যাবলৈ প্ৰস্তুত হ'ল।

ছ'চেঙত লংদিলিৰ ঘৰৰ চোতালত পদাৰ্পণ কৰাৰ লগে লগে পুতেক আহি লঙক সাবটি ধৰিলে। লং টৈৰণৰ চকুলো পাৰ ভাঙি বৈ আহিল। সি পুতেকক চুমাৰে ওপচাই দিলে। হাঙ্গী'এ তাক ভিতৰলৈ মাতি পঠিওৱাত সি গৈ তাইৰ কাষত বহিল। হাঙ্গী'ৰ অৱস্থা দেখি সি কান্দি পেলালে। হাঙ্গী'এ লঙক সাবটি ধৰি কান্দিবলৈ ধৰিলে। শেষ মুহূৰ্তত তাৰ হাতেৰে ভাত এমুঠি খাব বিচাৰি লঙক হাঙ্গী'এ ভাত ৰান্ধিবলৈ অনুৰোধ কৰিলে। লঙে ভাত ৰান্ধিলে আৰু একেখন কাঁহীতে আগৰ দৰে দুয়ো খাবলৈ বহিল যদিও খোৱা নহ'ল। হাঙ্গী'ৰ অন্তৰখন যেন খানবান হৈ পৰিল। সকলো শক্তি একত্ৰিত কৰি তাই লঙক ক'লে— 'মোৰ মৃত্যুৰ পাছত আমাৰ সন্তানক তাৰ ফু যাঁ (ককা আইতা)ৰ ওচৰলৈ যেন লৈ যায়। সিহঁতে তাক লালন পালন কৰিব। তাৰ পাছত তুমি মোৰ কাষলৈ গুচি আহিবা। ইপৃথিৱীত আমাৰ মিলন সম্পূৰ্ণ নহ'ল, সিপুৰীত আমাৰ মিলন সম্পূৰ্ণ কৰিম।' তেনে অমংগলীয়া কথা নক'বলৈ লঙে হাঙ্গী'ক বাধা দিলে যদিও তাৰ পূৰ্বে হাঙ্গী'ৰ প্ৰাণপখীয়ে উৰা মাৰিলে।

হাঙ্গী'ৰ ক্ৰিয়াকৰ্মৰ পাছত লং টৈৰণে পুতেকক আমতাপেঙলৈ লৈ আহিল। মাক দেউতাকক তাৰ লালন-পালনৰ দায়িত্ব দিলে। লঙৰ অলপো মন নবহিল। সকলো সময়তে হাঙ্গী'ৰ স্মৃতিয়ে তাক আমনি কৰিবলৈ ধৰিলে। এদিন সপোনত হাঙ্গী'এ তাক মতাও সি দেখিলে। লং এদিন অসুস্থ হৈ পৰিল। সি আৰু উঠিব নোৱাৰিলে। তাৰ আত্মাই যেন হাঙ্গী'ৰ কাষলৈ যাবৰ বাবে ব্যাকুল হৈ পৰিল। হাঙ্গী'ৰ মাক কাচে তিমুংপীয়ে সপোনত দেখিলে হাঙ্গী'এ লঙক সিপুৰীলৈ আগবঢাই নিবলৈ হংথৰলৈ আহিছে। দুয়ো মিলিত হোৱাত সিপুৰীলৈ যাবলৈ ওলাইছে। মাকে হাঙ্গী'ক পৃথিৱীলৈ উভতি আহিবলৈ ক'লে কিন্তু 'অন্যায়-অবিচাৰেৰে ভৰি থকা পৃথিৱীলৈ পুনৰ ঘূৰি নাহাওঁ' বুলি দেৱতাক সাক্ষী কৰি তিনিবাৰ শপত খাই তাই গুচি গ'ল আৰু দুনাই উভতি নাচালে। হাঙ্গী'ৰ মাকে সাৰ পাই জানিব পাৰিলে যে লঙেও ইতিমধ্যে শেষ নিশ্বাস ত্যাগ কৰিছে।

ৰাজপুৰোহিত কাথাৰপ'ই সপোনত প্ৰত্যক্ষ কৰিলে যে হাঙ্গী' লং মিলিত হৈ সিপুৰীত বিবাহ পাতিছে যদিও তেওঁলোকৰ মনত অলপো শান্তি অহা নাই। সদায়ে মনত পৰে পৃথিৱীত এৰি থৈ অহা পুতেকলৈ। এদিন তেওঁলোকে পৃথিৱীলৈ আহি পুতেকক চাই যাবলৈ মনস্থ কৰিলে। চম কেচ' (যমৰাজ)ৰ বাধা নেওচি তেওঁলোক পৃথিৱীলৈ বুলি আহিল। কিন্তু হাঙ্গী'এ পৃথিৱী নাপালেহি। পুন দিশৰ পৰা অহা মন আৰু জন নামৰ এজন বায়ু দেৱতাই হাঙ্গী'ক মেঘৰাজ্য স্বৰ্গলৈ উৰুৱাই লৈ গ'ল। লঙে টলকিবই নোৱাৰিলে। স্বৰ্গৰ অধিপতি ছংছাৰপ' আৰু অন্যান্য দেৱতাসকলে হাঙ্গী'ক স্বাগতম জনালে।

হাঙ্গী'এ পৃথিৱীত পুনৰ জনম ল'বলৈ নাপালে তাইৰ প্ৰতিজ্ঞাৰ বাবে। আনহাতে লঙে শপত লোৱা নাছিল বাবে পুনৰ জনম লাভ কৰিলে। আজিলৈকে কাৰবি সমাজত হাঙ্গী'ৰ পুনৰ জন্ম হোৱা নাই আৰু হাঙ্গী' নামকৰণ কৰা কোনো শিশুৰে ভাস্কৰ-দীঘল হোৱাৰ দৃষ্টান্ত নাই। সেই কাৰণে কাৰবি সমাজত শিশুক হাঙ্গী' নামকৰণ কৰা নহয়।

এই হাঙ্গী'ৰ গীত সকলো সময়তে গোৱা নিষেধ। বছৰত এটা নিৰ্দিষ্ট দিনত 'বছৰ কেকুৰ' কৰিবলৈহে গোৱা হয়। এই গীত সম্পূৰ্ণকৈ গোৱা যিকোনো ব্যক্তিয়ে পূজা কৰি মংগল বিধান কৰিব লাগে বুলি বিশ্বাস কৰে। হাঙ্গী'এ কাৰবি সমাজত পুনৰ জনম লোৱা নাই যদিও ৰক্ষ দেৱী হিচাপে কাৰবিৰ অন্তৰত, তেজত আৰু সমাজত চিৰবিদ্যমান হৈ আছে।

তিৱাসকলৰ জনবিশ্বাসত সৃষ্টিৰ ৰহস্য

বলাইৰাম সেনাপতি

তিৱাসকলৰ মতে, এসময়ত স্বৰ্গৰ দেৱতাসকলৰ পৃথিৱীৰ প্ৰাণীবোৰৰ ওপৰত বৰ খং উঠিছিল আৰু সেয়ে পৃথিৱীৰ প্ৰাণীবিলাকক ধ্বংস কৰিবলৈ মন কৰি দেৱতাবিলাকে ধুমুহা-বিজুলী ঢেৰেকনিৰে একেৰাহে বহুদিন ধৰি পৃথিৱীলৈ বৰষুণ নমাই আনি গোটেই পৃথিৱীখন পানীৰ তলত ডুবাই ৰাখিছিল। সেই সময়ত মাত্ৰ এহাল বুঢ়া-বুঢ়ীয়ে এটা প্ৰকাণ্ড শুকান লাউৰ খোলাৰ ভিতৰত সোমাই সেই সময়ৰ পৃথিৱীৰ সকলো জীৱৰে বীজ লৈ পানীৰ ওপৰত টুলুং-ভুটুংকৈ ওপঙি ফুৰিছিল। দেৱতাবিলাকে সেই শুকান লাউৰ খোলাটোকো ধ্বংস কৰিবলৈ বজ্ৰ মাৰিছিল। কিন্তু শুকান লাউৰ খোলাটোক ধ্বংস কৰিব নোৱাৰিলে। এনেকৈয়ে ভালেমান দিন পৃথিৱীখন পানীৰ তলত ডুব গৈ থকাত বুঢ়া-বুঢ়ীহালো পানীৰ ওপৰতে ভালেমান দিন ওপঙি থাকিল। তাৰ পাছত পুনৰ দেৱতাবিলাকে পৃথিৱীখন নতুনকৈ গঢ় দিবলৈ মন কৰিলে। সেয়ে আকাশত মহাদেৱ, চাৰিভাই, পঞ্চ দেৱতা আৰু বাৰজনা দেৱদেৱীৰ মাজত আলোচনা হ'ল। আলোচনাত মহাদেৱে সাগৰৰ মাজত ভাঁহি থকা পচা গছৰ মূঢ়া এটা খাই থকা ভোমোৰাক মাতি আনিবলৈ চাৰিভাইক পঠিয়ালে। ভোমোৰা আহিলত মহাদেৱে ভোমোৰাক সাগৰৰ মাজত ফুলি থকা পদুম ফুলৰ মৌ চুহি থাকিবলৈ আদেশ দিলে। মহাদেৱৰ আদেশত ভোমোৰাই মৌ চুহি থাকোতেই পানীৰ তলৰ পৰা এটি বৰালি মাছে জঁপিয়াই পদুম ফুলত পৰি থকা ভোমোৰাটোক খাবলৈ বিচাৰিলে, কিন্তু বৰালি মাছটোৱে ভোমোৰাটোক খাব নোৱাৰিলে। ভোমোৰাটো উৰি গুচি গ'ল যদিও কিন্তু বৰালি মাছৰ ফিচাত লাগি অহা পানীৰ তলৰ বোকা পদুম ফুলৰ পাহিত লাগি ৰ'ল। সেই পদুম ফুলৰ পাহিত লাগি থকা বোকাখিনিকে লৈ ভোমোৰা গৈ মহাদেৱৰ ওচৰত উপস্থিত হ'ল। তেতিয়া মহাদেৱে পানীত ওপঙি থকা পচা মূঢ়া খাই থকা লাৰেঙা (কেচু)ক মাতি আনিবলৈ চাৰিভাইক পঠিয়ালে। লাৰেঙা আহিলত মহাদেৱে সাগৰৰ মাজত এটি খুঁটা পুতিলে আৰু সেই খুঁটাটোক কেন্দ্ৰ কৰি লাৰেঙাই সেই বোকাৰেই পৃথিৱীখন সাজি উলিয়ালে। পৃথিৱীখন

সাজি উলিওৱাৰ পাছত পৃথিৱীখন বাসৰ উপযোগী হৈছেনে নাই চাবলৈ নেতাই ধুপুনী চৰাইক মাতি আনিলে। নেতাই ধুপুনী চৰায়ে পৃথিৱীৰ চাৰি চুকে চাৰিটা খোজ দি চোৱাত পৃথিৱীখন টুলুংভুটুং কৰাত পৃথিৱীখন বাসৰ উপযোগী হোৱা নাই বুলি দেৱতাসকলক জনালে। তেতিয়া দেৱতাসকলৰ মাজত আকৌ মেল বহিল। মেলৰ সিদ্ধান্তমৰ্মে লাৰেঙাক পুনৰ মাতি আনি পৃথিৱীখনক টানকৈ পাগ দিবলৈ কোৱা হ'ল। পুনৰ টানকৈ পাগ দিয়াত পৃথিৱীৰ উপৰিভাগ টান হ'ল আৰু নেতাই ধুপুনী চৰাইক পুনৰ পৰীক্ষা কৰিবলৈ দিয়াত, নেতাই ধুপুনী চৰায়ে পৰীক্ষা কৰি বাসৰ উপযোগী হৈছে বুলি মহাদেৱক জনালে। মহাদেৱে পুনৰ দেৱতাবিলাকৰ লগত আলোচনাত বহিল আৰু সাগৰৰ মাজত শুকান লাউৰ খোলাৰ ভিতৰত ভাঁহি ফুৰা বুঢ়া-বুঢ়ীহালৰ পৰা শস্য বিধান আনিবলৈ চাৰিভাইক পঠিয়ালে। বুঢ়া-বুঢ়ীহালে পূৰ্বতে দেৱতাবিলাকে তেওঁৰ শুকান লাউৰ খোলাটোৰ ওপৰত বজ্ৰৰ আঘাত কৰাৰ কথা স্মৰণ কৰি শস্যৰ বিধান দিবলৈ ইচ্ছা নকৰিছিল, কিন্তু শস্যৰ বিধান নিদিলে দেৱতাবিলাকে কিবা অপকাৰ কৰিব পাৰে বুলি ভাবি চাৰিভাইৰ হাতত শস্যৰ বিধান দিলে। শস্যৰ বিধান পাই দেৱতাবিলাকে হাল-কোৰ বাই শস্যৰ বিধানবোৰ সিঁচিলে। শস্যৰ বিধানবোৰ সিঁচাৰ পাছত দেৱতাবিলাকক লগত লৈ মহাদেৱে পথাৰ চাবলৈ আহি দেখিলে যে শস্যবোৰ শুকাই গৈছে। পৃথিৱীৰ উপৰিভাগৰ মাটি কঠিন হোৱাৰ বাবেই এনে হৈছে বুলি জানি পুনৰ লাৰেঙাক মতাই আনিলে আৰু লাৰেঙাক মতাই আনি পৃথিৱীৰ ভিতৰভাগৰ পৰা কোমল মাটি উলিয়াই আনিবলৈ দিলে। লাৰেঙাই পৃথিৱীৰ ভিতৰভাগৰ পৰা কোমল মাটি উলিয়াই আনিলত সেই কোমল মাটিত শস্যৰ বীজ সিঁচাত শস্যবোৰ লহপহকৈ বাঢ়ি আহিল। ইয়াৰ পাছত মহাদেৱে মানুহক সৃষ্টি কৰাৰ কথা ভাবিলে আৰু সেই কাৰণে মাটিৰে কিছুমান মানুহৰ পুতলা সাজি পুতলাবোৰ ৰ'দত ভালদৰে শুকাবলৈ দিলে। এনেকৈয়ে এদিন পুতলাবোৰ ৰ'দত ভালদৰে শুকাবলৈ দি মহাদেৱে ঘৰৰ পৰা ওলাই গৈছিল। এনে সময়তে নাৰদ মুনি ওলাই আহি মহাদেৱে মাটিৰে সাজি থোৱা পুতলাবোৰ দেখি নাৰদ মুনিৰ অলপ ধেমালি কৰিবৰ মন গ'ল। তেওঁ কি কৰিলে? সেই ভালদৰে নুশুকুৱা মাটিৰ পুতলাবোৰত জীৱন সঞ্চাৰ কৰি দি তেওঁলোকৰ হাতত বিবিধ নৃত্য-গীতৰ বাদ্য-যন্ত্ৰ দিলে। মাটিৰ পুতলাবোৰেও জীৱন পাই গীত গাই নাচিবলৈ ধৰিলে। জীৱবোৰৰ নৃত্য-গীত কিছু সময় চাই থাকি নাৰদে মহাদেৱৰ গালি শুনাৰ ভয়ত তাৰ পৰা আঁতৰি পলাল। কিছু সময়ৰ পাছত মহাদেৱে যেতিয়া ঘৰলৈ ঘূৰি আহে, তেতিয়া মানুহৰ পুতলাবোৰে হাতত সংগীতৰ বাদ্য-যন্ত্ৰ লৈ নাচি থকা দেখা পাই এইটো নাৰদৰে কাম বুলি জীৱবোৰক পুতলাৰ ভিতৰৰ পৰা ওলাই আহিবলৈ ক'লে। কিন্তু জীৱবোৰ পুতলাৰ ভিতৰৰ পৰা ওলাই নাহিল। তেতিয়া মহাদেৱে ক'লে, তহঁতৰ শৰীৰটো ভালদৰে নুশুকাওঁতেই তহঁত জীৱবোৰ তাত সোমালি, গতিকে এদিন তহঁতে মৃত্যুৰ মুখত পৰিবি। এই জনশ্ৰুতিৰ মূল কথাখিনি এসময়ৰ ডিমৰীয়া সাহিত্য সভাৰ সম্পাদক শ্ৰীযুত হেম মড়ল আৰু শ্ৰীযুত হৰেকৃষ্ণ ডেকাই স্থানীয় লোকৰ পৰা শুনি প্ৰকাশ কৰিবলৈ যত্ন কৰিছো বুলি '*এইখন ডিমৰীয়া* কিতাপৰ নিবেদনত লিখিছিল। এই জনশ্ৰুতিত ঠাই পোৱা দেৱতা মহাদেৱ হিন্দুসকলৰ ভাগৱত পুৰাণত ঠাই পোৱা এজন দেৱতা হ'লেও মহাদেৱ এতিয়াও তিৱাসকলৰ এজন প্ৰধান দেৱতা, কিন্তু জনশ্ৰুতিত ঠাই পোৱা নাৰদক তিৱাসকলে নাজানে আৰু তেওঁক তিৱাসকলে কোনো পূজা-পাতলতো আজিলৈকে স্থান দিয়া নাই। আনহাতে তিৱাসকলে আজিও এন্দুৰ-নিগনিৰ পৰা শস্যৰ বীজ ৰক্ষা কৰিবলৈ জাতি লাউৰ টান খোলাৰ ভিতৰত শস্যৰ বীজ ভৰাই ভালদৰে সোপা মাৰি ওঁৰালৰ

গাধৈত ৰাখে। সেয়ে বিভিন্ন জনশ্ৰুতিত শুনা মহাপ্লাৱনৰ কথা, শস্যৰ বীজ ৰক্ষা কৰি তিৱাৰ বুঢ়া-বুঢ়ীহালে পানীত ওপঙি ফুৰাৰ কথা শুনি তিৱাসকলৰ মনত জাহাজ বা নাৱৰ কথা মনলৈ নাহি শস্যৰ বীজ ভৰাই থোৱা জাতিলাউৰ টান খোলাটোৰ কথাহে মনলৈ আহিছিল বুলি ভাব হয়। সেয়ে তেওঁলোকে শস্যৰ বীজবোৰ লৈ তিৱা বুঢ়া-বুঢ়ীহালক জাহাজ বা নাৱৰ ওপৰত নুতুলি জাতিলাউৰ টান খোলাৰ ভিতৰত ভৰাই পানীৰ ওপৰত ওপঙাই ৰাখিলে। আনহাতে পৃথিৱীখন মানৱৰ বাসৰ উপযোগী হোৱাৰ পাছত জাতিলাউৰ খোলাত উঠি ওপঙি ফুৰা বুঢ়া-বুঢ়ীহালৰ পৰাহে মানৱ জাতিৰ সৃষ্টি হ'ব লাগিছিল, মাটিৰে সজা পুতলাৰ পৰা নহয়। তিৱাসকলৰ সৰল মনে মানুহক মহাদেৱৰ দ্বাৰাই মাটিৰে সজা বুলি ধাৰণা থকাৰ কাৰণেই মানুহক মহাদেৱৰ যোগেদি মাটিৰে সজোৱা হ'ল আৰু ভালদৰে পুতলাবোৰ নুশুকাওঁতে জীৱবোৰ তাত সুমুৱাই দিয়াৰ বাবেহে মানুহৰ জীৱনটো ক্ষণস্থায়ী হ'ল বুলি ভাবিবলৈ ল'লে। তিৱাসকলৰ জনশ্ৰুতিত পোৱা এই কাহিনীৰ দৰে দেৱতাৰ ৰোষত পৰি হোৱা মহাপ্লাৱনৰ কাহিনী অন্য বহু শাস্ত্ৰত আছে, য'ৰ পৰা অনুমান কৰিব পাৰি যে সঁচাকৈয়ে প্ৰাচীনকালত দেৱতাৰ ৰোষত পৰি এনে এটি বিপৰ্যয় ঘটিছিল। হিন্দুৰ ধৰ্মশাস্ত্ৰ মতেও সত্যব্ৰত ৰজাই নদীত তৰ্পণ কৰোতে তেওঁৰ আঁজলিত এটি সৰু মাছ উঠিছিল। মাছটোৱে প্ৰথমতে সত্যব্ৰত ৰজাক কৈছিল, 'মোক ডাঙৰ মাছে খাব বিচাৰিছে, আপুনি মোক ৰক্ষা কৰক।' সত্যব্ৰতে মাছটোৰ নিৰ্দেশত মাছটোক প্ৰথমতে গংগাত, তাৰ পাছত সাগৰত পেলাই দিছিল। পাছত বিৰাট সাগৰজুৰি লোৱা মাছটোৱে সত্যব্ৰত ৰজাক কৈছিল, 'কিছুদিনৰ পাছত এই পৃথিৱীখন পানীৰ তলত ডুব যাব আপুনি নাও এখন সজাই তাত জৰী লগাই ঋষি সাতজনসহ সকলো জীৱবে বীজবোৰ লৈ উঠি থাকিব, সময়মতে আহি মই জৰীত ধৰি নাওখন বামলৈ টানি লৈ যাম।' সেয়ে হ'ল। পানীত বুৰ যোৱা পৃথিৱী, ঋষি সাতজন, সকলো জীৱৰে বীজসহ সত্যব্ৰত পানীত ওপঙি থাকিল। শেষত পানী শুকালত সত্যব্ৰত, ঋষি সাতজন আৰু সকলো জীৱৰ বীজবোৰৰ পৰাই পুনৰ নতুন পৃথিৱীৰ সৃষ্টি হ'ল। বাইবেলৰ মতেও ঈশ্বৰৰ আদেশত একমাত্ৰ নোৱাই এখন নাও সাজি উদ্ভিদসহ সকলো জীৱৰে এযোৰকৈ নাৱৰ ভিতৰত ভৰাই লৈ মহাপ্লাৱনৰ সময়ত পানীৰ ওপৰত উটি-ভাঁহি ফুৰি পানী শুকালত সেই উদ্ভিদ আৰু জীৱবোৰৰ পৰাই পুনৰ সৃষ্টিৰ পাতনি মেলিছিল। ইহুদী আৰু মুছলমানসকলৰ মাজতো তদনুৰূপ আখ্যান আছে। একেবাৰে তিৱাসকলৰ নিকটৱৰ্তী হিচাপে বাস কৰা কাৰবিসকলৰ মাজতো তেনে এটি আখ্যান আছে। তেওঁলোকৰ মতে আদিতে পৃথিৱীখন পানীত ডুব গৈ আছিল। তেতিয়া সৃষ্টিৰ অধিকাৰী দেৱতা (কাৰবিৰ মতে) হেম্‌ফু আৰু মুক্ৰাঙে এখন পৃথিৱী সৃষ্টি কৰি তাত জীৱবিলাক স্থাপন কৰাৰ কথা ভাবিলে। তেওঁলোকে সেই উদ্দেশ্যৰেই বৰালি মাছক পানীৰ তলৰ পৰা এচপৰা মাটি তুলি আনিবলৈ দিলে। বৰালি মাছে পানীৰ তলৰ পৰা এচপৰা মাটি তুলি আনিলে, হেম্‌ফু আৰু মুক্ৰাঙে আঠোটা দিক্ নিৰ্ণয় কৰি মাটিডোখৰ পানীৰ ওপৰত স্থাপন কৰিলে। সূৰ্যৰ তাপত এই মাটিডোখৰতে কেঁচুক স্ৰজন কৰিলে। তাৰ পাছত হেম্‌ফু আৰু মুক্ৰাঙে বায়ু দেৱতাৰ সহায়ত পৃথিৱীত উদ্ভিদ-জীৱৰ বীজ সিঁচিলে। পৃথিৱীখন গছ-গছনিৰে ভৰি পৰিল। তাৰ পাছত মানুহৰ বাহিৰে অন্যান্য জীৱ-জন্তু সৃষ্টি কৰিলে, সদৌ শেষত মানুহক সৃষ্টি কৰিলে। মানুহক সৃষ্টি কৰি হেম্‌ফু আৰু মুক্ৰাঙে বৰ জুলুমত পৰিছিল। তেওঁলোকে মানুহক সৃষ্টি কৰিলে হয়, কিন্তু জীৱ-জন্তুবিলাকে খাই থয়। এইদৰে মানুহক সৃষ্টি কৰি কৰি ভাগৰ লাগি শেষত তেওঁলোকে মানুহক এটি বুদ্ধি দিলে যে তেওঁলোকৰ কিবা অপায়-অমংগল হ'লে তেওঁলোকৰ নামত

পূজা এভাগ দিলে তেওঁলোকে আহি তেওঁলোকৰ অপায়-অমংগলবোৰ দূৰ কৰি দিৱহি। সেইদিন ধৰি কাৰবিসকলে কিবা অপায়-অমংগল হ'লে হেমফু আৰু মুক্রাঙৰ নামত পূজা এভাগ দি বিপদৰ পৰা মুক্তি বিচাৰে। কাৰবিসকলৰ পূজা-পাতলৰ লগত জড়িত এই কথাখিনি ১৯৫৫ চনৰ ৮ম বছৰ ৪ৰ্থ সংখ্যাৰ 'বামধেনু'ত মই লিখিছিলো। কাৰবিসকলৰ জনশ্রুতিৰ লগত তিৱাসকলৰ জনশ্রুতিৰ কেইটিমান কথা মিল আছে। তিৱাসকলৰ মতে, বৰালি মাছৰ ফিচাত লাগি অহা বোকাখিনি পদুম ফুলৰ পাহিত লাগি ৰ'ল আৰু সেই পদুম ফুলৰ পাহিত লাগি থকা বোকাখিনিৰ পৰায়েই পুনৰ পৃথিৱীৰ সৃষ্টি হ'ল। কাৰবিসকলৰ হেমফু আৰু মুক্রাঙে পৃথিৱী সৃষ্টি কৰিবলৈ বৰালি মাছক পানীৰ তলৰ পৰা এচপৰা মাটি তুলি আনিবলৈ ক'লে আৰু সেই মাটিৰ পৰাই হেমফু মুক্রাঙে পৃথিৱী সৃজন কৰিলে। এই জনশ্রুতিত থকা কথাখিনিকে বিশ্বাস কৰি তিৱাসকলে তেওঁলোকৰ সৃজন কৰোঁতা বুলি মহাদেৱক আৰু কাৰবিসকলে হেমফু মুক্রাঙক পূজা কৰি আহিছে।



সপ্তম অধ্যায়

সাঁওতালের লোককলা লোকবাদ্য

কাৰ্বি লোক-কলা

ৰং বং তেৰাং

সৌন্দৰ্যবোধ মানৱ মনৰ এক সহজ ৰূপ। এই অনুভূতি থকা বাবেই মানুহে নিজকে সজাই-পৰাই ল'বলৈ ভাল পায়। প্ৰাণী জগতৰ এইটো এটা সহজ প্ৰবৃত্তি। এনে প্ৰবৃত্তি থকা হেতুকেই সম্ভৱতঃ বনৰ শালিকীজনীয়েও চুচি মাৰি নিজকে চিকচিকীয়া কৰি তুলিবলৈ নাপাহৰে। মানুহৰ ক্ষেত্ৰত এই প্ৰবৃত্তি অধিক গভীৰ, সুসংহত, ব্যাপক আৰু অনুকৰণধৰ্মী ভাৱে পৰিপুষ্ট আৰু সেইবাবেই কলাৰ বৈচিত্ৰময় বৰ্ণালীও মানৱ সমাজত বহুৰূপৰ হৈ উঠিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য জনগোষ্ঠীৰ দৰেই কাৰ্বি জনগোষ্ঠীৰো সৌন্দৰ্যবোধৰ ধ্যান-ধাৰণা নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল। অৰুণাচল প্ৰদেশৰ টংচা-ৱাঞ্চু জনগোষ্ঠীৰ দৰেই কাৰ্বি যুৱতীসকলেও নিজকে সজাই তুলিবলৈ উল্কি প্ৰথাক আদৰিছিল। যুৱক যুৱতীসকলে কাণৰ সৌন্দৰ্যবৰ্ধন কৰিবলৈ বাঁহৰ পাব কাটি কাণৰ ফুটা বহলাইছিল। পুৰুষে দাঁত নুপাৰিত 'ছইক' লোলাই ক'লা কৰি ভাল পাইছিল। খোপাৰ চুলিত ৰ'ঙাক পক্ষীৰ নেজ গুজি চমাংকান নৃত্যত যুৱতীসকলে অংশগ্ৰহণ কৰি গৌৰৱবোধ কৰিছিল। সৌন্দৰ্যবোধৰ এই অনুভূতিত নিহিত হৈ আছে তেওঁলোকৰ প্ৰাচীনতম ধাৰণাৰ স্বাক্ষৰ। আজিৰ যুগত এই বৈশিষ্ট্যসমূহৰ কোনো মূল্য নাথাকিলেও কাৰ্বি জনগোষ্ঠীৰ সৌন্দৰ্য-চৰ্চাৰ ইতিহাস আৰু পৰম্পৰাক উন্মুক্ত কৰাত এইবোৰেই নিভাঁজ দলিল। সৌন্দৰ্যবোধৰ পৰাই কাৰ্বি লোককলাৰো জন্ম। এই সৌন্দৰ্যবোধৰ মূল প্ৰেৰণাৰ স্থল তেওঁলোকৰ পৰিচিত প্ৰকৃতিৰ অনিৰ্বচনীয় ৰূপ-সুষমা। গছ-লতিকাৰ বিভিন্ন ভংগিমা, পশু-পক্ষীৰ বিচিত্ৰ ৰূপ, ফুল আৰু পখিলাৰ বৰ্ণাঢ্য ৰং, জান-জুৰিৰ সৰ্পিল গতি-মূৰ্চ্ছনা, নিশাৰ আকাশে সৃষ্টি কৰা জোন আৰু তৰাৰ নয়নাভিৰাম সৌন্দৰ্য আদিয়ে তেওঁলোকৰ মনৰ আৱেগ-অনুভূতিত শিহৰণ জগাই কাৰ্বি লোক-কলাক সঞ্জীৱিত কৰি আহিছে। প্ৰকৃতি জগতৰ লগতে বিভিন্ন জনগোষ্ঠীৰ সংস্পৰ্শই কাৰ্বি লোক-কলাক নতুন ৰূপত সজাই তুলিবলৈ সক্ষম হৈছে।

কাৰবি লোক-কলা সম্বন্ধে আলোকপাত কৰিবলৈ হ'লে, তেওঁলোকৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীৰ ওপৰতেই নিৰ্ভৰ কৰিব লাগিব। তেওঁলোকৰ অনুভূতিৰ সৰল ৰূপবোৰৰ ওপৰতেই প্ৰতিফলিত হৈছে। লিখন কলা তেওঁলোকৰ পৰিচিত নহয়। সেইবাবেই চিত্ৰ-কলাৰ লেখীয়া সুকুমাৰ কলাৰ নিদৰ্শন পাবলৈ নাই। মৃৎশিল্পও পাহাৰীয়া জীৱনৰ বাবে অপৰিচিত শিল্পকলা। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য জনগোষ্ঠীৰ লোক-কলাৰ দৰেই কাৰবি লোক-কলাও সহজ আৰু জটিলতাবিহীন। নগা পাহাৰ বা অৰুণাচলৰ প্ৰকৃতি জগতখন যিমান দুৰ্গম আৰু ভয়ংকৰ, সেইবোৰৰ তুলনাত কাৰবিসকলে বসতি কৰা প্ৰকৃতি জগতখন সুগম আৰু শান্ত। প্ৰকৃতিৰ এনে পৰিৱেশ হেতুকেই অৰুণাচল আৰু নগা পাহাৰৰ লোক-কলাত ভয়ংকৰ ৰূপৰ চিত্ৰণ যিদৰে পোৱা যায়, তাৰ বিপৰীতে কাৰবি লোককলাত মধুৰ আৰু প্ৰশান্ত ৰূপহে পৰিস্ফুট হোৱা দেখা যায়।

কাৰবি লোক-কলাক প্ৰধানতঃ দুটা দিশেৰে চাব পাৰি। এই দিশ দুটাৰ এটা হৈছে ব্যৱহাৰিক সামগ্ৰীৰ ওপৰত প্ৰকাশিত কলাত্মক ৰূপ আৰু আনটো হৈছে আধ্যাত্মিক ধাৰণাৰে পৰিপুষ্ট, ধৰ্মীয় অনুষ্ঠান আদিত ব্যৱহৃত সম্পদবোৰৰ কলাত্মক ৰূপ। এই দুয়োবিধ সামগ্ৰীৰ ওপৰত পুৰুষ আৰু নাৰীৰ সুকোমল অনুভূতিৰ সুকীয়া ৰূপ প্ৰতিফলিত হোৱা দেখা যায়। বাঁহ, বেত আৰু কাঠৰ ওপৰত পুৰুষৰ শিল্প-কৰ্মবোৰ প্ৰকাশিত হয়। আনহাতেদি বয়ন শিল্পৰ মাজেদি নাৰী-মনৰ ভাব-অনুভূতিৰ কলাসুলভ সত্তাক সঞ্জীৱিত কৰা হয়।

পুৰুষৰ শিল্প-কাৰ্যত ৰঙৰ প্ৰাচুৰ্য নাই। কাঠত খোদাই কৰা পশু-পক্ষীৰ আকৃতিবোৰতো নাৰীৰ সূক্ষ্ম কল্পনাৰ পৰিস্ফুৰণ দেখা নাযায়। কাঠৰ ওপৰত নক্সা কাটিব জনা লোকক 'বাৰই' বুলি জনা যায়। কাৰবি বাৰই এজনৰ সন্মান কাৰবি সমাজত যথেষ্ট। হাতৰ লাখুটি, যাঠী আদিৰ মূৰত হাতী, চৰাই, মানুহ আদিৰ চিত্ৰ খোদাই কৰা কাৰ্যত কাৰবি বাঢ়ৈজন সিদ্ধহস্ত। দা ভৰোৱা কাঠৰ খাপ চটাৰ ওপৰত, ধপাত টেমাটোৰ সাঁফৰখনৰ ওপৰত বনৰীয়া ফুল, চৰাই, পছু আদিৰ নক্সা কাটি নিজৰ ৰুচিবোধৰ পৰিচয় দিয়া দেখা যায়। কাঠৰ দুৱাৰৰ ছটাত শিমলু ফুলৰ নক্সা কটাই কলাসুলভ মনৰ পৰিচয় দিয়াৰ লগতে গাঁওখনৰ সম্ভ্ৰান্ত পৰিয়ালৰ পৰিচয়সূচক ইংগিতো বহন কৰে।

কাঠৰ কাৰুকাৰ্যৰ উৎকৃষ্ট নিদৰ্শন কাৰবিসকলৰ চ'মাংকান উৎসৱত প্ৰদৰ্শন কৰা হয়। 'জাম্বিলী আথন'ৰ শিল্পকৰ্মত কাৰবি বাৰইজনৰ শিল্প নৈপুণ্যৰ স্বাক্ষৰ অনস্বীকাৰ্য। ৰ'জাৰু, ৰ'লেং, মাইন' অৰ্থাৎ ভীমৰাজ, বাঢ়েটোকা, মইনা আদি পৰিচিত বন-বিহংগৰ নক্সাৰ উপৰি 'জাম্বিলী আথন'ৰ মূল গছডালৰ লগতে চাৰিটা ডালত খোদিত ঘেৰবোৰৰ সূক্ষ্ম কাৰুকাৰ্যই কাৰবি লোককলাৰ মনোৰম দিশৰ ইংগিত বহন কৰি আহিছে। কাৰবি লোকশিল্পীজনে গঢ়ি তোলা 'জাম্বিলী আথন'ৰ চিত্ৰকল্পৰ বিষয়ে কাৰবি গীতিকাৰেও প্ৰশংসা কৰিছিল—তেওঁৰ পৰিচিত ছন্দ ভাষাত। 'ৰুকাছেন' পুথিত গীতিকাৰে এইদৰে প্ৰশংসা আগবঢ়াইছেঃ

কটাৰী মেছি পেন
নাংছয় পাংজাংহি
আংদেংদেং আহি।
পাৰ্দন ৰ'ৰালি
ছয়তাংল' আনছি।

[লাহি কটাৰীখনেৰে মিহিকৈ চাঁচি গা-গছত ফুল কাটিলে। ব'ৰালি চৰাইবোৰক ডালত বহুৱাই (জাম্বিলী আথন) সজোৱা হ'ল।]

কাৰবিসকলৰ চাৰুশিল্পৰ প্ৰতি থকা স্বাভাৱিক অনুৰাগ আৰু সৌন্দৰ্যপ্ৰীতিৰ আভাস এই গীতেই দাঙি ধৰিছে। 'জাম্বিলী আথন'ৰ ৰূপ-কল্পনাত কাৰ্বি বাৰইজনে এজোপা গছৰ সৌন্দৰ্যলৈ নিশ্চয় সততে চকু ৰাখিছিল।

'লাংটুক' আৰু 'হাবনে'ৰ লেখীয়া চ'মাংকান উৎসৱত কাঠেৰে নিৰ্মিত পক্ষীৰ নক্সাবোৰো উল্লেখযোগ্য লোককলাৰ নিদৰ্শন। 'লংএ' নামৰ শিলটোৰ কাষতে নিৰ্মাণ কৰা চাৰিচুকীয়া নাদৰ কেউকাষে থকা কাঠৰ বাৰছটাত ধনেশ, মইনা, শালিকা আদি চৰাইবোৰৰ নক্সা লগোৱা থাকে। এই চৰাইবোৰৰ পৰিচিত বং ক'লা। চ'মাংকানত ব্যৱহৃত লোক-কলাৰ সম্পদবোৰত ক'লা ৰঙৰ প্ৰয়োগ মন কৰিবলগীয়া বৈশিষ্ট্য। 'জাম্বিলী আথন' আৰু এই মঙ্গলধৰ্মী পক্ষীবোৰৰ বগা-বগা মণিৰ উপৰি কড়ি আদিৰে অলংকৰণ কৰি শোভাবৰ্ধন কৰা হয়।

চ'মাংকান উৎসৱত ব্যৱহৃত কাৰ্বি ঢালখনৰ ওপৰতো লোক-কলাৰ কিছু নিদৰ্শন পোৱা যায়। ঢালখনৰ ওপৰত খোদিত অৰ্ধচন্দ্ৰ আৰু তৰাৰ চিত্ৰ প্ৰতীকীৰ দৃষ্টিৰেও তাৎপৰ্যপূৰ্ণ। ক'লা ৰঙৰ ঢালখন অন্ধকাৰ ৰাতিৰ কলাত্মক ৰূপ, জোন আৰু তৰা হ'ল নিশাৰ দৃশ্যমান নৈসৰ্গিক সৌন্দৰ্য; লোকশিল্পীৰ মানসপটত প্ৰতিভাত হোৱা এই সৌন্দৰ্যক বিশ্বয়াভিভূত নৈপুণ্য শক্তিৰ প্ৰতিভূৰে সালংকৃত কৰি ঢালখনৰ শিল্পকৰ্ম সাধন কৰা হৈছে বুলি ভাবিব পাৰি

চ'মাংকান উৎসৱৰ লগত জড়িত বাঁহৰ কাৰুকাৰ্যত কাৰ্বি লোককলাৰ চানেকী পাব পাৰি। উৎকৃষ্ট নিদৰ্শনস্বৰূপে 'বানজাৰ'ৰ শিল্পকৰ্ম উল্লেখযোগ্য। গোটা কেঁচা বাঁহৰ ওপৰত কটাৰীৰে বিভিন্ন চিত্ৰ আঁকি 'বানজাৰ'ৰ ৰূপ কল্পনা কৰা হয়। সৰল ৰেখাৰ মাজেদি আঁকাই-পকাই কৰা বক্ৰ ৰেখাৰে বাঁহ ডালৰ সৌন্দৰ্যবৰ্ধন কৰা হয়। 'বানজাৰ'ৰ উপৰি পানী ভৰোৱা 'লাংপে' আৰু পানী খোৱা চুঙা 'লাংপং'বোৰতো একেধৰণৰ সহজ প্ৰণালীৰে শোভাবৰ্ধন কৰা হয়।

কাৰ্বি লোককলাৰ সুন্দৰ নিদৰ্শন—বাঁহৰ চমালেৰে সজা গোঠনা কলাৰ মাজেদিও পাব পাৰি। চাবি, চালনী, বিচনী ইত্যাদি কাৰু শিল্পত পুৰুষ-মনৰ সৌন্দৰ্যবোধৰ পৰিচয় পাব পাৰি। বাঁহৰ কাঠি-কামিৰে সজোৱা সামগ্ৰীৰ ওপৰতো এনে নিদৰ্শন পাব পাৰি। চাবি, বিচনী আদিত বি-টাংকো, বি-হনমি, ছুৰে আৰৰ', লংলে আংফাৰ, থইফেছুৰি আংফাৰ, কেথৰ আনত, লাং আংবিং, পিমপ্ৰাম আৰ' আদি জটিল চিত্ৰৰূপ ফুটাই তুলিব পৰাটো কাৰ্বি পুৰুষ এজনৰ কৃতিত্বৰ পৰিচায়ক।

ওপৰত উল্লেখ কৰা চিত্ৰৰূপবোৰ প্ৰকৃতি জগতখনৰেই প্ৰতিফলন। জন্তুৰ খোজ, বাঁহ ফুলৰ ৰূপ, গছ-পাতৰ আকৃতি, পানীৰ মৃদু ঢৌ, ঔটেঙাৰ কোঁহটোৰ গাঁথনি ইত্যাদি ছবিবোৰ কাৰ্বি পুৰুষসকলৰ পৰিচিত ছবি। এই প্ৰকৃতিৰ ৰূপবোৰৰ কাৰুশিল্পৰ সহায়ত প্ৰকাশ কৰি নিজৰ ৰুচিবোধ আৰু লগতে সৌন্দৰ্যবোধৰ পৰিচয় দি দক্ষতাৰ পৰিচয় দি আহিছে। পুৰুষ-মনৰ সূক্ষ্ম অনুভূতিবোৰ এই ছবিবোৰতেই প্ৰতিভাত হৈছে। কাৰ্বি ডেকা-চাং 'জেৰ'াং' ঘৰতো এনে শিল্পকৰ্মৰ অনুশীলন হৈছিল। 'বিছ'-চ'জুন' নামৰ পূজা অনুষ্ঠানত গাঁৱৰ গাঁওবুঢ়া 'হাবথে'ৰ আসন 'টাব মিদু' নামৰ বিশেষ চাবিখনৰ চিত্ৰকল্প অতি তাৎপৰ্যপূৰ্ণ। শাৰী শাৰী মানুহৰ মূৰ্তিৰে চাবিখন গোঁঠা হয়। এই চিত্ৰকল্পই কাৰ্বি ডেকা-গাভৰুৰে 'জেলেং আধেপাই' নামৰ গভীৰ বাদত আত্মজাহ যোৱাৰ সকৰুণ ট্ৰেজেডিৰ স্মৃতিকেই

যেন বহন কৰিছে। জিৰ্ছঙৰ কঠোৰ শাসনত অতিষ্ঠ হৈ মৃত্যুক সাবটি লোৱা ডেকা-গাভৰু দলে বান্দৰলৈ ৰূপান্তৰিত হোৱা লোক-আখ্যানটো 'টাৰ-মিদু'ৰ শিল্পকৰ্মত যেন ব্যঞ্জনাময় হৈ দেখা দিবলৈ সক্ষম হৈছে। কাৰবি পুৰুষৰ দ্বাৰা সৃষ্ট লোককলাৰ সম্পদবোৰত লোক-মনত ধৰা দিয়া প্ৰকৃতিৰ বিভিন্ন ৰূপবোৰৰ সম্যক উপলব্ধি কৰিব পাৰি। লোকদৃষ্টিত প্ৰকৃতিৰ সেই ৰূপবোৰেই আনন্দ আৰু বিস্ময়ৰ কাৰণ।

কাৰবি লোক-কলাৰ মনোৰম চানেকী হ'ল বয়ন শিল্প। এই শিল্পৰ মাজেদি কাৰবি নাৰীৰ কমনীয় অনুভূতি আৰু সৌন্দৰ্যবোধৰ পৰিচয় পাব পাৰি। কাৰবি তাঁতশাল 'পে-থেৰাং'খনৰ সা-সঁজুলিবোৰ তেনেই সাধাৰণ। এই সাধাৰণ তাঁতশালতেই কাৰবি শিপিনীৰ সপোনৰ ফুলবোৰক ৰূপান্তৰ কৰে বিচিত্ৰ ৰঙৰ সূতাৰ সংমিশ্ৰণেৰে। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য জনজাতিৰ দৰেই কাৰবি নাৰীয়েও উজ্জ্বল ৰঙক সমাদৰ কৰে।

কাৰবি মেখেলা 'পিনী'খন 'ছিবু' নামৰ বনগছৰ পাতৰ ৰসেৰে ক'লা কৰি লোৱা হয়। 'পিনী'খনত ফুলৰ চানেকী নাথাকে। বগা সূতাৰে কিছুমান সৰল ৰেখাৰ ৰেখাংকন কৰা হয়। এনে ৰেখাংকন কৰা 'পিনী' সাতবিধমান পোৱা যায়। সেইকেইটাৰ ভিতৰৰে 'মাৰবং হম্‌ক্ৰি আপিনী'ৰ আদৰ বেছি। এই শ্ৰেণীৰ 'পিনী'খনৰ মাজভাগত আৰু দুয়ো দাঁতিত নক্সাবোৰ থাকে। নক্সাবোৰৰ পৰিচিত ৰূপ হ'ল কোণীয়া। কাৰবি চাদৰ কাপোৰৰ নক্সা-ৰেখাবোৰ পথালিকৈ কৰা হয়। নগা কাঁপোৰত সাধাৰণতে থিয়কৈ নক্সা তোলা দেখা যায়।

'পিনী'খন আঁটকৈ ৰাখিবৰ কাৰণে কঁকালত 'ৱাম্‌কক্' নামৰ এক-ডেৰ আঙুল বহলৰ ফিটা বন্ধা হয়। দেখাত সৰু যদিও ৱাম্‌কক্ কাপোৰত, বেৰ্‌মুম্, পংলাং ফংৰং আংছু, আমেক আদি ফুলৰ চানেকী পোৱা যায়। ৱাম্‌কক্ কাপোৰছৰ বগা সূতাৰে বোৱা হয় আৰু ফুলৰ ডিজাইনবোৰ ক'লা সূতাৰে তোলা হয়। ৱাম্‌ককৰ মূৰ দুটা ৰঙা-বগা-ক'লা সূতাৰে সুন্দৰকৈ গোঁঠা হয়।

কাৰবি নাৰীয়ে পৰিধান কৰা অন্যান্য উল্লেখযোগ্য কাপোৰ হ'ল—পে-ছাৰপী, খন-জাৰী, পে-ছেলেং, দুক্‌ফিৰ্ছ' ইত্যাদি। পে ছেলেঙৰ বাহিৰে বাকীকেইখনত ফুলৰ চানেকী নাই। এআঙুল নতুবা তাতোকৈ সৰু বহলৰ ৰঙা-ক'লা ৰেখাৰে পথালিকৈ নক্সা তোলা হয়। পে-ছেলেংখনত কাৰবি শিপিনীৰ সুকোমল অনুভূতিৰ পৰিচয় পোৱা যায়। এনে মণ্ডনধৰ্মী কাপোৰৰ পৰিচিত চিত্ৰবোৰৰ ভিতৰত পখিলাৰ শুং, চৰাইৰ চকু, ফুলাম বিচনী, জোঁপোহা গছ, বাঙি ফুল, পূৰণ চিহ্ন ইত্যাদিয়েই প্ৰধান। এইবোৰৰ উপৰি পে-ছেলেংখনত চৰাই, পখিলা, হাতী, মানুহ, তিনিমূৰীয়া আকাশীযান আদিৰ বিমূৰ্ত ৰূপবোৰেও আত্মপ্ৰকাশ কৰা দেখা যায়। এই চিত্ৰবোৰলৈ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে কাৰবি লোককলাৰ কলাত্মক অনুভূতিৰ বিষয়ে সম্যক জ্ঞান পাব পৰি।

কাৰবি পুৰুষে পৰিধান কৰা ৰিকং (চুৰিয়া) আৰু চই (চোলা)তকৈ লোককলাৰ সুন্দৰ চানেকী পাগুৰি (প'হ') কাপোৰখন বিচিত্ৰ চিত্ৰৰে সৈতে যেন একোখন কেন্‌ভাছহে। কাৰবি শিপিনীয়ে অন্তৰৰ সকলো নিৰ্যাস যেন প'হ'খনৰ ওপৰতেই ঢালি দিছে। উৰন্ত পখিলা, চৰাইৰ বিমূৰ্ত ৰূপ, মাউতসহ হাতী, ফুলি থকা গছ, বিচনী, গছ আৰু হাতীৰ সংমিশ্ৰণেৰে চিত্ৰিত কৰা অৰণ্যৰ প্ৰতীক, হৰিণা পজ্ৰৰ বিমূৰ্ত ৰূপ ইত্যাদিৰ উপৰি শাৰী শাৰী আকাশী ৰথৰ ছবিয়ে পাগুৰি-কাপোৰৰ বৈচিত্ৰ্যতা অনাত সহায় কৰে।

বিচিত্ৰ ৰঙৰ কাপোৰ পিন্ধি ভাল পোৱাৰ দৰেই কাৰবি নাৰীয়ে ডিঙিত লেক (মণি), কাণত নথেংপি (কাণৰ থুৰীয়া) হাতত ৰয় (খাৰু) আৰু আঙুলিত আৰনান (আঙঠি) পিন্ধি নিজৰ সৌন্দৰ্যবোধৰ পৰিচয় দিয়ে। ডিঙিৰ মণিত লোককলাৰ বিশেষ নিদৰ্শন পাবলৈ নাই যদিও 'লেক্ পাইকম্' নামৰ মণিধাৰত কলাত্মক বৈশিষ্ট্য কিছু নথকা নহয়। চিমিতাল সূতাৰে ৰঙা-বগা-ক'লা-হালধীয়া আদি ৰঙৰ মণিৰে বৃত্তাকাৰে মণিবোৰ গোঁঠা হয়। নাৰীৰ গ্ৰীৱাদেশ সালংকৃত কৰাবলৈকে এই মণিধাৰৰ আদৰ গাভৰুসকলৰ মাজত বেছি। কণ্ঠভৰণ 'লেক পাইকম'ৰ আদৰ কাৰবি সমাজত অধিক বাবেই লোকগীততো ইয়াৰ স্থান স্মৰণীয়। গীতটি এনেধৰণৰ :

ছাই আদাক ৰম ৰম
চিল' নাংভৰ্মাৰ বং,
নাং ভউলুন হং চেলাং
কেঙ্গং লেক্ পাইকম্।

(খেতিৰ আজৰি পৰ। সেয়েহে খবৰ ল'বলৈ আহিছো। আগ চোতালত বহি অকলে হে প্ৰিয়া, তুমি যে লেক্ পাইকম গাঁঠিছিলা!)

কাৰবি নাৰীয়ে পৰিধান কৰা খাৰুকেইপাতৰ ভিতৰৰে 'ৰয় পেংখ্ৰা' নামৰ ৰূপৰ খাৰুপাতত কাইটৰ লেখীয়া নক্সা তোলা হয়। এনে নক্সাৰ লগতে 'ইংকি আমেক' বুলি এবিধ পশুৰ চকু খাৰুপাতত নক্সা তুলি সৌন্দৰ্যবৰ্ধন কৰা হয়। ইয়াতো কাৰবি সোণাৰি শিল্পীৰ কলাত্মক দৃষ্টিভংগীৰ পৰিচয় পোৱা যায়। হাতৰ আঙঠিবোৰত লোক কলাৰ কলাত্মক নিদৰ্শন সাধাৰণতে দেখা নাযায়। পুৰণি ৰূপৰ মুদ্ৰাৰ সহায়ত ডিঙিৰ মণি তৈয়াৰ কৰাৰ দৰে আঙঠিটো ৰূপৰ সাঁচেৰে বনোৱা অৱশ্যে দেখা যায়।

অলংকাৰৰ ভিতৰত কাৰবি নাৰীয়ে পিন্ধা ৰূপৰ নথেংপি যোৰত লোককলাৰ সূক্ষ্ম ৰূপ প্ৰতিফলিত হোৱা দেখা যায়। নথেংপিৰ পৰিকল্পনা, ইয়াৰ শোভনতা, ইয়াৰ অৰ্থব্যঞ্জনা এক গৱেষণাৰ বিষয়। কাৰণ এই বিশেষ অলংকাৰপাত উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য জনজাতিৰ মাজত ব্যৱহাৰ হোৱা দেখা নাযায়। কাৰবিসকলৰ পৰিচিত ইয়াৰ অন্য নাম --- 'কাদেংছিলাৰ'। এই শব্দটো দৰাচলতে খাচীয়া ভাষাৰ পৰা অহা। এই অলংকাৰ খাচী বেপাৰীবোৰেই কাৰবিসকলৰ মাজত বেচিবলৈ আনে। কাৰবি নথেংপিৰ পৰিকল্পনাত খেদাগম পেগোদাৰ এটি শিল্পৰূপ হয়তো থাকিবও পাৰে। বিশেষজ্ঞসকলে লোক-কলাৰ এই সংমিশ্ৰণৰ ৰূপটোৰ পুনৰ্মূল্যায়ন কৰিব পাৰে *



* লেখকৰ 'সমন্বয় প্ৰবাহ' গ্ৰন্থৰ পৰা পুনৰ্মুদ্ৰিত—সম্পাদক



ৰাভা লোক-কলা

ড° উপেন ৰাভা হাকাচাম

কলা বিদ্যাত অতি প্ৰাচীন কালৰে পৰা ৰাভাসকল চহকী। ৰাভাসকলে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী কেৱল উকা আৰু মোটা চানেকীয়াভাৱে বৈ নলৈ নানা ধৰণৰ শিল্পকলা খটুৱাই তাক চালে চকুৰোৱা কৰি সাজি উলিয়ায়। এনে ধৰণৰ বিভিন্ন সৃজনী-কলাত পাৰদৰ্শিতা দেখুওৱা নিজস্ব হস্ত-চানেকিক (চাক্‌মা) ঈশ্বৰপ্ৰদত্ত জ্ঞান কৰা হয়।

'মেচানি নেনতেং মুছানি কুৰ' এই পটন্তৰফাকিয়ে সাক্ষী দিয়ে যে মহিলাসকলৰ বাবে সূতাৰ কাম অৰ্থাৎ বয়ন-কলা আৰু পুৰুষসকলৰ বাবে তমালৰ কাম অৰ্থাৎ বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰ কৰা কলা (Basketry) সমাজস্বীকৃত বৃত্তিস্বৰূপ। ইয়াৰ উপৰি তিৰোতাসকলৰ মদৰ বাখৰকে ধৰি মদ, ফটিকা আদি সুমিষ্ট কৰি তৈয়াৰ কৰা, দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী যতনাই দিয়া আদি বাঢ়ৈ কলা বিষয়ৰ সাধাৰণ জ্ঞান থকাটো নিতান্তই আৱশ্যক। সাধাৰণ মানুহৰ এইখিনি জ্ঞান নাথাকিলে ঘৰ-গৃহস্থালি চম্ভালাত বহু আহুকাল জন্মে। অৱশ্যে ফুলবছা, অংকন, মৃৎ শিল্প, ধাতৱ শিল্প, সংগীত আদি সূক্ষ্ম কলাত পাৰদৰ্শিতা লাভ কৰাটো সৰ্বসাধাৰণ লোকৰ বাবে মুখৰ কথা নহয়। কেতিয়াবা কেতিয়াবা আকৌ ব্যঞ্জন-কলাত নাৰীতকৈ পুৰুষে আৰু বাঁহ-বেতৰ কামত পুৰুষতকৈ নাৰীয়েহে অধিক দক্ষতা দেখুৱাব পাৰে। অৱশ্যে সচৰাচৰ লোককলা চৰ্চাত পুৰুষে নাৰীৰ ওপৰত আৰু নাৰীয়ে পুৰুষৰ ওপৰত হস্তক্ষেপ নকৰে। সেইবাবে ৰাভা সমাজত পুৰুষৰ তাঁত বোৱা আৰু নাৰীয়ে গৃহ নিৰ্মাণ কৰা সমাজ-অস্বীকৃত বৃত্তিস্বৰূপ।

বাঢ়ৈয়ালি বা মিস্ত্ৰী বিদ্যাৰ জনক হ'ল আলিকৰম। লোকপ্ৰবাদ আছে যে পিতৃ বিছুকৰমৰ অনুপস্থিতিৰ কালছোৱাত বাৰ বছৰলৈ অজলালি খাটিবলগীয়া হোৱা অৱস্থাতো আলিকৰমে ৰন্ধা-বঢ়া কাৰ্যৰ বাবে মাকৰ প্ৰয়োজন হোৱা সমুদায় খৰিৰ যা-যোগাৰ কৰিছিল বাপেকে থৈ যোৱা খৰম এযুৰিকে ৰেন্দাৰে চাঁচি-চুৰুকি তাৰ পৰা ওলোৱা চঁচালিৰে। বাপেকে উভতি আহি এডাল চুলিকে

সমানে চাৰিভাগ কৰি তাৰে এডাল লৈ তাতে ব্ৰেডৰ দৰে পাতল হোৱা খৰমযুৰি গুলোমাই খোৱা দেখি তবধ মানিছিল আৰু পুত্ৰৰ বৰ্তমানত নিজৰ সকলো গুণ-যশ এই মৰ্ত্যত তল পৰি যোৱাৰ আশংকা কৰি কৌশলেৰে পানী নসৰকা বাকচ এটা তৈয়াৰ কৰি তাৰ ভিতৰলৈ গজাল মাৰিবলৈ দিয়াৰ ছলেৰে আলিকৰমক সুমুৱাই দি বাহিৰৰ পৰা দুৱাৰখন মাৰি 'তামব্ৰং' নদীত উটুৱাই দিছিল। ভটিয়নী সোঁতত বাকচৰ সৈতে আলিকৰম উটি-ভাঁহি গৈ ভাটীদেশৰ 'বাৰ-কামলা' ৰাজ্যত নাৰকীয়াইতৰ দ্বাৰা বন্ধনমুক্ত হৈছিল আৰু তাতে নিজৰ কলা-প্ৰতিভা বিকাশ কৰাৰ থল বিচাৰি পাইছিল।

জনশ্ৰুতিমতে আলিকৰমে কাঠেৰে তৈয়াৰ কৰি দিয়া যিকোনো বস্তুৱেই জীৱন্ত ৰূপ লাভ কৰিছিল আৰু তেৱেঁই নৃত্যৰত মানছালেংকা (ফাৰকান্তি নৃত্যৰ জৰী টানি পাখি জপোৱা-মেলা কৰিব পৰা সঁজুলি) প্ৰমুখে অন্যান্য সূক্ষ্মাতিসূক্ষ্ম কাৰিকৰী বিদ্যাৰ চৰ্চা কৰিছিল। মহা মূৰ্খমতি বিছকৰমৰ এনে মন্দমতিৰ পৰিণামস্বৰূপে ৰাভাসকলে এনে বৃত্তিধাৰী ৰাভাসকলৰ আক্ষেপ কৰাৰ কাৰণ থাকি গ'ল। ইয়াৰ বিপৰীতে ভাটীদেশৰ বাৰকামলা ৰাজ্যৰ প্ৰজাই এনে সূক্ষ্ম কলাত পাৰদৰ্শিতা অৰ্জন কৰাৰ সুযোগ পালে বুলি ৰাভা সমাজত বিশ্বাস হৈ গ'ল।

বয়ন-কলা (Weaving & textiles) **:**

বয়ন-কলা নাৰীৰ একচেটিয়া বৃত্তি। বস্ত্ৰ শিল্পত ৰাভাসকল আগৰণুৱা। বয়নত ওদা (থাম্বুৰী) নাৰী ৰাভাসকলৰ মাজত কোনোকালে জন্মা নাছিল আৰু নজন্মিব বুলি ৰাভাসকলে বিশ্বাস কৰে। বয়ন কলা আয়ত্ত কৰিব নোৱৰা লোকক নানা ধৰণৰ লোকচিকিৎসা কৰা হয়। কাৰণ এয়া কোনোবা ঈৰ্ষাপৰায়ণা নাৰীৰ কুমন্ত্ৰৰ ফল। গাত কাপোৰ লোৱা জন্মৰ বহু আগৰে পৰা 'গাঙ্গিছত্ৰা'ত বহি দহিসূতাৰে ওমলা তাঁত-সূত লৈ আখড়া ভাঙি শৈশৱৰ কালত উৰণীয়া মাকোশালত নাইবা পৰম্পৰাগত মাটিশালত (কাংকাৰ তাঁতী) সপোন ফুলাই ফুল বাছি প্ৰিয়জনক উপহাৰ দি, ঘৰ-গৃহস্থালি কৰি পুত্ৰ কন্যা সমন্বিতে একপা-দুজপাকৈ যে জীৱনপথ কাপোৰ পিন্ধি খোজ দিয়াপি জানো ৰাভা ৰমণীৰ বয়নতৃষ্ণা নিবৃত্ত হ'ল! নিজ কন্যাৰ জন্মদিন এই বয়নতৃষ্ণা চৰিতাৰ্থ কৰিবলৈ সেয়ে প্ৰশিক্ষণতে তুষ্ট নাথাকি জীয়েৰক এগৰাকী সুদক্ষা ফুলতী হ'বলৈ 'বোৱাণী কাটি মাছ' খুৱায় আৰু মৃত্যুৰ আগে আগে হিয়া উদিয়াই আঁকা প্ৰিয় ফুলৰ চানেকি আপোন জীয়েক অথবা বোৱাৰীয়েকৰ হাতত গোপনে থৈ যায়। নিখুঁতকৈ বোৱা ফুল-জালি তোলা এসাজ কাপোৰ প্ৰিয়জনক উপহাৰ দি (প্ৰিয়জনেও উপহাৰ হিচাপে পোৱা এনে প্ৰিয় কাপোৰখন জীয়াই থাকোতে ব্যৱহাৰ নকৰাকৈ মৰিলেহে শৱদেহৰ মূৰ শিতানত থ'বলৈ বুলি সাঁচি ৰাখে) হিয়া জুৰ পেলায়।

প্ৰাচীন কালত ৰাভাসকলৰ মাজত প্ৰচলিত কাংকাৰ তাঁতী বা কুম চিঁশ্ৰিং নামৰ বেংলোলত ৰাচ আৰু বৰ ব্যৱহাৰ নকৰাকৈ অতি কপকপীয়াকৈ জাৰা, জাৰা বাগন্দ, খদাবাং, খচনে আৰু কাথুৰি ফান আদি বৈ উলিয়াব পাৰিছিল। ঐকালত মেৰিয়াই লোৱা জিমলাকৰ (বৰ্তি) সহায়ত চিনমুলপং (টাপোঠা) দীঘ সূতা টানি লৈ গি'দাবৰ (পুতল) দ্বাৰা বহলাই চামক্ৰং নামৰ চিৰিৰে ঠেকুঁচি এই শালত কাপোৰ বোৱা হৈছিল। ৰাচ, ব, নাচনী, গৰকা, দোপতি আদিৰ প্ৰয়োজন এই শালত হোৱা নাছিল। তাৰ পাছত গাঙিখুলদুকত (গৰকা গচকা মাটিৰ গাত) ভৰি পোনাই সুংকিলা (গৰকা) গচকি হাতেৰে চলোৱা মাকু (মাকো) মাৰি মানছেলেংকাৰে (নাচনী) ব্ৰে (ব পাটি) তল-ওপৰ কৰি ৰাকি উঠাই বোৱা গাঙিপাট (দোপতি) আৰু খচেং বা ৰাচৰ ব্যৱহাৰ হোৱা শালৰ প্ৰচলন ৰাভাসকলৰ মাজলৈ আহে। নক'লেও

হ'ব এয়া আধুনিক তাঁতশালৰ প্ৰাথমিক সংস্কৰণ। প্ৰথমে হাতাকাৰেৰে (কাঢ়নীৰে) তাঁত বাটি-কাঢ়ি লৈ ব্ৰেবাককেৰে (ব চুঙাৰে) ব তুলি ফেতেক ছুৰে (কেঁটেলা পছুৰ কাঁইটেৰে) ৰাচত সূতা ভৰাই মাছালেঙাৰে (নাচনীৰে) ঝাকি উঠা-নমা কৰাই নেনতেং পেন্তা (মহুৰা) ভৰোৱা মাকোৰে দীঘ সূতাত (ৰো) বাণিৰে (জেন) একো একোও হালিকৈ (ৰেমছা) তাঁত বোৱা হয় আৰু তাৰ পাছত মাথানাকৰেৰে (কানমাৰি) নিয়ন্ত্ৰণ কৰা গাড়ীত (টোলোঠা) সেই বৈ অঁটোৱা কাপোৰবোৰ মেৰিয়াই যায়। পুতলেৰে বৈ যোৱা কাপোৰবোৰ বহলাই মেলি থোৱা যায়। দীঘ-সূতাৰে গাৰিয়লি দিয়া (কুচাৰ ৰাখুকায়) কাপোৰত বাণি সূতাৰে আঁচু দি (মুকাচুকায়) নতুবা ফুলৰ চানেকি খটুৱাই কাপোৰ বৈ অঁটায়। কাপোৰবোৰ কাটি দহিৰে বন কৰি (কুচাৰ ৰাপ্‌কায়) ব্যৱহাৰৰ উপযোগী কৰি লোৱা হয়।

ৰাভাসকলে ভুৰ হাম্পা (বাৰমাহে জোলা দিয়া কপাহ গছ) খেতি কৰি তাৰ পৰা তোৰে (তুলা) লৈ কেৰ্খা (নেওঠনী)ত নেওঠি, পাঁজি বটি সূতা কাটি লৈছিল। টাকৰ (টাকুৰী)ৰে পকাই কপাহৰ আঁহৰ পৰা তৈয়াৰী কপাহী সূতা অনে (সূতলাহি)ত মেৰিয়াই নেছা কৰি লৈছিল। সূতাৰ নেছাবোৰ প্ৰয়োজন অনুযায়ী বিভিন্ন জৈৱিক ৰসেৰে ৰঞ্জিত কৰি লৈছিল। কঁঠাল গছৰ বাকলিৰ ভিতৰত থকা গুৰি নতুবা আঁচু গছৰ বাকলি, ছিদাই নতুবা হালাই (শিলিখা) গছৰ বাকলি, জীয়া নতুবা কুম গছৰ বাকলি, জেতুকা পাত আৰু নীল গছৰ বাকলি জুইত সিজালে যথাক্ৰমে হালধীয়া, বেঙুনীয়া, ক'লা ৰঙা আৰু নীলা ৰং ওলায় আৰু তাত সূতাৰ নেছাবোৰ জুবুৰিয়াই দি কিছুদিন বোকাত গোঁৰাই থোৱাৰ পাছত ধুই- পখালি ৰ'দত শুকুৱাই ল'লে ৰং যুগমীয়া হয়। এনে ৰঙীণ সূতাৰ নেছাবোৰ খৰখৰীয়াকৈ মাৰ দি পুনৰ নাতা (লেটাই)ৰে উঘা বা চেৰেকীৰ জোখত সৰু সৰু নেছা কৰি লৈ তাক চেৰেকীত সুমুৱাই চাৰ্খাৰে (যঁতৰেৰে) মহুৰা ফুৰাওঁতে (পেন্তা খাকায়) নতুবা হাতাকাৰেৰে (কাঢ়নীৰে) তাঁত বাটি কাঢ়োতে (নেনছ্ৰিকায়) ব্যৱহাৰ কৰিছিল।

কাপোৰত আঁচু দিওঁতে সচৰাচৰ মচো ফাখাম (এন্দুৰদঁতীয়া), কৰত ফা (কৰতৰ দাঁৰ), কাচি ফা (কাচিৰ দাঁৰ), ছেন্দাবিকায় (সাপৰ চোকোৰা), বালি পাৰ (নাকফুল), পাৰ লেদাপ (ৰম্বাচ গঢ়ীয়া), লেৱা পাৰ (লতাপতীয়া), বাক চাথাৰ (গাহৰিখুজীয়া), বেকৰা চক্‌কায় (খদাবাং বা কাম্বুঙৰ বগা পটি) আদি চানেকি খটুৱাই আৰু ৰি'ফানত গাঁৰিয়লী দিওঁতে জোৰ পাৰু (যুৰীয়া গাঁৰিয়লী), ঘটপাৰু (ঘটি চানেকীয়া), গাছি পাৰু (অকছি গছৰ গুটি চানেকীয়া), মজা পাৰু (বাক চাখাৰ চানেকি খটুৱা অতি উত্তম গাঁৰিয়লী) আদিৰে নানা বৰণীয়া ৰঙৰ সমাহাৰত তাঁতত সপোন ফুলাইছিল। ঘৰৰ চাৰিওফালে চৰি ফুৰা পশু-পক্ষী আৰু নৈসৰ্গিক দৃশ্যৰ উপৰি দৈনন্দিন জীৱনত ব্যৱহাৰ্য নানাবিধ সামগ্ৰীৰ আৰ্হিৰে কাল্পনিক ৰহণ ছটিয়াই ফুলৰ চানেকি কৰি লৈছিল। তাৰ ভিতৰত পানফাং (বৃক্ষ), লেওৱা (লতিকা), ৰেকফাং (কলগছ), ধেংকিয়া (ঢেঁকীয়া), সাগৰ পাং চুং (মাটি কঁঠাল) আদি গছ-গছনি, হুতী (হাতী), ঘোঁৰায় (ঘোঁৰা), মাছি (হৰিণ), ভেবুৰ (মকৰা), আয়ৰা (বনকুকুৰা), ময়ৰা (ময়ূৰ) আদি প্ৰাণী, ৰাংছাং (বেলি), আফে (তৰা), আপ (দৰ্পণ), বায়নোক (মন্দিৰ), পুৰীপাৰ (অপেস্বৰী), বায়পাৰ (দেৱ-দেৱী), বৈৰাগী (সন্ন্যাসী), চিকাদাৰা (জান-জুৰি), ঘুৰ্ঘৰা (জুনুকা), চাৰ্খাতাছি (যঁতৰৰ হাত), জাপ (বিচনী) ইত্যাদিৰে পাৰ্‌থোপা (বুটা বছা) নতুবা পাৰধাপা (ভমকাফুলীয়া) কৰি কাপোৰত ফুল বাছি লৈছিল। ইয়াৰোপৰি কংগ্ৰেং (ডোকা বা বিচনীত উঠোৱা কেইবাতৰপীয়া বৰ্গক্ষেত্ৰাকাৰ ঘৰ) আদি জ্যামিতিক চিত্ৰৰে কাপোৰখনিত সোণত সুৱগা চৰাইছিল। অতি পৱিত্ৰভাৱে আৰু শুচি-শুদ্ধভাৱে ব'বলগীয়া

হোৱা দেওধনীয়ে পিন্ধা কাপোৰ আৰু মন্দিৰত তৰা চন্দ্ৰতাপত ৰুন্কাটা (ৰথ-চকা), বাগা-বাগি (সিংহ-সিংহী), কং (নাও) আৰু ব্ৰহ্মাপাৰ (অতি ভয়ানক চানেকি, য'ত সামান্য ভুল হ'লেও শিল্পিনীৰ চকুযুৰি অন্ধ হোৱাৰ আশংকা থাকে) আদি চানেকি একমাত্ৰ ৰাভাসকলৰ মাজতহে পোৱা যায়। ৰাভাসকলে বিশ্বাস কৰে যে অতি পৰাকাষ্ঠাভাৱে এনে কাপোৰ ব'ব পাৰিলে সপোনতে আৰু বহু নতুন নতুন ফুলৰ চানেকি উদ্ভাৱন কৰা যায়। ৰাভাসকলৰ মাজত প্ৰচলিত ধাৰাসমূহৰ বয়ন বিদ্যাৰ ভিতৰত আটাইতকৈ কঠিন বয়ন কলা হ'ল জালিকটা চানেকীয়া, বেংকালত বৈ আটাবলগীয়া মুল জাৰা-কাম্বুং (কাঁচলি), যিডোখৰ কাপোৰত পুনৰ দুয়ো দাতিয়েদি অইং পাতলি (কুচাৰ) সীঁ দিবলগা হয়। এনে কাপোৰ বৈ কাটি ল'ব পৰা নাৰীৰ বাবে ব'ব নোৱৰা কোনো ধৰণৰ কাপোৰে এই জগতত নাই বুলি গৌৰৱ কৰাৰ থল ৰাভা ৰমণীৰ আছে।

বাঁহ-বেতৰ বোৱন কলা (Basketry) :

ৰাভা জনজীৱনত অন্যান্য লোককলাৰ ভিতৰত এই কলাই অতি প্ৰাচীন কালৰে পৰা উল্লেখনীয় ভূমিকা লৈ আহিছে। মানুহে লোৰ ব্যৱহাৰ জনাৰ পৰাই সুলভ দা-কটাৰী সাজি লৈ, কাত গজা বাঁহ বা বেতৰ আঁহ ফালি, দৈ তুলি নানা ধৰণৰ মোৰেৰে দৈনন্দিন ব্যৱহাৰ্য সা-সামগ্ৰী যতনাই লোৱাত মনোনিৱেশ কৰে। তমাল হিচাপে সাধাৰণতে গাঁঠি-কোমল আৰু পাব-দীঘল পূৰঠ বাঁহৰ পৰা কেঁচা অৱস্থাত দৈ তুলি লোৱা হয়। সেইবোৰ চাঁচি চুৰ্কাকি শুকুৱাই লৈ অতি মজবুতকৈ সাঁচ তোঁয়া সামগ্ৰী যথা জুপা (ঢাক) আদি নতুন ভবেটিকাল ব্যৱহাৰ কৰিবলগীয়া ঢাৰি (দাম) আদি বৈ লোৱা হয়। আনফালে জাবৰ পেলোৱা খাদ (খাফলাক), মাছু কাটিবৰ পাচি (তোখোপ) আদি অঁপইতা বাঁহৰ তমালেৰে কেঁচাই কেঁচাই বৈ লোৱা হয়। একুল কুলা (বান) চালনী (চান্দ্ৰি) আদি পানীত সহজে উবলি নাযাবলৈ এইবোৰ তমাল গোটা বাঁহ ফালি সৰু সৰু কাটি (ছিৰি) কৰি তাৰ পৰা পথালিভাৱে বকটু (বঘ) বখলিয়াই পেলাই বাঁহৰ পিঠিৰ অনুভূমিক ভাৱে দৈ তুলি লোৱা হয়। কিন্তু কিছুমান সঁজুলিৰ বাবে (দোণ, জাকৈ, খালৈ ইত্যাদিৰ বাবে) বকটু বখলিয়াই লোৱাৰ পাছত প্ৰতিডাল তমালতে এফালে পিঠি পৰাকৈ উলম্বভাৱে দৈ তুলি লোৱা আৱশ্যক।

প্ৰয়োজন অনুপাতে সঁজুলিসমূহ বিভিন্ন আকৃতিৰে আৰু গঢ়েৰে বিভিন্ন মোৰ (Texture) দি তৈয়াৰ কৰা হয়। কিছুমান বোৱনৰ মোৰ ইমানেই মজবুত যে ইয়াৰ মাজেদি পানী পৰ্যন্ত সৰকিব নোৱাৰে আৰু আন কিছুমানৰ মোৰ অতি সেৰেঙা। প্ৰায়বোৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰে সাধাৰণতে তমালৰ মোৰ এডাল তল এডাল ওপৰ চানেকীয়া আৰু এইবোৰ মোটা চানেকীয়া হয়। সাধাৰণতে তোখোপ (খাচা), ভেৰেং (খৰি অনা খোৱা), ঝাংকা (ডাঙৰ খৰাহি, মাছ ৰখত মেলি দিয়া হয়), খোকদুৰ (খালৈ) ইত্যাদি এই আৰ্হিৰ। আনহাতে তেন (দোণ) আদি সঁজুলি একেলগে দুডাল তমালেৰে পকোৱা পকি কৰি এডাল তল এডাল ওপৰ চানেকিৰে বোৱা হয়। দুডাল তল দুডাল ওপৰ কিন্তু দ্বিতীয় শাৰীত এডাল উভয়তে পৰাকৈ চাৰিৰ মোৰৰ দৰে তিৰ্যকভাৱে অপসাৰী নতুবা বগচগটীয়া কৰি জাকৈ, ডোকা (খৰাহি), ডুলী, ডালা (ভজা), তোৰা, চালনী আদি বৈ লোৱা হয়। তিনিডাল তমালেৰে তিনি দিশত প্ৰসাৰিত হোৱাকৈ ছয়কোণীয়া (Hexagonal) চানেকিৰে বৈ লোৱা সামগ্ৰীৰ ভিতৰত তোপা (সঁজা) আৰু বুখ্ৰি (জাপি) অন্যতম। ৰাভা লোককলাত মোৰৰ ভিতৰত আটাইতকৈ কঠিন মোৰ হ'ল কুলাৰ (বান) মোৰ। ঠিক সৌমাজেদি দুডাল দীঘল তমালক কেন্দ্ৰ কৰি দুয়োফালে

অষ্টম শাৰীত একে চানেকিৰ পুনৰাবৃত্তি ঘটাকৈ, এডাল বাদ দি আনডালত অপসাৰীভাৱে ই ঢাৰি চানেকীয়া (পাঁচ ঘৰ ওপৰ দুই ঘৰ তলকৈ বোৱা)। বাণিৰ তমাল বৈ যাওঁতে 'চাৰি ঘৰ ওপৰ-এক ঘৰ তল, একঘৰ ওপৰ-এক ঘৰ তল-চাৰি ঘৰ ওপৰ' চানেকিৰে দ্বিতীয় শাৰীত দুই ঘৰকৈ বাদ দি ব'ব লাগে। যদিও মূল গাঁথনিটো ঢাৰি চানেকীয়া কিন্তু ইয়াৰ দুয়োপিনে দীঘে-বাণিয়ে বেলেগ চানেকি খটুৱাই ব'ব লগা হয় বাবে অতি পৈণত শিল্পীৰ বাহিৰে অইনৰ ক্ষেত্ৰত ঘনেপতি কেণা লগাটো একো অস্বাভাৱিক নহয়। ৰাভাসকলৰ মাজত প্ৰচলিত আন এটি মোৰ হ'ল 'চঙায়' নামৰ খৰাহি জাতীয় সঁজুলিৰ খুৰা বোৱা চানেকি। ইয়াত মুখীয়াওঁতে মোকোটাই লোৱা তমাল পুনৰ ওলোটামুখে বৈ আনি তলফালে ঘূৰণীয়া আধাৰি (খুৰা) দিয়া হয়।

যিকোনো সঁজুলিৰ মোখনি দিয়া (খোকায়) আৰু পাতনিতৰা (চাংকায়) এই দুবিধ মোৰেই সাধাৰণতে টান কাম। এবাৰ পাতি ল'ব পাৰিলে পৌনঃপুনিকভাৱে একেটা চানেকিৰে বৈ প্ৰায়বোৰ সঁজুলি সামৰিব পৰা যায় (ব্যতিক্ৰম কুলা) কিন্তু জটিলতা আহি পৰে পুনৰাই সামৰণিত মোখনি মাৰোতে। ভিন্ ভিন্ সঁজুলিৰ বাবে মোখনিও ভিন ভিন। জাকৈ, চালনী আদি বেলেগ বাও দি বন্ধা সঁজুলিৰ বাবে দুডাল মুখনি মৰা তমালেৰে দুডাল তল দুডাল ওপৰ চানেকিৰে ভাঙি মোকোটাই লৈ ওলোটা মুখে বোৱা হয়।

বাঁহৰ সঁজুলিবিলাক বিভিন্ন আকৃতিৰ থাকে—কিছুমান সমতলীয়া, কিছুমান চুঙাআকৃতিৰ, কিছুমান গোটোঙা আৰু কিছুমান শংকু আকৃতিৰ। ঢাৰি সমতলীয়, জাখি, কৰাই (চাউল জোখা পাত্ৰ) চুঙা আকৃতিৰ, তোন, আটোঙা আৰু খাৰ নিগৰোৱা পাত্ৰ পনাতোপ হ'ল শংকু আকৃতিৰ। আনহাতে ছুকবুৰ (এবিধ সজা), খোফলাক আদি হ'ল গম্বুজ আকৃতিৰ আৰু তিম্পু হ'ল গদাকৃতিৰ—মাজছোৱা স্ফীত সঁজুলি। খালৈৰ মোখোৰা (পাৰা) আৰু চেপাৰ মাছ সোমোৱা মুখা-ফান্দ (পাৰা) এই দুবিধ বাঁহেৰে তৈয়াৰী বিশেষ ধৰণৰ সংকোচন আৰু প্ৰসাৰণ কৰিব পৰা এমুখীয়া সঁজুলি। অৱশ্যে চেপাৰ পোৰাটো তমালেৰে বোৱা নহয়, জৰীৰে গুঁঠি লোৱাহে।

বান্ধনি বা মেৰগাঁঠি ঃ

ঘৰ-দুৱাৰ তৈয়াৰ কৰা, চাল চোৱা, বেৰ-ৰুৱা আদিৰ কামি বন্ধা, বাৰীত চকোৱা, তাঁতী দিয়া আদি, বিভিন্ন কামৰ বাবে বিভিন্ন বান্ধনি বা মেৰগাঁঠিৰ আৱশ্যক। তাৰ ভিতৰত উল্লেখনীয় হ'ল দুডাল গোটা বাঁহ বা গোঁজ বান্ধোতে প্ৰয়োগ কৰা বিপ্ৰতীপ কোণৰ মাজেদি কুণ্ডলী পকাই (দুমেৰ) একেলগে মোকোটাই দিয়া বান্ধ (তাৰ খাকায়) আৰু বেৰ বা ৰুৱাৰ দুডাল খাওনি বান্ধোতে প্ৰয়োগ কৰা সন্মুখৰফালে পূৰণ চিন কিন্তু পিছফালে সমান্তৰাল হোৱা (মেৰ দুটা) বান্ধনি (বাখোপ খাকায়)। আনহাতে ঘৰৰ চাল চোৱাওঁতেও দুতৰপীয়াকৈ দৈ তোলা 'জংকুৰ'ৰ সহায়ত এই বান্ধনিৰ দ্বাৰাই ৰুৱাৰ কামি বন্ধা হয়।

ৰাভাসকলৰ আটাইতকৈ আছুতীয়া বান্ধনি হ'ল ধানৰ তোম (মায়দপ) বন্ধা বান্ধনি। এডাল কিছিৰিৰ (বাঁহৰ ৰিং বা সাঁচ) ওপৰত ধানখেৰ পাতলকৈ পাৰি দি কিছিৰিৰ সাঁচত হেচা দি ধান এডোকা বা দুডোকা (দপছা জোখৰ ধান এপুৰা) তাত ঢালি দি, ভৰিৰে গছকি গছকি চাৰিওফালে সমানে হেঁচা পৰাকৈ পূৰাই লৈ পুনৰ ধানখেৰেৰে মোখনি মাৰি অতি মজবুতকৈ একেডাল তমালৰ বিপৰীত মূৰ দুটা হেঁচুকি টানি বান্ধনি দিয়া হয়। তাৰ পাছত কিছিৰিৰ পৰা ধানৰ তোমটো উলিয়াই আনি পুনৰ পথালিভাৱে গ্লোবৰ অক্ষৰেখাৰ দৰে দেখাকৈ তিনিডাল তমালেৰে বান্ধনি দিয়া হয়। মন কৰিবলগীয়া

যে পৰ্যায়ক্ৰমে আগবাঢ়ি নগ'লে ধানৰ তোমটো আওগটীয়া হয় আৰু পৰ্যায়ক্ৰমে বান্ধনি দি গ'লে (দুয়ো দাঁতিৰ তমাল প্ৰথমে নবন্ধাকৈ মাজৰডাল কিছু চিয়াঁ কৰি প্ৰথমে বান্ধি ল'ব লাগে।) ধানৰ তোমবোৰ দেখাত অতি ধুনীয়া হয়। এনেধৰণৰ ধানৰ তোম মূল বৰঘৰৰ বেৰৰ চাৰিওকাষে চাং পাতি প্ৰতিটো স্তম্ভত ৪/৫টা তোম থাক্ থাক্কৈ সজাই (ফৰিঙৰ কণী পৰা বাহৰ দৰে) ঘৰখনৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে ধানখিনিক সজীৱতাও (বায়ু চলাচল কৰিব পাৰে বাবে) প্ৰদান কৰা যায়। এনেধৰণে সঞ্চয় কৰা ধানৰ সঁচ নষ্ট হৈ যোৱাৰ ভয় নাথাকে।

গুন্থন কলা বা জৰী-বটা কলা :

সূতা নতুবা মৰাপাটৰ আঁহৰ পৰা বিভিন্ন ধৰণে বটি লৈ বটিয়া, ফঁই বা জৰী তৈয়াৰ কৰি লোৱা হয়। সূতাৰ বটিয়া সাধাৰণতে ভৰিখনৰ ওপৰত লৈ হাতেৰে বটি (দুমেৰ) লোৱাৰ পাছত মেৰ খোল খাই নাযাবলৈ মৌচিটাৰ পৰা আহৰিত মেখোৰে (মম) প্ৰলেপ দিয়া হয়। এনে বটিয়াৰে কঁকালত মাদুলী আদি ওলোমাই পিন্ধিবলৈ (ছেংকাপাত হিচাপে) নতুবা যঁতৰৰ শলাজৰী (মাকা জৰায়) কৰিবলৈ ভাল। ইয়াৰ উপৰি সূতাৰ মিহিকৈ বটা বটিয়াৰে চেক (পৰ্বাস্তি জাল), চাক (এবিধ জাল) আদি গুঁঠা হয়। জাল গুঁঠিবলৈ এডাল চিৰিৰ (বিভিন্ন জোখৰ) ওপৰে ওপৰে মেৰ দি বাঁহৰ চেপেনাত আগেয়ে নেচা পকাই থোৱা বটিয়াৰে বিশেষ গাঁঠি দি চুকটোৰ গুঁঠাৰ নিচিনাকৈ গুঁঠি দিয়া হয়।

আনহাতে মৰাপাটৰ আঁহ ফালি, ক্ৰচ চিনৰ দৰে বান্ধি লোৱা সঞ্জুলিৰে (লেংৰা কন) পকাই, গুঁঠি বিভিন্ন ধৰণৰ জৰী তৈয়াৰ কৰাৰ উপৰি একেবাৰতে কেবাটাও শাখা-প্ৰশাখাৰে গুঁঠি গাহৰি, শহা পহু আদি চিকাৰ কৰা জাল গুঁঠা হয়। টাকুৰীৰ সহায়ত পকাই লোৱা চুটিবিৰে (ডায়তা) চেপা আদিৰ বান্ধনি দিয়া হয়। লেংৰা কনৰ সহায়ত শুকাই কৰা এডাল পছৰ পাকলিৰে (খাৰপাক কুৰ) নতুবা মৰহি যোৱা শুকান মৰাপাটৰ আঁহেৰে (পাতা ছাউলা) কুণ্ডলী পকাই নাঙল সুঁৰলি আৰু মৈৰ ফঁই (লেংৰা) প্ৰস্তুত কৰা হয়। লেংৰা কনৰ সহায়ত তৈয়াৰ কৰি ল'ব পৰা এবিধ অতি লাগতিয়াল সঞ্জুলি হ'ল— বস্তু ওলোমাই থ'বৰ বা কটিয়াৰৰ সূচল থকা শাখা প্ৰশাখাযুক্ত শিকিয়া (ছোকেৰা)। ইয়াৰ গুন্থন কলা অতি আচহুৱা আৰু ই খুব কষ্টসাধ্য।

ৰাভাসকলৰ মাজত প্ৰচলিত অতি জনপ্ৰিয় মৰাপাটৰ গুন্থন কলা হ'ল গৰু বন্ধা পঘা আদি তৈয়াৰ কৰা কলা। সাধাৰণতে দুজন লোকে দুফালে মৰাপাট এডালৰ দৈৰ্ঘ্য অনুযায়ী বহি লৈ প্ৰথমে মৰাপাটবোৰ কোঁহ কোঁহকৈ বেলেগাই থয়। গুৰিৰ ফালে মূল মানুহজন বহে আৰু তেওঁ একোঁহৰ ওপৰত আন কোঁহ জোঁট নলগাকৈ কোণাকুণিকৈ জাপি থয় আৰু তাৰে পৰা একোঁহ একোঁহকৈ লৈ জোৰা দি দীঘলকৈ পঘা বটি যায়। বিপৰীত দিশে থকা সহায়কাৰীজনে মেৰখোৱা পঘাৰ বান্ধবোৰ সেই অনুক্ৰমে দুহাতেৰে খুলি দি যাব লাগে। এনেদৰে অতি মজবুতভাৱে যথেষ্ট দীঘলকৈ একোডাল বধা গাঁঠি চকুত নপৰাকৈ গুঁঠিব পৰা যায়। অন্যান্য গুন্থন কলাৰ ভিতৰত চুলিৰ বেণী গুঁঠাৰ দৰে গুঁঠি লোৱা হোৱা কটিওৱা বৰ্তি, সিকি-আধলি আদিৰ মুদ্ৰাত খাৰু লগাই গুঁঠা ছুকিমালা, 'কুমচিপ্নিং' নামৰ মাটিশালৰ কঁকাল বন্ধা পেটী আদি উল্লেখনীয়। বাঁহেৰে নিৰ্মিত কাকৈ বা বাঁচৰ (খচেং) বান্ধনিও এনেভাৱে গোঁঠা চেলাৰ ঠেং যেন দেখা (খেমব্ৰাং) চাচেং গুন্থন কলা। ধানখেৰেৰে অস্থায়ীভাৱে পকোৱা জুমুঠি (বাৰ গুন্দি), পেন্ত্ৰা (আধাৰি) আদিও এবিধ গুন্থন কলাই। বিকিলাৰ পৰা তৈয়াৰী বেতেৰী, টুপী, বঁটা আদিৰ গুন্থন কলাও সুকীয়া সুকীয়া। তেনেদৰে শিশুসকলেও খেমালিৰ ছলেৰে

ধানখেৰেৰে তৰোৱাল (থুংগ্ৰি), বিৰিণাৰে হাঁহৰ তিনিশিৰীয়া ঠেং (হাংছিং তাথেং) জাকৈ (চৰেং) আৰু বাঁহৰ তমালেৰে কপৌ চৰাই, বাছবাক্ৰেং (কাকতি ফৰিং) আদি সামগ্ৰী গুঠি লোৱাত স্বভাৱতেই সিদ্ধহস্ত।

বিভিন্ন গাঁঠি ঃ

পৰম্পৰাগত গাঁঠিৰ ভিতৰত ছৰকা গাছি (এটা মূৰ টানিলে খোল খোৱা) আৰু বিষ গাছিয়ে (দুয়ো মূৰ পূৰণ চিনৰ দৰে ভাঁজ কৰি লৈ দুবাৰ গাঁঠি দিয়া) প্ৰধান। ইয়াৰ উপৰি বাঢ়নী বন্ধ গাঁঠি, ধানৰ মুঠি বন্ধা গাঁঠি, বৰশিৰ গাঁঠি, খুঁটাৰ মূৰত মোখনি মৰা গাঁঠি ইত্যাদি। ইয়াৰ উপৰি আৰু এবিধ গাঁঠি ইমানেই ঢিলা যে একে উশাহৰ ভিতৰতে ইয়াক গুঁঠি শেষ কৰিব পাৰি আৰু ইয়াৰ আঁত এটাই, যিটো সোলোকাই দিলে গোটেই গাঁঠিটোৱে সুলকি পৰে।

ৰাভা সমাজৰ পৰম্পৰাগত শ্ৰাদ্ধ (ফাৰকান্তি) উৎসৱত মৃতকৰ আত্মাৰ প্ৰতীক হিচাপে দুতৰপীয়াকৈ জাপি-কুচি লোৱা দুখন কাপোৰৰ বগা-ৰঙা এবিধ বিশেষ গাঁঠিৰ (গাছি খাকায়) ব্যৱহাৰ হয়—যিটো ভাগিনীয়েকজনীৰ বোকোচাত বান্ধি দিয়া হয়। শ্ৰাদ্ধৰ শেষত আত্মাৰ মুক্তি দিয়া পৰ্বত (গান্ধি দিবিকায়) পুৰোহিতগৰাকীয়ে এই বিশেষ এঠাইত ধৰি টানি দিলে এই গাঁঠিটো খোল খাই যায়। সেই কাৰণে এই উৎসৱৰ নামটো 'এৰাতিলৈ প্ৰতিষ্ঠা কৰা গাছি' হিচাপে ফাৰগাছি-ফাৰকান্তি হয় বুলি জনপ্ৰবাদ আছে।

চিলাই বা সিয়নি কলা ঃ

ৰাভাসকল সিয়নি কলাত সিমান সুদক্ষ নাছিল। তথাপি দুইধৰণৰ সিয়নি পৰম্পৰাগতভাৱে ৰাভাসকলৰ মাজত প্ৰচলিত হৈ আহিছে। এবিধ হ'ল—'আলি ভাংকায়' অৰ্থাৎ আলিৰ দৰে মূৰ থৈ থোৱা সিয়নি আৰু আনবিধ হ'ল—'আলি দাৰা তি পাকায়' অৰ্থাৎ ইমূৰৰ পৰা সিমূৰলৈ তল-ওপৰ কৰি দিয়া সিয়নি।

ফুলজালি কটা কলা ঃ

ৰাভা জনজীৱনত ছেদন কলা (cutting) এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈ আহিছে। কেতবোৰ উৎসৱ আৰু অনুষ্ঠানত, বিশেষকৈ অন্ত্যেষ্টিক্ৰিয়া কৰাৰ পাছত অৰ্ধদগ্ধ এঙাৰ, অস্থি আদি এঠাইত থুপ খুৱাই ৰাভাসকলে এটা সৰু দুৱাৰ নথকা জুপুৰিঘৰ সজাই তাৰ চাৰিওফালে চাৰি ডাল খুঁটি পুতি চাৰিখন নেনছ্যাং (নিচান) সহ তিনি-পাঁচ নতুবা ততোধিক বিযুৰীয়া স্তম্ভত (থাক) ৰঙীন আৰু বিচিত্ৰ বৰ্ণৰ কাপোৰে চান্দল (চান্দোৱা) কাটি ওলোমাই থৈ আহে। ৰং-বিৰঙৰ কাপোৰেৰে থাকে থাকে সজোৱা মাংখ্ৰামৰ (জুপুৰিঘৰ) এনে চান্দল কাটন কলাৰ বিমূৰ্ত চানেকি ফুটাই তোলে গাঁওখনৰে কোনোবা এজন সুদক্ষ লোকে। তেওঁৰ নিপুণ হাতেৰে মৃতকৰ উদ্দেশ্যে আগ কৰা আত্মীয় লোকৰ মাল-কাপোৰৰ পৰা বাছি লোৱা বাছকবনীয়া কাপোৰত চোকা দা এখনেৰে নিৰ্দিষ্ট পদ্ধতিৰে ফুলজালি কাটে। চান্দল কাটিবৰ বাবে প্ৰথমে দীঘল-পাজাল (মতা মানুহৰ বাবে চুৰিয়া) নতুবা আহল-বহল ৰি'ফান (মাইকী মানুহৰ বাবে পাতানি) এটুকুৰা বৰ্গক্ষেত্ৰাকাৰত কাটি লৈ কোণা-কুণিভাৱে তিনিভাঁজ দি লোৱা হয়। এনেদৰে ভাঁজ দিলে কাপোৰখন সমানে আঠোটা তৰপত (চাৰিভাগৰ এক অংশকৈ) বিভক্ত হয়। এই কাপোৰখন দাঁতিৰ পাতলি এৰি দি বাকী দুটা ভাঁজৰ কেন্দ্ৰবিন্দুত প্ৰথমে এক ছেদন দি 'বক্‌থায়' বা নাভি তৈয়াৰ কৰি ভাঁজটোৰ ওপৰতো দুই দিশত বিপৰীতফালে দুটাকৈ মুঠ চাৰি ছেদন (ওৰা) দিয়া হয়। তাৰ পাছত এই কাপোৰখনক পুনৰ মাজেদি সমানে জপাই লৈ মাজেদি দাঁতিৰ ফালে

অইন এক ছেদন দিয়া হয়। তাৰ পাছত কাপোৰখন খুলি তাৰ চাৰি কোণত চাৰিটা দীঘল ৰঙা বা বগা সূতাৰে বান্ধি দিয়া হয়। মুঠতে ছটা ছেদন পৰা এই কাপোৰখনত তিনিটা স্তৰত মুঠ (১+৮+১৬=২৫) পঁচিছটা ওলোম (ঝোলেম) পৰে বাবে ইয়াক দেখিবলৈ অতি জাতিষ্কাৰ হয়। আন এটি পদ্ধতিৰেও চান্দল ছেদন কৰা হয়—এয়া তেনেই প্ৰাথমিক পৰ্যায়ৰ আৰু খুব সম্ভৱ এইটোৱেই প্ৰাচীন প্ৰণালী। দীঘে দীঘে দুই ভাঁজ দি সমান দূৰত্বত বিপৰীতমুখে এডলীয়া কৈ চাৰিটা ছেদন দি খুলি পুনৰ আন বিপৰীত দিশত দুই ভাঁজ দি একে ধৰণে কাটি ল'লে মুঠ (৪×২+৪×২=১৬) যোলটা ওলোম পোৱা যায়।

ফুলজালি কাটি ল'বলগীয়া হয় বিশেষকৈ পূজা পাতল দিওঁতে। কেঁচাইখাতীক পূজোতে দেবীজনাৰ বাহন হিচাপে কলপটুৱাৰে ফুল জালিকটা ডিঙা নদীত উটাই দিবলগীয়া হয়—যাক ৰুং খাখাকায়' বোলা হয়। এনে ফুলেৰে জাতিষ্কৃত হৈ দিয়া কলপটুৱাৰ ডিঙা, কলগছৰ ভুঁৰত খাজি দিয়া হয় বাবে ইয়াত বলি বাহন আদি উটুৱাই দিব পৰা যায় আৰু দুলীয়াৰ ঢোলৰ ছেৱে ছেৱে নাচি দেওধনীয়েও এই ডিঙাখনত (পানচৈ) উটি উটি যাবলৈ পূজাৰীদলক বাতিব্যস্ত কৰে। খাকুৰা দেও পূজোতে কলপটুৱাৰে দেৱতাৰ বাহন হিচাপে কেইটামান ঘোঁৰা তৈয়াৰ কৰি লোৱা হয়।

অংকন আৰু খোদন কলা ঃ

নানাধৰণৰ আঁক বাঁক কৰি ফুল-লতিকা বা জ্যামিতিক চিত্ৰ অংকন কৰা কলা বড়োসকলৰ মাজত অতি প্ৰাচীন কালৰে প্ৰচলিত নাছিল যেন অনুমান হয়। সেয়েহে গাত tattooing কৰা বা উল্কি দিয়া প্ৰথা বড়ো সমাজত নাই। অৱশ্যে বিভিন্ন নৃত্য গীতৰ সঞ্জুলিত (উদাহৰণ— ফাৰকান্তি নৃত্যৰ পাখি জপোৱা-মেলোৱা কৰিব পৰা মানুহালেংকা, ওৱা খাংখা আদি সঁজুলিৰ মাছখোকা, বাটেগোকা আৰু বাটি টিকা চৰাইৰ প্ৰতিকৃতিসমূহ, ভাৰাগানৰ বিভিন্ন ৰাক্ষস বা জন্তুৰ মুখা, ভৰংগা গ্ৰাম্যৰ বোদা বা বাৰসাপৰ প্ৰতীকী চিত্ৰ ইত্যাদি) আৰু বিবাহ বাহৰত হাতী, ময়ূৰ আদিৰ বৈশিক চিত্ৰ অংকন কৰা কলা বড়োসকলৰ মাজত পৰৱৰ্তী কালত প্ৰচলিত হয়। সেয়েহে বড়োসকলৰ মাজত মালাকাৰ বা খনিকৰ শ্ৰেণীৰ লোক পোৱা নাযায়। মূৰ্তি সজাই পূজা কৰাৰ প্ৰচলন নাথাকিলেও মযাৰা দেওৰ বাঁহৰ ভমালেৰে তৈয়াৰী বাহন ময়ূৰ, মাৰৈ পূজাৰ কুঁহিলাৰে নিৰ্মিত মনসা দেবীৰ প্ৰতীক 'মঞ্জু', চালমাতৃ দেবীৰ জুমুঠিৰে নিৰ্মিত প্ৰতীকী নৰ অৱয়ৱ, জগো বা কুবেৰ দেওৰ পূজাত জুমুঠিটোৰ মূৰজোৰা কলা কাপোৰেৰে মেৰিয়াই তৈয়াৰ কৰা প্ৰতিকৃতি আৰু ভেলাঘৰ বা মেজিঘৰত (বাঁহৰ দাবিকিত) খেৰ-জুমুঠিৰে নিৰ্মিত বান্দৰৰ প্ৰতিকৃতিসমূহত মূৰ্তিকলাৰ সামান্য পৰশ পৰিছে যেন বিবেচিত হয়। বড়োসকলৰ মাজত প্ৰচলিত এক লোক-আখ্যান অনুযায়ী জন্তুৰ-পান্থুৰ নামৰ এহাল ককায়েক-ভায়েকৰ দ্বাৰা অতি অপূৰ্বভাৱে কলগছেৰে নাৰীমূৰ্তি তৈয়াৰ কৰি তাতে নাৰীয়ে পিন্ধা গহনা-পাতিৰ আৰু সাজ সজ্জাৰে ভূষিত কৰি দুগাৰাকী ছোৱালীৰ পৰিবৰ্তে বলি হিচাপে আগবঢ়াই দি সৰ্পৰাজক প্ৰলোভিত কৰি বধ কৰাৰ বৰ্ণনা পোৱা যায়।

বড়োসকলে অতি প্ৰাচীন কালৰে পৰাই দুবিধ শিল্পকলাৰ চৰ্চা কৰিছিল, সেই দুবিধ হ'ল— বাঢৈ (মিস্ত্ৰী) আৰু কমাৰ শিল্প। হাগ্ৰিবাৰৰ উৎপত্তিমূলক কাহিনী আৰু আলি কাৰম-বিহুকেন্দ্ৰৰ উপাখ্যানত এই দুবিধ শিল্পকলাৰ উল্লেখ আছে। হাগ্ৰিবাৰ নামৰ ছলবেলী দেবীক ধৰিবলৈ লোহা কমাৰৰ হতুৱাই লোৰ সজা (জুকুবুৰ) তৈয়াৰ কৰি লোৱা আৰু আলিকৰমে পোন প্ৰথমবাৰৰ বাবে

নৃত্যৰত 'মানছা লেংকা' প্ৰস্তুত কৰা আদি দৃষ্টান্তই ৰাভাসকল যে অতীতত এই দুই বিদ্যাত সুদক্ষ আছিল তাৰ প্ৰমাণ দিয়ে।

প্ৰাচীন কালত ৰাভাসকলে জমিদাৰ বা মহাজনৰ অধীনত গেবাৰি (বেগাৰ) খাটি অটব্য অৰণ্যত গছ ঢালাই কৰিবলৈ যাবলগীয়া হৈছিল । গছবিলাক কাটি চিকুণাই হাবিতলীয়া বাটেদি ম'হৰ দৰে কান্ধত যুঁৱলি পাতি টানি আনি নদীত নমোৱা হৈছিল আৰু সেই কাঠবোৰ গোটাই একেলগে মাৰ বান্ধি এখন চুলঙ্গা নাৱেৰে (গোটা কাঠ খুলি কৰা নাও) ভটিয়াই বেহা নিব লাগিছিল। এনেদৰে নাও কাটি বামেদি টানি নিওঁতেই এটি মনপৰশা বাৰকামলাৰ কাহিনী গীতৰ সৃষ্টি হৈছিল। অজান্তি মুলুকত মহ-ডাঁহৰ কামোৰ খাই কাঠকটীয়াহঁতে যেতিয়া জমিদাৰৰ কাঠমহলৰ পৰা উভতি আহিছিল, তেতিয়া লগত লৈ আনিছিল গৃহিণীলৈ বুলি এযোৰ শালৰ (টোলোঠা) নতুবা দুডালমান উৰালৰ মাৰি (মাংকুনা) আৰু নিজৰ ব্যৱহাৰৰ বাবেও কেইটামান দা-কুঠাৰৰ নাল নতুবা এহাল নাঙল-যুঁৱলি। ৰাভাসকলে অতি নিপুণভাৱে মাকো, যঁতৰ, উৰাল, পীৰা, বাকচিকং (গাহৰিৰ আধাৰ দিয়া কাঠৰ পাত্ৰ), কচুপাত (কৰচলি), দেংগা (কাঠৰ হেতা) গাড়ীৰ চকা আদি কাঠৰ পৰা তৈয়াৰ কৰি ল'ব জানিছিল। ৪/৫ হাত দীঘল খাম বাদ্যৰ বাবে প্ৰয়োজন হোৱা কাঠৰ খোলটোকো গমাৰি কাঠ খুলি তৈয়াৰ কৰি লৈছিল একমাত্ৰ এখন খন্তিৰে। ভাৰীগান আৰু ভালুক নচুৱা নাচৰ দৈত্য-পিশাচ নতুবা জীৱ-জন্তুবোৰৰ মুখাবোৰ অতি নিপুণ হাতেৰে ভয়ানক আকৃতি প্ৰদান কৰি ৰঙা-বগা-ক'লা এই তিনিটা উগ্ৰ ৰঙৰ প্ৰলেপণ দি তৈয়াৰ কৰি লৈছিল। এইসমূহ কলা কাঠশিল্প বা বাঢ়ৈ-কলাৰ অন্তৰ্ভুক্ত আছিল যদিও অকল ঘৰ-বাৰী তৈয়াৰ কৰা বিদ্যাহে বৰ্তমানৰ বৃত্তিধাৰী বাঢ়ৈসকলে কৰে। ৰাভা বাঢ়ৈসকলে বছৰেকত এবাৰকৈ মহামায়া বা বিছকৰম দেৱতালৈ পূজা এভাগ আগ কৰিব লাগে। আনকি নাদ আদি খান্দোতেও মাটিৰ তলত শিলাখণ্ড নাপাবলৈ আৰু পানীৰ অফুৰন্ত উঁহ (নালা ভমলা) পাবলৈ বিছকৰম দেৱতালৈ পূজা এভাগ আগ কৰে। বছৰি ন-ভাত খাওঁতে সকলো কাজ-কৰ্মৰ সঁজুলিবিলাকলৈও এভাগ নৱান্ন আগবঢ়াব লাগে।

ধাতৱ কলা বা কমাৰ শিল্প ঃ

ৰাভাসকলৰ মাজত কমাৰ শিল্পৰ বাহিৰে অন্যান্য ধাতৱ শিল্প নাই। এওঁলোকে হাতিনা (দুমুখীয়া থিয় কমাৰৰ ভাতী) ব্যৱহাৰ কৰি লোৰে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী—দা-কুঠাৰ আদি গঢ়ি লৈছিল। সেইবোৰৰ আকৃতিৰ যেনে তাৰতম্য, ব্যৱহাৰ অনুযায়ী নামৰো তেনে বৈচিত্ৰ আছে। দা-কটাৰী হাতত থাকিলে ভূতে নাপায় বা অইনে কু-মন্ত্ৰ কৰিব নোৱাৰে—এই ধাৰণাৰ বশৱৰ্তী হৈ মানুহে সৃষ্টি কৰি ল'লে বিয়াত দৰা-কইনাই হাতত লোৱা হৰিণৰ ডাব লগোৱা ফুল-কটাৰী (কাট্ৰাই), খৰি আদি লুৰিবলৈ ব্যৱহাৰ কৰা বিশেষ চানেকিৰ কাংকা/পানতাম, বন ঝুৰিবলৈ সুবিধা থকা বেঁকীদা—কাংকা কংক্ৰুক, বোকা লোৱা ছাৱা কাটা দাও, গোজ আদি জোঙা কৰিবলৈ সুচল থকা মাজছোৱা উঠঙা দা—কাংকা বগলে ইত্যাদি কিমান বিধৰ যে দাৰ নাম! তদুপৰি কাট্ৰাই (কটাৰি), চৰ্তা (চৰোতা), খুকুৰি, ডেগাৰ, চাকু ইত্যাদিৰ লগতে একোটা প্ৰকাণ্ড বলি কটা খৰ্গ (হায়তাৰ) ৰাভাসকলৰ মাজত আছে। ধানকটা কামতহে ঘাইকৈ কাচিৰ ব্যৱহাৰ হয় যদিও কাচিখনকে জুইত পুৰি এলোটা পানীত জুবুৰিয়াই লৈ তাতে খুটি পানী কটা (পাককাটায়কায়) কাৰ্যত আৰু নৰিয়াত পৰা মানুহৰ মূৰ-শিতানত বাঢ়নীৰে একেলগে থৈ অপক্ৰিয়া খণ্ডন কৰা কাৰ্যতো কাচিখনৰ আৱশ্যকতা আছে।

হাতীদাঁতৰ কণ্ঠমালা (কঁকালী), ছাংকা (শাক) আৰু শিঙৰ পৰা তৈয়াৰী শিঙা বাদ্য, আঙঠি আদিৰ ব্যৱহাৰ জানিলেও ৰাভাসকলৰ এনে শিং আৰু দাঁতৰ পৰা অন্যান্য ব্যৱহাৰ্য সামগ্ৰী তৈয়াৰ কৰা কলা বিষয়ৰ জ্ঞান থকা যেন অনুমেয় নহয়। কাঁহ-পিতলৰ বাচন-বৰ্তন আৰু অন্যান্য ধাতব পাত্ৰ পৰৱৰ্তী কালত আগমন হোৱা। পূৰ্বতে ৰাভাসকলৰ মাজত কঁহাৰ শিল্পৰো চৰ্চা নাছিল। দাসুদি (তেংতপ), কান টুকৰি, চূণ টেমী, খুৰি (বাতি), জামবাতি (হাতীখুজীয়া বাটি), লোটা, কাচা টকা অৰ্থাৎ ৰূপৰ মোহৰ সঁচা পিতলৰ যাবা (গাগৰি) আদি সামগ্ৰী তাহানিতে কঁহাৰসকলৰ পৰা ধানেৰে সলাই লৈছিল। তদ্ৰূপ ৰাভাসকলে অন্যান্য আ অলংকাৰ বানিয়া (সোণাৰি)সকলৰ পৰাহে পূৰ্বকালৰে পৰা ফৰমাইচ দি লয়।

ৰাভা সমাজৰ অতি আৱশ্যকীয় মাটিৰে নিৰ্মিত সা-সামগ্ৰীসমূহকো কুমাৰ বা হীৰাসকলৰ পৰা জিউৰি (বছৰেকীয়া চুক্তি) হিচাপে ধানেৰে সাল সলনি কৰিলেহে হৈছিল। মাটিৰ নিৰ্মিত গংগোং (ঘুণ্ডমেল) বাদ্যৰ বাহিৰে বাকী মদ বাকা নলীযুক্ত পাত্ৰ চুক্লুক (ঘুৰি), মদ সঁচা ডাঙৰ পাত্ৰ - বৰো/তিক (ডাঙা/হাড়ী), চাউল সঁচা বোস্তাক/কস্তুক (লখিমী দেবীৰ প্ৰতীকী পাত্ৰ), পানী খোৱা তিকলি (টেকেলি), ভাত ৰন্ধা মায়তেক (চৰু), শাক ৰন্ধা মিতেক (চৰু) আদি পাত্ৰ ৰাভাসকলে ব্যৱহাৰ কৰিলে চাই এইবোৰ অতি পুৰণি কালতে ৰাভাসকলে তৈয়াৰ কৰি ল'ব জানিছিল যেন লাগে। (মন কৰিবলগীয়া যে তিক শব্দই ৰাভা ভাষাত মাটিৰ পাত্ৰ বুজায়)।

বৰ্তমান অন্যান্য সমাজৰ দৰে ৰাভা সমাজতো এওঁলোকৰ প্ৰাচীন ঐতিহ্য পৰম্পৰা লোককলাত ৰক্ষিত কৰিব পৰা নাই। নতুন নতুন পদাৰ্থৰে তৈয়াৰী সহজলভ্য সা-সামগ্ৰী (প্লাষ্টিক, ষ্টিল, এনামেল, এলুমিনিয়াম, পৰ্চেলিন আদিৰ) ৰাভা সমাজতো সমাদৃত হ'বলৈ ধৰিছে আৰু এইবোৰ ৰাভা লোককলাৰ পৰম্পৰাক ক্ৰমাগতে খৰ্ব কৰিছে। ৰাভা সমাজৰ এনে ৰহণীয়া লোককলাক অৱশ্যে বৰ্তমানেও সংগ্ৰহালয়ত সংৰক্ষিত কৰি ৰাখি জাতীয় ঐতিহ্যক জীয়াই ৰাখিব পৰা হৈয়ে আছে।



মিচিং লোক-সংস্কৃতি আৰু লোক-উৎসৱত ব্যৱহৃত বাদ্যযন্ত্র

ডাঃ জৱাহৰ জ্যোতি কুলি

মঙ্গোলীয় নৃগোষ্ঠীৰ সাধাৰণতে বাঁহ-খেৰেৰে নিৰ্মিত দহ তৰপীয়া চাংঘৰত বসবাস কৰা মিচিংসকলে নিজকে চন্দ্ৰ-সূৰ্যৰ সন্তান হিচাপে পৰিচয় দিয়ে। আপেক্ষিকভাৱে তেওঁলোক আৰ্থ-সামাজিক, শৈক্ষিক, ৰাজনৈতিক ক্ষেত্ৰ আদিত পিছ পৰা যদিও কালক্ৰমত বৰ্তমান স্থিতিত বিভিন্ন দিশত পুৰণি ৰীতি-নীতি সাৰোগত কৰি বৰ্তমান হিন্দু ধৰ্মৰ প্ৰভাৱত সেই ধৰ্মতো দীক্ষিত হোৱাৰ প্ৰক্ৰিয়া জাতীয় চৈতন্যেৰে আগবাঢ়ি যোৱাটো পৰিলক্ষিত হৈছে। ভৈয়ামলৈ প্ৰব্ৰজন হৈ আহি নিজ ধৰ্ম ৰক্ষা কৰি আহিছে। তেওঁলোকৰ কথিত তিব্বত-বৰ্মীয়মূলক ভাষা থাকিলেও অসমীয়া ভাষাকো বহুতে নিজৰ ভাষা হিচাপে আঁকোৱালি ল'ব পাৰিছে।

মিচিংসকলৰ কৃষ্টি-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ বিচিত্ৰতাই অসমীয়া সাহিত্য-সংস্কৃতিৰ বহল ক্ষেত্ৰখনলৈ এগছি বন্তি আগবঢ়াইছে। তেওঁলোকৰ লোকসাহিত্যৰ আধাৰ লোকগীত আৰু লোককথা। লোকগীত আঃবাং, কাবান, ঐনিতম, কঃনিঃনাম আৰু মনানৰ সমষ্টি। লোককথাত লোকসাধু, প্ৰবচন আদি সন্নিৱিষ্ট। লোকগীতসমূহৰ ৰচনাকাল সঠিকভাৱে নিৰ্ধাৰণ কৰিব নোৱাৰি যদিও আঃবাংবোৰেই সবাতোকৈ পুৰণি যেন লাগে। মিচিং পুৰোহিত মিবুৰ দ্বাৰা পৰিবেশিত আঃবাং মূলতঃ ধৰ্মীয় যদিও ইয়াত বিভিন্ন স্তৰত ঐনিঃতম, কাবান আদিও পোৱা যায়। বিৰহ-বেদনা, হৰ্ষ-বিষাদ সামৰি কাবানবোৰ গোৱা হয়। প্ৰেম-প্ৰণয়, ভালপোৱা, ডেকা-গাভৰুৰ প্ৰাণোচ্ছল আনন্দ, মৰম-চেনেহ, প্ৰেম-পিৰীতি, প্ৰিয়জনৰ আকুলতা, মিনতি, আবেদন আদি যৌৱন-বসন্তত উত্তাল তৰংগৰ গীতেৰে সমৃদ্ধ ঐনিঃতমবোৰ। ধেমেলীয়া, নিচুকণি গীত আদি এই সমাজত আছে।

মিচিং পুৰুষ-তিৰোতাই এতিয়াও সামগ্ৰিকভাৱে গ্ৰামাঞ্চলত নিজে বোৱা সাজ-পোছাকেই পৰিধান কৰে। পুৰুষতকৈ তিৰোতাৰ হাতেবোৱা পোছাক-পৰিচ্ছদৰ ব্যৱহাৰ বেছি।

মিচিং তিৰোতাৰ চালে চকুৰোৱা বয়ন-বস্ত্ৰ প্ৰস্তুতকৰণৰ সঁতে অতি কমসংখ্যক অন্য জনগোষ্ঠীৰ লোকেহে ফেৰ মাৰিব পাৰে। তেওঁবিলাকৰ বয়নশিল্পত সৌন্দৰ্যৰ আৰাধনাই ঠাই পায়। মিচিং বস্ত্ৰবোৰৰ বিশেষত্ব হৈছে ইয়াত বছা ফুলবোৰ। মিমাং অৰ্থাৎ চানেকীৰ আৰ্হিত ফুলবোৰ বাছে। ফুলবোৰৰ আৰ্হি মূলতঃ কোণীয়া বা চুকীয়া। ত্ৰিভুজীয়, বৰ্গ, বিভিন্ন আকৃতিৰ ফুল, চৰাই-চিৰিকটি, জীৱ-জন্তু আদিৰো চিত্ৰ কাপোৰত ব'ব পাৰে। অনুষ্ঠান-প্ৰতিষ্ঠানত বিশিষ্ট ব্যক্তিক আদৰিবলৈ তেওঁবিলাকে ফুলাম গামোচাত অৰ্থবহ নাম, বাক্য বা শব্দ বৈ উলিয়ায়। আকাশৰ তৰা, চন্দ্ৰ, সূৰ্য আদিৰ লগতে প্ৰকৃতিৰ বহুতো মোহনীয় দৃশ্য, গছ-গছনি সম্বলিত বয়ন-চিত্ৰই মিচিং তিৰোতাৰ বস্ত্ৰশিল্পত ঠাই পায়। তেওঁলোকৰ তাঁতশালত প্ৰায় পচিছখনতকৈ অধিক বিভিন্ন বস্ত্ৰ নিজৰ ঘৰুৱা তথা সামাজিক ব্যৱহাৰৰ বাবে বৈ উলিয়াব পাৰে। সেইবোৰ হৈছে গাদু, মিবু গালুক, এগে দুমেৰ, উগন, পঃভুৰ গাপা, মাতাগাপা, তাপুম গাচৰ, বিঃবি গাচেং, য়ামৰ, নিচেগ, কিমবু গাচৰ চেগবুং, পটালি, গেৰ কেৰবু ইত্যাদি। উল্লিখিত প্ৰতিবিধ বস্ত্ৰৰ বয়নশৈলী আৰু সামাজিক ব্যৱহাৰৰ ভিন্নতা আছে। মূলতঃ কপাহ আৰু মুগা সূতাৰে বোৱা বস্ত্ৰবোৰ বৰ্তমানে উল ব্যৱহাৰ কৰি প্ৰস্তুত কৰিবলৈ ধৰিছে। ইয়াৰ ফলত বয়নশিল্প অধিক উন্নত আৰু সুলভ হৈছে। তেওঁবিলাকৰ তাঁতশালত বোৱা গাদু বা মিৰিজিম বিশ্ববিখ্যাত। মিচিং তিৰোতাই ষোড়শী অৱস্থাৰ পৰা বৃদ্ধাৱস্থালৈকে তাঁতশালত বয়ন-প্ৰক্ৰিয়া নিজ ৰুচি অনুসৰি চলাই থাকিব পাৰে। তেওঁবিলাকৰ বং বিৰঙৰ বস্ত্ৰ পৰিধান কৰি গীত-মাত বাদ্যসম্বলিত উৎসৱ-পাৰ্বণসমূহত একত্ৰে প্ৰদৰ্শিত নৃত্য সঁচাকৈয়ে চালে চকুৰোৱা আৰু মনোমুগ্ধকৰ।

ঘৰুৱা পৰিৱেশত নিপিন্ধিলেও কিছুমান বিশেষ উৎসৱত মিচিংসকলে আ-অলংকাৰ পিন্ধাটো অপৰিহাৰ্য। সোণ, ৰূপ, তাম আদি ধাতৱ পদাৰ্থৰ বাহিৰেও মূল্যবান তথা আপুৰুগীয়া বুলি বিবেচিত মণি, মুক্তা আদিও তেওঁবিলাকৰ সমাজত প্ৰচলিত। অলংকাৰবোৰ প্ৰধানতঃ দগানে, তাদগ, পিচিবিং, গামকাৰু, কংগে, অনচালমৰা, কৰদনি, গলপটা, কেৰু, চম্পুং আৰু, ইকনি, তাকপৰ, পোৱাল, লিংতগ আদি। মণি-মুক্তাজাতীয় তাদগ দগানে বৰ্তমান দুষ্প্ৰাপ্য। ইয়াক বিয়া-সবাহ তথা মাঙ্গলিক কাৰ্যত পৰিধান কৰাটো অপৰিহাৰ্য। বিয়াত দৰা কইনা আৰু উৎসৱ যেনে— পঃৰাগ আদিত মিবুৱে পৰিধান কৰিব লাগে। অতীতত দগানে সম্ভ্ৰান্ত আৰু ধনী পৰিয়াল হিচাপে বিবেচিত হৈছিল। দগানে, তাদগ আদি মূল্যবান মণি-মুক্তাবোৰৰ প্ৰাপ্তিৰ উৎস সঠিকভাৱে কোনেও ক'ব নোৱাৰে। সেই মণিবোৰ সৰ্বসাধাৰণ বজাৰত পোৱা মণিবোৰৰ লগত তুলনাৰ যোগ্য নহয়। সেইবিলাকৰ চাহিদা আৰু মূল্য বহু অধিক। কিছুমান পুথিত উল্লেখ থকা মতে তিব্বতৰ পাহাৰীয়া নদ-নদীৰ নামনি বা তাৰ চৌকাষৰ নামনি অঞ্চলবোৰত মণি-মুক্তাবোৰ পোৱাৰ উৎস হিচাপে কোৱা হয়। বোধকৰো মিচিংসকল অতীতত তিব্বত অঞ্চলৰ পৰা প্ৰব্ৰজনৰ সময়ত সেই অঞ্চলবোৰৰ পৰাই বুটলি আনিছিল।

মিচিংসকলে তেওঁবিলাকৰ সামাজিক জীৱনযাত্ৰাৰ লগত সামঞ্জস্য ৰাখি কেইটামান উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰে। উৎসৱবোৰ মূলতঃ কৃষিভিত্তিক আৰু ধৰ্মীয়। সেইবোৰৰ ভিতৰত আলি আই লিগাং, পঃৰাগ, দবুৰ, আমবাগ, উৰম পঃচুম আদিয়েই প্ৰধান। ঢেদিমেলক বিশ্বব্ৰহ্মাণ্ডৰ প্ৰথম সৃষ্টি হোৱা প্ৰকৃতি পুৰুষ হিচাপে বিশ্বাস কৰা এই সমাজে দঃঞি (সূৰ্য) আৰু পঃলো (চন্দ্ৰ)ক ক্ৰমে মাতৃ আৰু পিতৃৰূপে জ্ঞান

কৰে। পূৰ্বপুৰুষ হিচাপে আবুতানি, কাৰ্চিংকাৰ্তাক আদিক বিশ্বাস কৰিও য়াৰি (বিজুলী), মুগলিং (বজ্ৰ), এচাৰ্ (বতাহ) আদিকো প্ৰকৃতিৰে একো একোটা বৃহৎ শক্তিৰূপে বিশ্বাস তথা জ্ঞান কৰি আহিছে।

মূলতঃ কৃষিভিত্তিক উৎসৱ আলি আই লিগাং প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা উদ্‌যাপন কৰা হয়। ইয়াৰ মূল কথাটো হ'ল পূৰ্বপুৰুষ সহিত পৃথিৱীৰ সকলো শক্তিক আৰাধনা কৰি কৃষি উৎসৱ অৰ্থাৎ শস্য সিঁচা কাৰ্য আৰম্ভ কৰা। লগত সংযোজন হোৱা পঃৰ আপং, পুৰাং আদি পূৰ্বপুৰুষৰ নামত উছৰ্গা কৰি গুমৰাগ নৃত্যৰে ধৰিত্ৰীৰ বক্ষত কম্পন তোলা। উদ্দেশ্য—সিঁচি দিয়া বীজ অংকুৰিত হোৱাত যেন সহায় কৰে।

পথাৰত খেতি-বাতি চপাই যেতিয়া গোটেই গাঁওখনেই ভঁৰাল ভৰি শস্য লাভ কৰে, তেতিয়া এক শুভ মুহূৰ্তত গাঁৱৰ ৰাইজে একত্ৰিত হৈ পঃৰাগ উৎসৱ উদ্‌যাপন কৰে। বহুতে সেই কাৰণে এই উৎসৱক কৃষি চপোৱা উৎসৱ বুলি ক'ব বিচাৰে। কিন্তু পঃৰাগ উৎসৱ প্ৰতি বছৰে পালন কৰাৰ সামৰ্থ নেথাকে। ইয়াৰ প্ৰধান কাৰণ হ'ল ইয়াত হোৱা খৰচ-পাতিৰ অত্যধিক পৰিমাণ। এটা উৎসৱৰ বাবে অপৰিহাৰ্য বস্তুবোৰ হ'ল আটকধুনীয়া এটি মুৰংঘৰ। লগত লাগিব দুই তিনিখন গাঁৱৰ ডেকা-গাভৰুক আপ্যায়নৰ বাবে প্ৰয়োজনীয় খাদ্য—যেনে চাউল, আপং আৰু গাহৰি। তদুপৰি দক্ষতাসম্পন্ন মিবু এই উৎসৱ পৰিচালনাৰ বাবে লাগিবই।

ইয়াৰ বাহিৰেও পূৰ্বপুৰুষৰ সন্তুষ্টিৰ কাৰণে খেতি চপোৱাৰ পাছত ধান-চাউলৰ উৎপাদিত সামগ্ৰীৰে প্ৰস্তুত কৰা দ্ৰব্যৰে আমৰাগ পূজা সম্পন্ন কৰে। মৃত আত্মাবিলাকৰ সন্তুষ্টিতেই ভৱিষ্যতৰ মঙ্গল সাধন সম্ভৱ হয় বুলি মিচিংসকলে বিশ্বাস কৰে। তদুপৰি পূৰ্বপুৰুষসকলৰ আত্মাবোৰক মঙ্গল সাধন, ৰোগ-ব্যাধি নোহোৱা বা দুৰ্ঘটনা আদিৰ পৰা উদ্ধাৰৰ উপায় বিচাৰি কুকুৰা, গাহৰি আদি উছৰ্গা কৰি উৰম পঃচুম পূজা পাতে। দবুৰ পূজাও এই সমাজৰ এক লেখত ল'বলগীয়া তাৎপৰ্যপূৰ্ণ উৎসৱ। কেইবাবিধো থকা এই দবুৰ পূজা সাধাৰণতে মৰামৰি, কটাকটি, দুৰ্ঘটনা আদিৰ পৰা ৰক্ষা কৰিবলৈ পালন কৰা হয়। তদুপৰি পাপ মোচন, অকাৰ্য, অনীতি, সামাজিক অপৰাধ কৰিলেও এই দবুৰ পূজা পাতি মোচন কৰাৰ নিয়ম প্ৰচলিত।

মিচিংসকল আমোদপ্ৰিয়। তেওঁবিলাকে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰে। অতীতৰ পৰা তেওঁবিলাকৰ ধাতৱ পদাৰ্থৰ সীমিত ব্যৱহাৰৰ বাহিৰেও বাঁহ, নল, খাগৰি, বনৰীয়া লাও আদিৰ পৰাও বাদ্যযন্ত্ৰ সাজি উলিয়ায়। অসমীয়া সমাজ-ব্যৱস্থাত প্ৰচলিত ঢোল (দুমদমু), গুংগাং (গগণা) বাঁহী (তাপুং), পেঁপা (পেম্পা), বীণা (বীণ), ঢুলুকি (দুলুকি) আদি মিচিঙত এইদৰে নামকৰণ হয়। মিচিং সমাজত ব্যৱহৃত বাদক যন্ত্ৰ তাপুং, দেনদুন, দুম্পাগ, য়ক্চা, ৰাইকঃৰেগ আদিৰ নিৰ্মাণ আৰু বজোৱা পদ্ধতিৰ নিজস্ব বিশেষত্ব আছে। তলত সেইবোৰ বৰ্ণনা কৰা হ'ল ঃ

মূল আহিলা ঃ

বনৰীয়া লাও ঃ এজুগ, পুমচু, তুম্ব তাপুং।

বাঁহ ঃ দীৰকি, তুঃতগ্ তাপুং, দেন্‌দুন্, দুমপাগ, গুংগাং, পিঃলি, দেনতুগ, টক্‌টক্, কুএুৰ।

বন নল বা খাগৰি ঃ দেন্‌দুন্।

ধাতৱ পদাৰ্থ ঃ য়ক্চা, লুঃপি, মাৰবাং, লৌনং।

শ্ৰেণীবিভাজন

(মিচিং বাদ্যযন্ত্ৰ)



বনৰীয়া পুৰঠ লাও কাটি অগ্নি বা ৰ'দ বা ধোঁৱাচাঙত শুকান কৰি লোৱা হয়। পাছত ইয়াৰ ভিতৰৰ কোমল পদাৰ্থবোৰ আঁতৰাই পেলায়। ফলত ভিতৰৰ অংশ সম্পূৰ্ণৰূপে খোঁপোলা হৈ পৰে। লাওটোৰ ডিঙি অংশইদি ভিতৰলৈ ফু মাৰি বতাহ সুমুৱাই দিব পাৰি। গাৰ খোঁপোলা অংশত ফুটা কৰি পিংলি সংযুক্ত কৰিব পৰা ব্যৱস্থা কৰি লয়। ইয়াৰ পাছত মুখ আৰু গাৰ ফুটাবোৰত পিংলি ভৰাই দি ফু মাৰিলে এক শ্ৰুতিমধুৰ শব্দ নিৰ্গত হয়। এয়েই তাপুং সঁজুলিৰ নিৰ্মাণ পদ্ধতি। গাৰ অংশৰ ফুটাৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি তুম্ব (এটা ফুটা), পুমচু (দুটা ফুটা) আৰু এজোগ্ (তিনিটা বা অধিক) নামত ভাগ কৰা হৈছে। এইবিধ তাপুং বজাই বাদ্ধিত সুৰ বা গীত বজাবলৈ যথেষ্ট পাকৈত আৰু অভিজ্ঞ হ'ব লাগে।

পিংলিসংযুক্ত তুম্ব, এজোগ আৰু পুমচু তাপুংবোৰ ফু মাৰিলে পিংলিৰ সংখ্যানুসৰি শব্দ/সুৰবোৰৰ প্ৰাবল্য নিৰ্ণয় হয়। পিংলিবোৰ লাওৰ ওপৰ পেটকাপে সংলগ্ন হৈ থাকে আৰু প্ৰতিটো পিংলিত এক বা ততোধিক ফুটা বা বিন্ধা থাকে। এই বিন্ধাইদি বাদকে দুই হাতৰ আঙুলি অবিৰতভাৱে সঞ্চালন কৰি সুৰ বা ধ্বনি উলিয়াব পাৰে। এই কাম সঁচাকৈয়ে জটিল, বিশেষকৈ এজোগ তাপুংবোৰৰ ক্ষেত্ৰত। সেয়েহে এই কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰি চৰ্চা কৰা অভিজ্ঞ বাদকেহে প্ৰকৃত সুৰ/ধ্বনি শ্ৰোতাৰ আগত প্ৰদৰ্শন কৰিব পাৰে।

দীৰকি আৰু তুংতুগ তাপুংবোৰ বাঁহীৰ নিচিনা। নিৰ্মাণ-পদ্ধতিও একেই বুলিব পাৰি। কিন্তু হাউলী যায়। সেয়েহে এইবিধ বাদ্যযন্ত্ৰৰ নাম তুংতুগ অৰ্থাৎ তলমুখীয়া। দীৰকি তাপুংবোৰৰ নিৰ্মাণ সঁজুলি, পদ্ধতি তথা বজোৱা প্ৰণালী বাঁহীৰ নিচিনা একেই। কিছুমান অঞ্চলত বাঁহেৰে নিৰ্মিত বাঁহীৰ নিচিনা এবিধ সঁজুলি আছে। কুএৰ নামৰ এইবিধ বাদ্যযন্ত্ৰ মনৰ দুখ-বেদনা, বিৰহ আদি পাতলাবৰ বাবে বজায়।

ৰাই কংৰীগ বাদ্যযন্ত্ৰৰ সঁজুলিৰ বাবে বনৰীয়া বা ঘৰচীয়া দঁতাল গাহৰিৰ জোঙাল আগদাঁত এটা অপৰিহাৰ্য। লগত তামোল গা-গছৰ পৰা কাটি উলিওৱা এডাল মাৰিৰ প্ৰয়োজন। মাৰিডালৰ দৈৰ্ঘ্য প্ৰায় ডেৰফুটমান। মাৰিডাল সম্পূৰ্ণৰূপে পূৰঠ আৰু শুকান হোৱা বাঞ্ছনীয়। মিহিকৈ চাঁচি উলিওৱা মাৰিডালৰ এপিঠিত এক বা ডেৰ ইঞ্চি সমান দূৰত্বত শাৰী শাৰীকৈ কাটি খহটা কৰা হয়। মাৰিডালৰ এটা মূৰত টান সূতাৰ ৰছীৰে বান্ধি আনটো মূৰত (ডেৰ-দুইফুট দীঘল) গাহৰিৰ দাঁতটোৰ গুৰিত ফুটা কৰি বান্ধি থয়। কেতিয়াবা সূতা নবন্ধাকৈও ব্যৱহাৰ কৰিব পাৰে। বজোৱাৰ সময়ত মাৰিডাল বাহু বা কান্ধত হেঁচি ধৰি আনখন হাতেৰে গাহৰিৰ দাঁতটো ধৰি খহটা অংশত অগা-পিছাকৈ অবিৰতভাৱে ঘৰ্ষণ কৰে। এনে প্ৰক্ৰিয়াত অতি সুমধুৰ সুৰ আৰু ধ্বনি নিৰ্গত হয়। ৰাইকংৰংগ ঢোল, তালৰ সৈতে বা ঐনিতম গাওঁতেও বজাব পাৰে।

য়ক্‌চা মিচিং সমাজৰ সাতামপুৰুষীয়া সম্পত্তি বুলিব পাৰি। ইয়াৰ ব্যৱহাৰ সীমিত, কিয়নো মিচিং সমাজৰ পুৰোহিত মিবুৰ দ্বাৰাহে ইয়াৰ পৰিচালনা সম্ভৱপৰ। সাধাৰণতে লৌহ ধাতুৰ দ্বাৰা নিৰ্মিত এইবিধ সঁজুলি এক দীঘল পোন তৰোৱালৰ নিচিনা। প্ৰায় দুই-তিনি ফুটমান দৈৰ্ঘ্যৰ য়ক্‌চা দৈৱপ্ৰদত্ত বুলি সমাজে বিশ্বাস কৰে। ইয়াক জন্তুৰ ছালেৰে নিৰ্মিত চবুগত ভৰাই থয়। কেতিয়াবা বাঁহ-বেতেৰে অতি মিহিকৈ চিকুণ কৰি তৈয়াৰ কৰা চবুগতো ৰাখি থয় আৰু সাধাৰণতে মিবুয়ে অতি সযতনে ডিঙ্গিত ওলোমাই লৈ ফুৰে। ইয়াৰ আগমূৰটো খুব বেছি জোঙাল নহয় আৰু ইমান ধাৰালো নহয়; কিয়নো এইবিধ যন্ত্ৰ কটা-মেলা কামত ব্যৱহাৰ নহয়। য়ক্‌চা ধৰিবৰ বাবে আনটো মূৰত মজবুত কাঠ বা বাঁহৰ নাল থাকে। ইয়াৰ চাৰিওফালে মিশ্ৰিত ধাতৱ পদাৰ্থৰ তৰপ মেৰোৱা থাকে। শব্দ নিৰ্গমনৰ বাবে ধাতুৰ বিশেষ ধৰণৰ খাৰু সংযুক্ত থাকে। মিবুয়ে পঃৰাগ বা মঙ্গল চাওঁতে এই য়ক্‌চা জোকাৰি জোকাৰি আঃবাং গীতবোৰ গায় আৰু শেষত দৈৱশক্তি লাভ কৰে।

দেনতুগ আৰু দুমপাগ অতি সৰল বাদ্যযন্ত্ৰ আৰু বাঁহেৰে বনোৱা। এই দুই বাদকবোৰ দৰাচলতে বাঁহৰ চুঙা। দেনতুগত দুইমূৰে গাঁঠি থাকে, আনহাতে দুমপাগত আনটো মূৰে খোলা থাকে। দেনতুগৰ এপিঠিত বাঁহটোৰ বাহিৰৰ টান অংশটো চাঁচি ভিতৰফালৰ কোমল অংশটো ৰাখি থয়। ফলত এক পাতল আৱৰণৰ নিচিনা কাম কৰে। এই পাতল অংশইদি এডাল বাঁহৰ মাৰিৰে লঘুকৈ কোব মাৰিলে মৃদু অথচ এক বিশেষ শব্দতৰংগৰ সৃষ্টি হয়। যিকোনো উৎসৱত ঢোলৰ সৈতে এইবিধ যন্ত্ৰক ব্যৱহাৰ কৰিব পাৰে। আনহাতে দুমপাগৰ খোলা মুখটো শৰীৰৰ বক্ষৰফালে হেঁচা দি বন্ধ কৰে আৰু ইয়াৰ পিঠিত বাঁহৰ বিশেষ এডাল মাৰিৰে শব্দ তুলি বাদকযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। এই দুবিধ বাদ্যযন্ত্ৰৰ মূলমন্ত্ৰ হৈছে আবদ্ধ চুঙাৰ ভিতৰৰ বায়ুত চাপ প্ৰয়োগ আৰু শব্দ সৃষ্টি।

লীঃনং আৰু মাৰবাং দুটা লেখতল'বলগীয়া বাদ্যযন্ত্ৰ। সাধাৰণতে মিশ্ৰিত ধাতুৰে এই বাদ্যযন্ত্ৰবোৰ নিৰ্মিত। দেখাত ডাঙৰ ভাতৰ কাঁহীৰ নিচিনা। পিঠিফালৰ সোঁমাজত দুই-তিনি ইঞ্চি জোখৰ গোলাকাৰ ওখ অংশ থাকে। বাদ্যযন্ত্ৰটোৰ এই অংশত কোব দিয়ে। লীঃনঙতকৈ মাৰবাং আকাৰত ডাঙৰ আৰু সেইমতে শব্দও বেছিকৈ হয়। বাদকটো গাঁৱত বিপদ-বিঘিনি, অপায়-অমংগল, মানুহৰ মৃত্যু হ'লে অথবা তিৰোতাৰ প্ৰসৱ-বেদনাত অবাঞ্ছিত পৰিস্থিতি হ'লে ব্যৱহাৰ কৰে। পৰিয়ালৰ বা গাঁৱৰ কোনোবা এজনে ওখ ঠাইৰ পৰা ডাঙৰকৈ কোবাই ৰাইজক সংকেত দিয়ে। তেতিয়া গাঁৱত ৰাইজ অথবা ওচৰ-চুবুৰীয়া গাঁৱৰ লোকেও সম্ভাব্য বিপদৰ আগজাননী লাভ কৰে আৰু বিষয়টো

অনুধাৱন কৰি সহযোগিতা বা সতৰ্কতা অৱলম্বন কৰে। মাৰবাং কোবাবলৈ বাঁহৰ মজবুত মাৰি-ডাঙৰ আৱশ্যক। এই লীঃনং 'আলি আই লিগাং' আদি আনন্দ-উৎসৱত ঢোল-তালৰ লগত বজায়। কেতিয়াবা ইয়াক ব্যৱহাৰ কৰি গাঁৱৰ ৰাইজক গাঁওসভালৈও আমন্ত্ৰণ জনায়।

মিচিং জনগোষ্ঠীৰ বাদ্যযন্ত্ৰবোৰৰ ভিতৰত য়কচা আৰু মাৰবাঙৰ বাহিৰে প্ৰায়বোৰ যন্ত্ৰই আনন্দ উৎসৱ-পাৰ্বণত ব্যৱহৃত হয়। যিহেতু মিবুৰ বাহিৰে য়কচা কোনেও সঞ্চালন কৰিব নোৱাৰে, সেয়েহে পঃৰাগ, আলি আই লিগাং, লিদগ অনুষ্ঠান অথবা মিবুৰ জকিয়াংত মঙ্গল চোৱাওঁতে য়কচা ব্যৱহাৰ হয়। লীঃনং, মাৰবাংবোৰ সাধাৰণতে আনন্দ-উৎসৱ আদিত ব্যৱহাৰ নহয়। বাকী বাদকবোৰ আলি আই লিগাং, বিহু, পঃৰাগ, বিবাহ আদি আনন্দৰ পৰিৱেশত য'ত ঢোল তালৰ সংগম ঘটে তেনে পৰিৱেশত ব্যৱহাৰ হয়। পথাৰত গৰখীয়াই গৰু-মহ চৰাওঁতে, ডেকা গাভৰুৱে কৃষিকৰ্মত আজৰি পৰত ঐনিঃতম, কাবান গোৱাৰ আনন্দ, বিষাদৰ পৰিৱেশত পেম্পা, গুংগাং, দীৰকি, তাপুং, তুঃতগ্ তাপুং আদি নিৰলে-নীৰৱে বজাব পাৰে। আনন্দ-নিৰানন্দ, দুখ-বেদনা আদি প্ৰকাশ কৰি মনপ্ৰাণ জুৰায়। বীণ, দুলুকি বাদ্যযন্ত্ৰবোৰ বিহু, উৎসৱ আদিত অঞ্চলবিশেষে সীমিত ব্যৱহাৰ হোৱা দেখা যায়।

ওপৰত উল্লিখিত উৎসৱ পাৰ্বণবোৰৰ বাহিৰে মিচিঙৰ আন আন উৎসৱবোৰত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা দেখা নাযায়। যেনে — উৰম, আমৰাগ্, দবুৰ, দদগাং, তালীং উই, ৰকপুং উই, আপুনউই আদিত।

মিচিংসকলৰ বাদ্যযন্ত্ৰবোৰৰ বিষয়ে বিস্তৃত পৰিসৰত পৰ্যালোচনাৰ থল আছে। সাতামপুৰুষীয়া এই সংস্কৃতিৰ সম্ভাৰবোৰৰ সংৰক্ষণ আৰু বিজ্ঞানসন্মতভাৱে বিশ্লেষণ আৰু অধ্যয়নে বহুতো নতুনত্ব প্ৰদান কৰিব পাৰিব, বিশেষকৈ তাপুংবোৰৰ ইয়াত প্ৰয়োগ হোৱা কলা কৌশল আৰু শব্দ তৰংগৰ সৃষ্টিয়ে উন্নত প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত সমন্বয় ঘটাব পাৰিব। এইবোৰৰ প্ৰণালীবদ্ধ গৱেষণাত উন্নত যন্ত্ৰৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি আশা কৰিব পাৰি। কালক্ৰমত তাপুংবোৰৰ ব্যৱহাৰৰ লগতে অভিজ্ঞ বাদকৰ অভাৱ হোৱাটোত আজি সকলোৱে চিন্তাৰ বিষয় হৈ পৰিছে।



সহায়ক পুথি ঃ

মিচিং সংস্কৃতি ঃ ডাঃ জৱাহৰ জ্যোতি কুলি।

Folk Literature of the Misings (1992), Dr Jawahar Jyoti Kuli

পাহাৰীয়া তিৱাসকলৰ সাজ-পাৰ আৰু বাদ্যযন্ত্ৰ

ৰূপকৃষ্ণ পাটৰ

তিৱা জনজাতিৰ সাজ-পাৰ আৰু বাদ্যযন্ত্ৰ—এই বিশেষ বাক্যাংশ মনলৈ আহিলেই মনৰ দুচকুত উদ্ভাসিত হৈ উঠে যেন পোহৰ ফুলনিৰ এক ৰূপহী বৰ্ণচ্ছটা। ৰূপ, বৰ্ণ আৰু বৈচিত্ৰ্যৰ যেন এক সুষম সমাহাৰ। জনজাতি মানে হ'ল ভিন্ন গোষ্ঠীয় ভাষা (দোৱান), শাৰীৰিক গঠনৰ পৃথক আকাৰেৰে ভিন্ন বৈশিষ্ট্যপূৰ্ণ কৃষ্টি-সংস্কৃতি প্ৰৱাহী নিভৃত বাসস্থান আৰু এক সৰল ৰৈখিক জীৱন। জনজাতি গোষ্ঠীৰ এই বিবিধ বৈভৱৰ পৰা তিৱাসকল তিলমানো নিলগ নহয়। বৰং ইতিহাসৰ অন্তঃশীল গৌৰৱেৰে গৌৰৱান্বিত আৰু অধিক ৰঙীণ।

তিৱাসকল স্বৰূপাৰ্থতেই এঘৰীয়া জনজাতি গোষ্ঠী হিচাপে অসমত হাজাৰ বছৰ ধৰি সুদীৰ্ঘ কালৰে পৰা বসবাস কৰি আহিছে। বুৰঞ্জীত তিৱাসকলৰ বিশদ বা বিস্তৃত তথ্য নাথাকিলেও তিৱা জনজাতি আজিও অসমত স্বকীয়, প্ৰোজ্জ্বল সাংস্কৃতিক অস্তিত্বৰে মহিমামণ্ডিত জাতি হিচাপে স্বয়ংসম্পূৰ্ণ। যি হওক, তিৱাসকলৰ নৃ-তাত্ত্বিক অৱলোকন আমাৰ এই লেখাৰ উদ্দেশ্য নহয়। তিৱা বুলিলে ৰূপ, ৰস, বৰ্ণৰ যি সুসংহত স্নিগ্ধ ছবি এখন প্ৰতিবিম্বিত হৈ উঠে, কেনেকৈনো প্ৰাকৃতিক অণুবীক্ষণেৰে প্ৰকৃতিক নিজৰ সাজ-পোছাকত অংকিত কৰিছে, তেওঁলোকৰ বাদ্যযন্ত্ৰবোৰ কোন কোন উৎসৱতনো প্ৰযোজ্য, সেই বিষয়েহে চমুকৈ আলোচনা কৰিব বিচৰা হৈছে।

বুৰঞ্জীকলাই গতি লোৱাৰ বহুকাল আগতেই বৃহৎ বড়ো গোষ্ঠীৰ পৰা বিচ্ছিন্ন হৈ তিব্বতৰ পৰা প্ৰব্ৰজন কৰি আহোতে কপাহ নেওঠি, এৰী সূতা কাটি, কাপোৰ বৈ লোৱা পদ্ধতিটো অসমলৈ লৈ আনিছিল এই তিৱাসকলে। অসমভূমিলৈ প্ৰব্ৰজন কৰি আহি অসমৰ পৰ্বতে-ভৈয়ামে সিঁচৰতি হৈ বসবাস কৰি থকাৰ সময়তো তিৱাসকলে কপাহ আৰু এৰী সূতা কাটিয়েই অতি কষ্টলব্ধ নিজা বস্ত্ৰ তৈয়াৰ কৰি লৈছিল। সেই সুদূৰ প্ৰাতঃ প্ৰাচীন কালৰে পৰা এৰী পাট-পলু লালন-পালন কৰি সেই পলুলেটাৰ পৰা হোৱা সূতা কাটি আৰু কপাহ নেওঠি কাপোৰ বৈ পিন্ধা-উৰাৰ নিৰৱচ্ছিন্ন গতিধাৰা

অদ্যাপি তিৱাসকলৰ মাজত চলিয়েই আছে। বিশেষকৈ নগাঁও, মৰিগাঁও তথা কাৰ্বি আংলং আৰু ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত বসবাস কৰা তিৱাসকলে বৰ্তমানো এৰী সূতাৰ চাদৰ অতি যত্ন সহকাৰে বৈ-কাটি পিন্ধাৰ লগতে এৰী চাদৰক অসমৰ এক সন্মানীয় আৰু মৰ্যাদাপূৰ্ণ শিল্পৰ অবিনাশী স্তৰত থিয় কৰাইছে। বিশেষকৈ মৰিগাঁও জিলাৰ বাৰপূজীয়া অঞ্চলত তিৱা শিপিনীসকলে বৰ্তমানেও এৰী শিল্পক অনবৈদ্য বয়ন-নৈপুণ্যৰ এক উদ্যোগত পৰিণত কৰিছে। ই সমগ্ৰ অসমৰ বাবেই গৌৰৱৰ কথা।

সম্যক পৰ্যবেক্ষণৰ দ্বাৰা এটা কথা প্ৰতীয়মান হৈছে যে কাৰ্বি আংলঙৰ হামৰেণ মহকুমাৰ ৱাৰ-আম্‌লা আৰু আমৰি মৌজাৰ তিৱাসকলেহে স্বল্পপৰিসৰত আধুনিক সময়ৰ পৰিৱেশ উদ্ভূত প্ৰতিকূলতাৰ মাজতো স্বজাতীয় ঐতিহ্য আৰু বৈশিষ্ট্য ৰক্ষা কৰি সাজ-পোছাকেৰে নিজৰ সবল সাংস্কৃতিক পৰিচয় বৰ্তমানলৈকে বহন কৰি আছে। আমি এই আলোচনাত পাহাৰৰ তিৱাসকলৰ সাজ পাৰ আৰু কেইবিধমান বাদ্যযন্ত্ৰৰ বিষয়েহে আলোচনা কৰিবলৈ লৈছো।

টাগ্‌লা ঃ

তিৱা পাম্বাই (ডেকা) সকলৰ জাতীয় সাজ টাগলা। টাগ্‌লা দেখাত মিচিং পুৰুষসকলৰ পৰিধান 'জিম'ৰ লেখীয়া। অতি ৰাজসিক পৰিধান এই টাগলা, শিপিনীয়ে বৈ থাওঁতেই ইয়াৰ পিঠি আৰু বুকুৰ দিশৰ ফুল বাছি যায়। লগতে দুয়ো হাত আৰু গলত পৰিৰলগীয়া অংশৰ চাৰিওদিশে 'তুকম' (পাৰি) বৈ দিয়ে। দেখাত সচৰাচৰ অসমৰ জনজাতি গোষ্ঠীবোৰৰ পুৰুষসকলৰ প্ৰধান পৰিধান চোলাটোৰ উপকৰণ আৰু দৃশ্যৰূপৰ আন্তঃসম্পৰ্ক প্ৰায় অবিচ্ছেদ্য। তৎসত্ত্বেও বয়ন আৰু গঠন সৌকাৰ্যত শিপিনীৰ শৈল্পিক পৃথকবোধে তিৱা পাম্বাইৰ টাগলাক 'কিছু ভিন্নতা' প্ৰদান কৰিছে। বক্ষপ্ৰদেশ আৰু পিঠি, দুয়োদিশে উজ্জ্বলি থকা বিশেষ টাগলা কাটি (ফুল)ৰ চানেকীয়ে অন্য জনজাতি গোষ্ঠীৰ শৈলীৰ পৰা পৃথক কৰাই নহয়, টাগলাক সংহত অভিব্যঞ্জনা দান কৰিছে। দেহৰ নাভি অংশৰ পৰা কেতিয়াবা পেট আৰু বুকুৰ সন্ধিস্থলৰ মেৰুদণ্ডনীৰ পৰা কঁকালৰ জোৰাসন্ধিত পৰাকৈ দুলায়মান দহি গুঁঠি দিয়া হয়। আজিকালি তিৱা, কাৰ্বি, মিচিং, বড়োসকলৰ টাগলা, জিমকে আদি কৰি এইবোৰ চোলাত ইমান বেছি আধুনিক বিমিশ্ৰণৰ সংযোজন কৰা হৈছে যে তাৎ দৃশ্যগত কোনো পৃথকতা তথা ভিন্নতা একেবাৰে শূন্যপ্ৰায়। পোছাকত পৃথকতা নাথাকিলে বৈশিষ্ট্যৰ বিলুপ্তি ঘটে। ই নষ্ট সংস্কৃতিৰ নামান্তৰ।

থানা (লেংটি) ঃ

মাত্ৰ ছয়-সাত ইঞ্চি বহল আৰু প্ৰায় ডেৰ হাতমান দীঘল এই থানা। দুয়োকাষে ইমূৰৰ পৰা সিমূৰলৈকে দুপাৰি তুকম (পাৰি) দিয়া আৰু দুই মূৰত ৰিহা বা চাদৰৰ আঁচলসদৃশ পাতলৰ পৰা বহল পাৰি কিছু ঘনকৈ, বগা হালধীয়া ৰঙেৰে বৈ দিয়া থাকে। থানাৰ দুয়োকাষে অগ্ৰভাগত তিনি ইঞ্চিমানকৈ দহি গুঁঠি দিয়া হয়। কঁকালত দুই পেচ মাৰি পাছফালে পোন্ধমাৰি গুপ্তাংগ আৰু নিতম্বৰ অৰ্ধেকাংশ ঢাক খোৱাকৈ পিন্ধি থানাৰ দুইমূৰ কঁকালৰ পৰা সম্মুখ আৰু পৃষ্ঠদেশ দুয়োফালে ওলোমাই দিয়া হয়। পাহাৰৰ তিৱা পাম্বাইসকলে অতীজতে কোনো চুৰিয়া জাতীয় বস্ত্ৰ পৰিধান কৰাৰ নজিৰ পাবলৈ নাই। উল্লেখযোগ্য যে তিৱাসকলৰ অন্যতম বসন্তোৎসৱ চগ্ৰামিচাৱাতহে ৰুক্‌চুৰিয়া আদি পৰিধান কৰি নৃত্য কৰে। তথাপি তিৱাসকলে অতীজৰ আৱিষ্কৃত সামাজিক-সাংস্কৃতিক পৰিৱেশৰ গভীৰ অনুনাদী ধাৰ এটাৰ নিচিগা প্ৰবাহত আজিও নিসংকোচে অৱগাহন কৰি আছে। মৰিগাঁও জিলাৰ কত পুৰণি বিখ্যাত নেলী হাটলৈ লেংটি (থানা) পিন্ধা, সুন্দৰ সুঠাম দৈহিক গঠনৰ তিৱা পাম্বাই আৰু কাচকাই কাচং

পৰিহিতা খলাহঁতৰ দূৰণিবটীয়া আগমন তাৰেই পাৰিচায়ক।

পাম্থাই বা যুৱকসকলে পিন্ধা থানাৰ ৰং মূলতঃ দুটা— বগা আৰু গভীৰ মুগা বা কপিলা ৰং। সহজতে কপিলা ৰংটোক বুজিবলৈ অকাৰি চাউলৰ ৰঙৰ দৰে বুলিব পাৰি। আজিকালি অৱশ্যে তিৱা কৃষ্টি-সংস্কৃতিৰ দলবোৰে সমকালীন উত্তৰণ, বস্ত্ৰবিন্যাস বা সজ্জাবিন্যাসৰ এটা ৰূপগত পৰিৱৰ্তন থানাত আনিছে। থানাত পূৰ্বৰ ছয়-সাত ইঞ্চি ব্যাসাৰ্ধৰ পৰিৱৰ্তে এতিয়া প্ৰাকৃতিক গোপনতা ঢাকিব পৰাকৈ থানা ন-দহ ইঞ্চি বহল।

থালিচা (সৰু গামোচা)ঃ

একফুট বহল আৰু দীঘলে প্ৰায় পাঁচ ফুট থালিচা তিৱাসকলৰ গোষ্ঠীয় সন্মানৰ প্ৰতীক। অতি সৰলীকৃত বয়নশৈলীৰে বোৱা থালিচাত তিৱা খৰলাহঁতৰ (গাভৰু) কল্পদৃষ্টিত সপোন প্ৰতিবিম্বিত হয়। ফাকুৰঙা, হালধীয়া আৰু সেউজীয়া 'তুৰুম' (পাৰি) দি বোৱা থালিচাৰ ৰঙো গাঢ় হালধীয়া। তিৱা শিপিনীয়ে আপোন অনুশীলন আৰু প্ৰাকৃতিক পৰিৱেশৰ ফচলপ্ৰসূত কল্পনাৰে 'ইংখুলাই খুম' (এৰীপতীয়া ফুল), 'খুং খুজুৰা' (থুপুকা ফুল), চ্যুগুৰি (পখিলাৰ দৰে ফুল) আদি থালিচাত ফুল বাছে।

থেনাচ (পাগুৰি)ঃ

কপাহী সূতাৰে বোৱা ১৪ ফুট দীঘল থেনাচ, ধক্‌ধকীয়া বগা ৰঙৰ এবিধ পাগুৰি। আজিকালি বজাৰৰ সূতাৰে গাঢ় হালধীয়া আৰু ফাকুৰঙা থেনাচো বৈ-কাটি উৎসৱত পৰিধান কৰি নৃত্যাদিত ভাগ লয়। তিৱা সংস্কৃতিত অতীজৰে পৰা থেনাচৰ এই পৰিচ্ছন্ন আৰু ৰোমাঞ্চকৰ মৌলিক ব্যৱহাৰ আছিল যদিও থেনাচৰ দৈৰ্ঘ্য আছিল সংক্ষিপ্ত। কিন্তু বৰ্তমানে থেনাচৰ দীৰ্ঘতা আৰু অভিবিন্যাস স্বৰূপাৰ্থত দৃষ্টিগ্ৰাহী, গম্ভীৰ। বৰ্তমান আধুনিক চিত্ৰকলাত আদান-প্ৰদানৰ এক সাৰ্বজনীন মানসিকতাৰ ক্ৰমৱৰ্ধিত আৰু ক্ৰমব্যাপ্ত পাদুৰ্ভাৱ সৰ্বজনস্বীকৃত কথা। সেয়ে ক'ব পাৰি—হাজাৰ বছৰীয়া তিৱা সংস্কৃতি আৰু ডেৰশ বছৰীয়া অসমীয়া সমাজৰ সাংস্কৃতিক সংমিশ্ৰিত শিল্পধাৰণা আৰু ৰীতিগ্ৰহণৰ মধুৰ ফচল হ'ল এই ৰূপান্তৰৰ থেনাচ।

'আখ্ৰাটুচি' (পন্নৌনৌৱা গুটিৰ দৰে ফুল) খাদিচা, 'হাদি পিচা' (হাতী পোৱালী আকৃতিৰ) 'মুইজালি', 'চিডিলাই', 'চিংগং' (ক'লা ঘোঙৰ দৰে) 'ৰামচা', 'খাজাৰি', 'প্লা-খুম' (কাঁড় আকৃতিৰ), 'খুগৰি য়াফলি' (কুকুৰ খুজীয়া ফুল)কে আদি কৰি থেনাচত বিভিন্ন তৰহৰ ফুলবছা হয়। দুয়োকাষে বহলকৈ ফুলাম তুৰুম বৈ দুয়োমূৰত আঠ-দহ ইঞ্চি দীঘল দহি বটি দিয়া হয়। ছগ্ৰা উৎসৱৰ দৰে গোষ্ঠীয় উৎসৱত অংশ লোৱা তিৱা পাম্থাই লিবুংহঁতে মূৰ আৰু কৰ্ণমূল পৰ্যন্ত আচ্ছাদিত কৰি থেনাচ পৰিধান কৰে। লগতে বৰ্তমানৰ সত্ৰীয়া নৃত্যশিল্পীয়ে ব্যৱহাৰ কৰা বচোৱালৰ দৰে, ওপৰিঞ্চিকৈ টাগলাৰ ওপৰেৰে আৰু দুয়ো কাষলতিৰ তলেৰে দুফালৰ পৰা আনি বুকুৰ ওপৰেৰে কেঁৰেচীয়াকৈ থেনাচৰ দুয়ো আগকান্ধৰ ওপৰেৰে পিঠিৰফালে ছাটি মাৰি লয়। এই থেনাচ তিৱা আৰু অসমীয়া বিমিশ্ৰ সাংস্কৃতিক প্ৰাণছন্দৰ অতি নান্দনিক উত্তৰ সংস্কৰণ।

কাছ্যং (মেখেলা)ঃ

'কাছ্যং'দেখাত সাইলাখ মেখেলাৰ দৰে লাগিলেও কাছ্যং মেখেলাৰ দৰে সীয়নিবদ্ধ নহয়। কাছ্যঙৰ পিন্ধন-কলাত বিচিত্ৰতা আছে। তিৱা মাৰ্গি আৰু খৰলাইঁতে ইয়াক বক্ষ প্ৰদেশৰ পৰা ভৰিৰ সৰু গাঁঠিৰ ওপৰলৈ বা কেতিয়াবা লহঙা কলাফুলৰ ওপৰত পৰাকৈ বিশেষ কায়দাৰে মেৰিয়াই পিন্ধে।

বক্ষযুগলৰ ওপৰেৰে সোঁ-দিশলৈ মেৰিয়াই অনা কাছ্যাংখনৰ একেবাৰে সীমামূৰীয়া কপাহী সূতাৰে তৈয়াৰী এডাল কিঞ্চিৎ শকত আৰু ছয় ইঞ্চিমান দীঘল জৰী বা বছী গাঁঠি দিয়া থাকে। সোঁ-কান্ধৰ ওপৰেৰে সেই জৰীডাল বিশেষ কায়দাৰে গাঁঠি মাৰি তিৱা খৰলাইহঁতে কাছ্যাং পৰিধান কৰে।

কাছ্যাং কপাহী সূতাৰে বোবা হয়। (আজিকালি থাইলেণ্ড সূতা আৰু মাছৰাইজ সূতাৰে বয়)। কাছ্যাঙত বয়নশৈলীৰ কোনো আলংকাৰিক প্ৰতিৰঞ্জন দেখা নাযায়। একেবাৰে তলৰ দিশত বা পাতলিৰ ওপৰত কেইবালানি ডাঠ আৰু লম্বি 'ভুকম' (পাৰি) পাঁচ ইঞ্চিমান বহলকৈ আৰু সমপৰিমাণৰ 'ভুকম' কিঞ্চিৎ ওপৰত কৰঙনত পৰাকৈ বৈ দিয়া হয়। তিৱা মাগীৰ এই জাতীয় পৰিধান কাছ্যাঙৰ বয়নকলাৰ লক্ষণীয় সৰলীকৰণে জাতিটোৰ মহিলাসকলৰ বিশুদ্ধ নিজান আদি ৰূপৰেই (archetype) সন্ধান দিয়ে। কাছ্যাং সাধাৰণতে দুবিধ ৰঙৰ দেখা যায়। গাঢ় নীলা আৰু লা-বৰণীয়া (magenta)। তিৱা তিৰোতা বা ছোৱালীয়ে কাচিৎহে ক'লা ৰঙৰ কাছ্যাং পৰিধান কৰা দেখা যায়।

ফাঁচকাই আৰু নাৰা (বক্ষ আবৰণ আৰু কঁকালবন্ধনী):

ফাঁচকাই আৰু নাৰা, তিৱা শিপিনীৰ নিঃসন্দেহ বয়ন-নৈপুণ্যৰ সৰ্বোত্তম চানেকী। টাকুৰীত কষ্টসাধ্য কটনা কাটি কপাহী আৰু এৰী সূতাৰে বোবা নাৰা আৰু ফাঁচকাইত প্ৰায় পোন্ধৰবিধ কিচিমৰ ফুল বছা হয়। এই ফুলৰ চানেকী সংগ্ৰহৰ প্ৰাকৃতিক প্ৰক্ৰিয়াটোৰ বিষয়ে এগৰাকী বৃদ্ধা তিৱা মাগীৰ ভাষাত—'জিঙে জীৱন ক্ৰমবাৰী আৰ গদাৰা মছলাৰ ক্ৰমবাৰী। ক্ৰমবাৰীও গদাৰ পাবানা আকাজ্ঞ হাঁও জ্যাগল নুং মনে মাজ পেগাল হলে লাং। তেগাম্‌হান ক্ৰমবাৰীও কিজ্যা কুমুন নিধাৰা ৰঙে জ্যামাই নুগাং। কিজ্যা মিৰা টু নুগাং, নুইনং ফাং ছাও লগাইয়ে পাৰপাৰা অৰাও কিজ্যা। পাখানগা জ্যাং কোলাই উৰি থাবা কিজ্যা চুগুৰি। পেগাল মন বছ পাৰি। মব টি মানটি পেও খাটি মৰাটি মানটি ফাচকাই আৰনাৰাও থুম পাছেং। খেলাও পিমোনল ইংথাৰে পিনোঙা খাজ্ৰাম।'

(আমাৰ জীৱন বনবীয়া আৰু চলা-ফুৰাও বনবীয়া। বনৰ মাজত ফুৰোতে, আকাশে-মাটিয়ে যি দেখিছো, মনৰ সাজত বহিলে তাকে গ্ৰহণ কৰো। এই দৰক বনৰ মাজত এটা দুনীয়া ৰঙৰ মকৰা দেখিছো, এটা ম'ৰা চৰাই দেখিছো। দেখিছো গছত ওলমি থকা পাহমেলা ঔফুল এটা। কেঁচুয়াৰা ডেওদি উৰি ফুৰা এটা পখিলা। তাকে মনত সাঁচি ব'-বাটি কাঢ়ি আৰু বেৰ্ঙকাঠী জাপি ফাঁচকাই আৰু 'নাৰা'ওত ফুল বাছো। পাছত সেইবোৰেই হয়গৈ নিগাজি চানেকী।)

এনেকৈয়ে তিনি খাদি, ভবল, মুইকুৰি, খাগৰি ম' (কেঁকুৰা চকুৰা) জি 'দুইদৰ' (তিয়োহ ফুলীয়া), 'খাদি হাচ' (কাঁচিদঁতীয়া), 'আৰাও পাৰ' (ঔটেঙা ফুল), 'লাওকুহি' (লাউগুটিৰ দৰে ফুল), 'ছ্যাণ্ডৰি' (পখিলা ফুল), 'চ্যামফুই য়াচি' (মকৰাঠেঙীয়া), 'মিৰ খগাৰ' (ময়ূৰ পাখীৰ চৰ্কলিৰ দৰে) আদি চকুৰে দেখা বাস্তৱৰ স-প্ৰাণ প্ৰকৃতিৰ উপকৰণৰ পৰাই অসাধাৰণ কল্পনাশক্তি, শিল্পনৈপুণ্য, ময়ন বিভাজনৰ যোগেদি বোবা হয় হৃদয়ৰ বহচঁতীয়া প্ৰতিকল্প ফাঁচকাই, কাছ্যাং, নাৰা ইত্যাদি। পিঠিৰ ফালৰ পৰা সোঁ-বাউসিৰ কাবলতিৰ তলেৰে আনি বক্ষযুগলৰ ওপৰেৰে চাদৰৰ নিচিনাকৈ বুকু ঢাকি, বাঁও কান্ধৰ ওপৰত 'ফাঁচকাই'ৰ দুটা কোণত থকা বচিৰে গাঁঠি মাৰি তিৱা খৰলাইহঁতে 'ফাঁচকাই' পৰিধান কৰে। তিনিহাত দীঘল 'ফাঁচকাই চ্য' (দহি) গুঠি দিয়া হয়। তেনেকৈ নাৰাও (কঁকালবন্ধনী) তিৱা খৰলাইহঁতে কঁকালৰ পিছদিশৰ পৰা নিতম্বৰ ওপৰেৰে সন্মুখৰ ফালে আনি নাভিৰ তলত, উৰুসন্ধিৰ ওপৰত বিশেষ কায়দাৰে কেৰেচীয়াকৈ পৰিধান কৰে। 'নাৰা'ৰ দুইমূৰেও গুঠি দিয়া থাকে চাৰি-পাঁচ ইঞ্চি দীঘল

সুন্দৰ-সৌন্দৰ্যৰ আকৰস্বৰূপ 'চ্যু' (দহি)।

ভালে কিছুবছৰৰ আগলৈকে 'ফাঁচকাই' আৰু নাৰাবান্ধ বিবিধ ফুল বছা ফুলাম মৌচাকৰ দৰে আছিল যদিও তেতিয়া তাত নাছিল বৰ্ণৰ বিভিন্নতা। নাৰাবোৰ আছিল পাতল ক'লা আৰু বগা ৰঙৰ। কেতিয়াবা লাহা (লা) আৰু বগা, হয়তো নীলা আৰু বগা ৰঙত। কিন্তু আজিকালি বজাৰত সহজলব্ধ বিদেশৰ পৰা বাহিৰত আমদানিকৃত হৰেকৰকমৰ সূতাৰ সহায়ত নাৰাবান্ধ আৰু ফাঁচকাইৰ অনুবয়ন কলাৰ জয়জয়কাৰ ৰূপ লক্ষণীয় হৈ পৰিছে। বৰ্ণৰ চমৎকাৰী সংযোজন ঘটাৰ লগতে এই দুয়োখণ্ড কাপোৰৰ দৃষ্টিগ্ৰাহী পিন্ধন-বৈশিষ্ট্যই তিৱা খৰলাহঁতৰ অংগ-প্ৰত্যংগৰ আটিল, সুকোমল ছন্দোময় গঠন আৰু দেহমূলৰ অনায়াস প্ৰাকৃতিক স্বাচ্ছন্দ্য প্ৰকট কৰি তোলে। সেয়ে স্বগোষ্ঠীয় সাজ-পাৰ পিন্ধি কেইগৰাকীমান তিৱা খৰলা (গাভৰু) একেলগে মগ্ন হৈ থাকিলে এনেহে লাগে যেন সেয়া ৰাজস্থানী অথবা ৰাজপুত অনুচিত্ৰৰ দৰে এখন চলন্ত ফুলনিহে।

বিশেষ টোকা ঃ

প্ৰব্ৰজনকালীন যুগৰে পৰা সৌ সিদিনালৈকে তিৱা পুৰুষ-মহিলাসকলে নিজৰ স্বগোষ্ঠীয় সাজ-পোছাক অতি কষ্টসাধ্য প্ৰক্ৰিয়াৰে এৰী আৰু কপাহী সূতা বৈ-কাটি পিন্ধিছিল। কিন্তু দুষ্কৰ সময়সন্ধিত এৰী আৰু কপাহী সূতাৰ উৎপাদন প্ৰক্ৰিয়াটোৰ প্ৰায় অনিবাৰ্য বিলুপ্তিয়ে ইয়াৰ ৰচনা-প্ৰক্ৰিয়াটোকে মহাৰ্ঘ্যত পৰিণত কৰিলে। ফলত কষ্ট আৰু কেঁচামালৰ নাটনিৰ হেতু এৰী কপাহী সূতাৰ পৰিৱৰ্তে বজাৰত বিবিধ ৰঙী বিবিধ সূতাৰে আজিকালি টাগ্‌লা, কাছ্যং আদি বৈ-কাটি পিন্ধিব লগা হৈছে। অকল সেয়াই নহয়, টাগ্‌লা, কাছ্যং, ফাঁচকাই, নাৰা আদি বোঁৱা কপাহী, এৰী সূতাত বোলাবলৈ ৰং পৰ্যন্ত প্ৰাকৃতিক প্ৰথাৰে তৈয়াৰ কৰি লৈছিল। তেনে ৰং কেনেকৈ তৈয়াৰ কৰা হৈছিল—তাৰ প্ৰক্ৰিয়া চমুতে আছিল এনে—

নীলি আজৰ (নীলা ৰং) ঃ

নীলি ফাং অৰ্থাৎ নীল গছৰ পাত পচাই তাৰ সৈতে পনীয়া কলাখাৰ মিহলাই তৈয়াৰ কৰা হৈছিল এই নীলা ৰং।

লাহা আৰ থিনুদলি আজৰ (লা আৰু তেতেলীৰ ৰং) ঃ লা আৰু তেতেলী পাতৰ সৈতে লেটেকু গছৰ পাত মিহলাই গৰম পানীত সিজাই লা বৰণীয়া আৰু গভীৰ বেঙুনীয়া ৰং (magenta colour) তৈয়াৰ কৰি লৈছিল।

হাজো ফাং (হাজো গছ) ঃ

হাজো গছৰ বাকলি সিজাই কিছু ধূসৰ মুগা ৰং পোৱা হয়। এনেদৰে প্ৰাকৃতিকভাৱে তৈয়াৰী ৰঙত এৰী আৰু কপাহী সূতা ডুবাই থৈ সিজাই বৰ্ণসিক্ত কৰা হৈছিল। সময়ৰ বিৱৰ্তনে আজি এইবোৰ সহজাত ব্যৱস্থাত এক গভীৰ ধূসৰ প্ৰলেপ সানি দিছে। সেইবোৰ প্ৰকৃতিৰ বুকুৰ পৰা আহৰণ কৰা বয়নকলাৰ ৰং-প্ৰণালী সকলো থাকিও নথকাৰ দৰেই। সকলো জানি-বুজিও সেইবোৰ নজনাৰ দৰেই হৈ পৰিছে বৰ্তমানৰ তিৱা সমাজৰ নিপুণ শিপিনীৰ মনত।

আনহাতে তিৱাসকলৰ সাংস্কৃতিক তথা সামাজিক জীৱন স্বকীয় নৃত্য-গীত আৰু উৎসৱেৰে সমুজ্জ্বল। তিৱাসকলে বাৰটা মাহত তেৰটা পূজা-উৎসৱ পাতে। এই উৎসৱত ব্যৱহৃত হয় স্বকীয় সুৰ সমন্বয়ৰ নানাবিধ বাদ্যযন্ত্ৰ। এই বাদ্যযন্ত্ৰবোৰ তিৱাসকলে নিজেই তৈয়াৰ কৰি লয়। এই স্বকীয়তাপূৰ্ণ বাদ্যযন্ত্ৰৰ কেইবিধমান এনে—

খ্ৰামবাৰ বা ধুমাং খ্ৰাম ঃ

তিৱাসকলৰ প্ৰধান জাতীয় উৎসৱস্বৰূপ ছগ্ৰা উৎসৱৰ প্ৰধান আৰু অপৰিহাৰ্য বাদ্য-আহিলা হ'ল 'খ্ৰামবাৰ'। বৰষা কালৰ মেঘৰ গৰ্জনৰ দৰেই ইয়াৰ শব্দ। বিশালাকৃতিৰ খ্ৰামবাৰ বা ধুমাং খ্ৰামৰ অনুনাদ তিৱা সংস্কৃতিৰ অন্যতম 'ছগ্ৰা' আৰু 'বানছোৱা' উৎসৱৰ যেন প্ৰাণস্পন্দন। খ্ৰামবাৰৰ খোলটো গমাৰি কাঠৰ। কাচিৎহে পুৰঠ কঁঠাল গছৰ পৰা ইয়াক তৈয়াৰ কৰা হয়। প্ৰায় চাৰিফুট দৈৰ্ঘ্যৰ খ্ৰামবাৰৰ খোৰ সন্মুখৰ ফালে চাৰে তিনিফুট আৰু পিছৰফালে প্ৰায় তিনিফুট। পহুছালৰ বৰতি আৰু ছাগলী ছালৰ চাৰনিযুক্ত খ্ৰামবাৰ খালী হাতেৰে বজোৱা হয়।

খ্ৰাম পান্থাই ঃ

তিৱা সমাজৰ ই অতি ক্ষুদ্ৰদেহী ঢোল। দাঙি লৈ ফুৰিবলৈ সহজ। এই ঢোলৰ অবয়ৱ বা আকৃতি, দৈৰ্ঘ্য মাথোঁ এহাত আৰু খোৰ সন্মুখৰ দিশে বত্ৰিছ ইঞ্চি আৰু পিছৰ দিশে পঁচিছ ইঞ্চিমানহে। কিন্তু খ্ৰাম পান্থাইৰ শৰীৰৰ ক্ষুদ্ৰতাৰ তুলনাত তাৰ শব্দধ্বনি অতি স্পষ্ট আৰু তীক্ষ্ণ তৰ। ইয়াক কেৱল ডেকা সমাজৰ ডেকাসকলেহে বজায়। বিশেষকৈ জেঠমহীয়া তিৱা পান্থাইসকলে খেতিৰ বাবে মাটি কুৰিয়াবলৈ যাওঁতে থুৰাঙৰ সুৰে সুৰে পান্থাইইতক উৎসাহ যোগাবলৈ উদ্দাম সুৰ শব্দৰে বজোৱা হয়। গমাৰি কাঠেৰে তৈয়াৰী খ্ৰাম পান্থাইৰ ছাৰনি ছাগলী ছালেৰে আৰু বৰটি পহু ছালেৰে টনা হয়। কাৰ্বি আংলং জিলাৰ বৰমাৰজং অঞ্চলৰ ডেকা-গাভৰুসকলেহে সুকীয়া পৰম্পৰা মানি এই খ্ৰাম পান্থাই বজাই উভয়ে মাটি কুৰিয়াবলৈ যায় আৰু সুৰ সংমিশ্ৰণৰ সুকীয়া আনন্দ লভে। খ্ৰাম পান্থাই সোঁ-দিশে বাঁহৰ মাৰিৰে আৰু বাঁওদিশে হাতেৰে বজায়।

মুহুৰি বা ফেম্মা ঃ

পোন গছৰ ডাল চাঁচি, কাটি বেলেগ বেলেগ দুটা অংশ সংযুক্ত কৰি মুহুৰি তৈয়াৰ কৰা হয়। সন্মুখৰ পোন অংশটোৰ মাজেদি বাঁহৰ বাঁহীৰ দৰে পোনে পোনে ফুটা কৰি ইমূৰ সিমূৰ পাৰ কৰি দিয়া হয় আৰু বাঁহীৰ দৰে ওপৰ অংশত ছয়টা ফুটা কৰা হয়। ক্ৰাংদি নামৰ এবিধ কাঁহপোকৰ লেটাৰ পৰা নিৰ্মিত পেঁপা সংযোগ কৰি বজোৱা মুহুৰিৰ পৰা নিৰ্গত শব্দধ্বনি অতি সুতীক্ষ্ণ, কোমল, সংবেদী আৰু সুৰদি। মুহুৰি কেৱল মাগ্ৰাবাৰী বৈদৰ মাইনাৰীকাষ্ঠি উৎসৱত বজোৱাৰ বাদেও আহোণৰ ধান চপোৱাৰ সময়ত বজোৱা হয়।

টুমডিং ঃ

মাটিৰে নিৰ্মিত খোলৰ অনুৰূপ বাদ্য। হাজাৰ বছৰীয়া পুৰণি তিৱা সংস্কৃতিৰ অপৰিহাৰ্য আৰু অপৰিবৰ্তনীয় নিৰ্মাণসজ্জাৰ টুমডিঙৰ আহিলাত, সংমিশ্ৰিত অসমীয়া সংস্কৃতিক একত্ৰ কৰা গুৰুজন শ্ৰীমন্ত শংকৰদেৱে সৰ্বজনবিদিত খোল নিৰ্মাণ কৰিছিল বুলি নিশ্চিত ধাৰণা কৰিব পাৰি। টুমডিঙত অৱশ্যে খোলৰ দৰে ঘুণ লাগোৱা নহয়। টুমডিং সজোৱা মৃত্তিকাৰকক পৰম্পৰাগতভাৱে মাননি দিহে ইয়াক সজোৱা হয়। তাৎপৰ্যপূৰ্ণ কথা যে মেঘালয়ত বাস কৰা মাগ্ৰাবাৰী বৈদৰ তিৱা লোকসকলেহে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰা মাগ্ৰাবাৰী উৎসৱত এই টুমডিং বাদন কৰে।

খ্ৰাম লোডাং ঃ

পাহাৰৰ তিৱাসকলৰ ডেকাচাঙত সৰ্বদা তিনিবিধ বাদ্য মজুত থাকে। ডেকাসকলৰ মনৰ আনন্দোচ্ছল অৱস্থাত সেই বাদ্যৰোৰ বজাই নিজৰ অনুভূতি প্ৰকাশ কৰে। সেই বাদ্যকেইবিধৰ ভিতৰৰে

এবিধ খ্রাম লোডাং। দীঘলে তিনিহাত এই বাদ্যটি অসমীয়া পাতিঢোলৰ দৰে—এটা দিশ সৰু আৰু আনটো দিশ ডাঙৰ। গমাৰি কাঠেৰে তৈয়াৰী এই বাদ্যবিধৰ শব্দবাহী ছাৱনি ছাগলীৰ চামৰা বা ছালেৰে চোৱা হয় আৰু বৰটি পশুছালেৰে টনা হয়। মাগ্ৰাৱালী খেল বা ফৈদৰ প্ৰধান চাংদলৈৰ পাঁচ বছৰীয়া বিষয়বাবৰ ওৰ পৰাৰ দিনা খেলৰ তিৱাসকলে বিশেষ উৎসৱ পাতি অতি সুৰুচি আৰু সংহত সুৰত খ্রাম লোডাং বাদন কৰে। ছগ্ৰা আৰু ৱানছাৱা উৎসৱতো খ্ৰাম পাম্ছাইৰ লগত লোডাং যুৰীয়াভাৱে একক ছেৱত বজোৱাটো নিয়ম।

পাংচি ঃ

পাংচিৰ লিংগভিত্তিক দুই প্ৰকাৰৰ। এবিধ মাৰ্গী বা মাইকী পাংচি। সাতোটা ফুটা থকা আৰু আয়তনত কিছু খৰ্বকায়। মাইকী পাংচিৰ এটা মূৰে গাঁঠি থাকে, আনটো মূৰ গাঁঠিযুক্ত। তিৱা গাভৰুহঁতে উছাহত উৰুলিকৃত অৱস্থাৰে আদি ৰসত আপ্লুত হৈ যিবোৰ গীত গায় সেইবোৰকে মাইকী পাংচিত সুৰ তুলি ডেকাচাঙত নিৰলে বজাই ৰসত বুৰ যায়। পুৰুষ পাংচিৰ আঠোটা ফুটাযুক্ত আৰু দুয়োমূৰে গাঁঠিলগ্ন। আয়তনিক দীৰ্ঘতা মাইকী পাংচিতকৈ বেছি। ডেকাচাঙৰ যুৱকসকলৰ নৈসৰ্গিক নিৰ্জনতাৰ ই চিৰসুৰময় সহচৰ। আনকি যুৱকহঁতে কৰ্মৰত অৱস্থাটো পাংচি বাদন কৰি দেহমন জুৰায়। বিশিষ্ট বিজুলী বাঁহৰ পৰা তৈয়াৰী পাংচি, ৱানছাৱা, ছগ্ৰামিছাৱা আৰু য়াংলি পূজাত অপৰিহাৰ্য বাদ্য।

জেনথৰ ঃ

নৃতৰত অৱস্থাত প্ৰতীকী ভাব-ভঙ্গী বিশেষৰূপে প্ৰকট কৰিব পৰা সুৰ সংযোজনাৰ্থে যঁতৰাকৃতি বাদ্য জেনথৰ ব্যৱহাৰ কৰে তিৱা যুৱকসকলে। ৱানছাৱা বা পিঠাগুড়ি খুন্দা নৃত্যত অংশগ্ৰহণকাৰী যুৱকসকলে দূৰৰ পৰা নৃত্য উপভোগ কৰি থকা নিজৰ মনে খোৱা কোনো যুৱতীক উদ্দেশ্যি ধেমেলীয়া ইঙ্গিত কৰি জেনথৰ বজায়। বিশেষকৈ আমখাৱালী আৰু মাগ্ৰাৱালী ফৈদৰ ডেকাসকলে ছগ্ৰা উৎসৱত আদি ৰসাত্মক ভঙ্গীৰে জেনথৰ বাদন কৰে।

এই জেনথৰ তিৱাসকলে বাঁহ, কাঠ আৰু বেতেৰে নিৰ্মাণ কৰি লয়। এবিধ আঠাজাতীয় গছৰ পৰাও জেনথৰ নিৰ্মাণ কৰা হয়। সেই গছবিধৰ নামেই জেনথৰ গছ।

চাৰাংকাট ঃ

অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ প্ৰতিটো জনগোষ্ঠীৰে বাদ্যসম্ভাৰৰ মাজত ভিন্ন নামেৰে চাৰাংকাট অন্তৰ্ভুক্ত হৈ আছে। তিৱাসকলৰ মাজত ই চাৰাংকাট নামেৰেই পৰিচিত। চাৰাংকাট এনে এবিধ বাদ্য, যাক তিৱাসকলৰ সকলো বয়সৰ লিবুঙে (মানুহে) যিকোনো ঠাই বা পৰিৱেশতে এবাৰ চুই চাবলৈ, এবাৰ বজাই চাবলৈ তীব্ৰ ইচ্ছা প্ৰকাশ কৰে। কাৰণ মুক্ত গোপনীয়তাৰে সকলোৱে অৱগত যে চাৰাংকাট মাইকী মানুহৰ জননেন্দ্ৰিয়ৰ প্ৰতীক (তিৱা লোককথা বা বিশ্বাসত)। সেয়ে চাৰাংকাট বাদনত দুৰূহতা বা অক্ষমতা থকা তিৱা যুৱকসকলেও তাক এবাৰ চুই চাই বজাবলৈ আপ্ৰাণ চেষ্টা কৰাৰ ছলেৰে তাৰ অকথ্য স্পৰ্শসুখ লভিবলৈ সততে চেষ্টা কৰে।

চাৰাংকাট গমাৰি বা চতিয়না গছেৰে নিৰ্মাণ কৰা হয়। ইয়াৰ দুয়োফালে দুটা মুক্ত গভীৰ পেটৰ দৰে অংশ থাকে। পেটৰ ওচৰত থকা তৃতীয় খোলা অংশটো গুঁই নাইবা পছুৰ ছালেৰে চোৱা হয়। মাজৰ গুণকেইডাল এৰী সূতাৰ আৰু চাৰাংকাটৰ সুৰটো অধিক মিঠা আৰু স্পষ্ট হ'বৰ কাৰণে সূতাবোৰ চলৰি গছৰ আঠাৰে লেপ দিয়া হয়।

তিৱাসকলৰ বাদ্য-সংস্কৃতিত একমাত্ৰ চাৰাংকাটেই এনে এবিধ বাদ্য, যাক কদাপি ডেকাচাঙত বজোৱাটো সুদূৰ পৰাহত— ডেকাচাঙত ৰখাতো দূৰৰ কথা, উঠোৱাটোৱেই নিষিদ্ধ।

তিৱাসকলৰ ঐশ্বৰ্যশালী সংস্কৃতিৰ নানা উৎসৱত ব্যৱহৃত এই বাদ্যযন্ত্ৰৰাশিৰ প্ৰতিবিধৰেই সুৰ-ধ্বনি স্বকীয়তাপূৰ্ণ। সময় আৰু বতৰৰ উৎসৱভেদে এনেবোৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰত তিৱা সমাজৰ সাংস্কৃতিক জীৱনৰ লগতে গৌৰৱময় অতীত-জীৱনকথাও যেন সাঙোৰ খায় আছে এই বাদ্যযন্ত্ৰবোৰৰ সুৰৰ মায়াত।

সংস্কৃতি অবিহনে এটা জাতি অস্তিত্বহীন নিষ্প্ৰাণ জাতিৰ ৰূপত পৰিগণিত হয়। আমাৰ জনজাতিসকলৰ জীৱন বৈচিত্ৰ্যময়, সুৰ-সংগীত, নৃত্য-গীতেৰে পূৰ্ণ; মুঠতে এক সংস্কৃত মন-প্ৰাণেৰে সংস্কৃতিৰ অপূৰ্ব বৈভৱেৰে সমুজ্জ্বল প্ৰতিটো জনজাতিৰ সমাজ-জীৱন। তাৰ মাজতে এই তিৱাসকলো অন্যতম।

অষ্টম অধ্যায়

সামাজিক রীতিনীতিঃ ধর্মীয় বিধান

বৰ' সমাজৰ সামাজিক বিধি-বিধান

ড° ভূপেন নাৰ্জাৰী

উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত বৰ'সকল এক লেখত লবলগীয়া জনগোষ্ঠী। এই জনগোষ্ঠীৰ লোকসকলে খৃষ্টপূৰ্ব ২০০০ বছৰৰ আগৰেপৰা এই অঞ্চলটোত আহি সমাজ পাতি বসবাস কৰিছিল বুলি সুনীতি কুমাৰ চেটাৰ্জীয়ে মন্তব্য আগবঢ়াইছে। আকৌ ৰায়বাহাদুৰ কনকলাল বৰুৱাই খৃষ্টপূৰ্ব ১০০০ বছৰৰ আগেয়ে বৰ'সকলে মাটি খোকা কৰি কঠীয়া পাৰি খেতি কৰিব জানিছিল বুলি মন্তব্য আগবঢ়াইছে।

এনেবোৰ মন্তব্যৰ পৰা জানিব পাৰি যে বৰ'সকলে আদিম যুগৰ পৰাই অৰ্থাৎ উত্তৰ পূৰ্বাঞ্চলত প্ৰব্ৰজন ঘটাৰ পৰাই সমাজ পাতি সংসাৰ চলাইছিল। সমাজ পাতি সংসাৰ-যাপন কৰিছিল যেতিয়া সেই সমাজখন পৰিচালনা কৰিবৰ বাবে সামাজিক বিধি-বিধানসমূহ তেতিয়াৰে পৰা প্ৰচলিত হৈ আহিছিল বুলি ভাবিবৰ থল আছে। সেইবোৰ গিয়ে নহওক, সাম্প্ৰতিক কালত চলি থকা বৰ'সমাজৰ সামাজিক বিধি-বিধানসমূহৰ বিষয়ে কিছু আলোচনা আগবঢ়োৱা হ'ল।

বৰ' সমাজ-ব্যৱস্থাত পৰম্পৰাগতভাৱে কিছুমান নীতি প্ৰচলিত হৈ আহিছে আৰু সেই নীতিবোৰ উলংঘা কৰিলে সেই উলংঘনৰ কাৰ্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত সামাজিক শাসন-ব্যৱস্থা আছে। এই বিধি-ব্যৱস্থাবোৰেই হ'ল সামাজিক আইন। এইবোৰ সম্পূৰ্ণ পৰম্পৰাগত। সংবিধানৰ স্বীকৃত আইনৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই যদিও সাংবিধানিক আইনৰ প্ৰচলকসকলেও এই সামাজিক আইনবোৰক যথেষ্ট সন্মান কৰে। এই সামাজিক আইনৰ প্ৰতি সমাজৰ প্ৰতিজন ব্যক্তি দায়বদ্ধ। অৰ্থাৎ প্ৰতিজন ব্যক্তিয়েই এই আইনবোৰ মানি চলে। উনবিংশ শতিকাৰ চতুৰ্থ দশকমানৰ পৰা কিছুমান বৰ' অধ্যুষিত অঞ্চলত সন্মিলন পাতি সন্মিলনৰ অনুমোদন সাপেক্ষে ছপা কৰি উলিওৱা আৰু কিছুমান অঞ্চলত হাতেৰে লিখি উলিওৱা পাণ্ডুলিপি পোৱা গৈছে। মেদিনী চৌধুৰীয়ে উল্লেখ কৰা মতে—

'These local laws are known as "Pandulipis" as they are in manuscripts and hardly printed.'

ভবেন নাৰ্জীয়ে সন্মিলনৰ ৰচিত এনে আইনৰ দ্বাৰা পৰিচালিত বৰ'সকলক কাছাৰ জিলাৰ ডিমাছাসকলক সাঙুৰি সাতোটা অঞ্চলত ভাগ কৰিছে। তেখেতে সাতোটা ভাগত ভগাইছে যদিও বৰ্তমান দক্ষিণ গোৱালপাৰা মহকুমাৰ বিশেষকৈ দুধনৈ অঞ্চলৰ 'বাৰ'দল'ৰ 'বৰ'নি আয়েন'ৰ বাদে আন পাণ্ডুলিপিবোৰ ছপা অৱস্থাত পোৱা নাযায়। দক্ষিণ গোৱালপাৰা মহকুমাৰ 'বাৰ'দল' অনুষ্ঠানটো পাছলৈ 'গোৱালপাৰা জিলা বৰ' বাৰদল' নামেৰে নামকৰণ কৰা হয় আৰু এই অনুষ্ঠানে পঞ্চমবাৰলৈ সংশোধন কৰি 'বৰ'নি আয়েন' কিতাপখন 'বড়নি আসাৰ বিখাণ্থি' নাম দি ১৯৯০ চনত পুনৰ্মুদ্ৰণ কৰে।

ভিন ভিন অঞ্চলৰ আইন-ব্যৱস্থাৰ কিছু পৰিমাণে পাৰ্থক্য দেখিবলৈ পোৱা যায় যদিও অবৈধ কাৰ্যকলাপৰ বিচাৰৰ আইন একে। এই বিচাৰৰ বিধি-উৎপত্তি সম্পৰ্কে বৰ'সকলৰ মাজত কিম্বদন্তী পোৱা যায়। ভবেন নাৰ্জীয়ে এনে কিম্বদন্তী 'বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি' কিতাপত সন্নিৱিষ্ট কৰিছে। তেখেতে বৰ্ণোৱা কিম্বদন্তীৰ সৈতে মিল থকা এটি কাহিনী ক্ষেত্ৰ অধ্যয়নৰ সময়ত 'সূচক'ৰ পৰা পোৱা হৈছিল।' সেইটো হ'ল—

'অতি পুৰণি কালত "সান্দী বাৰদিয়া" নামৰ এজন ডেকা আছিল। আচলতে তেওঁৰ নাম 'সান্দী'হে আছিল। কিন্তু তেওঁৰ নিমিষতে পাহৰি যোৱা চৰিত্ৰৰ বাবে পাছলৈ তেওঁৰ নামৰ লগত 'বাৰদিয়া' বা 'বাৰসিয়া' শব্দটো সংযোজন কৰা হয়। এদিন সান্দী বাৰদিয়াই গাঁৱৰ মানুহবোৰৰ লগত চিকাৰলৈ গ'ল। গাঁৱৰ মানুহবোৰে 'সান্দী'ৰ চৰিত্ৰৰ বিষয়ে জানি তেওঁক হাবিৰ মাজৰ অস্থায়ী শিবিৰতে থাকিবলৈ দি ৰন্ধা-বঢ়া কৰা বাচন-বৰ্তনবোৰ ওচৰতে থকা নৈৰ পানীৰে ধুই থ'বলৈ কৈ বাকীবোৰ চিকাৰলৈ গ'ল। যোৱাৰ আগে আগে গাঁৱৰ মানুহবোৰে 'সান্দী'ক ছুৱা বাচন-বৰ্তনবোৰ নৈৰ পানীত জুবুৰিয়াই ধুবলৈ দঢ়াই দঢ়াই বাধা দিছিল। নৈৰ পানী পাৰলৈ আনিহে ধুবলৈ কৈছিল। কিন্তু নিমিষতে পাহৰি পেলোৱা চৰিত্ৰৰ 'সান্দী'য়ে গাঁৱৰ মানুহে বাধা দি যোৱা কথাটো পাহৰি ছুৱা বাচন-বৰ্তনবোৰ নৈত জুবুৰিয়াই ধুবলৈ ধৰিলে। ছুৱা বাচন-বৰ্তনবোৰ নৈত জুবুৰিয়াই দিয়াৰ লগে লগে নৈৰ পানী শুকাই গ'ল। উপায়বিহীন হৈ 'সান্দী'য়ে তেওঁৰ 'সেৰজা'খন আনি 'খানি মৈনি, ৰাঙি ৰদদা' সুৰবোৰ বজাবলৈ ধৰিলে। 'সান্দী'ৰ 'সেৰজা'ৰ সুৰৰ মূৰ্চ্ছনাত সন্তুষ্ট হৈ 'দৈখুংগ্ৰি'য়ে 'আসাগি-বৈসাগি' নামৰ ছোৱালী দুজনীক নৈৰ পানীক আদৰি আনিবলৈ পঠিয়াই দিয়ে। 'আসাগি-বৈসাগি'য়ে নাচি নাচি শুকাই যোৱা নৈৰ পানী আদৰি অনা দেখি 'সান্দী'য়ে মনৰ আনন্দত 'সেৰজা'ত 'নাসিনা' সুৰ বজাই 'আসাগি-বৈসাগি'ৰ লগত একেলগে নাচিবলৈ ধৰিলে।

এনেদৰে 'সান্দী'য়ে মনৰ আনন্দত 'আসাগি-বৈসাগি'ৰ লগত নাচি থাকোতে কেনেবাকৈ 'সান্দী'ৰ হাত 'আসাগি-বৈসাগি'ৰ গাত লাগিল। লগে-লগেই 'আসাগি-বৈসাগি' সেই ঠাইৰ পৰা আঁতৰি গ'ল। পাছত গাঁৱৰ মানুহবোৰে শিবিৰলৈ ঘূৰি অহাত "সান্দী"য়ে সকলো কথা বিৱৰি ক'লে। গএগ্ৰা ৰাইজে "সান্দী" "বাদুৱা" অথবা "বাদুংগা" হ'ল বুলি তেওঁক হাবিৰ মাজত অকলে এৰি ঘৰলৈ আহিল আৰু যেতিয়ালৈকে বিচাৰ নহয় আৰু বিধি অনুযায়ী প্ৰায়শ্চিত্ত নহয়, তেতিয়ালৈকে গাঁৱলৈ আহিবলৈ বাধা দি আহিল।

"সান্দী"য়ে সেৰজা বজায়েই হাবিৰ মাজত কেইবাদিনো অতিবাহিত কৰিলে। এদিন হঠাতে গাঁৱৰ কেইজনমানে বিচাৰ পতাৰ কথা জনাই "সান্দী"ক বিচাৰলৈ লৈ আহিল। কিন্তু গাঁৱৰ বাইজে সাতদিন সাতৰাতি বিচাৰ কৰিও সান্দীক কি বিধিমতে দণ্ড কৰিব আৰু প্ৰায়শ্চিত্ত বিহিব তাক ঠিক কৰিব নোৱাৰিলে।

অৱশেষত উপায়বিহীন হৈ আদিমানৱ "মৌনসিং-সিং" বুঢ়াক স্বৰ্গৰ পৰা মাতি আনিলে। "মৌনসিং-সিং" বুঢ়াই স্বৰ্গৰ পৰা আহি "গাম্বাৰি খামফ্লায়"ত বহি বিচাৰ কৰিবলৈ ধৰিলে। "গাম্বাৰি খামফ্লায়" ফাটি গ'ল। "মৌনসিং-সিঙে" "সান্দী"ক "বাদুৰা" অথবা "বাদুংগা" হোৱা নাই বুলি মত দিলে। তথাপি "সমাজত শান্তি-শৃংখলা অটুট ৰাখিবৰ বাবে প্ৰায়শ্চিত্তৰ বিধি আৰু দণ্ড-বিধান সৃষ্টি কৰি গ'ল।"

'মৌনসিং সিং' বুঢ়াই সৃষ্টি কৰি যোৱা প্ৰায়শ্চিত্তৰ বিধি আৰু দণ্ড-বিধানবোৰ হ'ল—

(ক) অগৰবাদ (খ) ফংস্লুদবাদ (গ) দাৰখিবাদ (ঘ) খাৱালিবাদ (ঙ) খৌলীবীৰবাদ

বৰ'সকলে অবৈধ কাৰ্যক 'বাদ' বুলি কয়, কেনেধৰণৰ অবৈধ কাৰ্য কোন বাদত পৰিব তাৰ দণ্ড আৰু প্ৰায়শ্চিত্ত কেনেদৰে কৰিব লাগিব তলত উল্লেখ কৰা হ'ল

অগৰবাদ ঃ

১) পুৰুষ-মহিলাই যৌন সম্পৰ্কীয় অবৈধ কাৰ্যত লিপ্ত হ'লে,

২) পুৰুষ বা মহিলা পশুৰ লগত যৌনকাৰ্যত লিপ্ত হ'লে,

৩) নিজ পিতৃ-মাতৃ বা ককাদেউতাক আইতাকক মাৰিলে বা মাৰি মৃত্যু ঘটালে,

৪) নৰ কাটি মৃত্যু ঘটালে "অগৰবাদ"ত পৰে

ফংস্লুদবাদ ঃ

১) গৰু কাটি অংগ হানি কৰিলে অথবা গাৰ পৰা তেজ উলিয়ালে,

২) গোহালিত গৰু বান্ধি কোনোবা সময়ত নাইকিয়া গলত পঘা থকা অবস্থাত গৰুৰ মৃত্যু হ'লে,

৩) খাদ্য তালিকাত নপৰা (যেনে -শিয়াল, কুকুৰ, বাঘ, মেকুৰী, গৰুৰ মাংস আদি) অখাদ্য খালে।

দাৰখিবাদ ঃ

১) মাংসাহাৰী জীৱ-জন্তুৱে আধা খোৱা মৰাশৰ অৱশিষ্ট মাংস আনি খালে,

২) মৃত জন্তুৰ চামৰাৰ বিনিময়ত টকা পালে,

৩) অহিন ধৰ্মাবলম্বীৰ ঘৰত খোৱা-লোৱা কৰিলে; বিশেষকৈ যিসকলৰ ধৰ্মত গো-মাংস খোৱাটো ধৰ্মবিৰুদ্ধ নহয়, তেনে ধৰ্মাবলম্বী লোকৰ ঘৰত খোৱা-লোৱা কৰিলে।

খাৱালিবাদ ঃ

১) কোনো লোকে মৃতকৰ লগত শ্মশানলৈ দি পঠোৱা বস্ত্ৰ-বস্তু অথবা টকা-পইচা বা সেই বস্তু আনি ব্যৱহাৰ কৰিলে বা বিক্ৰী কৰিলে,

২) গৰুৰ ব্যৱসায় কৰিলে।

খৌলীবীৰবাদ ঃ

১) কোনো লোকে অহিন মানুহৰ প্ৰতি নেয়া আৰু মিছা কথা কৈ বিপদত পেলালে।

দণ্ডবিধি আৰু প্ৰায়শ্চিত্ত ঃ

বৰ' সমাজৰ দণ্ডবিধি আৰু প্ৰায়শ্চিত্তৰ বিধান ওতপ্ৰোতভাৱে জড়িত। এটা অনুষ্ঠানতে অগা-পিছাকৈ দণ্ড আৰু প্ৰায়শ্চিত্ত কৰা হয়। প্ৰায়শ্চিত্ত কৰাক বৰ' ভাষাত 'উদ্ৰায় নায়' বুলি কয়। সেয়ে কোনখিনি দণ্ড আৰু কোনখিনি প্ৰায়শ্চিত্ত সাধাৰণ লোকে বুজিবই নোৱাৰে। আমি এই বিষয়ত বিশেষ অধ্যয়ন কৰোঁতে এজন কবিৰাজৰ পৰা পোৱা তথ্যখিনিৰ ওপৰত ভিত্তি কৰি তাৰ কিছু কথা তলত আলোচনা কৰা হ'ল।

অগৰবাদত দোষী ব্যক্তিসকল ন-ধনুৰে উদ্ধাৰ হ'ব লাগে। ইয়াক বৰ'সকলে 'বৌৰলা থিৰ গাৱগাৰ নায়' বুলি কয়। কিন্তু দণ্ডবিধি, অগৰবাদৰ প্ৰতিটো অবৈধ কাৰ্যৰে কিছু সুকীয়া সুকীয়া। অগৰবাদৰ অবৈধ যৌনকাৰ্যত লিপ্ত থকাৰ প্ৰায়শ্চিত্তৰ কথা আলোচনা কৰিলেই স্পষ্ট হ'ব। অবৈধ যৌনকাৰ্যক দুটা ভাগত ভগোৱা হয়—(ক) পিতৃবংশীয় আৰু (খ) মাতৃবংশীয়। পিতৃবংশীয়ৰ লগত হোৱা অবৈধ যৌন কাৰ্যক অতি গৰ্হিত বুলি গণ্য কৰা হয় আৰু ইয়াৰ দণ্ডবিধি অতি গুৰুতৰ। সেই নিয়মটো হ'ল—

কোনো এখন নদী বা বিলৰ পাৰত এটা সাধাৰণ ধৰণৰ পঁজা ঘৰ সাজি চাৰিওফালে বেৰ দি, নৈ বা বিলৰ ফালে মুখ কৰি সৰুকৈ দুৱাৰ এখন ৰাখি দোষী ব্যক্তি দুজনক ঘৰৰ ভিতৰত সোমাবলৈ দি বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি পঁজা ঘৰটো জুই জ্বলাই দিয়ে। এইদৰে জুই জ্বলাই দিয়াৰ লগে লগে পঁজা ঘৰৰ ভিতৰৰ ব্যক্তি দুগৰাকীয়ে বেৰ ভাঙি নৈ বা বিলত জাপ দিব লাগে। তাৰ পাছত নৈ বা বিলৰ পাৰৰ পৰা নিজ নিজ ঘৰৰ মানুহে অথবা সংগীয়ে শুকান কাপোৰ দলিয়াই দিয়ে আৰু সেই কাপোৰ নৈ বা বিলৰ পানীৰ মাজতে সলাই পিন্ধি থকা কাপোৰ নৈ বা বিলতে এৰি থৈ পাৰলৈ আহিব লাগে। এইখিনি কাৰ্য প্ৰায়শ্চিত্তৰ লগত সংগতি ৰাখি কৰা হয় যদিও ই আচলতে এক শাস্তি-বিধানহে।

ইফালে দোষী ব্যক্তি দুগৰাকীৰ অভিভাৱকসকলে, বিশেষকৈ ল'ৰাৰ অভিভাৱকে গাঁৱৰ মুখিয়াল আৰু কবিৰাজৰ উপস্থিতিত পঁজা ঘৰৰ কাষতে নাইবা গাঁৱৰ মাজপথত উত্তৰা-দক্ষিণাকৈ দীঘলে বাৰ হাতমান আৰু বহলে দুহাতমান ঠাই পৰিষ্কাৰ কৰি মচি লয়। তাৰ পাছত কলপাতেৰে কাটি উলিওৱা 'ফাথালি'ত সেন্দূৰৰ ফোট দি পাৰি লৈ সেইবোৰত চাউল আৰু তুলসীৰে প্ৰস্তুত কৰা প্ৰসাদ দিব লাগে। মূল আসন 'বাথৌ বৌৰায়'ৰ আসনৰ 'ফাথালি' অন্য দেৱতাৰ 'ফাথালি'তকৈ কিছু ডাঙৰ হয়। 'ফাথালি'বোৰত প্ৰসাদ বিতৰণৰ পাছত মুল আসনত তামোল-পাণ এযোৰ আৰু চাকি এটা জ্বলোৱা হয়।

তাৰ পাছত দোষী ব্যক্তি দুগৰাকীক প্ৰায়শ্চিত্তথলীত ভিজা কাপোৰেৰেই বহুৱাই কবিৰাজে মন্ত্ৰ গাবলৈ ধৰে। পূজাত কুকুৰাৰ পোৱালি নাইবা পাৰ এযোৰ আগবঢ়োৱা হয়। এনে পূজাত দোষী ব্যক্তিৰ অভিভাৱকে কুকুৰাৰ পোৱালি নাইবা পাৰ বলি দিয়ে। দোষী ব্যক্তিসকলে নিজে বলি দিব নালাগে। এনেদৰে কবিৰাজে মন্ত্ৰ গাই কুকুৰাৰ পোৱালি বা পাৰ বলি দিয়াৰ পাছতে বলি দিয়া কুকুৰা বা পাৰৰ গাৰ পৰা ন টুকুৰা মাংস উলিয়াই অনা হয়। বলি দিয়া কুকুৰাৰ পোৱালি বা পাৰৰ পৰা ন টুকুৰা মাংস উলিয়াই অনাত কিছু সময় লাগে বাবে সেইখিনি সময়ত নাৰ্জ্জাৰী উপাধিধাৰী ব্যক্তি এজনে চাৰি/পাঁচ ইঞ্চিমান দীঘল বাঢ়নীৰ টুকুৰা তিনিডাল একেলগ কৰি লৈ সেই বাঢ়নীৰে

গাহৰিৰ বিষ্ঠা, কুকুৰৰ বিষ্ঠা আৰু গোবৰত খুঁচি পানী থকা পাত্ৰত মিহলাই দোষী ব্যক্তিজনক খাবলৈ দিয়ে। এই বিষ্ঠা খুওৱা প্ৰথাটোও শাস্তি দিয়াহে।

এইখিনি কৰাৰ পাছত নাৰ্জাৰী উপাধিধাৰী ব্যক্তিজনে প্ৰতিডাল শৰত (কাঁড়) এটুকুৰা মাংস শৰবিদ্ধ কৰি আকাশলৈ সেই শৰ নিক্ষেপ কৰে। এনেদৰে ন বাৰলৈ শৰ নিক্ষেপ কৰা হয়। তাৰপাছত নাৰ্জাৰী উপাধিধাৰী ব্যক্তিগৰাকীয়ে শান্তিপানী ছটিয়াই দি প্ৰায়শ্চিত্তৰ কাম সমাধা কৰে। এই শান্তিপানী গাঁৱৰ প্ৰত্যেক ঘৰতে ছটিয়াই দোষী ব্যক্তিয়ে প্ৰায়শ্চিত্ত হোৱাৰ বাতৰি জনাই দিয়াৰ লগতে গাঁওখন শুচি কৰে। এই কাৰ্যৰ পাছত দুয়োগৰাকী দোষমুক্ত হোৱা বুলি ধৰি সমাজৰ আন সাধাৰণ ব্যক্তিৰ মৰ্যাদা তেওঁলোকক দিয়া হয়।

কিছুমান ঠাইত বৰ্তমানেও প্ৰায়শ্চিত্তৰ সময়ত গাহৰি কাটি গাওঁৰ বাইজক ভোজ খুওৱা প্ৰথা চলি আছে। যদিহে গাহৰি কাটি ভোজ খুওৱা হয় তেনেহ'লে বলিৰ ন টুকুৰা মাংসৰ সলনি গাহৰিৰ মাংসকেই শৰবিদ্ধ কৰি নিক্ষেপ কৰা হয়। অগৰবাদৰ পিতৃবংশীয় যৌনকাৰ্যৰ প্ৰায়শ্চিত্ত-বিধিতহে কেৱল নৈ বা বিলৰ পাৰত পঁজাঘৰ সজা হয়। বাকী অবৈধ কাৰ্যৰ বাবে গাঁৱৰ ভিতৰত প্ৰায়শ্চিত্ত কৰা হয়। শাস্তি হিচাপে কেৱল গাহৰি, কুকুৰৰ বিষ্ঠাৰ লগতে গোবৰ পানীত মিহলাই দোষীক খুওৱা হয়।

অইন বাদত পৰা অবৈধ কাৰ্যৰ প্ৰায়শ্চিত্ত আৰু শাস্তি বিধান প্ৰায় একেই। কেৱল 'বীৰজা থিৰ গাৰগাৰনায়'টোহে কম। ফংস্লুদবাদত সাতবাৰ, দাৰ্ঘিনাদত পাঁচবাৰ, খাৰ্গাসিবাদত তিনিবাৰ শৰ নিক্ষেপ কৰিব লাগে। যৌনীবিবাদত কোনো শৰ নিক্ষেপ কৰিব নালাগে।

ফংস্লুন্দাদৰ 'গোহালিত গৰু বান্ধি থোৱা সময়ত গৰুৰ ডিঙিত পঘা থকা অৱস্থাত গৰুৰ মৃত্যু হোৱা' দোষৰ শাস্তি-বিধান কিছু সুকীয়া। এই দোষৰ বাবে দোষী ব্যক্তিজনে গৰু মৰাৰ দিনৰ পৰাই নিজে গলত গৰু বন্ধা পঘা মেৰিয়াই লৈ সাতদিনলৈ ভিক্ষা কৰি ফুৰিব লাগে। এই সময়ছোৱাত দিনৰ ভাগত দোষী ব্যক্তিজনে কাৰো স'তে কথা পাতিব নোৱাৰে। সাতদিনৰ পাছত প্ৰায়শ্চিত্ত কৰি বাইজক ভোজ খুৱাব লাগে। এই শাস্তি বিধানৰ বাহিৰে বাকীখিনি পূৰ্বে উল্লেখ কৰাৰ দৰে একে।

বাদত নপৰা অবৈধ কাৰ্যৰ শাস্তি-বিধান : সমাজত জ্ঞাতে আৰু অজ্ঞাতে নানা অবৈধ কাৰ্য সংঘটিত হৈ থাকে। সেইবোৰ অবৈধ কাৰ্য ৰোধ কৰিবলৈ অথবা সেইবোৰ অবৈধ কাৰ্যৰ পৰা শুচি হ'বৰ বাবে সমাজে গ্ৰহণ কৰা নিয়ম আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল।

ক) আবসাইনায় (শুদ্ধিকৰণ) : আবসাইনায় মানে হ'ল শুদ্ধিকৰণ। এই প্ৰথামতে বাজৰঙা পথৰ দাঁতিত উত্তৰা-দক্ষিণাকৈ দীঘলে বাৰ হাতমান আৰু বহলে এহাতমান ঠাই চাফ-চিকুণ কৰি মচি লৈ কলপাতৰ 'ফাথালি'ত চাউল আৰু তুলসী পাতেৰে প্ৰস্তুত কৰা প্ৰসাদ দি দোষী ব্যক্তি বা শুচি হ'বলগীয়া ব্যক্তিজন নাইবা অভিভাৱকজনে আবসাফুলীত আঁঠু কাঢ়ে আৰু কবিৰাজে মন্ত্ৰ গায়। তাৰ পাছত কবিৰাজৰ নিৰ্দেশ অনুসৰি অভিভাৱকজনে পাৰ বা কুকুৰাৰ পোৱালি বলি দিয়ে। বাদত পৰা বা নপৰা যিকোনো দোষণীয় কাম কৰিলে আৰু নিজকে অশুচি যেন অনুভৱ কৰিলে আবসা দিয়ে। বিশেষকৈ কোনো লোক যদি প্ৰবাসত কেইদিন বিভিন্ন লোকৰ সংস্পৰ্শত থাকি ঘৰলৈ উভটি আহে, তেনেহ'লে সেইজন ব্যক্তিৰ অজানিত ভুলৰ বাবে আবসা দিয়ে। আবসা দিয়াৰ পাছতহে সেইজন ব্যক্তিক বৰঘৰ, বাজনি ঘৰ আৰু বাথৌশালীত সোমাবলৈ দিয়া হয়।

গাঁৱৰ দৌৰিসকলেও পূজা দিয়াৰ দহদিনমান আগত আবসা দি পূজাৰ কামত আগবাঢ়ে।

অৰ্থাৎ ‘জৌগীথাৰ’ ৰান্ধে। ‘আবসাইনায়’ৰ পাছৰ পৰা দৌৰিজনে পূজা শেষ নোহোৱালৈকে মৃতকৰ সৎকাৰ, শ্ৰাদ্ধ আদিত উপস্থিত থাকিব নোৱাৰে। তদুপৰি সমূহীয়া ভোজ তথা অন্য লোকৰ ঘৰতো খাব নোৱাৰে।

(খ) গিয়াস্থি এৰখনায় (গিয়াতি চ্যুত) ঃ কোনো লোকে যদি সমাজৰ আইন অমান্য কৰি সমাজৰ বিচাৰ বা দণ্ডবিধিক মানি নলয়, তেনেহ’লে সেইজন ব্যক্তিক গিয়াতি তথা সমাজৰ পৰা বহিষ্কাৰ কৰি এঘৰীয়া কৰি ৰখা হয়।

বৰ’সকলৰ ‘গিয়াস্থি এৰখনায়’ দুই ধৰণৰ — (ক) হ্ৰস্বম্যাদী আৰু (খ) দীৰ্ঘম্যাদী। হ্ৰস্বম্যাদী সমাজচ্যুত ব্যৱস্থাত কেইবছৰমানৰ বাবে দোষী ব্যক্তিক সমাজচ্যুত কৰা হয়। আনহাতে দীৰ্ঘম্যাদী সমাজচ্যুত ব্যৱস্থাত দোষী ব্যক্তিৰ দণ্ড মৃত্যু পৰ্যন্ত চলি থাকে।

এনেদৰে সমাজচ্যুত হ’লে সমাজচ্যুত ব্যক্তিৰ ঘৰলৈ গাঁৱৰ অইন ব্যক্তিয়ে অহা-যোৱা নকৰে, খাদ্য আদিও গ্ৰহণ নকৰে আৰু তেওঁলোককো নিমন্ত্ৰণ নিদিয়ে। বিয়া-বাৰুৰ কথা একেবাৰে অসম্ভৱ। সমাজৰ কোনোবাই যদি অহা-যোৱা অথবা আদান-প্ৰদান কৰে, তেনেহ’লে সেইজন ব্যক্তিও সমাজৰ আইন মতে দণ্ডনীয় হয়। অৱশ্যে এই দণ্ড টকা-পইচাৰেহে বিহা হয়।

সমাজচ্যুতৰ ম্যাদ উকলি যোৱাৰ পাছত সমাজত তুলি লোৱা প্ৰথাও আছে। ইয়াক ‘গিয়াস্থি হাবনায়’,অথবা ‘গিয়াস্থি থিসননায়’ বুলি কোৱা হয়। গএৗ ৰাইজক ভোজ খুৱাই নিজৰ ভুল স্বীকাৰ কৰি মান-সন্মান কৰিলেই হয়। কেতিয়াবা আকৌ সমাজচ্যুতৰ ম্যাদ উকলি যোৱাৰ আগতেই দোষী ব্যক্তিজনে নিজৰ ভুল স্বীকাৰ কৰি সমাজত তুলি ল’বৰ বাবে অনুৰোধ জনায়। তেতিয়া সমাজে তেনে লোকক দণ্ড বিহি সমাজত তুলি লয়।

(গ) হীখাৰনায় (গাঁও বহিষ্কৰণ) ঃ হীখাৰনায় প্ৰথাটো বৰ’সকলৰ কঠোৰ শাস্তি প্ৰদান ব্যৱস্থা। কোনো ব্যক্তিয়ে যদি কুমন্ত্ৰৰ বলত বলীয়ান হৈ অইন লোকৰ অমংগল ঘটায় তেনেহ’লে মণ্ডল আদি চাই ধৰা পেলোৱা হয় আৰু গাঁৱৰ ৰাইজক মাতি বিচাৰ কৰি দোষী সাব্যস্ত কৰি দণ্ড বিহা হয়।

এই দোষৰ দণ্ড দুই ধৰণৰ—

(ক) শাৰীৰিক নিৰ্যাতন আৰু (খ) মানসিক নিৰ্যাতন।

শাৰীৰিক নিৰ্যাতন ঃ এই ধৰণৰ দণ্ডবিধিত গএৗ ৰাইজে দোষী ব্যক্তিক মাৰধৰ কৰাৰ লগতে ‘ঔৱাজৌং সেবনায়’ বুলি শাস্তি প্ৰদানৰ ব্যৱস্থা আছে। এই শাস্তি-ব্যৱস্থাত ৫ হাতমান দীঘল দুটুকুৰা গোটা বাঁহ লৈ দুয়োমুৰে দুজন মানুহে দোষী ব্যক্তিক বাঁহ দুটুকুৰাৰে জোৰেৰে এফালৰ পৰা চেপি ধৰে। ‘ঔৱাজৌং সেবনায়’ শাস্তি প্ৰদানৰ দ্বাৰা দোষী ব্যক্তিৰ কেতিয়াবা মৃত্যুও হ’ব পাৰে।

মানসিক নিৰ্যাতন ঃ ৰাইজৰ সভাত দোষী বুলি বিবেচিত ব্যক্তিক শগুণৰ মল খুওৱা হয়। বৰ’সকলৰ লোকবিশ্বাস মতে শগুণৰ মল খুৱালে মন্ত্ৰৰ সুফল নোহোৱা হয়। সেয়ে কোনো ব্যক্তিক কুমন্ত্ৰৰ বাবে দোষী সাব্যস্ত কৰিলে শগুণৰ মল খুৱাই তেওঁৰ মন্ত্ৰৰ প্ৰভাৱ ভৱিষ্যতলৈকো নষ্ট কৰা হয়।

এই দুই ধৰণৰ শাস্তি প্ৰদানৰ পাছত গএৗ ৰাইজে দোষী ব্যক্তিক গাঁৱৰ পৰা খেদি দিয়ে। এবাৰ খেদি দিয়াৰ পাছত দোষী ব্যক্তিয়ে দুনাই সেইখন গাঁৱলৈ আৰু উভতি আহিব নোৱাৰে।

বৰ’সকলৰ সমাজ-ব্যৱস্থাত এনেবোৰ কঠোৰ শাস্তি প্ৰদানৰ ব্যৱস্থা পৰম্পৰাগতভাৱে চলি অহা কাৰণে সমাজ শৃংখলাবদ্ধভাৱে চলি আহিছে।

কাৰবি সমাজৰ সামাজিক ৰীতি-নীতি

লংকোম টেৰণ

অসমৰ বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ দৰে কাৰ্বিসকলৰো নিজস্ব ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ আছে। এই নীতি-নিয়ম আৰু আচাৰ-আচৰণৰ (Custom & Behaviour) অবিহনে কোনো এখন সমাজ জীয়াই থাকিব নোৱাৰে। ইতৰ প্ৰাণী আৰু জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ মাজৰ ব্যৱধানো এইখিনিতে। যিবোৰ সত্ কাৰ্য, কৰ্ম পদ্ধতি আৰু সৎ আচৰণে সমাজৰ স্বীকৃতি লাভ কৰিব পাৰে বা কৰে, সেইবোৰকে এখন সমাজৰ তথা সম্প্ৰদায়ৰ বাবে ৰীতি-নীতি আৰু সামাজিক বিধি-বিধান বুলি গণ্য কৰা হয়। কোনো ব্যক্তি নাইবা সমষ্টিয়ে মঙ্গলৰ বিপৰীতে কৰা গৰ্হিত কাম আৰু আচৰণবোৰক সেই সমাজৰ ৰীতি-নীতি বুলি কাহানিও কোৱা নহয়।

কাৰবি সমাজৰ ৰীতি-নীতিৰ বিষয়ে আলোচনা কৰাৰ যথেষ্ট থল আছে যদিও ইয়াত কেৱল কেইটামানৰ আভাসহে দিবলৈ যত্ন কৰা হৈছে। এই কাৰ্বি গোষ্ঠীৰ সামাজিক ৰীতি-নীতি বুলিলে আমি তেওঁলোকৰ দৈনন্দিন জীৱনত পালন কৰি অহা সকলোৰে লৌকিক বিশ্বাসৰ কথালৈ আঙুলিয়াব লাগিব।

শিশু জন্ম :

সন্তান ভূমিষ্ঠ হোৱাৰ সময়ত প্ৰসূতিক সহায় কৰিবৰ বাবে ওচৰত থকা তিৰোতা মানুহে বা চ'ৰাঘৰত অপেক্ষা কৰি থকা পৰিয়ালৰ লোকে কেঁচুৱা ভূমিষ্ঠ হোৱা মুহূৰ্তত শুভ কামনা কৰি আশীৰ্বাদ-ধ্বনি উচ্চাৰণ কৰে—'কাৰ্বি আছ'-কাৰবাক আছ', ত আছ', কাৰ্কি-'বাং আছ' কালি। বাং আং কেহাং জিছি-নি কেহাং জিছি, মে কেহাং জিছি-লক কেহাং, জিছি পিবাথে কাহ্যচে--নিম্পাৰ কাহ্যচে...।' অৰ্থাৎ— হে প্ৰভু, ভূমিষ্ঠ হোৱা সন্তান কাৰ্বি (মানুহ) শিশুহে—কোনো জন্তু-জানোৱাৰ নহয়; ই মানুহৰ সৈতে সম্বন্ধ পাতিবলৈহে জন্মগ্ৰহণ কৰিছে ইত্যাদি। এই কেঁচুৱাৰ বয়স প্ৰায় পাঁচ-ছয় মাহৰ পাছত কোনো অপদেৱতাৰ কু-দৃষ্টিৰ পৰা অব্যাহতি পোৱাৰ মানসেৰে 'ফংলাচেৰ আহি-ই' আৰু 'আহেপ-আফি' নামৰ পূজা দুবিধ আগবঢ়োৱা হয়।

নামকৰণ ঃ

কাৰবিসকলৰ পূৰ্বজন্মত বিশ্বাস থকা হেতুকে শিশু ভূমিষ্ঠ হোৱাৰ লগে লগে নাইবা কেইদিনমানৰ পাছত কেঁচুৱাটি পূৰ্বজন্মত কোন আছিল নিৰ্ণয় কৰিবৰ বাবে মঙ্গল চোৱা হয়। শিশুৰ বাপেকৰ সৈতে কেঁচুৱাৰ পূৰ্বজন্মৰ সম্বন্ধ কি আছিল তাক নিৰ্ধাৰণ কৰাৰ পাছত শিশুটোৰ নামকৰণ কৰা হয়। উদাহৰণস্বৰূপে, কেঁচুৱাৰ বাপেকৰ 'ককাকৰ নাম' বুলি মঙ্গলে দিয়া সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত সন্তানৰ নাম 'ফুমেন' নাইবা চমুকৈ 'মেন' (ফু-ককা; মেন-নাম) বুলি তেতিয়া সাধাৰণতে নামকৰণ কৰা দেখা যায়। সেইদৰে কেঁচুৱাটি পূৰ্বজন্মত কি আছিল বা ক'ত মৃত্যু হৈছিল, সেইবোৰৰ সৈতে সংগতি ৰাখি সাধাৰণতে নামকৰণ কৰা ৰীতি আজিও কাৰবি সমাজত প্ৰচলিত। উদাহৰণ স্বৰূপে, পূৰ্বজন্মত ধনী ব্যক্তিৰ জন্মত 'কিৰি' (ধনী বা অৱস্থাপন্ন) নাম দিয়া হয়। কেঁচুৱাৰ সোঁ-হাতত (ছোৱালী হ'লে বাঁও হাত) এডাল এৰাঁ সূতাৰে ৰছী বান্ধি নামকৰণ কাৰ্য চূড়ান্ত কৰা হয়।

চুলি খুৱোৱা ঃ

ল'ৰা সন্তান হ'লে জন্মৰ কেইমাহমানৰ পাছত এটা দিন-বাৰ থিৰাং কৰি 'ত'মান' (দীঘলকৈ ফালি থোৱা শুকান মাছ), 'হৰলাং' (পোহ্ন মদ) ইত্যাদি প্ৰস্তুত কৰি মোমায়েকক নিমন্ত্ৰণ কৰা হয় আৰু তেতিয়া মোমায়েকে ভাগিনৰ হাতত কিবা খোৱা বস্তু দি (সাধাৰণতে ত'মানহে দিয়া নীতি) প্ৰথমবাৰৰ বাবে ভাগিনৰ চুলি খুৱাই আশীৰ্বাদ দিয়ে; ইয়াৰ পাছত যিকোনো কেঁচুৱাৰ চুলি খুৱোৱা বা কটোৱাত বাধা নাথাকে।

নামৰ বৈশিষ্ট্য ঃ

মাক-বাপেকে ইচ্ছানুসৰি নিজ সন্তানৰ এটা অৰ্থপূৰ্ণ আৰু শুৱলা নাম ৰাখিবৰ বাবে চেষ্টা কৰে। কাৰবিসকলৰ কিছুমান নাম বিশেষ কোনো বৈশিষ্ট্য থকা যেন নালাগে যদিও আন কিছুমানৰ নাম বেচ অৰ্থব্যঞ্জক বুলিব পাৰি। উদাহৰণস্বৰূপে—

ছাৰ্থে— পূৰ্বৰ জন্মত গাঁৱৰ মুখিয়াল বা গাঁওবুঢ়া আছিল
লুঞ্চে— পূৰ্বৰ জন্মত গাঁৱৰ এজন প্ৰসিদ্ধ গায়ক আছিল
ক্লেংছাৰ্প— পূৰ্বৰ জন্মত গাঁৱৰ ডেকা দলৰ দলপতি আছিল

সাধাৰণতে তলৰ নামবোৰ কাৰবি সমাজত প্ৰচলিত—

পুৰুষ	তিৰোতা
বুৰা	কাৰেং
পাতৰ	কাৰে
লং	কাচে
মন	
থেৰে	ছিকা
কাংথেৰ	কাদম
তামই	কাছাং
তেমেন	কাবান
দিলি	দিমি
ৰংবং	কানং—ইত্যাদি

থেকাৰ কিতি ঃ

চিকাৰত পোৱা মাছ-মাংস আৰু কোনো পূজা-পাতল কৰি ভোজনৰ আৰ খুলিতে অলপ পৰিমাণৰ সিদ্ধ কৰা মাংস-ভাত আৰু বেং (শুকান মাছ) ভগবানৰ নামত অৰ্পণ কৰা হয়; এই প্ৰথাক 'থেকাৰ কেৰোৰ' বা 'থেকাৰ কিতি' বুলি কোৱা হয়। এই কাৰ্য সমাধা নকৰালৈকে পূজাৰ মাংস ভোজন কৰা নিষেধ।

আৰনাম কেপু ঃ

কোনো খাদ্য গ্ৰহণ কৰাৰ পূৰ্বে ভগবানৰ নাম স্মৰণ কৰি নিজৰ তথা গৃহস্থৰ মঙ্গল কামনা কৰা নীতি কাৰবি সমাজত অপৰিহাৰ্য; অতিথিয়ে নিজ ভাগৰ কাঁহীৰ পৰা অলপ পৰিমাণৰ ভাত-আঞ্জা লৈ ভগবানৰ নাম স্মৰণ কৰি কয় --'দেই আৰনাম, পি লখি, প' লখি, নেদন কেপ্লাং, নেৰাং কেপ্লাং ব'চে মে—ইংতুংমে, ক্লাৰ, ইংতুং ক্লাৰ, পুৰু ছুবি, ফান্দাৰ ছুবি। খান আৰণাম, খোঁল আৰনাম — পাকি দুনক্---পাংন' দুনক্, বিকান অৎৰেৰ, বিকান অৎদং দেই আৰণাম' . ইত্যাদি।

নিছু কাচিৰি ঃ

কোনো এজন লোকৰ আচাৰ ব্যৱহাৰ, চাল-চলন, কাৰ্যকলাপ আদি আন লোকৰ দৃষ্টিত বিশৃঙ্খল, বিসদৃশ আৰু অস্বাভাৱিক ধৰণৰ পৰিলক্ষিত হ'লে সেইজনক 'নিছ কাচিৰি' (মোমাই পিচৰা) আখ্যা দিয়া হয়। তেনে লোকৰ সুস্থতা কামনা কৰি 'আনদুম কেহাং' (এমুঠি অন্ন খোজা), আৰ্নান কেহম' (আঙঠি পিন্ধোৱা) আৰু 'ৰ' কাটাপ' নামৰ নীতিৰে মোমাইৰ ওচৰত আশীৰ্বাদ বিচৰা হয়।

কাচাৰ্বি ঃ

সামাজিক ৰীতি অনুসৰি বিবাহিতা বা অবিবাহিতা নাৰীয়ে কোনো অপৰিচিত লোক নাইবা সমগোষ্ঠী বা ফৈদৰ (নিজ স্বামীৰ বাহিৰে) পুৰুষৰ আগে আগে যোৱা নিষেধ। আনহাতে বিবাহিতা স্ত্ৰীয়ে স্বামীৰ আগে আগে যোৱা নীতি বা প্ৰথা সমাজত আদৰণীয়। এই ৰীতিকে 'কাচাৰ্বি' বোলা হয়। কোনো স্ত্ৰী-পুৰুষৰ মাজত বৈবাহিক সম্বন্ধ ঘটিছে নে নাই, এই প্ৰথাৰ দ্বাৰা সহজে অনুমান কৰিব পাৰি; বিয়া কৰাৰ পৰা সম্বন্ধৰ কোনো পৰিচিত পুৰুষৰ আগত কোনো নাৰীয়ে আগে আগে যোৱাত কোনো বাধা নাই। বৰ্তমান অৱশ্যে সমাজত এই 'কাচাৰ্বি' প্ৰথাৰ বাধা নিষেধৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা দেখা নাযায়; বৰং এই নীতি লোপ পোৱাৰ উপক্ৰম হৈছে।

আলহী ঃ

ঘৰত কোনো পৰিচিত বা অপৰিচিত ব্যক্তিৰ আগমন হ'লে তেওঁক 'আলহী' বুলি কোৱা হয় আৰু যৎপৰোনাস্তি তেওঁৰ অভ্যৰ্থনা বা আপ্যায়নৰ বাবে যত্ন কৰা কাৰবি সমাজত এটা বিশেষ উল্লেখনীয় নীতি। প্ৰথমে আলহীৰ প্ৰতি সন্মান দেখুৱাবৰ বাবে এটা মদৰ বটল আগবঢ়োৱা হয় আৰু তেতিয়া আলহীজনে প্ৰশ্নৰ অৱতাৰণা কৰি কয়—কি উদ্দেশ্যত তেনে মান্নি তেওঁক দিয়া হৈছে আৰু তাৰ যথোত্তৰ গৃহস্থৰ পৰা বিচৰা হয়। উভয় পক্ষৰ ভিতৰত মান্নিৰ বিষয়ে যথা নিয়মে সোধ-পোছ কৰাৰ পাছত সেই মদ পান কৰি প্ৰয়োজনীয় কথোপকথন বা কথা-বতৰা হয়।

প'হ' ঃ

চ'জুন আৰু বিয়াৰ সময়ত মদ আৰু আন আনুষঙ্গিক মান্নি আগবঢ়োৱাৰ সময়ত মূৰত প'হ' (পাগুৰি) মাৰি প্ৰতিজন সন্মানীয় ব্যক্তিক দুহাতেৰে সেৱা জনোৱা নীতি কাৰবি সমাজত আজিও বিদ্যমান। এই প'হ'ৰ কাপোৰ ঘৰতে প্ৰস্তুত হোৱা বাঞ্ছনীয়।

ৰং কেছেং ঃ

কাৰবিসকলৰ নীতি অনুসৰি গঠন হোৱা গাঁও এখনত কেবাজনো মুখিয়াল লোকক বিভিন্ন কামৰ দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ ভিতৰত ছাৰ্থেই (গাঁওবুঢ়া) প্ৰধান। তেওঁৰ লগতে গাঁও পৰিচালনাৰে কামত সহায়ক হিচাপে থাকে চিনথং বা ৰংহাং আছাৰ, ফেৰাংকে, দেউৰী আৰু ডেকাসকলৰ ভিতৰত এজনক ক্লেংছাৰ্প' (দলপতি) নিৰ্বাচন কৰি নিযুক্তি দিয়া হয়।

সম্ভাষণ আৰু সম্বন্ধ ঃ

সৰুৱে ডাঙৰক সন্মান জনাবৰ বাবে সাধাৰণতে দেখা মাত্ৰেই 'কাৰদম্' (নমস্কাৰ, প্ৰণাম) জনায়। ডাঙৰ বা বয়সিয়ালজনো তদ্ৰূপ 'কাৰদম' কৈ প্ৰতি নমস্কাৰ বা সম্ভাষণ গ্ৰহণ কৰে।

কাৰবিসকল মাতৃপ্ৰধান সম্প্ৰদায় বা গোষ্ঠী নহয়। কোনোজনৰ ল'ৰা সন্তান নাথাকিলে তেওঁৰ কন্যা সন্তানে পৈতৃক সম্পত্তি দাবী কৰিব নোৱাৰে। আনহাতে সমাজত সকলো সম্বন্ধ মাতৃৰ ফালৰ পৰাহে হয়। মাতৃ দুগৰাকীৰ ফৈদ বা গোষ্ঠী একে হ'লে তেওঁলোকৰ সন্তানৰ ফৈদ বেলেগ হ'লেও নিচেই ওচৰ সম্বন্ধ অৰ্থাৎ সোদৰপ্ৰতিম নতুবা পিতা-পুত্ৰৰ লেখীয়া হয়। কাৰবি সমাজত মোমাই বা শহুৰ সম্বন্ধীয় ব্যক্তিৰ প্ৰতি অসীম শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰা নীতি উল্লেখযোগ্য। জেঠেৰী আৰু বৈনাইৰ মাজৰ সম্পৰ্ক ভাই-ককাইস্বৰূপ। বিবাহিতজনে খুলশালিয়েকক নাম ধৰি মাতিব পাৰে। অন্যান্য জনজাতিৰ লোকসকলৰ দৰেই ভাই-বোৱাৰীৰ লগত পোনপটীয়াকৈ কথা-বতৰা হোৱা বিৰল।

অপৰাধ আৰু নিষেধ ঃ

সামাজিক প্ৰথাৰ ভিতৰত নপৰা নাইবা কোনো নিষেধাজ্ঞা অমান্য কৰি সম্পাদনা কৰা কাৰ্যই সমাজৰ নীতি অনুসৰি প্ৰথম সামাজিক অপৰাধ। সেইদৰে দৈনন্দিন জীৱনত সৰু-সুৰা বাধা-নিষেধবোৰ মানি চলিবলগীয়া হয়।

অপৰিচিত ব্যক্তিয়ে গৃহস্থীৰ বিনানুমতিত ঘৰৰ ভিতৰলৈ অৰ্থাৎ শোৱনি-কোঠা বা ৰান্ধনি-কোঠালৈ প্ৰৱেশ কৰা এটা অপৰাধ বুলি গণ্য কৰা হয়।

সেইদৰে মামী সম্পৰ্কীয় কোনো ছোৱালীক বিয়া কৰোৱা বা প্ৰেমৰ সম্পৰ্ক ৰখা নীতিবিৰুদ্ধ কাৰ্য হিচাপে অভিহিত কৰা হয়। এই কাৰ্যক 'নিহু চাৰ্কান' বুলি কোৱা হয়।

সৰু ল'ৰা-ছোৱালীক প্ৰথম মাত-কথা শিকাওঁতে 'দা' (ব'ল) শব্দ কোৱা বা শিকোৱা নিষেধ। সেইদৰে কেঁচুৱা ল'ৰা-ছোৱালীক আৰ্চি বা আইনা চাবলৈ দিয়াও নীতিৰ বাহিৰত।

অন্যান্য খাদ্য-বস্তুৰ ক্ষেত্ৰত 'চ'দাক্ল' (বস্তু খালো) ক'ব পৰা যায় যদিও ভাতৰ ক্ষেত্ৰত এইষাৰ কথা প্ৰযোজ্য নহয় অৰ্থাৎ 'আন চদাক্ল' (বহুত ভাত খালো) কোৱা কাৰবি সমাজত একেবাৰে নিষেধ।

আন কেলক ঃ

বিয়া আৰু কিছুমান পূজা-পাতলৰ সময়ত সমূহীয়া ভোজনৰ ব্যৱস্থা কৰা হয়। তেতিয়া সমবেত মুখিয়াল আৰু সন্মানী ব্যক্তিসকলৰ বাবে কাঁহী নাইবা পাতত ভাত বাঢ়ি ভিতৰৰ পৰা আনি চ'ৰাঘৰত দিয়া নীতিকে কাৰবি সমাজত 'আন কেলক' (বগা ভাত) কেচ' কোৱা হয়। উপস্থিত সকলো শ্ৰেণীৰ ৰাইজক কাঁহী নাইবা পাতত 'চ'বাক' নামৰ পাত্ৰৰ সহায়েৰে গাভৰুসকলে ভাত বিতৰণ কৰে। তেনেকুৱা ভোজনত অন্ততঃ তিনিবাৰকৈ ভাত বিতৰণ কৰা নীতি পালন কৰা হয়।

চ'জুন ঃ

কাৰবিসকলে কৰা অসংখ্য দেৱ-দেৱী আৰু প্ৰকৃতিৰ পূজা-পাতলৰ ভিতৰত 'চ'জুন (সকাম দেউ পূজা) উল্লেখযোগ্য। এই পূজাত গৃহস্থৰ বংশ-পৰিয়াল, মিতিৰ-কুটুম্ব আৰু বন্ধু-বান্ধৱৰ উপৰি অং-নিহু, ছ'-ছু-ফিলি, ইংজিৰ আৰ্ল' (মোমাই, ভাগিন, বাই-ভনী) সকলক পূজাৰ কিছুদিনৰ আগৰ পৰাই নিমন্ত্ৰণ কৰা হয় আৰু নীতি অনুসৰি নিমন্ত্ৰিত সকলো ব্যক্তি যথাসময়ত প্ৰয়োজনীয় মাননি অৰ্থাৎ হৰ-হাক, হৰ-তিবুক লগত আনি পূজাত যোগদান কৰেহি। ভগবানৰ নামত উছৰ্গা কৰা গাহৰিৰ ঠেং, টুকুৰা মাংসৰ টোপোলা (অক্ কেং-অক বৰ) আদি মাননি অন্য ব্যক্তিসকলৈলৈ গৃহস্থৰ ফালৰ পৰা অৰ্পণ কৰা হয়। পূজাৰীজনকো মাংসৰ কিছুমান ভাগ আগবঢ়োৱা হয়।

বিবাহ ঃ

সামাজিকপ্ৰচলিত নীতি অনুসৰি কাৰবিসকলে মোমায়েকৰ (মাকৰ ককায়েক বা ভায়েকৰ) ছোৱালীক বিয়া কৰাব লাগে। অৱশ্যে মোমায়েকৰ কন্যা নাথাকিলে নাইবা মনে চিতে মিল নহ'লে নিজ যৈন্দৰ বাহিৰে আন গোষ্ঠী বা যৈন্দৰ ছোৱালীক বিয়া কৰোৱাত বাধা নাথাকে। বিয়াৰ পাছতো কন্যাৰ যৈন্দৰ (কুল) কোনো পৰিবৰ্তন নাইবা সাল-সলনি নহয়। একে গোষ্ঠী বা যৈন্দৰ মাজত সংঘটিত হোৱা প্ৰণয়ক 'লাইছেনেম' বা অবৈধ প্ৰণয় আখ্যা দি সমাজচ্যুত কৰা হয়। সমাজৰ নীতি অনুযায়ী ককায়েকৰ মৃত্যুৰ পাছত ভায়েকে বৌয়েকক পত্নীৰূপে গ্ৰহণ কৰিব পাৰে। এই প্ৰথাক 'পাংেং পাচু' কোৱা হয়। কাৰ্বি সমাজত বিধৱা বিবাহৰ প্ৰচলন আছে যদিও বাল্য-বিবাহৰ প্ৰথা নাই। বিয়াৰ পাছত সাজ পাৰৰ কোনো পৰিবৰ্তন নহয়। বিবাহ বিচ্ছেদৰ পাছত উভয়ে পুনৰ আনজনৰ সৈতে সাংসাৰিক জীৱন আৰম্ভ কৰিব পাৰে। ল'ৰা ছোৱালীৰ উভয় মাক-বাপেকৰ সম্মতিসাপেক্ষে সকলোতে ছোৱালীজনীক আঙুঠি, খাৰু, মণি আদি দি 'কন্যা' হিচাপে বন্দবস্ত কৰা হয় আৰু ইয়াক 'কেৰাইদুন' বা হনজেং কেকক' বুলি কোৱা হয়। কাৰবি সমাজত বৰ কন্যা উভয় পক্ষৰ পৰা 'গা-ধন' দিয়া লোৱাৰ নীতি নাই। দৰাক ঘৰ-জোঁৱাই বা ঘৰজীয়া হিচাপে ৰখা নীতিক 'আকেমেন' বোলা হয়।

সমাজৰ নীতি অনুসৰি বিয়া এখনৰ বন্দোবস্ত বা স্থিৰ সিদ্ধান্ত প'্যায়ক্ৰমে কৰা হয় এইদৰে- 'নেপিং নেয়াং কাচিংকি' (প্ৰাথমিক কথোপকথন), 'পিছ কেহাং' (প্ৰস্তাৱ উত্থাপন), 'লাম পাথিক' (চূড়ান্ত বন্দোবস্ত) আৰু 'আজ' আৰণি কেফা (দিন বাৰ নিৰ্ধাৰণ)। প্ৰাথমিক কথোপকথনৰ বাহিৰে প্ৰস্তাৱ উত্থাপন পৰ্যায়ৰ পৰা আৰম্ভ কৰি শেষ বা বিয়াৰ কাৰ্য সমাধা নোহোৱা পৰ্যন্ত মান অৰ্থাৎ হৰলাং আৰু হৰ আৰাক (লাওপানী আৰু ফটিকা) কন্যাৰ ঘৰলৈ নিবলগীয়া হয়। বিয়াৰ দিনৰ উৎসৱক 'পিছ পাংৰি' বুলি কোৱা হয়। বিয়াৰ ৰাতিত বৰ-কন্যাৰ যুটীয়া বিচনাৰ বাবে কাৰ্বিসকলৰ 'পেণু আমাং কেদ' (পাৰী থকা কাপোৰ) আৰু 'পে হনকি' (এৰী কাপোৰ) অপৰিহাৰ্য বস্তু বুলি গণ্য কৰে।

মৃত্যু আৰু শ্ৰাদ্ধ ঃ

মৃত্যুৰ পাছত মৃতকৰ উদ্দেশ্যে ভাত আৰু সৰিয়হ কণী মিহলোৱা 'আজা' 'বাজকিউী'য়ে বাজি দিয়াৰ উপৰি সিপুৰীলৈ যাওঁতে মৃতকক বাট-পথৰ চিনাকি দি এগৰাকী ডিবোডাই গীতৰ মাজেৰে বৰ্ণনা দিয়ে। কাৰবিসকলৰ প্ৰধান পাঁচোটা যৈন্দৰ বাবে মকিশালিত নিৰ্দিষ্টকৈ ৰখা 'ভিপিং'ত (খৰি দিয়া স্থান) মৃতকক খৰি দি সংকাৰ কৰা হয়। ডেকা সকলে মৃতকক কান্ধত বৈ মকিশালিলৈ নিয়ে। মৃতকক বৈ নিয়া বাঁহডালক 'থেংজন' কোৱা হয়। খৰি দিওঁতে ব্যৱহাৰ কৰা (জুই চপাবৰ বাবে) বাঁহ বা কাঠৰ নলকেইডালক 'মেতক' বোলে। মকিশালিত সৰিয়হ খেতি কৰা কাৰবি সমাজত এটা ডাঙৰ সামাজিক

অপৰাধ। খৰি দিয়া কাৰ্য শেষ কৰি মোমাই ফৈদৰ মানুহে 'থেংজন' ডাল সমানে দুই টুকুৰাকৈ কাটি 'তিপিং'ত থৈ আহে; ইয়াক 'আকেং কেথুম' কোৱা হয়।

জুই-পানীত আক্ৰান্ত হোৱা, গছৰ পৰা, হিংস্ৰ আৰু নখী জন্তুৰ দ্বাৰা নিহত হোৱা, কুষ্ঠ ৰোগ আৰু নাৰী প্ৰসূতি হৈ আৰু আত্মহত্যা কৰি হোৱা মৰণক 'শনি-মৃত্যু' বুলি কোৱা হয় আৰু তেনে মৃতকক নিৰ্দিষ্ট 'তিপিং'ত খৰি দিয়াটো নীতিবিৰুদ্ধ কাৰ্য।

কাৰবিসকলে মৃতকৰ আত্মাৰ শান্তি কামনা কৰি 'চ'মাংকান' বা 'কাৰ্হি' অৰ্থাৎ দহা বা শ্ৰাদ্ধ নামেৰে এটা মৃত্যুৎসৱ উদ্‌যাপন কৰে। সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি যথাসময়ত গৃহস্থই গাঁৱৰ ছাৰ্থে (গাঁওবুঢ়া)ৰ ওচৰত মাননিসহ চ'মাংকানলৈ নিমন্ত্ৰণ কৰে। ইয়াক 'ছাৰ কাপাৰ্জু' বোলে। চ'মাংকানত 'ৰূ-কেহুম' পৰ্যায়ৰ পৰা আৰম্ভ কৰি যথাক্ৰমে 'ৰং কেতং', 'নিম্‌ছ' কিৰুং', 'বানজাৰ', 'কেকান', 'ৰিছ্'মাৰ কাচিহিং', 'নিছ-চিংকি' 'হুৰ', 'কাচেমেই', 'মাছেৰা কেহিৰ', 'আৰং' 'কেথন' আৰু 'থেকুপ কাৰ্কক্' ইত্যাদি কাম-কাজ পৰ্যায়ক্ৰমে সমাধা কৰা হয়।

অতি দৰ্কাৰী ব্যক্তি হিচাপে দুহুইদি (ঢুলীয়া) ওচেপী (মৃতকৰ ৰান্ধনী), অং-নিহু, ছ'ছু-ফিলি, ইংজিৰ আৰ্ল' (মৃতকৰ মোমাই, ভাগিন-বাই-ভনী)ৰ উপস্থিতিত নাইবা যোগদানৰ অবিহনে চ'মাংকান মৃত্যুৎসৱ সমাধা হ'ব নোৱাৰে। গতিকে তেনে ব্যক্তিসকলৰ প্ৰতি যথেষ্ট সন্মান প্ৰদৰ্শন কৰা নীতি হৈছে এই উৎসৱৰ এটা প্ৰধান বৈশিষ্ট্য।

শপত (ছেমে)ঃ

এটা জটিল পৰিস্থিতিৰ চূড়ান্ত উপায় হিচাপে শপত খোৱা বা শপত দিয়াৰ ৰীতি কাৰবি সমাজত আছে। শপত খাব খোজা ব্যক্তিয়ে মূৰত এমুঠি মাটি লৈ কয়ঃ "লংলে আছুন নে পামান নাং' অৰ্থাৎ এই মাটিৰ দশা মোৰ হওক। বাঘ বা হাতীৰ দাঁত পানীত জুবুৰিয়াই সেই পানী ব্যক্তিজনক খুৱাই ক'বলৈ দিয়া হয়—'টেকে নে পাচ নাং—ইংনাৰ নে পাদং নাং' (বাঘে খাওক—হাতীয়ে গচকি মাৰক)। শপত দিয়া কাৰ্য ফলৱতী কৰিবৰ বাবে বাঘ বা হাতী মন্ত্ৰ জনা ব্যক্তিয়ে 'হৰ্বং' হাতত লৈ মন্ত্ৰ উচ্চাৰণ কৰে। (হৰ্বং—এবিধ তিতা লাও শুকান কৰি ভিতৰত কেঁচা মদ ভৰোৱা পাত্ৰ)।

নিংকান আছেক ঃ

সাংসাৰিক জীৱনত কাৰবিসকলৰ বিবাহিতা নাৰীয়ে জন্মদাত্ৰী পিতৃ-মাতৃসকলৰ ওচৰত নিজকে আজীৱন ধৰুৱা বুলি বিবেচনা কৰে। ফলত প্ৰতি বছৰে এবাৰকৈ ঘৰতে প্ৰস্তুত কৰা উৎকৃষ্ট ধৰণৰ মদৰ ভাৰ-ভেটি বা মাননি আদি লৈ পিতৃ-গৃহলৈ গমন কৰে। এই নীতিকে 'নিংকান আছেক কেদাম' অৰ্থাৎ বাৰ্ষিক যাত্ৰা বুলি অভিহিত কৰে। ইয়াৰ বাবে পিতৃ-গৃহত থকা ভাই-ককাই আৰু নবৌসকলৰ ভিতৰতে এজনক বাদ দি এবটলকৈ মদ দি সন্মান কৰাৰ নিয়ম। এই ৰীতি অনুসৰি বিবাহিত দম্পতীয়ে সন্ধিয়া যাত্ৰা কৰি (দূৰত্ব অনুপাতে) পিতৃঘৰত এৰাতি থাকি মুকলি মনেৰে সুখ-দুখৰ কথা পাতি পিছদিনাখন ঘূৰি আহে। এই ৰীতি-নীতি কাৰবি সমাজত আজিও চলি আছে। *

** ডিফু সাহিত্য সভাৰ সৌজন্যত : 'ৰুঙ্কাৰ আহিৰ'ৰ পৰা পুনৰ্মুদ্ৰিত*



হাজং সমাজৰ লোক-পৰম্পৰা আৰু ৰীতি-নীতি

নীল মাধব হাজং

হাজংসকল অসমৰ এক অন্যতম জনগোষ্ঠী। তেওঁলোকৰ সমাজ-সংস্কৃতি অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। অন্যান্য জনগোষ্ঠীৰ দৰেই এই জনগোষ্ঠীৰ লোকসকলৰো সাজ পোছাক, ৰীতি নীতি, ভাষা-সংস্কৃতি কিছু পৰিমাণে সুকীয়া।

মিঃ ডাল্টন, ৰেভাৰেণ্ড এছ এণ্ডেল, মিঃ বি চি এলেন, আস্ৰাফ আলী চিদ্দিক চাহাব আদি লেখকসকলৰ মতে হাজং শব্দটো বড়ো ভাষাত হাজু শব্দৰ অৰ্থ ওখটি আৰু বাড়ো ভাষাত হাচু+অং — ওখ টিঙৰ বাসিন্দা বা হোজাই কছাৰীৰ পৰাও হাজং শব্দৰ উৎপত্তি হ'ব পাৰে বুলি তেওঁলোকে মত ব্যক্ত কৰিছে।

আৰ এম নাথৰ 'দি বেকগ্ৰাউণ্ড অব এচামিজ কালচাৰ'ৰ মতে, চিলাৰায়ৰ পুতেক ৰঘুদেৱ আৰু তেওঁৰ পুতেক পৰীক্ষিতে অসমৰ মেচপাৰা, কালুমালু, কাৰৈবাৰী পৰগণা আৰু মৈমনসিং জিলাৰ দশ কাহনিয়া, সুসং আৰু শেৰপুৰ অঞ্চল নিজৰ অধীনলৈ আনিছিল। (১৬০৩-১৬১৩ খ্ৰীঃত)। তেতিয়া তেওঁলোকৰ প্ৰবল প্ৰতাপত হাজোৰ হাজংসকল গোৱালপাৰা জিলা আৰু গাৰোপাহাৰৰ নামনি অঞ্চলত বসতি স্থাপন কৰি থাকিবলৈ লয়। মেকেঞ্জি চাহাবৰ মতে, তেওঁলোকৰ ভাষা কামৰূপী আৰু গোৱালপৰীয়া ভাষাৰ লগত কিছু সাদৃশ্য আছে।

আন কিছুমান লোকৰ মতে, তেতিয়াৰ দিনত হাজংসকল তেওঁলোকৰ ওচৰত থকা অন্যান্য জনগোষ্ঠীৰ লোকবিলাকৰ তুলনাত কৃষিকাৰ্যত বেছি পাৰ্গত আছিল। সেইবাবে আশে-পাশে থকা গাৰো জনগোষ্ঠীৰ লোকসকলে তেওঁলোকক হাজং বুলিছিল। হাজং শব্দৰ অৰ্থ হ'ল—হা মানে মাটি আৰু জং মানে পোক। সেইমতে হাজং শব্দটো গাৰো ভাষাৰ পৰা নিঃসৃত বুলিব পাৰি।

মিঃ বি চি এলেনৰ মতে, হাজংসকল তেওঁলোকে বসবাস কৰা অঞ্চলভেদে চাৰিটা দলত বিভক্ত আছিল। সেইবিলাক হ'ল—(১) হাবাং পাৰিয়া (২) ভোজনী পাৰিয়া (৩) মানিক পাৰিয়া (৪) টেপৰ

পাৰিয়া (৫) শতদল আৰু (৬) মাঞ্জি পাৰিয়া। তেওঁৰ মতে, দলৰ মুৰব্বীসকলৰ নামানুসৰিয়েই এই দলবিলাকৰ নামকৰণ কৰা হৈছিল।

হাজংসকলৰ সমাজ-ব্যৱস্থা পিতৃপ্ৰধান। পৰিয়ালৰ সা-সম্পত্তি ল'ৰা-ছোৱালীবোৰে উত্তৰাধিকাৰী সূত্ৰে দেউতাকৰ পৰাই লাভ কৰে। ল'ৰা-ছোৱালী জন্ম হ'লে ল'ৰাৰ ক্ষেত্ৰত সাত দিনত আৰু ছোৱালীৰ ক্ষেত্ৰত পাঁচ দিনত নাপিতৰ হতুৱাই নৱজাতকৰ চুলি খুড়ায়। সেইদিনা তেওঁলোকে কাপোৰ-কানি ধোৱে আৰু ঘৰ-দুৱাৰ সাৰি-মচি পৰিষ্কাৰ কৰে। পাছত ব্ৰাহ্মণৰ পৰা অনা শান্তিপানী ঘৰৰ বস্তু-বাহানি আৰু সকলোৰে গাত ছটিয়াই ঘৰখন পৱিত্ৰ কৰে। সন্তান জন্ম হোৱাৰ এমাহমানৰ ভিতৰত নামকৰণ কৰা হয়। নৱজাতকৰ বয়স ছয়-সাত মাহমান হ'লে মুখত ভাত দিয়া বা ভাতচুৱা অনুষ্ঠান পাতে। ভাতচুৱা অনুষ্ঠানত সামৰ্থ্যৱান লোকে সমাজৰ লোকক ভোজ-ভাত খুৱায়। সন্তানসকলৰ বয়স ছয়-সাত বছৰমান হ'লে পুৰোহিত বা অধিকাৰীৰ হতুৱাই কাণ ফুকা মন্ত্ৰ দি সমাজভুক্ত কৰি লোৱা হয়।

জন্ম-মৃত্যু-বিবাহ ঃ মৃত্যুৰ ক্ষেত্ৰত কম বয়সীয়া ল'ৰা-ছোৱালীৰ মৃত্যু হ'লে তিনি দিনত শ্ৰাদ্ধ কৰা হয়। প্ৰাপ্তবয়স্ক লোকৰ মৃত্যু হ'লে বাৰ দিনত নাপিতৰ হতুৱাই ক্ষোৰ কৰ্ম বা ঘাট কামালিৰ কাম কৰা হয়। তেৰ দিনত অধিকাৰী বা পুৰোহিত বা ব্ৰাহ্মণৰ হতুৱাই শৰাধৰ কাম সমাপন কৰে।

হাজংসকলৰ মাজত তিনিধৰণৰ বিয়াৰ প্ৰচলন আছে। সামাজিক নিয়ম-নীতিৰ মাজেৰে ল'ৰা-ছোৱালীৰ যি বিয়া-বাৰু পতা হয়, সেয়া হ'ল সামাজিক বিয়া। ঘৰৰ লোকক নজনোৱাকৈ ল'ৰাই ছোৱালীক পলুৱাই নি পতা বিয়াক কোৱা হয় দায়পৰা বিয়া আৰু বিধৱা বিয়াক কোৱা হয় হাঙা বিবাহ। সামাজিক নিয়ম লংঘন কৰি বিয়া পতা বাবে দায়পৰা লোকে বিয়াৰ পাছতে সমাজৰ লোকক ভোজ-ভাত খুৱাব লাগে আৰু ইয়াকে কোৱা হয় দায়পৰা খোৱা বা জাতি উঠা খোৱা।

আগৰ দিনত হাজংসকলে তেওঁলোকৰ বিয়া-বাৰুৰ ক্ষেত্ৰত নিজৰ নিকনী বা গোত্ৰৰ বিচাৰ লৈছিল। একে নিকনীৰ মাজত তেওঁলোকৰ বিয়া নহৈছিল। নিকনী হ'ল বড়ো ভাষাৰ শব্দ আৰু তাৰ অৰ্থ হৈছে মাকৰ ফালৰ পৰা অহা বংশৰ ধাৰা। তেওঁলোকৰ মাজত চলি অহা নিকনীসমূহৰ নাম হ'ল— (১) কেণ্ডেগাঁও (২) কাচে গাঁও (৩) কৰ্ণঝৰা (৪) কামাখ্যা গাঁও (৫) কাটাগাঁও (৬) টকলে গাঁও (৭) ঘাচে গাঁও (৮) বালি হাটা (৯) বাস্কেগাঁও (১০) বগৰিহাটী (১১) বাগি গাঁও (১২) ভোৰা গাঁও (১৩) পুৰাহাটী (১৪) পোৰা চুঙা (১৬) পোৰাখাটী (১৭) চুৰাবাদী (১৮) চানদী (১৯) ডিংজৰ (২০) আকচি গাঁও (২১) শিমুল গাঁও আদি। তেওঁলোকে আগৰ দিনত প্ৰতিবছৰে নিকনী দেৱতাক পূজা দিছিল। বৰ্তমান যুগত তেওঁলোকে নিজৰ নিকনী সম্বন্ধে অৱগত নহয়। সেইবাবে বিয়া-বাৰুৰ ক্ষেত্ৰত আজিকালি কাৰ কি নিকনী আছিল তাৰ বিচাৰ নলয়।

হাজংসকলৰ বিয়াৰ বাবে সাধাৰণতে জাহু বা ঘটকৰ দ্বাৰা প্ৰস্তাৱ আগবঢ়োৱা হয়। দুয়োপক্ষই সন্মত হ'লে ভাল দিন-বাৰ চাই বিয়াৰ দিন-তাৰিখ ঠিক কৰি লয়। তেওঁলোকৰ বিয়াত ধনীবাপ-ধনীমাও বনোৱাৰ নিয়ম প্ৰচলন আছে। বিয়াৰ মণ্ডপত উপস্থিত থাকি ধনীবাপ আৰু ধনীমাওৱে দৰা-কইনাক আশীৰ্বাদ দিয়ে। ধনীবাপ-ধনীমাওৰ দায়িত্ব কাক দিয়া হ'ব, সেইটো দৰা বা কইনাৰ ঘৰে ঠিক কৰি লয়। ধনীবাপ-ধনীমাও দৰা-কইনাৰ আজীৱন আত্মীয় হৈ পৰে। বিপদে-আপদে তেওঁলোকে পৰস্পৰে পৰস্পৰক সহায় কৰে। বিয়াঘৰত আয়তীসকলে ধনীমাওহঁতক চাকি-বন্তি ধূপ-ধুনাৰে আদৰি

লয়। হাজংসকলৰ বিয়া দৰা বা কইনা যিকোনোৰে এঘৰত অনুষ্ঠিত হ'ব পাৰে, মাত্ৰ বিয়াৰ আগতে সেইটো ঠিক কৰি ল'ব লাগে। পণ হিচাপে তেওঁলোকে কেতিয়াবা দৰাপক্ষই কইনাপক্ষক আৰু কেতিয়াবা কইনাপক্ষই দৰাপক্ষক ধান বা কিছু পৰিমাণে টকা-পইচা আগবঢ়ায়। এই নামমাত্ৰ পণ-ব্যৱস্থাক তেওঁলোকৰ মাজত খাল্টি প্ৰথা বুলিও জনা যায়। বিয়াৰ কিছুদিন আগত দৰাপক্ষই কইনাৰ ঘৰলৈ অলংকাৰ-পাতি, কাপোৰ-কানি, শংখ, সেন্দুৰ আদি দিবলৈ যায়। সেইদিনা দৰাঘৰৰ হৈ গাঁৱৰ কেইজনমান লোকে গৈ কইনাৰ লগতে গাঁৱৰ মানুহবিলাকক পাণ-তামোল খুৱাই আহে আৰু এই অনুষ্ঠানটোক কোৱা হয় গুৱা খোৱা বা পাণ খোৱা। গুৱা খুৱাবৰ বাবে পাণ-তামোল, গুৰ, ধপাত, বিড়ি আদি লৈ যাব লাগে আৰু গাঁৱৰ মানুহক তামোল-পাণ খুৱাই দৰাঘৰৰ বস্তু-বাহানিৰ্ণিনি দি আহে। কেতিয়াবা কইনাঘৰৰ পৰাও দৰাঘৰলৈ পাণ খুৱাবলৈ যায়। অৰ্থাৎ যাৰ ঘৰত বিয়া অনুষ্ঠিত হয় তেওঁলোকেই পাণ খুৱাবলৈ লাগে। হাজংসকলৰ বিয়াত পাঁচ বা সাতজনী আয়তীৰ প্ৰয়োজন হয়। তেওঁলোকে বিয়াৰ মণ্ডপত আল্পনা আঁকে, দৰা-কইনাৰ শোৱা ঘৰৰ বেৰত বেৰাপাত চিত্ৰাই (ছবি আঁকে) চৰাপানী তোলে, দৰা-কইনাক গা ধুৱাই দিয়া, তেল-হালধি সানি দিয়া, দৰা-কইনাক লৈ বিয়াৰ মণ্ডপ প্ৰদক্ষিণ কৰা, উৰুলি দিয়া, বিয়াৰ মণ্ডপ সজাই পৰাই তোলা, বিয়াৰ কামত পুৰোহিত আৰু ধনীমাও ধনীবাপসকলক বিভিন্ন কামত সহায় কৰা আদি বিভিন্ন কামত ব্যস্ত থাকে। বিয়াৰ দিনা আয়তীসকল আৰু কইনাই জাতীয় সাজ-পাৰ ৰাঙা পাটিন, ফুলা আগৰণ আৰু ব্লাউজ পৰিধান কৰে। কইনাই মূৰত ওৰণি লয়। কইনা আৰু আয়তীসকলে বিভিন্ন ধৰণৰ সোণ অলংকাৰ পৰিধান কৰে। দৰাই পিন্ধনত নিংটী (খাঁধল ধুতী) আৰু বুৰুচুলি পৰিধান কৰে। দৰা কইনাই মূৰত ক'লা নিবদুৰ মুকুট পিন্ধি লয়। দৰা বা কইনাৰ লগত এদল লৰা ছোৱালী আহে। তেওঁলোকক দাঁড়ীসি বুলি জনা যায়।

বং-বিৰঙৰ পোছাকেৰে সজ্জিত আয়তীসকলৰ মন বিয়াৰ দিনা আনন্দই নধৰা হয়। তেওঁলোকে দৰা-কইনাৰ শোৱা ঘৰৰ বেৰত চাৰিওফালে হাত্‌ৰমান সাহিত নৈসৰ্গিক দৃশ্য অংকন কৰে। তাৰ ভিতৰত জোন, বেলি, তৰা, নদী, নাও, গছ, পাহাৰ, পশু-পক্ষী আৰু ধৰ্মীয় দৃশ্যবোৰেই প্ৰধান। তেওঁলোকে পিঠাগুড়ি, সেন্দুৰ আৰু ক'লা ৰং ব্যৱহাৰ কৰে। বিয়াৰ দিনা বৈষ্ণৱপন্থীসকলৰ ঘৰত খাপা কীৰ্তন গোৱা হয়। খাপা কীৰ্তনত বৈষ্ণৱপন্থীসকলে ৰাধা-কৃষ্ণৰ ৰাসলীলাৰ কাহিনী বৰ্ণনা কৰি গীত গায়। আনহাতে শাক্তপন্থীসকলৰ ঘৰত বিয়া আৰম্ভ হোৱাৰ আগৰ পৰাই মাৰৈগীত আৰম্ভ হয় আৰু এই গীত বিয়াৰ সময়তো চলি থাকে। বিয়াৰ দুদিনমান আগৰ পৰাই মাৰৈ পূজা আৰম্ভ হয়। মাৰৈ পূজাত প্ৰতীক হিচাপে কাগজেৰে মেৰঘৰ বনোৱা হয়। সেই মেৰঘৰৰ চাৰিফালৰ চাৰিখন বেৰত বিভিন্ন ধৰণৰ ছবি, যেনে—বেউলা, লখিন্দৰ, চান্দ সদাগৰ আৰু তেওঁৰ নাও, নেতাই ধুবুনী, মনসা দেৱী, বিষ্ণুৰ দশাৱতাৰ, সৃষ্টিৰ মহত্ত্ব আদিৰ নানা ৰূপৰ ছবি অংকন কৰে। হাজং সমাজৰ মালাকাৰ একজনে ছবিবোৰ আঁকি মেৰঘৰটো সজায়। মেৰঘৰৰ চাৰিকোণত চাৰিটা কলগছৰ পুলি কটি দি মাৰৈ পূজা কৰা হয়। মাৰৈ পূজা মনসা দেৱীৰ পূজা। মাৰৈ পূজাত গীতলুসকলে বেউলা-লখিন্দৰ আৰু চান্দ সদাগৰৰ কাহিনী বৰ্ণনা কৰি গীতলু বা মাৰৈ গীত গায়। বিয়াৰ মণ্ডপত দুটামান পাচিত ধান, সোণ্ৰ ঘট, সোণ্ৰ গছি চাকি, কেঁচা কলৰ আখি, তামোল-পাণ, শিলিখা, বেলপাত, আমপাত, ঘি, মধু, ধূপ-ধুনা, কঙ্কাকন, দূবৰিবন, সেন্দুৰ আদিৰ প্ৰয়োজন হয়। বিয়াৰ দিনা আয়তীসকলৰ উৰুলি, গীতলুসকলৰ মাৰৈ গীত আৰু তেওঁলোকৰ খোল, খাপা-কৰতাল, কৰতালৰ শব্দত বিয়াঘৰ উখল্-মাখল্ হৈ থাকে।

বিয়াৰ আগৰ পৰাই তেওঁলোকৰ ঘৰ মিতিৰ-কুটুমেৰে ভৰি পৰে। বিয়াত দৰাই দুখন হাত দুইফালে মেলি দিলে যি দূৰত্ব হয়, সেই জোখত চোতালৰ মাজত চাৰিকোণত চাৰিটা কলগছৰ পুলি ৰোৱা হয় আৰু তাতে বিয়াৰ মণ্ডপটো সজোৱা হয়। বিয়াৰ সময়ত কইনা, আয়তীসকলে অলংকাৰ হিচাপে ডিঙিত হাৰমালা, চন্দ্ৰহাৰ, সুকীসৰা, হাসুলী, ভৰিত বাক, গুঞ্জৰী, পায়েল, কাণত কাণফুল, নাকত নাকফুল, নলক, হাতত বয়লা, শাকা আৰু আঙুলিত আঙঠি পৰিধান কৰে। ৰাতি তেওঁলোকৰ ভৰ বিবাহ আৰু ৰাতিপুৱা বাহী বিয়া অনুষ্ঠিত হয়।

বৃত্তিত হাজংসকল কৃষিজীৱী। আহাৰ-শাওণ মাহত ভূঁই ৰোৱাৰ প্ৰথম দিনটো অতি ধুমধামেৰে পালন কৰে। ভূঁ ই ৰোৱাৰ প্ৰথম দিনটোক তেওঁলোকে গছিপোতা উৎসৱ হিচাপে পালন কৰে। এই দিনটোত তেওঁলোকে খেতিপথাৰৰ আলিত কলপুলি ৰোৱে আৰু চাকি, ধূপ-ধূনাৰে ধনৰ অধিষ্ঠাত্ৰী লক্ষ্মীৰ নামত প্ৰসাদ আগবঢ়ায়। ইয়াৰ পাছত ৰোৱণীহঁতে ভূঁই ৰোৱা আৰম্ভ কৰে আৰু ৰোৱালাগা গীত গায়। ৰোৱণীহঁতে ইজনে সিজনৰ গালে বোকা ছটিয়াই ৰং-ধেমালি কৰে আৰু গৃহস্থ লোকৰ গালতো পথাৰৰ বোকা লগাই দিয়ে। সেইদিনা সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰবোৰে সৰুবোৰক আশীৰ্বাদ দিয়ে। গছিপোতা দিনত গৃহস্থই ভূঁইৰোৱাসকলৰ সন্মানাৰ্থে ভোজ-ভাত খুৱায়।

ঠিক তেনেকৈ ভূঁই ৰোৱাৰ শেষৰ দিনটোত হালডুকী আৰু ধান চপোৱাৰ শেষৰ দিনটোত কাঁচিধোৱা উপলক্ষে দিনটোৰ কামত অংশ লোৱা লোকৰ সন্মানাৰ্থে খোৱা-লোৱাৰ আয়োজন কৰে। ইয়াৰ উপৰি ধান চপোৱাৰ পাছত গএগ ৰাইজে সমূহীয়াভাৱে বাস্তু পূজা কৰি ন-খোৱা উৎসৱ পালন কৰে।

হাজংসকলৰ ভাতেই প্ৰধান খাদ্য। ডিংপোৰা (কেঁচা বাঁহৰ চুঙাত সিজোৱা বৰা চাউলৰ ভাত), বিচিভাত (ভাপত সিজোৱা বৰা চাউলৰ ভাত), বুকনি ভাত (অংকুৰিত বৰা চাউলৰ ভাতৰ লগত বিচিভাত মিহলাই পানীত ৰখা ভাত। ই খাবলৈ বৰ মিঠা; কিন্তু নিচাযুক্ত নহয়।) আৰু মাছ-মাংস হাজংসকলৰ প্ৰিয় খাদ্য। মিতিৰ-আলহীক তেওঁলোকে এইবিলাক খাদ্যৰে আপ্যায়ন কৰিবলৈ ভাল পায়। বিচি ভাতৰ লগত কাছ মাংসৰ খাদ্য হাজংসকলৰ অতিকৈ প্ৰিয়। তেওঁলোকৰ ৰন্ধন-প্ৰণালীত সৰিয়হ তেল আৰু খাৰৰ ব্যাপক প্ৰচলন আছে। তেওঁলোকৰ মাজত তিনিবিধ মদৰ প্ৰচলন আছে। মদ তিনিবিধ হৈছে—কাচা মদ, ৰুহী মদ আৰু ঘামানি মদ। বৈষ্ণৱ পন্থী হাজংসকলৰ মাজত এই মদৰ প্ৰচলন নাই।

হাজংসকল কেইঘৰমান লগ লাগি গাঁও পাতি বসবাস কৰে। প্ৰতিখন গাঁৱত একোজনকৈ মুৰব্বী থাকে। গাঁৱৰ সমস্যাবোৰ মুৰব্বীজনে সমাধান কৰে। গাঁৱত তেওঁলোকে প্ৰতিটো পৰিয়ালৰ বিভিন্ন কামৰ বাবে বিভিন্ন ধৰণৰ ঘৰ সজায়। সেই ঘৰবিলাক হ'ল—মাইজা ঘৰ (গৃহস্থ থকা ঘৰ), যোৰাঘৰ (দৰা-কইনাৰ ঘৰ), গুলি ঘৰ (গোহালি), কাচ্‌ৰি ঘৰ (ডেকা ল'ৰা বা আলহীৰ ঘৰ), চাংঘৰ (ভঁৰাল ঘৰ), আখলি ঘৰ (ৰান্ধনি ঘৰ) আৰু ঢেঁকীশালি।

সাজপাৰ, আ-অলংকাৰ ঃ

সাজপাৰৰ ক্ষেত্ৰত হাজং মহিলাসকলে নিজেই পৰিয়ালটোৰ বাবে প্ৰয়োজনীয় কাপোৰখিনি বৈ উলিয়ায়। তেওঁলোকে প্ৰস্তুত কৰি উলিওৱা কাপোৰবোৰ হৈছে—ৰাঙা পাটিন, নিংটি বা পুৰুষে পিন্ধা ডাঙৰ গামোচা, গামোচা, আগৰণ (চাদৰ), গাঁও কাপোৰ, পাৰণা, কমৰ বন্ধা, ঘাৰ গামচা,

কম্পেচ বা মাফলা আদিয়েই প্ৰধান। তেওঁলোকৰ কাপোৰ বোৱা যতন বা শালটোক বানা গুজি কোৱা হয়। হাজং মহিলাসকলে ৰাঙা পাটিন, বিধবাসকলে বগা পাটিন, আগৰণ কাপোৰ, কমৰ বন্ধা আৰু পুৰুষবিলাকে নিংটি আৰু বুকচলী পৰিধান কৰে। হাজং মহিলাসকলে ব্যবহাৰ কৰা অলংকাৰ-পাতিবোৰ হৈছে—কাণৰ কাণফুল, নাকৰ নাকফুল, ডিঙিৰ হাৰমালা, সখীসৰা, হাসুলী, বাহুৰ কাটা বাজু আৰু ভৰিৰ বাবে বাগ, গুঞ্জৰী পায়েৰ পাতা আদি।

লোকনৃত্য-পূজা-উৎসব :

চৰখেলা বা চৰমাগা উৎসব হাজংসকলৰ এক অন্যতম উৎসব। হাজংসকল প্ৰধানকৈ কৃষিজীৱী। গ্ৰীষ্ম আৰু বৰ্ষা কালত তেওঁলোকে কৃষিকাৰ্যত ব্যস্ত থাকে। শৰৎ কাল আহিলে তেওঁলোকে অৱসৰ বিনোদনৰ বাবে চৰখেলা বা চৰমাগ উৎসৱ উপভোগ কৰে। চৰখেলা উৎসৱ শ্যামা পূজা বা দীপাৱলীৰ দুই-তিনিদিনমান আগৰে পৰা আৰম্ভ হয় আৰু এই উৎসৱ চাৰি পাঁচ দিনমানলৈকে চলে। গাঁৱৰ ডেকা ল'ৰাবিলাকে ঢোল, তাল, বাঁহী আদি বাদ্যযন্ত্ৰ বজাই লোকৰ ঘৰে ঘৰে নৃত্য-গীত গায়। চৰখেলা উৎসৱৰ প্ৰধান নৃত্য গীত হ'ল লেবাটানা। এইবিধ নৃত্য গীতত ডেকা গাভৰুৰ প্ৰেম-প্ৰীতিৰ কথাই প্ৰাধান্য পায়। এই উৎসৱত চৰখেলাৰ চৰমাগা দলবিলাকে ঘৰে ঘৰে এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ নৃত্য-গীত কৰি যায়। যিখন গাঁৱত ৰাতি হয়, তেওঁলোকে তাতেই নিশাটো কটায়। গাঁৱৰ মুৰব্বী বা আঢ্যৱন্ত লোকৰ ঘৰত তেওঁলোকৰ থকা খোৱাৰ ব্যৱস্থা কৰা হয়। তাৰ বাবে আগতীয়াকৈ ভাত খৱৰী পঠিওৱা প্ৰয়োজন। আগৰ দিনত ডেকা ল'ৰাবিলাকেই ডেকা-গাভৰুৰ ভাও লৈ নৃত্য গীত কৰিছিল। চৰখেলা উৎসৱত লেবাটানা নৃত্য গীতৰ উপৰি বিভিন্ন ধৰণৰ নৃত্য গীত যেনে—দেৱীযুদ্ধ, ভাঙা নাওকী, টেংলা গাহন, ডাখামাৰা গীত, কৌৰৱ পাণ্ডৱৰ কাহিনী বৰ্ণিত নৃত্য-গীত আদিও পৰিৱেশন কৰা হয়। আগৰ দিনত ছোৱালীবিলাকে লুকাই চুৰকৈহে চৰখেলা উৎসৱৰ নৃত্য-গীত চাইছিল। কথিত আছে, এনেকৈ এবাৰ বহুত ছোৱালীয়ে ঘৰৰ বেৰৰ আঁৰত লুকাই লুকাই চৰখেলাৰ নৃত্য গীত চাই থাকোতে বেৰৰ বান্ধ ছিঙি গোটেইবিলাক ছোৱালী উবুৰি খাই পৰিছিল। সেই কথা সুঁৱৰি হাজংসকলে আজিও ৰস-আনন্দ পায়। কথিত আছে, এই ঘটনাৰ পৰাই চৰখেলা উৎসৱৰ নৃত্য-গীতত ছোৱালীবিলাকৰ লাজ ভাঙি যায় আৰু লাহে লাহে ছোৱালীবিলাকেও লেবাটানা গীতত অংশগ্ৰহণ কৰিবলৈ লয়। চৰখেলা উৎসৱত চৰমাগা দলটোৱে নৃত্য গীতৰ পাছত গৃহস্থৰ পৰা চাউল-পইচা আদি সংগ্ৰহ কৰে। চৰমাগা দলটোৱে গৃহস্থৰ মংগল কামনা কৰি আশীৰ্বাদ দিয়ে। চৰখেলা উৎসৱৰ নৃত্য গীতত তেওঁলোকে সকলোৱে আনন্দ উপভোগ কৰে। চৰখেলা উৎসৱত সংগ্ৰহ হোৱা চাউল পইচাৰে তেওঁলোকে মাঘ বিহুৰ পাছত পথাৰলৈ গৈ ভোজ-ভাত খায়। চৰখেলা উৎসৱত ডেকা ল'ৰাবিলাকে নৃত্য-গীত কৰাৰ ছলেৰে মনে মনে পছন্দৰ ছোৱালীও বিচাৰি খুজি পাৰেও এই উৎসৱটোৰ নাম চৰখেলা উৎসৱ হিচাপে জনাজাত হয়।

পুহ মাহৰ প্ৰথম জোন ওলোৱাৰ পৰা পূৰ্ণিমালৈকে গৰখীয়া ল'ৰাবিলাকে একো একোটা দল হৈ গৃহস্থৰ ঘৰে ঘৰে ধুৰী মাগিবলৈ যায়। তেওঁলোকে প্ৰত্যেকে গাত চাদৰ গাঁঠি বান্ধি লয়। প্ৰত্যেকৰে হাতত একোডালকৈ লাখুটি থাকে আৰু চোতালত লাখুটিৰে টক টক শব্দ কৰি গধূলি সময়ত গৃহস্থৰ ঘৰে ঘৰে ধুৰীমাগা গীত গায়। এই গীতবিলাকত হাজংসকলৰ ঘৰ বনোৱাৰ আৰ্হি, কাহিনী আৰু চেমনীয়া মনৰ আশা-আকাংক্ষা প্ৰতিফলিত হয়। ধুৰীমাগা গীত গোৱাৰ বিনিময়ত তেওঁলোকে চাউল-

ধান সংগ্ৰহ কৰি লয়। এই সংগৃহীত ধনেৰে তেওঁলোকে মাঘ বিহুৰ দিনত ভোজ-ভাত খায়।

মাঘ বিহুটো হাজংসকলৰ মাজত পুষণী পৰ্ব বুলি জনা যায়। পুহ মাহৰ শেষৰ দিনটোত ৰং-ধেমালি কৰি নানা ধৰণৰ গীত গাই নিশাটো কটায়। ৰাতি তেওঁলোকে ভেলাঘৰৰ ওচৰত বহি একেলগে ভোজ- ভাত খায়। ৰাতি মহিলাসকলে ঢেঁকীশালত পিঠাগুড়ি খুন্দিবলৈ লয়। ঢেঁকীশালৰ শব্দ আৰু চেমনীয়াবিলাকৰ গীত-মাতত ৰাতি গাঁওখন উখল্-মাখল্ হয়। পিছদিনা দোকমোকালিতে গা-পা ধুই মেজি জ্বলায়। মেজিৰ চাৰিওফালে ঘূৰি ঘূৰি পুষণীৰ গীত গায়। সেইদিনা সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুবোৰক আশীৰ্বাদ দিয়ে। হাজংসকলে পুষণীৰ দিনা নানা তৰহৰ পিঠা-পনা বনায়। নিচেই পুৱাতে প্ৰথম পিঠাটো তেওঁলোকে চৰাইবিলাকৰ বাবে উদ্দেশ্য কৰি চালৰ ওপৰলৈ দলিয়াই দিয়ে। সেই পিঠা কাউৰী বা কোনো চৰায়ে খালেহে তেওঁলোকে সন্তুষ্টি পায়। তাৰ পাছত কলপাতত তেলপিঠা মেৰিয়াই গোহালিৰ গৰুক খুৱায়। গৰুবিলাকৰ গাত আৰু শিঙত সৰিয়হ তেল ঘঁহি দি ধূপ-ধূনাৰে সেৱা কৰে আৰু পঘা খুলি দি পথাৰলৈ এৰি দিয়ে। তাৰ পাছতহে তেওঁলোকে ওচৰ-চুবুৰীয়াৰ সৈতে বিহুৰ পিঠা, দৈ, চিৰা আদি খায়।

শাওণ মাহৰ শেষৰ দিনটোত হাজংসকলৰ ঘৰে ঘৰে কানিদেও বা মনসা দেৱীৰ পূজা কৰা হয়। এই পূজাত পঠা ছাগলী, কাছ, মাগুৰ মাছ আদি বলি দিয়া হয়। তেওঁলোকৰ মাজত এই পূজা বৰত পূজা বুলিও জনাজাত।

বিজঁয়া দশমীৰ দিনটো হাজংসকলে যাত্ৰাদিন বুলি পালন কৰে। এই দিনটোত তেওঁলোকে খেতিৰ সা-সঁজুলি পৰিষ্কাৰ কৰি সেই সঁজুলিবোৰত কৰম ফুলেৰে সেন্দূৰৰ ফোঁট দি পূজা কৰে। যাত্ৰা উপলক্ষে ঘৰ-দুৱাৰ সাৰি-মচি পৰিষ্কাৰ কৰি ঘৰৰ দুৱাৰত কৰম ফুলেৰে সেন্দূৰৰ ফোঁট দিয়ে। এই দিনটোত তেওঁলোকে দৈ, চিৰা, সান্দহ, নাৰিকল আদি খায়। সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে আশীৰ্বাদ দিয়ে।

অইন জনগোষ্ঠীবিলাকৰ দৰে হাজংসকলে অম্বুবাচীও পালন কৰে। আমতি বা অম্বুবাচীৰ দিনা তেওঁলোকে দৈ, চিৰা, সান্দহ, ফল-মূল, বুকনি ভাত আৰু কেঁচা গাখীৰ খায়। তেওঁলোকৰ মতে আমতিৰ দিনা কেঁচা গাখীৰ সেৱন কৰিলে বছৰটোত সৰ্প দংশনৰ ভয় নাথাকে। আমতিত তেওঁলোকেও হাল, কোৰ মৰাৰ পৰা বিৰত থাকে।

হাজংসকলে বহাগ বিহুটো বিষুৱা বা সঙৰাণি উৎসৱ বুলি বৰ ধুম-ধামেৰে পালন কৰে। চ'ত মাহৰ শেষৰ দিনা কাপোৰ কানি, দা-কুঠাৰ, বিচনী, কুলা, চালনী, ডলা আদি ধুই দি ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে। এই দিনটোত তেওঁলোকে বিভিন্ন ধৰণৰ পিঠা-পনা বনায়। গৰুক ধূপ-ধূনাৰে সেৱা কৰি পিঠা খুৱায়। পাছত সকলোৱে মিলি-জুলি পিঠা-পনা, দৈ-চিৰা, বুকনি ভাত আদি খায়। এই দিনটোত বিভিন্ন ধৰণৰ শাক বুটলি ব্যঞ্জন বনাই খোৱাটো তেওঁলোকৰ নিয়ম। নদীত দুপৰীয়া গৰুবিলাকক গা ধুৱায়।

বিহুৰ দিনা তেওঁলোকে নিমপাতৰ পানীৰে গা ধোৱে। তেওঁলোকে নিমপাত ভাজিও খায় আৰু নিমপাতৰ সৰু ডাল ঘৰৰ দুৱাৰত আঁৰি থয়। তেনে কৰিলে বছৰটোত বেমাৰ-আজাৰ নহয় আৰু স্বাস্থ্য ভালে থাকে বুলি তেওঁলোকৰ বিশ্বাস। ইয়াৰ উপৰি হাবিৰ পৰা গৌৰ পাংখা বুলি এবিধ পৰজীৱী উদ্ভিদ আনি বাৰীৰ আম-কঠাল গছত বান্ধি থয়। তেনে কৰিলে বাৰীত সাপৰ ভয় নাথাকে বুলি তেওঁলোকে বিশ্বাস কৰে।

হাজংসকল হিন্দু ধৰ্মাৱলম্বী। তেওঁলোকৰ প্ৰতিঘৰতে হৰিথান, কানিদেও (মনসা) আৰু চণ্ডী দেওৰ থান আছে। তেওঁলোকে তুলসী গছক অতি পবিত্ৰ বুলি গণ্য কৰে। সেয়ে হৰিথানৰ তুলসীৰ তলত নিতৌ ধূপ-ধুনা দি, চাকি জ্বলাই সেৱা কৰে। এইবিলাক দেৱ-দেৱীৰ উপৰি ভালে-কুশলে থাকিবৰ বাবে তেওঁলোকে বিভিন্ন ধৰণৰ উদ্দেশ্যৰ বাবে বিভিন্ন দেৱ-দেৱীক পূজা কৰে আৰু সেইবিলাকক মানি চলে। তেওঁলোকে ঘৰৰ পূজাখিনি নিজে আৰু সমূহীয়া বাস্তু পূজা নংটাং বা পূজাৰীৰ হতুৱাই কৰে। নংটাং বা পূজাৰীক আকৌ তুলাৰাশিৰ মানুহৰ দ্বাৰা শিলজাগা পদ্ধতিৰে নিৰ্বাচন কৰা হয়।

হাজংসকল মাঘ মাহত আৰু বহাগ মাহত বাস্তু পূজা কৰে। বাস্তু পূজাত তেওঁলোকে কালি, লক্ষ্মী, শীতলা আৰু হয়গ্ৰীৱ (হাজোৰ) দেৱৰ পূজা দিয়ে, বাস্তু পূজা অৰ্থাৎ বস্তিৰ পূজা। হাজো এসময়ত হাজংসকলৰ বসতিস্থান আছিল সেইবাবে আজিও তেওঁলোকে হাজোৰ হয়গ্ৰীৱ দেৱক বস্তিৰ দেৱতা বুলি পূজা কৰে। বস্তিত যাতে সুখ-শান্তিৰে কোনো বিপদ বিঘিনি নোহোৱাকৈ বাস কৰিব পাৰে তাৰ বাবেই বাস্তু পূজা কৰা হয়।

পিঠাদেও ঃ পিঠাদেওৰ পূজা হাজংসকলৰ এক একিন নোৱৰা পূজা। পিঠাদেওৰ পূজা অধিকাৰী বা জৰা হাতলোৱা লোকৰ হতুৱাই পিঠা বনাই পূজা দিয়া হয়। এই দেও কষ্ট হ'লে ঘৰত নতুবা বিপদ-বিঘিনিয়ে দেখা দিয়ে বুলি তেওঁলোকে বিশ্বাস কৰে। ইয়াৰ উপৰি নিম্নোক্ত অপদেৱতাক তেওঁলোকে বিশ্বাস কৰে।

ম'ইলাদেও ঃ তেওঁলোকৰ মতে সৰু ছোৱালীৰ অসুখত বেমাৰ আজাৰ হৈ থাকিলে পথাৰত মইনা গছৰ তলত পাঠী ছাগলী এজনী বলি দি এই পূজা দিয়া হয়। বলিৰ মাংস পথাৰতে ৰান্ধি সৰু ছোৱালীবিলাকক খুৱায়।

পাৰনীদেও পূজা ঃ আগৰ দিনত হাজংসকলে পাৰনীদেওৰ পূজা কৰিছিল। ১৯২৫ বা ১৯৩০ চনমানলৈকে এই পূজা হাজংসকলৰ কিছুমান অঞ্চলত প্ৰচলন আছিল বুলি জনা যায়। পূজা উপলক্ষে পিঠা, মদ, ভাত আৰু কুকুৰা বা গাহৰি মাংস ভোজনৰ আয়োজন কৰা হৈছিল। এইবিলাক আয়োজনৰ দ্বাৰাই পাৰনীদেওৰ পূজা কৰা হৈছিল আৰু পূজাৰ পাছতেই ডেকা-গাভৰুবিলাকৰ নৃত্য-গীত আৰম্ভ হৈছিল। এই নৃত্য গীত চলি থকাৰ সময়তে এজন ভাৱৰীয়াই পিঠা আৰু টাংকেলিভটাটাং ফলেৰে গঁথা মালা, ডিঙিৰ পৰা আঁঠুলৈকে পৰাকৈ পিন্ধি নাচিবলৈ ধৰে। এইদৰে নাচি থাকোঁতে ভাৱৰীয়াৰ মালা কোনো ডেকা-গাভৰুৰ গাত স্পৰ্শ হ'লেই তেওঁলোকে স্বামী-স্ত্ৰী হিচাপে বস্তিৰ আগত স্বীকৃত হৈছিল। এই পাৰনী পূজাত কেইবাটাও দম্পতীৰ বিবাহ সম্পন্ন হৈছিল। ডেকা গাভৰুৰ প্ৰেম প্ৰীতিৰ নৃত্য গীত আৰু পাৰনীদেওৰ পূজা মাজৰাতিলৈকে চলিছিল। শেষত নৱ দম্পতীবিলাকে পাৰনী পূজাৰ দেউসী বা পুৰোহিতৰ ঘৰলৈ গৈ আশীৰ্বাদ লৈছিল।

হাজংসকল অতিশয় পৰিশ্ৰমী। শ্ৰমৰ মাজতেই তেওঁলোকে আনন্দ বিচাৰি পায়। বিভিন্ন ধৰণৰ কামৰ লগত জড়িত তেওঁলোকৰ গীতসমূহেই তাৰ প্ৰমাণ। আগৰ দিনত তেওঁলোকে চিকাৰলৈ গৈছিল। তেওঁলোকে তেতিয়া চিকাৰৰ গীত গাইছিল। আজিৰ দিনতো তেওঁলোকে সকলোৰে মিলি জাল, জাকৈৰে মাছ ধৰিবলৈ যায়। তেওঁলোকে মাছ মৰা উপলক্ষে জাখামাৰা গীত গায়।

ঠিক তেনেকৈ ভুই ৰুৱৰ সময়ত বোৱাৰীসকলে বোৱালাগা গীত, কাদা খেলা গীত আৰু বৰ্ষী

গান গায়। তেওঁলোকৰ মতে ভূঁই ৰুবৰ সময়ত এইবিলাক গীত গালে কামৰ গতি ক্ষিপ্রতৰ হয় আৰু দুখ-ভাগৰো পলায়। এই গীতসমূহে তেওঁলোকৰ দৈনন্দিন জীৱনত বিশেষ প্ৰভাৱ পেলায়। কথিত আছে, হাৰান্দিত ৰসী গানৰ সুৰ বজালে হেনো গাজনি ঢেৰেকণিৰে ধাৰাসাৰ বৰষুণ হয়।

হাজং মহিলাসকলে কাতিমাহৰ শেষৰ দিনা ৰাতি কাতিপূজা কৰে। কাতিপূজাত তেওঁলোকে কাতি ঠাকুৰৰ মূৰ্তিৰ চাৰিওফালে ঘূৰি ঘূৰি নৃত্য-গীত কৰে। কাতিপূজাত সন্তানহীনা তিৰোতাই সন্তানৰ বাবে প্ৰাৰ্থনা কৰিলে সন্তান লাভ কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। কাতি মাহৰ শেষৰ দিনা সন্ধিয়া সময়ত গাঁৱৰ ল'ৰাবিলাকে মৰাপাটৰ শলা একেলগে বান্ধি তাত জুই লগাই লৈ ঘৰৰ পৰা পথাৰলৈ মহ খেদি যায়। হাতে হাতে জোঁৰ লৈ ওলোৱা ল'ৰাবিলাকে হাতৰ জোঁৰ ঘূৰাই ঘূৰাই ক'বলৈ লয়— 'কাতি যায়, আঘোণ আহে, মসা মাও পোৰা যায়' বুলি। এই কথাষাৰ হাতৰ জোঁৰডালত জুই থকালৈকে মাতি থাকে। পথাৰৰ পৰা আহি সেই ৰাতিয়েই ল'ৰাবিলাকে আম-কঁঠাল গছবিলাকত কলপাতৰ শুকান ঠাৰি মেৰাই বান্ধি থয়। তেনেকৈ বান্ধি থ'লে আম-কঁঠালৰ গছত বেছিকৈ ফল লাগে বুলি তেওঁলোকে বিশ্বাস কৰে।

তেওঁলোকৰ মাজত প্ৰচলিত আৰু এবিধ গীত হ'ল বাৰমাহী গীত। এই গীতত ডাকৰ বচনৰ দৰে কিছুমান বচন গীতৰ মাধ্যমত গোৱা হয়। এই গীতৰ জৰিয়তে দৈনন্দিন জীৱনৰ বিভিন্ন ধৰণৰ অভিজ্ঞতাৰ জ্ঞান উপলব্ধি কৰিব পৰা যায়।*

---

* *প্ৰবন্ধটো যুগুত কৰি উলিয়াওঁতে ভবেশ দাসৰ 'হাজং লোক-সংস্কৃতি', ৰতন কুমাৰ ৰায় হাজঙৰ 'হাজং সমাজ আৰু সংস্কৃতিত দৃষ্টিপাত' আৰু বীৰেন হাজঙৰ* The Hajongs and their Struggle *নামৰ গ্ৰন্থৰ পৰা সহায় লোৱা হৈছে। —লেখক।*

অতীত আৰু বৰ্তমানৰ পটভূমিত ঠেঙ্গাল কছাৰীৰ ধৰ্মীয় বিশ্বাস

জ্যোতিকা বৰা

ধৰ্ম হৈছে মানৱ সমাজৰ এক বিশ্বজনীন সামাজিক সংস্থা। অতীত আৰু বৰ্তমানত বিশ্বত এনে এখন সমাজ নাই, যিখন সমাজ ধৰ্মৰ অবিহনে গঠন হৈছে বুলি ক'ব নোৱাৰি। সেয়েহে সমাজতত্ত্ববিদ Kingsly Davisয়ে কৈছিল যে — "To know or have knowledge about any one society, one must first have to know properly about the religion of that society." গতিকে ঠেঙ্গালসকলৰ বিষয়ে জানিবলৈ হ'লে প্ৰথমে এওঁলোকৰ ধৰ্ম বিশ্বাসৰ বিষয়েহে অৱগত হ'ব লাগিব।

ধৰ্ম হৈছে অলৌকিক শক্তিৰ ওপৰত ৰখা বিশ্বাস, যি বিশ্বাসৰ ভেটিত মানুহে দৈনন্দিন বা সামূহিক জীৱনত ভক্তিভাৱে কিছুমান ক্ৰিয়া কৰি যায়। Emile Durkhaim অৰ মতে "Religion as a unified system of beliefs and practices relative to sacret things, that is to say, things set apart and forbidden." গতিকে ধৰ্ম হৈছে পবিত্ৰ আৰু অপবিত্ৰ বস্তুৰ ওপৰত ৰখা বিশ্বাস, য'ত মানুহে পবিত্ৰ বস্তুবোৰক সমাজৰ পৰা শক্তিৰ মংগলজনক আৰু অপবিত্ৰবোৰক অমংগলজনক বুলি ভাবি ইয়াৰ পৰা আঁতৰত থাকে।

ঠেঙ্গালসকল হৈছে অসমৰ আদিম অধিবাসী বৃহৎ কছাৰী গোষ্ঠীৰ এটা ভাগ। কছাৰীসকলৰ বিভিন্ন ভাগ যেনে—বড়ো, ডিমাচা, ৰাভা, সোনোৱাল আদিৰ দৰে ঠেঙ্গালসকলো কিৰাত ধৰ্মী বা শাক্ত ধৰ্মী। অতীতত এওঁলোকৰ ধৰ্ম বিশ্বাসৰ পথাৰখনৰ পৰিসৰ বহল আছিল। এওঁলোক বিভিন্ন দেৱ-দেৱী আৰু উপৰিপুৰুষ (ancestor)ক পূজা কৰিছিল, যিসকলে এওঁলোকৰ আচৰণক নিয়ন্ত্ৰণ কৰে বুলি ভাবিছিল। বিভিন্ন দেৱ-দেৱীৰ ভিতৰত সদাশিৱক (শিৱ) মুখ্য দেৱতা হিচাপে মানিছিল। এওঁয়েই বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা বুলি ভাবিছিল।

ঠেঙ্গালসকলে পবিত্ৰ স্থান হিচাপে 'ৰকনামঘৰ', 'নামঘৰ', আৰু 'থান' বা 'শাল'তেই বিভিন্ন ধৰণৰ ধৰ্মীয় কাৰ্য সম্পাদন কৰে। নদী বা পুখুৰীৰ পাৰত, গছৰ তলতো কিছুমান পূজা-পাতল কৰিছিল।

তদুপৰি ধৰ্মীয় বিশ্বাসত 'টোপোলা বন্ধা' প্ৰক্ৰিয়াটোও মন কৰিবলগীয়া। ঘৰত অপায়-অমংগল বা বেমাৰ-আজাৰ হ'লে নিৰ্দিষ্ট দেৱতালৈ নাম-কীৰ্তন বা পূজা-সবাহ কৰিম বুলি আগলি কলপাতত এটা পইচা, চাউলকেইটামান আৰু থুৰিয়া তামোল আদি দি ধূপ জ্বলাই প্ৰাৰ্থনা কৰি শপত খাই টোপোলা বান্ধি বৰঘৰৰ চালত খুঁচি থয়। এওঁলোকে বিশ্বাস কৰে যে এনে কৰিলে নিৰ্দিষ্ট দেৱতাজনৰ কুদৃষ্টিৰ পৰা ৰক্ষা পৰে। পূজা বা সবাহ কৰাৰ পাছত টোপোলাটো খুলি পেলায়।

এওঁলোকৰ সমাজত ব্যক্তি, পৰিয়াল আৰু গাঁৱৰ মংগলৰ কাৰণে ৰাজহুৱা (Public worship) আৰু ঘৰুৱাভাৱে (Household) পূজা বা সবাহ কৰিছিল। পানী তোলা সবাহ, গোসাঁনী বা আই চাউল খোৱা, চুৱা উটোৱা, পূজা-সবাহ আদি গাঁৱৰ মংগলৰ কাৰণে ৰাজহুৱাভাৱে পাতিছিল আৰু পৰিয়ালৰ সদস্যসকলৰ মংগলৰ বাবে মৃতকক দিয়া (Ancestor worship), পিৰ-দিয়া, ভিতৰ-সকাম, লখিমী সেৱা, বাইথ' পূজা, গা-ডাঙৰীয়া, যখিনী পূজা, আই-সবাহ আদিকে কৰি ঘৰুৱাভাৱে কৰিছিল। তলত এইবোৰৰ চমু বিৱৰণ দিয়া হ'ল।

পানী তোলা সবাহ ঃ

জেঠ মাহত তিনিদিনীয়াকৈ এই পানী তোলা সবাহ নামঘৰত পাতে, তিনিজনী এঁৱা ছোৱালীক উপবাসে ৰাখি বগা সাজ-পাৰ পিন্ধাই ভকত আৰু গোপিনীসকলে গোসাঁই নাম আৰু ঢোল-খোল বজাই নদী বা পুখুৰীৰ পানী তুলি আনি নামঘৰৰ চাৰিওফালে তিনি পাক ঘূৰাই, পানী ছটিয়াই শেষত মণিকূটত ৰাখি থয়। এনেদৰে তিনিদিন ধৰি শেষৰ দিনা মাহ-প্ৰসাদেৰে সবাহ পাতে আৰু কলপতুৱাৰ ভুঁৰ সাজি চাকি জ্বলাই গায়ন-বায়ন, নাম আদি গাই নদীত উটুৱাই দিয়েগৈ। কিছুমান গাঁৱত ভুঁৰখনত পাৰ চৰাই এৰি দি সেই ভুঁৰখন উটুৱাই দিয়ে।

গোসাঁনী বা আই চাউল খোৱা ঃ

গোসাঁনী বা আই হ'ল দুৰ্গা আৰু পাৰ্বতী। গাঁৱত যাতে বছৰটোলৈ গোসাঁনীৰ কুদৃষ্টি নপৰে তাৰ বাবে ৰাইজে আইৰ সন্তুষ্টিৰ বাবেই জেঠ মাহত পুখুৰী বা নদীৰ পাৰত এই গোসাঁনী সবাহ পাতে। এই সবাহৰ কাৰণে এটা বগা হাঁহ আৰু মাহ-প্ৰসাদেৰে সৈতে অন্যান্য বস্তুৰ প্ৰয়োজন। বস্তুবোৰ ৰান্ধি এযোৰ আগলি কলপাতত গোসাঁনীলৈ আগবঢ়াই দিয়া সামাজিক নিয়ম।

চুৱা উটোৱা সবাহ ঃ

এই সবাহ হৈছে ঠেঙ্গালসকলে ৰাজহুৱাভাৱে পতা শেষ সবাহ। আহাৰৰ যাঁঠ লগাৰ পাছত গাঁৱৰ সকলো ৰাইজ নামঘৰৰ ওচৰত গোট খাই চুৱা উটোৱা সবাহ পাতে। এই সবাহৰ অৰ্থ হৈছে— আহাৰৰ যাঁঠৰ সময়ত ধৰিত্ৰী আইৰ লগতে সকলো বস্তু অপবিত্ৰ (চুৱা) হৈ থাকে। সেয়েহে পবিত্ৰ হোৱাৰ অৰ্থে চুৱা উটুৱাই এই সবাহৰ বাবে পাৰ চৰাই এযোৰ, গাখীৰ, গুৰ, চেনি, চাউল আৰু মাহ-প্ৰসাদৰ প্ৰয়োজন। এই সবাহৰ পিছতেই বছৰটোলৈ ৰাইজে ৰাজহুৱাভাৱে কৰা সবাহৰ সামৰণি মাৰে।

মৃতকক দিয়া ঃ

পৰিয়ালৰ সদস্যসকলৰ মংগলৰ হেতুকে পূৰ্বপুৰুষ তথা মৃত পিতৃ-মাতৃৰ সন্তুষ্টিৰ অৰ্থে যি পূজা কৰে তাকে মৃতকক দিয়া বোলে। ন-ৰোৱা আৰু ন-খোৱাৰ দিনা, বিহুৰ দিনা, বিয়াত আৰু কেতিয়াবা বেমাৰ-আজাৰ হ'লেও মৃতকক দিয়ে। এই পূজা সকলো ঠেঙ্গাল পৰিয়ালেই কৰে। পূজাত আমৰলিয়া হাঁহ নতুবা কণী নপৰা ৰাঙলী কুকুৰা, শ'ল-শাল মাছ বা গৰৈ মাছ, মদ আৰু জা-জলপান

আদিৰ প্ৰয়োজন। ঘৰৰ গৃহস্থ-গৃহস্থনীয়ে উপবাসে থাকি বস্তুবোৰ বান্ধি ঘৰখনৰ বাহিৰৰ চোতালত, পূবফালে ন-খিলা পাত পাৰে ন-পুৰুষলৈ বুলি। তাত সকলো বন্ধা বস্তু দি জুলি থকা খৰি এডাল পাতবিলাকৰ ওপৰত ঘূৰাই ঘূৰাই এই বুলি কয়—

'বেৰেও নাৰাখে চালেও নাৰাখে

নাৰাখে সহোদৰ ভাই

মৰা মৃতকে ৰাখিব নোৱাৰিলে

ৰাখোতা কোনোৱেই নাই।'

পিৰ দিয়া ঃ

ঠেঙাল কছাৰী সমাজত মৃতকক দিয়াৰ অন্য এটি প্ৰক্ৰিয়া হ'ল পিৰ দিয়া। ন খোৱা আৰু ন খোৱাৰ দিনা ৰাতিপুৱা চোতালত কল, চাউল, গাখীৰ, চেনি আৰু মদ আদি এটা খোলাত সজাই মৃত ব্যক্তি থিতো পাৰে মৃতকলৈ আগবঢ়ায় আৰু তাৰ পাছত খোলকেইটা গছৰ তলত বা পুখুৰীৰ পাৰত থৈ আহে।

বাইথ' পূজা ঃ

এই পূজা আকৌ কিছুমান ঠেঙাল পৰিয়ালেহে পাতে। জেঠ মাহত এজোপা গছৰ তলত (য'ত প্ৰতি বছৰেই পাতে ইয়াক শাল বুলিও কোৱা হয়) পৰিয়াল তথা বংশৰ সকলো মানুহ গোট খাই এই পূজা পাতে। এযোৰ মুগা বৰণীয়া হাঁহ, ১২০টা বগা কুকুৰা, পিঠাগুড়ি, আখৈ, কলাইৰ গুড়ি, মদ, তামোল-পাণ আদিৰ প্ৰয়োজন। পৰিয়ালৰ মুৰব্বীজনে (দেউৰাই) পূজাৰ সকলো কাম কৰে। বিশেষকৈ বছৰটোত যাতে পৰিয়াল তথা বংশৰ কোনো ব্যক্তিয়েই ভূত প্ৰেত আদিৰ কু-দৃষ্টিত নপৰে তাৰ বাবে শিৱ-পাৰ্বতী আৰু শিৱ-পাৰ্বতীৰ লিগিৰা লিগিৰীবোৰৰ সন্তুষ্টিৰ কাৰণেই এই পূজা কৰে।

ভিতৰ সকাম ঃ

এই ভিতৰ সকামো সকলো ঠেঙালী পৰিয়ালে নকৰে। ঘৰত যাতে অপায় অমংগল নহয় তাৰ বাবে শিৱ-পাৰ্বতীক উদ্দেশ্যি এই সকাম জেঠ মাহত পাতে। মুগা হাঁহ, বাউলী কুকুৰা, মদ, পিঠাগুড়ি, আখৈ, সান্দহ, পায়স আদিৰ প্ৰয়োজন এই সকামৰ বাবে। ঘৰৰ মুৰব্বীজনে বগা বস্ত্ৰ পৰিধান কৰি ঘৰখনৰ ভিতৰত ভিতৰ সকাম পাতে। ঘৰখনৰ ভিতৰত পতাৰ কাৰণেই এই সকামক ভিতৰ সকাম বোলা হয়।

লখিমী সেৱা ঃ

যিবিলাক ঠেঙাল পৰিয়ালৰ ঘৰত লখিমী শাল (altar of Siva, Parbati and Laksmi) থাকে তেওঁলোকে এই পূজা কৰে। পৰিয়ালৰ মংগলৰ কাৰণেই এই সকামত শিৱ পাৰ্বতী আৰু লক্ষ্মীক সন্তুষ্ট কৰিবৰ কাৰণেই জেঠ মাহত পাতে। এটা বগা হাঁহ, তিনিজনী কলী নপৰা বাউলী কুকুৰা, কেঁচা-পিঠা, মদ আদি এই পূজাৰ বাবে প্ৰয়োজন। লখিমী শালৰ কাষত কেঁচা পিঠাৰে মণ্ডল সাজি হাঁহ, কুকুৰাৰ তেজ ছটিয়ায়, পাছত মাংস বান্ধি ঘৰখনৰ ভিতৰত ন-খিলা পাত পাৰি বস্তুবোৰ পাতত সজাই শিৱ-পাৰ্বতী, লক্ষ্মী আদিলৈ আগবঢ়াই দিয়ে।

গোহালিত দিয়া পূজা ঃ

খেতিৰ কাৰণে পথাৰত হাল জোৰাৰ আগতেই খেতিৰ দিনত যাতে গৰু-মহবোৰৰ কোনো বেমাৰ-আজাৰ নহয় তাৰ বাবে শিৱক উদ্দেশ্যি এই পূজা পাতে। কিছুমানে কানি, ভাং আৰু কিছুমানে কেঁচা পিঠা, কল, ভাং দি এই পূজা কৰে।

গা-ডাঙৰীয়া পূজা ঃ

এই পূজাত গৰ্ভৱতী অৱস্থাত মাতৃ আৰু সন্তানৰ যাতে কোনো অপায়-অমংগল নহয় তাৰ বাবে গা-ডাঙৰীয়ালৈ (one kind of male deity who gives protection to body) এটা মুগা বৰণীয়া হাঁহ আগ কৰি থয়। সন্তান জন্মৰ পাছত ভকত মাতি একলহ মদ আৰু হাঁহটো ৰান্ধি গা-ডাঙৰীয়ালৈ আগবঢ়াই দিয়ে।

ভঁৰালত দিয়া পূজা ঃ

লক্ষ্মীৰে যাতে গোটেই বছৰটো ভঁৰাল উভৈনদী হৈ থাকে তাৰ বাবে লক্ষ্মীলৈ বুলি মাঘ, ব'হাগ আৰু কাতি বিহুৰ দিনা এই পূজা ভঁৰালত দিয়া হয়। কিছুমান পৰিয়ালে কেঁচা পিঠা, কল, মাহ-প্ৰসাদেৰে আৰু কিছুমানে চাউল, কল আৰু কণী দিয়ে। অৱশ্যে কিছুমান পূজাও পৰিয়ালে মাঘৰ বিহুত ভঁৰালত দিয়াত হাঁহ আদিও আগবঢ়ায়।

যখ-যখিনী পূজা ঃ

হঠাতে পৰিয়ালত কোনোবাই দাঁত-মুখ কামুৰি চকু পকাই ক'ব নোৱাৰা হৈ গ'লে যখ -যখিনী (one kind of evil spirit) পূজা কৰিম বুলি টোপোলা বান্ধি থয়, যাতে অসুখ ভাল হয়। পাছত সুবিধা অনুসৰি হাবিৰ মাজত ডাঙৰ মতা কুকুৰা এটা, মদ আদি দি পূজা কৰে আৰু খেৰৰ মানুহ সাজি ফটা কাপোৰ পিন্ধাই কুকুৰাৰ পেটু ডিঙিত ওলোমাই দিয়ে আৰু ওচৰতে ভগা জাকৈ আৰু খালৈ এটা ৰাখি থয়।

আই সবাহ ঃ

গাঁৱত বা ঘৰত কাৰোবাৰ বসন্ত ওলালে এই সবাহ মহিলাসকলে পাতে। কিছুমান পৰিয়ালে মাহ- প্ৰসাদ দি আৰু কিছুমান পৰিয়ালে এটা মুগা বৰণীয়া হাঁহ, কেঁচা পিঠা, ভজা পিঠা, পায়স আদিৰে দি এই সবাহ পাতে। বৰঘৰৰ ভিতৰত কেঁচা পিঠাৰ মৰল সাজি ন-খিলা কলপাত, ন-গৰাকী আই (যেনে—অম্বিকা, চণ্ডিকা, ভৱানী, কালিকা, তৰাদৈ, চম্পাদৈ, জলেশ্বৰী, ফুলেশ্বৰী আৰু নাগেশ্বৰী) লৈ পাৰি তাত বস্তুবোৰ সজাই দিয়ে আৰু আইনাম গায়।

এইবোৰৰ উপৰি লখিমী সবাহ (ন-ধান দোৱাৰ আগতে কাতি মাহৰ পূৰ্ণিমাৰ দিনা বা লক্ষ্মী পূজাৰ দিনা কেঁচা পিঠা, কল আদিৰে নাম গাই এই সবাহ পাতে। [প্ৰকৃততে লখিমী আইক (নতুন ধান) পথাৰৰ পৰা ঘৰলৈ আদৰি অনাৰ সবাহ—অপেশ্বৰী সবাহ। (ঘৰত কোনোবা তোলনী বিয়া নোহোৱা ছোৱালী থাকিলে অথবা শুকাই খীণাই গ'লে অপেশ্বৰীৰ দোষ বুলি ভাবি অপেশ্বৰীৰ সন্তুষ্টিৰ কাৰণে দুপৰীয়া ঘৰৰ চোতালত গোপিনীসকলে কল, গাখীৰ, চেনি আৰু পিঠাগুড়িৰে এই সবাহ পাতে।] আয়ুস তোলা (সপোনত ঘৰৰ কাৰোবাক পানীত পৰা দেখিলে আয়ুস তোলে), শনি আৰু মংগল গ্ৰহৰ চাউল খোৱা, ইত্যাদিবোৰো ঠেঙ্গাল সমাজত প্ৰচলিত।*

---

* লখিমপুৰ জিলাৰ বঙ্গালমৰা ঠেঙ্গাল, মৰানৈ ঠেঙ্গাল, কাৰৈমাৰী গাঁও আৰু যোৰহাট জিলাৰ তিতাবৰ ৰেবেজীয় কছাৰী গাঁৱৰ ওপৰত অধ্যয়ন চলাই এই প্ৰবন্ধটো যুগুত কৰা হৈছে। —লেখিকা

নবম অধ্যায়

বিবাহ উৎসব

বড়ো সমাজৰ বিবাহ-পদ্ধতি

ৰত্নেশ্বৰ বসুমতাৰী

বিবাহ, মানৱ জাতিৰ যুৰীয়া জীৱন গঢ়াৰ এক সামাজিক প্ৰথা। ই ব্যক্তিৰ পৰা সামাজিক স্তৰলৈ উত্তৰণ লাভ কৰা এক গুৰুত্বপূৰ্ণ সামাজিক স্বীকৃতি।এই সামাজিক স্বীকৃতিৰে মানুহৰ মাজত পাৰম্পৰিক মানৱীয় আৰু সামাজিক সম্পৰ্ক সুসংগঠিত ৰূপত গঢ়ি তুলি এটা পৰিয়ালৰ এগৰাকী লোকে বিবাহ-প্ৰথাৰ দ্বাৰা অন্য এটা নতুন পৰিয়ালৰ এক নাৰীৰ সৈতে নতুন যুৰীয়া জীৱনৰ পাতনি মেলে। এই সামাজিক প্ৰথাৰে ব্যক্তি আৰু সমাজৰ মাজত সুসম্বন্ধৰে এই বিবাহৰ যোগেদি মানৱ সমাজে বংশ বৃদ্ধিৰে সৃষ্টি-বিস্তৃতিতো অৰিহণা যোগাই আহিছে।

আমি আলোচনা কৰিবলৈ লোৱা বড়ো বিবাহ-পদ্ধতিৰ বিয়াৰ বড়ো প্ৰতিশব্দ হ'ল 'হাবা'। বিয়াৰ জৰিয়তে নৰদম্পতীহালে সংসাৰ-সাগৰত সাঁতুৰিবলৈ গি অৰ্থত গধুৰ আৰু জটিল দায়িত্ব বহন কৰে, সেই ফালৰ পৰা চাবলৈ গ'লে বড়ো ভাষাৰ 'হাবা' শব্দটোৰ অন্তৰ্নিহিত অৰ্থ বৰ বহল, গভীৰ আৰু তত্ত্বপূৰ্ণ। আপাত দৃষ্টিত বড়োৰ 'হা' আৰু 'বা' এই দুটা শব্দৰ সমাহাৰেই হৈছে 'হাবা' (বিয়া)। ইয়াত 'হা' মানে মাটি বা ভূমি আৰু 'বা' মানে বোকোচাত লোৱা বা পিঠিত বহন কৰা বা দায়িত্ব লোৱা। অৰ্থাৎ —'হাবা' শব্দৰ তাত্ত্বিক দিশ হ'ল সমুদ্ৰসদৃশ বিশাল সংসাৰ এখনৰ ভাৰ দৰা-কন্যাই বহন কৰা। এহাল নৱদম্পতী পুৰুষ-নাৰীয়ে শুভমিলনৰ জৰিয়তে গভীৰ সংসাৰ-সাগৰত ডুব মৰাই হ'ল 'হাবা' বা বিয়া।

সাধাৰণতে বড়োসকলে সাত প্ৰকাৰৰ প্ৰথাৰে বিবাহ-কাৰ্য সমাধা কৰা দেখা যায়। যেনে— (১) সমাজৰ দস্তুৰ মতে হোৱা বিবাহ, (২) ঘৰজোঁৱাই ৰাখি দিয়া বিবাহ, (৩) ছোৱালীয়ে গা যাচি ঘৰ সোমোৱা বিবাহ, (৪) ঢোকা প্ৰথাৰে কৰা বিবাহ, (৫) ছোৱালী টানি লৈ গৈ কৰোৱা বিবাহ, (৬) ছোৱালী পলুৱাই নি কৰোৱা বিবাহ আৰু (৭) বিধবাৰ পুনৰ বিবাহ প্ৰথাই প্ৰধান।

উল্লিখিত বিবাহসমূহৰ ভিতৰত সমাজৰ দস্তুৰ মতে হোৱা বিবাহ, ঘৰজোঁৱাই ৰাখি দিয়া

বিবাহ, ছোৱালীয়ে গা যাচি ঘৰ সোমোৱা আৰু ঢোকা প্ৰথাৰে হোৱা বিবাহক সমাজস্বীকৃত বিবাহ বুলি কোৱা হয়। বাকী, ছোৱালী টানি লৈ গৈ কৰোৱা বিবাহ আৰু ছোৱালী পলুৱাই নি বিবাহ কৰোৱা পদ্ধতিক সমাজ-স্বীকৃত বিবাহ বুলি নাকৈ অবৈধ কাৰ্য বুলি ধৰে। তলত এই বিয়াৰ বিষয়ে কিছু আলোচনা কৰা হ'ল।

সামাজিক দস্তুৰ মতে হোৱা বিবাহ ঃ

এই বিবাহ-পদ্ধতি সামাজিক নিয়ম মতে হোৱা বিবাহ-পদ্ধতি। এই নিয়ম মতে বড়ো সমাজত এনে বিবাহৰ বাবে দৰাপক্ষৰ ফালৰ পৰা কন্যাপক্ষৰ লগত আনুষ্ঠানিকভাৱে প্ৰথমতে আলোচনা-বিলোচনা কৰি লোৱা হয়। এই বিবাহ-পদ্ধতি বড়ো সমাজত ঠাইবিশেষে কিছু প্ৰভেদ থাকিলেও সাধাৰণতে কন্যা অনাৰ নামত দৰাপক্ষই কন্যাপক্ষৰ বাইজক গা-ধন দিবলগীয়া হয়। তাকে ছোৱালীক দিয়া সাধন বুলি কোৱা হয়। কন্যাৰ গা-ধনৰ পৰিমাণ আগতে ঠাইবিশেষে ১০০ টকাৰ পৰা ১২০ টকা পৰ্যন্ত লোৱা নিয়ম প্ৰচলিত আছিল। আজিকালিও ঠাইবিশেষে কন্যাৰ গা-ধনৰ নামত উক্ত হাৰতকৈ কম বেছি পৰিমাণৰ গা-ধন লোৱা দেখা যায়। এই বিয়া দুই ধৰণেৰে সমাপন কৰা হয়। এটা অনাড়ম্বৰভাৱে, আনটো অতি ধুমধামেৰে। উল্লেখযোগ্য যে এই পদ্ধতিৰ বিয়াত 'বৈৰাথীয়ে' কন্যাপক্ষ আৰু দৰাপক্ষৰ মানুহৰ মাজত তামোল পাণ, চাহ-জলপান বিতৰণ কৰে। ধুমধামেৰে হোৱা আনুষ্ঠানিক বিয়াত কন্যাক জোৰোণ দিয়া নিয়ম— যিটো অন্যান্য অসমীয়া ভাষী সমাজতো প্ৰচলিত। কন্যাক জোৰোণ পিন্ধোৱাৰ বাবে দৰাঘৰীয়াই কন্যাঘৰলৈ গৈ কন্যাৰ গাঁৱৰ বাইজক তামোল পাণ, মদ পানী খুৱাই জোৰোণৰ কাম সমাধা কৰিব লাগে। এনে বিয়াত দৰাঘৰীয়াই কন্যাৰ পিতৃ মাতৃ, কন্যাৰ আপোন সম্বন্ধ তথা গাঁৱৰ প্ৰতিঘৰ মানুহৰ মুৰব্বীজনক এটি তামোল আৰু এখিলা পাণ বটাত দি সেৱা কৰি মান ধৰা হয়। তাকে বড়ো ভাষাত 'গয়থাও' দিয়া বুলি কয়।

এই সামাজিক নিয়মমতে হোৱা বিয়াত কন্যা চাৱলি হোৱাৰ পৰা বিবাহকাৰ্য সমাপন হোৱালৈকে নানা নীতি-নিয়ম, জনবিশ্বাস, গীত-মাত আছে। কন্যাৰ গা ধন দিয়াৰ পাছতে 'থাখাচুনি' দিয়া নিয়ম। ইও এই সামাজিক বিবাহ পদ্ধতিৰে এক অবিচ্ছেদ্য অংশ। 'থাখাচুনি' বুলি কোৱা মানে কন্যাই দৰাৰ ঘৰলৈ আহি দৰাক নিজ হাতে বান্ধি-বাঢ়ি ভাত খুৱাই সেইদিনাৰ পৰা দৰাৰ পৰিয়ালৰ বাকচনি ঘৰত প্ৰৱেশ কৰি গৃহিণীৰ অধিকাৰ পায়। উল্লেখযোগ্য যে 'থাখাচুনি' দিয়াৰ নিশাই 'ফুলশয্যা' দিয়া হয়। এইখিনিতে বিশেষভাৱে উল্লেখযোগ্য যে বড়োসকলে বিভিন্ন ধৰ্ম গ্ৰহণ কৰাৰ ফলত বিশেষকৈ বাথৌধৰ্মী, ব্ৰহ্মধৰ্মী আৰু খ্ৰীষ্টানধৰ্মী হোৱাৰ ফলত বড়ো সমাজত সম্প্ৰতি এই বিবাহ-পদ্ধতি বেলেগ বেলেগ হোৱা দেখা যায়।

বড়োসকলৰ আগৰ দিনৰ সমাজত বিয়াৰ কাৰণে ছোৱালী চাবলৈ গ'লে কন্যাঘৰীয়াই বৰঘৰীয়াক লাগে লাগে সম্মতি নিদিছিল। বিয়াৰ কাৰণে মতামত জানিবৰ বাবে প্ৰকাশ্যে কথা-বতৰা হোৱাৰ পাছত কন্যাঘৰীয়াৰ সম্মতি জানিবলৈ কন্যাঘৰীয়াৰ বৰঘৰৰ চালত এপাত খাৰু খুঁচি থৈ অহাৰ প্ৰথা আছিল। তাকে বড়ো ভাষাত 'আখ্ৰন সেকনায়' বা খাৰু খুঁচি থোৱা বুলি কয়। বৰঘৰীয়াই কন্যাঘৰীয়াৰ চালত খাৰু খুঁচি থ'ব খোজোতে যদি কন্যাঘৰীয়াই অ-সম্মতিসূচক ভাব প্ৰকাশ কৰে বা বাধা দিয়ে, বৰঘৰীয়াই তেতিয়া এটি যোজনাৰে উত্তৰ দিয়ে—

'থেন থেকাবিয়া থেবাথেফাৰী

গুমা দাওৰায়া হাবা জায়ৌ।'

ইয়াৰ অৰ্থ ঃ টেপ টেপাৰিয়ে টেপ টেপায়, ফৰিঙৰ বিয়া হয়। পথাৰৰ শুকান ঘাঁহনিত থকা সামান্য ফৰিঙে নিজৰ পাখি নিজে কোবাই লৈ বিয়া কৰি লয় আৰু মানুহে ঢোলে-দগৰে আহি বিয়া কৰি নিব খুজিলেও বিয়া দিব নোখোজে।

বিয়াৰ দিন-তাৰিখ থিৰাং হ'লে আগৰ দিনত আৰু আজিকালিও ঠাইবিশেষে অৱস্থাসাপেক্ষে কন্যাঘৰীয়াই বৰঘৰীয়াৰ পৰা বিয়াত ভোজ-ভাতৰ বাবে মাছ-মঙহ, শাক-পাচলি দাবী কৰে। তেতিয়া বৰঘৰীয়াই যোজনা এফাঁকি কৈ এনে খৰচ দিয়াৰ পৰা গা সাৰিবলৈ চেষ্টা কৰে এই বুলি—

'মৌইথা মেগং ছিংগ্রিদাবা
ছাই নঙা দৌবা ফাথ্রা
এংখুৰ খাৰিয়াও অনদ্‌লাঞ্জাও
হীগীন আৰীমা।'

ইয়াৰ অৰ্থ ঃ মেস্তা টেঙাৰ শাক, শিঙিৰি টেঙাৰ শাক, কাপোৰৰ আঁচলত লৈ, খুদ চাউল আঞ্জাত দি পিঠাগুৰিৰ আঞ্জা ৰান্ধি দিলেও নহ'ব জানো? অৰ্থাৎ—মাছ মঙহ, আলু-দাইল কিয়নো লাগিছে? নিজে খেতি কৰা নিজৰ বাৰীত থকা শাক পাচলিৰে, পিঠাগুৰিৰ আঞ্জাৰে খুৱালে নহ'ব জানো?

আগৰ দিনত বৰো-কছাৰী সমাজত সাতদিন, সাতৰাতি বিয়া উপলক্ষে খোৱা-লোৱা কৰি গীত গাই, আমোদ-প্ৰমোদ, ৰং-ৰহইচ কৰাৰ নিয়ম আছিল। আজিকালি অভাৱ-অনাটন হোৱা হেতুকে খোৱা-লোৱা, ৰং-ৰইহচৰ পৰিমাণ একেবাৰে কমি আহিছে।

আদিমধৰ্মী বড়ো-কছাৰীসকলে বিয়াত চিফুং বাঁহী, জোথা, গগণা, খঞ্জৰী আদি কিছুমান বাদ্যযন্ত্ৰ বজাই গীত গায় আৰু নাচে। তেওঁলোকৰ গীতবোৰৰ ভিতৰত বিয়াৰ বতৰক লৈ, খোৱা-লোৱাৰ ত্ৰুটিক লৈ আঙুলিয়াই দি গোৱা গীত, নীতি বচনক লৈ গোৱা গীত, সৌন্দৰ্যৰ প্ৰতি আঙুলিয়াই দি গোৱা গীতেই প্ৰধান। বতৰক লৈ গোৱা গীত এটি এনে—

'হাবা জেংলাব্ জেংলাব্
অ' আয়ৈ জেংলাব
ছানবা গীলাওনি দিনাও।
অ' আয়ৈ দিনাও।'

ইয়াৰ অৰ্থ ঃ বিয়া জেংলাব জেংলাব অ' আই ! জেংলাব দীঘলীয়া দিনত অ' আই দীঘলীয়া দিনত।

উল্লেখযোগ্য যে আগৰ দিনত বড়ো-কছাৰীসকলে বিয়া-বাৰুৰ সকাম-নিকামৰ কাৰ্য সম্পন্ন কৰিবলৈ ফাগুন মাহক দীঘলীয়া দিন আৰু শুভ দিনৰ মাহ বুলি ধৰিছিল। সেইমতে ফাগুন মাহত বিবাহ আদি শুভ কাৰ্য সমাপন কৰিছিল।

বিয়াৰ দিনা খোৱা-লোৱাৰ আলপৈচান ধৰাৰ ত্ৰুটি-বিচ্যুতি হোৱাৰ প্ৰতি আঙুলিয়াই দি গোৱা গীত নানা ৰকমৰ পোৱা যায়। তলত তাৰে দুটামান গীত উল্লেখ কৰা হ'ল। আচলতে বড়ো-কছাৰীৰ বিবাহৰ নিয়মবোৰ পিতৃপ্ৰধান যদিও আদিমধৰ্মী বড়ো-কছাৰীৰ বিবাহৰ কিছুমান নিয়ম আৰু

গীতবোৰৰ পৰা মাতৃপ্ৰধান নিয়মৰ প্ৰভাৱো পৰিলক্ষিত হয়; কিয়নো বিয়াৰ দিনা কন্যাপক্ষৰ সকলো কটু কথা-বতৰাকে বৰঘৰীয়া বা বৰে ধৈৰ্যসহকাৰে সহ্য কৰি চলিবলগীয়াত পৰে। এইবোৰ বিয়াৰ গীত-মাতত প্ৰকাশ পাইছে এনেদৰে—

'উখুম বেছানি ছিলিমালা,
অ' আয়ীই ! ছিলি মালা।
মাঁই, ছৌবা মাঁজাং।
নাংনি হাবানি জৌবালায়
সেলেমা, মেলেমা।
অ' আয়ীই মেলেমা।'

ইয়াৰ অৰ্থ হ'ল ঃ ছালৰ বেছাৰ ছেলা ঐ অ' আই ! ছেলা। অ' ভাল মতা (দৰা), তোমাৰ বিয়াৰ মদ মুখত নালাগে, নোজোৰে।

কামৰূপ আৰু দৰং জিলাৰ আদিমধৰ্মী বড়ো-কছাৰীসকলৰ বিবাহ উৎসৱ উপলক্ষে 'বাৰলাম্ফা' নামৰ দুজন নৰ্তক থাকে। বিয়াৰ দিনা দৰাপক্ষই কন্যা আনিবলৈ গ'লে কন্যাঘৰলৈ দুজন নৰ্তক লৈ যাব লাগে। যোৱাৰ সময়ত আয়াইসকলে নানা গীত গাই বাৰলাম্ফাক নচুৱাই লৈ যোৱাৰ নিয়ম। অৱশ্যে নাচিবলৈ ইচ্ছা থকা তিৰোতাসকলেও এই দুজনৰ লগত সহযোগ কৰি নাচে। বাৰলাম্ফাই নচাৰ লগে লগে আন আন মুনিহ-তিৰোতাসকলেও নাচিবলৈ ধৰে। তলৰ গীতফাকিয়েও তাকে প্ৰমাণ কৰে—

'মা দুং দুং
বাৰলাম্ফায়া মাঁমাদাং
বযবী মাঁসদাং'

ঘৰজোঁৱাই ৰাখি দিয়া বিবাহ ঃ

এই বিবাহো বড়ো সমাজৰ এক সমাজস্বীকৃত বিবাহ-পদ্ধতি। ছোৱালী, দৰাৰ ঘৰলৈ প্ৰদান নকৰি দৰাক ছোৱালীৰ পিতৃৰ ঘৰত জোঁৱাই হিচাপে থাকি সংসাৰ কৰিবলৈ সম্মতি প্ৰদান কৰা পদ্ধতিকে ঘৰজোঁৱাই ৰাখি দিয়া বিবাহ বোলা হয়। বড়ো ভাষাত তাকে 'খাৰজিয়া লাখিনায়' বুলি কয়। বড়ো পৰিয়াল এটাই দুটা কাৰণত ছোৱালী সন্তানৰ বাবে ঘৰজোঁৱাই ৰাখি ছোৱালীক বিয়া দিয়ে। প্ৰথম কাৰণ হৈছে—পুত্ৰ সন্তান নথকা পৰিয়ালে ছোৱালীজনীৰ কাৰণে ঘৰজোঁৱাই ৰাখি তেওঁলোকৰ উৎপাদন আৰু উপাৰ্জনৰ দ্বাৰা যাৱজ্জীৱন পোহপাল যায়। দ্বিতীয় কাৰণটো হৈছে— ছোৱালীজনীৰ পৰিয়ালটোৰ ভৱিষ্যতে আৰ্থিক সংস্থাপনত সহায় পাবৰ কাৰণে আৰু ছোৱালীজনীৰ বিবাহিত জীৱন সুখময় হ'বৰ কাৰণে ছোৱালীজনীৰ বাবে ঘৰজোঁৱাই ৰাখি বিয়া দিয়া হয়।

ঘৰজোঁৱাই থাকিবলৈ সন্মত হোৱা ডেকা ল'ৰাজনে ঘৰজোঁৱাই থাকিবৰ সময়ত তেওঁৰ পক্ষে এজন ওবাৰিছ চিনাক্ত কৰি দিব লাগে। সমাজত স্বীকৃতি পোৱা যিকোনো সন্মানীয় মানুহক এনে ওবাৰিছ কৰিব পাৰে। ওবাৰিছে ঘৰজোঁৱাই থাকিব খোজা ডেকাজনৰ সপক্ষে ঘৰজোঁৱাই থকাৰ বাবে সকলো সুবন্দবস্ত কৰি দিয়াৰ দায়িত্ব ল'বলগীয়া হয়। আনকি ডেকাজনৰ স্বভাব-চৰিত্ৰ সম্পৰ্কেও ওবাৰিছ দায়ী হ'বলগীয়া হয়। ঘৰজোঁৱাই থকাৰ সকলো বন্দবস্ত হোৱাৰ পাছত ডেকা ল'ৰাজনে

এবছৰৰ কাৰণে বিনা চৰ্তত ছোৱালীৰ ঘৰত কাম-কাজ কৰি খাটি দিয়াৰ নিয়ম। এবছৰৰ সময়ছোৱাত ঘৰজোঁৱাই থকা ডেকাজনৰ স্বভাৱ-চৰিত্ৰ, খেতি-বাতিৰ কাম-কাজ কৰাত ভাল হ'লেহে আৰু বিশ্বাসযোগ্য হ'লেহে ঘৰজোঁৱাইৰ লগত ছোৱালীজনীক বিয়া দিয়ে। অন্যথা নাকচ কৰা হয়। পুত্ৰ সন্তানহীন পৰিয়ালে এইদৰে ছোৱালী সন্তানৰ সহায়ত যাৱজ্জীৱন পোহপাল যায়। এই পদ্ধতিৰ বিবাহ আজিকালি বড়ো সমাজত নাইয়েই বুলি ক'ব পৰা যায়।

ঢোকা থাকি কৰা বিবাহ ঃ

বড়ো সমাজৰ অন্য এক স্বীকৃত সামাজিক বিবাহ হ'ল ঢোকা থাকি কৰা বিবাহ। বড়ো ভাষাত তেনেকুৱা পদ্ধতিৰ বিয়াক 'দংখা হবনায় হাবা' বা 'দংখা লাখিনায় হাবা' বুলি কোৱা হয়। এই বিয়াৰ তাৎপৰ্য হ'ল কোনো বিধৱা তিৰোতাৰ পূৰ্বৰ গিৰীয়েকৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি আৰু নাবালক ল'ৰা-ছোৱালী বৈ গ'লে সেই বিধৱাজনীয়ে ঢোকা প্ৰথাৰে আন এজন পুৰুষক বিয়া কৰাই পূৰ্বৰ মৃত স্বামীৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি ভাগ কৰা অধিকাৰৰ প্ৰথা আছে। এই ঢোকা প্ৰথা বড়োসকলৰ মাতৃপ্ৰধান সমাজৰ অনুগামী নাৰী স্বাধীনতাৰ নিদৰ্শন। ঢোকা থাকিব খোজা মানুহজনে ঢোকা ৰাখিব খোজা বিধৱা তিৰোতাজনীৰ লগত বন্দবস্ত হ'লে তাৰ চিনস্বৰূপে ৰূপৰ মোহৰ এটা হাতে হাতে দি স্ত্ৰী-পুৰুষ উভয়ে মুখেৰে কয়—'আজিৰ পৰা মই তোমাৰ, তুমি মোৰ' বুলি। বড়োসকলে ৰূপৰ মোহৰ দিয়া প্ৰথাক 'গংখন হৌনায়' বুলি কয়। ঢোকা থাকিব খোজা মানুহজনে বন্দবস্ত হোৱাৰ পাছত নিজৰ পিতৃবংশ ত্যাগ কৰি ঢোকা সোমাব লাগে। সাধাৰণতে সম্পত্তি থকা বিধৱা তিৰোতা আৰু নিৰুপায়ত পৰা বৰলা মানুহ—উভয়ৰ ভিতৰতহে ঢোকা প্ৰথাৰ বিবাহ হয়। কাচিৎহে বৰলা নোহোৱা ডেকাৰ লগত ঢোকা প্ৰথাৰ বিবাহ হোৱা দেখা যায়। বিধৱা বিবাহত কোনো আড়ম্বৰপূৰ্ণ আয়োজন কৰা নহয়। বিয়াৰ দিনাখন কেৱল দুজনী তিৰোতাৰ দ্বাৰা বিয়া দি হাথাচুনিৰ দ্বাৰা বিবাহকাৰ্য সম্পন্ন কৰা হয়। সি যি নহওক, এনেকুৱা পদ্ধতিৰ বিবাহ বড়ো সমাজত অতি কমকৈ প্ৰচলিত।

বিধৱাৰ পুনৰ বিবাহ ঃ

বড়োসকলে বিধৱা বিবাহক সামাজিকভাৱে স্বীকৃতি দিয়ে যদিও এনে বিবাহ সমাজৰ দস্তুৰ মতে হোৱা বিবাহ-পদ্ধতি নহয়। যি কোনো বিধৱা মহিলাই নিজ জ্ঞাতি-কুটুম্বৰ নোহোৱা যি কোনো পুৰুষক বিবাহ কৰিব পাৰে। দ্বিতীয়বাৰৰ কাৰণে বিয়া কৰোৱা মহিলাই আগৰ মৃত স্বামীৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি ভোগ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। অৱশ্যে পুত্ৰ থাকিলে তেওঁ উত্তৰাধিকাৰী সূত্ৰে পিতৃৰ সমস্ত সম্পত্তিৰ অধিকাৰী হয়। বিধৱা মহিলাগৰাকীৰ ছোৱালী সন্তান থাকিলে নতুন গিৰীয়েকৰ ঘৰলৈ ছোৱালীজনী লগত লৈ যোৱাৰ অনুমতি পায়।

ওপৰত উল্লেখ কৰা বিবাহ-পদ্ধতিয়ে এই কথা স্পষ্ট কৰিছে যে বড়ো সমাজত বিধৱা বিবাহৰ প্ৰচলন আছে। ই নাৰী স্বাধীনতাৰ জ্বলন্ত নিৰ্দশন। ফলত বৰলা পুৰুষৰ নিচিনা ইচ্ছা কৰিলে বিধৱা নাৰীয়েও নিজৰ সামাজিক নিৰাপত্তা অথবা যৌৱনপুষ্ট জীৱন, নিৰাশ, নিঃসহায় আৰু অনৰ্থকভাৱে অতিবাহিত কৰিবলগীয়া নহয়। আনহাতে মানৱ সমাজৰ বহু জাতি-সম্প্ৰদায়ৰ মাজত বিধৱা বিবাহৰ প্ৰচলন নথকাত এনে বিধৱা নাৰীক অমংগলীয়া জ্ঞান কৰি সমাজে হেয় চকুৰে চায়।

কন্যাক লৈ গৈ বিবাহ কৰোৱা পদ্ধতি ঃ

যদিও এনেকুৱা বিবাহ-পদ্ধতিক সামাজিকভাৱে বড়ো সমাজে স্বীকৃতি নিদিয়ে, কেতিয়াবা

কন্যাক লৈ গৈ বিবাহ কৰোৱা পদ্ধতি বড়ো সমাজত প্ৰচলন হোৱা দেখা যায়। হয় কন্যাই নিজেই ভালপোৱা ডেকাৰ লগত পলাই যায়, নহয় মাজৰ মানুহ (খাটনিয়াৰ) এজনৰ সহযোগত কন্যাগৰাকীক দৰাৰ ঘৰলৈ কন্যাৰ অভিভাৱকে নজনাকৈ পলুৱাই লৈ যায়। অৱশ্যে এই ক্ষেত্ৰত কন্যা আৰু দৰাৰ লগত খাটনিয়াৰৰ জৰিয়তে পাৰস্পৰিক সন্মতি লোৱাৰ পাছত তেনেকুৱা পদ্ধতিৰে বিবাহ সম্পন্ন হয়। এনে পদ্ধতিৰ বিবাহ-প্ৰথাক আৰ্য সমাজৰ গান্ধৰ্ব বিবাহ পদ্ধতিৰ লগত তুলনা কৰিব পাৰি। বৰ্তমানৰ বড়ো সমাজত এনেকুৱা সামাজিক ভাৱে অস্বীকৃত বিবাহ পদ্ধতি নাই বুলিলেও হয়। এনেকুৱা বিবাহ-পদ্ধতি প্ৰচলনৰ একমাত্ৰ কাৰণ হ'ল- কেতিয়াবা দৰাই ভাল পালেও কন্যাৰ অভিভাৱকে সন্মতি নিদিয়াৰ ফলত এনে বিবাহকাৰ্য হয় বুলি ক'ব পাৰি।

ছোৱালী গা যাচি ঘৰ সোমোৱা বিবাহ ঃ

কেতিয়াবা বিবাহৰ উপযুক্ত বয়সৰ ছোৱালীয়ে নিজৰ পছন্দৰ ডেকা ল'ৰাৰ ঘৰলৈ গৈ বিবাহ হ'বলৈ ইচ্ছা কৰে। তেনেকৈ হোৱা বিবাহ-পদ্ধতিক বড়ো ভাষাত 'খাৱছনায়' বিবাহ বুলি কয়। এনে ক্ষেত্ৰত কন্যা আৰু দৰাৰ মাজত পাৰস্পৰিক বুজাবুজি তথা সন্মতি থাকে। এই পদ্ধতিৰ বিবাহত কন্যাৰ অভিভাৱকৰ সন্মতিৰ বিবেচনা বাধ্য নহয়। তেনেকৈ কোনো ছোৱালীয়ে নিজে বিয়াত সোমাবলৈ পছন্দ কৰা কোনো ডেকাৰ ঘৰত গা যাচি সোমালে দৰাঘৰীয়াই দুটা মদৰ বটল বা কলহৰ ভাৰ লৈ ছোৱালীৰ অভিভাৱকক ছোৱালীৰ খবৰ দিয়াৰ নিয়ম আছে। অন্যথা দৰাঘৰীয়াই ছোৱালী পলুৱাই অনা বুলি তাৰ দোষত সমাজে দোষী সাব্যস্ত কৰি দণ্ডিত কৰা দেখা যায়। ছোৱালীৰ অভিভাৱকে খবৰ পোৱা মাত্ৰকে ল'ৰাঘৰৰ পৰা বাৰণ কৰাৰ বাবে ছোৱালী ঘূৰাই নিয়াৰ নিয়ম। নহ'লে ল'ৰা ছোৱালী উভয় পক্ষই সমাজৰ ওচৰত দণ্ডনীয় হ'ব লগা হয়। তাৰপাছত ছোৱালীয়ে আকৌ যদি আহিলে ল'ৰাৰ লগত ছোৱালীক বিয়া কৰাই দিয়ে।

গা যাচি সোমোৱা বিবাহত কন্যা সম্প্ৰদানৰ বাবে কন্যাৰ অভিভাৱকৰ আৱশ্যক নহয়। ল'ৰাৰ গাঁৱৰ ভিতৰতে এজন মানুহে কন্যাৰ আত্মীয় সম্পৰ্কীয় মানুহ হৈ অভিভাৱক ৰূপত (দেউ ভাকৰ সম্বন্ধ) কন্যা সম্প্ৰদান কৰে। পাছত বিবাহৰ বাকীখিনি যথাৰীতিৰে সম্পাদন কৰা হয়। এইটোও সমাজৰ নীতি সন্মতভাৱে হোৱা বিবাহ পদ্ধতি নহয়।

ছোৱালী টানি লৈ গৈ বিবাহ কৰোৱা পদ্ধতি ঃ

এটা সময়ত ছোৱালী টানি লৈ গৈ বিবাহ কৰোৱা পদ্ধতি বড়ো সমাজত প্ৰচলিত আছিল। নিজ পছন্দৰ ছোৱালীক টানি লৈ গৈ বিবাহ কৰোৱাটো যদিও সমাজৰ পক্ষে গৰ্হিত কাম আৰু অবৈধ কাৰ্য, তথাপি বড়ো সমাজত এটা সময়ত এই প্ৰথাৰে হোৱা বিবাহকো স্বীকৃতি দিছিল। কেতিয়াবা টানি লৈ যোৱা ছোৱালীক উদ্ধাৰ কৰিবলৈ গৈ ঠাইবিশেষে উভয় পক্ষৰ ভিতৰত খণ্ডযুদ্ধও হোৱা দেখা গৈছিল। আচলতে কোনো ডেকা ল'ৰাই যি ছোৱালী বিয়া কৰিবলৈ ইচ্ছা কৰে তেনে ছোৱালীক কেইজনমান মানুহক বৰকছি দি হ'লেও তেওঁলোকৰ দ্বাৰাই সুযোগ বুজি বাটৰ পৰাই হওক নাইবা আন উপায়েৰে হওক, ইচ্ছুক ডেকাজনৰ কাৰণে জোৰকৈ টানি আনি বিয়া কৰায়। বড়ো সমাজত আজিৰ পৰা ৫০ বছৰমান আগলৈকে ছোৱালী টানি নি বিয়া কৰোৱা প্ৰথা প্ৰচলিত আছিল। কিন্তু বৰ্তমান এই প্ৰথাৰে বিয়া হোৱা দেখা নাযায়। আজিৰ মানৱ সমাজখন আধুনিক শিক্ষা-দীক্ষাৰে আগবাঢ়ি অহাৰ লগে লগে তেনেকুৱা অগণতান্ত্ৰিক বিবাহ প্ৰথা বৰ্তমান নাই বুলি ক'ব পাৰি।

মন কৰিবলগীয়া যে ছোৱালী পলুৱাই নি বিবাহ কৰোৱা পদ্ধতি মতে ল'ৰা-ছোৱালীৰ মাজত প্ৰণয় গাঢ় হ'লে তেওঁলোকৰ উভয়পক্ষৰ অভিভাৱকে সন্মতি প্ৰকাশ নকৰিলে ডেকা-গাভৰু দুয়োৱে পলাই গৈ নিজৰ ভিতৰতে বিবাহপাশত আবদ্ধ হয়। আচলতে ল'ৰা-ছোৱালী উভয়ে পলাই গৈ বিবাহ হ'লে সমাজে তেনেকুৱা বিবাহকাৰ্যক হেয়জ্ঞান কৰে। আৱশ্যকবোধ কৰিলে সমাজে তেনে ল'ৰা-ছোৱালীৰ ওপৰত কঠোৰ শাস্তি বিহিব পাৰে।

বড়ো সমাজত বিবাহকাৰ্য আৰম্ভ হোৱাৰে পৰা কন্যাক দৰাৰ ঘৰলৈ লৈ গৈ উপস্থিত হোৱা সময়লৈকে কন্যা আৰু কন্যাৰ লগৰীয়াহঁতে গোৱা গীত-মাতৰ পয়োভৰ আৰু আশীৰ্বাদৰ বন্যাৰে উপচি পৰা দেখা যায়। সামাজিক নীতি মতে হোৱা বিবাহত দৰাই কন্যাৰ ঘৰলৈ আহি কন্যাক বিবাহ কৰোৱা নিয়ম—যিটো প্ৰায়ভাগ সমাজৰে সাধাৰণ নিয়ম। বিবাহকাৰ্য সমাপন কৰা দেউৰীয়ে বিবাহৰ যাৱতীয় কাৰ্য সমাপ্ত কৰাৰ পাছত কন্যাই দৰাৰ ডিঙিত মালা পিন্ধাই দিয়ে। মহিলাসকলে সেই সময়ত কিছুমান সময়োপযোগী বিয়ানাম এনেদৰে গায়—

জয়ধ্বনি দিলে, বৰ কন্যা উঠিলে
জয় জয় বুলি কুশুক ঘূৰি
কন্যাই নাৰ্জিফুলৰ মালা ল'লে
জয় জয় বুলি ৰামৰ ডিঙিত
সীতাই ফুলৰ মালা দিলে
নাৰ্জি ফুলৰ মালা পাই
মহাদেৱৰ হাঁহি কোনে চায়।
ফুলৰ বৰণ নীলা
কন্যাক বিদায় দিলে
মাকৰ হ'ব জ্বালা।

বিয়াৰ সময়ত, বিশেষকৈ কামৰূপৰ বড়ো গাভৰুসকলে এই গীত গায়। তলৰ গীতটি লক্ষণীয়—

চেঙেৰী লোৱা চেঙেৰী লোৱা
চেঙেৰী মালা লোৱা
চেঙেৰী মালা নোলোৱা যদি
দৰাক বোকোচাত লোৱা
দৰাক বোকোচাত নোলোৱা যদি
মালা খহাই থোৱা—অ'ই মালা খহাই থোৱা।

বিয়া আৰম্ভ হোৱাৰ লগে লগে ৰভাতলিও ৰং-ৰহইচৰে পৰিপূৰ্ণ হৈ পৰে। অতীতৰ বড়ো সমাজত বিবাহৰ দিনা মদেৰে (জু) আলহী অভ্যাগতক আপ্যায়ন কৰিছিল। মহিলাসকলেও এই মদপানী খাই দৰাক জোকাই গীত গাইছিল এই বুলি—

তেল দিয়া, তেল দিয়া, ৰাতি হ'ল
সৰিয়হৰ তেল দিয়া, দৰা বৰ লেতেৰা

মলি গুচাবলৈ ভগা কোৰ এখন আনা
পানী ঢালি দিয়া,
মলি গুচক দৰাৰ মুখ জিলিকি উঠক।

কেতিয়াবা দৰাক জোকাই বিয়াগীত গায় এইবুলি--

ভূটান পৰ্বতৰ পৰা কুলু কুলু শব্দেৰে
নৈ বৈ আহিছে
চোৱা, আমাৰ জোঁৱাইয়ে
মটা চুৰিয়া পিন্ধিছে
ঘৰৰ বেৰাৰ পইতাচোৰা
তুমি দিয়া মদ টেঙা
ওখ পথাৰত গজা ওল
অ' ন-দৰা, তোমাৰ বিয়াত
বুঢ়ী গাহৰিৰ মঙহ।

বিয়াৰ উখল মাখলৰ মাজতে যৌতুকী বড়ো ভাষাত 'বৈৰাথী' বিদ্রুপকাৰ প্ৰধান লক্ষ্য হৈ পৰে। বড়োসকলৰ বিয়াত 'বৈৰাথী'। যৌতুকীৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। তেওঁ বিবাহ উৎসৱত উপস্থিত হোৱা সকলোলৈ বিয়াৰ তামোল পাণ নিজহাতে বিতৰণ কৰে। লগতে বাৰলাংফাই দৰা কন্যাক বৈ কৰা বিবাহৰ শোভাযাত্ৰাত সকলো আগভাগে তেওঁৰ তালে তালে গীত গাই গাই নাচি-বাগি যাবলৈ ধৰে। বিয়াৰ উখল মাখলৰ সময়ত বৈৰাথীক লক্ষ্য কৰি বাৰলাংফাইও গায়

ঐ টেঙা ফলৰ দৰে তোমাৰ সুৰণীয়া মুখখনিৰে
বিজুলী চমকৰ দৰে মিচিকি হাঁহি
তোমাৰ বাঁহৰ গাজৰ নিচিনা ভৰিৰে লাহে লাহেকৈ জঁপিয়াই
তোমাৰ চিয়া কঁকালৰ মৃদু কঁপনিৰে
চুলিৰ সোণসুৰীয়া খোপা লৰাই লৰাই
কলৰ পচলাৰ দৰে বাহু দাঙি
ঔটেংফলৰ চাৰিহেন কুমলীয়া আঙুলিৰে
আমাক তামোল-পাণ বিলাই দিয়া।

বৈৰাথীয়ে বাইজৰ মাজত তামোল-পাণ বিতৰণ কৰি থাকোঁতে এজনে তাইক লক্ষ্য কৰি গায় এই বুলি---

অ' বৈৰাথী,
তুমি মৃদু কঁপনিৰে কঁকাল লৰাই লৰাই
তামোল-পাণ বিলাই দিলেও
তুমি এলাহেৰে কটা তামোল আমি নাখাওঁ
ঐ আমি নাখাওঁ, আমি নাখাওঁ।

বিয়াৰ বভাতলীত কন্যাক আত্মীয়-কুটুম্বৰ মাজত বহুৱাই বৈৰাথীয়ে গীত গাই উপদেশ

দিয়ে এই বুলি—

অ' ভন্টী, তোমাৰ কপালত
সৃষ্টিকৰ্তাৰ কৃপাত
পথৰা গৰু আৰু ডাঙৰ ডাঙৰ ধানৰ ভঁৰাল আছে।
আজিৰ পৰা তোমাৰ পিতা-মাতা
তোমাৰ আপোন নহয়
শহুৰ-শাহুহে তোমাৰ আপোন
স্বামীৰ গিয়াতি-কুটুম্বহে তোমাৰ আপোন .....

বিবাহকাৰ্য সম্পাদন হোৱাৰ পাছত বয়সীয়া মহিলাসকলে নৱদম্পতীক আশীৰ্বাদ দি গায় এই বুলি—

'সৃষ্টিকৰ্তা পৰমেশ্বৰৰ কৃপাত আজি ডেকা-গাভৰুৰ মিলনৰ দিন। আমোদ কৰা আইসকল আমোদ কৰা। আজি আনন্দৰ দিন। চৰাই-চিৰিকটিবোৰেও থাকে হালে হালে, মানুহকো ঈশ্বৰে স্ৰজিছে যোৰাই যোৰাই। আমোদ কৰা, স্ফূৰ্তি কৰা, আশীৰ্বাদ দিয়া নৱ-দম্পতীক। পৰমেশ্বৰৰ কৃপাত নৱ-দম্পতীৰ জয় হওক—জয় হওক।'

দৰাৰ ঘৰলৈ কন্যা যোৱাৰ সময়ত কন্যাৰ লগৰীয়াবিলাকে এই বুলি গীত গায়-

জয় জয় বুলি ওলোৱা সখী যাবলৈ
হাতী দাঁতৰ ফণি হাতত লৈ
জয় জয় বুলি ওলোৱা সখী যাবলৈ
মূৰত তেল দি চুলি আঁচুৰি লৈ
ওলোৱা সখী, চুলি আঁচুৰি খোপা বান্ধি লৈ
জয় জয় বুলি সেন্দূৰৰ ফোট লৈ।

মাক-দেউতাকৰ ঘৰৰ পৰা দৰাৰ ঘৰলৈ কন্যা যোৱাৰ ৰূপটো বৰ কৰুণ। সেই দৃশ্যটো বৰ্ণনা কৰি আৰু সেই সময়ত কন্যাই কি কৰা উচিত সেই বিষয়ে উপদেশ দি কন্যাৰ লগৰীয়াবিলাকে গোৱা বড়ো বিয়াগীতত পোৱা যায়।

সেইদৰে পিতা-মাতা, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ সম্পৰ্ক ছিন্ন কৰি শহুৰেকৰ ঘৰলৈ যোৱা কথাটো কন্যাৰ পক্ষে বৰ হৃদয়বিদাৰক। তেতিয়া বয়সীয়া মহিলাবিলাকে কন্যাক বুজনি দিবলৈ চেষ্টা কৰে এই বুলি—

অ' আই, তুমি নাকান্দিবা
গঁৱালৰ পৰা কুমাৰী কুকুৰাজনীক ধৰি
আজি দৰাৰ ঘৰলৈ লৈ যাবলৈ ওলাইছে।
তুমি নাকান্দিবা......
তোমাক নেপালীৰ লগত বিয়া দিয়া নাই
'হাৰচাৰ' (অনা-বড়ো) লগতো বিয়া দিয়া নাই
সংসাৰ পাতিবলৈ বড়ো ডেকাৰ লগতহে বিয়া দিয়া হৈছে।

ইয়াৰ উপৰি বয়সীয়া মহিলাবিলাকে দৰাৰ হাতত কন্যাক অৰ্পণ কৰি বিয়াৰ পাছত দৰাক যথাবিধি কৰ্তব্যৰ নিৰ্দেশ দি গায়—

কন্যাক হাতত ধৰি দিলোঁ তোমাক গটাই
লোৱা তুমি ধৰ্ম-কৰ্ম ভাবি গুণি চাই,
হাত-ভৰি ভাঙা যদি তোমাৰেই পত্নী
তোমাৰ ধৰম ভাঙিলে হ'ব তোমাৰেই হানি

এফালে কন্যাঘৰত কন্যা সম্প্ৰদানৰ পাছত হৃদয়বিদাৰক কৰুণ সুৰে পৰিয়ালৰ লগতে গাঁওবাসী আৰু আত্মীয়-কুটুম্বৰ মনত বিচ্ছেদৰ বেদনাই খুন্দা মৰাৰ ফলত গোটেই পৰিবেশ গোমোঠা হৈ পৰে। আনফালে কন্যাক লৈ বং ৰহইচ কৰি দৰাপক্ষই যেতিয়া দৰাৰ ঘৰত গৈ উপস্থিত হয়গৈ, দৰাঘৰৰ লগতে গাঁওবাসী আৰু আত্মীয়-কুটুম্বৰ মাজত উৎসৱমুখৰ পৰিবেশে ৰজনজনাই তোলে। খোৱা-লোৱাৰ পয়োভৰ বাঢ়ে। বিশেষকৈ কন্যাক দৰাৰ ঘৰলৈ আনি পুৰুষ নাৰী সকলোৱে মিলি ৰভাতলীত আমোদ-প্ৰমোদ কৰি নানা নৃত্য-গীতেৰে নাচি বাগি বং ৰহইচ কৰে। পুৰুষসকলে 'ছেৰজা' বজায় আৰু মহিলাসকলে হালি-জালি নাচে। পুৰুষসকলে ছেৰজা বজাই গায় এই বুলি

দিয়া আইসকল,
অলপ হাত ভৰিৰ চালন লৰুৱাই দিয়া
নাচা আই সকল, হালিজালি নাচা
ঘৰৰ কেঁচালীৰ ভিতৰত থকা
কুমাৰী কুকুৰাজনীক
আমি ধৰি আনিলোঁ।
এই উছৱত আমোদ কৰা
ফূৰ্তি কৰা।

ইয়াৰ উপৰি কন্যা আহি দৰাৰ ঘৰ পোৱাৰ পাছত হিৰোৱাসকলে দৰাক নানা ৰকমে জোকাই নানা ধৰণৰ গীত গাই বং-তামাচা কৰে

আমাক তামোল-পাণ ঘনে ঘনে দিয়া
নহ'লে কন্যাক ওভতাই নিম দিয়া
অ' ছাঁতিৰাম ডেকা (দৰাৰ নাম)
তুমি যেন যাঁড় গৰু এটা।

এনেকৈয়ে বিয়াৰ নানা গীত মাতেৰে বড়োসকলৰ বিয়া একোখনৰ সামৰণি পৰে।*

---

* ওপৰত উল্লিখিত গীত মাতবোৰ বড়ো বিয়াগীত-মাতৰ অসমীয়া অনুবাদ কৰিহে প্ৰকাশ কৰা হৈছে। অনুবাদটোৰ বাবে মোহিনী মোহন ব্ৰহ্ম, ভবেন নাৰ্জী আৰু ড° কামেশ্বৰ ব্ৰহ্মৰ গ্ৰন্থৰ সহায় লোৱা হৈছে। — লেখক

ডিমাছা সমাজৰ বিবাহ-পদ্ধতি

ধৰ্মেশ্বৰ দুৰৰা

ডিমাছা সমাজৰ বিবাহ-পদ্ধতি এটা স্বকীয় বৈশিষ্ট্যপূৰ্ণ আৰু আকৰ্ষণীয় নীতি-নিয়মেৰে পৰিপূৰ্ণ কাৰ্য। ডেকা-গাভৰুৰ বিয়া পাতি দিয়াটো সকলো সমাজৰ চিৰন্তন নীতি। সকলো সমাজৰে বিবাহ-পদ্ধতি সুকীয়া হোৱাটো লক্ষণীয়। ডিমাছাসকলৰ বিবাহকাৰ্যও কিছুমান স্বকীয় কাৰ্য আৰু নিয়মৰ দ্বাৰা অনুষ্ঠিত হয়।

ডিমাছা সমাজত সাধাৰণতে দৰাঘৰীয়াইহে ছোৱালী খোজা-বঢ়া আৰু চোৱা-মেলাত আগভাগ লয়। ডেকা-গাভৰু হ'লেই বিবাহৰ বাবে যোগ্য হোৱা বুলি গণ্য কৰা হয়। বিশেষকৈ আঘোণ, মাঘ আৰু ফাগুন মাহৰ খৰালি কালত তেওঁলোকে বিবাহ পতাৰ বাবে শুভ দিন বাছি লয়।

এই সমাজৰ উপাধি অথবা ফৈদ পুৰুষ-তিৰোতা ভেদে পৃথক পৃথক। একে পুৰুষ ফৈদ তথা 'চেমফং' আৰু তিৰোতা ফৈদ বা 'জুলুক'ৰ ডেকা-গাভৰুৰ মাজত বিবাহ নিষিদ্ধ। ল'ৰাই দেউতাকৰ উপাধি আৰু ছোৱালীয়ে মাকৰ উপাধি লিখে। একে চেমফঙৰ ডেকা এজনে কেতিয়াও একে চেমফঙৰ দেউতাক হোৱা গাভৰুক বিয়া কৰাব নোৱাৰে। উদাহৰণ হিচাপে থাওচেন উপাধি লিখা ডেকা এজনে কেতিয়াও থাওচেন উপাধি লিখা অন্য এজন লোকৰ জীয়েকক বিয়া কৰাব নোৱাৰে। আকৌ মাক বা দেউতাক কাৰো উপাধিৰ সৈতে মিলা ডেকা-গাভৰুৰ মাজত বিবাহ নহয়। উল্লিখিত নিয়ম উলংঘা কৰোঁতাসকলক সমাজৰ পৰা এঘৰীয়া কৰা হয়।

ল'ৰাৰ মাক-দেউতাক বা অভিভাৱকে ছোৱালী আলেঙে আলেঙে চাই ফুৰে আৰু পছন্দ হ'লে ছোৱালীৰ ঘৰত খবৰ দিয়ে। ছোৱালীৰ মাক-দেউতাক বা অভিভাৱকে ল'ৰাৰ ঘৰৰ লোকক আদৰ-সাদৰ কৰি থকা-মেলা আৰু খোৱা-বোৱাৰ বাবে সকলো যোগাৰ কৰি থয়। ছোৱালীঘৰৰ লোকসকলৰ সেই ল'ৰাজনলৈ নিজৰ ছোৱালীক বিয়া দিবলৈ মন কৰা-নকৰাটো পাছত জনাব বুলি সেইবাৰলৈ বিদায় দিয়ে। কাৰণ তেওঁলোকৰ সম্বন্ধীয় লোকসকলৰ লগত এই বিষয়ে আলাপ-

আলোচনা কৰিলেহে মতামত দিব পাৰে। সকলোৱে ঐকামত থাকিলেহে এজনী ছোৱালীক এজন ডেকালৈ বিয়া দিয়াৰ নিয়ম। ছোৱালী দিয়াৰ ইচ্ছা নকৰিলেও সকলো ক্ষেত্ৰতে ভদ্ৰভাৱে ব্যৱহাৰ কৰি প্ৰকৃত কথাটো ল'ৰাৰ ঘৰলৈ কৈ পঠিয়ায়।

দুয়োপক্ষৰ আলোচনা-বিলোচনাৰ অন্তত বিয়াৰ বন্দবস্তু হ'লে পাছৰ কামবিলাক কৰিবলৈ আগবাঢ়ে। প্ৰথমতে দৰাপক্ষৰ পৰা 'ছান্দিদাং ছেংবা' কইনাপক্ষলৈ দিয়া হয়। এই নিয়ম বিয়াৰ প্ৰস্তাৱৰ স্বীকৃতিস্বৰূপ। নিমখৰ টোপোলা এটা সাতডাল বছাৰে বান্ধি কইনাপক্ষক দিয়া হয়। কাছাৰত থকা লোকসকলৰ মাজত তামোল-পাণ আগলি কলপাতত পৰিপাটিকৈ মেৰিয়াই সাতটা বান্ধ দি আগবঢ়োৱা নিয়ম প্ৰচলিত। এই টোপোলাটো পুৰুষ বা মহিলা উভয়েই নিব পাৰে।

এই কাৰ্যৰ পাছত শুভ দিন বাৰ চাই 'লাউঠাই লাংবা' দৰাপক্ষৰ পৰা কইনাপক্ষৰ ঘৰলৈ নিয়া হয়। ঘৰুৱা মদ (জুদি) সৰু লাউৰ খোলাত ভৰাই আগবঢ়োৱা নিয়ম। পাচি এটাত ভৰাই জুদিৰ পাত্ৰ কলপাতেৰে মেৰিয়াই সাতোটাকৈ বান্ধ দি ওপৰত পুৰুষে গাত লোৱা কাপোৰেৰে ঢাকি পুৰুষসকলে কইনাৰ ঘৰলৈ লৈ যায়।

দৰাৰ সম্বন্ধীয় ভায়েক দুজনে সাধাৰণতে এই পাচিটো কঢ়িয়াই নিয়ে। তেওঁলোকে কান্ধত গামোচা লৈ কইনাৰ ঘৰলৈ গৈ কইনাৰ মাক-দেউতাক আৰু সম্পৰ্কীয় মান্য লোকসকলক সেৱা জনায়। সকলোৱে মিলা-প্ৰীতিৰে ভোজনকাৰ্য সমাপন কৰে আৰু দ্বিতীয়বাৰ 'লাউঠাই লাংগাগিনি' নিয়াৰ দিন-বাৰ ঠিক কৰি আহে।

নিৰ্দিষ্ট দিনত আগৰ বাৰতকৈ বেছি পৰিমাণে 'জুদি' কইনাৰ ঘৰলৈ নিব লাগে। সম্বন্ধীয় সকলোকে সেইদিনা নিমন্ত্ৰণ কৰা হয়। কইনাৰ ঘৰ পোৱাৰ লগে লগেই আগৰ দৰে ডেকা দুজনে গলবস্ত্ৰ লৈ মাননীয়সকলক সেৱা জনায়। সকলোৱে আনন্দ মনেৰে খোৱা বোৱা কৰিবলৈ ধৰে। সেইদিনাখনেই বিয়াৰ দিন বাৰ ধাৰ্য কৰা হয়। কইনাৰ গাঁৱত বিশেষ কোনো সামাজিক কাৰ্য থাকিলে দিন-বাৰ আগ-পাছ কৰিব লগা হয়। শুভদিন এটা ধাৰ্য কৰি দৰাপক্ষ ঘৰমুৱা হয়।

ডিমাছা সমাজত 'কান্তি' প্ৰথা প্ৰচলিত। পৰম্পৰাগত হিচাপে এই প্ৰথামতে দৰাপক্ষই কইনাপক্ষক কিছু পৰিমাণে টকা দিয়াৰ নিয়ম আছে। টকাৰ পৰিমাণ দুয়োপক্ষৰ বুজা পৰাৰ মাজত নিৰ্ধাৰণ কৰা হয়। অৱশ্যে ইচ্ছা নকৰিলে কোনো টকা-পইচা নোলোৱাকৈ বিয়া-বাৰু কৰাব পাৰে। মন কৰিবলগীয়া যে 'কান্তি' নিদিলে বা গ্ৰহণ নকৰিলে চাম্নিছ চেমচং আৰু গিয়াগিছ জুলুকৰ অন্তৰত নধকাৰ দৰে হয়। সেয়েহে যিমানদূৰ সম্ভৱ 'কান্তি' গ্ৰহণ কৰাটো শ্ৰেয় বুলি ডিমাছা সমাজে বিবেচনা কৰে।

বিয়াৰ আগদিনাখন দৰাপক্ষৰ পৰা বয়সস্থ লোক কেইজনমানে কইনাৰ ঘৰলৈ গৈ কিবা অসুবিধা বা অসুখ-বিসুখ হৈছে নেকি তাৰ খা-খবৰ লয়। এনে নিয়মকে 'গিজিব গাছা নাইবা' বুলি কোৱা হয়। সেইদিনাও দুজন ডেকাই গলবস্ত্ৰ লৈ কইনাৰ মাক-দেউতাক আৰু মাননীয় লোকসকলক সেৱা কৰে। কোনো অসুবিধা নাথাকিলে শুভ খবৰ লৈ দৰাঘৰীয়া লোকসকল তাৰ পৰা বিদায় লৈ ঘৰলৈ ঘূৰি আহে।

বিয়াৰ দিনাখন দৰাক নতুন সাজ-পোছাকেৰে সজাই-পৰাই কইনাৰ ঘৰলৈ অনা হয়। তেওঁক সাধাৰণতে ধুতি আৰু কামিজ পিন্ধোৱা হয়। আনহাতে প্ৰায় ত্ৰিভুজাকৃতি এখন ৰঙা কাপোৰেৰে এটা সুন্দৰ পাগুৰিও কলাকুশলভাৱে মূৰত মাৰে। দৰাৰ লগত 'কাউয়াং' অৰ্থাৎ এজন দৰাধৰা থাকে। দুজন

ডেকাই লাউপানী 'জু' আৰু ভজা মাংসৰ টোপোলা পাচিত ভৰাই সুন্দৰকৈ 'ৰিকাউছা' কাপোৰেৰে ঢাকি মূৰত লৈ যায়। ধেমালি কৰিবৰ কাৰণে বাটত ডেকাসকলে দৰা আগচে। নানা কথাৰে তেওঁলোকে দৰা আৰু দৰাঘৰীয়া লোকক জব্দ কৰিবলৈ আৰম্ভ কৰে। বাঁহেৰে সজা নঙলাৰে বাট আগচি ধৰা হয়। এই কাৰ্যৰ দ্বাৰা শুভ কামনা কৰাৰ লগতে দুয়োপক্ষৰ ৰাইজৰ মাজত হাঁহি-ধেমালিৰ পৰিৱেশ সৃষ্টি কৰা হয়। এনেকৈ আগচোতে দেৰী হ'লে কইনাঘৰৰ বয়সস্থ লোকে আহি বাট মুকলি কৰিবলৈ কোৱাৰ লগে লগে হাঁহি-ধেমালিৰ মাজেৰে দৰাক আহিবলৈ বাট এৰি দিয়ে।

কইনাঘৰৰ চোতালত সকলোকে বহিবলৈ দিয়া হয়। সমজুৱাসকল বহাৰো এটা নিৰ্দিষ্ট নিয়ম আছে। দৰাঘৰৰ মাননীয় ব্যক্তিসকলক সোঁফালে আৰু কইনাঘৰৰ মাননীয় লোকসকলক বাঁওফালে বহাৰ ব্যৱস্থা কৰে। বিয়া বুলিলে সাধাৰণতে ডিমাছাসকলৰ মাজত উৎসৱৰ দৰে হয়। সেই কাৰণে ডেকা-বুঢ়া, গাভৰু-বুঢ়ী আদি সকলো বয়সৰ লোকেই সুন্দৰ সাজ-পোছাক পৰিধান কৰে। আ-অলংকাৰো সেইদৰে পিন্ধি লয়। শাৰী শাৰীকৈ পাৰি থোৱা বাঁহত সমজুৱা লোকসকল বহে। বয়োজ্যেষ্ঠ বা বয়সত ডাঙৰ লোকসকল সদায় সোঁফালে বহাৰ নিয়ম। সকলোৱে সামাজিক বিধি অনুসৰি বহাৰ পাছত দৰাক সমজুৱাৰ মাজলৈ আনে আৰু চাৰিজন ডেকাই দৰাক আগবঢ়াই নিয়ে। দৰাই ৰাইজক এফালৰ পৰা সেৱা কৰি যায়। এই সময়ত দুজন ডেকাই দৰাই আঁঠু ল'বৰ বাবে আগফালে ঢাৰি এখন পাৰি যায় আৰু অন্য দুজন ডেকাই দৰাৰ পাছফালে 'ৰিমছাউ' কাপোৰ এখনেৰে আঁৰ কৰি যায়। দৰাৰ চৰণযুগল আনে নেদেখাকৈ কাপোৰেৰে আঁৰ কৰি যোৱা হয়। নিজৰ মাক-দেউতাকক সেৱা কৰাৰ পাছত দৰাই কইনাৰ মাক-দেউতাকক সেৱা কৰে। সেইদৰে সমজুৱাৰ বয়োজ্যেষ্ঠ আৰু সম্বন্ধত ডাঙৰসকলক সেৱা জনায়। তেওঁলোকে দৰাৰ মূৰত ধৰি আশীৰ্বাদ জনায়। কোনো কোনোৱে গীত গোৱাৰ দৰে দীঘলীয়াকৈ আশীৰ্বাদ, অৰ্থাৎ 'জুকুবাহা আশীৰ্বাদ ৰিবাণী' গায়।

আশীৰ্বাদ লোৱা পৰ্ব শেষ হ'লে আছুতীয়াকৈ পাৰি থোৱা ঢৰাত দৰা বহেগৈ। দৰাৰ মাক-দেউতাক আৰু কইনাৰ মাক-দেউতাকো ওচৰতে বহে। গাঁৱৰ মুখিয়াল লোকসকলে কাষত বহি দিহা-পৰামৰ্শ দিয়ে। ইয়াৰ পাছত ছোৱালীক নতুন সাজ-পাৰ আৰু আ-অলংকাৰ পৰিধান কৰোৱাই দৰাৰ কামত উপবিষ্ট কৰোৱা হয়। কইনা আৰু দৰাই ইজনে সিজনক মালা পিন্ধায়। এনে কাৰ্যক 'য়াওপাবা' বোলা হয়। অৱশ্যে মালা পিন্ধোৱা প্ৰথা আজিকালিহে প্ৰচলিত হৈছে। কইনাৰ দেউতাকে দৰাৰ দেউতাকক শুৱলা ছন্দোবদ্ধ কথাৰে কইনাক আদৰি ল'বলৈ অনুৰোধ জনায়। কিবা কাম-বন নাজানিলে শিকাই-বুজাই ল'বলৈ আহ্বান জনায়। এই কাৰ্যৰ অন্তত দৰা-কইনাক ভিতৰলৈ নিয়া হয় আৰু সমজুৱাসকলক খোৱা-বোৱা কৰাৰ দিহা কৰা হয়। মাছ, মাংস আৰু 'জু'ৰে সৈতে ভোজ-ভাত খুউওৱা হয়। পৃথকে ৰন্ধা-বঢ়া কৰি দৰা-কইনাক ভাত পৰিৱেশন কৰা হয়।

বিয়াৰ দিনাখন দৰা-কইনাৰ মংগলৰ কাৰণে ব্ৰাইশিব্ৰাইৰ উদ্দেশ্যে পূজা এভাগ আগবঢ়োৱা হয়। এই পূজাক 'মাইয়াউফাগাৰ্বা' বোলে। চোতালত হাঁহ বলি দি পূজাৰী 'হোজায়ে' সহকাৰী 'বাৰৱাই'ৰ সহযোগত এই পূজা কৰে। বলি দিয়া হাঁহৰ মাংস ভাজি আলহী আদি সমজুৱাক 'জু'ৰ সৈতে খাবলৈ দিয়া হয়।' ভোজ-ভাত খোৱাৰ আগতে কাৰো অসুখ-বিসুখ নহ'বৰ বাবে পুৰুষ আৰু তিৰোতাসকলৰ উভয়ে পৃথকে পৃথকে 'মিডোগাৰবা' পূজা কৰে। এই পূজাত মিডো দেৱতাৰ বাবে মাংস আৰু লাউপানী 'জু'ৰ সৈতে উৎসৰ্গা কৰা হয়।

বিয়াৰ পিছদিনা ৰাতি ফুলশয্যা কৰা হয়। সুন্দৰকৈ সজোৱা কোঠাত দৰা-কইনাক ৰ সোমাবলৈ দি লগৰ ডেকা-গাভৰুসকলে তেওঁলোকৰ লগত নানা ৰং-ধেমালি কৰিবলৈ ধৰে। কিছুসময় পাছত তেওঁলোক তাৰ পৰা ওলাই আহে। কোঠাটোত কেৱল দৰা আৰু কইনাহে থাকে। ফুলশয্যাক ডিমাছা ভাষাত 'ডিছিংবা' বুলি কয়। বিয়াৰ দিনা দৰাক কইনাৰ ঘৰত এৰি বাকী লোকসকল ঘৰলৈ ঘূৰি আহে। তিনিৰাতি দৰা কইনাৰ ঘৰত থাকি কইনাৰ সৈতে নিজৰ ঘৰলৈ আহে। এই নিয়মক 'যিম্বাটাংবা' বোলা হয়। কইনাৰ ঘৰত পাঁচদিনমান থাকি দৰাই কইনাক লৈ নিজৰ ঘৰলৈ আহি এখন সুকীয়া নতুন সংসাৰৰ পাতনি মেলে। নতুবা আগতীয়াকৈ কথা থাকিলে দৰাই কইনাৰ ঘৰতেই থকাৰ ব্যৱস্থা কৰে। 'মাইয়াউযা' অনুষ্ঠান পাতি কন্যাক দৰাৰ কুলত গ্ৰহণ কৰাৰ নিয়মো প্ৰচলিত আছে।

কাছাৰ, ডিজোৱা, ডেমৰা আদি অঞ্চলত থকা ডিমাছা লোকসকলে বিয়াৰ সম্প্ৰদান কাৰ্য দ্বাদশ আদিত্য ব্ৰাহ্মণসকলৰ দ্বাৰা পূজা-পাতলেৰে কৰা দেখা যায়। বাকী সকলো নীতি নিয়ম অন্যসকলৰ দৰেই সম্পন্ন কৰে।

ডিমাছাসকলৰ বিয়া এখন পাতিবলৈ ছোৱালী খোজা বচাৰ পৰা আৰম্ভ কৰি বিয়াৰ শেষ দিনলৈকে কৰা সকলো কাৰ্য ছন্দোবদ্ধ কথোপকথনৰ জৰিয়তে সমাধা কৰা হয়। গাঁৱৰ বয়সিয়াল লোকসকলে উপমা আদিৰে সজাই-পৰাই সুন্দৰভাৱে এনেধৰণৰ কথা বতৰা কোৱাত পাকৈত। বিনম্ৰভাৱে হোৱা এনে কথা-বতৰাই তেওঁলোকৰ সামাজিক জীৱনৰ সবলতাকে প্ৰকাশ কৰে। এনে কাব্যিকতাপূৰ্ণ কথা-বতৰাক তেওঁলোকে 'বাহাৰ্মীজিক চাইনাবাণী' বুলি কয়।

ডিমাছাসকলৰ মাজত ঘৰজোঁৱাই প্ৰথা আছে। কেতিয়াবা কোনো ডেকাই বিয়া কৰাই শহুৰেকৰ ঘৰতে থাকিবলৈ লয়। এনে কাৰ্যক 'জুনাহাবৰা' বোলা হয়। অৱশ্যে এনেকৈ দুই তিনি বছৰহে থাকে। পাছত নিজাকৈ ঘৰ সাজি তাত তেওঁলোকৰ পৰিয়াল থাকিবলৈ লয়। নতুন ঘৰত থাকিবলৈ যোৱাক 'নগদাইং জাইবা' বোলে। শহুৰেকৰ ঘৰত থাকিলেও ডেকাজনৰ কুলৰ পৰিবৰ্তন নহয়।

ডিমাছা সমাজত পুনৰ বিবাহ পদ্ধতি আছে। কম বয়সতে বিধৱা হ'লে নতুবা বৰলা হ'লে পুনৰ বিবাহ কৰিব পাৰে। অৱশ্যে ডেকা গাভৰুৰ বিয়া হোৱাৰ দৰে বাদ্যভাণ্ড জাকজমকেৰে এই বিবাহৰ আয়োজন কৰা নহয়। গাঁৱৰ কেইঘৰমানক নিমন্ত্ৰণ কৰি আনি এই বিবাহ সম্পন্ন কৰা হয়। ইচ্ছা কৰিলে দেওৰেকে বিধৱা বৌৱেকক বিয়া কৰাব পাৰে। কিন্তু বিধৱা ভাই বোৱাৰীয়েক বৰজনাই বিয়া কৰাব নোৱাৰে। সেইদৰে খুলশালিয়েকক বিয়া কৰাব পাৰে যদিও জেঠাশৰেকক বিয়া কৰোৱাটো নিষেধ।

ডিমাছাসকলৰ মাজত বিবাহ বিচ্ছেদ অতি কম। সন্তানহীন মাজত কিম্বা মতানৈক্য হ'লে মাননীয় লোকসকলে তাৰ বিচাৰ কৰি দিয়ে। অত্যন্ত এবা এৰি হ'বলগীয়া হ'লে সমাজক মাতি বিচাৰ কৰিবলৈ কয়। দোষী হোৱাজনে বাইজৰ আগত শপত খাব লাগে। তদুপৰি জৰিমনা হিচাপে কিছু টকা পইচা ভৰিব লাগে। এইক্ষেত্ৰত সমাজৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত, আৰু দোষীয়ে তাক মানি লয়।

বিয়া এখন হ'লে সকলোৰে মনত আনন্দ লাগে। বিয়ানামৰ দৰে দৰা-কইনা দুয়োপক্ষৰ ল'ৰা-ছোৱালীৰ মাজত গীত গোৱাৰ নীতি আছে। এনে বিয়ানামক তেওঁলোকে 'যামবি বাণী চল' বুলি কয়। বিয়াৰ কেইদিন উদুলি-মুদুলি হৈ থকা গাঁওখন সকলো কাৰ্য সমাপন হোৱাৰ পাছত নিজম পৰে। গাঁওখনত বাহি বিয়াৰ নিৰ্জনতাই বিৰাজ কৰে।

১। হাগজেৰ, নিৰুপমা, ডিমাছা, অসম সাহিত্য সভা

তিৱা সম্প্ৰদায়ৰ বিবাহ পদ্ধতি

পদ্ম পাটৰ

সৃষ্টিৰ আদিতম বাসনাৰ বৰনৈৰ কোবাল সোঁতত মনৰ গতি হেৰুৱাই সেই প্ৰথম পুৰুষগৰাকীয়ে যিদিনাই কিবা এক নোপোৱাৰ জৈৱিক তাড়নাত হাহাকাৰ কৰি উঠি জীৱনৰ শেতেলিত চিৰদিনৰ কাৰণে নাৰীৰ স্পৰ্শৰ কামনাৰে পৰস্পৰে পৰস্পৰৰ কাষ চাপি গৈ যি যুৰীয়া জীৱনৰ সন্ধিছায়াত বৈ সৃষ্টি কৰিলে সৃষ্টিতত্ত্বৰ প্ৰথম সূত্ৰ— সেই সূত্ৰই সৃষ্টিৰ বিস্তৃতিৰ আদি সূত্ৰ আছিল বুলি সমাজ বৈজ্ঞানিকসকলে ক'ব খোজে। সেই সমাজ বৈজ্ঞানিকসকলে ক'ব খোজা সেই সূত্ৰৰ ক্ৰিয়া-প্ৰক্ৰিয়াতেই পালে বংশ বৃদ্ধি আৰু ৰচনা হ'ল সৃষ্টিৰ নতুন ৰূপ ক্ৰমে ক্ৰমে।

আদিম পুৰুষগৰাকীৰ (আদম) এই দায়িত্ববহন আৰু আদিম নাৰী (ইভ)ৰ আত্মসমৰ্পণত সম্পাদনা হোৱা সেই কাৰ্যই আছিল আজিৰ সমাজ জীৱনৰ মূল ভেটি। অৰ্থাৎ দয়িতাৰ আত্মসমৰ্পণত সম্পাদনা হোৱা সেই কাৰ্যই আছিল আজিৰ সমাজ জীৱনৰ মূলস্বৰূপ। অৰ্থাৎ দয়িতাৰ আত্মসমৰ্পণ আৰু গ্ৰহীতাৰ গ্ৰহণৰ স্বীকাৰোক্তিৰ সন্ধিত উদ্ভৱ হোৱা যথাৰ্থ পৰিয়াল গঠনেই বিবাহৰ মূল উৎস বুলিব পাৰি। 'বিবাহ' সংস্কৃত শব্দ। ইয়াৰ অৰ্থ বি— বিশেষৰূপে + বহ — গ্ৰহণ কৰা। অৰ্থাৎ এজনৰ জীৱন আন এজনে চিৰজীৱনৰ কাৰণে বিশেষভাৱে গ্ৰহণ কৰা অৰ্থাৎ দায়িত্ব লোৱা।

সেই একেদৰেই বড়ো-কছাৰীসকলৰ 'হাবাৰ' (বিয়াৰ) অৰ্থও মন কৰিবলগীয়া। 'হাবা'—হা = পৃথিৱী + বা = বোকোচাত লোৱা অৰ্থাৎ 'সংসাৰৰ দায়িত্ব লোৱা। সেই একেদৰেই মিচিংসকলৰ 'মিদাং'— ৰাভাসকলৰ 'কাংচিকাই', কাৰ্বিসকলৰ 'পিছো-কোপাংৰি'ৰ অৰ্থও তাৎপৰ্যপূৰ্ণ।

এই মানবীয় বিবাহ, সৃষ্টি বিস্তৃতি বা বংশ বৃদ্ধিৰ মাজতেই সীমাবদ্ধ নহয়— ইয়াৰ লগত সমাজ সৃষ্টিতত্ত্বৰো ঘাই যোগসূত্ৰ আছে। ড° ৰাধাকৃষ্ণণে বিবাহ সম্বন্ধে এটি মন্তব্যত কৈছে, 'Marriage is more a social character for the establishment of a legitimate family than a license for sexual intercourse.' আৰু এই বিবাহক সমাজ বিজ্ঞানীসকলে 'সামাজিক শ্ৰেষ্ঠ সংস্কাৰ'ৰূপে

অকল হিন্দু সমাজেই নহয়, পৃথিৱীৰ সকলো সমাজেই স্বীকাৰ কৰি আহিছে বুলি মন্তব্য পোষণ কৰিছে। আৰু এই বিবাহ বা সমাজ সংস্কাৰৰ সূত্ৰই বিভিন্ন ক্ষেত্ৰত জনসমাজত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। কোনো কোনোৱে 'বিবাহ পৃথিৱীৰ মাতৃ, ইয়েই সাম্ৰাজ্য ৰক্ষা কৰে... সেই বাবেই বিবাহ স্বয়ংপূৰ্ণ স্বৰ্গ' বুলি মত পোষণ কৰিছে। (Marriage is the mother of the world, and preserves kingdoms and fills cities and churches and heaven itself.-J. Tailor)

অসম খিলঞ্জীয়া জনজাতিসকলৰ সাতোৰহণীয়া ঐতিহ্যমণ্ডিত কলা-সংস্কৃতিৰ বিচিত্ৰ লীলাভূমি। খৃষ্টপূৰ্ব শ শ বছৰৰ আগৰ পৰাই ঐতিহ্যপূৰ্ণ এই কৃষ্টি-সংস্কৃতিৰ কঠীয়াতলীত সেই আদিম জনজাতি বড়ো-কছাৰী, কাৰ্বি, মিচিং, তিৱা, দেউৰী, ৰাভা, লুচাই, মিচিমি, অকা, ডফলাসকলে বসবাস কৰি আহিছে। সেইসকলৰ সমাজ জীৱন, সাংস্কৃতিক জীৱন বৈচিত্ৰতাৰে পূৰ্ণ। সেই একেদৰেই বিবাহ পদ্ধতিও নিজ নিজ সমাজৰ স্বকীয় নীতি-নিয়মেৰে ভৰা।

অসমৰ অন্যান্য জনজাতিসকলৰ মাজৰে তিৱা (লালুং)সকলেও এক বিশিষ্ট ভূমিকাৰে, ঐতিহ্যমণ্ডিত জাতিৰূপে সেই অতীতৰে পৰা বসবাস কৰি আহিছে। এই তিৱাসকল বিশেষকৈ মধ্য অসমৰ ভালেকেইখন জিলাত সিঁচৰতি হৈ আছে। বিশেষকৈ নগাঁও জিলাতেই লালুংসকলৰ বেছিভাগ লোকৰ বসবাস। তদুপৰি কামৰূপ জিলাৰ পূৰ্বাঞ্চল, মেঘালয় (খাচীয়া জয়ন্তীয়াৰ) উত্তৰাঞ্চল কপিলীৰ দক্ষিণপাৰ, মিকিৰ পাহাৰ, উত্তৰ লখিমপুৰৰ ধেমাজি অঞ্চল আৰু শিৱসাগৰত এই জনজাতীয় লোকসকলৰ বাসস্থান। এই তিৱা সমাজৰ সাংস্কৃতিক অৱদানো কম নহয়। প্ৰায় ৪ লাখৰো অধিক জনসংখ্যাৰে এই জনজাতিৰ লোকসকলে বিভিন্ন ক্ষেত্ৰত ঐতিহ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অন্যান্য জনজাতিৰ দৰেই এই জনজাতিৰ বিবাহ পদ্ধতিৰ ক্ষেত্ৰত এই তিৱা সম্প্ৰদায়ৰ লোকসকলৰ বিভিন্ন ঠাইত ছিন্ন-ভিন্ন হৈ থকাৰ ফলত বহুতো সামাজিক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, মাত-কথা আৰু ধৰ্ম কাৰ্যত অমিল বা প্ৰভেদ পৰিলক্ষিত হোৱা দেখা যায়। বিশেষকৈ পাহাৰীয়া তিৱা আৰু ভৈয়ামৰ মাজত এই পাৰ্থক্যৰ ৰূপ বিদ্যমান। শিক্ষাৰ পোহৰেই হওক বা অন্য কাৰণতেই হওক— বহুতো পুৰণি নীতিক আওকাণ কৰি নতুন সমাজনীতিক সদায়ে আঁকোৱালি ল'বলৈ বাধ্য হৈ পৰিছে। ঠাইবিশেষে আঞ্চলিক বিভিন্নতা আৰু বিভিন্ন আচাৰ-নীতিৰ পাৰ্থক্য দেখা যায়। একে কাৰণতে বৈবাহিক নীতিৰ ক্ষেত্ৰতো পাৰ্থক্য পৰিলক্ষিত হয়। এই প্ৰবন্ধত ভৈয়ামৰ তিৱা লোকসকলৰ বিবাহ পদ্ধতিৰ বিষয়েহে কিছু কথা আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

মানুহ সমাজপ্ৰিয়। এই সমাজক বাদ দি কোনোৱেই থাকিব নোৱাৰে। এই সমাজৰ মাজত সোমাই পৰিলেই আহি পৰে বিভিন্ন পৰ্যায়ৰ বান্ধোন, ৰীতি-নীতিৰ চৰ্চা। সেই সমাজনীতিত জীৱনে নতুন ৰূপ পায়। বিবাহ, জাতি বা সমাজ ৰক্ষা কৰাই আৱশ্যকীয় ধৰ্ম (The essential functions of marriage is the construction of race. - Barnard Shaw)।

আগতেই উল্লেখ কৰি অহা হৈছে যে বিবাহ সমাজ সংস্কাৰৰ এক অন্যতম অনুষ্ঠান আৰু সেয়েই বিবাহৰ পিছৰ পৰাই সমাজৰ বিভিন্ন কাৰ্যত বিভিন্ন উদ্দেশ্যত সামাজিকভাৱে ব্ৰতী হ'ব লগা হয়। সেই একেদৰেই তিৱাসকলেও বিবাহক এক সংস্কাৰ অনুষ্ঠানৰূপে পালন কৰি আহিছে। অন্যান্য জাতিসকলৰ দৰেই তিৱা সম্প্ৰদায়ো অসমৰ এটি অতি পুৰণি জনগোষ্ঠী। স্বকীয় ৰীতি-নীতিৰে সমাজ জীৱন গঢ়ি তুলি এই তিৱাসকলে অতীতৰে পৰা পুৰণি নীতি-নিয়মৰ মাজেৰেই বিবাহকাৰ্য সম্পাদনা কৰি আহিছে।

তিৱা সমাজৰ লোকসকলে বিশেষকৈ পাঁচ প্ৰকাৰে বিবাহকাৰ্য সম্পাদনা কৰে। ইয়াৰ বাহিৰেও দুই-চাৰিয়ে অন্যপ্ৰকাৰে বিবাহকাৰ্য সম্পাদনা নকৰা নহয়।

(ক) চিৰাচৰিত প্ৰথা (বৰবিয়া) (খ) জোৰণ প্ৰথা (গ) পলুৱাই আনি বিয়া কৰোৱা প্ৰথা

(ঘ) ছোৱালীক ধৰি আনি বিয়া কৰোৱা প্ৰথা (ঙ) ঘৰজোঁৱাই ৰখা প্ৰথা

সময়ৰ অগ্ৰগতি আৰু শিক্ষাৰ পোহৰে এই তিৱা জনজাতীয় সম্প্ৰদায়ৰ মাজলৈ কিছু সলনি আনি দিছে আৰু পৰিৱৰ্তনশীল সমাজৰ জীৱনধাৰাত বহুতো পুৰণি ৰীতি-নীতিৰ সংস্কাৰ সাধন হৈছে। আমাৰ সমাজৰ মাজৰ পৰা আজি যেন বহুতো পুৰণি ৰীতি-নীতি বৰ্তমান লুপ্তপ্ৰায়। গতিকে বিবাহ সম্পাদনৰ ক্ষেত্ৰত আজিকালি বহুতেই নতুন সমাজ জীৱনৰ নীতি-নিয়মৰ মাজেৰেই সমাধা কৰে। অৱশ্যে এইটো কথা ঠিক আগৰ দৰে আৰু বাটে-ঘাটে বলপূৰ্বকৰূপে ছোৱালী ধৰি আনি বিয়া কৰোৱাৰ দিন আজি আৰু নাই। আইনৰ চোকা দৃষ্টিয়ে সেইদিন কেতিয়াবাই সমাজৰ পৰা আঁতৰালে। এনে এটা দিন আছিল, যিটো দিনত এই নিয়ম আমাৰ সমাজত এটা Tradition ৰূপে ঠাই পাইছিল। সমাজ পৰিৱৰ্তনৰ ধাৰাই আমাৰ জীৱনধাৰাৰো পৰিৱৰ্তন আনিলে সঁচা, কিন্তু পুৰণি দিনৰ মোহ একেবাৰে এৰিব পৰা নাই আৰু সেইবোৰ প্ৰথা আমি স্বকীয়তাৰ স্বাৰ্থতে একেবাৰে বাদ দিব নোৱাৰা বাবেই সেই নীতি বৰ্তি আছে। আনহাতে তিৱা সমাজৰ প্ৰায়বোৰ লোকেই আৰ্থিক দিশত পিছপৰা। তেনেক্ষেত্ৰত সকলোৰেই এখন বৰবিয়া পাতি ৰাইজক আপ্যায়িত কৰাটো সঁচাকৈয়েই দুৰূহ কাৰ্য। তথাপি সেই পুৰণি নীতি-নিয়মৰ সামান্য পৰিৱৰ্তন ঘটাই অনুষ্ঠুপীয়াকৈ হলেও বিবাহকাৰ্য সম্পাদনা কৰা পৰিলক্ষিত হয়। তদুপৰি আজিকালিৰ কাছাৰীঘৰৰ registration বিয়া, মন্দিৰ আদিত সম্পাদনা হোৱা গান্ধৰ্ব বিবাহকাৰ্যকো এই জনজাতি লোকসকলে সঁহাৰি জনোৱা দেখা গৈছে।

তিৱাসকলৰ বিভিন্ন গোষ্ঠী বা বংশ আছে। ইয়াক মাহাৰী বা কুল বুলিও কয়। প্ৰতিটো কুল বা প্ৰতিটো বংশৰ একোটাকৈ খেল থাকে। সেই খেলৰ মানুহেহে নিৰ্দিষ্ট বংশৰ সামাজিক কাম-কাজত আগভাগ ল'ব পাৰে। এই খেলৰ মানুহে বিয়া-সবাহ, মৃতকৰ সৎকাৰ বা অন্যান্য পূজা-পাৰ্বণত আগভাগ লয়। আনে নোৱাৰে। বংশানুক্ৰমে এই খেলেহে বংশৰ সামাজিক কাম-কাজবোৰ কৰি যাব লাগে।

তিৱাসকলৰ বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত এটা মাত্ৰ গোষ্ঠীয়েহে সিহঁতৰ নিজৰ বংশৰ মাজত বিয়া-বাৰুত সমন্বয় স্থাপন কৰিব পাৰে। সেই কুলটো হৈছে 'মছৰং' কুল। আনহাতে মাছেৰং কুলৰ মানুহে মাছেৰং কুলৰ ছোৱালী বিয়া কৰাব নোৱাৰে। যদি কেতিয়াবা কোনোবাই সমাজৰ এই নিয়ম ভংগ কৰি বৈবাহিক পাশত আবদ্ধ হয়, সমাজে তেনে লোকক সমাজচ্যুত কৰি 'বাদী-বদীয়া' ৰূপত সমাজৰ মাজৰ পৰা খেদি পঠিয়ায়। কেতিয়াবা সমাজে সিহঁতক জৰিমনা ভৰাই, ভোজ-ভাত খাই, পা-পৰাচিত কৰি সিহঁতৰ বিবাহ বিচ্ছেদ কৰি দিয়ে। আনহাতে নতুনকৈ বিয়া কৰোৱা কোনোবা নব-দম্পতীৰ কইনাৰ যদি কিবা দুৰ্ঘটনাত মৃত্যু হয়, তেন্তে খুলশালিয়েকক বিয়া কৰাব পাৰে; কিন্তু কইনাৰ বায়েকৰ স'তে তিৱা সমাজত কোনোকালে বিয়া হ'ব নোৱাৰে। বয়স থকাৰ আগতে যদি কোনো পুৰুষৰ তিৰোতা মৃত্যুৰ সন্মুখীন হয়, তেন্তে সেই বৰলা লোকে নতুনকৈ বিয়া কৰাব পাৰে। বহুতে স্বামীহীনা 'বাৰী'ক বিয়া কৰে। তদুপৰি মিতিৰৰ বংশৰ লগত মিতিৰ কৰিব পাৰে। তিৱা সমাজত বাল্য বিবাহৰ প্ৰচলন নাই। তিৱাসকল অতীজতে মাতৃপ্ৰধান আছিল। খাচীয়া-জয়ন্তীয়াসকল মাতৃপ্ৰধান (Matriarchal) আছিল। এই জয়ন্তীয়া সমাজনীতিৰ বহু নীতি তিৱাসকলৰ সমাজৰ

লগত সামঞ্জস্য আছিল আৰু কিছুদিনৰ আগলৈকে একমাত্ৰ মাকেই তিৱা সমাজত পৰিয়ালৰ উত্তৰাধিকাৰী আছিল। আগৰ দিনত সেয়ে গভীয়া ৰখা প্ৰথা বেছিকৈ প্ৰচলন আছিল। আৰু মাকৰ মৃত্যুৰ পাছত ডাঙৰজনী ছোৱালীয়ে সকলো সা-সম্পত্তিৰ অধিকাৰী হৈছিল। অৱশ্যে আজিকালি তিৱা সমাজৰ লোকসকল মাতৃপ্ৰধান নহয়। যদিও কোনোবা ছোৱালীয়ে যদি ঘৰজোঁৱাই ৰাখে সেই ছোৱালীয়ে পৈত্ৰিক সম্পত্তিৰ এক অংশ পোৱাৰ বিধান আছে।

তিৱাসকলে সাধাৰণতে আদিতে গন্ধৰ্ব বিবাহত প্ৰাধান্য দিছিল। ছোৱালী পলুৱাই বা খুজি আনি ঘৰত নতুনকৈ 'বুঢ়াবিয়া' পাতি লৈছিল। আজিৰ সমাজত সচৰাচৰ যি বিয়াৰ (বৰবিয়া)ৰ প্ৰচলন হৈছে, সেই বিয়াৰ প্ৰচলন আদিতে নাছিল। দেখাক দেখিহে এই বিয়াত জোৰ দিয়া বুলি সমাজৰ বুঢ়া লোকসকলে ক'ব খোজে। যিহেতু তিৱা সমাজে কোনো বেদৰ আশ্ৰয় নোলোৱাকৈ বিবাহকাৰ্য সম্পাদন কৰে, সমাজে সামাজিকভাৱে আশীৰ্বাদ দি দুটা অভিন্ন মনক এক কৰি এক যুঁৰীয়া জীৱনৰ পাতনি মেলি দিয়ে, গতিকে এইদৰে ছোৱালী চুৰ কৰি পলুৱাই অনা বিয়াতহে বেছি প্ৰাধান্য দিছিল। তিৱা সমাজত পলুৱাই অনা আৰু ঘৰজোঁৱাই ৰখা বিয়াহে ধৰ্মীয় বিয়া। ছোৱালী পলুৱাই অনাৰ এসপ্তাহৰ পাছত বা পলমকৈ নিজা ঘৰত 'বুঢ়াবিয়া' পাতি দিয়ে। এই বুঢ়াবিয়ালৈ গাঁৱৰ সমূহ ৰাইজক মাতে। সেইদিনা সমাজৰ মাজতে এজনী হৈ বহি থকা (পূবফালে) দৰাজনক তামোল পাণৰ বটা এটা দি মালাদানেৰে কইনাজনীয়ে স্বামীক বৰণ কৰি জীৱন সংসাৰত সোমাব লাগে।

তিৱাসকলে দৰা-কইনাক একোখন সমাজৰ মজিয়াত বাইজে সমূহীয়াকৈ আশীৰ্বাদ দি দুয়োৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। এনেদৰে বিশ্লেষণ চাই এই প্ৰধান জনজাতীয় বিয়াকহে উৎকৃষ্ট পৰ্যায়ৰ বিয়া বুলি ক'ব পৰা যায়। তিৱা সমাজত বিবাহ (বৰবিয়া) কাৰ্য সমাধা কৰিবলৈ 'বৰজেলা' নামৰ এগৰাকী বিশিষ্ট লোকক বিশেষ দায়িত্ব দিয়া হয়। এই বৰজেলাই গোটেই বিয়াখনৰ নিয়ম-কানুন গাই-বাই ছোৱালী লোভাব পৰা আৰম্ভ কৰি বিয়াৰ শেষ পৰ্যায়লৈকে চাকিব লাগে। এই 'বৰজেলা'ই বিয়াৰ দিনা এক বৈশিষ্ট্যপূৰ্ণ সাজেৰে (মূৰত বগা চোলে বগা পাগুৰি, কান্ধত ফুলাম গামোচা) থাকে। এই বৰজেলাৰ পাছতে বৰবিয়াত 'গাতিজেলা'ৰো দায়িত্ব যথেষ্ট গুৰুত্বপূৰ্ণ।

পলুৱাই অনা বা ছোৱালী ধৰি অনা আৰু ঘৰজোঁৱাই ৰাখি দিয়া পদ্ধতিৰ নিয়মবোৰ একেই। সেইদৰে বৰবিয়া আৰু জোৰোণ দিয়া বিয়াৰ নিয়মবোৰো একে। জোৰোণ বিয়াত দৰা আৰু কইনাক এদিন মাত্ৰ গা ধুৱায় আৰু বৰ আড়ম্বৰপূৰ্ণ নকৰি বাটতেই ছোৱালী উলিয়াই দিয়ে। জোৰোণ দিয়া বিয়াত খোৱা-বোৱা, ভোজ-ভাতৰ নিয়ম নাথাকে; কিন্তু বৰবিয়াত সেইবোৰ থাকে। ঘৰজোঁৱাই ৰখা বিয়াত ল'ৰাই-ছোৱালীৰ মন বুজি ছোৱালীৰ ঘৰত থাকে। কেতিয়াবা পুত্ৰহীন পিতৃয়ে বংশ ৰক্ষাৰ্থেও ঘৰজোঁৱাই ৰাখে। পলুৱাই অনা বিয়াত ল'ৰা ছোৱালীৰ মতামত থাকে। কেতিয়াবা কইনাঘৰৰ মত নাথাকে। তেনেক্ষেত্ৰত দুয়োটা পৰিয়ালৰ মাজত বহুদিনলৈকে মিলিত নোহোৱাকৈ থাকে। এনেবোৰ বিয়াত 'কটকী' নামৰ এজন বিশেষ পুৰুষে ল'ৰা-ছোৱালীৰ মাজত মধ্যস্থতা কৰি টকা সিকা খটি কাম কৰে। চোৰকৰা বা পলুৱাই অনা বিয়াত পিছদিনা গৈ কইনাঘৰত জনাই দিবলৈ যাব লাগে। ইয়াক 'সঁজাতী' যোৱা বোলে। এই 'সঁজাতী'ৰ দলত খেলৰ মানুহ, বংশৰ ঘৰবুঢ়া আৰু দুজনমান অন্যান্য লোক থাকে। সঁজাতী যোৱাদিনা মদ এটেকেলি, তামোল-পাণ এনেবাই নিব লাগে। দৰাঘৰৰ লোক কইনাঘৰ গৈ পোৱাৰ পাছতে কইনাঘৰৰ পিৰিহতে চা-চিনাকি হ'বৰ বাবে ওচৰৰ দুই-চাৰিজন ৰুকাই-

ভাই, গঞা জ্ঞাতি লোকক মাতি শৰাই ভাঙে আৰু পৰিচয় হৈ নতুন মিতিৰ হয়। মতৰ অমিল হ'লে কোনো কোনোৱে আকৌ এনে শৰাই নভঙাকৈ পঠিয়াই দিয়ে। তেনে মিতিৰৰ লগত বহুদিনলৈকে সম্বন্ধ নোহোৱাকৈ থাকে। বৰবিয়া আৰু জোৰোণত 'কুলছিঙা' ভাৰ নিব নালাগে; কিন্তু চুৰ কৰি নিয়া বা খুজি অনা ছোৱালীৰ ক্ষেত্ৰত বংশৰ 'চৈ ছিঙি' দিবৰ বাবে বিয়াৰ পাছত সুবিধা অনুযায়ী কইনাৰ ঘৰলৈ ভাৰ এখন নিব লাগে।

আমি এতিয়া সচৰাচৰ সামাজিক ৰীতি-নীতিৰ তিৱা সমাজৰ এখন বৰবিয়াৰ মাজলৈ যাওঁ, য'ত আমি এখন বহল সমাজক তিনিদিন ধৰি একে ঠাইতে লগ পাওঁ। এই বিয়াত তিৱাসকলে নিজৰ স্বকীয় বৈশিষ্ট্যৰে সম্পাদনা কৰা এই নীতি-নিয়মবোৰ মন কৰিবলগীয়া।

তিৱা সমাজৰ বিবাহ প্ৰথা অনুযায়ী কোনোবা ল'ৰাই বা কোনোবা ছোৱালীৰ ল'ৰাৰ লগত মনৰ মিল হ'লে নাইবা কেতিয়াবা গৃহস্থই ঘৰৰ বিবাহযোগ্য ল'ৰালৈ এগৰাকী ছোৱালীৰ প্ৰয়োজনবোধ কৰি ছোৱালী চাবলৈ যায়। ছোৱালী চাবলৈ যাওঁতে সাত বান্ধনী বা ন বান্ধনীৰ (সাতটা তামোল বা সাতখিলা পাণ, নটা তামোল বা নখিলা পাণৰ বটা) বটা এটাৰে দৰাৰ বাপেকে লগত বংশ-জ্ঞাতিৰ মানুহ লৈ ছোৱালীৰ ঘৰ পায়গৈ।

এনেকৈ গৈ পোৱাৰ পাছতে সচৰাচৰ আলহী মানুহৰ দৰেই সোধপোচ কৰে আৰু অচিনাকি মানুহৰ পানু-তামোলৰ বঁটা আগত পাই কি কথা, কি বতৰা লৈ আহিল বা কিহৰ বাবে এই বঁটা গৃহস্থৰ মূল লোকগৰাকীয়ে সোধে। তেতিয়া দৰাঘৰীয়া মানুহৰ ফালৰ পৰা ঘৰবুঢ়াই কয়— 'বোলে গৰু কিনাৰো লাজ নাই, ছোৱালী খোজাৰো লাজ নাই। জানিব পাৰিলো আপোনাৰ ঘৰত বিবাহোপযোগী কইনা আছে, আমাৰো বিবাহৰ যোগ্যৱান ল'ৰা আছে, গতিকেই সংসাৰত থাকিলে সংসাৰ পাতিব লাগে—সংসাৰৰ নিয়মানুসৰি আমি আপোনাৰ সৈতে মিতিৰ হ'বলৈ মন কৰিছোঁ, তাকে আপোনালোকৰ বা কথা কি, মন কি জানিবলৈ আহিলোঁ।'

তাৰ পাছত কইনাদাতাই ক'ৰ পৰা আহিছে কি কথা, বংশ পৰিয়ালৰ বা-বাতৰি লয় আৰু ভাবি-চিন্তি কয় — 'হয়, ভাল কথা। আপোনালোক আহিছে যেতিয়া আৰু ল'ৰা থাকিলে ছোৱালী, ছোৱালী থাকিলে ল'ৰা চাই দিয়া নিয়ম যেতিয়া আছে আমাৰো দিব লগা কন্যা আছে, গাভৰু কন্যা ঘৰত পুহি ৰখা, সাপ পুহি ৰখা একে কথা। গতিকে ভাল কথা, ভাল মাত আগত লৈ শুভকাৰ্যত আগ বঢ়াই ভাল'—বুলি কইনা দাতাই মতামত দিয়াৰ পাছতে দৰাঘৰে আগবঢ়াই দিয়া বটা ভাঙে। (কেতিয়াবা মতৰ অমিল হ'লে বটা নাভাঙে)। এই কামত খেলৰ মুখ্য ব্যক্তিজনাই আগভাগ লয় আৰু সেইদিনাই দিন খতিৰা দি পুনৰ আহিবলৈ কয়।

সেই দিন-তাৰিখ মতেই সেই নিৰ্দিষ্ট দিনৰ দিনা দৰাঘৰৰ পৰা পুনৰ 'লাও' নিয়ে। ইয়াক 'বাট কটা লাও' বুলিও কয় আৰু সেইদিনাহে মিতিৰৰ ঘৰৰ লগত প্ৰথম চিনা-চিনি হয়। সেইদিনা ল'ৰাই খেলৰ মানুহ লৈ আঙুলি পিঠা, তামোল-পাণৰ সৈতে গৈ কইনাৰ ঘৰ পায়গৈ। সেইদিনাহে ছোৱালী ঘৰীয়াই ছোৱালীক দেখুৱায়। সেইদিনা ছোৱালীক প্ৰথম সাক্ষাতত মান বঁটা দিয়ে। সেইদৰে ল'ৰাজনকো কইনাগৰাকীয়ে চেলেং বা চাদৰ বা গামোচা আগবঢ়ায়।

ইয়াৰ পাছত কইনাঘৰৰ মানুহে আহি দৰাঘৰ পায়হি। সেইদিনাই কইনাঘৰীয়াই ল'ৰাজনক নিমন্ত্ৰণ কৰিথৈ যায় কইনাঘৰলৈ যাবলৈ আৰু সেই তাৰিখ মতেই ল'ৰা গৈ ছোৱালীৰ ঘৰ পায়গৈ। সেইদিনা কইনাঘৰত

সমূহ ছোৱালীয়ে ল'ৰাজনক নানা প্ৰশ্ন সোধে; ল'ৰাই তাৰ উত্তৰ দিব লগা হয়। ল'ৰাই নিজৰ সম্ভাৱনাৰূপে পইচা-পাতিও দিব লগা হয়। কোনোৱে আঙঠি পৰ্যন্তও দিয়ে। আগৰ দিনত ল'ৰাই ছোৱালীক এইদৰে চাবলৈ গৈ ব্লাউজ বা অন্যান্য সামগ্ৰী উপহাৰ নিদিছিল, কিন্তু আজিকালি সেই নিয়মৰ ব্যতিক্ৰম ঘটিছে।

ল'ৰা-ছোৱালীৰ প্ৰথম দেখা-দেখিৰ পাছত দৰাৰ বাপেকক কইনাঘৰীয়াই পুনৰ নিমন্ত্ৰণ কৰে আৰু খেলৰ মানুহ লৈ ভাৰ এখনেৰে দৰাৰ বাপেক যাব লগা হয়। এইখন ভাৰক 'বংশজ্ঞাননী ভাৰ' বোলে। এই ভাৰখনত বেটৰ টিঙিৰিত মদ, শিকিয়াত এপাচি পকলীয়া আৰৈ চাউল আৰু কেইবাটাও সৰু সৰু মদৰ লাও থাকে। তাৰে এটাত জালুকীয়া (জালুকৰ গুড়ি দিয়া) মদৰ লাও নিব লাগে। (সৰু সৰু ডিঙিৰ এনে জাতিলাও বিশেষভাৱে শুকুৱাই কৰি এনে সামাজিক কামৰ বাবে গুটিবোৰ উলিয়াই ব্যৱহাৰৰ উপযোগী কৰি লয়।)

এনেকৈ ভাৰ লৈ গৈ বৰজেলাই ভাৰখন পূবা-পশ্চিমাকৈ মদৰ কলহটো আগত আৰু চাউলৰ পাচিটো পাছত ৰাখে। সেইদৰে আন আন লাওকেইটাকো পাচিৰ ওপৰতে থয়। কোনো কোনোৱে দৰাঘৰীয়াক খোৱা-বোৱাৰ ব্যৱস্থাও কৰে। ইয়াৰ পাছত কইনাঘৰীয়াই পৰিয়াল বা সমাজ মাতে আৰু সমজুৱাসকলে ঘূৰণীয়াকৈ বহে। দৰাঘৰীয়া মানুহে মাচেৰেং কুলৰ হ'লে ৯টা (মাচেৰেং কুলটো বৰজাঘৰীয়া কুল) অন্যান্য কুলৰ হ'লে ৭টা তামোল-পাণৰ বটা আনি কইনাঘৰীয়াৰ বৰজেলাৰ আগত দিয়েগৈ। তেতিয়া কইনাঘৰীয়া বৰজেলাই মাতিব ঃ

কইনাঘৰীয়া ঃ 'বাপা বৰজেলাগুৰু'।

দৰাঘৰীয়া ঃ 'ভাল অ' জেলাগুৰু'।

কইনাঘৰীয়া ঃ 'বাপা বৰজেলাগুৰু' আপোনালোকে কেল জাতিলৈ হাড়ে ভাৰে, গাঁঠিত, গড়ৰ খড়গ লৈ, সোণৰ শিকিয়া, ৰূপৰ বাংকা লৈ আপোনালোক বাৰ কুল, চৈধ্য কুল লৈ মোৰ বন্দীৰ ঘৰলৈ আহিছে, আপোনালোকে সখী বাছিবলৈ আহিছে নে ছোৱালী খুজিবলৈ আহিছে নে গৰু বিচাৰিবলৈ আহিছে ক'লেহে বন্দীয়ে জানিব পাৰোঁ।'

দৰাঘৰীয়া ঃ 'ভাল জেলাগুৰু, বজাই দিয়া ভূমি, পিতৃয়ে দিয়া কন্যা, আপোনাৰ কন্যা দিয়াৰ কথা আছিল, সেই কন্যাৰ ভাৰ খোৱা কথা আছিল, সেই ভাৰ লৈ আহিছোঁ। গতিকে হুকুম দিলেই আমি আমাৰ শুভ কাম কৰিব পাৰোঁ।'

কইনাঘৰীয়া ঃ 'ভাল বৰ জেলাগুৰু, আপুনি যদি সকলো কৰি-মেলি আহিছে শুভ কাম আৰম্ভ কৰিব পাৰে।'

দৰাঘৰীয়া ঃ 'ভাল জেলাগুৰু, এতিয়া তেন্তে আমি কাম আৰম্ভ কৰোঁ।'

লগে লগে নিয়মানুসাৰে দৰাঘৰৰ বৰজেলাই কইনাঘৰৰ বৰজেলাৰ কথামতে ভাৰখন আগবঢ়াই দিয়ে আৰু ভাৰখন ভিতৰলৈ নি মদখিনি চাকি-বাকি দৰাণেৰে বাইজক আনি দিয়েহি। বাইজে একেলগে 'অ ৰাম ঈশ্বৰ — জেলাগুৰু ডাঙৰীয়া, এক নজমাই, দুই নজমাই, দুই নজমাই, এক নজমাই, আজিৰ পৰা এতিয়া যেনেকৈ খোৱা বোৱা কৰাইছে, আগলৈও তেনেকৈ খুৱাব-বোৱাব লাগে — হে পৰম ঈশ্বৰ' বুলি প্ৰাৰ্থনা জনায়। ইয়াৰ পাছতে সেইদিনালৈ দৰাঘৰীয়াক বিদায় দিয়ে। যিহেতু ঘৰবুঢ়া আৰু ঘৰবুঢ়ীয়ে সকলো পৰা পুৰোহিতৰ দৰে কাম কৰি আছে, সেয়েহে ঘৰবুঢ়া আৰু ঘৰবুঢ়ীক আন এখন 'মূৰ তিওৱাভাৰ' খুৱাব লাগে। এইখন ভাৰত মদ এটেকেলি নি ঘৰবুঢ়াৰ ঘৰত দিবগৈ লাগে।

এইখন ভাৰ সধাৰ পাছতে খাৰু-মণি পিন্ধোৱাৰ বাবে হুকুম লোৱাৰ ভাৰ এখন নিব লাগে। এইখন ভাৰক 'বংশজাননী ভাৰ' বুলিও কয়। সেইদিনাও খেল জ্ঞাতিৰ সকলো গোট খায় আৰু সেইদিনাই বিয়াৰ দিন-তাৰিখ থিৰাং কৰে। খাৰু-মণি পিন্ধোৱাত প্ৰয়োজনীয় বস্তুবোৰৰ কথা সেইদিনাই উল্লেখ কৰে। বিয়াৰ এমাহ বা ডেৰ মাহমানৰ আগতেই কইনাঘৰে দিয়া দিন-তাৰিখ অনুযায়ী সেইদিনা গৈ ছোৱালীৰ যাৱতীয় আ-অলংকাৰ গাম-খাৰু, চেওমণি, কাণৰ অলংকাৰ, হাতৰ, ডিঙিৰ সকলো অলংকাৰ আৰু কইনাৰ যাৱতীয় কাপোৰ কানি দিয়েগৈ। কইনাৰ লগৰ লগৰীয়াসকলৰ বাবে সেইদিনাই তেল, স্নো, সেন্দূৰ, দুৱাৰ ধৰা দুটকা, পাটী গচকা পাঁচ টকা, খোপাখোলা তিনি টকা ৰূপ এখন শৰাইত আগবঢ়াই দিয়ে, যাতে ছোৱালী সমাজে তাৰ পাছত আৰু কোনো আপত্তি কৰিব নোৱাৰে।

উল্লেখযোগ্য যে, জোৰোণ বিয়াত ইমানখিনিলৈকে কৰি নিৰ্দিষ্ট দিন-তাৰিখৰ দিনা কইনাক এনোৱন দি ৰাতিয়েই ছোৱালীজনী উলিয়াই দিয়ে। কিন্তু বৰবিয়াত ৰাতিপুৱাহে ছোৱালী উলিয়াই দিয়া নিয়ম।

এই বৰবিয়াৰ এসপ্তাহৰ আগতে আৰু এখন ভাৰ নিব লাগে। এইখন ভাৰক 'গৰখীয়া ভাৰ' বোলে। এইখন ভাৰ গৈ আচলতে কইনাৰ ঘৰ নাপায়গৈ। এইখন ভাৰত সান্দহ বা চিৰা এটেকেলি, গাখীৰ এটেকেলি, কেৰু টেকেলিত এটেকেলি মিঠৈ, তামোল এথোক, পাণ পাঁচ গুছিৰে গাঁৱৰ সমূহ গৰখীয়াক পথাৰৰ মাজতে এইখন ভাৰ খাবলৈ দিয়া হয়—যাতে বিয়াত তেওঁলোকে কোনোধৰণৰ গণ্ডগোল সৃষ্টি নকৰে।

এই ভাৰখন খাই-বৈ শেষ কৰাৰ পাছতহে মিতিৰৰ ঘৰ পায়গৈ।

জোৰোণৰ দিনা দৰাঘৰৰ পৰা দৰাৰ বাপেক, দদায়েক, লগত খেলৰ মানুহ এজন আৰু তিৰোতা মানুহ গৈ দুনৰি, ঘট-টেকেলি আদি কইনাঘৰৰ লগত সলাই মেলি ঘৰ আহি পোৱাৰ পিছৰ পৰাহে নোৱনীৰ কাম আৰম্ভ কৰিব পাৰে।

আজিকালি এই জোৰোণৰ দিনা ঘট-টেকেলি সলোৱাৰ উপৰি সেইদিনাই কইনাৰ কাপোৰ-কানি, আ-অলংকাৰ দি থৈ আহে আৰু সেইদিনা কইনাঘৰীয়া আয়তীসকলৰ সম্মুখতে থাকি কইনাক দৰাৰ সম্বন্ধীয় এগৰাকী তিৰোতাই কপালত সেন্দূৰৰ ফোঁট দিয়ে। সেইদিনাৰ পৰা কইনাৰ মূৰত তেল দিয়া হয় আৰু বৰত খাটে, সেই তিনিদিনীয়া বৰতত এঁৱা গাখীৰ আৰু আৰৈ চাউলৰ ভাত খাব পাৰে যদিও সেই আহাৰতকৈ লঘু আহাৰ দিয়া দেখা যায়। কইনাঘৰীয়াৰ কিবা যদি দাবী থাকে, কোনোবাই কিবা দান-মান খোৱাৰ কথাও থাকে, সেইদিনাই দৰাঘৰীয়াক সকীয়াই পঠিয়ায়। দান খাওঁ বুলিলে দান দিব লাগিবই। গতিকে বিয়াৰ দিনা যাতে লাজত পৰিব লগা নহয়, তাৰ বাবেও দৰাঘৰীয়াই কইনাৰ মাক-বাপেকলৈ চুৰিয়া, মেখেলা তিনিহতীয়া, ঘৰবুঢ়ালৈ গামোচা, ঘৰবুঢ়ীলৈ তিনিহতীয়া অন্যান্য ১০খন চেলেং কাপোৰ, তামোল ২০ পোন, পাণ ২০০/২৫০ গুছি লৈ যাব লাগে। মান দিব লগা হ'লে বঁটাত তামোল পান, কাপোৰ দি মান আগবঢ়ায়।

কইনাঘৰৰ পৰা দুনৰি, ঘট, টেকেলি আদি আহি পোৱাৰ পাছত সন্ধিয়াৰ পৰা দৰাক নোওৱা হয়। প্ৰথম দিনা তামোল-পাণ এযোৰ দি ঘৰৰ আগফালে পোতা কলগছ এজোপাৰ তলত এখন পীৰা পাৰি দিয়া হয় আৰু তাতেই দৰাক গাঁ ধোৱা হয়। সেই কলগছডালত সূতা এডালো মেৰিয়াই দিয়া হয়। দুনৰিত আৰৈ চাউল, মাটিৰ চাকি এটা, তামোল-পাণ এযোৰ থাকে। দুনৰিটো আমপাত, এঁৱা সূঁতা, ঘটত মালাৰ দৰে গাঁথি দিয়ে। টেকেলিটোত আমৰ ডাল এটাও থাকে। প্ৰথম পানী তুলিবলৈ যোৱাৰ

আগতে কলগছজোপাৰ ওচৰত উৰুলি দিহে পানী তুলিবলৈ যাব পাৰে।

বিয়াত পানী তোলাৰো নিয়ম আছে। কইনা বা দৰাঘৰৰ পৰা আয়তীসকলে পানী তুলিবলৈ সাধাৰণতে ঢুলীয়াৰ লগত পূবফালে মুখকৰি যায় আৰু পানীতোলাৰ সময়ত মাছেৰেং কুলৰ হ'লে ৯খন তামোল, ৯ খিলা পাণ দি সেৱা কৰে। সেৱা কৰি, ৯বাৰ পানী তুলি প্ৰথমতে তললৈ (পানীত) তাৰ পাছত ক্ৰমে পানী তুলি দক্ষিণলৈ আৰু উত্তৰলৈ ৯বাৰকৈ পানী ছটিয়াই শেষত গংগাজল লৈ ঘৰলৈ ঘূৰে। পানী তুলি ঘূৰি আহোতে পিছলৈ উলটি নাচায়। এই পানী তোলাৰ সময়ত বজোৱা ঢোলৰ ছেও অন্যান্য সমাজৰ লোকৰ দৰে ঢোলৰ ছেও একেই। সেইদিনা পানী তুলি আনি প্ৰথমে আহি পূবলৈ মুখ কৰি ঘৰৰ চালত ৯বাৰ পানী ছটিয়ায়।

পানী তুলিবলৈ যোৱাৰ পাছত দৰাই কোনো কামত পূবফালে বাহিৰলৈ ওলাব নোৱাৰে। হাতত এখন ছুৰী আৰু এটা তামোল (মন্ত্ৰপূত) লৈ বহি থাকিব লাগে। বিয়া শেষ নোহোৱালৈকে এই ছুৰী কটাৰী হাতত থাকিব লাগে। তাৰ পাছত মাকে বেইৰ পূব কোণত ঘট, টেকেলি আৰু এজনী সৰু ছোৱালীয়ে নিয়া দুনৰিটো থৈ ঘৰৰ ভিতৰৰ পৰা সমাজৰ মাজেৰে দৰাক উলিয়াই আনে। দৰাৰ মাকে দৰাৰ গাত এখন নতুন কাপোৰ দি আঁচলত ধৰি মাছেৰেং কুল হ'লে নবাৰ, অন্য কুল হ'লে সাতবাৰ বেইৰ চাৰিওফালে ঘূৰিব লাগে। দৰাৰ মাকে কাষৰ ঘটৰ পৰা আৰু আন এজনী ছোৱালীয়ে দুনৰিৰ চাউল ছটিয়াই গৈ থাকে। নবাৰ বা সাতবাৰ ঘূৰাৰ পাছত মাকে ঘট-টেকেলি আৰু ছোৱালীজনীয়ে দুনৰিটো পূবমুৱাকৈ মাটিত থয়। তাৰ পাছত দৰাই হাতত তামোল আৰু ছুৰীখন ওচৰৰ এজনীক দি সেৱা এটা কৰি নোৰনি পীৰাত উঠে। প্ৰথমতে মাকে দৰাৰ মূৰত তেল, মাহ, হালধি দি নোৱাই আৰু পাছত অন্যান্যসকলে নোৱায়। এই সময়ত নামতীসকলে গোৱা বিয়ানাম তাৎপৰ্যপূৰ্ণ। বিভিন্ন সময়ত বিয়ানামবোৰ সলাই থাকে। এই নোৱন শেষ হোৱাৰ পাছত দৰাই নবাৰ বা সাতবাৰ ওচৰত থকা পাত্ৰৰ পৰা ঘটিত পানীপূৰ্ণ কৰি লৈ আধা গাত ঢালিব লাগে। সম্পূৰ্ণ খালী কৰিও এই পানী ঢালিব নাপায়। গা ধুই উঠাৰ পাছত কাপোৰ সলাই নবাৰ বা সাতবাৰ ন-খৰিকাৰে দাঁত খৰিকাই প্ৰত্যেকবাৰতে মুখ চকালিয়াব লাগে। ইয়াৰ পাছত চাৰি বা পাঁচজনী ছোৱালী বেইত উঠি প্ৰত্যেকেই হাতৰ মুঠিত চাউল লৈ মূৰত ইখনৰ ওপৰত সিখন হাত থৈ 'উকআএ মুৰামুৰি খাগৰিৰে বেৰা কোনে চুচে, কোনে মাজে সত্যভমাৰ জীয়ে কি ৰাম ৰাম সত্যভমাৰ জীয়ে। পুখুৰীৰে পানী আনি........' কৈ নবাৰ উৰুলি দিয়ে। উৰুলি দিয়াৰ লগে লগে হাতৰ মুঠিৰ চাউল ওপৰলৈ মাৰি পঠিয়াই, লগতে সন্মুখত দুনৰি লৈ থকা ছোৱালীজনীয়েই বিয়ানামৰ লগে লগে দুনৰিৰ পৰা চাউল এমুঠি উলিয়াই ছটিয়াই দিয়ে। এইদৰে সাত বা নবাৰ উৰুলি দিয়াৰ পাছত দৰাক ককায়েক বা ভায়েকে, কইনাকো সেইদৰে ককায়েক বা ভায়েকে কোলা বা বোকোচাত নি বভাতল পোৱায়গৈ। বভাতলীত বহি লৈ আয়তীসকলৰ নামৰ সুৰে সুৰে দৰা বা কইনাৰ ভনীয়েক বা বায়েকে আহি মূৰত তেল দি মূৰ ফণিয়াই দিয়েহি। (কোনো কোনো ঠাইত বায়েক বা ভনীয়েকে মূৰত তেল দিয়াৰ আগতে দৰা বা কইনাক মাকে প্ৰথমে দিয়াৰ নিয়ম।) প্ৰথম দিনৰ কাৰণে আয়তীসকলৰ কাম শেষ হয় আৰু তাৰ পাছতহে দৰা বা কইনাই ঘৰৰ ভিতৰ সোমাব পাৰে।

এইদৰে দ্বিতীয়দিনা দিনত আৰু সন্ধিয়া দৰাক নোওৱা হয়। বেইৰ কলপুলিৰ মাজত এখন চাদৰ পীৰা বা চালপীৰা দিয়া হয়। চালপীৰা দিলে তাৰ ওপৰত আৰু এখন চাৰিটা খুৰা থকা বৰপীৰা দিব লাগে হয়। কিন্তু তৃতীয়দিনা সেই কলপুলিটো আৰু ইকৰাডাল তাৰ পৰা আঁতৰাই তাৰ ঠাইত চাকিচুকত চাৰিডাল

কলপুলি পুতি দিয়া হয়। সেই কলপুলিৰ লগতে চাৰিজোপা ইকৰাও পুতি দিয়া নিয়ম। মাজখণ্ডত কলপটুৱাৰ 'ডগলা' বৈ দিয়া হয়। তাৰ ওপৰত চালপীৰা বা চামৰ পীৰা এখন পাৰি দিয়া হয়। তিৰাসকল তন্ত্ৰ-মন্ত্ৰৰ সৈতে জড়িত। গতিকে যাদুমন্ত্ৰৰ কুঅভিপ্ৰায়ৰ পৰা হাত সাৰিবৰ কাৰণে চাৰিটা মন্ত্ৰপুত কণী বা চাৰি টুকুৰা ঔষধ পোতে (গোপনে) আৰু এই বেইখন ল'ৰা-ছোৱালী খোবা-খুবী খাই ঘূৰি নহালৈকে ভাঙিব নোৱাৰে। 'খোবা খুবী' ভাঙিবলৈ যাওঁতে দৰা-কইনাৰ লগত গাঁঠিজেলাই গাঁঠি লাও দুটা, মদৰ কলহ এটা আৰু এপাচি চাউল শিকিয়াত ভাৰ কৰি নিব লাগে; লগতে আঙুলি পিঠাও নিয়া নিয়ম। সেইখন ভাৰ সেইদিনা কইনাঘৰীয়া মানুহে আশীৰ্বাদ দি দৰা-কইনাক সেৱা কৰায় আৰু তাৰ পিছতে ভাৰখন খায়। আজিকালি দৈ আৰু জলপান (চিৰা বা সান্দহ) গুৰৰ টেকেলি এটাহে নিয়ে। মাক-দেউতাকে সেইদিনা ল'ৰা-ছোৱালীক ৰাখিব নোৱাৰে। সেইদিনাই ল'ৰা-ছোৱালীক মাক-দেউতাকৰ তাত এদিন জুৰণি ল'বলৈ যাবলৈ দিন-তাৰিখ দিয়ে। সেইদিনা ল'ৰা-ছোৱালীহালে ৰাতি থাকি পিছদিনা আগতে থৈ যোৱা ভাৰখন কইনাঘৰৰ পৰা গাঁঠিজেলাই ঘূৰাই লৈ আনে। সেইখন ভাৰ সন্ধিয়া বা গধূলি ৰাইজ মাতি আশীৰ্বাদ দি খোৱা-বোৱাৰ পাছতহে ৰভা আৰু বেই ভাঙিব পাৰে।

তৃতীয়দিনা বিয়াত দুপৰীয়াৰ পৰা ৰাইজ নিমন্ত্ৰিত অতিথিৰ সোধা-পোচা চলে। আবেলি পানী-তুলিবলৈ যায় আৰু সেইদিনা দৰাক নোৱাওতেই ভালেখিনি পলম হয়। সেইদিনা নোৱাওতে গোৱা নামতীসকলৰ যোৰানাম বিশেষ মন কৰিবলগীয়া হয়। সেইদিনা বহুতে নোৱাওঁতেই দৰাক উপহাৰ দি মনৰ জোখাৰে নোৱায়। কোনোৱে নোৱাবলৈ গৈও বিয়ানামৰ ঠেকেচা খাব লগা হয়। দৰাই সেই নোৱনিৰ পৰা আহিয়েই ৰভাতলীত বহিবহি লাগে। সেই সমাজত বহাৰ পৰা দৰাই আৰু উঠিবলৈ সময় নাপায়। নোৱাওঁতেই সন্ধিয়া হৈ যায়। ৰভাতলীত নাম দি থাকোতেই ৰাতি হয়। ইতিমধ্যে সমাজ গোট খায়। সেই সমাজতে দৰাক সজায় আৰু সেই সমাজেই কইনাঘৰীয়া যাত্ৰীসকলক সকলো নিয়ম-কানুন বয়বস্তু চমজাই বৰজেলাই সকলোবোৰ বস্তু চাই-চিতি লয়। সেইদিনা দৰাৰ আগত এখন দৰাশুৱনি ভাৰত ছটা চাউলৰ কেৰু টেকেলি দৰাৰ আগত ঘৰত পূবা-পশ্চিমাকৈ থয়। ইয়াৰ ওচৰতে ভাৰ এখনত দহগুছি পাণ, এথোক তামোল দিয়া হয়। এইখন ভাৰ কোনোৱেই নাখায়। দৰাৰ লগতে যায় আৰু একেদৰেই এই ভাৰখন দৰাঘৰলৈ পিছদিনা ঘূৰি আহে। বিয়াৰ বাবে প্ৰয়োজনীয় বয়বস্তু লৈ গৈ ৰাইজে দৰাক আশীৰ্বাদ দি কইনাঘৰলৈ উলিয়াই দিয়ে। আগৰ দিনত বৰযাত্ৰীয়ে খোজেৰে বা গৰুগাড়ীৰে ঢোল, পেঁপা, কালি, বেণুপাটিৰে কইনাঘৰলৈ আগবাঢ়িছিল। দৰা গৈ পোৱাৰ লগে লগে কইনা ঘৰীয়াই দৰাক দেখি দৰাৰ কাষেৰে সুবাগুৰি তুলিবলৈ আহে। এই সুবাগুৰি তোলাৰ নিয়মো অতি তাৎপৰ্যপূৰ্ণ। ডলা এখনত পিঠাগুড়ি, এডাল নতুন 'সূচী' বা পিঠাগুড়ি ভজা নতুন (বাঢ়নী) লয়। আন এজনীয়ে তামোল ৯খন বা ৭খন, সেইদৰে ন বা সাতখন কলপাত, সাত বা ন গছি জ্বলি থকা শলিতা, ৯টা বা ৭ চকল কল, বেঙেনা ৭টা বা ন চকল ডলা এখনত লৈ আয়তী ঢুলীয়াৰ সৈতে আগবাঢ়ে। খান্দি থোৱা দুটা খালৰ এটাত ৯ ডাল বা ৭ডাল নতুন খৰিকা খালটোৰ চাৰিওফালে পুতি তাত ৰঙা এঁৰা সূতাৰে ৭পাক বা ৯পাক দি লয়। এই সুবাগুৰি তোলালৈ কোনো পুৰুষ যাব নোৱাৰে। ঢুলীয়া-তালিয়া দূৰতে থাকিব লাগে। ঢোলৰ ছেৱে ছেৱে নাচি নাচি কইনাৰ মাকে মূৰৰ ওপৰত থকা ডলাৰ পিঠাগুড়ি সূচীতাৰেৰে হাতেৰে লৰাই থাকিব লাগে। লগতে দুনৰি লোৱা-ছোৱালীজনীয়েও জ্বলন্ত শলিতাৰ থালখন লৈ ইটো খালত নাচি ৰয়। নাচি শেষ হোৱাৰ পাছত কইনাৰ মাকক ৰ'বলৈ দি

সেই খালটোত কি পাইছে চাবলৈ দি সোধে ঃ

প্ৰশ্ন ঃ কি পাইছা তাত ?
উত্তৰ ঃ অলমকতা পাইছোঁ।
প্ৰশ্ন ঃ শল নে শাল পাইছা ?
উত্তৰ ঃ শ'ল পাইছো।—

এই বুলি কোবাৰ লগে লগে নাচিবলৈ দিয়ে। এই খালদুটাৰ এটাত যিটোত মাকে নাচে সেই খালটোত কল আৰু বেঙেনা একেলগে খালটোৰ পানীত ৰাখে। (খাল দুটা পানীৰ যুৰলীত খান্দে)। এই সুৰাগুৰি তুলিবলৈ যাওঁতে গোৱা গীতবোৰ বৈশিষ্ট্যপূৰ্ণ আৰু কোনো কোনো ক্ষেত্ৰত অশ্লীলতাৰ গোন্ধ নথকা নহয়। সেয়েই হয়তো কোনো পুৰুষ তালৈ যাব নোৱাৰে। তাৰে দুটিমান আভাস তলত দিয়া হ'ল ঃ

দৰা অহাৰ লগে লগেই সুৰাগুৰি তোলাৰ যাৱতীয় সম্ভাৰ লৈ দৰাৰ কাষেৰে পাৰ হৈ যাওঁতে গাই গাই যায়—

এৰাপাট, দৰাটো ইয়াত থাক
সুৰাগ তুলিবলৈ যাওঁ

তদুপৰি গায় — গ'ল গ'ল সুৰাগ তুলিবলৈ গ'ল
কইনাৰ মাকৰ ফুটুকা মেখেলা বগৰীৰ জেওতে ৰ'ল।

এই গীতটো গাই গাই আয়তীসকল গৈ সুৰাগুৰি তোলা ঠাই পায়গৈ আৰু সকলোবোৰ ঠিক-ঠাক কৰি লোৱাৰ পাছত নাচোতে দিয়া নাম এনে ঃ

অ' মন মন অ' আজি যাওঁৰে যাওঁৰে
অ' মন মন অ' কালি যাওঁৰে যাওঁৰে
অ' মন মন অ' কছাৰী ৰণলৈ যাওঁ —
অ' মন মন অ' কছাৰী ৰণতে
অ' মন মন অ' বুঢ়া পাই হেৰালে
খৰিকা মণ্ডলা চাওঁ।

তেনেকৈ খৰিকা মণ্ডলা চাই চাই গায়—

অ' মন মন অ' খৰিকা মণ্ডলা, অ' মন মন অ' চাওঁ তিনিবেলি
অ' মন মন অ' চাওঁ তিনিবেলি গণক
অ' মন মন অ' পদূলি ওলায়ে অ' মন মন অ' চাওঁ তিনিবেলি
অ' মন মন অ' এবাৰো নেদেখো ধনক।

আকৌ একে সুৰেই গাই থাকে—

তিনি জোবা দিয়া নাঙল-যুৱলী তিনি যোৰা দিয়া ফাল
তিনি যোৰা দিয়া শহৰৰ পুতেকহঁত এটাকো নেদেখো ভাল
আৰৈধান এপাচি উঁথুৱা এপাচি কেনেকৈ মিহলি হ'ল
তয়ো এগাঁৱৰময়ো এগাঁৱৰ কেনেকৈ চিনাকি হ'ল।

এনেকৈ ভালেখিনি পৰ একেটা সুৰেৰে গাই গাই আয়তীসকল নাচি নাচি বোকাৰে লুতুৰি-পুতুৰি হৈ, গা-পা ধুই পুনৰ দৰা আদৰিবলৈ আহে।

দৰা আদৰিবলৈ কইনাৰ মাক, ভনীয়েক, আয়তী, ঢোল, তালৰ সৈতে পদূলিলৈ ওলাই আহে। কইনাৰ মাকৰ হাতত বিচনী আৰু দৈ এবাতিৰে দুবিৰা পাণ আৰু কইনাৰ ভনীয়েকৰ হাতত থাকে এঘটি পানী আৰু এখন গামোচা লগতে এখন চামৰ পীৰাও লৈ আনে। দৰা আহি পদূলিত ৰৈ থকা ঠাইতে কইনাৰ ভনীয়েকে আহি ভৰি ধুৱাই দিয়েহি। মাকে বিচনীৰে বিচি দৈয়ন দিয়ে। কুল অনুযায়ী সাতবাৰ বা নবাৰ দৈৰ বাটিৰ পৰা পাণ দুবিৰাত দৈ সানি লৈ দু গালত সাত বা নবাৰ দৈ সানে। ইয়াৰ পিছতে কন্যাৰ মাকে দৰাক চুমা এটা খোৱা নিয়ম। লগে লগে জেঠেৰি-বৈনায়ে মালা সলায়। এই মালা সলোৱাৰ পিছতে দৰাই উঠি থকা চামৰ পীৰাখন লুটি খুৱাই থৈ সমাজৰ মাজলৈ আগবাঢ়ি গৈ নিৰ্দিষ্ট আসনত বহেগৈ। দৰাৰ সৰ্বদেহ এখন পাটৰ বা মুগাৰ চেলেং কাপোৰেৰে ঢকা থাকে। খুলশালিয়েকে পানীৰে ভৰি ধুৱাই দিওঁতে কাপোৰ এযোৰ দিয়াৰ নিয়ম।

ইয়াৰ পিছতে আৰম্ভ হয় বিয়াৰ ৰভাৰ তলত সামাজিক নিয়ম। সাধাৰণতে পুবফালে মুখ কৰি দৰাঘৰীয়া বহে আৰু তাৰ বিপৰীতে কইনাঘৰীয়া 'বৰজেলা'কে আদি কৰি অন্যান্য লোকসকল বহে। আয়তীসকলে ৰভাতলীত নাম দি থাকে অবিৰামভাৱে। বিয়াৰ প্ৰয়োজনীয় বিবিধ সম্ভাৰ ভাগে ভাগে সজাই লোৱাৰ পাছত দৰাঘৰীয়া বৰজেলাই তামোল-পাণৰ বটা এটা কইনাঘৰীয়া বৰজেলালৈ আগবঢ়ায় দিয়ে। কইনাঘৰীয়া বৰজেলাই সেই মান বঁটা দেখি কয়—

কইনাঘৰীয়া বৰজেলা ঃ বাপা বৰজেলা গুৰু— 'আপোনালোক আজি খেল-জ্ঞাতি লৈ হাড়ে-ভাৰে, বাৰকুল চৈধ্য গোষ্ঠীৰে মোৰ এই বন্দীৰ ঘৰলৈ আহিল। এয়া কিহৰ মানবঁটা, কথা বা কি, বতৰা বা কি বন্দীক জনালেহে জানিম।'

দৰাঘৰীয়া বৰজেলা ঃ 'ভাল মোৰ বৰজেলা গুৰু। বোলে ৰজাই দিয়া ভূমি, পিতৃয়ে দিয়া কন্যা, আজি আপোনাৰ কন্যা দিয়াৰ কথা আছিল, সেয়ে আজি গাড়ী, জেলা-মাউৰীয়ে আমি সমস্ত সম্পদ লৈ আহি আপোনাৰ চৰণ বন্দী হৈছোঁহি।'

কইনাঘৰীয়া ঃ 'ভাল অ' বৰজেলাগুৰু ! কন্যা থাকিলে কন্যাদান দিয়াটো জগতৰ নীতি, আপুনি এতিয়া কিবা আনিছে আপোনাৰ হাড়ী-গাড়ী ভৰাই বন্দীয়ে আগবঢ়ালে ভাল হয়।'

দৰাঘৰীয়া ঃ 'ভাল জেলাগুৰু! আপুনি হুকুম দিলে বন্দীয়ে এপদ এপদকৈ আগবঢ়াই দি থাকিব পাৰো।'

ইয়াৰ পিছতে কইনাৰ বাবে অনা অলংকাৰ-পাতি আৰু কাপোৰ-কানি সকলোবোৰ (কইনাক দিয়া) ডলা এখনত তুলি সমাজলৈ আগবঢ়ায়। সকলোবোৰ বস্তু পোৱাৰ পাছত দৰাৰ ভনীয়েক, লগত দুগৰাকীমান আয়তী গৈ কইনাক পিন্ধাবৰ কাৰণে দুৱাৰমুখত গৈ ৰ'বগৈ লাগে। দুৱাৰ ধৰা বিয়ানাম গোৱাৰ পিছতহে ন-কইনাক সাজ-সজ্জা কৰিবগৈ পাৰে।

ন-কইনাক সজাই-পৰাই থৈ অহাৰ পিছতে কইনাৰ ককায়েক বা ভায়েকে এখন চাৰিখুঁটীয়া চামৰ পীৰাত তুলি আনি সমাজৰ মাজত দৰাৰ সন্মুখত ৰাখেহি আৰু কইনাই দৰাক সেৱা কৰি মাল্যদান কৰে। লগে লগে কইনাক দৰাৰ বাওঁকাষে একে লগে বহুৱাই দিয়েহি আৰু একেলগ হোৱাৰ পাছত ৰাইজে 'হৰগৌৰী বসতি হওক বুলি আশীৰ্বাদ দিয়ে। আশীৰ্বাদ দিয়াৰ পিছতে মান লওঁতাসকললৈ মান

দান আগবঢ়াই আৰু মাল্যদান কৰাৰ পাছত ল'ৰা-ছোৱালীক ভিতৰলৈ লৈ যায়। ভিতৰত ল'ৰা-ছোৱালীক একেলগে বহুৱাই পৰমান্ন খুৱায়। অৰ্থাৎ দৰা-কইনাক নবাৰ পৰমান্ন মুখলৈ নি টোৱাব লাগে। এনেকৈ কৰি মুখ-হাত ধুই প্ৰথমে মাক-দেউতাকক আৰু পূজ্যজনক সেৱা কৰে। মাক-দেউতাকক সেৱা কৰোতে নানা দিহা-পৰামৰ্শ দিয়ে আৰু কইনাক বৰঘৰ, গৰুঘৰ, ভঁৰালঘৰ আদিত সেৱা কৰে আৰু কোঁচত চাউল লৈ ছটিয়ায়। পুনৰ বৰঘৰত সেৱা কৰে। সেই সকলোবোৰ সেৱা, প্ৰনাম কৰাৰ পাছত পুনৰ সমাজৰ মাজলৈ অনা হয় আৰু পুনৰ আশীৰ্বাদ লৈ দৰা-কইনাই দৰাঘৰলৈ যাত্ৰা কৰে। এনেকৈয়ে ভৈয়ামত তিৱা সমাজত কইনা সম্প্ৰদানকাৰ্য সমাধা হয়।

দৰা-কইনা আহি পোৱাৰ লগে লগে দৰাৰ মাকে বিচনী এখন, ধূপ-ধুনা, পীৰা এখন, দৈ গাখীৰ, এঘটি পানী লৈ, পদূলিমুখত দৰা-কইনাক আদৰিবহি লাগে। চামৰ পীৰাখনত দৰা-কইনা একেলগে উঠে আৰু পানীৰে দুয়োকে ডবি ধুৱাই বিচনীৰে বিচি ধূপ-ধুনা দিয়ে আৰু সাতবাৰ বা ন বাৰ দুয়োৰে গালত দৈৰে দৈয়ন দিয়ে। সেই উঠি থকা পীৰাখন লুটিয়াই গৈ দৰা কইনাইৰ ঘৰ পায়হি। আয়তীসকলৰ নামৰ অন্ত নপৰে। ৰভাতলী পাই পাশাখেল খেলিব লাগে। প্ৰথমতে চাউল এবাটিত এটা আঙঠি দি বাটিটো ঘূৰাই দি তাত থকা আঙঠিটো বিচাৰিবলৈ দিয়ে। যিজনে পায় সিয়েই জিকে আৰু বিচাৰি নোপোৱাজনক ঠাট্টা তামচা কৰে। তাৰ পাছত গোটা তামোল ভাঙিবলৈ দিয়ে। এয়া কষ্টসাধ্য যদিও কোনোৰে গোটা তামোল দুফাল কৰে। ইয়াৰ পাছত কইনাক ভিতৰলৈ নি এপাচি চাউলত এটা আঙঠি, ভৰা কলহৰ পানীত সোণৰ আঙঠি বিচাৰিবলৈ দিয়ে। এই সকলোবোৰ পাছত ন-কইনাই কাপোৰ সলাই গা ধুবলৈ যাব পাৰে আৰু গা-পা ধুই জিৰণি লয়।

দৰাঘৰত বিয়াৰ পিছদিনা বাহী ভোজ দিয়া নিয়ম। এই ভোজত এটা গাহৰি, লগত মাছ বা কাছও দিয়ে। এই ভোজৰ কাম ৰাতিৰ পৰাই আৰম্ভ হয় আৰু পুৱাতে শেষ কৰি কইনা আহি পোৱালৈ বাৰে বাট চাই ৰয়। কইনাই গা-পা ধোৱাৰ পাছতে সমাজ বহে আৰু সেইদিনাই কইনাই সামাজিকভাৱে ৰাইজক অলপ মদ আৰু ভাত-তৰকাৰী দি সামাজিকভাৱে ন কইনাই ৰান্ধনীৰ ভাৰ লয়। ইয়াক 'চৰু হাড়ি লাৰা' বুলি কয়। সেইদিনা দৰা-কইনাক সমজুৱাৰ আগতে আশীৰ্বাদ দিয়াৰ পাছত দৰা কইনাকো ৰান্ধনীঘৰত একেলগে বা একেখন কাঁহীতে খাবলৈ দিয়ে

বিয়াৰ তিনিদিনৰ পাছত গাঁঠিজেলাক লগত লৈ দৰা-কইনাই আঠমঙলা খাবলৈ যাব লাগে। সেইদিনা ল'ৰা-ছোৱালীক ৰাতি ৰখোৱা নিষেধ। আঠমঙলা খাই উভতি অহাৰ পাছতহে বন্ধা আৰু বেই ভঙা নিয়ম।*

গ্ৰন্থপঞ্জী ঃ

১। বিবাহ বিচিত্ৰা — মুকুন্দ শৰ্মা।

২। ৰ'হাগতে পাতি যাওঁ বিয়া—প্ৰেম বৰুৱা

---

* অসম সাহিত্য সভাৰ পত্ৰিকাত প্ৰকাশিত

দশম অধ্যায়

বড়োৰ ঐতিহ্যবাহী চিফুং বাঁহী

খেৰাই নৃত্য

বাভাৰ কোৰ্‌কা ঢুলীয়া (বৰঢুলীয়া) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ

বাভাৰ ফাৰকান্তি নৃত্য

দেউৰী বিহু

এচ এইচ পাটগিৰি

খাম চেৰেঙ্গাৰ সুৰত বাগৰুম্বা

আলি আই লৃগাঙৰ গুমৰাগ নৃত্য

আলি আই লৃগাঙৰ ছ'মান নৃত্য (মিচিং)

আলি আয়ে লৃগাং

লৃগাৰ পূজাৰ নৈবদ্য

দেউৰী চাংঘৰ

দেউৰীৰ বিহু

দেউৰীসকলৰ পৰম্পৰাগত পূজা

সোনোৱাল কছাৰীৰ হুচৰি

সোনোৱাল কছাৰীৰ লেচেৰী



জাম্বিলী আঠন

বিতনং চিংদি (কাববি)

মুইনাৰীকাণ্ঠি মিচাৱা (তিৱা)

পাহাৰৰ মুইনাৰীকাণ্ঠি মিচাৱা

তিৱাৰ ৱানচুৱা উৎসৱ

ভৈয়াম কাৰবিৰ দোমাহী কেকান

হাজঙৰ জাখামাৰা নৃত্য

স্বকীয় সাজত কেইগৰাকীমান হাজং গাভৰু

ডিমাচাৰ বুচু উৎসৱ (বিহু)

স্বকীয় সাজত ডিমাচা গাভৰু

ডিমাচাৰ বাই ডিমা

টাইফাকেৰ পয়চাংকেন পূজা

পেইম থি গোহাই

টাইফাকেৰ টাংচন পূজাৰ প্ৰস্তুতি

পেইম থি গোহাই

গাৰোসকলৰ বানগালা নৃত্য

বানগালা নৃত্য শিল্পী

স্বকীয় সাজেৰে কেইগৰাকীমান গাৰো যুৱতী

মিচিং সকলৰ আলি আয়ে লৃগাঙৰ খাদ্য প্ৰস্তুতি

মিচিঙৰ বিহু

স্বকীয় সাজেৰে এগৰাকী মিচিং মিমী (মহিলা)



দুগৰাকী মিচিং মীম্বুৰ (গাভৰু)

খেৰাই নৃত্য

পদ্ম পাটিৰ

শিল্পীৰ তুলিকাত বৈছাগুৰ বং (কামৰূপৰ বড়ো)

শান্তনু পাটিৰ

এগৰাকী ডিমাচা গাভৰু

হাজঙৰ অলংকাৰপাতি

কাৰবিৰ স্বকীয় গহনা পাঠনি

ঠেঙ্গাল কছাৰীৰ মুগাসূতা, আম পুতনিৰ সূতা, এৰি সূতা, মুগাৰ জুথৰি, পাট সূতা

ঠেঙ্গাল কছাৰীৰ টঙালি, মুগাৰ চোলা, গায়নৰ টঙালী



মিচিঙৰ গেৰ'



মিচিং গালোক



তিৱাৰ টাগ্‌লা

দুগৰাকী সোনোৱাল কছাৰী মহিলাৰে এটা পৰিয়াল



ঠেঙ্গাল কছাৰীৰ গামখাৰু, থুৰীয়া, মাদলী, কেৰু আদি

সোনোৱাল কছাৰীৰ অলংকাৰ জোনবিৰি, গামখাৰু, মাদলী



মিচিঙৰ অলংকাৰপাতি



ৰাভাৰ হামজাৰ নৃত্য

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ

ৰাভা সমাজৰ পৰম্পৰাগত ভোজ
(ৰাজহুৱা ভোজ)

ড: উপেন ৰাভা হাকাচাম